গোৰা

ৰবীন্দ্ৰনাথ ঠাকুৰ

অনুবাদক

সুৰেন্দ্ৰমোহন চৌধুৰী

সাহিত্য অকাদেমী

নতুন দিল্লী

GORA. Assamese translation by Surendramohan Chowdhury of Rabindranath Tagore's Bengali novel. Sahitya Akademi, New Delhi (1965). Price Rs 12·00

© সাহিত্য অকাদেমী ১৯৬৫

বিশ্বভাৰতী প্ৰকাশন বিভাগৰ
সৌজন্যত এই কিতাপ প্ৰকাশিত

প্ৰধান পৰিবেশক
লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, অসম

তলৰ ঠিকানাতো পোৱা যায়
সাহিত্য অকাদেমী
ৰবীন্দ্ৰভৱন, ফৰোজ শাহ্ ৰোড, নিউ দিল্লী-১
ৰবীন্দ্ৰ ষ্টেডিয়াম, ব্লক ৫ বি, কলিকতা-২৯

মুদ্ৰক : শ্ৰীগুৰু প্ৰেছ
মালিগাঁও, গুৱাহাটী

মূল্য ১২·০০

Please handle the book carefully.

Library
ATI

শাওণ মাহৰ মেঘ আঁতৰি যোৱাৰ লগে লগেই কলিকতাৰ আকাশ নিৰ্ম্মল ৰ'দেৰে উপচি পৰিছে। বাট-পথত গাড়ী-ঘোঁৰাৰ বাবে খিৰ দিও সন্ধি পাবৰ উপায় নাই।— ফেৰিৱালাবোৰে অনবৰত চিঞৰি ফুৰিছে, অফিচ, কলেজ, কাছাৰী ঘৰলৈ যাবলৈ ওলোৱাসকলৰ ঘৰে ঘৰে মাছ আৰু শাক-পাচলিৰ পাচি লৈ লৈ পোহাৰীবোৰ আহিব ধৰিছে আৰু বান্ধনি-ঘৰৰ মুখেদি চোকা জলোৱাৰ ধোঁৱা ওলাইছে।— কিন্তু তথাপি ইমান ডাঙৰ এই কৰ্ম্মব্যস্ত কাঠচিত হৃদয়ৰ কলিকতা নগৰী—ইয়াৰো এই শ শ বাট-পথ আৰু গলিৰ ভিতৰলৈকে সোণবৰণীয়া পোহৰে আজি যেন এক অতুলনীয় যৌৱনৰ সোঁত বোৱাই আনিছে।

এনে এটা দিনতে কাম নথকা আহৰি পৰত বিনয়ভূষণে তাৰ ঘৰৰ দুমহলাৰ বাৰাণ্ডাত অকলে থিয় দি আলিবাটৰ জনতাৰ সোঁতলৈ চাই আছিল। বহুদিন হ'ল কলেজৰ পঢ়াও সাং কৰিছে অথচ সংসাৰতো সোমোৱা নাই— এইটোৱেই হ'ল বিনয়ৰ বৰ্ত্তমান অৱস্থা। সি মাজে মাজে সভা-সমিতিত যোগ দিয়ে আৰু বাতৰি-কাকতত প্ৰবন্ধপাতি লিখে—কিন্তু এইবোৰেও যেন তাৰ গোটেই মনটো পূৰ কৰিব পৰা নাই। অন্ততঃ আজি পুৱাবেলাটোনো কেনেকৈ কটাব তাকে থিৰ কৰিব নোৱাৰি তাৰ মনটো বৰ উগুল-থুগুল লাগিছিল। কাষৰ ঘৰটোৰ ছাতৰ ওপৰত তিনটামান কাউৰীয়ে কিবা কাৰণে কোৰ্হাল কৰি আছিল আৰু এহাল ঘনচিৰিকাই তাৰে এচুকত সিহঁতৰ বাহ সজা লৈ ইটোৱে সিটোক চিঁ চিঁয়াই উৎসাহ দিছিল—সেইবোৰ অবুজ কলকলনিয়ে বিনয়ৰ মনত কিবা এটা অস্পষ্ট ভাবৰ আৱেগ জগাই তুলিছিল।

এনেতে হলোচোলা পিন্ধা বৈৰাগী এজনে ওচৰতে দোকান এখনৰ সন্মুখত থিয় হৈ গানি গাবলৈ ধৰিলে ;—

সজাৰ বুকুলৈ অচিন পখী কেনেকৈ আহে যায়
ধৰিব পাৰিলে মনৰ জৰীৰে বান্ধিম পখীক হায়।

বৈৰাগীক মাতি আনি এই অচিন পখীৰ গানটো লিখি লবলৈ বিনয়ৰ ৰৰ মন গ'ল। কিন্তু শেষৰাতি অলপ জাৰ জাৰ লাগিলেও গালৈ নিহালিখন টানি লবলৈ এলাহ লগাৰ দৰেই কিবা এটা এলাহতে বৈৰাগীক মতা নহ'ল আৰু গানো লিখা নহ'ল—কেৱল সেই অচিন পখীৰ সুৰটো মনৰ ভিতৰত গুণগুণাই বাজি থাকিবলৈ ধৰিলে।

ঠিক এনে সময়তে তাৰ ঘৰৰ সন্মুখতে এখন সৰু ঘোঁৰাগাড়ীৰ ওপৰত মস্ত এখন ঘোঁৰাবাগী আহি পৰিলহি, আৰু একে খুন্দাই সৰু ভাৰাগাড়ীখনৰ চকা এটা ভাঙি খৈ সেইফালে নোচোৱাকৈয়ে বাগীখন বায়ুবেগেৰে গুচি গ'লগৈ। ভাৰাগাড়ীখন একেবাৰে লুটিখাই নপৰি একালে কাতি হৈ পৰিল।

বিনয় লৰালৰিকৈ বাহিৰলৈ ওলাই আহি দেখিলে যে গাড়ীৰ ভিতৰৰপৰা সোতৰ-ওঠৰ বছৰীয়া ছোৱালী এজনী নামি আহিছে আৰু এজন বয়সিয়াল মানুহ নামিব খুজিছে।

বিনয়ে তেখেতক ধৰি-মেলি গাড়ীৰপৰা নমালে, আৰু তেখেতৰ মুখখন কেঁহেৰাজ বৰণ ধৰা দেখি সুধিলে, "আপুনি কৰবাত দুখ পালে নে কি?"

তেখেতে 'নাই, একো হোৱা নাই' বুলি হাঁহিব খুজিছিল, কিন্তু সেই হাঁহি লগে লগেই নোহোৱা হৈ গ'ল আৰু মানুহজন অজ্ঞান হোৱাৰ দৰে হৈ ঢলি পৰিল। বিনয়ে থাপমাৰি তেখেতক ধৰিলে আৰু মহা বিমোৰত পৰা ছোৱালীজনীক কলে, "সৌৱা আমাৰ ঘৰ ব'লক, ভিতৰলৈ ব'লক।"

বুঢ়া মানুহজনক বিছনাত শুৱাই দি ছোৱালীজনীয়ে কোঠাটোৰ চাৰিও-কালে চাওঁতে এচুকত পানী একলহ দেখিলে। ছোৱালীজনীয়ে তেতিয়াই কলহৰপৰা এগিলাচ পানী বাকি লৈ মানুহজনৰ চকুৰে-মুখে পানী মাৰি দি খিচি দিবলৈ ধৰিলে আৰু বিনয়ক কলে, "এজন ডাক্তৰ মাতিব নোৱাৰি নে?"

বিনয়ৰ ঘৰৰ ওচৰতেই ডাক্তৰৰ ঘৰ। ডাক্তৰ মাতিবলৈ বিনয়ে চাকৰ কৰাটো তেতিয়াই পঠিয়াই দিলে।

কোঠাটোৰ এমূৰে মেজৰ ওপৰত এখন আয়না, তেলৰ বটল আৰু চুলি আঁচোৰাৰ সৰঞ্জাম যতনাই থোৱা আছিল। বিনয় ছোৱালীজনীৰ পিচফালে থিয় দি সেই আয়নাখনৰ পিনে একেথৰে চাই ৰ'ল।

সৰুকালৰপৰা বিনয়ে সিহঁতৰ কলিকতাৰ ঘৰত থাকি পঢ়া-শুনা কৰিছে। সংসাৰৰ লগত বিনয়ৰ যি চিনাকি, সকলো কিতাপ-পত্ৰৰ মাজেদিয়েই।

তাৰ একোৱেই নহয়—এনে কোনো ছোৱালীৰ লগত আজিলৈকে বিনয়ৰ কেতিয়াও চিনাকি হোৱা নাই।

আয়নাৰ পিনে চাই স্থি দেখিলে আয়নাত প্ৰতিফলিত হোৱা মুখখন যে কিমান ধুনীয়া।

মুখৰ প্ৰত্যেকডাল ৰেখা বেলেগে বেলেগে চাবৰ জোখাই চকুৰ অভিজ্ঞতা বিনয়ৰ নাছিল। উদ্বিগ্ন হৈ মৰমত বুঢ়াজনৰ ওপৰত হালি পৰা সেই তৰুণ মুখৰ কোমলতা আৰু উজ্জ্বলতা বিনয়ৰ চকুত সৃষ্টিৰ নতুনকৈ প্ৰকাশ হোৱা কিবা এটা বিস্ময় যেন হে লাগিল।

অলপ পিচতে বুঢ়াজনে লাহে লাহে চকু মেলি 'আই' বুলি মাতি এটা দীঘলকৈ উশাহ ললে। ছোৱালীজনীয়ে তেতিয়া চলচলীয়া চকুৰে মুখখন বুঢ়াৰ মুখৰ ওচৰলৈ নমাই নি খোকাখুকি মাতেৰে সুধিলে, "দেউতা, তুমি ক'ত দুখ পাইছা?"

"মই এইয়া কলৈ আহিছোঁ" বুলি বুঢ়াজন উঠি বহিব খোজোতেই বিনয়ে লৰালৰিকৈ সন্মুখলৈ আগবাঢ়ি আহি কলেহি, "আপুনি এতিয়াই নুঠিব, অকমান জিৰাওকচোন, ডাক্তৰ আহিব ধৰিছে।"

তেতিয়া তেখেতৰ সকলো কথা মনত পৰিল আৰু কলে, "মূৰৰ এইখিনিত অলপ বিষ আছে, বৰ বেচি একো নহয়।"

ঠিক তেনেতে জোতাৰে মচ্ মচ্ শব্দ কৰি ডাক্তৰ আহি পালেহি। ডাক্তৰেও কলে, "বিশেষ একো নহয়।" অলপ তপত গাখীৰৰ লগত ব্ৰাণ্ডি মিহলাই খুৱাবলৈ কৈ ডাক্তৰ গুচি যাওঁতেই বুঢ়াজন যেন লাজ পাই বৰ অপ্ৰস্তুত হোৱা যেন হ'ল। ছোৱালীজনীয়ে বাপেকৰ মনৰ অৱস্থাটো বুজি পাই কলে, "দেউতা, তুমি ইমান অস্থিৰ হৈছা কেলেই? ডাক্তৰৰ ভিজিট আৰু ঔষধৰ দাম ঘৰৰপৰা পঠিয়াই দিমগৈ নহয়।"

এই বুলি কৈ তাই বিনয়ৰ মুখলৈ চালে।

কি আচৰিত সেই চকুযুৰি? চকুজোৰ ডাঙৰ নে সৰু, উঁহা নে ক'লা, এইবোৰ দেখোন মনলৈকে নাহে—প্ৰথম চাৱনিতেই এনেহে লাগে যেন এই চকুযুৰিৰ কিবা এটা অদ্ভুত প্ৰভাৱ আছে। তাত সঙ্কোচ নাই, দ্বিধা নাই,—যেন কিবা এটা ধীৰ-স্থিৰ শক্তিৰে পৰিপূৰ্ণ ।

বিনয়ে কষ্টৰে যত্ন কৰিলে, "ভিজিট নিচেই অলপ; সেই কাৰণে—সেই....আপোনালোকে—সেইয়া—মই—"

ছোৱালীজনীয়ে তাৰ মুখৰফালে চাই থকাত সি আৰু কথাষাৰ শেষ কৰিব নোৱাৰিলেগৈ। কিন্তু ভিজিটৰ টকাকেটা যে সি লবই লাগিব, এইটো-খাটাং হৈ গ'ল।

বুঢ়া মানুহজনে কলে, "চাওক, মোৰ কাৰণে কিন্তু ভ্ৰান্তি নেলাগে।"

জীয়েকে তেখেতক বাধা দি কলে, "কিয় নেলাগে দেউতা, ডাক্তৰে দেখোন সেইয়া কৈ গ'ল।"

বুঢ়াজনে কলে, "ডাক্তৰবোৰে তেনেকৈ কয়েই। সেইটো সিহঁতৰ এটা কু-সংস্কাৰ। গাটোত যিকণ দুৰ্ব্বল লাগিছে, অকণ তপত গাখীৰ খালেই ভাল হৈ যাব।"

গাখীৰ খোৱাৰ পাচত গাত বল পাই বুঢ়াই বিনয়ক কলে, "এতিয়া আমি আহোঁ আৰু; আপোনাক মিছাতে দিগ দিলোঁ।"

ছোৱালীজনীয়ে বিনয়ৰ মুখৰ পিনে চাই কলে, "এখন গাড়ী যদি—"

বুঢ়াই সঙ্কুচিত হৈ লৰালৰিকৈ কলে, "আকৌ তেওঁক কিয় আমনি দিছা? আমাৰ ঘৰচোন সৌ ওচৰতে; এইকণ খোজকাঢ়িয়েই যাব পাৰিম।"

ছোৱালীজনীয়ে কলে, "নহয় খোজকাঢ়ি যাব নোৱাৰা।"

বুঢ়াজনে আৰু একো নকলে। বিনয়ে নিজে গৈ গাড়ী এখন মাতি আনিলেগৈ। গাড়ীত উঠিব খোজোঁতেই বুঢ়াই বিনয়ক সুধিলে, "আপোনাৰ নামটো কি জানিব পাৰোঁনে?"

বিনয়,—মোৰ নাম বিনয়ভূষণ চট্টোপাধ্যায়।

বুঢ়াই কলে, "মোৰ নাম পৰেশচন্দ্ৰ ভট্টাচাৰ্য্য। এই ওচৰতে ৭৮ নং ঘৰত থাকোঁ। কেতিয়াবা আহৰি পৰত যদি আমাৰ পিনে এবাৰ পাক মাৰে, বৰ বং পাম।"

ছোৱালীজনীয়ে বিনয়ৰ পিনে তাইৰ চকুযুৰি তুলি ধৰি এই অনুৰোধৰ নীৰৱ সমৰ্থন কৰিলে। বিনয়ে সেই গাড়ীখনতে উঠি তেতিয়াই সিহঁতৰ ঘৰলৈ যাবলৈ ৰাজী আছিল, কিন্তু কথাটোনো কেনে দেখাব, তাকে বুজিব নোৱাৰি মনে মনে থিয় দি ৰ'ল। গাড়ীখন ঠিক এৰিবৰ সময়ত ছোৱালী-জনীয়ে বিনয়ক লাহেকৈ নমস্কাৰ কৰিলে। এই নমস্কাৰৰ বাবে বিনয় মুঠেই সাজু হৈ থকা নাছিল; সেই কাৰণে হঠাতে তাৰ খপ্‌জপ্ লাগি ছোৱালীজনীৰ নমস্কাৰ সি ঘূৰাই দিব নোৱাৰিলে। এইকণ ত্ৰুটীৰ বাবে ঘৰলৈ উভতি আহি সি বাৰে বাৰে নিজকে ধিক্কাৰ দিবলৈ ধৰিলে। এওঁলোকৰ লগত প্ৰথম দেখা হোৱাৰেপৰা বিদায় দিয়ালৈকে বিনয়ে তাৰ সকলো ব্যৱহাৰবোৰ নিজৰ মনতে এটা এটাকৈ চালি-জাৰি চাই ঠিক কৰিলে যে প্ৰথমৰেপৰা শেষলৈকে সকলো কথাতে তাৰ অসভ্যালিহে ফুটি ওলাইছে। কোন সময়ত সি কি কৰা উচিত আছিল বা কি কোৱা উচিত আছিল—এইবোৰকে ভাবি-গুণি অনাহকতে তাৰ মনটো গধুৰ হৈ

পৰিল। ঘৰলৈ উলটি আহি দেখিলে যে ছোৱালীজনীয়ে বাপেকৰ মুখ মচি দিয়া কমালখন তাতে বিছনাৰ ওপৰত পৰি আছে—কমালখন সি লবালৰিকৈ বুটলি ললে। তাৰ মনৰ ভিতৰত বৈৰাগীৰ গানৰ সেই সুৰটো আকৌ বাজি উঠিল——

"সজাৰ বুকুকৈ অচিন পখী কেনেকৈ আহে যায়।"

বেলি বাঢ়ি আহিল, বাৰিষাৰ ৰ'দ চোকা হৈ উঠিল, গাড়ীৰ সোঁত অফিচৰ মুখে ধৰবলৈ ধৰিলে, কিন্তু সেইদিনা বিনয়ে কোনো কামতেই আৰু মন বহুৱাব নোৱাৰিলে। আজিৰ দৰে এনে এক গভীৰ বেদনাসনা অপূৰ্ব্ব আনন্দ সি এই বয়সলৈকে কেতিয়াও পোৱা নাছিল। তাৰ এই অকণমান ঘৰটো আৰু চাৰিওকালৰ কুচ্ছিত্ কলিকতাখন কোনোবা মায়াপুৰী যেন হৈ উঠিল; সেই অসম্ভৱ সম্ভৱ হোৱা ৰাজ্য, য'ত অসাধ্য সিদ্ধ হয়, অপৰূপে ৰূপ লৈ দেখা দিয়ে—বিনয় যেন সেই কোনো নিয়ম নথকা ৰাজ্যত ঘূৰি ফুৰিবলৈ ধৰিলে। বাৰিষাৰ এই পুৱাৰ ব'দালিৰ উজ্জ্বল জেউতি তাৰ মগজুৰ ভিতৰলৈকে সোমাল, তাৰ তেজৰ লগত বৰলৈ ধৰিলে আৰু তাৰ হৃদয়ৰ সন্মুখত এখন জ্যোতিৰ্ম্ময় যৱনিকাৰ দৰে নামি আহি দৈনন্দিন জীৱনৰ সকলো তুচ্ছতাকে যেন একেবাৰে ঢাঁৰ কৰি দিলেহি। নিজৰ পৰিপূৰ্ণতাক কিবা আচৰিত উপায়েৰে প্ৰকাশ কৰি দিবলৈ তাৰ বৰ মন গ'ল; কিন্তু কেনেকৈনো তাকে কৰিব পাৰি তাৰ কোনো উপায় নেপাই বিনয়ৰ মন বেজাৰত গুজৰি-গুমৰি উঠিল। আজি যে সি এটা অতি সাধাৰণ মানুহ বুলিয়েই নিজক চিনাকি দিলে—ঘৰটো অতি সাধাৰণ, বস্তু-বাহানিবোৰ থানথিত নোহোৱাকৈ অ'ত ত'ত পৰি আছে, বিছনাখনো মলিয়ন, কেতিয়াবা কেতিয়াবা সি তাৰ কোঠাত ফুলৰ থোপা সজাই থয়—কিন্তু এনে দুৰ্ভাগ্য—আজি তাত ফুলৰ পাহি এটাও নাছিল। সকলোৱে কয় বিনয়ে ৰাজহুৱা সভাত বিয়ান ডাঙৰ ডাঙৰ বক্তৃতা দিব পাৰে, সি কালত গৈ এজন বৰ ডাঙৰ বক্তা হব পাৰিব; কিন্তু সেইদিনা দেখোন সি মুখেৰে এনে এটা মাতো মাতিব নোৱাৰিলে—য'ত তাৰ বুদ্ধিৰ অকণমানো চিনাকি পোৱা যায়। বাৰে বাৰে তাৰ মনত খেলালে—যদি এনেকুৱা কৰিব পাৰিলোহেঁতেন—যে ঠিক সেই প্ৰকাণ্ড ষাণ্ডীখন আহি এওঁলোকৰ গাড়ীৰ ওপৰত পৰিব খোজোঁতেই মই একে চোঁচাই বিজুলী-বেগে বাটলৈ আহি সেই উৰি যোৱা গাড়ীখনৰ লেগামত একে থাপেই থাপ মাৰি ধৰি ৰখাই দিলোঁহয়। নিজৰ সেই কাল্পনিক বীৰত্বৰ ছবি মনত ভাঁহি উঠাৰ লগে লগেই সি এবাৰ গৈ আৰ্চীত নিজৰ মুখখন নোচোৱাকৈ থাকিব নোৱাৰিলে।

এনেতে সি দেখিলে যে এটা সাত-আঠ বছৰীয়া লৰাই বাটত থিয় হৈ তাৰ ঘৰৰ নম্বৰটো চাই আছে। বিনয়ে ওপৰৰপৰাই কলে "হয়, হয় ঘৰ এইটোৱেই।" লৰাটোৱে যে তাৰ ঘৰৰ নম্বৰটোৱেই বিচাৰিছিল সেইটো বিনয়ে সহজেই বুজিলে। বিনয়ে খটখটায়েদি চটী-জোতাৰে চট্ চট্‌কৈ তললৈ নামি গ'ল আৰু বৰ আগ্ৰহেৰে লৰাটোক নিজৰ কোঠালৈ লৈ আহি তাৰ মুখৰ পিনে চালে।

সি কলে "বাইদেৱে মোক্ পঠিয়াই দিছে।"

এই বুলি কৈ বিনয়ভূষণৰ হাতত এখন চিঠি দিলে।

বিনয়ে চিঠিখন লৈ পোনতে লেফাফাৰ ওপৰলৈ চালে, মাইকী মানুহৰ ধুনীয়া হাতৰ আখৰেৰে ইংৰাজীত তাৰ নাম লেখা আছে। ভিতৰত চিঠি-পত্ৰ একো নাই, মাত্ৰ কেইটামান টকা আছে।

লৰাটি গুচি যাব খোজোঁতে বিনয়ে তাক কোনোমতেই এৰি নিদিলে। লৰাটোৰ ডিঙিত সাবটি ধৰি বিনয়ে তাক দুমহলাৰ কোঠালৈ লৈ গ'ল।

লৰাটোৰ গাৰ বৰণ তাৰ বায়েকতকৈ ক'লা, কিন্তু মুখৰ গঢ় বহুখিনি মিলে। তাক দেখি বিনয়ৰ বৰ ভাল লাগিল আৰু তালৈ কিবা এটা যেন মৰম উপজিল।

লৰাটো বেচ চটফটীয়া। কোঠাত সোমায়েই বেৰত আঁৰি থোৱা ছবি এখনলৈ আঙুলিয়াই সি সুধিলে—"এইখন কাৰ ছবি?"

বিনয়ে কলে—"এইয়া মোৰ বন্ধু এজনৰ ছবি।"

লৰাটোৱে সুধিলে "বন্ধুৰ ছবি? আপোনাৰ বন্ধুনো কোন?"

বিনয়ে হাঁহি হাঁহি কলে, "তুমি তেওঁক চিনি নেপাবা। মোৰ বন্ধু গৌৰমোহন, আমি তেওঁক গোৰা বুলি মাতোঁ। আমি নিচেই সৰুৰেপৰা একেলগে পঢ়িছোঁ।"

"আপুনি এতিয়াও পঢ়ে নে কি?"

"ওঁহো, এতিয়া আৰু নপঢ়োঁ।"

"আপোনাৰ স-ক-লো পঢ়া শেষ হ'ল নে কি?"

এই কণমান লৰাটিৰ আগতো বিনয়ে গৰ্ব্ব কৰাৰ লোভ সামৰিব নোৱাৰিলে। সি কলে, "ওঁ, সকলো শেষ হৈছে।"

অবাক হৈ লৰাটোৱে বিনয়ৰ ফালে চাই থাকিল। বোধকৰোঁ সি ভাবিলে কেতিয়াকৈ যে সিয়ো ইমানবোৰ পঢ়া শেষ কৰিব পাৰিব।

বিনয়,—তোমাৰ নাম কি?

"মোৰ নাম শ্ৰীসতীশচন্দ্ৰ মুখোপাধ্যায়।"

বিনয়ে আচৰিত হৈ ক'লে, "মুখোপাধ্যায়?"

তাৰ পিচত লাহে লাহে সকলো চিনাকি পোৱা গ'ল। পৰেশ ভট্ট এওঁলোকৰ বাপেক নহয়—তেখেতে এই ভাই-ভনীহঁতক সৰুৰেপৰা তুলিছে। ইয়াৰ বায়েকৰ নাম আগেয়ে ৰাধাৰাণী আছিল—পৰেশ ভট্টৰ ঘৈণীয়েকে সেই নামটো সলাই 'সুচৰিতা' ৰাখিছে।

চাওঁতে চাওঁতে লৰাটোৰ লগত বিনয়ৰ মিত্ৰালি হৈ গ'ল। সতীশ যেতিয়া ঘৰলৈ যাবলৈ ওলাল, তেতিয়া বিনয়ে সুধিলে, "তুমি অকলে যাব পাৰিবা জানো?"

সি গৰ্ব্বেৰে ক'লে, "মইতো সদায় অকলেই যাওঁ।"

বিনয়ে ক'লে, "ব'লা, মই তোমাক আগবঢ়াই থৈ আহোঁগৈ।"

সি অকলে যাব নোৱাৰিব বুলি বিনয়ে সন্দেহ কৰা দেখি লৰাটোৱে টানকৈ ক'লে, "কিয় মইচোন অকলেই যাব পাৰোঁ।" এইবুলি কৈ অকলে অহা-যোৱা কৰাৰ নানান দৃষ্টান্ত সি দিবলৈ ধৰিলে। কিন্তু কথাটো ইমান কঁহিয়াই বুজাই দিয়াৰ পিচতো কিয় যে বিনয় সিহঁতৰ ঘৰৰ পদুলি মুখলৈকে গ'ল, সেই কথাটোহে লৰাটোৱে একো বুজি নেপালে।

সতীশে সুধিলে, "আপুনি ভিতৰলৈ নাহে জানো?"

বিনয়ে তাৰ মনৰ সকলো আগ্ৰহ দমাই ক'লে, "আন এদিনাখন আহিম বাৰু।"

ঘৰলৈ উলটি আহি তাৰ সেই নাম লেখা লেফাফাটো জেপৰপৰা উলিয়াই বিনয়ে বহু পৰ চাই থাকিল—প্ৰত্যেকটো আখৰৰ গঢ় আৰু ৰেখাবোৰ তাৰ প্ৰায় মুখস্থ হৈ গ'ল—তাৰ পিচত টকা কেইটাৰে সৈতে লেফাফাটো বাকচৰ ভিতৰত আথেবেথে থৈ দিলে। এই টকা কেইটা কেতিয়াবা কিবা ডাঙৰ বিপদতো যে সি খৰচ কৰিব—এনে আৰু সম্ভাৱনা নেথাকিল।

২

বাৰিষাৰ সন্ধিয়া আকাশৰ এন্ধাৰবোৰ তিতি যেন গধুৰ হৈ পৰিছে। মেঘে ঢাকি ধৰা আকাশৰ তলত কলিকতা চহৰখন এটি প্ৰকাণ্ড মন মাৰি থকা কুকুৰে নেজডালত মূৰটো গুজি মেৰখাই পৰি থকাৰ নিচিনাকৈয়ে নিজম হৈ পৰি আছিল। যোৱাকালিৰ সন্ধিয়াৰেপৰাই কিন্‌কিনাই বৰষুণ দি আছে।

কিন্‌কিনীয়া বৰষুণ জাকে গোটেই আলিবাটটো বোকাহে কৰিছে। কিন্তু হব হবাই এজাক অনা হলে আলিবাটৰ বোকাবোৰ ধুই নিকা কৰি পেলালেহেঁতেন। ঘৰতো মন নবহা অথচ বাহিৰলৈ ওলাই গৈয়ো' শান্তি'নোপোৱা এনে নিজান ওন্দোলাই থকা বতৰত দুজন বন্ধুৱে এটা তিনিমহলীয়া ঘৰৰ ভেকা ছাতৰ ওপৰত দুটা বেতৰ মুঢ়াত বহি আছিল।

এই দুই বন্ধুৱে লৰাকালতো পঢ়াশালিৰপৰা উভতি আহি এই ছাতেতেই লুকাভাকু খেলিছিল। পৰীক্ষাৰ আগতে চিঞৰি চিঞৰি দুয়ো ইয়াতেই পাঠ আওৰাইছিল। জহকালি কলেজৰপৰা উভতি আহি দুয়ো এইখন ছাতেতেই খোৱা-বোৱা কৰিছিল, আৰু তাৰ পিচত কত দিন ৰাতি দুইমান বজালৈকে তৰ্ক কৰি কটাইছিল। পুৱাৰ ৰ'দ আহি মুখত পৰিলেহে দুয়ো চকখাই সাৰ পাই দেখিছিল যে দুয়ো ৰাতি ছাতৰ ওপৰত কঠতে শুই আছে।

কলেজৰ শিক্ষা সাং হোৱাৰ পিচতো এই ছাতৰ ওপৰত প্ৰত্যেক মাহে একোবাৰকৈ পতা 'হিন্দু-হিতৈষী সভা'ৰ অধিবেশনত এই দুই বন্ধুৰ মাজত এজনে সভাপতিৰ আৰু আনজনে চেক্ৰেটাৰিৰ পদ গ্ৰহণ কৰি আহিছে।

সভাপতিৰ পদ গ্ৰহণ কৰাজনৰ নাম আছিল গৌৰমোহন। তাক আত্মীয় বন্ধু সকলোৱে 'গোৰা' বুলিয়েই মাতিছিল। দেখাই-শুনাই, স্বভাৱে-চৰিত্ৰই গোৰা আন সকলোতকৈ যেন অলপ বেলেগ ধৰণৰ আছিল। তাক কলেজৰ প্ৰফেচাৰসকলে 'ৰজতগিৰি' বুলি মাতিছিল। তাৰ গাৰ বৰণ আছিল উজ্জল বগা—হালধীয়া আভাই সেই বৰণলৈ অলপো কোমলতা আনিব পৰা নাছিল। সি প্ৰায় ছফুট ওখ আৰু স্বাস্থ্যৱান আছিল। দুই হাতৰ মুঠি দুটা বাঘৰ হাতোৰাৰ দৰে বৰ ডাঙৰ আছিল আৰু মাতটোও এনেকুৱা ডাঙৰ আৰু গহীন আছিল যে হঠাতে শুনিলে 'কোন' বুলি চক খাই উঠিব লাগে। তাৰ মুখৰ গঢটোও অনাৱশ্যকভাৱে ডাঙৰ আৰু পুৰঠ আছিল। গাল আৰু ঠুটৰিৰ হাড় দুৰ্গৰ দুৱাৰৰ শলখাৰ দৰে অসম্ভৱ দৃঢ় আছিল। চকুৰ ওপৰত চেলাউৰি নাই বুলিলেই হয় আৰু ঠিক সেই-খিনিৰঁপৰাই কপালখন কাণৰ কাষলৈকে অলপ বহল হৈ গৈছিল। পাতল আৰু দৃঢ় ওঁঠৰ ওপৰত জোঙা নাকটো তৰোৱালৰ আগটোৰ দৰে তীক্ষ্ণ আৰু অলপ বেঁকা—। চকুজোৰ সৰু কিন্তু উজ্জ্বল। সেই চকুৰ দৃষ্টিয়ে যেন বহু দূৰৰ ফালে কাঁড়ৰ দৰে লক্ষ্য পোনাই থৈছে, অথচ মুহূৰ্ত্ততে যেন লক্ষ্য ঘিৰাই আনি নিচেই ওচৰৰ বস্তুকো বিজুলীৰ দৰে আঘাত কৰিব

পাৰে। গৌৰৰ ঠিক চকুতলগা ধুনীয়া বুলি কব নোৱাৰি, কিন্তু তাৰে নোচোৱাকৈয়ো থাকিব নোৱাৰি। তাৰ ভিতৰত থাকিলেও তাৰে চকু নপৰি নোৱাৰে।

আৰু তাৰ বন্ধু বিনয় সাধাৰণ বঙালী শিক্ষিত ভদ্ৰলোকৰ নিচিনাই নম্ৰ, অথচ উজ্জ্বল। স্বভাৱৰ কোমলতা আৰু বুদ্ধিৰ প্ৰখৰতা মিলি তাক সকলোৰে মাজত বিশিষ্ট কৰি তুলিছিল। কলেজত সদায় সি বেচি নম্বৰ আৰু বৃত্তি পাইছিল। গোৰাই পঢ়া-শুনাত তাৰ লগে লগে যাব নোৱাৰিছিল। পঢ়া-শুনাত গোৰাৰ সিমান মনো নাছিল। বিনয়ৰ দৰে গোৰাই কথাবোৰ সোনকালে বুজিব বা মনত ৰাখিব নোৱাৰিছিল। বিনয়েই সদায় তাক কলেজৰ পৰীক্ষাবোৰত টানি-টুনি পাৰ কৰাই নিছিল।

গোৰাই কৈ আছিল—"শুনা বিনয়, অবিনাশে যে ব্ৰাহ্মবোৰৰ নিন্দা কৰিছিল তাৰপৰা বুজিব পৰা যায় যে সি বেচ সুস্থ আৰু স্বাভাৱিক অৱস্থাতে আছে। কিন্তু তোমাৰ হঠাৎ ইমান খং উঠি গ ল কিয়?

বিনয়,—কি আচৰিত! এই বিষয়ে যে কিবা প্ৰশ্ন থাকিব পাৰে মই ভবাই নাছিলোঁ।

গোৰা,—যদি সেয়ে হয় তেনেহলে তোমাৰ মনটোত কেবোণ লাগিছে। এদল মানুহে সমাজৰ বান্ধোন ছিঙি সকলো বিষয়তে অনিয়ম কৰি যাব আৰু সমাজৰ মানুহে অবিচলিত ভাবেৰে সিহঁতৰ সুবিচাৰ কৰি যাব। এইটো মানুহৰ স্বভাৱেই নহয়। সমাজৰ মানুহে সিহঁতক ভুল বুজিবই। সিহঁতে সৰলভাৱে কৰা কামলৈ ইহঁতে বেঁকা দৃষ্টিহে পেলাব—সিহঁতৰ ভাল ইহঁতৰ ওচৰত বেয়া হবই আৰু এইটো হোৱা উচিতো। ইচ্ছামতে সমাজ ভাঙি ওলাই যোৱাৰ যিমানবোৰ শাস্তি আছে তাৰ ভিতৰত এইটোও এটা।

বিনয়,—প্ৰত্যেকটো স্বাভাৱিকতাকে ভাল বুলি মই নকওঁ।

গোৰাই অলপ খঙেৰে কলে—"মোৰ ভাল হোৱাৰ একো প্ৰয়োজন নাই। পৃথিৱীত দুই-চাৰিজন ভাল মানুহ থাকিলেই যথেষ্ট, বাকীবোৰ যেন স্বাভাৱিক হয়। নহলে কামেই নচলে, প্ৰাণো নেবাচে। ব্ৰাহ্ম হৈ বাহাদুৰী কৰাৰ চখ্ যাৰ আছে, অব্ৰাহ্মবোৰে সিহঁতৰ প্ৰত্যেক কামতে দোষ ধৰি নিন্দা কৰিবই আৰু এইখিনি দুখ সিহঁতে সহ্য কৰিবই লাগিব। সিহঁতে বুকু ফিন্দাই ঘূৰি ফুৰিব আৰু সিহঁতৰ বিৰোধী দলে সিহঁতৰ সুখ্যাতি কৰি ফুৰিব—জগতত এনে ঘটনা কেতিয়াও নঘটে আৰু ঘটিলেও একো ভাল নহলহেঁতেন।

বিনয়,—মই কোনো দলৰ নিন্দাৰ কথা কোৱা নাই—ব্যক্তিগত—

গোৰা,—দলৰ নিন্দা কৰা মানে জানো নিন্দা কৰা ? সেইটো হৈছে মতামত, বিচাৰ। ব্যক্তিগত নিন্দাই তা মই বিচাৰোঁ। থাক, তুমিতো এজন সাধু পুৰুষ, কিন্তু তুমি নিন্দা কৰা নাছিলানে ?•

বিনয়—আগতে কৰিছিলোঁ আৰু খুব বেচিকৈয়ে কৰিছিলোঁ, কিন্তু তাৰ বাবে মই সঁচাকৈয়ে লজ্জিত।

গোৰাই বিনয়ৰ সোঁহাতৰ মুঠিত জোৰকৈ ধৰি কলে—"নহয় বিনয়, এইটো কোনোমতেই হব নোৱাৰে।"

বিনয়ে কিছু সময় মনে মনে থাকি কলে—"কিয় কিনো হ'ল ? তোমাৰ নো আকৌ ভয় কিহৰ ?"

গোৰা,—"মই স্পষ্টকৈ দেখিছোঁ, তুমি নিজকে বৰ দুৰ্ব্বল কৰি পেলাইছা।"

বিনয়ে অলপ উত্তেজিত হৈ ক'লে—"তুমি কি দুৰ্ব্বলৰ কথা কৈছা, জানা মই ইচ্ছা কৰিলে এতিয়াই তেওঁলোকৰ ঘৰলৈ যাব পাৰোঁ। তেওঁ-লোকে মোক নিমন্ত্ৰণ কৰিছে। কিন্তু মই যোৱা নাই।

গোৰা,—কিন্তু তুমি যে যোৱা নাই এই কথাটো তুমি কোনো মতেই পাহৰিব পৰা নাই। দিনে-ৰাতিয়ে মাথো ভাবি আছা—'যোৱা নাই—যোৱা নাই—মই সিহঁতৰ ঘৰলৈ যোৱা নাই'—ইয়াতকৈ যোৱাই ভাল।

বিনয়,—তেনেহলে তুমি যাবলৈকে কোৱা নে কি ?

গোৰাই নিজৰ উৰুত চাপৰ মাৰি ক'লে—"উঁহো মই যাবলৈ নকওঁ। কিন্তু মই তোমাক লিখি দিব পাৰোঁ যে যিদিনাখন তুমি যাবা, সেইদিনা একেবাৰেই যাবা। তাৰ পিচদিনাখনৰপৰাই তুমি সিহঁতৰ ঘৰত খানা খাবলৈ আৰম্ভ কৰি দিবা আৰু ব্ৰাহ্ম সমাজত বহীত নাম লিখি একেবাৰে দিগ্‌বিজয়ী প্ৰচাৰক হৈ উঠিবা।"

বিনয়,—কিনো কোৱা—তাৰ পিচত ?

গোৰা,—আকৌ তাৰ পিচত—মৰিবলৈ আগবঢ়াই দিয়াতকৈ ডাঙৰ শাওতো আৰু নাই। ব্ৰাহ্মণ সন্তান হৈ তুমি গো-খাদকৰ ঘৰত গৈ মৰিবা—আচাৰ-বিচাৰ সকলো এৰিবা। কম্পাচ্ ভঙা কাণ্ডাৰীৰ দৰে তোমাৰ পূব-পশ্চিমৰ একো জ্ঞান নেথাকিব। তেতিয়া ভাবিবা যে জাহাজক বন্দৰত উত্তীৰ্ণ কৰাটোৱেই কু-সংস্কাৰ, সংকীৰ্ণতা। মাথো ভটীয়াই মেলি দিয়াটোৱেই যথাৰ্থ জাহাজ চলোৱা বুলি ভাবিবা। কিন্তু এইবোৰ কথালৈ তৰ্কা-তৰ্কি কৰিবলৈ মোৰ ধৈৰ্য্য নাই। তাতকৈ তুমি তালৈ যোৱাঁ। অধঃপতনৰ গহ্বৰলৈ ভৰি আগুৱাই নি আমাক ভয় খুৱাই ৰাখিছা কিয় ?

বিনয়ে হাঁহি হাঁহি ক'লে—"ডাক্তৰে আশা এৰি দিলেই সকলো সময়তে যে ৰোগী মৰে, সেইটো নহয়। মই তো বৰ্ত্তমান তেনে কোনো লক্ষণ দেখা নাই। •

গোৰা,—দেখা নাই ?

বিনয়,—উঁহো।

গোৰা,—নাড়ী বাওঁ বাওঁ হোৱা নাইনে ?

বিনয়,—উঁহো! নাড়ী এতিয়াও বেচ •সবল।

গোৰা,—কিয় তুমি জানো ভবা নাই যে লখিমী হাতেৰে পৰিবেশন কৰিলে ম্লেচ্ছৰ অন্নও দেৱতাৰ ভোগ হৈ উঠিব ?

বিনয়ে বৰ সঙ্কুচিত হৈ ক'লে—"যথেষ্ট হৈছে গোৰা! এইবোৰ এৰা আৰু।"

গোৰা,—কিয়, ইয়াৰ মাজত তো লুক-ঢাকৰ কোনো কথাই নাই! লখিমী হাত তো আৰু অসূৰ্য্যম্পশ্যা নহয়। মতা মানুহৰ লগত যি হাতে 'শ্বেক্ হেণ্ড' কৰে সেই পবিত্ৰ কৰ-পল্লৱৰ উল্লেখেই তোমাৰ সহ্য নহ'ল—তদা নাশংসে মৰণায় সঞ্জয়।

বিনয়,—গোৰা! মোৰ্ঁ স্ত্ৰী জাতিক মই ভক্তি কৰোঁ। আমাৰ শাস্ত্ৰতো............

গোৰা,—তুমি যিদৰে স্ত্ৰী জাতিলৈ ভক্তি দেখুৱাইছা তালৈ আৰু শাস্ত্ৰ নেটানিবা। ইয়াক তো ভক্তি নকয়—কি বুলি কয় মই যদি উচ্চাৰণ কৰোঁ তুমি হয়তো মোক মাৰিবলৈকে খেদি আহিবা।

বিনয়,—এই কথা তুমি গাৰ জোৰেৰে কৈছা।

গোৰা,—শাস্ত্ৰত তিৰোতা মানুহক কোৱা হয়—পূজাৰ্হা গৃহদীপ্তয়ঃ! তেওঁলোক 'পূজাৰ্হা' কিয়নো তেওঁলোকে ঘৰলৈ দীপ্তি আনে। মতা মানুহৰ অন্তৰ দীপ্তি কৰি তোলে বুলি খৃষ্টানী বিধানত তেওঁলোকক যেনেকুৱা সন্মান দেখুৱা হয় তাক পূজা বুলি নকলেই ভাল হব বোধকৰোঁ।

বিনয়,—কোনো কোনো বিষয়ত বিকৃত হোৱা দেখা গলেও এটা ডাঙৰ কথাৰ ওপৰত এইদৰে মন্তব্য কৰাটো উচিত জানো ?

গোৰাই অস্থিৰ হৈ ক'লে—"বিনু! এতিয়া তোমাৰ বিচাৰ শক্তি লোপ পাইছে। তুমি মোৰ কথাটোকে মানি লোৱাঁ। খৃষ্টানী শাস্ত্ৰত স্ত্ৰী-জাতিৰ বিষয়ে যিবোৰ কথা কোৱা হৈছে তাৰ ওপৰৰ কথাটোৱেই হৈছে বাসনা। স্ত্ৰী জাতিক পূজা কৰাৰ স্থান বাহিৰত নহয়। সতী-লক্ষ্মী গৃহিণীক নিজ আসনৰপৰা আঁতৰাই আনি যি স্তুতি কৰা হয় সেইটো

অপমান বুলিহে কব পাৰি। সামান্য পোক এটাৰ দৰে তোমাৰ মনটো যি কাৰণে পৰেশ বাবুৰ ঘৰৰ চৌপাশে ঘূৰি ফুৰিছে, তাক ইংৰাজীতে কোৱা হয়—'লাভ'। কিন্তু ইংৰাজীৰ নকল এই 'লাভ' নামৰ বস্তুটোৰ গোটেই পৃথিবীৰ ভিতৰতে এটা চৰম পুৰুষাৰ্থ বুলি পূজা কৰিব লাগিব—এইবোৰ বান্দৰামি যেন তুমি নকৰা।"

বিনয়ে চাবুক খোৱা তজ্‌বজীয়া ঘোঁৰাৰ দৰে জাপ মাৰি উঠি ক'লে—"উঃ গোৰা, থাওক আৰু যথেষ্ট হৈছে।"

গোৰা,—কতনো যথেষ্ট হৈছে। একোৱেই হোৱা নাই। পুৰুষ আৰু তিৰোতাক নিজ নিজ স্থানত সহজ-সৰল স্বাভাৱিক বেশেৰে দেখিবলৈ শিকা নাই কাৰণেই আমি এই বিষয়ে যথেষ্ট কৰিত্ব গোটাই পেলাইছো।

বিনয়ে ক'লে—"বাৰু মানি লৈছোঁ স্ত্ৰী-পুৰুষৰ সম্বন্ধৰ সহজ অৱস্থাটো আমি প্ৰকৃতিৰ তাড়নাত লঙ্ঘন কৰি পেলাওঁ আৰু এই অৱস্থাটোৰ এটা ভুৱা ৰূপ দিওঁ—কিন্তু এই দোষটো জানো মাথো বিদেশতেই আছে? এই বিষয়ে ইংৰাজবোৰৰ কৰিত্ব যদি মিছা হয়, তেনেহলে আমিও যে অনবৰত কামিনী-কাঞ্চন ত্যাগ কৰিব লাগে বুলি চিঞৰ-বাখৰ কৰি থাকো, সেইটোও তো মিছা। মানুহৰ প্ৰকৃতিয়ে যাৰ বাবে অতি সহজে আত্ম-বিস্মৃত হৈ পৰে তাৰপৰা মানুহক বচাবলৈ কোনোৱে বা প্ৰেমৰ সুন্দৰ অংশকে কৰিতাৰদ্বাৰা উজ্জ্বল কৰি তুলি তাৰ বেয়া অংশটো উলজ্বা কৰে। আকৌ কোনোৱে বা সেই বেয়া অংশটোকে আগশাৰীত ঠাই দি কামিনী-কাঞ্চন ত্যাগৰ বিধান দিয়ে। এই দুয়োটাই দুজন বিভিন্ন স্বভাৱৰ মানুহৰ বিপৰীত ধৰণৰ প্ৰণালী। তুমি এটাক যদি দোষ দিয়া আনটোক শুদ্ধ বুলিব নোৱাৰা।

গোৰা,—নহয় বিনয়, মই তোমাক ভুলহে বুজিছিলোঁ। তোমাৰ অৱস্থা এতিয়াও তেনে একো বেয়া হোৱা নাই। এতিয়া তোমাৰ মগজুত দৰ্শন সোমাল যেতিয়া তুমি নিৰ্ভয়ে 'লাভ' কৰিব পাৰা। কিন্তু সময় থাকোঁতেই সাৱধান হবাঁ—তোমাক ভালপোৱা বন্ধুবোৰৰ এয়ে অনুৰোধ।

বিনয়ে অপ্ৰস্তুত হৈ ক'লে—"ধেৎ, তুমি পগলা হৈছা নে কি? মই আকৌ কি 'লাভ্' কৰিম'। কিন্তু এইটো কথা মই স্বীকাৰ কৰোঁ যে পৰেশ বাবুহঁতক মই যিকণ সময়ৰ কাৰণে লগ পাইছোঁ আৰু তেওঁলোকৰ বিষয়ে মই যি শুনিছোঁ, তাৰপৰা তেওঁলোকৰ প্ৰতি মোৰ যথেষ্ট শ্ৰদ্ধা হৈছে। আৰু বোধকৰোঁ সেই কাৰণেই সিহঁতৰ ঘৰুৱা আচাৰ-ব্যৱহাৰনো কেনেকুৱা জানিবলৈ মোৰ কিছু আগ্ৰহ হৈছিল।"

গোৰা,—বৰ ভাল কথা ; কিন্তু এই আগ্ৰহটো অলপ দমাই চলিবা। সিইঁতৰ গুৰি-গোষ্ঠী নুখুচৰিলেই ভাল হব বোধকৰোঁ। কিয়নো তেওঁ-লোক নিজেই সুনিপুণ চিকাৰী। গুৰি খুচৰিবলৈ গৈ তুমি নিজেই যদি গুৰিৰ তলত পৰি যোৱা, তেতিয়া আৰু আমাৰ নিচিনা মানুহে শত চেষ্টা কৰিও তোমাৰ টিকনিকে দেখা নেপাম।

বিনয়,—চোৱা, গোৰা, তোমাৰ এটা বৰ ডাঙৰ দোষ আছে। তুমি ভাবা যে তোমাকেই মাথোন ভগৱানে সৰ্ব্ব শক্তিৰ অধিকাৰী কৰি পঠিয়াইছে। আৰু বাকী আমি আটাইবোৰ দুৰ্ব্বল প্ৰাণী।

কথাটো গোৰাই যেন নতুনকৈ উপলব্ধি কৰিলে। সি উৎসাহেৰে সৈতে বিনয়ৰ পিঠি চপৰিয়াই ক'লে—"ঠিকেই কৈছা—এইটোৱে মোৰ দোষ—বৰ ডাঙৰ দোষ।"

বিনয়,—ইয়াতকৈয়ো তোমাৰ ডাঙৰ দোষ এটা আছে। অন্য মানুহে কিমানখিনি আঘাত সহিব পাৰে সেই বিষয়ে তোমাৰ একেবাৰে জ্ঞান নাই।

এনেতে গোৰাৰ মাহীমাকৰ পুতেক শকত-আৱত মহিমে হেপাই ফোপাই ওচৰলৈ আহি মাতিলেহি—"গোৰা।"

গোৰাই লৰালৰিকৈ থিয় হৈ কলে—"কি কয় ?"

মহিম,—চাবলৈ আহিলোঁ বাৰিষাৰ মেঘে আজি তোমাৰ ছাতৰ ওপৰতেই তাণ্ডৱ নৃত্য কৰিছে নে কি ? আজিনো ঘটনাটো কি ? ইংৰাজক বোধ-কৰোঁ অতপৰে ভাৰত সমুদ্ৰৰ প্ৰায় আধা ডোখৰ বাটলৈকে খেদিলা। অৱশ্যে ইংৰাজৰ বিশেষ একো ক্ষতি হোৱা নাই—কিন্তু তলৰ কোঠাত বৰ বৌৱেৰা মূৰৰ বিষত পৰি আছে। সিংহ গৰ্জ্জনত তেওঁৰহে মাথোন অলপ অসুবিধা হৈছে।

এই বুলি কৈ মহিম তললৈ নামি গ'ল। গোৰাই লাজ পাই থিয় হৈয়ে থাকিল—লগে লগে খঙো উঠিল। খং তাৰ নিজৰ ওপৰতেই উঠিছে নে আনৰ ওপৰতে উঠিছে ধৰিব নোৱাৰিলে। অলপ পিচত সি লাহে লাহে নিজে নিজেই ক'লে—"সকলো বিষয়তে প্ৰয়োজনতকৈ বেচি মই জোৰ দি পেলাওঁ। এইটো যে আনৰ কাৰণে কিমান অসহ্য, সেই কথা মই পাহৰিয়েই যাওঁ।"

বিনয়ে গোৰাৰ ওচৰলৈ আহি মৰমেৰে তাৰ হাতত ধৰিলেহি।

Bordoloi Hall Library

গোৰা আৰু বিনয় তললৈ নামি যাবলৈ ওলাইছিল। এনেতে গোৰাৰ মাক ওপৰলৈ উঠি আহিল। বিনয়ে লৰালৰিকৈ তেখেতক সেৱা কৰিলে।

গোৰাৰ মাক আনন্দময়ীক দেখিলে গোৰাৰ মাক যেন নেলাগে। তেখেত আছিল লাহী আৰু আটিল। দুই এডাল চুলি পকিছে যদিও বাহিৰৰপৰা একেবাৰেই বুজিব নোৱাৰি। হঠাতে দেখিলে বয়স দুকুৰিতকৈয়ো কম যেন হে লাগে। মুখৰ গঢ়টো বৰ কোমল। নাক-চকুবোৰ যেন শিলতহে কটা। মুখখনত এটি বুদ্ধিৰ জেউতি জিলিকি থাকে। গাৰ বং কজলা। গোৰাৰ ৰঙৰ লগত একেবাৰে মিল নাই। তেখেতক দেখিলেই সকলোৰে চকুত পৰে যে তেখেতে সাড়ীৰ লগত চেমিজ পিন্ধে। আমি যি সময়ৰ কথা কৈছোঁ সেই সময়ত চেমিজ বা ব্লাউজ পিন্ধাটো যদিও আধুনিকাসকলৰ মাজত প্ৰচলিত আছিল, অলপ বয়সিয়াল গৃহিণীসকলে—এইটো একেবাৰে খৃষ্টানী বুলি অগ্ৰাহ্য কৰিছিল।

আনন্দময়ীৰ গিৰিয়েক কৃষ্ণদয়ালে কমিচেৰিয়েটত কাম কৰিছিল। বিয়াৰ পিচৰপৰাই আনন্দময়ীয়ে তেখেতৰ লগতে ভাটিতে কটাইছে। আৰু সেই কাৰণেই ভালকৈ গা-ঢাকি কাপোৰ পিন্ধাটো তেখেতে কিবা লাজৰ কথা বুলি নেভাবিছিল। ঘৰ-দুৱাৰ মচা-কচা, বন্ধা-বঢ়া কৰা, কাপোৰ-কানি ধোৱা ইত্যাদি ঘৰখনৰ সৰু-সুৰা আটাইবোৰ কাম কৰি ওচৰ-চুবুৰীয়াৰ খবৰ-বাতৰি লৈয়ো আনন্দময়ীৰ সময় যেন যাবই নোখোজে। গা-মূৰ অলপ অসুখ কৰিলেও তেখেতে কেতিয়াও জিৰণি লব নোখোজে—তেখেতে কয়—"অসুখে মোক একোকেই কৰিব নোৱাৰে—কাম নকৰিলে মোৰ জীয়াই থকাটোৱেই টান হব।"

ওপৰলৈ আহি গোৰাৰ মাকে ক'লে—"তলত গোৰাৰ মাত শুনিলেই মই জানো যে নিশ্চয় বিনয় আহিছে। এই কেইদিন ঘৰখন একেবাৰে নিজম হৈ আছিল। তোৰ নো কি হৈছিল বোপাই? এই কেইদিন অহা নাই কিয়? গা-মূৰ অসুখ কৰিছিল নে কি?"

বিনয়ে কুণ্ঠিত হৈ ক'লে—"নহয় আই, একো অসুখ-বিসুখ কৰা নাই। যিহে ডাৱৰীয়া বতৰ।"

গোৰাই ক'লে—"ইঃ বতৰৰ কথা কৈছা? বৰষুণ এৰিলেই আকৌ বিনয়ে কব যে বৰ ৰ'দ, আহিব নোৱাৰি। ভগৱানক দোষ দিয়াটোৱেই

আটাইতকৈ সহজ। কাৰণ ভগৱান তো আৰু উত্তৰ দিবলৈ নাহে। আচল পেটৰ কথাটো গোঁসায়েহে জানে।"

বিনয়,—কি বাজে বকি আছা গোৰা ?

আনন্দময়ীয়ে কলে—"সঁচাকৈয়ে বোপাই, তেনেকৈ কব নেপায়। মানুহৰ মন সদায় একেদৰে নেথাকে নহয়। কেতিয়াবা মনটো ভাল লাগি থাকে, কেতিয়াবা আকৌ বৰ বেয়া লাগে। এই বিষয়ে ঠাট্টা কৰিব নেপায়। ব'ল বিনু, মোৰ কোঠালৈ বল। মই তোৰ কাৰণে বাঢ়ি-বাঢ়ি থৈছোঁ।"

গোৰাই জোৰেৰে মূৰ জোকাৰি কলে—"উঁহো আই, সেইটো নহব। বিনয়ক মই তোমাৰ কোঠাত খাবলৈ নিদিওঁ।"

আনন্দময়ী,—ইঃ কিয় নিদিবি ? তোক তো মই কেতিয়াও খাবলৈ নকওঁ। ইফালে তোৰ বাপেৰ আকৌ দিনে দিনে ভকত হৈ উঠিছে—কাৰো হাতে নেখায়েই। বিনু মোৰ বৰ ভাল লৰা—তোৰ দৰে তাৰ বাছ-বিচাৰ নাই—তই হে তাক জোৰকৈ বাধা দি থাক।

গোৰা,—সেইটো অৱশ্যে সঁচা কথা। মই জোৰকৈয়ে তাক বাধা দি ৰাখিম। তোমাৰ সেই খৃষ্টান চাকৰণী লছমিয়া জনীক নেখেদালৈকে তোমাৰ কোঠাত মই তাক খাবলৈ নিদিওঁ।

আনন্দময়ী,—গোৰা, তোৰ মুখত এনেকুৱা কথা নুশুৱায়। সৰু কালৰে পৰা তায়েই তোক খুৱাই-বুৱাই ডাঙৰ কৰিছে। সৌ সিদিনালৈকে তাই কৰা আচাৰ পাতত নহলে তোৰ জুতিয়েই নেলাগিছিল। এবাৰ সৰু থাকোতে তোৰ বৰ বেচিকৈ আই ওলাইছিল। লছমিয়াই ৰাতিয়ে দিনে ভাত পানী এৰি কিমান যতন কৰি তোক বচালে, সেই কথা কেতিয়াও মই পাহৰিব নোৱাৰোঁ।

গোৰা,—তাৰ বাবে তাইক টকা পইচা দিয়া, মাটিবাৰী কিনি ঘৰ-দুৱাৰ সাজি দিয়া, যিহকে মন যায় তাকে কৰা—কিন্তু তাইক ঘৰত ৰাখিব নোৱাৰোঁ।

আনন্দময়ী,—গোৰা তই ভাব, টকা-পইচাৰেই মানুহৰ সকলো ঋণ শুজিব পাৰি—তাইক মাটি-বাৰীও নেলাগে, ঘৰ-দুৱাৰ ধন-সম্পত্তিও নেলাগে—তোক নেদেখাকৈ থাকিলে তাই মৰি যাব।

গোৰা,—তেনেহলে তোমাৰ যদি ইমানেই আপত্তি, তাইক ৰাখা—কিন্তু বিনুৱে হ'লে তোমাৰ কোঠাত খাব নোৱাৰে। যি নিয়ম সেইটো মানি চলিবই লাগিব—ইয়াৰ এডাল চুলিবানো লৰচৰ হব নোৱাৰে। আই, তুমি ইমান ডাঙৰ অধ্যাপকৰ বংশৰ জীয়ৰী—তুমি যে অকণো নীতি-নিয়ম মানি নচলা—এইটো কিন্তু—

আনন্দময়ী,—শুন বোপাই,—তোৰ বাবে আগতে সকলো নীতি-নিয়ম আচাৰ- বিচাৰ মানিয়েই চলিছিল—ইয়াৰ বাবে কত কৰ্ষণা-বিকৰ্ষণা শুনিব লগীয়া হৈছিল—তেতিয়া তই ক'ত আছিলি বোপাই ? সদায় শিৱ মূৰ্ত্তি আগত লৈ পূজা কৰিবলৈ বহিছিলোঁ আৰু দেউতাৰে সদায়েই আহি সেই মূৰ্ত্তি দলিয়াই পেলাইছিলহি। তেতিয়া অচিনাকি বামুণৰ হাতেও ভাত খাবলৈ মোৰ ঘিণ লাগিছিল। তেতিয়া আজি-কালিৰ দৰে ৰেলগাড়ী নাছিল। দেউতাৰে চাকৰি কৰি থকা অৱস্থাত প্ৰায়ে এঠাইৰপৰা আন এঠাইলৈ বদলি হৈ ফুৰিব লাগিছিল। তেতিয়াৰ দিনত ঠাই বদলি কৰিবলৈ হলে গৰু-গাড়ী, পাল্‌কী বা উটৰ পিঠিত উঠি কমেও চাৰি পাঁচ দিন যাব লাগিছিল। আৰু তেনেকুৱা অৱস্থাত সাধাৰণতে মই লঘোন দিয়েই কটাইছিলোঁ। তোৰ দেউতাৰে বৰ সহজতে মোৰ বাছ-বিচাৰবোৰ একব্ৰাৰ পৰা নাছিল। তেখেতে তেতিয়াৰ দিনত নানান ঠাইত মোক লগত লৈ ফুৰাৰ কাৰণে তেখেতৰ চাহাব ওপৰৱালাসকলে সদায় তেখেতৰ প্ৰশংসা কৰিছিল। আন কি ইয়াৰপৰা তেখেতৰ দৰ্ম্মহাও বাঢ়িছিল। সেই কাৰণেই সাধাৰণতে অৱশ্যে তেখেতক কোনো এঠাইৰপৰা সোনকালে বদলি নকৰিছিল। এতিয়া অৱশো বুঢ়া বয়সত চাকৰি এৰি দি ভাৰে ভাৰে টকা আৰ্জ্জি লৈ তেখেতে হঠাতে আকৌ যত সলাই বৰ ডাঙৰ ধাৰ্ম্মিক হৈ পৰিছে। কিন্তু মই আকৌ তেনেকুৱা হব নোৱাৰোঁ। মোৰ সাতপুৰুষৰ সংস্কাৰ এটা এটাকৈ ভাঙি-ছিঙি মষিমূৰ কৰা হৈছে—এতিয়া ক'লেই জানো আকৌ তাক ওলোটাই আনিব পাৰি ?

গোৰা,—তোমাৰ পূৰ্ব্ব পুৰুষৰ কথা বাৰু এৰিয়েই দিয়াচোন। তেওঁলোকে তো এতিয়া আৰু আপত্তি জনাবলৈ নাহে। অন্ততঃ আমাৰ কাৰণেই তুমি কিছুমান বিধি মানি চলা উচিত। শাস্ত্ৰ বাৰু নেমানিলাই, কিন্তু চেনেহৰ বাবেনি তো মানিবই লাগিব।

আনন্দময়ী,—গোৰা ইমানকৈ তই মোক কি বুজাইছ। মোৰ অন্তৰৰ খুমুহাৰ কথা মইহে জানো। মোৰ কাৰণেই যদি মোৰ স্বামী-পুত্ৰই পদে পদে বাধা পাবলগীয়া হয়, তেনেহলে মইনো কি সুখ, কি শান্তি পাম ? কিন্তু তই জানো জান, মই তোক বুকুত তুলি লৈয়েই মোৰ যত সংস্কাৰ, যত বিধি সকলোবোৰ বিসৰ্জ্জন দিছিলোঁ। কণমান শিশু এটিক বুকুত সুমুৱাই ললেই বুজিব পাৰি যে পৃথিৱীত ওপজোতেই কোনোৱে জাত লগত লৈ নাহে। আৰু এই জ্ঞান হোৱাৰপৰাই মই থিৰাংকৈ জানিছিলো যে মই যদি কাৰোবাক খৃষ্টান বা নীচ জাতৰ বুলি ঘিণ কৰোঁ

তেনেহলে ঈশ্বৰে তোক মোৰ বুকুৰপৰা কাঢ়ি লৈ যাব। বোপাই, ভগৱানে তোক মঙ্গলে ৰাখক—তই মোৰ বুকু জুৰাই যব পোহৰাই থাক—পৃথিৱীৰ সকেলা জাতিৰ মানুহৰ হাতেৰেই মই পানী খাম।

আজি আনন্দময়ীৰ কথাবোৰ শুনি বিনয়ৰ মনত হঠাতে এটি অস্পষ্ট সন্দেহে চৌ খেলি গ'লহি।

সি পলকতে এবাৰ আনন্দময়ীৰ আৰু এবাৰ গোৰাৰ মুখলৈ চালে। আৰু লগে লগে মনৰপৰা সকলো সন্দেহৰ বীজ দূৰ কৰি পেলালে।

গোৰাই ক'লে—"আই, তোমাৰ যুক্তিটো ভালকৈ বুজি নেপালোঁ। ভাবি-চিন্তি শাস্ত্ৰ মানি চলা ঘৰতো দেখোন ল'ৰা জী থাকে। তেনেহলে ভগৱানে তোমাৰ ওপৰতেই যে বিশেষ আইন খটুৱাব—এই বুদ্ধি তোমাক কোনে দিলে?

আনন্দময়ী,—যি জনে তোক দিছে—বুদ্ধিও তেৱেঁই দিছে। মই বাৰু কি কৰিম ক! ইয়াত মোৰ একোৱেই হাত নাই। হেৰৌ পগলা—তোৰ বলিয়ালিবোৰ দেখি মই হাঁহিমেই নে কান্দিমেই ভাবিকে নেপাওঁ। বাৰু এইবোৰ কথা যাওক থাক। বিনয়ক তেনেহলে মোৰ কোঠাত খাবলৈ নিদিয়?

গোৰা,—চল পালে বিনয়ে তো এই মুহূৰ্ত্ততে লৰ মাৰিব। তাৰ পুৰা লোভ আছে। কিন্তু আই, মই তাক খাবলৈ নিদিওঁ। দুখনমান মিঠৈ খুৱাই সি যে ব্ৰাহ্মণ সন্তান, এই কথাটো তাক পাহৰাই দিব নোৱাৰি। বহু ত্যাগ আৰু বহু প্ৰবৃত্তি দমন কৰিহে সি জন্ম গৌৰৱ ৰাখিব পাৰিব। আই, তুমি আকৌ খং নকৰিবা দেই। এইয়া চোৱাঁ মই তোমাৰ পদ-ধূলি শিৰত তুলি লৈছোঁ।

আনন্দময়ী,—বোপাই, মই আকৌ তোৰ ওপৰত খং কৰিম নে? এই কথা মই জানো যে তই সজ্ঞানে কোনো কাম কৰা নাই। মোৰ মনত এইটোৱেই বেজাৰ থাকিল যে—তোক মই মানুহ কৰিলোঁ হয়, কিন্তু—বাৰু সেইবোৰ বিয়েই নহওক—তই কিন্তু যিবোৰ ধৰ্ম্ম বুলি কৈ ফুৰ, সেইবোৰ মই হলে মানিব নোৱাৰোঁ। মোৰ কোঠাত—মোৰ হাতেৰে—তই নেখালেও মই তো তোক পুৱা-গধূলি চকুৰ আগত দেখা পাম—মোৰ কাৰণে সেয়েই যথেষ্ট—বুজিছ? বিনয়, তুমি আকৌ মনটো ইমান মাৰি পেলালা কিয়? তোমাৰ মনটো বৰ কোমল, তুমি ভাবিছা মই বৰ বেজাৰ পালোঁ। এইবোৰ একোৱেই নহয় বোপাই। মই বাৰু আৰু এদিন তোমাক নিমন্ত্ৰণ

কৰি খুব ভাল বামুণৰ হতুৱাই ৰন্ধাই খুৱাম। মই কিন্তু লছমিয়াৰ হাতেহে খাম। সেইটো হলে মই সকলোকে এতিয়াই কৈ থলোঁ।

গোৰাৰ মাক তললৈ নামি গ'লগৈ। বিনয়ে কিছু পৰ মনে মনে থাকি লাহে লাহে ক'লে—"গোৰা, কথাবোৰ অলপ অসঙ্গত হোৱা নাই নে?"

গোৰা,—এক বিন্দুও অসঙ্গত হোৱা নাই। সকলো বিষয়তে সীমা ৰাখি চলাটোকে মই বিচাৰোঁ। সামান্য কাৰণত এক বিন্দু মাটি এৰি দিবলৈ আৰম্ভ কৰিলে অৱশেষত আৰু একোৱেই নেথাকে।

বিনয়,—কিন্তু এয়া যে তোমাৰ আই।

গোৰা,—মাতৃ কাক বোলে মই জানো। এই কথা তুমি মোক সোঁৱৰাই দিবৰ প্ৰয়োজন নাই। মোৰ আইৰ নিচিনা মাক কেইজনৰ আছে বাৰু?

কিন্তু চোৱাঁ, আজি যদি মই বিধি মানিবলৈ এৰি দিওঁ—এদিন হয়তো মোৰ আইকো মানিবলৈ এৰি দিম। শুনা বিনয়, তোমাক মই এটা কথা কওঁ—হৃদয় নামৰ বস্তুটো অতি উত্তম, কিন্তু সৰ্ব্বোত্তম নহয়।

বিনয়ে অলপ সময় ইতঃস্তত: কৰি ক'লে—"চোৱাঁ গোৰা, আজি আইৰ কথাবোৰ শুনি মোৰ অলপ কেনেবা কেনেবা লাগিছে। কিবা এটা কথা যেন আয়ে আমাক বুজাবলৈ চেষ্টা কৰিও পৰা নাই। আৰু সেই কাৰণেই যেন তেখেতে মনত বৰ অশান্তি পাই আছে।"

গোৰাই অস্থিৰ হৈ ক'লে—"আঃ বিনয়! ইমান বেচিকৈ কল্পনাৰ জাল বৈ এইদৰে ধেমালি নকৰিবাঁ। এইবোৰে সময়হে নষ্ট কৰে—একো লাভ নহয়।"

বিনয়,—তুমি পৃথিৱীৰ কোনো বস্তুৰ ওপৰতেই সুদৃষ্টি পেলাব নোৱাৰা। তোমাক দৃষ্টিৰ অগোচৰত থাকি যোৱা প্ৰত্যেকটো কথাকেই তুমি কল্পনাৰ ৰঙীণ খেলা বুলি উৰুৱাই দিব খোজা। সঁচাকৈয়ে মই তোমাক কৈছোঁ শুনা—মই বহুবাৰ লক্ষ্য কৰিছোঁ—আইৰ অন্তৰখন যেন কিবা এটা চিন্তাই খুলি খুলি খাইছে। কিবা এটাৰ লগত যেন খাপ খুৱাই লব পৰা নাই—আৰু সেই কাৰণেই যেন এই ঘৰ-সংসাৰৰ মাজত থাকিও তেখেতৰ মনত কিবা এটা বেজাৰ আছে। গোৰা, তেখেতৰ কথাবোৰ তুমি অলপ কাণ পাতি শুনিবাঁ।

গোৰা,—যিমান পৰা যায় সিমান কাণ পাতিয়েই মই আইৰ কথা শুনো। ইয়াতকৈ বেচি শুনিবলৈ যত্ন কৰিলে ভুলকৈ শুনাৰহে সম্ভাৱনা আছে। এতেকে মই তেনেকুৱা যত্ন নকৰোঁ, বুজিছা?

৪

মতবাদতকৈ ব্যক্তিৰ প্ৰতি বিনয়ৰ নিষ্ঠা বেচি। সেই কাৰণে মতবাদ হিচাপে যিবোৰ কথা মানে সেই সকলোবোৰ কথাকেই জীৱনত প্ৰয়োগ কৰিব নোৱাৰে। বিনয় বৰ বেচি ভাৱপ্ৰৱণ আৰু তাৰ অন্তৰখনো বৰ কোমল। সেই কাৰণে তৰ্কৰ খাতিৰতঁ নিজৰ মত এক বিন্দু এৰি নিদিলেও কাৰ্য্য-ক্ষেত্ৰত সি মততকৈ মানুহক হে উচ্চ আসন দিয়ে। বিনয়ে গোৰাৰ মতবোৰ ভাল পাই কাৰণেই সেইবোৰ মানি চলে নে গোৰাক ভাল পাই কাৰণেই মানি চলে, এই কথা বুজিব নোৱাৰি।

গোৰাৰপৰা বিদায় লৈ বাৰিষাৰ সন্ধিয়া পিছল আলিবাটৰ বোকা ফেনেকি ফেনেকি ঘৰমুৱা হৈ আহি থকা বিনয়ৰ মনত সেইদিনা মত আৰু ব্যক্তিৰ তুলনাই এক দ্বন্দ্বৰ সৃষ্টি কৰিছিল।

আজি-কালিৰ নানা ধৰণৰ প্ৰকাশ্য আৰু গোপন আঘাতৰপৰা সমাজে আত্মৰক্ষা কৰিব খুজিলে খোৱা-বোৱা আদি সকলো বিষয়তে বিশেষভাৱে সতৰ্ক হব লাগিব—গোৰাৰ এই মতটো বিনয়ে অতি সহজে মানি লৈছিল, আৰু বিৰোধী দলৰ লগত এই মত লৈ বহুত চোকা তৰ্কও কৰিছিল। কৈছিল যে শত্ৰুৱে চাৰিওফালৰপৰা আক্ৰমণ কৰা দুৰ্গৰ প্ৰত্যেকখন দুৱাৰ-খিড়িকী জপাই আন কি সামান্য সুৰুঙাও বন্ধ কৰি—সেই দুৰ্গ জীৱন দি ৰক্ষা কৰাটোক উদাৰতাৰ অভাৱ বুলি কোৱা নহয়।

কিন্তু আজি আনন্দময়ীৰ কোঠাত খাব খোজোঁতে গোৰাই তাক যি বাধা দিলে, সেই বেজাৰে তাৰ অন্তৰত বাৰে বাৰে খুন্দিয়াবলৈ ধৰিলে।

বিনয়ে বাপেকক দেখাই নাই। মাককো নিচেই কুমলীয়া বয়সতে হেৰুৱাইছে। খুৰাকহঁতো গাঁৱৰ নিজা ঘৰত থাকে। সৰুৰেপৰা কলিকতাতেই পঢ়ি-শুনি অকলশৰীয়াকৈ বিনয় ডাঙৰ হৈছে। গোৰাৰ লগত বন্ধুত্ব সূত্ৰে আনন্দময়ীক দেখাৰ দিনাৰপৰাই তেখেতক নিজৰ মাক বুলি ভাবি আহিছে। কিমান দিন সি গোৰাহঁতৰ ঘৰলৈ গৈ কত বস্তু গোৰাৰ লগত কাঢ়া-কাঢ়ি কৰি খাইছে, আনন্দময়ীয়ে তাতকৈ গোৰাক বেচি মৰম কৰে—ভাল ভাল বস্তু খাবলৈ দিয়ে—ইত্যাদি কত ধৰণৰ ধেমালিয়েই কৰিছে। দুই এদিন বিনয় নগলেই আনন্দময়ী যে কিমান উৎকণ্ঠিত হৈ পৰে। বিনয় আহিলেই ওচৰত বহুৱাই লৈ খুৱাবলৈ তেখেতে কিমান হেপাহ

কৰে। সিহঁতৰ সভা শেষ নোহোৱালৈকে প্ৰত্যেক দিনাই তেখেতে বিনয়ৰ জা-জলপান সজাই লৈ চেনেহেৰে বৈ থাকে। আনন্দময়ীৰ তাৰ প্ৰতি এই মৰম-চেনেহৰ কথা বিনয়ে ভালদৰেই জানে। সেই বিনয়েই আজি আনন্দময়ীক ঘিণ কৰি তেখেতৰ কোঠাত নেখাব—এই কথা আনন্দময়ীয়েনো কেনেকৈ সহে আৰু বিনয়েই বা কেনেকৈ সহিব ?

ইয়াৰ পিচত হয়তো ভাল বামুণৰ হতুৱাই ৰন্ধোৱাই আয়ে মোক খুৱাব। তেখেতে নিজ হাতে সজাই পৰাই মোক আৰু কেতিয়াও নুখুৱায়—এই কথা আয়ে হাঁহি মুখেৰে নিজেই ক'লে ; কিন্তু ই যে বৰ অসহ্য !—এইবোৰ চিন্তাই বিনয়ৰ অশান্ত মনত বাৰে বাৰে আঘাত হানিলেহি। লাহে লাহে বিনয় ঘৰ পালেহি।

শূন্য ঘৰখন এন্ধাৰ হৈ আছে। চাৰিওফালে কিতাপ-পত্ৰ, কাগজ আদি সিঁচৰিত হৈ পৰি আছে। জুইশলা জলাই বিনয়ে লেমটো বিচাৰি আনি জলাই ললে। কোঠাটোৰ বস্ত-বেহানিবোৰ বৰ আলাই-আথানি হৈ পৰি আছে। কোনোবা কালতে পাতি থোৱা মেজৰ ওপৰৰ বগা কাপোৰখনত চিয়াঁহি আৰু তেলৰ বাৰেকুৰি চেকা। কোঠাটোত সোমালেই যেন উশাহ বন্ধ হৈ যাব খোজে। মানুহৰ সঙ্গ আৰু চেনেহৰ অভাৱে আজি তাৰ বুকুখনত হেঁচা মাৰি ধৰিলেহি। দেশ উদ্ধাৰ, সমাজ ৰক্ষা আদি কামবোৰক সি কোনোমতেই আজি স্পষ্ট আৰু সত্য বুলি ভাবিব নোৱাৰিলে। অস্থিৰ হৈ পৰা মনটোক শান্ত কৰিবলৈ বিনয়ে গোৰাই তাক সোমাবলৈ বাধা দিয়া আনন্দময়ীৰ সেই কোঠাটোৰ ছবি মনতে আঁকিবলৈ ধৰিলে।

মোজাইক কৰা উজ্জ্বল মজিয়াখন চকচকাই আছে। একাষে থকা খাটৰ ওপৰত শুকুলা ৰাজহাঁহৰ পাখিৰ নিচিনা কোমল, পৰিষ্কাৰ ধপধপীয়া বিছনা পতা আছে। বিছনাৰ কাষৰ অকণমানি টুলখনৰ ওপৰত নিশ্চয় অতপৰে লেম এটা জলাই থোৱা হৈছে। আয়ে সম্ভৱতঃ এতিয়া লেমৰ কাষত বহি ৰং-বিৰঙৰ সূতা লৈ এমব্ৰয়দাৰী কৰি আছে। লছমিয়াই নিশ্চয় আইৰ কাষত মজিয়াত বহি ভঙা-ভঙা বঙালীৰে অনবৰতে বকি আছে—যদিও সেই কথাৰ বেচি ভাগেই আইৰ কাণত সোমোৱা নাই। সাধাৰণতে কিবা আঘাত পালে আয়ে বেজী সূতা লৈ এমব্ৰয়দাৰীৰ যোগেদি মনটো পাতলাবলৈ যত্ন কৰে। বিনয়ৰ চকুৰ আগত আনন্দময়ীৰ সেই কৰ্ম্মব্যস্ত, ম্লান, স্তব্ধ, মুখৰ প্ৰতিচ্ছবি ভাঁহি উঠিল। সি মনে মনে প্ৰাৰ্থনা জনালে যেন এইখন চেনেহভৰা মুখৰ আশীষবাণীয়ে তাৰ অস্থিৰ অন্তৰলৈ

শান্তি আনে। এইখন মুখেই মাতৃভূমিৰ প্ৰতিমা হওক—তাৰ কৰ্ত্তব্যৰ প্ৰেৰণা যোগাওক—তাৰ লক্ষ্য স্থিৰ ৰাখক। সি মনে মনে আনন্দময়ীৰ উদ্দেশ্যে ভক্তিভৰা সেৱা এটা জনাই ক'লে—"আই, তোমাৰ অন্ন যে মোৰ অমৃত নহয়, এই কথা হেজাৰখন শাস্ত্ৰই হেজাৰখন মুখেৰে ক'লেও মই বিশ্বাস নকৰোঁ।"

নিজম কোঠাটোৰ বেৰত আঁৰি থোৱা ঘড়ীটো টিক্ টিক্ কৰি চলি আছিল। ঘৰখনৰ ভিতৰত আৰু সোমাই থকাটো বিনয়ৰ কাৰণে অসহ্য হৈ পৰিল। বেৰত এটা জেঠীয়ে পোক এটা খেদি ফুৰিছিল—সেইফালে কিছু সময় চাই থাকি ছাতি এটা লৈ বিনয় ঘৰৰপৰা ওলাই গ'ল।

কি কৰিব, কলৈ যাব, সি একো ভবাই নাছিল। খুব সম্ভৱ আনন্দময়ীৰ কাষলৈ উভতি যোৱাটোৱেই তাৰ মনৰ অভিপ্ৰায় আছিল। এনেকৈ দোধোৰ-মোধোৰ অৱস্থাৰে কিছুদূৰ আগুৱাই যোৱাৰ পিচত তাৰ মনত পৰিল যে আজি দেওবাৰ—কেশৱ সেন ডাঙৰীয়াই ব্ৰাহ্ম সভাত বক্তৃতা দিব। অৱশেষত সি বক্তৃতা শুনিবলৈ যোৱাটোকে থিৰ কৰিলে। এই সিদ্ধান্তলৈ অহাৰ লগে লগে বিনয়ে মনৰপৰা সকলো দ্বিধা আঁতৰাই দি বক্তৃতা শুনিবলৈ খোজ ললে। যদিও কিছু পলম হৈছিল, তথাপি সি মত সলনি নকৰিলে।

যথাস্থানত উপস্থিত হৈ বিনয়ে দেখিলে যে উপাসকবোৰ বাহিৰলৈ ওলাই আহিছে। মূৰৰ ওপৰত ছাতিটো মেলি ধৰি সি আলিৰ এটা কাষত থিয় দিলেগৈ। অলপ পিচতে মন্দিৰৰপৰা শান্ত প্ৰসন্ন মুখেৰে পৰেশ ভট্টাচাৰ্য্য ওলাই আহিল। তেখেতৰ লগত তেখেতৰ পৰিয়ালৰ আৰু চাৰি-পাঁচজনমান আছিল। আলিবাটৰ গেচৰ চাকিৰ পোহৰত তাৰে মাজৰ মাথোন্ এজনৰহে কুমলীয়া মুখ এখন বিনয়ৰ চকুত পৰিল। অলপ পিচত গাড়ী গুচি যোৱাৰ শব্দ হ'ল আৰু এই শব্দটোও এন্ধাৰৰ মহাসমুদ্ৰৰ মাজত এটি বুৰবুৰণিৰ দৰেই মিলি গ'ল। যথেষ্ট ইংৰাজী 'নভেল' পঢ়িলেও বিনয়ৰ প্ৰাচীন ভদ্ৰ ঘৰৰ সংস্কাৰ কলৈ যাব? এইদৰে ইমান আগ্ৰহৰে সৈতে কোনো ভদ্ৰ মহিলাক চাবলৈ যত্ন কৰাটো—সেই ভদ্ৰমহিলাৰ কাৰণেও অপমান আৰু নিজৰ বাবেও অতি জঘন্য—এই কথা সি কেতিয়াও নুই কৰিব নোৱাৰে। সেই কাৰণে বিনয়ৰ মনত আনন্দৰ লগে লগে অত্যন্ত গ্লানিও উপজিল। সি মনে মনে ভাবিলে—"মোৰ পতন হৈছে।" গোৰাৰ লগত যদিও সি তৰ্ক কৰি আহিছে, তথাপিও কোনো সামাজিক অধিকাৰ নোহোৱাকৈ ভদ্ৰমহিলালৈ প্ৰেমৰ দৃষ্টি নিক্ষেপ কৰাত তাৰ চিৰকলীয়া সংস্কাৰে বাধা দিবলৈ ধৰিলে।

বিনয় আৰু গোৰাৰ ঘৰলৈ নগ'ল। নানান ধৰণৰ ভাবে তাৰ মনটো খেলি-মেলি লগাই দিলেহিঁ। সি ঘৰলৈ উভতি আহিল। পিচ দিনা আবেলি ঘৰৰপৰা ওলাই ঘূৰি-পকি অৱশেষত সি গোৰাইঁতৰ ঘৰ পালেগৈ। তেতিয়া বাৰিষাৰ দীঘলীয়া দিন শেষ হৈ সন্ধিয়াৰ এন্ধাৰ ঘন হৈ আহিছে। সেই সময়ত গোৰাই চাকি জ্বলাই লিখিবলৈ বহিছিল।

কাগজৰপৰা মূৰ নদঙাকৈয়ে গোৰাই মাত দিলে—"কিহে বিনয়! বায়ু কোনফালে বলিছে?"

গোৰাৰ প্ৰশ্নলৈ আওকাণ কৰি বিনয়ে ক'লে—"গোৰা তোমাক এটা কথা সোধোঁ। ভাৰতবৰ্ষ তোমাৰ মনত জানো সত্য আৰু স্পষ্ট? তুমিতো এই কথা কেতিয়াও নেপাহৰ:—কিন্তু—কেনেকৈ বাৰু মনত ৰাখা?"

লিখিবলৈ এৰি দি গোৰাই কিছু সময় বিনয়লৈ তীক্ষ্ণ দৃষ্টিৰে চাই কলমটো থৈ চকীত আঁউজি বহি ক'লে—"জাহাজৰ কেপ্তেইনে সাগৰত জাহাজ এৰি দি শয়নে সপোনে মাথোন সাগৰৰ পাৰৰ বন্দৰটোৰ কথাহে ভাবি থাকে। ময়ো সেইদৰেই ভাৰতবৰ্ষৰ কথা মনত ৰাখোঁ।

বিনয়,—তোমাৰ সেই ভাৰতবৰ্ষ ক'ত?

গোৰাই বুকুত হাত দি ক'লে—"মোৰ এইখিনিৰ কম্পাচৰ কাঁটাডালে ঠিক যিপিনে লক্ষ্য পোনাই থৈছে, তাতেই আছে মোৰ ভাৰতবৰ্ষ। তোমাৰ মাৰ্চমেন চাহাবৰ 'হিষ্ট্ৰী অব ইণ্ডিয়াৰ' মাজত নহয়"——

বিনয়,—তোমাৰ কাঁটাই যি ফালে লক্ষ্য পোনাই থৈছে, তাত জানো কিবা আছে?

গোৰাই উত্তেজিত হৈ ক'লে—"নিশ্চয় আছে। মই লক্ষ্যভ্ৰষ্ট হব পাৰোঁ, বুৰি মৰিবও পাৰোঁ।—কিন্তু মোৰ সেই সোণৰ বন্দৰটো থাকিবই। মোৰ পূৰ্ণ স্বৰূপ ভাৰতবৰ্ষ—ধনত পূৰ্ণ, জ্ঞানত পূৰ্ণ, ধৰ্ম্মত পূৰ্ণ। তুমি কৈছা এনেকুৱা ভাৰতবৰ্ষ নাই—আৰু আছে মাথোন তোমাৰ চাৰিওফালৰ এই ভুৱা ভাওনাখন—এই কলিকতা চহৰ—এই অফিচ, এই আদালত—এই কিছুমান ইটা আৰু কাঠৰ বুৰবুৰণি—ছিঃ!" এই বুলি কৈ গোৰাই বিনয়ৰ মুখৰ ফালে চালে। বিনয়ে একো উত্তৰ নিদি ভাবিবলৈ ধৰিলে। গোৰাই ক'লে—"আমি এই যে পঢ়া-শুনা কৰিছোঁ, চাকৰিৰ উমেদাৰি কৰি ফুৰিছোঁ আৰু দহ বজাৰপৰা পাঁচ বজালৈকে কাম কৰি কৰি ভূতৰ দৰে মূৰৰ ঘাম মাটিত পেলাই খাটি কি যে কৰিছোঁ তাৰ একোৱেই ঠিক নাই। এই ভুৱা ভাৰতবৰ্ষখনকেই আমি সত্য বুলি বিশ্বাস কৰিছোঁ। আৰু সেই কাৰণেই আজি পঁচিশ কোটি মানুহে মিছা সন্মানিকে

সঁচা বুলি, মিছা কামকে সঁচা কাম বুলি ৰাতিয়ে দিনে বলিয়া হৈ ঘূৰি ফুৰিছোঁ। এই মৰীচিকাৰ বন্ধনৰপৰা আমি সহজে মুক্তি নেপাওঁ। কিন্তু ইয়াৰ বাহিৰেও এখন ভাৰতবৰ্ষ আছে—যি খনত সত্য পৰিপূৰ্ণ—সেইখন ভাৰতবৰ্ষত স্থান নোপোৱালৈকে আমি কেতিয়াও সুস্থ ৰূপে জী থাকিব নোৱাৰোঁ। সেই কাৰণেই মই ভাবোঁ যে আন সকলো কথা এৰি দি, বিদ্যা, খিতাপৰ মোহ, উঞ্ছবৃত্তিৰ প্ৰলোভন সকলোবোৰকে দলিয়াই পেলাই সেই বন্দৰৰ ফালেই জাহাজ্ পোনাব লাগিব—বুৰো যদিও বুৰিম—মৰোঁ যদিও মৰিম। মোৰ সেই ভাৰতবৰ্ষৰ পূৰ্ণমূৰ্ত্তি, সত্যমূৰ্ত্তি মই কেতিয়াও পাহৰিব নোৱাৰোঁ।"

বিনয়,—এইবোৰ কথা তুমি উত্তেজিত হৈ কৈছা, নে সঁচাই কৈছা?

মেঘৰ দৰে গৰজি উঠি গোৰাই ক'লে—"সঁচাই কৈছোঁ।"

বিনয়,—আৰু যিবোৰে তোমাৰ দৃষ্টিৰে চাব নোৱাৰে।

গোৰাই হাত দুখন মুঠি মাৰি ক'লে—"সিহঁতক দেখুৱাই দিব লাগিব। আৰু সেইটোৱেই আমাৰ কৰ্ত্তব্য। সত্যৰ ছবি ফটফটীয়াকৈ নেদেখিলে মানুহে ছাঁৰ ওচৰত কিয় আত্ম-সমৰ্পণ কৰিব? ভাৰতবৰ্ষৰ পৰিপূৰ্ণ মূৰ্ত্তিৰ আৱৰণ জনসাধাৰণৰ সন্মুখত দাঙি ধৰোঁ। দেখিবা সকলোবোৰ মানুহ বলিয়া হৈ উঠিব। তেতিয়া আৰু এইদৰে ঘৰে ঘৰে চান্দা সাধিব নেলাগে। ধন তো দূৰৰ কথা, প্ৰাণদিবলৈকে, মানুহে হেঁচা-ঠেলা লগাব।

বিনয়,—গোৰা, হয় মোক সংসাৰত আইন দহোজনৰ দৰেই জী থাকিবলৈ দিয়া, নহলে মোক এই পূৰ্ণ মূৰ্ত্তি দেখুৱাই দিয়াঁ।

গোৰা,—সাধনা কৰাঁ। মনত বিশ্বাস থাকিলে কঠোৰ সাধনাৰ মাজেদিয়েই সুখ পাবা। আমাৰ আজি-কালিৰ ভুৱা দেশ-প্ৰেমিকবোৰৰ নিজৰ ওপৰতে আস্থা নাই, আৰু সেই কাৰণেই নিজৰ বা লোকৰ ওচৰতো জোৰকৈ একো দাবী কৰিব নোৱাৰে। সিহঁতক স্বয়ং কুবেৰে যাচি বৰ দিবলৈ বিচাৰিলেও বোধকৰোঁ সিহঁতে লাট চাহাবৰ চাপৰাচিৰ জকমকীয়া পোছাকটোতকৈ ডাঙৰ কিবা এটা বিচাৰিবলৈ সাহ নকৰিব। সিহঁতৰ বিশ্বাসো নাই আৰু সেইবোৰলৈ মনো নেমেলে।

বিনয়,—গোৰা, সকলোৰে প্ৰকৃতি একে নহয়। তোমাৰ নিজৰ ওপৰত প্ৰচণ্ড বিশ্বাস আছে আৰু তুমি নিজেই নিজৰ আশ্ৰয়। এতেকে তুমি আইনৰ অৱস্থাটো ঠিক বুজিব নোৱাৰা। মই কওঁ [illegible] মোক যি কোনো এটা কামত লগাই দিয়া। দিনে-ৰাতিয়ে মোক [illegible] দিয়া। নহলে তোমাৰ কামত থকা সময়খিনিত কিবা এটা পো[illegible]লাগিলেও সাঁতুৰি

গ'লেই অনুভৱ কৰোঁ যে মই একেবাৰেই পোৱা নাই।

গোৰা,—তুমি কামৰ কথা কৈছা? এতিয়া আমাৰ একমাত্ৰ কাম হৈছে স্বদেশৰ সকলোবোৰ বস্তুৰ প্ৰতি শ্ৰদ্ধা দেখুওৱা। অবিশ্বাসীসকলৰ মনো যাতে এই শ্ৰদ্ধাই স্পৰ্শ কৰিব পাৰে, তালৈকো আমি চোকা দৃষ্টিৰে চাব লাগিব। দেশৰ কথা ভাবিবলৈ লাজ কৰি আমি নিজৰ মনবোৰকো দাসত্বৰ বিহেৰে দুৰ্ব্বল কৰি পেলাইছোঁ। এতিয়া আমি প্ৰত্যেকেই নিজে নিজে দৃষ্টান্ত দেখুৱাই ইয়াৰ প্ৰতিকাৰ কৰিলেহে ভৱিষ্যতে কাম কৰিবলৈ সুবিধা কৰিব পাৰিম। এতিয়া আমি যি কামতেই হাত দিওঁ, আটাইবোৰেই বুৰঞ্জীৰ পাঠ্য-পুথিত থকা কিছুমান গতানুগতিক কামৰ অনুকৰণ হৈ উঠে। সেই ভুৱা কামত জানো কেতিয়াবা আমাৰ সকলো মন প্ৰাণ সপি দিব পাৰিম? এনেকুৱা কামে আমাক নিজকে আৰু হীন কৰিহে তুলিব।

এনে সময়তে হাতত হোকা লৈ লাহে-ধীৰে গজেন্দ্ৰ গমনে মহিম আহি কোঠাটোত সোমালহি। অফিচৰপৰা আহি জা-জলপান খাই মুখত এমোকোৰা তামোল আৰু এবটা তামোল-পাণ আগত লৈ আলিৰ কাষৰ বাৰাণ্ডাত বহি মহিমৰ এইটোৱেই ধঁপাত খোৱাৰ সময়। আৰু কিছু সময়ৰ পিচতেই এজন-দুজনকৈ ওচৰ-চুবুৰীয়া বন্ধু-বান্ধৱ আহি গোট খাবহি। তাৰ পিচতে পৰ্টিকৰ সি কাষৰ কোঠাটোত তাচৰ আড্ডা বহিব।

মহিম কোঠাটোত সোমোৱা দেখি গোৰা চকীৰপৰা উঠি থিয় হ'ল। হোকাত দীঘলীয়াকৈ শোহা এটা মাৰি গোৰালৈ চাই মহিমে ক'লে—"ভাৰত উদ্ধাৰ তো খুবেই কৰিছ—বৰ্ত্তমান ককায়েৰকো অলপ উদ্ধাৰ কৰ-চোন।

গোৰাই মহিমৰ মুখলৈ ভেবা লাগি চাই থাকিল। মহিমে ক'লে—"আমাৰ অফিচলৈ নতুনকৈ অহা বৰ চাহাবজনৰ একেবাৰে বনৰীয়া কুকুৰৰ দৰে চেহেৰা—বৰ বদমাচ মানুহ। সি কৰ্ম্মচাৰীবোৰক কয় বাব্দৰ—মাক-বাপেক মৰি গ'লেও কাকো ছুটী দিব নোখোজে—সকলো মিছা কথা বুলি কয়। কোনো মাহতেই কোনো দেশীয় কেৰাণীয়ে পুৰাকৈ দৰমহা পাবৰ উপায় নাই—জৰিমনাই জৰিমনাই একেবাৰে ঠকা-সৰকা কৰি পেলায়। কাগজত তাৰ বিৰুদ্ধে এখন বেনামী চিঠি ওলাইছিল। সি ভাবিছে এইটো মোৰেই কাম। অৱশ্যে কথাটো একেবাৰে মিছাও নহয়। এতিয়া সেই কাৰণে নিজৰ নাম দি তাৰ [illegible]ন চোকা প্ৰতিবাদ কৰি উত্তৰ নিলিখিলে সি আৰু মোক তিষ্টিবলৈ নি[illegible] তোমালোক দুয়ো তো ইউনিভাৰচিটিৰ সাগৰ মথি দুটা ৰত্ন উঠি আ[illegible] মোৰ এই চিঠিখন কিন্তু লিখি দিব লাগিব।

তাৰ মাজত " Even handed justice, never failing generosity, kind courteousness" ইত্যাদি ইত্যাদি কথাবোৰ ভালকৈ বহলাই লিখি দিবা ।"

গোৰা মনে মনে থাকিল । বিনয়ে হাঁহি ক'লে—"ককাইদেউ, অতবোৰ মিছা কথা একে উশাহতে কবনে ?"

মহিম,—শঠে শাঠ্যং সমাচৰেৎ । বহুদিন সিহঁতৰ লগত কাম কৰিছোঁ । মোৰ আৰু একো জানিবলৈ বাকী নাই । সিহঁতে যতবোৰ মিছা কথা কব পাৰে—সঁচাকৈয়ে ধন্যবাদ দিবলগীয়া । প্ৰয়োজন হলে সিহঁতে একোকে নেমানে । এজনে মিছা কথা কলেই লগৰ কেজনেও একেলগে শিয়ালৰ দৰে হোৱা ধৰে । আমাৰ দৰে এজনে ইজনৰ মুখা খুলি দি বাহবা লবলৈ নিবিচাৰে । কথাটো হৈছে ধৰা নপৰাকৈ সিহঁতক ঠগাব পাৰিলে একো পাপ নহয় ।– এই বুলি কৈ মহিমে হাঃ হাঃকৈ জোৰেৰে হাঁহিবলৈ ধৰিলে । বিনয়েও সেই হাঁহিত যোগ দিলে ।

মহিমে ক'লে—"তোমালোকে সিহঁতৰ মুখৰ ওপৰতে মুখা খুলি দি সিহঁতক অপ্ৰস্তুত কৰিবলৈ বিচাৰিছা । তোমালোকক ভগৱানে এনেকুৱা বুদ্ধি নিদিলেনো আজি দেশৰ এই দশা হয় নে ? এইটো ঠিককৈ জানিবা যে যি চোৰৰ গাত জোৰ আছে সেই চোৰক যদি তুমি বাহাদুৰি দেখুৱাই ধৰাই দিবলৈ যোৱা—সেই চোৰে তেতিয়া লাজতে মূৰ তলকৈ বহি নেথাকে । সি তাৰ সৰঙ্গামেৰে ঘূৰাই তোমাক মাৰিবলৈহে খেদি আহিব । হয় নে নহয় কোৱাচোন ?

বিনয়,—অৱশ্যে এইটো সঁচা কথা ।

মহিম,—তাতকৈ মিছা কথাৰ ঘানীৰপৰা বিনা পইচাৰ যি তেল পোৱা যায় সেই তেলৰ কিছু অংশও যদি তেওঁৰ ভৰিত মালিচ কৰোঁ তেন্তে সকলোৰেই ৰক্ষা পৰে আৰু শান্তি ভঙ্গৰো একো আশঙ্কা নেথাকে । ভালকৈ ভাবি চোৱাচোন—ইয়াকে বোলে "দেশপ্ৰেম ।" কিন্তু আমাৰ ভায়াৰ বৰ খং উঠিছেহে । হিন্দুৰ ল'ৰা হৈ সি মোক ককায়েক বুলি খুব মান কৰে । তাৰ সন্মুখত মোৰ কথাবোৰ ঠিক ডাঙৰ ককায়েকৰ দৰে নহল । কিন্তু কি কৰিম ভাই ; মিছা কথাৰ বিষয়েও তো সঁচা কথা কব লাগিব । বিনয়, এই চিঠিখন কিন্তু মোক লিখি দিবই লাগিব । ৰবা—মই দুই এটা কথা টুকি থৈছোঁ—লৈ আহোঁগৈ । এই বুলি কৈ মহিমে হোকা টানি টানি ওলাই গ'ল ।

গোৰাই বিনয়ক ক'লে—"বিনু, তুমি ককাইদেউৰ কোঠালৈ গৈ বুজাই ৰবাই কিবা এটা কৰাগৈ । মই মোৰ এই লেখাখন শেষ কৰি লওঁ ।"

"হেৰি শুনিছেনে? মই আপোনৰ গোঁসাই ঘৰত নোসোমাওঁ বাক, ভয় নকৰিব। আপোনাৰ পূজা কৰা শেষ হলে এবাৰ সিটো কোঠালৈ আহিবচোন। আপোনাক দুটামান কথা সুধিবলৈ আছে। নতুনকৈ দেউ দুজন অহা কাৰণে আপুনি বৰ ব্যস্ত হৈ আছে বুলি বুজিছোঁ,—সেই কাৰণেই আপোনাক সোঁৱৰাই দিবলৈ আহিলোঁ। নেপাহৰিব আকৌ—এবাৰ যেনে তেনে আহিব দেই!"

দুৱাৰ মুখৰপৰা এই বুলি কৈ আনন্দময়ী গুচি গ'ল; ঘৰ-দুৱাৰ সাৰিবলৈ আছেই এথোন।

কৃষ্ণদয়াল ডাঙৰীয়াক ক'লাই বুলিব পাৰি। মানুহজন বৰ বেচি ওখ-পাখ নহয় যদিও স্বাস্থ্যৱান। মুখখনৰ মাজত ডাঙৰ ডাঙৰ চকুজোৰ প্ৰথমেই সকলোৰে চকুত পৰে। বাকী প্ৰায় গোটেই গাল-মুখ কেঁচা-পকা দাড়ি-গোফেৰে ভৰা। এখেতে সদায় গেৰুৱা বৰণৰ পাটৰ পোছাক পিন্ধে। হাতত পিতলৰ কমণ্ডলু এটা সদায় থাকেই—ভৰিতো খৰমহে পিন্ধে। মূৰৰ আগ পিনে একেবাৰে চুলি নাই, তপা বুলিবই পাৰি। কিন্তু পিচ ফালে এতিয়াও চুলি আছে। সেই চুলিখিনি তেখেতে দীঘলকৈ ৰাখি বছী এডালেৰে মূৰৰ সোঁ-মাজতে মন্দিৰৰ গম্বুজৰ দৰে ওখকৈ এটা গাঁঠি মাৰি থয়।

ভাটীত থাকোঁতে এসময়ত এখেতে মদ-মাংস খাই একেবাৰে একাকাৰ কৰি পেলাইছিল। তেতিয়া বামুণ সন্ন্যাসী ধৰণৰ মানুহক অপমান কৰি তেখেতে বৰ আনন্দ পাইছিল। এইবোৰ বৰ বীৰত্বৰ কাম বুলি ভাবিছিল। এতিয়া আকৌ তেখেতে নমনা বস্তু নায়েই। আজি-কালি নতুন সন্ন্যাসী দেখিলেই সন্ন্যাসীৰপৰা নতুন সাধনাৰ পন্থা শিকিবলৈ লাগি যায়। মুক্তিৰ নিগূঢ় পথ আৰু যোগৰ নিগূঢ় প্ৰণালীৰ কাৰণে এখেতৰ আগ্ৰহৰ সীমা নাই। তান্ত্ৰিক সাধনা অভ্যাস কৰিবৰ উদ্দেশ্যে কৃষ্ণদয়ালে কিছু দিন উপদেশো গ্ৰহণ কৰিছিল। ঠিক এনে সময়তে এজন বৌদ্ধ পুৰোহিতৰ খবৰ পাই বৰ্ত্তমান তেখেতৰ মন চঞ্চল হৈ পৰিছে।

এখেতৰ প্ৰথম গৰাকী পৰিবাৰে এটি মাত্ৰ পুত্ৰ সন্তান জন্ম দিয়েই চুকায়। তেখেতৰ বয়স তেতিয়া মাত্ৰ একুৰি তিনি বছৰ আছিল।

অৰজনীয়া ল'ৰাটোৱেই মাকৰ মৰণ আনিলে বুলি ভাবি তেখেতে লৰাটিক শত্ৰুৰেকৰ ঘৰত থৈ আহিলগৈ। তাৰ পিচত কৃষ্ণদয়ালৰ এই আঘাত অসহ্য হোৱাত আৰু মনলৈ তীব্ৰ বৈৰাগ্য ভাব অহাত সুদূৰ ভাটীলৈ গুচি যায়। আৰু তাতেই মাথো ছমাহৰ ভিতৰতে কাশীবাসী সাৰ্ব্বভৌম ভাতৰীয়াৰ পিতৃহীনা নাতিনীয়েক আনন্দময়ীক বিয়া কৰায়।

ভাটীতেই কৃষ্ণদয়ালে চাকৰিত সোমায় আৰু নিজ বুদ্ধিৰ বলত অতি কম সময়ৰ ভিতৰতে নিজৰ অৱস্থাৰ বহুখিনি উন্নতি কৰি পেলায়। ইতিমধ্যে সাৰ্ব্বভৌম ভাতৰীয়াৰ মৃত্যু হোৱাত ঘৈণীয়েককো নিজৰ লগলৈ লৈ আহে।

কৃষ্ণদয়াল অতিশয় কৌশলী লোক আছিল। সেই সময়তে বুৰঞ্জী প্ৰসিদ্ধ চিপাহী-বিদ্ৰোহ আৰম্ভ হয়। সুযোগ পাই, চল বুজি কৃষ্ণদয়ালে সেই সময়তে দুই এজন ইংৰাজৰ উচ্চ পদস্থ লোকৰ প্ৰাণ ৰক্ষা কৰি যশ আৰু জমিদাৰী লাভ কৰে। এই বিদ্ৰোহৰ কিছু কাল পিচতে চাকৰি এৰি দি কৃষ্ণদয়াল কাশীলৈ গুচি আহে। গোৰা তেতিয়া পানীকেঁচুৱা। গোৰাৰ বয়স পাঁচ বছৰ মান হওঁতেই কৃষ্ণদয়াল কলিকতালৈ গুচি আহে আৰু তাৰ পিচতেই মহিমক মোমায়েকৰ ঘৰৰপৰা নিজৰ ঘৰলৈ লৈ আহি নিজৰ ঘৰত ৰাখি ডাঙৰ কৰে। এতিয়া মহিমে বাপেকৰ ওপৰৱালা সকলৰ অনুগ্ৰহত খুব প্ৰতিপত্তিৰ সৈতেই চৰকাৰী চাকৰি কৰি আছে।

সৰুৰেপৰাই গোৰাই গোটেই চুবুৰীটোৰ তাৰ সমনীয়াবোৰৰ ওপৰত চৰ্দ্দাৰি কৰি ভাল পাইছিল। স্কুলতো সদায় সি লগৰ ল'ৰাবোৰক নিজৰ তলত ৰাখিবলৈ বিচাৰিছিল। নানান উৎপাত কৰি শিক্ষকসকলকো তিতা লগাবলৈ সি বৰ ভাল পাইছিল। অলপ বুজিব পৰা বয়স হওঁতেই সি ছাত্ৰবোৰৰ ক্লাবত "স্বাধীনতা হীনতাত কোন নো থাকিব খোজে"—আৰু "কোটি কোটি মানুহৰ বাস" এই ধৰণৰ কৱিতা আওৰাই ইংৰাজী ভাষাৰে বক্তৃতা দি কণ কণ বিদ্ৰোহী দলৰ নেতা হৈ পৰিছিল। লাহে লাহে বয়স বাঢ়ি অহাৰ লগে লগে গোৰাৰ কুমলীয়া বিদ্ৰোহী মনো ঠন ধৰি উঠিবলৈ ধৰিলে। তেতিয়া প্ৰথমে কৃষ্ণদয়ালে গোৰাৰ এই মনোভাৱক একেবাৰে ল'ৰা-ধেমালি বুলি ভাবি বিশেষ একো গুৰুত্ব দিয়া নাছিল।

চাওঁতে চাওঁতে বাহিৰা মানুহৰ মাজত গোৰাৰ প্ৰতিপত্তি বাঢ়ি আহিল। কিন্তু ঘৰখনৰ কোনেও তাক নাই দিদিলে। মহিমে তেতিয়া চাকৰি কৰে। সি গোৰাক প্ৰথমে নানা ধৰণৰ ঠাট্টা কৰি দমাবলৈ যত্ন কৰিছিল। কিন্তু

কোনো পধ্যেই তাক তাৰ নিজৰ মতৰপৰা লৰাব নোৱাৰিলে। আনন্দময়ীয়েও গোৰাৰ এই ইংৰাজবিদ্বেষী মনোভাৱ দেখি পেটে পেটে বৰ ভয় খাইছিল। তেখেতেও নানা প্ৰকাৰে গোৰাৰ এই মনোভাৱ আঁতৰাবলৈ চেষ্টা কৰিছিল। কিন্তু তেখেতেও গোৰাক টলাব নোৱাৰিলে। বাটে-পথে বগা চাম্‌ৰাৰ লগত মাৰ-পিট কৰিবলৈ পালে গোৰাই জীৱন ধন্য হোৱা বুলি ভাবিছিল।

গোৰাই মাজে মাজে ব্ৰাহ্ম সমাজত ডাঙৰীয়া কেশৱ সেনৰ বক্তৃতা শুনিছিল। কেশৱ সেনৰ বক্তৃতাই গোৰাৰ মনত ভালকৈয়ে সাঁচ বহুৱাইছিল। আৰু সেই কাৰণেই সি লাহে লাহে ব্ৰাহ্ম সমাজৰ প্ৰতি কিছু আকৃষ্ট হৈ পৰিছিল। ঠিক এনে সময়তে কৃষ্ণদয়ালে নীতি-নিয়ম, আচাৰ-বিচাৰ বৰ উগ্ৰ ধৰণে পালিবলৈ আৰম্ভ কৰে। অনবৰত লেই-লেই ছুেই-ছুেইকৈ তেখেতে পৰাপক্ষত কাকোৱেই ওচৰলৈ আহিবলৈ নিদিয়ে। আন কি গোৰা আহি তেখেতৰ কোঠাত সোমালেও তেখেতে বৰ অস্বস্তি পাবলৈ ধৰিলে। দুই তিনটা মান কোঠা লৈ তেখেতে নিজৰ সংসাৰখন সকলোৰে মাজৰপৰা আঁতৰাই আনি নিজৰ এটা স্বকীয়া মহল কৰি ললে। মহলৰ দুৱাৰ মুখত এচটা কাঠত "সাধনাশ্ৰম" বুলি লিখি আঁৰি থলে।

বাপেকৰ এই অদ্ভুত কাণ্ডবোৰ গোৰাই কোনোমতেই সহিব নোৱাৰিলে। সি ক'লে—"মই এই মূৰ্খামিবোৰ সহিব নোৱাৰোঁ। এইবোৰ মোৰ চকুৰ কুটা, দাঁতৰ শূল।"

এই বিষয়ে তৰ্কা-তৰ্কি কৰিয়েই গোৰাই মাজতে এবাৰ বাপেকৰ লগত সকলো সম্বন্ধ ছিঙি দি ঘৰৰপৰা ওলাই যাব খুজিছিল। মাকেহে বহুত বুজাই-বৰাই সেইবাৰলৈ তাক ক্ষান্ত কৰিলে।

বাপেকৰ ওচৰলৈ অহা বামুণ পণ্ডিতবোৰৰ লগত সুবিধা পালেই গোৰাই ভীষণ তৰ্ক জুৰিছিল। এইয়া তো তৰ্ক নহয়—যেন ঘুচিয়া-ঘুচিহে চলিছিল। সিহঁতৰ বেচি ভাগৰেই পাণ্ডিত্য নাছিল বুলিলেই হয়—কিন্তু ধৰ্মৰ প্ৰতি খক্ হলে পূৰাকৈয়েই আছিল। গোৰাক সিহঁতে কোনো ৰকমেই বলে নোৱাৰিছিল, আৰু সেই বাবে তাক বাঘৰ দৰে ভয় কৰিছিল। ইহঁতৰ মাজত মাথোন হৰচন্দ্ৰ বিদ্যাবাগীশ বোলা এজনৰ প্ৰতিহে গোৰাৰ শ্ৰদ্ধা উপজিল।

বেদান্ত চৰ্চা কৰিবৰ নিমিত্তেহে কৃষ্ণদয়ালে বিদ্যাবাগীশক নিযুক্ত কৰিছিল। গোৰাই প্ৰথমতে এখেতৰ লগতো টঙালি বান্ধি যুজিবলৈ গৈছিল। কিন্তু সি বুজি পালে যে এখেতৰ লগত যুঁজ কৰিব নোৱাৰি।

মানুহজন সঁচাকৈয়ে পণ্ডিত। মাথোন সংস্কৃত পঢ়িলেই যে মানুহ ইমান চোকা আৰু তীক্ষ্ণ বুদ্ধিৰ হব পাৰে, গোৰাই সপোনতো ভবা নাছিল। বিদ্যাবাগীশৰ চৰিত্ৰত ক্ষমা আৰু শান্তিৰে ভৰা এনে এটা গাম্ভীৰ্য্যপূৰ্ণ ধৈৰ্য্য আৰু গভীৰতা আছিল যে গোৰাই তেখেতৰ ওচৰত নিজক সংযত কৰিবলৈ বাধ্য হৈছিল। হৰচন্দ্ৰৰ ওচৰত গোৰাই বেদান্ত দৰ্শন পঢ়িবলৈ ধৰিলে। গোৰাই কোনো কামকে আধৰুৱা কৰি নেৰাখিছিল। দৰ্শন আলোচনাৰ মাজতো সি একেবাৰে বুৰি গ'ল।

এনে সময়তে এজন ইংৰাজ মিছনাৰিয়ে এখন বাতৰি-কাকতত হিন্দু শাস্ত্ৰ আৰু সমাজৰ বিৰুদ্ধে এটা প্ৰবন্ধ লিখে। সি নিজে সুবিধা পালেই হিন্দু শাস্ত্ৰ আৰু লোকাচাৰৰ নিন্দা কৰি বিৰোধী দলৰ মানুহক যিমান পাৰে উচটাইছিল। কিন্তু এতিয়া বিদেশী এজনে হিন্দু সমাজক এইদৰে সমালোচনা কৰাটো সি সহিব নোৱাৰিলে।

বাতৰি-কাকতৰ যোগেদিয়েই গোৰাই যুদ্ধ আৰম্ভ কৰি দিলে। মিছনাৰিজনে উল্লেখ কৰা হিন্দু সমাজৰ প্ৰত্যেকটো কেৰোণকে গোৰাই অস্বীকাৰ কৰিলে। দুয়ো পক্ষৰ মাজত বাক্-বিতণ্ডা চলিল। অৱশেষত কাকতৰ সম্পাদকে এই বিষয়ে আৰু চিঠি-পত্ৰ ছপাবলৈ আপত্তি কৰিলে।

গোৰাৰ কিন্তু তেতিয়া জেদ্ বাঢ়ি গৈছিল। সি "হিন্দু ইজিম" নামেৰে এখন পুথি লিখিবলৈ আৰম্ভ কৰিলে। হিন্দু ধৰ্ম্ম আৰু সমাজ যে কোনো বিষয়তে হীন নহয়,—বহুতো পঢ়া-শুনা কৰি তাৰে প্ৰমাণ সংগ্ৰহ কৰিবলৈ গোৰা লাগি গ'ল।

এইদৰে মিছনাৰিৰ লগত যুজিবলৈ গৈ গোৰাই লাহে লাহে নিজৰ যুক্তিৰ আগত নিজেই হাৰ মানিবলৈ ধৰিলে। সি ক'লে—"আমাৰ দেশখনক বিদেশীৰ বিচাৰ-সভাত দোষীৰ নিচিনাকৈ থিয় কৰাই বিদেশীৰ বিচাৰপদ্ধতিৰে বিচাৰ কৰিবলৈ কেতিয়াও নিদিওঁ। বিলাতৰ আদৰ্শৰ লগত আমাৰ আদৰ্শৰ তুলনা কৰি আমি লাজ নেপাওঁ, গৌৰৱো বোধ নকৰোঁ। যি দেশত জন্ম গ্ৰহণ কৰিছোঁ—সেই দেশৰ নীতি-নিয়ম, শাস্ত্ৰ আৰু সমাজৰ কাৰণে আমি কাৰো ওচৰতেই মূৰ নোদোঁৱাওঁ। আমাৰ দেশৰ যি আছে তাকে সগৌৰৱে আৰু সভক্তিৰে শিৰত তুলি লৈ দেশক আৰু নিজকো অপমানৰপৰা ৰক্ষা কৰিম।"

তেতিয়াৰেপৰা গোঁৰাই গঙ্গা-স্নান আৰু পূজা-গধূলা সন্ধ্যা কৰিবলৈ আৰম্ভ কৰিলে। টিকনি ৰাখি খোৱা-বোৱা বিষয়ত বাছ-বিচাৰ কৰি চলিবলৈ ধৰিলে। পুৱা শুই উঠি সদায় মাক-বাপেকৰ ভৰিৰ ধূলি মূৰত লৈছে

মিলটোৰ কাম আৰম্ভ কৰিবলৈ ধৰিলে। যি মহিমক সি কথাই কথাই 'ৰেভ, সুৰ', ইত্যাদি বুলি ঠাট্টা কৰিছিল সেই মহিমকো সি অসম্ভৱ মান কৰি চলিবলৈ ধৰিলে। মহিমে তাৰ এই অতি ভক্তি দেখি বিহকে তিহকে কৰলৈ ধৰিলে। গোৰাই কিন্তু একো উত্তৰ নিদি সকলো কথাই তল-মুৰকৈ শুনি থাকিল।

গোৰাই নিজৰ উপদেশ আৰু আচৰণেৰে দেশৰ এচাম মানুহৰ মাজত আলোড়ন তুলিলে। গোৰাৰ উপদেশ শুনি সেই মানুহচামে আত্মৰক্ষাৰ বক্ষা পোৱাদি পালে। সিহঁতে কবলৈ ধৰিলে,—"আমি ভাল নে বেয়া, সভ্য নে অসভ্য, এইবোৰ বিষয় লৈ কাৰো ওচৰত উত্তৰ দিবলৈ নিবিচাৰোঁ। মাথোন আমি যে আমাৰ কাৰণেই,—এই কথা আমি সম্পূৰ্ণৰূপে অনুভৱ কৰিব বিচাৰোঁ।"

কিন্তু কৃষ্ণদয়ালে গোৰাৰ এই নতুন পৰিবৰ্ত্তনত বিশেষ ভাল পোৱা যেন নেলাগিল। আন কি তেখেতে এদিন গোৰাক মাতি ক'লে,—"চোৱা বোপাই, হিন্দু শাস্ত্ৰ এটা বৰ গভীৰ বস্তু। ঋষিসকলে স্থাপন কৰি থৈ যোৱা ধৰ্ম্মক যেই সেই মানুহে সৰসৰীয়াকৈ বুজিব নোৱাৰে। মোৰ বোধেৰে নুবুজাকৈ এই বিষয়ত হাত নিদিয়াটোৱেই ভুগুত। তুমি নিচেই ল'ৰা মানুহ, সৰুৰেপৰা ইংৰাজী পঢ়ি ডাঙৰ হৈছা। ব্ৰাহ্ম সমাজৰ প্ৰতি আকৃষ্ট হৈ তুমি উপযুক্ত কামেই কৰিছিলা। সেই কাৰণে মই তেতিয়া তোমাক বাধা দিয়া নাছিলোঁ, বৰং ভালেই পাইছিলোঁ। কিন্তু এতিয়া তুমি যি বাটেদি গৈছা, এই পথ মোৰ বৰ ভাল যেন লগা নাই—এইটো তোমাৰ পথ নহয়।"

গোৰাই ক'লে,—"আপুনি নো কি কৈছে দেউতা। মই জানো হিন্দু নহয়? হিন্দু ধৰ্ম্মৰ গুৰিৰ কথা আজি নুবুজিলেও কাইলৈ বুজিম; আৰু কেতিয়াও বুজি নেপালেও এই বাটেদিয়েতো চলিব লাগিব। হিন্দু সমাজৰ লগত পূৰ্ব্ব জন্মৰ সম্বন্ধ ছিঙিব পৰা নাই কাৰণেই এই জন্মতো বামুণৰ ঘৰত উপজিছোঁ। এনেকৈয়ে জনমে জনমে যেন হিন্দু ধৰ্ম্ম আৰু হিন্দু সমাজৰ মাজত জনম লৈ অৱশেষত মুক্তি পাব পাৰোঁ। কেতিয়াবা ভুলতো অন্য পথলৈ চকু দিলেও আকৌ যেন দুগুণ শক্তিৰে নিজ পথলৈ উভতি আহিব পাৰোঁ।"

কৃষ্ণদয়ালে কিন্তু মুৰ জোকাৰি ক'লে—"চোৱাঁ বোপাই, হিন্দু হওঁ বুলিয়েই হিন্দু হব নোৱাৰি। মুছলমান হোৱা সহজ—খৃষ্টানো যেয়ে সেয়ে হব পাৰে, কিন্তু হিন্দু হোৱা বৰ টান কথা।"

গোৰা,—সেইটো সঁচা কথা। কিন্তু মই হিন্দু হৰত উপস্থিত হ'লেই তেওঁ সিংহদ্বাৰ পাব হৈ আহিছোঁ। এতিয়া তালৈকে সাধনা কৰিব পাৰিলে নাহে নাহে নিশ্চয় আওৰাই যাব পাৰিম।

কৃষ্ণদয়াল,—বোপাই তৰ্কেৰে তোমাক ভালকৈ বুজাব নোৱাৰোঁ। তুমি কোৱা কথাবোৰো অৱশ্যে সঁচা। যাৰ যিটো কৰ্মফল আৰু নিৰ্দ্দিষ্ট ধৰ্ম্ম সি বুৰি-পকি আকৌ সেই ধৰ্ম্মৰ বাটলৈকে ঘূৰি আহিব লাগিব; ইয়াত কোনেও বাধা দিব নোৱাৰে। এইবোৰ সকলো ভগৱানৰ দয়াৰ কথা। আমিনো কি কৰিব পাৰোঁ? আমি উপলক্ষহে মাথোন।

কৰ্ম্মফল আৰু ভগৱানৰ ইচ্ছা, সোহংবাদ আৰু ভক্তিতত্ত্ব—এই আটাইবোৰকে কৃষ্ণদয়ালে একে শাৰীৰ বুলি ভাবে। এইবোৰৰ মাজতো যে কোনো প্ৰকাৰৰ সমন্বয়ৰ প্ৰয়োজন আছে—এই কথা তেখেতে মুঠেই অনুভৱ নকৰে।

——: :——

৬

আজি বহুদিনৰ মূৰত সন্ধ্যা পূজা শেষ কৰি খাই বৈ উঠাৰ পিচত কৃষ্ণদয়াল আনন্দময়ীৰ কোঠালৈ আহিল। মজিয়াৰ ওপৰত নিজৰ কম্বলৰ আসনখন পাতি লৈ বৰ সাৱধানেৰে চাৰিওফালে বস্তুবোৰৰপৰা আঁতৰি পোন হৈ বহিল।

আনন্দময়ীয়ে ক'লে—আপুনি আজি-কালি পূজা-পাতল লৈয়ে ব্যস্ত থাকে। ঘৰখনৰ কথা সমূলি নেভাবে। গোৰাৰ কাণ্ডবোৰ দেখি মই বৰ চিন্তিত হৈ পৰিছোঁ আৰু ভয়ো খাইছোঁ।"

কৃষ্ণদয়াল,—কিয়, ভয় খাইছা কিয়?

আনন্দময়ী,—কিয় যে ভয় খাইছোঁ মই নিজেই ভালকৈ কব নোৱাৰোঁ। কিন্তু গোৰাই আজি-কালি যি দৰে নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ পালিবলৈ ধৰিছে তাক দেখি মোৰ মনত সদায় এটা আশঙ্কা হয়। শেষত কিবা এটা ডাঙৰ বিপদৰ মাজত সি পৰেগৈ বুলি মোৰ সদায় এটা ভয় লাগি থাকে। মই আপোনাক আগতেই তাক লগুণ দিবলৈ বাৰে বাৰে হাক দিছিলোঁ।

আপুনি তো তেতিয়া একো নেমানিলে। ডিঙিত একোচা সূতা আঁৰি দিলেই কাৰো একো ক্ষতি নহয় বুলিয়েই আপুনি কৈছিল। এতিয়া পিচে তাক কেনেকৈ বাধা দি ৰাখিব ?

কৃষ্ণদয়াল,—ওঁ, এতিয়া সকলো দোষ মোৰ গাতেই জাপি দিব খুজিছা। কিন্তু গুৰিতে তুমিহে ভুল কৰিছিলা। তুমিতো কোনোমতেই তাক তোমাৰ কাষৰপৰা আঁতৰাই নিবলৈ নিদিলা। মযো সেই সময়ত বৰ গোঁৱাৰ আৰু জেদী আছিলোঁ। ধৰ্ম্ম-কৰ্ম্ম, একোৱেই নেমানিছিলোঁ। আজি-কালিৰ দৰে হোৱা হলেতো মই এনে কাম কেতিয়াও নকৰিলোঁ হয়।

আনন্দময়ী,—আপুনি যিয়েই নকওক মই যে কিবা অধৰ্ম্ম কৰিছোঁ, এই কথা মই কিন্তু কেতিয়াও মানি লব নোৱাৰোঁ। আপোনাৰ নিশ্চয় মনত আছে এই শিশু সন্তানটোৰ বাবে মই কি কৰা নাই,—যিয়েই যি কৈছে তাকে কৰিছোঁ। কিমান মাদলী লৈছোঁ—কিমান পূজা-পাতল কৰিছোঁ, সেইবোৰ তো আপুনি জানেই। এদিন সপোন দেখিছিলোঁ যে মই যেন এফুকি ভগৱ ফুলেৰে পূজা কৰিবলৈ বহিছোঁ। এবাৰ দেখো যে কুকিত ফুল নাই,—ফুলৰ দৰে কোমল বগা ধপধপীয়া এটা সৰু কেঁচুৱা। আঃ কি যে দেখিছিলোঁ কেনেকৈ কম। মোৰ চকুলো ববলৈ ধৰিলে। লৰালৰিকৈ পোনাটিক বুকুত তুলি লব ধৰোঁতেই মোৰ টোপনি ভাঙি গ'ল। তাৰ পিচত দহ দিনো পাৰ নহ'ল গোৰাক পালোঁ—সি যে মোৰ ভগৱানৰ নিৰ্ম্মালি। সি জানো আন কাৰোবাৰ যে মই তাক মোৰ কাষৰপৰা লৈ যাবলৈ দিম ? পূৰ্ব্বজন্মত তাক মই গৰ্ভত ধাৰণ কৰি নিশ্চয় বৰ কষ্ট পাইছিলোঁ। এই জন্মতো সেই কাৰণেই সি মোক "আই" বুলি মাতিবলৈ আহিছে। কেনেকৈ, ক'ৰপৰা সি মোৰ কোলালৈ আহিল ভাবি চাওকচোন। চাৰিওফালে তেতিয়া মৰা-মৰি, কটা-কটি লাগিছে,—কোন মুহূৰ্ত্তত মৰিব লাগে ঠিক নাই,—সেই দুৰ্য্যোগৰ মাজত মাজ নিশা মেম জনীয়ে যেতিয়া আমাৰ ঘৰত আশ্ৰয় বিচাৰিলেহি আপুনিতো প্ৰথমতে ভয়তে ৰাখিবই নুখুজিছিল, মইহে আপোনাক ফুচুলাই তাইক নি গোহালিত লুকুৱাই থলোঁগৈ। সেই ৰাতিয়েই ল'ৰাটো প্ৰসব কৰি তাই তো মৰিয়েই থাকিল। সেই মাট-মাউৰা ল'ৰাটোক মই নবচোৱা হলে সি জানো আজি বাচি থাকিল হয় ? আপোনাৰ নো কি ? আপুনিতো তেতিয়াই তাক পাদুৰিৰ হাতত দি পেলাব খুজিছিল। কিয় ? পাদুৰিক কিয় দিম ! পাদুৰি জানো তাৰ মাক দেউতাক ? নে পাদুৰিয়েই তাক প্ৰাণ ৰক্ষা কৰিছে ?

ইমান কষ্টৰ মূল্যত লাভ কৰা সন্তান । নিজ গৰ্ভত ধাৰণ কৰাতকৈ কোনো গুণেই কম নহয় । আপুনি বিয়ানেই নকওক লাগে, এই সংসাৰ কি কলে মোক দান কৰিছে তেওঁ নিজে আহি নিনিয়ালৈকে প্ৰাণ থাকে মানে আন কাকো মই লিবলৈ নিদিওঁ ।

কৃষ্ণদয়াল,—সেই কথা তো মই জানোৱেই । তুমি তোমাৰ গোৰাক নিজৰ কাষতে ৰাখা—এই বিষয়ে মই তোমাক তো কেতিয়াও বাধা দিয়া নাই । কিন্তু তাক নিজৰ সন্তান বুলি চিনাকি দি লগুণ নিদিলে তো সমাজে নেমানিব । সেই কাৰণেই লগুণ দিবলগীয়া হ'ল । এতিয়া মাথোন ভাবিব লগীয়া দুটা কথা আছে । নিয়ম মতে মোৰ সকলো বিষয়-সম্পত্তিৰ উত্তৰাধিকাৰী মহিম—সেই কাৰণে——

আনন্দময়ী,—আপোনাৰ সা-সম্পত্তিৰ ভাগলো কোনে বিচাৰিছে ? আপুনি যি আৰ্জিছে সকলো মহিমকে দি যাওক—গোৰাই কুটা-কড়ি এটাকে নোছোৱে । সি মতা মানুহ, লিখা-পঢ়াও শিকিছে—নিজে উপাৰ্জন কৰি খাব । পৰৰ ধনৰ ভাগ লবলৈ কিয় যাব ? সি সুকলমে বাচি থাকক, সেয়ে মোৰ কাৰণে যথেষ্ট ; বিষয়-সম্পত্তি মই একোৱেই নিবিচাৰোঁ ।

কৃষ্ণদয়াল,—নহয়, তাক একেবাৰে বঞ্চিত কৰিব নোৱাৰোঁ । জমিদাৰী খনকে তাক দিম । সময়ত তাৰপৰা বছৰি হেজাৰ টকাও লাভ থাকিবগৈ পাৰে । এতিয়া তাৰ বিয়া সম্পৰ্কেহে ভাবিবলগীয়া হৈছে । আগেয়ে নেভাবি যি কৰিলোঁ কৰিলোঁ, এতিয়াতো আৰু হিন্দু নিয়মেৰে তাৰ বিয়া পাতি বামুণৰ ঘৰৰ ছোৱালী আনিব নোৱাৰোঁ ।

আনন্দময়ী,—হে হৰি ! আপোনাৰ দৰে গোবৰ পানী ছটিয়াই লেই লেই, ছেই ছেইকৈ নুফুৰোঁ কাৰণেই আপুনি ভাবিছে নে কি যে মোৰ ধৰ্ম অধৰ্মৰ জ্ঞান একেবাৰে লোপ পাইছে ? তালৈ বামুণৰ ঘৰৰ ছোৱালীলো কিয় আনিব ? ইয়াত মোৰ খং কৰিবলগীয়ালো কি আছে ?

কৃষ্ণদয়াল,—কি কোৱা । তুমিয়েই তো বামুণৰ ঘৰৰ ছোৱালী ।

আনন্দময়ী,—বামুণৰ ঘৰৰ ছোৱালী হব পাৰোঁ । সেইবুলি বামুণী হৈ বাছ-বিচাৰ কৰি ফুৰিবলৈ মই তো এৰিয়েই দিছোঁ । মহিমৰ বিয়াৰ সময়তো মোৰ খৃষ্টানী ধৰণ-কৰণ দেখি মিত্তিৰ ঘৰে সেখোন আপত্তি কৰিবকে খুজিছিল । মই সেই কাৰণে ইচ্ছা কৰিয়েই দূৰে দূৰে আছিলোঁ,—মাত এষাৰকে মতা নাছিলোঁ । জগতখনেই মোক খৃষ্টান বোলে, আৰু কত যে কথা কয়—মই সকলোবোৰ মানি লওঁ । খৃষ্টানবোৰ ভালো মানুহ

নহয় ? আপোনালোকৰ জাত যদি ইমানেই গুৰ, আৰু আপোনালোকৰ ঈশ্বৰটো যদি চেনেহৰ ধন, তেনেহলে সেই ঈশ্বৰেই বাৰু কিয় আপোনালোকক এবাৰ পাঠান, এবাৰ মোগল, এবাৰ খৃষ্টানৰ ভৰিৰ তলত পেলাই দি বাৰে বাৰে বং চাইছে ?

কৃষ্ণদয়াল,—সেইবোৰ বহুত কথা। তুমি তিৰোতা মানুহ, সেইবোৰ বুজি নেপাবা। কিন্তু সমাজ এখন আছে। সেইটো নিশ্চয় বুজি পোৱা আৰু সমাজখন মানি চলাই উচিত।

আনন্দময়ী,—সেইবোৰ কথা মই নুবুজিলেও চলিব। মই মাথোন এটা কথাই বুজোঁ যে গোৰাক যেতিয়া মই সন্তানৰ দৰে ডাঙৰ কৰিছোঁ, তেতিয়া এই আচাৰ-বিচাৰৰ ভাও ধৰিলে সমাজ থাকক বা নেথাকক, ধৰ্ম নেথাকে। মই মাথোন এই ধৰ্মৰ ভয়তে কোনো দিনেই একোকে নুলু-কাওঁ। মই যি বোৰ কথা নেমানো সেইবোৰ সকলোকে জনাই দিওঁ। এইবোৰৰ কাৰণে সকলোৰে মোক ঘিণ কৰে। তথাপিও মই মনে মনে থাকোঁ। এটা কথা ইমান দিনে নুকুৱাই আহিছোঁ আৰু তাৰ বাবে সদায় ভয় খাই থাকোঁ। ভগৱানে কোন মুহূৰ্ত্তত কি কৰে কেনেকৈ জানিব। মোৰ বোধেৰে গোৰাক সকলো কথা কৈ দিয়াই ভাল। তাৰ পিচত কপা-লত যি আছে হব আৰু।

কৃষ্ণদয়ালে লৰালৰিকৈ ক'লে,—"ওঁহো, মই জী থাকোঁ মানে কোনো মতেই এনেকুৱা কথা হব নোৱাৰে। গোৰাক তুমি তো ভালদৰেই চিনি পোৱা। এই কথা শুনিলে সি যে কি কৰিব কব নোৱাৰি, সমাজতো হুলস্থুল লাগি যাব। মাথোন সেয়েই নে ? ইফালে গৱৰ্ণমেণ্টেও কি কৰে কব নোৱাৰি। যদিও গোৰাৰ দেউতাকৰ যুদ্ধত মৃত্যু হৈছে আৰু মাকো মৰিছে, তথাপিও আমি চৰকাৰক খবৰটো জনোৱা উচিত আছিল। এতিয়া এই বিষয়ে যদি কিবা গোলমাল লাগে মোৰ তো সাধন-ভজন সকলো পানী হবই, লগে লাগে আকৌ আন কি ডাঙৰ বিপদ আহে কেনেকৈ কবা ?"

আনন্দময়ী মনে মনে থাকিল।

কিছু সময় পিচত কৃষ্ণদয়ালে ক'লে,—"গোৰাৰ বিয়া সম্পৰ্কে মই এটা কথা মনে মনে ভাবিছোঁ। পৰেশ ভট্টাচাৰ্য্য মোৰ লগত একেলগে পঢ়িছিল। তেখেতে স্কুল ইন্সপেক্টৰ কামৰপৰা অৱসৰ লৈ বৰ্ত্তমান কলিকতাতে আছেহি। তেখেত ঘোৰ ব্ৰাহ্ম। শুনিছোঁ তেখেতৰ কেবাজনীও ছোৱালী আছে। গোৰাক তেখেতসকলৰ লগত চিনাকি কৰি দিলে হয়তো অহা-যোৱা কৰোঁতে কৰোঁতে তেখেতৰ কোনোবা এজনী ছোৱালীত

তাৰ মন খাই যাব পাৰে। তাৰ পিচৰখিনি আৰু প্ৰজাপতিৰ নিৰ্ব্বন্ধ।"

আনন্দময়ী,—গোৰা জানো ব্ৰাহ্মৰ ঘৰলৈ অহা-যোৱা কৰিব? কিছু দিন আগতে হোৱা হলেও এটা কথা আছিল। এতিয়া আৰু সেই দিন নাই।

এই বুলি কথা পাতি থাকোঁতেই গোৰাই তাৰ গলগলীয়া মাতেৰে 'আই' বুলি মাত দি কোঠাত সোমালহি। কৃষ্ণদয়ালক তাত বহি থকা দেখি সি বৰ আচৰিত হ'ল। আনন্দময়ীয়ে লৰালৰিকৈ উঠি আহি গোৰালৈ চেনে-হৰে চাই সুধিলে,—"বোপাই, কি লাগে তোক?"

"নাই আই, মোক বিশেষ একো নেলাগে। এতিয়া থাকক বাৰু,—" এই বুলি কৈ গোৰা ওচি যাব খুজিলে।

কৃষ্ণদয়ালে কলে,—"বহা গোৰা, অলপ বহা। তোমাক এটা কথা কওঁ বুলি ভাবিছোঁ। মোৰ এজন ব্ৰাহ্ম বন্ধু কলিকতাতে আছেহি। তেখেত হেদোতলাত থাকে।"

গোৰা,—আপুনি পৰেশ ভট্টাচাৰ্য্যৰ কথা কৈছে নে কি?

কৃষ্ণদয়াল,—তুমি তেখেতক চিনি পোৱা কেনেকৈ?

গোৰা,—বিনয় তেখেতসকলৰ ঘৰৰ কাষতে থাকে। তাৰ মুখেই তেখেতসকলৰ কথা শুনিছোঁ।

কৃষ্ণদয়াল,—তুমিও তেওঁলোকৰ ঘৰলৈ গৈ এবাৰ খা-খবৰ কৰিলে মই ভাল পাম।

গোৰাই কিছু সময় মনে মনে ভাবি কলে,—"বাৰু মই কাইলৈকে যাম।"

আনন্দময়ী অলপ আচৰিত হ'ল।

গোৰাই আৰু কিছু সময় ভাবি ক'লে,—"ওঁহো কাইলৈতো মই যাব নোৱাৰোঁ।"

কৃষ্ণদয়াল,—কিয়?

গোৰা,—কাইলৈ মই ত্ৰিবেণীলৈ যাব লাগিব।

কৃষ্ণদয়ালে আচৰিত হৈ ক'লে,—"ত্ৰিবেণীলৈ। কিয়?"

গোৰা,—কাইলৈ সূৰ্য্যগ্ৰহণৰ স্নান।

আনন্দময়ী,—তোৰ কথাবোৰ শুনি অবাক হব লাগে গোৰা। কলি-কতাতেই যেখোন গঙ্গা আছে, ত্ৰিবেণীলৈ নগলে তোৰ স্নান নহবনে? তইচোন দেশৰ আটাইবোৰ মানুহতকৈ এখোপ চৰা হলি।

গোৰাই একো নেমাতি ওচি গ'ল।

ত্ৰিবেণীত বহুতো তীৰ্থযাত্ৰীৰ সমাগম হব। সেই কাৰণে গোৰাই

তাঁলৈ বোৱাটো স্থিৰ কৰিছিল। সেই জনসাধাৰণৰ মাজত নিজকে বিলাই দি দেশৰ এটি বৃহৎ প্ৰবাহৰ মাজত নিজকে উটুৱাই দি গোৱাই দেশৰ আন্দোলনক নিজৰ হৃদয়ৰ মাজত অনুভৱ কৰিবলৈ বিচাৰিছিল। গোৱাই কববাত সামান্য সুবিধা পালেই নিজৰ সকলো সঙ্কোচ, সকলো পূৰ্ব্ব সংস্কাৰ বলেৰে আঁতৰাই দেশৰ জনসাধাৰণৰ শাৰীলৈ নিজক নমাই দি কৰ খোজে,—"মই তোমালোকৰ আৰু তোমালোক মোৰ।"

-:০:-

দোক্‌মোকালিতে উঠি বিনয়ে দেখে যে ৰাতিটোৰ ভিতৰতে আকাশ একেবাৰে মুকলি হৈ পৰিছে। পুৱাৰ পোহৰ শিশুৰ হাঁহিৰ দৰেই নিৰ্ম্মল। দুই এচপৰা বগা মেঘ আকাশখনৰ অ'ত ত'ত ওপঙি আছে।

বাৰাণ্ডাত থিয় হৈ আজিৰ দৰেই আৰু এটা নিৰ্ম্মল ৰাতিপুৱাৰ কথা মনত পৰি বিনয়ৰ মন আনন্দত নাচি উঠিল। এনেতে সি দেখা পালে যে পৰেশ ভট্টই এহাতে লাঠী আৰু এহাতে সতীশৰ হাতত ধৰি আলিবাটেদি লাহে লাহে আগুৱাই যাব ধৰিছে। সতীশে বিনয়ক বাৰাণ্ডাত দেখা পাই "বিনয় ককাইদেউ" বুলি হাত-চাপৰি মাৰি চিঞৰি দিলে। পৰেশ ভট্টয়ো বিনয়ক দেখা পালে। বিনয় নিমিষতে তললৈ নামি আহিল। সতীশৰ সৈতে পৰেশ ভট্টও বিনয়ৰ ঘৰত সোমালহি।

সতীশে বিনয়ৰ হাতত ধৰি ক'লে—"বিনয় ককাইদেউ, আপুনি সিদিনা আমাৰ তালৈ যাব বুলি কৈছিল দেখোন। কিন্তু ক'তা—নগ'ল এবা?"

বিনয়ে সতীশৰ পিঠিত মৰমেৰে হাত ফুৰাই হাঁহিবলৈ ধৰিলে। পৰেশ ভট্টই হাতৰ লাঠিডাল সাৱধানে মেজৰ গাত আঁউজাই থৈ চকীত বহি ক'লে—"সেইদিনা আপুনি নথকাহলে আমি বৰ অসুবিধাত পৰিলোহেঁতেন। সঁচাকৈয়ে আপুনি সিদিনা বৰ উপকাৰ কৰিলে।"

বিনয়ে অপ্ৰস্তুত হৈ ক'লে, "ইস্‌ বাব—মইনো আৰু কি কৰিব পাৰিলোঁ।"

সতীশে হঠাতে সুধিলে,—"বাক বিনয় ককাইদেউ, আপোনাৰ কুকুৰ নাই
:ন কি ?"

বিনয়ে হাঁহি হাঁহি ক'লে,—"কুকুৰ ? ওহোঁ মোৰ কুকুৰ নাই।

সতীশে সুধিলে,—"আপুনি কুকুৰ নোপোহে কিয় ?"

বিনয়ে ক'লে—"কুকুৰ পোহাৰ কথা কেতিয়াও ভবাই নাই।

পৰেশ ভট্টই ক লে—"সেইদিনাখন সতীশ আপোনাৰ ইয়ালৈ আহি-
ছিল নহয় ? নিশ্চয় আপোনাক সি ডাক্তৰেই বুলাই থৈ গৈছে। ই
:য় ইমান বকিব পাৰে—বায়েকে তাৰ নাম দিছে—বক্তিয়াৰ খিলিজি।"

বিনয়ে ক'লে—"মহো খুব বকিব পাৰোঁ। সেই কাৰণে আমাৰ
দয়োৰে মাজত বন্ধুত্ব হৈ গৈছে। কি কোৱা সতীশ ?"

সতীশে এই কথাৰ একো উত্তৰ নিদিলে। কিন্তু নতুন নামকৰণৰ
কাৰণে বিনয়ৰ ওচৰত গৌৰৱ হানি হব পাৰে বুলি ভাবি সি অলপ ব্যস্ত
হৈ পৰিল। আৰু ক'লে,—"ভালেই হে। বক্তিয়াৰ খিলিজিটো
বৰ ভাল নাৰ। বাৰু ককাইদেউ, বক্তিয়াৰ খিলিজিয়ে জানো যুদ্ধ কৰা
নাছিল ? তেওঁ তো যুদ্ধত জিকি গোটেই বঙ্গদেশ অধিকাৰ কৰিছিল ; নহয়
জানো ?"

বিনয়ে হাঁহি হাঁহি ক'লে—"আগেয়ে অৱশ্যে তেওঁ যুদ্ধ কৰিছিল।
এতিয়া কিন্তু যুদ্ধ নকৰে ; মাত্ৰ বক্তৃতাহে দিয়ে। বক্তৃতা দিয়েই আজি-
কালি গোটেই বঙ্গদেশ জিনি লয়।"

এইদৰে তেওঁলোকে বহুপৰ কথা-বতৰা পাতিলে। ভট্ট ডাঙৰীয়াই
বৰ বেচি কথা কোৱা নাছিল। তেখেতে মাখোন প্ৰসন্ন মুখেৰে হাঁহি
হাঁহি ইহঁতৰ কথা-বতৰা শুনি আছিল আৰু মাজে মাজে দুই এটা কথাত
যোগ দিছিল।

যাবৰ সময়ত তেখেতে চকীৰপৰা উঠি ক'লে—"আমাৰ ঘৰৰ নম্বৰ
আঠ সত্তৰ। ইয়াৰপৰা পোনে পোনে গৈ সোঁ হাতে——"

সতীশে ক'লে—"তেখেতে আমাৰ ঘৰ চিনি পায়। সিদিনা তেখেত
মোৰ লগত একেবাৰে আমাৰ দুৱাৰমুখলৈকে গৈছিল নহয়।"

ইয়াত লাজ পাবলগীয়া একো নাছিল যদিও বিনয়ে মনে মনে বৰ
লাজ পালে। কিবা এটাত সি যেন ধৰা পৰি গ'ল।

পৰেশ ভট্টই ক'লে,—"তেনেহলে তো আপুনি আমাৰ ঘৰ চিনি পায়েই।
কেতিয়াবা সময় পালে——"

বিনয়,—মোক আৰু কব নেলাগে। কেতিয়াই ——

পৰেশ ভট্টাচাৰ্য্য,—আমি তো একেটা চুবুৰিতে থাকোঁ। কলিকতা চহৰ বুলিয়েহে ইমান দিনে জনা-শুনা হোৱা নাছিল।

বিনয়ে আলিলৈকে পৰেশ ভট্টইঁতক আগবঢ়াই থৈ আহিল গৈ। দুৱাৰমুখৰপৰা সি কিছু সময় তেওঁলোকলৈ চাই থিয় হৈ থাকিল। লাখুটিডাল লৈ ভট্ট ডাঙৰীয়া লাহে লাহে আগুৱাই গৈ আছিল—আৰু সতীশে অনবৰত বকি বকি তেখেতৰ লগত গৈ আছিল। বিনয়ে নিজৰ নিজেই ক'লে—"ভট্টাচাৰ্য্য ডাঙৰীয়াৰ দৰে মানুহ এজন মই আৰু দেখা নাই। দেখিলেই ভৰিৰ ধূলা মূৰত লবৰ মন যায়। আৰু সতীশটো সঁচাকৈয়ে বৰ মৰম লগা ল'ৰা। জীয়াই থাকিলে সময়ত সি এজন লেখৰ মানুহ হবগৈ। যেনেকুৱা তাৰ বুদ্ধি, ল'ৰাটো সেইদৰে বৰ সৰলো।"

এই বুঢ়াজন আৰু ল'ৰাটো যিমানেই ভাল নহওক, চিনাকি হোৱাৰ ইমান কম সময়ৰ ভিতৰতে সিহঁতলৈ ইমানটো ভক্তি আৰু চেনেহ ওপজাটো সাধাৰণতে সম্ভৱপৰ নহয়। কিন্তু বিনয়ৰ মনটো এতিয়া এনে এটা অৱস্থা পাইছেহি যে সি ইয়াতকৈ আৰু বেচি চিনাকি হবলৈ অপেক্ষা কৰিব নোৱাৰিলে।

তাৰ পিচত বিনয়ে আকৌ ভাবিলে—"ভট্টাচাৰ্য্য ডাঙৰীয়াৰ ঘৰলৈ যাবই লাগিব। নহলে তেওঁলোকে অভদ্ৰ বুলি ভাবিব।"

কিন্তু গোৰাৰ মুখেদি সিহঁতৰ দলৰ ভাৰতবৰ্ষই তাক কবলৈ ধৰিলে—"তালৈ তুমি কেতিয়াও যাব নোৱাৰা। সাৱধান।"

বিনয়ে খোজে খোজে সিহঁতৰ দলৰ ভাৰতবৰ্ষৰ বহুতো নিষেধ মানি আহিছে। বহু সময়ত খোকোজা লাগিলেও মানি আহিছে। আজি কিন্তু তাৰ মনত বিদ্ৰোহে দেখা দিলে। ভাৰতবৰ্ষখন যাথো এটা নিষেধৰেই মূৰ্ত্তি যেন তাৰ লাগিল।

এনেতে ভাত হৈ আছে বুলি লগুৱাটোৱে কলেহি। বিনয়ে তেতিয়ালৈকে গা-কে ধোৱা নাছিল। কেতিয়াবাই বাৰ বাজি গৈছে। হঠাতে বিনয়ে জোৰেৰে মূৰ জোকাৰি ক'লে—"মই আজি ভাত নেখাওঁ। তইঁতে খা গৈ যা।"

এই বুলি কৈ সি ছাতিটো লৈ ওলাই গ'ল। কান্ধত চেলেংখন পেলাই লবলৈকো পাহৰিলে।

পোনে পোনে গৈ সি গোৰাইঁতৰ ঘৰ পালেগৈ। আমহাৰ্ষ্ট ষ্ট্ৰীটৰ ভাৰা ঘৰটোত 'হিন্দু হিতৈষী'ৰ অফিচ বহা বুলি বিনয়ে গম পাইছিল। গোৰাই সদায় দুপৰীয়া সেই অফিচলৈ যায় আৰু দুপৰীয়াটো বহি বহি

গোটেই বঙ্গদেশত সিঁচৰিত হৈ থকা সিহঁতৰ দলৰ মানুহবোৰলৈ চিঠি-পত্ৰ লিখি দলটোক সজাগ কৰি ৰাখে। তাৰ ভক্তবোৰে তালৈকে তাৰ উপদেশ শুনিবলৈ আহে, আৰু গোৰাৰ কথা-বতৰা শুনি নিজকে ধন্য বুলি ভাবে।

সেইদিনাও গোৰা সেই অফিচৰ কামলৈ গৈছিল। বিনয় একে দৌৰে আহি একেবাৰে আনন্দময়ীৰ কোঠাত উপস্থিত হ'লহি। আনন্দময়ী তেতিয়া ভাতৰ পাতত বহিছিল আৰু লছমিয়াই কাষতে বহি বিচি আছিল।

আনন্দময়ীয়ে আচৰিত হৈ সুধিলে—"কি অ' বিনয়—? কি হৈছে তোৰ—?"

বিনয়ে খপচ কৰে তেওঁৰ সন্মুখত বহি ক'লে—"আই, বৰ ভোক লাগিছে। মোক কিবা খাবলৈ দিয়া।"

আনন্দময়ীয়ে অপ্ৰস্তুত হৈ ক'লে—"বৰ অসুবিধাত পেলালি বোপাই। ৰান্ধনিটোও শুচি গ'ল—তই যে আকৌ——"

বিনয়ে ক'লে—"মই ৰান্ধনিয়ে ৰন্ধা খাবলৈ আহিছোঁ নে কি? আমাৰ ঘৰৰ ৰান্ধনিয়ে ৰন্ধাকে খাব পাৰিলোহেঁতেন দেখোন। মই তোমাৰ পাতৰ প্ৰসাদ খাবলৈ আহিলোঁ আই। লছমিয়া বাচোন মোলৈকো এগিলাচ পানী লৈ আহ গৈ।"

লছমিয়াই পানী আনি দিওঁতেই বিনয়ে চক্‌চক্‌কৈ পিলে। আনন্দময়ীয়ে আৰু এখন কাঁহী অনাই নিজৰ পাতৰপৰা ভাত-আঞ্জা লৈ বিনয়ৰ আগত বৰ চেনেহৰে সজাই দিলে। বিনয়েও বহুদিন অনাহাৰে থকা মানুহৰ দৰে খাবলৈ ধৰিলে।

আনন্দময়ীৰ মনৰপৰা এটা ডাঙৰ বেজাৰ আজি আঁতৰ হ'ল। তেওঁৰ মুখৰ প্ৰসন্নতা দেখি বিনয়ৰ বুকুৰপৰাও ডাঙৰ বোজা এটা নামি গ'ল। খোৱা-বোৱা হৈ যোৱাৰ পিচত আনন্দময়ীয়ে গাৰুৰ ওৱাৰ এটা সিবলৈ ধৰিলে। সিকাষৰ কোঠাটোত খয়েৰ তৈয়াৰ কৰিবলৈ এসোপামান কেঞাফুল দবাই থোৱা আছিল। বতাহত সেই কেঞাফুলৰ গোন্ধ ভাঁহি আহিবলৈ ধৰিলে। বিনয়ে আনন্দময়ীৰ ভৰিৰ কাষত এখন হাতৰ ওপৰত মূৰটো থৈ আধাশোৱা অৱস্থাত পৰি থাকিল। পৃথিৱীৰ আন সকলো কথা পাহৰি গৈ সি আকৌ সেই আগৰ দৰে আনন্দতে বলকি থাবলৈ ধৰিলে।

——:o:——

৮

এই বাক্যটো ভাঙি যোৱাৰ লগে লগে বিনয়ৰ হৃদয়লৈ যেন নতুনকৈ এক প্ৰবল বেগেৰে বান আহিবলৈ ধৰিলে। আনন্দময়ীৰ কোঠাৰপৰা ওলাই আলিবাটেদি সি একেবাৰে উৰি যাবলৈ ধৰিলে,—মাটিত যেন তাৰ খোজ পৰাই নাই,—বতাহত উৰিহে গৈছে। যি কথাটো তাৰ মনৰ মাজত ইমানদিনে গুমৰি গুমৰি আছিল, সেই কথাটো আজি সকলোৰে আগত ঘোষণা কৰি দিবৰ মন গ'ল।

বিনয়ে ৭৮নং ঘৰৰ দুৱাৰ মুখ ঠিক যি সময়ত পালেগৈ, পৰেশ ভট্টাচাৰ্যও ওলোটা ফালৰপৰা আহি ঠিক সেই সময়তে সেইখিনি পাইছিলহি।

"আহক, আহক চেটাৰ্জ্জী বোপা, আপুনি অহাই বৰ আনন্দ পাইছোঁ।" এই বুলি পৰেশ ভট্টই বিনয়ক লৈ গৈ তেওঁৰ আলিৰ কাষৰ পৰ্টিকত বহুৱালেগৈ। কোঠাটোৰ ভিতৰত একাষে এখন সৰু মেজ, তাৰ ওচৰতে আউজি বহিব পৰা এখন বেঞ্চ আছিল। সিকাষে এখন কাঠৰ আৰু বেতৰ চকী। বেৰত এফালে যীশুখৃষ্টৰ এখন ৰঙীণ ছবি আৰু একালে ভাস্কৰীয়া কেশৱ সেনৰ এখন ফ'ট বন্ধাই থোৱা আছিল। মেজৰ ওপৰত তিনি চাৰি দিন মানৰ খবৰ কাগজ জাপি থোৱা আছিল। চিচাৰ কাগজ হেঁচিথোৱা এটা কাগজ খিনিৰ ওপৰত থোৱা আছিল। কোণত এটা সৰু আলমাৰি— তাৰ ওপৰৰ খাপত থিয়োডৰ পাৰ্কাৰৰ পুথি শাৰী শাৰীকৈ সজাই থোৱা আছিল। আলমাৰিটোৰ ওপৰত এটা "গ্লোব" কাপোৰেৰে ঢাকি থোৱা আছিল।

বিনয় বহিল। তাৰ বুকখন কিবা এটা অজান কাৰণত কঁপি উঠিল। সি মনে মনে ভাবিলে যে যদি তাৰ পিচফালে থকা দুৱাৰখনেদি এতিয়া কোনোবা সোমায়হি।

পৰেশ ভট্টই ক'লে,—"সোমবাৰে সুচৰিতা মোৰ বন্ধু এজনৰ ছোৱালী জনীক পঢ়ুৱাবলৈ যায়। তাতে সতীশৰ সমনীয়া ল'ৰা এটি আছে।

সেই কাৰণে সতীশো তাইৰ লগতে গৈছে। মই এইবাৰ সিহঁতক আম-বঢ়াই দি আহিলোঁগৈ। মোৰ উভতি অহাত আৰু অলপ পলম হোৱা হলেই আপোনাৰ লগত আৰু দেখাই নহ'লহেঁতেন।"

কথাবোৰ শুনি বিনয়ৰ মনত একেলগে দুটা ভাবে খুন্দিয়ালেহি। আশা ভঙ্গ হোৱাৰ কাৰণে বেয়া লাগিল যদিও পেটে পেটে সি ভালেই পালে। এতিয়া সি পৰেশ ভট্টৰ লগত সহজভাৱে কথা পাতিবলৈ ধৰিলে।

কথা পাতোতে এটা দুটাকৈ ভট্ট ডাঙৰীয়াই বিনয়ৰ আটাইবোৰ ঘৰুৱা খবৰ জানি ললে। বিনয়ৰ মাক বাপেক নাই। খুৰাকে খুৰীয়েকক লৈ গাঁৱৰ ঘৰত থাকি মাটি-বাৰী চলায়। খুৰাকৰ দুটা ল'ৰা তাৰ লগতে থাকি পঢ়িছিল। ডাঙৰটোৱে এতিয়া ওকালতি কৰে। সি মাক বাপেকৰ লগতে থাকে। সৰুটো কলিকতাত থাকোঁতেই জহনি হৈ মৰে। খুৰাকে বিনয়ক ডেপুটি মেজিষ্ট্ৰেটৰ কাৰণে চেষ্টা কৰিবলৈ কয়। বিনয়ে কিন্তু সেইবোৰ চেষ্টা নকৰি নানান বাজে কামতহে লাগি আছে।

এইদৰে কথা-বতৰাৰ মাজেদি প্ৰায় এঘণ্টা সময় পাৰ হ'ল। বিনা কাৰণত আৰু বেচি সময় বহি থকাটো অভদ্ৰতা। সেই কাৰণে বিনয় উঠিবলৈ বাধ্য হ'ল। সি ক'লে,—"মোৰ অকমান বন্ধু সতীশৰ লগত দেখা নোহোৱাৰ বাবেহে বেয়া লাগিল। সি আহিলে মই আহিছিলোঁ বুলি ক'ব।"

পৰেশ ভট্টই ক'লে,—"আৰু অলপ পৰ বহা হলেই সিহঁতৰ লগত দেখা হ'লহেঁতেন। সিহঁত উভতি আহিবলৈ আৰু বেচি পৰ নাই।"

এই কথাষাৰৰ কাৰণেই আকৌ বহিবলৈ বিনয়ৰ লাজ লাগিল। আৰু অলপ জোৰকৈ ধৰা হলে সি হয়তো বহিলহেঁতেন, কিন্তু পৰেশ ভট্ট বৰ জোৰকৈ ধৰা বা বেচি কথা কোৱা বিধৰ মানুহ নাছিল। সেই কাৰণে সি বিদায় লব লগা হ'ল। পৰেশ ভট্টই ক'লে,—"এইদৰে মাজে সময়ে এপাক মাৰিলে বৰ আনন্দ পাম।"

আলিবাটলৈ ওলাই আহি বিনয়ৰ নিজৰ ঘৰলৈ যাবলৈ মন নগ'ল। ঘৰত একো কামো নাছিল। বিনয়ে মাজে সময়ে কাগজত প্ৰবন্ধ পাতি লিখে। তাৰ ইংৰাজী লিখাৰ ধৰণক সকলোৱে খুব প্ৰশংসা কৰে। কিন্তু আজি কিছুদিনৰপৰা লিখিবলৈ বহিলে তাৰ মনলৈ একোৱেই নাহে। মেজৰ ওচৰত বেচি সময় বহি থকাটোৱেই টান, মনটো ধৰফৰাই থাকে। বিনয়ে সেই কাৰণে আজি কোনো কাৰণ নোহোৱাকৈ ওভোতা দিলে মাৰবলৈ * ধৰিলে

সোমোৱাৰ আগতেই সি কুমলীয়া মাতৰ চিঞৰ এটা শুনিবলৈ পালে,—"বিনয় ককাইদেউ, বিনয় ককাইদেউ!"

মূৰ দাঙি সি দেখে যে এখন ভাৰা কৰা গাড়ীৰ দুৱাৰেদি মূৰটো উলিয়াই সতীশে তাক মাতিছে। গাড়ীৰ ভিতৰৰপৰা বগা শাড়ী আৰু ব্লাউজৰ কিছু অংশ দেখা গ'ল, তাৰপৰা সতীশৰ লগত যে কোন আছিল তাক আৰু বুজিবলৈ বাকী নেথাকিল।

গাড়ীখনলৈ চাবলৈ বিনয়ক সাধাৰণ ভদ্ৰতাৰ সংস্কাৰে বাধা দিলে। ইতিমধ্যে সতীশে গাড়ীৰপৰা নামি আহি তাৰ হাতত ধৰি কলেহি,—"বলক বিনয় ককাইদেউ, আমাৰ ঘৰলৈ ব'লক।"

বিনয়ে ক'লে,—"মই এইমাত্ৰ তোমালোকৰ ঘৰৰপৰাই আহিছোঁ।"

সতীশ,—আমিযে ঘৰত নাছিলোঁ। এতিয়া আকৌ ব'লক।

সতীশৰ টনা-আজোৰা বিনয়ে এৰাব নোৱাৰিলে। বিনয়ক লৈ ঘৰ সোমাৱেই সতীশে চিঞৰি ক'লে,—"দেউতা, বিনয় ককাইদেউক লৈ আহিছোঁ।"

পৰেশ ভট্ট ঘৰৰপৰা ওলাই আহি হাঁহি মাৰি ক'লে,—"টান হাতত পৰিছে, এইবাৰহে সোনকালে এৰি দিয়াটো টান হব। সতীশ যা, বায়েৰক মাতি আন গৈ।"

বিনয় সোমাই আহি বহিলহি। তাৰ বুকুখন ধান বনাদি বানিবলৈ ধৰিলে। পৰেশ ভট্টই ক'লে,—"আপুনি ভাগৰি পৰিছে নহয়নে? এই সতীশটো বৰ উৎপতীয়া ল'ৰা।"

বায়েকৰ সৈতে সতীশ প্ৰথমতে কোঠাটোত সোমাওঁতেই এটা কোমল সুগন্ধ বিনয়ে অনুভৱ কৰিলে। তাৰ পিচত পৰেশ ভট্টই কোৱা শুনিলে,—"ৰাধা! বিনয় বোপা আহিছে। এখেতক তুমিতো চিনি পোৱাই"।"

বিনয়ে চক্ খাই উঠাৰ দৰে উঠি মূৰ দাঙি চালে। সুচৰিতাই নমস্কাৰ কৰি চকী এখনত বহিল। এইবাৰ কিন্তু বিনয়ে প্ৰতিনমস্কাৰ জনাবলৈ নেপাহৰিলে।

সুচৰিতাই ক'লে,—"এখেত আলিবাটেদি গৈ আছিল। এখেতক দেখা মাত্ৰকে সতীশক আৰু ধৰি ৰাখিব নোৱাৰিলোঁ। সি একে কোবেই নামি গৈ এখেতক টানি আনিলে। আপুনি বোধকৰোঁ কিবা কামত গৈছিল। আপোনাৰ একো অসুবিধা হোৱা নাইতো?"

সুচৰিতাই বিনয়ক সম্বোধন কৰি কিবা কথা কোৱাটো বিনয়ে আশাই কৰা নাছিল। সেই কাৰণে সি কুণ্ঠিত আৰু অপ্ৰস্তুত হৈ ক'লে,—"নাই মোৰ একো কাম নাছিল—একো অসুবিধা হোৱা নাই।"

সতীশে সুচৰিতাৰ আঁচলটো টানি ধৰি ক'লে,—"বাইদেউ, চাবিটো দিয়া চোন, আমাৰ সেই অৰ্গেনটো বিনয় ককাইদেউক দেখুৱাওঁ।"

সুচৰিতাই হাঁহি হাঁহি ক'লে,—"আৰম্ভ হ'লেই নে? বক্তিয়াৰৰ লগত যাৰ বন্ধুত্ব হয়, তাৰ আৰু ৰক্ষা নাই। অৰ্গেন শুনাৰ উপৰিও কপালত আৰু বহুতো দুখ আছে। ডাঙৰীয়া, আপোনাৰ এই বন্ধুজন দেখাতহে সৰু, কিন্তু এওঁৰ বন্ধুত্বৰ অত্যাচাৰ হলে বৰ ডাঙৰ। সহ্য কৰিব পাৰিব নে নোৱাৰে কব পৰা নাই।"

বিনয়ে সুচৰিতাৰ এই সহজ ভাৱেৰে কোৱা কথাবোৰ শুনি কেনেকৈ সিও সহজ ভাৱেৰে উত্তৰ দিব তাকে ভাবি বৰ বিমোৰত পৰিল। লাজ নকৰিবলৈ মনে মনে সি প্ৰতিজ্ঞা কৰা সত্বেও কোনো ৰকমে সি আধা-ডুখৰীয়াকৈহে এটা উত্তৰ দিলেগৈ,—"নাই, একো নহয়—আপুনি সেই—মই.......এইবোৰ মোৰ ভালেই লাগে.......।"

সতীশে মায়েকৰপৰা চাবি লৈ অৰ্গেনটো লৈ আহিল। এটা চাকি-চকীয়া আইনাৰ বাকচৰ ভিতৰত সাগৰৰ চৌৰ অনুকৰণ কৰা এখন নীলা বৰণৰ কাপোৰৰ ওপৰত এখন অকণমানি খেলা জাহাজ আছে। সতীশে চাবি দিয়াৰ লগে লগে অৰ্গেনৰ সুৰ এটা বাজিবলৈ ধৰিলে আৰু সেই সুৰৰ লগত জাহাজখন দুলিবলৈ ধৰিলে। সতীশে এবাৰ জাহাজখনলৈ আৰু এবাৰ বিনয়ৰ মুখলৈ চাই কোনোমতেই মনৰ অস্থিৰতা দমাই ৰাখিব পৰা নাছিল।

এইদৰে সতীশ মাজত থকাত লাহে লাহে বিনয়ৰ সঙ্কোচ আঁতৰি গ'ল। সি মাজে মাজে সুচৰিতালৈ চাই মুখতুলি কথা কব পৰা হ'ল।

কোনো আগ-গুৰি নোহোৱাকৈ সতীশে হঠাৎ এবাৰ কৈ পেলালে,—"আপোনাৰ বন্ধুক আমাৰ ইয়ালৈ এদিন লৈ নাহে জানো?"

কথাষাৰ শুনাৰ লগে লগে সকলোৱে বিনয়ৰ বন্ধুৰ বিষয়ে জানিবলৈ বিচাৰিলে। পৰেশ ভট্টাচাৰ্য্য অলপতে কলিকতালৈ আহিছে। সেইহেতু সকলে গোৰাৰ কথা একোকে নেজানিছিল। বিনয়ে বৰ উৎসাহেৰে সৈতে তাৰ বন্ধুৰ কথা কবলৈ ধৰিলে। গোৰা যে কিমান অসামান্য প্ৰতিভাবান, সি যে কিমান বহল অন্তৰৰ, সি যে কিমান অতুলনীয় শক্তিমান, এইবোৰ কথা কৈ কৈ বিনয়ৰ কথাৰ শেষেই নোহোৱাত পৰিল। গোৰা যে এদিন সমগ্ৰ ভাৰতবৰ্ষৰ মূৰৰ ওপৰত মধ্যাহ্ন সূৰ্য্যৰ দৰে দীপ্ত হৈ উঠিব—বিনয়ে ক'লে,—এই বিষয়ে মোৰ অকণো সন্দেহ নাই।

এইবোৰ কথা কওঁতে কওঁতে বিনয়ৰ মুখখন যেন এটা উজ্জ্বল আভাৰে জিলিকি উঠিল। তাৰ সকলো সঙ্কোচ আঁতৰি গ'ল। আন কি গোৰাৰ

মতৰ বিষয়ে ভট্ট ডাঙৰীয়াৰ লগত দুই এটা তৰ্ক-তৰ্কিও হ'ল। বিনয়ে ক'লে,—"গোৰাই হিন্দু সমাজৰ সকলো কথা অসঙ্কোচেৰে মানি লব পৰা হুবিব কাৰণটো হ'ল সি এটা বৃহৎ দৃষ্টি কোণৰপৰা ভাৰতবৰ্ষলৈ চাইছে। তাৰ দৃষ্টিত ভাৰতবৰ্ষৰ সৰু ডাঙৰ আটাইবোৰে এটা মহৎ ঐক্যৰ ভিতৰত এটা বৃহৎ সঙ্গীতৰ লগত মিলি এক সম্পূৰ্ণ হৈ দেখা দিছে। তাৰ দৃষ্টিৰে ভাৰতবৰ্ষলৈ চোৱাটো আমাৰ সকলোৰে কাৰণে সম্ভৱপৰ নহয়। সেই কাৰণেই আমি ভাৰতবৰ্ষক ডোখৰ ডোখৰ কৰি বিদেশী আদৰ্শৰ লগত বিজাই মাথোন ভাৰতবৰ্ষৰ প্ৰতি অবিচাৰহে কৰোঁ।"

সুচৰিতাই ক'লে,—"আপুনি জাতি ভেদ ভাল বুলি কয় নে কি ?"

কথাটো এনে ধৰণে ক'লে যেন এই বিষয়ে আৰু একো তৰ্কই হব নোৱাৰে।

বিনয়ে ক'লে,—"জাতিভেদটো ভালো নহয়, বেয়াও নহয়। অৰ্থাৎ কোনো ঠাইত ভাল, আকৌ কোনো ঠাইত বেয়া। যদি আপুনি সোধে যে মানুহৰ হাতখন ভাল নে ? মই ক'ম যে গোটেই শৰীৰৰ লগত মিলাই চালে ভাল। কিন্তু আপুনি যদি সোধে—উৰি যাবৰ কাৰণে হাতখন ভালনে ? মই উত্তৰ দিম—নহয়। ঠিক সেইদৰে ডেউকা খনো কিবা বস্তু লবৰ কাৰণে ভাল নহয়।"

সুচৰিতাই উত্তেজিত হৈ ক'লে,—"মই ইমানবোৰ কথা বুজি নেপাওঁ। মই সুধিছো—আপুনি জাতিভেদ মানে নে নেমানে ?"

আন কাৰোবাৰ লগত তৰ্ক কৰিবলগীয়া হোৱা হলে বিনয়ে জোৰেৰে ক'লেহেঁতেন,—"ওঁ, মানো।" কিন্তু আজি সেইদৰে জোৰেৰে কবলৈ তাৰ খোকোজা লাগিল। এইটো তাৰ ভীৰুতা, নে "মানো" বুলি কথাষাৰ ক'লে যিমান দূৰলৈকে যোৱা হয় সিমান দূৰলৈ তাৰ মন যাবলৈ ৰাজী নহয়, এই কথা সঠিককৈ কোৱা টান। ভট্টাচাৰ্য্য ডাঙৰীয়াই তৰ্ক-তৰ্কি আৰু বেচি দূৰ আগবাঢ়িবলৈ নিদি এইখিনিতে ক'লে,—"বাধা, তোমাৰ মাৰা আৰু আন সকলোকে মাতি আনাগৈ যোৱাঁ। এখেতৰ লগত চিনাকি কৰি দিওঁ।"

সুচৰিতা কোঠাটোৰপৰা ওলাই গ'ল। সতীশেও তাইৰ লগে লগে, বকি বকি, জপিয়াই জপিয়াই ওলাই গ'ল।

কিছু পৰৰ পিচত সুচৰিতাই আহি কলেহি,—"দেউতা, আয়ে আপোনা-লোকক ওপৰৰ বাৰাণ্ডালৈকে মাতিছে।"

———

৯

দুমহলাৰ বাৰাণ্ডাত এখন মেজৰ ওপৰত ধপধপীয়া বগা কাপোৰ এখন পতা আছিল। মেজ খনৰ চাৰিওকালে কেবা খনো চকী সজাই থোৱা আছিল। বাৰাণ্ডাৰ ৰেলিঙৰ বাহিৰত কাৰ্নিচৰ ওপৰত কিছুমান টাবত পাতাবাহাৰ আৰু ফুলৰ গছ ৰুই থোৱা আছে। বাৰাণ্ডাৰ ওপৰৰ-পৰা আলিৰ কাষৰ শিৰীষ আৰু কৃষ্ণচূড়া গছৰ ৰবপুণৰ ছিটি'কনি পৰি সেউজ বুলীয়া হোৱা কুমলীয়া পাতৰ ডালবোৰ ভালকৈ দেখা পোৱা যায়।

বেলি ডুবিয়াও যাব যোৱা নাই। পশ্চিম আকাশৰপৰা এচমকা শেঁতা ৰ'দ পোনে পোনে আহি বাৰাণ্ডাৰ একাষত পৰিছেহি।

তাত তেতিয়া কোনো নাছিল। অলপ পিচতে সতীশে কজলা ৰঙৰ লোমাল অকণমানি কুকুৰ এটা লৈ ওলালহি। কুকুৰটোৰ নাম খুদে। কুকুৰটোৱে কিমানবোৰ বিদ্যা জানিছিল সতীশে এটা এটাকৈ বিনয়ক সকলোবোৰকে দেখুৱালে। এখন ভৰি দাঙি চালাম কৰিলে, মূৰটো মাটিত লগাই সেঁৱা কৰিলে, এটুকুৰা বিস্কুট দেখুৱাওঁতে দুয়োখন ভৰি একেলগ কৰি ভিক্ষা খুজিলে। এইদৰে, খুদেই আৰ্জ্জন কৰা সু-খ্যাতিৰ বাবে সতীশৰেই গৰ্ব্ব হ'ল। আচলতে এই যশস্যালৈ খুদেৰ অকণমানো আগ্ৰহ নাছিল, যশস্যাতকৈ বিস্কুটখনৰ পিনেহে তাৰ লোভ আৰু চকু গৈছিল।

কাষৰে কোঠা এটাৰপৰা অহা এজাক ছোৱালীৰ খিল-খিলীয়া হাঁহি আৰু কথাৰ লগতে এজন মতা মানুহৰ মাতো শুনা গৈছিল। এই উখলি পৰা হাঁহি-ধেমালিৰ বোল শুনি বিনয়ৰো বৰ ভাল লাগিছিল। কিন্তু লগে লগে মনলৈ এটা ঈৰ্ষাৰ ভাবো আহিছিল।

ইমান বয়স হ'লহি, আজিলৈকে বিনয়ে ইমান কাষৰপৰা এইদৰে কোনো গাভৰুৰ হাঁহি-মাত শুনা নাছিল। তাৰ ইমান কাষতেই সেই অফুৰন্ত আনন্দৰ কোলাহল উঠিছে অথচ সি কিমান আঁতৰত। সতীশে তাৰ কাণৰ কাষত কিবা বক-বকাই আছিল—সেইবোৰ বিনয়ৰ কাণত একেবাৰে সোমোৱা নাছিল।

পৰেশ ভট্টৰ ঘৈণীয়েকে তেওঁৰ তিনিওজনী ছোৱালী লগত লৈ বাৰাণ্ডালৈ ওলাই আহিল। লগতে ডেকা এজনো আহিল—তেওঁ সিহঁতৰ দূৰ-সম্পৰ্কীয় মিতিৰ।

পৰেশ ভট্টৰ দৈণীয়েকৰ নাম বৰদাসুন্দৰী। তেখেতৰ বয়স নিচেই কম নহয়—দেখিলেই বুজিব পাৰি যে তেখেতে বিশেষ যতনেৰে সৈতে সাজ-পাৰ পিন্ধি আছিছে। বহু বয়সলৈকে একেবাৰে গাঁৱলীয়া হৈ থকাই এতিয়া নতুন যুগৰ লগত সমানে খোজ মিলাবলৈ ব্যস্ত হৈ পৰিছে। সেই কাৰণে চিল্কৰ শাড়ীয়ে কিছু বেচিকৈয়ে খৰখৰায়, ওখ গেৰোৱাৰ জোতাই অলপ বেচিকৈয়ে খটখটায়। পৃথিৱীৰ কোন বস্তুটো ব্ৰাহ্ম আৰু কোনটো অব্ৰাহ্ম এই কথালৈ তেখেতে চোকা দৃষ্টি ৰাখে। সেই কাৰণেই ৰাধাৰাণীৰ নাম সলাই তেখেতে সুচৰিতা ৰাখিছে। এবাৰ দূৰ সম্পৰ্কীয় এজন শহুৰেকে বিদেশৰ কৰ্ম্মস্থলৰপৰা আহি তেওঁলোকলৈ জোঁৱাই ষষ্ঠীৰ উপহাৰ পঠিয়াইছিল। পৰেশ ভট্ট সেই সময়ত ঘৰত নাছিল। বৰদা সুন্দৰীয়ে জোঁৱাই ষষ্ঠীৰ আটাইবোৰ উপহাৰ ওলোটাই পঠিয়াইছিল। তেখেতে এইবোৰ কু-সংস্কাৰ আৰু মূৰ্ত্তি পূজাৰ নিৰ্দৰ্শন বুলি ভাবে। ছোৱালীবোৰে মোজা আৰু টুপী পিন্ধি ফুৰিবলৈ যোৱাটোলৈকো তেখেতে এনেকুৱা লক্ষ্য ৰাখে যেন এইটোও এটা ব্ৰাহ্ম ধৰ্ম্মৰ অঙ্গহে। এবাৰ এটি ব্ৰাহ্ম পৰিয়ালে মাটিত আসন পাতি বহি ভাত খোৱা দেখি তেখেতে ব্ৰাহ্ম সমাজ আকৌ পুৰণিকলীয়া মূৰ্ত্তি পূজাৰ দিনলৈ পিচুৱাই যাব ধৰিছে বুলি আশঙ্কা কৰিছিল।

তেখেতৰ বৰ জীয়েকৰ নাম লাৱণ্য। ছোৱালীজনী শকত-আৱত, বংচালী। বন্ধু-বান্ধৱৰ লগত কথা-বতৰা পাতি হাঁহি-খেমালি কৰিবলৈ ভাল পায়। মুখখন থোলোকা, চকুজোৰ ডাঙৰ। ছোৱালীজনী মিঠা বৰণীয়া। পিন্ধা-উৰাত তাই সিমান ফিট-ফাট নাছিল, কিন্তু এই বিষয়ে তাই মাকৰ চোকা শাসন মানি চলিব লাগিছিল। ওখ গেৰোৱাৰ জোতা পিন্ধিবলৈ তাই অসুবিধা পাইছিল, তথাপিও নিপিন্ধি উপায় নাছিল। আবেলি হাত-ভৰি ধোৱাৰ পিচত মাকে নিজ হাতেৰে তাইৰ মুখত পাউদাৰ সানি দুয়োখন গালতে বোল সানি দিয়ে। অলপ শকত কাৰণে মাকে তাইৰ কাপোৰবোৰ ইমান সৰুকৈ চিলাই দিছিল যে পিন্ধি-উৰি ওলাই আহিলে তাইক ঠিক এটা টানি বন্ধা পাটৰ বস্তা যেনহে লাগে।

মাজু জীয়েকৰ নাম ললিতা। এইজনী ডাঙৰ জনীৰ একেবাৰে বিপৰীত। বায়েকতকৈ এই অলপ ওখ আৰু পাতল। বৰণটো বায়েকতকৈয়ো ক'লা। কথা-বতৰাও বৰ বেচি নকয়। এই নিজ ইচ্ছা মতে চলা বিধৰ ছোৱালী,—মন গলেই যাকে তাকে টান কথা শুনাই দিব পাৰে। বৰদাসুন্দৰীয়েও এইক পেটে পেটে অলপ ভয় কৰে। আৰু সেই কাৰণেই সাধাৰণতে তাইক জোকাই লবলৈ সাহ নকৰে।

সৰুজনী মীনা—বয়স দহ বছৰ মান হব। এই সৰি-চাপৰি ধুনীয়া উৎপতীয়া বিধৰ ছোৱালী। সতীশৰ লগত এইৰ অনবৰত চুলিয়া-চুলি লাগিয়েই থাকে। বিশেষকৈ থুপে মাৰৰ কুকুৰটো কাৰ, এই কথা আজিলৈকে দুয়োৰে মাজত মীমাংসা হোৱা নাই। কুকুৰটোক তাৰ নিজৰ মত পোহা হলে হয়তো সি এটাকো নিজৰ প্ৰভু হিচাপে নিৰ্বাচিবিলে-হেঁতেন। তথাপিও দুয়োৰো ভিতৰত সতীশকে কুকুৰটোৱে অলপ বেচি ভাল পায় যেনহেঁতে। কিয়নো মীনাৰ ধৰৰ অত্যাচাৰ সহ্য কৰিবলৈ সেই অকণমান জন্তুটোৰ শক্তিয়েই নাছিল। তাৰ বাবে ছোৱালীৰ ধৰৰতকৈ ল'ৰাৰ শাসন মনাই বেচি উজু আছিল।

বৰদাসুন্দৰীক দেখি বিনয়ে নমস্কাৰ কৰিলে। পৰেশ ভাইই ক'লে,—"এখেতৰ ঘৰতে সেইদিনা আমি"——

বৰদাসুন্দৰীয়ে কলে,—"সেইদিনা আপুনি সঁচাকৈয়ে বৰ উপকাৰ কৰিলে। তাৰ বাবে আপোনাক অশেষ ধন্যবাদ জনালোঁ।"

বিনয়ে কথাটো শুনি ইমান অপ্ৰস্তুত হ'ল যে সি একো উত্তৰকে দিব নোৱাৰিলে।

ছোৱালীকেইজনীৰ লগত অহা ডেকা জনৰ লগতো বিনয়ৰ চিনাকি হ'ল তাৰ নাম সুধীৰ। সি কলেজত বি-এ পঢ়ে। ল'ৰাটো চকুত-লগা, বৰণটোও বগা, গোঁফ ঠুটিয়াইছে মাথোন। সি চকুত চছমা পিন্ধিছিল। ল'ৰাটো বেচ চঞ্চল প্ৰকৃতিৰ, সি এক চেকেণ্ডো সুস্থিৰ হৈ থাকিব পৰা নাছিল। কিবা এটা নহয় কিবা এটা কৰিয়েই আছিল। ছোৱালীকেইজনীকো অনবৰতে জোকাই মেলি অস্থিৰ কৰি তুলিছিল। ছোৱালীকেইজনীয়েও তাক বাবে বাবে ভাবি-ধমকি দি আছে, কিন্তু সুধীৰ নাহিলেও সিহঁতৰ নচলে। চাৰ্কাচ দেখুৱাবলৈ, চিৰিয়াখানালৈ লৈ যাবলৈ, প্ৰয়োজনীয় বস্তু-বাহানি কিনি দিবলৈ—সকলো সময়তে সুধীৰ প্ৰস্তুত হৈয়ে থাকে। ছোৱালীবোৰৰ লগত সুধীৰৰ এই সহজ ব্যৱহাৰ বিনয়ৰ কিবা এটা বৰ আচৰিত আৰু নতুন যেন লাগিল। প্ৰথমতে সি সুধীৰৰ এনে সহজ ব্যৱহাৰক ভাল চকুৰে চাব নোৱাৰিলে। পেটে পেটে সি এনে ব্যৱহাৰক নিন্দাই কৰিলে, কিন্তু সেই নিন্দাৰ লগত অলপ ঈৰ্ষাৰ ভাবো যেন মিহলি হৈ আছিল।

বৰদাসুন্দৰীয়ে কলে—"আপোনাক দুই এবাৰ সমাজত দেখা যেন লাগিছে।"

বিনয়ৰ কিবা এটা দোষ কৰি ধৰা পৰা যেন লাগিল। সি অনাৱশ্যক

ভাৱে লাজ কৰি কলে,—"হয়, মই লেন ডাঙৰীয়াৰ বক্তৃতা শুনিবলৈ মাজে মাজে যাওঁ।"

বৰদাসুন্দৰীয়ে সুধিলে—"আপুনি কলেজত পঢ়েনে কি ?"

বিনয়ে কলে—"নাই, এতিয়া কলেজত নপঢ়োঁ।"

বৰদাসুন্দৰীয়ে সুধিলে,—"আপুনি কিমানলৈকে পঢ়িছে ?"

বিনয়ে কলে—"এম, এ পাছ্ কৰিছোঁ।"

কথাষাৰ শুনি কোমলমতীয়া ডেকাজনলৈ বৰদাসুন্দৰীৰ শ্ৰদ্ধা উপজিল। তেখেতে এটা হুমুনিয়াহ কাঢ়ি পৰেশ ভট্টলৈ চাই কলে—"মোৰ মনু বাচি থকা হলেও আজি এম, এ পাছ কৰিলেহেঁতেন।"

বৰদাসুন্দৰীৰ প্ৰথম সন্তান মনোৰঞ্জন ন বছৰ বয়সতে ঢুকাইছিল। কোনো ডেকা ল'ৰাই উচ্চ ডিগ্ৰী পোৱা বা ডাঙৰ চাকৰি পোৱা বা ভাল পুথি লিখা নাইবা ভাল কাম কৰা শুনিলেই বৰদাসুন্দৰীৰ মনোৰঞ্জনলৈ মনত পৰে। সি জীয়াই থকা হলেও হয়তো এইবোৰ কামকে কৰিলেহেঁতেন। যি কি নহওক সি যেতিয়া নাই, জীয়েক তিনি জনীৰে গুণ বখনোৱাটো বৰদাসুন্দৰীৰ এটা লেখত লবলগীয়া কাম আছিল। জীয়েকহঁতে বহুতো পঢ়া শুনা কৰা কথা তেখেতে বিনয়ক কেবাবাৰো শুনালে। কোন গৰাকী মেম্ চাহাবে তেখেতৰ জীয়েকহঁতৰ গুণ আৰু বুদ্ধিৰ বিষয়ে কেতিয়া কি কৈছিল—সোপাই বিনয়ৰ আৰু জানিবলৈ বাকী নেথাকিল। এবাৰ ছোৱালী স্কুলত প্ৰাইজ বিতৰণ কৰিবলৈ গৱৰ্ণৰ আৰু তেখেতৰ সমধৰ্ম্মিণী আহিছিল। তেখেতসকলক মালা পিন্ধাবলৈ লাৱণ্যকে সকলো ছোৱালীৰ মাজৰপৰা কেনেকৈ বাছি লোৱা হৈছিল, গৱৰ্ণৰৰ সহধৰ্ম্মিণীয়ে লাৱণ্যক কিমানবোৰ মিঠা মিঠা কথা কৈছিল—সেই আটাইবোৰ বিনয়ে শুনিলে।

অৱশেষত বৰদাসুন্দৰীয়ে লাৱণ্যৰ পিনে চাই কলে,—"তুমি প্ৰাইজ্ পোৱা চিলাইখন লৈ আহাগৈ চোন।"

চিল্কৰ কাপোৰ এখনৰ ওপৰত চিলাই কৰা ভাটৌ চৰাইৰ ছবি এটা এইখন ঘৰৰ আত্মীয় স্বজন সকলোৰে মাজত জনাজাত হৈ পৰিছিল। কোনোবা মেম চাহাবৰ সহায়ত এইখন বহু দিন আগেয়েই লাৱণ্যই চিলাইছিল। নিজ হাতেৰে লাৱণ্যই এইখনৰ খুব সামান্য অংশহে চিলাই কৰিছিল। এইখন চিলোৱাত লাৱণ্যৰ কৃতিত্ব বিশেষ একো নাছিল। কিন্তু প্ৰত্যেক নতুনকৈ চিনাকি হোৱা মানুহকেই সেইখন যে দেখুৱাব লাগিব, এইটো খাটাং। পৰেশ ভট্টই প্ৰথমে এই বিষয়ে মাজে মাজে আপত্তি কৰিছিল, কিন্তু একো লাভ নাই বুলি বুজি আজি-কালি আৰু আপত্তি

নকৰে। এই চিন্তাই খনৰ প্ৰশংসা কৰিবলৈ বিনয়ে চকু মুখ ভাঙৰ কৰি সাজু হওঁতেই লওৱা এটাই পৰেশ ভট্টৰ হাতত এখন চিঠি দিলেহি।

চিঠিখন পঢ়ি পৰেশ ভট্ট আনন্দিত হৈ কলে,—"মানুহজনক ইয়ালৈকে লৈ আহগৈ যা।"

বৰদাসুন্দৰীয়ে সুধিলে,—"কোন ?"

পৰেশ ভট্টই কলে,—"মোৰ লৰাকালৰ বন্ধু কৃষ্ণদয়ালে তাৰ পুতেকক আমাৰ লগত চিনাকি হবলৈ পঠিয়াই দিছে।"

কথাষাৰ শুনাৰ লগে লগে বিনয়ৰ বুকু চপচপাই উঠিল, মুখৰ বৰণ সলনি হ'ল। তৎক্ষণাৎ সি জোৰেৰে হাতৰ মুঠি বান্ধি পোন হৈ বহিল— কোনোবা শত্ৰুৰপৰা নিজকে ৰক্ষা কৰিবলৈহে যেন সি সাজু হ'ল। গোৰাই এই পৰিয়ালটোক শ্ৰদ্ধাহীন চকুৰে চাব আৰু বিচাৰ কৰিব,—এই কথা ভাবি বিনয় আগতেই উত্তেজিত হৈ পৰিল।

১০

'ট্ৰে'ত চাহ-জলপান সজাই লওৱাৰ হাতত দি সুচৰিতা আহি বহিলহি। ঠিক সেই মুহূৰ্ত্ততে বেহেৰা অহাৰ লগে লগে গোৰাও আহি উপস্থিত হ'লহি। ওখ-পাখ, স্বাস্থ্যবান আৰু তেজাল গোৰাৰ চেহেৰা আৰু পোছাক দেখি আটাইবোৰ আচৰিত হ'ল।

গোৰাৰ কপালত গঙ্গাৰ মাটিৰ ৰেখা আঁকা আছিল, পিন্ধিছিল চৰীয়া ধুতি আৰু ফিটা মৰা চোলা আৰু গাত এখন চৰীয়া চেলেং। ভৰিত মুৰ বেঁকা নাগাৰা জোতা। সি বৰ্ত্তমান কালৰ বিৰুদ্ধে মূৰ্ত্তিমান বিদ্ৰোহৰ দৰে উপস্থিত হ'লহি। তাৰ এনেকুৱা পোছাক বিনয়েও আগেয়ে কেতিয়াও দেখা নাছিল।

আজি গোৰাৰ মনত বিদ্ৰোহৰ ভাব ভালদৰে জ্বলিছিল। তাৰ অৱশ্যে কাৰণো ঘটিছিল।

গ্ৰহণৰ স্নান উপলক্ষে কালি পুৱাতে যাত্ৰী লৈ এখন জাহাজ গৈছিল। বাটত মাজে মাজে প্ৰায়বোৰ ষ্টেছনৰপৰাই জাক জাক তিৰোতা মানুহ দুই এজন মতা মানুহেৰে সৈতে জাহাজত উঠিছিলহি। ঠাই নোপাব বুলি সকলোৱে বৰ হেঁচা-ঠেলা লগাইছিল। জাহাজত উঠিবলৈ লগাই

খোৰা কাঠ চটা বোকা ভৰিৰে খচোতে খচোতে পিছল হৈ পৰিছিল। হেঁচা-ঠেলাৰ প্ৰকোপত কাঠ চটাৰপৰা কোনো কোনো মানুহ পিছলি আৰু কোনো অসাৱধানবশতঃ পানীত পৰি গৈছিল। কোনোটোক বা খালাচিয়েই ঠেলা মাৰি পেলাই দিছিল। কোনোটোৱে আকৌ নিজে উঠি লগৰটো উঠিব নোৱাৰাৰ বাবে চিঞৰ-বাখৰ লগাইছিল। মাজে মাজে দুই এজাক বৰষুণেও সিহঁতক তিতাই দিছিলহি। জাহাজত সিহঁতৰ বহা ঠায়ো বোকাৰে ভৰি পৰিছিল। সিহঁতৰ চকুৰে-মুখে এটা অসহায় ভাব। সিহঁতে জানিছিল যে এই আতুৰত জাহাজৰ খালাচিৰপৰা কেপ্তেইনলৈকে কোনেও সিহঁতক সহায় নকৰে। আৰু সেই কাৰণেই সিহঁত আৰু বেচি বিমোৰত পৰিছিল। গোৰাই কিন্তু সিহঁতক যিমান পাৰে সিমান সহায় কৰিছিল। ওপৰৰ প্ৰথম শ্ৰেণীৰ ডেকৰপৰা এজন চাহাব আৰু এজন বঙালী মানুহে চুৰট হুপি হুপি তলৰ মানুহবোৰৰ দুৰ্গতি চাই বেচ স্ফূৰ্ত্তি পাইছিল। মাজে মাজে কোনো যাত্ৰীৰ আকস্মিক দুৰ্গতি দেখিলে চাহাব-টোৱে জোৰেৰে হাঁহি দিছিল। বঙালীজনেও সেই হাঁহিত সমানে যোগ দিছিল।

দুই তিনটা ষ্টেছন এইদৰে পাৰ হৈ অহাৰ পিচত গোৰাই আৰু সহ্য কৰিব নোৱাৰিলে। সি ওপৰলৈ উঠি আহি তাৰ সিংহ নিনাদেৰে ক'লে,—"ধিক্ তোমালোকক। লাজ লগা নাইনে এইদৰে হাঁহিবলৈ ?"

চাহাবটোৱে কঠোৰ দৃষ্টিৰে গোৰাৰ ভৰিৰপৰা মূৰলৈ চাবলৈ ধৰিলে। বঙালীজনে উত্তৰ দিলে,—"লাজ! দেশৰ এই মূৰ্খ পশুবোৰৰ বাবেহে বেচি লাজ পাওঁ।"

খঙত গোৰাৰ মুখ ৰঙা পৰি উঠিল। সি কলে,—"মূৰ্খতকৈয়ো ডাঙৰ পশু হ'ল যিবোৰৰ হৃদয় নাই।"

বঙালীজনে খঙেৰে ক'লে,—"এয়া তোমাৰ ঠাই নহয়। এয়া প্ৰথম শ্ৰেণী।"

গোৰাই ক'লে,—"তোমাৰ লগত মোৰ ঠাই নহয়। সৌ যাত্ৰীবোৰৰ মাজতহে মোৰ স্থান। কিন্তু মই তোমাক সাৱধান কৰি থৈ যাওঁ—যাতে আকৌ মোক এই শ্ৰেণীলৈ আহিবলৈ বাধ্য নকৰা।"

এই বুলি কৈ গোৰা দ্ৰুতবেগে তললৈ নামি গ'ল। চাহাবটোৱে তাৰ পিচতে আৰামী চকী এখনত ভৰি হাত তুলি লৈ বহি কিবা এখন উপন্যাস পঢ়িবলৈ আৰম্ভ কৰিলে। বঙালীজনে চাহাবটোৰ লগত আকৌ আগৰ দৰে কথা-বতৰা পাতিবলৈ যত্ন কৰিলে, কিন্তু আৰু সিমান সুবিধা কৰিব

নাৱাৰিলে। দেশৰ সাধাৰণ মানুহবোৰৰ লগৰ যে সি নহয়, তাকে প্ৰমাণ কৰিবলৈ জাহাজৰ খানচামাক মাতি আনি কুকুৰাৰ মঙহ খাবলৈ পোৱা যাব নে নেযায় সুধিলে। খানচামাই ক'লে,—"ওঁহো নাই। কটি মাখন আৰু চাহহে আছে।"

তেতিয়া চাহাবটোক শুনাই শুনাই বঙালীজনে ইংৰাজীৰে ক'লে,—'Creature comforts ৰ বিষয়ে জাহাজৰ ব্যৱস্থা অতি জঘনা।"

চাহাবটোৱে কিন্তু একো উত্তৰকে নিদিলে। এবাৰ টেবুলৰ ওপৰৰ পৰা বাতৰি কাকতখন বতাহত উৰি গৈ তলত পৰিছিল গৈ। বঙালী জনে লৰালৰিকৈ কাগজখন তুলি দিলে ; কিন্তু ধন্যবাদ হলে নেপালে।

জাহাজ আহি চন্দননগৰ পোৱাত নামি যাবৰ সময়ত চাহাবটোৱে হঠাতে গোৰাৰ কাষলৈ আহি মূৰৰ টুপিটো অলপ দাঙি লৈ ক'লে,—"নিজৰ ব্যৱহাৰৰ কাৰণে মই লাজ পাইছোঁ। আশা কৰোঁ। মোক আপুনি ক্ষমা কৰিব।" এই বুলি কৈয়েই চাহাবটো লৰালৰিকৈ গুচি গ'ল গৈ।

কিন্তু শিক্ষিত বঙালীয়ে যে বিদেশীৰ লগত সাধাৰণ মানুহৰ দুৰৱস্থাক উপভুগ্ৰা কৰি নিজৰ শ্ৰেষ্ঠত্বৰ গৰ্ব্বত হাঁহিব পাৰে, এই কথাত গোৰাৰ অন্তৰ জ্বলিবলৈ ধৰিলে। দেশৰ জনসাধাৰণে এইদৰেই আজি নিজকে সকলো ধৰণৰ অপমান আৰু দুৰ্ব্যৱহাৰৰ অধীনলৈ আনিছে। তাহাঁতক পশুৰ দৰে লাঞ্চনা কৰিলেও নীৰৱে সহি থাকে, ইয়াকেই সিহঁতৰ প্ৰাপ্য বুলি ভাবে। ইয়াৰ গুৰিতে গোটেই দেশ জুৰি থকা অজ্ঞানতাৰ কাৰণে গোৰাৰ বুকুখন ফাটি যোৱা যেন লাগিল। গোৰাৰ এই কথা ভাবি আৰু বেচিকৈ বেজাৰ লাগিল যে দেশৰ জনসাধাৰণৰ আজি এনেকুৱা অপমান আৰু দুৰ্গতিক শিক্ষিত মানুহ চামে নিজৰ অপমান বুলি ভাবিব নোৱাৰে, বৰং ইহঁতৰপৰা নিঠুৰ ভাৱে নিৰাপদৰ দৰত্ত থাকি অকাতৰে গৌৰৱহে কৰে। সেই কাৰণেই আজি এই দল শিক্ষিত বুলি জনাজাত মানুহৰ পুথিৰ পৰা ধাৰ কৰা আৰু নকল কৰা সংস্কাৰক উপেক্ষা কৰিবলৈকে গোৰাই গঙ্গাৰ মাটিৰে কপালত ৰেখা আঁকি আচৰিত ধৰণৰ এজোৰ নতুন নাগাৰা জোতা পিন্ধি বুকু ফিন্দাই আহি এই ব্ৰাহ্ম পৰিয়ালৰ ঘৰত সোমালহি।

গোৰাৰ আজিৰ এই সাজ যুদ্ধৰ সাজ বুলি বিনয়ে বুজি পালে। গোৰাই কি কৰে, কি নকৰে, এই কথা ভাবি বিনয়ে পেটে পেটে ভয়ো খালে। বিনয়ৰ সঙ্কোচো হ'ল আৰু লগে লগে মনত বিৰোধ ভাবো জাগি উঠিল।

বৰদাসুন্দৰীয়ে বিনয়ৰ লগত কথা পাতি থাকোঁতে সতীশে বাৰাণ্ডাৰ একাষত লাটুৰ এটা ঘূৰাই ঘূৰাই খেৰালি কৰি আছিল। গোৰাক দেখি

সি লাটুম ধৰাবলৈ এৰি বিনয়ৰ কাষত থিয় হৈ গোৰালৈ একেধৰে চাবলৈ ধৰিলে। তাৰ পিচত বিনয়ক কাণে কাণে সুধিলে,—"বিনয় ককাইদেউ, এখেতেই আপোনাৰ বন্ধু নে কি ?"

বিনয়ে—"ওঁ" বুলি শলাগিলে।

গোৰাই তালৈ আহি এক মুহূর্ত্তকৈয়ো কম সময় বিনয়ৰ মুখলৈ চাই তাক নেদেখা ভাও জুৰিলে। পৰেশ ভট্টক নমস্কাৰ কৰি সি চকী এখন কিছু দূৰলৈ আঁতৰাই নি বহিল। তাত যে কোনোবা তিৰোতা মানুহ আছে, তালৈ চকু দিয়াটো সি অশিষ্টতা বুলি ভাবিলে।

বৰদাসুন্দৰীয়ে এনেকুৱা অসভ্য মানুহৰ কাষৰপৰা ছোৱালী কেইজনীবে সৈতে গুচি যাবলৈ ওলাইছিল। এনেতে পৰেশ ভট্টই তেখেতক ক'লে,—"এওঁৰ নাম গৌৰমোহন, মোৰ বন্ধু কৃষ্ণদয়ালৰ ল'ৰা।"

তেতিয়া গোৰাই তেখেতলৈ চাই নমস্কাৰ কৰিলে। সুচৰিতাই বিনয়ৰ মুখে কথা-বতৰাৰ মাজেদি গোৰাৰ কথা আগতে শুনিছিল যদিও এই অভ্যাগত জনকে বিনয়ৰ বন্ধু বুলি বুজিব পৰা নাছিল। প্ৰথম দৃষ্টিতেই গোৰাৰ প্ৰতি তাইৰ এটা বিৰোধিতাৰ ভাব উপজিল। ইংৰাজী জনা কোনো মানুহৰ গাত হিন্দু ধৰ্ম্মৰ গোঁড়ামি দেখিলে সহি থাকিব পৰা সংস্কাৰ বা সহিষ্ণুতা সুচৰিতাৰ নাছিল।

পৰেশ ভট্টই গোৰাৰপৰা তেখেতৰ বাল্যবন্ধু কৃষ্ণদয়ালৰ বা-বাতৰি ল'লে। তাৰ পিচত তেখেতসকলৰ ছাত্ৰ কালৰ কথা আলোচনা কৰি ক'লে,—"সেই কালত আমি দুয়ো একেলগৰ আছিলোঁ। দুয়ো সাঙ্ঘাতিক কালাপাহাৰ। একোকেই নেমানিছিলোঁ—হোটেলত খোৱাটো এটা কৰ্ত্তব্য বুলি ভাবিছিলোঁ। বহুদিন সন্ধিয়া দুয়ো গোলদিঘীলৈ গৈ মুছলমান দোকানৰ কাবাব্ খাই কেনেকৈ হিন্দু সমাজৰ সংস্কাৰ কৰিব পাৰি, এই কথা মাজৰাতিলৈকে আলোচনা কৰি কটাইছিলোঁ।"

বৰদাসুন্দৰীয়ে সুধিলে,—"এতিয়া তেখেতে কি কৰে ?"

গোৰাই ক'লে,—"এতিয়া তেখেতে হিন্দুবিধি পালন কৰে।"

বৰদাসুন্দৰীয়ে ক'লে,—"লাজ নেলাগে নে ?" খঙত তেখেতৰ গোটেই গা জ্বলি উঠিছিল।

গোৰাই অলপ হাঁহি ক'লে,—"লাজ কৰাটো দুৰ্ব্বল স্বভাৱৰ লক্ষণ। কোনো কোনোৱে বাপেকৰ চিনাকি দিবলৈকো লাজ কৰে।"

বৰদাসুন্দৰী,—আগতে তেখেত ব্ৰাহ্ম নাছিল জানো ?

গোৰা,—ময়ো তো এসময়ত ব্ৰাহ্ম আছিলোঁ।

বৰদাসুন্দৰী,—এতিয়া আপুনি মাকৰ উপাসনা জানো বিশ্বাস কৰে ?

গোৰা,—আকাৰ বস্তুটোক বিনা কাৰণত অশ্ৰদ্ধা কৰাৰ নিচিনা কুসংস্কাৰ মোৰ নাই। আকাৰক গালি পাৰিলেই জানো সি সৰু হৈ যায় ? আকাৰৰ ৰহস্য কোনে ভেদ কৰিব পাৰিছে ?

পৰেশ ভট্টই লাহেকৈ মাত দিলে,—"আকাৰ যে অন্তবিশিষ্ট।"

গোৰাই ক'লে,—"অন্ত নেথাকিলে যে প্ৰকাশেই নহয়। অনন্তই নিজক প্ৰকাশ কৰিবৰ কাৰণেই অন্তৰ আশ্ৰয় লৈছে। নহলে তাৰ প্ৰকাশ কেনেকৈ হব ? যাৰ প্ৰকাশ নাই তাৰ সম্পূৰ্ণতাও নাই। বাক্যৰ মাজত ভাব পৰিপূৰ্ণ হৈ থকাৰ নিচিনাকৈ আকাৰৰ মাজতো নিৰাকাৰ পৰিপৰ্ণ।"

বৰদাসুন্দৰীয়ে মূৰ জোকাৰি ক'লে,—"নিৰাকাৰতকৈ আকাৰ সম্পূৰ্ণ, আপুনি এনে কথা কয় নেকি ?"

গোৰা,—মই নকলেও একো ক্ষতি নহয়। জগতত আকাৰে মোৰ কোৱাৰ ওপৰত নিৰ্ভৰ নকৰে। নিৰাকাৰেই যথাৰ্থ পৰিপূৰ্ণতা হোৱা হলে আকাৰে ক'তোৱেই ঠাই নেপালেহেঁতেন।

সুচৰিতাৰ বৰ মন গ'ল যে কোনোবাই যেন এই উদ্ধত ডেকাজনক তৰ্কেৰে পৰাস্ত কৰি একেবাৰে লাঞ্ছিত কৰি দিয়ে। বিনয়ে মনে মনে বহি গোৰাৰ কথা শুনি থকা দেখি তাইৰ পেটে পেটে বৰ খং উঠিল। গোৰাই ইমান নঁদি কোৱা কথাবোৰ শুনি তাক হকম্বাই দিবলৈ সুচৰিতা মনে মনে গুমৰি উঠিল।

এনেতে লগুৱাই চাহৰ কাৰণে কেট্‌লিত তপত পানী লৈ আহিল। সুচৰিতা উঠি গৈ চাহ কৰাত লাগিল গৈ। বিনয়ে মাজে মাজে মুহূৰ্তৰ বাবে সুচৰিতাৰ মুখলৈ চাইছিল। উপাসনাৰ বিষয়ে গোৰাৰ লগত বিনয়ৰ মতৰ বিশেষ পাৰ্থক্য নেথাকিলেও, গোৰাই এই ব্ৰাহ্ম পৰিয়ালৰ মাজলৈ অনাহূতভাৱে আহি তাৰ বিৰোধী মতবোৰ ইমান অসঙ্কোচেৰে প্ৰকাশ কৰা দেখি বিনয়ে মনে মনে বেজাৰ পালে। গোৱা এই ধৰণৰ 'যুদ্ধং দেহি' আচৰণৰ লগত বিজাই বৃদ্ধ পৰেশ ভট্টৰ এটি আত্মসমাহিত প্ৰশান্ত ভাঁৱে আৰু সকলো তৰ্ক-বিতৰ্কৰ বাহিৰৰ এটি গভীৰ প্ৰসন্নতাই বিনয়ৰ হৃদয় ভক্তিৰে পৰিপূৰ্ণ কৰি তুলিলে। সি নিজক নিজেই ক'লে,—মতামতৰ একো মূল্য নাই। অন্তৰৰ মাজত পৰ্ণতা, স্তব্ধতা আৰু আত্মপ্ৰসাদ এই-বোৰেই সকলোতকৈ দুৰ্লভ। কোনটো কথা সঁচা, কোনটো মিছা, এই কথা লৈ যিমানেই তৰ্ক কৰা নহওক, প্ৰাপ্তিৰ ভিতৰত যিটো সত্য সেইটোহে আচল। পৰেশ ভট্টই কথা-বতৰাৰ মাজে মাজে একো একোবাৰ চকু

মুদি নিজৰ অন্তৰৰ ভিতৰলৈ গভীৰ ভাৱে নামি গৈছিল। এইটো তেখেতৰ অভ্যাস—তেখেতৰ সেই সময়ৰ অন্তনিবিষ্ট শান্ত মুখখনলৈ বিনয়ে একেথৰে চাই আছিল। গোৰাই এই বুঢ়াজনলৈ ভক্তি অনুভৱ কৰি নিজৰ বাক্য সংযত নকৰা দেখি বিনয়ে মনত বৰ আঘাত পাইছিল।

সুচৰিতাই কেইপিয়লামান চাহ চেকি পৰেশ ভট্টৰ মুখলৈ চালে। কাক কাক চাহ খাবলৈ অনুৰোধ কৰিব আৰু কাক কাক নকৰিব, এই কথাই তাইৰ মনত খোকোজা লগাইছিল। বৰদাসুন্দৰীয়ে গোৰাৰ ফালে চাই কৈযেই দিলে,—"আপুনি এইবোৰ একো নেখায় বোধকৰোঁ।"

গোৰাই ক'লে,—"নেখাওঁ।"

বৰদাসুন্দৰী,—কিয় ? জাত যাব নে কি ?

গোৰাই ক'লে,—"হয়।"

বৰদাসুন্দৰী,—আপুনি জাত মানে নে কি ?

গোৰা,—জাত জানো মই নিজে তৈয়াৰ কৰিছোঁ যে নেমানিম ? সমাজক মানো যেতিয়া জাতো মানো।

বৰদাসুন্দৰী,—সমাজক সকলো কথাতে মানিবই লাগিব নে কি ?

গোৰা,—নেমানিলে সমাজক ভাঙি দিয়া হয়।

বৰদাসুন্দৰী,—ভাঙিলেনো দোষ কি ?

গোৰা,—যি ডাল ডালত আমি আটাইবোৰ বহি আছো, সেই ডাল ডাল কাটিলেনো দোষ কি ?

সুচৰিতাই মনে মনে বিৰক্ত হৈ ক'লে,—"আই, মিছাকৈ তৰ্ক কৰিনো কি লাভ ? তেখেতে আমাৰ হাতে নেখায়।"

গোৰাই সুচৰিতাৰ চকুলৈ এবাৰ চোকা দৃষ্টিৰে চালে। সুচৰিতাই বিনয়ৰ ফালে চাই অলপ ভয়ে ভয়ে সুধিলে,—"আপুনি জানো—'

বিনয়ে কেতিয়াও চাহ নেখায়। মুছলমানে কৰা পাউৰুটি, বিস্কুট খাবলৈকো বহুদিন আগতেই এৰি দিছে। কিন্তু আজি সি নেখালেই নহব। সি জোৰেৰে মূৰ দাঙি ক'লে,—"ওঁ, নিশ্চয় খাম।" এই বুলি কৈ সি গোৰাৰ মুখলৈ চালে। গোৰাৰ ওঁঠৰ আগত অকণমান কঠোৰ হাঁহি বিৰিঙি উঠিল। বিনয়ৰ মুখত চাহ তিতা আৰু সাদ-সোৱাদ নথকা যেন লাগিল, কিন্তু সি খাবলৈ নেৰিলে।

বৰদাসুন্দৰীয়ে মনে মনে ভাবিলে,—"আঃ দেহি! এই বিনয় ল'ৰাটো বৰ ভাল।"

তাৰ পিচত গোৰালৈ একেবাৰে পিঠি দি বিনয়লৈ মনযোগ দিবলৈ

ধৰিলে। তাকে দেখি পৰেশ ভট্টই তেখেতৰ চকীখন গোৰাৰ কাষলৈ টানি নি তাৰ লগত লাহে লাহে কথা পাতিবলৈ ধৰিলে।

এনেতে বাটেদি চিনাবাদামৱালাই গৰম চিনাবাদাম লৈ চিঞৰি যোৱা দেখা পাই লীলাই হাতচাপৰি মাৰি ক'লে—"সুধীৰ ককাইদেউ, চিনাবাদাম-ৱালাটোক মাতা আৰু'।"

এইবুলি কোৱা শুনিয়েই সতীশে ছাতৰ বাৰাণ্ডাৰপৰা চিনাবাদাম-ৱালাক মাতিবলৈ ধৰিলে।

ইতিমধ্যে আৰু এজন ভদ্ৰলোক আহি উপস্থিত হ'লহি। এওঁক সকলোৱে 'পানু মাষ্টৰ' বুলি সম্বোধন কৰে, কিন্তু তেওঁৰ আচল নাম হাৰান চন্দ্ৰ নাগ। দলৰ ভিতৰত এওঁৰ বিদ্বান আৰু বুদ্ধিমান বুলি বিশেষ নাম। যদিও স্পষ্টকৈ কোনো পক্ষৰেপৰা কথাটো উলিওৱা হোৱা নাছিল, তথাপিও এওঁৰ লগতেই সুচৰিতাৰ বিয়া হব পাৰে, এনেকুৱা এটা সম্ভাৱনাৰ উদয় হৈছিল। পানু মাষ্টৰৰ হৃদয় যে সুচৰিতাৰ প্ৰতি আকৃষ্ট হৈছিল তাত একো সন্দেহ নাছিল; আন কি ছোৱালীহঁতেও এই বিষয়ে সুচৰিতাক জোকাবলৈ নেৰিছিল।

পানুৱে স্কুলত মাষ্টৰি কৰে। তেওঁক সামান্য স্কুল মাষ্টৰ বুলি ভাবি বৰদাসুন্দৰীয়ে বৰ শ্ৰদ্ধা নকৰে। তেখেতে এনেকুৱা এটা ভাব দেখুৱায় যেন পানু মাষ্টৰে তেখেতৰ কোনো এজনী ছোৱালীৰ প্ৰতিও অনুৰাগ প্ৰকাশ কৰিবলৈ সাহ নকৰাটো ভালেই হৈছে। হাকিমীগিৰিৰ লক্ষ্য ভেদ নকৰাকৈ কোনেও তেওঁৰ ছোৱালীলৈ হাত মেলা ভাল নহব।

সুচৰিতাই হাৰানক চাহ এপিয়লা আগবঢ়াই দিয়া দেখি লাৱণ্যই দূৰৰপৰাই তাইৰ মুখলৈ চাই মুখ টিপি হাঁহিলে। সেই হাঁহি অৱশ্যে বিনয়ে নেদেখাকৈ নেথাকিল। অতি অলপ সময়ৰ ভিতৰতে বিনয়ৰ নজৰ বৰ চোকা হৈ পৰিছে। এনে ধৰণে নজৰ দিয়াত বিনয় আগেয়ে সিমান পটু নাছিল।

এই হাৰান আৰু সুধীৰ, এই পৰিয়ালৰ ছোৱালীকেইজনীৰ লগত ইমান দিনৰ চিনাকি আৰু পাৰিবাৰিক ইতিহাসৰ লগত এনেদৰে জড়িত যে ছোৱালীবোৰৰ ইজনী সিজনীৰ ভিতৰত সিহঁতৰ ইঙ্গিতৰ বিষয় হৈ পৰিল—এই কথা বিনয়ৰ বুকুত বিধাতাৰ অবিচাৰ যেন হৈ বাজি উঠিল।

ইকালে হাৰান অহা দেখি সুচৰিতাৰ মনলৈ অলপ আশা আহিল। গোৰাৰ এই স্পৰ্দ্ধাক যেনেকৈয়ে হওক কোনোবাই খৰ্ব্ব কৰিলে যেন তাইৰ গাৰ পোৰণি কমে। আগেয়ে বহুদিন হাৰানৰ এই তৰ্ক-ভাকি শুনি তাই

বঁহুৱাব বিৰক্ত হৈছে, কিন্তু আজি এই তৰ্কবীৰক দেখি তাই আনন্দেৰে তালৈ চাহ আৰু পাউৰুটিৰ জলপান আগবঢ়াই দিলে।

পৰেশ ভট্টই ক'লে—"মাষ্টৰ, এখেত আমাৰ........"

হাৰানে ক'লে,—"তেখেতক ভালদৰেই চিনি পাওঁ। তেখেত এসময়ত আমাৰ ব্ৰাহ্ম সমাজৰ এজন বৰ উৎসাহী সভ্য আছিল।"

এইবুলি কৈ হাৰানে গোৰাৰ লগত একো কথা-বতৰা পতাৰ চেষ্টা নকৰি চাহৰ পিয়লাত মন দিলে।

সেই কালত মাথোন দুই এজন বঙালীয়েহে চিভিল চাৰ্ভিচত উত্তীৰ্ণ হৈ ভাৰতলৈ উভতি আহিছিল। সুধীৰে তাৰেই এজনৰ অভ্যাৰ্থনাৰ গল্প উলিয়ালে। হাৰানে ক'লে—"পৰীক্ষা বঙালীয়ে যিমানেই পাছ নকৰক, বঙালীৰদ্বাৰা কেতিয়াও একো কাম হব নোৱাৰে।"

কোনো বঙালী বৰচাহাব বা জজে কোনো এখন জিলাৰ ভাৰ গ্ৰহণ কৰি কাম যে সুচাৰুৰূপে চলাব নোৱাৰে, তাকে প্ৰমাণ কৰিবলৈ হাৰানে বঙালীৰ চৰিত্ৰৰ নানা ধৰণৰ দোষ আৰু দুৰ্বলতাৰ কথা বুজাবলৈ ধৰিলে।

চাওঁতে চাওঁতে গোৰাৰ মুখ ৰঙা পৰি উঠিল। সি তাৰ সিংহনাদক কোনো ৰকমে দমাই ক'লে,—"এয়ে যদি সঁচাকৈয়ে আপোনাৰ মত হয়, তেনেহলে ইমান আয়ামেৰে মেজত বহি কোনটো লাজেৰেনো ৰুটি চোবাইছে।"

হাৰানে আচৰিত হৈ চেলাউৰি জোৰ থুপাই ক'লে,—"আপুনি কি কৰিবলৈ কয়?"

গোৰা,—হয় বঙালী চৰিত্ৰৰ কলঙ্ক মোচন কৰক, নহলে ডিঙিত চিপ-জৰী লগাই মৰকগৈ। আমাৰ জাতিৰদ্বাৰা কেতিয়াও একো নহয়—এইটো এটা ইমান সহজে কব পৰা কথা নে? আপোনাৰ ডিঙিত ৰুটি বজি নগ'ল নে?

হাৰান,—সঁচা কথাও নকম নে?

গোৰা,—খং নকৰিব, কিন্তু এই কথা আপুনি সঁচাকৈয়ে সত্য বুলি জনা হলে কেতিয়াও ইমান আয়ামেৰে চিঞৰ-বাখৰকৈ কব নোৱাৰিলে-হেঁতেন, কথাটো মিছা বুলি জানে কাৰণেই আপোনাৰ মুখেদি ওলাল। মাষ্টৰ মহাশয় মিছা পাপ, মিছা নিন্দা আৰু পাপ, আকৌ স্বজাতিৰ মিছা বদনামৰ দৰে পাপ খুব কমেইহে আছে।

হাবান খঙত জলি উঠিল। গোৰাই ক'লে—"আপুনি অকলেই আপোনাৰ স্বজাতিতকৈ ডাঙৰ নে কি? আপুনি খং কৰিব—আৰু আমাৰ ঘোপা-ককাইঁতৰ হৈ আমি সকলো সহি থাকিম?"

ইয়াৰ পিচত হাৰ মনাটো হাৰানৰ পক্ষে আৰু টান হৈ পৰিল। তেওঁ মাত ডাঙৰ কৰি বঙালীৰ নিন্দা কৰিবলৈ ধৰিলে। বঙালী সমাজৰ নানা ধৰণৰ বিধিৰ উল্লেখ কৰি ক'লে—"এইবোৰ থাকে মানে বঙালীৰ একো আশা নাই।"

গোৰাই ক'লে,—"আপুনি যিবোৰক কু-প্ৰথা বুলি কৈছে, সেইবোৰ কথা মাথোন ইংৰাজী পুথি মুখস্থ কৰি কৈছে। নিজে সেই বিষয়ে একোকে নেজানে। ইংৰাজবোৰবো আটাইবোৰ কু-প্ৰথাক আপুনি যেতিয়া ঠিক এইদৰে অৱজ্ঞা কৰিব পাৰিব, তেতিয়া এই বিষয়ে কথা কব।"

পৰেশ ভট্টই এইবোৰ আলোচনাৰ ওৰ পেলাবলৈ যত্ন কৰিলে, কিন্তু খঙত জ্বলি-পকি উঠা হাৰান মনে মনে নেথাকিল। বেলি মাৰ গ'ল। মেঘৰ মাজৰপৰা এটি অপৰূপ ৰাঙলি আভাই গোটেই আকাশ লাৱণ্যময় কৰি পেলালে; এই আটাইবোৰ তৰ্কা-তৰ্কিৰ কোলাহল ভেদ কৰি বিনয়ৰ প্ৰাণত এটি সুৰ বাজিবলৈ ধৰিলে। পৰেশ ভট্টই তেখেতৰ সন্ধিয়াৰ উপাসনা কৰিবৰ বাবে ছাতৰপৰা উঠি ফুলনিৰ এটা সীমাত থকা এজোপা ডাঙৰ চম্পা গছৰ তলত বন্ধোৱা বেদীত বহিলগৈ।

গোৰাৰ প্ৰতি বৰদাসুন্দৰীৰ মন যিদৰে বিমুখ হৈছিল, হাৰানো সেইদৰে তেখেতৰ মৰমৰ নাছিল। উভয়ৰে তৰ্ক অসহ্য হৈ উঠাত তেখেতে বিনয়ক মাতি ক'লে—"বলক বিনয় বোপা, আমি ভিতৰলৈ যাওঁ।"

বৰদাসুন্দৰীৰ এই স্নেহৰ পক্ষপাতিত্ব মানি লৈ বিনয়ে উপায় নেপাই ছাতৰপৰা ভিতৰলৈ যাবলগীয়া হ'ল। বৰদাসুন্দৰীয়ে জীয়েকইঁতকো মাতি লৈ গ'ল। তৰ্কৰ গতি দেখি সতীশে চিনাবাদামৰ কিছু অংশ আৰু খুদে কুকুৰক লগত লৈ আগতেই অন্তৰ্দ্ধ্যান হৈছিল।

বৰদাসুন্দৰীয়ে বিনয়ৰ আগত তেখেতৰ জীয়েকইঁতৰ গুণৰ চিনাকি দিয়াত লাগিল। লাৱণ্যক ক'লে,—"তোমাৰ সেই বহীখন আনি বিনয় বোপাক এবাৰ দেখুৱাচোন।"

নতুনকৈ চিনাকি হোৱা মানুহক এই বহীখন দেখুৱাটো লাৱণ্যৰ অভ্যাসেই হৈছিল গৈ। আন কি—ইয়াৰ বাবে তাই মনে মনে বৈয়েই থাকে। আজি তৰ্ক লাগি যোৱাত তাই পেটে পেটে বেয়াই পাইছিল।

বিনয়ে বহীখন মেলি চাই দেখে যে তাত কবি 'মুৰ', আৰু 'লংফেলোৰ' ইংৰাজী কবিতা লিখা আছে। হাতৰ আখৰবোৰত যত্ন আৰু পৰিপাতিত্বা ফুটি ওলাইছে। কবিতাবোৰৰ নাম আৰু আৰম্ভণিৰ আখৰটো ৰোমান্ ঠাচত লিখা।

এই লিখাবোৰ দেখি বিনয়ৰ মনত এটা অকৃত্ৰিম বিস্ময় উপজিল। তেতিয়াৰ দিনত 'মুৰ'ৰ কবিতা বহীত টুকিব পৰাটো ছোৱালীৰ বাবে কম বাহাদুৰীৰ কথা নাছিল। বিনয়ৰ মন যথেষ্ট অভিভূত হোৱা দেখি বৰদাসুন্দৰীয়ে মাজু জীয়েকক মাতি ক'লে,—"ললিতা, আইজনী মোৰ, তোমাৰ সেই কবিতাটো——"

ললিতাই গহীন হৈ ক'লে,—"নাই আই, মই নোৱাৰোঁ। সেইটো মোৰ ভালকৈ মনত নাই।", এইবুলি কৈ তাই দূৰৈৰ খিড়িকীৰ কাষত থিয় হৈ বাটলৈ চাবলৈ ধৰিলে।

বৰদাসুন্দৰীয়ে বিনয়ক বুজাই দিলে যে ললিতাৰ গোটেইটোৱেই মনত আছে, কিন্তু তাই বৰ লাজকুৰীয়া। নিজৰ গুণ দেখুৱাব নোখোজে। এইবুলি কৈ ললিতাৰ আচৰিত বিদ্যা-বুদ্ধিৰ প্ৰমাণ স্বৰূপ দুই এটা ঘটনা বৰ্ণাই ক'লে যে ললিতা নিচেই সৰুৰেপৰাই এনেকুৱা কাপোন আছিলেও কেতিয়াও চকুপানী উলিয়াব নোখোজে। এই বিষয়ে দেউতাকৰ লগত তাইৰ সাদৃশ্যৰ আলোচনা কৰিলে।

ইয়াৰ পিচত লীলাৰ পাল। তাইক অনুৰোধ কৰোতেই প্ৰথমতে বেচ কিছু সময় খিল্-খিলাই হাঁহি চাবি দিয়া অৰ্গেনৰ দৰে একো মানে নুবুজাকৈ "Twinkle Twinkle little Star." কবিতাটো সৰসৰকৈ একে উশাহতে মাতি দিলে।

এইবাৰ সঙ্গীত বিদ্যাৰ চিনাকি দিয়াৰ সময় আহিল বুলি বুজি ললিতা কোঠাৰপৰা ওলাই গ'ল।

বাহিৰৰ ছাতত তেতিয়া পূৰ্ণ উদ্যমত তৰ্ক লাগিছে। হাৰানে খঙৰ কোবত তৰ্ক এৰি গালি পাৰিবলৈ আৰম্ভ কৰিছে। হাৰানৰ অসহিষ্ণুতাত লাজ পাই আৰু বিৰক্ত হৈ সুচৰিতা গোৰাৰ ফলীয়া হৈছে। হাৰানৰ বাবে সেইটোও এটা অকণো সান্ত্বনাৰ বা শান্তিৰ কাৰণ হোৱা নাই।

আকাশত এন্ধাৰ আৰু শাওণমহীয়া মেঘ ঘন হৈ আহিল। খৰিকা-জাঁই ফুলৰ মালা লৈ চিঞৰি চিঞৰি আলিবাটেদি ফেৰিৱালাবোৰ গুচি গ'ল। সমুখৰ আলিবাটত থকা কৃষ্ণচূড়া গছৰ পাতৰ মাজত জোনাকীবোৰ চিকমিকাব ধৰিলে। সিকাষৰ পুখুৰীৰ পানীৰ ওপৰত এটা ঘন ক'লা ছাঁ পৰিল।

সন্ধিয়াৰ উপাসনা শেষ কৰি পৰেশ ভট্ট ছাতৰ ওপৰলৈ উভতি আহিল। তেখেতক দেখি হাৰান আৰু গোৰা দুয়ো লাজ পাই মনে মনে থাকিল। গোৰাই থিয় হৈ ক'লে,—"ৰাতি হৈ গ'ল। আজি যাওঁ আৰু।"

বিনয়েও ভিতৰৰপৰা বিদায় লৈ ছাতলৈ আহিল। পৰেশ ভট্টই গোৰাক ক'লে,—"বোপা, তোমাৰ যেতিয়াই মন যায় তেতিয়াই ইয়ালৈ আহিবা। কৃষ্ণদয়াল মোৰ আপোন ভাইৰ নিচিনা আছিল। তাৰ লগত এতিয়া অৱশ্যে মোৰ মতৰ মিল নাই, দেখা-দেখিও নহয়, চিঠি-পত্ৰও লিখা নহয়, কিন্তু ল'ৰা কালৰ বন্ধুত্ব তেজৰ লগত মিহলি হৈ থাকে। কৃষ্ণদয়ালৰ যোগেদি তোমাৰ লগত মোৰ অতি ওচৰ সম্বন্ধ। ঈশ্বৰে তোমাৰ মঙ্গল কৰক।"

পৰেশ ভট্টৰ মৰমিয়াল শান্ত মাতষাবত গোৰাৰ অতপৰৰ তৰ্কৰ উত্তাপ যেন চেঁচা হৈ গ'ল। প্ৰথমতে আহি গোৰাই পৰেশ ভট্টক বৰ খাতিৰ কৰা নাছিল। গোৰাই সুচৰিতাক একো বিদায় সম্ভাষণ নজনালে। সুচৰিতা সমুখত থকা কথাটোও ব্যৱহাৰেৰে প্ৰকাশ কৰাটো সি অশিষ্টতা বুলি ভাবিলে। বিনয়ে পৰেশ ভট্টক তল মূৰৈ সেৱা কৰিলে। তাৰ পিচত সুচৰিতালৈ চাই এটা নমস্কাৰ কৰি অলপ লাজ পাই লৰালৰিকৈ গোৰাৰ পিচে পিচে ওলাই গ'ল।

হাৰান এই বিদায় পৰ্ব্বৰপৰা আঁতৰি গৈ কোঠাৰ ভিতৰৰ মেজৰপৰা "ব্ৰাহ্ম-সঙ্গীত" নামৰ পুথি এখন লৈ পাত লুটিয়াবলৈ ধৰিলে। বিনয় আৰু গোৰা গুচি যোৱা মাত্ৰকে হাৰান লৰালৰিকৈ ছাতলৈ আহি পৰেশ ভট্টক ক'লে,—"শুনকচোন, সকলোৰে লগত ছোৱালীবোৰক চিনাকি কৰি দিয়াটো মই ভাল বুলি নেভাবোঁ।"

সুচৰিতাৰ পেটে পেটে বৰ খং উঠি আছিল। তাই আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰি ক'লে,—"দেউতাই সেইবোৰ নিয়ম মনা হ'লে আপোনাৰ লগতো আমাৰ চিনাকি নহলহেঁতেন।"

হাৰানে ক'লে,—"চিনা-জনা হোৱাটো নিজৰ সমাজৰ সীমাৰ মাজত থাকিলেই ভাল হয়।"

পৰেশ ভট্টই হাঁহি হাঁহি ক'লে,—আপুনি পৰিয়ালৰ অন্তঃপুৰক আৰু অলপ বহলাই সামাজিক অন্তঃপুৰ এখন পাতিব খুজিছে। কিন্তু মোৰ মনেৰে ছোৱালীবোৰ বিভিন্ন মতৰ মানুহৰ লগত চিনাকি হোৱা উচিত, নহলে সিহঁতৰ বুদ্ধিক জোৰ কৰি দমাই ৰখা হয়। ইয়াত ভয় বা লাজৰ কাৰণ একোকে নেদেখো দেখোন।"

হাৰান,—ভিন্ন ভিন্ন মতৰ মানুহৰ লগত ছোৱালীবোৰৰ চিনাকি হব নেলাগে, এনে কথা মই নকওঁ; কিন্তু ছোৱালীৰ লগত কেনেকুৱা ব্যৱহাৰ কৰা উচিত, সেইখিনি ভদ্ৰতাও ইহঁতে নেজানে।

পৰেশ ভট্ট,—নহয়, নহয়, আপুনিনো কি কয়? আপুনি যিটোক ভদ্ৰতাৰ অভাৱ বুলি কৈছে, সেইটো এটা সঙ্কোচহে মাথোন। ছোৱালী-বোৰৰ লগত চিনা-জনা নহলে এই সঙ্কোচ আঁতৰি নেযায়।

সুচৰিতাই উদ্ধত ভাৱে ক'লে,—"চাওক মাষ্টৰ ডাঙৰীয়া, আজিৰ তৰ্কা-তৰ্কিত নিজৰ সমাজৰ মানুহৰ ব্যৱহাৰতহে মই লাজ পাইছিলোঁ।

এনেতে লীলা দৌৰি আহি, "বাইদেউ, বাইদেউ" বুলি সুচৰিতাৰ হাতত ধৰি তাইক কোঠাটোৰপৰা টানি লৈ গ'ল।

১১

সেইদিনা তৰ্কত গোৰাক হৰুৱাই সুচৰিতাৰ সমুখত নিজৰ জয়-পতাকা উৰুৱাবলৈ হাৰানৰ বৰ ইচ্ছা আছিল। প্ৰথমতে সুচৰিতায়ো তেনে আশাই কৰিছিল। কিন্তু দৈৱক্ৰমে ঠিক তাৰ ওলোটাটোহে ঘটিল। ধৰ্ম্মবিশ্বাস আৰু সামাজিক মতৰ বিষয়ত গোৰাৰ লগত সুচৰিতাৰ মিল নাছিল। কিন্তু স্বদেশৰ প্ৰতি মমতা আৰু স্বজাতিৰ বাবে বেদনা তাইৰ পক্ষে স্বাভাৱিক আছিল। দেশৰ কথা লৈ সদায় তাই আলোচনা নকৰিলেও সেইদিনা স্বজাতিৰ নিন্দা শুনি গোৰাই মেঘৰ দৰে গৰজি উঠাত সুচৰিতাৰ হৃদয়তো তাৰ অনুকূল প্ৰতিধ্বনি বাজি উঠিল। তাইৰ সমুখত ইমান দকৈ আৰু ইমান দৃঢ় বিশ্বাসেৰে দেশৰ বিষয়ে কেতিয়াও কোনেও কোৱা নাই। সাধা-ৰণতে আমাৰ দেশৰ মানুহে স্বজাতি আৰু স্বদেশৰ আলোচনা কৰোঁতে অলপ নহয় অলপ নেতাগিৰি কৰেই। সেইবোৰক সত্য বুলি বিশ্বাস নকৰে; সেই কাৰণে কৰিত্ব কৰি সিহঁতে বিহকে নকওক লাগে, আচলতে দেশৰ প্ৰতি ইহঁতৰ আস্থা নাই। কিন্তু গোৰাই তাৰ স্বদেশৰ সকলো দুখ-দুৰ্গতি দুৰ্ব্বলতাৰ মাজেদি এটা মহৎ সত্যৰ স্বৰূপ দেখিছিল। সেই কাৰণে দেশৰ দৰিদ্ৰতাক অকণো অস্বীকাৰ নকৰাকৈয়ো তাৰ দেশৰ প্ৰতি এটি দৃঢ় শ্ৰদ্ধা আছিল। দেশৰ অন্তৰ্নিহিত শক্তিৰ প্ৰতি তাৰ এনেকুৱা অবিচলিত বিশ্বাস আছিল যে তাৰ কাষলৈ আহিলে, তাৰ সঙ্কোচহীন দেশ-ভক্তিৰ বাণী শুনিলে সংশয়ীজনেও হাৰ মানিবলৈ বাধ্য হৈছিল। গোৰাৰ এই অনমনীয় ভক্তিৰ আগত হাৰানৰ অৱজ্ঞাপৰ্ণ তৰ্কক সুচৰিতাৰ বৰ অপমান-

জনক যেন লাগিছিল। সেই কাৰণে মাজে মাজে তাই সঙ্কোচ কাণ্ডি কৰি থৈ বৰ উৎসাহেৰে প্ৰতিবাদ নকৰি নোৱাৰিছিল।

তাৰ পিচত, গোৰা আৰু বিনয় পিঠি দিয়াত বেডিয়া হাৰানে ক্ষুদ্ৰ ঈৰ্ষা বশতঃ সিহঁতক অভদ্ৰ বুলি অপবাদ দিলে, তেতিয়া এই অন্যায়ৰ বিৰুদ্ধে সুচৰিতাই গোৱাহঁতৰ পক্ষকে লবলগীয়া হ'ল; অথচ গোৰাৰ বিৰুদ্ধে যে সুচৰিতাৰ মনৰ বিদ্ৰোহ শাম কাটিছে—সেইটোও নহয়। গোৰাৰ এই ধৰণৰ অতিৰিক্ত উদ্ধত হিন্দুৱই, এতিয়াও তাইৰ মনত বাৰে বাৰে আঘাত কৰিছেহি। তাই এক ৰকম বুজিব পাৰিছিল যে গোৰাৰ এই গোড়ামিৰ মাজতো এটা প্ৰতিকূলতাৰ ভাব আছে আৰু এইটো সহজ সৰল নহয়। এইটো নিজৰ ভক্তি বিশ্বাসৰ মাজতো সীমাবদ্ধ নহয়। এইটোৱে যেন সদায় কাৰোবাক আঘাত কৰিবলৈ উগ্ৰভাৱে উদ্যত হৈ থাকে।

সেইদিনা সন্ধিয়া সকলো কথাত, সকলো কামত, ভাত খাবলৈ বহোঁতে, সাধু কওঁতে, সুচৰিতাৰ মনৰ অন্তঃস্থলত কিবা এটা বেজাৰে বাৰে বাৰে খুন্দিয়ালেহি—সেইটো তাই কোনোমতেই আঁতৰাব নোৱাৰিলে। কাঁইট ডাল ক'ত আছে জানিব পাৰিলেহে উলিয়াই পেলাব পাৰি। মনৰ এই কাঁইটডাল বিচাৰি উলিয়াবৰ বাবে সুচৰিতাই সেই ছাতৰ ওপৰৰ বাৰাণ্ডাত সেইদিনা ওৰেৰাতিটো বহি কটালে।

নিশাৰ স্নিগ্ধ এন্ধাৰেৰে তাই তাইৰ মনৰ অকাৰণ উত্তাপবোৰ মুচি পেলাবলৈ যত্ন কৰিলে, কিন্তু একো ফল নধৰিল। হিয়াৰ এই নতুন বোজাটোৰ বাবে তাইৰ কান্দিবৰ মন গ'ল। কিন্তু কান্দোনো নোলাল।

এজন অচিনাকি ডেকাই কপালত তিলক আঁকি অহা কাৰণেই, নে তাক তৰ্কত হৰুৱাই তাৰ অহঙ্কাৰ খৰ্ব্ব কৰিব পৰা নগ'ল কাৰণেই সুচৰিতাই অতপৰে মানোকষ্ট পাই আছিল—ইয়াতকৈ আৰু আচৰিত হাঁহি উঠা কথা একোকে হব নোৱাৰে। এইবোৰ কাৰণ একেবাৰে অসম্ভৱ বুলি তাই মনৰপৰা আঁতৰাই দিলে। তেতিয়া তাইৰ আচল কাৰণটো মনত পৰিল আৰু তাৰ লগে লগে তাইৰ বৰ লাজ লাগিল। আজি প্ৰায় তিনি চাৰি ঘণ্টা সুচৰিতাই এই ডেকা জনৰ সন্মুখত বহি আছিল, আৰু মাজে মাজে তৰ্কত তাৰ ফলীয়া হৈ যোগো দিছিল, অথচ সি তাইক যেন এবাৰো লক্ষ্যকে কৰা নাই। যাবৰ সময়তো তাই যেন তাৰ চকুতেই নপৰিল, এই সাজ্যাতিক উপেক্ষাই যে সুচৰিতাক ইমান দকৈ বিন্ধিছিল, ইয়াত একো সন্দেহ নাই। আন ছোৱালীৰ লগত কথা-বতৰা পতাৰ অভ্যাস নথাকিলে এটা সঙ্কোচ ওপজে। বিনয়ৰ ব্যৱহাৰত থকা সঙ্কোচৰ

সাজতো এনে ধৰণৰ এটা লাজকুৰীয়া নম্রতা আছে। কিন্তু গোৰাৰ ব্যৱহাৰত তাৰ চিনকে নাছিল। তাৰ সেই কঠোৰ আৰু দৃঢ় উদাসীনতাৰ সহি থকাটো বা তাক অৱজ্ঞা কৰি উকলাই দিয়াটো সুচৰিতাৰ বাবে আজি ইমান অসম্ভৱ হৈ উঠিল কিয় ? ইমান বেচিকৈ উপেক্ষিতা হৈয়ো তাই যে নিজক চম্ভালি নেৰাখি তৰ্কত যোগ দিছিল, নিজৰ এই প্ৰগল্‌ভতাৰ কাৰণে তাইৰ আজি মৰি যোৱা যেন লাগিল। হাৰানৰ অন্যায় তৰ্কত সুচৰিতাই এবাৰ বেচিকৈ উত্তেজিত হৈ উঠোতে গোৰাই তাইৰ মুখলৈ এবাৰ চাইছিল; সেই চাৱনিত লেশমানো সঙ্কোচ নাছিল। কিন্তু সেই চাৱনিত কি যে আছিল সেইটোও বুজিব নোৱাৰি। তেতিয়া কিজানি সি মনে মনে ভাবিছিল—কিনো নিলাজী এই ছোৱালীজনী, নাইবা এইজনীৰ অহঙ্কাৰতো কম নহয়—মতা মানুহৰ তৰ্কত নমতাকৈয়ে যোগ দিবলৈ আহে ? বাৰু, এইবোৰ কথা ভাবিলেওনো কাৰ কি ক্ষতি হব ? একোৱেই ক্ষতি নহয়। তথাপিও সুচৰিতাৰ বৰ অস্বস্তি লাগি থাকিল। এই সকলোবোৰ পাহৰি যাবলৈ, মনৰপৰা মোহাৰি পেলাবলৈ তাই বহুতো যত্ন কৰিলে, কিন্তু নোৱাৰিলে। গোৰাৰ ওপৰত তাইৰ খং উঠিল। গোৰাক তাই কুসংস্কাৰপূৰ্ণ উদ্ধত ডেকা বুলি গোটেই অন্তৰেৰে সৈতে অৱজ্ঞা কৰিব খুজিলেও সেই বিৰাটকায় বজ্ৰকণ্ঠ পুৰুষৰ সেই নিঃসঙ্কোচ চাৱনিৰ কথা সুঁৱৰি সুচৰিতাৰ নিজকে অতি নগণ্য যেন লাগিল। কোনোমতেই তাই নিজৰ গৌৰৱ উদ্যত কৰি ৰাখিব নোৱাৰিলে।

সকলোৰে চকুত পৰাটো, সকলোৰেপৰা মৰম পোৱাটো সুচৰিতাৰ অভ্যাস হৈ গৈছিল। তাই যে মনে মনে এই মৰম বিচাৰে তেনে নহয়, কিন্তু তথাপিও আজি গোৰাই তাইক উপেক্ষা কৰাটো ইমান অসহনীয় হ'ল কিয় ? বহুতো চিন্তা কৰি সুচৰিতাই ভাবি উলিয়ালে যে গোৰাক তাই আজি একেবাৰে হৰুৱাই দিব খুজিছিল বুলিয়েই তাৰ সেই অবিচলিত ব্যক্তিত্বই তাইৰ হৃদয়ত ইমানকৈ আঘাত কৰিছে।

এইদৰে মনটোক টনা-আজোৰা কৰি থাকোঁতে বহুতো ৰাতি হ'ল। চাকি নুমুৱাই দি ঘৰৰ আটাইবোৰ শুবলৈ গ'ল। বাহিৰৰ ৰাৰখনো জপোৱাৰ শব্দ শুনা গ'ল। বুজা গ'ল যে চাকৰ-বাকৰেও বন্ধা-বঢ়া খোৱা-বোৱা শেষ কৰি এইবাৰ শুবলৈ যাব ওলাইছে। এনেতে ললিতা তাইৰ শোৱা সাজ পিন্ধি ছাতলৈ আহিল। তাই সুচৰিতাক একো নোকোৱাকৈ তাইৰ কাষেদি গৈ ছাতৰ এটা চুকৰ বেলিঙত ধৰি থিয় হ'লগৈ। সুচৰিতাই মনে মনে হাঁহিছিলে। বুজিলে তাইৰ ওপৰত ললিতাৰ অভিমান

হৈছে। আজি যে তাইৰ ললিতাৰ লগত শোৱাৰ কথা আছিল, সেই কথা তাই একেবাৰে পাহৰি গৈছিল। কিন্তু পাহৰি গৈছোঁ বুলিলেই ললিতাৰ আগত দোষৰ ক্ষমা নহয়—কাৰণ পাহৰি যোৱাটোৱেই আটাইতকৈ ডাঙৰ অপৰাধ। যথা সময়ত প্ৰতিশ্ৰুতি সোঁৱৰাই দিয়া বিধৰ ছোৱালী তাই নহয়। ইমান পৰে তাই কাঠডাল যেন হৈ বিছনাত পৰি পৰি আছিল, যিমানেই সময় গৈছিল সিমানেই তাইৰ অভিমান তীব্ৰ হৈ উঠিছিল। অৱশেষত একেবাৰে অসহ্য হোৱাত তাই বিছনাৰপৰা উঠি মাখোন জনাবলৈ আহিছে যে—মই এতিয়াও সাৰে আছোঁ।

সুচৰিতাই চকীৰপৰা উঠি লাহে লাহে ললিতাৰ কাষলৈ গ'ল আৰু তাইৰ ডিঙিত সাৰটি ধৰি ক'লে,—"ললিতা, সোণজনী মোৰ, খং নকৰিবা ভনীটি!"

ললিতাই সুচৰিতাৰ হাতখন এফলীই দি ক'লে,—"খংনো কিয় কৰিম? তুমি বহি থাকাগৈ যোৱা।"

সুচৰিতাই ললিতাৰ হাতখন টানি ধৰি ক'লে,—"বলা ভনীটি, শুই থাকোঁগৈ ব'লা।"

একো উত্তৰ নিদি ললিতা মনে মনে থাকিল। অৱশেষত সুচৰিতাই জোৰ কৰি তাইক শোৱা কোঠালৈ লৈ গ'ল।

ললিতাই থোকাথুকি মাতেৰে ক'লে,—"তুমি ইমান দেৰি কৰিলা কিয়? জানা—এঘাৰ বাজিল। মই ঘড়ীৰ ঘণ্টা শুনিছোঁ। তুমিতো এতিয়াই টোপনি যাবা।"

সুচৰিতাই ললিতাক বুকুৰ কাষলৈ টানি আনি ক'লে, "আজি মোৰ বৰ অন্যায় হৈ গ'ল ভনীটি।"

সুচৰিতাই দোষ স্বীকাৰ কৰাৰ লগে লগে ললিতাৰ খং মাৰ গ'ল। তাই একেবাৰে পমি গৈ ক'লে,—"ইমান পৰ অকলে অকলে বহি কাৰ কথা ভাবিছিলা বাইদেউ? পানু বাবুৰ কথা?"

তাইক আঙুলিৰে খুচি দি সুচৰিতাই ক'লে,—"ধেৎ।"

পানু বাবুক ললিতাই অলপো সহ্য কৰিব নোৱাৰিছিল। আন কি ইহঁতৰ দুজনী বায়েক-ভনীয়েকৰ দৰে পানু বাবুৰ লগত জোৰাই দি সুচৰিতাক জোকাব-লৈকো তাই ভাল নেপাইছিল। পানু বাবুৱে সুচৰিতাক বিয়া কৰাব খোজা কথা ভাবিলেই তাইৰ খং উঠে।

অলপ পৰ মনে মনে থাকি ললিতাই আকৌ কথা উলিয়ালে,—"বাৰু বাইদেউ, বিনয় বাবু মানুহজন বেচ ভাল নহয়?"

এই প্ৰশ্নৰ যোগেদি সুচৰিতাৰ মনৰ কথা বুজিবৰ উদ্দেশ্য নাছিল বুলি ক'ব নোৱাৰি ।

সুচৰিতাই ক'লে,—"ওঁ, বিনয় মানুহজন ভালেই। বেচ ভাল মানুহ ।"

ক'ত্তা, ললিতাই যি সুৰ আশা কৰিছিল সেই সুৰ নেবাজিল। তেতিয়া তাই আকৌ ক'লে,—"কিন্তু যিয়েই নোকোৱা বাইদেউ, মোৰ মনে হলে গৌৰমোহনক একেবাৰে ভাল নেলাগিল। কেনেকুৱা উৎকট বগা বৰণ আৰু কেনেকুৱা ঠৰঙা জবৰজং চেহেৰা। পৃথিৱীৰ কালৈকো যেন কেৰেপেই নকৰে। তোমাৰ বাৰু কেনেকুৱা লাগিল ?"

সুচৰিতাই ক'লে,—"বৰ বেচি ধৰণে হিন্দুৱানি দেখুৱায় ।"

ললিতাই ক'লে,—"সেইটো নহয়, আমাৰ মহাদেৱেও চোন বৰ বেচি ৰকমে হিন্দুৱানি দেখুৱায়, কিন্তু সেইয়া বেলেগ ধৰণৰ, এইয়া যেন কি— ঠিককৈ বুজাবকে নোৱাৰি কেনেকুৱা ।"

সুচৰিতাই হাঁহি মাৰি ক'লে—"সঁচাকৈয়ে কিবা ধৰণৰ।" এইবুলি গোৰাৰ সেই ওখ কপালত ৰেখা অঁকা চেহেৰাৰ কথা সুঁৱৰি খং উঠি গ'ল। খং উঠাৰ কাৰণ হ'ল, সেই ৰেখাৰযাৰা গোৰাই যেন কপালত ডাঙৰ ডাঙৰকৈ লিখি থৈছে যে মই তোমালোকতকৈ পৃথক। এই পাৰ্থক্যৰ প্ৰবল অহঙ্কাৰক ধূলিৰ লগত মিহলাই দিব পৰা হ'লেহে সুচৰিতাৰ গাৰ পোৰণি কমিলহেঁতেন।

· কথা-বতৰা বন্ধ হ'ল। লাহে লাহে দুয়োজনী টোপনি গ'ল। ৰাতি দুইমান বজাত সুচৰিতাই সাৰ পাই দেখে যে বাহিৰত ছৰছৰাই বৰষুণ আনিছে। মাজে মাজে সিহঁতৰ আঠুৱাৰ মাজেদি বিজুলী চিক্‌মিকাইছে, কোঠাৰ এচুকত থোৱা চাকিটো নুমাই গৈছে। ৰাতিৰ সেই নিজম এন্ধাৰত বৰষুণৰ অবিৰাম শব্দত সুচৰিতাই যেন মনৰ ভিতৰত এটা বেদনাৰ বোজা অনুভৱ কৰিলে। ইকাতি-সিকাতি হৈ তাই টোপনি যাবলৈ বহুতো যত্ন কৰিলে। কাষতে ললিতাক গভীৰ টোপনিত লাল-কাল দি পৰি থকা দেখি তাইৰ হিংসাও হ'ল। কিন্তু একোপধ্যেই টোপনি নাহিল। বিৰক্ত হৈ তাই বিছনাৰপৰা উঠি বাহিৰলৈ ওলাই আহিল। মেলখাই থকা দুৱাৰখনৰ কাষত থিয় হৈ সমুখৰ ছাতৰ ফালে চাই থাকিল ; মাজে মাজে বতাহত বৰষুণৰ ছিটিকনি আহি গাত পৰিলহি। আজি সন্ধিয়াৰ গোটেই ঘটনাটো জল্ জল্, পট্ পট্‌কৈ বাৰে বাৰে বি পকি তাইৰ চকুৰ আগত ভাঁহিবলৈ ধৰিলে। সেই সূৰ্য্যাস্তৰ আভাৰে ৰঙা হৈ পৰা

াৰাণ্ডাত গোৰাৰ মুখখনৰ ছবি কহুকটীয়াকৈ তাইৰ মনত জাগি উঠিল। আৰু তেতিয়া তৰ্কৰ বিষয় কথা তাই শুনিও পাহৰি গৈছিল সেই আটাই-ৰোৰ কথা গোৰাৰ গহীন ডাঙৰ মাতটোৰে সৈতে আগৰপৰা গুৰিলৈকে মনত পৰিল। কাণৰ কাষত বাজিবলৈ ধৰিলে— "আপোনালোকে যিবোৰক অশিক্ষিত বুলি কয়, মই সিহঁতৰ দলৰে। আপোনালোকে যিবোৰ কু-সংস্কাৰ বুলি কয়, সেইবোৰেই মোৰ সংস্কাৰ। যেতিয়ালৈকে আপুনি দেশক ভাল পাব নোৱাৰিব আৰু দেশৰ জনসাধাৰণৰ লগত একে ঠাইতে আহি থিয় দিব নোৱাৰিব তেতিয়ালৈকে আপোনাৰ মুখৰপৰা দেশৰ বদনাম মই একবৰ্ণও সহ্য নকৰোঁ।" এই কথাৰ উত্তৰত পানু মাষ্টৰে কৈছিল—"এনেকুৱা কৰিলে দেশৰ সংশোধন হব কেনেকৈ?" গোৰাই গৰজি কৈছিল "সংশোধন? সংশোধন বহুতো পিচৰ কথা। সংশোধনতকৈয়ো ডাঙৰ কথা হ'ল ভালপোৱা আৰু শ্ৰদ্ধা। প্ৰথমতে আমাৰ মাজত একতা যেতিয়া থাকিব তেতিয়া সংশোধন আপোনা-আপুনিয়েই হ'ব। আপোনালোকে পৃথক হৈ দেশখন ভাগ ভাগ কৰিব খোজে। আপোনালোকে কয় যে দেশখন কু-সংস্কাৰেৰে ভৰা। এতেকে আমি সু-সংস্কাৰীৰ দলটো পৃথক হৈ থাকিম। কিন্তু মই কওঁ যে মই আনতকৈ ডাঙৰ হৈ আনৰপৰা আঁতৰি নেথাকোঁ। এইটোৱেই মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ আকাঙ্ক্ষা। তাৰ পিচত একতা থাকিলে কোনটো সংস্কাৰ থকা উচিত আৰু কোনটো যোৱা উচিত সেইটো মোৰ দেশেই জানে, আৰু দেশৰ যিজন বিধাতা তেৱেঁই জানে।" পানু মাষ্টৰে কৈছিল,—"এনেকুৱা কিছুমান বিধি আৰু সংস্কাৰ আছে যিবোৰে দেশখনক এক হবলৈ দিয়া নাই।" গোৰাই কৈছিল,—"যদি আপুনি ভাবে যে এই সংস্কাৰ আৰু বিধিবোৰ প্ৰথমতে এটা এটাকৈ উভালি পেলাব আৰু তাৰ পিচত দেশলৈ একতা আনিব, তেনেহলে সেইটো সাগৰ সিঁচি সাগৰ পাৰ হবলৈ যত্ন কৰাৰ দৰে হব। অৱজ্ঞা আৰু অহঙ্কাৰ দূৰ কৰি দেশক নম্ৰ ভাৱে ভাল পাই নিজক অন্তৰেৰে সৈতে সকলোৰে লগত মিলাই দিয়ক, দেখিব সেই দেশ-প্ৰেমৰ ওচৰত সহস্ৰ ত্ৰুটি আৰু অসম্পূৰ্ণতাই সহজেই হাৰ মানিব। সকলো দেশৰ সকলো সমাজতেই দোষ আৰু অপূৰ্ণতা আছে। কিন্তু দেশৰ মানুহে স্ব-জাতিৰ লগত মৰমৰ বান্ধোনেৰে বান্ধ খাই থাকিব পাৰিলেহে তাৰ বিষ মাৰিব পাৰে। বতাহে বস্তু গেলায়; কিন্তু জীয়াই থকালৈকে আমি নেগেলোঁ। মৰি গলেহে গেলি যাওঁ। মই আপোনাক কৈ থলোঁ সংশোধন

কৰিবলৈ আহিলে কিন্তু আমি সহি নেথাকোঁ, আপোনালোকেই আহক বা মিছনাৰিয়েই আহক।" পানুবাবুৱে কৈছিল,—"কিয় নসহিব ?" গোৰাই কৈছিল,—"নসহাৰ কাৰণ আছে। মাক-বাপেকৰ সংশোধন সহিব পাৰি, কিন্তু পহৰাৱালাৰ সংশোধনত শোধনতকৈ অপমান বেছি। সেই সংশোধন সহ্য কৰিলে মনুষ্যত্ব নষ্ট হয়। আগতে আপোন হৈ লব, তাৰ পিচত সংশোধক হব—নহলে আপোনাৰ মুখৰ মিঠা কথাই আমাৰ অনিষ্টহে কৰিব।" এইদৰে এটা এটাকৈ আগৰ্বপৰা গুৰিলৈকে আটাইবোৰ কথা সুচৰিতাৰ মনত পৰিল, আৰু লগে লগে কিবা এটা নেদেখা বেজাৰে তাইৰ মনটো' আগুৰি ধৰিলেহি। ভাগৰ লাগি সুচৰিতা বিছনালৈ উভতি আহিল আৰু চকুজোৰ হাতেৰে ঢাকি ধৰি সকলো চিন্তা-ভাৱনা আঁতৰাই টোপনি যাবলৈ যত্ন কৰিলে। কিন্তু তাইৰ কাণ-মুখ ভোঁ-ভোঁৱাবলৈ ধৰিলে, আৰু সেই আলোচনাবোৰ ফাঁহ ফাঁহ হৈ তাইৰ মনৰ মাজত মাপোন উৰিবলৈ ধৰিলে।

১২

বিনয় আৰু গোৰা পৰেশ ভট্টৰ ঘৰৰপৰা আলিবাটলৈ ওলাই অহাৰ পিচত বিনয়ে ক'লে,—"গোৰা, অলপ লাহে লাহে ব'লা ভাই। তোমাৰ ভৰি দুখন মোতকৈ বহুত ডাঙৰ। এতেকে তুমি খোজটো অলপ সৰুকৈ নিদিলে তোমাৰ লগত গৈ আমি ভাগৰি পৰোঁ।"

গোৰাই ক'লে,—"মই অকলে যাব খোজোঁ। মোৰ আজি বহুতো কথা ভাবিবলৈ আছে।"

এই বুলি কৈ তাৰ স্বাভাৱিক খৰতকীয়া খোজেৰে আগবাঢ়ি গুচি গ'ল।

বিনয়ৰ মনত বৰ বেজাৰ লাগিল। সি আজি গোৰাৰ বিৰুদ্ধে বিদ্ৰোহ কৰি তাৰ নিয়ম ভঙ্গ কৰিছে। এই বিষয়ে সি গোৰাৰপৰা টান কথা শুনিবলৈ পোৱা হলেও ভাল পালেহেঁতেন। এবাৰ ডাঙৰকৈ ধুমুহা বৈ যোৱা হলেই সিহঁতৰ চিৰকলীয়া বন্ধুত্বৰ আকাশৰপৰা মেঘ আঁতৰি গ'ল হেঁতেন, আৰু সিও সকাহ পালেহেঁতেন।

ইয়াৰ উপৰিও আৰু এটা কথাই তাক বৰ কষ্ট দিছিল। আজি হঠাতে গোৰাই পৰেশ ভট্টৰ ঘৰলৈ প্ৰথমতে আহিয়েই তাক তাত বহুকাল

ভাৱে বহি থকা দেখি নিশ্চয় ইয়ালৈ সি সদায় অহা-যোৱা কৰে বুলি ভাবিছে। অৱশ্যে অহা-যোৱা কৰাটো যে কিবা দোষৰ কথা, সেইটো নহয়। গোৰাই বিয়েই নকৰওক, পৰেশ ভট্টৰ সু-শিক্ষিত পৰিয়ালৰ লগত ইমান ঘনিষ্ঠভাৱে চিনাকি হোৱাৰ সুযোগ পোৱাটোক বিনয়ে এটা ডাঙৰ লাভ বুলি ভাবিছিল। এওঁলোকৰ লগত ঘনিষ্ঠতা কৰাটো গোৰাই যদি কিবা দোষৰ কথা বুলি ভাবে, তেনেহলে সেইটো তাৰ একেবাৰেই গোড়ামি বুলিব লাগিব। শিক্ষ আগৰ কথা-বতৰাৰপৰা বিনয়ে পৰেশ ভট্টৰ ঘৰলৈ অহা-যোৱা নকৰে বুলিয়েই গোৰাই জানিছিল। আজি হঠাতে সি ভাবিব পাৰে যে সেই কথাটো সঁচা নহয়। বিশেষকৈ বৰদাসুন্দৰীয়ে তাক ভিতৰলৈ মাতি নৈ যোৱাটো আৰু তাত তেখেতৰ জীয়েকহঁতৰ লগত কথা-বতৰা পতাটো গোৰাৰ চোকা দৃষ্টিৰপৰা লুকাই থকা নাছিল। ছোৱালী-বোৰৰ লগত এইদৰে চিনা-জনা হোৱাত আৰু বৰদাসুন্দৰীয়ে তাক নিচেই আপোন বুলি ভবা দেখি পেটে পেটে বিনয়ে বৰ গৌৰব আৰু আনন্দ অনুভৱ কৰিছিল—কিন্তু লগে লগে গোৰাৰ লগত তাৰ আদৰ যত্নৰ পাৰ্থক্য থকা দেখি মনে মনে তাৰ বেয়াও লাগিছিল। আজিলৈকে এই দুয়োজন সহপাঠীৰ নলে-গলে-লগা বন্ধুত্বৰ মাজত কোনোৱেই বাধা হিচাপে থিয় দিয়া নাই। এবাৰ মাথোন গোৰাৰ ব্ৰাহ্ম সমাজৰ প্ৰতি থকা উৎসাহৰ বাবে দুয়োৰে বন্ধুত্বৰ মাজত সমান্য কেণা লাগিছিল। কিন্তু আগতেই কৈছোঁ, বিনয়ে মত বোলা বস্তুটোক বৰ বেছি উচ্চ আসন নিদিয়ে। সি নিজৰ মতৰ কাৰণে বিমানেই তৰ্কা-তৰ্কি নকৰক লাগে, দৰাচলতে মানুহহে তাৰ কাৰণে বেছি সত্য। এইবাৰ কিন্তু সিহঁতৰ বন্ধুত্বৰ মাজৰপৰা সেই মানুহ আঁতৰি যোৱাৰ উপক্ৰম হৈছে বুলি সি ভয় খাইছে। পৰেশ ভট্টৰ পৰিয়ালৰ লগত এইদৰে চা-চিনাকি হৈ ঘনিষ্ঠ হোৱাটো বিনয়ে বৰ মূল্যৱান বুলি ভাবিছে। কিয়নো তাৰ জীৱনত এনেকুৱা এটা আনন্দৰ সোৱাদ সি আৰু কেতিয়াও পোৱা নাই। কিন্তু গোৰাৰ বন্ধুত্ব বিনয়ৰ জীৱনৰ এটা অঙ্গৰ নিচিনা। তেনে বন্ধুত্বহীন জীৱন এটা সি কল্পনাকে কৰিব নোৱাৰে।

আজিলৈকে গোৰাৰ নিচিনাকৈ বিনয়ে তাৰ অন্তৰৰ ইমান কাষলৈ কাকো আহিবলৈ দিয়া নাই। আজিলৈকে সি মাথোন পুথি পঢ়িয়েই কটাইছে। গোৰাৰ লগত তৰ্ক কৰিছে, দন্দ কৰিছে, আৰু গোৰাক ভালো পাইছে। সংসাৰৰ আন কাকো অৰুণৰানো নাই দিবলৈ তাৰ সময়েই নহ'ল। গোৰাৰো ভক্তৰ অভাৱ নাই, কিন্তু বন্ধু বুলিবলৈ অকল

বিনয়হে আছিল। গোৰা সাধাৰণতে অকলশৰীয়া স্বভাৱৰ মানুহ। কিন্তু সি সাধাৰণ মানুহৰ লগত মিলিবলৈকো সঙ্কোচ নকৰে। অথচ মাজাসু ধৰণৰ মানুহৰ লগত অন্তৰঙ্গ হোৱাটো তাৰ বাবে একেবাৰে অসম্ভৱ আছিল। সেই কাৰণে বেচি ভাগ মানুহে সদায় তাৰ ওচৰত এটা দূৰত্ব অনুভৱ নকৰি নোৱাৰে।

পৰেশ ভট্টৰ পৰিয়ালৰ প্ৰতি নিজৰ মন গভীৰ ভাৱে আকৃষ্ট হোৱা বিনয়ে আজি ভালদৰে বুজিব পাৰিলে। অথচ চিনাকি হোৱাও বেচি দিন হোৱা নাই। ইয়াৰ বাবে গোৰাৰ আগত কিবা এটা দোষ কৰাৰ দৰে তাৰ লাজ লাগিল।

বৰদাসুন্দৰীয়ে আজি বিনয়ৰ আগত জীয়েকহঁতৰ ইংৰাজী হাতৰ আখৰ, চিলাই কাম দেখুৱাই আৰু আবৃত্তি শুনুৱাই যি মাতৃত্বৰ গৰ্ব্ব প্ৰকাশ কৰিছিল এইবোৰ যে গোৰাই কিমান অৱজ্ঞাৰ চকুৰে চালেহেঁতেন, সেইটো বিনয়ে পৰিষ্কাৰকৈ কল্পনা কৰিব পাৰিছিল। দৰাচলতে সেইটো এটা বৰ হাঁহি উঠা কথাই আছিল। বৰদাসুন্দৰীৰ জীয়েকহঁতে যে অলপ অচৰপ ইংৰাজী শিকিছিল, মেম্ চাহাবে সিহঁতক প্ৰশংসা কৰিছিল, লেফ্টেনেণ্ট গৱৰ্ণৰৰ ঘৈণীয়েকৰ কাষত কিছু সময়ৰ বাবে হলেও লাই পাইছিল —চাবলৈ গ'লে এইবোৰ গৰ্ব্বৰ মাজত একপ্ৰকাৰৰ দীনতা আছিল। কিন্তু এই আটাইবোৰ কথা জানি শুনিও বিনয়ে এই ঘটনাটোক গোৰাৰ আদৰ্শ অনুসৰি বিণ কৰিব নোৱাৰিলে। এইবোৰ তাৰ বেচ ভালেই লাগিছিল। লাৱণ্যৰ নিচিনা ছোৱালীয়ে,—ছোৱালীজনী দেখাত বেচ ধুনীয়া, তাত একো সন্দেহ নাই, বিনয়ক নিজৰ হাতৰ আখৰেৰে লিখা 'মুৰ'ৰ কৱিতা দেখুৱাই অহঙ্কাৰ কৰা কাৰণে বিনয়ে আনন্দ পাইছিল। বৰদাসুন্দৰীক আধুনিকা হোৱাটো নুশুৱায়, কিন্তু তেখেতে অতি উগ্ৰ ধৰণে আ_নিকা হবলৈ যত্ন কৰে। বিনয়ৰ চকুত যে এই অসঙ্গতিটো ধৰা পৰা নাছিল এনে নহয়; তথাপিও বৰদাসুন্দৰীক বিনয়ৰ ভালেই লাগিছিল। তেখেতৰ অহঙ্কাৰ আৰু অসহিষ্ণুতাৰ সৰলতা খিনি দেখি বিনয়ে আমোদ পাইছিল। ছোৱালীবোৰে সিহঁতৰ হাঁহিৰে ঘৰখন মধুৰ কৰি ৰাখিছে, চাহ কৰি সকলোকে দিছে, নিজ হাতেৰে চিলাই কৰি বেৰত সজাই থৈছে, আৰু লগে লগে ইংৰাজী কৱিতা পঢ়ি উপভোগ কৰিছে। এইবোৰ যিমানেই নগণ্য নহওক, এইবোৰ দেখিয়েই বিনয় মুগ্ধ হৈছিল। বিনয়ে এনেকুৱা বস তাৰ অকলশৰীয়া জীৱনত আৰু কেতিয়াও পোৱা নাই। এই ছোৱালীবোৰৰ সাজ-পাৰ, হাঁহি-ধেমালি, কাম-বনৰ বিষয়ে সি যে কিমানবোৰ ম_ৰ কল্পি মনতে

থাকিবলৈ ধৰিলে, তাৰ সংখ্যা নাই। পুথি পঢ়া আৰু মত লৈ তৰ্ক কৰাৰ মাজেদি বিটো লবাই যৌৱনত ফেতিয়া ভৰি দিছেহি গৰমে পোৱা নাই, তাৰ সমুখত পৰেশ ভট্টৰ সেই সামান্য ঘৰখনৰ ভিতৰ-ছোৱাত এখন নতুন আৰু আচৰিত জগতে দেখা দিলে।

গোৰাই খঙতে বিনয়ৰ লগ এৰি যোৱাটো বিনয়ে কোনো অন্যায় খং বুলি ভাবিব নোৱাৰিলে। এই দুই বন্ধুৰ অতদিনীয়া বন্ধুত্বৰ মাজত আজি যেন গঁচাকৈয়ে এটা কেৰোণ লাগিল।

ৰাৰিষাৰ ৰাতিৰ স্তব্ধ এন্ধাৰবোৰক কঁপাই কঁপাই মাজে মাজে মেঘে গৰজি আছিল। বিনয়ৰ মনটো বৰ গ‍ুৰ গ‍ুৰ যেন লাগিল। জীৱনত চিৰদিন সি যিটো বাটেদি আহি আছিল, সেই বাট সলনি কৰি এটা নতুন বাটেদি আজি তাৰ যোৱা যেন লাগিল। এই আন্ধাৰৰ মাজত গোৰা কোনফালে গ'ল আৰু সি কোন ফালে যাব ধৰিছে!

বিচ্ছেদৰ আগ মুহূৰ্ত্তত্হে প্ৰেমৰ জোৱাৰ আহে। আজি আঘাত লাগিবৰ দিনাহে গোৰাৰ প্ৰতি তাৰ অন্তৰত থকা ভালপোৱা কিমান গভীৰ আৰু কিমান বেচি বিনয়ে বুজিব পাৰিলে।

ঘৰলৈ আহি ৰাতিৰ এন্ধাৰ আৰু ঘৰৰ নিৰ্জ্জনতা বিনয়ৰ বৰ গভীৰ আৰু শুদা-শুদা যেন লাগিল। গোৰাৰ ঘৰলৈ যাবলৈ বুলি এবাৰ সি বাহিৰলৈ ওলাই আহিল। কিন্তু আজি ৰাতিয়েই গোৰাৰ লগত তাৰ অন্তৰৰ মিল হোৱাটো সি আশা কৰিব নোৱাৰিলে। সেই কাৰণে সি আকৌ উভতি গৈ ক্লান্ত হৈ বিছনাত শুই পৰিল।

পিচদিনা পুৱা সাৰপোৱাৰ লগে লগে তাৰ মনটো পাতল হৈ গ'ল। সি নিজৰ মনৰ বেদনা ৰাতি কল্পনাতে বৰ বেচি ধৰণে বঢ়াই পেলাইছিল। ৰাতিপুৱা গোৰাৰ লগত বন্ধুত্ব আৰু পৰেশ ভট্টৰ পৰিয়ালৰ লগত ঘনিষ্ঠতা, তাৰ পৰস্পৰ বিৰোধী যেন নেলাগিল। কিনো এনে ডাঙৰ কথাটো, এইবুলি যোৱা ৰাতিৰ মনোকষ্টৰ কথা সুঁৱৰি বিনয়ৰ আজি হাঁহিহে উঠিল।

বিনয়ে কান্ধত এখন চেলেং পেলাই লৈ বেগাবেগিকৈ আহি গোৰাৰ ঘৰত উপস্থিত হ'লহি। গোৰাই তেতিয়া তলৰ কোঠাত বহি বাতৰি-কাকত পঢ়ি আছিল। বিনয় আলিবাটত থাকোঁতেই গোৰাই তাক দেখা পাইছিল, কিন্তু আজি বিনয় অহা দেখিও গোৰাই বাতৰি-কাকতখনৰপৰা মুখ তুলি নেচালে। বিনয়ে আহিয়েই কোনো কথা নোকোৱাকৈ খপ্ কৰে গোৰাৰ হাতৰপৰা কাগজখন কাঢ়ি ল'লে। গোৰাই ক'লে,—"বোধকৰোঁ তুমি ভুল কৰিছা। মই গৌৰমোহন, এজন কু-সংস্কাৰেৰে ভৰা হিন্দু।"

বিনয়ে ক'লে,—"ভুল বোধকৰোঁ তুমিহে কৰিছা। মই হৈছোঁ শ্ৰীযুক্ত বিনয়, উক্ত গৌৰমোহনৰ কু-সংস্কাৰেৰে ভৰা বন্ধু।"

গোৰা,—কিন্তু গৌৰমোহন ইমানেই নিলাজ যে সি তাৰ কু-সংস্কাৰৰ কাৰণে কাৰো আগত কেতিয়াও লাজ নেপায়।

বিনয়,—বিনয়ো ঠিক তেনেকুৱাই, কিন্তু সি নিজৰ সংস্কাৰৰ কাৰণে খেলা মাৰি যুঁজিবলৈ নেযায়।

চাওঁতে চাওঁতে দুই বন্ধুৰ মাজত তুমুল তৰ্ক লাগিল। আজি বিনয়ৰ লগত গোৰাৰ দেখা-দেখি হোৱা বুলি গোটেই চুবুৰিৰ মানুহে গম পালে।

গোৰাই ক'লে,—"তুমি পৰেশ ভট্টৰ ঘৰলৈ অহা-যোৱা কৰাৰ কথা-টোনো সিদিনা মোৰ আগত অস্বীকাৰ কৰা কি দৰকাৰ আছিল?"

বিনয়,—কোনো দৰ্কাৰত অস্বীকাৰ কৰা নাই—অহা-যোৱা কৰা নাছিলোঁ বাবেই অস্বীকাৰ কৰিছিলোঁ। ইমান দিনৰ মূৰত কালিহে প্ৰথম তেওঁ-লোকৰ ঘৰলৈ গৈছিলোঁ।

গোৰা,—অভিমন্যুৰ দৰে তুমি সোমোৱাৰ বাটহে জানা। ওলাই আহিবৰ বাট আৰু নাজানা বুলিয়েই মোৰ সন্দেহ হৈছে।

বিনয়,—সেইটো হব পাৰে। এইটো মোৰ জন্মগত স্বভাৱ। মই শ্ৰদ্ধা কৰা বা ভাল পোৱা জনক কেতিয়াও ত্যাগ কৰিব নোৱাৰোঁ। মোৰ এই স্বভাৱৰ চিনাকি তুমিও পাইছা।

গোৰা,—এতিয়াৰেপৰা তেনেহলে অহা-যোৱাটো চলি থাকিব?

বিনয়,—মোৰেই যে অকলে চলি থাকিব, তাৰ কি মানে আছে? তোমাৰো তো চলনশক্তি আছে, তুমিতো আৰু জড় বস্তু নোহোৱা।

গোৰা,—মই তো যাওঁ, আকৌ ঘূৰিও আহোঁ—কিন্তু তুমি দেখোন একেবাৰে গ'লা যেনেই লাগিছে। গৰম চাহ পিচে কেনে লাগিলা?

বিনয়,—অলপ কড়া যেন লাগিছিল।

গোৰা,—তেনেহলে?

বিনয়,—নোখোৱাটো তাতকৈয়ো বেচি কড়া যেন লাগিলহেঁতেন।

গোৰা,—তেনেহলে ভদ্ৰতা পালন কৰিলেই সমাজ পালন কৰা হয় নে কি?

বিনয়,—সকলো সময়তে নহয়। কিন্তু চোৱা গোৰা, সমাজৰ লগত হৃদয়ৰ সংঘাত ঘটিলে তেতিয়া মোৰ পক্ষে.......।'

গোৰা অস্থিৰ হৈ উঠি বিনয়ৰ কথাটো শেষ কৰিবই নিদিলে। সি গৰজি উঠি ক'লে,—"হৃদয়? সমাজক তুমি অতি সাধাৰণ আৰু তুচ্ছ

বুলি তাৰা কাৰণেই কথাই কথাই তোমাৰ হৃদয়ৰ সংঘাত হয়। কিন্তু সমাজক আঘাত কৰিলে তাৰ বেদনা যে কিমান দূৰ পায়গৈ এই কথা অনুভৱ কৰিব পৰা হলে তুমি তোমাৰ এই হৃদয়খনৰ কথা উলিয়াবলৈ লাজ পালাহেঁতেন। পৰেশ ভট্টৰ জীয়েক কেইজনীৰ মনত সামান্য আঘাত দিবলৈকে তোমাৰ বৰ বেয়া লাগে, কিন্তু মোৰ বেয়া লাগে এইকণৰ কাৰণেই, তুমি গোটেই দেশখনক আঘাত কৰিব পাৰা দেখি।

বিনয়,—ভাই গোৰা, তেনেহলে মই সঁচা কথাকে কওঁ। এপিয়লা চাহ খালেই গোটেই দেশখনক যদি আঘাত •কৰা হয়, তেনেহলে সেই আঘাতৰপৰা দেশৰ উপকাৰহে হ'ব। এইবোৰৰপৰা সকলোকে বাধিলে দেশখনক অত্যন্ত দুৰ্ব্বল আৰু অকামিলা কৰি তোলাহে হ'ব।

গোৰা,—হেৰা ডাঙৰীয়া, এই আটাইবোৰ যুক্তি মই জানো। মোক একেবাৰে অবুজ বুলি নেভাবিবা। কিন্তু এইবোৰ এতিয়াৰ কথা নহয়। বেমাৰী পুতেকে ঔষধ খাব নুখুজিলে মাকে সুস্থ শৰীৰেৰে থাকিলেও নিজে ঔষধ খাই তাক 'তোমাৰ লগত মোৰ একে দশা' বুলি বুজাই দিয়ে। ত তো যুক্তি নাই, ইয়াত আছে ভালপোৱা। এইটো তো যুক্তিৰ কথা নহয়, এইটো হ'ল ভালপোৱাৰ কথা। এই ভালপোৱা নেথাকিলে, যিমানেই যুক্তি নেথাকক, পুতেকৰ লগত মাকৰ সম্বন্ধ নষ্ট হৈ যায়, আৰু কামো নহয়। এপিয়লা চাহৰ কাৰণে মই তৰ্ক কৰিব নোখোজোঁ—। কিন্তু দেশৰ লগত বিভেদ মই সহিব নোৱাৰোঁ।। চাহ নোখোৱাটো তাতকৈ বহুতো সহজ, পৰেশ ভট্টৰ জীয়েকৰ মনত কষ্ট দিয়াটো তাতোকৈ নগণ্য। গোটেই দেশৰ লগত একাত্ম হৈ মিলি যোৱাটোৱেই আমাৰ বৰ্ত্তমান অৱস্থাত সকলোতকৈ ডাঙৰ কৰ্ত্তব্য। মিলি যাব পাৰিলে চাহ খাবা নে নেখাবা অতি সহজতে এই তৰ্কৰ মীমাংসা হৈ যাব।

বিনয়,—তেনেহলে দেখিছোঁ মোৰ দ্বিতীয় পিয়লা চাহ খাবলৈ বহুতো পলম আছে।

গোৰা,—নাই, বেচি পলম কৰাৰ দৰ্কাৰ নাই। কিন্তু বিনয়, মোকনো আৰু কিয়? হিন্দু সমাজৰ বহুতো অপ্ৰিয় বস্তুৰ লগে লগে মোকো এৰিবৰ সময় আহিছে।. নহলে পৰেশ ভট্টৰ জীয়েকহঁতে মনত আঘাত পাব।

এনেতে অবিনাশ আহি কোঠাত সোমালহি। সি গোৰাৰ শিষ্য। গোৰাৰ মুখৰপৰা শুনা কথাকেই সি নিজৰ বুদ্ধিৰ সহায়েৰে আৰু ভাষাৰদ্বাৰা বিকৃত কৰি চাৰিওফালে কৈ ফুৰে। গোৰাৰ কথা যিবোৰে একোকে বুজিব নোৱাৰে; অবিনাশৰ কথা সিহঁতে ভালদৰে বুজি পায় আৰু প্ৰশংসা কৰে।

বিনয়ক অবিনাশে পেটে পেটে হিংসা কৰিছিল। সেই কাৰণে সি সুবিধা পালেই বিনয়ৰ লগত মূৰ্খকৰ দৰে তৰ্ক কৰিবলৈ যত্ন কৰে। বিনয়ে তাৰ মূৰ্খামিত বিৰক্ত হৈ উঠিলে গোৰাই অবিনাশৰ তৰ্ক গাপাতি লৈ বিনয়ৰ লগত যুঁজ আৰম্ভ কৰি দিয়ে। অবিনাশে তাৰ নিজৰ যুক্তি বোৰেই গোৰাৰ মুখেদি ওলোৱা বুলি ভাবে।

অবিনাশ অহাত গোৰাৰ লগত মিলা-মিলি হবলৈ বিনয়ে বাধা পালে। সি তেতিয়া ওপৰলৈ উঠি গ'লগৈ। আনন্দময়ীয়ে তেতিয়া ভঁৰাল ঘৰৰ সমুখত বহি পাচলি কুটি আছিল।

আনন্দময়ীয়ে ক'লে—"বহুত পৰৰপৰা তোমালোকৰ মাত শুনি আছোঁ। ইমান পুৱাতে আহিলা দেখোন? চাহ-জলপান খাই আহিছা জানো?"

অইন দিনা হোৱা হলে বিনয়ে নাই খোৱা বুলিয়েই কলেহেঁতেন আৰু আনন্দময়ীৰ সমুখত বহি চাহ-জলপান ভালদৰেই খালেহেঁতেন। কিন্তু আজি ক'লে, "নাই আই, নেখাওঁ। খায়েই আহিছোঁ।"

আজি বিনয়ে গোৰাক আকৌ দায় লগাবলৈ মন নকৰিলে। পৰেশ-ভট্টৰ লগত সংশ্ৰৱৰ কাৰণে যে গোৰাই তাক এতিয়াও ক্ষমা কৰা নাই, বৰঞ্চ দূৰলৈ হেঁচুকিহে দিছে—এই কথা অনুভৱ কৰি বিনয়ৰ মনত শোক লাগিল। সি জেপৰপৰা কটাৰী এখন উলিয়াই আলুৰ বাকলি গুচুৱাবলৈ লাগি গ'ল।

পোন্ধৰ মিনিটমান পিচত তলৰ মহলালৈ গৈ দেখিলে যে গোৰাই অবিনাশক লগত লৈ ওলাই গৈছে। গোৰাৰ কোঁঠাত বিনয় বহু পৰ মনে মনে বহি থাকিল। তাৰ পাচত খবৰ কাগজখন লৈ শূন্যমনে বিজ্ঞাপন পঢ়িবলৈ ধৰিলে। তাৰ পাচত এটা হুমুনিয়াহ কাঢ়ি তাৰপৰা গুচি গ'ল।

১৩

দুপৰীয়া গোৰাৰ ওচৰলৈ যাবলৈ বিনয় আকৌ উদগ্ৰীৱ হৈ উঠিল। গোৰাৰ কাষত নিজক সৰু কৰিবলৈ বিনয়ে কেতিয়াও সঙ্কোচ কৰা নাই। কিন্তু নিজৰ অভিমান নেথাকিলেও বন্ধুত্বৰ অভিমানক বাধা দিয়া টান। পৰেশ ভট্টৰ ওচৰত নিজকে ধৰা দি বিনয়ে গোৰাৰ প্ৰতি থকা অত দিনৰ নিষ্ঠাক অলপ হেয় কৰি অপৰাধ কৰা যেন অনুভৱ কৰিছিল হয়, কিন্তু

তাৰ বাবে গোৰাই তাক ঠাট্টা-বিদ্ৰূপ কৰিব বুলিহে সি ভাবিছিল। তাক যে এইদৰে গোৰাই আঁতৰাই ৰাখিবৰ যত্ন কৰিব, এইটো সি সপোনতো ভবা নাছিল। ঘৰৰপৰা ওলাই কিছুদৰ আগুৱাই গৈ বিনয় আকৌ উভতি আহিল। বন্ধুত্বৰ কেনেবাকৈ অবমাননা হয় বুলি ভয় কৰি সি গোৰা-ইঁতৰ ঘৰলৈ যাব নোৱাৰিলে।

দুপৰীয়া খাই-বৈ উঠি বিনয়ে গোৰালৈ চিঠি লিখিবলৈ কাগজ-কলম উলিয়াই লৈ কলমটো ভোতা বুলি মিছাকৈয়ে খুঁত উলিয়াই কটাৰি এখন লৈ বৰ যত্নেৰে সৈতে অলপ অলপকৈ কলমটো জোঙা কৰিবলৈ ধৰিছিল। এনেতে তলৰপৰা কোনোবাই বিনয় বুলি মতা শুনা পালে। বিনয়ে কলমটো থৈ নবালৰিকৈ তললৈ গৈ ক'লেগৈ,—"মহিম ককাইদেউ! আহক, ওপৰলৈকে আহক।"

মহিম ওপৰৰ কোঠালৈ আহি বিনয়ৰ বিছনাৰ ওপৰত ভালকৈ গোজ পুতি বহি কোঠাটোৰ বস্তু-বাহানিবোৰলৈ এবাৰ ভালদৰে চকু ফুৰাই চাই ক'লে,—"চোৱা বিনয়, তোমাৰ ঘৰ মই চিনি নোপোৱা নহয়, মাজে মাজে তোমাৰ বা-বাতৰি লবলৈ মন যায়। কিন্তু মই জানো, তোমালোক হ'লা আজি-কালিৰ ভাল ল'ৰা। তোমালোকৰ ইয়াত তো ধঁপাত এচিলিৰ পোৱাৰ আশাও নাই, সেই কাৰণে বিশেষ প্ৰয়োজন নহলে——" ,

বিনয়ক ব্যস্ত হৈ উঠা দেখি মহিমে ক'লে,—"এতিয়াই গৈ বজাৰৰ পৰা নতুন হোকা কিনি আনি মোক ধঁপাত খুৱাবা বুলি ভাবিছা নে কি? সেইবোৰ চেষ্টা নকৰিবা। ধঁপাত নিদিলে ক্ষমা কৰিব পাৰিম, কিন্তু নতুন হোকাত অপটু হাতেৰে জলোৱা ধঁপাত মোৰ সহ্য নহব।"

এই বুলি কৈ মহিমে বিছনাৰপৰা বিচনী এখন লৈ নিজকে বিচি বিচি ক'লে,—"আজি দেওবাৰৰ দুপৰীয়া শোৱাটো একেবাৰে মাটি কৰি তোমাৰ ইয়ালৈ অহাৰ এটা কাৰণ আছে। তুমি মোৰ এটা উপকাৰ কৰি দিবই লাগিব।"

বিনয়ে কি উপকাৰ সুধিলে। মহিমে ক'লে,—"আগেয়ে কথা দিয়া, তেহে ক'ম।

বিনয়,—মোৰদ্বাৰা যদি সম্ভৱ হয়, তেহে।

মহিম,—অকল মাথোন তোমাৰদ্বাৰাই সম্ভৱ হব। আন একো নহয়, তুমি এবাৰ মাথোন 'ওঁ' বুলিলেই হয়।

বিনয়,—মোকনো ইমানকৈ কিয় কৈছে। আপুনি তো জানেই—মই আপোনালোকৰ ঘৰৰে মানুহ। পাৰিলে আপোনালোকৰ উপকাৰ নকৰিম, এনে হবই নোৱাৰে।

মহিমে জেপৰপৰা তামোলৰ টোপোলা এটা উলিয়াই তাৰে দুখন-মান বিনয়ক দি বাকী তিনিখন নিজৰ মুখত সুমুৱাই চোবাই চোবাই ক'লে,— "মোৰ শশীমুখীক তো তুমি জানাই। দেখাই শুনাই বৰ বেয়া নহয়, মানে বাপেকৰ দৰে হোৱা নাই। বয়স প্ৰায় দহৰ ওচৰা-উচৰি হ'ল। এতিয়া তাইক উলিয়াই দিবৰ সময় হৈছে। কোনোবা অকৰ্মণ্যৰ হাতত পৰেগৈ বুলি ভাবি মোৰ নিশা টোপনিকে নাহে।"

বিনয়ে ক'লে,—"আপুনি ইমান ব্যস্ত হৈছে, কিয় ? এতিয়াও বহুত সময় আছে।"

মহিম,—নিজৰ ছোৱালী থাকিলে কিয় ব্যস্ত হৈছোঁ বুজিলাহেঁতেন। বছৰ পাৰ হোৱাৰ লগে লগে বয়স আপোনা-আপুনি আগবাঢ়ে, কিন্তু দৰা তো নিজে নিজে নাহে। সেই কাৰণেই দিন যিমানেই যায়, মনো সিমানেই ব্যাকুল হৈ পৰে। এতিয়া তুমি যদি অলপ আশা দিয়া, তেন্তে হয়তো দুদিনমান ৰবও পাৰোঁ।

বিনয়,—মোৰ তো বৰ বেচি মানুহৰ লগত চিনা-জনা নাই। কলিকতাত আপোনালোকৰ ঘৰৰ বাহিৰে আন কাৰো ঘৰৰ লগত মোৰ চিনাকি নাই বুলিলেই হয়। তথাপি মই বিচাৰি চাম।

মহিম,—শশীমুখীৰ স্বভাৱ চৰিত্ৰ তো জানাই।

বিনয়,—নিশ্চয় জানো। তাইক সৰুৰেপৰা দেখিছোঁ। বৰ ভাল ছোৱালী।

মহিম,—তেনেহলে আৰু বেচি দূৰলৈ বিচৰাৰ কি দৰ্কাৰ বোপাই ? এইজনী ছোৱালী তোমাৰ হাততেই দিম আৰু।

বিনয়ে অপ্ৰস্তুত হৈ ক'লে,—"কিনো কয় আপুনি ?"

মহিম,—কিয় ? কিনো অন্যায় কথা কলোঁ ? অৱশ্যে জাতত তোমা-লোক আমাতকৈ বহুত ওপৰত। কিন্তু বিনয়, ইমান পঢ়া-শুনা কৰি তুমি যদি জাত মানা, তেনেহলেনো কেনেকৈ হব ?

বিনয়,—নহয়, নহয়, জাতৰ কথা নহয়। কিন্তু বয়সত যে——

মহিম,—কি নো কোৱা ? শশীমুখীৰ বয়স কম হ'ল নে ? হিন্দু ঘৰৰ ছোৱালীহে, মেম চাহাব তো নহয়। সমাজক তো উকুৱাই দিলে নচলিব।

মহিম সহজতে এৰা বিধৰ মানুহ নহয়। বিনয়ক তেওঁ অস্থিৰ কৰি তুলিলে। অৱশেষত বিনয়ে ক'লে,—"মোক ভাবিবলৈ কিছু সময় দিয়ক।"

মহিম,—মইতো আজি ৰাতিয়েই দিন বাৰ ঠিক নকৰোঁ।

বিনয়,—তথাপিও ঘৰৰ মানুহক—

মহিম,—উঁ, সেইটো হয়। তেওঁলোকৰ মত লব লাগিব সঁচা। তোমাৰ খুৰাদেৱেৰা জীৱিত থকা অৱস্থাত তেখেতৰ অমতত তো একো হব নোৱাৰে।

এইবুলি জেপৰপৰা দ্বিতীয় তামোলৰ টোপোলাটো উলিয়াই খাই শেষ কৰি কথাটো প্ৰায় ঠিকেই হোৱা যেন দেখুৱাই মহিম গুচি গ'ল গৈ।

কিছুদিনৰ আগেয়ে আনন্দময়ীয়ে বিনয়ৰ আগত শশীমুখীৰ বিয়াৰ প্ৰস্তাৱটো আলেঙে আলেঙে উলিয়াই চাইছিল। কিন্তু বিনয়ে কথাটোলৈ মন-কাণেই কৰা নাছিল। আজিও যে প্ৰস্তাৱটো বৰ সুবিধাজনক যেন লাগিল, তেনে নহয়; কিন্তু তথাপিও কথাটো অলপ যেন বিনয়ৰ মনত লাগিল। এই বিয়াখনৰ যোগেদি মিতিৰ হ'লে গোৰাই কেতিয়াও তাক আঁতৰাব নোৱাৰিব বুলি বিনয়ে ভাবিলে। বিয়াৰ লগত হৃদয়ৰ আৱেগক জোৰা দিয়া কথাটো সি অতদিনে চাহাবিয়ানা বুলিয়েই ঠাট্টা কৰি আহিছিল। সেই বাবেই শশীমুখীক বিয়া কৰোৱাটো সি একো অসম্ভৱ বুলি নেভাবিলে। বৰ্ত্তমান মহিমৰ এই প্ৰস্তাৱটোৰ বিষয়ে গোৰাৰ লগত পৰামৰ্শ কৰাৰ এটা উপলক্ষ ওলোৱা কাৰণেই সি সুখী হ'ল। বিনয়ৰ ইচ্ছা যে গোৰাই এই বিষয়ে তাক অলপ জোৰকৈ ধৰা-মেলা কৰক। মহিমক সহজতে সন্মতি নিদিলে মহিমে যে গোৰাৰ হতুৱাই তাক অনুৰোধ কৰাবৰ চেষ্টা কৰিব ইয়াত বিনয়ৰ একো সন্দেহ নাছিল।

এইবোৰ ভবা-চিন্তা কৰোঁতে কৰোঁতে বিনয়ৰ মনৰ বেজাৰ পাতলিল। সি তেতিয়াই গোৰাৰ ঘৰলৈ যাওঁ বুলি চেলেংখন কান্ধত পেলাই ওলাই গ'ল। কিছুদূৰ যোৱাৰ পিচত পিচ ফালৰপৰা কোনোবাই তাক "বিনয় ককাইদেউ" বুলি মতা শুনিলে। উভতি চাই সতীশে তাক মতা দেখা পালে।

সতীশৰ লগত বিনয় আকৌ উভতি আহিল। সতীশে জেপৰপৰা ৰুমালেৰে বন্ধা টোপোলা এটা উলিয়াই ক'লে,—"ইয়াত কি আছে কওঁক চোন?"

বিনয়ে 'মৰা মানুহৰ লাওখোলা' 'কুকুৰৰ পোৱালি' ইত্যাদি নানান ধৰণৰ অসম্ভৱ বস্তুৰ নাম কৈ সতীশৰ বকনি শুনিলে। তেতিয়া সতীশে টোপোলাটো খুলি পাঁচোটামান ক'লা ক'লা ফল উলিয়াই সুধিলে,—"এইবোৰ কি কওকচোন?"

বিনয়ে মুখত বিহকে আহিল তাকে ক'লে। অৱশেষত পৰাজয় স্বীকাৰ কৰাত সতীশে ক'লে ৰেঙ্গুনত তাৰ এজন মোমায়েক আছে। তেখেতে-

তাৰপৰা এইবোৰ ফল তাৰ মাকলৈ পঠিয়াই দিছে। আৰু মাকে তাৰেই পাঁচোটা বিনয়লৈ উপহাৰ পঠিয়াইছে।

ব্ৰহ্মদেশৰ মেঙ্গোষ্টিন ফল তেতিয়াৰ দিনত কলিকতাত ৰবকৈ পাবলৈ নাছিল। সেই কাৰণে বিনয়ে ফলবোৰ লব্যাই-চৰাই, টেপি-টুপি চাই ক'লে,—"সতীশ, ফলবোৰ পিচে কেনেকৈনো খায় ?"

সতীশে বিনয়ৰ এই অজ্ঞতা দেখি হাঁহি হাঁহি ক'লে,—"চাব, কামুৰি নেখাব আকৌ—কটাৰীৰে কাটি খাব লাগে।"

আজি কিছু সময়ৰ আগতে সতীশে নিজে এই ফল কামুৰি খোৱাৰ নিষ্ফল চেষ্টা কৰি ঘৰৰ মানুহৰ আগত হাঁহিয়াতৰ পাত্ৰ হৈছিল। সেই কাৰণে বিনয়ৰ এই অনভিজ্ঞতাত জ্ঞানীৰ দৰে হাঁহিবলৈ পাই তাৰ মনৰ বেজাৰ আঁতৰ হ'ল।

তাৰ পিচত এই বয়সৰ মিল নথকা বন্ধু দুজনে কিছু পৰ হাঁহি-ধেমালি কৰি কটোৱাৰ পিচত সতীশে ক'লে,—"বিনয় ককাইদেউ, আপোনাৰ সময় থাকিলে আয়ে আজি আপোনাক এবাৰ আমাৰ ঘৰলৈ মাতিছে। আজি লীলাৰ জন্মদিন।"

বিনয়ে ক'লে,—"আজি ভাই মোৰ সময় নহব, আজি মই অইন এঠাইলৈ যাব লাগিব।"

সতীশ,—ক'লৈ যাব ?

বিনয়,—মোৰ বন্ধুৰ ঘৰলৈ।

সতীশ,—আপোনাৰ সেই বন্ধুজন ?

বিনয়,—ওঁ।

'বন্ধুৰ ঘৰলৈ যাব পাৰে কিন্তু আমাৰ ঘৰলৈ নেযায়, বিনয়ৰ এই যুক্তিটো সতীশে বুজিব নোৱাৰিলে। বিশেষকৈ বিনয়ৰ এই বন্ধুজনক সতীশৰ অকণো ভাল লগা নাই। তেওঁ যেন স্কুলৰ হেড মাষ্টৰতকৈয়ো কঢ়া মানুহ। অৰ্গেন শুনাই কোনোবাই তেওঁৰপৰা প্ৰশংসা পাব—তেওঁ তেনেকুৱা মানুহেই নহয়। বিনয়ৰ এনেকুৱা এজন মানুহৰ ওচৰলৈ যোৱাৰ দৰ্কাৰ থকাটো সতীশে ভাল নেপালে। সি ক'লে,—"নহয় বিনয় ককাইদেউ, আপুনি আমাৰ ঘৰলৈ ব'লক।"

বিনয়ে মনে মনে খুব দপ্‌দপাই আছিল যে সি এইবাৰ আৰু মাতিলেও পৰেশ ভট্টাচাৰ্য্যৰ ঘৰলৈ নেযায়—,গোৰাৰ কাষলৈহে যাব। আহত বন্ধুত্বৰ অভিমানক আজি সি ক্ষুণ্ণ হবলৈ নিদিয়ে। গোৰাৰ প্ৰতি বন্ধুত্বৰ গৌৰৱক সকলোতকৈ উচ্চ আসন দিয়াটোকে সি স্থিৰ কৰিছিল।

কিন্তু পৰাজিত হৰলৈ বিনয়ৰ বেচি পৰ নেলাগিল। সঙ্কোচ কৰি কৰিও, মনে মনে আপত্তি কৰি কৰিও, অৱশেষত লৰাটোৰ হাতত ধৰি সেই আঠসত্তৰ নম্বৰ ঘৰ থকা বাটেদিয়েই সি বাবলৈ ধৰিলে। বৰ্ম্মাৰ পৰা অহা দুৰ্লভ কলৰ কেটামান বিনয়লৈ মনত পেলাই পঠিয়াই দি সিহঁতে যি আত্মীয়তা দেখুৱাইছে, তাৰ মল্য নিদিয়াটো বিনয়ৰ পক্ষে অসম্ভৱ আছিল।

বিনয়ে পৰেশ ভট্টৰ ঘৰৰ কাষলৈ আহি পানু বাবুৰ আৰু কেইজনমান অচিনাকি মানুহক পৰেশ ভট্টৰ ঘৰৰপৰা ওলাই অহা দেখা পালে। লীলাৰ জন্মদিনত সিহঁতৰ দুপৰীয়া ভাত খোৱাৰ নিমন্ত্ৰণ আছিল। পানু বাবুৱে বিনয়ক নেদেখাৰ ভাও জুৰি গুচি গ'ল।

ঘৰত সোমায়েই বিনয়ে হাঁহিৰ খিল্‌খিলনি আৰু দপদপাই দৌৰি ফুৰাৰ শব্দ শুনা পালে। সুধীৰে লাৱণ্যৰ চাবি চুৰ কৰিছে, যাথোন সেয়ে নহয়, ডেৰেজৰ ভিতৰত লাৱণ্যৰ যি বহী আছিল আৰু সেই বহীত কবিত্ব -প্ৰাৰ্থিনীৰ হাঁহিৰৰ জোখাই যি উপকৰণ আছিল তাকেই সুধীৰে এই দস্যু সমাজত উলিয়াই দিব বুলি ভয় দেখুৱাইছিল। ইয়াকে লৈয়েই উভয় পক্ষৰ মাজত টনা-আজোৰা লাগি থাকোঁতে সেই ৰঙ্গ-ভূমিত বিনয়ে প্ৰৱেশ কৰিলে।

তাক দেখি লাৱণ্যৰ দলটো নিমিষতে অন্তৰ্দ্ধ্যান হ'ল। সতীশেও সিহঁ-তৰ ধেমালিৰ ভাগ লবলৈ পিচে পিচে লৰ মাৰিলে। অলপ পিচতে সুচৰিতা কোঠালৈ সোমাই আহি ক'লে,—"আয়ে আপোনাক অলপ বহিবলৈ কৈছে, তেখেত এতিয়াই আহিব। দেউতা অনাথহঁতৰ ঘৰলৈ গৈছে। তেখেত অহাতো পলম নহব।"

সুচৰিতাই বিনয়ৰ সঙ্কোচ গুচুৱাবৰ কাৰণে গোৰাৰ কথা উলিয়ালে। তাই হাঁহি হাঁহি ক'লে, "তেখেত বোধকৰোঁ আমাৰ ইয়ালৈ আৰু কেতিয়াও নাহিব।"

বিনয়ে সুধিলে,—"কিয় ?"

সুচৰিতাই ক'লে,—"আমি মতা মানুহৰ আগত ওলোৱা দেখি তেখেতে নিশ্চয় আচৰিত হৈছে। ঘৰুৱা কাম-কাজৰ বাহিৰে ছোৱালীবোৰক আন ঠাইত দেখিলে তেখেতে বোধকৰোঁ সিহঁতক শ্ৰদ্ধা কৰিব নোৱাৰে।"

এই কথাৰ উত্তৰ দিয়াত বিনয়ে অলপ অসুবিধা পালে। কথাটোৰ প্ৰতিবাদ কৰিব পৰা হলেই সি ভাল পালেহেঁতেন। কিন্তু মিছা কথানো কেনেকৈ কয় ? বিনয়ে ক'লে,—"গোৰাৰ মতে ছোৱালীবোৰে ঘৰুৱা কামত সম্পূৰ্ণ মনযোগ নিদিলে সিহঁতৰ কামৰ প্ৰতি একাগ্ৰতা নেথাকে।"

সুচৰিতাই ক'লে,—"তেনেহলে মতা আৰু তিৰোতাই ঘৰৰ বাহিৰ আৰু ভিতৰখনক পুৰাকৈ ভগাই লোৱা হলেই তো ভাল হ'লহেঁতেন। মতা মানুহবোৰক ঘৰৰ ভিতৰ সোমাব দিয়া হয় কাৰণেই কিজানি সিহঁতে বাহিৰা কামবোৰ ভালদৰে কৰিব নোৱাৰে। আপুনিও আপোনাৰ বন্ধুৰ মতকে মানে নে কি ?"

নাৰী-নীতিৰ বিষয়ে এতিয়ালৈকে বিনয়ে গোৰাৰ মতকে মানি আহিছিল। এই বিষয়ে সি কাগজত লিখা-লিখিও কৰিছে। কিন্তু সেইটোৱেই তাৰ নিজৰ মত বুলি এতিয়া তাৰ মুখেদি ওলাব নুখুজিলে। সি ক'লে,—"চাওক, আচলতে এইবোৰ বিষয়ত আমি অভ্যাসৰ দাস। সেই কাৰণেই ছোৱালীবোৰক বাহিৰত ওলোৱা দেখিলে আমাৰ মনত খোকোকা লাগে। অন্যায় বা অকৰ্ত্তব্য বুলি বেয়া লগাটো আমি মাথোন জোৰকৈ প্ৰমাণ কৰিবলৈ যত্ন কৰোঁ। যুক্তিটো ইয়াৰ উপলক্ষহে মাথোন, সংস্কাৰটোহে আচল।"

সুচৰিতাই ক'লে,—"আপোনাৰ বন্ধুৰ মনত বোধকৰোঁ সংস্কাৰবোৰ বৰ দৃঢ় নহয় নে ?"

বিনয়,—ওপৰে ওপৰে চালে তেনে যেনেই লাগে। কিন্তু এটা কথা আপুনি মনত ৰাখিব যে আমাৰ দেশৰ সংস্কাৰবোৰক আটাইতকৈ শ্ৰেষ্ঠ বুলি ভাবে কাৰণেই যে তেওঁ এই সংস্কাৰবোৰ ইমান দৃঢ় ভাৱে মানি চলে, সেইটো নহয়; দেশৰ প্ৰতি থকা অন্ধ অশ্ৰদ্ধাৰপৰাই আমি দেশৰ সকলো প্ৰথাকে অৱজ্ঞা কৰিব খুজিছিলোঁ বুলিয়েই তেওঁ এই প্ৰলয় কাৰ্য্যত বাধা দিবলৈ থিয় দিছে। তেওঁৰ মতে প্ৰথমতে আমি দেশখনক শ্ৰদ্ধা আৰু প্ৰীতিৰে আপোন কৰি লব লাগিব। দেশক ভালদৰে চিনি পাব লাগিব। তাৰ পিচত স্বাভাৱিক স্বাস্থ্যৰ নিয়ম অনুযায়ী সংশোধন আপোনা-আপুনি হব।

সুচৰিতাই ক'লে,—"আপোনা-আপুনিয়েই হয় যদি ইমান দিনে হোৱা নাই কিয় ?"

বিনয়,—নোহোৱাৰ কাৰণ হ'ল, আমি অতদিনে আমাৰ গোটেই দেশখনক, গোটেই জাতিটোক একতাৰ ডোলেৰে বান্ধিব পৰা নাই। আমি এতিয়ালৈকে আমাৰ দেশৰ মানুহক অশ্ৰদ্ধা নকৰিলেও শ্ৰদ্ধা কৰা নাছিলোঁ অৰ্থাৎ দেশৰ মানুহলৈ লক্ষ্যই কৰা নাছিলোঁ, আৰু সেইবাবে তাৰ শক্তিও জাগি উঠা নাছিল। এসময়ত বেমাৰীলৈ চকু নিদি তাক বিনা চিকিৎসাৰে, বিনা পথ্যেৰে পেলাই থোৱা হৈছিল। এতিয়া তাক ডাক্তৰখানালৈ অনা হৈছে হয়, কিন্তু ডাক্তৰে তাক ইমান বেচি অশ্ৰদ্ধা কৰে যে এই

এটাকৈ তাৰ অঙ্গ-প্ৰত্যঙ্গবোৰ কাটি পেলোৱাৰ বাহিৰে ডাক্তৰৰ আৰু দীঘলীয়া শুশ্ৰূষাৰে সৈতে চিকিৎসা কৰিবলৈ ধৈৰ্য্য নাই। এই সময়তে মোৰ বন্ধু ডাক্তৰজনে কৈছে যে মোৰ এই পৰমাত্মীয়জনক চিকিৎসাৰ কোবত একেবাৰে শেষ কৰি পেলোৱাটো মই সহিব নোৱাৰোঁ। এতিয়া মই এই কটা-ছিঙাবোৰ একেবাৰে বন্ধ কৰি দিম আৰু প্ৰয়োজনীয় আহাৰ পাতি খুৱাই প্ৰথমতে তাৰ নিজৰ ভিতৰৰ জীৱনী-শক্তিক জগাই তুলিম। তাৰ পিচত কটা-ছিঙা কৰিলেও ৰোগীয়ে সহিব পাৰিব। আৰু কটা মেলা নকৰিলেও কিজানি বেমাৰী নিজে নিজে ভালো হৈ যাব পাৰে। গোৰাই কয়, গভীৰ শ্ৰদ্ধাই হৈছে আমাৰ দেশৰ বৰ্ত্তমান অৱস্থাৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় আহাৰ। এই শ্ৰদ্ধাৰ অভাৱৰ বাবেই আমি আমাৰ দেশক একান্তভাৱে চিনিব পৰা নাই। আৰু নিজৰ দেশক চিনিব নোৱাৰাৰ বাবেই দেশৰ কাৰণে কৰা ব্যৱস্থাবোৰো কু-ব্যৱস্থা হৈ পৰিছে। নিজৰ দেশক ভাল নেপালে দেশখনক ভালকৈ চিনি পোৱাৰো ধৈৰ্য্য নেথাকে; আৰু দেশক চিনি নেপালে দেশৰ ভাল কৰিব বিচাৰিলেও ভাল কৰিব নোৱাৰি।

সুচৰিতাই অনপ অলপকৈ বিন্ধি যোৱা কথা কৈ কৈ গোৰাৰ বিষয়ে হোৱা আলোচনা শেষ হবলৈ নিদিলে। বিনয়েও গোৰাৰ হৈ তাৰ কবলগীয়া আটাইবোৰ খুব ভালকৈয়ে কবলৈ ধৰিলে। ইমান যুক্তিপূৰ্ণ কথা অতবোৰ উদাহৰণেৰে ইমান পৰিপাটিকৈ সি আৰু কেতিয়াও কোৱা নাই। গোৰায়ো তাৰ নিজৰ মতবোৰ এনেকৈ বুজাই কব পাৰিব নে নোৱাৰে সন্দেহ হয়। নিজৰ বুদ্ধি আৰু প্ৰকাশ ক্ষমতাৰ অপূৰ্ব্ব উত্তেজনাত বিনয়ৰ নিজৰ বৰ ভাল লাগিল। আনন্দত তাৰ মুখখন উজ্জ্বল হৈ উঠিল। বিনয়ে ক'লে,— "চাওক শাস্ত্ৰত কয়, আত্মানং বিদ্ধি,—নিজক চিনি পোৱা। নহলে একোতে মুক্তি নাই। মই আপোনাক কওঁ, মোৰ বন্ধু গোৰা ভাৰতবৰ্ষৰ এই আত্মবোধৰ প্ৰকাশ ৰূপে আবিৰ্ভূত হৈছে। তাক মই সামান্য মানুহ বুলি ভাবিব নোৱাৰোঁ। আমাৰ সকলোৰে মন যেতিয়া তুচ্ছ আকৰ্ষণত, নতুনৰ প্ৰলোভনত বহিৰ্মুখী হৈ পৰিছে তেতিয়া এই এজন মানুহেই মাথোন আটাইবোৰ বেমেজালিৰ মাজত অটল ভাৱে থিয় হৈ সিংহ গৰ্জ্জনেৰে সেই পুৰণি মন্ত্ৰ মাতিছে—আত্মানং বিদ্ধি।

এই আলোচনা আৰু বহু পৰ চলিলেহেঁতেন। সুচৰিতায়ো বৰ মনযোগেৰে শুনি আছিল। কিন্তু হঠাতে সতীশে সিকাষৰ কোঠাটোৰ পৰা চিঞৰি চিঞৰি আবৃত্তি আৰম্ভ কৰি দিলে—

"নকৰা কাতৰ স্বৰে নকৰি বিচাৰ
জীৱন সপোন সম মায়াৰ সংসাৰ।"

যেচেবা সতীশে ঘৰৰ আলহী-অতিথিৰ আগত তাৰ বিদ্যা জাহিৰ কৰিবলৈ অকণো সুবিধাকে নেপায়। লীলায়ো আন কি ইংৰাজী কবিতা আওৰাই সভা গৰম কৰি ৰাখে। কিন্তু সতীশক বৰদাসুন্দৰীয়ে নেৰাডে। অথচ সকলো বিষয়তে লীলাৰ লগত সতীশৰ এটা প্ৰতিদ্বন্দ্বিতা আছে। কোনো প্ৰকাৰে লীলাৰ দৰ্প খৰ্ব্ব কৰিব পৰাটোৱেই সতীশৰ জীৱনৰ প্ৰধান সুখ। বিনয়ৰ সন্মুখত যোৱা কালি লীলাৰ পৰীক্ষা হৈ গৈছে। নমতাকৈয়ে সতীশে তেতিয়া তাইক হৰুৱাবলৈ কোনো ধৰণৰ চেষ্টাকে কৰিব নোৱাৰিলে। চেষ্টা কৰা হলেও বৰদাসুন্দৰীয়ে তেতিয়া তাক আমোল নিদিলেহেঁতেন। সেই কাৰণেই সি আজি কাষৰ কোঠাৰপৰা নিজ মনে চিঞৰি চিঞৰি কাব্য চৰ্চ্চা কৰিবলৈ আৰম্ভ কৰি দিলে। তাকে শুনি সুচৰিতাই আৰু হাঁহি ৰখাব নোৱাৰিলে।

এনেতে লীলাই তাইৰ খোলা বেণী দুলাই দুলাই কোঠাত সোমাই সুচৰিতাৰ ডিঙিত ধৰি তাইৰ কাণে কাণে কিবা এটা ক'লে। লগে লগে সতীশে লৰি আহি তাইৰ পিচ ফালে থিয় হৈ সুধিলে,—“বাৰু লীলা, কোৱাচোন ‘মনযোগ’ মানে কি ?”

লীলাই ক'লে,—“নকওঁ।”

সতীশে ক'লে,—“ইঃ নকওঁ! নাজানা কাৰণেহে নোকোৱা।”

বিনয়ে সতীশক কাষলৈ টানি আনি হাঁহি হাঁহি ক'লে,—“তুমিয়েই কোৱাচোন বাৰু মনযোগ মানে কি ?”

· সতীশে সগৰ্ব্বে মূৰ দাঙি ক'লে,—“মনযোগ মানে মনোনিবেশ।”

সুচৰিতাই সুধিলে,—“মনোনিবেশ বুলিলেনো কি বুজায় ?”

আপোন মানুহৰ বাহিৰে মানুহক এনে বিপদত আৰু আন কোনে পেলাব পাৰে ? সতীশে প্ৰশ্নটো যেন শুনাই নাই, এনে ভাও জুৰি কোঠাটোৰপৰা জপিয়াই জপিয়াই ওলাই গ'ল গৈ।

বিনয়ে আজি পৰেশ ভট্টৰ ঘৰৰপৰা সোনকালে বিদায় লৈ গোৰাৰ কাষলৈ যোৱাটো একেবাৰে স্থিৰ কৰি আহিছিল। বিশেষকৈ গোৰাৰ কথা কওঁতে কওঁতে গোৰাৰ কাষলৈ যোৱা উৎসাহো তাৰ মনত প্ৰবল হৈ উঠিল। সেই কাৰণে সি ঘড়ীত চাৰি বজা শুনি লৰালৰিকৈ চকীৰ পৰা উঠিল।

সুচৰিতাই ক'লে,—“আপুনি এতিয়াই যাব নে কি ? আয়ে আপোনাৰ বাবে জলপান কৰিছে। আৰু অকণমান পিচত গলে নহয় নে ?”

বিনয়ৰ কাৰণে এইটো তো প্ৰশ্ন নহয়, এইটো হুকুম। সি খিতাতে আকৌ বহিল। লাৱণ্যই বং-চঙীয়া চিক্কৰ কাপোৰ পিন্ধি সাজি-পাৰি কোঠাটোলৈ সোমাই আহি ক'লেহি,—"বাইদেউ, জলপান হ'ল। আয়ে ছাতলৈকে মাতিছে।"

ছাতলৈ আহি বিনয়ে খোৱাত মন দিবলগীয়া হ'ল। বৰদাসুন্দৰীয়ে তেখেতৰ গোটেই কেইটি সন্তানৰ জীৱন বৃত্তান্ত আলোচনা কৰিবলৈ ধৰিলে। ললিতাই সুচৰিতাক ভিতৰলৈ টানি লৈ গ'লহি। লাৱণ্যই এখন চকীত তলমূৰলৈ বহি দুডাল লোহাৰ শলাৰে উল গেঁঠিাত লাগিল। উল গেঁঠোতে তাইক কেতিয়াবাতে কোনোবা এজনে তাইৰ কোমল আঙুলিবোৰ অগা-পিচা কৰা বৰ ধুনীয়া দেখি বুলি কৈছিল। তেতিয়াৰেপৰা মানুহৰ আগত বিনা কাৰণতে উল গেঁঠাটো তাইৰ অভ্যাস হৈ গৈছিল।

পৰেশ ভট্ট আহিল। সন্ধিয়াও হৈ আহিল। আজি দেওবাৰ—উপা-সনা মন্দিৰলৈ যোৱাৰ কথা। বৰদাসুন্দৰীয়ে বিনয়ক সুধিলে,—"যদি আপত্তি নাই, তেন্তে আমাৰ লগত সমাজলৈ যাব নে?"

ইয়াৰ পিচত আৰু একো ওজৰ আপত্তি কৰিব নোৱাৰিলে। দুখন গাড়ীত দুভাগ হৈ উঠি আটাইবোৰ উপাসনা মন্দিৰলৈ গ'ল। উভতি আহিবলৈ বুলি গাড়ীত উঠিবলৈ ধৰোঁতেই হঠাতে সুচৰিতাই চক্ খাই উঠি ক'লে,—"সৌৱা, গৌৰমোহন গৈছে।"

গোৰাই যে সিহঁতৰ দলটোক দেখা পাইছিল, তাত কাৰো একো সন্দেহ নাছিল। কিন্তু সি নেদেখা ভাও জুৰি বেগাই গুচি গ'লগৈ। গোৰাৰ এনেকুৱা উদ্ধত, অভদ্ৰ ব্যৱহাৰ দেখি বিনয়ে পৰেশ ভট্টহঁতৰ আগত লাজত তলমূৰ কৰিলে। বিনয়ক এই দলটোৰ মাজত দেখিহে গোৰা ইমান খৰকৈ বিমুখ হৈ গুচি যোৱা বুলি বিনয়ে ভালকৈ বুজিলে। ইমান পৰে তাৰ মনত জ্বলি থকা আনন্দৰ বন্তিগছ একেবাৰে নুমাই গ'ল। সুচৰিতাই বিনয়ৰ মনৰ ভাৱ আৰু লগতে তাৰ কাৰণটোও তেতিয়াই বুজি পালে। গোৰাৰ বিনয়ৰ নিচিনা বন্ধুৰ প্ৰতি এই অবিচাৰ আৰু ব্ৰাহ্ম সমাজৰ প্ৰতি থকা অন্যায়, অশ্ৰদ্ধাৰ কাৰণে তাৰ ওপৰত সুচৰিতাৰ আকৌ খং উঠিল। যিকোনো প্ৰকাৰে গোৰাৰ পৰাজয় হোৱাটোকে তাই মনে-মনে কামনা কৰিলে।

১৪

গোৰা দুপৰীয়া ভাত খাবলৈ বহোঁতে আনন্দময়ীয়ে লাহে লাহে কথা উলিয়ালে,—"আজি পুৱা বিনয় আহিছিল। তোৰ লগত দেখা হৈছিল নে?

গোৰাই পাতৰপৰা মূৰ নদঙাকৈয়ে ক'লে,—"ওঁ, হৈছিল।"

আনন্দময়ীয়ে ভালেনাৰ পৰ মনে মনে থাকি ক'লে—"তাক মই ৰবলৈ কৈছিলোঁ, কিন্তু সি কিবা অন্য মনস্ক হৈ গুচি গ'ল গৈ।"

গোৰাই একো নেমাতিলে। আনন্দময়ীয়ে ক'লে—"তাৰ কিবা এটা বেজাৰ লাগিছে গোৰা। তাক মই এনেকুৱা কেতিয়াও দেখা নাই। মোৰ মনটো বৰ বেয়া লাগি আছে।"

গোৰাই মনে মনে খাবলৈ ধৰিলে। বৰ মৰম কৰে বুলিয়েই হবলা আনন্দময়ীয়ে পেটে পেটে গোৰাক অলপ ভয়ো কৰিছিল। সি নিজে নিজেই নকলে কোনো কথাৰ কাৰণে তেখেতে কেতিয়াও তাক জোৰ নকৰিছিল। আনদিনা হোৱা হলে ইয়াৰ পিচত তেখেতে মনে মনে থাকিল-হেঁতেন, কিন্তু আজি বিনয়ৰ বাবে তেখেতৰ বৰ বেজাৰ লাগি আছিল সেয়েহে তেখেতে আকৌ ক'লে, "চোৱাঁ গোৰা, এটা কথা কওঁ, খং নকৰিবাঁ। ভগৱানে অলেখ মানুহ সৃজিছে, কিন্তু সকলোৰে বাবে একেটা পথকে মুকলি কৰি দিয়া নাই। বিনয়ে তোমাক তাৰ নিজৰ জীৱনটোৰ দৰেই ভাল পায় আৰু সেই কাৰণে সি তোমাৰ সকলো কথাকে সহি থাকে। কিন্তু সেইবুলি তাক তোমাৰ বাটেদিয়েই নিবলৈ জোৰ কৰাটো উচিত নহব।"

গোৰাই ক'লে,—"আই আৰু অলপ গাখীৰ আনি দিয়া আক'।"

কথাটো ইয়াতে শেষ হ'ল। খোৱা-বোৱাৰ পিচত আনন্দময়ীয়ে তেখেতৰ বিছনাত মনে মনে বহি চিলাই কৰিবলৈ ধৰিলে। লছমিয়াই ঘৰৰ আন এটা চাকৰৰ দুৰ্ব্ব্যৱহাৰৰ বিষয়ে আনন্দময়ীৰ লগত কথা পাতিবলৈ মিছাকৈয়ে চেষ্টা কৰি কৰি শেষত মজিয়াতে বাগৰি শুই থাকিল।

গোৰাই চিঠি-পত্ৰ লিখি বহু সময় কটালে। বিনয়ে আজি পুৱা গোৰাই তাৰ ওপৰত খং উঠাটো ভালকৈ জানি গৈছে। তথাপিও বিনয়ে এই কাজিয়া মিট্-মাট কৰিবলৈ গোৰাৰ ওচৰলৈ নহাকৈ থাকিবই নোৱাৰিব বুলি ভাবি গোৰাই সকলো কামৰ মাজতে বিনয়ৰ ভৰিৰ খোজৰ শব্দৰ কাৰণে কাণ পাতি আছিল।

বেলি পৰি আছিল—কিন্তু বিনয় নাহিল। লিখিবলৈ এৰি গোৰাই উঠেঁ উঠেঁ। কৰি থাকোঁতেই মহিম আহি কোঠাটোত সোমালহি। আহিয়েই চকী এখনত বহি ক'লে —"গোৰা. শশীমুখীৰ বিয়াৰ বিষয়ে কিবা ভাবিছানে ?"

এই বিষয়ে গোৰাই এদিনলৈকে একো ভবা নাছিল। সেই কাৰণে সি অপৰাধীৰ দৰে মনে মনে থাকিবলগীয়া হ'ল।

বজাৰত দৰাৰ উচচ মূল্য আৰু ঘৰত টকা-পইচাৰ অভাৱৰ কথা আলোচনা কৰি মহিমে গোৰাক এটা উপায় ভাবি উলিয়াবলৈ ক'লে। গোৰাই ভাবি-চিন্তি একো ওৰ নোপোৱা দেখি তেৱেঁই তাৰ এই চিন্তাৰ শেষ কৰিবৰ বাবে বিনয়ৰ কথা উলিয়ালে। ইমান ঘূৰাই পকাই কথৰ কোনো দৰকাৰ নাছিল। কিন্তু আচল কথা হৈছে মহিমে গোৰাক মুখেৰে বিয়েই নকওক, পেটে পেটে হলে ভয় কৰিছিল।

এই প্ৰসঙ্গত বিনয়ৰ কথা ওলাব পাৰে বুলি গোৰাই সপোনতো ভবা নাছিল। বিশেষকৈ সি আৰু বিনয়ে কেতিয়াও বিয়া-বাৰু নকৰি দেশৰ কামতে জীৱন উৎসৰ্গ কৰিবলৈ স্থিৰ কৰিছিল। গোৰাই সেই কাৰণে ক'লে, "বিনয়ে বিয়া কৰাব ?"

মহিমে ক'লে,—"এয়ে তোমালোকৰ হিন্দুৱানি নে কি ? হেজাৰ টিকনি বাখা আৰু ফোঁট লোৱা, চাহাবিয়ানা তোমালোকৰ হাড়ৰ মাজেদি ফুটি ওলায়। শাস্ত্ৰৰ মতে বিয়া কৰোৱাটোৱেই বামুণৰ ল'বাৰ এটা সংস্কাৰ, সেই কথা জানা জানো ?"

মহিমে আজি-কালিৰ ল'ৰাৰ দৰে নীতি-নিয়ম একেবাৰে উকলাই নিদিয়ে, ইপিনে শাস্ত্ৰৰ কাষো নেচাপে। হোটেলৰ খানা খাই বাহাদুৰী মৰাটোক তেওঁ অতিমাত্ৰাই দেখুৱাৰ খোজা বুলি ভাবে; আকৌ গোৰাৰ দৰে সদায় শ্ৰুতিস্মৃতি খুচৰি থকাটোকো তেওঁ সুস্থ মগজৰ মানুহৰ লক্ষণ বুলি নেভাবে। কিন্তু যস্মিন দেশে যদাচাৰ :,—গোৰাৰ আগত শাস্ত্ৰৰ অজুহাত দেখুৱাবলগীয়া হ'ল।

দুদিনমান আগতে এই প্ৰস্তাৱটো অহা হলে গোৰাই সমলি মন-কাণেই নিদিলেহেঁতেন। আজি সি কথাটো একেবাৰে উলাই কৰিবলগীয়া নহয় বুলি ভাবিলে। অন্ততঃ এই প্ৰস্তাৱটো লৈ এতিয়াই বিনয়ৰ ঘৰলৈ যোৱাৰ এটা উপলক্ষ ওলাল।

গোৰাই শেষত ক'লে, "বাৰু বিনয়ৰ মনটো বুজি চাওঁ।"

মহিমে ক'লে,—"সেইটো আৰু চাব নেলাগে। তোমাৰ কথা সি

একোতেই পেলাব নোৱাৰে। সকলো ঠিকেই হৈ আছে। তুমি মাথোন কলেই হব।"

সেই সন্ধিয়া গোৰা বিনয়ৰ ঘৰ আহি ওলালহি। মুহাৰ দৰে তাৰ ঘৰত সোমাই দেখে যে তাত কোনো নাই। লগুৱাটোক মাতি সোধাত সি বিনয় আঠসত্তৰ নম্বৰ ঘৰলৈ যোৱা বুলি ক'লে। শুনিয়েই গোৰাৰ গোটেই মনটো তিকাৰ খাই উঠিল। যাৰ কাৰণে আজি সি গোটেই দিনটো চট্‌ফটাই আছিল সেই বিনয়ে গোৰাৰ কথা মনত পেলাবলৈ সময়কে নেপায়। গোৰাই অভিমানেই কৰক বা দুখেই পাওক বিনয়ৰ তো আৰু শান্তি বা সান্ত্বনাৰ একো ব্যাঘাত নঘটে।

পৰেশ ভট্টৰ পৰিয়ালৰ বিৰুদ্ধে, ব্ৰাহ্ম সমাজৰ বিৰুদ্ধে, গোৰাৰ অন্তৰ একেবাৰে বিষাক্ত হৈ উঠিল। সি ভীষণ মূৰ্ত্তি ধৰি পৰেশ ভট্টৰ ঘৰৰ ফালে কোবাকুবিকৈ যাবলৈ ধৰিলে। তালৈ গৈ এনে কিছুমান কথা উলিয়াবলৈ মন আছিল, যিবোৰ শুনি সেই ব্ৰাহ্ম-পৰিয়ালটোৰ হাড়ত পোৰণি উঠিব আৰু বিনয়ৰো বৰ বিশেষ ভাল নেলাগিব।

পৰেশ ভট্টৰ ঘৰলৈ গৈ ঘৰত কোনো নাই বুলি শুনিলে। আটাইবোৰ উপাসনা মন্দিৰলৈ গৈছে। হঠাৎ তাৰ সন্দেহ হ'ল বিনয় কিজানি তালৈ যোৱা নাই,—সি হয়তো এতিয়া গোৰাৰ ঘৰলৈকে গৈছে।

গোৰাই আৰু ৰব নোৱাৰিলে। সি তাৰ স্বাভাৱিক ধুমুহাৰ গতিৰে মন্দিৰৰ ফালে যাবলৈ ধৰিলে। দুৱাৰ মুখলৈ গৈ বিনয়ক বৰদাসুন্দৰীৰ পিচে পিচে আহি সিহঁতৰ গাড়ীত উঠা দেখিলে। গোটেই আলিবাটৰ মাজত নিলাজৰ দৰে আন পৰিয়ালৰ ছোৱালীবোৰৰ লগত একেখন গাড়ীতে বহিছেগৈ। মূৰ্খ! নাগপাশত এইদৰেই বান্ধ খাব লাগে নে? ইমান সোনকালে? ইমান সহজে? তেনেহলে বন্ধুত্বৰ একো মূল্যই নাই! গোৰাই ধুমুহাৰ দৰেই বেগাই গুচি গ'ল গৈ। গাড়ীৰ এন্ধাৰৰ মাজত আলিবাটৰ ফালে চাই বিনয় মনে মনে থাকিল।

আচাৰ্য্যৰ উপদেশে বিনয়ক গুণ দিছে বুলি ভাবি বৰদাসুন্দৰীয়ে আৰু একো কথা নকলে।

১৫

বাতি গোৰা ঘৰলৈ উভতি আহি এদ্ধাৰ ছাতৰ ওপৰত ঘৰি কুবিবলৈ ধৰিলে।

তাৰ নিজৰ ওপৰতে বৰ খং উঠিল। দেওবাৰটো সি কিয় বাক এইদৰে অবাবতে কটালে? কোনোবাই কাৰোবাৰ লগত প্ৰেম কৰিব আৰু সেই কাৰণেই আন সকলো কাম-বন মাটি কৰিবলৈ গোৰাৰ তো এই পৃথিৱীত জন্ম হোৱা নাই! বিনয় যি বাটেদি যাব ধৰিছে সেই বাটত তাক বাধা দিবলৈ যত্ন কৰিলে মাথোন সময় নষ্ট আৰু নিজৰ মনকহে দুখ দিয়া হব। এতেকে এতিয়াৰপৰা জীৱনৰ যাত্ৰা পথত বিনয়ৰ লগত এৰা-এৰি হব লগা হ'ল বুলি গোৰাই থিৰ কৰিলে। গোৰাৰ জীৱনত এই এজনেই বন্ধু আছিল। আজি তাকেই পৰিত্যাগ কৰি গোৰাই তাৰ ধৰ্ম্মকেই সত্য কৰি তুলিব। এই বুলি ভাবি জোৰেৰে হাত জোকাৰি জোকাৰি বিনয়ৰ লগত সকলো সম্পৰ্ক যেন আজিৰপৰা সি ছিঙি পেলালে।

এনেতে মহিমে ফোপাই-জোপাই ছাতলৈ উঠি আহি কলেহি,—"মানুহৰ পাখিয়েই নাই যেতিয়া এই তিনিমহলীয়া ঘৰবোৰনো সাজিব লাগিছে কিয়? পৃথিৱীৰ নৰ-মনিচ হৈ স্বৰ্গত বাস কৰিব খুজিলে স্বৰ্গৰ দেৱতাবোৰে নসহে। পিচে বিনয়ৰ তালৈ গৈছিলা নে?"

গোৰাই পোনপটীয়াকৈ উত্তৰ নিদি ক'লে,—"বিনয়ৰ লগত শশীমুখীৰ বিয়া হব নোৱাৰে।"

মহিম,—কিয়, বিনয়ৰ মন নাই নে কি?

গোৰা—মোৰ মত নাই।

মহিমে হাতখন ওভোতাই ক'লে,—"বাঃ! এইটো আকৌ এটা নতুন সমস্যা ওলাল দেখিছোঁ। তোমাৰ মন নাই। পিচে কাৰণটো নো কি শুনিব পাৰোনে?"

গোৰা,—বিনয়ক আমাৰ সমাজত ধৰি ৰখাটো বৰ টান হব বুলি মই ভালদৰে বুজিছোঁ। তাৰ লগত আমাৰ ঘৰৰ ছোৱালীৰ বিয়া হব নোৱাৰে।

মহিম,—বহুতো হিন্দুৱানি দেখিছোঁ, কিন্তু এনেকুৱা আৰু কতো দেখা নাই। কাশী-ভাটপাড়াকো হৰুৱাই দিলা একেবাৰে। তুমি দেখিছোঁ ভৱিষ্যৎ চাই বিধি দিয়া। কোনোবা দিনাখন কবা যে সপোনত দেখিছোঁ খৃষ্টান হৈছা, এতেকে গোবৰ খাই পৰাচিত হব লাগিব।

বহুতো বলকি শেষত মহিমে ক'লে,—"ছোৱালী হ'ল বুলি জো আৰু সৰ্ব্বৰ হাতত গতাব নোৱাৰি। লিখা-পঢ়া জনা চোকা ল'ৰাই মাজে-সময়ে শাস্ত্ৰক ডেই যাবই। তাৰ বাবে তাৰ লগত তৰ্ক কৰা, তাক ভাবিও দিয়া— কিন্তু সেইবুলি বিয়াখন ভাঙি দি মাজ মূৰত মোৰ ছোৱালীজনীক দো শাস্তি দিয়া কিয়? তোমালোকৰ আটাইবোৰ ওভোতা বিচাৰ দেও হে।"

মহিমে তললৈ আহি আনন্দময়ীক কলেহি,—"আই, তোমাৰ গোৰাক এতিয়া চম্ভালা গৈ।"

আনন্দময়ীয়ে উদ্‌বিগ্ন হৈ সুধিলে,—"কিনো হৈছে?"

মহিম—শশীমুখীৰ লগত বিনয়ৰ বিয়াখন মই একপ্ৰকাৰ ঠিকেই কৰি পেলাইছিলোঁ। বিনয়কো ৰাজী কৰাইছিলোঁ। কিন্তু ইতিমধ্যে আমাৰ গোৰাই বিনয় পুৰাপুৰিকৈ হিন্দু নহয় বুলি ভালদৰে বুজিব পাৰিছে। মনু-পৰাশৰৰ মতৰ লগত বোলে বিনয়ৰ মতৰ অলপ অচৰপ অমিল হয়। সেইদেখি গোৰাই এতিয়া আপত্তি কৰিছে। সি আপত্তি কৰিলে কেনেকৈ আকোৰ্গোজালি দি ধৰে জানাই। কলিকালৰ জনক ৰজাই গোৰাক ৰাজী কৰাব পাৰিলে সীতাক বিয়া দিম বুলি পণ কৰা হলে মই বাজি মাৰি কব পাৰোঁ যে স্বয়ং শ্ৰীৰামচন্দ্ৰও হাৰি গ'লহেঁতেন। মনু-পৰাশৰৰ পিচতে গোটেই পৃথিৱীৰ ভিতৰত সি একমাত্ৰ তোমাকহে মানে। এতিয়া তুমি কিবা এটা উপায় কৰি দিলেহে ছোৱালীজনীও উদ্ধাৰ হয়। এনে-কুৱা দৰা আৰু বিচাৰিলেও নেপাম।

এই বুলি মহিমে আজি ছাতৰ ওপৰত গোৰাৰ লগত পতা সকলো কথা-বতৰা বহলাই ক'লে। বিনয়ৰ লগত গোৰাৰ কাজিয়াখন গহীনেই হৈ উঠা দেখি আনন্দময়ীৰ পেটে পেটে বৰ চিন্তা লাগিল।

আনন্দময়ীয়ে ওপৰলৈ আহি গোৰাক ছাতৰপৰা নামি গৈ কোঠাৰ ভিতৰত এখন চকীত বহি আন এখন চকীত ভৰি দুখন তুলি দি পুথি এখন পঢ়ি থকা পালেগৈ। আনন্দময়ীয়ে তাৰ কাষলৈ চকী এখন টানি নি বহিল। গোৰাই সমুখৰ চকীৰপৰা ভৰি দুখন নমাই পোন হৈ বহি আনন্দ-ময়ীৰ মুখলৈ চালে।

আনন্দময়ীয়ে ক'লে,—"বোপা গোৰা, মোৰ এটা কথা তই শুনিবই লাগিব। বিনয়ৰ লগত তই দ্বন্দ্ব নকৰিবি। মোৰ ওচৰত তহঁত দুয়োটা ভাই-ককাইৰ দৰে। তহঁতৰ মাজত কাজিয়া লাগিলে মই সহিব নোৱাৰিম।"

গোৰাই ক'লে,—"বন্ধুৱে বান্ধোন ছিঙিব খুজিলে মই তাৰ পিচে পিচে চাপলি মেলি সময় নষ্ট কৰিব নোৱাৰোঁ।"

Please handle the book carefully!

আনন্দময়ীয়ে ক'লে,—"বোপাই, তইঁতৰ মাজত নো কিখন লাগিছে মই সেইবোৰৰ ভু নেপাওঁ। কিন্তু বিনয়ে তোৰ লগত বান্ধোন ছিঙিব খোজা বুলি যদি তই বিশ্বাস কৰ, তেনেহলে তোৰ বন্ধুত্বৰ জোৰনো ক'ত থাকিল ?"

গোৰা,—আই, মই পোন বাটেদি যাবলৈ ভাল পাওঁ। দুই তাল মাৰি চলিব খোজাবোৰৰ লগত মোৰ বাহি-জোৰা নাহে। দুই নাৱত দুই ভৰি দিয়াৰ অভ্যাস থকাবোৰে মোৰ নাৱৰপৰা ভৰি আঁতৰাব লাগিব। ইয়াত মোৰ কষ্ট হলেও হওক আৰু তাৰ কষ্ট হলেও হওক।

আনন্দময়ী,—কিনো হৈছে কচোন বোপাই ? সি ব্ৰাহ্ম ঘৰলৈ অহা-যোৱা কৰে এইটোহে তাৰ দোষ! নহয় জানো ?"

গোৰা—সেইবোৰ বহুতো কথা আই।

আনন্দময়ী,—হওক বাৰু বহুতো কথা, কিন্তু মই তোক কথা এটা কওঁ গোৰা। তোৰ সকলো বিষয়তে ইমান বেচি জেদ্ যে এবাৰ তই যি জেদ্ ধৰ তাৰপৰা তোক লৰাবলৈ গোসাঁইৰো সাধ্য নাই। কিন্তু বিনয়ৰ বিষয়ে তই ইমান ঢিলা কিয় ? আজি তোৰ অবিনাশে যদি এইদৰে দল এৰি দিব খুজিলেহেঁতেন তই তাক ইমান সহজে এৰিলি হয় ? তোৰ বন্ধু বুলি-য়েই জানো সি আনবোৰতকৈ সৰু ?

গোৰাই মনে মনে ভাবিবলৈ ধৰিলে। আনন্দময়ীৰ কথাবোৰ শুনি গোৰাই নিজে নিজৰ মনটোক ফট্ফটীয়াকৈ দেখা পালে। অতপৰে সি কৰ্ত্তব্যৰ বাবে বন্ধুত্বক বিসৰ্জ্জন দিবলৈ ওলোৱা বুলি ভাবি আছিল। কিন্তু এতিয়া ঠিক তাৰ ওলোটাটোহে কৰিবলৈ ওলোৱা বুলি স্পষ্টকৈ বুজি পালে। তাৰ বন্ধুত্বৰ অভিমানত আঘাত লাগিছিল বুলিয়েই সি বিনয়ৰ বন্ধুত্বৰ আটা-ইতকৈ ডাঙৰ শাস্তি দিবলৈ ওলাইছিল। সি এতিয়া বুজি পালে যে বন্ধু-ত্বৰ ডোলেৰে বিনয়ক বান্ধি ৰখাটোৱেই আটাইতকৈ উজু।

তেখেতৰ কথাবোৰ গোৰাৰ মনত অলপ সাঁচ বহুৱাইছে বুলি গম ধৰিব পাৰি আনন্দময়ীয়ে আন একোকে নকৈ লাহেকৈ উঠি যাবলৈ ওলাল। গোৰায়ো খপ্ কৰে উঠি কাষত চেলেংখন পেলাই ল'লে।

আনন্দময়ীয়ে সুধিলে,—"কলৈ যাব গোৰা ?"

গোৰাই ক'লে,—"মই বিনয়ৰ ঘৰলৈ যাওঁ।"

আনন্দময়ী,—ভাত হৈ আছে। খাই যাবি দেই।

গোৰা,—মই বিনয়ক লৈ আহোঁগৈ ব'বা। সিও মোৰ লগত ইয়াতে খাবহি।

আনন্দময়ীয়ে আৰু একো নেমাতি তললৈ নামি যাবলৈ ধৰিলে। ছিৰীত খোজৰ শব্দ শুনি হঠাতে বৈ গোৰাই ক'লে,—"মৌৰা বিনয় আহিছেই।"

কওঁতে নকওঁতেই বিনয় আহি ওলালহি। আনন্দময়ীৰ চকুজোৰ চলচলীয়া হৈ গ'ল। তেখেতে বিনয়ৰ গায়ে মূৰে মৰমৰে হাত ফুৰাই ক'লে,—"তই আকৌ ভাত পানী খাই আহিলি নে কি?"

বিনয়ে ক'লে,—"নাই খোৱা আই।"

আনন্দময়ী,—তেনেহলে তই ইয়াতে খাব লাগিব।

বিনয়ে এবাৰ গোৰাৰ মুখলৈ চালে। গোৰাই ক'লে,—"বিনয়, তুমি বহুদিন জীয়াহে। তোমাৰ তালৈকে যাবলৈ ওলাইছিলোঁ।"

আনন্দময়ীৰ বুকুৰ বোজাটো পাতল হৈ যোৱা যেন লাগিল। তেখেত লৰালৰিকৈ তললৈ নামি গ'ল গৈ।

দুয়ো বন্ধু কোঠাত সোমাই আহি বহাৰ পিচত গোৰাই সাধাৰণ কথা এটা দুটা উলিয়াই ক'লে,—"জানা, আমাৰ লৰাবোৰৰ কাৰণে এজন বেচ ভাল ব্যায়াম শিক্ষক পাইছোঁ। তেওঁ বঢ়িয়াকৈ শিকাইছে।"

মনৰ ভিতৰত গুজৰি গুমৰি থকা আচল কথাটো কোনোজনেই উলিয়াবলৈ সাহ নকৰিলে।

দুয়ো ভাত খাবলৈ বহোঁতে আনন্দময়ীয়ে সিহঁতৰ কথা বতৰাৰপৰা বুজিব পাৰিলে যে তেতিয়ালৈকে সিহঁত দুয়োৰে মনৰ খোকোজা আঁতৰি যোৱা নাই। মনৰ আঁৰ-কাপোৰ তেতিয়াও দণ্ডা হোৱা নাই। তেখেতে ক'লে,—"বিনয়, নিশা বহুতো হ'ল। তুমি আজি ইয়াতেই শুই থাকা। তোমাৰ ঘৰলৈ মই খবৰ এটা পঠিয়াই দিওঁ।"

বিনয়ে চাৎ কৈ গোৰাৰ মুখলৈ চাই ক'লে,—"ভুক্ত্বা ৰাজবদাচৰেৎ। ভাত খাই উঠি খোজকঢ়া উচিত নহয়। ইয়াতেই শুই থাকিম বাৰু।"

খাই বৈ উঠি দুয়ো বন্ধু ছাতলৈ আহি পাটী পাৰি বহিলহি। ভাদ মাহ পৰিছে। গোটেই আকাশখন শুক্লপক্ষৰ জোনাকেৰে উপচি পৰিছে। পাতল শুকুলা ডাৱৰবোৰে চকামকা টোপনিৰ জালৰ দৰে মাজে মাজে একোবাৰ জোনটোক আঁৰ কৰি ধৰি লাহে লাহে উৰি গৈছেগৈ। দিগন্তলৈকে বিয়পি থকা এই সীমাসংখ্যা হীন নানা আকাৰৰ ওখ চাপৰ ছাতবোৰে জোনৰ পোহৰ আৰু মেঘৰ ছাঁত এক অদ্ভুত অবাস্তৱ ৰূপ লৈছে।

গিৰ্জ্জাৰ ঘড়ীত এঘাৰ বজাৰ ঘণ্টা পৰিল। বৰফৱালাবোৰে শেষ বাৰৰ বাবে চিঞৰি চিঞৰি গুচি গ'ল গৈ। আলিবাটত গাড়ীৰ শব্দও

লাহে লাহে নোহোৱা হৈ আহিল। গোৰাইতৰ চুবুৰিটো প্ৰায় সকলো মানুহেই শুলে, মাথোন সিকাষৰ ঘৰখনৰ যোবাশালৰ কাঠৰ চাঙৰপৰা যোৰাৰ খুৰাৰ শব্দ মাজে মাজে একোবাৰ শুনা গৈছিল। ৰবৰাত দুই এটা কুকুৰেও ভুকি আছিল।

দুয়ো বহু সময় মনে মনে থাকিল। তাৰ পিচত বিনয়ে প্ৰথমে অলপ সঙ্কোচেৰে আৰু শেষত একেবাৰে হলৃহলাই তাৰ মনৰ কথাৰ বাছোন মোকোলাই দিলে। বিনয়ে ক'লে, "ভাই গোৰা। মোৰ বুকুখন কিবা এটাই হেঁচা মাৰি ধৰি থকা যেন লাগিছে। মই জানো, তুমি এইবোৰ ভাল নোপোৱা, কিন্তু তোমাক নক'লেও যে মই জী থাকিব নোৱাৰোঁ। মই যে ভাল বেয়া একোকে বুজিব নোৱাৰা হলোঁ। কিন্তু এইটো ধ্ৰুব সত্য যে এইবোৰ কথাত ফাকি দিব নোৱাৰি। পুথিত বহুতো কথা পঢ়িছোঁ আৰু অতদিনে আটাইবোৰ কথা জানো বুলিয়েই ভাবিছিলোঁ। ঠিক ছবিত পানী দেখি সাতোৰটো অতি সহজ বুলি ভবাৰ দৰেই ভাবিছিলোঁ। কিন্তু আজি পানীত পৰি এক নিমষতে বুজিব পাৰিছোঁ—এইটো সহজ কথা নহয়।"

এইবুলি বিনয়ে তাৰ জীৱনৰ এই আচৰিত ঘটনাটো এক মনেৰে গোৰাৰ আগত কৈ যাব ধৰিলে।

বিনয়ে কবলৈ ধৰিলে,—"আজি-কালি তাৰ মনত ওৰেদিন ওৰে ৰাতিৰ ভিতৰত কতো অকণো শূন্যতা নেথাকে। গোটেই আকাশ জুৰি যেন কেনিও এটি সুৰঙাও নাই। গোটেই আকাশখন যেন একেবাৰে পাৰ ভাঙি উপচি পৰিছে—বসন্ত কালত মৌ-কোঁহ মৌৰে উপচি পৰি বৈ যাব খোজাৰ দৰেই। আগেয়ে এই বিশ্ব-ব্ৰহ্মাণ্ডৰ বহুখিনিয়েই তাৰ জীৱনৰ সীমাৰেখাৰ বাহিৰত পৰি আছিল। প্ৰয়োজনৰ অতিৰিক্ত একোৱেই তাৰ চকুত নপৰিছিল। কিন্তু আজি যেন গোটেই বিশ্ব-ব্ৰহ্মাণ্ডখনেই তাৰ সমুখলৈ আগবাঢি আহিছে। সকলোৱে যেন তাক স্পৰ্শ কৰিছে। গোটেই পৃথিৱীখন যেন এটা নতুন অৰ্থেৰে ভৰি পৰিছে। পৃথিৱীক যে সি ইমান ভাল পায়, আকাশখন যে ইমান আচৰিত, পোহৰ যে ইমান অপূৰ্ব্ব, আলিবাটৰ অচিনাকি জনতাৰ সোঁত যে ইমান দকৈ সত্য—এইবোৰ সি আগতে একোৱেই নেজানিছিল। নিজৰ জীৱনটো সকলোৰে কামত লগাবলৈ তাৰ আজি বৰ মন গ'ল। আকাশৰ বেলিটোৰ দৰে তাৰ সকলোখিনি শক্তিকে জগতৰ কিবা এটা কামত চিৰকালৰ বাবে লগাবলৈ তাৰ আজি বৰ ধাউতি হ'ল।

বিনয়ে এইবোৰ কথা বিশেষ কাৰোবাৰ সম্পৰ্কে কোৱা বুলি হঠাতে বুজিব নোৱাৰি। সি যেন কাৰো নাম মুখলৈ আনিব নোৱাৰে। উন্‌কিয়াৰ খুজিলেও যেন কিবা এটা সঙ্কোচে তাক আগুৰি ধৰে। এই যে আলোচনা কৰিছে—ইয়াৰ বাবেও তাৰ নিজকে কাৰোবাৰ ওচৰত অপৰাধী যেন লাগিল। ই অন্যায়,—ই অপমান—কিন্তু তথাপি এই নিজান নিশা নিস্তব্ধ আকাশৰ তলত বন্ধুৰ কাষত বহি সি এই অন্যায় নকৰাকৈ কোনোমতেই নোৱাৰিলে।

আঐ দেহি! কি আচৰিত সেই মুখখনি! প্ৰাণৰ জেউতি তাইৰ কোমল গালত কি অপূৰ্ব্ব আভাৰে জিলিকি উঠিছে। হাঁহিলে তাইৰ অন্তৰখন কেনে সুন্দৰ, কেনে উজ্জ্বল হৈ পৰে। কপালত তাইৰ কেনে বুদ্ধিৰ ৰেখা! আৰু সেই ঘন চেনাউৰিজুৰিৰ তলত চকু জুৰিৰ কি যে গভীৰ দৃষ্টি। আৰু সেই হাত দুখনিয়ে সেৱা আৰু মৰম এই দুটি বস্তুকে যেন জীৱনত ৰূপ দিবলৈ বৈ আছে। যেন কিবা কথাহে কব। নিজৰ জীৱন যৌৱন ধন্য হোৱা বুলি ভাবি আনন্দতে বিনয়ৰ বুকুখন ওফন্দি পৰিছিল। পৃথিবীৰ সৰহভাগ মানুহৰে এই সুখচছবি কেতিয়াও নেদেখাকৈয়ে জীৱন ওৰ পৰে—সেই ছবি বিনয়ে চকুৰ আগত ইমান ফট্‌ফটীয়াকৈ দেখা পোৱাতকৈ আৰু আচৰিত কথা নো কি আছে!

কিন্তু এইবোৰ জানো বলিযালি? এইবোৰ জানো অন্যায়? হওক অন্যায়, তথাপিতো আৰু ভেটা দি ৰাখিব নোৱাৰি। এই সোঁতে উটুৱাই নি কোনোবা এটা পাৰত তুলি দিয়েগৈ যদি তো ভালেই হয়। কিন্তু যদি মাথোন উটুৱাই লৈয়েই গৈ থাকে, যদি একেবাৰে তললৈকে লৈ যায়? তথাপি তো উপায় নাই। কিন্তু আচল কথা হ'ল, ইয়াৰপৰা উদ্ধাৰ পাবলৈকো তো সত নেযায়। ইমান দিনৰ সংস্কাৰ আৰু জীৱনৰ সকলো স্থিতি হেৰুৱাই গুচি যোৱাটোৱেই যেন জীৱনৰ সাৰ্থক পৰিণাম।

গোৰাই মনে মনে গুণিবলৈ ধৰিলে। এইখন ছাততে এনে নিজান জোনাক ৰাতি কতদিন দুয়ো কত কথা পাতিছে—কিমান সাহিত্য, কিমান লোক-চৰিত্ৰ, কিমান সমাজ হিতৰ আলোচনা, ভৱিষ্যৎ জীৱনৰ বিষয়ে কতনো প্ৰতিজ্ঞা। কিন্তু এনেকুৱা কথা ইয়াৰ আগেয়ে তো আৰু কেতিয়াও পতা নাই। মানুহৰ অন্তৰত এনে এটা নিগূঢ় সত্য, এনে এটা প্ৰবল প্ৰকাশ গোৰাই তো আগেয়ে কেতিয়াও দেখা নাই। এইবোৰ কথাক সি অতদিনে কাব্যিক আবৰ্জ্জনা বুলিয়েই উপলুঙা কৰি আহিছে। কিন্তু আজি এনে চকুৰ আগত দেখা পাই সি আৰু অস্বীকাৰ কৰিব নোৱাৰিলে।

মাখোন সেয়েই নহয়, ইয়াৰ বতাহে যেন তাৰ মনো পৰণি গ'লছি। ইয়াৰ আনন্দই যেন তাৰ গোটেই শৰীৰত বিজুলী খেলি গ'লছি। তাৰ যৌৱনৰ এটি গোপন অংশৰ আঁৰ-কাপোৰ যেন এক মুহূৰ্ত্তৰ বাবে বতাহত উৰি গ'ল আৰু অতদিনৰ সেই বন্ধ কোঠাত আজি শাৰদীয় নিশাৰ জোনাকে যেন এক অপৰূপ মায়াৰ সৃষ্টি কৰিলে।

জোনটো চাওঁতে চাওঁতে ক্ষীণ হৈ আহিল। টোপনিত বিবিভি উঠা হাঁহিৰ দৰে পূব দিগন্তত মৃদু পোহৰ বিবিঙি উঠিছে। ইমান পৰৰ পিচতহে বিনয়ৰ মনটো পাতল লাগিল। লগে লগে তাৰ লাজো লাগিল। অলপ সময় মনে মনে থাকি সি ক'লে, "মোৰ এই কথাবোৰ তোমাৰ কাৰণে অতি তুচ্ছ কথা। তুমি হয়তো পেটে পেটে মোক হাঁহিছা আৰু অৱজ্ঞা কৰিছা। কিন্তু কি কৰিম কোৱাঁ? তোমাৰ আগত কেতিয়াও একোকে লুকুৱা নাই। আজিও নলুকুৱালোঁ। এতিয়া তুমি বুজিলেও বুজিবা আৰু নুবুজিলেও নুবুজিবা।"

গোৰাই ক'লে.—বিনয়, এইবোৰ কথা মই বুজি পাওঁ বুলি কব নোৱাৰোঁ। দুদিনমান আগতে তুমিও নুবুজিলাহেঁতেন। জীৱনৰ নানান ঘটনাৰ মাজত এইবোৰ আবেগ আৰু অনুভূতিক আজিলৈকে নিতান্ত তুচ্ছ বুলিয়েই যে উপলব্ধি কৰি আহিছোঁ—এই কথা মই অস্বীকাৰ নকৰোঁ। কিন্তু সেইবুলি এইটো সঁচাসঁচিকৈ তুচ্ছ হয়তো নহয়। ইয়াৰ শক্তি, ইয়াৰ গভীৰতা মোৰ চকুত পৰা নাই বুলিয়েই হয়তো মই ইয়াক এটা মায়া বা মৰীচিকা বুলি ভাবিছোঁ। কিন্তু আজি তোমাৰ এনে এটা তীব্ৰ অনুভূতিক মিছা বুলিনো কেনেকৈ কওঁ? আচল কথা হ'ল, মানুহে নিজৰ কৰ্ত্তব্যৰ পৰিধিৰ বাহিৰত থকা বস্তুবোৰক ক্ষুদ্ৰ বুলি নভবা হলে কোনো কামেই কৰিব নোৱাৰিলেহেঁতেন। সেই হেতুকেই ভগৱানে দূৰৈৰ বস্তু-বোৰ মানুহৰ চকুৰ আগত সৰুকৈ আঁকি দেখুৱাইছে। আটাইবোৰ সত্যাৰে প্ৰকৃত ৰূপ দেখুৱাই মানুহক তেওঁ আৰু বেচি বিপদত পেলাব খোজা নাই। আমি জীৱনৰ যেই সেই কোনো এটা দিক্ বাছি লব লাগিব, নহলে জীৱনত সত্য দেখাই নেপাম। তুমি য'ত থিয় হৈ সত্যৰ স্বৰূপ দেখিছা, মই হয়তো তালৈ গৈ সেই মূৰ্ত্তিক অভিবাদন জনাব নোৱাৰোঁ। তেনে কৰিলে হয়তো মোৰ জীৱনৰ সত্যকেই হেৰুৱাব লাগিব। ইয়াত কোনো মধ্য পথ নাই। হয় ইফাল, নহয় সিফাল।"

বিনয়ে ক'লে,—"হয় বিনয়, নহয় গোৰা। মই নিজক পৰিপূৰ্ণ কৰিবলৈ খুজিছো, তুমি নিজক ত্যাগ কৰিব খুজিছা।"

গোৰাই অধৈৰ্য্য হৈ কলে, "বিনয়, তুমি মুখে মুখে আৰু পুথি ৰচিব নেলাগে। তোমাৰ কথাৰ পৰা মই এইটো বহিৰাকৈ বুজিছোঁ যে তুমি তোমাৰ জীৱনৰ এটি ডাঙৰ সত্যৰ সমুখত আজি মুখামুখি হৈ থিয় দিছা। এতিয়া আৰু ফাঁকি দিব নোৱাৰা। সত্যক উপলব্ধি কৰিছা যেতিয়া আত্মসমৰ্পণ কৰিবই লাগিব-আৰু অন্য উপায় নাই। মই আজি যি ক্ষেত্ৰত থিয় দিছোঁ, সেই ক্ষেত্ৰৰ সত্যও ঠিক এনেকৈয়ে এদিন উপলব্ধি কৰিব পাৰিম—এয়ে মোৰ আকাঙক্ষা। ইমান দিনে তুমি পুথিত পঢ়া প্ৰেম আৰু ময়ো পুথিৰ দেশপ্ৰেম লৈয়েই ব্যস্ত আছিলোঁ। কিন্তু আজি যি মুহূৰ্ত্তত তোমাৰ জীৱনলৈ আচল প্ৰেম আহিল, সেই মুহূৰ্ত্ততেই তুমি বুজি পালা ই পুথিৰ প্ৰেমতকৈ কিমান সত্য। ইয়েই তোমাৰ সমস্ত পৃথিৱীখন পূৰ্ণ কৰি তুলিছে। ইয়াৰপৰা তুমি যেন এক মুহূৰ্ত্তও আঁতৰি থাকিব নোৱাৰা। যিদিনা মোৰ জীৱনলৈকো দেশপ্ৰেম ঠিক ইমান পূৰ্ণ-ভাৱে, সত্যভাৱে আহিব—সেইদিনা মোৰো এই দশাই হব। সেইদিনা সি মোৰ মন-প্ৰাণ আকাশ-বতাহ দেহৰ সকলো শক্তি এইদৰেই টানি লৈ যাব। বানপানীৰ সোঁতৰ দৰে জীৱন মৃত্যুক একাকাৰ কৰি পেলাব পৰা স্বদেশৰ আচল মূৰ্ত্তি যে কিমান ধুনীয়া কিমান সুনিশ্চিত আৰু তাৰ বেদনা বা আনন্দই নো কিমান মধুৰ, আজি তোমাৰ কথা শুনি শুনি ময়ো কিছু অনুভৱ কৰিব পাৰিছোঁ। তোমাৰ জীৱনৰ অভিজ্ঞতাই আজি মোৰ জীৱ-নকো চুইছেহি। তুমি যি পাইছা সেয়া হয়তো মই কোনোদিনেই বুজিব নোৱাৰিম, কিন্তু মই যি বিচাৰিছোঁ তাৰ সোৱাদ তোমাৰ ভিতৰেদিয়েই পাইছোঁ।"

কথা কৈ কৈ গোৰাই পাটীৰপৰা উঠি ছাতত ঘূৰি ফুৰিবলৈ ধৰিলে। গোৰাৰ কাৰণে পুৱাৰ আভা কোনো এক বাণীৰ দৰে লাগিল--যেন প্ৰাচীন তপোবনৰ কিবা এক বেদমন্ত্ৰহে। হঠাৎ তাৰ শৰীৰটো জিকাৰ খাই উঠিল—সি মুহূৰ্ত্তৰ কাৰণে স্তম্ভিত হৈ পৰিল আৰু তাৰ এনেহে লাগিল যেন তাৰ ব্ৰহ্মৰন্ধ্ৰ ভেদ কৰি ধুনীয়া পদুম এপাহিৰ দৰে কিবা এটা জ্যোতিৰ ৰেখা ওলাই গৈ বিৰাট পদুম ফুল এটা হৈ গোটেইখন আকাশতে ফুলি উঠিল। তাৰ সকলো মন-প্ৰাণ শক্তি যেন পৰম আনন্দত তোলপাৰ লাগিল।

হঠাৎ সাৰপোৱা মানুহৰ দৰে সাৰ পাই গোৰাই ক'লে,—"বিনয়, তুমি এই প্ৰেমো পাৰ হৈ আহিব লাগিব। মোৰ বোধেৰে তুমি তাত ৰৈ থাকিলেই নহব। মোক আহ্বান কৰা মহাশক্তি যে কিমান ডাঙৰ সত্য, এদিন মই তোমাক দেখুৱামেই। আজি মোৰ মনটো বৰ ভাল লাগিছে।

তোমাক আজি আৰু মই আন কাৰো হাতত এৰি দিব নোৱাৰোঁ।"

বিনয় পাটীৰপৰা উঠি আহি গোৰাৰ কাষত থিয় হ'লহি। গোৰাই তাক অপূৰ্ব্ব উৎসাহেৰে দুয়ো হাতেৰে বুকুত আকোৱালি লৈ ক'লে,—"ভাই বিনয় আমি মৰিম, একেলগেই মৰিম। আমি দুয়ো এক—অ,মাক কোনোৱে বিচ্ছিন্ন কৰিব নোৱাৰে—কোনোৱে বাধা দিব নোৱাৰে।"

গোৰাৰ এই গভীৰ উৎসাহৰ জোৱাৰে বিনয়ৰ হৃদয়তো ঢৌ খেলি গ'ল। সি কোনো কথা নকৈ গোৰাৰ এই আকৰ্ষণত নিজক এৰি দিলে।

গোৰা আৰু বিনয় দুয়ো নীৰৱে ওচৰা-উচৰিকৈ বুৰি ফুৰিবলৈ ধৰিলে। পূবৰ আকাশ ৰাঙলী হৈ উঠিল। গোৰাই ক'লে,—"ভাই, মোৰ দেৱীক তো মোৰ সৌন্দৰ্য্যৰ মাজত দেখা পোৱা নাই,—দুৰ্ভিক্ষ, দাৰিদ্ৰ্য, দুখ আৰু অপমানৰ মাজত মোৰ দেৱী আছে। সেই দেৱীক গীত গাই আৰু পুষ্পাঞ্জলি দি পূজা কৰিব নোৱাৰি। সেই দেৱীক নিজৰ জীৱন দি তেজৰ অঞ্জলিৰে পূজা কৰিব লাগিব। আৰু তাকে কৰিব পৰাটোৱেই মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ আনন্দ বুলি মই ভাবোঁ। সেই দেৱীক সুখ-সম্ভোগৰ প্ৰলোভনেৰে ভুলাই ৰাখিব নোৱাৰি। সেই দেৱীৰ সুনিপুণ পূজাৰী হব খুজিলে নিজৰ শক্তিৰেই সম্পূৰ্ণকৈ জাগি উঠিব লাগিব আৰু নিজক বিলাই দিব পাৰিব লাগিব। ইয়াত মাধুৰ্য্য নাই, ইয়াত আছে এটা দুৰ্জ্জয় দুঃসহ আবিৰ্ভাৱ। এইটো নিষ্ঠুৰ, এইটো ভয়ঙ্কৰ। ইয়াৰ মাজতেই আছে সেই সপ্তসুৰৰ নিৰ্ম্মম ঝঙ্কাৰ, যি কেইটা সুৰ একেলগে বাজি উঠিলেই বীণাৰ তাঁৰ ছিঙি যায়। আহা! ভাবিলেই আনন্দত মোৰ হিয়া নাচি উঠে। মোৰ মনেৰে এই আনন্দই পুৰুষৰ আনন্দ—ইয়েই হৈছে জীৱনৰ তাণ্ডৱ নৃত্য। পুৰণিৰ প্ৰলয়-যজ্ঞৰ হোমাগ্নিৰ শিখাৰ ওপৰত নতুনৰ অপৰূপ মূৰ্ত্তি আঁকি দিয়াটোৱেই পুৰুষৰ সাধনা। সোৱা, তেজ বৰণীয়া আকাশত এটি বন্ধনহীন জ্যোতিৰ্ম্ময় ভৱিষ্যৎ দেখা পাইছোঁ—আজি এই পুৱতি নিশাৰ পোহৰতেই দেখিছোঁ। চোৱাঁ মোৰ বুকুৰ মাজত কোনোবাই ডম্বৰু বজাইছে।"

এই বুলি কৈ বিনয়ৰ হাতখন গোৰাই নিজৰ বুকুৰ ওপৰত হেঁচি ধৰিলে।

বিনয়ে ক'লে,—"ভাই গোৰা, মই তোমাৰ লগতে যাম। কিন্তু কেতিয়াও তুমি মোক এইদৰে দোমোজাত পৰিব নিদিবা। একেবাৰে ভাগ্য বিধাতাৰ দৰে নিষ্ঠুৰ হৈ মোক টানি লৈ যাবা। আমাৰ দুয়োৰে একেটাই পথ, কিন্তু শক্তিটো দুয়োৰে সমান নহয়।"

গোৰাই ক'লে,—"আমাৰ স্বভাৱগত পাৰ্থক্য থাকিলেও এটি মহৎ

আনন্দই আমাৰ এই ভিন্ন স্বভাৱক এক কৰি পেলাব। তোমাৰে মোৰে মাজত থকা ভালপোৱাতকৈয়ো ডাঙৰ প্ৰেমে আমাক একে কৰি পেলাব। সেই প্ৰেমে সত্যৰ ৰূপ নোপোৱালৈকে আমাৰ দুয়োৰে মাজত খোজে খোজে বহুতো আঘাত, সংঘাত, বিৰোধ, বিচ্ছেদ ঘটাই থাকিবই। তাৰ পিচত এদিন আটাইবোৰ পাহৰি গৈ, আমাৰ পাৰ্থক্যক আন কি আমাৰ বন্ধুত্বকো পাহৰি গৈ এটা বিৰাট আত্মত্যাগৰ মাজেদি অচল অটল ভাৱে মিলি একে-লগে থিয় দিব পাৰিম। সেই মহা আনন্দকেই আমাৰ বন্ধুত্বৰো শেষ পৰিণতি বুলি মই ভাবোঁ।"

বিনয়ে গোৰাৰ হাতত ধৰি ক'লে,—"সেয়েই হওক।"

গোৰাই ক'লে,—তেতিয়ালৈকে কিন্তু তোমাক মই বহুতো দুখ দিম। মোৰ আটাইবোৰ অত্যাচাৰ তুমি সহি থাকিব লাগিব। কিয়নো, আমাৰ বন্ধুত্বকেই আমাৰ জীৱনৰ শেষ লক্ষ্য বুলি নেভাবিবা। যত্নৰদ্বাৰা কোনো ৰকমে বন্ধুত্ব জীয়াই ৰাখিবলৈ চেষ্টা কৰি এই বন্ধুত্বৰ অসন্মান নকৰোঁ। আদৰ্শৰ শিলত পৰি বন্ধুত্ব ডোখৰ ডোখৰ হৈ ভাঙি গলেও উপায় নাই। কিন্তু জী থাকিলে এদিন নহয় এদিন বন্ধুত্ব সাৰ্থক হবই।"

এনেতে খোজৰ শব্দ শুনি দুয়ো চক্ খাই উভতি চাই আনন্দময়ীক ছাতলৈ অহা দেখা পালে। তেখেতে দুয়োৰে হাতত ধৰি কোঠাৰ ভিত-ৰলৈ টানি লৈ গৈ ক'লে,—"বলা, এতিয়া শুই থাকিবা।"

দুয়ো ক'লে,—"আৰু টোপনি নাহে, আই।"

"আহিব, আহিব" বুলি আনন্দময়ীয়ে দুয়োকো জোৰ কৰি বিছনাত ওচৰা উচৰিকৈ শুৱাই দি ঘৰৰ দুৱাৰ জপাই সিহঁতৰ শিতানত বহি বিচিবলৈ ধৰিলে।

বিনয়ে ক'লে,—"আই, তুমি বিচি থাকিলে আমাৰ টোপনি নাহিব।"

আনন্দময়ীয়ে ক'লে,—"কেনেকৈনো নাহে চাওঁচোন বাৰু। মই শুচি গলেগৈ আকৌ দুয়ো কথা পাতিবলৈহে ধৰিবি। সেইটো আৰু নহব বুজিছ।"

দুয়ো টোপনি যোৱাৰ পিচত আনন্দময়ী লাহে লাহে কোঠাৰপৰা ওলাই আহিল। তেখেতে ছিৰীয়েদি নামিবলৈ ধৰোঁতে মহিমক ওপৰলৈ উঠি অহা দেখিলে। আনন্দময়ীয়ে ক'লে,—"এতিয়া নহয়—যোৱা ৰাতি সিহঁতে মুঠেই শোৱা নাই। মই এই মাত্ৰ সিহঁতক শুৱাই থৈ আহিছোঁ।"

মহিমে ক'লে,—"ঔ মোৰ বোপাই। ইয়াকেই, বোলে বন্ধুত্ব। বাৰু, বিয়াৰ কথা কিবা ওলোৱা বুলি গম পোৱানে?"

আনন্দময়ী,—উঁহো, কব নোৱাৰোঁ।

মহিম,—বোধকৰোঁ কিবা এটা ঠিক হৈছেগৈ। টোপনি নো কেতিয়া ভাঙিব ? সোনকালে বিয়াখন হৈ নোযোৱালৈকে বহুত বিঘিনি আছে।

আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে,—"সিহঁতৰ টোপনি অহা বাবে একো বিঘিনি নঘটে। আজি দিনটোৰ ভিতৰতে সিহঁতৰ টোপনি ভাঙিব।"

১৬

বৰদাসুন্দৰীয়েক'লে,—"আপোনাৰ বাৰু সুচৰিতাক বিয়া দিবৰ মন নাই নে কি ?"

পৰেশ ভট্টই তেখেতৰ সেই শান্ত গহীন ভাবেৰে পকা ডাড়িত কিছুপৰ হাত ফুৰাই ফুৰাই লাহেকৈ ক'লে,—"দৰা নো ক'ত পাওঁ।"

বৰদাসুন্দৰীয়ে ক'লে,—"কিয় ? পানুৰ লগত তাইৰ বিয়া দেখোন কেতিয়াবাৰপৰাই ঠিক হৈ আছে। অন্ততঃ আমি তো সেই বুলিয়েই জানো। আৰু সুচৰিতায়ো তাকে জানে।"

পৰেশ ভট্টই ক'লে.—"পানু মাষ্টৰক. ৰাধাৰাণীয়ে পছন্দ কৰিব বুলি মোৰ চোন মনে নধৰে।"

বৰদাসুন্দৰী,—চাওক, এইবোৰ কথা মোৰ ভাল নেলাগে। সুচৰিতাক মই তো মোৰ নিজৰ ছোৱালী বুলিয়েই ভাবোঁ। কিন্তু এইটোও তো কব লাগিব যে তেওঁনো কি একেবাৰে এনে অসামান্য ? পানু মাষ্টৰৰ দৰে বিদ্বান ধাৰ্ম্মিক মানুহ এজনে তাইক পছন্দ কৰাটো কিবা উৰুৱাই দিবলগীয়া কথা নে কি ? আপুনি যিয়েই নকওক, মোৰ লাৱণ্য কিন্তু তাইতকৈ দেখিবলৈ বহুতো ধুনীয়া। সেই বুলি মই আপোনাক কৈ থলোঁ, আমি বাছি দিয়া দৰাকে তাই বিয়া কৰাব লাগিব। নেযাওঁ, নথওঁখন কৰিব নোৱাৰিব। আপোনালোকে এইদৰে সুচৰিতাৰ গপ্ বঢ়ালে তাইৰ দৰা পোৱাই টান হব।

ইয়াৰ পিচত পৰেশ ভট্টই আৰু একোকে নেমাতিলে। বৰদাসুন্দৰীৰ লগত তেখেতে কেতিয়াও তৰ্ক নকৰিছিল—বিশেষকৈ সুচৰিতাৰ বিষয়ে।

সতীশ ওপজাৰ পিচতে সুচৰিতাৰ মাকৰ মৃত্যু হয়। তেতিয়া তাই সাত বছৰীয়া ছোৱালী। তাইৰ দেউতাক ৰামচৰণ হালদাৰে ঘৈণীয়েকৰ মৃত্যুৰ পিচতে ব্ৰাহ্ম ধৰ্ম্ম গ্ৰহণ কৰে। তাৰ পিচতে ওচৰ চুবুৰিয়াৰ অত্যা-

চাব সহিব নোৱাৰি তেখেতে গাঁও এৰি ঢাকালৈ গুচি আহে। তাতে তেখেতে ডাক-ঘৰত কাম কৰিছিল আৰু তেতিয়াই পৰেশ ভট্টৰ লগত তেখেতৰ ঘনিষ্ঠ বন্ধুত্ব হয়। সুচৰিতাই তেতিয়াৰেপৰাই পৰেশ ভট্টক নিজৰ বাপেকৰ দৰেই মানি আহিছে।

ৰামচৰণ হালদাৰৰ এদিন হঠাৎ মৃত্যু হ'ল। তেখেতৰ সকলো সা-সম্পত্তি, পইচা-পাতি জীয়েক আৰু পুতেকৰ নামে সমানে দুভাগ কৰি "উইল" কৰি থৈ গৈছিল। আৰু ইয়াৰ ব্যৱস্থা কৰাৰ সকলো ভাৰ পৰেশ ভট্টৰ হাতত দি গৈছিল। তেতিয়াৰেপৰা সতীশ আৰু সুচৰিতা পৰেশ ভট্টৰ পৰিয়ালৰ ভিতৰৰে হৈ পৰিল।

ঘৰৰ বা বাহিৰা মানুহে সুচৰিতাক বেচিকৈ মৰম কৰাটো বা তাইৰ প্ৰতি মনোযোগ দিয়াটো, বৰদাসুন্দৰীয়ে দেখিব নোৱাৰিছিল। অথচ যি কাৰণেই নহওক, সুচৰিতাই হলে সকলোৰেপৰা মৰম আৰু শ্ৰদ্ধা পাইছিল। আন কি বৰদাসুন্দৰীৰ জীয়েক কেজনীয়েও সুচৰিতাৰ মৰম পাবলৈ অৰিয়া-অৰি লগাইছিল। বিশেষকৈ মাজু জীয়েক ললিতাই তাইৰ ঈৰ্ষাপৰায়ণ মৰমেৰে সুচৰিতাক দিনে ৰাতিয়ে আগুৰি ৰাখিব খুজি-ছিল।

নিজৰ জীয়েক কেজনীয়ে পঢ়া-শুনাত তেতিয়াৰ দিনৰ আটাইবোৰ বিদুষীকে চেৰ পেলাব পৰাটোৱেই বৰদাসুন্দৰীৰ মনৰ একান্ত আকাংক্ষা আছিল। সুচৰিতাই তেখেতৰ ছোৱালী কেজনীৰ লগত একেলগে ডাঙৰ দীঘল হৈ সকলো বিষয়তে সিহঁতৰ সমকক্ষ হৈ উঠাটো বৰদাসুন্দৰীয়ে মুঠেই ভাল নেপাইছিল। সেই কাৰণে স্কুললৈ যাবৰ পৰত সুচৰিতাৰ সদায় নানা ধৰণৰ বাধা ওলাইছিল।

এইবোৰ বাধাৰ কাৰণ অনুমান কৰি পৰেশ ভট্টই সুচৰিতাক স্কুললৈ যোৱা বন্ধ কৰি দি নিজেই ঘৰতে পঢ়ুৱাবলৈ আৰম্ভ কৰিলে। মাথোন সেয়েই নহয়, সুচৰিতা তেখেতৰ এজনী বিশেষ লগৰীয়াৰ দৰেই হৈ পৰিল। তেখেতে তাইৰ লগত নানা বিষয়ে কথা পাতিছিল আৰু যলৈকে গৈছিল তাইক লগত লৈ গৈছিল। কেতিয়াবা আন ঠাইত থাকিবলৈ বাধ্য হলেও তেখেতে নানান্ বিষয়ে বহলাই আলোচনা কৰি তাইলৈ চিঠি লিখিছিল। এই কাৰণেই সুচৰিতাৰ মনটোও তাইৰ বয়স আৰু অৱস্থাৰ লগত খাপ নোখোৱাকৈ আগবাঢ়ি বহুখিনি পৰিণত হৈ উঠিছিল। তাইৰ মুখত আৰু ব্যৱহাৰত ফুটি ওলোৱা গাম্ভীৰ্য্য দেখি কোনোৱে তাইক সৰু ছোৱালী বুলি ভাবিব নোৱাৰিছিল। বয়সত সমনীয়া হলেও লাৱণ্যই সুচৰিতাক সকলো

বিষয়তে তাইতকৈ ভাত্তৰ বুলি ভাবিছিল। আন কি ইচ্ছা কৰিলেও ৰবদা-সুন্দৰীয়ে কেতিয়াও সুচৰিতাক উলাই কৰিব নোৱাৰিছিল।

হাৰান মাষ্টৰক এজন অতি উৎসাহী ব্ৰাহ্ম বুলি পাঠকসকলে ইতিমধ্যে গম পাইছেই। ব্ৰাহ্ম সমাজৰ সকলো কথাতেই তেওঁ যোগ দিছিল—তেওঁ নৈশ স্কুলৰ শিক্ষক, কাগজৰ সম্পাদক আৰু ছোৱালী স্কুলৰ চেক্রেটাৰী আছিল। কোনো কামতেই তেওঁ আমনি নেপাইছিল। এই ডেকাজনেই এদিন নহয় এদিন ব্ৰাহ্ম সমাজৰ শুবিয়াল হব বুলি সকলোৱে আশা কৰিছিল। বিশেষকৈ তেওঁৰ ইংৰাজী ভাষাত থকা দখল আৰু দৰ্শন-শাস্ত্ৰত থকা বুৎপত্তিৰ সুখ্যাতি স্কুলৰ ছাত্ৰবোৰৰ যোগেদি ব্ৰাহ্ম সমাজৰ বাহিৰতো প্ৰচাৰ হৈছিল।

এনেবোৰ কাৰণতে অন্য ব্ৰাহ্মৰ দৰেই সুচৰিতায়ো হাৰান মাষ্টৰক বিশেষ শ্ৰদ্ধা কৰিছিল। ঢাকা এৰি অহাৰ সময়ত হাৰান মাষ্টৰ লগত কলিকতাত চিনাকি হবলৈ তাইৰ যথেষ্ট আগ্ৰহ হৈছিল।

অৱশেষত বিখ্যাত হাৰান মাষ্টৰৰ লগত চিনাকি হোৱাটোৱেই নহয়, অতি কম সময়ৰ ভিতৰতে সেই হাৰান মাষ্টৰ সুচৰিতাৰ প্ৰতি আকৃষ্ট হোৱাটো প্ৰকাশ কৰিবলৈকো সঙ্কোচ নকৰিলে। সুচৰিতাৰ আগত তেওঁ স্পষ্টকৈ প্ৰেম নিবেদন কৰা নাছিল সঁচা, কিন্তু সুচৰিতাৰ সকলোবোৰ অসম্পূৰ্ণতা পূৰ্ণ কৰা, তাইৰ দোষ শুধৰোৱা, তাইক উৎসাহ দিয়া আৰু তাইৰ সকলো প্ৰকাৰৰ উন্নতি সাধন কৰিবলৈ হাৰান মাষ্টৰ একেবাৰে উঠি-পৰি লাগিল। এই ছোৱালীজনীক বিশেষ ভাৱে শিকাই বুজাই তেওঁ নিজৰ উপযুক্ত সঙ্গিনী কৰিব খুজিছে বুলি কাৰো বুজিবলৈ আৰু বাকী নেথাকিল।

এইবোৰ দেখি-শুনি হাৰান মাষ্টৰৰ প্ৰতি ৰবদাসুন্দৰীৰ সমূলি শ্ৰদ্ধা নোহোৱা হ'ল। তেতিয়া হাৰানক অতি নগণ্য স্কুলমাষ্টৰ বুলি ৰবদাসুন্দৰীয়ে অৱজ্ঞা কৰিবলৈ ধৰিলে।

সুচৰিতায়ো এই বিখ্যাত হাৰান মাষ্টৰৰ চিত্ত জয় কৰিব পাৰিছে বুলি মনে মনে এটা ভক্তিপূৰ্ণ গৰ্ব্ব অনুভৱ কৰিলে।

দেখা দেখিকৈ কোনোৱে প্ৰস্তাৱ নিদিলেও হাৰানৰ লগতে সুচৰিতাৰ বিয়াখন হোৱাটো খাটাং বুলি সকলোৱে ধৰি লৈছিল। সুচৰিতায়ো মনে মনে তাতেই হয়ভৰ দিছিল। ব্ৰাহ্ম সমাজৰ বিবোৰ হিত সাধনৰ বাবে হাৰান মাষ্টৰে জীৱন উৎসৰ্গ কৰিছিল, শিক্ষা আৰু সাধনাৰদ্বাৰা কেনেকৈ সেইবোৰ আয়ত্ত কৰি তেওঁৰ উপযুক্ত হব পাৰে, এইটোৱেই সুচৰি-

তাৰ বিশেষ চিন্তাৰ কাৰণ হৈ পৰিল। কোনোবা তেজ-মঙহৰ মানুহৰ বিয়া কৰাবলৈ ওলোৱা বুলি তাই ভাবিব নোৱাৰা হ'ল। তাইৰ এনেহে লাগিল যেন তাই ব্ৰাহ্ম সমাজৰ কিবা এক মহান মঙ্গলকহে বিয়া কৰাবলৈ ওলাইছে। আৰু যেন সেই মঙ্গল বহুতো গ্ৰন্থপাঠৰদ্বাৰা অতি বিদ্বান আৰু তত্ত্বজ্ঞানৰদ্বাৰা ভৰপৰ। এই বিয়াখনৰ কল্পনাটোৱেই তাইৰ কাৰণে ভয়, সম্ভ্ৰম আৰু দুঃসাধ্য দায়িত্ববোধেৰে নিৰ্মাণ কৰা কিবা এটা শিলৰ দুৰ্গৰ দৰেহে লাগিল। সুখেৰে বাস কৰিবৰ বাবে নহয়, যেন যুঁজ কৰিবৰ বাবেহে। ই পাৰিবাৰিক নহয়, যেন ঐতিহাসিক হে।

এনে অৱস্থাতে বিয়াখন হৈ যোৱা হলে অন্ততঃ কইনাঘৰীয়াই নিজৰ সৌভাগ্য বুলি ভাবিলেহেঁতেন। কিন্তু হাৰান মাষ্টৰৰ নিজৰ মহান জীৱনৰ দায়িত্বৰ বিষয়ে এনেকুৱা উচচ ধাৰণা আছিল যে কেৱলয় মাত্ৰ ভাল লাগি লাগি আকৃষ্ট হৈ বিয়া কৰোৱাটো তেওঁৰ কাৰণে অশোভনীয় বুলি বিবেচনা কৰিলে। এই বিয়াখনৰদ্বাৰা ব্ৰাহ্মসমাজ কিমান পৰিমাণে লাভৱান হব, এইটো পুৰা-পুৰিকৈ হিচাপ নকৰাকৈ তেওঁ বিয়া কৰাবলৈ আগবাঢ়িব নোৱাৰিলে। এই কাৰণেই সুচৰিতাক তেওঁ সেই দৃষ্টিকোণৰপৰা পৰীক্ষা কৰিবলৈ ধৰিলে।

এইদৰে পৰীক্ষা কৰিবলৈ গলে নিজেও পৰীক্ষা দিব লাগে। হাৰান মাষ্টৰ পৰেশ ভট্টৰ ঘৰত আপোন হৈ পৰিল। তেওঁক নিজৰ পৰিয়ালৰ মানুহ-বোৰে 'পানু' বুলি মাতিছিল। সেই পানু নামটো এইখন ঘৰতো জনা-জাত হৈ পৰিল। এতিয়া তেওঁক মাথোন ইংৰাজী বিদ্যাৰ ভাণ্ডাৰ, তত্ত্বজ্ঞানৰ আধাৰ আৰু ব্ৰাহ্ম সমাজৰ মঙ্গলৰ অৱতাৰ বুলি ভবাটো সম্ভৱপৰ নহয়; তেওঁ যে মানুহ, এই চিনাকিটোৱেই এতিয়া সকলোৰে আগত ভাঁহি উঠিল। তেতিয়া আৰু তেওঁ একমাত্ৰ শ্ৰদ্ধা আৰু সম্ভ্ৰমৰ অধিকাৰী নহৈ ভাল লগা বেয়া লগাৰ সীমাৰেখাৰ ভিতৰত আহি পৰিল।

কিন্তু আচৰিত কথা এয়ে যে হাৰান মাষ্টৰৰ যিটো ৰূপে আগেয়ে দূৰৈৰ পৰা সুচৰিতাৰ ভক্তি আকৰ্ষণ কৰিছিল, ওচৰ চাপি অহাত সেই ৰূপেই সুচৰিতাক আঘাত কৰিবলৈ ধৰিলে। ব্ৰাহ্ম সমাজৰ সত্য, মঙ্গল আৰু সুন্দৰৰ অভিভাৱকৰ দৰে হৈ হাৰান মাষ্টৰে সেই সকলোবোৰৰ ৰক্ষাকৰ্ত্তা হৈ পৰাত তেওঁক অতি বিসদৃশ ৰূপে তুচছ যেন লাগিল। সত্যৰ লগত মানুহৰ প্ৰকৃত সম্বন্ধ হ'ল ভক্তিৰ সম্বন্ধ। আৰু ইয়েই মানুহক স্বভা-ৱতে বিনয়ী কৰি তোলে। সেই সত্যয়েই আকৌ মানুহক উদ্ধত আৰু অহঙ্কাৰী কৰিবলৈ হ'লে মানুহে নিজৰ তুচছতাকহে অতি স্পষ্টকৈ প্ৰকাশ

কৰে। এইখিনিতেই পৰেশ ভট্টৰ লগত থকা হাৰানৰ প্ৰভেদকণ সুচৰিতাই মনে মনে বিচাৰ নকৰি নোৱাৰিলে। পৰেশ ভট্টই ব্ৰাহ্ম সমাজৰপৰা যিখিনি লাভ কৰিছে তাৰ বাবে সদায় সুৰ গৌৰাই থাকে। সেই বিষয়ে তেখেতে মুঠেই জহাই নুফুৰে। সেই গভীৰতাৰ মাজত তেখেতে নিজৰ জীৱনটোকে উটুৱাই দিছে। পৰেশ ভট্টৰ শান্ত মুখখনি দেখিলে সত্যক বুকুত বান্ধি লৈ ফুৰাৰ মহত্ত্ব চকুত পৰে। কিন্তু হাৰান মাষ্টৰ তেনেকুৱা নহয়। কামে-কাজে, কথাই-বতৰাই ব্ৰাহ্মৰ নামত তেওঁৰ এটা উগ্ৰ আত্ম-প্ৰকাশৰ অশোভনীয় ৰূপ ফুটি ওলায়। এই বাবে ব্ৰাহ্ম সম্প্ৰদায়ৰ ওচৰত অৱশ্যে তেওঁৰ আদৰ বাঢ়িছিল সঁচা, কিন্তু পৰেশ ভট্টৰ শিক্ষাৰ ফলত সুচৰিতাৰ মনটো সাম্প্ৰদায়িক সঙ্কীৰ্ণতাৰ চাৰিবেৰৰ মাজত আৱদ্ধ হৈ নাছিল বুলিয়েই হবলা, হাৰান মাষ্টৰৰ অতিপাত ব্ৰাহ্মিকতাই তাইৰ স্বাভাৱিক মানৱতাক যেন আহত কৰিছিল। ধৰ্ম্ম সাধনাৰ ফলত হাৰান মাষ্টৰে তেওঁৰ দৃষ্টিশক্তি আচৰিত ধৰণে কটকটীয়া হৈ পৰিছে বুলি ভাবিছিল। আৰু সেই বাবেই তেওঁ আন সকলো মানুহৰে ভাল-বেয়া, সত্যাসত্য আদি অতি সহজেই বুজিব পাৰে। ফলত তেওঁ সকলোকে সদায় বিচাৰ কৰিবলৈ সাজু হৈ থাকে। বিষয়ী মানুহেও পৰ-নিন্দা পৰচৰ্চা কৰে। কিন্তু ধৰ্ম্মৰ নামত কৰা পৰনিন্দাবোৰৰ লগত আধ্যাত্মিক অহঙ্কাৰ মিহলি হলেই সংসাৰত এটা অতি ভয়ানক ধৰণৰ উপদ্ৰৱৰ সৃষ্টি হয়। সুচৰিতাই এইবোৰ একেবাৰেই সহিব নোৱাৰে। ব্ৰাহ্ম সম্প্ৰদায়ৰ বাবে সুচৰিতাৰ মনত গৰ্ব্ব নথকা নহয়। তথাপিও ব্ৰাহ্ম সমাজৰ ডাঙৰ মানুহবোৰ ব্ৰাহ্ম হোৱাৰ বাবেই বিশেষ এটা শক্তি লাভ কৰি ডাঙৰ হৈছে আৰু ব্ৰাহ্ম সমাজৰ বাহিৰৰ চৰিত্ৰহীনবোৰে ব্ৰাহ্ম নোহোৱাৰ বাবেই শক্তিহীন হৈ সেইদৰেই নষ্ট হৈছে—এনে ধৰণৰ কথা লৈ হাৰান মাষ্টৰৰ লগত সুচৰিতাই বহুবাৰ তৰ্ক কৰিছে।

ব্ৰাহ্ম সমাজৰ মঙ্গলৰ কাৰণে হাৰান মাষ্টৰে যেতিয়া পৰেশ ভট্টকো দোষী সাব্যস্ত কৰিবলৈ লৈছে, তেতিয়া সুচৰিতায়ো আহত সৰ্পিনীৰ দৰে অসহিষ্ণু হৈ উঠে। সেই কালত বঙ্গদেশত ইংৰাজী জনা মানুহবোৰৰ মাজত ভগবদ্গীতাৰ বিষয়ে আলোচনা নচলিছিল। কিন্তু পৰেশ ভট্টই সুচৰিতাৰ লগত মাজে সময়ে গীতা-পাঠ কৰিছিল। কালী সিংহৰ মহাভাৰতখনো প্ৰায় গোটেইখনেই তেখেতে সুচৰিতাক পঢ়ি শুনাইছিল। হাৰান মাষ্টৰে আকৌ এইবোৰ ভাল নেপাইছিল। ব্ৰাহ্ম পৰিয়ালৰ মাজত এনে ধৰণৰ পুথি পাঁজি নথকাটোৱেই তেওঁ বাঞ্ছা কৰিছিল আৰু তেওঁ নিজেও এইবোৰ একো

পঢ়া নাই। ৰামায়ণ, মহাভাৰত, ভগবদ্‌গীতাক হিন্দুৰহে সম্পত্তি বুলি তেওঁ দূৰতে বিদুৰ কৰিছিল। ধৰ্ম্মশাস্ত্ৰৰ ভিতৰত বাইবেলেই তেওঁৰ একমাত্ৰ অবলম্বন আছিল। পৰেশ ভট্টই শাস্ত্ৰ চৰ্চা আৰু সৰু-সুৰা নানান্ কথাত ব্ৰাহ্ম-অব্ৰাহ্মৰ সীমা মানি নচলা দেখি হাৰানক কাঁইটে বিন্ধা দি বিন্ধিছিল। পৰেশ ভট্টৰ ব্যবহাৰত কোনোবাই সামান্য এটি খুঁত উলিয়াই স্পৰ্দ্ধা দেখুৱা-টোও সুচৰিতাই মুঠেই সহিব নোৱাৰিছিল। আৰু এনে ধৰণৰ সৰু সৰু কথাৰ বাবেই হাৰান মাষ্টৰে সুচৰিতাৰ আগত নিজৰ সন্মান হেৰুৱাইছিল।

এনেকুৱা নানান্ কাৰণত পৰেশ ভট্টৰ ঘৰত হাৰান মাষ্টৰ দিনে দিনে নিষ্প্ৰভ হৈ আহিছিল। ব্ৰাহ্ম-অব্ৰাহ্মৰ বাছ-বিচাৰ কৰাত বৰদাসুন্দৰীও হাৰানতকৈ কোনো গুণে কম উৎসাহী নাছিল। তেখেতেও গিৰীয়েকৰ চাল-চলনৰ কাৰণে বহু সময়ত লাজ পাইছিল। কিন্তু সেই বুলি তেখেতে হাৰানকো আদৰ্শ পুৰুষ বুলি নেমানিছিল। হাৰানৰ অলেখ দোষ তেখেতৰ চকুত পৰিছিল।

হাৰান মাষ্টৰ সাম্প্ৰদায়িক উৎসাহৰ অত্যাচাৰত আৰু তেওঁৰ সঙ্কীৰ্ণ মনৰ নীৰসতা দেখি সুচৰিতাৰো দিনে দিনে তিতা লাগি আহিছিল। কিন্তু তথাপিও হাৰান মাষ্টৰৰ লগতে তাইৰ বিয়াৰ বিষয়ে কোনো পক্ষৰ মনতেই কোনো খোকোজা লগা নাছিল। ধৰ্ম্মসামাজিক দোকানত নিজৰ ওপৰত অতি ডাঙৰ ডাঙৰ আখৰেৰে উচচ মূল্য লিখি টিকট্ লগাই থলে লাহে লাহে আন মানুহেও সেই দুৰ্ম্মূল্যতা মানি লয়। সেই কাৰণেই হাৰান মাষ্টৰে তেওঁৰ মহৎ সঙ্কল্পৰদ্বাৰা অনুপ্ৰাণিত হৈ আৰু যথোচিত পৰীক্ষা কৰাৰ পাচত সুচৰিতাক বাছি ললে যে সকলোৱে মানি লব, এই বিষয়ে হাৰান মাষ্টৰ বা আন কাৰো মনত কোনো সন্দেহ নাছিল। আন কি পৰেশ ভট্টয়ো হাৰানৰ দাবী পেটে পেটে অগ্ৰাহ্য কৰা নাছিল। সকলোৱে হাৰান মাষ্টৰক ব্ৰাহ্ম সমাজৰ ভৱিষ্যৎ কৰ্ণধাৰ বুলি ভাবিছিল আৰু তেখেতেও সহজে তাতেই মত দিছিল। হাৰান মাষ্টৰৰ দৰে মানুহৰ বাবে সুচৰিতা উপযুক্ত হব নে নহয়, এইটোহে তেখেতৰ চিন্তাৰ বিষয় আছিল। কিন্তু হাৰান মাষ্টৰক সুচৰিতাৰ ভাল লাগিবনে নেলাগে এই কথা তেওঁ ভাবিবলৈ পাহৰিছিল।

এই বিয়াৰ প্ৰস্তাৱত কোনেও সুচৰিতাৰ কথা ভবাটো অৱশ্যক বুলি নভবাৰ দৰেই সুচৰিতায়ো নিজৰ কথা ভবাই নাছিল। ব্ৰাহ্ম সমাজৰ আন সকলোৰে দৰে তাই ধৰি লৈছিল যে যিদিনাই হাৰান মাষ্টৰে 'মই এই ছোৱালী জনীক গ্ৰহণ কৰিবলৈ প্ৰস্তুত হৈছোঁ' বুলি কব, সেইদিনাই তাইও এই বিবাহৰূপী মহৎ কৰ্ত্তব্যক স্বীকাৰ কৰি লব।

এইদৰেই দিন গৈছিল। এনেতে সেইদিনা গোৰাক উপলক্ষ কৰি হাৰান মাষ্টৰৰ লগত সুচৰিতাৰ যি তৰ্ক-তৰ্কি লাগিল তাৰ মূৰ ভৰিয়েই সুচৰিতাই হাৰানক প্ৰস্তাব চকুৰে দেখাৰ বুলি পৰেশ ভট্টৰ মনত সন্দেহ হ'ল। দুয়োৰে স্বভাৱৰ মাজত মিল নোহোৱাৰ কিবা কাৰণো থাকিব পাৰে বুলি তেখেতে ভাবিলে। সেই কাৰণেই বৰদাসুন্দৰীয়ে বিয়াৰ তাগাদা দিওঁতে পৰেশ ভট্টই আগৰ দৰে মত দিব নোৱাৰিলে। সেইদিনাই বৰদাসুন্দৰীয়ে সুচৰিতাক অকলে মাতি নি ক'লে,—"তুমি তোমাৰ দেউতাৰাক বৰ বিমোৰত পেলাইছা।"

কথাষাৰ শুনিয়েই সুচৰিতা চক্‌খাই উঠিল। ভুলতো তাই পৰেশ ভট্টৰ চিন্তাৰ কাৰণ হবলগীয়া হোৱাতকৈ দুখৰ কথা আৰু নাই। তাই মুখখন ক'লাকৈ সুধিলে,—"কিয়, মইনো কি কৰিলোঁ?"

বৰদাসুন্দৰী—কি নো জানো আই? তুমি পানু মাষ্টৰক পছন্দ নকৰা বুলি তেখেতে ভাবিছে। কিন্তু পানু মাষ্টৰৰ লগত তোমাৰ বিয়াখন একৰকম খাটাং বুলিয়েই ব্ৰাহ্ম সমাজৰ সকলো মানুহে জানে। এনেকুৱা অৱস্থাত তুমি যদি........

সুচৰিতা,—ক'তা আই? মই তো এই বিষয়ে কাকো একো কোৱা নাই।

সুচৰিতা আচৰিত হোৱাৰ যথেষ্ট কাৰণ আছিল। তাই হাৰান মাষ্টৰৰ ব্যৱহাৰত বাৰে বাৰে বিৰক্ত হৈছিল যদিও এই বিয়াখনৰ বিৰুদ্ধে একো ভবা নাছিল। এই বিয়াই তাইক সুখী কৰিব পাৰিব নে নোৱাৰে, এই কথা তাইৰ মনলৈ কেতিয়াও অহা নাই। কাৰণ এই বিয়াখন সুখ-দুখৰ ফালৰপৰা বিচাৰ কৰিবলগীয়া নহয় বুলিয়েই তাই ধৰি লৈছিল।

চাঁতকৰে তাইৰ মনত পৰিল, সেইদিনা দেউতাকৰ আগতেই পানু মাষ্টৰৰ প্ৰতি তাই স্পষ্ট বিৰক্তি দেখুৱাইছিল। এইবোৰ দেখি শুনিয়েই দেউতাক চিন্তিত হৈ পৰিছে বুলি ভাবি তাইৰ বৰ বেজাৰ লাগিল। এনেকুৱা অসংযমী ইয়াৰ আগেয়ে তাই কেতিয়াও হোৱা নাই আৰু ভৱিষ্যতেও নহব বুলি তেতিয়াই মনে মনে প্ৰতিজ্ঞা কৰিলে।

ইফালে হাৰান মাষ্টৰো সেইদিনা কিছু পৰৰ পিচত আহি ওলালহি। তেওঁৰ মন বৰ অস্থিৰ হৈ পৰিছিল। ইমান দিনে সুচৰিতাই তেওঁক মনে মনে পূজা কৰে বুলিয়েই ভাবিছিল। বৃদ্ধ পৰেশ ভট্টৰ প্ৰতি সুচৰিতাৰ অন্ধসংস্কাৰবশতঃ এটি অহৈতুক ভক্তি নথকা হলে তেওঁলৈ সুচৰিতাৰ পূজাৰ অৰ্ঘ্য আৰু পৰিপূৰ্ণ হ'লহেঁতেন। পৰেশ ভট্টৰ জীৱনৰ নানা অসম্পূৰ্ণতা

দেখুৱাই দিয়া স্বত্বেও সুচৰিতাই তেখেতক দেৱতাৰ দৰে মানিছিল। এই-বোৰ দেখি হাৰান মাষ্টৰে পেটে পেটে হাঁহিছিল যদিও মনে মনে অলপ ক্ষুণ্ণও হৈছিল। তথাপি তেওঁ মনে মনে আশা কৰিছিল—সময়ত সুবিধা হলে এদিন এই অযথা ভক্তিক একেবাৰে আঁতৰাই পেলাব পাৰিব। যিয়েই নহওক, হাৰান মাষ্টৰে যেতিয়ালৈকে নিজকে সুচৰিতাৰ ভক্তিৰ পাত্ৰ বুলি ভাবি আছিল, তেতিয়ালৈকে তাইৰ সৰু-সুৰা কাম-কাজ আৰু ব্যৱহাৰবোৰ মাথোন সমালোচনা কৰিছিল আৰু তাইক সদায় নানান্ উপদেশেৰে গঢ়ি তুলিবলৈ যত্ন কৰিছিল। বিয়াৰ বিষয়ে কেতিয়াও কোনো কথা খোলা-খুলিকৈ উলিওৱা নাছিল। সেইদিনা সুচৰিতাৰ দুই এটা কথা শুনি-য়েই সুচৰিতায়ো তাক পৰীক্ষা কৰিবলৈ আৰম্ভ কৰিছে বুলি হঠাতে বুজিব পাৰিলে। তেতিয়াৰেপৰা তেওঁৰ আৰু অচল-অটল গাম্ভীৰ্য্য লৈ স্থিৰেৰে বহি থকা অসম্ভৱ হৈ উঠিল। ইয়াৰ ভিতৰতে সুচৰিতাৰ লগত তেওঁৰ দুই এবাৰ দেখা হৈছে যদিও তেওঁ আগৰ দৰে নিজৰ গৌৰৱ অনুভৱ বা প্ৰকাশ কৰিব পৰা নাই। কথা-বতৰাত আৰু ব্যৱহাৰত সুচৰিতাক কিবা গোমোঠা হৈ থকাহে দেখা গৈছে। অনাহকতে সৰু সৰু কথা লৈ হাৰানে সুচৰিতাৰ লগত খুত্-খাত লগাই আছিল। ইয়াৰ পাচতো সুচৰিতাৰ আচৰিত উদাসীনতা দেখি তেওঁ পেটে পেটে পৰাজিত হবলৈ বাধ্য হৈছিল। আৰু এনেকৈয়ে নিজে নিজৰ মান খেদোৱাত ঘৰলৈ আহি দুখ কৰিছিলহি।

যিয়েই নহওক, সুচৰিতাৰ শ্ৰদ্ধাহীনতাৰ দুই এটা লক্ষণ দেখিয়েই হাৰান মাষ্টৰৰ পক্ষে পৰীক্ষকৰ ওখ আসনত স্থিৰ হৈ আৰু বেচি দিন বহি থকাটো টান হৈ পৰিল। আগেয়ে তেওঁ পৰেশ ভট্টৰ ঘৰলৈ ইমান ঘনাই অহা-যোৱা নকৰিছিল। সুচৰিতাৰ প্ৰেমত তেওঁ বলিয়া—কোনোবাই এনে সন্দেহ কৰিব পাৰে বুলি ভাবি সপ্তাহত তেওঁ মাথোন এবাৰহে তালৈ আহি-ছিল, আৰু সুচৰিতা তেওঁৰ ছাত্ৰীহে, ঠিক এনে ভাৱেই নিজৰ দাম বঢ়াই চলিছিল। কিন্তু এই কেইদিনতে হঠাতে যেন কিবা এটা ঘটিল। হাৰান মাষ্টৰে সামান্য কিছুমান চল লৈ দিনটোৰ ভিতৰতে কেবাবাৰো সিহঁ-তৰ ঘৰলৈ আহিছে আৰু তাতোকৈ সামান্য চল লৈ সুচৰিতাৰ লগত আগ-বাঢ়ি কথা পাতিবৰো যত্ন কৰিছে। পৰেশ ভট্টয়ো এই সূত্ৰে দুয়োকো পৰীক্ষা কৰিবলৈ ধৰিলে আৰু ফলত তেখেতৰ সন্দেহো ক্ৰমে বাঢ়িলহে।

আজি হাৰান মাষ্টৰ আহোঁতেই বৰদাসুন্দৰীয়ে তেওঁক আঁতৰলৈ মাতি নি ক'লে,—"বাৰু মাষ্টৰ, আপুনি আমাৰ সুচৰিতাক বিয়া কৰাব বুলি সকলোৰে কয়। কিন্তু আপোনাৰ মুখৰপৰা তো কেতিয়াও একোৱেই

শুনা নাই। সঁচাকৈয়ে ইচ্ছা আছে যদি আপুনি খোলা-খুলিকৈ নকয় কিয় ?"

হাৰানেও আৰু পলম নকৰিলে। তেওঁ এতিয়া সুচৰিতাক কোনো ৰকমে সাঙুৰিব পাৰিলেই নিশ্চিন্ত হব পাৰে। তেওঁৰ প্ৰতি সুচৰিতাৰ ভক্তি আৰু ব্ৰাহ্মসমাজৰ হিতৰ বাবে তাইৰ উপযুক্ততাৰ পৰীক্ষা পিচত কৰিলেও চলিব। হাৰানে বৰদাসুন্দৰীক ক'লে,—"কথাটো কোৱা কোনো দৰ্কাৰ নাই বুলিয়েই কোৱা নাই। সুচৰিতাৰ বয়স ওঠৰ বছৰ হোৱালৈকেহে অপেক্ষা কৰিছিলোঁ।"

বৰদাসুন্দৰীয়ে ক'লে,—"আপুনি আকৌ সকলো কথাতে অলপ বেচি দেখুৱায়। মই কিন্তু ছোৱালীৰ চৈধ্য বছৰ হলেই উপযুক্ত বুলি ভাবোঁ।"

সেইদিনা চাহ খাওঁতে পৰেশ ভট্টই সুচৰিতাৰ ব্যৱহাৰ দেখি আচিৰত হৈ প'ল। সুচৰিতাই হাৰানক এনেকুৱা আদৰ-সাদৰ বহুদিন কৰা নাই। আন কি হাৰান যাইৰ ওচি যাবলৈ ওলাওঁতেও তাই লাৰণ্যৰ কিবা নতুন এখন চিলাই দেখুৱাৰ চল কৰি আৰু কিছু পৰ বহিবলৈকো অনুৰোধ কৰিছিল।

পৰেশ ভট্ট নিশ্চিন্ত হ'ল। তেখেতৰ নিজৰেই ভুল হৈছিল বুলি ভাবিলে। আন কি পেটে পেটে তেখেতৰ হাঁহিও উঠিল। ভাবিলে, দুয়োৰ ভিতৰত হয়তো অলপ কিবা বেচি ধৰণৰ উখনা-উখনি লাগিছিল—এতিয়া ভাল হৈছে।

সেইদিনা যাবৰ পৰত হাৰানে পৰেশ ভট্টৰ আগত বিয়াৰ প্ৰস্তাব দিলে। এই বিষয়ে তেওঁৰ আৰু পলম কৰিবলৈ মন নাই বুলিও জনালে।

পৰেশ ভট্টই আচৰিত হৈ ক'লে,—"কিন্তু আপুনি দেখোন ওঠৰ বছৰতকৈ কম বয়সৰ ছোৱালীবোৰৰ বিয়া হোৱাটো অন্যায় বুলি কয়। আন কি কাগজতো আপুনি এই বিষয়ে লিখিছে।"

হাৰানে ক'লে,—"সুচৰিতাৰ বিষয়ত এই কথা নেখাটে। কিয়নো তাইৰ মনটো যেনেকৈ পৈণত হৈ উঠিছে, সচৰাচৰ বেচি বয়সৰ ছোৱালীবো এনেকুৱা দেখা নেযায়।"

পৰেশ ভট্টই প্ৰশান্ত দৃঢ়তাৰে সৈতে ক'লে,—"সি বিয়েই নহওক কিয়, বিশেষ একো ক্ষতিৰ আশঙ্কা নাই যেতিয়া আপোনাৰ মত অনুসৰি বাধাবাণীৰ বয়স পূৰ হোৱালৈকে অপেক্ষা কৰাটোৱেই কৰ্ত্তব্য।"

হাৰানে নিজৰ দুৰ্ব্বলতা প্ৰকাশ হৈ পৰাত লাজ পাই ক'লে, "নিশ্চয় কৰ্ত্তব্য। মাথোন মোৰ ইচ্ছা এয়ে যে এদিন সকলোকে মাতি ঈশ্বৰৰ নাম লৈ সম্বন্ধটো পকা কৰি পেলোৱা হওক।"

পৰেশ ভট্টই ক'লে,—"এইটো এটা উত্তম প্ৰস্তাব।"

১৭

দুই তিনি ঘণ্টামান শোৱাৰ পাচত সাৰ পাই কাষতে বিনয়ক শুই থকা দেখি গোৰাৰ মন আনন্দত নাচি উঠিল। সপোনত এটা প্ৰিয় বস্তু হেৰাই যোৱাৰ পিচত সাৰ পাই উঠি সেইটো হেৰোৱা নাই বুলি জানিলে যিমান ভাল লাগে, গোৰাৰো সিমান ভাল লাগিল। বিনয়ৰ অবিহনে গোৰাৰ জীৱন যে কিমান শূন্য হৈ পৰে, আজি সাৰ পাই বিনয়ক কাষত দেখি সেইটো সি ভালকৈ অনুভৱ কৰিব পাৰিলে। আনন্দত অস্থিৰ হৈ গোৰাই বিনয়ক ঠেলি হেঁচি জগাই দি ক'লে,—"ব'ল., এটা কাম আছে।"

গোৰাৰ সদায় এটা ধৰা-বন্ধা কাম আছিল। সি চুবুৰিৰ সাধাৰণ মানুহ-বোৰৰ ঘৰলৈ অহা-যোৱা কৰিছিল। সিহঁতক কিবা উপকাৰ কৰি দিবৰ বা উপদেশ দিবৰ বাবে নহয়, সিহঁতৰ লগত দেখা-শুনা কৰিবৰ বাবেহে গৈছিল। শিক্ষিত মানুহৰ লগত তাৰ বিশেষ অহা-যোৱা নাছিল বুলিলেই হয়। এই সাধাৰণ মানুহবোৰে গোৰাক বৰককাইদেউ বুলি মাতিছিল আৰু গোৰাক হোকা যাচি অভ্যৰ্থনা কৰিছিল। একমাত্ৰ ইহঁতৰ আতিথ্য গ্ৰহণ কৰিবলৈকে গোৰাই জোৰ কৰি ধঁপাত খাবলৈ শিকিছিল।

এই দলটোৰ মাজত নন্দয়েই গোৰাৰ প্ৰধান ভক্ত আছিল। নন্দ বাঢ়ৈৰ ল'ৰা। বয়স বাইশ। সি তাৰ বাপেকৰ দোকানতে কাঠৰ বাকচ সাজে। ধাপাৰ পথাৰত চিকাৰ কৰা দলটোৰ ভিতৰত নন্দৰ নিচিনা, বন্দুকৰ অব্যৰ্থ লক্ষ্য আন কাৰো নাছিল। ক্ৰিকেট খেলাত বল দলিওৱাতো সি অদ্বিতীয় আছিল।

গোৰাই তাৰ চিকাৰ আৰু ক্ৰিকেটৰ দলৰ ভদ্ৰঘৰৰ ল'ৰাবোৰৰ লগত এই কমাৰ আদিৰ ল'ৰাবোৰকো একেলগে খেলিবলৈ বা চিকাৰ কৰিবলৈ দিছিল। এই সানমিহলি দলটোৰ মাজত নন্দয়েই সকলো বিধৰ খেলা

আৰু ব্যায়ামত সকলোতকৈ আগবঢ়া আছিল। কোনো কোনো ভাল মানুহৰ ঘৰৰ ল'ৰাই তাক হিংসাও কৰিছিল। কিন্তু গোৰাৰ ভয়ত সকলোৱে তাক দলপতি বুলি মানিব লগা হৈছিল।

এই নন্দৰ ভৰিতে কিছুদিন আগতে ৰটালী এটা পৰি খুন হোৱাৰ বাবে সি খেল-পথাৰত অনুপস্থিত আছিল। এই কেইদিন বিনয়ৰ বাবে গোৰাৰ মনটো বৰ বেয়া হৈ আছিল। সেই কাৰণেই সি নন্দৰ ঘৰলৈ যাব পৰা নাছিল। আজি পুৱাতে সি বিনয়ক লগত লৈ বাঢ়ৈ চুবুৰিত ওলালগৈ।

নন্দহঁতৰ দুমহলীয়া মাটিৰ ঘৰৰ দুৱাৰমুখলৈ আহিয়েই সিহঁতে ভিতৰত তিৰোতা মানুহৰ কান্দোন শুনিলে। নন্দৰ দেউতাক বা আন কোনো মতা মানুহ ঘৰত নাছিল। কাষতে এখন ধঁপাতৰ দোকান আছিল; তাৰে দোকানীজনে আহি ক'লেহি,—"নন্দ আজি পুৱাতে চুকাল। তাক খৰি দিবলৈ লৈ গৈছে।"

নন্দ চুকাল? এনেকুৱা স্বাস্থ্য, ইমান শক্তি, ইমান তেজ, এনেকুৱা হৃদয়, ইমান কোমল বয়স—সেই নন্দ আজি পুৱা চুকাল! গোৰাৰ গোটেই গাটো যেন কাঠ হৈ গ'ল। সি স্তব্ধ হৈ থিয় দি থাকিল। নন্দ এটা সামান্য বাঢ়ৈৰ ল'ৰা। তাৰ অভাৱত মুহূৰ্তৰ বাবে সংসাৰত হোৱা ক্ষতিখিনি খুব কম মানুহৰ চকুতহে পৰিব, কিন্তু আজি নন্দৰ মৃত্যু গোৰাৰ অতি নিদাৰুণ শ্ৰবণে অসজত আৰু অসম্ভৱ যেন লাগিল। গোৰাই দেখিছিল—তাৰ প্ৰাণ আছে। অতবোৰ মানুহ জী আছে সঁচা, কিন্তু ক'তা—তাৰ দৰে তো কাৰো ইমান প্ৰাণ নাই?

কেনেকৈ চুকাল তাৰ খবৰ লোৱাত তাৰ ধনুষ্টঙ্কাৰ হৈছিল বুলি বুজা গ'ল। নন্দৰ বাপেকে ডাক্তৰ আনিব খুজিছিল, কিন্তু মাকে জোৰ কৰি পুতেকক ভূতে ধৰা বুলি ক'লে। ওজাই গোটা ৰাতি ওবেবাতি তাক জাৰিছে, মাৰিছে আৰু মন্ত্ৰ মাতিছে। বেমাৰ আৰম্ভ হওঁতেই, নন্দই এবাৰ গোৰালৈ খবৰ দিবলৈ অনুৰোধ কৰিছিল। কিন্তু গোৰা আহি ডাক্তৰি মতে চিকিৎসা কৰাবলৈ জোৰ কৰিব বুলি ভয় কৰি নন্দৰ মাকে কোনোমতেই গোৰাক খবৰ দিবলৈ নিদিলে।

তাৰপৰা উভতি আহোঁতে বিনয়ে ক'লে,—"কি মূৰ্খামি! আৰু তাৰ বাবে কি ভীষণ শাস্তি!"

গোৰাই ক'লে,—"এই মূৰ্খামিক একাষে থৈ ভাবাই যে তুমি নিজে ইয়াৰ বাহিৰত আছা বুলি ভাবি সান্ত্বনা নলবা বিনয়। এই মূৰ্খামিয়ে

কেনেকুৱা আৰু তাৰ শা।ন্ত ৷ য ৷কি ভীষণ, সেইটো স্পষ্টকৈ দেখা হলে তুমি মাথোন এইদৰে আক্ষেপ কৰিয়েই ঘটনাটোক এ৷কেবাৰে আঁতৰাই পেলাব নুখুজিলাহেঁতেন।”

মনৰ উত্তেজনাৰ লগে লগে গোৰাৰ খোজো লাহে লাহে খৰ হবলৈ ধৰিলে। বিনয়ে তাৰ কথাৰ একো উত্তৰ নিদি তাৰ লগত সমানে সমানে খোজ দিয়াত লাগিল।

গোৰাই কবলৈ ধৰিলে,—“গোটেই জাতিটোৱেই মিছাৰ ওচৰত মূৰ বিকি থৈছে। দেৱতা, অপদেৱতা, কেঁচা, হাঁচি, বৃহস্পতিবাৰ, ত্ৰাহস্পৰ্শ কিমান বিধৰ যে ভয়, তাৰ হিচাপ নাই। পৃথিৱীত সত্যৰ লগত মুৰ দাঙি কেনেকৈ ব্যৱহাৰ কৰিব লাগে, সেইটো সিহঁতে কেনেকৈ জানিব? আৰু তুমি, মই, এইবোৰে ভাবিছোঁ—আমি দুপাত বিজ্ঞান পঢ়িছোঁ যেতিয়া আমি আৰু ইহঁতৰ দলৰ নহয়। কিন্তু এইটো কথা থিৰাংকৈ জানিবা যে এনুঠি মানুহে চাৰিওফালৰ এই হীনতাৰ আকৰ্ষণৰপৰা পুথি পঢ়া বিদ্যাৰে নিজক কেতিয়াও জীয়াই ৰাখিব নোৱাৰে। এই মানুহবোৰে পৃথিৱীত নিয়মৰ আধিপত্যক বিশ্বাস নকৰালৈকে আৰু মিছা ভয়ক বিশ্বাস কৰি থকালৈকে আমাৰ শিক্ষিত মানুহখিনিয়েও ইয়াৰ প্ৰভাৱৰপৰা আঁতৰি থাকিব নোৱাৰিব।”

বিনয়ে ক লে,—শিক্ষিত মানুহবোৰ আঁতৰি থাকিব পাৰিলেও নো লাভ কি? শিক্ষিত মানুহেই বা কেইজন আছে? শিক্ষিত মানুহবোৰক উন্নত কৰিবৰ বাবে আন মানুহবোৰো উন্নত হব লাগিব, এইটো নহয়—বৰঞ্চ আন মানুহবোৰক উন্নত কৰাটোৱেই শিক্ষিত মানুহৰ শিক্ষাৰ গৌৰৱ।”

গোৰাই বিনয়ৰ হাতত ধৰি ক লে,—“ময়ো সেই কথাকে কব খুজিছোঁ। কিন্তু তোমালোকে ভদ্ৰতা আৰু শিক্ষাৰ ভেমত সাধাৰণ মানুহৰপৰা আঁতৰ হৈ ভালকৈ নিশ্চিন্ত হৈ থাকিব পাৰা। এইটো মই বাৰে বাৰে দেখিছোঁ বুলিয়েই তোমালোকক মই সাৱধান কৰি দিব খুজিছোঁ। এই সাধাৰণ মানুহবোৰক মুক্তি নিদিয়ালৈকে তোমালোকে নিজেও কেতিয়াও সম্পৰ্ণ মুক্তি পাব নোৱাৰা। নাও ফুটা হলে বৰ ডাঙৰ মাস্তুল থকা নাৱো বস্তা-হত ভাঁহি যাব নোৱাৰে, বুজিছা?

বিনয়ে নীৰৱে গোৰাৰ লগে লগে যাবলৈ ধৰিলে।

গোৰাই কিছু পৰ মনে মনে থাকি হঠাতে ক লে,—“নহয় বিনয়, এইবোৰ মই কোনোমতেই সহিব নোৱাৰোঁ। ভূতৰ ওঝাই আজি নলক মাৰি থৈ গলহি। সেই মাৰ মোৰ গাতো লাগিছে, গোটেই দেশখনৰ গাতো

লাগিছে। মই এইবোৰ ঘটনাৰ বিভিন্ন সৰু সৰু ঘটনা বুলি কেতিয়াও নধৰোঁ।।"

তথাপি বিনয় মনে মনে থকা দেখি গোৰা গৰজি উঠিল,—"বিনয়, তুমি মনে মনে কি ভাবিছা মই ভালকৈয়ে বুজিব পাৰিছোঁ। তুমি ভাবিছা ইয়াৰ প্ৰতিকাৰ নাই, নাইবা প্ৰতিকাৰৰ সময় আহিবলৈ এতিয়াও বহুতো পলম আছে। তুমি ভাবিছা—ভাৰতবৰ্ষৰ হৈছে মাথো থকা এই ভয় আৰু মিছাবোৰ হিমালয়ৰ দৰে ভাৰতবৰ্ষৰ এটা বোজা। এই বোজাক কোনে ঠেলা মাৰি নবাব পাৰিব? মই কিন্তু তেনেকৈ নেভাবোঁ। তেনেকৈ হলে জী থাকিবই নোৱাৰিলোহেঁতেন। মোৰ দেশক যিয়েই আঘাত নকৰক, তাৰ প্ৰতিকাৰ আছেই। আৰু সেই আঘাত যিমানেই ভীষণ নহওক নাগে—তাৰ প্ৰতিকাৰ একমাত্ৰ আমাৰ হাততে আছে। মোৰ এনে দৃঢ় বিশ্বাস আছে বুলিয়েই আজি চাৰিওফালৰ এই দুখ-দুৰ্গতি অপমানবোৰ সহ্য কৰিব পাৰিছোঁ।"

বিনয়ে ক'লে,—"ইমান ডাঙৰ এই গোটেই দেশজোৰা দুৰ্গতিৰ আগত বিশ্বাসক দৃঢ় কৰি ৰাখিবলৈ মোৰ সাহেই নহয়।"

গোৰাই ক'লে,—"এন্ধাৰ অতি বেছি, তাৰ তুলনাত চাকিৰ শিখা নিচেই সৰু। ইমান গভীৰ এন্ধাৰতকৈ মোৰ কিন্তু এই অকণমানি শিখাৰ ওপৰতে বেছি আস্থা আছে। দুখ-দুৰ্গতি চিৰস্থায়ী হব পাৰে বুলি মই একো পধ্যেই বিশ্বাস নকৰোঁ। বিশ্ব চৰাচৰৰ সমগ্ৰ জ্ঞান শক্তি আৰু প্ৰাণ শক্তিয়ে এই দুৰ্গতিক চাৰিওফালৰপৰা আঘাত কৰিছে। আমি যিমানেই ক্ষুদ্ৰ নহও নাগে, সেই জ্ঞান শক্তিৰ আৰু সেই প্ৰাণশক্তিৰ লগত গৈ যোগ দিম গৈ। আৰু তেতিয়া মৰিলেও এই কথা দৃঢ়কৈ মনত ৰাখি মৰিম যে এদিন আমাৰ দলৰেই জয় হবগৈ। দেশৰ জড়তাক সকলোতকৈ ডাঙৰ আৰু শক্তিশালী বুলি ভাবি তাৰ ওপৰতে বিছনা পাতি কেতিয়াও শুই নেথাকোঁ। মোৰ মনেৰে জগতত বদমাচক বিশ্বাস কৰা আৰু ভতক ভয় কৰা একেই কথা। লাভৰ মূৰত বেমাৰৰ কৃত চিকিৎসা কৰিবলৈ কোনেও মনেই নকৰে। ভয় বিলবে মিছা, ওজাও সেইদৰে মিছা। দুয়ো একগোট হৈ আমাক মাৰি সাং কৰিছে। বিনয়, মই তোক বাৰে বাৰে কৈছোঁ, আমাৰ দেশ মুক্ত হবই। এই কথা মুহূৰ্তৰ বাবে সপোনতো অসম্ভৱ বুলি নেভাবিবা। অজ্ঞানতাই কেতিয়াও আমাৰ দেশক আবৰি থাকিব নোৱাৰে'। এই কথা দৃঢ়ভাৱে মনত ৰাখি আমি সদায় সাজু হৈ থাকিব লাগিব। ভাৰতবৰ্ষত স্বাধীনতাৰ কাৰণে ভৱিষ্যতে কোনোবা এদিন যুদ্ধ লাগিব বুলি

আশা কৰি তোমালোকে ভাগ্যক ধৰিয়াই নিশ্চিন্ত হৈ বহি আছা ; কিন্তু মোৰ মনেৰে সেই যুদ্ধ লাগিছেই, প্ৰতি মুহূৰ্ত্তত্তে যুঁজ চলিয়েই আছে। এনে সময়ত তোমালোকে নিশ্চিন্ত হৈ হাত সাৱটি বহি থকাতকৈ আৰু ডাঙৰ কাপুৰুষতা একোৱে হব নোৱাৰে।" ,

বিনয়ে ক লে,—"চোৱা গোৰা, তোমাৰ লগত আমাৰ বহুতো প্ৰভেদ আছে। বাটে-ঘাটে আমাৰ দেশত যিবোৰ ঘটনা ঘটিছে আৰু বহুদিনৰপৰা ঘটি আহিছে, তুমি সদায় সেইবোৰলৈ নতুন দৃষ্টিৰে চোৱা। নিজৰ উশাহ-নিশাহবোৰ পাহৰি থকাৰ দৰে এইবোৰো আমি পাহৰি থাকোঁ। এই-বোৰে আমাক আশাও নিদিয়ে হতাশো নকৰে, আনন্দও নিদিয়ে দুখো নিদিয়ে। দিনবোৰ অতি উকা হৈ পাৰ হৈ গৈছে। সকলোৰে মাজত থাকিও নিজক বা নিজৰ দেশক অনুভৱকে নকৰোঁ।।

হঠাৎ গোৰাৰ মুখখন টিক্‌টিককৈ ৰঙা পৰি উঠিল। কপালৰ শিৰ-বোৰ থুপ্ খাই গ ল। সি হাত দুখন মুঠি বান্ধি বাটেদি যোৱা এখন ঘোৰা গাড়ীৰ পিচে পিচে সোঁ-সোঁৱাই খেদি গল আৰু বজ্ৰ গৰ্জ্জনৰে গোটেই আলি-বাটৰ মানুহক চক্ খুৱাই চিঞৰিবলৈ ধৰিলে,—"হেই গাড়ী ৰখোৱাঁ. গাড়ী ৰখোৱা।" ঘড়ীৰ ডাঙৰ এডাল হাৰ পিন্ধা ভদ্ৰলোক এজনে গাড়ী চলাইছিল। তেওঁ এবাৰ পিচলৈ উভতি চাই তেজবজীয়া ঘোৰা দুটাক চাবুকৰ কোব দি মুহূৰ্ত্ততে নেদেখা হৈ গ ল।

এজন বুঢ়া মুছলমান মানুহে মূৰত এপাচি ফল, শাক-পাচলি, কণী-কটি মাখন ইত্যাদি খোৱা বস্তু লৈ তাৰ ইংৰাজ মালিকৰ ৰান্ধনি-ঘৰৰ ফালে গৈ আছিল। হাৰ পিন্ধা ভদ্ৰলোকজনে তাক গাড়ীৰ আগৰপৰা আঁতৰি যাবলৈ চিঞৰিছিল। কিন্তু সি নুশুনাত গাড়ীখন প্ৰায় তাৰ গাৰ ওপৰতে উঠিলহি। কোনোমতে জীউটো ৰল, কিন্তু পাচিৰে সৈতে আটাইবোৰ বস্তু আলিবাটত বাগৰি পৰিল। ভদ্ৰলোক জনেহে আকৌ জলি-পকি গাড়ীৰপৰা 'ডেম, গাহৰি' বুলি গালি পাৰি তাৰ মুখত সৰ্ব্বোপ্ কৰে চাবুকেৰে এবোৰ মাৰি গুচি গলগৈ। বুঢ়াৰ কপালত তেজ বিৰিঙি উঠিল। বেচেৰাই "আল্লা" বুলি হুমুনিয়াহ কাঢ়ি বেয়া নোহোৱা বস্তুবোৰ বাছি বাছি পাচিটোত তুলিবলৈ ধৰিলে। গোৰায়ো উভতি আহি সিঁচৰিত হৈ পৰি থকা বস্তুবোৰ বুটলি বুটলি পাচিটোত ভৰাবলৈ ধৰিলে। মুছলমান মানুহ-টোৱে গোৰাৰ ব্যৱহাৰ দেখি কোচমোচ খাই কলে,—"আপুনি কিয় কষ্ট কৰিছে বোপাদেউ ? এইবোৰ আৰু কোনো কামতে নাহিব। গোৰায়ো বুজি-ছিল যে সি কথা কামৰ একো মূল্য নাই। সি এইটোও বুজিছিল যে

সি যাক সহায় কৰিছে সেই মানুহজনে বৰং লাজহে পাইছে। চাবলৈ গলে সাহায্য হিচাপে এইবোৰ কামৰ একো মূল্য নাই। এজন ভদ্ৰলোকে কৰা অন্যায় অপমানৰ ক্ষতিপূৰণ স্বৰূপে আন এজন ভদ্ৰলোকে সেই অপমানিত মানুহজনৰ লগত নিজক লোটিয়াই লৈ ধৰ্ম্মৰ এনে অসজা ব্যৱস্থা-বোৰলৈ সমতা আনিবলৈ যত্ন কৰিছে। কিন্তু এইবোৰ কথা বিচাৰ কৰা মানুহবোৰৰ কোনো ক্ষমতা নাই। পাচিচটো ভৰোৱাৰ পিচত গোৰাই তাক ক'লে,—"এই লোকচান তুমি আৰু পৰাব নোৱাৰিবা। আমাৰ ঘৰলৈ ব'লা—পূৰা দাম দি তোমাৰ আটাইবোৰ বস্তু কিনি লম। কিন্তু ককাই, এটা কথা তোমাক কওঁ—তুমিযে মুখেৰে এটা কেঁচু নকৰাকৈ বিথিনি সহিলা, আল্লাই তাৰ বাবে তোমাক ক্ষমা নকৰে।"

মুছলমানজনে ক'লে—"দোষীকহে আল্লাই শাস্তি দিব। মোক আকৌ কিয় দিব?"

গোৰাই ক'লে—"অন্যায় সহি থকা জনো দোষী। কিয়নো জগতত সেইজনেহে অন্যায় হবলৈ সুবিধা দিয়ে। মোৰ কথা নুবুজিব পাৰা, কিন্তু তথাপি মনত ৰাখিবাঁ—ভাল মানুহ বোলোৱাটো ধৰ্ম্ম নহয়। দুষ্টক লাই দিয়াহে হয়। তোমালোকৰ মহম্মদে এই কথা বুজিছিল আৰু সেই কাৰণেই তেখেতে দুৰ্ব্বলৰ দৰে ধৰ্ম্ম প্ৰচাৰ কৰা নাছিল।"

তাৰপৰা গোৰাহঁতৰ ঘৰলৈ ভালেখিনি দূৰ কাৰণে গোৰাই মুছল-মানটোক বিনয়ৰ তালৈকে লৈ গ'ল। বিনয়ৰ 'ডেবেজ'ৰ কাষত থিয় হৈ ক'লে, -"টকা উলিওৱাঁ।"

বিনয়ে ক'লে—"তুমিনো ইমান অস্থিৰ হৈছা কিয়? বহাঁগৈচোন যোৱাঁ। টকা মই দিম নহয়।"

কিন্তু বিনয়ে চাবি কোচা বিচাৰি নোপোৱা হ'ল। অস্থিৰ হৈ গোৰাই এক টান মাৰি লেহুকা 'ডেবেজ' চাবি মৰা অৱস্থাতে খুলি পেলালে।

'ডেবেজ' খোলোতেই পৰেশ ভট্টৰ পৰিয়ালৰ আটাইবোৰৰ একেলগে তোলা ডাঙৰ ফটো' এখন গোৰাৰ চকুত পৰিল। এইখন বিনয়ে তাৰ ক্ষুদলীয়া বন্ধু সতীশৰপৰা সংগ্ৰহ কৰিছিল।

টকা উলিয়াই গোৰাই সেই মুছলমানটোক বিদায় দিলে, কিন্তু ফট' খনৰ বিষয়ে কোনো কথাই নুলিয়ালে। গোৰাই এই বিষয়ে একো নোকোৱা দেখি বিনয়েও কোনো কথা উলিয়াব নোৱাৰিলে। কিন্তু এই বিষয়ে দুই চাৰি আষাৰ কথা পাতিব পৰা হলেহে বিনয়ে মনত শান্তি পালেহেঁতেন।

গোৰাই হঠাতে ক'লে,—"যাওঁ।"

বিনয়ে ক'লে,—"বাঃ, তুমি অকলে যাবা নে কি ? আয়ে তোমালোকৰ ভাতে মোকো ভাত খাবলৈ কৈছে। মৰো যাম।"

দুয়ো আলিবাটলৈ ওলাই আহিল। বাকী ৰাস্তাৰ বাটছোৱা গোৰা একেবাৰে নিমাত হৈ থাকিল। 'ডেৰেজ'ৰ ভিতৰত সেই ছবিখন দেখাৰ লগে লগেই গোৰাৰ আকৌ মনত পৰিল যে বিনয়ৰ অন্তৰৰ এটি প্ৰধান খুঁতি যি বাটেদি গৈছে সেই বাটৰ লগত গোৰাৰ জীৱনৰ কোনো সম্বন্ধ নাই। লাহে লাহে বন্ধুত্বৰ আদিগঙ্গা শুকাই গৈ মূল সোঁতেও সেইকালেই গতি লয় বুলি এটি আশঙ্কাই অব্যক্তভাৱে গোৰাৰ অন্তৰৰো অন্তঃস্থলত এটি অহৈতুক বোজাৰ দৰে হেঁচা মাৰি ধৰিলেহি। এতিয়ালৈকে দুয়োৰো মাজত কোনো চিন্তা বা কামত একো প্ৰভেদ নাছিল। কিন্তু এতিয়া আৰু সেই একতা ৰক্ষা কৰা টান হৈ পৰিল। এঠাইত বিনয় সম্পূৰ্ণ পৃথক হৈ পৰিছে।

গোৰা হঠাতে নিমাত হৈ যোৱাৰ কাৰণ বিনয়ে গম পালে। কিন্তু এই নীৰৱতাৰ চকোৱাখন আগবাঢ়ি গৈ হেঁচুকি ভাঙিবলৈ তাৰো সঙ্কোচ লাগিল। গোৰাৰ মনটোৱে ঠেকা খোৱা ঠাই ডোখৰত সঁচাকৈয়ে দুয়োৰো মাজত কিবা ব্যৱধান থকা বুলি বিনয়ে নিজেও অনুভৱ কৰিছিল।

ঘৰ পায়েই সিহঁতে মহিমক বাটলৈ চাই দুৱাৰ মুখত থিয় হৈ থকা দেখা পালে। দুই বন্ধুক দেখা পাই তেওঁ ক'লে,—"কি হে, তোমালোকৰ খবৰ কি ? যোৱা কালি ওৰে ৰাতিটো দুয়ো নুগুলাই। মই ভাবিছিলোঁ—বাটতে বোধকৰোঁ কৰবাত দুয়ো মহা আয়মেৰে টোপনি মাৰিছা। বেলিও তো কম হোৱা নাই। যোৱাঁ বিনয়, গা ধুই আহাগৈ যোৱাঁ।"

বিনয়ক গা ধুবলৈ পঠিয়াই মহিমে গোৰাক ক'লে,—"শুনা গোৰা, তোমাক সিদিনা কোৱা কথাটো অলপ ভাবি চাবাচোন। বিনয়ক অনাচাৰী বুলি বাদ দিলে আজি-কালিৰ এই মহঙা দিনত ভাল হিন্দু ল'ৰা এটা নো ক'ত পাম ? মাথোন হিন্দুৱানি কৰি থাকিলেও তো নহব—লিখা-পঢ়াও তো কিছু জানিব লাগিব। এই লিখা-পঢ়া আৰু হিন্দুৱানি মিলি যিটো তৈয়াৰ হয়গৈ সেইটো অৱশ্যে আমাৰ হিন্দু মতে ঠিক শাস্ত্ৰীয় বস্তু নহব পাৰে, কিন্তু সেইবুলি একেবাৰে দলিয়াই পেলাবলগীয়াও তো নহয়। তোমাৰ নিজৰ ছোৱালী থকা হলে অৱশ্যে মোৰ মতৰ লগত তোমাৰ মতো মিলিলহেঁতেন।"

গোৰাই ক'লে,—"বাৰু, ভাল কথা। বিনয়েও বোধকৰোঁ আপত্তি নকৰিব।"

মহিমে ক'লে,—"মোৰ কথা শুনা—বিনয়ৰ আপত্তিৰ কথাষো কোনে ভাবিছে ? ভয় হ'ল তোমাৰ আপত্তিলৈহে। তুমি নিজ মুখেৰে বিনয়ক এবাৰ অনুৰোধ কৰা। এইটোহে মই বিচাৰিছোঁ। তাৰ পাচত কিবা ফল হলেও হ'ল, নহলেও নাই।

গোৰাই ক'লে,—"বাক।"

মহিমে পেটে পেটে ভাবিলে,—এইবাৰ মিঠৈৰ দোকানত সন্দেশ আৰু গোৱালৰ তাত দৈ গাখীৰৰ কম্‌মাচু দিব, পাৰিম আৰু।

গোৰাই এবাৰ আহৰি পৰত বিনয়ক ক'লে,—"শশীমুখীৰ লগত তোমাৰ বিয়াখনৰ বাবে ককাইদেৱে দেখোন বৰ জোৰ কৰিবলৈ আৰম্ভ কৰিছে। তুমি নো পিচে কি ভাবা ?"

বিনয়ে ক'লে,—"আগেয়ে তোমাৰ মতটোৱেই কোৱাচোন।"

গোৰা,—মই হলে কথাটো একো বেয়া দেখা নাই।

বিনয়,—আগতে তো তোমাৰেই মত নাছিল। আমি দুয়ো কেতিয়াও বিয়া নকৰোৱাটোৱেই তো অতদিনে এক ৰকম ঠিক হৈ আছিল।

গোৰা,—এতিয়া ঠিক হ'ল, তুমি বিয়া কৰাবা আৰু মই নকৰাওঁ।

বিনয়,—কিয় ? একে যাত্ৰাৰ দুবিধ ফল কিয় ?

গোৰা,—দুটা পৰিণামৰ ভয়তেই তো এইটো ব্যৱস্থা কৰা হৈছে। বিধাতাৰ সৃষ্টিয়েই এনেকুৱা। কাৰোবাক বোজা বৰলৈকে পঠিয়ায় আৰু কোনোৱে আকৌ বোজা বৰই নেলাগে। এই দুয়ো বিধৰ মানুহক একেলগে সাঙুৰি চলাবলৈ হলে বোজা নোহোৱাটোৰ ওপৰত বাহিৰা বোজা কিছুমান জাপি দি ওজন সমান কৰি লব লাগিব। তুমি বিয়া কৰাই অলপ বোজা চপাই ললেহে আমি দুয়ো একেলগে চলিব পাৰিম।

বিনয়ে অলপ হাঁহি ক'লে,—"অ, সেই কাৰণেই হবলা বোজাটো এতিয়া মোৰ মূৰৰ ওপৰতে জাপি দিবা ?"

গোৰা,—বাৰু বোজাটোৰ বিষয়ে তোমাৰ জানো কিবা আপত্তি আছে ?

বিনয়—ওজন সমান কৰিবৰ বাবে হাতৰ কাষত বিহকে পোৱা যায় তাঁৰেই কাম চলাব পাৰি—সিপিমে সেইটো শিলেই হওক বা মাটিৰ চপৰাই হওক।

বিয়াৰ প্ৰস্তাৱত গোৰাৰ ইমান আগ্ৰহৰ কাৰণটো বুজিবলৈ আৰু বিনয়ৰ একো বাকী নেথাকিল। বিনয়ে কেনেবাকৈ পৰেশ বাবুৰ পৰিয়ালৰ কাৰোবাক বিয়া কৰাই পেলাব পাৰে বুলি গোৰাই সন্দেহ কৰিছে। এই কথা ভাবি বিনয়ে পেটে পেটে হাঁহিলে। এনে এখন বিয়াৰ কথা বা কল্পনাৰ কুসুম

সম্ভাৱনাও বিনয়ৰ মনলৈ মুহূৰ্ত্তৰ বাবেও অহা নাই। ই তো হবই নোৱাৰে। সি যিয়েই নহওক এইটো ঠিক যে শশীমুখীক বিয়া কৰালে এনেকুৱা অদ্ভুত আশঙ্কাবোৰ গুৰিতে নিৰ্ম্মূল হব। তেতিয়া দুয়োৰে বন্ধুত্ব সম্বন্ধ পুনৰ সুস্থ আৰু সবল হব। পৰেশ ভট্টাইতৰ ঘৰলৈ অহা-যোৱা কৰিবলৈকো তেতিয়া আৰু তাৰ কোনো ফালৰপৰাই একো সঙ্কোচৰ কাৰণ নেথাকিব। এই-বোৰ কথা ভাবি চাই সি শশীমুখীক বিয়া কৰাবলৈ সহজেই ৰাজি হ ল। দুপৰীয়া খাই-বৈ উঠি ৰাতি উজাগৰে থকাৰ ধাৰ মাৰোঁতেই দিনটো পাৰ হ ল। সেই দিনালৈ দুয়ো বন্ধুৰ মাজত আৰু একো কথা নহল। জগতৰ ওপৰত সন্ধিয়াৰ এন্ধাৰে আঁৰ-কাপোৰ তৰি দিয়াৰ লগে লগে প্ৰেমিক-প্ৰেমিকাৰ মাজত মনৰ আঁৰ-কাপোৰখনো আঁতৰি পৰে। এনে এটি সময়ত বিনয়ে ছাতৰ ওপৰত বহি পোনে পোনে আকাশলৈ চাই ক লে,—"শুনা গোৰা, এটা কথা মই তোমাক কব খুজিছোঁ। মোৰ মনেৰে আমাৰ স্বদেশ-প্ৰেমৰ মাজত এটা ভয়ানক অসম্পূৰ্ণতা আছে। আমি ভাৰতবৰ্ষৰ এটা দিকহে দেখোঁ।

গোৰা,—কি কোৱাচোন ?

বিনয়,—আমি ভাৰতবৰ্ষখনক মাথোন মতা মানুহৰ দেশ বুলিহে ভাবোঁ। তিৰোতা মানুহবোৰলৈ সমূলি চকু নিদিওঁ।

গোৰা,—তুমি ইংৰাজবোৰৰ দৰে তিৰোতা মানুহবোৰক ঘৰে-বাহিৰে , জলে-স্থলে, শূন্যত, আহাৰত, আমোদ-প্ৰমোদত, কামে-কাজে সকলোতে পাব খুজিছা ? তাৰ ফল কি হব জানা ? মতা মানুহতকৈ তিৰোতা মানুহকহে বেচিকৈ দেখা পাবা। লাভৰ মধ্যত দৃষ্টিৰ সামঞ্জস্য নষ্ট হব।

বিনয়—নহয়, নহয়, তুমি মোৰ কথাটোক এইদৰে উৰুৱাই দিলে নহব। মই মাইকী মানুহক ইংৰাজৰ চকুৰে চাওঁ নে নেচাওঁ সেইটো কথা নহয়। মই কব খোজোঁ যে দেশৰ কামত আমাৰ ছোৱালীবোৰে কিবা বৰঙনি যোগাব পাৰে বুলি আমি ভাবিবই নোৱাৰোঁ। তোমাৰ কথাকে মই উনুকিয়াব পাৰোঁ।—তুমি তো মাইকী মানুহৰ কথা এক মুহূৰ্ত্তও নাভাবা ? দেশখনক তুমি মাত্ৰ নাৰীহীন ৰূপত চিনি পোৱা। কিন্তু দেশৰ এই চিনাকিটো আচল চিনাকি নহয়, বুজিছা।

গোৰা,—মই মোৰ আইক যি ঠাইত দেখিছোঁ, যিদৰে চিনিছোঁ, সেই ঠাইতেই আৰু সেই দৰেই দেশৰ আটাইবোৰ তিৰোতা মানুহকে দেখিছোঁ আৰু চিনিছোঁ।

বিনয়—সেইটো তুমি নিজকে কাঁকি দিবৰ বাবে সজাই কিবা এটা কলা মাথোন। ঘৰুৱা কাম-কাজৰ মাজত ঘৰৰ মানুহে পৰিয়ালৰ তিৰোতা মানুহবোৰক ঘনিষ্ঠ ভাৱে দেখিলেও যথাৰ্থ দেখা নহয়। আমি নাৰী জাতিক গৃহস্থালিৰ প্ৰয়োজনৰ অতিৰিক্ত হিচাপে চাবলৈ শিকিলেহে আমাৰ দেশৰ আচল সৌন্দৰ্য্য আৰু সম্পূৰ্ণতাক দেখা পালোহেঁতেন। দেশৰ এনে এটা মূৰ্ত্তি দেখিলোহেঁতেন, যাৰ বাবে নিজৰ জীৱন বলি দিয়াটোও অতি সহজ হৈ পৰিলহেঁতেন। অন্ততঃ দেশৰ তিৰোতা মানুহবোৰ এটা অতি অদৰকাৰী বস্তু বুলি আমি ভুল নকৰিলোহেঁতেন। ইংৰাজৰ সমাজৰ লগত কোনো ৰকমে ৰিজাবলৈ গলেই যে তুমি খঙতে টিঙিৰিতুলা হৈ উঠিবা, সেইটো জানো। আৰু মই ৰিজাবও খোজা নাই। ঠিক কিমান পৰিমাণে আৰু কেনেকৈ আমাৰ তিৰোতা মানুহবোৰক উলিয়াব পাৰি, সেইটো মই কব নোৱাৰো; কিন্তু এইটো স্বীকাৰ কৰিবই লাগিব যে আজি তিৰোতা মানুহ বেৰৰ আঁৰত থকাৰ বাবেই আমাৰ কাৰণে স্বদেশখন অৰ্দ্ধসত্য হৈ আছে— আৰু সি আমাৰ হৃদয়ত পূৰ্ণ শক্তি আৰু পূৰ্ণ প্ৰেম জগাই তুলিব পৰা নাই।

গোৰা,—তুমি এই কথাটো হঠাতে আৱিষ্কাৰ কৰিছা নে কি?

বিনয,—ওঁ, আজি-কালিতেই আৰু হঠাতে আৱিষ্কাৰ কৰিছোঁ। সঁচা এই গভীৰ সত্য মই অতদিনে নেজানিছিলোঁ। এতিয়া জানিব পাৰি মই নিজকে নিজেই ধন্য মানিছোঁ। আমি খেতিয়কক মাথো হালত আৰু তাঁতীক মাথো তাঁত-শালত দেখো বুলিয়েই সিহঁতক তল খাপৰ মানুহ বুলি ঘিণ কৰোঁ। সিহঁত কেতিয়াও আমাৰ চকুতেই নপৰে। এই উচচ-নীচ প্ৰভেদবোৰৰ বাবেই দেশখন দুৰ্ব্বল হৈ পৰিছে। আৰু ঠিক একেদৰে তিৰোতা মানুহো সদায় একমাত্ৰ ৰন্ধা-বঢ়া, মচলা বটা ইত্যাদি কামৰ ভিতৰতে সোমাই থাকে দেখিয়েই সিহঁতকো আমি তুচ্ছ বুলি ভাবোঁ। এই বাবেই আমাৰ গোটেই দেশখনেই তুচ্ছ হৈ গৈছে।

গোৰা,—দিন আৰু ৰাতি, সময়ৰ এই দুটা ভাগৰ দৰে, পুৰুষ আৰু তিৰোতাও সমাজৰ দুটা অংশ। সমাজৰ স্বাভাৱিক অৱস্থাত তিৰোতা মানুহ ৰাতিৰ নিচিনাকৈ লুকাই থাকে। সিহঁতৰ আটাইবোৰ কাম নিগূঢ় আৰু নিভৃত। আমি আমাৰ কামৰ মাজত ৰাতিটোক হিচাপত নধৰোঁ। কিন্তু হিচাপত নধৰোঁ বুলিয়েই ৰাতিৰ গভীৰ কামবোৰ এটিও বৈ নেথাকে। সি গোপন জিৰণিৰ আঁৰে আঁৰে আমাৰ ক্ষতি পূৰণ কৰি আমাক শক্তি দিয়াত সাহায্য কৰে। সমাজৰ অস্বাভাৱিক অৱস্থাত ৰাতিক বলেৰে দিনৰ

দৰে কৰি পেলোৱা হয়, গেচ্ জলাই কল চলোৱা হয়, চাকি জলাই ওৰে নিশা নাচ-বাগ কৰা হয়। কিন্তু তাৰপৰা ফল নো কি হয়? ফল মাথো এয়ে হয়—নিশাৰ গোপনীয় কামবোৰ নষ্ট হৈ যায়, ক্লান্তি বাঢ়ে, ক্ষতি পূৰণ নহয়, মানুহ বলিয়া হৈ উঠে। তিৰোতা মানুহবোৰকো সেইদৰে আমি বাহিৰৰ কৰ্ম্মক্ষেত্ৰলৈ উলিয়াই আনিলে সিহঁতৰ স্বাভাৱিক কৰ্ম্মশক্তি নষ্ট কৰা হয়—ফলত সমাজৰ স্বাস্থ্য আৰু শান্তি ভঙ্গ কৰা হয়, সমাজলৈ বলিয়ালি আহি পৰে। এই বলিয়ালিটোক হঠাতে শক্তি বুলি ভুল হব পাৰে, কিন্তু এই শক্তি হ'ল ধ্বংসৰ শক্তি। শক্তিৰ দুটা অংশ আছে। এটা অংশ ব্যক্ত আৰু এটা অব্যক্ত, এটা অংশ উদ্যোগ আৰু আনটো জিৰণি, এটা প্ৰয়োগ আৰু আনটো সম্বৰণ। শক্তিৰ এই সামঞ্জস্য নষ্ট কৰিলে সি ক্ষুব্ধ হৈ উঠে আৰু সেই ক্ষোভৰপৰা একো মঙ্গল নহয়। নৰ আৰু নাৰীও সেইদৰে সমাজৰ দুটা দিক্। পুৰুষ হ'ল ব্যক্ত অংশ। কিন্তু ব্যক্ত বুলিয়েই যে বৰ ডাঙৰ কিবা এটা সেইটো নহয়। তিৰোতা অব্যক্ত। এই অব্যক্ত শক্তিক ব্যক্ত কৰিবলৈ যত্ন কৰিলে আটাইবোৰ মূলধন খৰচ কৰি সমাজক টানি হুবহুৱাই দেউলীয়া কৰাৰ পথত লৈ যোৱা হয়। সেইবাবেই কৈছোঁ আমি পুৰুষবোৰ যদি যজ্ঞৰ ক্ষেত্ৰত থাকোঁ আৰু তিৰোতাবোৰে যদি ভঁৰাল আগুৰি থাকে, তিৰোতা বোৰ আঁৰত থাকিলেও যজ্ঞ সুসম্পন্ন হবই। যিবোৰে সকলো শক্তিকে একে ফালে, একে ঠাইতে, একে ধৰণে খৰচ কৰিব খোজে, সিহঁত বলিয়া।

বিনয়,—গোৰা, তোমাৰ কথাবোৰ মই প্ৰতিবাদ কৰিব নোখোজোঁ। কিন্তু মোৰ কথাবো তো তুমি প্ৰতিবাদ নকৰিলা। আচল কথা হৈছে——

গোৰা,—চোৱা বিনয়, এই বিষয়ে একেটা কথালৈ বেচি বকিবলৈ গলে সি তৰ্কহে হৈ উঠিবগৈ। মই স্বীকাৰ কৰিছোঁ, তুমি আজি-কালি ছোৱালীবোৰৰ বিষয়ে যিমান সচেতন হৈ পৰিছা মই অৱশ্যে ঠিক সিমানখিনি হোৱাগৈ নাই। এতেকে তুমি যিদৰে অনুভৱ কৰিছা, ময়ো সেইদৰে অনুভৱ কৰিবলৈ যত্ন কৰিলে কেতিয়াও সফল নহয়। গতিকে আজিলৈ এই বিষয়ে আমাৰ মতভেদ থাকিল বুলিয়েই মানি লোৱা যাওক দিয়া!

গোৰাই কথাটো উৰুৱাই দিলে। কিন্তু গুটি দলি মাৰি দিলেও সি মাটিত পৰিবই আৰু এবাৰ মাটিত পৰিলে সুবিধামতে শিপোৱাত বাধা নেথাকে। এতিয়ালৈকে জীৱনৰ চাৰি চুকৰপৰা তিৰোতা মানুহক গোৰাই সমাজ আঁতৰত ৰাখিছিল। আৰু ই কিবা এটা অভাৱ বা ক্ষতি বুলি সপোনতো সি কেতিয়াও ভবা নাছিল। আজি বিনয়ৰ কথা শুনি

সংসাৰত তিৰোতা মানুহৰ এটা বিশেষ সত্তা আৰু প্ৰভাৱৰ বিষয়ে সি সচেতন হৈ উঠিছে। কিন্তু এই বিশেষ সত্তাৰ স্থান ক'ত? প্ৰয়োজনেই বা কি?——এইবোৰ সি এতিয়াও একোকে স্থিৰ কৰিব পৰা নাই। এইবাবেই বিনয়ৰ লগত তাৰ তৰ্ক কৰিবলৈ ভাল নেলাগে। বিষয়টোক সি অস্বীকাৰ কৰিবও নোৱাৰে, বুজি উঠিবও পৰা নাই। সেই বাবেই বিষয়টোক সি আলোচনাৰ চাৰিবেৰৰ বাহিৰত থব খুজিছে।

ৰাতি বিনয় উভতি আহোঁতে আনন্দময়ীয়ে তাক মাতি নি ক'লে,—"বিনয়, শশীমুখীৰ লগত তোমাৰ বিয়াখন বোলে ঠিক হৈ গৈছে?"

বিনয়ে এটা লাজকুৰীয়া হাঁহিৰে ক'লে,—"হয় আই, গোৰাই হৈছে এই শুভ কামৰ ঘটক।"

আনন্দময়ীয়ে ক'লে,—"শশীমুখী ছোৱালীজনী ভালেই, কিন্তু বোপাই, ল'ৰা-ধেমালিখন নকৰিবা। মই তোমাৰ মনটো জানো বিনয়, অলপ দোধোৰ-মোধোৰত পৰিছা বুলিয়েই খৰ-খৰকৈ এই কাম কৰিবলৈ ওলাইছা। এতিয়াও ভাবি চাবৰ সময় আছে। তোমাৰ বয়স হৈছে বোপাই, ইমান ডাঙৰ এটা কাম হুবমুৰকৈ নকৰিবা।"

এই বুলি কৈ তেখেতে বিনয়ৰ গায়ে-মূৰে হাত বুলাই দিলে। বিনয়ে একোকে নকৈ লাহে লাহে গুচি গ'ল গৈ।

১৮

বিনয়ে আনন্দময়ীয়ে কোৱা কথাকে ভাবি ভাবি ঘৰ পালেহি। আজিলৈকে আনন্দময়ীৰ এটা কথাও বিনয়ে পেলোৱা নাই। সেইদিনা গোটেই নিশাটো কিবা বোজা এটাই হেঁচা মাৰি ধৰি তাৰ মনটো যেন গধুৰ কৰি থলে।

পিচদিনা পুৱা শুই উঠি অৱশ্যে মনটো মুকলি হৈ পৰা যেন লাগিল। সি পেটে পেটে গোৰাৰ বন্ধুত্বক এটা বৰ ডাঙৰ মূল্য দান কৰা যেন লাগিল। এফালে শশীমুখীক বিয়া কৰাবলৈ মান্তি হৈ সি যেনেকৈ এটা বান্ধোন মানি ললে, তাৰ পৰিবৰ্ত্তে আনফালে ঠিক সেইদৰেই আন এটা বান্ধোন ঢিলাই দিবৰ তাৰ অধিকাৰ হ'ল। বিনয়ে সমাজ এৰি ব্ৰাহ্ম পৰিয়ালৰ ছোৱালী বিয়া কৰাবলৈ মন মেলিছে বুলিয়েই গোৰাৰ মনত এটা অন্যায়

সন্দেহ সোমাইছিল। এই মিছা সন্দেহৰ বাবে সি শশীমুখীক বিয়া কৰোৱা-টোকে চিৰকলীয়া জামিন স্বৰূপে থৈ নিজক মোকলাই ল'লে। ইয়াৰ পিচত বিনয়ে পৰেশ ভট্টৰ ঘৰলৈ নিসঙ্কোচে আৰু ঘনাই অহা যোৱা কৰি-বলৈ ধৰিলে।

সি ভালপোৱা মানুহবোৰৰ একেবাৰে আঁপোন হৈ পৰাটো বিনয়ৰ বাবে অকণো টান কথা নাছিল। গোৰাৰ প্ৰতি থকা সঙ্কোচখিনি মনৰ পৰা আঁতৰাই দিয়াৰ লগে লগেই চাওঁতে চাওঁতে অতি কম সময়ৰ ভিতৰতে সি পৰেশ ভট্টৰ পৰিয়ালৰ আটাইৰে কাষত একেবাৰে ঘৰৰ লৰা হৈ পৰিল।

সুচৰিতাৰ মনটো বিনয়ৰ ফালে চাল খোৱা বুলি ভাবি কিছু দিনলৈ ললিতাৰ মনত অলপ সন্দেহ আছিল আৰু সেই কেইদিন বিনয়ৰ বিৰুদ্ধে তাইৰ মনটোৱে যেন বিদ্ৰোহ কৰি উঠিছিল। কিন্তু সুচৰিতাৰ বিনয়ৰ লগত বিশেষ একো নাই বুলি স্পষ্টকৈ বুজাৰ লগে লগে তাইৰ মনৰ বিদ্ৰোহো আঁতৰি গ'ল। তাইৰ মনটো বৰ ভাল লাগিল আৰু তেতিয়া বিনয়ক সঁচাকৈয়ে অতি ভাল মানুহ বুলি ভাবিবলৈ তাইৰ আৰু একো বাধা নেথাকিল।

হাৰানো বিনয়ৰ প্ৰতি বিৰূপ নহ'ল। বিনয়ৰ ভদ্ৰতাজ্ঞান আছে বুলি তেওঁ আৰু বেচিকৈহে স্বীকাৰ কৰিলে; আৰু ইয়াৰ গুৰিতে হ'ল গোৰাৰ এই ভদ্ৰতাজ্ঞান নাই—এনে এক ইঙ্গিত দিয়াৰ উদ্দেশ্য।

বিনয়ে কেতিয়াও হাৰানৰ আগত কোনো তৰ্কৰ পাতনি নেমেলি-ছিল। এনে ধৰণৰ কথা নোলোৱাটোৱেই সুচৰিতায়ো আশা কৰিছিল। আৰু সেই বাবেই এতিয়ালৈকে চাহৰ টেবুলৰ শান্তি ভঙ্গ হোৱাগৈ নাছিল।

কিন্তু হাৰান নেথাকিলে সুচৰিতাই নিজেই বিনয়ক তাৰ সামাজিক মতৰ বিষয়ে আলোচনা কৰোৱাবলৈ যত্ন কৰিছিল। গোৰা আৰু বিনয়ৰ দৰে শিক্ষিত মানুহে কেনেকৈ যে দেশৰ পুৰণি কু-সংস্কাৰবোৰ সমৰ্থন কৰিব পাৰে—এই কথা বুজিবৰ কৌতূহল তাইৰ কোনোমতেই মাৰ নগৈছিল। যদি সুচৰিতাই গোৰা আৰু বিনয়ক চিনি নেপালেহেঁতেন, আৰু যদি আন কোনোবাই এইবোৰ মত মানি চলে বুলি জানিলেহেঁতেন তেন্তে সেই মানুহ জনক আৰু দ্বিতীয় কথা নুসুধি একেবাৰে অৱজ্ঞাৰ পাত্ৰ বুলি ভাবিলে-হেঁতেন। কিন্তু তাই গোৰাক দেখাৰেপৰা কোনো ৰকমেই গোৰাক অশ্ৰদ্ধা কৰি মনৰপৰা আঁতৰাব পৰা নাছিল। সেই কাৰণে তাই সুবিধা পালেই বিনয়ৰ আগত ঘূৰাই পকাই গোৰাৰ মত আৰু তাৰ জীৱনৰ কথা উলিয়াই লৈছিল আৰু নানা ধৰণৰ প্ৰতিবাদ কৰি কৰি অৱশেষত বিনয়ৰপৰা

গোৰাৰ কথা সকলো জানি লৈছিল। পৰেশ ভট্টয়ো সুচৰিতাই আটাইবোৰ সম্প্ৰদায়ৰ মতামত জনাটো তাইৰ সুশিক্ষা পোৱাৰ এটা উপায় বুলি ভাবিছিল। সেই বাবেই তেখেতে এনে ধৰণৰ তৰ্কত কেতিয়াও ভয় খোৱা নাছিল বা বাধাও দিয়া নাছিল।

এদিন সুচৰিতাই সুধিলে,—"বাৰু, গৌৰমোহনে সঁচাকৈয়ে জাতিভেদ মানে নে, নাই সেইটোও এটা স্বদেশপ্ৰেম দেখুৱাৰ চল?"

বিনয়ে ক'লে,—"আপুনি জানো চিৰীৰ খাপবোৰ মানে? সেইবোৰোচোন ভাগ ভাগ হৈ থাকে—কোনোটো ওপৰত কোনোটো তলত।"

সুচৰিতা,—তলৰপৰা ওপৰলৈ উঠিব লাগে বুলিয়েই মানো—নহলে মানিবৰ কোনো দৰ্কাৰ নাছিল। সমান ঠাইত চিৰী নেমানিলেও হয়।

বিনয়,—ঠিকেই কৈছে। আমাৰ সমাজখন হৈছে এটা চিৰী। ইয়াৰ এটা উদ্দেশ্য আছিল—সেইটো হৈছে তলৰপৰা ওপৰলৈ তুলি নিয়া। মানৱ জীৱনক এটা পৰিণামলৈ লৈ যোৱা। সমাজ আৰু সংসাৰখনকেই পৰিণাম বুলি ভবা হলে কোনো বিভাগ ব্যৱস্থাৰ প্ৰয়োজনেই নাছিল। তেতিয়া ইউৰোপীয় সমাজৰ দৰে প্ৰত্যেকেই আনতকৈ বেচিকৈ দখল কৰিবৰ বাবে টনা-আজোৰা, মৰা-মৰি কৰি চলিলোহেঁতেন। সংসাৰত কৃতকাৰ্য্য হোৱা জনেই মূৰ দাঙিলেহেঁতেন আৰু অকৃতকাৰ্য্য হোৱাজনে একেবাৰেই বুৰ গ'লহেঁতেন। আমি সংসাৰৰ যোগেদিয়েই সংসাৰখন পাৰ হবলৈ বিচাৰোঁ বুলিয়েই সংসাৰৰ কৰ্ত্তব্যক প্ৰবৃত্তি আৰু প্ৰতিযোগিতাৰ ভিত্তিত প্ৰতিষ্ঠিত কৰা নাই। সংসাৰৰ কৰ্ম্মক ধৰ্ম্ম বুলি স্থিৰ কৰিছোঁ,—কিযনো কৰ্ম্মৰদ্বাৰা আন সফলতা নহয়, মুক্তিহে লাভ কৰিব লাগিব। সেই কাৰণে একালে সংসাৰৰ কাম আৰু আনফালে সংসাৰৰ কামৰ পৰিণাম, এই দুয়োটালৈকে চাই আমাৰ সমাজে বৰ্ণভেদ অৰ্থাৎ বৃত্তিভেদ স্থাপন কৰিছিল।

সুচৰিতা,—মই হলে আপোনাৰ কথা ভালদৰে বুজিব পৰা নাই। মোৰ প্ৰশ্ন হ'ল—আপুনি কোৱামতে সমাজত প্ৰচলিত হোৱা বৰ্ণভেদৰ উদ্দেশ্য জানো সফল হোৱা দেখিছে?

বিনয়,—পৃথিৱীত সফলতাৰ চেহেৰা চকুৰে দেখা পোৱাটো বৰ টান কথা। গ্ৰীচৰ সফলতা আজি গ্ৰীচৰ মাজত নাই, কিন্তু সেই বাবেই গ্ৰীচৰ আটাইবোৰ চিন্তাধাৰাকে ভুল বা ব্যৰ্থ বুলি কব নোৱাৰোঁ। গ্ৰীচৰ চিন্তাধাৰাই এতিয়াও মানৱ সমাজৰ মাজত নানা ধৰণে সফলতা লাভ কৰিছে। ভাৰতবৰ্ষই জাতিভেদৰ যোগেদি সামাজিক সমস্যাৰ এটি ডাঙৰ উত্তৰ

দিছিল। সেই উত্তৰৰ ফলাফল এতিয়াও পৃথিৱীৰপৰা মচ খোৱা নাই। পৃথিৱীৰ সন্মুখত সি এতিয়াও আছে। ইউৰোপেও সামাজিক সমস্যাৰ আন কোনো সদুত্তৰ এতিয়ালৈকে দিব পৰা নাই। তাত মাথোন হেঁচা-ঠেলা, দৰৰা-দৰবি চলি আছে। ভাৰতবৰ্ষই দিয়া উত্তৰটোৱেই এতিয়াও মানৱ সমাজত সফলতাৰ বাবে অপেক্ষা কৰি আছে। আমি ইয়াক আমাৰ ক্ষুদ্ৰ সাম্প্ৰদায়িক অন্ধতাবশতঃ উফৰাই দিলেই যে এইটো উৰি যাব সেই বুলি নেভাবিব। আমি এই সৰু সৰু সম্প্ৰদায়বোৰ পানীৰ কণিকাৰ দৰে সাগৰত মিহলি হৈ যামগৈ, কিন্তু ভাৰতবৰ্ষৰ সহজ প্ৰতিভাৰপৰা উৎপত্তি হোৱা এই প্ৰকাণ্ড মীমাংসাটো পৃথিৱীত তাৰ কাম শেষ নোহোৱালৈকে স্থিৰ হৈয়েই থাকিব।

সুচৰিতাই সোধোঁ নোসোধোঁকৈ সুধিলে, "কথা এটা সোধো, আপুনি কিন্তু খং নকৰিব দেই। বাৰু সঁচাকৈয়ে কওকচোন, আপুনি এইবোৰ কথা গৌৰমোহনৰপৰা শুনি কোৱানে সঁচাকৈয়ে নিজে বিশ্বাস কৰে?"

বিনয়ে হাঁহি হাঁহি ক'লে,—"আপোনাক সঁচা কথাই কওঁ, গোৰাৰ দৰে মোৰ বিশ্বাসৰ দৃঢ়তা নাই। জাতিভেদৰ আবৰ্জনা আৰু সমাজৰ দোষবোৰ দেখিলে বহুতো সময়ত মোৰ সন্দেহ ওপজে। গছৰ ভঙা ডাল আৰু শুকান পাতকে গছজোপাৰ প্ৰকৃত ৰূপ বুলি ভবাটো নিৰ্ব্বুদ্ধিতাৰহে লক্ষণ। ভঙা ডালক প্ৰশংসা কৰিবলৈ নকওঁ, কিন্তু গোটেই গছ জোপালৈ চাওক আৰু তাৎপৰ্য্য বুজিবলৈ যত্ন কৰক।"

সুচৰিতা,—গছৰ শুকান পাতটো বাৰু নধৰিলোঁৱেই, কিন্তু ফলটোও তো চাব লাগিব। জাতিভেদৰ ফলনো আমাৰ দেশৰ বাবে কিমান উপকাৰী, সেইটো তো ভাবি চাব লাগিব।

বিনয়,—আপুনি যিটোক জাতিভেদৰ ফল বুলি ভাবিছে সেইটো অৱস্থাৰহে ফল মাথোন,—জাতিভেদৰ নহয়। লৰি থকা দাঁতেৰে চোবালে দুখ পায়, সেইটো দাঁতৰ দোষ নহয়, লৰি থকা দাঁতটোৰহে দোষ। নানান্ কাৰণে আমাৰ মাজত বিকাৰ আৰু দুৰ্ব্বলতা ঘটিছে বুলিয়েই ভাৰতবৰ্ষৰ চিন্তাধাৰাক আমি সফল নকৰি বিকৃতহে কৰিছোঁ। এই দোষবোৰ চিন্তাধাৰাৰ মূল কথা নহয়। আমাৰ ভিতৰত প্ৰাণ আৰু স্বাস্থ্য ভৰি পৰিলেই সকলো ঠিক হৈ যাব। গোৰাই সেইবাবে বাৰে বাৰে কয় যে, মূৰ কামুৰিছে বুলিয়েই মূৰটো কাটি পেলাব নোৱাৰি—সুস্থ হব লাগিব, সবল হব লাগিব।

সুচৰিতা,—বাৰু, তেনেহলে আপুনি ব্ৰাহ্মণ জাতিটোক নৰদেৱতা বুলি

মানিবলৈ কয় নে কি ? বামুণৰ ভৰিৰ ধূলিয়ে মানুহক পবিত্ৰ কৰে বুলি আপুনি সঁচাকৈয়ে বিশ্বাস কৰে জানো ?

বিনয়,—পৃথিৱীৰ বহুতো সন্মান চোন আমি নিজেই সৃষ্টি কৰা। যি কাৰণেই নহওক ৰজাক যিমান দিনলৈকে মানুহৰ প্ৰয়োজন থাকে সিমান দিনলৈকে তেওঁক অসামান্য বুলি জনাই কৰা হয়। কিন্তু ৰজা তো সঁচাকৈয়ে অসামান্য নহয়। অথচ নিজৰ সামান্যতাৰ বাধা ভাঙি তেওঁ অসামান্য হৈ উঠিব লাগিব, নহলে তেওঁ ৰাজত্ব কৰিব নোৱাৰিব। ৰজাৰ পৰা উপযুক্ত শাসন পাবৰ বাবে আমি তেওঁক অসামান্য কৰি গঢ়ি তোলোঁ। আৰু আমাৰ এই সন্মানৰ দাবী ৰজাই ৰক্ষা কৰিব লাগিব, তেহেঁ অসামান্য হবলগীয়া হয়। মানুহৰ সকলো কথাতেই এনে ধৰণৰ কৃত্ৰিমতা আছে। আন কি পিতৃ-মাতৃৰ যি আদৰ্শ আমি স্থাপন কৰিছোঁ, তাৰপৰাইহে সমাজে মাক-বাপেকক বিশেষ ভাৱে মাক-বাপেক কৰি ৰাখিছে, মাত্ৰ চেনেহৰ বান্ধোনেৰে নহয়। একান্নবৰ্ত্তী পৰিয়ালত ডাঙৰ ককায়েকে সৰু ভায়েকৰ বাবে বহুতো সহিব লাগে, বহুতো ত্যাগ কৰিব লাগে—কিন্তু কিয় লাগে ? আমাৰ সমাজে ডাঙৰ ককায়েকক বিশেষ ভাৱে এবিধ ডাঙৰ ককায়েকৰ ভাও দি থৈছে। কিন্তু আন সমাজে সেইটো কৰা নাই। সেইদৰে ব্ৰাহ্মণকো যথাৰ্থভাৱে ব্ৰাহ্মণ কৰি গঢ়ি তুলিব পাৰিলে সমাজৰ পক্ষে কম লাভ হব নে ? আমি নৰদেৱতা বিচাৰোঁ। আমি নৰদেৱতাক বুদ্ধি বিবেচনা কৰি অন্তৰেৰে সৈতে বিচাৰিলে নিশ্চয় পাম। আৰু মূৰ্খৰ দৰে বিচাৰিলে যিবোৰ অপদেৱতাই সকলো ধৰণৰ দুষ্কৰ্ম্ম কৰে আৰু আমাৰ মূৰত ভৰিৰ ধূলি দিয়েই জীৱিকা আৰ্জ্জন কৰে সেইবোৰৰ দল বঢ়াই পৃথিৱীৰ বোজা বঢ়োৱাহে হব।

সুচৰিতা,—আপোনাৰ এই নৰদেৱতা সঁচাকৈয়ে কৰবাত আছে জানো ?

বিনয়,—গুটিৰ মাজত গছ থকাৰ দৰেই আছে। ভাৰতবৰ্ষৰ আন্তৰিক অভিপ্ৰায় আৰু প্ৰয়োজনৰ মাজতেই সোমাই আছে। আন আন দেশে ওয়েলিংটনৰ দৰে সেনাপতি, নিউটনৰ দৰে বৈজ্ঞানিক, ৰথ্‌চাইল্ডৰ দৰে লক্ষপতি বিচাৰে; কিন্তু আমাৰ দেশে ব্ৰাহ্মণক বিচাৰে। ব্ৰাহ্মণ—যিজনৰ ভয় নাই, লোভক ঘিণ কৰে, দুখক জয় কৰে, কোনো অভাৱকে অভাৱ বুলি নেভাবে, যিজন 'পৰমে ব্ৰহ্মণি যোজিত চিত্তঃ' যিজন অটল শান্ত মুক্ত, সেই ব্ৰাহ্মণ জনকে ভাৰতবৰ্ষই বিচাৰে। এনে এজন ব্ৰাহ্মণক সঁচাসঁচিকৈ পালেই ভাৰতবৰ্ষ স্বাধীন হব। আমাৰ সমাজৰ প্ৰতিটো বিভাগ আৰু প্ৰতিটো কৰ্ম্মতে সদায় এটি মুক্তিৰ সুৰ যোগাবৰ বাবেই ব্ৰাহ্মণক

লাগে—বন্ধা-বঢ়া কৰা বা চিনিও্তা ৰোবাবৰ বাবে নহয়। সমাজৰ সাৰ্থকতাক সমাজৰ চকুৰ আগত সদায় দাঙি ধৰি থাকিবলৈকে ব্ৰাহ্মণক লাগে। এই ব্ৰাহ্মণৰ আদৰ্শক আমি যিমানে বেচিকৈ অনুভৱ কৰিম, ব্ৰাহ্মণৰ সন্মানকো ঠিক সিমানেই উচচ কৰিব লাগিব। সেই সন্মান ৰজাৰ সন্মানতকৈ বহুতো ওপৰত। সেই সন্মান দেৱতাৰ সন্মান। ব্ৰাহ্মণ এই সন্মানৰ প্ৰকৃত অধিকাৰী হ'লেই আমাৰ দেশক আৰু কেৱে কেতিয়াও অপমানিত কৰিব নোৱাৰিব। আমি জানো ৰজাৰ আগত মূৰ দোঁৱাই থাকো? আমি জানো অত্যাচাৰীৰ শিকলি ডিঙিত মেৰিয়াই লওঁ? আমি ভয়ৰ ওচৰতহে মূৰ দোৱাঁই থাকো, নিজৰ লোভৰ জালতহে মেৰ খাই আছোঁ, নিজৰ মূৰ্খামিৰ কাৰণেহে আমি দাসৰো দাস কৃতদাস। ব্ৰাহ্মণে তপস্যা কৰক আৰু ভয়ৰপৰা, লোভৰপৰা, মূৰ্খামিৰপৰা আমাক মুক্ত কৰক। আমি তেওঁলোকৰপৰা যুদ্ধ নিবিচাৰোঁ, বেহা-বেপাৰো নিবিচাৰোঁ। তেওঁলোকে আমাক কোনো কাম কৰি দিব নেলাগে। মাথোন তেওঁলোকে আমাৰ সমাজৰ মাজত মুক্তিৰ সাধনাক সত্য কৰি তোলক।

ইমান পৰ পৰেশ ভট্টই কথাবোৰ মনে মনে শুনি আছিল। এতিয়া লাহেকৈ মাত দিলে,—"ভাৰতবৰ্ষক ভালদৰে চিনি পাইছোঁ বুলি মই অৱশ্যে কব নোৱাৰোঁ। আৰু ভাৰতবৰ্ষয়েই বা কি বিচাৰিছিল বা বিচৰা বস্তুবোৰ পাইছিল নে নাই, সেই কথাও মই ভালকৈ নেজানো। কিন্তু পাৰ হৈ যোৱা দিনবোৰলৈ জানো আকৌ উভতি যাব পাৰি? বৰ্ত্তমান যিটো সম্ভৱ সেইটোৰেই আমাৰ সাধনাৰ বিষয় হোৱা উচিত। অতীতলৈ হাত মেলি সময় নষ্ট কৰিলে জানো কিবা কাম হব?"

বিনয়,—ময়ো আপুনি কোৱাৰ দৰেই ভাবিছিলোঁ আৰু কেবাবাৰো কৈছোও। কিন্তু গোৰাই কয় যে অতীতক অতীত বুলি বিদায় দিলেই জানো সেইটো অতীত হব পাৰে? সি বৰ্ত্তমানৰ চিঞৰ-বাখৰ আৰু কোৰ্হালৰ আঁৰত বা আমাৰ চকুৰপৰা আঁতৰি গৈছে বুলিয়েই কেতিয়াও অতীত হব নোৱাৰে। সি ভাৰতবৰ্ষৰ হাড়ৰ মাজত মিলি আছে। কোনো সত্যয়েই কেতিয়াও অতীত হব নোৱাৰে। আৰু সেয়েহে ভাৰতবৰ্ষৰ এই সত্যটোৱে আমাক আজি-কালি আঘাত দিবলৈ ধৰিছে। যিদিনাই আমাৰ মাজৰ এজনে হলেও ইয়াক সত্য বুলি চিনি পাব আৰু গ্ৰহণ কৰিব পাৰিব সেইদিনাই আমাৰ সমুখত শক্তিৰ খনিৰ প্ৰৱেশ পথ মুকলি হৈ যাব। অতীতৰ ভাণ্ডাৰ বৰ্ত্তমানৰ সামগ্ৰী হৈ পৰিব। ভাৰতবৰ্ষত কতো এনে সাৰ্থক পুৰুষৰ আবিৰ্ভাৱ হোৱা নাই বুলিয়েই আপুনি ভাবে নে কি?

সুচৰিতাই ক'লে,—"আপুনি যি ধৰণে এইবোৰ কথা কৈছে, সাধাৰণ মানুহে কিন্তু তেনেকৈ নকয়। আৰু সেই কাৰণে আপোনালোকৰ সত্যক গোটেইখন দেশৰে মত বুলি মানি লবলৈ সন্দেহ হয়।"

বিনয়ে ক'লে—"চাওক সূৰ্য্যোদয়ৰ ঘটনাটো বৈজ্ঞানিকবোৰে এক ধৰণে ব্যাখ্যা কৰে আৰু সাধাৰণ মানুহে আন এক ধৰণে ব্যাখ্যা কৰে। এইবোৰৰপৰা সূৰ্য্য উদয়ৰ লাভ বা লোকচান নহয়। কিন্তু সত্যক ভালকৈ জানিব পাৰিলে আমাৰ লাভহে হব। দেশৰ যিবোৰ সত্যক আমি ডোখৰ ডোখৰকৈ বেলেগে বেলেগে বিচাৰ কৰোঁ। গোৰাই সেই আটাই-বোৰ সত্যকে একেলগে একেটা ৰূপতে দেখা পায়। সঁচাকৈয়ে গোৰাৰ এনেকুৱা এটা আচৰিত ক্ষমতা আছে। গোৰাই এই দৃষ্টিৰে চাব পাৰে দেখি আপুনি জানো তাৰ দৃষ্টিভ্ৰম হৈছে বুলি ভাবিব? আৰু ডোখৰ ডোখৰকৈ ভাঙি-ছিঙি চোৱাবোৰৰ দৃষ্টিয়েই জানো সত্য?"

সুচৰিতাই একো উত্তৰ নিদিলে। বিনয়ে ক'লে—"সাধাৰণতে আমাৰ দেশত যিবোৰ মানুহে নিষ্ঠাবান হিন্দু বুলি গপ মাৰি ফুৰে মোৰ বন্ধু গোৰাক আপুনি সেই দলৰ বুলি মুঠেই নেভাবিব। আপুনি তাৰ দেউতাক কৃষ্ণদয়ালক দেখা হলে বাপেক পুতেকৰ পাৰ্থক্যটো ভালদৰে ধৰিব পাৰিলেহেঁতেন। কৃষ্ণদয়ালে সদায় কাপোৰ-কানি সলাই গঙ্গাজল ছটিয়াই পুথি-পাঁজি আওৰাই নিজকে শুচি কৰি ৰাখিবলৈ অনবৰত ব্যস্ত হৈয়ে থাকে। ৰন্ধা-বঢ়া বিষয়ত অতি খাটি বামুণকো বিশ্বাস নকৰে। কৰবাত কেনেবাকৈ তেখেতৰ ব্ৰাহ্মণত্বত দায় দোষ লাগে বুলি গোৰাক তেখেতৰ কোঠাৰ চৌপাশলৈকে আহিবলৈ নিদিয়ে। কেতিয়াবা এবাৰ নোৱাৰা কামত বৈণীয়েকৰ কোঠালৈ আহিবলগীয়া হ'লে উভতি গৈ তেখেতে নিজকে পৰাচিত কৰি লয়। কেনেবাকৈ কিজানিবা কিবা নীতি-নিয়ম ভঙ্গ হৈ দায়-দোষ লাগে বুলি পৃথিৱীত দিনে ৰাতিয়ে তেখেতে অতি সাৱধানে থাকিবলগীয়া হয়। ফিট্-ফাট্ বাবুৱে ৰ'দত নোলাই আৰু ধূলা-মাকতিৰপৰা আঁতৰি নিজৰ গাৰ বৰণৰ উজ্জ্বলতা চুলিৰ বাহাৰ কাপোৰ-কানি পৰিপাটিকৈ ৰাখিবলৈ সদায় ব্যস্ত হৈ থকাৰ দৰেই কৃষ্ণ দয়ালেও অনবৰত ব্যস্ত হৈ থাকিব লাগে। গোৰা কিন্তু একেবাৰে এনেকুৱা নহয়। সি হিন্দু শাস্ত্ৰৰ নিয়মবোৰ অশ্ৰদ্ধা নকৰে। কিন্তু সি ইমান খুট্খুটীয়াও নহয়। সি হিন্দু ধৰ্ম্মৰ মূল কথাটোলৈ উচচ দৃষ্টিৰে চায়। হিন্দু ধৰ্ম্মৰ প্ৰাণ শক্তি চুলেই শুকাই যাব বা লৰচৰ কৰিলেই মৰি যাব—ইমান লেহুকা বুলি সি কেতিয়াও নেভাবে।"

সুচৰিতা,—কিন্তু তেখেতে চোন বাছ-বিচাৰবোৰ খুব সাৱধানে মানি চলে যেন লাগে।

বিনয়,—তাৰ এই সতৰ্কতা বৰ অদ্ভুত বস্তু। তাক সুধিলেই সি কয়—'ও মই এই আটাইবোৰ মানো। নহলে জাত যায়, খালে পাপ লাগে, এই আটাইবোৰ নিৰ্ভুল সত্য। কিন্তু এইবোৰ তাৰ মাথোন গাৰ বলেৰে কোৱা কথা বুলি ভালকৈয়ে জানো। এনেকুৱা কথাবোৰ যিমানেই বেচি অসঙ্গত হয় সিমানেই বেচিকৈ সি সকলোকে শুনাই শুনাই চিঞৰি চিঞৰি সি ভাবে বৰ্ত্তমান হিন্দু ধৰ্ম্মৰ সৰু সুৰা নিয়মবোৰ মানি নচলিলে অন্য মুৰ্খবোৰে হিন্দু ধৰ্ম্মৰ মূল সত্যবোৰকো অসন্মান কৰিব পাৰে। আৰু যিবোৰে হিন্দু ধৰ্ম্মক অশ্ৰদ্ধা কৰে সিহঁতে এইবোৰ দেখিলে নিজৰে জয় হোৱা বুলি ভাবিব পাৰে। এনেবোৰ কাৰণতে গোৰাই নিৰ্ব্বিশেষে আটাই-বোৰ বিধি মানি চলিব খোজে। আন কি মোৰ আগতো কেতিয়াও সি এই বিষয়ে ঢিলাই দিব নোখোজে।

পৰেশ ভট্টই ক'লে—"ব্ৰাহ্মবোৰৰ ভিতৰতো এনে ধৰণৰ মানুহ বহুতো আছে। সিহঁতে হিন্দু ধৰ্ম্মৰ কু-প্ৰথাবোৰ মানি চলিছে— অব্ৰাহ্মবোৰৰ মাজত কেনেবাকৈ এনে ভুল ধাৰণা হয বুলি সিহঁতে হিন্দু ধৰ্ম্মৰ কাষেই চাপিব নোখোজে। এনেকুৱা পৃথিৱীত কেতিয়াও সহজ ভাৱে থাকিব নোৱাৰে। ইহঁতে হয ভাও জোৰে, নহয় সকলো কথাতে বৰ বেচিকৈ দেখুৱায়।. সত্যক সদায় দুৰ্ব্বল বুলি ভাবে আৰু বুদ্ধি নাইবা গাৰ বলেৰে সত্যক ৰক্ষা কৰাটোৱেই কৰ্ত্তব্যৰ অঙ্গ বুলি ভাবে। 'মোৰ ওপৰতহে সত্য নিৰ্ভৰ কৰিছে, সত্যৰ ওপৰত মই নিৰ্ভৰ কৰা নাই'—এনেকৈ ভবাবোৰকে গোঁড়া বুলি কয়। সত্যৰ শক্তিত নিৰ্ভৰশীলসকলে নিজক সংযতকৈ ৰাখে। বাহিৰা মানুহে দুদিনমান ভালকৈ বুজিলেও সামান্য ক্ষতিহে হয়। কিন্তু আন কিবা সামান্য সঙ্কোচৰ ফলত সত্যক অস্বীকাৰ কৰিলে তাতকৈ বহুতো বেচি ক্ষতি হয়। মই ভগৱন্তৰ ওচৰত সদায় ইয়াকেই প্ৰাৰ্থনা কৰোঁ।—যাতে ব্ৰাহ্মৰ সভাতেই হওক বা হিন্দুৰ গোসাঁই থানতেই হওক মই যেন সত্যক সদায় নতশিৰে অতি সহজে পৱিত্ৰভাৱে সেৱা কৰিব পাৰোঁ।—কোনো বাহিৰা বাধায়েই যেন মোক বাধা দিব নোৱাৰে।"

এই বুলি পৰেশ ভট্টই অলপ পৰ নিমাত হৈ থাকি যেন মনে মনে ভগৱানৰ নাম ললে। পৰেশ ভট্টৰ লাহে লাহে কোৱা কথা কেইষাৰে অত পৰৰ পাচত আটাইবোৰ আলোচনাৰ মাজলৈ যেন এটি আধ্যাত্মিক সুৰ বোৱাই আনিলে। সেই সুৰটি মাথোন এই কথা কেইষাৰতেই থকা

নাই—সেই সুৰটো যেন পৰেশ ভট্টৰ নিজৰ জীৱনৰ এটি প্ৰশান্ত গভীৰতাৰ সুৰ। সুচৰিতা আৰু ললিতাৰ মুখত এটি আনন্দ মিহলি ভক্তিৰ দীপ্তি জিলিকি উঠিল। বিনয় নিমাত হৈ থাকিল। সকলো কথাতে গোৰাৰ এটা গাৰ বলেৰে কোৱা ক্ষুভাৱ আছে বুলি সিও মনে মনে জানিছিল। সত্যৰ বাহকবোৰৰ কামে-কাজে, কথাই-বতৰাই এটি সহজ আৰু সবল শান্তি থকা উচিত—এইটো গোৰাৰ নাই। পৰেশ ভট্টৰ কথাবোৰ শুনি বিনয়ে আজি এই কথাটো আৰু স্পষ্টকৈ অনুভৱ কৰিব পাৰিলে। অৱশ্যে ইমান দিনে বিনয়ে গোৰাৰ ফলীয়া হৈ মনে মনে এই বুলি তৰ্ক কৰিছিল যে সমাজৰ থাই খুটাই যেতিয়া লৰক-ফৰক হৈ আছে, সমগ্ৰ দেশ কালতেই যেতিয়া এটা দ্বন্দ্ব চলিছে—এনে সময়ত সত্যৰ সৈনিকবোৰে স্বাভাৱিকতা ৰক্ষা কৰিব নোৱাৰে। তেতিয়া সাময়িক প্ৰয়োজনৰ বাবে কেতিয়াবা সত্যত কেৰোণ লাগে। আজি পৰেশ ভট্টৰ কথাকেইষাৰ শুনি বিনয়ে নিজকে নিজে সুধিলে—সাময়িক প্ৰয়োজনৰ খাতিৰত সত্যক ক্ষুব্ধ কৰি তোলাটো সাধাৰণ মানুহৰ বাবেহে স্বাভাৱিক। কিন্তু তাৰ গোৰাও জানো সাধাৰণ মানুহৰ লগৰ ?

সেইদিনা নিশা পাটীত পৰাৰ লগে লগেই ললিতা আহি তাইৰ বিছনাৰ একাষে বহিলহি। ললিতাৰ মনত কিবা এটা কথাই গুজৰি গুমৰি থকা বুলি সুচৰিতাই বুজি পালে। কথাটো যে বিনয়ৰ বিষয়েই—সেইটোও তাই গম পাইছিল।

সেইবাবে সুচৰিতাই নিজেই প্ৰথমে কথা উলিয়ালে,—"বিনয়ক মোৰ বেচ ভাল লাগে।"

ললিতাই ক'লে,—"তেখেতে মাথোন গৌৰমোহনৰ কথা কৈ থাকে কাৰণে তোমাৰ ভাল লাগে।"

সুচৰিতাই কথাষাৰৰ ভিতৰৰ ইঙ্গিতটো বুজিও নুবুজাৰ ভাও জুৰিলে। তাই এটা সৰল ভাব দেখুৱাই ক'লে,—"সেইটো সঁচা, তেখেতৰ মুখৰপৰা গৌৰমোহনৰ কথা শুনিবলৈ মোৰ বৰ ভাল লাগে। মই যেন গৌৰমোহনক চকুৰ আগতে দেখা পাওঁ।"

ললিতাই ক'লে,—"মোৰ কিন্তু সমূলি ভাল নেলাগে। খং হে উঠে।"

সুচৰিতাই আচৰিত হৈ সুধিলে,—"কিয় ?"

ললিতাই ক'লে,—"গোৰা, গোৰা, গোৰা, দিনে ৰাতিয়ে মাথোন গোৰা। তেখেতৰ বন্ধু গোৰা খুব ডাঙৰ মানুহ হব পাৰে, বৰ ভাল কথা—কিন্তু তেখেতোও তো মানুহহে।"

সুচৰিতাই হাঁহি হাঁহি ক'লে,—"সেইটো তো হবেই,—পিচে তাত নো কি হানি হ'ল ?"

ললিতা,—বন্ধুৰে তেখেতক এনেকৈ চাকি পেলাইছে যে এতিয়া নিজক প্ৰকাশ কৰিব নোৱাৰা হৈছে।

ললিতাৰ চোকা চোকা কথা শুনি সুচৰিতাই একো নকৈ হাঁহিবলৈ ধৰিলে।

ললিতাই ক'লে,—বাইদেউ, তুমি এতিয়া হাঁহিছাহে,—কিন্তু মই তোমাক সঁচাকৈয়ে কৈছো, মোক কোনোবাই এইদৰে চেপি ধৰি ৰাখিব খোজা হ'লে কিন্তু এদিনলৈয়ো সহ্য নকৰিলোঁহেঁতেন। বাৰু, তোমাৰ কথাই ধৰাচোন, আনে যি বুলিয়েই নেভাবক লাগে, তুমি তো মোক কেতিয়াও আঁৰত ৰাখিব খোজা নাই। তোমাৰ তেনেকুৱা স্বভাৱেই নহয়। সেই কাৰণে তোমাক ইমান ভাল পাওঁ। আচলতে দেউতাৰপৰাই তুমি এই শিক্ষা পাইছা। দেউতাই সকলোকেই নিজৰ নিজৰ ঠাই কণ এৰি দিয়ে।"

গোটেই পৰিয়ালটোৰ ভিতৰতে সুচৰিতা আৰু ললিতা পৰেশ ভট্টৰ পৰম ভক্ত। দেউতাকৰ নামত সিহঁতে গৰ্ব্বত ওফন্দি পৰে।

সুচৰিতাই ক'লে,—"দেউতাৰ লগত জানো আন কাৰোবাক তুলনা কৰিব পাৰি ? কিন্তু তই যিয়েই নকৱ ভনীটি, বিনয়ে হ'লে বৰ বঢ়িয়াকৈ কথা কব পাৰে।"

ললিতা,—সেইবোৰ তেখেতৰ নিজৰ কথা নহয় বুলিয়েই ইমান বঢ়িয়াকৈ কব পাৰে। নিজৰ কথা কোৱা হ'লে সহজভাৱে ক'লেহেঁতেন ; ভাবি ভাবি, সাজি-সাজি কোৱা যেন লাগিলহেঁতেন। বঢ়িয়া কথাতকৈ সহজ কথাহে মোৰ বেচি ভাল লাগে।

সুচৰিতা,—ধেৎ তই আৰু খং কৰিছ কিয় ? গৌৰমোহনৰ কথাবোৰ আজি-কালি তেখেতৰ নিজৰ কথাই হৈ গৈছে।

ললিতা,—তেনেহলে তো আৰু বেচি দুখলগা কথা। ভগৱানে জানো বুদ্ধি দিছে মাথোন পৰৰ কথা ব্যাখ্যা কৰিবলৈ আৰু মুখ দিছে মাথোন পৰৰ কথা বঢ়িয়াকৈ কবৰ বাবে ? এনে বঢ়িয়া কথা শুনিবৰ মোৰ একো দৰ্কাৰ নপৰে।

সুচৰিতা,—কিন্তু এই কথাটো তই নুবুজ কিয় যে বিনয়ে গৌৰমোহনক সঁচাকৈয়ে ভাল পায়। আৰু দুয়োজনৰ মনৰ সঁচাকৈয়ে মিলো আছে !

ললিতাই অধৈৰ্য্য হৈ ক'লে,—"উঁহো নাই নাই,—একেবাৰে মিল নাই। গৌৰমোহনক মানি চলাটো তেখেতৰ এটা অভ্যাস হৈ গৈছে

এইটো দাসত্বহে, ভালপোৱা নহয়। অথচ গৌৰমোহনৰ লগত তেখেতৰ মত মিলে বুলি তেখেতে বলেৰে ভাবিব খোজে। সেই কাৰণেই তেখেতে গৌৰমোহনৰ মতবোৰক ইমান স্থূলৰকৈ সজাই-পৰাই নিজকে আৰু লগতে আনকো ভুচুলাব খোজে। গৌৰমোহনক মানি চলাত কেনেবাকৈ কিবা বাধা ওলায় বুলি তেখেতে সদায় নিজৰ মনৰ সন্দেহ আৰু বিৰোধবোৰ চাকি ৰাখিব খোজে। গৌৰমোহনক নমনাকৈ থাকিবলৈ তেখেতৰ সাহেই নাই। সঁচাকৈয়ে ভাল পালে মত নিমিলাকৈয়ো তো ভাল পাব পাৰি—চকু-কাণ মুদি নিজক সঁপি দিবৰ তো প্ৰয়োজন নাই। কিন্তু তেখেতৰ তো সেইটো নহয়। হয়তো তেখেতে গৌৰমোহনক ভাল পাই কাৰণেই মানি চলে, অথচ এই কথাটো একোতেই স্বীকাৰ নকৰে। তেখেতৰ কথাৰপৰা এইটো কিন্তু সহজেই বুজিব পাৰি। বাৰু বাইদউ, তুমি জানো বুজা নাই? সঁচাকৈয়ে কোৱাচোন।"

সুচৰিতাই এই কথাটো ললিতাই ভবাদি ভবা নাছিল। কিয়নো, গোৰাৰ মতামতবোৰ জানিবলৈহে তাই ব্যগ্ৰ হৈ পৰিছিল, বিনয়ক সুকীয়াকৈ চাবলৈ তাইৰ আগ্ৰহেই নাছিল। এতেকে ললিতাৰ প্ৰশ্নটোৰ উত্তৰ তাই পোনপটীয়াকৈ নিদি তাই ক'লে,—"তোৰ কথাকেই বাৰু মানি লওঁ —'এতিয়া পিচে কি কৰিব লাগিব ক।"

ললিতা,—তেখেতৰ বন্ধুৰ বান্ধোনৰপৰা মোকোলাই আনি স্বাধীন কৰি দিবৰ মোৰ মন যায়।

সুচৰিতা,—চেষ্টা কৰি চা বাৰু।

ললিতা,—মই চেষ্টা কৰিলে একো নহব। তুমি অলপ কাণ দিলেই হব।

বিনয় তাইৰ প্ৰতি অনুৰক্ত হোৱা বুলি সুচৰিতাই পেটে পেটে বুজিছিল যদিও ললিতাৰ কথাষাৰ তাই হাঁহি হাঁহি উৰুৱাই দিব খুজিলে।

ললিতাই ক'লে,—"গৌৰমোহনৰ শাসনৰ ভিতৰত থাকিও তেখেতে এইদৰে তোমাৰ ওচৰত ধৰা দিবলৈ অহা দেখিয়েই তেখেতক মোৰ ভাল লাগিছে। তেখেতৰ অৱস্থাৰ আন কোনোবা হোৱা হ'লে ব্ৰাহ্ম ছোৱালীবোৰক গালি-শপনি পাৰি নাটক লিখিলেহেঁতেন। কিন্তু তেখেতৰ মনটো এতিয়াও নিৰ্ম্মল হৈ আছে। তোমাক ভাল পোৱা আৰু দেউতাক ভক্তি কৰাটোৱেই তাৰ প্ৰমাণ। বিনয়ক তেখেতৰ নিজৰ ৰূপলৈ আনিবই লাগিব বাইদেউ। তেখেতে একমাত্ৰ গৌৰমোহনক প্ৰচাৰ কৰি ফুৰাটো মোৰ একেবাৰে অসহ্য লাগে।"

এনেতে "বাইদেউ, বাইদেউ" বুলি চিঞৰি সতীশ আহি কোঠাটোত সোমালহি। বিনয়ে তাক আজি গড়ৰ মাঠলৈ চাৰ্কাচ্ দেখুৱাবলৈ লৈ গৈছিল। বহুতো ৰাতি হৈছিল যদিও সি তাৰ এই প্ৰথম চাৰ্কাচ্ দেখাৰ গল্প কৈ কৈ শেষত সি ক'লে,—"বিনয় ককাইদেউক আজি মই ধৰি আনি-ছিলোঁ, তেখেতে আমাৰ ঘৰত সোমায়েই গুচি গ'ল গৈ। কাইলৈ আহিব বুলি কৈ গৈছে। বাইদেউ, মই বিনয় ককাইদেউক তোমালোককো এদিন চাৰ্কাচ্ দেখুৱাবলৈ লৈ যাবলৈ কৈছোঁ।"

ললিতাই সুধিলে,—"তেতিয়া তেখেতে কি ক'লে?"

সতীশে ক'লে,—"ছোৱালীবোৰে বাঘ দেখিলে ভয় কৰিব বুলি তেখেতে ক'লে। মোৰ কিন্তু অকণো ভয় লগা নাই।" এই বুলি কৈ সতীশে পুৰুষালিৰ গৰ্ব্বত বুকু ফিন্দাই ৰহিল।

ললিতাই ক'লে,—"ওঁ বাৰু বুজিছোঁ, তোমাৰ বন্ধু বিনয়ৰ কিমান সাহ সেইটোও বুজিছোঁ। নহয় বাইদেউ, আমাৰ লগত তেখেতক যেনে তেনেকৈ চাৰ্কাচলৈ নিবই লাগিব।"

সতীশে ক'লে,—"কাইলৈ যে দিনতে চাৰ্কাচ্ হব।"

ললিতাই ক'লে,—"ভালেই হ'ল। দিনে পোহৰেই যাম।"

পিচদিনা বিনয় আহি সোমাওঁতেই ললিতাই ক'লে,—"এয়া, চেটাৰ্জ্জীদেউ ঠিক সময়তে আহি পালেহি। ব'লক।"

বিনয়,—কলৈ যাব লাগিব?

ললিতা,—চাৰ্কাচলৈ।

চাৰ্কাচলৈ। এই হেন দিন দুপৰত এক তমু মানুহৰ চকুৰ আগেদি এই হেন গাভৰু ছোৱালীবোৰ লগত লৈ চাৰ্কাচলৈ যাব লাগিব! বিনয়ৰ অৱস্থা একেবাৰে চৰগ পৰা মানুহৰ দৰে হ'ল।

ললিতাই ক'লে,—"অ', গৌৰমোহনে খং কৰিব নহয়?"

ললিতাৰ এই প্ৰশ্নটো শুনি বিনয় চক্‌খাই উঠিল।

ললিতাই আকৌ ক'লে,—"চাৰ্কাচলৈ ছোৱালীক লগত লৈ যোৱাৰ বিষয়ে গৌৰমোহনৰ স্বকীয়া মত আছে চাগৈ, নহয় জানো?"

বিনয়ে ক'লে,—"ওঁ, নিশ্চয় আছে।"

ললিতা,—সেইটোনো কেনেকুৱা? বহলাই কওকচোন। বৰ, মই বাইদেউকো মাতি আনো, তেওঁ শুনক।

ললিতাৰ বিন্ধি যোৱা কথাবোৰ শুনি বিনয়ে হাঁহিলে। ললিতাই ক'লে,—"হাঁহিছে কিয় চেটাৰ্জ্জীদেউ? ছোৱালীবোৰে বাঘক ভয় কৰে বুলি

আপুনি কালি সতীশক কৈছিল নহয় ? আপুনি পিচে কাকো ভয় নকৰে নে কি ?"

ইয়াৰ পিচত সেইদিনা কেউজনী ছোৱালীকে লগত লৈ বিনয় চাৰ্কাচলৈ গৈছিল। অকল সেয়ে নহয়, তাৰ লগত গোৰাৰ সম্বন্ধ বিষয়ে ললিতাই আৰু সম্ভৱতঃ এইখন ঘৰৰ আনবোৰ ছোৱালীয়েও কি চকুৰে চাইছে—এই কথাষাৰে তাৰ মনত বাৰে বাৰে তোলপাৰ লগাবলৈ ধৰিলে।

পিচৰবাৰ বিনয়ৰ লগত দেখা হোৱাৰ দিনাই ললিতাই একোকে নজনাৰ ভাও জুৰি সুধিলে, –"গৌৰমোহনক সেইদিনাৰ চাৰ্কাচৰ কথা কৈছে নে নাই ?"

এই প্ৰশ্নটোৱে বিনয়ক দ'কৈ বিন্ধিলে। হঠাতে তাৰ কাণ দুখন ৰঙা হৈ পৰিল। সি ক'লে, "ওহোঁ, এতিয়াও কোৱা নাই।"

এনেতে লাৱণ্যই হাঁহি হাঁহি কোঠাত সোমাই কলেহি," চেটাৰ্জ্জীদেউ, এইফালে আহক আৰু'।"

ললিতাই ক'লে,—"ক'লৈ ? চাৰ্কাচলৈ নে কি ?"

লাৱণ্যই ক'লে,—"বাঃ আজি আকৌ চাৰ্কাচলৈ কিয় ? মোৰ ৰুমালখনৰ চাৰিওটা দাঁতিত পেঞ্চিলেৰে লতা এডাল আঁকি দিবলৈ মাতিছোঁ। মই চিলাই কৰিম। চেটাৰ্জ্জীদেৱে যে ইমান ধুনীয়াকৈ আঁকিব পাৰে।"

লাৱণ্যই বিনয়ক লৈ গুচি গ'ল গৈ।

১৯

বাতিপুৱা গোৰাই কাম কৰি আছিল। বিনয়ে হঠাতে আহি আগগুৰি নোহোৱাকৈ ধপহ্ কৰে কলেহি, "সিদিনা ভট্ট ভাওৰীয়াৰ ছোৱালী কেইজনীক লৈ মই চাৰ্কাচ চাবলৈ গৈছিলোঁ।"

গোৰাই লিখি লিখিয়েই ক'লে,—"ওঁ, শুনিছোঁ।"

বিনয়ে অবাক হৈ সুধিলে,—"তুমি ক'ৰপৰা শুনিলা ?"

গোৰা,—অবিনাশৰপৰা। সিও সেইদিনাখন চাৰ্কাচ চাবলৈ গৈছিল।

গোৰাই আৰু আন একো নকৈ লিখিবলৈ ধৰিলে। গোৰাই এই খবৰটো আগেয়ে শুনিছে, তাতে আকৌ অবিনাশৰপৰা—এজেকে ঘটনাৰ

বৰ্ণনা বা ব্যাখ্যাৰ নিশ্চয়.একো অভাৱ হোৱা নাই। চিৰকলীয়া সংস্কাৰৰ কাৰণে গোটেই কথাটোৰ বাবেই বিনয়ৰ বৰ সঙ্কোচ লাগিল। চাৰ্কাচলৈ যোৱা কথাটো এইদৰে সমাজত নোলোৱা হলেই সি ভাল পালেহেঁতেন।

এনেতে যোৱা নিশা বহু ৰাতিলৈকে টোপনি নহাত সি যে কল্পনাতে ললিতাৰ লগত কাজিয়া কৰি আছিল—এই কথা তাৰ মনত পৰিল। সি গোৰাক ভয় কৰে আৰু সকলোৱে শিক্ষক মানি চলাৰ দৰেই সি গোৰাক মানি চলে বুলি ললিতাই ভাবে। ইমান অন্যায় ভাবেও যে মানুহে মানুহক বুজিব পাৰে, আচৰিত! গোৰা আৰু বিনয় যে একাত্মা! কিছুমান অসামান্য গুণৰ কাৰণে গোৰাক সি ভক্তি কৰে হয়, কিন্তু সেইবুলি ললিতাৰ মতামতে গোৰা আৰু বিনয় দুয়োৰো অন্যায়হে কৰিছে। বিনয় নাবালক নহয়, আৰু গোৰাও নাবালকৰ অভিভাৱক নহয়।

গোৰাই একো নম্ৰতাকৈ লিখিয়ে থাকিল। ললিতাৰ দুই-চাৰিটা চোকা চোকা প্ৰশ্ন বিনয়ৰ বাৰে বাৰে মনত পৰিল। বিনয়ে এইবোৰক সহজে মনৰপৰা আঁতৰাব নোৱাৰিলে।

চাওঁতে চাওঁতে লাহে লাহে বিনয়ৰ মনটো বিদ্ৰোহী হৈ উঠিল। 'চাৰ্কাচ চাবলৈ গ'লেনো কি হয়? অবিনাশ নো কোন যে গোৰাৰ লগত এইবোৰ আলোচনা কৰিবলৈ আহে? আৰু গোৰায়েই বা কিয় সেই অকাল-কুষ্মাণ্ডৰ লগত মোৰ গতি-বিধিৰ বিষয়ে আলোচনা কৰে? মই জানো গোৰাৰ নজৰবন্দী যে কাৰ লগত কথা পাতিম, কলৈ যাম, এই সকলোবোৰ কৈফিয়ৎ তাক দিব লাগিব? বন্ধুত্বৰ ওপৰত এইটো এটা ভীষণ উপদ্ৰৱ।"

নিজৰ ভীৰুতাক হঠাতে ইমান স্পষ্টকৈ বুজিব নোৱাৰা হ'লে বিনয়ৰ আজি গোৰা আৰু অবিনাশৰ ওপৰত ইমান খং নুঠিলহেঁতেন। গোৰাৰ আগত অলপ সময়ৰ বাবেও কিবা এটা কথা লুকুৱাবলৈ বাধ্য হোৱাৰ বাবে পেটে পেটে সি গোৰাকে দুষিবলৈ ধৰিলে। চাৰ্কাচলৈ যোৱাৰ কথা লৈ গোৰাই বিনয়ক দুই চাৰিটা টান কথা কোৱা হলেও বন্ধুত্বৰ ডোল ছিঙি নগলহেঁতেন। কিন্তু তাকে নকৰি গোৰাই গহীন হৈ বিচাৰকৰ দৰে নিমাত হৈ বিনয়ক অৱজ্ঞা কৰা দেখি ললিতাৰ কথাৰ কাঁইটে তাক আৰু বেচিকৈহে বিন্ধিবলৈ ধৰিলে।

এনেতে মহিমে হোকা হাতত লৈ কোঠাটোত সোমালহি। তামোলৰ টেমাৰপৰা এখন তামোল বিনয়ৰ হাতত দি ক'লে "বোপা বিনয়, এইফালে মই আটাইবোৰ ঠিক্ ঠাক কৰিলোঁ—আৰু এতিয়া তোমাৰ খুৰা-

দেৰেবাৰপৰা চিঠি এখন পোৱা হলেই নিশ্চিন্ত হব পাৰিলোহেঁতেন। তুমি তেখেতলৈ চিঠি লিখিছানে ?"

এইদৰে বিয়াৰ তাগাদা দিয়াত বিনয়ৰ আজি বৰ বেয়া লাগিল। অথচ মহিমৰ একো দোষ নাই বুলি সি ভালকৈয়ে জানিছিল—কিয়নো তেওঁক সি আগতেই কথা দিছিল। কিন্তু এনেকৈ কথা দিয়াটো তাৰ আজি কিবা পাতল পাতল যেন লাগিল। আনন্দময়ীয়ে তো তাক এক প্ৰকাৰ হাকেই দিছিল। তাৰ নিজৰো এইখন বিয়ালৈ অকণো আগ্ৰহ নাছিল। গোলমাল হুলস্থুলৰ মাজতে কথাটো যে কেনেকৈ খাটাং হৈ গ'ল। গোৰাই বৰ তাগাদা দিছিল বুলিও তো কব নোৱাৰি। বিনয়ে এবাৰ টানি আপত্তি কৰা হলেই গোৰাই কেতিয়াও জোৰ নকৰিলেহেঁতেন। কিন্তু তথাপিও। এই তথাপিটোৰ ওপৰতে ললিতাৰ কাঁইটে বিন্ধিবলৈ ধৰিলে। সেইদিনাৰ ঘটনাটো অৱশ্যে বিশেষ একো নহয়, কিন্তু ইয়াৰ আঁৰত বহু দিনৰ প্ৰভুত্ব লুকাই আছে। বিনয়ে গোৰাক সঁচাকৈয়ে ভাল পায় আৰু সি নিজেও অতি সবল ল'ৰা বুলিয়েই গোৰাৰ আধিপত্য সহি থকাটো তাৰ অভ্যাস হৈ গৈছিল। সেই বাবেই এই প্ৰভুত্বৰ সম্বন্ধটোৱে বন্ধুত্বকো চেৰ পেলাই মূৰ দাঙি উঠিছে। অতদিনে বিনয়ে এইটো অনুভৱ কৰা নাছিল কিন্তু আৰু তো হাত সাবটি বহি থাকিব নোৱাৰি। তেনে-হলে শশীমুখীক সঁচাকৈয়ে বিয়া কৰাব লাগিব নে কি ?

বিনয়ে ক'লে—"খুৰাদেউলৈ মই এতিয়াও চিঠি লিখিব পৰা নাই।"

মহিমে ক'লে—"এইটো মোৰেই ভুল হৈছে। এই চিঠিখন তুমি লিখাটো ঠিক নহব, মই লিখাই উচিত। তেখেতৰ পুৰা নামটো কি কোৱাচোন বোপাই ?"

বিনয়ে ক'লে—"আপুনি ইমান ব্যস্ত হৈছে কিয় ? আহিন-কাতি মাহত তো বিয়াই হব নোৱাৰে। তাৰ পিচতে আঘোণ মাহ—পিচে তেতি-য়াও অলপ অসুবিধা আছে। আমাৰ পৰিয়ালত বহু দিনৰ আগেয়ে আঘোণ মাহত কাৰোবাৰ কিবা এটা দুৰ্ঘটনা ঘটিছিল। তেতিয়াৰেপৰা আঘোণ মাহত আমাৰ বংশত বিয়া আদি কোনো শুভ কাম পতা নহয়।"

মহিমে হোকাটো এচুকত আউজাই থৈ ক'লে—"বিনয়, তোমালোকেও এইবোৰ মানা যদি লিখা-পঢ়া মাথো মুখস্থ কৰি মৰিবৰ বাবেই শিকিলা নে কি ? এনেয়ে তো এই উদ্ভন যোৱা দেশখনত শুভদিন বিচাৰি পোৱাই

টান, তাতে আকৌ ঘৰে ঘৰে প্ৰাইভেট পুথি-পাঁজি মেলি ল'লে কাম-কাজবোৰ কেনেকৈ চলিব ?"

বিনয়ে সুধিলে—"আপুনি ভাদ-আহিন মাহনো কিয় মানে ?"

মহিমে ক'লে—"মই হবপাই মানো ? কেতিয়াও নেমানো। কিন্তু কিনো কৰিম বোপাই, এইখন দেশত ভগৱানক নেমানিলেও চলিব কিন্তু ভাদ-আহিন বৃহস্পতি-শনি তিথি নক্ষত্ৰ নেমানিলে কোনোমতেই ঘৰত টিকিব নোৱাৰিম। অৱশ্যে এইটোও কব লাগিব যে নেমানো বুলি কৈছোঁ হয় কিন্তু কিবা কাম-কাজ কৰিব লগীয়া হ'লে দিন-বাৰ নিমিলিলে মেখোন মনটো কেনেবা কেনেবা লাগে। বতাহে যেনেকৈ এই দেশত মেলেৰিয়া আনে, তেনেকৈ ভয়ো মনত সুমুৱায়। এইটো আৰু কোনোমতেই মনৰপৰা আঁতৰাব নোৱাৰিলোঁ।"

বিনয়—আমাৰ বংশতো আঘোণ মাহৰ ভয়টো কেতিয়াও নুগুচিব। বিশেষকৈ খুৰীদেউ কেতিয়াও ৰাজী নহব। এইদৰে বিনয়ে সেইদিনা কোনো ৰকমে কথাটো এৰাই গ'ল।

বিনয়ৰ কথাৰ সুৰ শুনিয়েই তাৰ মনত এটা দোধোৰ-মোধোৰৰ ভাব ওপজা বুলি গোৰাই গম পালে। আজি কিছু দিনৰপৰা বিনয়ক সি একেবাৰে লগ পোৱা নাছিল। পৰেশ ভট্টৰ ঘৰলৈ বিনয়ে আগতকৈয়ো বেচি ঘনাই যাবলৈ ধৰিছে বুলি সি গম পাইছিল। তাৰ পিচত আজি আকৌ বিনয়ে এইদৰে বিয়াৰ প্ৰস্তাৱটো ফালৰি কাটি এৰি যাব খোজা দেখি তাৰ মনতো অলপ সন্দেহ উপজিল।

কাৰবাক গিলিবলৈ ধৰিলে সাপে কোনোমতেই এৰি দিব নোৱাৰাৰ দৰেই গোৰায়ো নিজৰ সঙ্কল্প এৰিব নোৱাৰে বুলিলেই হয়। আন পক্ষৰ পৰা অলপ বাধা যেন পালে বা আন পক্ষই অলপ ঢিলাই দিয়া যেন দেখিলেই তাৰ জেদ্ বেচিকৈহে বাঢ়ে। দুই নাৱত দুই ভৰি দিয়া বিনয়ক জোৰেৰে ধৰি ৰাখিবৰ বাবে গোৰা একেবাৰে দৃঢ়প্ৰতিজ্ঞ হৈ উঠিল।

গোৰাই লিখবলৈ এৰি দি মূৰ দাঙি ক'লে "বিনয়, শশীমুখীক এবাৰ কথা দিছাই যেতিয়া তেখেতৰ এইদৰে অনিশ্চয়তাৰ মাজত ৰাখি মিছাকৈয়ে কিয় কষ্ট দিছা ?"

বিনয়ে হঠাতে অধৈৰ্য্য হৈ ক'লে—"মই কথা দিছোঁ নে মোৰপৰা বলেৰে লৰালৰিকৈ কথা উলিয়াই লোৱা হৈছে ?"

গোৰাই বিনয়ৰ এই অকস্মাৎ বিদ্ৰোহৰ লক্ষণ দেখি আচৰিত হ'ল আৰু থঙেৰে ক'লে—"কথা কোনে উলিয়াই লৈছিল ?"

বিনয়ে ক'লে—"তুমি।"

গোৰা,—মই। তোমাৰ লগত মই চোন এই বিষয়ে পাঁচ সাতোটাৰ বেচি কথাই কোৱা নাই। ইয়াক আকৌ জোৰকৈ কথা উলিয়াই লোৱা বুলি কৈছা।

আচলতে বিনয়ৰ স্পষ্ট প্ৰমাণ একোকে নাছিল। গোৰাই কোৱা কথা সঁচা। কথা দুই চাৰিটা মানহে হৈছিল আৰু তাৰ মাজত জোৰ কৰা বুলি কব পৰা বিশেষ একো তাগাদাৰ কথাই নাছিল। তথাপিও এইটো কথা সঁচা যে গোৰাই যেন বিনয়ৰপৰা তাৰ সন্মতি জোৰ-জুলুম কৰি উলিয়াই লৈছিল। প্ৰমাণ নথকা কথাৰে অভিযোগ কৰিলে মানুহৰ ওজৰো কিছু বেচি হয়। সেইবাবে বিনয়ে অলপ অসংযত খঙৰ সুৰত ক'লে—"জোৰকৈ উলিয়াই লবলৈ বেচি কথাৰ দৰ্কাৰ নহয়।"

গোৰাই একে কোবেই চকীৰপৰা উঠি থিয় হৈ ক'লে—"লোৱা তোমাৰ কথা এতিয়াই ওভোতাই লোৱা। এইটো তোমাৰপৰা ভিক্ষা বা ডকাইতি কৰি লবলগীয়া এনে এটা মহামূল্যবান কথা নহয়।"

সিকাষৰ কোঠাটোতে মহিম আছিল। গোৰাই বজ্ৰস্বৰে তেওঁক মাত দিলে—"ককাইদেউ।"

মহিমে লৰধৰকৈ কোঠাটোত সোমাওঁতেই গোৰাই ক'লে—"ককাইদেউ, শশীমুখীৰ লগত বিনয়ৰ বিয়া হব নোৱাৰে। মোৰ মত নাই বুলি মই প্ৰথমতেই তোমাক কোৱা নাছিলোঁনে?"

মহিম,—নিশ্চয় কৈছিলা। তোমাৰ বাহিৰে এনে কথা আৰু কোনেও কব নোৱাৰে। আন কোনো ভাই হোৱা হলে ভতিজা ছোৱালীৰ বিয়াৰ কথা ওলোৱাৰেপৰাই উৎসাহহে দেখুৱালেহেঁতেন।

গোৰা,—তুমি কিয় মোৰ হতুৱাই বিনয়ক ধৰালা?

মহিম,—ভাবিছিলোঁ তেতিয়া কাম হব। আইন একো কাৰণ নাই।

গোৰাৰ মুখখন ৰঙা হৈ উঠিল। সি ক'লে—"মই এইবোৰৰ মাজত আৰু নোসোমাওঁ। বিয়া পাতি ফুৰাই মোৰ কাম নহয়। মোৰ আন কাম আছে।"

এই বুলিয়েই গোৰা কোঠাৰপৰা ওলাই গ'ল গৈ। হতবুদ্ধি হৈ মহিমে এই বিষয়ে বিনয়ক কিবা সোধাৰ আগতেই সিও একেবাৰে আলিবাট পালেগৈ। মহিমে চুকৰপৰা হোকাটো তুলি লৈ অকলেই বহি বহি হুপিবলৈ ধৰিলে।

ইয়াৰ আগতেও গোৰাৰ লগত বিনয়ৰ বহুদিন ৰহৰাৰ দন্দ-খৰি লাগিছিল;

কিন্তু আজিৰ দৰে হঠাতে এনেকুৱা জুই ধৰ্ষা কাজিয়া আৰু হোৱা নাছিল। বিনয়ে নিজৰ কাৰ্য্যৰ বাবে প্ৰথমতে স্তম্ভিত হৈ পৰিল। ধৰকৈ উভতি অহাৰ পিচত তাৰ বুকুত কিহবাই শেলে হনাদি হানিবলৈ ধৰিলে। অলপ সময়ৰ ভিতৰতে সি গোৰাক যে কিমান ডাঙৰ এটা আঘাত দিলে, এই-বোৰ কথা ভাবি-চিন্তি সিদিনা তাৰ আৰু খোৱা-বোৱা জিৰোৱা-শতোৱা একোৰেই নহল। বিশেষকৈ এই ঘটনাটোৰ বাবে গোৰাক দোষী কৰাটো অতি আচৰিত আৰু অন্যায় বুলি সি বুজি পালে। কথাটোৰে তাক জুয়ে পোৰাদি পুৰিবলৈ ধৰিলে। সি বাৰে বাৰে নিজক নিজেই ক'লে—"এইটো অন্যায় অন্যায় অন্যায়।"

বেলি দুইমান বজাত আনন্দময়ীয়ে খাই-বৈ উঠি চিলাইখন হাতত লৈ বহিছিলহি মাথোন, এনেতে বিনয় আহি তেখেতৰ ওচৰত বহিলহি। আজি পুৱা বেলাৰ কিছু খবৰ তেখেতে মহিমৰ মুখৰপৰা শুনিছিল। ভাত খাবলৈ বহোতে গোৰাৰ মুখখন দেখিয়েই তেখেতে এটা ধুমুহা হৈ বোৱা বুলি গম পাইছিল।

বিনয়ে আহিয়েই ক'লে "আই মই অন্যায় কৰিছোঁ। শশীমুখীৰ লগত বিয়াৰ বিষয়ে মই আজি পুৱা গোৰাক কোৱা কথাবোৰৰ একো মানেই নাই।"

আনন্দময়ীয়ে ক'লে—"সেইটো বাৰু হওক বিনয়—মনৰ মাজত কিবা বেজাৰ চাকি ৰাখিব খুজিলে এইদৰেই ওলাই পৰে। এইটো ভালেই হৈছে দিয়া। এইখন কাজিয়াৰ কথা দুদিনমান পিচত তুমিও পাহৰিবা, গোৰায়ো পাহৰিব।"

বিনয়,—কিন্তু আই শশীমুখীক বিয়া কৰোৱাত মোৰ একো আপত্তি নাই—এই কথাকে তোমাক কবলৈ আহিছোঁ।

আনন্দময়ী—বোপাই, লৰালৰিকৈ কাজিয়াখন মিটাবলৈ গৈ আকৌ এখন জঞ্জাল চপাই নলবি। বিয়াখন চিৰকলীয়া বস্তু, কিন্তু কাজিয়া-খন দুদিনৰহে।

বিনয়ে আনন্দময়ীৰ কোনো কথাকে নুশুনিলে। সি অৱশ্যে তেতিয়াই এই বিষয়ে গোৱাক কবলৈ যাব নোৱাৰিলে। মহিমক জনালেগৈ—বিয়াত একো আপত্তি নাই। মাঘ মাহতে শুভ কাম সম্পন্ন হব। খুৰাক বাতে অমত নহয় সেইটো ভাৰো বিনয়ে নিজেই গা পাতি ললে।

মহিমে ক'লে—"আঙঠি পিন্ধোৱা হৈ যাওক তেনে।"

বিনয়ে ক'লে—"বাৰু ভাল কথা, কিন্তু সেইটো গোৰাৰ লগত পৰামৰ্শ কৰি কৰক।"

মহিমে অধৈৰ্য্য হৈ ক'লে "গোৰাৰ লগত আকৌ কিয় পৰামৰ্শ কৰিব লাগে ?"

বিনয়ে ক'লে "ওঁহো সেইটো নকৰিলে নহব।"

মহিমে ক'লে—"নহলে অৱশ্যে কথাই নাই—কিন্তু——"

এইবুলি মহিমে তামোল এখন মুখত ভৰালে।

২০

মহিমে সেইদিনা গোৰাক একোকে নকলে। পিচদিনাহে আহি গোৰাৰ কোঠাত সোমালহি। গোৰাক পুনৰ ৰাজী কৰাবলৈ যথেষ্ট জোৰ-জুলুম কৰিব লাগিব বুলি তেওঁ ভাবিছিল। কিন্তু বিনয়ে কালি আবেলি বিয়াখন পকা কৰি থৈ যোৱাৰ কথা আৰু বিনয়ে গোৰাৰ পৰামৰ্শ সুধি লোৱাৰ কথা কোৱাৰ লগে লগেই গোৰাই ঘপৰাই ৰাজী হৈ ক'লে,—"বৰ ভাল কথা। আঙঠি পিন্ধোটো হৈ যাওক আৰু।"

মহিমে আচৰিত হৈ ক'লে,—"এতিয়া তো বৰ ভাল কথা ভাল কথা বুলিছা। পিচত আকৌ এবাৰ গা-এৰা নিদিয়া তো ?"

গোৰাই ক'লে,—"মই তো বাধা দি এৰা দিয়া নাই। অনুৰোধ কৰি-য়েই গা এৰা দিছোঁ।"

মহিম,—এতেকে তোমাক মই ইয়াকে বিনতি কৰিছোঁ যে তুমি বাধাও দিব নেলাগে অনুৰোধো কৰিব নেলাগে। কৌৰৱৰ নাৰায়ণী সেনাও মোৰ দৰ্কাৰ নাই আৰু পাণ্ডৱৰ নাৰায়ণকো মোক নেলাগে। মই অকলেই যি পাৰোঁ সেয়ে হব। ভুল কৰিছিলোঁ। তোমাৰ সহায়ো এনেকুৱা বিপৰীত ধৰণৰ বুলি মই আগতে নেজানিছিলোঁ। যিয়েই নহওক, বিয়াখনত বাৰু সঁচাকৈয়ে তোমাৰ মত আছে নে নাই।"

গোৰা—ওঁ, মত আছে।

মহিম,—বাৰু, তেনেহলে মত থাকিলেই হব। সহায় কৰিবৰ আৰু দৰ্কাৰ নাই।

গোৰাৰ খং উঠে হয় আৰু খঙৰ ভৰত যি কৰিব নোৱাৰা কামো যে নাই সেইটোও সঁচা কথা, কিন্তু খঙৰ কোবত নিজৰ সঙ্কল্প নষ্ট কৰাটো তাৰ স্বভাৱ নহয়। বিনয়ক যেনেকৈয়ে হওক পি বান্ধি ৰাখিব

খুজিছে। এতিয়া অভিমান কৰাৰ সময় নহয়। কালিৰ কাজিয়া-খনৰ ফলতে বিয়াখন পকা হোৱা দেখি আৰু বিনয়ৰ বিদ্ৰোহেই তাৰ বান্ধোনক দৃঢ় কৰা দেখি গোৰাই কালিৰ ঘটনাটোৰ বাবে পেটে পেটে ভালেই পালে। বিনয়ৰ লগত সিহঁতৰ চিৰন্তন স্বাভাৱিক সম্বন্ধটো স্থাপন কৰিবলৈ সি নাম মাত্ৰও পলম নকৰিলে। কিন্তু এইবাৰ সিহঁত দুয়োৰে মাজৰ সহজ সৰল সম্বন্ধটোত যেন অলপ কেণা লাগিল।

দূৰৈৰপৰা বিনয়ক ধৰি ৰখাটো টান বুলি এইবাৰ গোৰাই বুজি পালে। বিপদৰ সম্ভাৱনা থকা ঠাইতে পহৰা দিব লাগিব। গোৰাই মনে মনে ভাবিলে,—মই পৰেশ ভট্টৰ ঘৰলৈ সদায় অহা-যোৱা কৰি থাকিলে বিনয়ক ঠিক সীমাৰ ভিতৰতে ৰাখিব পাৰিম।

সেইদিনা অৰ্থাৎ কাজিয়া লগাৰ পিচদিনা আবেলি গোৰা আহি বিনয়ৰ ঘৰ ওলালহি। আজিয়েই গোৰা অহাটো বিনয়ে একেবাৰে আশা কৰা নাছিল। সেই কাৰণে পেটে পেটে তাৰ বৰ ভাল লাগিলেও সি আচৰিতো হ'ল। তাতোকৈ আচৰিত কথা গোৰাই পৰেশ ভট্টৰ জীয়েক কেইজনীৰ কথাকে উলিয়ালে। অথচ কথাবোৰৰ মাজত অকণো বিদ্ৰূপৰ ভাব নাছিল। এই আলোচনাৰ মাজেদি বিনয়ক উত্তেজিত কৰি তুলিবলৈ বেচি চেষ্টা কৰিবলগীয়া নহ'ল।

সুচৰিতাৰ লগত আলোচনা কৰা কথাবোৰ বিনয়ে আজি বহলাই গোৰাৰ আগত কবলৈ ধৰিলে। সুচৰিতাই যে বৰ আগ্ৰহৰে সৈতে এইবোৰ কথা নিজেই উলিয়াই লয়, আৰু যিমানেই তৰ্ক কৰক-নকৰক তাই যে লাহে লাহে কৰ নোৱাৰাকৈয়ে এইবোৰ মত মানি লব ধৰিছে—এইবোৰ কথা কৈ বিনয়ে গোৰাক উৎসাহিত কৰিবলৈ যত্ন কৰিলে।

বিনয়ে কথাই কথাই ক'লে,—"নন্দৰ মাকে ভতৰ বেজ লগাই নন্দৰ মৰাৰ কথা আৰু এই বিষয়ে তুমিয়ে মোৰ পতা কথাবোৰ কওঁতে তেখেতে ক'লে, ঘৰৰ চাৰি বেৰৰ মাজত সোমাই বন্ধা-বঢ়া কৰা আৰু ঘৰ-দুৱাৰ, আলি-পদূলি অতোৱাই তিৰোতা মানুহৰ কাম বুলি আপোনালোকে ভাবে। এফালে এইদৰেই আপোনালোকে হেঁচা মাৰি থৈ সিহঁতৰ মগজ খুলিবলৈ নিদিয়ে আৰু তাৰ পিচত আকৌ আন ফালে বেজ মাতিলে সিহঁতকে গালি পাৰে। গোটেই বিশ্বজগতখনৰ মাজত সিহঁতে মাথোন দুই এটা পৰিয়ালকহে দেখা পায়। এতেকে সিহঁত সম্পূৰ্ণ মানুহ কেতিয়াও হব নোৱাৰে। আৰু সিহঁত মানুহ হব নোৱাৰিলে পুৰুষৰ আটাইবোৰ ডাঙৰ কাম নষ্ট কৰি, অসম্পূৰ্ণ কৰি পুৰুষৰ বোজা বঢ়াই অধঃপতনৰ পথলৈ

নহাই আমি নিজৰ দুৰ্গতিৰ প্ৰতিশোধ লবই। নহ'লে থাকক আপোনালোকে এনে ধৰণে গঢ়ি তুলিছে আৰু এনে ভাৱে শিকনি দিয়াই থৈছে যে আমি তাইক আপোনালোকে সুবুদ্ধি দিবলৈ গলেও তাই বুজিব নোৱাৰিব।' মোৰ এই বিষয়ে তেখেতৰ লগত বাক্-বিতণ্ডা লাগিছিল, কিন্তু সঁচাই কৈছোঁ গোৰা, পেটে পেটে মই তেখেতৰ মতবোৰ মানি লবলৈ বাধ্য হৈছিলোঁ। সেই কাৰণে মোৰ কথাৰ একো জোৰ নাছিল। তেখেতৰ লগত তথাপিও তৰ্ক কৰিব পাৰি কিন্তু ললিতাৰ লগত লাগিবলৈ মোৰ সাহেই নহয়। ললিতাই যেতিয়াই চেলাউৰি জোৰ দাঙি ক'লে, 'আপোনালোকে ভাবে, জগতৰ কাম আপোনালোকে কৰিব আৰু আপোনালোকৰ কাম আমি কৰিম, সেইটো কেতিয়াও হব নোৱাৰে। জগতৰ কাম হয় আমিও কৰিম, নহয় আমি বোজা হৈ থাকিম; বোজা হৈ থাকিলে আকৌ আপোনালোকে কয় পথে নাৰী বিবৰ্জিতা। অথচ নাৰীকো যদি বাবলৈ দিয়ে তেনেহলে বাটতেই হওক বা ঘৰতেই হওক নাৰীক বিবৰ্জন কৰাৰ দৰ্কাৰ নহয়।' তেতিয়া মই আৰু একোকে উত্তৰ নিদি মনে মনে থাকিলোঁ। ললিতাই সহজে কথা নকয়, কিন্তু ক'লে খুব সাৱধানে উত্তৰ দিব লাগে। তুমি যিয়েই নোকোৱা গোৰা, আমাৰ দেশৰ তিৰোতা মানুহবোৰক চীন দেশীয় তিৰোতা মানুহবোৰৰ ভৰিৰ দৰে বান্ধোনৰ ভিতৰত ৰাখিলে আমি কোনো কামতে আগুৱাব নোৱাৰিম বুলি মোৰ দৃঢ় বিশ্বাস হৈছে।"

গোৰা,—তিৰোতা মানুহক শিক্ষা দিয়াটো উচিত নহয় বুলিতো মই কেতিয়াও কোৱা নাই।

বিনয়,—শিশুপাঠ তৃতীয় ভাগলৈকে পঢ়ুৱালেই হবলা শিক্ষা দিয়া হয়?

গোৰা,—বাৰু এইবাৰৰপৰা 'বিনয়বোধ' প্ৰথম ভাগ আৰম্ভ কৰা যাব।

সেইদিনা দুই বন্ধুৱে ঘুৰাই পকাই পৰেশ ভট্টৰ জীয়েক কেইজনীৰ কথা পাতি থাকোতেই ৰাতি ভালেখিনি হ'ল গৈ।

গোৰাই বাটে বাটে অকলে অকলে সেইবোৰ কথাকে মনে মনে পাগুলি পাগুলি ঘৰ পালেহি। ঘৰলৈ আহিও টোপনি নহালৈকে পৰেশ ভট্টৰ জীয়েক কেইজনীৰ কথা মনৰপৰা আঁতৰাব নোৱাৰিলে। গোৰাৰ জীৱনত এনেকুৱা উপসৰ্গ আগতে কাহানিও নাছিল। মাইকী মানুহৰ কথা সি আজিলৈকে কেতিয়াও ভৰা নাছিল। পৃথিৱীৰ আন আন কথা-বোৰৰ লগৰে এইটোও এটা কথা বুলি আজি বিনয়ে প্ৰমাণ কৰি দিলে। ইয়াক উকৰাই দিলে নহব; হয় মানি লব লাগিব, নহয় যুদ্ধ কৰিব লাগিব।

পিচদিনা বিনয়ে যেতিয়া গোৰাক ক'লে, "পৰেশ ভট্টৰ ঘৰলৈ এবাৰ

যাওঁ ব'লাচোন। তুমি বহুদিন বোৱাও নাই। তেখেতে প্ৰায়ে তোমাৰ কথা সোধে। গোৰাই একো ওজৰ নেদেখুৱাই যাবলৈ ওলাল। অকল যে যাবলৈকে ওলাল সেইটো নহয়, তাৰ মনত আগৰ নিচিনা নিৰুৎসাহৰ ভাবো নাছিল। প্ৰথমতে সুচৰিতা আৰু পৰেশ ভট্টৰ জীয়েক কেইজনীৰ প্ৰতি গোৰা একেবাৰে উদাসীন আছিল। তাৰ পিচত মাজতে সিহঁতৰ প্ৰতি তাৰ মনত অবজ্ঞাপূৰ্ণ বিৰোধীভাব উপজিছিল। কিন্তু এতিয়া সিহঁতৰ বিষয়ে জানিবলৈ তাৰ কৌতূহলহে উপজিছে। বিনয়ৰ মনক কিহে ইমানকৈ আকৰ্ষণ কৰিছে জানিবলৈ তাৰ বৰ আগ্ৰহ হ'ল।

দুয়ো পৰেশ ভট্টৰ ঘৰ পাওঁতে পাওঁতেই সন্ধ্যা লাগিল। দুমহলাৰ কোঠাত লেমৰ পোহৰত হাৰান মাষ্টৰে নিজে ইংৰাজীতে লিখা কিবা প্ৰবন্ধ এটা পৰেশ ভট্টক শুনাই আছিল। পৰেশ ভট্ট উপলক্ষ্যহে মাথোন, আচলতে সুচৰিতাক শুনোৱাই তাৰ উদ্দেশ্য আছিল। সুচৰিতাই আঁতৰত মেজ খনৰ একাষে চুকৰ ফালে বহি আছিল। তাই চকুত পোহৰ নপৰিবৰ বাবে তালপাতৰ বিচনী খনেৰে মুখখন আঁৰ কৰি ধৰি মনে মনে বহি আছিল। তাই আনৰ অনুৰোধ পেলাব নোৱাৰা স্বভাৱৰ বাবেই প্ৰবন্ধটোত মনযোগ দিবলৈ যত্ন কৰি আছিল, কিন্তু কোনোমতেই মন বহুৱাব পৰা নাছিল।

এনেতে লগুৱা ল'ৰাটোৱে বিনয় আৰু গোৰা আহিছে বুলি কোৱাত সুচৰিতা হঠাতে চক্ খাই উঠিল। তাই উঠি যাব খোজোতেই পৰেশ ভট্টই ক'লে,—"ৰাধা, কলৈ যোৱা? আমাৰ বিনয় আৰু গৌৰহে আহিছে।"

সুচৰিতা অপ্ৰস্তুত হৈ আকৌ বহি থাকিল। হাৰানৰ এইহেন দীঘলীয়া ইংৰাজী ৰচনা পাঠত বাধা পৰাত তাই ভালেই পালে। গোৰা আহিছে বুলি শুনি তাই অলপ উত্তেজিত নোহোৱাও নহয়। কিন্তু হাৰান বহি থাকোতেই গোৰা আহি ওলোৱা দেখি তাইৰ বৰ অস্বস্তিও লাগিল, সঙ্কোচো লাগিল—দুয়ো আকৌ কিবা বাক্-বিতণ্ডাখন লগাই থুলিয়েই নে আন কিবা কাৰণে কব নোৱাৰি।

গৌৰৰ নাম শুনিয়েই হাৰানৰ খঙে মূৰৰ চুলি পালেগৈ। গৌৰমোহনে নমস্কাৰ কৰা দেখি তেওঁ কোনো ৰকমে প্ৰতি-নমস্কাৰ কৰি গহীন হৈ বহি থাকিল। হাৰানক দেখাৰ লগে লগে গোৰাৰো যুঁজ কৰাৰ ইচ্ছা প্ৰবল হৈ উঠিল।

বৰদাসুন্দৰীয়েও তিনিওজনী জীয়েককে লগত লৈ কৰবালৈ নিমন্ত্ৰণ খাবলৈ গৈছিল। সন্ধিয়া পৰেশ ভট্টই গৈ সিহঁতক লৈ অহাৰ কথা আছিল।

যাবৰ সময় হৈছিলেই। এনেতে গোৰা আৰু বিনয় অহা দেখি তেখেতে অলপ ৰবলগীয়া হ'ল। কিন্তু আৰু পলম কৰা উচিত নহব বুলি ভাবি তেখেতে হাৰান আৰু সুচৰিতাক কাণে কাণে কৈ গ'ল, ',তোমালোকে এওঁলোকৰ লগত কথা-বতৰা পাতি থাকা, মই বিমান সোনকালে পাৰোঁ উভতি আহিম।"

চাওঁতে চাওঁতেই হাৰান বাবুৰ আৰু গোৰাৰ মাজত আকৌ তুমুল তর্ক লাগিল। তর্কৰ বিষয় হ'ল—কলিকতাৰপৰা কিছু আঁতৰত কিবা এখন জিলাৰ বৰচাহাব ব্ৰাউনলো চাহাবৰ লগত ঢাকাত থাকোঁতে পৰেশ ভট্ট-ইতৰ চিনাকি হৈছিল। পৰেশ ভট্টৰ ঘৈণীয়েক জীয়েকইঁতে আনবদৰে অন্তঃপুৰতে সোমাই নেথাকি বাহিৰতো ফুৰা চকা কৰা দেখি চাহাব আৰু মেমে সিহঁতক বিশেষভাৱে মৰম কৰিছিল। চাহাবে প্রতিবছৰে তেওঁৰ জন্ম দিনত কৃষিপ্রদর্শনৰ মেলা এখন পাতে। এইবাৰ বৰদাসুন্দৰীয়ে মেমৰ লগত দেখা কৰোঁতে ইংৰাজী কাব্য সাহিত্য ইত্যাদিত নিজৰ জীয়েক কেইজনী বৰ পটু বুলি জনাইছিল গৈ। তাকে শুনি মেম চাহাবে হঠাতে ক'লে, "এইবাৰ মেলালৈ লেফ্‌টেনেণ্ট গবর্ণৰে ঘৈণীয়েকক লগত লৈ আহিব। আপোনাৰ ছোৱালী কেইজনীয়ে তেখেতসকলৰ আগত এখন সৰুসুৰা ইংৰাজী কাব্যনাট্য অভিনয় কৰিব পাৰিলে বৰ ভাল কথা হব।" এই প্রস্তাৱটো শুনি বৰদাসুন্দৰী খুব উৎসাহিত হ'ল। আজি সেইবাবেই তেখেতে জীয়েক কেইজনীক লৈ তেখেতৰ কোনোবা এগৰাকী বান্ধৱীৰ ঘৰলৈ আখৰা দিয়াবলৈ গৈছে। এই মেলাখনলৈকে গোৰা আহিব পাৰিবনে নোৱাৰে বুলি হাৰানে সুধিলত গোৰাই কিছু অনাৱশ্যক খঙেৰে সৈতে নোৱাৰোঁ বুলি কলে। এই কথাৰপৰাই আমাৰ দেশৰ ইংৰাজী ভাৰতীয়ৰ সম্বন্ধ আৰু পৰস্পৰৰ সামাজিক সম্মিলনৰ বাধা, ইত্যাদি কথা লৈ দুয়োৰে মাজত ভালকৈয়ে তর্ক লাগিল।

হাৰানে ক'লে,—"আমাৰেই দোষ। আমাৰ কু-সংস্কাৰ আৰু কু-প্রথাবোৰ ইমান বেচি যে সিহঁতৰ লগত মিলিবলৈ আমি যোগ্যেই নহওঁ।"

গোৰাই ক'লে,—"যদি এইবোৰ কথা সঁচাই, তেনেহলে এই যোগ্যতা থকা স্বত্বেও ইংৰাজৰ লগত মিলিবলৈ আগবাঢ়ি যোৱাটো আমাৰ পক্ষে লাজ লগা কথা।"

হাবানে ক'লে, "কিন্তু যোগ্য হোৱাবোৰক ইংৰাজবোৰে যথেষ্ট আদৰ সাদৰ কৰে—যেনে এখেতসকল।"

গোৰা—এজনক সন্মানৰ কৰিলে আনবোৰৰ অনাদৰ যেচিকৈহে চকুত পৰে। এনেকুৱা সন্মানক মই অপমান বুলিহে গণ্য কৰোঁ।

চাওঁতে চাওঁতে হাৰান মাষ্টৰ খঙত জ্বলি-পকি উঠিল আৰু গোৰাই বাক্যশেলেৰে বাৰে বাৰে তেওঁক থকা-সৰকা কৰিবলৈ ধৰিলে।

দুয়োৰে এইদৰে তৰ্ক-তৰ্কি লাগি থাকোঁতে সুচৰিতাই মেজখনৰ চুকৰ কাষে বহি বিচনীৰ আঁৰেৰে গোৰালৈ একে থৰে চাই আছিল। সিহঁতৰ কথা-বতৰাবোৰ তাইৰ কাণত সোমাইছিল হয়, কিন্তু মনত হলে সোমোৱা নাছিল। সুচৰিতাই গোৰালৈ এইদৰে চাই থকা বুলি নিজে গম পোৱা হলেও বৰ লাজ পালেহেঁতেন। কিন্তু তাই নিজেই একেবাৰে কথ নোৱা-ৰাকৈয়ে আপোনপাহৰি তালৈ চাই আছিল। গোৰাই তাৰ সবল বাহু-যোৰ টেবুলৰ ওপৰত থৈ সমুখলৈ হালি বহি আছিল। তাৰ বহল শুভ্ৰ কপালৰ ওপৰত লেম্পৰ পোহৰ পৰিছিলহি। তাৰ মুখত মাজে মাজে অৱজ্ঞাৰ হাঁহি বিৰিঙিছিল। মাজে মাজে ঘিণতে কোঁচ খাই উঠিছিল। তাৰ মুখৰ প্ৰতিটো ভাঁজতে এটি আত্ম-মৰ্য্যাদাৰ গৌৰৱ জিলিকি উঠিছিল। সি যিবোৰ কথা কৈছিল সেইবোৰ যে মাথো সাময়িক বাক্-বিতণ্ডা উপলক্ষে কোৱা কথা নহয়, বহুদিন ভাবি-চিন্তি নিঃসন্দেহ হৈ হে যে সি প্ৰতিটো কথা কৈছিল, তাৰ মনত যে কোনো দ্বিধা, দুৰ্ব্বলতা বা আকস্মিকতা নাছিল—এইটো মাথোন তাৰ মাততে নহয়, তাৰ গোটেই শৰীৰতে সুদৃঢ় ভাৱে ফুটি উঠিছিল। সুচৰিতাই অবাক হৈ তালৈ চাবলৈ ধৰিলে। জীৱ-নৰ অতবোৰ দিন পাৰ হৈ অহাৰ পিচত আজিয়েই প্ৰথম এজন যেন বিশেষ মানুহ ৰূপেহে, বিশেষ পুৰুষ ৰূপেহে সুচৰিতাৰ চকুত পৰিল। তাই তেওঁক আৰু আন দহজনৰ লগত ৰিজাব নোৱাৰিলে। এই গোৰাৰ লগত লাগিয়েই হাৰান মাষ্টৰে নিজেই নিজকে লঘু কৰিলে। হাৰান মাষ্টৰৰ গাৰ গঠন, মুখৰ গঢ়-পিত, তেওঁৰ চাল-চলন, আন কি তেওঁৰ কাপোৰ-কানি সাজ-পোছাকবোৰেও যেন তেওঁক বিদ্ৰূপ কৰিবলৈ ধৰিলে। অতদিনে বিনয়ৰ লগত গোৰাৰ বিষয়ে আলোচনা কৰি সুচৰিতাই গোৰাক এটা বিশেষ দলৰ, এটা বিশেষ মত থকা অসামান্য মানুহ বুলি ভাবিছিল। গোৰাই দেশখনৰ কিবা এটা মঙ্গল উদ্দেশ্য সাধন কৰিব পাৰিবও পাৰে বুলি তাই ভাবিছিল। আজি কিন্তু গোৰাৰ মুখলৈ একেথৰে চাওঁতে চাওঁতে সুচৰিতাই তাক সকলো দল, সকলো মত সকলো উদ্দে-শ্যৰেপৰা সুকীয়াকৈ একমাত্ৰ মাথোন গোৰাৰ ৰূপতহে দেখা পালে। জোনটোক সমস্ত প্ৰয়োজন সকলো ব্যৱহাৰৰ অতীত বুলি জানিও সাগৰ

যনেকৈ উজ্জ্বল হৈ উঠে ঠিক তেনেকৈ আজি সুচৰিতাৰ অন্তৰে সকলো পাহৰি, সকলো বুদ্ধি সংস্কাৰ আন কি গোটেই জীৱনটোকে অতি-ক্ৰম কৰি যেন চাৰিওফালে উদ্ভাসিত হৈ উঠিল। মানুহ নো কি, মানুহৰ আত্মা নো কি, সুচৰিতাই আজি প্ৰথমবাৰৰ বাবে অনুভৱ কৰিলে। এই অপূৰ্ব্ব অনুভূতিয়ে তাইক নিজৰ অস্তিত্বকে পাহৰাই পেলোৱালে।

হাৰান মাষ্টৰে সুচৰিতাৰ এই মুগ্ধতা মন কৰি আছিল। সেই বাবে বাৰে বাৰে তেওঁৰ তৰ্কৰ যুক্তিবোৰে থাঁত হেৰুৱাইছিল। অৱশেষত তেওঁ এবাৰ একেবাৰে অধৈৰ্য্য হৈ চকীৰপৰা উঠি সুচৰিতাৰ কাষলৈ গৈ অতি আপোনৰ দৰে ক'লে,—"সুচৰিতা, এবাৰ সৌটো কোঠালৈ ব'লাচোন, তোমাৰ লগত এটা কথা আছে।"

সুচৰিতা চকখাই উঠিল। তাইক যেন কোনোবাই চৰ এটাহে মাৰিলে। অৱশ্যে হাৰান মাষ্টৰে তাইক এনেকৈ মাতিব পৰা ঘনিষ্ঠতা যে নাই সেইটো নহয়। আন সময়ত হোৱা হ'লে তাই একো নেভাবিলেও হয়। আজি গোৰা আৰু বিনয়ৰ সন্মুখত তাই বৰ অপমান পোৱা যেন লাগিল। বিশেষকৈ গোৰাই তাইৰ মুখলৈ এনে এক ধৰণে চালে যে তাৰ বাবে তাই হাৰানক কোনো ৰকমে ক্ষমা কৰিব নোৱাৰিলে। প্ৰথমতে তাই একো:ক নুশুনাৰ ভাও জুৰি মনে মনে বহি থাকিল। হাৰান মাষ্টৰে তেতিয়া অলপ বিৰক্তি দেখুৱাই আকৌ ক'লে, "শুনিছা নে নাই সুচৰিতা? মোৰ এটা কথা আছে, এবাৰ সৌটো কোঠালৈ ব'লা।"

সুচৰিতাই তেওঁৰ মুখলৈ নোচোৱাকৈয়ে ক'লে,—"আপুনি অলপ ৰওক—সেইতো আহক, তেতিয়া আপোনাৰ কি কবলগীয়া আছে কব।"

বিনয়ে উঠি ক'লে,—"আমিয়েই নহলে যাওঁ দিয়ক।"

সুচৰিতাই লৰালৰিকৈ ক'লে,—"নহয়, চেটাৰ্জ্জীদেউ, আপোনালোক যাব নোৱাৰে। দেউতাই আপোনালোকক ৰহিবলৈ কৈ গৈছে; তেখেত এতিয়া আহি পাবহি।" তাইৰ মাতত এটা ব্যাকুল অনুৰোধৰ সুৰ ফুটি ওলাল। হৰিণীক যেন ব্যাধৰ আগত এৰি দিয়াৰ প্ৰস্তাৱ হে কৰা হৈছিল।

"মই কিন্তু থাকিব নোৱাৰোঁ, ময়েই তেনেহলে যাওঁ।" এই বুলি হাৰান মাষ্টৰ ভোঁ ভোৱাই গুচি গ'ল গৈ। খঙৰ ভমকতে আলিবাটলৈ ওলাই আহিয়েই তেওঁ অনুতাপ কৰিবলৈ ধৰিলে। কিন্তু তেতিয়া আৰু উভতি যাবলৈকো উপায় নাছিল।

হাৰান গুচি যোৱাৰ পিচত সুচৰিতাই লাজতে ৰঙা-চঙা পৰি তল-মূৰকৈ বহি থাকিল। তাই নো কি কৰিব, কি কথা কব—একোকেই

ভাবি নেপালে। এই সুযোগতে গোৰায়ো তাইৰ মুখলৈ ভালকৈ চাবলৈ সুবিধা পালে। গোৰাই শিক্ষিত ছোৱালীবোৰক অতি উদ্ধত আৰু চঞ্চল বুলিয়েই ভাবিছিল। কিন্তু সুচৰিতাৰ মুখত এইবোৰৰ লেশমানো চিন নাইচোন। তাইৰ মুখত এটা বুদ্ধিৰ দীপ্তিহে জিলিকি আছে। নম্রতা আৰু লাজেৰে ৰাঙলী হৈ সেই দীপ্তি ইমান সুন্দৰ আৰু কোমল হৈ উঠিছে। মুখৰ গঢ়টোও ইমান নিখুঁতভাৱে ধুনীয়া। চেলাউৰি দুটিৰ ওপৰৰ কপালখন শৰতৰ আকাশৰ দৰেই নির্মল আৰু নিমজ। ওঁঠ দুটি নিমাত, কিন্তু নোকোৱা কথাৰ মাধুৰীখিনি যেন ওঁঠ দুটিৰ মাজত কোমল কলি এটি হৈ হে ফুলি আছে। আধুনিকা স্ত্রীয়ৰী ছোৱালীৰ সাজ-পোছাকলৈ গোৰাই আগতে কেতিয়াও চকু দিয়া নাছিল। নোচোৱাকৈয়ে সেইবোৰক সি ঘিণ কৰিছিল। আজি কিন্তু সুচৰিতাই পিন্ধা সাড়ীৰ নতুন ধৰণটো তাৰ ভালেই লাগিল। সুচৰিতাই এখন হাত মেজৰ ওপৰত থৈছিল। ব্লাউজে ঢাকি নোধোৱা হাতৰ ওলাই থকা অংশকণ আজি গোৰাৰ মনত এখনি কোমল অন্তৰৰ এষাৰ কল্যাণময় বাণীৰ দৰেই লাগিল। চাকিৰ পোহৰেৰে উজলাই থোৱা সেই শান্ত সন্ধিয়াত সুচৰিতাৰ লগত কোঠাটোৰ পোহৰখিনি, বেৰত আঁৰি থোৱা ছবিবোৰ, কোঠাটোত পৰিপাটিকৈ সজাই থোৱা বস্তুবোৰ আজি এটি বিশেষ ৰূপেৰে তাৰ চকুত ধৰা দিলে। সেইখন যে এখন ঘৰ, সেইখন যে লখিমী হাতৰ পৰশ আৰু যতন পোৱা চেনেহ আৰু সৌন্দর্য্যৰ আকৰ, তলৰ দেৱাল আৰু বাটামৰ নিবস ঘৰ এটা মাথো নহয়, এই কথা আজি এক নিমিষতে গোৰাৰ চকুৰ আগত ভাঁহি উঠিল। গোৰাই আজি তাৰ চৌপাশৰ আকাশখনত এটি সজীৱ সত্তা অনুভৱ কৰিলে। চাৰিওফালৰপৰা এটি আনন্দৰ জোৱাঁৰ আহি তাৰ অন্তৰত খৌকি-বাথৌ লগালেহি। কিবা এটা নিবিড়তাই তাক যেন আৱৰি ধৰিলেহি। সি জীৱনত আজিলৈকে কেতিয়াও এনে অপূর্ব অনুভূতি অনুভৱ কৰা নাছিল। চাওঁতে চাওঁতে সুচৰিতাৰ কপালত বাগৰি পৰা চুলিডালৰপৰা তাইৰ ভৰিৰ কাষত পৰি থকা সাড়ীখনৰ পাৰিটোলৈকে সকলোবোৰেই গোৰাৰ মনত অতি সত্য আৰু কিবা অতি বিশেষ যেন লাগিল।

কিছু পৰ কোনেও একো কথা-বতৰা নোকোৱাত আটাইখন অলপ অপ্রস্তুত হৈ পৰিল। বিনয়ে তেতিয়া সুচৰিতালৈ চাই ক'লে, "সিদিনা আমাৰ এই বিষয়ে কথা ওলাইছিল"—এই বুলি সি এটা কথা উলিয়ালে।

সি ক'লে, "আপোনাক তো কৈছোঁৱেই—মোৰ এনে দিনো গৈছে কেতিয়া

ভাবিছিলোঁ যে আমাৰ দেশৰ হকে, সমাজৰ হকে কিবা কৰিবৰ একো দৰকাৰেই নাই। ভাবিছিলোঁ আমি সদায় নাবালক হৈ থাকিম আৰু ইংৰাজবোৰ আমাৰ সদায় অভিভাৱক হৈ থাকিব। য'ত যিটো যত যিদৰে আছে ঠিক সেইদৰে সদায় থাকিব। ইংৰাজৰ প্ৰবল শক্তি আৰু সমাজৰ জড়তাৰ বিৰুদ্ধে যুজিবলৈ আমাৰ শক্তি নাই। আমাৰ দেশৰ মধ্যবিত্ত মানুহবোৰে নিজ নিজ চাকৰিৰ উন্নতিৰ বাহিৰে আন একো কথাকে ভাবিব নোৱাৰে। চহকী মানুহে চৰকাৰৰপৰা কিবা উপাধি পালেই জীৱন সাৰ্থক হোৱা বুলি ভাবে। আমাৰ জীৱনৰ যাত্ৰাপথ অতি ঠেক আৰু সীমাবদ্ধ। সুদূৰ উদ্দেশ্যৰ কথা আমাৰ মগজতে নোসোমায়, আৰু তাৰ বাবে কিবা যা-যোগাৰ কৰাটোও আমি অনাৱশ্যক বুলি ভাবোঁ। এসময়ত মযো গোৰাৰ দেউতাকক ধৰি মেলি এটা চাকৰিতে সোমাম বুলি ভাবিছিলোঁ। ঠিক সেই সময়তে গোৰাই মোক "তুমি চৰকাৰৰ চাকৰি কোনোমতে কৰিব নোৱাৰা' বুলি ক'লে।"

এই কথাষাৰ শুনি সুচৰিতা অবাক হোৱা দেখি গোৰাই ক'লে,— "চৰকাৰৰ ওপৰত খঙতে মই এনে কথা কৈছিলোঁ বুলি আপুনি নেভাবিব। চৰকাৰৰ চাকৰি কৰা মানুহবোৰে চৰকাৰৰ শক্তিকে নিজৰ শক্তি বুলি গৰ্ব্ব কৰে আৰু দেশৰ আন মানুহবোৰৰপৰা আঁতৰত থাকি সিহঁতে এটা সুকীয়া দলৰ সৃষ্টি কৰে। দিন যোৱাৰ লগে লগে আমাৰ এই মনোভাবটো বাঢ়িছেহে। মোৰ লগা ভগা মানুহ এজন ডাহানিৰ হাকিম আছিল। এতিয়া তেখেতে কাম এৰি দিছে। জিলাৰ বৰচাহাবে তেখেতক এবাৰ সুধিছিল,—'ডাঙৰীয়া, তোমাৰ বিচাৰত ইমান বেচি মানুহ খালাচ হয় কিয় ?' তেখেতে উত্তৰ দিছিল, 'চাহাব, তাৰ এটা কাৰণ আছে। তুমি জেলত দিয়া মানুহবোৰ তোমাৰ মনত কুকুৰ মেকুৰীৰ লেখীয়া কিন্তু সিহঁত যে মোৰ ভাই ককাইৰ লগৰ।' তেতিয়াৰ দিনতো ইমান ডাঙৰ কথা কব পৰা হাকিম আছিল আৰু ইমান ডাঙৰ কথা শুনিব পৰা বৰচাহাবো অভাব নাছিল। কিন্তু দিন যোৱাৰ লগে লগে চাকৰি বিচাৰি টলৌ টলৌকৈ ঘূৰি ফুৰাটো অজৰ ভূষণ হৈ পৰিছে আৰু আজি-কালি হাকিমবোৰৰ মনত তো দেশৰ আন মানুহবোৰ লাহে লাহে কুকুৰ-মেকুৰীৰ লগৰে হৈ পৰিছে। এইদৰে চাকৰিৰ উন্নতিৰ লগে লগে সিহঁতৰ অধঃপতন যে হৈছে—এই কথা অনুভৱ কৰিব পৰা শক্তিও আন কি সিহঁতৰ নাইকিয়া হৈ গৈছে। পৰৰ কান্ধত ভেঁজা দি আমাৰ আপোন মানুহবোৰক তুচ্ছ চকুৰে চাই সিহঁতৰ প্ৰতি অবিচাৰ কৰিলে আমাৰ কেতিয়াও মঙ্গল হব নোৱাৰে।"

এই বুলি গোবাই মেজৰ ওপৰত জোৰেৰে ভুকু এটা মাৰিলে। মেজৰ ওপৰত থকা লেমটো জোকাব খাই উঠিল। বিনয়ে ক'লে,—"গোৰা, এই মেজখন চৰকাৰৰ নহয় আৰু লেমটোও এখেত্তসকলৰহে।"

শুনি গোৰাই জোৰেৰে হাঁহি দিলে। তাৰ হাঁহিৰ শব্দ গোটেই ঘৰটো বন্-ঘনাই গ'ল। ঠাট্টা কৰা শুনি গোৰাই সক লবাৰ দৰে ইমান জোৰে হাঁহি পেলোৱা দেখি সুচৰিতা আচৰিত হল। লগে লগে তাইৰ মনটো বৰ ভাল লাগিল। ডাঙৰ ডাঙৰ কথাবোৰ চিন্তা কৰা মানুহেও প্ৰাণ খুলি হাঁহিব পাৰে বুলি তাই তেতিয়ালৈকে নেজানিছিল।

গোৰাই সেইদিনা বহুতো কথা ক'লে। সুচৰিতাই মনে মনে শুনি আছিল যদিও তাইৰ মুখত ফুটি ওলোৱা নিৰ্ব্বাক সন্মতিয়ে গোৰাক অতি-মাত্ৰাই উৎসাহিত কৰি তুলিছিল। অৱশেষত গোৰাই সুচৰিতাকেই বিশেষকৈ উদ্দেশ্য কৰি ক'লে,—"চাওক, সদায় এটা কথা মনত ৰাখিব। ইংৰাজ শক্তিশালী হৈ উঠা দেখি আমিও ইংৰাজ নহলে কেতিয়াও শক্তিশালী হব নোৱাৰিম—এনেকুৱা ভুল সংস্কাৰ লৈ থাকিলে তো নচলিব। নকল কৰোঁতে কৰোঁতে শেষত দুয়োপক্ষৰেপৰা আমি খেদা খাব লাগিব। এইটো কথা ধুৰুপকৈ জানিব যে ভাৰতৰো এটি বিশেষ প্ৰকৃতি, বিশেষ শক্তি বিশেষ সত্য আছে। এইবোৰৰ পৰিপৰ্ণ বিকাশৰদ্বাৰাই ভাৰত সাৰ্থক হব, ভাৰতে মুক্তি পাব। ইংৰাজ জাতিৰ বুৰঞ্জীৰপৰা আমি এই-টোকে শিকিব পৰা নাই যদি সকলো ভুলকেহে শিকিলোঁ। আপোনাক মই এইটোৱেই অনুৰোধ কৰিছোঁ যে আপুনি ভাৰতবৰ্ষৰ ভিতৰলৈ সোমাই আহক, ভাৰতৰ আটাইবোৰ ভাল-বেয়াৰ মাজত আহি থিয় হৈ সেই দোষ আঁতৰাই দিয়ক। এই ভাৰতবৰ্ষখনলৈ চাওক, বুজক, এইখনৰ বিষয়ে ভাৰক, এইখনৰ লগত মিলি যাওক। এই ভাৰতখনৰ বিৰুদ্ধে থিয় হৈ সৰুৰেপৰা হাড়ে হিমজুৱে খৃষ্টানি সংস্কাৰেৰে দীক্ষিত হৈ বাহিৰৰপৰা আপুনি এই ভাৰতবৰ্ষখনৰ একোকেই বুজিব নোৱাৰিব। এইখনক মাথোন আঘাতহে কৰিব পাৰিব, তাৰ বাহিৰে আন একো কামকে কৰিব নোৱা-ৰিব।"

গোৰাই 'মোৰ অনুৰোধ' বুলি কৈছিল হয়, কিন্তু সেইটো অনুৰোধ নাছিল যেন আদেশহে আছিল। তাৰ কথাৰ দৃঢ়তাই আনৰ সন্মতিলৈ অপেক্ষাকে নকৰিছিল। সুচৰিতাই তলমুৰে আটাইবোৰ কথাকে শুনিলে। গোৰাই বিশেষভাৱে তাইকে লক্ষ্য কৰি ইমান আগ্ৰহেৰে সৈতে কথাবোৰ কোৱা শুনি তাইৰ মনত এটা আলোড়নৰ সৃষ্টি হ'ল। সেইটো নো কিহৰ

আলোড়ন এই কথা পিচে ভাবিবলৈ তেতিয়া তাইৰ সময়কে নাছিল। ভাৰতবৰ্ষৰ এটা বৃহৎ প্ৰাচীন সত্তা আছে বুলি সুচৰিতাই কেতিয়াও এক মুহূৰ্ত্তৰ কাৰণেও ভবা নাছিল। এই সত্তাই দূৰ অতীত আৰু সুদূৰ ভৱিষ্যতক আবিষ্কাৰ কৰি মানুহৰ বিৰাট ভাগ্য-জালৰ বিশেষ বৰণৰ সূতা এডাল বিশেষভাৱে নিভৃতে গাঁঠি গৈছে। সেই সূতা যে কিমান বিচিত্ৰ কিমান দক্ষ আৰু কিমান সুদূৰ সাৰ্থকতাৰ লগত তাৰ সম্বন্ধ—গোৰাৰ প্ৰবল কণ্ঠৰ মাত শুনিহে সুচৰিতাই আজি সেই কথা হঠাতে একৰকম উপলব্ধি কৰিলে। প্ৰত্যেক ভাৰতবাসীৰ জীৱন যে ইমান ডাঙৰ সত্তাৰদ্বাৰা বেষ্টিত বা অধিকৃত, এই কথা সচেতনভাৱে অনুভৱ কৰিব নোৱাৰিলে আমি যে কিমান ক্ষুদ্ৰ আৰু চৌপাশৰ বিষয়ে যে কিমান অন্ধ হৈ কাম কৰোঁ।— এই কথা এক নিমিষতে সুচৰিতাৰ আগত প্ৰকাশ হৈ পৰিল। সেই হঠাৎ পোৱা আনন্দৰ আৱেগত সুচৰিতাই তাইৰ সকলো সঙ্কোচ কাতি কৰি বিনয়ক ক'লে, "মই দেশৰ কথা এতিয়াও ইমান ডাঙৰ কৰি এনেকৈ আৰু ইমান সত্য ভাৱে চিন্তা কৰা নাই। কিন্তু এটা কথা সোধোঁ।—ধৰ্ম্মৰ লগত দেশৰ যোগ কি? ধৰ্ম্ম জানো দেশৰ অতীত নহয়?"

সুচৰিতাই মৃদুস্বৰেৰে সোধা প্ৰশ্নটো গোৰাৰ কাণত বৰ মিঠা যেন লাগিল। সুচৰিতাৰ বহল চকুহালিৰ মাজত এই প্ৰশ্নটো আৰু বেচি মনোৰম হৈ পৰিল। গোৰাই ক'লে,—"দেশৰ যি অতীত দেশতকৈয়ো যি বহুতো ডাঙৰ সিয়েই দেশৰ মাজেদি প্ৰকাশ পায়। ভগৱানে এইদৰেই নিতৌ ন ন ৰূপেৰে অনন্ত স্বৰূপক প্ৰকাশ কৰিছে। যিবোৰে সত্যক মাথোন এটা বুলি ভাবি মাথোন ধৰ্ম্মকে সত্য, ধৰ্ম্মৰ একেটা মাথোন ৰূপকে সত্য বুলি ভাবে, সিহঁতে সত্যক মাথোন এটা সত্য বুলিয়েই মানে—সত্য অন্তহীন বুলি বিশ্বাস কৰিব নোখোজে। এক অন্তহীনে বহুতো অন্তহীনৰ মাজত বিৰাজমান। জগতত এনেকুৱা লীলাকেই তো সদায় দেখিছোঁ। সেয়েহে বিচিত্ৰ ধৰ্ম্ম মতৰদ্বাৰা ভগৱানে এক ধৰ্ম্মৰাজ্যকেই দেখুৱাইছে। ভাৰতবৰ্ষৰ মুকলি খিড়িকীদিয়েই আপুনি সূৰ্য্য দেখা পাব বুলি মই আপোনাক ন দি কৈছোঁ। তাৰ বাবে সাগৰৰ পাৰলৈ গৈ খৃষ্টান গীৰ্জাৰ খিড়িকীৰ মুখত বহাৰ একো প্ৰয়োজন নাই।"

সুচৰিতাই ক'লে,—"ভাৰতবৰ্ষৰ ধৰ্ম্মতন্ত্ৰই এটি বিশেষ বাটেদি ঈশ্বৰৰ কাষলৈ লৈ যায় বুলি আপুনি কব খোজে। কিন্তু বিশেষত্বটো নো কেনেকুৱা?"

গোৰাই ক'লে,—"সেইটো হৈছে, যি ব্ৰহ্ম নিৰ্ব্বিশেষ সেই ব্ৰহ্ম বিশেষৰ মাজতেই ব্যক্ত। কিন্তু সেই ব্ৰহ্মৰ বিশেষৰ শেষ নাই। জল, স্থল, বায়ু,

অগ্নি প্ৰাণ বুদ্ধি, প্ৰেম আটাইবোৰেই তেওঁৰ বিশেষ। গণি-পাছি সেইজনাৰ অন্ত কৰিব নোৱাৰি। আজিৰ বিজ্ঞানে সেইজনক জানিবৰ বাবেই মূৰ ঘমাই ৰহিছে। যি জন নিৰাকাৰ তেওঁৰ আকাৰৰ শেষ নাই। হ্ৰস্ব—দীৰ্ঘ স্থূল–সূক্ষ্মৰ অনন্ত প্ৰৱাহ সেইজনৰেই। যি জন অনন্ত 'বিশেষ' তেৱেঁই নিৰ্বিশেষ, যি জন অনন্ত–স্বৰূপ তেৱেঁই অৰূপ। আন আন দেশত ভগ-ৱানক কম-বেচি পৰিমাণে এটি সীমাৰ মাজত বান্ধি ৰাখিব খোজে। ভাৰতবৰ্ষয়ো বিশেষ ৰূপেৰে পাবলৈ খোজে হয়, কিন্তু সেই বিশেষ ৰূপকে ভাৰতবৰ্ষই একমাত্ৰ আৰু চূড়ান্ত বুলি অনন্ত গুণেৰে অতিক্ৰম কৰিছে —বুলি ভাৰতবৰ্ষৰ কোনো ভক্তই কেতিয়াও নুই নকৰে।"

সুচৰিতাই সুধিলে,—"জ্ঞানীয়ে নকৰে কিন্তু অজ্ঞানীয়ে ?"

গোৰাই ক'লে,—"সকলো দেশৰ সকলো সত্যকে অজ্ঞানীয়ে বিকৃত কৰে বুলি চোন মই আগতেই কৈছোঁ।"

সুচৰিতাই ক'লে,—"কিন্তু আমাৰ দেশত এই ৰোগে জানো বহুতো দ'লৈকে শিপোৱা নাই ?"

গোৰাই ক'লে,—"সেইটো হব পাৰে। তাৰ কাৰণ হ'ল, ভাৰতবৰ্ষই ধৰ্ম্মৰ স্থূল আৰু সূক্ষ্ম অন্তৰ আৰু বাহিৰ শৰীৰ আৰু আত্মা—এই দুয়োবিধ অঙ্গকে পৰিপূৰ্ণভাৱে স্বীকাৰ কৰিব খুজিছে বুলিয়েই সূক্ষ্মক গ্ৰহণ কৰিব নোৱাৰাবোৰে স্থূলটোকে গ্ৰহণ কৰে আৰু অজ্ঞানতাৰ বাবে সেই স্থূলক নানান ধৰণে বিকৃত কৰি পেলায়। কিন্তু যি জনে ৰূপত অৰূপত, স্থূলত সূক্ষ্মত, ধ্যানত—প্ৰত্যক্ষত সত্য ৰূপে বিৰাজ কৰিছে, সেই জনক ভাৰতবৰ্ষই দেহে-মনে কৰ্ম্মেৰে একান্তভাৱে উপলব্ধি কৰিবলৈ যি আচৰিত বিচিত্ৰ আৰু বৃহৎ চেষ্টা কৰিছে তাক আমি মূৰ্খৰ দৰে অশ্ৰদ্ধা কৰি ইউৰোপৰ অষ্টাদশ শতাব্দীৰ নাস্তিকতা-আস্তিকতা মিহলি এটা ঠেক নীৰস অঙ্গহীন ধৰ্ম্মকে একমাত্ৰ ধৰ্ম্ম বুলি গ্ৰহণ কৰাটো কেতিয়াও উচিত নহয়। আপোনালোকে সকলেপৰা মানি অহা সংস্কাৰৰ কাৰণে মোৰ কথা কেতিয়াও ভালদৰে বুজিব নোৱাৰিব। হয়তো ভাবিব এই মানুহটোৰ ইংৰাজী শিক্ষাৰপৰা একেবাৰেই লাভ নহল। কিন্তু আপোনাৰ যদি কেতিয়াবা ভাৰতবৰ্ষৰ সত্য প্ৰকৃতি আৰু সত্য সাধনাৰ প্ৰতি শ্ৰদ্ধা ওপজে ভাৰতবৰ্ষই নিজকে যিদৰে হেজাৰ হেজাৰ বাধা-বিঘিনিৰ মাজেদিও প্ৰকাশ কৰিছে, সেই প্ৰকাশৰ গভীৰ অন্তঃস্থলত আপুনি যদি কেতিয়াবা প্ৰৱেশ কৰিব পাৰে তেনেহলে—তেনেহলে কিনো আৰু কম, আপোনাৰ ভাৰতীয় স্বভাৱক আপোনাৰ শক্তিক আপুনি আকৌ ঘুৰাই পাই মুক্তি লাভ কৰিব পাৰিব।"

সুচৰিতা বহু বেলি মনে মনে বহি থকা দেখি গোৰাই আকৌ ক'লে,—"আপুনি মোক আকৌ মহা ভকত বুলি নেভাবিব। হিন্দু ধৰ্ম্মৰ বিষয়ে ভকতবোৰে, বিশেষকৈ পাবভগজা ভকতবোৰে যিদৰে কথা কয়, মোৰ কথাবোৰ আপুনি ঠিক সেইদৰে নলব। ভাৰতবৰ্ষৰ নানা ধৰণৰ প্ৰকাশ ভঙ্গিমা আৰু বিচিত্ৰ চেষ্টাৰ মাজত মই এটা গভীৰ আৰু বৃহৎ ঐক্য দেখা পাইছোঁ, সেই ঐক্যৰ আনন্দতে মই বলিয়া হৈ পৰিছোঁ। এই আনন্দতে উন্মাদ হৈ ভাৰতবৰ্ষৰ মূৰ্খবোৰৰ দলৰ লগত একেলগে ধূলি-মাটিত বহিবলৈকো মোৰ অকণো সঙ্কোচ নেলাগে। ভাৰতবৰ্ষৰ এই বাণী কোনোৱে বা বুজে, কোনোৱে নুবুজে। বাৰু, সেইটো যিয়েই নহওক লাগে—মই কিন্তু মোৰ ভাৰতবৰ্ষৰ সকলোৰে লগত একে। সিহঁত সকলোৱেই মোৰ আপোন। সিহঁত আটাইবে মাজত প্ৰতি মুহূৰ্ত্ততে চিৰন্তন ভাৰতবৰ্ষৰ নিগূঢ় আবিৰ্ভাৱ হৈ আছে। এই বিষয়ে মোৰ মনত বিন্দু মাত্ৰ সন্দেহ নাই।"

গোৰাৰ গহীন মাতৰ কথাবোৰে কোঠাৰ দেৱাল, মেজ আৰু আন আটাইবোৰ বস্তু-বেহানিত ঠেকা খাই জন্জনাই উঠিল।

এই কথাবোৰ সুচৰিতাই একেবাৰে নিহৰ-নিপানীকৈ বুজি পাবলগীয়া কথা নহয়—কিন্তু অনুভূতিৰ প্ৰথম অস্পষ্ট সোঁতৰ গতি অতি বোৱাল। জীৱনটো যে মাথোন চাৰি বেৰৰ মাজত বা এটি দলৰ মাজত সীমাবদ্ধ নহয়—এইটো অনুভৱ কৰি সুচৰিতাৰ কিবা এটা বেজাৰ লগা যেন লাগিল।

এনেতে খট্খটীত লাৱণ্যহঁতৰ হাঁহিৰ বোল আৰু ভৰিৰ খচ্ খচ্ শব্দ শুনা গ'ল। বৰদাসুন্দৰী আৰু জীয়েকহঁতক লৈ পৰেশ ভট্ট উভতি আহিছে। খটখটীয়েদি উঠি আহোঁতে সুধীৰে কোনোবা এজনীক কিবা কৈ জোকাইছিল; তাৰ বাবেই এই হাঁহিৰ খলকনি।

লাৱণ্য, ললিতা আৰু সতীশে কোঠাটোত সোমায়েই গোৰাক দেখি অলপ সংযত হৈ থিয় দি থাকিল। অলপ পিচতে লাৱণ্য কোঠাটোৰপৰা ওলাই গ'ল। সতীশে বিনয়ৰ কাষলৈ গৈ তাৰ লগত কুচকুচাই যেন আৰম্ভ কৰি দিলে। ললিতাই চকী এখন টানি সুচৰিতাৰ পিচকালে একেবাৰে আঁৰ হৈ প্ৰায় নেদেখা হৈ ৰহিল।

পৰেশ ভট্টই আহি ক'লেহি,—"আমাৰ উভতি আহোঁতে বৰ পলম হৈ গ'ল। পানু মাষ্টৰ গ'ল, গৈ নে কি?"

সুচৰিতাই একো উত্তৰ নিদিলে। বিনয়ে ক'লে,—"হয়, তেখেত আৰু ৰব নোৱাৰিলে।"

গোৰাই থিৰ হৈ ক'লে,—"আজিলৈ আমি উঠোঁ৷ আক।"

এই বুলি পৰেশ ভট্টক অলপ হালি নমস্কাৰ কৰিলে।

পৰেশ ভট্টই ক'লে,—"আজি আৰু তোমালোকৰ লগত কথা-বতৰা পাতিবৰ সময়কে নেপালোঁ। বোপাই, মাজে মাজে সময় পালে ইয়ালৈ আহি থাকিবা।"

গোৰা আৰু বিনয় ঠিক যাবলৈ ওলাওঁতেই বৰদাসুন্দৰী আহি ওলালহি। দুৱোৰে তেখেতক নমস্কাৰ কৰিলে। তেখেতে সুধিলে,—"আপোনালোক যাবলৈ ওলালেই নে কি?"

গোৰাই উত্তৰ দিলে,—"হয়।"

বৰদাসুন্দৰীয়ে বিনয়ক ক'লে,—"চেটাৰ্জ্জী বোপা, আপুনি হলে যাব নোৱাৰে। আপুনি ইয়াতে খাই-বৈ যাব লাগিব। আপোনাৰ লগত এটা কামৰ কথাও আছে।"

সতীশে জপিয়াই উঠি বিনয়ৰ হাতত ধৰি ক'লে,—"ওঁ, তুমি ঠিক কৈছা আই, বিনয় ককাইদেউক আজি যাবলৈ নিদিবা। তেখেতে আজি ৰাতি আমাৰ ইয়াতে থাকিব লাগিব।"

বিনয়ে খতমত খাই একো উত্তৰ দিব নাই পৰা দেখি বৰদাসুন্দৰীয়ে গোৰাক ক'লে,—"চেটাৰ্জ্জী বোপাক আপুনি আপোনাৰ লগত লৈ যাব খুজিছে নে কি? তেখেতক এতিয়া জানো আপোনাৰ কিবা দৰ্কাৰ আছে?"

গোৰাই ক'লে,—"ওহোঁ একো দৰ্কাৰ নাই। বিনয়, তুমি থাকা বাক— মই যাওঁ।"

এই বুলি গোৰা বেগাই গুচি গ'ল গৈ।

বৰদাসুন্দৰীয়ে বিনয় থকা নথকাৰ বিষয়ে গোৰাৰ মত লোৱা মাত্ৰকে বিনয়ে এবাৰ ললিতাৰ কালে নোচোৱাকৈ থাকিব নোৱাৰিলে। ললিতাই অলপ মুখ টিপি হাঁহি ঘূৰি বহিল।

ললিতাৰ এই সৰু-সুৰা হাঁহি-বিদ্ৰূপবোৰৰ লগত বিনয়ে কাজিয়াও কৰিব নোৱাৰে, অথচ এইবোৰে তাক কাঁইটৰ দৰে বিন্ধাদি বিন্ধে। বিনয় কোঠালৈ আহি বহোঁতেই ললিতাই ক'লে,—"চেটাৰ্জ্জীদেউ, আজি আপুনি পলোৱা হলেই ভাল কাম কৰিলেহেঁতেন।"

বিনয়ে সুধিলে,—"কিয়?"

ললিতা—আয়ে আপোনাক বিপদত পেলাবলৈ পাঙিছে। ম্যজিষ্ট্ৰেটৰ মেলাত কৰিবলগীয়া অভিনয়ৰ বাবে এজন মানুহ কম হৈছে। সেই ভাগটো আয়ে আপোনাকে দিবলৈ ঠিক কৰিছে।

বিনয়ে আচৰিত হৈ ক'লে,—"অ' সৰ্ব্বনাশ দেখোন। এইবোৰ তো মই একো নেজানো।"

ললিতাই হাঁহি হাঁহি কলে,—"এই কথা মই আগতেই আইক কৈছোঁ। আপোনাৰ বন্ধুৱে আপোনাক কেতিয়াও এই অভিনয়ত যোগ দিবলৈ নিদিয়ে।"

বিনয়ে খোঁচ খাই ক'লে,—"বন্ধুৰ কথা থৈ দিয়ক। মই সাত জন্মতো কেতিয়াও থিয়েটাৰ কৰি পোৱা নাই। মইনো কেনেকৈ পাৰিম?"

ললিতাই ক'লে,—"আমি হব পায় জন্ম-জন্মান্তৰ ধৰি থিয়েটাৰকে কৰি আছোঁ।"

এনেতে বৰদাসুন্দৰী আহি বহিলহি। ললিতাই ক'লে,—"আই, আপুনি চেটাৰ্জ্জীদেউক থিয়েটাৰ কৰিবলৈ মিছাতে বখালে। আগেয়ে তেখেতৰ বন্ধুক ৰাজী কৰাব পাৰিলেহে।"

বিনয়ে কাতৰ মাতেৰে ক'লে,—"বন্ধুৰ ৰাজী হোৱা নোহোৱাৰ তো কথা হোৱা নাই। কথে-মথে অভিনয় কৰিলেই তো নহব। মোৰ যে সেইটো গুণেই নাই।"

বৰদাসুন্দৰীয়ে ক'লে,—"আপুনি বাৰু সেইবোৰ ভাবিব নেলাগে। মই আপোনাক শিকাই-বুজাই ঠিক কৰি লম। অকণ অকণ ছোৱালীবোৰে পাৰিব, আৰু আপুনি নোৱাৰিব নে?"

বিনয়ৰ এইবাৰ আৰু সাৰিবৰ কোনো আশাই নেথাকিল।

২১

গোৰাই তাৰ স্বাভাৱিক খৰতকীয়া খোজ এৰি অন্যমনস্ক হৈ লাহে লাহে ঘৰমুৱা হৈ যাবলৈ ধৰিলে। সি ঘৰলৈ পোন বাটেদি নগৈ বহুতো ঘূৰি-পকি গঙ্গাৰ পাৰৰ আলিটোৰেদি যাবলৈ ধৰিলে। তেতিয়াও বণিক সভ্যতাৰ লাভলোলুপ কুশ্ৰীতাৰ প্ৰতীক স্বৰূপ কলিকতাৰ গঙ্গাৰ পাৰত ৰেল লাইন আৰু পানীত দলং সজা হোৱা নাই। তেতিয়াৰ জাককালি সন্ধিয়া আজিৰ দৰে চহৰৰ দূষিত নিশ্বাসে গোটেই আকাশ আৱৰি নেপেলাইছিল। তেতিয়াৰ দিনত নদীয়ে বহু দূৰৰ হিমালয়ৰ নিৰ্জ্জন শিখৰৰ পৰা ধূলিৰে ধুঁৱলি-কুঁৱলী কলিকতাৰ ব্যস্ততাৰ মাজলৈ শান্তিৰ বাৰ্ত্তা বোৱাই আনিছিল।

প্ৰকৃতিয়ে আজিলৈকে কেতিয়াও গোৰাৰ মন আকৰ্ষণ কৰিবলৈ সুযোগ পোৱা নাছিল। গোৰাৰ সদায় নিজৰ ভাবৰ চোৰেই নিজৰ মনত খেলিছিল। যি জল স্থল আকাশৰ তাৰ নিজৰ প্ৰচেষ্টাৰ লগত প্ৰত্যক্ষভাৱে কোনো সম্বন্ধ নাই—সেইবোৰক সি কেতিয়াও লক্ষ্যই কৰা নাই।

কিন্তু আজি নদীৰ ওপৰৰ সৌ আকাশখনে আপোন নক্ষত্ৰৰ জ্যোতিৰে অভিষিক্ত এন্ধাৰেৰে গোৰাৰ হৃদয়ক বাৰে বাৰে নিমাতে ছুই গ'ল হি।

নদী শান্ত। গঙ্গাৰ, পাৰৰ ঘাটত কিছুমান নাৱত চাকি জ্বলি আছে, কিছুমান এন্ধাৰ, নিজান। সিপাৰৰ ডাঠ গছ-গছনি ভৰাৰ মাজত এন্ধাৰবোৰ ঘন হৈ পৰিছে। ঠিক তাৰ ওপৰতে বৃহস্পতি গ্ৰহই এন্ধাৰৰ অন্তৰ্য্যামীৰ দৰে তিমিৰভেদী অপলক নয়নেৰে স্থিৰ হৈ আছে।

আজিৰ এই বিৰাট নিজান প্ৰকৃতিয়ে গোৰাৰ শৰীৰ আৰু মন দুয়োকে অভিভূত কৰি পেলালে। গোৰাৰ কলিজাৰ লগত সমানে তাল মিলাই আকাশৰ বিৰাট এন্ধাৰবোৰো কঁপিবলৈ ধৰিলে। অতদিন প্ৰকৃতিয়ে ধৈৰ্য্য ধৰি স্থিৰ হৈ আছিল—আজি কিন্তু গোৰাৰ অন্তৰৰ কোনোবা দুৱাৰ মুকলি পাই মুহূৰ্ত্ততে সেই অসতৰ্ক দুৰ্গটো প্ৰকৃতিয়ে আপোন কৰি ললে। ইমানদিন গোৰা নিজৰ বিদ্যা-বুদ্ধি চিন্তা আৰু কৰ্ম্ম লৈ একেবাৰে স্বতন্ত্ৰ আছিল—আজি পিচে কি হ'ল! আজি কৰবাত সি প্ৰকৃতিক স্বীকাৰ কৰিলে আৰু সেই মুহূৰ্ত্ততে এই গভীৰ ক'লা গঙ্গাৰ বুকু, গছীন আন্ধাৰ গঙ্গাৰ পাৰ আৰু এই উদাৰ ক'লা আকাশে তাক বৰণ কৰি ললে। আজি প্ৰকৃতিৰ ওচৰত কেনেবাকৈ গোৰা ধৰা পৰি গ'ল।

বাটৰ কাষৰ কোম্পানীৰ অফিচৰ বাগিচাৰ কোনোবা বিলাতী লতাৰ অচিনাকি ফুলৰ মৃদু নিৰ্ম্মল গোন্ধে গোৰাৰ ব্যাকুল হৃদয়ৰ ওপৰত যেন হাত বুলাই দিবলৈ ধৰিলে। নদীয়ে তাক লোকালয়ৰ অশান্ত কৰ্ম্মক্ষেত্ৰৰ পৰা কোনোবা এক উদ্দেশ্যহীন সুদূৰৰ পিনে আঙুলিয়াই দেখুৱাই দিলে। তাত নিৰ্জ্জন নৈৰ পাৰত গছবোৰে শাখা মেলি কি যেন ফুল ফুলাইছে। কেনে কোমল ছাঁ পেলাইছে। তাত নিৰ্ম্মল নীল আকাশৰ তলত দিনবোৰ যেন কাৰ চকুৰ উন্মীলিত দৃষ্টি আৰু নিশাবোৰ যেন কাৰ চকুৰ পতাৰ লাজুকি ছাঁ। চাৰিও পিনৰপৰা মাধুৰ্য্যৰ এক আৱৰ্ত্ত আহি হঠাৎ গোৰাক এনে এটা অতলস্পৰ্শ অনাদি শক্তিৰ আকৰ্ষণে টানি লৈ গ'ল—অথচ এনে এটা শক্তি এই জগতত আছে বুলি তো গোৰাই কেতিয়াও নেজানিছিল। এই শক্তিয়ে একে সময়তে বেদনা আৰু আনন্দত গোৰাৰ গোটেই মনটোক ইমূৰৰপৰা সিমূৰলৈ ডুবাই পেলালে। আজি এই হেমন্ত নিশাত নদীৰ

পাৰত, নগৰৰ অব্যক্ত কোলাহল আৰু নক্ষত্ৰৰ ক্ষীণ পোহৰত গোৰা বিশ্ব-ব্যাপিনী কোনোবা অবগুণ্ঠিতা মায়াবিনীৰ সন্মুখত আপোন পাহৰি থিয় দিলে। এই মহাবাণীৰ ওচৰত গোৰাই ইমান দিনে মূৰ দোঁওৱা নাই বুলিয়েই হব পায় আজি অকস্মাতে তেওঁৰ শাসনৰ ইন্দ্ৰজালে নিজৰ সহস্ৰ-বৰ্ণৰ সূত্ৰেদি গোৰাক জল স্থল আকাশৰ লগত চাৰিও কালৰপৰা বান্ধি পেলালে। গোৰাই নিজে নিজকে পাহৰি নদীৰ জনশূন্য ঘাটৰ এটা খট্‌খটীত বহি পৰিল। বাৰে বাৰে সি নিজকে প্ৰশ্ন কৰিবলৈ ধৰিলে—তাৰ জীৱনত এইয়া কিহৰ আবিৰ্ভাৱ আৰু ইয়াৰ প্ৰয়োজনেই বা কি? যি সঙ্কল্পৰদ্বাৰা সি ইমান দিনে তাৰ নিজৰ জীৱনক সম্পূৰ্ণভাৱে বিধিবদ্ধ কৰি মনে মনে সজাই লৈছিল, তাৰ ভিতৰত ইয়াৰ ঠাই ক'ত? এইয়া হবলা সেই সঙ্কল্পিত জীৱনাদৰ্শৰ বিৰুদ্ধবাদী? যুঁজ কৰি জানো ইয়াক পৰাস্ত কৰিব লাগিব? এই বুলি ভাবি যি মুহূৰ্ত্তেই গোৰাই দৃঢ়ভাৱে মুঠি বান্ধি ললে ঠিক তেতিয়াই বুদ্ধিত উজ্জ্বল আৰু নম্ৰতাত কোমল দুটি স্নিগ্ধ নয়নৰ প্ৰশ্নকৌতুক দৃষ্টি তাৰ মনৰ ভিতৰত জ্বলি উঠিল—কোনোবা অনিন্দ্য সুন্দৰ হাত এখনিৰ আঙুলি কেইটাই স্পৰ্শ সৌভাগ্যৰ অনাস্বাদিত অমৃত তাৰ ধ্যানৰ সন্মুখত তুলি ধৰিলে। গোৰাৰ গোটেই শৰীৰত আনন্দৰ বিজুলী খেলি গল। অকলে অকলে অন্ধকাৰৰ ভিতৰত এই গভীৰ অনুভূতিয়ে তাৰ সকলো প্ৰশ্ন, সকলো দ্বিধাকে একেবাৰে অন্ত কৰি পেলালে। তাৰ এই নতুন অনুভূতিক সি সকলো দেহ-মন দি উপভোগ কৰিবলৈ ধৰিলে—ইয়াক এৰি উঠি যাবলৈ তাৰ মত নগল।

বহু ৰাতি গোৰা ঘৰলৈ উভতি অহাত আনন্দময়ীয়ে সুধিলে,—"বহুত ৰাতি কৰিলি দেখোন বোপাই? তোৰ ভাত-পানী একেবাৰে চেঁচা হ'ল।"

গোৰাই কলে,—"জানো আই, আজি জানো মোৰ কি মন গ'ল, বহু বেলি গঙ্গাৰ ঘাটতে বহি আছিলোঁ।"

আনন্দময়ীয়ে সুধিলে,—বিনয়ো তোৰ লগত আছিল নে কি?"

গোৰাই ক'লে,—"ওঁহো, মই অকলেই আছিলোঁ।"

আনন্দময়ীয়ে পেটে পেটে অলপ আচৰিত হ'ল। আজিৰ দৰে বিনা প্ৰয়োজনত গোৰাই অত নিশালৈকে গঙ্গাৰ ঘাটত বহি বহি ভাবি থকাৰ নিচিনা ঘটনা আগতে কেতিয়াও ঘটা নাছিল। গোৰাই ভাত খাই থাকোঁতেও আনন্দময়ীয়ে তাৰ মুখত আজি এটা বেলেগ ধৰণৰ উতলা ভাবৰ জোঁৱে খেলি থকা যেন মন কৰিছিল।

কিন্তু বেলিৰ পিচত আনন্দময়ীয়ে লাহেকৈ সুধিলে,—"আজি হৰ-পাই বিনয়ৰ তালৈ গৈছিলি ?"

গোৰাই কলে,—"উঁহো, আজি আমি দুয়ো ভট্ট ভাণ্ডীয়াৰ ঘৰলৈহে গৈছিলোঁ।"

কথাষাৰ শুনি আনন্দময়ীয়ে কিছু পৰ মনে মনে ভাবিবলৈ ধৰিলে। অলপ পিচত তেখেতে আকৌ সুধিলে, "তেখেতসকলৰ সকলোৰে লগত তোৰ চিনা-জনা হ'ল নে নাই ?"

গোৰাই ক'লে,—"ওঁ হৈছে।"

আনন্দময়ী—সিহঁতৰ ঘৰৰ মাইকী মানুহবোৰে সকলোৰে আগত ওলোৱা-সোমোৱা কৰে নহয় নে ?

গোৰা,—ওঁ, সিহঁতৰ তেনেকুৱা একো সংস্কাৰ নাই।

আনদিনা সাধাৰণতে গোৰাই এনে ধৰণৰ উত্তৰবোৰ অলপ উত্তেজিত হৈয়ে দিয়ে। আজি কিন্তু তেনে কোনো লক্ষণ নেদেখি আনন্দময়ীয়ে পুনৰ মনে মনে গুণা-গঁথা কৰিবলৈ ধৰিলে।

পিচদিনা পুৱা শুই উঠি আনদিনাৰ দৰে গোৰাই লৰালৰিকৈ হাত মুখো নুধুলে আৰু দিনটোৰ কামৰ বাবে সাজুও নহল। সি কিবা অন্য-মনস্ক হৈ তাৰ শোৱনি-কোঠাৰ পূব ফালৰ দুৱাৰখন মেলি দি বহু পৰ থিয় হৈ বাহিৰলৈ চাই থাকিল। সিহঁতৰ ঘৰৰ সমুখৰ সৰু আলিটো গৈ এটা ডাঙৰ আলিত মিলিছেগৈ। সেই ডাঙৰ আলিটোৰ পূৰফালে এটা স্কুল আছে। সেই স্কুলখনৰ কাষত থকা মাটি ডোখৰত এজোপা বহুদিনীয়া জামুক গছৰ মূৰত এচপৰা পাতল শুকুলা কুঁৱলী ভাঁহি আছিল। সেই কুঁৱলী চপৰাৰ আঁৰৰপৰা পুৱাৰ প্ৰথম ৰাঙলী সূৰ্য্যৰ হেঙুলীয়া আভা চকাচমকাকৈ বিৰিঙি ওলাইছিল। গোৰাই বহু পৰ নিথৰ হৈ সেইফালে চাই থাকোঁতে থাকোঁতেই পাতল কুঁৱলী চপৰা আকাশৰ নীলিম বুকুত মিলি পৰিল। উজ্জ্বল বৰণবোৰে চমকা চমকে গছৰ ডাল-পাতৰ মাজেদি এজাক চক্‌চকীয়া সঙীনৰ দৰে তীক্ষ্ণ হৈ ওলাই আহিল। চাওঁতে চাওঁতে কলিকতাৰ বাট-পথ মানুহ-দুনুহ হুলস্থুল-গোলমালেৰে ভৰি পৰিল।

এনেতে হঠাতে আলিকেঁকুৰিটোত অবিনাশে আৰু কেইজনমান ছাত্ৰ লগত লৈ তাৰ ঘৰৰ ফাললৈ আহি থকা দেখা পাই গোৰাই এক্কে কোবেই তাৰ এই আবেশৰ জালখন টান মাৰি ছিঙি পেলালে। সি নিজেই নিজৰ মনটোক চকু পকাই ক'লে—উঁহো, এইবোৰ একো নহয়। এইবোৰ কোনোমতেই হ'ব নোৱাৰে। এই বুলি সি বেগাবেগিকৈ শোৱনি-কোঠাৰ

পৰা ওলাই গ'ল। গোৰাৰ দলবল আহি পালেহিয়েই, অথচ সি এতিয়ালৈকে সাজু হৈ থকা নাই, এনে ঘটনা আজিকোপতি এদিনলৈকো ঘটা নাছিল। এই সামান্য দোষৰ বাবেই গোৰাই পেটে পেটে নিজকে ধাক্কৈয়ে গৰিহণা দিলে। পৰেশ ভট্টৰ ঘৰলৈ আগলৈ আৰু নেযাওঁ বুলি আৰু বিনয়ৰ লগতো কিছুদিন দেখা নকৰি এইবোৰৰপৰা আঁতৰত থাকিবলৈ যত্ন কৰিব বুলি সি মনে মনে প্ৰতিজ্ঞা কৰিলে।

সেইদিনা তললৈ নামি আহি গোৰাই অবিনাশহঁতৰ লগত বহু পৰ পৰামৰ্শ কৰি অৱশেষত এইটোকে ঠিক কৰিলে যে গোৰাই তাৰ দলৰ আৰু দুজনমানৰ সৈতে কিছুদিনৰ বাবে গ্ৰেণ্ড ট্ৰাঙ্করোডেদি খোজকাঢ়ি ভ্ৰমণ কৰিবলৈ যাব। লগত টকা-সিকা একোকে নিনিয়ে। বাটে বাটে মানুহৰ ঘৰে ঘৰে আলহী হৈ হৈ যাব।

এনেকুৱা এটা সঙ্কল্পৰ কথা ভবাৰ লগে লগে গোৰা যেন কিছু বেচিকৈয়ে উৎসাহিত হৈ উঠিল। সকলো বান্ধোন ছিঙি এইদৰে মুকলি-মূৰীয়া হৈ ওলাই যোৱাৰ আনন্দত সি উত্ৰাৱল হৈ পৰিল। ভিতৰি ভিতৰি যিখন জালে তাৰ অন্তৰখন সাঙুৰি ধৰিছিল, এই ভ্ৰমণৰ কথা ওলোৱাৰ লগে লগে সেই জালখন তাৰ ছিঙি যোৱা যেন লাগিল। এই ভাবৰ আবেগ-বোৰ মাথোন মায়া, মাথোন মোহ, কৰ্ম্মহে সত্য—এই কথা সি বাৰে বাৰে নিজে নিজেই কবলৈ ধৰিলে। আৰু এই কথাৰ প্ৰতিধ্বনিয়ে আহি বাৰে বাৰে তাৰ মনত ঠেকা খালেহি। তাৰ পিচত সি যাত্ৰাৰ আয়োজন কৰিবৰ বাবে স্কুল ছুটীৰ পিচত লৰ মাৰি অহা অকণমানি ল'ৰা এটিৰ দৰে একেলৰে কোঠাটোৰপৰা ওলাই আহিল। তেতিয়া কৃষ্ণদয়ালে গঙ্গা-স্নান কৰি হাতত এলোটা গঙ্গা জল লৈ নামাৱলীখন গাত পেলাই লৈ মনে মনে জপ কৰি কৰি তেখেতৰ কোঠাৰ ফাললৈ আহি আছিল। গোৰা আহি একেবাৰে তেখেতৰ গাৰ ওপৰতে পৰিলহি। সি লাজ পাই লৰালৰিকৈ তেখেতৰ ভৰিত হাত দি সেৱা কৰিলে। তেখেতে 'হৰ, হৰ' বুলি লৰালৰিকৈ আঁতৰি গুচি গ'ল গৈ। পূজা কৰিবলৈ বহাৰ আগতেই গোৰাই ছুই আজি তেখেতৰ গঙ্গা-স্নান তেনেই মাটি কৰিলে। কৃষ্ণদয়ালে যে মাথোন অকল গোৰাৰ সংস্পৰ্শৰপৰাহে বিশেষভাৱে আঁতৰি ফুৰিছিল, এই কথা গোৰাই মনেই কৰা নাছিল। শুচিবায়ুগ্ৰস্ত বুলিয়েই তেখেতে সকলোৰেপৰা সেইদৰে আঁতৰি ফুৰে বুলিয়েই সি ভাবিছিল। আনন্দময়ীক তো তেখেতে ম্লেচ্ছ বুলি দূৰৈতে বিদুৰ কৰিছিল। মহিম হ'ল কামৰ মানুহ। এতেকে মহিমৰ লগত তেখেতৰ দেখা-সাক্ষাতেই নঘটিছিল। গোটেই

পৰিয়ালটোৰ ভিতৰত একমাত্ৰ মহিমৰ জীয়েক শশীমুখীকেই তেখেতে ওচৰত বহুৱাই লৈ সংস্কৃতৰ স্তোত্ৰ আওঁৰাবলৈ শিকাইছিল আৰু পূজা-পাতল, নীতি-নিয়ম আদিও শিকাইছিল।

গোৰাই ভৰি দুখন ছোৱা মাত্ৰকে কৃষ্ণদয়াল সেইদৰে উচাটু মাৰি গুচি যোৱা দেখি গোৰাৰ হঠাৎ জ্ঞান আহিল।' বাপেক পলোৱাৰ কাৰণটো মনত পৰি সি পেটে পেটে হাঁহিলে। এই দৰেই বাপেকৰ লগত তাৰ সম্বন্ধ এক প্ৰকাৰ ছিন্তি, যোৱাৰ দৰেই হৈছিল গৈ। মাকৰ অনাচাৰক সি যিমানেই নিন্দা কৰক নেলাগে, সেই নীতি-নিয়ম নমনা অনাচাৰিণী মাককেই সি তাৰ জীৱনৰ সকলোখিনি ভক্তি উচৰ্গা কৰি পূজা কৰিছিল।

খাই-বৈ উঠি গোৰাই কেই সাজমান কাপোৰবে এটি সৰু টোপোলা বিদেশী পৰ্য্যটকবোৰৰ দৰে পিঠিত ওলোমাই বান্ধি লৈ মাকৰ কাষ পালেহি। ক'লে,—"আই, মই কিছুদিনৰ কাৰণে যাবলৈ ওলালোঁ।"

আনন্দময়ীয়ে সুধিলে,—"কলৈ যাব বোপাই ?"

গোৰাই ক'লে,—"সেইটো মই এতিয়াও সঠিককৈ ক'ব নোৱাৰোঁ।"

আনন্দময়ীয়ে সুধিলে,—"কিবা কাম আছে নে কি ?"

গোৰাই ক'লে,—"ঠিক কাম বুলিবলৈ তেনেকৈ একো নাই। কিন্তু এই যাবলৈ ওলোৱাটোৱেই এটা কাম।"

আনন্দময়ীয়ে একো উত্তৰ নিদিয়া দেখি গোৰাই ক'লে,—"আই, তোমাৰ ভৰিত ধৰিছোঁ, মোক বাধা নকৰিবা। তুমিচোন মোক ভালকৈয়ে চিনি পোৱা। মই সন্ন্যাসী হৈ নেযাওঁ। সেইটো ভয় নাই। মোৰ আইক এৰি মই ক'তো বেচিদিন থাকিব নোৱাৰোঁ।"

মাকৰ প্ৰতি থকা তাৰ ভাল পোৱাৰ কথা গোৰাই আজিলৈকে কেতিয়াও এইদৰে ফুটাই কোৱা নাছিল। সেইবাবে সি কথাষাৰ কৈয়েই বৰ লাজ পালে।

আনন্দময়ীৰ বৰ ভাল লাগিল। তেখেতে তাৰ লাজখিনি ঢাকি ধৰি লৰালৰিকৈ ক'লে,—"বিনয়ো লগত যাব নে কি ?"

গোৰাই অলপ সঙ্কোচেৰে ক'লে,—"ওঁহো, বিনয় নেযায়। সেইয়া আইৰ আকৌ চিন্তা লাগিলেই—বিনয় নেথাকিলে তেখেতৰ গোৰাক বাটে পথে আগুৰি ৰাখিব কোনে আকৌ ? যদি বিনয়ক তুমি মোৰ ৰক্ষক বুলি ভাবা তেন্তে এইটো তোমাৰ এটা কুসংস্কাৰ। এইবাৰ নিৰাপদে উভতি আহিব পাৰিলেহে তোমাৰ এই ভয়টো আঁতৰিব।"

আনন্দময়ীয়ে সুধিলে—"পিচে মাজে-সময়ে তইঁতৰ বা-বাতৰি পাম নহয় ?"

গোৰাই ক'লে—"ধৰৰ-বাতৰি নেপাবা বুলিয়েই ধৰি থবা। তেতিয়া হলে কেনেবাকৈ পালে বৰ ভাল লাগিব। ভয় খাবলগীয়া কথা একো নাই। তোমাৰ গোৰাক কোনেও নিনিয়ে। আই, তুমি মোক বিৰাম মুন্যাবান বুলি ভাবা আনে হলে সিমান বুলি নেভাবে। অৱশ্যে মোৰ এই টোপোলাটোলৈ কোনোবাই চকু দিলে টোপোলাটোকে দান কৰি দিম। এইটো ৰক্ষা কৰিবলৈ গৈ প্ৰাণ দান যে নকৰোঁ, সেইটো ঠিক।"

গোৰাই আনন্দময়ীৰ ভৰিৰ ধূলা মূৰত লৈ সেৱা এটি কৰিলে। তেখেতেও তাৰ মূৰত হাত ফুৰাই আশীৰ্বাদ কৰিলে। তাক অকণো বাধা নিদিলে। নিজে মনত দুখ পাব বুলি নাইবা আনৰ অনিষ্ট হব পাৰে বুলি আনন্দময়ীয়ে কেতিয়াও কাকো একো কামতে বাধা নিদিছিল। নিজৰ জীৱনতো তেখেতে বহুতো বাধা-বিঘিনি পাৰ হবলগীয়া হৈছে। বাহিৰৰ পৃথিৱীখন তেখেতৰ অচিনাকি নহয়। তেখেতৰ মনত নাম মাত্ৰও ভয় নাছিল। গোৰা কিবা বিপদত পৰিব পাৰে বুলি তেখেতে ভয় কৰা নাছিল। কিন্তু যোৱা কালিৰেপৰা গোৰাৰ মনত কিবা এটা বিপুৱ ঘটা বুলি তেখেতে অনুমান কৰিছিল। আজি আকৌ হঠাতে কোনো কাৰণ নোহোৱাকৈয়ে গোৰাই ভ্ৰমণ কৰিবলৈ ওলোৱা দেখি তেখেতৰ চিন্তা দুগুণে বাঢ়িল।

গোৰাই টোপোলা-টুপলি লৈ ওলাই আহি আলিবাটত ভৰি দিওঁতেই বিনয়ে এজোৰ ডাঠ তেজবৰণীয়া বচোৰা গোলাপ যতনেৰে হাতত লৈ ওলাল হি।

গোৰাই ক'লে,—"বিনয়, তোমাৰ দৰ্শনত যাত্ৰা শুভ হব নে অশুভ হব, এইবাৰ তাৰ প্ৰমাণ হব।"

বিনয়ে সুধিলে,—"ক'ৰবালৈ যোৱা নে কি?"

গোৰাই ক'লে,—"ওঁ।"

বিনয়ে সুধিলে,—"কলৈ?"

গোৰাই ক'লে,—"প্ৰতিধ্বনিয়ে উত্তৰ দিলে 'কলৈ?"

বিনয়,—প্ৰতিধ্বনিতকৈ আৰু ভাল উত্তৰ নাই নে কি?

গোৰা,—ওঁহো নাই। তুমি আইৰ কাষলৈ যোৱাঁ। সকলো শুনিবা। মই যাওঁ।

এই বুলি সি বেগাই গুচি গ'ল গৈ।

বিনয়ে ভিতৰলৈ সোমাই আহি আনন্দময়ীক সেৱা কৰি তেখেতৰ ভৰিৰ ওচৰত গোলাপ ফুল টো থলে।

আনন্দময়ীয়ে ফুল দুটা তুলি লৈ সুধিলে, "এয়া ক'ৰপৰা আনিলি বিনয়?"

বিনয়ে পোনপটীয়াকৈ উত্তৰ নিদি ক'লে, "ভাল বস্তু পালেই প্ৰথমতে আইৰ পূজাত উচৰ্গা কৰি লবলৈ মন যায়।"

তাৰ পিচত আনন্দময়ীৰ বিছনাত বহি বিনয়ে ক'লে, "আই আজি দেখোন তুমি বৰ অন্যমনস্ক হৈ আছা?"

আনন্দময়ীয়ে ক'লে,—"কিয়? মোক নো কি অন্যমনস্ক হৈ থকা দেখিলা?"

বিনয়ে ক'লে,—"আজি দেখোন তুমি মোক মোৰ ভাগৰ তামোলখন দিবলৈকে পাহৰি গৈছা।"

আনন্দময়ীয়ে লাজ পাই বিনয়ক তামোল আনি দিলেহি।

তাৰ পিচত গোটেই দুপৰীয়াটো দুয়ো কথা-বতৰা পাতি কটালে। গোৰাৰ নিৰুদ্দেশ ভ্ৰমণৰ বিষয়ে বিনয়ে একো সঠিক খবৰ দিব নোৱাৰিলে।

আনন্দময়ীয়ে কথাই কথাই সুধিলে,—"কালি হব পাই গোৰাক তুমি পৰেশ ভট্টইঁতৰ ঘৰলৈ লৈ গৈছিলা?"

বিনয়ে যোৱা কালিৰ গোটেইবোৰ কথা বহলাই ক'লে। আনন্দময়ীয়ে প্ৰত্যেকটো কথা মনযোগেৰে শুনিলে।

যাবৰ পৰত বিনয়ে ক'লে, "আই, পূজা তো শেষ হ'ল। এইবাৰ তোমাৰ চৰণৰ নিৰ্ম্মালি ফুল দুটি শিৰত লৈ যাব পাৰোঁনে?"

আনন্দময়ীয়ে হাঁহি হাঁহি গোলাপফুল দুটা বিনয়ৰ হাতত দিলে। এই গোলাপ ফুল দুটা একমাত্ৰ সৌন্দৰ্য্যৰ বাবেই যে ইমান আদৰ পোৱা নাই, এই কথা তেখেতে বুজিলে। উদ্ভিদ্‌তত্ত্বয়ো চুকি নোপোৱা আৰু দ গভীৰ তত্ত্ব ইয়াৰ মাজত নিশ্চয় লুকাই আছে।

আবেলি বিনয় গুচি যোৱাৰ পিচত নানান ধৰণৰ ভাবে তেখেতৰ মনত জুমুৰি দি ধৰিলেহি। গোৰা যেন কেতিয়াও অসুখী নহয় আৰু বিনয়ৰ লগত যেন তাৰ কোনো কাৰণতে বিচ্ছেদ নঘটে—এই বুলি তেখেতে বাৰে বাৰে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

২২

গোলাপ ফুলৰ অকণমান ইতিহাস আছে !

যোৱা ৰাতি গোৰাই তো পৰেশ ভট্টাচাৰ্য্যৰ ঘৰৰপৰা গুচিয়েই আহিল—বিনয়ে হলে ইমান সহজে গুচি আহিব নোৱাৰিলে। বৰচাহাবৰ ঘৰত হবলগীয়া অভিনয়ত যোগ দিয়া নিদিয়া লৈ সি যথেষ্ট কষ্ট পাবলগীয়া হৈছিল।

এই অভিনয়খনলৈ ললিতাৰ বৰ বেচি একো উৎসাহ নাছিল; বৰলৈ গ'লে তাই এইবোৰ ভালেই নেপাইছিল। কিন্তু বিনয়ক কোনো রকমে এই অভিনয়খনত নমাবলৈ তাইৰ মনত এটা জেদ্ উপজিল।

গোৰাৰ মতবিৰুদ্ধ কামবোৰ বিনয়ৰ হতুৱাই যেনে তেনে কৰোৱাই লব পাৰিলেহে যেন তাই শান্তি পাব। বিনয়ে গোৰাক মানি চলাটো ললিতাই যে কিয় সহিব নোৱাৰিছিল, সেইটো তাই নিজেই বুজি নেপাইছিল। যেনে তেনে আটাইবোৰ বান্ধোন ছিঙি বিনয়ক স্বাধীন কৰি দিব পাৰিলেই যেন তাই ডাঙৰ বিপদ এটাৰপৰা সাৰি যায়।

ললিতাই মূৰ জোকাৰি সুধিলে,—"কিয় চেটাৰ্জ্জীদেউ, অভিনয় কৰাটো দোষৰ কথা নে কি ?"

বিনয়ে ক'লে,—"অভিনয় কৰাটো দোষৰ কথা নহব পাৰে, কিন্তু বৰচাহাবৰ ঘৰলৈ অভিনয় কৰিবলৈ যোৱাটোহে মোৰ ভাল লগা নাই।"

ললিতা,—আপুনি নিজৰ মনৰ কথা কৈছে, নে আন কাৰোবাৰ মনৰ কথা কৈছে ?

বিনয়,—আন কাৰোবাৰ মনৰ কথা কবলৈ মোক ভাৰ দিয়া হোৱা নাই—আনৰ মনৰ কথা কোৱাও সহজ কথা নহয়। আপুনি ক'লে হয়তো বিশ্বাসেই নকৰিব—মই কিন্তু সদায় নিজৰ মনৰ কথাই কওঁ,—কেতিয়াবা নিজৰ ভাষাত, কেতিয়াবা আনৰ ভাষাত।

ললিতাই একো উত্তৰ নিদি এবাৰ মিচিকিয়াই হাঁহিলে মাথোন। অলপ পৰ পিচত তাই ক'লে,—"আপোনাৰ বন্ধু গৌৰমোহনে বোধ কৰোঁ বৰচাহাবৰ নিমন্ত্ৰণ অগ্ৰাহ্য কৰাটোক বৰ কিবা এটা ডাঙৰ বীৰত্বৰ কাম বুলি ভাবে। আৰু ইয়াকে কৰিব পাৰিলেই ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰাৰ দৰে হয় বুলি তেখেতে নিশ্চয় ভাবে।"

বিনয়ৰ মুখ ৰঙা পৰি উঠিল। সি উত্তেজিত হৈ ক'লে,—"মোৰ বন্ধুৱে মোক বুজি নেভাবিব পাৰে—কিন্তু মই হলে ভাবোঁ। বুদ্ধ নহয়নো কি? যিবোৰ মানুহে আমাক কেৱাহিকৈয়ে নেচায়, আমাক কেঞা আঙুলি টেঁৱালেই আমি কৃতাৰ্থ হৈ যাওঁ বুলি ভাবে, সেইবোৰ মানুহৰ এই উপেক্ষাৰ লগত—আমিও উপেক্ষাৰে যুঁজ নকৰিলে আমি আমাৰ আত্ম-সম্মান ৰাখিম কেনেকৈ?"

ললিতা নিজে অভিমানী স্বভাৱৰ ছোৱালী। বিনয়ৰ মুখৰ এই অভিমান সনা কথাবোৰ তাইৰ ভালেই লাগিল। কিন্তু বিনয়ৰ কথাবোৰৰপৰা তাইৰ নিজৰ যুক্তিবোৰ দুৰ্ব্বল হৈ পৰা যেন অনুমান কৰি তাই কথাই কথাই বিদ্রূপ কৰি কৰি বিনয়ক থকা-সৰকা কৰিবলৈ ধৰিলে।

অৱশেষত বিনয়ে ক'লে,—"চাওক, আপুনি মিছাকৈ তৰ্ক কৰিছে কিয়? 'মোৰ ইচ্ছা আপুনি অভিনয়ত যোগ দিয়ক' বুলি আপুনি ফুটাই নকয় কিয়? তেতিয়া হলে আপোনাৰ অনুৰোধ ৰক্ষা কৰিবৰ বাবে ময়ো নিজৰ মত এৰি দি এটা সুখ পালোহেঁতেন।"

ললিতাই ক'লে,—"ঔ আই! সেইদৰে মই কিয় কম? আপোনাৰ সঁচাকৈয়ে কিবা মত থাকিলে মোৰ অনুৰোধত আকৌ সেইটো ত্যাগ কৰিব কিয়? কিন্তু মতটো সঁচাকৈয়ে আপোনাৰ নিজৰ হোৱা উচিত।"

বিনয়ে ক'লে,—"আপোনাৰ কথাই বাৰু ঠিক বুলি মানি লওঁ। মোৰ বাৰু সঁচাকৈয়ে নিজৰ মত নাই। আপোনাৰ অনুৰোধৰ বাবে নহয়, আপোনাৰ লগত তৰ্কত হাৰিয়েই মই অভিনয়ত যোগ দিবলৈ ৰাজী হলোঁ।"

এনেতে বৰদাসুন্দৰী আহি কোঠাটোত সোমালহি। বিনয়ে তেখেতৰ কাষলৈ উঠি গৈ ক'লে,—"অভিনয় কৰিবলৈ হ'লে কি কি কৰিব লাগিব—মোক শিকাই দিব দেই।"

বৰদাসুন্দৰীয়ে গৰ্ব্বেৰে সৈতে ক'লে,—"সেইবোৰ আপুনি একো ভাবিব নেলাগে। মই আপোনাক শিকাই-পঢ়াই ঠিক কৰি লম। মাথোন অভ্যাস কৰিবৰ বাবে আপুনি সদায় নিয়মীয়াকৈ আহিব লাগিব।"

বিনয়ে ক'লে,—"আহিম বাৰু। আজিলৈ তেনেহলে মই যাওঁ আৰু।"

বৰদাসুন্দৰীয়ে ক'লে,—"ইঃ কিয়? আপুনি ইয়াত ভাত খাই যাব লাগিব।"

বিনয়ে ক'লে,—"আজি নেখাওঁ দিয়ক।"

বৰদাসুন্দৰীয়ে ক'লে,—"নাই, নাই, সেইটো হবই নোৱাৰে।"

বিনয়ে ভাত খালে যদিও সেইদিনা সি আন দিনাৰ দৰে হাঁহি-মাতি ধেমালি-ধুমুলা কৰিব নোৱাৰিলে। সুচৰিতায়ো কিবা অন্যমনস্ক হৈ

মনে মনে থাকিল। ললিতাৰ লগত বিনয়ৰ কথাৰে ভুল-বুজাবুজৰ কাৰণে থাকোঁতে সুচৰিতাই বাৰাণ্ডাত অকলে অকলে ঘূৰা-পকা কৰি আছিল। সেইদিনা ৰাতি কথা-বতৰা আৰু বিশেষ নজমিল।

যাবৰ পৰত বিনয়ে ললিতাৰ গহীন মুখখনলৈ চাই, ক'লে,—"মই হাৰি গ'লোঁ, তথাপিও আপোনাৰ মন ভাল লগাব নোৱাৰিলোঁ।"

ললিতাই একো উত্তৰ নিদি গুচি গ'ল গৈ।

ললিতাই অলপতে নেকান্দে, কিন্তু আজি যেন তাইৰ চকুৰ পানীয়ে বাধা মানিব খোজা নাছিল। তাইৰ আজি কি হ'ল? কিয় তাই আজি বিনয়ক বাৰে বাৰে আঘাত কৰি নিজেও এইদৰে দুখ পাইছে?

বিনয়ে অভিনয়ত যোগ দিবলৈ ৰাজী নোহোৱালৈকে ললিতাৰ জেদ্ ক্ৰমে ক্ৰমে বাঢ়িহে গৈছিল, কিন্তু সি ৰাজী হোৱা মাত্ৰকে তাইৰ সকলো উৎসাহ শাঁতৰি গ'ল। অভিনয়ত যোগ নিদিয়াটোহে বেচি ভাল কথা বুলি তাইৰ মনটোৱে যেন চিঞৰি চিঞৰি ক'লে। তাইৰ মনটোৱে যেন বেজাৰ পাই কবলৈ ধৰিলে, 'মাথোন মোৰ অনুৰোধ ৰাখিবৰ বাবেই চেটাৰ্জী দেউ এইদৰে ৰাজী হোৱাটো উচিত হোৱা নাই।' অনুৰোধ। অনুৰোধ কিয় ৰাখিব? অনুৰোধ ৰাখি তেখেতে মোৰ লগত ভদ্ৰতা কৰা বুলি ভাবিছে। তেখেতৰ এই ভদ্ৰতাখিনি পাবৰ বাবেই মোৰ যেন মৰৰ বিষত তত্ নোহোৱা হৈছে।

কিন্তু এতিয়া এনেকৈ শ্ৰদ্ধা দেখুৱালে কিনো হব? তাই চোন বিনয়ক অভিনয়ত যোগ দিয়াবৰ বাবে অনবৰত লাগিয়েই আছিল। এতিয়া বিনয়ে ভদ্ৰতা দেখুৱাই তাইৰ জেদৰ অনুৰোধ ৰাখিছে বুলি খং কৰিলে জো নহব। এই ঘটনাটোৰ বাবে ললিতাৰ নিজৰ ওপৰত ভীষণ খিণ লাগিল আৰু তাই বৰ লাজো পালে। কথাটো কিন্তু ইমান বেচি খিণ বা লাজ পাবলগীয়া একো নহয়। আন দিনা তাইৰ মনটোত এইদৰে খেলি-মেলি লগা হলে অত পৰে তাই সুচৰিতাৰ কাষ পালেগৈহেঁতেন। আজি কিন্তু তাই নগ'ল। তাইৰ বুকু ভাঙি কিয় যে এইদৰে ধাৰাসাৰে চকুলো বৰলৈ ধৰিলে, তাই নিজেই একো বুজিব নোৱাৰিলে।

পিচ দিনা পুৱা সুধীৰে লাৱণ্যক এথোপা ফুল আনি দিলেহি। সেই ফুল থোপাৰ এডাল ঠাৰিত দুটা আধাফুলা বচোৰা গোলাপ আছিল। ললিতাই সেই ফুল দুটা তাৰপৰা উলিয়াই ললে।

লাৱণ্যই ক'লে,—"এই, কিয় উলিয়াই ল'লি?"

ললিতাই ক'লে,—"বহুতো বাৰেবাৰুৰা ফুলৰ লগত ভাল ফুল বান্ধি

খোৱাটো মই ভাল নেপাওঁ। এইদৰে সকলো বস্তুকে একেভাল জবীৰে বান্ধি খোৱাটো বৰ্ব্বৰতা।"

এই বুলি তাই গোটেইবোৰ ফুলৰ বাছটো খুলি অ'ত ত'ত বেলেগে বেলেগে সজাই থলে। মাথোন গোলাপ ফুল দুটা তাই লৈ গ'ল গৈ।

এনেতে সতীশে ন'বি আহি সুধিলেহি,—"বাইদেউ, ফুল ক'ত পালা?"

ললিতাই তাৰ প্ৰশ্নৰ উত্তৰ নিদি ক'লে,—"আজি তোৰ বন্ধুৰ ঘৰলৈ নেযাৱ নে কি?"

অত পৰে বিনয়ৰ কথা সতীশৰ মনতেই নাছিল। এতিয়া বিনয়ৰ নাম শুনা মাত্ৰকে সি জপিয়াই উঠি ক'লে,—"ওঁ, যাম।" এই বুলি তাৰ তেতিয়াই যাবলৈ তত্ নোহোৱা হ'ল।

ললিতাই তাক সুধিলে,—"তালৈ গৈনো কি কৰগৈ?"

সতীশে চমুকৈ ক'লে,—"গল্প কৰোঁ।"

ললিতাই ক'লে,—"তেখেতে তোক ইমানবোৰ ছবি দিছে, তই তেখেতক একো নিদিয় কিয়?"

বিনয়ে ইংৰাজী কাগজ আদিৰপৰা নানান ধৰণৰ ছবি কাটি সতীশক দিছিল। সতীশে সেই ছবিবোৰ এখন বহীত আঠাৰে লগাই থৈছিল। এইদৰে বহীখন পুৰাই পেলাবলৈ তাৰ ইমান বেচি বাগী লাগিছিল যে ভাল পুথি দেখিলেই ছবিবোৰ কাটি লবলৈ তাৰ মনটো উচ্‌পিচাই উঠিছিল। ইয়াৰ বাবে অৱশ্যে সি বায়েকহঁতৰপৰা যথেষ্ট গালি-শপনিও খাবলগীয়া হৈছে।

সংসাৰত দানৰ প্ৰতিদান বুলি এটা কথা আছে। সেই কথাটোৱে হঠাতে সতীশৰ আগত আজি এইদৰে উপস্থিত হোৱাত তাৰ বাক্‌কৈয়ে চিন্তা লাগিল। ভঙা টিনৰ পেৰাটোত তাৰ নিজৰ বুলিবলৈ যিবোৰ সম্পত্তি গোট খাইছে তাৰ এটাবোচোন সি মোহ এৰিব নোৱাৰে। সতীশৰ উদ্‌বিগ্ন মুখখন দেখি ললিতাই হাঁহি হাঁহি তাৰ গাল দুখন টিপি দি ক'লে "হব দে, তই আৰু ইমান ভাবিব নেলাগে। এই ফুল দুটাকে তেখেতক দি দিবি বাৰু।"

ইমান সহজে ইমান ডাঙৰ এটা লেঠাৰ সমাধান হৈ যোৱা দেখি সতীশ আনন্দত নাচি উঠিল। ফুল দুটা লৈ তেতিয়াই সি বন্ধুৰ ধাৰ ভজিবৰ বাবে লৰ মাৰিলে।

আলি বাটলৈ ওলাই আহিয়েই দূৰৈত সি বিনয়ক দেখা পালে

দূৰৈৰপৰাই সি 'বিনয় ককাইদেউ, বিনয় ককাইদেউ' বুলি চিঞৰি চিঞৰি লৰি আহি বিনয়ৰ কাষ পালেহি। কাপোৰৰ আঁৰত ফুল দুটা লুকুৱাই থৈ সি বিনয়ক সুধিলে,—"আপোনালৈ কি আনিছো কওকচোন'।"

বিনয়ে কব নোৱাৰা দেখি সি ফুল দুটা উলিয়াই দিলে। বিনয়ে কলে,—"বাঃ ইমান ধুনীয়া"। কিন্তু সতীশ ডাঙৰীয়া, এইটো তো তোমাৰ নিজৰ বস্তু নহয়। চুৰি মাল লৈ শেষত পুলিচৰ হাতত পৰিবা চাবা আকৌ।"

এই ফুল দুটাক নিজৰ বুলি কব পাৰি নে নোৱাৰি এই বিষয়ে সতীশৰ অলপ খোকোজা লাগিল। সি অলপ পৰ ভাবি কলে,—"ইঃ ললিতা বাইদেৱে দেখোন ফুল দুটা মোক আপোনাক দিবলৈ দিছিল।"

এই কথাটোৰ ইমানতে ওৰ পৰিল। আবেলি সিহঁতৰ ঘৰলৈ যাব বুলি কৈ বিনয়ে সতীশক বিদায় দিলে।

যোৱা ৰাতি ললিতাৰ বিন্ধি যোৱা কথাবোৰৰ আঘাত বিনয়ে কোনো-মতেই পাহৰিব পৰা নাছিল। বিনয়ৰ লগত সাধাৰণতে কাৰো কাজিয়া পেচাল নেলাগে আৰু সেই কাৰণেই কাৰোপৰা কেতিয়াও সি এনেকুৱা চোকা আঘাতো আশঙ্কা নকৰে। ইয়াৰ আগতে ললিতাক বিনয়ে সুচৰিতাৰ আঁৰতহে সদায় দেখি আহিছিল। কিন্তু মাউতৰ খোচ খোৱা হাতীয়ে যি দৰে মাউতক নেপাহৰে আজি কিছুদিনৰপৰা ললিতাৰ বিষয়েও বিনয়ৰ ঠিক সেই দশাই হৈছে। কেনেকৈনো ললিতাৰ মন অলপ ভাল কৰাব পাৰিব বা তাইৰ মনত কিছু শান্তি দিব পাৰিব, এই চিন্তাটোৱেই বিনয়ৰ এতিয়া প্ৰধান চিন্তা হৈ পৰিছে। সন্ধিয়া ঘৰলৈ উভতি অহাৰ পাচত ললিতাৰ বিদ্রূপপূৰ্ণ চোকা চোকা কথাবোৰ এটা এটাকৈ অনবৰত তাৰ কাণত বাজি থাকে। সহজতে তাৰ টোপনিয়েই আহিব নোখোজে। 'মই গোৰাৰ ছাঁয়াৰ দৰে, মোৰ নিজৰ বুলিবলৈ একো পদাৰ্থই নাই' —ললিতাই এই বুলি মোক অৱজ্ঞা কৰে। কিন্তু কথাটো একেবাৰে মিছা। ইয়াৰ বিৰুদ্ধে সি নানান্ ধৰণৰ যুক্তি ভাবি ভাবি উলিয়ায়। কিন্তু এই-বোৰ যুক্তি তাৰ একো কামতে নাহে। কিয়নো ললিতাই কেতিয়াও দেখাদেখিকৈ তাৰ বিৰুদ্ধে কোনো অভিযোগ নানে, এইবোৰৰ বিষয়ে তৰ্ক কৰিবলৈকো তাক অকণো সুবোধকে নিদিয়ে। বিনয়ৰ মনৰ ভোখাই উত্তৰ দিবলৈ ঢেৰ কথা গোট খাইছিল, কিন্তু সেই কথাবোৰ কব নোৱাৰি তাৰ খং আৰু বেচিহে উঠিছিল। অৱশেষত যোৱা নিশা হাৰ মানিও ললিতাৰ মুখলৈ হাঁহি আনিব নোৱাৰি ঘৰলৈ উভতি আহি তাৰ মনটো

ৰব বেয়া লাগিল। সি নিজে নিজেই ভাবিবলৈ ধৰিলে, মইনো গঁচা-কৈয়ে ইমান অৱজ্ঞাৰ পাত্ৰ নে ?

সেই বাবেই সতীশৰ মুখৰপৰা ললিতাই তালৈ সতীশৰ হাতত গোলাপ ফুল পঠিয়াই দিয়া বুলি শুনি তাৰ মনটো আনন্দত নাচি উঠিল। সি অভিনয়ত যোগ দিবলৈ মান্তি হোৱা দেখি ললিতাই ভাল পাই সন্ধি কৰাৰ চিন্ স্বৰূপে গোলাপ দুটা তালৈ পঠিয়াই দিয়া বুলি সি বুজিলে। প্ৰথমতে সি ভাবিলে ফুল দুটা ঘৰত থৈ আহোঁগৈ। তাৰ পিচতে ভাবিলে, উঁহো, এই মিতালিৰ ফুল দুটা প্ৰথমতে আইৰ চৰণত দি পৱিত্ৰ কৰি আনোগৈ।

সেইদিনা আবেলি বিনয় পৰেশ ভট্টাচাৰ্যৰ ঘৰলৈ যাওঁতে সতীশে ললিতাৰ ওচৰত স্কুলৰ পঢ়া শিকি আছিল। বিনয়ে ললিতাক ক'লে,—"যুদ্ধৰ ৰঙহে ৰঙা, সন্ধিৰ ফুল বগা হোৱা উচিত আছিল।"

ললিতাই কথাটো বুজিব নোৱাৰি বিনয়ৰ মুখলৈ চাই থাকিল। বিনয়ে তেতিয়া তাৰ কাপোৰৰ আঁৰৰপৰা এথোপা বগা কৰবীৰ ফুল উলিয়াই ললিতাৰ সন্মুখত ধৰি ক'লে,—"আপোনাৰ ফুল দুটা অতি সুন্দৰ, কিন্তু তথাপিও তাত খঙৰ ৰং খিনি আছে। মোৰ এই ফুল থোপা সৌন্দৰ্য্যত আপোনাৰ ফুলৰ ওচৰত থিয় হবই নোৱাৰে। কিন্তু মোৰ ফুল থোপাই গাত শান্তিৰ শুভ্ৰ বোলৰ নম্ৰতা সানি আপোনাৰ আগত উপস্থিত হৈছেহি।"

ললিতাৰ কাণ-মূৰ ৰঙা পৰি গ'ল। তাই ক'লে,—"মোৰ ফুল বুলি আপুনি কিহক কৈছে ?"

বিনয়ে অলপ অপ্ৰস্তুত হৈ কলে,—"এ, তেনেহলে মোৰ ভুলহে হৈছে হব পায়। সতীশে কাৰ ফুলনো কাক দিয়ে ?"

সতীশে চিঞৰ মাৰি কলে,—"বাঃ, ললিতা বাইদেৱেই দেখোন মোক দিবলৈ কৈছিল।"

বিনয়—কাক দিবলৈ কৈছিল ?

সতীশ—আপোনাক।

ললিতাই ৰঙা-চঙা পৰি সতীশৰ পিঠিত এক থাপৰ শোধাই কলে, "তোৰ দৰে গাধ এটা মই আৰু ক'তো দেখা নাই। চেটাৰ্জী দেৱে তোক দিয়া ছবিবোৰৰ সলনি তই তেখেতক ফুল দিবলৈ খোজা নাছিলি নে ?"

সতীশে হতবুদ্ধি হৈ কলে,—"ওঁ, সেইটো তো গঁচা কথা। কিন্তু প্ৰথমতে তুমি জানো মোক দিবলৈ কোৱা নাছিলা ?"

সতীশৰ লগত ল্যাগিবলৈ গৈ ললিতা আৰু বেচিকৈহে পাকত পৰিল।

ফুল দুটা ললিতাৰে দিয়া বুলি বিনয়ে ভালদৰেই বুজি পালে। কিন্তু কামটো বেনামীকৈ কৰাই তাইৰ উদ্দেশ্য আছিল।

বিনয়ে ক'লে,—"আপোনাৰ ফুলৰ দাবী মই বাক এবিয়েই দিছোঁ। কিন্তু সেইবুলি মোৰ ফুল কেইটাৰ একো দোষ নাই। আমাৰ কাজিয়া-পেচালৰ সামৰণি পৰাৰ শুভ চিন স্বৰূপে এই ফুল কেইটা—"

ললিতাই মূৰ জোকাৰি ক'লে,—"আমাৰনো কাজিয়া-পেচাল কেতিয়া লাগিল? আৰু তাৰ ওবেই বা কেতিয়া পৰিল?"

বিনয়ে ক'লে,—"একেবাৰে আগৰপৰা শেষলৈকে সকলোবোৰ মাথোন মায়াহে নে কি? কাজিয়াও মিছা, ফুলো সেয়ে, সামৰণিও মিছা? মাথো পিতলক সোণ বুলি ভুল কৰাই নহয়, পিতলো ভুল? আৰু সেই যে বৰচাহাবৰ ঘৰত কিবা এখন থিয়েটাৰ হোৱাৰ কথা আছিল সেইখন এক।?"

ললিতাই ক'লে,—"সেইখন ভ্ৰম নহয়। কিন্তু তাৰ বাবে কাজিয়া কৰিবলৈ আকৌ কিটো হৈছে? আপোনাক মান্তি কৰাবৰ বাবে মই এখন ডাঙৰকৈয়ে যুদ্ধ আৰম্ভ কৰি দিছোঁ বুলি আৰু আপুনি সন্মত হোৱাত মই একেবাৰে কৃতাৰ্থ হৈ গৈছোঁ বুলি আপুনি কিয় ভাবিছে? আপুনি অভিনয় কৰাটো অন্যায় বুলি ভাবে যদি আনৰ কথা শুনি কিয় আকৌ মিছাতে অভিনয় কৰিবলৈ যাব?"

এই বুলি কৈয়েই ললিতা কোঠাটোৰপৰা ওলাই গ'ল। কথাটোচোন হিতে বিপৰীত হে হ'ল। আজি আকৌ ললিতাই ভাবি আছিল যে বিনয় আহিলেই তাই আজি নিজৰ দোষ স্বীকাৰ কৰিব আৰু তাক অভিনয়ত যোগ নিদিবলৈহে অনুৰোধ কৰিব। কিন্তু কথাটো কিবা ধৰণে ওলাই কিবাকৈ শেষ হ'ল গৈ। ক'ৰবাৰ পানী ক'ৰবাত হে পৰিল গৈ। বিনয়ে অভিনয় কৰিবলৈ আপত্তি কৰাৰ কাৰণে উঠা খঙেই ললিতাৰ মনৰপৰা এতিয়াও আঁতৰা নাই বুলি সি ভাবিলে। বিনয়ে মাথোন মুখেৰেহে হৰাই বুলি স্বীকাৰ কৰিছে, পেটে পেটে অকণোকে মানি লোৱা নাই বুলি ভাবিয়েই নিশ্চয় ললিতাৰ মনৰ খং দূৰ হোৱা নাই। এই ঘটনাটোৰ বাবে ললিতাই ইমান বেচিকৈ আঘাত পোৱা দেখি বিনয়ৰ বৰ বেজাৰ লাগিল। সি এই বিষয়ে ধেমালিতো আৰু কোনো কথা নুলিয়াবলৈ মনে মনে প্ৰতিজ্ঞা কৰিলে। অভিনয়ত তাৰ অংশখিনি সি খুব মনপুতি কৰিবলৈ স্থিৰ কৰিলে— যাতে আনে সি মনোযোগ দি কৰা নাই বুলি তাক দোষ দিব নোৱাৰে।

সুচৰিতাই আজি বাতিপুৱাবেপৰা নিজৰ শোৱা কোঠাত মনে মনে বহি "খৃষ্টৰ অনুকৰণ" নামৰ ইংৰাজী ধৰ্ম্ম-পুথি এখন পঢ়িবলৈ যত্ন কৰি আছিল। আজি তাই তাইৰ আন আন সদায় কৰা কামবোৰো একো কৰা নাই। মাজে মাজে তাইৰ মনটো পুথিৰপৰা আঁতৰি যায় আৰু লগে লগে পুথিৰপৰা আখৰবোৰ তাইৰ চকুৰ আগত অস্পষ্ট হৈ পৰে। আকৌ পিচ মুহূৰ্ত্ততে তাই নিজৰ ওপৰতে খং উঠি খুব বেচি মনোযোগেৰে পুথিখন পঢ়িবলৈ ধৰে। এইদৰে তাই কোনোমতেই হাৰ মানিব খোজা নাছিল।

এনেতে দুৱৰতে মাত শুনি তাই বিনয় অহা বুলি গম পালে। লগে লগে পুথিখন থৈ বাহিৰলৈ ওলাই যাবলৈ তাই অস্থিৰ হৈ পৰিল। নিজৰ এই অস্থিৰতা দেখি সুচৰিতাৰ নিজৰ ওপৰতে ভীষণ খং উঠিল। আৰু আকৌ তাই পুথিখন হাতত লৈ চকীত বহিল। কিবা কেনেবাকৈ শুনা পাই বুলি তাই দুই হাতেৰে কাণ দুখন ঢাকি ধৰি জোৰকৈ পুথিখন পঢ়িবলৈ যত্ন কৰিলে।

এনেতে ললিতা আহি তাইৰ কোঠাত সোমালহি। সুচৰিতাই ললিতাৰ মুখলৈ চাই সুধিলে,—"তোৰ কি হৈছে ললিতা?"

ললিতাই জোৰেৰে মূৰ জোকাৰি ক'লে,—"উঁহো, একো হোৱা নাই।"

সুচৰিতাই সুধিলে,—"ইমান পৰ ক'ত আছিলি?"

ললিতাই ক'লে,—"চেটাৰ্জ্জীদেউ আহিছে, তেখেতে বোধকৰোঁ তোমাৰ লগত কথা-বতৰা পাতিব খুজিছে।"

বিনয়ৰ লগত আৰু আন কোনোবা আহিছেনে নাই সুচৰিতাই আজি সুধিবকে নোৱাৰিলে। আন কোনোবা অহা হ'লে ললিতাই নিশ্চয় ক'লেহেঁতেন। কিন্তু তথাপিও তাইৰ মনটো নিসন্দেহ নহ'ল। তাই আৰু নিজকে দমাই ৰাখিবৰ যত্ন নকৰি ঘৰলৈ অহা অতিথিৰ প্ৰতি কৰ্ত্তব্যৰ কথা সুঁৱৰি বাহিৰৰ কোঠালৈ যাবলৈ ওলাল। তাই ললিতাক সুধিলে,— "তই নেযাৱ নে কি?"

ললিতাই অলপ অধৈৰ্য্য হৈ ক'লে,—"তুমি, যোৱাচোন, মই পিচত যাম।"

সুচৰিতাই বাহিৰলৈ ওলাই আহি বিনয়ে সতীশৰ লগত কথা পাতি থকা দেখা পালেহি।

সুচৰিতাই ক'লে,—"দেউতা ওলাই গৈছে, এতিয়াই আহিব। আৰেও

আপোনালোকৰ সেই থিয়েটাৰৰ কবিতা মুখস্থ কৰোৱাৰলৈ লাবণ্য আৰু লীলাক চাৰৰ তালৈ লৈ গৈছে। ললিতাজনী আকৌ নগ'ল। আৰু আপোনাক অলপ পৰ বহিবলৈ কৈ গৈছে। আপোনাৰ আজি পৰীক্ষা হব।"

বিনয়ে সুধিলে,—"আপুনি এইবোৰৰ মাজত নাই নে কি?"

সুচৰিতাই ক'লে,—"আটাইবোৰ অভিনেতা হ'লে দর্শক কোন হব?"

বৰদাসুন্দৰীয়ে সাধাৰণতে সুচৰিতাক এনেবোৰ কথাবপৰা যিমান পাৰে সিমান আঁতৰত ৰাখিব খোজে। সেই কাৰণেই এইবাৰো তাই বাদ পৰিছে।

আনদিনা এওঁলোক দুয়ো লগ লাগিলে কথাৰ অভাৱ নহয়। কিন্তু আজি দুয়োৰে মনত এনে এটা কেৰোণ আছিল যে তেনেকৈ কথা নোলাল। সুচৰিতাই গোৰাৰ বিষয়ে একো কথাকে নুলিয়াবলৈ বুলি প্ৰতিজ্ঞা কৰি আছিছিল। বিনয়েও আগৰদৰে সহজে গোৰাৰ কথা উলিয়াব নোৱাৰা হ'ল। তাক ললিতাই আৰু বোধকৰোঁ এইখন ঘৰৰ আন সকলোৱে গোৰাৰ এটা ক্ষুদ্ৰ উপগ্ৰহ বুলি ভাবে বুলি ভাবি সি গোৰাৰ কথা কবই নোৱাৰা হ'ল।

ইয়াৰ আগতে বহুবাৰ প্ৰথমে বিনয় আহে আৰু তাৰ পিচত গোৰা আহে—আজিও তেনেকুৱা হব পাৰে বুলি ভাবি সুচৰিতা একপ্ৰকাৰ অস্থিৰ হৈ থাকিল। গোৰা আহে বুলি তাইৰ ভয়ো লাগিছিল, আকৌ নাহে বুলি আশঙ্কাও হৈছিল।

বিনয়ৰ লগত সাধাৰণ দুই চাৰি আষাৰ কথা-বতৰা পাতি শেষত আৰু আন একো উপায় নেপাই সুচৰিতাই সতীশৰ ছবিৰ বহীখনকে লৈ তাৰ লগত সেইখনৰ বিষয়েই কথা পাতিবলৈ ধৰিলে। মাজে মাজে ছবিবোৰ লগোৱা ভুল হৈছে বুলি কৈ সতীশৰ খঙো তুলিলে। সতীশে খং উঠি ৰবকৈ চিঞৰি চিঞৰি তৰ্ক কৰিবলৈ ধৰিলে। আৰু ইফালে মেজৰ ওপৰত পৰি থকা সেই প্ৰত্যাখ্যাত কৰবী ফুল কেইটালৈ চাই অন্ততঃ ভদ্ৰতাৰ খাতিৰতো ললিতাই ফুল কেইটা লোৱা উচিত আছিল বুলি বিনয়ে বৰ লাজ আৰু খঙেৰে ভাবিবলৈ ধৰিলে।

হঠাতে ভৰিৰ খোজৰ শব্দ শুনি সুচৰিতাই চক্ খাই উভতি চাই হাৰান মাষ্টৰ কোঠাটোত সোমোৱা দেখা পালে। তাই সকলোৰে চকুত পৰাকৈ ইমান বেচিকৈ চক্ খাই উঠি লাজতে ৰঙা পৰি গ'ল। হাৰান মাষ্টৰে চকী এখনত বহি ক'লে,—"ক'তা, আপোনালোকৰ গৌৰমোহন ডাঙৰীয়া নাই অহা নে কি?"

বিনয়ে হাৰান মাষ্টৰৰ এনেকুৱা অবান্তৰ প্ৰশ্ন শুনি বিৰক্ত হৈ ক'লে,—"কিয়? তেওঁক আপোনাৰ কিবা দৰ্কাৰ আছে নে কি?"

হাৰাণে ক'লে,—"আপুনি আছে অথচ তেখেত নাই, সাধাৰণতে এনে ঘটনা নঘটে আকৌ। সেই কাৰণেই সুধিছোঁ।"

বিনয়ৰ পেটে পেটে বৰ খং উঠিল। কিন্তু তাৰ খং কেনেবাকৈ প্ৰকাশ হৈ যাব পাৰে বুলি কোনোৰকমে চমুকৈ ক'লে,—"তেওঁ কলিকতাত নাই।"

হাৰান,—অ' প্ৰচাৰ কৰিবলৈ গৈছে হব পাঁয়?

বিনয়ৰ খঙে মূৰৰ চুলি পালেগৈ। সি একো উত্তৰকে নিদিলে। সুচৰিতায়ো একোকে নকৈ লাহেকৈ উঠি গ'ল গৈ। হাৰানে লৰা-লৰিকৈ উঠি সুচৰিতাক খেদি গৈয়ো ধৰিব নোৱাৰিলে গৈ। তেওঁ দূৰৰ পৰাই চিঞৰি ক'লে,—"সুচৰিতা, শুনাচোন, তোমাক এটা কথা কবলগীয়া আছে।"

সুচৰিতাই ক'লে,—"মোৰ আজি গা ভাল নহয়।"

এই বুলি কৈয়েই তাই তাইৰ শোৱা কোঠাৰ দুৱাৰখন জপাই দিলে।

এনেতে বৰদাসুন্দৰী আহি থিয়েটাৰৰ আখৰা কৰিবলৈ বিনয়ক আন এটা কোঠালৈ মাতি লৈ গ'ল। ইয়াৰ অলপ পিচতে সেই কোঠাৰ মেজৰ ওপৰত থকা ৰঙা কৰবীৰ থোপাটো নিমিষতে অন্তৰ্দ্ধান হ'ল। সেইদিনা নিশা ললিতাও বৰদাসুন্দৰীৰ আখৰালৈ নগ'ল। সুচৰিতায়ো 'খৃষ্টৰ অনুকৰণ' নামৰ পুথিখন কোলাত লৈ কোঠাৰ চাকিটো একোণত আঁৰ কৰি থৈ বহু নিশালৈকে দুৱাৰৰ বাহিৰৰ এন্ধাৰ বাতিলৈ চাই বহি থাকিল। তাইৰ সমুখত যেন এখন অচিনাকি অপূৰ্ব্ব দেশে মৰীচিকাৰ দৰে দেখা দিছিল। জীৱনৰ আজি দিনৰ চিনা-জনা দেশখনৰ লগত সেই দেশখনৰ যেন ক'ৰবাত এটা প্ৰভেদ আছে। সেই বাবেই সেই নিশা খিড়িকীয়েদি দেখা পোৱা চাকিবোৰে আন্ধাৰ নিশাৰ নক্ষত্ৰমালাৰ দৰে কিবা এটা সুদূৰতাৰ ৰহস্যেৰে তাইৰ মনটোক যেন শঙ্কিত কৰি তুলিছিল। অথচ তাইৰ মনলৈ ভাব আহিছে,—জীৱনটো মোৰ অতি তুচ্ছ, ইমান দিনে সঁচা বুলি ভাবি অহা বস্তবোৰ মুঠেই সঁচা নহয়, অতি সন্দেহপূৰ্ণহে। মায়ায় কৰি অহা কামবোৰো একেবাৰে অৰ্থহীন—সেইখন ৰহস্যপূৰ্ণ দেশত হে কিজানি জ্ঞান সম্পূৰ্ণ হব, কৰ্ম্ম মহৎ হৈ উঠিব আৰু জীৱনো সাৰ্থক হব। এই অপূৰ্ব্ব অচিনাকি ভয়ঙ্কৰ দেশৰ অজ্ঞাত সিংহদ্বাৰৰ সমুখত কোনে মোক থিয় কৰাই দিলে? মোৰ অন্তৰ আজি এইদৰে কিয় কঁপি উঠিছে? মোৰ ভৰি দুখন আগুৱাবলৈ গৈয়ো কিয় আকৌ এইদৰে জঠৰ হৈ পৰিছে?"

খিয়েটাৰৰ আখৰা চিনৈল বিনয় সদায় আহে। সি আহিলেই সুচৰিতাই তালৈ এবাৰ মুখ দাঙি চাই লাহেকৈ আকৌ তাইৰ হাতত থকা পুথিখনত মন দিয়ে নতুবা তাইৰ কোঠালৈ উঠি যায়গৈ। বিনয় অকলে অভাব অসম্পূৰ্ণতাই সদায় তাইক বেজাৰ দিয়ে, কিন্তু তাই কেতিয়াও এই বিষয়ে একোকে নোসোধে। অথচ দিনৰ পিচত দিন এইদৰে পাৰ হৈ যোৱাৰ লগে লগে সুচৰিতাৰ মনত গোৰাৰ বিৰুদ্ধে এটা অভিযোগ দিনে দিনে বাঢ়ি আহিছিল। শেষৰ দিনা যেন গোৰাই আকৌ আহিব বুলি কথাহে দি গৈছিল।

গোৰাই একেবাৰে অকাৰণতে কিছুদিনৰ কাৰণে ক'ৰবালৈ ওলাই গৈছে আৰু কলৈ গৈছে তাৰো একো ঠিকনা নাই বুলি শুনি প্ৰথমতে সুচৰিতাই কথাটো একেবাৰে সামান্য কথা বুলি উৰুৱাই দিব খুজিলে। কিন্তু কথাটো তাইৰ মনত খচ্‌খচাই থাকিল। কিবা কাম কৰি থাকোতেও হঠাতে এই কথাটো তাইৰ মনত পৰে আৰু নিজে কব নোৱাৰাকৈয়ে তাই অন্যমনস্ক হৈ পৰে। আকৌ হঠাতে তাই এই কথাটোকে ভাবি থকা বুলি নিজেই আৱিষ্কাৰ কৰে।

গোৰাৰ লগত সিদিনা ইমান কথা-বতৰা পতাৰ পিচত সি হঠাতে অন্তৰ্দ্ধ্যান হব বুলি সুচৰিতাই সমূলি আশা কৰা নাছিল। গোৰাৰ মতৰ লগত নিজৰ সংস্কাৰৰ ইমান বেচি পাৰ্থক্য থকা সত্বেও সেইদিনা তাইৰ অন্তৰত অকণোকে বিদ্ৰোহৰ পছোৱা বতাহ বলা নাছিল। সেইদিনা তাই গোৰাৰ মতবোৰ স্ফুটকটীয়াকৈ বুজিছিলে নে নাই কব নোৱাৰি; কিন্তু গোৰা মানুহটোক যেন তাই কিবা এক ধৰণে বুজিব পাৰিছিল। গোৰাৰ মত যিয়েই নহওক লাগে, সেই মতে যে মানুহটোক ক্ষুদ্ৰ কৰা নাই, অৱজ্ঞাৰ পাত্ৰ কৰা নাই, বৰঞ্চ তাৰ অন্তৰৰ শক্তিকে চকুত পৰা কৰি তুলিছে— এইবুলি তাই সেইদিনা ভালকৈয়ে বুজিব পাৰিছিল। সেই একেবোৰ কথা আন কাৰোবাৰ মুখত তাই কেতিয়াও সহিব নোৱাৰিলেহেঁতেন, খং উঠিল হেঁতেন, সেই মানুহটোক মূৰ্খ বুলি ভাবিলেহেঁতেন আৰু তাক ভালকৈ এটা শিক্ষা দি শুধৰাই দিবলৈ মনটো চট্‌ফটাই উঠিলহেঁতেন। কিন্তু সেইদিনা গোৰাৰ কথাবোৰ শুনি তাইৰ এইবোৰ ভাব মনলৈকে নাহিল। গোৰাৰ চৰিত্ৰৰ লগত, তাৰ বুদ্ধিৰ তীক্ষ্ণতাৰ লগত, তাৰ নিগূঢ় বিশ্বাসৰ

দৃঢ়তাৰ লগত আৰু তাৰ মেঘমন্দ্ৰ কণ্ঠস্বৰৰ মৰ্মভেদী প্ৰবলতাৰ লগত তাৰ কথা-বোৰ মিহলি হৈ পৰি এটি যেন সজীৱ আৰু সত্য আকাৰ হে ধাৰণ কৰিছিল। এই মতবোৰ সুচৰিতাই গ্ৰহণ নকৰিব পাৰে, কিন্তু আন কোনোবাই যদি এই মতবোৰ এইদৰে সকলো বুদ্ধি-বিশ্বাস আৰু গোটেই জীৱন দি গ্ৰহণ কৰে, তেনেহলে তেওঁক হাঁহিব বা উপলুঙা কৰিব নোৱাৰি। আন কি সংস্কাৰে বাধা দিলেও তেনে ব্যক্তিক শ্ৰদ্ধা কৰিবহে পাৰি—এই বুলিয়েই সেইদিনা সুচৰিতাই ভাবিছিল। মনৰ এনে এটা অৱস্থা সুচৰিতাৰ বাবে একেবাৰে নতুন। মতৰ অমিল হলে সুচৰিতাই একেবাৰে সহিব নোৱাৰিছিল। পৰেশ ভট্টৰ নিৰ্লিপ্ত সমাহিত শান্ত জীৱনৰ আদৰ্শ সন্মুখত থকা সত্বেও তাই একেবাৰে সৰু কালৰেপৰা ঠেক সাম্প্ৰদায়িকতাৰ মাজত ডাঙৰ হোৱাৰ বাবেই মত বোলা বস্তুটোলৈ বৰ বেচিকৈ চকু দিছিল। সেইদিনা জীৱনত প্ৰথম তাই ব্যক্তি আৰু মতক একেলগে দেখি এটা যেন সজীৱ সম্পূৰ্ণ পদাৰ্থৰ ৰহস্যময় সত্তা অনুভৱ কৰিলে। মানৱ সমাজক একমাত্ৰ আপোন আৰু পৰ এই দুই ক'লা-বগা ভাগত সম্পূৰ্ণৰূপে ভগাই চোৱাৰ ভেদ দৃষ্টিটোৰ কথাই সেইদিনা তাই পাহৰি গৈছিল। আৰু ভিন্ন মতৰ মানুহকো তেওঁৰ মতলৈ লক্ষ্য নকৰি কেৱল মাথোন মানুহৰ ৰূপত মুখ্যভাৱে এনেকৈ দেখা পাইছিল যে সেইদিনা তাইৰ মানত ভিন্ন মতটো গৌণ হৈ পৰিছিল।

সেইদিনা গোৰাই তাইৰ লগত কথা পাতি সুখ পোৱা বুলি সুচৰিতাই বুজিব পাৰিছিল। সেই সুখ মাথোন নিজৰ মত প্ৰকাশ কৰি পোৱা সুখ জানো? এই সুখ লাভত সুচৰিতাৰ একো হাত নাছিল নে? হয়তো নাছিল। গোৰাৰ মানত কিজানি কোনো মানুহৰে একো মূল্যই নাই। সি কিজানি নিজৰ মত আৰু উদ্দেশ্য লৈয়েই সকলোৰেপৰা আঁতৰি থাকে—মানুহবোৰ তাৰ মানত কিজানি মত প্ৰয়োগ কৰাৰ উপলক্ষহে মাথোন।

সুচৰিতাই এই কেইদিন অলপ বেচিকৈয়ে উপাসনাত মনোযোগ দিছিল। তাই যেন আগতকৈয়ো বেচিকৈ পৰেশ ভট্টৰ ওপৰত নিৰ্ভৰ কৰিবলৈ যত্ন কৰিছিল। এদিন পৰেশ ভাই তেখেতৰ কোঠাত অকলৈ বহি কিবা পঢ়ি আছিল। এনেতে সুচৰিতা আহি তেখেতৰ কাষত কোনো সাৰ-সুৰ নকৰাকৈ বহিল হি।

পৰেশ ভট্টই মেজৰ ওপৰত পুথিখন থৈ সুধিলে,—"কি হ'ল বাধা?"

সুচৰিতাই কলে,—"নাই, একো হোৱা নাই।" এই বুলি মেজৰ ওপৰত থকা সজাই থোৱা পুথি-পাজিবোৰকে ইফাল-সিফাল কৰি বেলেগ ধৰণে সজাবলৈ ধৰিলে।

অলপ পৰ পিচতে তাই ক'লে,—"আগেয়ে পঢ়োৱাৰ দৰে আজি-কালি আপুনি মোক আৰু নপঢ়ায় কিয় ?"

পৰেশ ভট্টই অলপ হাঁহি মৰমেৰে ক'লে,—"মোৰ ছাত্ৰীয়ে মোৰ স্কুলৰ পৰা পাছ কৰি ওলাই গৈছে। এতিয়া দেখোন তুমি নিজে নিজেই পঢ়ি বুজিব পাৰা।"

সুচৰিতাই কলে,—"ওঁহো, মই একোকে বুজি নেপাওঁ। মই আগৰ দৰেই আপোনাৰ ওচৰত পঢ়িম।"

পৰেশ ভট্টই ক'লে,—"বাৰু কাইলৈৰপৰা পঢ়াম।"

সুচৰিতাই আকৌ অলপ পৰ মনে মনে থাকি হঠাতে ক'লে,—"দেউতা, সেইদিনা বিনয় চেটাৰ্জীয়ে জাতিভেদৰ বিষয়ে বহু কথা ক'লে। আপুনি মোক এই বিষয়ে অলপ বুজাই নিদিয়ে কিয় ?"

পৰেশ ভট্টই ক'লে,—"আই, তুমি দেখোন জানাই—তোমালোকে নিজে নিজে ভাবি বুজিবলৈ যত্ন কৰিব লাগে। মোৰ বা কান আৰো মত কেৱল মাথোন অভ্যাস কথাৰ দৰে ব্যৱহাৰ নকৰিবা। মই সদায় তোমালোকক তাকেই শিকাই আহিছোঁ। প্ৰশ্নটো ঠিককৈ বুজি লোৱাৰ আগতেই সেই বিষয়ে আনক উপদেশ দিবলৈ যোৱা আৰু ভোক নলগাকৈয়ে খাবলৈ বহা, একেই কথা। তাৰপৰা মাথোন অৰুচি আৰু অজীৰ্ণহে হয়। কেতিয়াবা তুমি মোক কিবা সুধিলে মই যি জানো কম।"

সুচৰিতাই ক'লে,—"মই আপোনাক প্ৰশ্ন এটাকে সোধোঁ। আমি বাৰু জাতিভেদক নিন্দা কৰোঁ কিয় ?"

পৰেশ ভট্টই ক'লে,—"মেকুৰী এটাই পাতৰ কাষত বহি ভাত খালেও একো দোষ নেলাগে, অথচ মানুহ এজন সেই কোঠাটোত সোমালেই ভাত পেলাই দিব লাগে। মানুহৰ প্ৰতি মানুহৰ এনেকুৱা অপমান আৰু ঘিণ ভাব যি জাতিভেদৰপৰা ওপজে সেই জাতিভেদক অধৰ্ম নুবুলি নো কি বুলিম ? মানুহক যিবোৰে এনেকুৱা ভয়ানক অৱজ্ঞা কৰিব পাৰে, সিহঁত কেতিয়াও পৃথিৱীত উধাৰ নোৱাৰে ; সিহঁতে আনৰপৰাও অৱজ্ঞা সহিবই লাগিব।"

সুচৰিতাই গোৰাৰ মুখত শুনা কথাৰ সুৰতে ক'লে,—"আজি সমাজত বহুতো দোষ থাকিব পাৰে ; এই দোষ চোন সমাজৰ সকলো বস্তুতে ঘটিছে। সেই বুলি আচল বস্তুটোক দোষ দিব পাৰি জানো ?"

পৰেশ ভট্টই তেখেতৰ স্বাভাৱিক শান্ত মাতেৰে ক'লে—"আচল বস্তুটো নো ক'ত আছে জনা হলে কব পাৰিলোহেঁতেন। আমাৰ দেশত মানুহে

মানুহক ঘিণ কৰাটো মই নিজ চকুৰে দেখা পাইছোঁ আৰু ইয়াৰ বাবে আমি সকলোৱে সকলোৰেপৰা আঁতৰি আছিছোঁ। এনে এটা অৱস্থাত এটা কাল্পনিক আচল বস্তুৰ কথা ভাবি মনটোক জানো সান্ত্বনা দিব পাৰি ?”

সুচৰিতাই পুনৰ গোৰাৰ কথাৰ প্ৰতিধ্বনিৰ দৰে ক'লে,—“বাৰু, সকলোলৈকে সমদৃষ্টিৰে চোৱাই তো আমাৰ দেশৰ চৰম তত্ত্ব আছিল।”

পৰেশ ভট্টই ক'লে,—“সমদৃষ্টিৰে চোৱাটো জ্ঞানৰ কথা, অন্তৰৰ কথা নহয়। সমদৃষ্টিৰ মাজত প্ৰেমো নাই, ঘিণো নাই। সমদৃষ্টি ৰাগ-দ্বেষৰ অতীত। মানুহৰ অন্তৰ এনে এটা হৃদয়-ধৰ্ম্মহীন ঠাইত স্থিৰ হৈ থাকিব নোৱাৰে। সেইবাবেই আমাৰ দেশত এনেকুৱা সাম্যতত্ত্ব থকা সত্ত্বেও নীচ জাতিৰ মানুহক গোসাঁই থানত সোমাবলৈ দিয়া নহয়। দেৱতাৰ ক্ষেত্ৰতো আমাৰ দেশত সাম্য নেথাকিলে দৰ্শন শাস্ত্ৰৰ মাজত সেই তত্ত্ব থকা নথকাৰ কোনো মূল্য নাই।”

সুচৰিতাই পৰেশ ভট্টৰ কথাবোৰ বহুপৰ মনে মনে বহি পেটে পেটে ভাবি বুজিবলৈ যত্ন কৰিলে। অৱশেষত ক'লে,—“বাৰু দেউতা, আপুনি এইবোৰ কথা বিনয়হঁতক বুজাবলৈ যত্ন নকৰে কিয় ?”

পৰেশ ভট্টই অলপ হাঁহি ক'লে,—“বিনয়হঁতৰ বুদ্ধি কম বুলি এইবোৰ কথা নুবুজা নহয়, আচলতে তেওঁলোকৰ বুদ্ধি বেচি বুলিয়েই এইবোৰ কথা তেওঁলোকে বুজিব নোখোজে। তেওঁলোকে মাথোন আনক বুজাবহে খোজে। তেওঁলোকে ধৰ্ম্মৰ কালৰপৰা, অৰ্থাৎ সকলোতকৈ উচ্চ সত্যৰ কালৰপৰা এইবোৰ কথা অন্তৰৰে সৈতে বুজিব খুজিলেই তোমাৰ দেউতাৰাৰ বুদ্ধি শুনিবলৈ তেওঁলোকে আৰু অপেক্ষা কৰিব নেলাগিব। এতিয়া তেওঁলোকে আন কালৰপৰা চাইছে। এতেকে মোৰ কথা এতিয়া তেওঁলোকৰ একো কামতে নাহিব।”

গোৰাহঁতৰ কথা সুচৰিতাই শ্ৰদ্ধাৰে সৈতে শুনিছিল যদিও সেইবোৰে তাইৰ সংস্কাৰত আঘাত কৰাত পেটে পেটে তাই বেজাৰ পাই আছিল। তাই শান্তি পোৱা নাছিল। আজি ভট্ট ডাঙৰীয়াৰ লগত কথা পাতি সেই বেজাৰৰপৰা তাই অলপ সময়ৰ বাবে মুক্তি পালে। গোৰা, বিনয় বা আন কোনোবাই ভট্ট ডাঙৰীয়াতকৈ কোনো কথা ভালকৈ বুজে বুলি সুচৰিতাই কেতিয়াও ভাবিবই নুখুজিছিল। পৰেশ ভট্টৰ লগত কাৰোবাৰ মত নিমিলিলেই সেই মানুহজনৰ ওপৰত সুচৰিতাৰ খং উঠি গৈছিল। বৰ্ত্তমান গোৰাৰ লগত চিনাকি হোৱাৰ পিচৰপৰা গোৰাৰ কথাবোৰ খং বা অৱজ্ঞাৰে

উকৰাই দিব পৰা নাছিল বুলিয়েই সুচৰিতাই এনে ধৰণৰ কষ্ট পাই আছিল। এনেবোৰ কাৰণতে আকৌ নিজেই সকলোৰ দৰে পৰেশ ভট্টৰ ওচৰত ছাঁয়াৰ দৰে সম্পূৰ্ণ নিৰ্ভৰ কৰিবলৈ তাইৰ হৃদয় ব্যাকুল হৈ পৰিছিল। চকীৰপৰা উঠি দুৱাৰমুখলৈকে গৈ আকৌ উভতি আহি সুচৰিতাই পৰেশ-ভট্টৰ পিচফালে থিয় হৈ তেওঁৰ পিঠিত হাত এখন দি ক'লে,—"দেউতা, আজি গধূলিকৈ আপুনি মোৰ লগত উপাসনা কৰিব দেই।"

পৰেশ ভট্টই ক'লে,—"বাৰু।"

তাৰ পিচত নিজৰ শোৱা কোঠালৈ গৈ দুৱাৰ জপাই থৈ সুচৰিতাই বহি বহি গোৰাৰ কথাবোৰ একেবাৰে উপলুঙা কৰি উকৰাই দিবলৈ যত্ন কৰিলে। কিন্তু গোৰাৰ সেই বুদ্ধি আৰু বিশ্বাসেৰে উজ্জ্বল হৈ থকা মুখ-খন তাইৰ চকুৰ আগত ভাঁহি উঠিল। গোৰাৰ কথাবোৰ যেন মাথোন কথা নহয়, সেইবোৰ যেন গোৰা নিজেই—তাইৰ এনেহে লাগিল। সেই কথাবোৰৰ যেন আকৃতি আছে, গতি আছে, প্ৰাণ আছে—সেইবোৰ যেন বিশ্বাসৰ দৃঢ়তা আৰু স্বদেশপ্ৰেমৰ বেদনাৰে ভৰপূৰ হৈ আছে। সেইবোৰ প্ৰতিবাদ কৰি শেষ কৰি পেলাব পৰা মত নহয়—সেইবোৰ যে এজন সম্পূৰ্ণ মানুহ—আৰু সেই মানুহজনো সামান্য মানুহ নহয়। এই মানুহজনক ঠেলা মাৰি পেলাই দিবলৈকো হাত নুঠে। এই ধৰণৰ এটা ডাঙৰ সোমো-জাত পৰি সুচৰিতাৰ কান্দি পেলাবৰ মন গ'ল। তাইক ইমান ডাঙৰ এটা সমস্যাত পেলাই থৈ কোনোবাই যে সম্পূৰ্ণ উদাসীন হৈ অনায়াসে দূৰলৈ গুচি যাব পাৰে, এই কথা ভাবি তাইৰ বুকু ফাটি যোৱা যেন লাগিল; অথচ ইয়াৰ বাবে কষ্ট পোৱা দেখি তাইৰ নিজৰ ওপৰত ভীষণ খঙো উঠিল।

২৪

ইংৰাজ কবি ড্ৰাইডেনে ৰচনা কৰা এটি সঙ্গীত-বিষয়ক কবিতা বিনয়ে নিজ ঠাঁচেৰে আবৃত্তি কৰাটোকে থিৰাং হৈছিল; আৰু আবৃত্তিৰ লগে লগে ছোৱালীবোৰে প্ৰকৃত উপযুক্ত সাজ-পাৰ পিন্ধি কবিতাৰ ঘটনাটোৰ নিমাত অভিনয় কৰিব। ইয়াৰ উপৰিও ছোৱালীবোৰে ইংৰাজী কবিতা আবৃত্তি কৰিব আৰু গীত আদি গাব।

বিনয়ক বেলে তেলে শিকাই বুজাই ঠিক কৰি লব বুলি বৰদাসুন্দৰীয়ে

তাক বহুতো আশা দিছিল। তেখেতে নিজে ইংৰাজী নামমাত্ৰ হে জানিছিল। তেখেতৰ দলৰ দুই এজন পণ্ডিতৰ ওপৰতে তেখেতে সকলোখিনি নিৰ্ভৰ কৰিছিল।

কিন্তু আখৰাত বিনয়ে আবৃত্তি কৰি বৰদাসুন্দৰীৰ পণ্ডিত সমাজক অবাক কৰি দিলে। বৰদাসুন্দৰীয়েও তেখেতৰ দলৰ বাহিৰৰ এই ডেকা-জনক শিকাই-বুজাই গঢ়ি লোৱাৰ সুখ ভোগ কৰিবলৈ নেপালে। আগতে যিবোৰে বিনয়ক কোনোৱা নিচেই সামান্য বুলি ভাবি কেৰেপকে কৰা নাছিল, সিহঁতেও এতিয়া বিনয়ে ইমান ভালকৈ ইংৰাজী কৱিতা আবৃত্তি কৰিব পৰা দেখি তাক পেটে পেটে শ্ৰদ্ধা নকৰি নোৱাৰিলে। আন কি হাৰান মাষ্টৰেও তেওঁৰ কাগজত মাজে মাজে ইটো সিটো লিখিবলৈ তাক অনুৰোধ কৰিবলৈ ধৰিলে। আৰু সুধীৰে তো সিহঁতৰ ছাত্ৰ-সভাত মাজে মাজে ইংৰাজীতে বক্তৃতা দিবলৈ ভালকৈয়ে বিনয়ক হায়ৰাণ কৰা হ'ল।

ললিতাৰ অৱস্থাটোহে বৰ অদ্ভুত ধৰণৰ হ'ল। বিনয়ক কোনেও একো সহায় কৰিব নলগীয়া হোৱাত তাইৰ পেটে পেটে ভাল্লো লাগিল, বেয়াও লাগিল। বিনয় যে সিহঁতৰ আন কোনোতকৈ হীন নহয়, বৰঞ্চ সিহঁতৰ সকলোতকৈ চৰা হে, সি যে পেটে পেটে নিজকে সকলোতকৈ লায়ক বুলি ভাবিছে, সি যে সিহঁতৰ কাৰোপৰা একোকে শিকিবলগীয়া নহ'ল—এইবোৰ কথাই তাইৰ মনত বেজাৰ দিবলৈ ধৰিলে। বিনয়ৰ পৰা তাই যে কি বিচাৰে, কেনেকুৱা হ'লে তাই আকৌ সহজ হব পাৰিব, সেইটো তাই নিজেই বুজিব পৰা নাছিল। লাভৰ মূৰত তাইৰ মনৰ অশান্তি-বোৰ সৰুসুৰা কথাতে ওলাই পৰি বিনয়কে বিন্ধিবলৈ ধৰিলে। বিনয়ৰ প্ৰতি এইটো সুবিচাৰ হোৱা নাই আৰু ভদ্ৰতাও নহয় বুলি তাই নিজে ভালকৈয়ে বুজি পালে। বুজি পাই তাই দুখো পালে আৰু নিজকে দমাবলৈ যথেষ্ট চেষ্টাও কৰিলে। কিন্তু হঠাতে অতি সামান্য কথাৰ চল লৈ কিয় যে তাইৰ এই অসজত অন্তৰৰ পোৰণিয়ে সংযমৰ শাসন নেমানি ওলাই পৰে—তাই বুজিব নোৱাৰিলে। আগতে যিটো বিষয়ত যোগ দিবলৈ তাই অনবৰত বিনয়ক উচটাই আছিল, এতিয়া তাই তাক তাত যোগ দিয়াত বাধা হে দিবলৈ ধৰিলে। কিন্তু এতিয়া ইমান দূৰ আগবঢ়াৰ পিচত সকলোবোৰ মাটি কৰি বিনয়েনো নিচ্ছাঁতে কেনেকৈ বাগি যাবে? সময়ো আৰু বেচি নাই, তাৰোপৰি নিজৰ নতুন গুণ এটা প্ৰকাশ কৰি সি নিজেই এতিয়া উৎসাহিত হৈ পৰিছে।

অৱশেষত ললিতাই বৰদাসুন্দৰীক ক'লে,—"মই নিয়েটাৰ নকৰোঁ।"

বৰদাসুন্দৰীয়ে বাবু জীয়েকক ভালকৈয়ে চিনি পাইছিল, সেইবাবে তেখেতে অলপ ভয় খাই সুধিলে,—"কিয় ?"

ললিতাই ক'লে,—"মই যে নোৱাৰোঁ ।"

দৰাচলতে বিনয়ক অকাৰিলা বুলি উলাই কৰিব নোৱাৰা হোৱাৰপৰাই ললিতাই বিনয়ৰ আগত কোনো পধ্যেই আবৃত্তি বা অভিনয় আখৰা কৰিবলৈ ৰাজী নহ'ল । তাই কৈছিল, "মই নিজে নিজে অকলে আখৰা কৰিম ।" ফলত সকলোৰে অসুবিধা হৈছিল । কিন্তু ললিতাও কোনোমতেই মান্তি নহৈছিল । অৱশেষত সকলোৱে ললিতাক বাদ দিয়েই কাম চলাবলগীয়া হৈছিল ।

কিন্তু শেষ মুহূৰ্ত্তত ললিতাই এইদৰে সাৰিব খোজাত বৰদাসুন্দৰীৰ মূৰত বজ্ৰপাত পৰিল । তেখেতবহাৰা ইয়াৰ একো প্ৰতিকাৰ নহব বুলি তেখেতে ভালদৰেই জানিছিল । সেই কাৰণেই তেতিয়া তেখেতে পৰেশ ভট্টৰ শৰণাপন্ন হ'ল । পৰেশ ভট্টই সাধাৰণতে কেতিয়াও সামান্য কথাত ছোৱালীহঁতৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত হাত নিদিছিল । কিন্তু ৰবচাহাবক তেওঁলোকে কথা দিছে, সেই অনুসাৰে সি পক্ষই সকলো যা-যোগাৰো কৰিছে, সময়ো নিচেই তাকৰ । এই আটাইবোৰ বিবেচনা কৰি পৰেশ ভট্টই ললিতাক মাতি তাইৰ মূৰত হাত ফুৰাই ক'লে,—"ললিতা, এতিয়া ,তুমি থিয়েটাৰ নকৰা হলে বৰ অন্যায় হব ।"

ললিতাই কন্দনামুৱা হৈ ক'লে,—"দেউতা, মই যে নোৱাৰোঁ, মোৰ দেখোন একেবাৰেই নহয় ।"

পৰেশ ভট্টই ক'লে,—"তুমি ভালকৈ নোৱাৰিলেও একো দোষৰ কথা নহয়, কিন্তু একেবাৰে নকৰিলেহে বৰ অন্যায় হব ।"

ললিতাই তলমুৰৈ থিয় হৈ থাকিল । পৰেশ ভট্টই ক'লে,—"আই, তুমি এবাৰ ভাৰ লৈছা যেতিয়া কামটো শেষ কৰিবই লাগিব । তোমাৰ আত্মাভিমানত লাগিব বুলি তো এতিয়া আৰু এবা দিবৰ সময় নাই । তোমাৰ আত্মাভিমানত লাগিলেও তাঁলৈ আওহেলা কৰি কৰিবলগীয়া কাম কৰিবই লাগিব । নোৱাৰিবানে আই ?"

"ললিতাই বাপেকৰ মুখলৈ চাই ক'লে,—"পাৰিম বাৰু ।"

সেইদিনাই সন্ধিয়া বিশেষকৈ বিনয়ৰ সন্মুখতে সকলো সংকোচ আঁতৰাই তাই যেন অলপ বেছি জোৰকৈয়ে যেন বৰাই কৰি নিজৰ কৰ্ত্তব্য কৰিবলৈ লাগি গ'ল । বিনয়ে ইমান দিনে তাইৰ আবৃত্তি শুনা নাছিল । আজি শুনি আচৰিত হ'ল । ইমান স্পষ্ট সতেজ উচ্চাৰণ—ক'তো অকণোকে

খোকোজা নাই, আৰু ভাব প্ৰকাশৰ মাজত এনে এটি নিঃসংশয় জোৰ আছিল যে শুনি য় আশাতীতভাৱে আনন্দিত হ'ল। সেই মাতটো তাৰ কাণত বহু বেলিলৈকে বাজি থাকিল।

কবিতা আবৃত্তিত আবৃত্তি কৰোঁতাৰ প্ৰতি শুনোতাৰ এটি বিশেষ মোহ ওপজে। কবিতাৰ ভাবটোৱেই আবৃত্তি কৰোঁতাক এটি মহিমা দান কৰে। কবিতাটি আবৃত্তি কৰোঁতাৰ মাত, মুখৰ শ্ৰী আৰু চৰিত্ৰৰ মাজেদি ফুটি ওলায়। 'গছৰ ঠানিত ফুল ফুলাৰ দৰে কবিতাটিত আবৃত্তি কৰোঁতাৰ যোগেদি ফুলি উঠি তেওঁক এটি বিশেষ সম্পদ দান কৰে।

ললিতাও বিনয়ৰ চকুত কবিতাৰে ভূষিত হৈ উঠিবলৈ ধৰিলে। ললিতাই অতদিনে তাইৰ চোকা চোকা কথাৰে বিনয়ক অনবৰতে উত্তলা কৰি ৰাখিছিল। দুখ পোৱা ঠাইডোখৰলৈ বাৰে বাৰে হাতখন যোৱাৰ দৰেই বিনয়েও কেইদিনমান ললিতাৰ বেঁকা বেঁকা কথা আৰু বিদ্ৰূপৰ হাঁহিটোৰ বাহিৰে আন একোকে ভাবিব পৰা নাছিল। কিয় যে ললিতাই এনেকুৱা কৰিলে, তেনেকৈ ক'লে, এইবোৰ কথাকে সি অনবৰত ভাবিছে। ললিতাই সৃষ্টি কৰা অশান্তিৰ ৰহস্য যিমানেই সি ভেদ কৰিব নোৱাৰা হ'ল সিমানেই ললিতালৈ চিন্তাও তাৰ মনত আৰু বেচিকৈহে সোমাই পৰিবলৈ ধৰিলে। পুৱা শুই উঠিও হঠাতে তাৰ এইবোৰ কথাকে মনত পৰিছে. পৰেশ ভট্টৰ ঘৰলৈ সদায় আহিবলৈ ওলায়েই সি ভাবে—'আজি বা ললিতাক কেনেকুৱা ৰূপত দেখা পাওঁগৈ।' যিদিনা ললিতাই সামান্য ভালপোৱা যেন দেখুৱায়, সেইদিনাহে সি যেন কোনোমতে উশাহ পেলাব পাৰে। ললিতাৰ এই ভাল লগা ভাবটো নিগাজী কৰিবলৈ সি বহুতো উপায় ভাবিছে, কিন্তু তাৰ সাধ্যৰ ভিতৰত একোটোকে বিচাৰি পোৱা নাছিল।

এই কেইদিনৰ এই মনৰ অশান্তিৰ পিচত ললিতাৰ কবিতা গোৱাৰ সোৱাদে বিনয়ক বিশেষকৈ আৰু বৰ বেচিকৈয়ে বিচলিত কৰিলে। তাৰ ইমান বেচি ভাল লাগিল যে কি বুলিনো প্ৰশংসা কৰিব, ভাবিকে নেপালে। ললিতাৰ মুখৰ আগত ভাল বোলা কোনো কথাকে কবলৈ তাৰ সাহ নহয়। কিয়নো তাইক ভাল বুলিলেই যে তাই ভাল পাব, মানুহৰ স্বভাৱৰ এই নিয়মটো ললিতাৰ ঠাইত নেখাটিবও পাৰে। আন কি স্বাভাৱিক নিয়ম বুলিয়েই হয়তো নেখাটিব। এইবোৰ কাৰণেই বিনয়ে বৰদাসুন্দৰীৰ আগতে উৎসাহৰ সৈতে ললিতাৰ পাৰেমানে প্ৰশংসা কৰিলে। ফলত বিনয়ৰ বিদ্যা আৰু বুদ্ধিৰ প্ৰতি বৰদাসুন্দৰীৰ শ্ৰদ্ধা আৰু বাঢ়িল।

আৰু এটা আচৰিত ঘটনা ঘটিল। ললিতাই তাইৰ আঙ আৰু

আবৃত্তি নিন্দনীয় নাই হোৱা বুলি মনতে তাৰ হোৱাৰপৰাই চৌৰ ওপৰেদি সুগঠিত নাও তাঁহি যোৱাৰ দৰে তাৰো তাইৰ কৰ্ত্তব্যৰ কটকটীয়া ধাৰৰ ওপৰেদি অনায়াসে তাঁহি যাবলৈ ধৰিলে। আৰু তেতিয়াৰপৰা বিনয়ৰ প্ৰতিও তাইৰ চোক আঁতৰিল। বিনয়ক লাজত পেলাবলৈ তাই আৰু চেষ্টা নকৰা হ'ল। এই কামটোত তাইৰ উৎসাহ দিনে দিনে বাঢ়িবলৈ ধৰিলে আৰু আখৰা বিষয়ত বিনয়ৰ লগত তাইৰ ঘনিষ্ঠতাও বাঢ়িল। আন কি আবৃত্তি বা আন কোনো বিষয়ত বিনয়ৰপৰা উপদেশ লবলৈকো তাইৰ অকণো আপত্তি নেথাকিল। ললিতাৰ এই পৰিবৰ্ত্তনত বিনয়ৰ বুকুৰপৰা গধুৰ বোজা এটা আঁতৰিল। তাৰ ইমান বেচি ভাল লাগিল যে সি যেতিয়াই তেতিয়াই আনন্দময়ীৰ কাষলৈ গৈ সক ল'ৰাৰ দৰে ধেমালি কৰিবলৈ ধৰিলে। সুচৰিতাৰ কাষত বহি বলকিবলৈকো তাৰ মনত বহুতো কথাই থূপ খালে। কিন্তু আজি-কালি সুচৰিতাৰ লগত তাৰ দেখাই নহয়। সুযোগ পালেই সি ললিতাৰ লগত কথা পাতিবলৈ বহে, কিন্তু ললিতাৰ লগত সি গা-চেৰাই হে কথা পাতিব লাগে। ললিতাই তাক আৰু তাৰ কথাবিলাক টানভাৱে বিচাৰ কৰে বুলি জানিছিল বুলিয়েই তাইৰ আগত তাৰ কথাৰ সোঁতৰ স্বাভাৱিক বেগ কমি গৈছিল। ললিতাই মাজে মাজে কয়—"আপুনি যেন পুথিৰপৰা কিবা আওৰাইহে কথা কৈছে; এনেকৈ কথাবোৰ কয় কিয়?" বিনয়ে উত্তৰ দিয়ে, "মই আজিলৈকে মাথোন পুথিহে পঢ়িছোঁ। সেই কাৰণে মোৰ মনটো ছপা কৰা পুথিৰ দৰেই হৈ গৈছে।"

ললিতাই কয়,—"আপুনি খুব ভালকৈ সজাই কথা কবলৈ যত্ন নকৰিব। নিজৰ কথাবোৰ সহজকৈ কবচোন। আপুনি ইমান বঢ়িয়াকৈ কথা কয় যে আন কাৰোবাৰ কথাহে ভাবি ভাবি সজাই কৈছে বুলি মোৰ ভাব হয়।"

এইবোৰ কাৰণেই স্বাভাৱিকতে কোনো কথা শুনীয়া হৈ বিনয়ৰ মনলৈ আহিলেও ললিতাক কওঁতে সি ইচ্ছা কৰিয়ে কথাটো সহজকৈ আৰু চমুকৈ কবলগীয়া হয়। কেতিয়াবা হঠাতে অলঙ্কাৰযুক্ত কথা তাৰ মুখত ওলালেও সি লাজ পাই যায়।

ললিতাৰ মনৰপৰা আৱৰ্তীয়া মেঘ আঁতৰি গৈ তাইৰ অন্তৰখন যেন ফৰকাল হৈ পৰিল। তাইৰ পৰিবৰ্ত্তন দেখি বৰদাসুন্দৰীও আচৰিত হৈ গ'ল। তাই এতিয়া কথাই কথাই আগৰ দৰে ওকোন পাতি মুখ ওলোমাই নেথাকে। সকলো কামতে উৎসাহৰ সৈতে যোগ দিয়ে। হবলগীয়া থিয়েটাৰখনৰ সাজ-পোছাক আদি সকলো বিষয়তে তাই নানা নানান নতুন

নতুন নতুন কথা পাতে আৰু এইবোৰ লৈ তাই সকলোকে খৰক-বৰক লগায়। এইবোৰ বিষয়ত বৰদাসুন্দৰীৰ বিনালেই বেছি উৎসাহ দেখাকৰ তেখেতে হলে লগে লগে খৰচৰ কথাটোও ভাবে। সেই কাৰণে থিয়েটাৰ কৰিবলৈ ওজৰ কৰোঁতেও তেখেতৰ মিদৰে ভাবনাৰ ওৰ নাছিল, এতিয়া আকৌ সেইদৰে তাই উৎসাহিত হৈ উঠোঁতেও তেখেত আকৌ এটা ডাঙৰ সঙ্কটতহে পৰিল। কিন্তু ললিতাৰ খৌকি-বাখৌ কল্পনাবোৰক বাধা দিবলৈকো তেখেতৰ সাহ নাই, কিয়নো তাই উৎসাহৰ সৈতে যোগ দিয়া কামত যদি লেশমানো কেনা লাগিল, তাই একেবাৰে মন পেলাই দিয়ে আৰু তেতিয়া সেই কামটোত যোগ দিয়াই তাইৰ বাবে টান হৈ পৰে।

ললিতাই তাইৰ মনৰ এনে এটা উলাহ অৱস্থাত কেবাবাৰো সুচৰিতাৰ ওচৰলৈ গৈছিল। সুচৰিতাই হাঁহিছেও, কথাও পাতিছে, কিন্তু তথাপি ললিতাই বাৰে বাৰে মনতে এনে এটা বাধা অনুভৱ কৰিছিল যে তাই খং কৰি মাত-বোল নোহোৱাকৈ উভতি আহিছিল।

এদিন তাই ভট্ট ডাঙৰীয়াৰ ওচৰলৈ গৈ ক'লেগৈ, "দেউতা, সুচি বাইদেৱে কেৱল চুকত বহি বহি পুথি পঢ়ি থাকিব, আৰু আমি থিয়েটাৰ কৰিম!—সেইটো কেতিয়াও হব নোৱাৰে, তেওঁৰো আমাৰ লগত যোগ দিব লাগিব।"

পৰেশ ভট্টয়ো আজি কিছুদিনৰপৰা এই বিষয়ে ভাবিছিল। সুচৰিতা যেন নিতে নিতে তাইৰ লগৰীয়াবোৰৰপৰা আঁতৰি গৈছে। তাইৰ চৰিত্ৰৰ বাবেও এনে এটা অৱস্থা সুবিধাজনক নহয় বুলি তেখেতে শঙ্কা কৰিছিল। ৰং-ধেমালি সকলোতে সকলোৰে লগত হলি-গলি কৰিব নোৱাৰিলে সুচৰিতাৰ এই মানুহবৰপৰা আঁতৰি কৰা ভাবটোৰে লাই পাব বুলি তেখেতে আজি ললিতাৰ কথা শুনি ভালকৈয়ে বুজিলে। ভট্ট ডাঙৰীয়াই ললিতাক ক'লে "তোমাৰ মাৰাক কোৱাগৈচোন।"

ললিতাই ক'লে, "আইক মই কম বাৰু, কিন্তু সুচি বাইদেউক বাৰ্ত কৰোৱাৰ ভাৰ আপুনি লব লাগিব।"

পৰেশ ভট্টই কোৱাত সুচৰিতাই আৰু ওজৰ কৰিব নোৱাৰিলে তাই তাইৰ ভাগৰ কামখিনি কৰিবলৈ আগুৱাই আহিল।

সুচৰিতা চুকৰপৰা ওলাই অহাত বিনয়ে তাইৰ লগত আকৌ আগ দৰে কথা-বতৰা পাতিবলৈ মন কৰিলে। কিন্তু এই কেইদিনৰ ভিতৰতে সুচৰিতাৰ এনে কিবা এটা হৈছে যে বিনয়ে যেন ভালকৈ আৰু সুচৰিতা ওচৰ চাপিব নোৱাৰে। তাইৰ মুখত, তাইৰ চকুত এনে এটা দুৰ দু

ভাব কুটি ওলাইছিল যে তাইৰ কাষ চাপিবলৈকে সঙ্কোচ ওপজে। আনকেও কথা-বতৰা বা হাঁহি-ধেমালি—সকলোতে সুচৰিতাৰ এটা উৎকণ্ঠা তাৰ আছিল। এতিয়া সেই ভাবটোৱেই খুব বেচিকৈ মূৰ দাঙি উঠিছে। বিৰোধৰ যোগ দিয়া সত্বেও তাইৰ এই স্বতন্ত্ৰীয়া ভাবটো আঁতৰি নগ'ল। ঠিক তাই কৰিবলগীয়া ভাগখিনি আঁকৰি কৰিয়েই তাই ওচি গৈছিল। সুচৰিতা এইদৰে আলেঙে আলেঙে কুঁৱা দেখি বিনয়ে পেলিতে বৰ বেজাৰ পাইছিল। বিনয় সকলোৰে লগত সহজতে মিলিব পৰা ল'ৰা, তাৰ বন্ধুবোৰৰপৰা কেতিয়াবা অকণমান আঘাত পালেও সি বৰ দুখ পায়। এই পৰিয়ালটোত সুচৰিতাই তাক আজিলৈকে সদায় বিশেষভাৱে মৰম-চেনেহ, আদৰ-যত্ন, কৰি আহিছে। এতিয়া তাই হঠাতে বিনা কাৰণতে এনেকুৱা ব্যৱহাৰ কৰাত সি বৰ বেজাৰ পালে। কিন্তু ললিতাৰো এই একেটা কাৰণতে সুচৰিতাৰ ওপৰত ৰোষ হোৱা দেখি সি পেটে পেটে অৱশ্যে অলপ শান্তি পালে আৰু ললিতাৰ লগত তাৰ ঘনিষ্ঠতা আৰু বাঢ়িল। সুচৰিতাক আৰু সি তাৰ ওচৰৰপৰা আলেঙে আলেঙে কুৰাব চল নিদিলে, বৰঞ্চ সি নিজেই সুচৰিতাৰ ওচৰলৈ যাবলৈ এৰিলে। এইদৰেই চাওঁতে চাওঁতে সুচৰিতা বিনয়ৰপৰা বহু দূৰলৈ আঁতৰি গ'লগৈ।

এইবাৰ কিছুদিন গোৰা কলিকতাৰপৰা আঁতৰি থকাত বিনয়ে অতি অবাধে পৰেশ ভট্টৰ পৰিয়ালৰ লগত সকলো প্ৰকাৰে ঘনিষ্ঠ হবলৈ সুচল পাইছিল। পৰেশ ভট্টৰ পৰিয়ালৰ আটাইখনে বিনয়ৰ স্বভাৱটো ইমান সহজতে বুজিব পাৰি বৰ ভাল পাইছিল। বিনয়ে এনে এটা কোনো বাধা নোহোৱা অৱস্থালৈ আহিব পাৰি আগতে কেতিয়াও নোপোৱাদি এটা নতুন ধৰণৰ সুখ অনুভৱ কৰিলে। আৰু তাক যে এওঁলোক সকলোৱে ভাল পায়, এই কথা ধৰিব পাৰি তাৰ আনন্দ ভালৰি বোলাব পৰা শক্তিটোও যেন আৰু বাঢ়ি গ'ল।

প্ৰকৃতিৰ এই বিস্তাৰ হোৱাৰ সময়ত নিজকে স্বকীয়া শক্তিত অনুভৱ কৰিবৰ দিনাই বিনয়ৰ কাষৰপৰা সুচৰিতা যেন আৰু আঁতৰি গ'ল। এই ক্ষতি এই আঘাত আন সময়ত হোৱা হলে একেবাৰে অসহনীয় হৈ উঠিলহেঁতেন, কিন্তু সি এতিয়া এইবোৰ অতি সহজেই পাৰ হৈ আহিল। আচৰিত কথা এয়ে যে ললিতায়ো সুচৰিতাৰ এনেকুৱা ভাব-সলনি দেখিও আগৰ দৰে ওকোলা পতা নাই। আবৃত্তি আৰু ভাওৰ উলাহেই তাইক আন সকলো কথা পাহৰাই পেলাইছিল নে কি?

ইফালে সুচৰিতাই অভিনয়ত যোগ দিয়া দেখি হাৰান বাবুৰ হঠাতে

খুব উৎসাহিত হৈ উঠিল। তেওঁ 'পেৰেডাইচ্ লষ্ট'ৰ এফাঁকি আবৃত্তি কৰিব আৰু ড্ৰাইডেনৰ কাব্য আবৃত্তিৰ পাতনি স্বৰূপে সংগীতৰ মোহিনী শক্তিৰ বিষয়ে এটা সৰু বক্তৃতা দিব বুলি নিজেই প্ৰস্তাৱ কৰিলে। কথাটো শুনি বৰদাসুন্দৰী পেটে পেটে বৰ বিৰক্ত হ'ল আৰু ললিতাৰো ভাল নেলাগিল। হাৰাণে নিজে গৈ বৰচাহাবৰ লগত দেখা কৰি এই প্ৰস্তাৱটো পকা কৰি থৈছিল। বিচিত্ৰাভিনয়খন ইমান দীঘলীয়া কৰিলে বৰচাহাবে আপত্তি কৰিবও পাৰে বুলি ললিতাই কওঁতেই হাৰাণে জেপৰ পৰা বৰচাহাবে কৃতজ্ঞতা জনাই লিখা চিঠি এখন ললিতাৰ হাতত দি তাইৰ মুখ একেবাৰে বন্ধ কৰি দিলে।

গোৰা বিনা কামত এনেয়ে ফুৰিবলৈ গৈছিল, কেতিয়া উভতি আহিব সেইটো কোনেও নেজানে। সুচৰিতাই এই কথা মনৰ পৰা একেবাৰেই বাদ দিছে বুলি ভাবিছিল যদিও তাই গোৰা আজিয়েই কিজানি আহিব পাৰে বুলি পেটে পেটে নিতৌ আশাপালি আছিল। মনৰ এই আশা তাই একোপধ্যেই মনৰ পৰা আঁতৰাব নোৱাৰিছিল। গোৰাৰ এই উদাসীনতা আৰু নিজৰ মনে নমনা অৱস্থাই তাইক বহুত কষ্ট দিছিল। কোনোমতে এই জাল ছিঙি পলাই সাৰিবলৈ তাইৰ অন্তৰ অস্থিৰ হৈ পৰিছিল। ঠিক এনে সময়তে এদিন হাৰাণ মাষ্টৰে বিশেষভাৱে ঈশ্বৰৰ নাম লৈ সুচৰিতাৰ লগত তেওঁৰ বিয়াৰ সম্বন্ধ পকা কৰিবলৈ পৰেশ ভট্টক পুনৰ অনুৰোধ জনালে। পৰেশ ভট্টই ক'লে, "বিয়ালৈ চোন এতিয়াও দিন আছে, ইমান সোনকালে বান্ধ খোৱাটো জানো ভাল হব?"

হাৰাণে ক'লে, "বিয়াৰ আগতে কিছুদিন এইদৰে বান্ধোনৰ মাজত থকাটো উভয়ৰে মনৰ পৰিণতিৰ বাবে বিশেষ আৱশ্যক বুলি মই ভাবোঁ। পোনতে চিনাকি হোৱা দিন আৰু বিয়াৰ মাজত এনেকুৱা এটা আধ্যাত্মিক সম্বন্ধ আছে—য'ত সাংসাৰিক দায়িত্ব নাই অথচ বান্ধোন আছে—এইটো বৰ উপকাৰী।"

পৰেশ ভট্টই ক'লে, "বাৰু, সুচৰিতাক মই সুধি চাওঁ।"

হাৰাণে ক'লে, "তেওঁ দেখোন আগতেই মত দিছে।"

হাৰাণ মাষ্টৰৰ প্ৰতি সুচৰিতাৰ মনোভাৱৰ বিষয়ে পৰেশ ভট্টৰ তেতিয়াও সন্দেহ আছিল। সেই কাৰণে তেখেতে নিজে সুচৰিতাক মাতি আনি হাৰাণ মাষ্টৰৰ প্ৰস্তাৱটো উলিয়ালে। সুচৰিতায়ো তাইৰ এই দোধোৰমোৰ জীৱনটোক কোনোমতে কৰবাত সতাব পাৰিলেই যেন ৰক্ষা পৰে—সেই কাৰণেই তাই ইমান সাউৎকৈ একো নভবা নিচিন্তাকৈয়ে মান্তি হ'ল যে

পৰেশ ভট্টৰ মনৰ সকলো সন্দেহ আঁতৰি গ'ল। বিয়াৰ ইমান আগতে বান্ধ খোৱাটো উচিত হব নে নহব, এইটো ভালকৈ ভাবি চাবলৈ তেখেতে সুচৰিতাক বাৰে বাৰে ক'লে,—তথাপিও সুচৰিতাই একো উত্তৰ শুনিয়ালে।

ব্ৰ.উন্দলো চাহাবৰ নিমন্ত্ৰণ ৰক্ষা কৰি আহি এটা ভাল দিন চাব চাই সকলোৱে আগত ভৱিষ্যত দম্পতীৰ সম্বন্ধটো পকা কৰা হব বুলি স্থিৰ হ'ল।

সুচৰিতাই তাইৰ মনটো বাহ্যৰ পৰাহৰণৰা মুকলি হোৱা বুলি এক মুহূৰ্তৰ বাবে ভাবিলে। তাই হাৰান মাষ্টৰক বিয়া কৰাই ব্ৰাহ্ম সমাজৰ কামত যোগ দিবৰ বাবে মনটোক কঠোৰভাৱে তৈয়াৰ কৰিব বুলি পেটে পেটে ঠিক কৰিলে। তাই সদায় হাৰানৰ কাষত অলপ অলপ ধৰ্ম্মতত্ত্ব বিষয়ক ইংৰাজী পুথি পঢ়ি তেওঁৰ নিৰ্দেশমতে চলিব বুলি অঙ্গীকাৰ কৰিলে। তাইৰ পক্ষে যিবোৰ অসম্ভৱ, কষ্টকৰ আৰু অপ্ৰিয়, সেইবোৰকে লব বুলি তাই মনত অলপ বল পালে।

হাৰান মাষ্টৰৰ সম্পাদনাত প্ৰকাশ হোৱা ইংৰাজী আলোচনীখন আজি ভালেমান দিন ধৰি তাই পঢ়াই নাছিল। আজি সেইখন ছপা হৈ অহা মাত্ৰকে তাইৰ হাতত পৰিলহি। বোধকৰোঁ হাৰানেই বিশেষকৈ তাইৰ কাৰণে পঠিয়াই দিছিল।

সুচৰিতাই আলোচনীখন তাইৰ কোঠালৈ লৈ গৈ থিৰভাৱে বহি বৰ এটা ডাঙৰ কৰিবলগীয়া কামৰ দৰে তাৰ প্ৰথম পাৰীৰেপৰা পঢ়িবলৈ ধৰিলে। শ্ৰদ্ধাৰে পৰ্ণ অন্তৰৰ সৈতে নিজকে ছাত্ৰী বুলি ভাবি তাই আলোচনীখনৰপৰা উপদেশ বোটলাত লাগিল।

পালতৰা জাহাজ যেন হঠাৎ পৰ্ব্বতত খুন্দা খাই কাতি হৈ পৰিল। এই সংখ্যাত 'পুৰণিকলীয়া বায়ুগ্ৰস্ত' বুলি এটা প্ৰবন্ধ আছিল। এই প্ৰবন্ধটোত বৰ্ত্তমানত বাস কৰিও যিবোৰে পুৰণি কাললৈ মু কৰি থাকে সিহঁতক আক্ৰমণ কৰা হৈছে। যুক্তিবোৰ যে অসঙ্গত তেনে নহয়, দৰা-চলতে সুচৰিতায়ো এনেকুৱা যুক্তিকে বিচাৰি ফুৰিছিল। কিন্তু প্ৰবন্ধটো পঢ়া মাত্ৰকে সেই আক্ৰমণৰ লক্ষ্য যে গোৰালৈ, সেইটো কথা তাই নিমিষতে বুজি পালে। অথচ গোৰাৰ নাম ক'তো নাই, সি লিখা কোনো প্ৰবন্ধৰো উল্লেখ নাই। বন্দুকৰ প্ৰতিটো গুলীৰে একোটাকৈ মানুহ মাৰি সৈনিকে সুখ পোৱাৰ দৰেই এই প্ৰবন্ধটোৰো প্ৰত্যেক বাক্যই কোনো এটি জীৱক বিন্ধিব পাৰিছে বুলি যেন তাত এটা হিংসাৰ আনন্দ ফুটি ওলাইছে।

এই প্ৰবন্ধটো সুচৰিতাৰ বাবে অসহনীয় হৈ উঠিল। ইয়াৰ প্ৰত্যেকটো যুক্তিকে প্ৰতিবাদ কৰি খণ্ড-বিখণ্ড কৰি পেলাবলৈ তাইৰ মন গ'ল। তাই নিজক নিজেই ক'লে,—"গৌৰমোহনে মন কৰিলেই এই প্ৰবন্ধটো ধূলিৰ লগত মিহলাই দিব পাৰে।" গোৰাৰ উজ্জ্বল মুখ তাইৰ চকুৰ আগত জ্যোতিৰ্ময় হৈ ভাঁহি উঠিল। তাৰ গলগলীয়া মাতটো সুচৰিতাৰ অন্তৰত বাজি উঠিল। সেই মুখখনৰ আৰু সেই কথাবোৰৰ গভীৰতাৰ আগত এই প্ৰবন্ধটো আৰু প্ৰবন্ধ,লেখকৰ ক্ষুদ্ৰতা ইমান তুচ্ছ হৈ পৰিল যে সুচৰিতাই কাগজখন মাটিত দলিয়াই পেলাই দিলে।

বহুদিনৰ পিচত সুচৰিতাই সেইদিনা নিজে নিজেই বিনয়ৰ কাষত আহি বহিলহি আৰু তাৰ কথাই কথাই ক'লে,—"আপুনি দেখোন আপোনালোকৰ প্ৰবন্ধ-পাতি ওলোৱা কাগজবোৰ মোক পঢ়িবলৈ আনি দিম বুলি কৈছিল। ক'তা, পিচে নিদিলে দেখোন?" বিনয়ে আজি কিছুদিনৰ ভিতৰত সুচৰিতাৰ পৰিবৰ্তন দেখিয়েই যে নিজৰ কথা ৰাখিবলৈ সাহ কৰা নাই,—এই কথা নক'লে। সি ক'লে,—"মই সেইবোৰ বিচাৰি আনি একেলগে থৈছোঁ। কাইলৈকে বাৰু আপোনাক আনি দিম।"

বিনয়ে পিচদিনা পুথি আৰু কাগজৰ এটি ডাঙৰ টোপোলা আনি সুচৰিতাক দি গ'লহি। সুচৰিতাই সেইবোৰ পালে কিন্তু নপঢ়িলে, পেৰাত ভৰাই থৈ দিলে। বৰ বেচিকৈ পঢ়িবলৈ মন গৈছিল বুলিয়েই নপঢ়িলে হবলা! অন্তৰক কেতিয়াও উত্ৰাৱল হবলৈ নিদিয়ে বুলি প্ৰতিজ্ঞা কৰি নিজৰ বিদ্ৰোহী অন্তৰক পুনৰ হাৰানৰ শাসনৰ তলত সপি দি তাই আৰু এবাৰ সান্ত্বনা পালে।

১৫

দেওবাৰে পুৱা আনন্দময়ীয়ে তামোল কাটি আছিল, শশীমুখীয়ে তেখেতৰ কাষতে বহি তামোলবোৰ কাটি কাটি দ'মাই পেলাইছিল। এনেতে বিনয় আহি কোঠাটোত সোমাওঁতেই শশীমুখীয়ে তাইৰ কোঁচৰপৰা তামোলবোৰ পেলাই দি লৰ মাৰি আঁতৰি গ'ল। আনন্দময়ীয়ে মিচিকিয়াই হাঁহিলে।

বিনয়ে সকলোৰে লগত অতি সহজেই মিলিব পাৰিছিল। শশীমুখীৰ লগতো অতদিনে তাৰ যথেষ্ট অন্তৰঙ্গতা আছিল। দুয়ো দুয়োৰে লগত

অনবৰত লাগি থাকে। শশীমুখীৰে বিনয়ৰ জোৱা মুকুৱাই থৈ তাৰ মুখৰপৰা সাধু-কথা শুনাৰ এটা উপায় উলিয়াই লৈছিল। বিনয়েও শশীমুখীৰ জীৱনৰ দুই এটা সামান্য ঘটনাকে সজাই পৰাই গল্প তৈয়াৰ কৰি পেলাইছিল। কাৰোবাৰ আগত কেতিয়াবা সেইবোৰ উলিয়ালে শশীমুখী বৰকৈ ঠেকত পৰে। প্ৰথমতে তাই সেইবোৰ মিছা কথা বুলি খুব চিঞৰি চিঞৰি কথা কাটিবলৈ চেষ্টা কৰে আৰু শেষত নোৱাৰা যেন হলে কোঠাটোৰপৰা ওলাই লৰ মাৰে। মাজে মাজে তায়ো বিনয়ৰ জীৱনৰ ঘটনাবোৰ বিকৃত কৰি নানান ধৰণৰ নোহোৱা নোপজা সাধু কথা সাজিবলৈ যত্ন কৰে—কিন্তু কথা যোবোৱাত তাইৰ বিনয়ৰ দৰে হাত নথকাত এই বিষয়ত তাই টিকিব পৰা নাছিল।

সেইবোৰ যিয়েই নহওক আগে পিচে বিনয় এইখন ঘৰলৈ আহিলেই শশীমুখীয়ে দহোৰন কাতিকৈ থৈ সদায় তাৰ লগত লাগিবলৈ লৰি আহে। একো একো দিনা এনে উৎপাতখন কৰে যে আনন্দময়ীয়ে তাইক ভবিয়াই হে খেদিবলগীয়া হয়। অকল তাইৰ গাতেই সকলো দোষ জাপি দিব নোৱাৰি। বিনয় হ'ল এটা উচটাই জোল খোৱা মানুহ। সি তাইক এনে ধৰণে উচটাই দিয়ে যে তাই আৰু নিজকে চম্ভালি ৰখাটো টান হৈ পৰে। সেই শশীমুখীয়েই আজি বিনয়ক দেখি এনেদৰে পলাই যোৱাত আনন্দময়ীয়ে হাঁহিলে, কিন্তু সেই হাঁহি আনন্দৰ হাঁহি নহয়।

এই সামান্য কথাটোৱে বিনয়কো ইমান আঘাত দিলে যে কিছুপৰ সি একেবাৰে নিমাত হৈ পৰিল। বিনয়ে শশীমুখীক বিয়া কৰোৱাটো যে কিমান অসঙ্গত, সেইটো এনেকুৱা সৰু-সুৰা ঘটনাৰ মাজেদিয়েই ফুটি ওলাবলৈ ধৰিলে। এই বিয়াখনত মত দিওঁতে বিনয়ে তাৰ লগত গোৰাৰ বন্ধুত্বৰ কথাহে মাথোন ভাবিছিল। ঘটনাটোক এইদৰে চালি-জাৰি চোৱা নাছিল। তাৰোপৰি আমাৰ দেশত বিয়া যে দৰাৰ নহয়, পাৰিবাৰিক হে এই বিষয়ে বিনয়ে বহুতো প্ৰবন্ধ কাগজত লিখিছে আৰু গৌৰৱো কৰে। নিজেও বিয়া বিষয়ে কোনো নিজৰ গাইগুটীয়া ইচ্ছা বা অনিচ্ছা কেতিয়াও মনলৈকে অনা নাই। আজি শশীমুখীয়ে তাক দেখি নিজৰ দৰা বুলি লাজতে জিভা উলিয়াই পলাই যোৱাৰ কাৰণে শশীমুখীৰ লগত ভবিষ্যতে হবলগীয়া সম্বন্ধৰ এটা ৰূপ সি দেখা পালে। এক নিমিষতে তাৰ গোটেই অন্তৰখন বিদ্ৰোহী হৈ উঠিল। গোৰাই তাক তাৰ স্বভাৱৰ ওভোত্ৰ বাটেদি ইমান দূৰলৈ যোৱা দেখি পেটে পেটে তাৰ গোৰাৰ ওপৰত ভীষণ খং উঠিল আৰু নিজকো সি গৰিহণা দিলে। আনন্দময়ীয়ে তাক প্ৰথমৰেপৰা

এই বিয়াখন পাতিবলৈ হাক দিয়াৰ কথা শুনি তেখেতৰ সম্প্ৰদায়ৰ প্ৰতি তাৰ মন বিস্ময় আৰু ভক্তিৰে পূৰ হৈ উঠিল।

আনন্দময়ীয়ে বিনয়ৰ মনৰ ভাবটোৰ উমান পালে। তাৰ মনটো পাতলাবৰ বাবে তেখেতে ক'লে,—"বিনয়, কালি মোৰ গোৰাৰপৰা এখন চিঠি পাইছোঁ।"

বিনয়ে অলপ অন্যমনস্ক হৈয়েই সুধিলে,—"সি নো কি লিখিছে?"

আনন্দময়ীয়ে ক'লে,—"নিজৰ বিষয়ে বিশেষ একো লিখা নাই। দেশৰ দুখীয়া মানুহবোৰৰ দুখ-দুৰ্গতি দেখি বেজাৰতে বহু কথা লিখিছে। ঘোষপাৰা নামৰ কোনোবা এখন গাঁৱত ৰবচাহাবে কিবা অন্যায় কৰাৰ কথাও লিখিছে।"

গোৰাৰ ওপৰত খং উঠি থকাৰ বাবেই কথাষাৰ শুনা মাত্ৰকে বিনয়ে অধৈৰ্য্য হৈ ক'লে,—"গোৰাৰ মাথোন সেই ওপৰৰ ফালেই চকু, আৰু ইফালে আমি সমাজৰ বুকুৰ ওপৰত বহি সদায় বিবোৰ অপকৰ্ম্ম, অত্যাচাৰ কৰি থাকোঁ সেইবোৰক হ'লে সিহঁতে ক্ষমা কৰিব লাগিব, সেই অপকৰ্ম্ম বোৰকো সৎকাম বুলিহে কব লাগিব।"

হঠাতে বিনয়ে এইদৰে গোৰাৰ গাত দোষ দি তাৰ ওপৰত জকি উঠা দেখি আনন্দময়ীয়ে হাঁহিলে।

বিনয়ে ক'লে,—"আই, আপুনি হাঁহিছে, ভাবিছে যে বিনয়ৰ আকৌ খপহকৈ এইদৰে খং উঠিল কিয়? কিয় বাৰু মোৰ খং উঠিছে আপোনাক কওঁ শুনক। সুধীৰে সেইদিনা মোক নৈহাটি ষ্টেছনৰ তাৰ এজন বন্ধুৰ ঘৰলৈ লৈ গৈছিল। আমি শিয়ালদহ এৰাৰ লগে লগে বৰষুণ কণিকিয়াবলৈ ধৰিলে। তাৰ পিচত সোদপুৰ ষ্টেছনত আহি ৰেলখন ৰ'লহি। তাত দেখোঁ যে এজন চাহাবী সাজ-পাৰ পিন্ধা বঙালী ভদ্ৰলোকে ছাতি এটা মেলি ধৰি মৈণীয়েকক ৰেলৰপৰা নমালে। মৈণীয়েকৰ কোলাত এটা কেঁচুৱা। গাত লৈ থকা দগধা চেলেংখনেৰে কেঁচুৱাটোক কোনোমতে ঢাকি লৈ বেচেৰি মৈণীয়েকজনীয়ে ষ্টেছনৰ একাষে থিয় হৈ জাৰত আৰু লাজত কোঁচ মোচ খাই বৰষুণত তিতিবলৈ ধৰিলে। ইফালে মানুহজনে নিজে ছাতিটো মেলি লৈ মাল-বস্তু নমোৱাত লাগিল। মোৰ ছাটৃ কৰে মনলৈ আহিল যে আমাৰ এই গোটেইখন দেশতে, ৰ'দতেই হওক বা বৰষুণতেই হওক, ভদ্ৰই হওক বা অভদ্ৰই হওক কোনো তিৰোতা মানুহৰে মূৰৰ ওপৰত ছাতি নাই। যেতিয়াই দেখিলোঁ গিৰীয়েকে নিলাজৰ দৰে মূৰত ছাতি মেলি থিয় হৈ থকা আৰু মৈণীয়েকে কেঁচুৱাটোৰে সৈতে জিমাতে তিতি

থকা দেখিও কোনেও নিন্দা নকৰিলে আৰু গোটেই চৈত্যন্যৰ কোনেও এইটো কিবা এটা অন্যায় হৈছে বুলিও নেভাবিলে,তেতিয়াই মই প্ৰতিজ্ঞা কৰিলোঁ—আমি তিৰোতা মানুহক অত্যন্ত সমাদৰ কৰোঁ, সিহঁতক লক্ষ্মী বোলোঁ, দেৱী বোলোঁ, কিন্তু আজিৰপৰা হলে আৰু এনে মনেগঢ়া কাব্য কথা মই মুখলৈকে নানো। আমি দেশক মাতৃভূমি বুলি কওঁ, কিন্তু দেশৰ সেই নাৰী-মূৰ্ত্তিৰ মহিমা দেশৰ তিৰোতা মানুহৰ মাজেদি যদি নেদেখোঁ—আমাৰ দেশৰ তিৰোতা মানুহবোৰলৈ যদি আমি বুদ্ধিৰে, শক্তিৰে, কৰ্ত্তব্যবোধৰ দায়িত্বৰে পৈণত, সতেজ সবল ভাবেৰে নেচাওঁ—ঘৰত সদায় দুৰ্ব্বলতা, সঙ্কীৰ্ণতা আৰু অপৰিণতিৰেই যদি দেখোঁ, তেনেহলে কেতিয়াও আমি দেশখনক সম্পূৰ্ণৰূপে উপলব্ধি কৰি নোৱাৰিম।"

নিজৰ উত্তেজনাত হঠাতে লাজ পাই বিনয়ে স্বাভাৱিক সুৰেৰে ক'লে,—"আই আপুনি নিশ্চয় ভাবিছে যে বিনয়ে মাজে মাজে এইদৰে বৰ বৰ কথা কৈ বক্তৃতা দিয়ে, আজিও তাৰ প্ৰাত আকৌ তেনে ধৰণৰ বায়ু লক্ষিত হবপায়। অভ্যাসতে মোৰ কথাবোৰেই কিন্তু বক্তৃতাৰ দৰেহে যায়। আজি হ'লে মই বক্তৃতা দিয়া নাই। দেশৰ মাইকী মানুহবোৰে যে দেশৰ কিমানখিনি ঠাই আগুৰি থাকে এই কথা মই আগতে ভালদৰে বুজিবই নোৱাৰিলোঁ, এই বিষয়ে কেতিয়াও মই ভবাই নাছিলোঁ। আই, মই আৰু বেচি নবকোঁ। মই বেচি কথা কওঁ দেখি কোনো কোনোৱে আকৌ মোৰ কথাবোৰ মোৰ নিজৰ কথা বুলি বিশ্বাসেই কৰিব নোখোজে। এই-বোৰৰপৰা বেচিকৈ বকা স্বভাৱটো এৰিবহে লাগিল।"

এই বুলি কৈ বিনয়ে আৰু পলম নকৰি উৎসাহ ভৰা অন্তৰেৰে গুচি গ'ল গৈ।

আনন্দময়ীয়ে মহিমক মতোৱাই আনি ক'লে,—"বোপাই, বিনয়ৰ লগত আমাৰ শশীমুখীৰ বিয়াখন হব নোৱাৰে।"

মহিম,—কিয়? আপোনাৰ মত নাই নে কি?

আনন্দময়ী,—এই সম্বন্ধ শেষলৈকে নিটিকিব বুলিয়েই মোৰ অমত। নহলেনো মত নিদিম কিয়?

মহিম,—গোৰাও মান্তি হৈছে, বিনয়ো মান্তি হৈছে, এতিয়া আকৌ নিটিকিবলৈ কি আছে? অৱশ্যে আপুনি মান্তি নহলে বিনয়ে বিয়া নকৰাব বুলি মই জানো।

আনন্দময়ী,—মই তোমাতকৈ বিনয়ক বেচি ভালকৈ চিনি পাওঁ।

মহিম,—গোৰাতকৈয়ো নে?

আনন্দময়ী,—ওঁ, গোৰাতকৈয়ো ভালকৈ চিনি পাওঁ। সেইবাবেই সকলো পিনৰপৰা ভাবি চিন্তি চাই এই বিয়াখনত মই মত দিব পৰা নাই।

মহিম,—বাৰু, গোৰা উভতি আহকচোন।

আনন্দময়ী,—মহিম, মোৰ কথা শুনা। এই বিষয়ে আৰু বেচি জোৰ কৰিলে শেষত এটা গোলমালহে হবগৈ। গোৰাই এই বিষয়ে বিনয়ক আৰু কিবা কোৱাটো মই ভাল নেদেখোঁ।

"বাৰু ভাবি চাম"—এই বুলি মহিমে মুখত এখন ডাঙৰ গম্ভীৰতাই খণ্ডৰে কোঠাটোৰপৰা ওলাই গ'ল গৈ।

২৬

গোৰা ভ্ৰমণ কৰিবলৈ ওলাই যাওঁতে অবিনাশ, মতিলাল, বসন্ত আৰু ৰমাপতি—তাৰ এই চাৰিওজন লগৰীয়া গৈছিল। কিন্তু গোৰাৰ আকটা উৎসাহৰ লগত সিহঁতে আৰু শেষলৈকে তাল ৰাখিব নোৱাৰিলেগৈ। অবিনাশ আৰু বসন্তই বেমাৰৰ ভাও ধৰি চাৰি পাঁচ দিনমানৰ পিচতে কলিকতালৈ উভতি আহিল। একমাত্ৰ মাথোন গোৰাক ভক্তি কৰা হেতুকেই মতিলাল আৰু ৰমাপতিয়ে তাক অকলে এৰি গুচি আহিব নোৱাৰিলে। ল্যভৰ মুখত সিহঁতৰ কষ্টৰ আৰু সীমা-সংখ্যা নোহোৱা হ'ল। কাৰণ গোৰাৰ গৈ গৈয়ো ভাগৰ নেলাগে, আকৌ কেতিয়াবা কৰবাত গোজপুতি ৰহি থাকিও আমনি নেপায়। গাঁৱৰ যি ঘৰ মানুহেই গোৰাক বামুণ বুলি ভক্তি কৰি ঘৰত ৰাখিছে, খোৱা-বোৱা, থকা-মেলাৰ হেজাৰ অসুবিধা হলেও গোৰাই সেইখন ঘৰতে নিৰ্ব্বিবাদে দিনৰ পিচত দিন পাৰ কৰি দিছে। তাৰ কথা-বতৰা শুনিবলৈ নিতৌ গাঁৱৰ বহুত মানুহ আহি তাক বেৰি ধৰেহি। সিহঁতে তাক সহজে এৰিকে দিব নোখোজে।

ভদ্ৰ সমাজ, শিক্ষিত সমাজ আৰু কলিকতাৰ সমাজখনৰ বাহিৰে আমাৰ দেশখন যে কেনেকুৱা, গোৰাই এইবাৰহে প্ৰথম বুজি পালে। এই নিজান, বিশাল গাঁৱলীয়া ভাৰতবৰ্ষখন যে কিমান ভাগ ভাগ, কিমান ঠেক, কিমান বল নোহোৱা—এই ভাৰতবৰ্ষখন যে নিজৰ শক্তিৰ বিষয়ে কিমান চেলাগুপতা, আৰু নিজৰ মঙ্গলৰ বিষয়েও কেনেকুৱা অজ্ঞ আৰু উদাসীন—

প্ৰতি দহ বাৰ মাইলৰ আঁতৰে আঁতৰে ইয়াৰ সামাজিক ৰীতি-নীতিয়েই নো কিমান বেলেগ বেলেগ—পৃথিৱীৰ ডাঙৰ কৰ্মখনিৰ লগত যোগ মিলাবলৈ এই ভাৰতবৰ্ষখন যে কিমান পিছপৰা আৰু মনেপতা বাধাৰে পৰিপূৰ্ণ—সৰু কথাকেই যে এই ভাৰতবৰ্ষখনে কিমান ডাঙৰ বুলি ভাবে আৰু সংস্কাৰ মাত্ৰকে যে কিমান দৃঢ় ভাৱেৰে বিশ্বাস কৰে—এইখন দেশৰ মন যে কিমান টোপনি-গধুৰ, প্ৰাণ যে কিমান ক্ষুদ্ৰ, চেষ্টা যে কিমান বল নোহোৱা—এইবোৰ গোৰাই গাঁৱত এইদৰে নথকা হলে কোনোদিনেই কেতিয়াও ভাবিবকে নোৱাৰিলেহেঁতেন। এবাৰ গোৰা কোনোবা এখন গাঁৱত থাকোঁতে সি থকা চুবুৰীটোত কেনেবাকৈ জুই লাগিছিল। ইমান ডাঙৰ এটা বিপদতো সকলো গাঁৱলীয়া বাইজ একগোট হৈ বিপদৰপৰা উদ্ধাৰ পাবলৈ যেনে-তেনে চেষ্টা কৰাৰ শক্তিত যে কিমান ক্ষুদ্ৰ, তাকে দেখি গোৰা আচৰিত হৈ গৈছিল। আটাইখনে হুলস্থূল, দৌৰাদৌৰি, কান্দোন-কাটোন কৰাত হে লাগিল, কিন্তু কামত-অহা কাম একোকেই কৰিব নোৱাৰিলে। সেই চুবুৰীটোৰ ওচৰে পাজৰে কতো পুখুৰী বা নাদ এটাও নাছিল। তিৰোতা মানুহবোৰে বহুতো আঁতৰৰপৰা পানী কঢ়িয়াই আনি ঘৰুৱা কাম-কাজবোৰ কোনোমতে চলায়, অথচ এনেকুৱা এটা নিতৌ অসুবিধা থকা স্বত্বেও গাঁওখনৰ হাত-দীঘল মানুহবোৰেও কম খৰচতে নাদ এটা খন্দোৱাৰ কথা মনলৈকে নানিছিল। ইয়াৰ আগতেও এই চুবুৰীটোত বোলে মাজে মাজে কেবাবাৰো জুই লাগিছে। বাইজে সেইবোৰ দৈৱৰ লিখন বুলিয়েই হাত সাৰটি বহি আছিল। ওচৰতে কৰবাত পানীৰ ব্যৱস্থা কৰি থোৱাৰ কথাও সিহঁতে কেতিয়াও ভবা নাই। নিজৰ ঘৰখনৰ অতি লাগতিয়াল কথাবোৰৰ বিষয়েও যিবোৰ মানুহৰ বোধশক্তি এনে আচৰিত ধৰণে কম, সিহঁতৰ আগত সমগ্ৰ দেশখনৰ সমস্যা আলোচনা কৰিবলৈ যোৱাটো গোৰাই এটা অতি বিদ্ৰূপৰ কথা বুলি ভাবিলে। তাৰোপৰি মতিলাল আৰু ৰমাপতিয়ে যেতিয়া এইবোৰ দৃশ্য আৰু ঘটনা দেখি নাম মাত্ৰও বিচলিত নহ'ল, বৰঞ্চ গোৰাই খেদ কৰাটোহে অসঙ্গত বুলি ভাবিলে, গোৰা তেতিয়াহে বেছি আচৰিত হ'ল। নীচ মানুহে এনে কাম কৰেই, সিহঁতে এইদৰেই ভাবে, এইবোৰ কষ্টক সিহঁতে কষ্ট বুলিয়েই নেভাবে। নীচ মানুহবিলাকে ইয়াতকৈ আৰু বেছি কিবা কৰিব পৰাটো সিহঁতে নিজেই ভাবিবলৈকো টান পায়। এই অজ্ঞতা, জড়তা আৰু 'দুখৰ বোজা যে কিমান ভয়ঙ্কৰ ডাঙৰ আৰু এই বোজাই যে আমাৰ শিক্ষিত-অশিক্ষিত, ধনী-দুখীয়া আটাইকে কঁকাল ভেঁকা কৰি পেলাইছে, প্ৰত্যেককে প্ৰতি খোজতে বাধা দিছে,

এই কথা আজি ইমান কট্‌কটায়াকৈ বুজিব পাৰি গোৰাৰ অন্তৰ বাতিয়ে দিনে দহিবলৈ ধৰিলে।

ঘৰৰপৰা কাবোবাৰ বেমাৰ হোৱাৰ খবৰ অহা বুলি মহিমালে বিদায় ল'লে। গোৰাৰ লগত ৰমাপতি হে মাথোন অৱশিষ্ট থাকিল গৈ।

দুয়ো গৈ গৈ নদীৰ কাষৰ এটা মুছলমান চুবুৰীত আহি ওলালহি। কাবোবাৰ ঘৰত আলহী হোৱাৰ আশাত গোটেই গাঁওখনত বিচাৰি চলাথ কৰি শেষত মাথোন এঘৰ হিন্দু নাপিতৰ ঘৰ পালেগৈ। দুই বামুণে তেওঁৰ ঘৰতে আশ্ৰয় লবলৈ গৈ দেখে যে বুঢ়া নাপিত-নাপিতনীয়ে এটা মুছলমান ল'ৰা তুলিছে। ৰমাপতি আকৌ বৰ ভকত আছিল। সি মুছলমান ল'ৰা দেখিয়েই একেবাৰে দাং খাই উঠিল। এনেকুৱা অনাচাৰ কৰাৰ কাৰণে গোৰাই নাপিতক ডাবি দিয়াত সি কলে,—"দেউ, আমি বোলো হৰি, সিহঁতে বোলে আল্লা, আৰু তো একো প্ৰভেদ নাই।"

তেতিয়া ব'দ চোকা হৈ উঠিছে—চাৰিওকালে বালিৰ বহল চাপৰি, নদী বহুতো আঁতৰত। ৰমাপতিয়ে পিয়াহত আতুৰ হৈ সুধিলে,—"হিন্দুৱে খোৱা পানী ক'ত পোৱা যাব?"

নাপিতৰ ঘৰত এটা কেঁচা নাদ আছিল, কিন্তু অনাচাৰীৰ সেই নাদৰ পৰা পানী খাব নোৱাৰি। ৰমাপতিয়ে মুখ শুকুৱাই বহি থাকিল।

গোৰাই সুধিলে,—"এই লৰাটোৰ মাক-বাপেক নাই নে কি?"

নাপিতে কলে,—"দুয়োজনেই আছে, কিন্তু নথকাৰ দৰেই।"

গোৰাই সুধিলে,—"কেনেকৈ?"

নাপিতে কোৱা ঘটনাটো হ'ল এইটো—

যিখন জমিদাৰীত ইহঁত আছে সেইখন হ'ল নীল ব্যৱসায়ী চাহাবহঁতৰ পাৰ্[illegible]। নীল খেতিৰ বাবে মাটিৰ কাৰণে প্ৰায় সদায়েই বায়তবোৰৰ লগত নীলকুঠীৰ কাজিয়া লাগিয়েই থাকে। আন আটাইবোৰ বায়ত বশ মানিছে গৈ, মাথোন এই চাপৰি ঘোষপুৰ গাঁৱৰ বায়তবোৰক হে এতিয়াও চাহাবে শাসনাধীন কৰিব পৰাগৈ নাই। ইয়াৰ বায়ত প্ৰায় আটাইবোৰেই মুছলমান আৰু ইহঁতৰ মুখিয়াল ফৰুচৰ্দ্দাৰে কাকো কেৰেপকে নকৰে। নীলকুঠীৰ উৎপাতত সি দুবাৰো পুলিচক কোবাই জেল খাটি আহিছে। তাৰ অৱস্থা বৰ্ত্তমানে এনেকুৱা হৈছে যে এতিয়া ঘৰত খাবলৈ তাৰ খুদকণ এটিও নাই বুলিলেই হয়। কিন্তু তথাপিও সি মুৰ দোঁৱাব নেজানে। এইবাৰ নদীৰ চাপৰিত খেতি কৰি এইখন গাঁৱৰ মানুহে কিছু আহধান চপাইছিল— আজি এমাহমান হ'ল নীলকুঠীৰ মেনেজাৰ চাহাবে নিজে লগত বহুতো

লাঠীয়াল লৈ আহি বাৰত্তৰ থান লুটপাট কৰেছি। সেই গণ্ডগোলত কৰু চৰ্দাৰে চাহাবৰ সৌহাতত লাঠিৰে এনে এটা মাৰমাৰ শোধাইছিল যে চাহাবে ডাক্তৰখানালৈ গৈ সেই হাতখন কটোৱাই পেলাই দিহে সকাহ পাইছিল। এনে ডাঙৰ এটা পেটতে হাত-ভৰি লুকুৱা ঘটনা এই অঞ্চলত আৰু কেতিয়াও হোৱা নাছিল। ইয়াৰ পিচঁৰপৰাই চুৰুৰিয়ে চুৰুৰিয়ে পুলিচৰ জুলুম জুই লগাদি লাগিবলৈ ধৰিলে। বায়তবোৰ সৰ্ব্বস্বান্ত হ'ল—ঘৰৰ জীয়ৰী-বোৱাৰীহঁতৰ মান-সন্মান আৰু নোবোৱাত পৰিল। কৰু চৰ্দাৰ আৰু আন বহুতো মানুহক হাজোতত থোৱা হৈছে। গাঁৱৰ বহুতো মানুহ পলাই গৈছে গৈ। ফৰুৰ ঘৈণীয়েক আজি পথৰ ভিখাৰী, আন কি তাই পিন্ধি থকা কাপোৰ ডোখৰবো আজি এনে দশা হৈছে যে তাই ঘৰৰ বাহিৰলৈকে ওলাব নোৱাৰে। সিহঁতৰ একমাত্ৰ শিশু পো তমিজে নাপিতৰ ঘৈণীয়েকক গাওঁ সম্বন্ধীয়া মাহী বুলি মাতে; সি খাবলৈ নেপাই মৰিবলৈ ওলোৱা দেখি নাপিতৰ ঘৈণীয়েকে তাক নিজৰ লগলৈ লৈ আহি পুহিছেহি। তিনি মাইল আঁতৰত নীলকুঠীৰ এখন কাছাৰী ঘৰ আছে। এজন দাৰোগা এতিয়াও তাৰ দলবল লৈ তাতেই আছে। তদন্তৰ বাবে তেওঁ গাঁওখনলৈ কেতিয়া যে আহে, কি যে কৰে—তাৰ একো ঠিক নাই। কালি নাপিতৰ ওচৰচুবুৰীয়া বুঢ়া নাজিমৰ ঘৰত পুলিচৰ আবিৰ্ভাৱ হৈছিল। নাজিমৰ এজন ডেকা খুলশালীয়েক আন গাঁৱৰপৰা বায়েকৰ লগত দেখা কৰিবলৈ আহিছিল। দাৰোগাই একেবাৰে বিনা কাৰণতে 'এইটোৰে আকৌ বৰ ডেকা হোলাবলৈ আহিছে, ইয়াৰ কলিজা দেখিছনে?'—এইবুলি হাতৰ লাঠীডালেৰে তাক এনে এটা খোচ মাৰি দিলে যে তাৰ দাঁত ভাঙি তেজ ওলাই গ'ল। বায়েকে এনেকুৱা অত্যাচাৰ দেখি নৰি আহোঁতে দাৰোগাই সেই বুঢ়ী গৰাকীকো ঠেলা মাৰি পেলাই দিলে। আগতে পুলিচে চুবুৰিটোত এইদৰে উপদ্ৰৱ কৰিবলৈ সাহ নকৰিছিল, কিন্তু এতিয়া গাঁৱৰ আটাইবোৰ ডেকা আৰু মতামানুহ হয় গ্ৰেপ্তাৰ হৈছে, নহয় পলাই গৈছে। সেই পলাই যোৱাবোৰক বিচৰাৰ চেলু লৈয়ে পুলিচে এতিয়াও অত্যাচাৰ কৰিয়েই আছে। কেতিয়া যে এই কু-গ্ৰহ আঁতৰিব, কব নোৱাৰি।

গোৰা তো উঠিবই নোখোজে, ইফালে বৰাপাতিৰ থাতু বাওঁ বাওঁ। সি নাপিতৰ মুখৰ ইতিবৃত্ত শেষ নোহওঁতেই সুধিলে,—"হিন্দু-চুবুৰিলৈ ইয়াৰপৰা কিমান দূৰ?"

নাপিতে কলে,—"ইয়াৰপৰা তিনি মাইলমান দূৰৈত নীলকুঠীৰ কাছাৰী আছে। কাছাৰীৰ তহচিলদাৰজন ব্ৰাহ্মণ মানুহ, নাম মাধৱ চেটাৰ্জ্জী।"

গোৰাই সুধিলে,—"স্বভাৱটো একা ?"

নাপিতে কলে,—"যমদূতে বুলিলেও হয়। এনেকুৱা নিদাৰুণ আৰু সিয়ান মানুহ সংসাৰত কিজানি আৰু নায়েই। এই যে আজি এমাহে দাৰোগাক ঘৰত পুহিছে তাৰ আটাইবোৰ খৰচ আমাৰপৰাই আদায় কৰি লব—আৰু লগে লগে লাভো খাব।"

বৰদাপতিয়ে কলে,—"গৌৰ কৰাইদেউ। ব'লক। থাকিব নোৱাৰা হৈছোঁ আৰু।" বিশেষকৈ জেনেতে নাপিতনীয়ে মুছলমান লৰাটোক চোতালৰ্লৈ আনি নাদৰ পাৰত থিয় কৰাই লৈ নাদৰপৰা পানী তুলি গা ধুৱাবলৈ ধৰা দেখি তাৰ ৰব খং উঠিল। এইখন ঘৰত আৰু বহি থকাটোও তাৰ কাৰণে একেবাৰে অসহ্য হৈ উঠিল।

গোৰাই বাবৰ পৰত নাপিতক সুধিলে,—"ইমান অত্যাচাৰৰ মাজত তুমি ইয়াত কেনেকৈ টিকি আছা ? আন ঠাইত ক'তো তোমাৰ কোনো বগা ভগা নাই নে কি ?"

নাপিতে কলে,—"আজি বহুদিন ধৰি মই ইয়াতে আছোঁ। ইয়াৰ মানুহবোৰৰ ওপৰত মোৰ মৰম লোমাই গৈছে। মই হিন্দু নাপিত, মোৰ সা-সম্পত্তি একো নাই বুলিয়েই কুঠিৰ মানুহে মোৰ গাত হাত নিদিয়ে। আজি এই চুবুৰিটোত মতা মানুহ বুলিবলৈ আৰু বিশেষ আন কেও নাই, ময়ো যদি যাওঁ গৈ, তিৰোতা মানুহবোৰ ভয়তে পেপুৱা লাগিব।"

গোৰাই কলে,—"বাৰু, খাই বৈ উঠি মই আকৌ আহিম।"

ভোকত কলমলাই আৰু পিয়াহত অণ্ঠ-কণ্ঠ শুকুৱাই নীলকুঠীৰ অত্যাচাৰৰ এই দীঘলীয়া বিৱৰণ শুনিবলগীয়া হোৱাত বদাপতিৰ গাঁৱৰ মানুহবোৰৰ ওপৰতহে খং উঠিল। বদমাচহঁতে বলৱানৰ বিৰুদ্ধে মূৰ দাঙিব খোজে। বদাপতিয়ে এইবোৰ কাম গাঁৱৰ মুছলমানবোৰৰ দাম্ভিকতা আৰু মূৰ্খামি বুলিয়ে ভাবিলে। যথোচিত শাসনদ্বাৰা ইহঁতৰ এই উদ্ধতালি ছুই হোৱাটোৱেই যে ভাল—ইয়াত আৰু তেওঁৰ অকণো সন্দেহ নাছিল। এই ধৰণৰ বদমাচবোৰৰ ওপৰত পুলিচে জুলুম কৰেই আৰু কৰিবলৈ বাধ্যও হয়। এইবোৰ জুলুমৰ গুৰিত ইহঁত নিজেই অপৰাধী বুলি বদাপতিৰ ধাৰণা। মালিকৰ লগত মিট্‌মাট্ কৰি পেলালেইচোন হয়—গণ্ডগোলখন লৈ আকৌ লগাবলৈ যায় কিয় ? পিচে সেই তেজৰ তমাক কলৈ গ'ল ? কবলৈ গ'লে বদাপতিৰ অন্তৰৰ সহানুভূতি নীলকুঠীৰ চাহাবৰ প্ৰতিহে আছিল।

তাৰ দুপৰীয়া ভাগত মালিয়া ওপজেৰি হৈ থকোঁতেই গোৰাই ওভেৰকোট

এটা কথাও নকলে। অৱশেষত গছ-গছনিৰ মাজেদি কাছাৰী ঘৰৰ চাকিশল দেখাৰ লগে লগে গোৰাই হঠাতে কলে,—"ৰমাপতি, তুমি থাই বৈ লোৰ্ৰ'গৈ। মই সেই নাপিতৰ ঘৰলৈ যাওঁ।"

ৰমাপতিয়ে কলে,—"এইটো আকৌ কি কথা? আপুনি জানো ভাত পানী লেখায়? চেটাৰ্জীৰ ঘৰত থাই বৈ উঠি আকৌ নাপিতৰ ঘৰলৈ যাব বাক।"

গোৰাই কলে,—"মোৰ কৰিবলগীয়া মই কৰিম। এতিয়া তুমি খাই বৈ উঠি কলিকতালৈ গুচি যোৱাগৈ। এই ঘোষপুৰ চাপৰিত মই কিজানি কিছুদিন থাকিব লাগিব। কিন্তু তুমি আৰু থাকিব নোৱাৰিবা।"

ৰমাপতিৰ গা জিকাৰ খাই উঠিল। গোৰাৰ দৰে ধৰ্ম্মপ্ৰাণ হিন্দুৱে কোন মুখেৰে সেই ম্লেচ্ছৰ ঘৰত থকাৰ কথা উচ্চাৰণ কৰিলে—এই কথা সি বুজিব নোৱাৰিলে। গোৰাই সকলো খোৱা-বোৱা বাদ দি একেবাৰে লঘোনে থকাৰ কথাই ভাবিছে নে কি? কিন্তু এতিয়া আৰু এইবোৰ কথা ভাবি চিন্তি থকাৰ সময় নহয়। এটা এটা মুহূৰ্ত্তই ৰমাপতিৰ মনত এটা এটা যুগ যেন লাগিছিল। গোৰাৰ লগ এৰি কলিকতালৈ পলাবৰ বাবে তাক আৰু ইয়াতকৈ একো বেচি কবলগীয়া নহল। মুহূৰ্ত্তৰ বাবে ৰমা-পতিয়ে গোৰালৈ চালে—গোৰাৰ সুদীৰ্ঘ দেহে চুটি ছাঁয়া এটিৰ সৈতে ভৰ দুপৰৰ খাওঁ খাওঁ ব'দটো মুৰত লৈ জনশূন্য তপত বালিৰ মাজেদি অকলে অকলে উভতি গৈ আছে।

ভোকে-পিয়াহে গোৰাক হেঁচা মাৰি ধৰিছিলহি। কিন্তু বদমাচ অন্যায়কাৰী মাধৱ চেটাৰ্জীৰ ঘৰত ভাত খাই হে জাত ৰাখিব লাগিব— এই কথাষাৰ সি যিমানেই ভাবিছিল সিমানেই তাৰ অসহ্য লাগিছিল। তাৰ চকু-মুখ ৰঙা পৰি মুৰ তপত হৈ মনত এটা ভীষণ বিদ্ৰোহ উপজিল। সি ভাবিলে, 'পবিত্ৰতাক এটা মাত্ৰ বাহিৰা বস্তু কৰি ভাৰতবৰ্ষত আমি কি ভয়ঙ্কৰ অধৰ্ম্ম কৰিছোঁ। জুলুম মাতি আনি মুছলমানক যিটো মানুহে অত্যাচাৰ কৰিছে, তাৰ ঘৰতহে মোৰ জাত ৰয় আৰু সেই জুলুম মুৰ পাতি লৈ মুছলমানৰ লৰাক যিজনে ৰক্ষা কৰিছে আৰু সমাজৰ নিন্দাও যিজনে গা পাতি লবলৈ প্ৰস্তুত হৈছে তেওঁৰ ঘৰত মোৰ জাত লেখাকিম। যিয়েই নহওক লাগে, এই আচাৰ-বিচাৰ, ভাল-বেয়াৰ কথা পিচতো ভাবিম, এতিয়া আৰু ভাৱিব নোৱাৰোঁ।'

নাপিতে গোৰাক অকলে উভতি অহা দেখি আচৰিত হৈ গ'ল। গোৰা আহিয়েই প্ৰথমে নাপিতৰ মটোটো নিজে মাজি ধুই লৈ [illegible]

পানী তুলি খালে আৰু তাৰ পিচত কলে,—"ঘৰত চাউল দালি আছে যদি দিয়া, মই নিজে ৰান্ধি খাম।" নাপিতে তথা-নথা ছিঙি ৰন্ধা-বঢ়াৰ জা-যোগাৰ কৰি দিলে। গোৰাই খাই বৈ উঠি কলে,—"মই তোমাৰ ইয়াতে দুদিনমান থাকিম।"

নাপিতে ভয় খাই হাত জোৰকৈ কলে,—"আপুনি এই অধমৰ ঘৰত থাকিব, ইয়াতকৈ সৌভাগ্য মোৰ আৰু একেবাৰেই নাই। কিন্তু চাওক, মোৰ ওপৰত পুলিচৰ চকু পৰিছে। আপুনি ইয়াত থাকিলে আকৌ বা কি বিপদ ঘটে, কব নোৱাৰি।"

গোৰাই ক'লে,—"মই ইয়াত থাকিলে পুলিচে কোনো অত্যাচাৰ কৰিবলৈ সাহ নকৰে। যদি কৰে, মই তোমালোকক ৰক্ষা কৰিম।"

নাপিতে ক'লে,—"আপোনাৰ ভৰিত ধৰিছোঁ, আপুনি আমাক ৰক্ষা কৰিবলৈ যত্ন কৰিলে আমি আৰু ৰক্ষা নেপাম। বদ্মাচ্‌হঁতে ভাবিব মযেই চক্ৰান্ত কৰি আপোনাক মাতি আনি সিহঁতৰ বিৰুদ্ধে সাক্ষী যোগাৰ কৰিছোঁ। অতদিনে কোনো ৰকমে টিকি আছিলোঁ। তেতিয়াহলে আৰু টিকিবই নোৱাৰিম। ময়ো ইয়াৰপৰা যাবলগীয়া হলে গোটেই গাঁওখনেই উছন হব।"

গোৰা চিৰদিন চহৰত থাকিয়েই ডাঙৰ দীঘল হৈছে। নাপিতে কিয় যে ইমান ভয় খাইছে, সেইটো তাৰ বাবে বুজি পোৱাই টান। ন্যায়ৰ কাৰণে হে জোৰকৈ থিয় দিলেই অন্যায়ৰ প্ৰতিকাৰ হয় বুলিয়েই সি অতদিনে জানিছিল। বিপদে আগুৰা গাঁওখনক এনে অসহায় অৱস্থাত এৰি থৈ যাবলৈ কোনো মতেই তাৰ কৰ্ত্তব্যবুদ্ধিয়ে সন্মতি নিদিলে। তেতিয়া নাপিতে তাৰ ভৰিত ধৰি ক'লে,—"চাওক, আপুনি বামুণ মানুহ, মোৰ কিবা পুণ্যৰ ফলত হে আপুনি মোৰ ঘৰত আজি আলহী হৈছেহি। আপোনাক যাবলৈ কোৱা সঁচাকৈয়ে মোৰ বৰ ডাঙৰ অপৰাধ হৈছে। কিন্তু আমাৰ প্ৰতি আপোনাৰ দয়া আছে বুলি জানো দেখিয়েই কৈছোঁ,— আপুনি মোৰ এই ঘৰত থাকি পুলিচৰ জুলুমত বাধা দিবলৈ গলে মোক আৰু বেচি ডাঙৰ বিপদতহে পেলোৱা হব।"

নাপিতৰ এই ভয়ক অমূলক কাপুৰুষতা বুলি ভাবি গোৰাই অলপ বিৰক্ত হৈয়েই আবেলি পৰত তাৰ ঘৰৰপৰা ওলাই আহিল। এই ম্লেচ্ছা-চাৰীৰ ঘৰত খোৱা-বোৱা কৰাৰ কথা ভাবি তাৰ মনটোও গধুৰ গধুৰ লাগিল। ভাগৰুৱা শৰীৰেৰে আৰু উত্তেজিত অন্তৰেৰে সন্ধিয়া পৰত সি নীলকুঠীৰ কাছাৰীত আহি ওলাল। খাই বৈ উঠি ৰমাপতিয়ে কলি-

কৃতাৰ্থে উভতি যাবলৈ এক চেকেণ্ডো পলম কৰা নাছিল। সেইবাবে গোৰাই আৰু তাক লগ নেপালে। মাধৱ চেটাৰ্জীয়ে বিশেষ খাতিৰ কৰি গোৰাক তেওঁৰ আলহী হবলৈ অনুৰোধ কৰিলে। গোৰাই খঙতে জ্বলি উঠি ক'লে,—"আপোনাৰ ইয়াত মই পানী এটোপাকো নেখাওঁ।"

মাধৱে আচৰিত হৈ কাৰণ সোধোঁতেই গোৰাই তেওঁক অত্যাচাৰী, অন্যায়কাৰী বুলি নানা টান কথা শুনাই দিলে আৰু আপবঢ়াই দিয়া আসন গ্ৰহণ নকৰি থিয় হৈয়ে থাকিল। দাৰোগা জনে খাট এখনত বহি গাকত আঁউজি হোকাত ধঁপাত খাই আছিল। তেওঁ পোন হৈ বহি ভেকাহি মাৰি সুধিলে,—"তুমি কোন হে? তোমাৰ ঘৰ ক'ত?

গোৰাই তেওঁৰ কথাৰ একো উত্তৰ নিদি ক'লে,—"তুমিয়েই হব পাই দাৰোগা? তুমি ঘোষপুৰ চাপৰিত যিবোৰ উৎপাত কৰিছা, সেই আটাই-বোৰৰ খবৰ মই পাইছোঁ। এতিয়াও যদি সাৱধান নোহোৱা তেনেহলে—"

দাৰোগা,—কাঁচী দিবা নে কি? উঃ মানুহটো তো কম নহয়? ভাবিছিলোঁ ভিক্ষা কৰিবলৈ আহিছে, কিন্তু ই দেখোন আকৌ চকুহে পকাইছে—। এই, তেৱাৰী।

মাধৱে ব্যগ্ৰ হৈ উঠি আহি দাৰোগাৰ হাতত ধৰি ক'লে,—"কি কৰা, কি কৰা? ভদ্ৰলোক, অপমান নকৰিবৰা।"

দাৰোগাই খঙতে জ্বলি-পকি ক'লে,—"কিহৰ ভদ্ৰলোক হে। তেওঁ যে তোমাক যিহকে মুখত আহিল তাকে ক'লে, সেইবোৰ হবপায় অপমান নহয়?"

মাধৱে ক'লে,—"তেখেতে কোৱা কথাবোৰ তো মিছা কথা নহয়,—এতিয়া খং কৰিলে নো কেনেকৈ হব? নীলকুঠীৰ চাহাবৰ গোমস্তা হৈ খাই লৈ আছোঁ। ইয়াতকৈ আৰু বেচি কিবা কোৱাৰ জানো প্ৰয়োজন আছে? খং নকৰিবা ভাই, তুমিতো পুলিচৰ দাৰোগা, তোমাক জানো যমৰ-দূত বুলিলে গালি পৰা হব? বাঘে মানুহ মাৰিয়েই খায়, সি তো বৈষ্ণৱ নহয়, এইটো তো জনা কথা। কিনো কৰিব, সি তো খাই লৈ জীয়াই থাকিবই লাগিব।"

বিনা দৰ্কাৰত মাধৱৰ খং উঠা আলিলৈকে কেৱে কেতিয়াও দেখা নাই। কোন মানুহৰপৰা কেতিয়া কি কাম পোৱা যায়, নাইবা অলপ পকালেই কাৰ যোগেদিয়েই বা আনৰ কি অপকাৰ সাধিব পাৰি সেইটো তো কব নোৱাৰি। কাৰোবাৰ অনিষ্ট বা অপমান কৰিবলগীয়া হলে মাধৱে যথেষ্ট ভাবে ভাবি-চিন্তিয়েই কৰে—খঙতে আনক আঘাত দি কেতিয়াও সি অনাহকত ক্ষমতাৰ অপব্যৱহাৰ নকৰিছিল।

দাৰোগাই তেতিয়া গোৰাক ক'লে,—"চোৰাঁ। বোপাই, আমি ইয়াত চৰকাৰৰ কাম কৰিবলৈ আহিছোঁ। তুমি যদি ইয়াত থিয়া কথা কোৱা বা গোলমাল কৰা, তেনেহলে কিন্তু বিপদত পৰিবা।"

গোৰাই একো উত্তৰ নিদি তাৰপৰা গুলাই গ'ল গৈ। মাধৱে লৰা-লৰিকৈ তাৰপৰা পিচে পিচে আহি ক'লেহি,—"আপুনি ঠিক কথাই কৈছে —আমাৰ কামবোৰ হ'ল কচাইৰ কাম। আৰু এইভাল দাৰোগা—এই বদমাচ পাট ইয়াৰ লগত একেখন আসনত বহিলেও পাপে ছোৱে। ইয়াৰ দ্বাৰা কিষানবোৰ যে অপকৰ্ম্ম কৰোৱাইছোঁ সেইবোৰ মুখলৈ আনিবই নোৱাৰি। আৰু বেচি দিন নহয়—দুই তিনি বছৰ মান কাম কৰিলেই ছোৱালী কেইজনী কোনো ৰকমে পাৰ কৰা সম্বলখিনি গোটাব পাৰোঁ। তাৰ পিচত আৰু আমি দুয়ো বুঢ়া-বুঢ়ীয়ে শেষৰ দিন কেইটা কাশীতে কটাম গৈ। বুজিছে, এইবোৰ আৰু ভাল নলগা হৈছে গৈ। মাজে মাজে ডিঙিত চিপ্‌জৰী লগাই মৰিবৰ হে মন যায়। বাৰু সেইবোৰ বিয়েই নহওক, এতিয়া পিচে ৰাতিখন আপুনি ক'লৈ যাবগৈ? ইয়াতেই খাই বৈ শুই থাকক। এই দাৰোগা বদমাচটোৰ ছাঁ টোকে গচকিব নেলাগে। আপোনাৰ কাৰণে মই আটাইবোৰ সুকীয়া বন্দোবস্ত কৰি দিম।"

গোৰাৰ ভোকটোও আনতকৈ অলপ বেচি। আজি দুপৰীয়াৰ সাজো ভালদৰে খোৱা নহ'ল। কিন্তু খঙত তাৰ গোটেই শৰীৰ জলি আছিল। সি কোনোৰকমেই তাত থাকিব নোৱাৰিলে, ক'লে,—"মোৰ অলপ দৰ্কাৰী কাম আছে।"

মাধৱে ক'লে,—"তেনেহলে অলপ ৰৰ, আপোনাৰ লগত এটা লেম দি দিওঁ।"

গোৰাই একোকে উত্তৰ নিদি বেগাই গুচি গ'ল গৈ।

মাধৱে উভতি আহি দাৰোগাক কলেহি,—"বুজিছা ভাই, মানুহটো চহৰলৈ গৈছে গৈ। এতিয়াই ৰৰচাহাবৰ ওচৰলৈ এটা মানুহ পঠিয়াই দিয়া।"

দাৰোগাই সুধিলে,—"কিয়? কিয় পঠাব লাগে?"

মাধৱে ক'লে,—"আন একো নহয়, এবাৰ মাথোন তেখেতক জনাব লাগে যে কবৰাৰপৰা এজন ভদ্ৰলোক আহি সাক্ষীবোৰ ভঙাবলৈ চেষ্টা কৰিছে।"

মেজিষ্ট্রেট ব্রাউন্‌লো চাহাব সেইদিনা আবেলি পৰত নদীৰ কাষৰ আলিয়েদি খোজকাঢ়ি ফুৰিবলৈ আহিল। লগত হাৰান মাষ্টৰ। তেখে-তৰ মেমে পৰেশ ভট্টৰ জীয়েক কেইজনীক লগত লৈ গাড়ীৰে কিছু দূৰলৈ ফুৰিবলৈ গৈছে।

ব্ৰাউন্‌লো চাহাবে মাজে সময়ে তেখেতৰ ঘৰৰ 'গার্ডেন পার্টি' লৈ বঙালী ভদ্ৰলোক দুই এজনকো নিমন্ত্ৰণ কৰে। জিলাৰ এন্‌ট্ৰেন্স্ স্কুলৰ পুৰস্কাৰ বিতৰণী সভা আদিত সদায় তেখেতেই সভাপতিৰ পদ গ্ৰহণ কৰে। কোনোবা আঢ্যৱন্ত মানুহৰ ঘৰলৈ বিয়াই সবাহে নিমন্ত্ৰণ কৰি-লেও তেখেতে সেই নিমন্ত্ৰণ ৰক্ষা কৰিছিল। আন কি যাত্ৰা ভাওনা আদিতো তেখেতে চকী এখন পাৰি লৈ অতি ধৈৰ্য্যৰে সৈতে বহি অলপ সময়ৰ বাবে হলেও সেইবোৰ চাইছিল। তেখেতৰ আদালতৰ চৰকাৰী উকিলৰ ঘৰত যোৱাবাৰ পূজাত যি দুটা চোকোৰাই যাত্ৰাত পানীৱালা আৰু মেতৰণীৰ ভাও লৈছিল, সিহঁতৰ ভাও দেখি তেখেতে বৰ সন্তোষ পাইছিল আৰু তেখেতৰ অনুৰোধক্ৰমেই সিহঁতে কেবাবাৰো সিহঁতৰ নিজৰ ভাওখিনিকে তেখেতৰ আগত অভিনয় কৰি দেখুৱাইছিল।

তেখেতৰ বৈণীয়েক কোনোবা মিচনাৰীৰ জীয়েক আছিল। সেই দেখি তেখেতৰ ঘৰত প্ৰায়েই মিচনাৰী ছোৱালীবোৰৰ চাহৰ নিমন্ত্ৰণ থাকে। তেখেতে এখন চহৰত ছোৱালীৰ স্কুলো খুলিছিল। সেই স্কুলখনত ছাত্ৰীৰ অভাৱ যাতে নহয় তাৰ বাবে তেখেতে যথেষ্ট চেষ্টা কৰিছিল। পৰেশ ভট্টৰ ঘৰৰ ছোৱালীবোৰৰ মাজত বিদ্যাশিক্ষাৰ চৰ্চা দেখি তেখেতে সিহঁতক সদায় উৎসাহ দিছিল। দূৰৈত থাকিলেও সিহঁতলৈ চিঠি-পত্ৰ লিখিছিল আৰু বৰদিনৰ সময়ত সিহঁতলৈ ধৰ্মগ্ৰন্থ উপহাৰ পঠিয়াইছিল।

মেলা বহিছে। সেই উপলক্ষে হাৰান মাষ্টৰ, সুধীৰ আৰু বিনয়ৰ লগত বৰদাসুন্দৰীয়ে আটাই কেইজনী জীয়েকক লৈ আহিছে। এওঁলোক আটাইখনকে ডাক-বঙলাত থাকিবলৈ দিয়া হৈছে। ভট্ট ডাঙৰীয়াই এনে-কুৱা গোলমালবোৰ সহ্য কৰিব নোৱাৰে। সেইবাবে তেখেতে অকলেই কলিকতাতেই ৰৈ গ'ল। সুচৰিতাই তেখেতৰ লগত থাকিবলৈ বহুতো যত্ন কৰিছিল, কিন্তু ভট্টই তাইক ম্যাজিষ্ট্ৰেট চাহাবৰ নিমন্ত্ৰণৰ কৰ্ত্তব্য পালন কৰি-বৰ বাবে বিশেষকৈ উপদেশ দি পঠিয়াই দিলে। অহা পৰহিলৈ ঘৰ-

চাহাবৰ ঘৰত ভোজৰ অন্তত কৰিচনাৰ চাহাব, দুৱলীয়া লাট আৰু তেখে-তৰ পৰিবাৰৰ সন্মুখত এটি সঙ্গীত সন্মিলনত পৰেশ ভট্টৰ জীয়েকহঁতে অভিনয়, আবৃত্তি, আদি কৰাটো স্থিৰ কৰা হৈছে। এইবোৰ চাবলৈ চহৰৰপৰা আৰু কলিকতাৰপৰা বৰচাহাবৰ বহুতো চাহাব বন্ধুও আহিছে। কেইজনমান বছা বছা বঙালী ভদ্রলোকো অহাৰ কথা আছে। তেওঁ-লোকৰ বাবে বাগিচাত তম্বু তৰি থোৱা হৈছে। আৰু তাত বামুণ বান্ধনি ৰাখি চাহ-জলপানৰো দিহা কৰা হব বুলি শুনা গৈছে।

হাৰান মাষ্টৰে অতি কম সময়ৰ ভিতৰতে বৰ বৰ কথাৰে বৰ চাহাবৰ মন মুহি পেলাইছিল। খৃষ্টান ধৰ্ম্মশাস্ত্রত হাৰানৰ অসাধাৰণ জ্ঞান দেখি চাহাব আচৰিত হৈ গৈছিল। আন কি, খৃষ্টান ধৰ্ম্ম গ্রহণ কৰিবলৈ হাৰানৰ মনত এতিয়াও কিয় সামান্য হলেও খুঁহুৰনি আছে এই কথাও চাহাবে হাৰান মাষ্টৰক সুধিছিল।

আজি আবেলিও নদীৰ কাষত ফুৰি থাকোঁতে তেখেতে হাৰান মাষ্টৰৰ লগত ব্রাহ্ম সমাজৰ কাৰ্য্য প্রণালী আৰু হিন্দু সমাজৰ সংস্কাৰ সাধনৰ বিষয়ে গভীৰ ভাৱে আলোচনা কৰিছিল। এনেতে গোৰাই "গুড্ ইভিনিং চাৰ" বুলি তেখেতৰ সন্মুখত ওলালহি।

কালি সি বৰচাহাবৰ লগত দেখা কৰিবলৈ গৈ গম পাই আহিছে যে চাহাবৰ দুৱাৰদলি পাৰ হবলৈ হলে পোনতে তেখেতৰ পিয়দাৰ মাচুল যোগাব লাগিব। এনেকুৱা দণ্ড আৰু অপমান স্বীকাৰ কৰিবলৈ অসন্মত হৈ আজি চাহাব ফুৰি থাকোঁতেই তেখেতৰ লগত সি দেখা কৰিবলৈ আহিছে। হাৰানৰ লগত গোৰাৰ চকুৱে চকুৱে পৰোঁতেও দুয়ো দুয়োকে নিচিনাৰ ভাও জুৰিলে।

মানুহটোক দেখি চাহাব অলপ আচৰিত হৈ গ'ল। এনেকুৱা ছ-ফুটওকৈয়ো ওখ হাড়-বলী, আচঁল মানুহ এই দেশত আৰু আগতে কেতি-য়াও তেখেতৰ দেখা মনত নপৰিল। এই মানুহটোৰ গাৰ বৰণো আন-বোৰ সাধাৰণ মানুহৰ দৰে নহয়। গাত এটা খাকি বৰণৰ পাঞ্জাবী, ধুতিখন দগধা আৰু লেতেৰা, হাতত এডাল বাঁহৰ টাঙোন, চেলেং এখন মূৰত পাগুৰিৰ দৰে পকাই লৈছে।

গোৰাই চাহাবক ক'লে,—"মই চাপৰি ঘোষপুৰৰপৰা আহিছোঁ।"

চাহাবে এক বিশেষ ধৰণৰ বিস্ময় প্রকাশ কৰিলে। ঘোষপুৰৰ তদন্ত কাৰ্য্যত এজন বিদেশীয়ে বাধা দিবলৈ অহাৰ খবৰ জানিয়েই তেখেতে পাইছিল। অ' তেনেহলে এইটোৱেই সেই মানুহটো। তেখেতে গোৰাৰ

ভৰিবপৰা যুবলৈকে এবাৰ ঘোপাকৈ চালে আৰু তাৰ পিচত সুধিলে,—"তুমি কোন জাতৰ মানুহ ?"

গোৰাই উত্তৰ দিলে,—"মই বামুণ মানুহ।"

হাৰানে ক'লে,—"অ' বাতৰি-কাকতৰ লগত তোমাৰ সম্বন্ধ আছে হবলা ?"

গোৰাই ক'লে,—"উঁহো, নাই।"

চাহাবে ক'লে,—"তেনেহলে ঘোষপুৰ চাপাৰিলৈ তুমি কি কৰিবলৈ আহিছা ?"

গোৰাই ক'লে,—"মই দেশ ফুৰিবলৈ ওলাইছোঁ আৰু বাটতে তাত আশ্ৰয় লৈছিলোঁ। পুলিচৰ অত্যাচাৰত গাঁওখনৰ দুৰ্গতি দেখি আৰু এতিয়াও ক্ষত আৰু অত্যাচাৰ হব পাৰে বুলি গম পাই আপোনাৰ ওচৰলৈ ইয়াৰ প্ৰতিকাৰৰ কাৰণে আহিছোঁ।"

চাহাবে ক'লে,—"চাপৰি ঘোষপুৰৰ মানুহবোৰ অতিপাত বদমাচ্ বুলি তুমি জানা নে নেজানা ?"

গোৰাই ক'লে,—"সিহঁত বদমাচ্ নহয়, সিহঁত নিৰ্ভীক, স্বাধীনচেতা; সিহঁতে অন্যায় অত্যাচাৰ নীৰৱে সহি থাকিব নোৱাৰে।"

গোৰাৰ কথা শুনি চাহাব খঙত জ্বলি উঠিল। কিছুমান নতুন মানুহে পুথি আওৰাই বৰ বৰ কথা কবলৈ আহিছে—ই অসহ্য।

চাহাবে গোৰাক ডাবি দি ক'লে,—"ইয়াৰ অৱস্থাৰ বিষয়ে তুমি একোকে নেজানা।"

"ইয়াৰ অৱস্থাৰ বিষয়ে আপুনি মোতকৈ বহুত কম জানে।" এই বুলি গোৰাই গহীনাই উত্তৰ দিলে।

চাহাবে গোৰাক ক'লে,—"মই তোমাক এতিয়াই সাৱধান কৰি দিলোঁ—তুমি ঘোষপুৰৰ ঘটনাৰ কোনো কথাতে হাত দিলে কিন্তু সহজে সাৰি যাব নোৱাৰিবা।"

গোৰাই ক'লে,—"আপুনি অত্যাচাৰৰ প্ৰতিবিধান নকৰিবলৈকে মন স্থিৰ কৰিছে আৰু গাঁওখনৰ মানুহবোৰৰ বিষয়েও আপোনাৰ ধাৰণা অলৰ অচৰ; এতেকে মোৰ আৰু আন একো উপায়েই নাই। মই নিজেই গাঁৱৰ মানুহবোৰক পুলিচৰ বিৰুদ্ধে থিয় দিবলৈ উচটনি দিম।"

চাহাব গুচিয়েই গৈছিল গৈ। হঠাতে গোৰাৰ কথা কেইষাৰ শুনি গোৰালৈ উভতি চাই মেঘৰ দৰে গৰজি উঠি ক'লে,—"কি তোমাৰ ইমান সাহ।"

গোৰাই আৰু এক্বো দ্বিতীয় কথা নকৈ লাহে লাহে গুচি গ'ল গৈ।

চাহাবে ক'লে,—" মাষ্টৰ। আপোনালোকৰ দেশৰ মানুহ-বোৰৰ মাজত এইবোৰ কিহৰ লক্ষণে দেখা দিছে ?"

হাৰান মাষ্টৰে ক'লে,—"মানুহৰ শিক্ষা দীক্ষা তেনেকুৱা নাই। তাৰোপৰি মানুহৰ আধ্যাত্মিক আৰু চাৰিত্ৰিক শিক্ষা একেবাৰে নাই বুলি-য়েই এনেকুৱা হৈছে। ইংৰাজী বিদ্যাৰ ভাল অংশটো বাছি লোৱাৰ শকতি ইহঁতৰ হোৱা নাই। ভাৰতবৰ্ষত ইংৰাজৰ ৰাজত্ব যে ভগৱানৰ নিৰ্দ্ধালি, এই কথা এই অজ্ঞান পাতকীবোৰে এতিয়াও মানি লব নোখোজে। ইয়াৰ একমাত্ৰ কাৰণ হ'ল—ইহঁতৰ বিদ্যা মাথোন কিছুমান পুথিৰপৰা মুখস্থ কৰা বিদ্যা,—ইহঁতৰ ধৰ্ম্মবোধ একেবাৰে অপইতা।"

চাহাবে ক'লে,—"খৃষ্টক মানি নোলোৱালৈকে ভাৰতবৰ্ষত এনে ধৰ্ম্মবোধে কেতিয়াও পূৰ্ণতা লাভ কৰিব নোৱাৰে।"

হাৰানে ক'লে,—"সেইটো এক হিচাপে সঁচা কথা।" এই বুলি খৃষ্টক মানি লোৱাৰ বিষয়ে এজন খৃষ্টানৰ লগত হাৰান মাষ্টৰৰ মতৰ কিমান খিনি মিল আছে আৰু কিমান অমিল আছে ইয়াক লৈ হাৰানে বৰ চাহাবৰ লগত অতি সূক্ষ্ম ভাৱেৰে আলোচনা কৰি তেখেতক একেবাৰে আপোন-পাহৰা কৰি পেলালে। আন কি যেন চাহাবে গাড়ীৰে পৰেশ ভট্টৰ জীয়েৰহঁতক ডাক-বঙলাত নমাই থৈ উভতি আহি যেতিয়া গিৰীয়েকক ক'লেহি,—"হেৰি, ঘৰলৈ যাওঁ ব'লক।" তেখেতে চক্ খাই উঠি ঘড়ীলৈ চাই ক'লে,—"বাই জোভ্, আঠ বাজি কুৰি মিনিট গ'লেই।"

তাৰ পিচত তেখেতে গাড়ীত উঠি হাৰান মাষ্টৰক হাত জোকাৰি বিদায় সম্ভাষণ জনাই ক'লে,—"আপোনাৰ লগত কথা-বতৰা পাতি আজি আবে-লিটো বৰ আনন্দেৰে কটালোঁ।"

হাৰানে ডাক-বঙলালৈ উভতি আহি সকলোৰে আগত বৰচাহাবৰ লগত হোৱা আলাপ আলোচনাৰ কথা বহলাই কলেহি। কিন্তু গোৰাৰ লগত দেখা হোৱা কথা হলে মুখলৈ নানিলেই।

কেৱল মাথোন গাঁওখনক শাসন কৰিবৰ বাবেই কোনো বিচাৰ নকৰা-কৈয়ে প্ৰায় সাতচল্লিশ জন পদকীয়াক হাজোতত দিয়া হৈছিল।

বৰচাহাবৰ লগত দেখা হোৱাৰ পিচত গোৰাই এজন উকিল বিচাৰি ওলাল। সাতকড়ি হালদাৰ ইয়াৰ এজন ভাল উকিল বুলি সি কেনেবাকৈ ৰাবোৱাৰ মুখত গম পালে। সাতকড়ি হালদাৰৰ ঘৰত উপস্থিত হোৱাৰ লগে লগেই তেওঁ গোৰাক ক'লে,—"হাঁ, গোৰা দেখোন। তুমি আকৌ ইয়াত কৰপৰা ওলালাহি?"

গোৰাই পেটে পেটে যি ভাবিছিল সিয়েই সঁচা—সাতকড়ি গোৰাৰ সহপাঠী। গোৰাই চাপৰি ৰোষপুৰৰ পদকীয়াবোৰক জামিনত মোকোলাই সিহঁতৰ মকৰ্দ্দমা চলাব লাগিব বুলি সাতকড়িক ক'লে।

সাতকড়িয়ে সুধিলে,—জামিন কোন হব?"

গোৰাই ক'লে,—"মই হম।"

সাতকড়িয়ে ক'লে,—"দুকুৰি সাত জনৰ জামিন হবলৈ তোমাৰ জানো সাধ্যই কুলাব?"

গোৰাই ক'লে,—"মোক্তাৰবোৰ লগ লাগি জামিন হলে মই তাৰ ফিজ্ দিম।"

সাতকড়িয়ে ক'লে,—"টকা কিন্তু বহুত লাগিব।"

পিচদিনা বৰচাহাবৰ এজলাচত জামিনত খালাচ দিবলৈ দৰ্খাস্ত দিয়া হ'ল। চাহাবে কালিৰ সেই লেতেৰা কাপোৰ পিন্ধা পাগুৰি মৰা বীৰ মূৰ্ত্তিৰ ফালে এবাৰ কেৰাহিকৈ চায়েই দৰ্খাস্ত অগ্ৰাহ্য কৰি দিলে। চৈধ্য বছৰ বয়সীয়া ল'ৰাৰপৰা আশী বছৰীয়া বুঢ়ালৈকে সকলোৱে হাজোতত পচিবলৈ ধৰিলে।

গোৰাই ইহঁতৰ বাবে যুঁজিবলৈ সাতকড়িক অনুৰোধ কৰিলে।

সাতকড়িয়ে ক'লে,—"সাক্ষী ক'ত পাবা? সাক্ষী হব পৰাবোৰ চোন আটাইবোৰ পদকীয়াই হৈছে। তাৰোপৰি এই চাহাব মৰা মকৰ্দ্দ-মাৰ তদন্তৰ জোৰত এই অঞ্চলৰ মানুহবোৰ অতিষ্ঠ হৈ উঠিছে। ভিতৰি ভিতৰি ভদ্ৰলোকবোৰে [illegible] বুলি বৰচাহাবৰ ধাৰণা হৈছে। মোকো কিজানি সন্দেহ কৰে—[illegible]কৈ কব নোৱাৰি। দেশৰ মানুহবোৰে

এনেকুৱা সাহ পালে অৰক্ষিত অসহায় ইংৰাজবোৰে আৰু বিদেশত বাস কৰিবই নোৱাৰিব বুলি ইংৰাজী বাতৰি-কাকতবোৰত তো অনবৰত লিখি বই লাগিছে। ফলত দেশৰ মানুহবোৰ নিজৰ দেশতে টিকিব নোৱাৰা হৈছে। অত্যাচাৰ যথেষ্ট কৰা হৈছে বুলি বুজিছোঁ, কিন্তু তাৰ প্ৰতিকাৰৰ বাবে কৰিবৰ একোকে উপায় নাই।"

গোৰাই গৰজি উঠি ক'লে,—"উপায় নাই কিয় ?"

সাতকড়িয়ে হাঁহি হাঁহি উত্তৰ দিলে, "তুমি এতিয়া দেখোন সেই স্কুলত পঢ়ি থকা কালত যেনেকুৱা আছিলা তেনেকুৱা হৈয়েই আছা। উপায় নাই মানে হ'ল—আমাৰ ঘৰত ল'ৰা তিৰোতা আছে—দৈনিক উপাৰ্জ্জন নকৰিলেই চকুটো কাতি। আনৰ জঞ্জাল নিজৰ ডিঙিত বাঁধি লৈ মৰিবলৈ আগবঢ়া মানুহ সংসাৰত বৰ কমেইহে আছে—বিশেষকৈ যিখন দেশত মানুহৰ ঘৰ-সংসাৰৰ জঞ্জাল বেছি। যিবোৰ মানুহৰ ওপৰত আন দহজন নিৰ্ভৰ কৰে, সেইবোৰ মানুহে সেই দহজনৰ বাহিৰে আন আন দহ জনৰ পিনে চাবলৈ সময়কে নেপায়।"

গোৰাই ক'লে,—"তেনেহলে ইহঁতৰ বাবে আৰু তুমি একোকে কৰিব নোৱাৰা ? হাইকোৰ্টত আপিল কৰিলে যদি...."

সাতকড়িয়ে অসহ্য হৈ ক'লে,—"উৱা। চাহাবক মাৰিছে যে—সেইটো কথা তুমি পাহৰিছা কিয় ? প্ৰত্যেকটো চাহাবেই দেখোন একোটা একোটা ৰজা—সাধাৰণ চাহাব এটাৰ গাত হাত দিয়াটোও এক সৰুসুৰা ৰাজদ্ৰোহ। লাভ নোহোৱা কাম এটাত মিছাকৈয়ে লাগি বৰচাহাবৰ কোপদৃষ্টিত পৰিবলৈ মই ৰাজী নহয়।"

কলিকতালৈ গৈ তাৰ উকিলবোৰৰ কিবা সুবিধা কৰিব পাৰি নে নোৱাৰি তাকে চেষ্টা কৰিবৰ বাবে গোৰাই পিচদিনা পুৱা চাৰে দহ বজাৰ বেল ধৰিবলৈ ঘৰৰপৰা ওলাই গৈছিলহে মাথোন, কিন্তু বাটতে বাধা পৰিল।

ইয়াৰ এই মেলাখনৰ উপলক্ষে কলিকতাৰ এদল ছাত্ৰৰ লগত ইয়াৰ স্থানীয় এদল ছাত্ৰৰ এখন ক্ৰিকেট্ খেলৰ যোগাৰ কৰা হৈছিল। খেলত পাৰ্গতালি দেখুৱাবৰ বাবে কলিকতাৰ লৰাবোৰে নিজৰ মাজতে খেলি খেলি অভ্যাস কৰিছিল। এনেতে ক্ৰিকেটৰ বল লাগি এটা লৰাই ভৰিত বাককৈয়ে দুখ পালে। খেল-পথাৰখনৰ ওচৰতে এটা পুখুৰী আছিল। দুখ পোৱা লৰাটোক আন দুটা লৰাই ধৰি নি সেই পুখুৰীটোৰ পাৰতে বহুৱাই কাপোৰ এডোখৰ কালি পানীত তিয়াই লৈ তাৰ ভৰিখন বান্ধি

দিবলৈ ধৰিলে। এনেতে কৰবাৰপৰা এটা পহৰাৱালা আহি এটা লৰাৰ ডিঙিত ধৰি গতিয়াই দি নামা অৰ্থাইছু মাত্তেৰে সিহঁতৰ গালি পাৰিবলৈ ধৰিলে। পুখুৰীটো খোৱা পানীৰ বাবে আছুতীয়াকৈ ৰখা হৈছিল। তাৰ পানীত নমা নিষেধ। কলিকতাৰ লৰাবোৰে সেই কথাটো নেজানিছিল আৰু জানিলেও হঠাতে এইদৰে পহৰাৱালাৰপৰা অপমান সহ্য কৰা সিহঁতৰ অভ্যাস নাছিল। গাত সকলোৰে ভালকৈয়ে বল আছিল, আৰু সেইবাবে সিহঁতে অপমানৰ যথোচিত পোটক তুলি দিলে। এই ঘটনা দেখি আৰু চাৰি পাঁচটা মান চিপাহী দৌৰি আহিল। ঠিক এনে সময়তে গোৰাও আহি সেইখিনিতে ওলালহি। ছাত্ৰবোৰে গোৰাক চিনি পাইছিল। সিহঁতৰ লগত গোৰাই বহুদিন ক্ৰিকেট্ খেলিছে। লৰাবোৰক মৰিয়াই মৰিয়াই ধৰি লৈ যোৱা দেখি গোৰাই আৰু সহিব নোৱাৰিলে। সি আগবাঢ়ি আহি ক'লেহি,—"সাৱধান, ইহঁতক নেমাৰিবি।" পহৰাৱালাৰ দলে তাকো বাই অকথ্য ভাষাৰে গালি পাৰোঁতেই গোৰাই সিহঁতক লথিয়াই, ভুকুৱাই এনেকুৱা এটা কাণ্ড কৰিলে যে চাওঁতে চাওঁতে আলিবাটত বহুতো মানুহ গোট খাই পৰিল। ইফালে তেনেতে ছাত্ৰবোৰৰো এটা প্ৰকাণ্ড দল আহি ওলালহি। গোৰাৰ উদগনি আৰু আদেশ পাই সিহঁতে পুলিচক আক্ৰমণ কৰোঁতেই পহৰাৱালাৰ দল পলাই ফাট্ মাৰিলে। আলিবাটৰ মানুহবোৰেও দৰ্শকৰূপে বৰ আমোদ পালে; কিন্তু নকলেও হব, এই ধেমালিখিন গোৰাৰ বাবে হ'লে অকল ধেমালি হৈয়েই নেথাকিল।

আবেলি তিনি চাৰি মান বজাত ডাক-বঙলাত বিনয়, হাৰান মাষ্টৰ আৰু ছোৱালীবোৰে আখৰা কৰি আছিল। এনেতে বিনয়ৰ চিনাকি দুজনমান ছাত্ৰ আহি গোৰা আৰু কেইজনমান ছাত্ৰক পুলিচে ধৰি নি হাজোতত ৰাখিছেগৈ বুলি খবৰ দিলেহি। কাইলৈ প্ৰথম এজলাচতে সিহঁতৰ বিচাৰ হব।

গোৰা হাজোতত থকা শুনি হাৰান মাষ্টৰৰ বাহিৰে আন সকলোবোৰ উচাপ খাই উঠিল। বিনয়ে প্ৰথমেই বেগা-বেগিকৈ সিহঁতৰ সহপাঠী সাতকড়ি হালদাৰৰ ওচৰলৈ গৈ তেওঁক সকলো কথা কলেগৈ আৰু তেওঁক লগত লৈ হাজোতলৈ গ'ল।

সাতকড়িয়ে গোৰাৰ ফলীয়া হৈ ওকালতি কৰিবলৈ আৰু তেতিয়াই তাক জামিনত মোকোলাবলৈ ঠিক কৰিলে। গোৰাই ক'লে,—"উহো, মই উকিল নধৰোঁ। মোক জামিনত মোকোলাবলৈকো যত্ন কৰিব নেলাগে।"

"এইটো আকৌ কি কথা!" সাতকড়িয়ে বিস্ময় মানি চাই ক'লে,—"চোৰাচোন বাৰু, কোনেনো কৰ গোৰা আৰু এতিয়া ভুলীয়া দ'বা নহয় বুলি? ইয়াৰ বুজ এতিয়াও সেই আগৰনৰেই আছে।"

গোৰাই উত্তৰ দিলে,—"কপালৰ জোৰত আমি মোৰ ধন আছে, বন্ধু আছে বুলিয়েই মই হাজোত আৰু হাত-ভেৰেৰাবপৰা ৰক্ষা পাম, সেইটো মই আশাকে নকৰোঁ। আমাৰ দেশৰ ধৰ্মনীতিৰপৰা আমি জানো যে সুবিচাৰ কৰাৰ ভাৰ ৰজাৰহে; প্ৰজাৰ প্ৰতি অবিচাৰ কৰাটো ৰজাৰহে অধৰ্ম। কিন্তু এইখন ৰাজ্যত উকিলৰ ধন যোগাব নোৱাৰি যদি প্ৰজাবোৰ হাজোতত পচিবলগীয়া হয়, জেলত মৰিবলগীয়া হয়, ৰজা মূৰৰ ওপৰত থাকোঁতেও যদি প্ৰজাই ন্যায় বিচাৰ কিনিবলৈ নিজৰ গাঁঠিৰ ধন ভাঙি জুৰুলা হয়, তেনেহলে এনেকুৱা বিচাৰৰ বাবে মই কুটা কড়ি এটাও ভৰি নোখোজোঁ।"

সাতকড়িয়ে ক'লে,—"কাজিৰ আমোলত দেখোন ভেটা দিওঁতেই কঁকাল ভাঙিছিল।"

গোৰাই ক'লে,—"ভেটা দিয়াটো তো ৰজাৰ বিধান নাছিল? যেয় কাজিবোৰেহে ভেটা খাইছিল। আজিও সেইটো আছে। কিন্তু এতিয় ৰাজদ্বাৰত বিচাৰৰ বাবে থিয় হবলৈ গলেই, বাদীয়েই হওক বা বিবাদীয়ে হওক, দোষীয়েই হওক বা নিৰ্দ্দোষীয়েই হওক, প্ৰজাই চকুৰ পানী টুকি বই লাগিব। যিটো পক্ষ ধনত দুখীয়া, বিচাৰৰ যুঁজত জিকা-হৰা দুয়ো টাই তাৰ বাবে সৰ্ব্বনাশ। ইয়াৰ ওপৰত আকৌ এতিয়া ৰজা হ'ল বৈ বাদী আৰু মোৰ দৰে মানুহ এটা বিবাদী। এতেকে তাঙৰ তাঙৰ উকি বেৰিষ্টাৰ আটাইবোৰ ৰজাফলীয়া হবই—মই যোগাৰ কৰিব পাৰিলে যে ভালেই হয়, নহলে কপালত যি থাকে হব আৰু। বিচাৰত উকিল সাহায্যৰ প্ৰয়োজন নেথাকিলে চৰকাৰী উকিল নো কিয় আছে? প্ৰয়ে জন আছে বুলিয়েই চৰকাৰৰ বিৰোধী দলে কিয় নিজৰ উকিল নিজে যোগাৰ কৰিব লাগে? এইটো জানো প্ৰজাৰ লগত শত্ৰুতা? এইটো আকৌ কেনেকুৱা ৰাজধৰ্ম?"

সাতকড়িয়ে উত্তৰ দিলে,—"ভাই, তোমাৰ আকৌ ইমান খং উঠিছে কিয়? মানুহৰ সভ্যতা সস্তা বস্তু নহয়। সূক্ষ্ম বিচাৰ কৰিবলৈ গলে আইনৰ ব্যৱসায়ী নহলে কাম নচলে। ব্যৱসায় কৰিবলৈ গলেই কিন বিকাৰ কথা আহি পৰে। এতেকে সভ্যতাৰ আদালতখন আপোন আপুনিয়েই বিচাৰ কিনা-বিকাৰ হাট হৈ পৰিবই। ধন নথকাবো

সদায় ঠগ খোৱাৰ সম্ভাৱনা থাকিবই। তুমি বৰ্ত্তা হোৱা হলে বাৰু কি কৰিলাহেঁতেন কোৱাচোন ?"

গোৰাই উত্তৰ দিলে,—"এনেকুৱা আইন তৈয়াৰ কৰিলোঁহেঁতেন যে যদি হেজাৰ দেড় হেজাৰ টকা সৰ্ব্বহা খোৱা বিচাৰকৰ বুদ্ধিয়েই তাৰ ৰহস্য ভেদ কৰিব নোৱাৰে, তেনেহলে দুৰ্ভগীয়া বাদী, বিবাদী দুয়ো পক্ষৰ বাবে চৰকাৰী খৰচত উকিল নিযুক্ত কৰি দিয়েঁ৷ হয়। বিচাৰৰ খৰচ প্ৰজাৰ ভিত্তিত জাপি দি সুবিচাৰৰ গৌৰৱ কৰি পাঠান মোগলক গালি নেপাৰিলোহেঁতেন।"

সাতকড়িয়ে ক'লে,—"বাৰু এইবোৰ তো ভালেই কথা। পিচে এতিয়া সেই শুভ দিনো অহা নাই, তুমিও বজা হোৱা নাই। বৰ্ত্তমান তুমি যেতিয়া সভ্য বজাৰ আদালতৰ পদকীয়া, হয় তুমি গাঁঠিৰ ধন ভাঙিব লাগিব, নহয় উকিল বন্ধুৰ শৰণাপন্ন হবই লাগিব ; নহলে তৃতীয় গতিটো কিন্তু বৰ ভাল সম্পত্তি নহব।"

গোৰাই জেদৰে সৈতে ক'লে,—"কোনো চেষ্টা নকৰাকৈ যিটো গতি হব পাৰে, মোৰ সেইটো গতিয়েই হওক। এইখন ৰাজ্যত একেবাৰে নিঠৰুৱাৰ যি গতি, মোৰো সেয়ে গতি।"

বিনয়ে বহুতো অনুনয় কৰিলে কিন্তু গোৰাই কোনো কথাকে কাণেই নিদিলে। সি বিনয়ক সুধিলে,—"তুমি হঠাতে ইয়াত কৰপৰা ওলালাহি ?"

বিনয়ৰ মুখখন অলপ ৰঙা পৰি উঠিল। গোৰা আজি হাজোতত নথকা হলে বিনয়ে কিজানিবা অলপ বিদ্ৰোহৰ সুৰেৰেই ইয়াত তাৰ উপস্থিতিৰ কাৰণটো জনাই দিলেহেঁতেন। আজি কিন্তু স্পষ্ট উত্তৰটো তাৰ মুখত বাজি গ'ল।" সি ক'লে "মোৰ কথা বাৰু পিচতো হব—এতিয়া তোমাৰ—"

গোৰাই উত্তৰ দিলে,—"মই তো আজি বজাৰ অতিথি। মোৰ বাবে স্বয়ং বজাই ভাবিছে, এতেকে তোমালোকে কোনেও আৰু মোৰ কাৰণে চিন্তা কৰিব নেলাগে।"

গোৰাক লবচৰ কৰাটো টান বুলি বিনয়ে জানিছিল। এতেকে উকিল ধৰাৰ চেষ্টাটো এৰি দিবলগীয়া হ'ল। সি ক'লে,—"তুমি তো ইয়াত একোকে খাব নোৱাৰিবা বুলি জানোৱেই। বাহিৰৰপৰাই তোমালৈ কিবা খোৱা বস্তু পঠিওৱাৰ ব্যৱস্থা কৰি দিম।"

গোৰাই অধীৰ হৈ ক'লে,—"বিনয়, তুমি মিছাতে কিয় ব্যস্ত হৈছা ? বাহিৰৰপৰা মোক একোকে নেলাগে। হাজোতত সকলোৰে ভাগ্যত যি

দিলে তাতকৈ আৰু মোকো একো অধিক নেলাগে'।"

বিনয় বেজাৰ মনেৰে ডাক-বঙলালৈ উভতি আহিল। সুচৰিতাই আলিৰ কাষৰ এটা পোৱানি-কোঠাৰ দুৱাৰখন জপাই লৈ খিড়িকী এখন মেলি বিনয় উভতি অহালৈ বাটচাই আছিল। আনৰ লগত থাকি বা কথা পাতি তাই অকণো শান্তি পোৱা নাছিল।

বিনয়ৰ মুখখন ক'লাকৈ চিন্তিত ভাবে ডাক-বঙলালৈ উভতি অহা দেখি আশঙ্কাত সুচৰিতাৰ বুকুখন কঁপি উঠিছিল। বহু যত্ন কৰি নিজকে চম্ভালি এখন পুথি হাতত লৈ তাই আহি বহা কোঠাটোত সোমালহি। ললিতাই চিলাই আদি কৰি বৰ ভাল নেপাইছিল, কিন্তু আজি তাই একুকত বহি অকলে চিলাই কৰি আছিল। লাৱণ্যাই সুধীৰৰ লগত ইংৰাজী বানানৰ খেলা খেলি আছিল। লীলা হৈছিল তাৰে দৰ্শক। হাৰান মাষ্টৰে বৰদাসুন্দৰীৰ লগত কালিৰ হব লগা উৎসৱৰ কথা আলোচনা কৰি আছিল।

আজি ৰাতিপুৱা গোৰাৰ পুলিচৰ লগত হোৱা গোলমালৰ কথা বিনয়ে আটাইবোৰ বহলাই ক'লেহি। সুচৰিতা নিটাল হৈ বহি থাকিল। ললিতাৰ কোলাৰপৰা চিলাইখন পৰি গ'ল আৰু তাইৰ মুখখন ৰঙা পৰি উঠিল।

বৰদাসুন্দৰীয়ে ক'লে,—"আপুনি একো চিন্তা নকৰিব চেটাৰ্জী বোপা—আজি সন্ধিয়া বৰচাহাবৰ মেমক গৌৰমোহন বোপাৰ কাৰণে মই নিজেই অনুৰোধ কৰিম।"

বিনয়ে ক'লে,—"ওঁহো, আপুনি সেইটো নকৰিব—গোৰাই কেনেবাকৈ শুনিলে সি আৰু মোক গোটেই জীৱনত কেতিয়াও ক্ষমা নকৰিব।"

সুধীৰে ক'লে,—"তেওঁৰ পক্ষ সমৰ্থনৰ বাবে তো কিবা যোগাৰ কৰিব লাগিব।"

জামিনত তাক খালাচ কৰিবৰ বাবে চেষ্টা কৰা আৰু উকিল ধৰা বিষয়ে গোৰাই যিবোৰ আপত্তি কৰিছিল বিনয়ে সেই আটাইবোৰ ক'লে—শুনি হাৰান মাষ্টৰৰ অসহ্য হ'ল, তেওঁ ক'লে,—"এইবোৰ তেওঁ আৰু বেচি কৰি দেখুৱাইছে।"

হাৰানৰ প্ৰতি ললিতাৰ মনৰ ভাব বিয়েই নহওক লাগে, আজিলৈকে কিন্তু তাই তেওঁক সন্মান কৰিয়েই আহিছে, কেতিয়াও তেওঁৰ লগত তৰ্ক কৰা নাই। আজি কিন্তু তাই জোৰেৰে মূৰ জোকাৰি ক'লে,—"অকণো

বেচি কৰি দেখুৱা নাই। গৌৰ কৰ্ত্তাইদেৱে যি কৰিছে ঠিকেই কৰিছে—ৰবচাহাবে আমাক জব্দ কৰিব আৰু আমি নিজেই নিজক ৰক্ষা কৰিম! সিহঁতে সৰহ দৰ্শ্বহা যোগাবৰ বাবে আমি চেষ্টা ভাবিব লাগিব! এনেকুৱা বিচাৰ পোৱাতকৈ জেলত থকাও ভাল।"

ললিতাক হাৰানে নিচেই সৰুকৈপৰা দেখিছে। তাইৰো যে এটা মতামত আছে, তেওঁ কেতিয়াও কল্পনাকে কৰা নাছিল। সেই ললিতাৰ মুখত চোকা চোকা কথা শুনি তেওঁ আচৰিত হৈ গ'ল। তাইক ঠাট্টা কৰি তেওঁ ক'লে,—"তুমি নো এইবোৰ কথাৰ কি ধাতু পোৱা? যিবোৰে দুখনমান পুথি আওৰাই কোনোমতে পাৰ হৈ কলেজৰপৰা ওলাই আহিছে হে এখোন, যিবোৰৰ কোনো ধৰ্ম্ম নাই, ধাৰণা নাই, সিহঁতৰ মুখৰপৰা কিছুমান দায়িত্বহীন বলিয়া প্ৰলাপ শুনিলেই তোমালোকৰ মূৰ ঘূৰাই যায়।"

এইবুলি হাৰানে কালি সন্ধিয়া গোৰাৰ লগত ৰবচাহাবৰ দেখাদেখি হোৱাৰ কথা আৰু সেই বিষয়ে ৰবচাহাবে তেওঁক কোৱা কথাও বহলাই ক'লে। চাপৰি ঘোষপুৰৰ ঘটনাবোৰ বিনয়ে নেজানিছিল। সকলো শুনি তাৰ বুকু চিৰিংকৈ উঠিল; ৰবচাহাবে গোৰাক সহজে ক্ষমা নকৰিব বুলি সি গম পালে।

হাৰানে যিটো উদ্দেশ্যে এই কথাবোৰ কৈছিল সেইটো সম্পূৰ্ণ ব্যৰ্থ হৈ গ'ল। গোৰাৰ লগত তেওঁৰ দেখা হোৱাৰ বিষয়ে এতিয়ালৈকে একেবাৰে নীৰৱ হৈ থকা দেখি হাৰানৰ ভিতৰৰ নীচতাই সুচৰিতাক আঘাত কৰিলে। আৰু হাৰানৰ প্ৰত্যেক কথাতে গোৰাৰ প্ৰতি যিটো ব্যক্তিগত ঈৰ্ষা ফুটি ওলাল, সেইটো দেখি গোৰাৰ এই বিপদৰ দিনত উপস্থিত সকলোৰে হাৰান মাষ্টৰৰ প্ৰতি বিতৃষ্ণাহে উপজিল। সুচৰিতা অতপৰে মনে মনে আছিল, কিবা এটা কথা প্ৰায় তাইৰ জিভাৰ আগলৈকে আহিছিলেই, কোনোমতেহে তাই নিজকে সামৰি পুথিখন মেলি কঁপা হাতেৰে পাত লুটিয়াবলৈ ধৰিলে। ললিতাই উদ্ধত ভাবে ক'লে,—"ৰবচাহাবৰ লগত হাৰান মাষ্টৰৰ মতৰ যিমানেই মিল নেথাকক লাগে ঘোষপুৰৰ ঘটনাত হ'লে গৌৰমোহন কৰ্কাইদেউৰ মহত্ত্ব হে প্ৰকাশ হৈছে।"

আজি সকলো আহিব দেখি ৰবচাহাবে ঠিক দহ বজাতে আদা-লতলৈ আহি বিচাৰৰ কাম সোনকালে শেষ কৰিবলৈ যত্ন কৰিলে।

সাতকড়ি হালদাৰে কুলীয়া ছাত্ৰবোৰৰ কলীয়া হৈ সেই চলতে তেওঁৰ বন্ধুক ৰক্ষা কৰিবলৈ যত্ন কৰিছিল। ঘটনাৰ গতি দেখি তেওঁ বুজিছিল যে এই ক্ষেত্ৰত অপৰাধ স্বীকাৰ কৰাটোৱেই উচিত হব। লৰাবোৰ দুৰন্ত হয়েই। সিহঁতক অৰ্বাচীন নিৰ্ব্বোধ ইত্যাদি আখ্যা দি সিহঁতৰ হকে তেওঁ ক্ষমা প্ৰাৰ্থনা কৰিলে। ৰবচাহাবে ছাত্ৰবোৰক জেললৈ নৈ গৈ বয়স আৰু অপৰাধৰ তাৰতম্য অনুসাৰে পাঁচৰপৰা পঁচিশলৈকে বেত দিবলৈ আদেশ দিলে। গোৰাৰ কোনো উকিল নাছিল। সি নিজৰ মৰ্কৰ্দমা নিজেই চলাবৰ উদ্দেশ্যে পুলিচৰ বিৰুদ্ধে কিবা কবলৈ খোজো-তেই ৰবচাহাবে জোৰেৰে ডাবি দি তাৰ মুখ জপাই পেলালে, আৰু পুলিচৰ কামত বাধা দিয়া অপৰাধত তাক এমাহ সশ্ৰম কাৰাদণ্ড দিলে। নগৰতে এনেকুৱা লঘুদণ্ডক বিশেষ দয়া বুলি ৰবচাহাবে জনালেও।

সুধীৰ আৰু বিনয় আদালতলৈ আহিছিল। বিনয়ে গোৰাৰ মুখলৈ চাবই নোৱাৰিলে। তাৰ উশাহ বন্ধ হৈ যোৱা যেন লাগিল। সি লৰা-লৰিকৈ আদালত ঘৰৰপৰা ওলাই আহিল। সুধীৰে তাক ডাক-বঙলালৈ উভতি গৈ খা-পা খুই ভাত-পানী খাবলৈ ধৰিলে। সি কিন্তু নুশুনিলে, পথাৰৰ মাজৰ আলিয়েদি কিছুদূৰ গৈ সি এডাল গছৰ তলত বহিলগৈ। সুধীৰক ক'লে,—"তুমি বঙলালৈ উভতি যোৱাগৈ, অলপ পৰ পিচতে মই যাম।" সুধীৰ গুচি গ'ল গৈ।

এইদৰে কিমান সময় উকলি গ'ল বিনয়ে গমকে নেপালে। বেলি মূৰৰ ওপৰৰপৰা আঁতৰি গৈ লাহে লাহে পশ্চিমলৈ চাল খালে। এনে সময়তে এখন গাড়ী আহি ঠিক তাৰ সমুখতে ৰ'লহি। বিনয়ে মূৰ দাঙি চাই সুধীৰ আৰু সুচৰিতাক গাড়ীৰপৰা নামি তাৰ কাষলৈ অহা দেখা পালে। বিনয় লৰালৰিকৈ উঠি থিয় হ'ল। সুচৰিতাই কাষ চাপি আহি মৰমেৰে মাতিলে,—"চেটাৰ্জ্জীদেউ! আহক।"

বিনয়ৰ হঠাতে হুচ আহিল যে আলিৰ মানুহে এই দৃশ্য দেখি বঙহে পাইছে। সি লৰালৰিকৈ আহি গাড়ীত উঠিলহি। বাটত কোনেও একো কথা কব নোৱাৰিলে।

ডাক্-বঙলালৈ আহি বিনয়ে অন্ত এবাৰ তালৈকেয়ে মুখ নমা দেখা পালেহি। ললিতাই আহি বৰচাহাবৰ নিমন্ত্ৰণত কোনোৰকমেই যোগ নিদিয়ে বুলি জেদ ধৰিছে। বৰদাসুন্দৰী ভীষণ সঙ্কটত পৰিছে। হাৰান মাষ্টৰে ললিতাৰ দৰে সৰু ছোৱালী এজনীৰ এনেকুৱা অসঙ্গত বিদ্ৰোহ দেখি খঙতে জ্বলি পকি উঠিছে। তেওঁ বাৰে বাৰে কৰলৈ ধৰিছে, আজি-কালিৰ নবা-ছোৱালীবোৰৰ এইবোৰ আকৌ কি বিধৰ ঘটনা— সিহঁতে শৃঙ্খলা মানিব নোখোজে। যেই সেই মানুহৰ লগত মিহঁতে তিহঁকে আলোচনা কৰাৰ ফলতে এনেকুৱা হৈছে।

বিনয় আহোঁতেই ললিতাই ক'লে,—"চেটাৰ্জ্জীদেউ! ক্ষমা কৰক। মই আপোনাৰ ওচৰত বৰ দোষ কৰিছোঁ। আপুনি তেতিয়া কোৱা কথা-বোৰ মই একোৱেই বুজা নাছিলোঁ। আমি বাহিৰৰ কথা একোকে নেজানো বুলিয়েই ইমান ভুল কৰোঁ। পানু মাষ্টৰৰ মতে ভাৰতবৰ্ষত বৰচাহাবৰ এই শাসন বিধাতাৰ বিধান। সেয়েই যদি হয়, তেনেহলে এই শাসনক সমগ্ৰ দেশে কায়-মনোবাক্যে অভিশাপ দিয়াৰ ইচ্ছা জগাই তোলাটোও সেই বিধাতাৰে বিধান।"

হাৰান মাষ্টৰে খঙতে টিঙিবিতুলা হৈ ক'লে,—"ললিতা তুমি—"

ললিতাই হাৰানলৈ চাই ক'লে,—"মনে মনে থাকক। আপোনাক মই একো কোৱা নাই। চেটাৰ্জ্জীদেউ! আপুনি কাৰো অনুৰোধ ৰাখিব নেলাগে। আজি কোনোৰকমে অভিনয় হবই নোৱাৰে।"

বৰদাসুন্দৰীয়ে লৰালৰিকৈ ললিতাৰ কথাৰ ওপৰতে ক'লে—"ললিতা, তযো আৰু এজনী ভাল ছোৱালী দে। চেটাৰ্জ্জী বোপাক আজি ভাত-পানী খাবলৈ নিদিয় নে কি? বেৰ বাজি গ'ল জান নে? চাচোন, তেওঁৰ মুখখন শুকাই চেহেৰাটো কেনেকুৱা হৈছে।"

বিনয়ে ক'লে,—"ইয়াত আমি সেই বৰচাহাবৰে অতিথি—এইখন ঘৰত মই গা ধুবও নোৱাৰোঁ, ভাত-পানী খাবও নোৱাৰোঁ।"

বৰদাসুন্দৰীয়ে বিনয়ক বহুতো মিনতি কৰি বুজাবলৈ ধৰিলে। আটাই-কেইজনী জীয়েক মনে মনে থকা দেখি তেখেতে খঙতে ক'লে,—"তহঁ-তৰ আটাইখনৰে আকৌ কি হ'ল? সুচি, তুমি চেটাৰ্জ্জী বোপাক অলপ বুজাই কোৱাচোন। আমি কথা দিছোঁ—মানুহ দুনুহ মতা হৈছে, আজিৰ দিনটো কোনো ৰকমে কটাই যাব লাগিব। নহলে সিহঁতে কি বুলি ভাবিব কোৱাচোন। মই যে সিহঁতৰ আগত আৰু মুখকে দেখুৱাব নোৱাৰিম।"

সুচৰিতা নীৰৱে তলমুৰকৈ বহি থাকিল।

বিনয়ে দুবৈত নদীত থকা জাহাজলৈ গুচি গ'লগৈ। এই জাহাজ খন আজি আৰু দুঘণ্টা মানৰ ভিতৰতে যাত্ৰী লৈ কলিকতালৈ উভতিব। কাইলৈ আন্দাজ আঠ মান বজাত সেইখিনি পাবগৈ।

হাৰান মাষ্টৰে উতলা হৈ বিনয় আৰু গোৰাৰ বিষয়ে নানা কটু কথা কবলৈ ধৰিলে। সুচৰিতাই লৰালৰিকৈ উঠি গৈ সিংহাষৰ কোঠাটোত সোমাই জোৰেৰে দুৱাৰখন জপাই দিলে। অলপ পিচতে ললিতাও আহি দুৱাৰখন ঠেলি কোঠাটোত সোমালহি। তাই সুচৰিতাক দুয়োখন হাতেৰে মুখখন ঢাকি বিছনাত উবুৰি হৈ পৰি থকা দেখিলেহি।

ললিতাই ভিতৰৰপৰা দুৱাৰখনত শলখা লগাই দি লাহে লাহে আহি সুচৰিতাৰ কাষত বহি তাইৰ চুলিৰ মাজত আঙুলি বুলাই দিবলৈ ধৰিলে। বহুপৰৰ পিচত সুচৰিতা কিছু শান্ত হোৱাত ললিতাই জোৰেৰে তাইৰ মুখৰপৰা হাত দুখন এৰুৱাই তাইৰ মুখৰ কাষলৈ মুখ নি কাণে কাণে ক'লে,—"বাইদেউ, ব'ল, আমি ইয়াৰপৰা কলিকতালৈ উভতি যাওঁগৈ। আজি বৰচাহাবৰ তালৈ আৰু কেতিয়াও যাব নোৱাৰোঁ।"

সুচৰিতাই বহু পৰলৈকে এই কথাৰ একো উত্তৰকে নিদিলে। অৱশেষত ললিতাই একেটা কথাকে বাৰে বাৰে কৈ থকা দেখি তাই বিছনাত উঠি বহি ক'লে,—"সেইটো কেনেকৈ হব ভনীটি? মোৰ তো আহিবলৈ একেবাৰেই মন নাছিল। দেউতাই পঠিয়াই দিছে যেতিয়া, যিটো কামৰ কাৰণে, আহিছোঁ সেই কামটো নকৰাকৈ তো যাব নোৱাৰোঁ।"

ললিতাই ক'লে,—"দেউতাই তো এইবোৰ কথা নেজানে—জনা হলে কেতিয়াও আমাক থাকিবলৈ নকলেহেঁতেন।"

সুচৰিতাই ক'লে,—"সেইটো নো কেনেকৈ কওঁ ভনীটি।"

ললিতা,—বাইদেউ। তই পাৰিবি জানো? কেনেকৈ যাবি কচোন? ইয়াৰ পিচতো আকৌ সাজি-পাৰি ষ্টেজত থিয় হৈ কবিতা আওঁৰাব লাগিব। মোৰ তো জিভা ছিড়ি তেজ ওলালেও মাত নোলাব।"

সুচৰিতাই উত্তৰ দিলে,—"সেইটো জানো ভনীটি। কিন্তু কেতিয়াবা নৰক যন্ত্ৰণাও সহিবলগীয়া হয়। এতিয়া আৰু একো উপায় নাই। আজিৰ দিনটোৰ কথা জীৱনত পাহৰিব নোৱাৰোঁ।"

সুচৰিতাৰ এই বাধ্যতা দেখি ললিতাই খঙতে কোঠাটোৰপৰা ওলাই আহি মাকক কলেহি,—"আই, তোমালোক নোযোৱা নে কি?"

বৰদাসুন্দৰীয়ে ক'লে,—"তই বলিয়া হৈছ নে কি? নিশা ন বজাৰ

পিছত হে যাব লাগিব।”

ললিতাই ক'লে,—“মই কলিকতালৈ ঘোৰাৰ কথা কৈছোঁ।”

বৰদাসুন্দৰী,—ছোৱালীজনীৰ আধৌ কথাবোৰ শুনচোন।

ললিতাই সুধীৰক সুধিলে,—“সুধীৰ ককাইদেউ, তুমিও ইয়াতে থাকিবা নে কি?”

গোৰাৰ শাস্তি দেখি সুধীৰৰ মনটোও ভাঙি পৰিছিল, কিন্তু ডাঙৰ ডাঙৰ চাহাববোৰৰ আগত নিজৰ বিদ্যা জাহিৰ কৰাৰ লোভ সামৰাটোও তাৰ বাবে প্ৰায় অসাধ্য আছিল। সি মুখৰ ভিতৰতে ভোৰ্‌ভোৰাই কিবা এটা ক'লে—বুজা গ'ল যে তাৰ সংকোচ লাগিছে যদিও সি থাকিব গৈ।

বৰদাসুন্দৰীয়ে ক'লে,—“গোলমালখন কৰি থাকোঁতেই দেৰ বেলি হ'ল গৈ। আৰু পলম কৰিলে নহব। এতিয়া চাৰে পাঁচ বজালৈকে বিছনাতপৰা কোনো উঠিব নোৱাৰা—ভিৰাণি লব লাগিব। নহলে ভাগৰ লাগি মুখ শুকাই আটাইবোৰ দেখিবলৈ কুৎছ হৈ পৰিবাগৈ।”

এইবুলি তেখেতে আটাইখনকে নিজ নিজ বিছনাত জোৰ কৰি শুৱাই দিলেগৈ। আটাইবোৰ টোপনি গ'ল মাথোন সুচৰিতাৰ টোপনি নাহিল; ইফালে আন এটা কোঠাত ললিতাও সাৰে থাকিল।

জাহাজখনে ঘনে ঘনে কুক্ দিবলৈ ধৰিলে।

জাহাজখন এৰিবৰ সময় হৈছে, খালাচিবোৰেও ছিৰী উঠুৱাবলৈ সাজু হৈছে, এনেতে জাহাজৰ ডেকৰ ওপৰৰপৰা বিনয়ে এজনী শিক্ষিতা সাভৰকৰ জাহাজৰ ফালদৈ খোৰা-কুৰিকৈ অহা দেখা পালে। তেওঁৰ সাজ পাৰ আদি দেখি ললিতা যেনেই লাগিল, কিন্তু বিনয়ে ঘপহ্ কৰে সেইটো বিশ্বাস কৰিব নোৱাৰিলে। অৱশেষত ললিতা আহি ওচৰ পোৱাতহে তাৰ সন্দেহ ভাঙিল। এবাৰ সি ভাবিলে যে ললিতাই বোধকৰোঁ তাক ওভোতাই নিবলৈ আহিছে। কিন্তু ললিতাই চোন নিজেই বৰচাহাবৰ নিমন্ত্ৰণত যোগ দিবলৈ আপত্তি কৰিছিল। ললিতা আহি জাহাজত উঠিলহি। খালাচিবোৰেও ছিৰী তুলিলে। বিনয়ে শঙ্কিত মনেৰে ওপৰৰ ডেকৰপৰা নামি আহি ললিতাৰ আগত উপস্থিত হ'লহি। ললিতাই ক'লে,—“ব'লক আমি ওপৰলৈ যাওঁ।”

বিনয়ে আচৰিত হৈ ক'লে,—“জাহাজ দেখোন এৰিলেই।”

ললিতাই ক'লে,—“ওঁ, সেইটো মই জানো—।”

এইবুলি তাই বিনয়ৰ বাবে নবৈ সমুখৰ ছিৰীয়েদি ওপৰলৈ উঠি গ'ল গৈ। জাহাজখনে কুক্ দি দি বাবলৈ আৰম্ভ কৰিলে।

ললিতাক প্ৰথম শ্ৰেণীৰ 'ডেক্'ৰ চকীত বহুৱাই বিনয় তাইৰ মুখলৈ চাই নীৰবে কিবা সোধোঁ সোধোঁ যেন কৰি চাই ৰ'ল।

ললিতাই ক'লে,—"মই কলিকতালৈ যাম—কোনোমতেই ইয়াত থাকিব নোৱাৰিলোঁ।"

বিনয়ে সুধিলে,—"আৰু বাবাইবোৰ?"

ললিতাই ক'লে,—"এতিয়ালৈকে কোনেও নেজানে। মই চিঠি লিখি থৈ আহিছোঁ। পঢ়িলেহে জানিব পাৰিব।"

ললিতাৰ এই দুঃসাহস দেখি বিনয় স্তম্ভিত হৈ গ'ল। সি সংকোচেৰে সৈতে কবলৈ ধৰিলে,—"কিন্তু—"

ললিতাই লৰালৰিকৈ বাধা দি ক'লে,—"জাহাজ এৰিলেই। এতিয়া আৰু 'কিন্তু' বুলিলে কি হব? তিৰোতা ছোৱালী হৈ জন্ম লৈছোঁ বুলিয়েই যে সকলো কথা নীৰবে সহিব লাগিব, সেইটো মই নেমানো। আমাৰ বাবেও তো ন্যায়-অন্যায়, সম্ভৱ-অসম্ভৱ আছে। আজিৰ নিমন্ত্ৰণলৈ গৈ অভিনয় কৰাতকৈ আত্মহত্যা কৰাটোৱেই মোৰ বাবে উজু হলহেঁতেন।"

যি হবলগীয়া আছিল সিয়েই ঘটিল বুলি বিনয়ে বুজিলে। কামটো এতিয়া ভাল হ'ল নে বেয়া হ'ল—এইবোৰ কথা ভাবি-গুণি মনক কষ্ট দিয়াৰ এৰো লাভ নাই।

অলপ পৰ মনে মনে থাকি ললিতাই ক'লে,—"চাওক, আপোনাৰ বন্ধু গৌৰমোহনৰ প্ৰতি পেটে পেটে মই বৰ অবিচাৰ কৰিছিলোঁ। কিয় জানো কব নোৱাৰোঁ তেখেতক প্ৰথম দিনা দেখিয়েই আৰু তেখেতৰ কথা-বতৰাবোৰ শুনি আগৰেপৰা মোৰ মনটো তেখেতৰ প্ৰতি কিবা হৈ গৈছিল। তেখেতে কথাবোৰ বৰ বেচি ন দি কোৱা দেখি, আৰু আপোনা-লোক সকলোৱে তেখেতৰ সকলো কথাকে মনা দেখি মোৰ বৰ খং উঠিছিল। মোৰ স্বভাৱটোৱেই এনেকুৱা। কোনোবাই কথা বা ব্যৱহাৰত গাৰ বল দেখুৱালে মই একেবাৰে সহিব নোৱাৰোঁ। কিন্তু গৌৰমোহনে মাথোন পৰৰ ওপৰতে বল নেদেখুৱায়, নিজৰ ওপৰতো বল খটুৱায়—এইটোৱে হ'ল প্ৰকৃত বল। এনেকুৱা মানুহ মই আৰু আগতে কেতিয়াও দেখা নাই।"

এইদৰে ললিতাই বকি যাবলৈ ধৰিলে। মাথোন গৌৰাৰ বিষয়ে অনুতাপ আছে বুলিয়েই যে তাই এইবোৰ কথা কৈছে, সেইটো নহয়। আচলতে ঘপ্ কৰে কৰি পেলোৱা কামটোৰ বাবে তাইৰ সংকোচ উপজিব ধৰিছিল, কামটো বোধকৰোঁ ভাল নহ'ল—এইটো সন্দেহে তাইৰ মনত

খুন্দুৱাবলৈ ধৰিলে। বিনয়ৰ সন্মুখত এইদৰে অকলে বহি থকাটো যে কিমান ডাঙৰ এটা কুণ্ঠাৰ কথা, এইটো আগতে তাই ভাবিবই পৰা নাছিল। কিন্তু তাইৰ লাজ লগা বুলি বিনয়ে কেনেবাকৈ গম পালে কথাটো যে আৰু বেচি লাজৰ কথা হে হব, ইয়াকে ভাবি তাই পাৰেমানে বহি থাকিবলৈ ধৰিলে। বিনয়ে ভালকৈ কথা কবই পৰা নাছিল। একালে গোৰাৰ দুখ আৰু অপমান, আনকালে সি ইয়ালৈ বৰচাহাবৰ ঘৰত স্ফুৰ্ত্তি কৰিবলৈ অহাৰ বাবে লাজ, তাৰোপৰি ললিতাৰ বাবে হঠাতে হোৱা তাৰ এই অৱস্থা-সঙ্কট,—এই আটাইবোৰ একেলগে জুমুৰি দি ধৰি তাক একেবাৰে বোবা কৰি পেলাইছিল।

আগতে হোৱা হলে ললিতাৰ এই সৰগাহ দেখি বিনয়ৰ খঙহে উঠিল-হেঁতেন। আজি কিন্তু তেনেকুৱা নহল। আন কি সি আচৰিত হৈছিল যদিও লগে লগে ললিতাৰ প্ৰতি তাৰ শ্ৰদ্ধাও উপজিছিল। তাৰোপৰি ইয়াত আৰু এটা সুখৰ কথা আছিল—সিহঁতৰ গোটেইটো দলৰ মাজত একমাত্ৰ বিনয় আৰু ললিতাই গোৰাৰ অপমানৰ সামান্য প্ৰতিকাৰৰ চেষ্টা কৰিছে। ইয়াৰ বাবে অৱশ্যে বিনয়ে বিশেষ একো কষ্ট খাবলগীয়া নহয়, কিন্তু নিজৰ কৰ্ম্মফল স্বৰূপে ললিতাৰ হলে যথেষ্ট লাটি-ঘাটি হব; অথচ এইজনী ললিতাকে বিনয়ে সদায় গোৰাৰ বিৰুদ্ধে থকা বুলি ভাবি আহিছিল। সি যিমানেই ভাবিবলৈ ধৰিলে সিমানেই ললিতাৰ এই আগ-গুৰি নভবা সৰগাহ দেখি আৰু অন্যায়ৰ প্ৰতি তাইৰ ঘিণ দেখি তাইৰ প্ৰতি তাৰ শ্ৰদ্ধা উপজিবলৈ ধৰিলে। কেনেকৈ আৰু কি বুলি নো এই শ্ৰদ্ধাখিনি প্ৰকাশ কৰিব, সেইটো সি অৱশ্যে ভাবি উলিয়াব নোৱাৰিলে। বিনয়ে বাৰে বাৰে ভাবিবলৈ ধৰিলে, ললিতাই তাক ইমান পৰমুখাপেক্ষী আৰু সাহ নোহোৱা বুলি ঘিণ কৰাটো ঠিকেই হৈছে। সি তো আটাইবোৰ মিত্ৰ-কুটুম্বৰ নিন্দা-প্ৰশংসা একেবাৰে কাতিকৈ থৈ এইদৰে কোনো বিষয়তে সৎ সাহসেৰে—নিজৰ মত প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। সি বহুবাৰ গোৰাই দুখ পাব বুলি ভয়তে নাইবা গোৰাই তাক বল নোহোৱা বুলি ভাবিব পাৰে বুলি ভাবি নিজৰ স্বভাৱ মতে চলা নাই। বহু সময়ত সূক্ষ্ম যুক্তি-জাল বহলাই গোৰাৰ মতকে নিজৰ মত বুলি নিজকে ভুলুৱাবলৈ চেষ্টা কৰিছে। আজি সেইবোৰকে মনে মনে মানি লৈ ললিতাৰ স্বাধীন-চিন্তীয়া মনটো তাৰ মনতকৈ বহুতো শ্ৰেষ্ঠ বুলি সি স্বীকাৰ কৰিলে। ললিতাক আগতে বহুবাৰ পেটে পেটে নিন্দা কৰাৰ কথা ভাবি এতিয়া তাৰ বৰ লাজ লাগিল। আন কি ললিতাৰ ওচৰত তাৰ ক্ষমা খুজিবলৈকো মন

প'ল—কিন্তু কমা নো খোজে কি বুলি? ললিতাৰ কমনীয় নাৰী মূৰ্ত্তিয়ে নিজ অন্তৰৰ তেজেৰে ৰাঙলী হৈ বিনয়ৰ চকুৰ আগত এনে এটি মহিমাৰে দীপ্তিমান হৈ দেখা দিলে যে নাৰীৰ এই অপূৰ্ব্ব পৰিচয় দেখি বিনয়ে নিজৰ জীৱনটোকে সাৰ্থক হোৱা বুলি ভাবিলে। সি নিজৰ সকলো অহঙ্কাৰ, সকলো ক্ষুদ্ৰতাক এই মাধুৰীসনা শক্তিৰ আগত আজি সম্পূৰ্ণৰূপে বিসৰ্জ্জন দিলে।

৩০

ললিতাক লগত লৈ বিনয় আহি পৰেশ ভটৰ ঘৰ পালেহি।

ললিতাৰ প্ৰতি তাৰ নো মনৰ ভাব কেনেকুৱা, জাহাজত উঠাৰ আগলৈকে সেইটো বিনয়ে নিজেই ভালকৈ বুজি পোৱা নাছিল। ললিতাৰ প্ৰতি থকা বিৰোধেই তাৰ গোটেই মনটো আগুৰি থৈছিল। কেনেকৈনো এই বশ নমনা ছোৱালীজনীৰ লগত সন্ধি স্থাপন কৰিব পাৰি আজি কিছুদিনৰপৰা এইটোৱেই তাৰ দৈনিক চিন্তাৰ বিষয় হৈছিল। বিনয়ৰ জীৱনত নাৰী-মাধুৰীৰ নিৰ্ম্মল পোহৰৰ সৈতে সুচৰিতায়েই পোনতে সন্ধিয়াৰ প্ৰথম তৰাটিৰ দৰে উদয় হৈছিল। এই উদয়ৰ অপৰূপ আনন্দই বিনয়ৰ প্ৰকৃতিক পৰিপূৰ্ণতা দান কৰিছে বুলিয়েই সি পেটে পেটে ভাবিছিল। কিন্তু ইতিমধ্যেই যে আৰু তৰা উঠিছে—আৰু আকাশত এক উৎসৱৰ পাতনি মেলি দি প্ৰথম তৰাটি নো কেতিয়া ধীৰে ধীৰে দিগন্তৰালৈ নামি যাব ধৰিছে—বিনয়ে সেইটো ভালকৈ বুজিবই পৰা নাছিল।

বিদ্ৰোহিনী ললিতা যিদিনা জাহাজত আহি উঠিলহি সেইদিনাই বিনয়ে ভাবিলে, ললিতা আৰু মই একেলগে যেন গোটেই সংসাৰখনৰ বিৰুদ্ধে থিয় দিছোঁ। এই ঘটনাটোত ললিতাই আন সকলোকে এৰি তাৰ কাষতহে আহি যে থিয় দিছেহি—এই কথাটো সি কোনোমতেই পাহৰিব নোৱাৰিলে। যি কোনো কাৰণেই হওক বা যি কোনো উপলক্ষ কৰিয়েই হওক, ললিতাৰ মনত বিনয় আজি আৰু আন বহুতৰ মাজৰ এজন নহয়—ললিতাৰ কাষত সিয়েই অকলে আছে, সিয়েই একমাত্ৰ আছে; সকলো মিতিৰ-কুটুম দূৰত আছে, সিয়েই মাথোন একমাত্ৰ অকলে কাষত আছে। এই কাষত থকাৰ আনন্দৰ হেন্দোলনিয়ে বিজুলিয়াই থকা মেঘৰ দৰে তাৰ বুকুৰ মাজত

চিকমিকাই উঠিবলৈ ধৰিলে। প্ৰথম শ্ৰেণীৰ কেবিনত ললিতা শুবলৈ গ'ল। কিন্তু বিনয়ে হ'লে নিজৰ ঠাইলৈ গৈ শুব নোৱাৰিলে। জুতিৰ জোতা-যোৰ খুলি সেই কেবিনটোৰ বাহিৰৰ ডেকত সি নিঃশব্দে ঘূৰি ফুৰিবলৈ ধৰিলে। জাহাজত ললিতাৰ প্ৰতি কিবা উৎপাত হোৱাৰ মূঠেই কোনো আশঙ্কাই নাছিল। কিন্তু বিনয়ে তাৰ হঠাতে নতুনকৈ পোৱা অধিকাৰটোক পূৰাকৈ ভোগ কৰাৰ লোভত প্ৰয়োজন নোহোৱা সত্ত্বেও ওৰে ৰাতিটো কষ্ট নকৰাকৈ থাকিব নোৱাৰিলে।

গভীৰ এন্ধাৰ নিশা, নীলিম আকাশত তৰাই দীপালি পাতিছে। পাৰৰ গছ-গছনিবোৰে গহীন-আকাশৰ ক'লা এটা ভেটিৰ দৰে স্তব্ধ হৈ থিয় হৈ আছে। তলত বহল নদীৰ প্ৰবল সোঁত নীৰৱে বৈ গৈ আছে। ইয়াৰ মাজত ললিতা নিদ্ৰাত মগ্ন। আন একো নহয়, এই সুন্দৰ, এই বিশ্বাসপূৰ্ণ টোপনিখিনিকে ললিতাই আজি বিনয়ৰ হাতত গতাই দিছে। এই টোপনিকণকে আজি বিনয়ে মহামূল্য বস্তু এটিৰ দৰে ৰক্ষা কৰিবলৈ ভাৰ লৈছে। মাক-বাপেক, ভাই-ভনী কোনোৱেই কাষত নাই, এখন অচিনাকি বিছনাৰ ওপৰত ললিতাই তাইৰ ধুনীয়া দেহাটি থৈ নিশ্চিন্ত মনেৰে টোপনি গৈছে—উশাহ-নিশাহেও যেন এই নিদ্ৰা কাব্যখনিৰ ছন্দ জুখি জুখি অতি শান্ত ভাৱেৰে অহা-যোৱা কৰি আছে। সেই নিখুঁত খোপাটীৰ এডালি চুলিও আউল-বাউল হোৱা নাই, সেই নাৰী-হৃদয়ৰ কল্যাণ-কোমলতাৰে ভূষিত হাত দুখনিয়েও সম্পূৰ্ণ জিৰণি লৈ বিছনাৰ ওপৰত পৰি আছে, ফুলৰ দৰে কোমল ভৰি দুখনিয়েও নাৰীৰ ৰমণীয় গতিক উৎসৱ শেষৰ সঙ্গীতৰ দৰে স্তব্ধ কৰি বিছনাৰ ওপৰতে পৰি আছে— পৰিপূৰ্ণ জিৰণিৰ এই ছবিখনিয়ে বিনয়ৰ কল্পনাকো পৰিপূৰ্ণ কৰি তুলিলে। শামুকৰ পেটত মুকুতাৰ দৰে, গ্ৰহ-তৰাৰে ভৰা নীৰৱ এন্ধাৰে আৱৰা এই আকাশমণ্ডলৰ মাজত ললিতাৰ এই টোপনিখিনিক, এই কোমল সুন্দৰ সম্পূৰ্ণ জিৰণিকণকে বিনয়ৰ আজি জগতৰ একমাত্ৰ সম্পদ যেন লাগিল। "মই সাৰে আছোঁ, মই সাৰে আছোঁ"—এই কথাষাৰ বিনয়ৰ বহল বুকুৰ অন্তঃস্থলৰপৰা অভয় শঙ্খধ্বনিৰ দৰে ধলকি উঠি মহাকাশৰ অনিমেষ জাগ্ৰত মহাপুৰুষৰ নীৰৱ বাণীৰ লগত মিলিল গৈ।

এই কৃষ্ণপক্ষৰ নিশাত আৰু এটি কথাই মাৰে মাৰে বিনয়ক আঘাত কৰিছিলহি। আজি ৰাতি গোৰা কাটেকত আছে। আজিলৈকে বিনয়ে গোৰাৰ সকলো সুখ-দুখেৰে ভাগ লৈ আহিছে, এইবাৰেই প্ৰথম তাৰ অন্যথা

আছিল। গোৰাৰ মনে মানুহৰ বাবে কেনেকুৱা প্ৰভাৱ একোৱেই নহয় বুলি বিনয়ে জানিছিল। কিন্তু প্ৰথমবৰপৰা শেষলৈকে এই ঘটনাটোত বিনয়ৰ লগত গোৰাৰ একো যোগ নাছিল। গোৰাৰ জীৱনৰ এনে এটি ডাঙৰ ঘটনাৰ লগত বিনয়ৰ একোৱেই সম্বন্ধ নথকা এইবাৰেই প্ৰথম। দুই বন্ধুৰ জীৱনৰ সোঁতে এই যে এঠাইত আহি বিভিন্ন হ'লহি—আকৌ এই সোঁত কেনেবাকৈ একেলগে মিলি গ'লেও জানো এই বিচ্ছেদৰ উদং ঠাই পূৰণ হ'ব? বন্ধুত্বৰ সম্পূৰ্ণতা জানো এইবাৰ ভাঙি পৰা নাই? জীৱনৰ এনে এটি নভঙা নিছিগা আপুৰুগীয়া বন্ধুত্ব! আজি একে বাতিতে বিনয়ে তাৰ জীৱনৰ একালৰ উকঙা আৰু আনকালৰ পূৰ্ণতাক একেলগে অনুভৱ কৰি জীৱনৰ ভঙা-গঢ়াক দোমোজাত নিটাল মাৰি নিশাৰ এন্ধাৰবোৰৰ ফালে চাই থাকিল।

গোৰা দেশ ফুৰিবলৈ ওলাওঁতে বিনয়ে দৈৱক্ৰমে তাৰ লগত ওলাব নোৱাৰিলে, নাইবা গোৰা কাটেকত থাকিবলগীয়া হওঁতেও দৈৱক্ৰমেহে সেই কাৰাদুখৰ ভাগ লোৱাটো বিনয়ৰ পক্ষে সম্ভৱপৰ নহল, আচল কথাটো এনেকুৱাই হোৱা হলে সিহঁতৰ বন্ধুত্বত কেণা নেলাগিলহেঁতেন। কিন্তু গোৰা ভ্ৰমণলৈ ওলোৱাটো আৰু বিনয়ে অভিনয় কৰাটো কোনো আকস্মিক ঘটনা নহয়। বিনয়ৰ গোটেই জীৱনৰ ধাৰাই আজি এনে এটি পথেদি আগবাঢ়িছে যি পথ সিহঁতৰ পূৰ্ব্ব বন্ধুত্বৰ পথ নহয়। আৰু সেই কাৰণেই আজি অতদিনৰ পিচত এই বাহিৰা এৰা-এৰিও সম্ভৱপৰ হৈছে। কিন্তু আজি আৰু একো উপায় নাই—সত্যক আৰু অস্বীকাৰ কৰিব নোৱাৰি, গোৰাৰ লগত একেটা বাটেদি একমনে আগবাঢ়ি যোৱাটো বিনয়ৰ পক্ষে আজি আৰু সত্য নহয়। কিন্তু গোৰা বিনয়ৰ চিৰ জীৱনৰ ভাল পোৱাই এই পথ ভেদৰ ফলত শেষ হৈ যাব নেকি? এনে এটা সংশয়ত বিনয়ৰ হৃদয় কঁপি উঠিল। সি জানিছিল যে গোৰাই তাৰ সকলো বন্ধুত্বক, সকলো কৰ্ত্তব্যক একেটা লক্ষ্য পথৰ পিনেই নটনাকৈ থাকিব নোৱাৰে। প্ৰচণ্ড গোৰা। প্ৰবল তাৰ ইচ্ছা। জীৱনৰ সকলো সম্বন্ধৰ দ্বাৰাই সি তাৰ সেই একেটা ইচ্ছাকে মহীয়সী কৰি সি জয়যাত্ৰাৰ পথত আগুৱাব—বিধাতাই গোৰাৰ প্ৰকৃতিত সেই ৰাজমহিমা অৰ্পণ কৰিছে।

ঘোঁৰা গাড়ীখন আহি পৰেশ ভট্টৰ ঘৰৰ সমুখত ৰ'লহি। গাড়ীৰপৰা নামোঁতে ললিতাৰ যে ভৰি দুখন কঁপিল আৰু ঘৰৰ ভিতৰলৈ সোমাওঁতেও তাই যে কোনোমতেহে নিজক জলপ চম্ভালি ল'লে, সেইটো বিনয়ে কষ্ট কৰিহে বুজি পালে। ললিতাই খণ্ডৰ ভয়কতে কৰি পেলোৱা কামটোৰ

অপৰাধৰ ওজন যে কিমান হ'ব পাৰে সেইটো তাই নিজেই আন্দাজ কৰিব পৰা নাছিল। যাক গালি পৰা বুলি ক'ব পাৰি ঠিক তেনে কোনো কথা যে পৰেশ 'ভট্টই নক'ব—এইটো ললিতাই জানিছিল—আৰু সেই কাৰণেই পৰেশ ভট্টই নমতা নোবোলাটোলৈহে তাই আটাইতকৈ বেছি ভয় কৰিছিল।

ললিতাৰ এনেকুৱা সঙ্কোচৰ ভাব লক্ষ্য কৰি বিনয়ে এই ক্ষেত্ৰত তাৰ নো কি কৰ্ত্তব্য বুজিব নোৱাৰিলে। সি লগত থাকিলে ললিতাৰ সঙ্কোচ বাঢ়িব নে কমিব তাকে পৰীক্ষা কৰিবলৈ সি সোধোঁ-নোসোধোঁকৈ সুধিলে,—"মই এতিয়া যাওঁ নেকি?"

ললিতাই লৰালৰিকৈ ক'লে,—"উঁহো, আগতে দেউতাৰ ওচৰলৈ বলক।"

ললিতাৰ এই ব্যগ্ৰ অনুৰোধ দেখি বিনয়ৰ পেটে পেটে বৰ ভাল লাগিল। ঘৰ পোৱাৰ পিচতো যে তাৰ কৰ্ত্তব্য শেষ হৈ যোৱা নাই, এই আকস্মিক ঘটনাটোত ললিতাৰ লগত তাৰ জীৱন যে এটা বিশেষ ভাৱে বান্ধ খাই গ'ল—তাকে ভাবি বিনয়ে ললিতাৰ কাষত যেন অলপ বিশেষ জোৰেৰে সৈতেই থিয় হ'ল। তাৰ ওপৰত ললিতাৰ এই নিৰ্ভৰ-শীলতা কিবা এটি স্পৰ্শৰ দৰেই তাৰ গোটেই শৰীৰত বিজুলী খেলি গ'ল।

ললিতাৰ লগৰ এই সম্বন্ধই তাৰ পুৰুষ অন্তৰ ওপচাই পেলালে। সি পেটে পেটে ভাবিলে, ভট্ট ডাঙৰীয়াই হয়তো ললিতাৰ এই অসামাজিক মৰসাহ দেখি খং কৰিব, ললিতাক বকিব, তেতিয়া বিনয়ে যিমানদূৰ সম্ভৱ সকলো দায়িত্ব নিজে গাত পাতি ল'ব—অসঙ্কোচেৰে বকনিৰ ভাগ লব, বৰ্ম্মৰ দৰে ললিতাৰ সকলো আঘাতৰপৰা ৰক্ষা কৰিবলৈ যত্ন কৰিব।

কিন্তু বিনয়ে ললিতাৰ মনৰ ভাবটো আচলকৈ বুজিব পৰা নাছিল। তাই নিজক যে বাপেকৰ গালিৰপৰা সম্ভাৱলৈহে বিনয়ক লগত ৰাখিব খুজিছিল, সেইটো নহয়। আচল কথা, ললিতাই কোনো কথাকে লুকুৱাব নোৱাৰে। তাই যিবোৰ কাম কৰিছে সেই আটাইবোৰ দেউতাকে নিজ চকুৰে দেখক, আৰু বিচাৰৰ ফলাফল গোটেইখিনি ললিতাই নিজেই গ্ৰহণ কৰিব—সেইটোৱেই তাইৰ মনৰ ভাব আছিল।

আজি পুৱাৰেপৰা বিনয়ৰ ওপৰত ললিতাৰ পেটে পেটে খং উঠি আছিল। খংটো যেন একেবাৰে অসঙ্গত সেইটো তাই ভালকৈয়ে বুজিছিল, কিন্তু অসঙ্গত কাৰণেই খংটো ৰকমি মৰং বাঢ়িছিলহে।

জাহাজত থকোঁতে ললিতাৰ মনৰ ভাৱ আন ধৰণৰ আছিল। সকলো-পৰা তাই হয় খং কৰি, নহয় জেদ ধৰি এটা নহয় এটা অভাৱনীয় ঘটনা ঘটাই আহিছে—কিন্তু এইবাৰৰ ঘটনাটো হ'ল গুৰুতৰ। এই নিষিদ্ধ ঘটনাটোত বিনয়ো তাইৰ লগত সাঙোৰ খাই পৰাত একালে তাইৰ যেনেকৈ বৰ সঙ্কোচ হৈছিল আনফালে তাইৰ তেনেকৈ মনটো বৰ ভালো লাগিছিল। এই আনন্দ যেন নিষেধৰ সংঘাতৰপৰাই আৰু বেচিকৈ মথিত হৈ উঠিছিল। কোনো সম্পৰ্ক নোহোৱা মানুহ এজনৰ ওপৰত তাই আজি এইদৰে নিৰ্ভৰ কৰিছে, তাৰ ইমান কাষলৈ আহিছে, সিহঁতৰ মাজত আত্মীয় সমাজৰ কোনো আঁৰ-বেৰ নাই, ইয়াত যে কুণ্ঠাৰ কাৰণ আছিল—কিন্তু বিনয়ৰ স্বাভাৱিক ভদ্ৰতাই সংযমে সৈতে গোটেই ঘটনাটোক এনেকৈ ঢাকি ৰাখিছিল যে সেই আশঙ্কাজনক অৱস্থাৰ মাজত বিনয়ৰ সুকুমাৰ শ্লীলতাৰ চিনাকিয়ে ললিতাক অপূৰ্ব্ব আনন্দ দিছিল। যি বিনয়ে সিহঁতৰ ঘৰৰ সকলোৰে লগত হাঁহি খেমালি কৰিছিল, যাৰ কথাৰ অন্ত নাছিল, ঘৰৰ চাকৰ-বাকৰবোৰৰ লগতো যাৰ অন্তৰঙ্গতা আছিল, এয়া সেই বিনয় নহয়। সতৰ্কতাৰ চল লৈ যত সি অনায়াসেই ললিতাৰ গা চুব পাৰিলে হেঁতেন তাত বিনয়ে এনেকুৱা দূৰত্ব ৰক্ষা কৰি চলিছিল যে ললিতাই অন্তৰৰ মাজত তাক নিচেই কাষত অনুভৱ কৰিছিল। ৰাতি জাহাজৰ কেবিনত নানান চিন্তাত তাইৰ ভালকৈ টোপনি অহা নাছিল। গোটেই ৰাতিটো খৰ্ফৰাই থাকি এবাৰ তাই দেখে যে ৰাতি পুৱাই আহিছে। লাহে লাহে কেবিনৰ দুৱাৰ মেলি বাহিৰলৈ ওলাই আহি দেখিলেহি—শেষ নিশাৰ কুঁৱলীৰে তিতি থকা এন্ধাৰবোৰে তেতিয়াও নদীৰ ওপৰৰ মুকলি আকাশ আৰু পাৰৰ বননিবোৰক আবৰি আছে—এইমাত্ৰ এছাটি জুৰ বতাহে নৈৰ পানীবোৰ কঁপাই দিছেহি, আৰু তল তলাৰপৰা খালাচীবোৰে সিহঁতৰ কাম আৰম্ভ কৰিবলৈ যা-যোগাৰ কৰাৰ আভাস পোৱা গৈছে। কেবিনৰ বাহিৰলৈ ওলাই আহিয়েই ললিতাই দেখে যে ওচৰতে বিনয়ে এখন গৰম কাপোৰ গাত লৈ বেতৰ চকী এখনতে টোপনিত লাল-কাল হৈ পৰি আছে। দেখিয়েই ললিতাৰ অন্তৰ কঁপি উঠিল। গোটেই ৰাতিটো বিনয়ে ইয়াতে বহি পহৰা দিছে। ইমান ওচৰত, তথাপিও ইমান দূৰত। তাইৰ ভৰি দুখন কঁপি উঠিল; লৰালৰিকৈ তাই ডেকৰ পৰা তৎক্ষণাত কেবিনলৈ সোমাই আহিল। দুৱাৰ মুখত থিয় হৈ সেই ভোৰৰ পুৱতি-নিশা, সেই এন্ধাৰ আকাশ, অচিনাকি নদীৰ দৃশ্যৰ মাজত অকলে শুই থকা বিনয়লৈ তাই ৰব লাগি চাই থাকিল। সমুখৰ দিগ্

প্ৰান্তৰ আন্ধাৰেও যেন বিনয়ৰ চৌপনিৰ গাৰুটি লৈ তাইৰ চকুৰ আগত ভাঁহি উঠিল। এটি অনিৰ্বচনীয় গাম্ভীৰ্য্য আৰু মাধুৰ্য্যাৰে তাইৰ অন্তৰ একেবাৰে উপচি পৰিল। চাওঁতে চাওঁতেই কিয় যে ললিতাৰ চকুযুৰিত চকুলো ভৰি পৰিল, তাই নিজেই বুজিব নোৱাৰিলে। দেউতাকৰপৰা তাই যি দেৱতাৰ উপাসনা কৰিবলৈ শিকিছিল সেই দেৱতায়ো যেন সোঁ হাতেৰে আজি তাইক স্পৰ্শ কৰিলে। নদীৰ সিপাৰৰ গছ লতাই ঢকা নিদ্ৰিত পাৰত ৰাতিৰ আন্ধাৰৰ লগত পুৱাৰ নতুন পোহৰৰ লগত যেতিয়া মিলন হ'ল, ঠিক তেতিয়াই সেই পবিত্ৰ সন্ধিক্ষণত পূৰ্ণ নক্ষত্ৰ সভাত কিবা এটি স্বৰ্গীয় সুৰ মহাবীণাত যেন দুঃসহ আনন্দ বেদনাৰ দৰে বাজি উঠিল।

এনেতে চৌপনিতে বিনয়ে হাতখন অকণমান লৰচৰ কৰা দেখি ললিতাই লৰালৰিকৈ কেবিনৰ দুৱাৰখন জপাই দি আহি বিচনাত শুই থাকিলহি। তাইৰ হাত-ভৰি চেঁচা পৰি গ'ল, বহু পৰলৈকে তাইৰ বুকুৰ চপ্‌চপনি নুগুচিল।

এন্ধাৰ আঁতৰি গ'ল। জাহাজখনো চলিবলৈ আৰম্ভ কৰিলে। ললিতাই হাত-মুখ ধুই বাহিৰলৈ ওলাই আহি ৰেলিঙত ধৰি থিয় হ'লহি। বিনয়েও আগতেই জাহাজৰ কুক শুনি সাৰ পাই হাত-মুখ ধুই পুৱাৰ প্ৰথম সূৰ্য্যৰ ৰাঙলী বোল চাবলৈ পূৱ কালে থিয় দিছিলহি। ললিতা ওলাই অহা দেখি সি অলপ অপ্ৰস্তুত হৈ গুচি যাব খোজোঁতেই ললিতাই মাত দিলে,— ‘চেটাৰ্জ্জীদেউ !”

বিনয় কাষলৈ অহাত ললিতাই সুধিলে,—“আপোনাৰ ৰাতি ভালকৈ টোপনি আহিছিল নে ?”

বিনয়ে উত্তৰ দিলে - “হয় আহিছিল।”

ইয়াৰ পিচত দুয়োৰে মাজত আৰু একো কথা নোলাল। নিৰৱে ধোঁৱা কুঁহৰা বনৰ সিপাৰে উঠি অহা সূৰ্য্যৰ সোণালী আভা উজ্জ্বল হৈ উঠিল। ইহঁত দুয়োৰে জীৱনলৈ এনে এটি ৰাতিপুৱা আগতে কেতিয়াও অহা নাছিল। পোহৰে কেতিয়াও সিহঁতক আজিৰ দৰে পৰশি যোৱা নাই—আকাশ যে শূন্য নহয়, আকাশখন যে বিস্ময় নীৰৱ আনন্দেৰে সৃষ্টিৰ ফাললৈ অনিমেষে চাই আছে, সেই কথা ইহঁতে আজিহে প্ৰথম গম পালে। ইহঁত দুয়োৰে চেতনাই আজি এনেদৰে সাৰ পাই উঠিছিল যে গোটেই জগতৰ অন্তৰ্নিহিত চৈতন্যৰ লগত আজি যেন সিহঁতৰ একেবাৰে গাৰে গায়ে ঠেকাঠেকি লাগি গ'ল। কোনোজনেই একো কথাকে নকলে।

জাহাজ আহি কলিকতা পালেহি।’’ বিনয় ঘাটলৈ আহি এখন গাড়ী,

কেনেকৈ কৰি ললিতাক ভিতৰত বহুৱাই দিবে গাৰোৱানৰ কাষত উঠি-বহিল গৈ। এই দিনৰ পোহৰত কলিকতাৰ আলিবাটেদি গাড়ীৰে যাওঁতে যাওঁতে ললিতাৰ মনত যে কিয় ওলোটা বায়ু বলৈ ধৰিলে সেইটো কোনেও ক'ব নোৱাৰে। এই বিপদৰ সময়ত বিনয় যে জাহাজত আছিল, ললিতা যে বিনয়ৰ লগত এইদৰে সাঙোৰ খাই পৰিল, বিনয়ে যে অভিভাৱকৰ দৰে তাইক গাড়ীৰে ঘৰলৈ লৈ যাবলৈ ধৰিছে, এই আটাইবোৰে তাইক বিন্ধিবলৈ ধৰিলে। ঘটনাক্ৰমে বিনয়ে তাইৰ ওপৰত এটা কর্তৃত্বৰ অধিকাৰ লাভ কৰাটো তাইৰ অসহ্য লাগিল। কিয় বাৰু এনেকুৱা হ'ল? নিশাৰ সেই সুমধুৰ সঙ্গীত দিনৰ কর্মক্ষেত্ৰৰ সন্মুখলৈ আহি কিয় বাৰু এইদৰে কঠুৱা সুৰেৰে ধমকি ধ'ল?

সেই কাৰণেই দুৱাৰমুখলৈ আহি বিনয়ে যেতিয়া সঙ্কোচেৰে সৈতে সুধিলেহি,—"মই এতিয়া যাওঁগৈ নে কি?"—ললিতাৰ খঙে মূৰৰ চুলি পালে গৈ। তাই পেটে পেটে ভাবিলে বিনয়ে ভাবিছে যে তেওঁক লগত লৈ দেউতাৰ আগলৈ যাবলৈ মই কুণ্ঠিত হৈছোঁ। এই বিষয়ে তাইৰ মনত যে লেশমানো সঙ্কোচ নাই—এই কথাকে বলেৰে সৈতে প্ৰমাণ কৰিবৰ বাবে আৰু দেউতাকৰ আগত গোটেই ঘটনাটো সম্পূর্ণ ভাৱে দেখুৱাবৰ কাৰণেই তাই অপৰাধীৰ দৰে বিনয়ক দুৱাৰমুখৰপৰা বিদায় দিব নুখুজিলে।

বিনয়ৰ লগত তাইৰ সম্বন্ধটো তাই আকৌ আগৰ দৰে নিকা কৰি পেলাব খুজিলে। মাজত সঙ্কোচ বা মোহৰ চাকনি দি তাই নিজকে বিনয়ৰ কাষত তল কৰিবলৈ ইচ্ছা নকৰিলে।

৩১

বিনয় আৰু ললিতাক দেখা মাত্ৰকে সতীশ কৰবাৰপৰা জপি আহি সিহঁত দুয়োৰে মাজত থিয় হৈ দুয়োৰে হাতত ধৰি সুধিলে, "ক'তা ডাঙৰ বাইদেউ নাহিল নে কি?"

বিনয়ে জেপত হাত ভৰাই বিচাৰি-চাৰিওফালে চাই ক'লে,—"ডাঙৰ বাইদেউ? অ', সর্বনাশ হ'ল। তাকে তো? কলৈ গ'ল বাৰু! অ' হেৰাই গ'ল কৰবাত!"

সতীশে বিনয়ক ঠেলা মাৰি দি ক'লে,—"হয় নেকিয়াৰ, আৰু! ললিতা বাইদেউ কোৱা আৰু'!"

ললিতাই ক'লে,—"ডাক্তৰ বাইলেই কাইলৈ আহিব।"

এই বুলি তাই ওচৰৰ ভাঁৰালীৰাৰ কোঠাৰ কাষলৈ যাবলৈ ধৰিলে।

সতীশে বিনয় আৰু ললিতাৰ হাতত ধৰি টানি দি ক'লে,—"আমাৰ ঘৰলৈ কোন আহিছে চাবা ব'লা।"

ললিতাই নিজৰ হাতখন টানমাৰি আনি ক'লে,—"যোন আহিছে আহক, মোক এতিয়া দিগ নিদিবি। মই এতিয়া দেউতাৰ কাষলৈ যাওঁ।"

সতীশে ক'লে,—"দেউতা ফৰবাবে ওলাই গৈছে। উভতি আহোঁতে তেখেতৰ অলপ দেৰি হব।"

কথাষাৰ শুনি বিনয় আৰু ললিতা দুয়ো অলপ পৰৰ বাবে তালকে পালে। ললিতাই সুধিলে,—"কোন নো আহিছে অ'?"

সতীশে ক'লে,—"উঁহো, নকওঁ। বাৰু বিনয় ককাইদেউ। আপুনি কওকচোন কোন আহিছে? আপুনি কেতিয়াও ক'ব নোৱাৰে। কেতিয়াও নোৱাৰে কেতিয়াও নোৱাৰে।"

বিনয়ে কিছুমান নোহোৱা নোপোজা আৰু অসম্ভৱ নামবোৰ কবলৈ ধৰিলে। এবাৰ ক'লে নবাব চিৰাজউদ্দৌলা। এবাৰ ক'লে ৰজা নৱকৃষ্ণ। এবাৰ নন্দকুমাৰৰ নামো ক'লে। এনেকুৱা আলহী অহাটো যে একেবাৰে নোহোৱা নোপোজা কথা সতীশে তাকেই পদে প্ৰমাণে দেখুৱাবলৈ চিঞৰি চিঞৰি প্ৰতিবাদ কৰিবলৈ ধৰিলে। অৱশেষত হাৰ মানি বিনয়ে লাহেকৈ ক'লে, "ওঁ, সেইটো অৱশ্যে সঁচা কথা, চিৰাজউদ্দৌলাৰ যে এইখন ঘৰলৈ অহাত কিছুমান বৰ ডাঙৰ অসুবিধা আছে, সেইটো মই ভবাই নাছিলোঁ। বাৰু, যিয়েই নহওক, তোমাৰ বাইদেউৰেই বাৰু আগেয়ে চাওকগৈ, তাৰ পিচত দৰ্কাৰ হ'লে মোক মাতিলেই যাম।"

সতীশে ক'লে—"ওহো এতিয়াই আপোনালোক দুয়ো ব'লক।"

ললিতাই সুধিলে,—"কোনটো কোঠালৈ যাব লাগিব অ'?"

সতীশে ক'লে,—"তিনি মহলাৰ কোঠালৈ।"

তিনি মহলাৰ ছাদৰ একুকত এটা সৰু কোঠা আছিল। সেই কোঠাটোৰ দক্ষিণে ৰ'দ বৰষুণ ৰখাবলৈ এখন একচলীয়া টাইলৰ চালি দিয়া হৈছিল। সতীশৰ পিচে পিচে সিহঁত দুয়ো তাতে গৈ দেখে যে এখন সৰু আসন পাতি সেই চালিখনৰ তলত এগৰাকী বুঢ়ী মানুহে চকুত চশমা লৈ কৃত্তিবাসৰ ৰামায়ণ পঢ়ি আছে। তেখেতৰ চশমাৰ একোণৰ ভঙা [illegible] এডাল সূতা-বন্ধা আছিল, আৰু সেই সূতাডাল তেখেতে কাণত [illegible] লৈছিল। [illegible]

চুলি প্ৰায় নাৰেই, কিন্তু বগা মুখখন এতিয়াও পকা বেলেকবাৰ দৰেই হৈ আছে। চেলাউৰিবোৰৰ মাজত এটা দাগ—গাত অলঙ্কাৰ পাতি একো নাই, বিধবাৰ সাজ। প্ৰথমে ললিতালৈ চকু পৰোঁতেই তেখেতে লৰালৰিকৈ বিতচকুবোৰ খুলি, পুথিখন থৈ, বিশেষ এটা আগ্ৰহেৰে তাইৰ মুখলৈ চালে। পিছ মুহূৰ্ত্ততে তাইৰ পিছতে বিনয়ক দেখি লৰালৰিকৈ থিয় হৈ মূৰলৈ ওৰণিখন টানি ল'লে আৰু ভিতৰলৈ যাব খুজিলে। সতীশে দৌৰি গৈ তেখেতক সাবটি ধৰি ক'লে,—"মাহীদেউ, পলাব খুজিছা কিয়? এইয়া মোৰ ললিতা বাইদেউ, আৰু এইয়া বিনয় ককাইদেউ। ডাঙৰ বাইদেউ কাইলৈহে আহিব।"

বিনয় ককাইদেউৰ এই নিচেই চমুকৈ দিয়া চিনাকিয়েই যথেষ্ট হ'ল। ইতিপূৰ্ব্বেই বিনয় ককাইদেউৰ সম্বন্ধে যে যথেষ্ট আলোচনা হৈ গৈছে, তাত আৰু একো সন্দেহ নাই। পৃথিৱীত সতীশৰ আনক কবলৈ বি কেইটা কথা থুপ খায়, সুবিধা পালেই সতীশে সেই আটাইবোৰ একেবাৰে একেলগে উজাৰ কৰি দিয়ে।

এইখন ঘৰত মাহীদেউ বুলিলে নো কাক বুজায়, সেইটো বুজিব নোৱাৰি ললিতা অবাক হৈ থিয় হৈ থাকিল। বিনয়ে বুঢ়ী গৰাকীক সেৱা এটা কৰি তেখেতৰ ভৰিৰ ধূলা মূৰত লোৱা দেখি ললিতায়ো তাকেই কৰিলে। মাহীদেৱে লৰালৰিকৈ কোঠাৰপৰা এখন আসন আনি বাহিৰত পাৰি দি ক'লে,—"বোপা বহাঁ, তুমিও বহাঁ আই।

বিনয় আৰু ললিতা বহাৰ পিছত তেখেত নিজৰ আসনত বহিল। সতীশো তেখেতৰ গাতে আঁউজি বহিল। তেখেতে সতীশক সোঁ-হাতেৰে সাবটি ধৰি ক'লে,—"মোক তোমালোকে চিনি নেপাবা, মই সতীশৰ মাহীয়েক হওঁ। সতীশৰ মাক মোৰ নিজা বাইদেউ আছিল।"

এইৰূপ চিনাকিৰ মাজত বৰ বেছি একো কথা নাছিল, কিন্তু মাহীদেউৰ মুখত আৰু মাতত এনেকুৱা কিবা এটা আছিল, যিহৰ বাবে এই কথা কেইষাৰতে তেখেতৰ জীৱনৰ গভীৰ শোকৰ চকুলোৰে ধোৱা পৱিত্ৰ এখনি ছবি ভাঁহি উঠিল। 'মই সতীশৰ মাহীয়েক হওঁ' বুলি যেতিয়া তেখেতে সতীশক বুকুৰ মাজত সাবটি ধৰিলে তেতিয়াই এই মহিলা গৰাকীৰ জীৱন-বৃত্তান্তৰ একো কথা নজনাকৈয়ে তেখেতৰ প্ৰতি বিনয়ৰ মন কৰুণাৰে উপচি পৰিল। বিনয়ে ক'লে,—"অকল সতীশৰ মাহীয়েক হলেই নহব। তেতিয়া হলে ইমান দিনৰ পিছত সতীশৰ লগত কিন্তু এতিয়া মোৰ দনুৰাই [illegible]। এনেয়েতো সতীশে মোক বিনয় ককাইদেউহে বোলে, ককাইদেউ [illegible];

এভিয়া আকৌ মাহীদেউহঁতবাও লোক বঞ্চিত কথাটো একেবাৰে উচিত নহব।"

মানুহৰ মন বশ কৰিবলৈ বিনয়ৰ সময় নেলাগে। এই ধুনীয়া, মিঠা-মুখীয়া ডেকাটিয়ে চাওঁতে চাওঁতে 'মাহীদেউ'ৰ মন দখল কৰি সতীশৰ লগত সমানে ভগাই ললে।

মাহীদেৱে সুধিলে,—"বোপা, তোমাৰ মাৰ ক'ত থাকে?"

বিনয়ে ক'লে,—"মই মোৰ নিজৰ আইক, বহুদিন আগতেই হেৰুৱা-ইছোঁ। কিন্তু মোৰ আই যে নাই, এনে কথা মই মুখলৈকে আনিব নোৱাৰোঁ।।"

এই বুলি আনন্দময়ীৰ কথা মনত পৰা মাত্ৰকে তাৰ চকুযোৰ চলচলীয়া হৈ পৰিল।

দুয়ো নানা কথা-বতৰা পাতিবলৈ ধৰিলে। কথা-বতৰাত এওঁলোকৰ আজিহে মাথোন প্ৰথম চিনাকি হৈছে, এনে বুলি ধৰিবই নোৱাৰা হ'ল। এই কথা-বতৰাৰ মাজতে সতীশে মাজে মাজে একোবাৰ একো একোটা আগ-গুৰি নোহোৱা মন্তব্য দিবলৈ ধৰিলে। ললিতা নীৰৱে বহি থাকিল।

চেষ্টা কৰিও ললিতাই নিজক সহজতে প্ৰকাশ কৰিব নোৱাৰিছিল। প্ৰথম চিনাকিৰ সঙ্কোচ আঁতৰাবলৈ তাইৰ বহুত সময় লাগে। তাৰোপৰি, আজি তাইৰ মনটোও ভাল নহয়। বিনয়ে সহজভাৱে এই অচিনাকি মানুহ গৰাকীৰ লগত ইমানকৈ কথা-বতৰা পতাটো তাই সমুলি ভাল পোৱা নাছিল। ললিতা যি বিপদত পৰিছে, বিনয়ে সেই বিপদৰ গুৰুত্বৰ কথা নেভাবি এনেকৈ উদাসীন হৈ থকা দেখি বিনয়ক তেনেই চেলেপু ধৰণৰ ল'ৰা বুলি তাই পেটে পেটে গালি পাৰিবলৈ ধৰিলে। কিন্তু গহীন হৈ আমন-জিমনকৈ বহি থকা হ'লেই যে বিনয় ললিতাৰ অসন্তোষৰ পৰা সাৰিব পাৰিলেহেঁতেন, সেইটোও নহয়। সেয়ে হোৱা হ'লে নিশ্চয় ললিতাই খঙতে পেটে পেটে ভাবিলেহেঁতেন,—'মোৰ আগতে দেউতাই কি কৰলগীয়া আছে কৰ, বিনয়ে আকৌ এইদৰে কৰি দেখুৱাইছে কিয়? যেন তেওঁৰ গাতহে ইয়াৰ ভাৰ পৰিছে।' আচল কথা, কালি ৰাতি যিটো আঘাতত সঙ্গীত বাজিছিল আজি দিনৰ পোহৰত তাত বিষাদ হে বাজিছে। একোৱেই যেন নিয়ম মতে হোৱা নাই। আজি সেই কাৰণে ললিতাই প্ৰতিখোজতে বিনয়ৰ লগত পেটে পেটে দন্দ্ব কৰিছে। বিনয়ৰ অতি ভাল ব্যৱহাৰবোৰেও এই কাজিয়াৰ ওৰ নপৰিলেহেঁতেন। কি উপায়েৰে হ'লে যে ইয়াৰ প্ৰতিকাৰ হ'লহেঁতেন সেইটো একমাত্ৰ অন্তৰ্যামীয়েহে জানে।

হায়! যিবোৰ ছোৱালীয়ে হিয়াৰ কিল্পা-বিল্পা কৰে সেই ছোৱালীবোৰৰ

ব্যৱহাৰক যুক্তিবিৰুদ্ধ বুলি দোষ দিলে কেনেকৈ হব? গুৰিতেই যদি ঠিক ঠাইত অন্তৰ প্ৰতিষ্ঠা কৰা হয়, তেনেহলে ই ইমান সহজভাৱে আৰু ইমান সুন্দৰকৈ চলে যে যুক্তি তৰ্কয়ো হাৰ মানি মূৰ তল কৰিবলৈ বাধ্য হয়; কিন্তু গুৰিতে যদি লেশমানো কেণা লাগে, তেন্তে সেই সুন্দৰ যন্ত্ৰ চলাবলৈ আৰু বুদ্ধিৰো সাধ্য নাথাকে। তেতিয়া ৰাগ-জাল, হাঁহি-কান্দোন, কিহবপৰা যে কি হয়গৈ সেইটো বুজিবলৈ চেষ্টা কৰাটো ভুলহে।

ইফালে বিনয়ৰ হৃদয়-যন্ত্ৰটিও যে স্বাভাৱিকভাৱে চলিছিল সেইটোও নহয়। তাৰ অৱস্থা অবিকল আগৰ দৰে থকা হলে এই মুহূৰ্ত্ততে সি একেলৰে আনন্দময়ীৰ গুৰি ওলালগৈহেঁতেন। গোৰা আজি কাটেকত পৰা কথা আইক বিনয়ৰ বাহিৰে নো আৰু আন কোনে কব পাৰিব? বিনয়ৰ বাহিৰে আইৰ আৰু সান্ত্বনাই বা কোন আছে। এই শোকটোৱেই বিনয়ৰ মনত এটা ডাঙৰ বোজা যেন হৈ তাক একেবাৰে চেপেটা কৰি পেলাইছিল। কিন্তু ললিতাক এইদৰে এতিয়াই ইয়াতে এৰি থৈ যোৱাটোও তাৰ বাবে অসম্ভৱ আছিল। গোটেইখন সংসাৰৰ বিৰুদ্ধে আজি সিয়েইহে এটিমাত্ৰ ললিতাৰ ৰক্ষক; এতেকে ভট্ট ডাঙৰীয়াৰ ওচৰত ললিতাৰ বিষয়ে যদি তাৰ কিবা কৰ্ত্তব্য থাকে তেনেহলে সেই কৰ্ত্তব্য শেষ কৰিহে যাব লাগিব বুলি সি নিজেই নিজৰ মনটোক বুজনি দিছিল। অতি সামান্য চেষ্টাতেই বিনয়ৰ মনটোৱেও সেই কথা বুজি লৈছিল। প্ৰতিবাদ কৰিবৰ ক্ষমতা মনটোৰ নাছিল। গোৰা আৰু আনন্দময়ীৰ কাৰণে বিনয়ৰ মন যিমানেই নেকাণ লাগে, আজি ললিতা তাৰ ইমান কাষত থকাত সি এনে এটি সুখ পাইছিল—গোটেই সংসাৰৰ মাজত এনে এটি বিশেষ গৌৰৱ, নিজৰ সত্তাৰ এনে এটি বিশিষ্ট স্বতন্ত্ৰতা অনুভৱ কৰিবলৈ ধৰিলে যে তাৰ মনৰ বেজাৰ মনৰ কোনোবা একচুকত পৰি থাকিল। সি আজি ললিতাৰ ফালে চাবই নোৱাৰা হ'ল; মাথোন আপোনা-আপুনি বাৰে বাৰে বিশেষ বস্তু তাৰ চকুত পৰিছিলহি—ললিতাৰ কাপোৰৰ কোনোবা এটা কোণ—তাইৰ কোলাতে নিথৰ ভাৱে পৰি থকা এখন হাত—মুহূৰ্ত্তৰ বাবে এইবোৰেই তাক পুলকিত কৰি তুলিছিল।

বেলি বহুতো হ'ল। পৰেশ ভট্ট চোন এতিয়াও নাহিল। যাবৰ বাবে তাৰ মনটোৱে লাহে লাহে খৰ্ কৰাবলৈ ধৰিলে। মনৰ এই আবেগটো কোনো ৰকমে ঢাকি ৰাখিবৰ বাবেই বিনয়ে সতীশৰ মাষ্টাৰেকৰ লগত একান্ত মনে কথা পাতিবলৈ ধৰিলে। অৱশেষত ললিতাৰ বিৰক্তিৰ আৰু বাধা নেথাকিলে। তাই বিনয়ৰ কথাৰ মাজতে স্পষ্ট কৰে বাধা দি ক'লে,—

"আপুনি কালৈ বৈ আছে? সেইটো কেতিয়া আহে তাৰ একো ঠিক নাই। আপুনি গৌৰমোহনৰ মাকৰ কাষলৈ এবাৰ সোমাব জানো?"

বিনয় চক্ খাই উঠিল। ললিতাৰ মাতত বিৰক্তিৰ সুৰ সি ভালকৈয়ে পাইছিল। সি ললিতাৰ মুখলৈ চাই সাউৎকৈ থিয় হ'ল। হঠাতে গুণ ছিঙা ধনুৰ দৰে একেঁকোবেই সি থিয় দিলে। সি নো কালৈ বৈ আছে? ইয়াত যে তাৰ কিবা বৰ ডাঙৰ প্ৰয়োজন আছে—এনে অহংকাৰ তাৰ মনলৈতো আপোনা-আপুনি অহা নাই? সি যেখোন নিজেই দুৱাৰ মুখৰপৰাই বিদায় লব খুজিছিল—ললিতাইহে চোন তাক অনুৰোধ কৰি লগত লৈ আহিছে—এতিয়া আকৌ ললিতাৰ মুখতে এই কথা?

বিনয় হঠাতে এনেদৰে খপ্‌কৰে থিয় হ'ল যে ললিতাই হতভম্ব হৈ তাৰ মুখলৈ চালে। তাই দেখে যে বিনয়ৰ স্বভাৱতে হাঁহি থকা মুখখন ফু মাৰি নুমুৱাই দিয়া চাকিৰ পোহৰৰ দৰেই নুমাই গৈছে। বিনয়ৰ এনেকুৱা করুণ মুখ, তাৰ ভাবৰ এনেকুৱা হঠাৎ সলনি ললিতাই আগতে আৰু কেতিয়াও দেখা নাছিল। বিনয়ৰ মুখলৈ চোৱাৰ লগে লগে ভাকল অনুতাপে ললিতাৰ অন্তৰখন ইমূৰৰপৰা সিমূৰলৈ দহিবলৈ ধৰিলে।

সতীশে লৰালৰিকৈ থিয় দি বিনয়ৰ হাতত ধৰি ওলমি অনুনয় কৰি ক'লে,—"বিনয় ককাইদেউ, আৰু অকণমান বহক আৰু। এতিয়াই নেযাব আৰু। আমাৰ ঘৰত আজি ভাত খাই যাব লাগিব। মাহীদেউ, বিনয় ককাইদেউক ভাত খাই যাবলৈ কওক আৰু। ললিতা বাইদেউ, কিয় বিনয় ককাইদেউক যাবলৈ কৈছা?"

কথাবোৰ অতি সাধাৰণ সঁচা, কিন্তু তাৰ মাতটোৰ মাজত যেন চকুৰ পানী বিয়পি পৰিছিল। সেই সুৰ সতীশৰ মাহীয়েকৰ কাণতো বাজি উঠিল। তেখেতে এবাৰ বিনয়লৈ আৰু এবাৰ ললিতাৰ মুখলৈ নিমিষতে চাই ললে—বুজিলে, অদৃষ্টৰ এটা লীলা চলিছে।

অলপ পিচতে কিবা এটা ছল লৈ ললিতাই তাইৰ কোঠালৈ উঠি গুচি গ'ল গৈ। কতদিন যে তাই এইদৰেই নিজেই নিজকে কন্দুৱাইছে।

৩২

বিনয়ে তেতিয়াই আনন্দময়ীৰ ঘৰৰ কাললৈ খোজ দিলে। লাজ আৰু বেজাৰত সি বৰ ম্ৰিয়মান হৈ পৰিছিল। ইমান পৰেও কিয় সি তাৰ আইৰ কাষলৈ যোৱা নাই? কি ভুলকে নো সি নকৰিছিল। সি ভাবিছিল তাক ললিতাৰ বৰ দৰ্কাৰ। সি কলিকতালৈ আহিয়েই সকলো প্ৰয়োজনকে কাতি কৰি আনন্দময়ীৰ কাষলৈ দৌৰি নোযোৱাৰ বাবে ঈশ্বৰে তাক উপযুক্ত শাস্তিকে দিছে। সেয়েহে অৱশেষত আজি ললিতাৰ মুখৰপৰাও এনে কথা শুনিবলগীয়া হ'ল। 'গৌৰমোহনৰ মাকৰ কাষলৈ এবাৰ নেযায় জানো জীৱনৰ কোনো এটা মুহূৰ্ত্ততো এনেকুৱা এটা ভুল হব পাৰিবনে—যে গৌৰমোহনৰ মাকৰ কথা বিনয়তকৈয়ো ললিতাই হে বেচিকৈ ভাবিবলগীয়া হব। ললিতাই তেখেতক মাথো গৌৰমোহনৰ মাক বুলিয়েই জানে, কিন্তু বিনয়ৰ কাৰণে যে তেখেত জগতৰ সকলো মাতৃৰ একেগুলা সাক্ষাত প্ৰতিমা।

তেতিয়া আনন্দময়ীয়ে গা ধুই উঠি আহি মজিয়াত আসন পাৰি স্থিৰ হৈ মুঠেই বহিছিলহি, বোধকৰোঁ মনে মনে জপ্ কৰিছিল। বিনয়ে দৌৰি আহি তেখেতৰ ভৰিত লুটি খাই পৰি মাত দিলে,—"আই।"

আনন্দময়ীয়ে তাৰ দোঁখোৱা মূৰটোত দুয়ো হাত ফুৰাই ক'লে,—"বিনয়!"

আইৰ দৰে এনে মিঠা মাত আৰু কাৰ আছে। সেই মাতষাৰ শুনাৰ লগে লগে বিনয়ৰ গোটেই শৰীৰটো যেন কৰুণাত পৰি গ'ল। সি কোনো মতে চকুপানী সামৰি সহজভাৱে ক'লে, "আই, মোৰ বৰ বেলি হৈ গ'ল।"

আনন্দময়ীয়ে কলে,—"এই সকলো কথা শুনিছোঁ বিনয়।"

বিনয়ে চক্‌খাই উঠি কলে'—"তেনেহলে তুমি সকলো কথাই জানিলা!"

গোৰাই কাটেকৰপৰাই তেখেতলৈ সকলো কথা জনাই চিঠি লিখি উকিলৰ হাতত পঠিয়াই দিছিল। সি কাটেক খাটিব লাগিব বুলি বোধ-কৰোঁ আগতেই গম পাইছিল।

চিঠিখনৰ শেষৰ ফালে সি লিখিছিল—

'কাটেক খটুৱাই তোমাৰ গোৰাৰ মুঠেই একো ক্ষতি কৰিব নোৱাৰে। কিন্তু ইয়াৰ বাবে তুমি হলে অকণমানো বেজাৰ কৰিব নোৱাৰা। মোৰ কাৰণে তুমি মনত দুখ পোৱাটোহে শাস্তি। মোক আৰু আন কোনো শাস্তি দিবৰ হাকিমৰ সাধ্য নাই। অকল তোমাৰ লৰাৰ কথাকে নেভাবিবা

আই, তোমাৰ নিচিনা আৰু বহুতো মাকৰ সৰাই বিনা দোষতে ফাটেক খাটিবলগীয়া হয়। সিহঁতৰ এই কষ্টৰ ভাগ এবাৰ মোৰো লবৰ মন গৈছে। মোৰ এই ইচ্ছা এইবাৰ পূৰ্ণ হব খুজিছে। এতেকে আই, তুমি বেজাৰ নকৰিবা।

'আই, তোমাৰ মনত আছে নে নাই নেজানো, যোৱাবেলি যেতিয়া চাৰিওফালে খৰ ডাঙৰ আকাল লাগিছিল, এদিন মোৰ আলিৰ কাষৰ কোঠা-টোৰ মেজত টকাৰ মোনাটো থৈ মই পাঁচ মিনিটৰ বাবে আন এটা কোঠালৈ গৈছিলোঁ। উভতি আহি দেখোঁ যে মোনাটো কোনোবাই চুৰ কৰি লৈ গৈছে। মোনাটোত মোৰ বৃত্তিৰপৰা পোৱা চাৰিকুৰি পাঁচ টকা আছিল। মই মনে মনে পাঙি থৈছিলোঁ যে আৰু কিছু ধন গোটাব পাৰিলেই তোমাৰ ভৰি ধোৱা পানী খবলৈ তোমাক এটা ৰূপৰ লোটা গঢ়াই দিম। সেই টকাখিনি চুৰি হোৱাত যেতিয়া চোৰৰ ওপৰত খঙত জলি-পকি উঠিছিলোঁ, তেতিয়া ভগৱানে মোৰ মনত হঠাতে এটা সুবুদ্ধি দিলে। মই মনে মনে ভাবিলোঁ যে যিটো মানুহে আজি মোৰ টকাখিনি লৈ গৈছে, এই আকালৰ দিনত তাকেই মই সেই টকা দান কৰিলোঁ। এই বুলি ভবাৰ লগে লগেই সকলো নিষ্ফল খং আঁতৰি মোৰ মনটো শান্ত হৈ পৰিল। আজি মোৰ মনটোকো মই সেইদৰেই বুজাইছোঁ যে আজি মই ইচ্ছা কৰিয়েই ফাটেক খাটিবলৈ ওলাইছোঁ। মোৰ মনত অকণো বেজাৰ নাই, কাৰো ওপৰত একো ৰোষ নাই। ফাটেকলৈ মই আলহী খাবলৈহে যাম। তাত খোৱা-বোৱা, ফুৱা-চকাত অলপ দুখ পাব লাগিব হয়—কিন্তু এইবাৰ দেশ ভ্ৰমিবলৈ ওলাই আহি মই বহুতৰ ঘৰত আলহী হৈছোঁ, সেইবোৰ ঠাইতো তো নিজৰ অভ্যাস আৰু আৱশ্যক অনুযায়ী সুখ পোৱা নাই। ইচ্ছা কৰি গ্ৰহণ কৰা কষ্টটোতো আচলতে একো কষ্টেই নহয়। আজি মই ইচ্ছা কৰিয়েই জেলত আলহী হবলৈ ওলাইছোঁ। মোৰ যিমান দিন মন যায়, ঠিক সিমান দিন হে মই জেলত থাকিম। তাৰ বেছি এবেলাও কোনেও মোক জোৰকৈ ফাটেকত ৰাখিব নোৱাৰে বুলি তুমি ধুৰূপকৈ জানিবা।

'যেতিয়া আমি নিজৰ ঘৰতে বহি অবাধে খোৱা-লোৱা, ফুৱা-চকা কৰোঁ, তেতিয়া বাহিৰৰ আকাশৰ তলত আৰু পোহৰৰ মাজত মুকলি-মূৰীয়াকৈ ঘূৰি ফুৰাৰ অধিকাৰ যে কিমান এটা ডাঙৰ অধিকাৰ সেইটো আমি অনুভৱকে কৰিব নোৱাৰোঁ। ঠিক সেই মুহূৰ্তত হয়তো পৃথিৱীৰ বহুতো মানুহেই দোষতেই হওক অথবা বিনা দোষতেই হওক, ঈশ্বৰে দিয়া জগতৰ অধিকাৰবোৰৰপৰা বঞ্চিত হৈ বন্ধন আৰু অপমান ভোগ কৰিছিল।

কিন্তু আজিলৈকে আমি সিহঁতৰ কথা এবাৰলৈয়ো ভবা নাই বা সিহঁতৰ জগতত একো সম্বন্ধকে ৰখা নাই। কিন্তু এইবাৰ মই সিহঁতৰ গাৰ চেকা নিজৰ গাত সানি লব খুজিছোঁ। ভদ্ৰলোক হৈ বহি থকা পৃথিৱীৰ বেছি ভাগ কৃত্ৰিম ভাল মানুহৰ দলত যোগ দি মই মোৰ সন্মান ৰাখি চলিব নোখোজোঁ।

'আই, এইবাৰ পৃথিৱীৰ স'তে চিনাকি হৈ মোৰ বহুতো শিক্ষা হৈছে। ঈশ্বৰে জানে, জগতত যিবোৰে আনক বিচাৰ কৰাৰ ভাৰ লৈছে, সিহঁতৰ বেছি ভাগেই কৃপাৰ পাত্ৰ। যিবোৰে নিজে শাস্তি নেপায় অথচ আনক হে শাস্তি দিয়ে সিহঁতৰ পাপৰ শাস্তি আজি জেলৰ কয়দীবোৰে ভোগ কৰিছে। অপৰাধ বহুতে কৰিছে, কিন্তু শাস্তি ভোগ কৰিছে যাখোন ইহঁতেহে। যিবোৰে কাটেকৰ বাহিৰত সুখেৰে আছে, সন্মানেৰে আছে, সিহঁতৰ নো কেতিয়া ক'ত 'কেনেকৈ পাপৰ ক্ষয় হব কব নোৱাৰোঁ।' মই সেই সুখ আৰু সন্মানক ধিক্কাৰ দি মানুহৰ দুখৰ চেকাৰ সাঁচ বুকুত বহুৱাই লৈ ওলাই আহিম। আই, তুমি মোক আশীৰ্ব্বাদ কৰা, তুমি চকুৰ পানী নেপেলাবা। ভৃগুৰ পদাঘাতৰ চিন শ্ৰীকৃষ্ণই চিৰদিনেই বুকুত ধাৰণ কৰিছে। সংসাৰত উদ্ধতালিয়ে য'তে ত'তে অন্যায়-আঘাত কৰি ভগৱানৰ বুকুৰ সেই চিনক হে আৰু বেছি দ কৰিছে। সেই চিন যদি তেওঁৰ অলঙ্কাৰহে হব পাৰে, তেনেহলে নো মোৰ আৰু চিন্তা কিহৰ? আৰু তুমিয়েই বা কিয় বেজাৰ কৰিবা?'

এই চিঠি পাই আনন্দময়ীয়ে মহিমক গোৰাৰ কাষলৈ পঠিয়াবলৈ যত্ন কৰিছিল। কাছাৰী আছে, চাহাবে কোনোৰকমেই ছুটী নিদিয়ে বুলি মহিমে ক'লে। এই বুলি সি গোৰাৰ অবিবেচনা আৰু উদ্ধতালিৰ কথা কৈ তাক নানান গালি-শপনি পাৰিবলৈ ধৰিলে। সি ক'বলৈ ধৰিলে এইটোৰ বাবে কেতিয়াবা মোৰো চাকৰিটোহে যাব। আনন্দময়ীয়ে কৃষ্ণদয়ালক এই বিষয়ে কিবা কবলৈ যোৱাটো অনাৱশ্যক বুলি ভাবিলে। গোৰাৰ সম্বন্ধে গিৰীয়েকৰ প্ৰতি তেখেতৰ এটা মৰ্ম্মান্তিক অভিমান আছিল। কৃষ্ণদয়ালে গোৰাক অন্তৰত পুত্ৰৰ স্থান দিয়া নাই বুলি তেখেতে জানিছিল। আনকি গোৰাৰ সম্বন্ধে কৃষ্ণদয়ালৰ অন্তৰত এটা বিৰোধৰ ভাবহে আছিল। গোৰাই আনন্দময়ীৰ দাম্পত্য সম্বন্ধক বিন্ধ্যাচলৰ দৰে দুভাগ কৰি মাজত থিয় দিছিলেহি। তাৰ এটা পাৰত অতি সতৰ্ক শুদ্ধাচাৰ লৈ কৃষ্ণদয়াল অকলে আৰু আনটো পাৰত ম্লেচ্ছ গোৰাক বুকুত সাৱটি লৈ অকলে আনন্দময়ী। গোৰাৰ জীৱনৰ ইতিহাস পৃথিৱীত যি দুজনে [illegible] জানে সিহঁতৰ মাজত যাতায়াতৰ পথ যেন বন্ধ হৈ গৈছে। [illegible]

গোৰাৰ প্ৰতি আনন্দময়ীৰ স্নেহ তেখেতৰ সম্পূৰ্ণ আকুতীয়া ধন আছিল। এই পৰিয়ালত গোৰাৰ অনধিকাৰ অৱস্থানক আনন্দময়ীয়ে যিমান পাৰে সহজ কৰি ৰাখিবলৈ যত্ন কৰিছিল। কিজানিবা কোনোবাই কয়েই 'তোমাৰ গোৰাৰ পৰাই এনে ঘটনা ঘটিল, তোমাৰ গোৰাৰ বাবেই এনে কথা শুনিব লগীয়া হ'ল,' নাইবা 'তোমাৰ গোৰাই আমাৰ এনেকুৱা ক্ষতি কৰিলে', আনন্দময়ীৰ এয়েই এটা অনবৰত চিন্তাৰ কাৰণ আছিল। গোৰাৰ সকলো দায়িত্ব যে তেখেতৰেই। আকৌ তেখেতৰ গোৰাও তো একেবাৰে সাধাৰণ গোৰা নহয়। য'ত থাকে তাত তাৰ অস্তিত্ব গোপনে ৰখাটো তো সহজ কথা নহয়। তেখেতৰ কোলাৰ এই বলিয়া গোৰাটোক এই বিৰোধী পৰিয়ালৰ মাজত ইমান দিন দিনে-ৰাতিয়ে কোনোৰকমে বুকুত সাৱটি তেখেতে তাক ইমান ডাঙৰ কৰি তুলিলে—বহু কথা শুনিব-লগীয়া হৈছে—বিৰোধৰ তেখেতে তেতিয়াও একো উত্তৰ দিয়া নাই, বহুত দুখ সহিছে—বিৰোধৰ ভাগ আৰু আন কাকোৱেই দিয়া নাই।

আনন্দময়ীয়ে নিমাত হৈ অকলে খিড়িকীৰ কাষত বহি আছিল। তাৰ পৰাই তেখেতে দেখা পালে কৃষ্ণদয়ালে প্ৰাতঃস্নান শেষ কৰি কপালত, বাহুত, বুকুত গঙ্গাৰ মাটি সানি মন্ত্ৰ মাতি মাতি ঘৰ সোমাইছেহি। আনন্দময়ীয়ে তেখেতৰ কাষলৈ যাব নোৱাৰিলে। বাধা, বাধা, বাধা, সকলোতেই বাধা। অৱশেষত হুমুনিয়াহ কাঢ়ি আনন্দময়ী মহিমৰ কোঠালৈকে উঠি গ'ল গৈ। মহিমে তেতিয়া মজিয়াত বহি বাতৰি-কাকত পঢ়ি আছিল। লগুৱা এটাই গাধোৱাৰ আগতে তেওঁৰ গাত তেল ঘঁহি দিছিল। আনন্দময়ীয়ে আহি তেওঁক ক'লেহি,—"মহিম, মোৰ লগত যাবলৈ তুমি এজন মানুহ ঠিক কৰি দিয়া। গোৰাৰ নো কি হৈছে মই নিজেই চাই আহোঁ গৈ। সি কাটেক খাটিব বুলি ঠিক কৰি বহি আছে। কিজানি সি কাটেক খাটিবলগীয়া হয়েই—মই জানো এবাৰ তাৰ আগতে তাক চাই আহিব নোৱাৰিম

বাহিৰত মহিমে যেনেকুৱাই ব্যৱহাৰ নকৰক লাগে, গোৰাৰ প্ৰতি তাৰ অন্তৰত কিন্তু একপ্ৰকাৰৰ মৰম আছিল। সি মুখেৰে গৰজি উঠি কলে,—"যাওক, অধঃপাতে যোৱাটো কাটেকলৈকে যাওক। ইমান দিনে যে যোৱা নাই, সেইটো যে আচৰিত কথা।" এই বুলি পিচ মুহূৰ্ততে সিঁহতৰ হাত-ধৰা পৰাণ ঘোষালক মতাই আনি তাৰ হাতত উকিলৰ খৰচৰ বাবে কিছু টকা-সিকা দি তাক তেতিয়াই পঠিয়াই দিলে আৰু অফিচলৈ গৈ চাহাবে যদি ছুটি দিয়ে আৰু ঘৈণীয়েকেও যদি মত দিয়ে তেন্তে নিজেও তালৈ যাবলৈ থিৰ কৰিলে।

মহিমে গোৰাৰ বাবে কিবা এটা নকৰাকৈ থাকিব নোৱাৰিব বুলি আনন্দময়ীয়েও জানিছিল। মহিমে যথাসম্ভৱ ব্যৱস্থা কৰিছে বুলি গম পাই তেখেতে নিজৰ কোঠালৈ উভতি গ'ল গৈ। তেখেতে ভালকৈয়ে জানিছিল যে গোৰা থকা সেই অচিনাকি ঠাইলৈ এই বিপদৰ সময়ত মানুহৰ কৌতুক—কৌতূহল আৰু ধু-ধা সহ্য কৰি তেখেতক লগত লৈ যাব পৰা মানুহ এই পৰিয়ালত কোনোৱেই নাই। তেখেত চকুৰ দৃষ্টিত নিঃশব্দ বেদনাৰ ছাঁ আঁকিবলৈ ওঁঠ দুটা চেপি ধৰি মনে মনে বহি থাকিল। লছমিয়াই হাঁও-হাঁওকৈ কন্দা দেখি তেখেতে তাইক ডবিয়াই আন এটা কোঠালৈ পঠিয়াই দিলে। সকলো দুশ্চিন্তা নীৰৱে সহ্য কৰাই তেখেতৰ চিৰকলীয়া অভ্যাস। সুখ আৰু দুখ উভয়কে তেখেতে শান্তভাৱে গ্ৰহণ কৰে। তেখেতৰ হৃদয়ৰ আক্ষেপ একমাত্ৰ মাথোন অন্তৰ্য্যামীয়েহে জানিছিল।

বিনয়ে যে আনন্দময়ীক কি বুলি কব ভাবি নেপালে। কিন্তু আনন্দময়ীয়ে কেতিয়াবা কাৰোপৰা সান্ত্বনাৰ বাণী শুনিবলৈ অপেক্ষা নকৰিছিল। যি দুখৰ একো প্ৰতিকাৰ নাই সেই দুখৰ বিষয়ে আনে তেখেতৰ লগত আলোচনা কৰিবলৈ আহিলে তেখেতে বৰ সঙ্কোচ বোধ কৰিছিল। তেখেতে আৰু কোনো কথা উলিয়াবলৈ নিদি বিনয়ক কলে,—"বিনু, এতিয়াও গা-পা ধোৱাই নাই দেখোন। যোৱাঁ, লৰালৰিকৈ গা ধুই আহাঁ গৈ। বহুতো বেলি হৈছে।"

বিনয়ে গা ধুই উঠি ভাত খাবলৈ বহোঁতে বিনয়ৰ কাষত গোৰাৰ শূন্য ঠাইখিনি দেখি আনন্দময়ীৰ বুকুখনত শোকে হেঁচা মাৰি ধৰিলেহি; গোৰাই আজি জেলৰ ভাত খাবলগীয়া হৈছে। নিৰ্ম্মম শাসনেৰে দিয়া সেই ভাত তিতা, সেই ভাত মাকে চেনেহেৰে যচা মিঠা ভাত নহয়। এই কথা মনলৈ অহাৰ লগে লগেই আনন্দময়ীয়ে এবাৰ—কিবা এটা ছল লৈ তাৰপৰা আন ঠাইলৈ উঠি যাবলগীয়া হ'ল।

৩৩

ঘৰলৈ আহি হঠাতে অসময়ত ললিতাক দেখি পৰেশ ভট্টই তেখেতৰ এই বৰ মৰমৰ ছোৱালীজনীয়ে নিশ্চয় কিবা এটা অঘটন ঘটাই আহিছে বুলি বুজিব পাৰিলে। কথা সোধা চাৱনিৰে তেখেতে তাইৰ মুখলৈ চাওঁতেই তাই ক'লে,—"দেউতা, মই তাত কোনোৰকমেই থাকিব নোৱাৰিলোঁ।" গুচি আহিলোঁ।

পৰেশ ভট্টই সুধিলে,—"কেলেই? কিনো হ'ল?" ললিতাই ক'লে,—"গৌৰমোহনক হাকিমে ফাটেকত দিছে।" গৌৰ নো ইয়াৰ মাজলৈ ক'ৰপৰা আহিল, কিনো হৈছে, পৰেশ ভট্টই একোকে বুজিব নোৱাৰিলে। ললিতাৰ মুখে আটাইবোৰ ঘটনা শুনি তেখেতে কিছু পৰ নিমাত হৈ বহি থাকিল। আকৌ গোৰাৰ মাকৰ কথা মনত পৰাৰ লগে লগেই তেখেতৰ মনটো আৰু গধুৰ হৈ পৰিল। এজন মানুহক ফাটেকত দি আন কিছুমান নিৰপৰাধী মানুহক যে কেনেকুৱা নিষ্ঠুৰ শাস্তি দিয়া হয়, সেই কথা বিচাৰকে অন্তৰেৰে সৈতে অনুভৱ কৰিব পৰা হলে মানুহক ফাটেকত দিয়াটো অভ্যাসতে কৰা কামৰ দৰে ইমান সহজ কেতিয়াও নহলহেঁতেন বুলি তেখেতে পেটে পেটে ভাবিলে। এটা চোৰক শাস্তি দিয়াটো আৰু গোৰাকো সেই একে শাস্তি দিয়াটো হাকিমৰ পক্ষে ইমান সহজ হৈছে—ধৰ্ম্ম জ্ঞান একেবাৰে নোহোৱাৰ কাৰণেহে এনেকুৱা বৰ্ব্বৰতা সম্ভৱপৰ হৈছে বুলি তেখেতে বুজিলে। মানুহৰ ওপৰত মানুহৰ অত্যাচাৰ জগতৰ আন সকলো হিংস্ৰক স্বভাৱতকৈয়ো যে কিমান ভয়ানক—তাৰ পিচপিনে সমাজৰ শক্তি আৰু ৰজাৰ শক্তি একযোগে থিয় হৈ তাক যে কেনেকুৱা ভীষণ ভয়াবহ কৰি তুলিছে,—গোৰাৰ ফাটেকৰ কথা শুনি সেইটো যেন তেখেতে চকুৰ আগতে দেখা পালে।

ভট্ট ডাঙৰীয়াক এইদৰে মনে মনে ভাবি থকা দেখি ললিতাই উৎসাহিত হৈ ক'লে,—"বাৰু দেউতা, এইটো জানো ভয়ানক অন্যায় নহয়?"

পৰেশ ভট্টই তেখেতৰ স্বাভাৱিক শান্ত মাতেৰে ক'লে,—"গৌৰই নো কি দোষ কৰিছে, মই সেইটো সঠিককৈ নেজানো। কিন্তু এইটো কথা নিশ্চয়কৈ কব পাৰোঁ যে গৌৰ হয়তো কৰ্ত্তব্য জ্ঞানৰ অহঙ্কাৰত হঠাতে তাৰ নিজ অধিকাৰৰ সীমা ডেই যাবও পাৰে। কিন্তু ইংৰাজী ভাষাত যিটোক 'ক্ৰাইম্' বুলি কোৱা হয়, সি যে গোৰাৰ সম্পূৰ্ণ স্বভাৱবিৰুদ্ধ তাত

মোৰ লেশমানো সন্দেহ নাই। কিন্তু কি কৰিবা আই, কালৰ ন্যায়বুদ্ধিয়ে এতিয়াও সেই পৰিমাণে বিবেক লাভ কৰা নাই। এতিয়াও অপৰাধৰ যি শাস্তি, ক্ৰটিৰো সেই একেই শাস্তি। উভয়েই একেখন কাটেকৰে একেটা ঘানীকেই টানিব লাগে। এইবোৰৰ বাবে কোনোবা এজন মানুহৰ মাথোন দোষ দিব নোৱাৰি। ইয়াৰ বাবে সকলো মানুহৰ সমূহীয়া পাপেই দায়ী।"

হঠাতে এই আলোচনা বন্ধ কৰি পৰেশ ভট্টই সুধিলে,—"তুমি কাৰ লগত আহিলা।"

ললিতাই খিয় হৈ বিশেষ অলপ জোৰ দিয়েই যেন ক'লে,—"চেটাৰ্জী-দেউৰ লগত।"

বাহিৰত যিমানেই জোৰ নেদেখুৱাওক লাগে ভিতৰি ভিতৰি কিন্তু তাইৰ দুৰ্ব্বলতা আছিল। বিনয়ৰ লগত অহা কথাটো তাই সহজভাবে কব নোৱাৰিলে। হঠাতে তাইৰ লাজ লাগি গ'ল আৰু সেই লাজ কেনেবাকৈ তাইৰ মুখত ফুটি ওলায় বুলি তাইৰ আৰু বেচিকৈহে লাজ লাগিল।

পৰেশ ভট্টই তেখেতৰ এই চেবাবলিয়া ডাঙৰ ছোৱালীজনীক আন আটাইকেইজনী জীয়েকতকৈ অলপ বেচিকৈ মৰম কৰিছিল। ললিতাৰ চাল-চলন দেখি আগে নানান কথা কৈছিল। আৰু সেই কাৰণেই তাইৰ ব্যৱহাৰত থকা সত্যপৰতাক পৰেশ ভট্টই বিশেষ ভাল পাইছিল। ললিতাৰ দোষবোৰ আনৰ চকুত বেচিকৈ পৰিবই বুলি তেখেতে জানিছিল। কিন্তু তাইৰ যিটো গুণ সি যিমানেই দুৰ্ল্লভ নহওক লাগে, আনৰ কাষত যে সেই গুণে কেতিয়াও আদৰ নেপায়, সেই কথাও তেখেতে ভালদৰে বুজিছিল। পৰেশ ভট্টই সেই গুণটিকে আজিলৈকে যত্নেৰে সৈতে আশ্ৰয় দি আছিছে। ললিতাৰ ডাঙৰ স্বভাৱক শাসন কৰি তাইৰ ভিতৰৰ মহত্বক মষিমূৰ কৰিবলৈ তেখেতে নিবিচাৰে। তেখেতৰ আন দুয়োজনী জীয়েকক দেখা মাত্ৰকে সকলোৱে ধুনীয়া বুলি দুয়োমুখে কয়। সিহঁতৰ গাৰ বৰণ বগা, মুখৰ গঢ়ো নিখুঁত। ললিতাৰ বৰণ সিহঁততকৈ ক'লা আৰু গঢ়-পিটো সিহঁতৰ নিচিনা নহয় বুলি বহুতে কয়। সেই কাৰণে বৰদাসুন্দৰীয়ে ললিতাৰ দৰা পাবলৈ বৰ টান হব বুলি প্ৰায়েই গিৰীয়েকৰ আগত উৎকণ্ঠা দেখুৱাইছিল। কিন্তু পৰেশ ভট্টই ললিতাৰ মুখত যিটো সৌন্দৰ্য্য দেখিছিল সেইটো গাৰ বৰণৰ সৌন্দৰ্য্যৰ নহয়, গঢ়-পিটৰ সৌন্দৰ্য্যও নহয়, সেইটো তাইৰ অন্তৰৰ গভীৰ সৌন্দৰ্য্য। তাত মাথোন ললিতাই নহয়, স্বতন্ত্ৰতাৰ তেজ আৰু শক্তিৰ দৃঢ়তাও আছে। কিন্তু সেই দৃঢ়তা সকলোৰে মানত সুন্দৰ নহয়।

ই কিছুমান বিশেষ মানুহকহে আকৰ্ষণ কৰে, কিন্তু বহুতকে দূৰত আঁতৰাইহে ৰাখে। এই সংসাৰত ললিতা হয়তো কেতিয়াও কাৰো প্ৰিয়পাত্ৰ হ'ব নোৱাৰিব পাৰে, কিন্তু সম্পূৰ্ণ অকৃত্ৰিম হ'ব বুলি পৰেশ ভট্টই নিসন্দেহে জানিছিল। আৰু সেই কাৰণেই পৰেশ ভট্টই যেন কিবা এটা বেজাৰৰে সৈতে ললিতাক আৰু বেচিকৈ নিজৰ কাষলৈ টানি লৈছিল; তাইক আৰু আন কোনেও ক্ষমা নকৰে বুলিয়েই তেখেতে তাইক সদায় ককণাৰ চকুৰে চাইছিল।

ললিতাই বিনয়ৰ লগত হঠাতে এইদৰে অকলে গুচি অহা বুলি শুনি পৰেশ ভট্টই নিমিষতে বুজিব পাৰিলে যে ইয়াৰ বাবে ললিতাই বহুদিনলৈকে বহুতো দুখ সহিব লাগিব। আজি তাই যি অপৰাধ কৰিলে, মানুহে তাইক তাতকৈ বহুতো ডাঙৰ অপৰাধৰ শাস্তি বিহিব। এই কথাটোকে তেখেতে নীৰৱে ভাবি আছিল এনেতে ললিতাই ক'লে,—"দেউতা, মই দোষ কৰিছোঁ। কিন্তু এইবাৰ মই ভালকৈয়ে বুজিলোঁ যে ৰবচাহাবৰ লগত আমাৰ দেশৰ মানুহৰ এনেকুৱা সম্বন্ধ যে আমি ৰবচাহাবৰ অতিথি হোৱাত একো সন্মানেই নাই। ই মাথোন এটা তেখেতৰ অনুগ্ৰহ হে। এনে কথা সহ্য কৰিও জানো মই তাত থকাটো উচিত আছিল?"

পৰেশ ভট্টৰ মনত প্ৰশ্নটো নিচেই উজু যেন নেলাগিল। তেখেতে কোনো উত্তৰ দিবলৈ যত্ন নকৰি ললিতাৰ মূৰত সোঁ হাতেৰে লাহেকৈ টুকুৰিয়াই দি ক'লে,—"পাগলীজনী।"

এই ঘটনাটোৰ কথাকেই মনত পাগুলি পাগুলি সেইদিনা আবেলি পৰেশ ভট্টই ঘৰৰ আগফালে ঘূৰা-পকা কৰি আছিল। এনেতে বিনয় আহি তেখেতক সেৱা কৰিলেহি। পৰেশ ভট্টই গোৰাক কাৰেঙত দিয়াৰ বিষয়ে বহুতে সময় তাৰ লগত আলোচনা কৰিলে। কিন্তু ললিতাৰ লগত জাহাজত অহাৰ বিষয়ে কোনো কথাকে নুলিয়ালে। এন্ধাৰ হৈ অহাত তেখেতে ক'লে,—"ব'লা বিনয়, ভিতৰলৈ ব'লা।"

বিনয়ে ক'লে,—"নাই, আজি আৰু মই নবহোঁ। ঘৰলৈকে যাওঁ গৈ।"

পৰেশ ভট্টই তাক আৰু দ্বিতীয় বাৰ অনুৰোধ নকৰিলে। বিনয়ে এবাৰ এক মুহূৰ্ত্তৰ বাবে দুমহলালৈ চায়েই লাহে লাহে গুচি গ'ল গৈ।

ওপৰৰপৰা ললিতাই বিনয়ক দেখা পাইছিল। পৰেশ ভট্টক অকলে আহি ঘৰত সোমোৱা দেখি বিনয় কিজানি অলপ পৰ পিচতে আহিব বুলি ললিতাই ভাবিলে। অলপ পৰ পিচতো বিনয় নাহিল। তেতিয়া ললিতাই

বেঞ্চৰ ওপৰত থকা দুই এখন পুথি আৰু ইটো সিটো বস্তু এনেয়ে ইফাল সিফাল কৰি লাহে লাহে কোঠাটোৰপৰা ওলাই গুচি গ'ল গৈ। পৰেশ ভট্টই আকৌ তাইক মাতি আনিলে। তাইৰ করুণ মুখখনৰ ফালে চেনেহৰে চাই ক'লে,—"ললিতা, মোক এটা ব্ৰহ্ম-সঙ্গীত গাই শুনোৱা আই!"

এইবুলি তেখেতে চাকিটো চকুৰ আগৰপৰা আঁৰ কৰি থলে।

৩৪

পিচদিনাখন বৰদাসুন্দৰী আৰু তেখেতৰ দলৰ আটাইবোৰ আহি পালেহি। বৰদাসুন্দৰীয়ে খঙত আৰু অভিমানত ললিতাৰ ফালে নেচালেই। তাইৰ লগত একো কথাকে নেপাতি পোনে পোনেই তেখেতৰ নিজৰ কোঠাত সোমালগৈ। লাৱণ্য আৰু লীলাবো ললিতাৰ ওপৰত বৰ খং উঠিছিল। ললিতা আৰু বিনয় গুচি অহাত সিহঁতৰ আবৃত্তি আৰু অভিনয় ইমান বেচি নীৰস আৰু উকা হৈছিল যে সিহঁতে লাজতে মুখ দেখুৱাব নোৱাৰা হৈছিল। সুচৰিতাই হাৰানৰ ঘিণ লগা খৰ্ কৰণিত, বৰদাসুন্দৰীৰ কল্পনামূৰা হা-হুমুনিয়াহ, নাইবা লাৱণ্য-লীলাৰ লাজত কতো অকণোকে যোগ নিদি একেবাৰে নিমাত হৈ বহি আছিল। তাইৰ ভাগৰ কামখিনি তাই যন্ত্ৰৰ দৰে কৰি গৈছিল। আজিও তাই চলোৱা যন্ত্ৰৰ দৰেই সকলোৰে পিচে পিচে আহি ঘৰত সোমালহি। লাজ আৰু অনুতাপত ম্ৰিয়মান হৈ সুধীৰ ভট্ট ডাঙৰীয়াৰ ঘৰৰ দুৱাৰ মুখৰপৰাই গুচি গ'ল গৈ। লাৱণ্যই তাক বাৰে বাৰে সিহঁতৰ ঘৰত সোমাবলৈ ধৰিও অৱশেষত বিফল হৈ তাক কেতিয়াও আৰু নেমাতে বুলি ক'লে।

হাৰানে পৰেশ ভট্টৰ কোঠাত সোমায়েই ক'লে,—"এটা বৰ ডাঙৰ অন্যায় হৈ গ'ল।"

সি কাষৰ কোঠাটোতে ললিতা আছিল। তাইৰ কাণত এই কথাষাৰ পৰা মাত্ৰকে তাই আহি দেউতাকৰ চকীখনৰ পিচফালে দুয়োখন হাত থৈ থিয় হলহি আৰু হাৰানৰ মুখলৈ একেথৰে চাবলৈ ধৰিলে।

পৰেশ ভট্টই ক'লে,—"মই ললিতাৰ মুখে সকলো কথা শুনিছোঁ। যিটো ঘটি গ'ল সেই বিষয়ে আলোচনা কৰি এতিয়া আৰু একো লাভ নাই।"

হাৰানে শান্ত সংযত পৰেশ ভট্টক অতি দুৰ্ব্বল স্বভাৱৰ বুলি ভাবিছিল। সেই কাৰণেই তেওঁ অলপ অৱজ্ঞাৰ সুৰেৰে ক'লে,—"ঘটনা তো ঘটেও আৰু শেষো হয়। কিন্তু কথাহে থাকি যায়। সেই কাৰণেই ঘটি যোৱা ঘটনাও চালি জাৰি চোৱাৰ প্ৰয়োজন আছে। আপোনাৰপৰা সদায় লাই পাই অহাৰ কাৰণেই ললিতাই আজি এনে এটা কাণ্ড কৰিবলৈ সাহ পাইছে। আপুনি তাইৰ যে কিমান অনিষ্ট কৰিছে, আজিৰ ঘটনাটো শুনিলেহে ভালকৈ বুজিব পাৰিব।"

পৰেশ ভট্টই তেখেতৰ পিচফালে চকীখনত সৰু এটা জোকাৰণি অনুভৱ কৰি লৰালৰিকৈ ললিতাক তেখেতৰ কাষলৈ টানি আনি তাইৰ হাত খনত চেপা মাৰি ধৰি অলপ হাঁহি হাৰানক ক'লে,—"পানু বোপা, সময়ত আপুনি নিজেও বুজিব যে সন্তানক মানুহ কৰিবলৈ হ'লে ধৰমৰো প্ৰয়োজন আছে।"

ললিতাই এহাতেৰে দেউতাকৰ ডিঙিত ধৰি অলপ চাপৰি তেখেতৰ কাণৰ কাষলৈ মুখখন আনি ক'লে,—"দেউতা, তোমাৰ গাধোৱা পানী চেঁচা হ'ব এতিয়া। যোৱাঁ, তুমি গা ধোৱাগৈ।"

পৰেশ ভট্টই হাৰানৰ পিনে চাই লাহেকৈ ক'লে,—"অলপ পিচত যাম। এতিয়াও বৰ বেচি বেলি হোৱা নাই।"

ললিতাই কোমল মাতেৰে ক'লে,—"নহয় দেউতা, তুমি গা ধুই আহা গৈ যোৱাঁ। তিমান পৰ আমি মাষ্টৰৰ কাষত থাকিম।"

পৰেশ ভট্ট কোঠাটোৰপৰা ওলাই যোৱাৰ লগে লগে ললিতাই এখন চকীত দৃঢ়ভাৱে বহি হাৰানৰ মুখলৈ পোপাকৈ চাই ক'লে,—"সকলোকে সকলো ধৰণৰ কথা কোৱাৰ অধিকাৰ আপোনাৰ আছে বুলি ভাৱে নে কি?"

ললিতাক সুচৰিতাই চিনি পাইছিল। আন দিনা হোৱা হ'লে ললিতাৰ এনেকুৱা মূৰ্ত্তি দেখি সুচৰিতাই ভয় খালেহেঁতেন। আজি কিন্তু তাই কিতা পুথি এখন মেলি লৈ খিড়িকীৰ কাষৰ চকী এখনত মনে মনে বহি থাকিল। নিজকে চম্ভালি চলাটো সুচৰিতাৰ চিৰদিনীয়া স্বভাৱ আৰু অভ্যাস। এই কেইদিন তাইৰ মনত যিমানেই বেচি নানান ধৰণৰ আঘাত লাগিছিলহি, সিমানেই তাইৰ মুখৰ মাত নোহোৱা হৈ পৰিছিল। এই নীৰৱতাৰ বোজা আজি তাইৰ অসহনীয় হৈ উঠিছিল। সেয়েহে আজি ললিতাই হাৰানৰ আগত তাইৰ নিজৰ মন্তব্য প্ৰকাশ কৰিবলৈ ধৰাত সুচৰিতাৰ সোপাধৰা হৃদয়েও যেন সকাহ পাবলৈ সুবিধা পালে।

ললিতাই ক'লে,—"আপুনি ভাৱে যে আমাৰ প্ৰতি দেউতাৰ কৰ্ত্তব্যৰ

বিষয়ে দেউতাতকৈয়ো আপুনিহে বেচি জানে। আপুনি ভাৱে গোটেই ব্ৰাহ্ম সমাজৰ আপুনিয়েই হৈছে হেড্‌মাষ্টৰ।"

ললিতাৰ এনেকুৱা উদ্ধতালি দেখি হাৰান প্ৰথমতে হতবুদ্ধি হৈ গৈছিল। তাৰ পিচত তেওঁ তাইক এটা চোকা উত্তৰ দিব খোজোঁতেই ললিতাই তেওঁক বাধা দি ক'লে,—"ইমান দিনে আপোনাৰ শ্ৰেষ্ঠতা আমি বহুতো সহিছোঁ। কিন্তু এতিয়া আপুনি দেউতাতকৈয়ো ডাঙৰ হ'ব খুজিলে এইখন ঘৰৰ কোনেও আৰু আপোনাক সহ্য নকৰিব। আন কি আমাৰ চাকৰটোৱেও নকৰে।"

হাৰানে ক'লে,—"ললিতা, তুমি—"

ললিতাই তেওঁক বাধা দি চিঞৰি ক'লে,—"মনে মনে থাকক। আপোনাৰ কথা আমি সদায় শুনিছোঁ। আজি মোৰ কথা শুনক। বিশ্বাস নকৰে যদি সুচিবাইদেউক সোধক—আপুনি নিজকে যিমান ডাঙৰ বুলি ভাৱে, আমাৰ দেউতা তাতকৈ হেজাৰ গুণে ডাঙৰ। এতিয়া আপোনাৰ যিমানবোৰ উপদেশ দিবলগীয়া আছে দিব পাৰে।"

হাৰানৰ মুখ ক'লা পৰি গ'ল। তেওঁ চকীৰপৰা উঠি মাতিলে,— "সুচৰিতা!"

সুচৰিতাই পুথিৰপৰা মূৰ দাঙি চালে। হাৰানে ক'লে,—"তোমাৰ আগতেই ললিতাই মোক অপমান কৰিব নে?"

সুচৰিতাই শান্তভাৱে ক'লে,—"আপোনাক অপমান কৰা তো তাইৰ উদ্দেশ্য নহয়! দেউতাক আপুনি সন্মান কৰি চলিব লাগে বুলিহে ললিতাই মাথো কব খোজে। তেখেতৰ দৰে সন্মানৰ যোগ্য মানুহ আমি তো আৰু আন কাকো দেখা নাই।"

এবাৰ হাৰান তেতিয়াই উঠি গুচি যাব যেন লাগিল। কিন্তু তেওঁ নুঠিল। গহীন হৈ বহি থাকিল। এইখন ঘৰত হাৰানে তেওঁৰ সম্ভ্ৰম যিমানেই নোহোৱা হৈ যোৱা বুলি অনুভৱ কৰিছিল, সিমানেই ইয়াত খোপনি পুতি বহিবলৈ তেওঁ আৰু বেচিকৈ হে জোৰ দি উঠিছিল। তেওঁ পাহৰি গৈছিল যে মৰহা আশ্ৰয়ক যিমানেই বেচি জোৰেৰে সতে আকোৱালি ধৰিবলৈ যোৱা যায় সেই আশ্ৰয় সিমানে আৰু বেচিকৈহে ভাঙি পৰে।

হাৰানে খঙতে টিঙিৰি-তুলা হৈ কোদোৰ দৰে বহি থকা দেখি ললিতা উঠি গৈ সুচৰিতাৰ কাষত বহিল গৈ আৰু তাইৰ লগত লাহে লাহে এনেদৰে কথা-বতৰা পাতিবলৈ ধৰিলে যেন বিশেষ একোৱেই ঘটাই নাই।

ইতিমধ্যে সতীশ কোঠাটোলৈ সোমাই আহি সুচৰিতাৰ হাতত ধৰি কলেহি,—"ডাঙৰ বাইদেউ, ব'লা আৰু'।"

সুচৰিতাই সুধিলে,—"কলৈ যাব লাগিব অ' ?"

সতীশে ক'লে,—"বলা আৰু', তোমাক এটা বস্তু দেখুৱাম। ললিতা বাইদেউ, তুমি কৈ দিলা নে কি আকৌ ?"

ললিতাই উত্তৰ দিলে,—"উঁহো, নাই কোৱা।"

মাহীয়েকৰ কথা ললিতাই সুচৰিতাৰ আগত প্ৰথমে কৈ দিব নোৱা-ৰিব বুলি সতীশে আগতেই কৈ থৈছিল। ললিতায়ো নিজৰ কথা ৰাখি-ছিল।

আলহীক অকলে এৰি থৈ সুচৰিতা যাব নোৱাৰিলে। তাই সতীশক ক'লে,—"বক্তিয়াৰ, আৰু অকণমান পিচত যাম দেই। দেউতা বাৰু আগতে গা ধুই আহক।"

সতীশ অস্থিৰ হৈ পৰিল। হাৰানক কেনেবাকৈ কুমাৰি একেবাৰে নোহোৱা কৰি দিব পৰা হ'লে তেনে কৰিবলৈ সি যত্নৰ ত্ৰুটী নকৰিলে-হেঁতেন। হাৰানক সি বৰ ভয় কৰে। কি দেখিছিল বুলিয়েই তেওঁক একোকে ক'ব নোৱাৰিলে। হাৰানে মাজে সময়ে সতীশৰ স্বভাব শুধৰাবলৈ যত্ন কৰাৰ বাহিৰে তাৰ লগত আন একো সম্বন্ধই নোৰাখিছিল।

পৰেশ ভট্ট গা ধুই অহা মাত্ৰকে সতীশে তাৰ দুয়োজনী বায়েকক টানি লৈ গুচি গ'ল।

হাৰানে ক'লে,—"সুচৰিতাৰ সম্বন্ধে সেই যে প্ৰস্তাৱটো দিছিলোঁ, সেই বিষয়ে মই আৰু পলম কৰিব নোখোজোঁ। অহা দেওবাৰেই কামটো হোৱা মোৰ ইচ্ছা।"

পৰেশ ভট্টই ক'লে,—"মোৰ তো একো আপত্তি নাই। সুচৰিতাৰ মত হ'লেই হয়।"

হাৰান,—তেওঁৰ মত দেখোন আগতেই লোৱা হৈছে।

পৰেশ ভট্ট,—বাৰু, তেনেহলে সেই কথাই থাকিল।

৩৫

সেই দিনা ললিতাৰ কাষৰপৰা গুচি অহাৰ পিচত এটা সংশয়ে কাঁইটে বিন্ধাদি বিনয়ক বাৰে বাৰে বিন্ধিবলৈ ধৰিলে। সি ভাবিবলৈ ধৰিলে,—'ভট্ট ডাঙৰীয়াৰ ঘৰলৈ মই যোৱাটো কোনোবাই বিচাৰে নে নাই, সেইটো সঠিককৈ নজনাকৈয়ে মই নিজে আগবাঢ়ি সেইখন ঘৰলৈ অহা-যোৱা কৰিছোঁ। সেইটো কিজানি ভাল হোৱা নাই। কিজানি কতবাৰ অসময়ত গৈ মই তেওঁলোকক আমনি দিছোঁ গৈ। এওঁলোকৰ সমাজৰ নিয়ম আদিও মই একো নেজানো। সেইখন ঘৰত মোৰ অধিকাৰৰ সীমানো ক'ত, তাকো মই নেজানো। মই কিজানি মূৰ্খৰ দৰে এনেকুৱা ঠাইত সোমাইছিলোঁগৈ য'ত সিহঁতৰ নিজৰ আপোন মানুহৰ বাহিৰে আনৰ প্ৰৱেশ নিষেধ।'

এইবোৰ কথা ভাবোঁতে ভাবোঁতে হঠাতে সি এবাৰ ভাবিলে—ললিতাই কিজানি আজি তাৰ মুখত এনে কিবা এটা দেখিছিল—যাৰ বাবে তাই অপমান বোধ কৰিছিল। ললিতাৰ প্ৰতি বিনয়ৰ মনৰ ভাবনো কেনেকুৱা, আজি অত্তদিনে বিনয়ে সেইটো নিজেই ভালকৈ নেজানিছিল। কিন্তু আজি আৰু সেই কথা গোপন হৈ থকা নাই। অন্তৰৰ এই নতুন ঠাঁচৰ পিচত নো এতিয়া কি হব সি সেইটো নিজেই একো বুজিব নোৱাৰিলে। বাহিৰৰ লগত নো ইয়াৰ যোগ ক'ত? সংসাৰৰ লগত নো ইয়াৰ কি সম্বন্ধ? এইটো ললিতাৰ প্ৰতি অসন্মান নে কি? এইটো ভট্ট ডাঙৰীয়াৰ প্ৰতি বিশ্বাসঘাতকতা নে কি? এইবোৰ প্ৰশ্নই হেজাৰবাৰ তাৰ মন তোলপাৰ লগাবলৈ ধৰিলে। ললিতাৰ আগত সি আজি ধৰা পৰিছে আৰু সেই কাৰণেই ললিতাৰ তাৰ ওপৰত খং উঠিছে। এই কথা ভবাৰ লগে লগে লাজতে তাৰ একেবাৰে ধূলিৰ লগত মিহলি হৈ যোৱা যেন লাগিল।

পৰেশ ভট্টৰ ঘৰলৈ আকৌ দুনাই যোৱাটো বিনয়ৰ পক্ষে অসম্ভৱ হৈ উঠিল। তাৰ নিজৰ ঘৰৰ শূন্যতায়ো এটা বোজাৰ দৰে তাক হেঁচা মাৰি ধৰিলেহি। পিচদিনা পুৱাতে সি আহি আনন্দময়ীৰ ওচৰ ওলালহি। তেখেতক সি ক'লে,—"আই, কিছুদিন মই তোমাৰ লগত ইয়াতে থাকিম।"

আনন্দময়ীক গোৰাৰ বিচ্ছেদ শোকৰ সান্ত্বনা দিয়াৰ উদ্দেশ্যও বিনয়ৰ মনত আছিল। সেইটো কথা বুজিব পাৰি আনন্দময়ীৰ অন্তৰ গলি গ'ল। একোকে নকৈ তেখেতে বিনয়ৰ গাত এবাৰ মৰমেৰে হাত ফুৰাই দিলে।

বিনয়ে তাৰ থোৱা-বোৱা, সা-শুশ্ৰূষা লৈ নানা ধৰণৰ আল ধৰিবলৈ আৰম্ভ কৰিলে। ইয়াত তাৰ উপযুক্ত আল-পৈচান ধৰা হোৱা নাই বুলি মাজে মাজে সি আনন্দময়ীৰ লগত অনাহকতে দন্দ্ব কৰিবলৈকো পিচ নুহুহকিল। আচল কথা হৈছে অনবৰত সি গোলমাল, চিঞ্ৰ-বাখৰ কৰি আনন্দময়ীক আৰু লগতে নিজকো পাহৰাই ৰাখিবলৈ যত্ন কৰিলে। সন্ধিয়া বেলিকা মনক সামৰি ৰখা যেতিয়া প্ৰায় অসাধ্য হৈ পৰে, বিনয়ে তেতিয়া আনন্দময়ীক তেখেতৰ সকলো বুকুৰা কাম-কাজৰপৰা আঁতৰাই নৈ গৈ সন্মুখৰ বাৰাণ্ডাখনত পাটী পাৰি বহেগৈ। সি আনন্দময়ীৰপৰা তেখেতৰ সৰু কালৰ কথা, তেখেতৰ বাপেকৰ ঘৰৰ কথা শুনে। যেতিয়া তেখেতৰ বিয়া হোৱা নাছিল, যেতিয়া তেখেত তেখেতৰ পণ্ডিত ককাকৰ টোলৰ ছাত্ৰবোৰৰ অতি আদৰৰ অকণি ভনীয়েকজনী আছিল, আৰু বাপেক নোহোৱা ছোৱালী বুলি সকলো কথাতে আটায়ে লাই দিয়া দেখি বিধবা মাকৰ চিন্তাৰ কাৰণ আছিল,—সেইবোৰ এৰি অহা দিনৰ কাহিনী সি শুনিবলৈ ধৰিলে।

বিনয়ে কৈছিল,—"আই, তুমিও যে আকৌ কেতিয়াবা আমাৰ আই নাছিলা সেইটো কথা ভাবিলেই মোৰ বৰ আচৰিত যেন লাগে। মোৰ বোধেৰে টোলৰ ছাত্ৰবোৰেও তোমাক সিহঁতৰ এধানমানি মাক বুলিয়েই ভাবিছিল। ককাৰেউতাকো বোধকৰোঁ তুমিয়েই মানুহ কৰাৰ ভাৰ লৈছিলা।"

এদিন সন্ধিয়া বেলিকা পাটীত বাগৰি আনন্দময়ীৰ ভৰিৰ ওপৰত মূৰ দি শুই বিনয়ে কলে,—"আই, মোৰ এনেহে মন যায় যেন মোৰ বিদ্যা-বুদ্ধি গোপাকে বিধতাক ওভোতাই দি পুনৰ কেঁচুৱাটো হৈ তোমাৰ এই কোলাতে আকৌ আশ্ৰয় লওঁ। মাথোন তুমি আই, সংসাৰত তোমাৰ বাহিৰে মোৰ যেন আৰু কোনোৱেই নেথাকে।"

বিনয়ৰ মাতত শোক আৰু বেজাৰে হেঁচি ধৰা এটি ক্লান্তিৰ সুৰ এনেদৰে বাজি উঠিল যে তাকে শুনি আনন্দময়ীৰ বেজাৰ লাগিল যদিও লগে লগে কিছু আচৰিতো হ'ল। তেখেতে বিনয়ৰ কাষ চাপি বহি লাহে লাহে তাৰ মূৰত হাত ফুৰাই দিবলৈ ধৰিলে। বহুপৰ মনে মনে থাকি আনন্দময়ীয়ে লাহেকৈ সুধিলে,—"বিনু, ভট্ট ডাঙৰীয়াৰ ঘৰৰ আটাইখন ভালে আছেনে?"

হঠাতে এই প্ৰশ্নটো শুনি বিনয়ৰ লাজ লাগি গ'ল আৰু সি আচৰিতো হ'ল। ভাবিলে,—'আইৰপৰা একোকে লুকুৱাব নোৱাৰি। আই মোৰ অন্তৰ্যামী।' সি লাজ লাজ কৈ উত্তৰ দিলে,—"ওঁ, তেওঁলোক সকলো ভালেই আছে।"

আনন্দময়ীয়ে কলে,—"ভট্ট ডাঙৰীয়াৰ ঘীয়েকহঁতৰ লগত চিনাজনা হবলৈ মোৰ বৰ মন যায়। প্ৰথমে তো গোৰাই সিহঁতক ভালেই নেপাইছিল। কিন্তু অৱশেষত সিহঁতে তাকো বশ কৰিব পাৰিলে যেতিয়া সিহঁত নিশ্চয় সাধাৰণ ছোৱালী নহয়।"

বিনয়ে উৎসাহ পাই কলে,—"ভট্ট ডাঙৰীয়াৰ ঘীয়েক কেইজনীৰ লগত তোমাক কোনো ৰকমে চিনাকি কৰি দিবলৈ মোৰো কেবাবাৰো মন গৈছিল। কিন্তু গোৰাই কিবা ভাবে বুলিয়েই মই ইমান দিনে একোকে কোৱা নাছিলোঁ।"

আনন্দময়ীয়ে সুধিলে,—"ডাঙৰ ছোৱালীজনীৰ নাম কি?"

এইদৰে ইটো সিটো প্ৰশ্নৰ পিচত ললিতাৰ কথা ওলাওঁতেই বিনয়ে সেইটো চমুকৈ শেষ কৰিব খুজিলে। আনন্দময়ীয়ে কিন্তু বাধা নেমানিলে। তেখেতে পেটে পেটে হাঁহি কলে,—"ললিতা বৰ বুদ্ধিমতী ছোৱালী বুলি শুনিছোঁ।"

বিনয়ে সুধিলে,—"তুমি কাৰপৰা শুনিলা?"

আনন্দময়ীয়ে কলে,—"কিয়? তোমাৰ মুখেৰেই শুনিছিলোঁ দেখোন।"

আগতে এসময়ত এনে দিনো আছিল যেতিয়া ললিতাৰ সম্বন্ধে বিনয়ৰ মনত কোনো প্ৰকাৰৰ সন্দেহ নাছিল। সেই মোহমুক্ত অৱস্থাত সি যে ললিতাৰ চোকা বুদ্ধিৰ বিষয়ে আনন্দময়ীৰ আগত অবাধে আলোচনা কৰিছিল; সেই কথা তাৰ মনতেই নাছিল।

আনন্দময়ীয়ে পাকৈত গুৰিয়ালৰ দৰে সকলো বাধা নেওচি ললিতাৰ কথা এনেদৰে আগুৱাই লৈ গ'ল যে বিনয়ৰ লগত ললিতাৰ চিনাকি হোৱাৰ প্ৰথমৰেপৰা আজিলৈকে ঘটা প্ৰধান প্ৰধান ঘটনাবোৰৰ প্ৰায়বোৰেই প্ৰকাশ হ'ল। গোৰাই ফাটেক খাবলগীয়া হোৱাত ললিতাই যে মৰ্ম্মান্তিক বেজাৰ পাই বিনয়ৰ লগত জাহাজত অকলে অকলে কাকো নোকোৱাকৈ গুচি আহিছিল, সেই কথাটোও বিনয়ে আজি কৈ দিলে। কওঁতে কওঁতে তাৰ উৎসাহ বাঢ়ি উঠিল। সন্ধিয়া যিটো অৱসাদে তাক হেঁচি ধৰিছিলহি সি কৰবালৈ আঁতৰি গ'ল। সি যে ললিতাৰ নিচিনা এনেকুৱা এজনী আচৰিত স্বভাৱৰ ছোৱালীৰ লগত চিনাকি হব পাৰিছে, আৰু তাইৰ কথা এনেদৰে কব পাৰিছে, এইটোৱেই বিনয়ৰ ফলত এটা বিশেষ লাভ যেন লাগিল। ৰাতি ভাত খাবলৈ মতাতহে যেতিয়া গল্প অন্ত পৰিল তেতিয়াহে বিনয়ে সপোনৰপৰা সাৰ পোৱাৰ দৰে সাৰ পাই গম পালে যে—তাৰ মনৰ সকলোবোৰ কথাকেই উজাৰ কৰি আজি সি আনন্দময়ীৰ আগত

কৈ দিলে। আনন্দময়ীয়ে এনে দৰে আটাইবোৰ কথা শুনিলে, এনেদৰে সকলো কথা গ্ৰহণ কৰিলে যে ইয়াত যে কিবা লাজ পাবলগীয়া কথা আছে, সেইটো বিনয়ৰ মনলৈকে নাহিল। আজিলৈকে তেখেতৰপৰা লুকাবলগীয়া কথা বিনয়ৰ একোকে নাছিল। দাঁতত ভাত এটা লাগিলেও সি আহি তেখেতৰ আগত কৈছিল হি। কিন্তু পৰেশ ভট্টৰ পৰিয়ালৰ লগত চিনাকি হবৰেপৰা কৰবাত যেন কিবা এটা ঘটিছিল। সেই ঘটনা বিনয়ৰ বাবে মুঠেই সুখৰ কথা নাছিল। আজি সুক্ষ্মদৰ্শিনী আনন্দময়ীৰ আগত ললিতাৰ সম্বন্ধে তাৰ মনৰ আটাইবোৰ কথা এইদৰে প্ৰকাশ হৈ পৰাত বিনয়ৰ মনটো বৰ ককৰাল লাগি গ'ল। মাকৰ আগত তাৰ জীৱনৰ এই ঘটনাটো সম্পূৰ্ণকৈ নিবেদন কৰিব নোৱাৰা হলে ঘটনাটো কোনো ৰকমেই পৱিত্ৰ হব নোৱাৰিলেহেঁতেন, এই ঘটনাটোৱে চিৰজীৱন তাক দুখ দিলেহেঁতেন।

সেই নিশা আনন্দময়ীয়ে বহুপৰলৈকে এই কথাবোৰকে গুণাগঁথা কৰিবলৈ ধৰিলে। গোৰাৰ জীৱনৰ দিনক দিনে জটিল হৈ অহা সমস্যা-টোৰো কিবা এটা সমাধান পৰেশ ভট্টৰ ঘৰতে হব পাৰে বুলিও তেখেতে পেটে পেটে ভাবিবলৈ ধৰিলে। যেনে তেনে পৰেশ ভট্টৰ জীয়েক কেই-জনীৰ লগত চিনাকি হবগৈ লাগিব বুলি সেই নিশাই তেখেতে মনে মনে খিৰ কৰিলে।

৩৬

শশীমুখীৰ লগত বিনয়ৰ বিয়াখন জানিবা একেবাৰে ঠিকেই হৈ গৈছে— মহিম আৰু তেওঁৰ ঘৰৰ আন সকলোৱেই এনেকুৱাহে দেখুৱাইছিল। শশীমুখী তো বিনয়ৰ আগত নোলাইছিলেই। শশীমুখীৰ মাকৰ লগত বিনয়ৰ চিনাকি নাছিল বুলিলেই হয়। তেখেত যে ঠিক লাজকুৰীয়া আছিল সেইটো নহয়; কিন্তু তেখেতৰ আঁৰ-বেৰ বৰ বেচি আছিল। তেখেতৰ কোঠালীৰ দুৱাৰত প্ৰায়ে তাং দি থোৱা হৈছিল। গিৰীয়েকৰ বাহিৰে তেখেতে তেখেতৰ আন সকলো সম্পত্তি তলা-চাবি মাৰি থৈছিল। গিৰী-য়েকো যে অনবৰত মুকলি হৈ থাকিব পাৰিছিল, সেইটোও নহয়। ঘৈণী-য়েকৰ শাসনত তেওঁৰ ফুৰা-চকাও একেবাৰে সীমা বন্ধা আছিল আৰু

তাৰ বেবো নিচেই ঠেক আছিল। এইদৰে আগুৰি থকাৰ স্বভাৱৰ গুণতেই শশীমুখীৰ মাক লক্ষ্মীমণিৰ সংসাৰখন সম্পূৰ্ণ তেখেতৰ নিজৰ হাতৰ মুঠিত আছিল। তাত বাহিৰা মানুহৰ ভিতৰলৈ অহাৰ আৰু ভিতৰৰ মানুহৰ বাহিৰলৈ যোৱাৰ বৰ হাট-বাট নাছিল। আন কি গোৰায়ো লক্ষ্মীমণিৰ ৰাজত্বত তেনেকৈ লাই নেপাইছিল। এই ৰাজত্বৰ নীতি-নিয়মৰ মাজত কোনো দুতলীয়া শাসন নাছিল। কিয়নো, ইয়াৰ বিধানকৰ্ত্তাও লক্ষ্মীমণি, আকৌ নিম্ন আদালতৰপৰা আপিল-আদালতলৈকে সকলোতে লক্ষ্মীমণি। একজিকিউটিভ আৰু জুডিচিয়েলৰ তো কোনো প্ৰভেদ নাছিলেই, আকৌ লেজিচলেটিভকো তাৰ লগতে সাঙুৰি দিয়া হৈছিল। বাহিৰা মানুহৰ লগত মহিমৰ ব্যৱহাৰ দেখিলে মহিমক খুব টান মানুহ যেন লাগে, কিন্তু লক্ষ্মীমণিৰ ৰাজত্বত তেওঁৰ নিজস্ব মত খটুৱাবলৈ কোনো উপায় নাছিল। আন কি অতি সাধাৰণ কথাতো তেওঁৰ মত নেখাটিছিল।

লক্ষ্মীমণিয়ে বিনয়ক আঁৰৰপৰা দেখিছিল আৰু তাক পছন্দও কৰিছিল। মহিমে বিনয়ক তাৰ চেমনীয়া কালৰেপৰা গোৰাৰ বন্ধুৰূপে ইমানকৈ দিনে-ৰাতিয়ে দেখি আহিছে আৰু তাৰ লগত ইমান বেচিকৈ ঘনিষ্ঠতা হৈ গৈছিল যে বিনয়ো যে তেওঁৰ জোঁৱায়েক হব পাৰে, এই কথা ভবাই নাছিল। লক্ষ্মীমণিয়ে বিনয়লৈ আঙুলিয়াই দিয়াত হে তেওঁৰ চকুত পৰিল আৰু তেতিয়াৰপৰা ঘৈণীয়েকৰ বুদ্ধিৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু বাঢ়ি গ'ল। বিনয়ৰ লগতে জীয়েকৰ বিয়াখন পাতিব লাগিব বুলি লক্ষ্মীমণিয়ে খাটাংকৈ কৈ দিছিল। এইখন বিয়াৰপৰা হব লগা এটা ডাঙৰ সুবিধাৰ কথাও তেখেতে গিৰীয়েকৰ মনত সুমুৱাই দিছিল। সুবিধাটো হৈছে বিনয়ে সিহঁতৰপৰা কোনো যৌতুক দাবী কৰিবলৈ টান পাব।

বিনয়ক ঘৰতে পায়ো মহিমে দুদিন মান বিয়াৰ বিষয়ে একোকে উলিয়াব পৰা নাছিল। গোৰাই ফাটেক খাটিবলগীয়া হোৱা বাবে তেওঁৰ মনটো কিছু গধুৰ হৈ আছিল। আৰু সেই বাবেই তেওঁ বিনয়ক একো কৰ পৰা নাছিল।

সেইদিনা দেওবাৰ। ঘৈণীয়েকে মহিমৰ গাদিনীয়া দিনৰ শোৱনটো পূৰ হবলৈ নিদিলে। বিনয়ে আনন্দময়ীক বঙ্কিমচন্দ্ৰৰ নতুনকৈ প্ৰকাশ হোৱা "বঙ্গদৰ্শন"খন পঢ়ি শুনাই আছিল। তামোলৰ বটাটো হাতত লৈ মহিমো আহি তাতে বিছনাখনৰ ওপৰত লাহেকৈ বহিলহি।

প্ৰথমেই বিনয়লৈ এখন তামোল আগবঢ়াই দি মহিমে গোৰাৰ উচ্ছৃঙ্খল নিৰ্ব্বুদ্ধিতাৰ কথা উলিয়াই বিৰক্তি প্ৰকাশ কৰিলে। তাৰ পিচত গোৰা

থকাচ হবলৈ আৰু কিমান দিন বাকী আছে তাৰ আলোচনা কৰিবলৈ গৈ হঠাতে তেওঁৰ মনত পৰিল যে আৰোণ সাহৰ আধা-আধি চোন উকলিলেই।

তেওঁ বিনয়লৈ চাই কলে,—"বিনয়, আৰোণ সাহত তোমালোকৰ বংশত বিয়া নহয় বুলি যে তুমি কথাষাৰ কৈছিলা, সেইষাৰ একো মানিব লগীয়া কথা নহয়। পঞ্জিকাত তো বাধা-নিষেধৰ বাহিৰে আন একো কথাই নেথাকে, তাৰোপৰি তোমালোকেও যদি এইদৰে ঘৰে ঘৰে শাস্ত্ৰ বচিবলৈ ধৰা তেনেহলে বংশ ৰক্ষা হয় কেনেকৈ?"

বিনয় বিপদত পৰা দেখি আনন্দময়ীয়ে উত্তৰ দিলে,—"বিনয়ে শশীমুখীক তেনেই সৰুৰেপৰা দেখি আহিছে; এতিয়া নো সি তাইক কোন মতে বিয়া কৰায়? সেই কাৰণেই সি আৰোণ মাহৰ চেলু লৈ বহি আছে।"

মহিমে কলে,—"এইটো কথা পোনপ্ৰথমে কোৱা হলেই হ'লহেঁতেন দেখোন।"

আনন্দময়ীয়ে কলে,—"নিজৰ মনৰ কথা বুজিবলৈকো তো সময় লাগে। মহিম, দৰাৰ জানো কিবা অভাৱ আছে? গোৰা আগতে উভতি আহক। বহুতো ভাল লৰাৰ লগত তাৰ চিনা-জনা আছে। সি তাৰে এটা ঠিক কৰি দিব পাৰিব।"

মহিমে মাথোন মুখ ক'লা কৈ কলে,—"হুঁ।" অলপ পৰ মনে মনে থাকি তেওঁ আকৌ কলে,—"আই, তুমি বিনয়ৰ মন এইদৰে ভাঙি নিদিয়া হলে এই বিয়াখনত—সি কেতিয়াও আপত্তি নকৰিলেহেঁতেন।"

বিনয়ে লৰালৰিকৈ কিবা এটা কব খুজিছিল, কিন্তু আনন্দময়ীয়ে বাধা দি কলে,—"হুঁ, মহিম, সেইটো অৱশ্যে সঁচা কথা। এই বিষয়ে মই তাক কোনোদিনাই উদগনি দিব পৰা নাছিলোঁ। বিনয় এতিয়াও তেনেই লৰা হৈয়ে আছে, সি নুবুজাকৈ কিছুমান কাম কৰি পেলাব পাৰে, কিন্তু শেষত তাৰ ফল ভাল নহলহেঁতেন।"

আনন্দময়ীয়ে বিনয়ক আঁৰকৈ ধৰি মহিমৰ খং নিজেই গা পাতি ল'লে। বিনয়ে সেইটো বুজিব পাৰিলে আৰু নিজৰ সোপাচিলা অৱস্থা দেখি তাৰ নিজকে বৰ লাজ লাগিল। বিয়াখনত যে সঁচাকৈয়ে তাৰ মত নাই, এইটো কথাকে বিনয়ে কব খুজিছিল, কিন্তু মহিম আৰু নবল। মাহী আই কেতিয়াও আপোন হব নোৱাৰে বুলি পেটে পেটে ভাবি ভাবি তাৰপৰা ওলাই গ'লগৈ।

মহিমে এইদৰে ভাবিব পাৰে আৰু সংসাৰৰ বিচাৰালয়তো মাহীমাক বুলি তেখেত নিজে যে সদায় পদকীয়াৰ শ্ৰেণীতে থাকিব লাগিব, এই কথা

আনন্দময়ীয়ে জানিছিল। কিন্তু আনে কি কব এই কথা ভাবি চলা তেখেতৰ অভ্যাস নাছিল। গোৰাক কোলাত তুলি লোৱা দিনৰেপৰা আনৰ আচাৰ-বিচাৰ, নীতি-নিয়ম আদিৰপৰা তেখেতৰ প্ৰকৃতি সম্পূৰ্ণ স্বকীয়া হৈ গৈছে। সেই দিনাৰেপৰা তেখেতে এনেবোৰ কাম কৰি আহিছে যাৰপৰা সদায় অপবাদেই পাইছে। তেখেতৰ জীৱনৰ অন্তঃস্থলত যি এটি সত্যই গোপনে তেখেতক সদায় আঘাত হানিছে, আনৰ নিন্দাই যেন তেখেতৰ সেই দুখ কিছু পৰিমাণে পাতলাইছেহে। আনে তেখেতক খৃষ্টান বুলিলে তেখেতে গোৰাক বুকুত সাৱটি ধৰি কৈছিল,—'ভগৱানে হে জানে যে খৃষ্টান বুলিলে মোক একো নিন্দা কৰা নহয়।' এইদৰেই লাহে লাহে সকলো বিষয়তে আনৰ কথাৰপৰা নিজৰ ব্যৱহাৰক আঁতৰাই অনাটো তেখেতৰ স্বভাৱ হৈ পৰিছিল। সেই কাৰণেই মহিমে পেটে পেটে নাইবা দেখাদেখিকৈয়ো তেখেতক মাইমাক বুলি লাঞ্চিত কৰিলেও তেখেতে নিজৰ পথৰপৰা আঁতৰি নগৈছিল।

আনন্দময়ীয়ে কলে,—"বিনয়, তুমি ভট্ট ডাঙৰীয়াইতৰ ঘৰলৈ বহুত দিন যোৱা নাই দেখোন।"

বিনয়ে উত্তৰ দিলে,—"বহুত দিন নো ক'ত?"

আনন্দময়ী,—জাহাজেৰে অহাৰ পিচৰেপৰা চোন এদিনো যোৱা নাই।

সেয়া অৱশ্যে সৰহ দিন নহয়। মাজতে ভট্টইঁতৰ ঘৰলৈ সি ইমান ঘনাই অহা-যোৱা কৰিছিল যে তাক দেখা পোৱাটোও আনন্দময়ীৰ পক্ষেও দুৰ্লভ হৈ পৰিছিল বুলি বিনয়ে গম পাইছিল। সেই হিচাপে অৱশ্যে এতিয়া সি ভালেমান দিন পৰেশ ভট্টৰ ঘৰলৈ যোৱা নাই আৰু কথাটো সঁচাই আনৰ চকুত পৰিবলগীয়াই হৈছে।

বিনয়ে নীৰৱে নিজৰ চুৰিয়াখনৰ আগৰপৰা সূতা এডাল টানি উলিয়াই ছিঙিবলৈ ধৰিলে।

এনেতে লগুৱাটোৱে আহি কলেহি,—"মাইজী, কাঁহাছে মায়ীলোক আয়া।"

বিনয় লৰালৰিকৈ উঠি থিয় হল। কোন আহিছে, ক'ৰপৰা আহিছে, ইত্যাদি সোধোঁতে নোসোধোঁতেই সুচৰিতা আৰু ললিতা আহি কোঠালিটোত সোমালহিয়েই। বিনয় আৰু তাৰপৰা ওলাই যাব নোৱাৰিলে। সি নিৰ্বাত হৈ থিয় হৈ থাকিল।

সুচৰিতা আৰু ললিতাই আনন্দময়ীৰ ভৰিৰ ধূলি মূৰত লৈ সেৱা

কৰিলে। ললিতাই বিনয়ৰ পিনে ববকৈ নেচালেই। সুচৰিতাই তাক নমস্কাৰ কৰি সুধিলে,—"আপোনাৰ ভাল, নহয়?"

তাৰ পিচত আনন্দময়ীলৈ চাই তাই কলে,—"আমি পৰেশ ভট্টাচাৰ্য্যৰ ঘৰৰপৰা আহিছোঁ।"

আনন্দময়ীয়ে সিহঁতক আদৰ-সাদৰ কৰি বহুৱাই কলে,—"মোক তোমালোকৰ চিনাকি দিব নেলাগে। আই, তোমালোকক মই দেখা নাই হয়, কিন্তু তোমালোকক ঘৰৰ ছোৱালী বুলিয়েই জানো।"

চাওঁতে চাওঁতে গল্প ভৰি উঠিল। বিনয় মনে মনে বহি থকা দেখি সুচৰিতাই তাকো সিহঁতৰ কথা-বতৰাত যোগ দিবলৈ যত্ন কৰিলে। তাই লাহেকৈ তাক সুধিলে,—আপুনি বহুদিন আমাৰ ঘৰলৈ যোৱা নাই কিয়?"

বিনয়ে ললিতালৈ এবাৰ চাই কলে,—"ঘনে ঘনে আমনি কৰিলে আপোনালোকৰ মৰম-চেনেহ হেৰুৱাব পাৰোঁ বুলি ভয় লাগে।"

সুচৰিতাই মিচিকিয়াই হাঁহি কলে,—"মৰম-চেনেহেও যে ঘনে ঘনে আমনি নগোৱাটোহে বিচাৰে, সেইটো আপুনি নেজানে হব পায়?"

আনন্দময়ীয়ে কলে,—"সেইটো সি ভালদৰেই জানে আই। তোমা-লোকক নো কি ক'ম—গোটেই দিনটো তাৰ ফৰমাচ খটা আৰু আবদাৰ সহাই মোৰ কাম। আন কাম কৰিবলৈ সময়কে নেপাওঁ।"

এইবুলি মৰমেৰে তেখেতে বিনয়লৈ চালে।

বিনয়ে কলে,—"ভগবানে তোমাক ধৈৰ্য্য দিছে, অ.কু মোৰদ্বাৰা তোমাৰ সেই ধৈৰ্য্য পৰীক্ষা কৰাই লৈছে।"

সুচৰিতাই ললিতাক লাহেকৈ ঠেলা মাৰি কলে,—"শুনিছ ভনীটি ললিতা, আমাৰ পৰীক্ষা বোধকৰোঁ শেষ হৈ গ'ল। নিশ্চয় পাছ কৰিব নোৱাৰিলোঁ, নহয় জানো?"

ললিতাই এই কথাত যোগ নিদিয়া দেখি আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে—"এইবাৰ আমাৰ বিনুৱে নিজৰ ধৈৰ্য্যৰ পৰীক্ষা কৰিছে। সি যে তোমালোকক কি বুলি ভাবে, সেইটো তো তোমালোকে নাজানা। নিতৌ সন্ধিয়া বেলিকা আমাৰ মাজত তোমালোকৰ কথাৰ বাহিৰে আৰু আন একো কথাই নেথাকে। আৰু ভট্ট ডাঙৰীয়াৰ কথা ওলালে তো সি একেবাৰে পমি যায় গৈ।"

এইবুলি আনন্দময়ীয়ে ললিতাৰ মুখলৈ চালে। কোনো ৰকমেহে তাই মূৰ তল নকৰাকৈ থাকিল যদিও তাইৰ মুখখন ৰঙা পৰি গ'ল।

আনন্দময়ীয়ে কলে,—"তোমালোকৰ দেউতাৰাৰ কথা লৈ সি যে কতৰ লগত কাজিয়া কৰিছে। তাৰ লগৰবোৰে তো তাক ব্ৰাহ্ম বুলি এঘৰীয়াকে কৰিব খুজিছে। বিনু, তই ইমানকৈ ধৰফৰাইছ কিয়? মই দেখোন সঁচা কথাকে কৈছোঁ। ইয়াত লাজ পাবৰ তো একো কাৰণ নাই। তোমালোকে কি কোৱা আই?"

এইবাৰ তেখেতে ললিতাৰ মুখলৈ চাওঁতেই তাই তলমুৰ কৰিলে। সুচৰিতাই কলে,—চেটাৰ্জীদেৱে আমাক আপোন মানুহ বুলি ভাবে বুলি আমি ভালকৈয়ে জানো। কিন্তু আমাৰ গুণৰ বাবে নহয়, তেখেতৰ নিজ গুণত হে।"

আনন্দময়ীয়ে কলে,—"সেইটো সঠিক কৈ কব নোৱাৰোঁ আই! তাক মই নিচেই সৰু কালৰেপৰাই দেখিছোঁ। ইমান দিনে মোৰ গোৰাই তাৰ একমাত্ৰ বন্ধু আছিল। আন কি মই লক্ষ্য কৰিছোঁ যে বিনয়ে তাৰ নিজৰ দলৰ মানুহবোৰৰ লগতো মিলিব নোৱাৰে। কিন্তু তোমালোকৰ লগত দুদিনৰ চিনাকিতে এনেকুৱা হৈছে গৈ যে আমিও তাৰ ছাঁটোকে দেখিবলৈ নোপোৱা হৈছোঁহি। এই কথা লৈ তোমালোকৰ লগত দন্দ্ব কৰিম বুলিয়েই ভাবিছিলোঁ। কিন্তু এতিয়া দেখিছোঁ ময়ো বিনয়ৰ দলতে যোগ দিব লাগিব। তোমালোকে সকলোকে হৰুৱাবা যেন পাইছোঁ।"

এই বুলি আনন্দময়ীয়ে এবাৰ ললিতাৰ আৰু এবাৰ সুচৰিতাৰ থুঁতৰিত ধৰি আঙুলিৰেই দুটা চুমা খালে।

সুচৰিতাই বিনয়ৰ দুৰৱস্থা দেখি মৰমেৰে কলে,—"চেটাৰ্জীদেউ! দেউতাও আহিছে। তেখেতে বাহিৰত এখেতৰ ডাঙৰীয়াৰ লগত কথা-বতৰা পাতিছে।"

কথাষাৰ শুনি বিনয় লৰালৰিকৈ বাহিৰলৈ গ'ল গৈ। তাৰ পিচত আনন্দময়ীয়ে সিহঁত দুয়োজনীৰে আগত গোৰা আৰু বিনয়ৰ নলে-গলে-লগা বন্ধুত্বৰ কথা কবলৈ ধৰিলে। শুনোতা দুগৰাকীৰো যে আগ্ৰহ কম নহয় এই কথা বুজিবলৈ আনন্দময়ীৰ আৰু বাকী নেথাকিল। আনন্দময়ীয়ে জীৱনত এই দুটি লৰাকেই তেখেতৰ মাতৃস্নেহৰ পৰিপূৰ্ণ অৰ্ঘ্যেৰে পূজা কৰি আহিছে। সংসাৰত ইহঁতকৈ ডাঙৰ তেখেতৰ আৰু একো নাছিল। বালিকাৰ পূজাৰ শিৱৰ দৰেই ইহঁতক তেখেতে নিজ হাতেৰে গঢ়িছে হয়, কিন্তু ইহঁতেই তেখেতৰ সকলো আৰাধনা গ্ৰহণ কৰিছে। তেখেতৰ মুখত তেখেতৰ এই দুটি কোনাৰ দেৱতাৰ কাহিনী চেনেহৰ ৰসেৰে ভৰপৰ হৈ এনেকুৱা মধুৰ আৰু কৰুণ হৈ পৰিল যে সুচৰিতা আৰু ললিতাই

হেঁপাহেৰে শুনিবলৈ ধৰিলে। গোৰা আৰু বিনয়ৰ প্ৰতি পিইঁতৰ শ্ৰদ্ধাৰ অভাৱ নাছিল। কিন্তু আনন্দময়ীৰ পিচিনা এনেকুৱা এগৰাকী মানুহ এনেকুৱা চেনেহৰ যোগেদি পিইঁতৰ লগত যেন আৰু তালকৈ নতুনকৈ চিনাকি হ'ল।

আনন্দময়ীৰ লগত আজি চিনাকি হোৱাৰ পিচত মবচাহাবৰ ওপৰত ললিতাৰ খং যেন আৰু বাঢ়িল হে। ললিতাৰ মুখত তেজি কথা শুনি আনন্দময়ীয়ে হাঁহিলে। তেখেতে কলে,—"আই, গোৰাই আজি কাচৈৰ বাটিছে। ইয়াৰ বাবে মই যে কিমান শোক পাইছোঁ সেইটো সৰ্ব্বান্তৰ্যামীয়েহে জানে। কিন্তু চাহাবৰ ওপৰত হলে মোৰ কোনো খং উঠা নাই। মই তো গোৰাক চিনি পাওঁ, সি নিজে ভাল বুলি ভবা কাম কৰিব খুজিলে আইন-কানুন একোকে নেমানে। আৰু এইবোৰ নেমানিলে বিচাৰক সকলে তো তাক জেললৈ পঠিয়াবই। তাৰ বাবে তেওঁলোকক দোষ দিম কিয়? গোৰাৰ কাম গোৰাই কৰিছে আৰু সিইঁতৰ কৰ্ত্তব্যও সিইঁতে কৰিছে। ইয়াৰ বাবে যিবোৰে দুখ পাবলগীয়া আছে পাবই। আই, মোৰ গোৰাৰ চিঠি পঢ়িলে তোমালোকেও বুজিব পাৰিলাহেঁতেন যে সি দুখলৈ ভয় কৰা নাই, কাৰো ওপৰত অযথা খঙো কৰা নাই। ফলাফল জানিয়েই সি সকলো কাম কৰিছে।"

এই বুলি তেখেতে যত্নেৰে সৈতে থৈ দিয়া গোৰাৰ চিঠিখন চন্দুকৰপৰা আনি সুচৰিতাৰ হাতত দি কলে,—"আই, তুমি ডাঙৰকৈ পঢ়াচোন। মইও আৰু এবাৰ শুনো।"

গোৰাৰ সেই আচৰিত চিঠিখন পঢ়ি শেষ কৰাৰ পিচত তিনিও কিছু পৰ মনে মনে নিমাত হৈ বহি থাকিল। আনন্দময়ীয়ে আঁচলৰ আগটোৰে তিতা চকুজোৰ মচি ল'লে। সেই চকুলোত মাথোন মাতৃহৃদয়ৰ বেজাৰেই নহয়, আনন্দ আৰু গৌৰবো মিহলি হৈ আছিল। তেখেতৰ গোৰা জানো কিবা যেই সেই গোৰা যে চাহাবে তাৰ দোষ ক্ষমা কৰি দয়া কৰি তাক এৰি দিব—সি জানো তেনেকুৱা গোৰা? সি যে সকলো দোষ স্বীকাৰ কৰি জেলখানাৰ দুখ-কষ্ট ইচ্ছা কৰিয়েই নিজৰ কান্ধত তুলি লৈছে? তাৰ সেই কষ্টৰ বাবে কাৰো লগত একো কাজিয়া কৰিবলগীয়া নাই। গোৰাই সেই কষ্ট অকাতৰে বহন কৰিছে আৰু আনন্দময়ীয়েও সেই কষ্ট সহিব পাৰিব।

ললিতা আচৰিত হৈ আনন্দময়ীৰ মুখলৈ চাই ৰ'ল। ব্ৰাহ্ম পৰিয়ালৰ

সংস্কাৰবোৰ ললিতাই খুব দৰ্কৈ মানিছিল। বিবোৰ ভিকতা মানুহে আধুনিক ধৰণে শিক্ষা পোৱা নাই আৰু বিবোৰক তাই হিন্দুৰ ঘৰৰ ছোৱালী বুলি জানিছিল সিহঁতৰ ওপৰত ললিতাৰ সমুলি একো শ্ৰদ্ধা নাছিল। সিহঁত সকু থাকোঁতে বৰদাসুন্দৰীয়ে 'হিন্দুৰ ঘৰৰ ছোৱালীয়েও এইবোৰ কাম নকৰে' বুলি সিহঁতৰ বিবোৰ দোষলৈ আঙুলিয়াই দিছিল সেইবোৰ দোষৰ বাবে ললিতাই সদায় অলপ বেচিকৈয়ে লাজ পাইছিল। আজি আনন্দময়ীৰ মুখৰপৰা এই কেইট আমাৰ কথা শুনি তাই বাৰুকৈয়ে আচৰিত হল। যেনে মনোবল, তেনেকুৱাই শান্তি, আৰু ঠিক তেনেকুৱাই আচৰিত সদ্‌বিবেচনা। এই মহিলা গৰাকীৰ আগত নিজৰ অসংযত হৃদয়ৰ আবেগৰ বাবে ললিতাৰ নিজকে বৰ সৰু যেন লাগিল। আজি তাইৰ বৰ খং উঠি আছিল, সেয়েহে তাই বিনয়ৰ মুখলৈ চোৱাই নাছিল, আৰু তাৰ লগত কথাও পতা নাছিল। কিন্তু আনন্দময়ীৰ স্নেহ, করুণা আৰু শান্তিৰে উপচি পৰা মুখখনিলৈ চাই তাইৰ অন্তৰৰ সকলো বিদ্ৰোহৰ তাপ যেন জুৰ পৰি গ'ল। সকলোৰে লগত তাইৰ সম্বন্ধ সহজ হৈ পৰিল। ললিতাই আনন্দময়ীক কলে,—"গৌৰমোহন ডেকাদেৱে নো ইমান শক্তি কৰপৰা পাইছে আপোনাক দেখিহে আজি গম পালোঁ।"

আনন্দময়ীয়ে উত্তৰ দিলে,—"ওঁহো, তুমি ভালকৈ নাই বুজা। মোৰ গোৰা আন দহোটা সাধাৰণ লৰাৰ নিচিনা হোৱা হলে মই নো ইমান বল ক'ৰপৰা পালো হয়? তেতিয়া তাৰ কষ্ট মই জানো এইদৰে সহিব পাৰিলোহেঁতেন?"

ললিতাৰ মনটো আজি কিয়নো এইদৰে গোমোঠা হৈ পৰিছিল, সেই বিষয়ে অলপ বহলাই কোৱা আৱশ্যক।

এই কেইদিন সদায় শোৱাপাটীৰপৰা উঠিয়েই পোন প্ৰথমতে ললিতাই ভাবে—আজি বিনয় চেটাৰ্জ্জী নাহিব। অথচ বিনয় চেটাৰ্জ্জী নাহে বুলি ভাবিও গোটেই দিনটো প্ৰত্যেক মুহূৰ্ত্ততে তাই বাট চাই চাই থাকে। প্ৰতি মুহূৰ্ত্ততে তাই বিনয় আহিছে বুলিয়েই ভাবে, হয়তো সি ওপৰলৈ নাহি আগৰ কোঠাত দেউতাকৰ লগত কথা পাতিছে। এই কাৰণেই তাই দিনটোৰ ভিতৰত কিমানবেলি যে ইটো কোঁঠালীৰপৰা সিটো কোঁঠালীলৈ বিনা কাৰণতে এনেয়ে ঘূৰি ফুৰে তাৰ অন্ত নাই। চাওঁতে চাওঁতে বেলি পৰি আহে, দিনো শেষ হয়, নিশা বিছনাত শুবলৈ গৈ তাইৰ মনটোৱে যে কিথন কৰে তাই নিজেই বুজিব নোৱাৰে। বুকু ভাঙি কান্দোন ওলাব খোজে, লগে লগে খঙো উঠে। কাৰ ওপৰত যে খং উঠে, বুজিবই নোৱাৰি।

বোধকৰোঁ নিজৰ ওপৰতে। মনেপতি তাই ভাবে,—'ইস্ যায়, কিবন হৈ গ'ল। মই বাৰু কেনেকৈ জী থাকিম? কোনোফালে দেখোন একো বাটেই দেখা নেপাওঁ। এনেকৈ নো কিমান দিন যাব?'

ললিতাই বিনয়ক হিন্দু বুলি জানিছিল, এতেকে বিনয়ৰ লগত তো কোনো ৰকমেই তাইৰ বিয়া হব নোৱাৰে। অথচ নিজৰ অন্তৰক কোনো-মতেই বশ মনাব নোৱাৰি—লাজত আৰু ভয়ত তাইৰ প্ৰাণ শুকাই গৈছে। বিনয়ৰ অন্তৰো যে তাইৰ প্ৰতি বিমুখ নহয়, এই কথা তাই গম পাইছে। আৰু গম পাইছে বুলিয়েই নিজকে চম্ভালি ৰখাটো তাইৰ পক্ষে আজি ইমান দুঃসহ হৈ পৰিছে। আৰু সেই কাৰণেই তাই উতলা হৈ বিনয় আহিব আহিব বুলি আশাৰে বাট চাই থাকে যদিও হঠাতে সঁচাকৈয়ে বিনয় কেনেবাকৈ আহি ওলায়হি বুলিও তাই ভয়ো খাই থাকে। এইদৰেই নিজৰ লগত যুঁজ-বাগৰ কৰি কৰি আজি পুৱা আৰু তাইৰ ধৈৰ্য্যই সীমা ভাঙি গ'ল। বিনয় নহা কাৰণেই তাইৰ মনটো আজি এইদৰে উগুল-থুগুল লাগিছে বুলি তাই বুজিলে। এবাৰ বিনয়ক যেনে তেনে লগ পালেই নিশ্চয় এই অস্থিৰতা আঁতৰি যাব।

সেইদিনা পুৱাতে তাই সতীশক নিজৰ কোঁঠালৈ টানি লৈ আহিল। আজি-কালি মাহীয়েকক পাই সতীশে বিনয়ৰ লগত বন্ধুত্ব চৰ্চ্চাৰ কথা একেবাৰে পাহৰিয়েই গৈছিল। ললিতাই তাক সুধিলে,—"বিনয় চেটাৰ্জ্জীৰ লগত তোৰ কাজিয়া লাগিছে নে কি?"

সতীশে এনে অপবাদ দৃঢ়ভাৱে অস্বীকাৰ কৰিলে। ললিতাই কলে,—"ইঃ বৰ একেবাৰে তোৰ বন্ধু! তই হে বিনয় ককাইদেউ বিনয় ককাইদেউ বুলি মৰ, তেখেতে দেখোন তোলৈ পাকদিয়েই নেচায়।"

সতীশে কলে,—"ইঃ কেতিয়াও নহয়।"

ঘৰখনৰ ভিতৰত সবাতোকৈ নুমলীয়া সতীশক তাৰ নিজৰ গৌৰৱ প্ৰমাণ কৰাৰৰ বাবে মনে মনে এইদৰে উচটাব লগীয়া হয়। আজি হাতে হাতে প্ৰমাণ দিবৰ বাবে সি তেতিয়াই বিনয়ৰ ঘৰলৈ লৰি গ'ল। উভতি আহি কলেহি,—"তেখেত ঘৰতেই নাই। সেই কাৰণেহে আহিব পৰা নাই।"

ললিতাই সুধিলে,—"এই কেইদিন নো অহা নাই কিয়?"

সতীশে উত্তৰ দিলে,—"এই কেইদিনো তেখেত নাছিল।"

ললিতাই তেতিয়া সুচৰিতাৰ কাষলৈ গৈ কলে গৈ,—"বাইদেউ, গৌৰমোহনৰ মাকৰ তালৈ আমি কিন্তু এবাৰ যোৱা উচিত আছিল।"

সুচৰিতাই ক'লে,—"তেখেতৰ জগত যে আমাৰ চিনাকিয়ে নাই।"

ললিতাই ক'লে,—"গৌৰমোহনৰ দেউতাক চোন আমাৰ দেউতাৰ সৰু কালৰে বন্ধু।"

কথাটো সুচৰিতাৰ তেতিয়াহে মনত পৰিল। তাই ক'লে,—"ওঁ কথাটো ঠিকেই তো।"

সুচৰিতাৰ উৎসাহ বাঢ়ি গ'ল। তাই ক'লে,—"এই ললিতা, যোৱাঁ আৰু', দেউতাক কোৱাঁ গৈ।"

ললিতাই উত্তৰ দিলে,—"ওঁহো, মই নকওঁ বাইদেউ। তুমি কোৱা গৈ।"

শেষত সুচৰিতাই গৈ দেউতাকৰ আগত কথাটো উলিয়াওঁতেই তেখেতে ক'লে,—"কথাটো সঁচাই। ইমান দিনে আমাৰ যোৱা উচিত আছিল।"

খাই-বৈ উঠি যাবলৈ ঠিক কৰাৰ লগে লগে ললিতাৰ মনটো আকৌ কৌচখাই আহিল। কৰবাৰপৰা অভিমান আৰু সংশয় আহি তাইক ওভোতা ফালে টানিবলৈ ধৰিলে। তাই গৈ সুচৰিতাক ক'লে গৈ,—"বাইদেউ, তুমিয়ে যোৱা দেউতাৰ লগত। মই নেযাওঁ।"

সুচৰিতাই ক'লে,—"ইঃ সেইটো হ'ব নোৱাৰে তই নগলে মইয়ো অকলে নেযাওঁ। ভাল বাৰু জনী। বল আৰু'। গোলমাল নকৰিবি।"

বহুতো অনুনয় বিনয় কৰাৰ পিচত ললিতা যাবলৈ ওলাল। কিন্তু বিনয়ৰ কাষত তাই যে আজি হাৰিলে, বিনয়ে অনায়াসেই সিহঁতৰ ঘৰলৈ নহাকৈ থাকিব পাৰিলে আৰু তাই আজি বিনয়ক চাবলৈ লৰি আহিছে—এই অপমানৰ কথা ভাবি তাইৰ পেটে পেটে ৰব ধং উঠিল। বিনয়ক দেখা পোৱাৰ আশাতেই আনন্দময়ীৰ ঘৰলৈ আহিবলৈ তাইৰ যে আগ্ৰহ উপজিছিল, এই কথাটো তাই পেটে পেটে অস্বীকাৰ কৰিবলৈ চেষ্টা কৰিলে। নিজৰ এই জেদ বজাই ৰাখিবৰ বাবেই তাই বিনয়ৰ ফালে নেচালেও, তাৰ প্ৰতিনমস্কাৰো নেৰাচিলে আৰু তাৰ লগত কথা বতৰাও নেপাতিলে। ললিতাৰ আগত তাৰ মনৰ গোপন কথাটো ধৰা পৰি গৈছে বুলিয়েই ললিতাই আজি তাক অৱজ্ঞাৰে এইদৰে উলাই কৰিছে বুলি বিনয়ে বুজিলে। ললিতাই যে তাক ভাল পাবও পাৰে,—এনেকৈ ভাবিবলৈ যিমান অভিমান লাগে, সিমান আত্মাভিমান বিনয়ৰ নাছিল।

বিনয় আহি সঙ্কোচেৰে সৈতে দুৱাৰমুখত থিয় হৈ ক'লেহি,—"ভট্ ভাওৰীয়া ঘৰলৈ যাবলৈ উঠিছে? এখেতসকলক খবৰ দিবলৈ কৈছে।"

Please handle this book carefully

ললিতাই যেন তাক দেখা নেপায়, ঠিক এনে ঠাইত সি থিয় হৈছিল।

আনন্দময়ীয়ে ক'লে,—"মাই, মাই, এতিয়াই যাব নোৱাৰে। অকণমান চাহ খাই যাব লাগিব। বেচি পৰ নেলাগে। বিনয় তুমি ইয়াতে অলপ পৰ বহাঁ। মই এবাৰ বাহ্মনিৰ্ববপৰা আহোঁগে। বাহিৰত থিয় হৈ আছা কিয়? আহাঁ, ভিতৰলৈ আহাঁ।"

বিনয়ে ললিতাৰপৰা আঁৰ হৈ কোনোৰকমে দূৰত এটা চকত বহিল গৈ। বিনয়ৰ প্ৰতি তাইৰ ব্যৱহাৰত যেন কোনো ত্ৰুটি হোৱা নাছিল। এইদৰে তাই সহজভাৱে ক'লে,—"চেটাৰ্জ্জী দেউ। আপোনাৰ বন্ধু সতীশক আপুনি একেবাৰে এৰিলে নে কি জানিবলৈ সি আজি বাতিপুৱা আপোনাৰ ঘৰলৈ গৈছিল।"

হঠাতে দৈববাণী হ'লে মানুহ যিদৰে আচৰিত হৈ যায়, বিনয়ো সেইদৰে আচৰিত হৈ চক্‌ খাই উঠিল। এইদৰে চক্‌খাই উঠা সকলোৰে গম পোৱা দেখি সি বৰ লাজ পালে। আনদিনাৰ দৰে আজি কিন্তু সি একো ভালকৈ উত্তৰ দিব নোৱাৰিলে। কাণমূৰ ৰঙা হৈ উঠিল, সি ক'লে,—"মোৰ তালৈ সতীশ গৈছিল নে কি? মই তো ঘৰত নাছিলোঁ।"

ললিতাৰ এই সামান্য এটি কথা শুনিয়েই বিনয়ৰ মন আনন্দত নাচি উঠিল। এক নিমিষতে বিশ্বজগতৰ ওপৰৰপৰা এটা ভীষণ সংশয় যেন— উশাহ-নিশাহ বন্ধ কৰি ধৰা এটা আপদীয়া সপোনৰ দৰে আঁতৰি গ'ল। যেন এইকণৰ বাহিৰে এই পৃথিৱীত তাৰ আৰু পাবলগীয়া একোৱেই নাছিল। তাৰ মনটোৱে কবলৈ ধৰিলে,—"বৰ্তোঁ, বৰ্তোঁ।" ললিতাৰ খং উঠা নাই। ললিতাই তাক একো সন্দেহো কৰা নাই।

চাওঁতে চাওঁতে সকলো বাধা আঁতৰি গ'ল। সুচৰিতাই হাঁহি হাঁহি ক'লে,—"চেটাৰ্জ্জীদেৱে আমাক হঠাতে নখী দন্তী শৃঙ্গী অস্ত্ৰপাণি মানুহ জেনেকুৱাই কিবা এটা বুলি সন্দেহ কৰি বহি আছে।"

বিনয়ে উত্তৰ দিলে,—"পৃথিৱীত যিবোৰে আগবাঢ়ি আহি গোচৰ দিব নেজানে, সদায় মনে মনে থাকে, সিহঁতে সদায় উভতি সন্দেহ কৰা হ'বলগীয়া হয়। বাইদেউ, তোমাৰ মুখত কিন্তু এইবোৰ কথা নুশুৱায়। তুমি নিজেই কিমান দূৰলৈ আঁতৰি গৈছা, এতিয়া আকৌ আনকহে দূৰৈলৈ আঁতৰি যোৱা দেখিছা।"

বিনয়ে আজিয়েই প্ৰথম সুচৰিতাক 'বাইদেউ' বুলিলে। সুচৰিতাৰ কাণত এই মাতষাৰ বৰ মিঠা লাগিল। বিনয়ৰ লগত প্ৰথম চিনাকিৰ পৰা সুচৰিতাৰ মনত যি এটা আপোন ভাব উপজিছিল, সি যেন আজি

বিশেষভাৱে স্নেহপূৰ্ণ হৈ পৰিল।

পৰেশ ভট্ট আৰু সুচৰিতাহঁত বিদায় লৈ গুচি গ'ল গৈ। তেতিয়া বেলি প্ৰায় পৰি আহিছিল। বিনয়ে আনন্দময়ীক ক'লে,—"আই, আজি তোমাক একো কামকে কৰিবলৈ নিদিওঁ। ওপৰলৈ যাওঁ বলা।"

বিনয়ে তাৰ অন্তৰৰ অস্থিৰতা সম্বৰণ কৰিব নোৱাৰা হৈ পৰিছিল। আনন্দময়ীক ওপৰলৈ লৈ গৈ সি নিজ হাতে মজিয়াত আসন পাৰি তেখেতক বহুৱালে।

আনন্দময়ীয়ে বিনয়ক সুধিলে,—"বিনু, তোৰ কথাটো নো কি, কচোন ?"

বিনয়ে উত্তৰ দিলে,—"মোৰ একো কথা নাই। তুমি কথা কোৱাঁ।"

পৰেশ ভট্টৰ জীয়েক কেইজনীক নো আনন্দময়ীৰ কেনে লাগিল, সেই কথা শুনিবলৈ বিনয়ৰ মন উচ্‌পিচাই আছিল।

আনন্দময়ীয়ে ক'লে,—"অ', সেই কাৰণেই হব পাই তই মোক ইয়ালৈ মাতি আনিলি। মই আকৌ ভাবিছিলোঁ তোৰ কিবা কথা কবলগীয়া আছে হবলা।"

বিনয়ে ক'লে,—"মাতি নন৷ হ'লে ইমান ধুনীয়া বেলি মাৰৰ দৃশ্যটো জানো দেখা পালাহেঁতেন ?"

সেইদিনা কলিকতাৰ ওপৰত আঘোণ মাহৰ বেলি ম্লান হৈ মাৰ গৈছিল। আকাশৰ বুকুত নানান ৰঙে লুকা-ভাকু খেলা মাছিল। দূৰ দিগন্তৰ ধোঁৱা বৰণীয়া মেঘৰ মাজত সোণালী আভা বিণিকি বিণিকি মাখোন জিলিকি আছিল। কিন্তু আজিৰ এই নিস্তেজ সন্ধিয়াৰ ধোঁৱা ৰবণেও বিনয়ৰ মন বাঙলী বোলেৰে বোলাই পেলালে। চাৰিও ফালৰ সকলোৱেই যেন তাক আজি সাৱটি ধৰিলে। আকাশখনেও যেন তাক চুলেহি।

আনন্দময়ীয়ে ক'লে,—"ছোৱালী দুজনী বৰ ভাল।"

বিনয়ে এই কথাষাৰ শেষ হবলৈ নিদিলে। বাই পকাই নানা কথা সুধি সুধি এই একেটা কথাকে সি দীঘলীয়া কৰি নিবলৈ ধৰিলে। পৰেশ ভট্টৰ জীয়েক কেইজনীৰ বিষয়ে যে ক'ত দিনৰ ক'ত সৰু-সুৰা ঘটনাৰ কথা ওলাল—যিবোৰৰ বেচি ভাগেই চকুত পৰিবলগীয়া নহয়—তাৰ ঠিক নাই। কিন্তু তথাপি সেই আঘোণ মাহৰ নীৰৱ শেঁতা সন্ধিয়াত নিৰল কোঠাটোত বিনয়ৰ উৎসাহ আৰু আনন্দময়ীৰ আগ্ৰহেৰে এই নগণ্য খবৰ

চুকৰ চকুত নপৰা কথাবোৰেই এটি নতুন মহিমাৰে মণ্ডিত হৈ উঠিল।

আনন্দময়ীয়ে হঠাতে এবাৰ হুমুনিয়াহ কাঢ়ি ক'লে,—"সুচৰিতাক গোৰালৈ বিয়া কৰাই বোৱাৰী কৰি আনিব পৰা হলে বৰ ভাল পালোঁ-হেঁতেন।"

বিনয় জপিয়াই উঠিল। সি ক'লে,—"আই, এই কথা মই বহুবাৰ ভাবিছোঁ। গোৰাৰ ঠিক উপযুক্তা নগৰী হব।"

আনন্দময়ী—কিন্তু বিয়াখন নো ক'ত হবগৈ?

বিনয়,—কিয় নহব? মোৰ মনেৰে গোৰাৰো সুচৰিতাত মন নোখোৱা নহয়।

গোৰাৰ মন যে কৰবাত বান্ধ খাইছে সেই কথা আনন্দময়ীয়ে নজনাকৈ থকা নাছিল। সেই ছোৱালীজনী যে সুচৰিতাই, এই কথাও তেখেতে বিনয়ৰ নানান কথাৰপৰা বুজিব পাৰিছিল। অলপ পৰ মনে মনে থাকি আনন্দময়ীয়ে সুধিলে,—"কিন্তু সুচৰিতা জানো হিন্দুৰ ঘৰলৈ বোৱাৰী হৈ আহিব?"

বিনয়ে ক'লে,—"বাৰু আই, গোৰাই জানো ব্ৰাহ্মৰ ঘৰত বিয়া কৰাব নোৱাৰে? তোমাৰ বাৰু মত আছে নে নাই?"

আনন্দময়ী—মোৰ মত আছে।

বিনয়ে পুনৰ সুধিলে,—"সঁচাকৈয়ে তোমাৰ মত আছে নে?"

আনন্দময়ীয়ে ক'লে,—"ওঁ, আছে বিনু। মানুহৰ লগত মানুহৰ মনৰ মিলেই হৈছে বিয়া। সেই সময়ত কি মন্ত্ৰ মতা হ'ল, তাৰ পৰানো কি লাভ বা ক্ষতি হয় বোপাই? যেনে তেনে গোসাঁইৰ নাম ললেই হয়।"

বিনয়ৰ মনৰপৰা যেন এটা বোজা আঁতৰি গ'ল। সি উৎসাহিত হৈ ক'লে,—"আই, তোমাৰ মুখৰপৰা এইবোৰ কথা শুনিলে মোৰ বৰ আচৰিত লাগে। ইমান বহল মনটো তুমি কৰপৰা পালা আই?"

আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে,—"গোৰাৰপৰা পাইছোঁ।"

বিনয়ে ক'লে,—"গোৰাই দেখোন ওলোটা কথাবোৰ হে কয়।"

আনন্দময়ী—ক'লে কি হব? মোৰ সকলো শিক্ষা গোৰাৰপৰাই পোৱা। মানুহ নামৰ বস্তুটো যে কিমান সত্য—আৰু মানুহে যিহৰ বাবে দলাদলি কৰে, কাজিয়া কৰি মৰে, সেইবোৰ যে কিমান মিছা—এই কথা ভগৱানে গোৰাক মোৰ কোলাত দিয়াৰ দিনাই বুজাই দিলে। বোপাই, ব্ৰাহ্মই বা কোন আৰু হিন্দুৱেই বা কোন? মানুহৰ হৃদয়ৰ তো একো

আও নাই। ইয়াতেই ভগৱানে সকলোকে মিলাই আৰু নিজেও আছি মিলেছি। সেই দেখো অনেক আঁতৰাই দি মন্ত্ৰ আৰু মতৰ উপদ্ৰৱতে মানুহক মিলোৱাৰ ভাৰ দিলে জানো চলিব ?"

বিনয়ে আনন্দময়ীৰ ভৰিৰ ধূলা মূৰত লৈ ক'লে,—"আই, তোমাৰ কথাবোৰ মোৰ ইমান ভাল লাগিল। সঁচাকৈয়ে আজিৰ দিনটো মোৰ সাৰ্থক হ'ল।"

৩৭

সুচৰিতাৰ মাহীয়েক হৰিমোহিনীৰ বাবে পৰেশ ভট্টৰ সংসাৰত বাৰু-কৈয়ে অশান্তিয়ে দেখা দিলে। সেইবোৰ বহলাই কোৱাৰ আগতে হৰি-মোহিনীয়ে সুচৰিতাৰ আগত নিজৰ চিনাকি যি বুলি দিছিল তাকে তলত লিখা হ'ল—

"মই তোমাৰ মাৰাতকৈ দুবছৰৰ ডাঙৰ আছিলোঁ। দেউতাৰ ঘৰত আমাৰ দুয়োৰে আদৰৰ সীমা নাছিল। কিয়নো, তেতিয়া আমাৰ ঘৰত আমি মাথোন ছোৱালী দুজনীয়েইহে উপজিছিলোঁ। ঘৰত আন কোনো লৰা-ছোৱালী নাছিল। খুৰাদেউহঁতৰ মৰমত মাটিত আমাৰ ভৰি নপৰাই হ'ল।

মোৰ আঠ বছৰ বয়স হওঁতে পালসাৰ বিখ্যাত ৰায় চৌধুৰীহঁতৰ ঘৰত বিয়া হয়। সিহঁতৰ বংশ যেনেকুৱা আছিল, ধনো তেনেকুৱাই। কিন্তু মোৰ কপালত সুখ নাছিল। বিয়াৰ সময়ৰ খৰচ-পাতি লৈ মোৰ শহুৰৰ লগত আমাৰ দেউতাৰ কাজিয়া লাগিছিল। দেউতাহঁতৰ ঘৰৰ সেই অপ-ৰাধ মোৰ শহুৰৰ বংশই বহুদিনলৈকে মৰিষণ কৰিব পৰা নাছিল। সক-লোৱে কৈছিল,—আমাৰ লৰাক আকৌ বিয়া কৰাই দিম। তেতিয়া এই জনীৰ কি দশা হয় চাম। মোৰ দুৰ্দ্দশা দেখিয়েই ধনীৰ ঘৰত আৰু কেতিয়াও ছোৱালী নিদিওঁ বুলি দেউতাই শপত খাইছিল। সেই কাৰণেই তোমাৰ মাৰাক দুখীয়াৰ ঘৰতেই দিছিল।

আমাৰ ঘৰখন একে চকুৰে খোৱা এটা ডাঙৰ পৰিয়াল আছিল।

সেই কাৰণেই আঠ-ন বছৰ মান বয়সৰেপৰাই মই বৰা-বঢ়া কৰিবলগীয়া হৈছিল। সকলোকে ভাত-পানী দি বেলি গঁতোৱাৰ পিচত কেতিয়াবা কেতিয়াবা শুদা ভাত বা কেতিয়াবা দালি ভাতহে মোৰ ভাগলৈ বৈছিল গৈ। কেতিয়াবা দুই মান বজাত, আকৌ কেতিয়াবা চকা বহা পৰতহে মোৰ খোৱা-বোৱা হৈছিল গৈ। ভাত খাই উঠিয়েই আকৌ ৰাতিৰ সাজৰ কাৰণে ৰান্ধিবলগীয়া হৈছিল। নিশা, এঘাৰ বাৰ মান বজাতহে পুনৰ ভাত খাবলৈ সময় পাইছিলোঁ। শুবলৈকো কোনো এক ঠাই নাছিল। ঘৰ ঘৰত যেতিয়াই যাৰ লগত সুবিধা হয় তেতিয়াই তাৰ লগতে শুই-ছিলোঁ। কেতিয়াবা পীৰা পাৰিয়েই শুবলগীয়া হৈছিল।

ঘৰৰ আটাইখনে মোক বেয়া পাইছিল। তাকে দেখি দেখি মোৰ স্বামীয়েও মোক আলাই আথানি নকৰাকৈ থাকিব নোৱাৰিছিল। বহু-দিনলৈকে তেখেতে মোক আঁতৰে আঁতৰেই ৰাখিছিল।

এনে সময়তে মোৰ সোতৰ বছৰ বয়স হওঁতেই মোৰ ছোৱালী মনো-ৰমা ওপজে। ছোৱালী জন্ম দিয়া দেখি শহুৰৰ ঘৰত মোৰ লাঞ্চনা আৰু বাঢ়িহে গ'ল। এইবোৰ কেটেৰা জেঙেৰাৰ মাজত এই ছোৱালীজনীয়েই মোৰ একমাত্ৰ আনন্দৰ আৰু সান্ত্বনাৰ থল আছিল। মনোৰমাক তাইৰ বাপেক বা আন কোনেও মৰম চেনেহ নকৰা দেখি তাই মোৰ আলাসৰ লাৰু হৈ উঠিছিল।

তাৰ তিনি বছৰৰ মূৰত মোৰ এটা লৰা ওপজে আৰু তেতিয়াৰেপৰা লাহে লাহে মোৰ অৱস্থাৰো সলনি হবলৈ ধৰিলে। তেতিয়াহে মই ঘৰ-খনৰ গৃহিণী হোৱাৰ যোগ্য হলোঁ। মোৰ শাহু আই নাছিল। শহুৰো মনোৰমা ওপজাৰ দুবছৰ পিচতে ঢুকায়। তেখেতে ঢুকুৱাৰ পিচতে বাপতীয়া সাহোনৰ বাবে দেওৰাইতৰ লগত আমাৰ মকৰ্দ্দমা লাগিল। মকৰ্দ্দমাত বহুতো সম্পত্তি নষ্ট হ'ল আৰু অৱশেষত আমি বেলেগ হলোঁ।

লাহে লাহে মনোৰমাৰ বিয়াৰ বয়স পালেহি। কিন্তু তাইক দূৰৈত দিবলগীয়া হয়, আনোচা তাইক আৰু দেখাই নেপাওঁ, এইবোৰ ভয়তে পালনাৰপৰা দহ বাৰ মাইল মান আঁতৰৰ সিমুলে গাঁৱতে তাইক বিয়া দিলোঁ। চেহেৰাই পাতিয়ে লৰাটো কাতিকৰ নিচিনা। যেনেকুৱা গাৰ বৰণ, তেনেকুৱাই চেহেৰা। অৱস্থাও বেচ টনকিয়াল।

এদিন বিদহে মই অনাদৰ আৰু কষ্ট খাবলগীয়া হৈছিল, মোৰ কপাল ফুটাৰ আগতে বিধাতাই সেইদৰে মোক কিছুদিনৰ বাবে সুখো দিছিল। শেষৰ কালে মোৰ স্বামীয়ে মোক খুব মৰম চেনেহ কৰিছিল আৰু শ্ৰদ্ধাও

কৰিছিল। মোৰ লগত পৰামৰ্শ নকৰাকৈ কোনো কামকে কৰা নাছিল। মোৰ কপালত ইমান সুখ লিখা নাছিল। হাইজা হৈ চাৰিদিনৰ আগা-পিচাকৈ মোৰ ল'ৰা আৰু স্বামী দুয়ো ঢুকাল। যি দুখৰ কল্পনা কৰাও অসহ্য, সেই দুখো যে মানুহে সহিব পাৰে—ইয়াকে বুজাবৰ বাবেই হবপায় ঈশ্বৰে মোক জীয়াই ৰাখিলে।

লাহে লাহে জোঁৱাইবো চিনাকি পাবলৈ ধৰিলোঁ। ধুনীয়া ফুলৰ মাজত যে এনেকুৱা কাল-সৰ্প লুকাই থাকিব পাৰে, সেইটো নো কোনে জানিছিল? সি যে কু-সঙ্গত পৰি মদ-ভাং খাবলৈ শিকিলে, মোৰ ছোৱালীয়েও মোক এই কথাৰ ফুটকে নিদিলে। জোঁৱায়ে যেতিয়াই তেতিয়াই আহি নানা অভাৱৰ কথা কৈ মোৰপৰা টকা লৈ গৈছিলহি। সংসাৰত মোৰ তো আৰু আন কাৰো বাবে ধন সাঁচিবৰ প্ৰয়োজন নাছিল। সেই কাৰণে জোঁৱায়ে আহি লেন লগাই মোৰপৰা কিবাকিবি বিচাৰিলে মোৰ ভালেই লাগিছিল। মাজে সময়ে অৱশ্যে মোৰ ছোৱালীয়ে আহি মোক হাক্ দিছিলহি। মোক ডাবি দি কৈছিল—তুমিয়েই এনেকৈ টকা দি দি তেওঁৰ অভ্যাস বেয়া কৰি পেলাইছা। টকা হাতত পৰিলে তেওঁ ক'ত যে কেনেকৈ উৰুৱাই দিয়ে, তাৰ একো ঠিকনাই নাই। মই ভাবিছিলোঁ তাইৰ গিৰীয়েকে মোৰপৰা এইদৰে টকা ল'লে তাইৰ শহুৰেকৰ বংশৰ মান নেথাকিব বুলিয়েই বোধকৰোঁ মনোৰমাই মোক টকা দিবলৈ হাক দিছিল।

তেতিয়া মোকো জানো কিহে পালে, মনোৰমাক লুকুৱাই মনে মনে ময়েই জোঁৱাইৰ ফটিকাৰ খৰচ যোগাবলৈ ধৰিলোঁ। মনোৰমাই জানিব পাৰি এদিন আহি কান্দি-কাটি গিৰীয়েকৰ আটাইবোৰ কু-স্বভাৱৰ কথা মোক ভাঙি ক'লেহি। তেতিয়া ময়ো কপাল ভুকুৱাই কান্দি কাটি বাউলী হলোঁ। দুখৰ কথানো কি কম, মোৰ এজন দেওৰেই জোঁৱাইৰ লগ লৈ তাক কু-বুদ্ধি দি তাৰ মূৰটো খাইছিল।

মই টকা নিদিয়া দেখি মনোৰমাই মোক টকা দিবলৈ হাক দিছে বুলি জোঁৱায়ে গম পালে। আৰু তেতিয়াৰেপৰা তাৰ লুক-ঢাক একেবাৰে নোহোৱা হ'ল। তেতিয়া সি এনেকুৱা অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰিলে আৰু মোৰ ছোৱালীক গোটেই সংসাৰ খনৰ মানুহৰ আগত এনেকৈ অপ-মান কৰিবলৈ ধৰিলে যে এইবোৰ ঘটনা বন্ধ কৰিবৰ বাবেই ময়েই আকৌ মনোৰমাই নজনাকৈ তাক টকা দিবলৈ আৰম্ভ কৰিলোঁ। ময়েই তাক ৰসাতললৈ পঠিয়াইছোঁ বুলি জানিছিলোঁ যদিও মনোৰমাক সি অসহনীয়

তাৰে মাৰ-কিল কৰা বুলি শুনিলে মই কোনোৰকমে খিবেৰে থাকিব নোৱাৰিছিলোঁ।।

অৱশেষত এদিন—সেই দিনটো মোৰ এতিয়াও কটুকটীয়াকৈ মনত আছে—মাঘ মাহৰ শেষৰ কালে, সেইবাৰ জহো আগতীয়াকৈয়ে হৈছিল, আমি কোৱাকুই কৰিছিলোঁ যে আমাৰ বাৰীখনৰ আম গছবোৰ মলিয়ালেই। সেই মাঘ মহীয়া গধূলি বেলিকা আমাৰ দুৱাৰ মুখত এখন পাল্কী আহি ৰ'লহি। চাওঁ যে মনোৰমাই হাঁহি হাঁহি আহি মোক সেৱা কৰিলেহি। মই সুধিলো,—"কি মনু, তইঁতৰ কি খবৰ?" মনোৰমাই হাঁহি মুখেৰে ক'লে,—"খবৰ নেথাকিলে হবপায় আইৰ ঘৰলৈ এনেয়ে আহিবই নেপায়?"

মোৰ বিয়নী বৰ বেয়া মানুহ নাছিল। তেখেতে কৈ পঠিয়ালে যে বোৱাৰীৰ গাত লেঠা। কেঁচুৱা নোহোৱালৈকে মাকৰ কাষত থকাটোৱেই ভাল। এই কথাটোকে সঁচা বুলি ভাবি মই বহি থাকিলোঁ। কিন্তু জোঁৱায়ে যে এই অৱস্থাতে মনোৰমাক মাৰ-ধৰ কৰিছে আৰু বিপদৰ আশঙ্কাতেই যে বিয়নীয়ে বোৱাৰীয়েকক মোৰ কাষলৈ পঠিয়াই দিছে এই কথা মই ভুকে নেপালোঁ। মনু আৰু তাইৰ শাহুৱেকে লগ লাগি এই-দৰেই মোক ফুচুলাই থলে। মোৰ ছোৱালীক মই কেতিয়াবা নিজ হাতে তেল টেঙা সানি গাধুৱাবলৈ খুজিলেই তাই সদায় নানা চেলু লৈ আঁতৰি গৈছিল। আচল কথা তাইৰ কোমল শৰীৰত মাৰ কিলৰ যি বোৰ চিন আছে, সেইবোৰ তাই মাকৰপৰাও লুকুৱাব খুজিছিল।

জোঁৱায়ে মাজে মাজে আহি মনোৰমাক ঘৰলৈ ওভোতাই নিবলৈ বৰ জোৰ কৰিছিলহি। ছোৱালী মোৰ লগত থকাত টকা খুজিবলৈ তাৰ অসুবিধা হৈছিল। লাহে লাহে এই কণ বাধাও সি নমনা হ'ল। টকাৰ বাবে মনোৰমাৰ চকুৰ আগতেই সি মোৰ ওপৰত উপদ্ৰৱ কৰিবলৈ আৰম্ভ কৰিলে। মনোৰমাই জেদ ধৰি কৈছিল,—কেতিয়াও টকা নিদিবা। কিন্তু মোৰ মনটো বৰ ঢিলা, জোঁৱায়ে কিজানি মোৰ ছোৱালীৰ ওপৰত আৰু বেচি অত্যাচাৰ কৰে, এই ভয়তে মই অলপ নহয় অলপ টকা তাক নিদিয়াকৈ নোৱাৰিছিলোঁ।

এদিন মনোৰমাই ক'লে,—"আই, তোমাৰ পইচা-পাতি আটাইবোৰ আজিৰপৰা মই থম। এই বুলি তাই মোৰ চাবি আৰু পেৰা পেটাৰি—দখল কৰি ল'লে। জোঁৱায়ে যেতিয়া আৰু মোৰপৰা টকা উলিয়াব নোৱাৰা হ'ল, আৰু মনোৰমাকো যেতিয়া একোতেই কোমলাব নোৱাৰিলে, তেতিয়া সি ঘৰলৈ ধৰিলে—মনোৰমাক লৈ যাম গৈ। মই

মনোৰমাক কৈছিলোঁ—সে আই তাক কেইটামান টকা দি পঠিয়াই দে— নহলে সি কি কৰেগৈ কোনে জানে ? কিন্তু মোৰ মনোৰমা একালে যি দৰে কোমল আছিল আনকালে সেইদৰেই টান আছিল। তাই কৈছিল,— ‘উঁহো, টকা কেতিয়াও নিদিওঁ।’

জোঁৱায়ে এদিন আহি বঙা চকু দেখুৱাই ক'লেহি,—‘কাইলৈ আবেলি- কৈ পাল্‌কী পঠিয়াই দিম। মনোৰমাক নপঠিয়ালে কিন্তু ভাল নহব, কৈ থলোঁ।’

পিচদিনা সন্ধিয়া লগাৰ আগতেই পাল্‌কী আহি পালেহি। মই মনো- ৰমাক ক'লো,—‘আই, আৰু পলম নকৰিবি, অহা সপ্তাহতে তোক আনি- বলৈ আকৌ মই মানুহ পঠিয়াম।’

মনোৰমাই ক'লে,—‘আজি যাওক। আজি মোৰ যাবলৈ মন যোৱা নাই আই, আৰু দুদিন মান পিচত আহিবলৈ কোৱাঁ।’

মই ক'লো,—‘আই, পাল্‌কী ওভোতাই পঠিয়ালে মোৰ চেৰাবলিয়া জোঁৱায়ে জানো শুদাই এৰিব ? নহয় মনু, তই আজিয়েই যা।’

মনুৱে ক'লে,—‘উঁহো আই, আজি নেযাওঁ। মোৰ শহুৰ কলি- কতালৈ গৈছে। ফাগুন মাহৰ মাজ ভাগতে তেখেত উভতি আহিব। তেতিয়া মই যাম বাৰু।’

মই তথাপি ক'লো,—‘উঁহো, তই আজিয়ে যা গৈ আই।’

শেহত মনোৰমা যাবলৈ সাজু হবলৈ ধৰিলে। মই তাইৰ শহুৰেকৰ ঘৰৰ লগুৱা-লিকচৌবোৰক আৰু দোলাভাৰী কেইটাক চাহ জলপান খাবলৈ দিলোঁগৈ। যোৱাৰ আগতে কিছুপৰ যে তাইৰ কাষত থাকিম, সেইদিনা যে তাইৰ অলপ কিবা বিশেষ যত্ন লম, নিজ হাতেৰে তাইক সজাই-পৰাই দিম, তাই ভাল পোৱা বস্তুবোৰ কৰি মেলি খুৱাই তাইক বিদায় দিম, এইবোৰৰ সময়কে নেপালোঁ। ঠিক পাল্‌কীত উঠাৰ আগতে তাই আহি মোক সেৱা কৰি ভৰিৰ ধূলা মূৰত লৈ ক'লে,—‘আই, তেন্তে হলে মই আহিলোঁ।’

তাই যে একেবাৰেই গ'ল গৈ সেইটো যদি মই জানিলোহেঁতেন! তাই যাব খোজা নাছিল, মঘেই জোৰকৈ তাইক পঠিয়াইছিলোঁ। সেই শোকে আজিও মোক খুলি খুলি খাইছে। এই পোৰণি আৰু কেতিয়াও নকমে।

সেই দিনাই গৰ্ভপাত হৈ মনোৰমা ঢুকাল। মই খবৰ পোৱাৰ বহু আগতেই সিহঁতে নবালবিকৈ তাইৰ সংকাৰ কৰি শেষ কৰিলে।

যি দুখৰ বাবে আৰু একো কৰলগীয়া নাই, একো কৰিবলৈকো নাই, ভাবিও যি দুখৰ পাৰ পোৱা নেযায় বা কান্দিও যি দুখৰ অন্ত নহয়, সেই দুখ যে কি দুখ সেইটো তুমি নুবুজিবা—আৰু বুজিবৰো প্ৰয়োজন নাই।

মোৰ তো সকলোৰেই গ'ল। মোৰ স্বামী আৰু পুত্ৰৰ মৃত্যুৰ পিচৰ পৰাই দেওৰহঁতে মোৰ সম্পত্তিলৈ চকু দিছিল। মই মৰাৰ পিচত মোৰ সকলো সা-সম্পত্তি সিহঁতৰেই হব বুলি সিহঁতে ধৰি লৈছিল। কিন্তু সিমান দিনলৈকে ৰবলৈ সিহঁতৰ আৰু ধৈৰ্য্য নহল। ইয়াৰ কাৰণে কাকো দোষ দিব নোৱাৰি। সঁচাকৈয়ে মোৰ দৰে অভাগিনীৰ জীয়াই থকাটোৰেই দোষৰ কথা। সংসাৰত যিবোৰৰ নানা প্ৰয়োজন আছে, মোৰ দৰে প্ৰয়োজন নথকা মানুহ এজনীয়ে বিনা কাৰণতে সিহঁতৰ ঠাই আগুৰি জীয়াই থাকিব খুজিলে মানুহেই নো বা সহিব কিয়?

মনোৰমা জীয়াই থকালৈকে দেওৰহঁতে মোক কোনো কথাতেই ফুচুলাব পৰা নাছিল। মোৰ সম্পত্তিৰ কাৰণে সাধ্য অনুসাৰে মই সিহঁতৰ লগত যুঁজিছিলোঁ। মই যিমান দিনলৈকে জী থাকোঁ মনোৰমাৰ কাৰণে ধন সাঁচি সাঁচি শেষত তাইকে দি থৈ যাম, এয়ে মোৰ কথা আছিল। মই মোৰ ছোৱালীৰ কাৰণে ধন সাঁচিবলৈ যত্ন কৰাটোৰেই মোৰ দেওৰহঁতৰ অসহ্য হৈ পৰিছিল। মই সিহঁতৰে টকা-পইচা চুৰ কৰিছোঁ বুলি সিহঁতে ভাবিছিল। নীলকান্ত নামেৰে মনোৰমাৰ দেউতাকৰ এজন পুৰণা বিশ্বাসী কৰ্ম্মচাৰী আছিল। সিয়েই মোৰ একমাত্ৰ সহায় আছিল। মই মোৰ নিজৰ ভাগৰ সম্পত্তিৰপৰা অলপ অচৰপ এৰি দি দেওৰহঁতৰ লগৰ কাজিয়া খন ভালে ভালে নিষ্পত্তি কৰিব খুজিছিলোঁ, কিন্তু নীলকান্ত কোনো-ৰকমেই ৰাজী নহৈছিল। সি কৈছিল,—'আমাৰ হকৰ এটা ফুটা কড়িও কোনে নিয়ে চাম।' এই খুঁদু-বাগৰৰ মাজতে মোৰ ছোৱালী ঢুকাল। পিচদিনা খনেই মোৰ মাজুজন দেওৰ আহি মোক সংসাৰ ত্যাগ কৰি বৈৰাগী হবলৈ উপদেশ দিলেহি। কলেহি,—'নবৌ, ভগৱানে তোমাৰ এনেকুৱা অৱস্থা কৰিলে, এতিয়া আৰু তোমাৰ সংসাৰত থকাটো উচিত নহয়। জীয়াই থকা দিন কেইটা তীৰ্থলৈ গৈ ধৰ্ম্ম চিন্তা কৰাঁগৈ। আমি তোমাৰ খোৱা পিন্ধাৰ ব্যৱস্থা কৰি দিম।'

মই আমাৰ বংশৰ পুৰোহিত জনক মতাই পঠিয়ালোঁ। তেখেতক আহিলত ক'লোঁ,—'দেউ, এই অসহ্য দুখৰপৰা কেনেকৈনো জী থাকোঁ মোক কৈ দিয়ক। উঠোঁতে বহোঁতে মোৰ আৰু জীৱনত এখানিও শান্তি

নোহোৱা হৈছে। মই যেন জলা জুইৰ মাজত পৰিছোঁ। যলৈকে যাওঁ, যি কালেই চাওঁ, কতো অকণি শান্তি পোৱাৰ উপায়কে নেদেখোঁ।'

দেবে মোক আমাৰ গোসাঁই ঘৰলৈ লৈ গৈ ক'লেগৈ—'এই গোপী-বল্লভেই তোমাৰ স্বামী পুত্ৰ কন্যা—সকলো। এওঁক সেৱা কৰিলেই তোমাৰ সকলো অভাৱ পূৰ্ণ হব।'

মই দিনে-ৰাতিয়ে গোসাঁই ঘৰতে পৰি থাকিবলৈ ললোঁ। গোসাঁইৰ চৰণত মন-প্ৰাণ উবুৰিয়াই দিবলৈ যত্ন কৰিলোঁ। কিন্তু ভগৱানে নিজে গ্ৰহণ নকৰিলেও মই নো দিম কেনেকৈ? ভগৱানেই বা ক'ত গ্ৰহণ কৰিলে?

এদিন নীলকান্তক মাতি ক'লোঁ,—'নীলু ককাইদেউ, মোৰ সকলো সা-সম্পত্তি মই দেওবহঁতকেই লিখি দিম বুলি ভাবিছোঁ। সিহঁতে মোক খাবলৈ পিন্ধিবলৈ মাহে মাহে কিছু টকা দিলেই হব।'

নীলকান্তই ক'লে,—'সেইটো কেতিয়াও হব নোৱাৰে। তুমি তিৰুতা মানুহ, এইবোৰ কথাত নেথাকিবা।'

মই ক'লো,—'মোক নো আৰু সম্পত্তি কেলেই?'

নীলকান্তই ক'লে,—'সেই বুলি ক'লেই হব নে? ন্যায়মতে আমি যি পাব লগে, আমাৰ হকৰ ধন আমি এৰি দিম কিয়? এনেকুৱা বলি-য়ালি নকৰিবাঁ।'

নীলকান্তই হকতকৈয়ো ডাঙৰ বা ওপৰত আৰু একোকে নেদেখিছিল। মই বৰ বিপাঙত পৰিলোঁ। সা-সম্পত্তিবোৰেই মোৰ বিহ যেন লাগিছিল। কিন্তু আনফালে আকৌ এই সংসাৰত মোৰ একমাত্ৰ বিশ্বাসী এই নীলকান্তই হে আছে। তাৰ মনত নো মই কষ্ট দিওঁ কেনেকৈ? সি যে কিমান যুঁজি-বাগি মোৰ এই সম্পত্তিখিনি ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে।

শেষত এদিন নীলকান্তই গম নোপোৱাকৈয়ে মই এখন কাগজত চহী কৰিলোঁ। তাত, কি যে লিখা আছিল ভালকৈ বুজিকে নেপালোঁ। মই ভাবিছিলোঁ মোৰ নো চহী কৰিবলৈ কিহৰ ভয়? আনে ঠগাই ল'লে সহিব নোৱাৰা মোৰ নো এনে কি সম্পত্তি সোপা আছে? সকলোবোৰেই তো মোৰ শহুৰৰে আছিল আৰু পালেও এতিয়া তেখেতৰ লৰাহঁতেই পাব। এতেকে ভয় কিহৰ?

লিখা-পঢ়া ৰেজিষ্ট্ৰী হৈ যোৱাৰ পিচত মই নীলকান্তক মাতি কলোঁ,—'নীলু ককাইদেউ, খং নকৰিবাঁ। মোৰ যি মাটি-বাৰী, সা-সম্পত্তি আছিল সকলো দেওবহঁতক লিখি-পঢ়ি দি দিলোঁ। মই নো সেইবোৰেৰে কি কৰিম?'

নীলকান্তই উচাপ খাই উঠি লে,—'সৰ্ব্বনাশ, তুমি ইয়াকেহে কৰিলা?'

দলীলৰ নকল পঢ়ি মই মোৰ সকলো স্বত্ব সঁচাকৈয়ে এৰি দিয়া দেখি নীলকান্ত খণ্ডত এবোনাই হ'ল। মনোৰমাৰ দেউতাক চুকুৱাৰ পিচৰেপৰা যাৰ ভাগৰ এই সম্পত্তিকণ ৰক্ষা কৰাটোৱেই তাৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য আছিল। সি তাৰ সকলো বুদ্ধি, সকলো শক্তি অনৱৰত এই কামতেই খটুৱাইছিল। ইয়াৰ কাৰণে মামলা-মোকৰ্দ্দমা, উকিলৰ ঘৰলৈ অহা-যোৱা, আইন বিচাৰি উলিওৱা, এইবোৰতেই সি শান্তি পাইছিল। আন কি এইবোৰত লাগি থাকি নিজৰ ঘৰুৱা কাম-কাজবোৰলৈ চকু দিবলৈকো তাৰ সময় নাছিল। সেই "হুকৰ সম্পত্তি" মোৰ দৰে মূৰ্খ মানুহ এজনীৰ কলমৰ এডাল আঁকতেই উৰি যোৱাত নীলকান্ত একেবাৰে বলিয়া হোৱাদি হ'ল।

সি কলে,—'ভালেই হ'ল, মোৰো সকলো লেঠা ছিঙিল। মই যাওঁ আৰু।'

শেষত নীলু ককাইদেৱো যে এইদৰে খং কৰি মোৰপৰা বিদায় লব, মোৰ কপালত ইয়াকেহে লিখা আছিল নে? মই তাক দহোকুৰি শপত দি মাতি আনি কলো,—'ককাইদেউ, মোৰ ওপৰত খং নকৰিবাঁ। মোৰ সাঁচতীয়া ৰূপ পাঁচ শ আছে, তাকেই তোমাক দিম। তোমাৰ বোৱাৰী আহিলে মোৰ আশীৰ্ব্বাদ বুলি এই ৰূপেৰে অলঙ্কাৰ গঢ়োৱাই দিবা।'

নীলকান্তই কলে,—'মোৰ আৰু ধনৰ দৰ্কাৰ নাই। মোৰ মালিকৰ সকলোৱেই গ'ল। এতিয়া আৰু এই ৰূপ পাঁচ শৰে মই চহকী নহওঁ।'

এই বুলি মোৰ স্বামীৰ শেষ অকৃত্ৰিম বন্ধুজনেও মোক এইদৰে এৰি থৈ গুচি গ'ল গৈ।

মই আকৌ গোসাঁই ঘৰত গৈ আশ্ৰয় ললোঁ গৈ। মোৰ দেওৰবোৰে কলে,—'তুমি তীৰ্থবাস কৰাগৈ যোৱাঁ।'

মই কলো,—'মোৰ শহুৰৰ ভেটিয়েই মোৰ তীৰ্থ। মোৰ গোসাঁই য'ত আছে সেয়ে মোৰ আশ্ৰয়।'

কিন্তু মই ঘৰখনৰ চুক এটাত পৰি থকাটোও সিহঁতৰ আৰু সহ্য নহল। ইতিমধ্যেই সিহঁতে সিহঁতৰ বয়-বস্তু মোৰ কুঠৰীত ক'ত কিটো থলে সুবিধা হব ঠিক কৰি পেলাইছিল। শেষত সিহঁতে এদিন কলে,—'তোমাৰ গোসাঁইকো তোমাৰ লগতে লৈ যাব পাৰা। আমি আপত্তি নকৰোঁ।'।

কিন্তু তথাপিও মই হেহোঁ-নেহোঁ কৰা দেখি সিহঁতে কলে,—'ইয়াত

থাকিলে তুমি খাবা-পিন্ধিবা ক'ৰপৰা ?'

মই উত্তৰ দিলোঁ, "কিয় ? তোমালোকে মাহে মাহে মোক যি টকা দিবা বুলি ভাবিছা সেয়ে মোৰ যথেষ্ট হব।"

সিহঁতে কলে,—'ক'তা ? তোমাক মাহে মাহে টকা দিয়াৰ তো কোনো কথা নাই ?'

তাৰ পিচত মই মোৰ গোসাঁইক বুকুত বান্ধি লৈ মোৰ বিয়াৰ ঠিক চৌত্ৰিশ বছৰৰ পিচত এদিন শহুৰৰ ঘৰ এৰিলোঁ। নীলু ককাইদেউৰ খবৰ লৈ গম পালোঁ তেখেতে মোতকৈয়ো আগতেই বৃন্দাবনলৈ যাত্ৰা কৰিছে।

গাঁৱৰ তীৰ্থযাত্ৰীবোৰৰ লগতে মই কাশীলৈ গুচি গলোঁ গৈ। কিন্তু মই পাপিনীয়ে ক'তো শান্তি নেপালোঁ। ভগৱানক নিতৌ প্ৰাৰ্থনা কৰোঁ,—হে ভগৱান, মোৰ স্বামী, মোৰ লৰা-ছোৱালী—মোৰ বাবে যিমান সত্য আছিল, তুমিও সেইদৰে সত্য হৈ উঠা। কিন্তু ক'তা ? ভগৱানে তো মোৰ প্ৰাৰ্থনা নুশুনিলে। মোৰ দেখোন হিয়া শাঁত নপৰা হ'ল,—মোৰ গোটেই মন-প্ৰাণটোৱে কান্দিয়েই থাকে। উস্ বাৰ। মানুহৰ প্ৰাণো ইমান টান।

মোৰ সেই আঠ বছৰ বয়স পূৰ নৌ হওঁতেই শহুৰৰ ঘৰলৈ গৈছিলোঁ। তাৰ পিচত এদিনৰ বাবেও নিজৰ দেউতাৰ ঘৰলৈ আৰু আহিবলৈ নেপালোঁ। তোমাৰ মাৰাৰ বিয়ালৈ আহিবলৈ বহুতো চেষ্টা কৰিছিলোঁ, কিন্তু নোৱাৰিলোঁ। তাৰ পিচত দেউতাৰ চিঠিৰপৰা তোমালোক ওপজাৰ খবৰো পাইছিলোঁ, আৰু তোমালোকৰ মাৰা ঢুকুৱাৰ খবৰো পাইছিলোঁ। মাউৰা লৰা-ছোৱালী হালক মোৰ বুকুত সুমুৱাই লবলৈকো ভগৱানে আজিলৈকে মোক সুযোগ দিয়া নাছিল।

তীৰ্থ ঘূৰি ঘূৰি গম পালোঁ যে সংসাৰৰ মোহ মোৰ এতিয়াও শেষ হোৱা নাই। কাৰোবাক বুকুত সুমুৱাই লোৱাৰ হেপাহ মোৰ এতিয়াও গুচা নাই। তেতিয়া তহঁতৰ খা-খবৰ কৰিবলৈ ধৰিলোঁ। তহঁতৰ দেউতাৰে ধৰ্ম্ম আৰু সমাজ ত্যাগ কৰা বুলি শুনিছিলোঁ। কিন্তু কি নো কৰিম ? তহঁতৰ মাৰ যে মোৰ আপোন ভনী আছিল।

কাশীত এজন মানুহৰ মুখে তোমালোকৰ খবৰ পাই মই ইয়ালৈ বুলি গুচি আহিলোঁ। শুনিছোঁ ভট্ট ডাঙৰীয়ায়ো হিন্দুৰ গোসাঁই নেমানে। কিন্তু তেখেতৰ মুখখন দেখিলেই বুজিব পাৰি যে ভগৱান তেখেতৰ প্ৰতি প্ৰসন্ন। অকল পূজা কৰিয়েই ভগৱানক কুচুলাব নোৱাৰি বুলি মই ভাবোঁকেনে

জানো। ভট্ট ডাঙৰীয়াইনো কেনেকৈ মই মেমেৰীজনক সন্তুষ্ট কৰিলে সুধিব লাগিব। সেইবোৰ বিষেই নহওক আহি, মুঠতে অকলে থকাৰ সময় মোৰ এতিয়াও অহা নাই। গাঁসাৰে বিদিনা দয়া কৰে কৰিব, কিন্তু, এতিয়া মই তোমালোকক বুকুত সুমুৱাই ললে আৰু থী থাকিব নোৱাৰোঁ।।

৩৮

বৰদাসুন্দৰীৰ অনুপস্থিতিত পৰেশ ভট্টই হৰিমোহিনীক আশ্ৰয় দিছিল। তিনি মহলাৰ অকলশৰীয়া কোঠাটোত থাকি হৰিমোহিনীয়ে যাতে তেখেতৰ নিজৰ নীতি নিয়ম মানি চলিব পাৰে, তাৰ বাবে সকলো ব্যৱস্থা কৰি দিছিল।

উভতি আহি বৰদাসুন্দৰীয়ে তেখেতৰ ঘৰত এনে এটা অভাৱনীয় আবিৰ্ভাৱ দেখি খঙত একেবাৰে হাড়নেখে জ্বলি উঠিল। তেখেতে ভট্ট ডাঙৰীয়াক খুব টানকৈ শুনাই দিলে,—"এই অজ্ঞানবোধ মই কিন্তু সহিব নোৱাৰোঁ।"

পৰেশ ভট্টই উত্তৰ দিলে,—"আমাৰ সকলোকে তুমি সহ্য কৰিব পাৰিছা আৰু এই কেও-কিছু নথকা বিধৱা জনীক নো সহিব নোৱাৰিবা নে?"

পৰেশ ভট্টৰ কাণ্ডজ্ঞান সমূলি নাই বুলি বৰদাসুন্দৰীয়ে জানিছিল। সংসাৰৰ সুবিধা অসুবিধানো কি ইয়াকো যে তেখেতে কেতিয়াও বিবেচনা কৰিব নোৱাৰিছিল। সদায় এইদৰে ঘপ্ কৰে একো একোটা আগ-গুৰি নোহোৱা কাণ্ড কৰি পেলায়। খং কৰা, বকা, আন কি তেখেতৰ আগত কন্দা-কটা কৰাৰো কোনো মূল্য নাই। সেই যে শিলৰ মূৰ্তিৰ দৰে জঠৰ হৈ ৰহিল, ৰহিলেই। এনেকুৱা মানুহৰ লগত নো কোনে লাগে কোন্দা-চোন? যাৰ লগত দৰ্কাৰ হলে এবাৰ দনো কৰিব নোৱাৰি, তেনে মানুহৰ লগত নো কোন তিৰুতাই সংসাৰ কৰিব পাৰে?

মনোৰমা সুচৰিতাৰ 'প্ৰাণ কমনীয়া' আছিল। চেহেৰাই পাতিলেও

সুচৰিতাক হৰিমোহিনীৰ বহুখিনি মনোৰথাৰ দৰেই লাগিল। স্বভাৱটোও বহুখিনি একে। ঠিক তেনেকুৱাই শান্ত অথচ দৃঢ়। হঠাতে একো একো সময়ত পিচফালৰপৰা সুচৰিতাক দেখিলে হৰিমোহিনীৰ বুকুখন থৰ্ ফৰাই উঠে। কেতিয়াবা কেতিয়াবা গধূলি এন্ধাৰত তেখেতে অকলে বহি মনে মনে কান্দি থাকে। সেই সময়ত সুচৰিতা ওচৰলৈ আহিলেই তেখেতে চকু মুদি দুয়ো হাতেৰে তাইক বুকুৰ মাজলৈ টানি আনি কয়,—"আঃ মই যেন মোৰ মনুকেই বুকুত সাৱটি লৈছোঁ। তাই যাব খোজা নাছিল। ময়েই তাইক জোৰকৈ পঠিয়াইছিলোঁ। সংসাৰত কেতিয়াও কোনো ৰকমেই নো মোৰ আৰু সেই দোষৰ শাস্তিৰ শেষ নহব নে? যি শাস্তি পাবলগীয়া আছিল, পালোঁ। এইবাৰ তাই আকৌ আহিছে,—এয়া দেখোন উভতি আহিছে, ঠিক সেইখন হাঁহি মুখেৰেই উভতি আহিছে। তাৰ মুখত হাত ফুৰাই, চুমা খাই চকুৰ পানীৰে ভৰাই দিয়ে। সুচৰিতাৰো সমানেই চকুলো বৰলৈ ধৰে। তাই তেখেতৰ ডিঙিত সাৱটি ধৰি কয়,—"মাহী, ময়ো তো মোৰ আইৰ মৰম বেচিদিন নেপালোঁ। আজি আকৌ মোৰ সেই হেৰাই যোৱা আইজনী উভতি আহিছে। কত দিন কত দুখৰ সময়ত ঈশ্বৰক মাতিবলৈকো শক্তি নোপাকে। মনটো শুকাই যায়—তেতিয়া আইক মাতো। সেই আয়েই আজি মোৰ মাত শুনি আহিছে।"

তেতিয়া হৰিমোহিনীয়ে কয়,—"তেনেকৈ নকবি, তেনেকৈ নকবি আই! তোৰ কথা শুনিলে মোৰ ইমান বেচি ভাল লাগে যে ভয় লাগি যায়। হে ভগৱান, মোক দয়া কৰা ভগৱান! মোহ আৰু নবঢ়াওঁ বুলি ভাবোঁ, মনটোক শিলৰ দৰে টান কৰিব খোজোঁ, কিন্তু ক'তা নোৱাৰোঁ দেখোন। মই বৰ দুৰ্ব্বল, মোক দয়া কৰাঁ, মোক আৰু নেমাৰিবাঁ। হেৰ' ৰাধাৰাণী, যা আই যা, মোৰ কাষৰপৰা আঁতৰি যাগে। মোৰ আৰু মোহ নবঢ়াবি। হে মোৰ গোপীবল্লভ, মোৰ গোপাল, মোৰ নীলমণি, মোক আকৌ এইবোৰ কি বিপাঙত পেলালা?"

সুচৰিতাই উত্তৰ দিছিল,—"মোক তুমি বলেৰে আঁতৰাই পঠাব নোৱাৰা মাহী। মই তোমাৰ কাষ এৰি কেতিয়াও নেযাওঁ।"

এইবুলি তেখেতৰ বুকুৰ মাজত মূৰটো সুমুৱাই দি তাই অৰুণমানি কেঁচুৱাৰ দৰে মনে মনে বহি থাকিল।

দুদিনৰ ভিতৰতে মাহীয়েকৰ লগত সুচৰিতাৰ এনে এটা গভীৰ সম্বন্ধ স্থাপন হ'ল যে যাক সময়ৰ জোখকাঠিৰে জুখিব নোৱাৰি।

এইবোৰ দেখি শুনি ৰবদাসুন্দৰীৰ বিৰক্তি আৰু বাঢ়িল। ছোৱালী-জনীৰ অতপালি ধন চোৱাচোন ? আমি তাইক যেন কেতিয়াও একো আদৰ যত্ন কৰাই নাছিলোঁ। বোলো ইমান দিনে নো এই মাহীয়েৰ জনী কত লুকাই আছিল হোঁ ? সকবেলাৰ পৰাই আপডাল কৰি ডাঙৰ কৰিলোঁ, আৰু এতিয়া এই এলেকৰ পেলেক মাহীয়েৰ জনীৰ পাই মাটিতেই ভৰি নিদিয়া হ'ল, নেদেখিছা ? মই তো দেউতাকক সদায় কওঁ—এই যে সুচৰিতাজনীক আপোনালোকে ভাল ভাল বুলি কয়, এই দেখাত হে ভাল, ভিতৰি ভিতৰি ময়কাল। তাইৰ পেট পোৱা টান। আমি ইমান দিনে তাইৰ কাৰণে অতনো কৰিলোঁ মেলিলোঁ, এতিয়া সেই-বোৰ সোপাই অথলে গ'ল।

বৰদাসুন্দৰীৰ মনৰ দুখ যে পৰেশ ভট্টই নুবুজিব, সেইটো তেখেতে জানিছিল। অকল সেয়ে নহয়, হৰিমোহিনী থকাত যে তেখেত বিৰক্ত হৈছে এই কথা গম পালেও যে ভট্ট ডাঙৰীয়াই তেখেতক খুব নীচ মনৰ বুলি ভাবিব, এই বিষয়েও তেখেতৰ কোনো সন্দেহেই নাছিল। এনেবোৰ কাৰণতে তেখেতৰ খং আৰু দুগুণে বাঢ়িল। পৰেশ ভট্টই দিয়েই নক-ওৰ লাগে, বেছিভাগ চিন্তাশীল মানুহৰ লগতেই যে ৰবদাসুন্দৰীৰ মতৰ মিল আছে, ইয়াকে প্ৰমাণ কৰিবৰ বাবে তেখেত নিজৰ দল বঢ়োৱাত লাগি গ'ল। তেখেতে সমাজৰ মুখিয়াল আৰু সাধাৰণ—সকলো মানুহৰে আগতে হৰিমোহিনীৰ বিষয়ে নানা কটু কথা কবলৈ আৰম্ভ কৰিলে। হৰিমোহিনীৰ হিন্দু-ধৰ্মৰ বাছ-বিচাৰ; গোসাঁই ঘৰত মূৰ্ত্তি পূজা, ঘৰখনৰ লৰা-ছোৱালীবোৰৰ আগত হৰিমোহিনীৰ কুদৃষ্টান্ত, এনেবোৰ অভিযোগৰ সীমাসংখ্যা একেবাৰে নোহোৱা হ'ল।

অকল অভিযোগ কৰিয়েই নেৰি হৰিমোহিনীৰো যাতে সকলো কথাতে অসুবিধা হয়, তাৰ কাৰণেও ৰবদাসুন্দৰীয়ে যিহকে পায় তাকে কৰিবলৈ লাগি গ'ল। হৰিমোহিনীয়ে ৰন্ধা-বঢ়া কৰিবৰ কাৰণে পানী-চুনি আনি দিবলৈ এটা হিন্দু লগুৱা ল'ৰা আছিল। চলচাই ৰবদাসুন্দৰীয়ে তাক হৰিমোহিনীৰ দৰ্কাৰৰ সময়তে হঠাৎ আন কিবা কামত লগাই দিয়ে। সেই বিষয়ে কোনোবাই কিবা ক'লেও তেখেতে কৈছিল, 'কিয় ? ৰাম-দীন আছে দেখোন।' ৰামদীন আকৌ নীচকুলীয়া লৰা আছিল। হৰি-মোহিনীয়ে তাৰ হাতে পানী নেখায় বুলি ৰবদাসুন্দৰীয়ে ভালকৈয়ে জানি-ছিল। সেই কথা কোনোবাই উলিয়ালেই তেখেতে টপৰাই মাত দিছিল,—"ইমান ভকতনী হবৰ মন আছে যদি আমাৰ ব্ৰাহ্মৰ ঘৰত নো থাকিবলৈ

আহিছে কিয় ? মোৰ মতে সেইবোৰ জাত-পাত বিচাৰি থাকিলে নচলিব। মই কেতিয়াও এইবোৰক নাই নিদিওঁ।” এইবোৰ উপলক্ষ লৈ তেখেতৰ কৰ্ত্তব্যবোধ আৰু বেছিহে চোকা হৈ উঠিছিল। ব্ৰাহ্ম সমাজৰ সামাজিক নীতি নিয়মবোধ লাহে লাহে চেঁচেঁৰা পৰি আহিছে বুলি তেখেতে ধৰিলে ধৰিলে। তেখেতে ভাৱ হৈছিল যে সাধ্য থাকে মানে কেতিয়াও তেখেতে এনেকুৱা চেঁচেঁৰা পৰাক নাই নিদিয়ে। ওঁহো, কেতিয়াও নিদিয়ে। ইয়াৰ বাবে কোনোবাই যদি বেয়া পায় তাকো তেখেতে মানি লব, আপোন মানুহবোৰে গালি-শপনি পাৰিলেও তেখেতে মনে মনেই সহি থাকিব। পৃথিৱীত মহাপুৰুষসকলে, যি সকলে কিবা মহৎ কাম কৰিছে, তেখেত সকল সকলোৰেই যে আনৰপৰা বদনাম আৰু গালি-শপনি সহিবলগীয়া হৈছিল এই কথাকে বৰদাসুন্দৰীয়ে সকলোৰে আগত মহাবলৈ ধৰিলে।

কিন্তু এশ অসুবিধায়ো হৰিমোহিনীৰ মন ভাঙিব নোৱাৰিলে। তেখেতে দুখ কষ্টৰ শেষ-সীমালৈকে যাব বুলিয়েই যেন প্ৰতিজ্ঞা কৰি আহিছিল। তেখেতে অন্তৰত যি অসহনীয় দুখ পাইছিল, বাহ্যিক জীৱনতো সেই দুখৰ সমতা ৰাখিবৰ বাবেই তেখেতে নানান কঠোৰ আচাৰ-বিচাৰ মানি চলি নিজক নিজে অনবৰত কষ্ট দিবলৈ ধৰিলে। এইবোৰ দুখক স্বইচ্ছাই গা-পাতি লৈ বশ কৰিবৰ, আপোন কৰি লবৰ যেন এটি নিদাৰুণ সাধনা।

পানী-দুনি অনাত অসুবিধা হোৱা দেখি হৰিমোহিনীয়ে ৰন্ধা-বঢ়া কৰিবলে একেবাৰে এৰিয়েই দিলে। প্ৰসাদ স্বৰূপে গোসাঁইৰ আগত দিয়া গাখীৰ আৰু ফল-মূল আদি খায়েই তেখেতে দিন নিয়াবলৈ ধৰিলে। এইবোৰ দেখি সুচৰিতাই বৰ বেজাৰ পালে। মাহীয়েকে তাইক বহুতো বুজাই বৰাই ক'লে,—"আই, এয়া মোৰ ভালহে লাগিছে। এয়েই মোৰ দৰ্কাৰ আছিল। ইয়াৰ বাবে মোৰ অকণো দুখ হোৱা নাই, বৰং ভালহে পাইছোঁ।"

সুচৰিতাই সুধিলে,—"মাহী, মই আন জাতৰ মানুহৰ হাতে পানী দুনি নেখালে বাৰু তুমি মোক তোমাৰ কাম-কাজবোৰ কৰি দিবলৈ দিবানে ?"

হৰিমোহিনীয়ে উত্তৰ দিলে,—"কিয় আই ? তুমি যি ধৰ্ম্ম মানা সেই মতেই চলিবা। মোৰ কাৰণে আকৌ তুমি ধৰ্ম্ম এৰিবা কিয় ? মই তোমাক কাষত পাইছোঁ, বুকুত সাৱটি লব পাৰিছোঁ, নিতৌ তোমাক দেখা পাইছোঁ, এয়ে মোৰ সুখ। তই ভাগিনীয়া তোমাৰ গুৰু, তোমাৰ দেউতাৰাৰ নিচিনা, তেখেতে তোমাক যি শিকাইছে তাকে তুমি মানি

চলাঁ। ভগৱানে তোমাৰ কুশল কৰিব।”

হৰিমোহিনীয়ে বৰদাসুন্দৰীৰ উৎপাতবোৰ এনেভাৱে সহিবলৈ ধৰিলে যেন তেখেতে সেইবোৰ একেবাৰে বুজাই নাই। ভাই ভাওৰীয়াই বেছিকৈ তেখেতক নিতৌ একাৰ আহি কেনে আছে, কিবা অসুবিধা হৈছে নে কি ইত্যাদি সুধিছিলহি, তেখেতে উত্তৰ দিছিল,—“মই ইয়াত বৰ ভালকৈয়ে আছোঁ।”

কিন্তু হৰিমোহিনীৰ ওপৰত কৰা এই অন্যায় অত্যাচাৰবোৰে সুচৰিতাৰ ধন্দা-সন্দেহ কৰিবলৈ ধৰিলে। তাই অ'ৰ কথা ত'ত লগোৱা বিধৰ ছোৱালী নাছিল। বিশেষকৈ পৰেশ ভট্টৰ আগত বৰদাসুন্দৰীৰ কথা তাই কেতিয়াও কব নোৱাৰে। তায়ো মনে মনে সকলো সহিবলৈ ধৰিলে। এই বিষয়ে কোনো ৰকমৰ দুখ প্ৰকাশ কৰিবলৈকো তাইৰ সঙ্কোচ লাগিল।

ইয়াৰ ফল হ'ল এয়ে যে সুচৰিতাও চাওঁতে চাওঁতে লাহে লাহে একেবাৰে মাহীয়েকৰ দৰেই খোৱা-বোৱাত বাছ-বিচাৰ কৰি চলিবলৈ ধৰিলে। অৱশেষত সুচৰিতাই কষ্ট পোৱা দেখি বাধ্য হৈ হৰিমোহিনীয়ে আকৌ ৰন্ধা-বঢ়া কৰিবলৈ আৰম্ভ কৰিলে। সুচৰিতাই ক'লে,—“মাহী, তুমি মোক যেনেকৈ চলিবলৈ কোৱা,ময়ো ঠিক তেনেকৈয়ে চলিম। কিন্তু তোমাৰ পানী-তুনি হ'লে মই নিজে আনি দিম। তোমাৰ কোনো কথাকে নুশুনো কিন্তু। মই আনি দিমেই।'

হৰিমোহিনীয়ে ক'লে,—“আই তুমি বেয়া নেপাবা। সেই পানী যে মোৰ গোসাঁইৰ ভোগতো লাগে।”

সুচৰিতাই সুধিলে,—“মাহী, তোমাৰ গোসাঁয়েও জাত মানে নে কি? তেওঁৰো পাপ লাগে নে কি? তেওঁৰো সমাজ আছে নে কি?”

অৱশেষত এদিন সুচৰিতাৰ নিষ্ঠাত হৰিমোহিনী হাৰ মানিবলৈ বাধ্য হ'ল। তেখেতে সুচৰিতাৰ আলপৈচান সম্পূৰ্ণৰূপেই গ্ৰহণ কৰিবলৈ ধৰিলে। সতীশেও বায়েকক দেখি 'মাহীয়ে ৰন্ধা ভাত খাম' বুলি সুৰ ধৰিলে। এনেকৈয়ে এই তিনিজনে লগলাগি পৰেশ ভট্টৰ ঘৰৰ এচুকত আৰু এখন সৰু সংসাৰ গঢ়ি তুলিলে। একমাত্ৰ ললিতাই এই দুয়োখন সংসাৰৰ মাজত সাঁকো হৈ থাকিল। বৰদাসুন্দৰীয়ে তেখেতৰ আন দুজনী জীয়েকক এই ঘৰৰ কাষেই চাপিব নিদিছিল। কিন্তু ললিতাক হ'লে হকা-বধা কৰা শক্তি তেখেতৰ নাছিল।

৩৯

বৰদাসুন্দৰীয়ে তেখেতৰ ব্ৰাহ্ম বান্ধৱী কেইগৰাকীক প্ৰায়েই নিমন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰিলে। তিনি মহলাৰ ছাতটোতে তেওঁলোকৰ মেল বহে। হৰিমোহিনীয়ে পোন প্ৰথমে তেখেতৰ স্বাভাৱিক সৰলতাৰে তেওঁলোকক আদৰ-সাদৰ কৰিবলৈ যত্ন কৰিছিল। কিন্তু তেওঁলোকে যে তেখেতক নেমানে সেই কথা তেখেতে নজনাকৈ নেথাকিল। আন কি বৰদাসুন্দৰীয়ে হৰিমোহিনীৰ আগতেই হিন্দু ধৰ্ম্মৰ আচাৰ-ব্যৱহাৰ আদিৰ কথা উলিয়াই নানান ইতিকিং কৰিবলৈ ধৰিলে। তেখেতৰ আন আন বান্ধৱী বোৰেও আকাৰে-ইঙ্গিতে হৰিমোহিনীলৈকে আঙুলিয়াই সেই ইতিকিংত যোগ দিছিল।

সুচৰিতাই তাইৰ মাহীয়েকৰ কাষে কাষে থাকি এই সকলোবোৰ অত্যাচাৰ নীৰৱে সহ্য কৰিছিল। মাথোন তাইয়ো যে মাহীয়েকৰ দলৰে এই কথাটোকে তাই নিজে আগবাঢ়ি সিহঁতক জনাবলৈ চেষ্টা কৰিছিল। একো একোদিনা বৰদাসুন্দৰীয়ে চাহ-জলপানৰো যোগাৰ কৰিছিল। আৰু সেই চাহ-জলপানত যোগ দিবলৈ মাতিলে সুচৰিতাই কৈছিল—'ওঁহো, মই নেখাওঁ।"

"কিয় ? তুমি আমাৰ লগত নোখোৱা নে কি ?"

"নেখাওঁ।"

বৰদাসুন্দৰীযে কৈছিল—"আজি-কালি সুচৰিতা একেবাৰে হিন্দু ভক্তনী হৈ উঠিছে নাজানা নে কি ? আমি ছুলে তেওঁ নেখায় নহয়।"

"সুচৰিতাও হিন্দু হৈ উঠিল নে কি ? উঃ—কালত যে আৰু কত কি দেখিব লাগিব—তাকেই ভাবোঁ।"

হৰিমোহিনীয়ে তেতিয়া উচপিচাই উঠি কৈছিল,—"ৰাধাৰাণী, যোৱা আই, তুমি খোৱাগৈ।"

সিহঁতে এইদৰে সুচৰিতাক অপমান কৰা দেখি তেখেতে বৰ দুখ পাইছিল। কিন্তু সুচৰিতাই লবচবকে নকৰিছিল। এদিন এজনী ব্ৰাহ্ম ছোৱালীয়ে ভিতৰত কিনো আছে চাবলৈ হৰিমোহিনীৰ কোঠাত জোতাৰেই সোমাব খুজিছিল। সুচৰিতাই দুৱাৰবিকে আহি তাইৰ বাট ভেটি ধৰি ক'লে,—"সেইটো কোঠালৈ নেযাবা দেই।"

"কিয় ?"

"সেইটো কোঠাত গোসাঁইৰ থাপনা আছে।"

"গোসাঁইৰ থাপনা আছে ? তুমি হৰ পাই সদায় গোসাঁই পূজা কৰা ?"

হৰিমোহিনীয়েই কথাষাৰৰ উত্তৰ দিলে,—"ওঁ আই, মই সদায় পূজা কৰোঁ।"

"গোসাঁইলৈ তোমাৰ ভক্তি ওপজে জানো ?"

'ফুটা কপাল মোৰ, ভক্তি নো ক'ত ওপজে ? ওপজা হ'লে দেখোন বক্ষা পৰিলোঁৱেইহেঁতেন।"

সেইদিনা ললিতাও তাতে আছিল। তাইৰ মুখখন ৰঙা পৰি উঠিল। আৰু তাইক প্ৰশ্ন কৰা ছোৱালীজনীক সুধিলে,—"তুমি যাৰ উপাসনা কৰা তেওঁক জানো ভক্তি কৰা ?"

"বা: ভক্তি নকৰোঁ যদি নো আকৌ কি কৰোঁ ?"

ললিতাই জোৰেৰে মূৰটো জোকাৰি ক'লে,—"ভক্তি তো নকৰাই আৰু ভক্তি যে নকৰা, সেই কথাটোও তুমি নাজানা।"

সুচৰিতা যাতে সিহঁতৰ দলৰপৰা কথাই-বতৰাই, আচাৰে-ব্যৱহাৰে আঁতৰি নাহে, তাৰ বাবে হৰিমোহিনীয়ে বহুতো যত্ন কৰিলে। কিন্তু কোনো ৰকমেই নোৱাৰিলে।

আগেয়ে হাৰান মাষ্টৰ আৰু বৰদাসুন্দৰীয়ে পেটে পেটে ইজনে সিজনক বৰ ভাল নেপাইছিল। কিন্তু এতিয়া এইবোৰ ঘটনা ঘটাৰ পাচত দুয়োৰে মাজত বৰ মিল হৈ পৰিল। বৰদাসুন্দৰীয়ে কবলৈ ধৰিলে,— 'যিয়েই যি নকওক লাগে যদি কোনোবাই ব্ৰাহ্ম সমাজৰ আদৰ্শত চেকা নপৰাকৈ ৰাখিবলৈ যত্ন কৰিছে তেনেহলে সেইজন পানু মাষ্টৰৰ বাহিৰে আন কোনো হব নোৱাৰে।' ব্ৰাহ্ম-পৰিয়ালবোৰক সকলোৰকমে পৱিত্ৰকৈ ৰখাত বৰদাসুন্দৰীৰ অতি আন্তৰিক আৰু সচেতন চেষ্টায়েই প্ৰত্যেক গৰাকী ব্ৰাহ্ম-গৃহিণীৰেই এটি সুদৃষ্টান্ত বুলি হাৰানে য'তে ত'তে কৈ ফুৰিবলৈ ধৰিলে। বৰদাসুন্দৰীক কৰা এই প্ৰশংসাৰ মাজত পৰেশ ভট্টক বিন্ধি যোৱা কথাও আছিল।

হাৰানে এদিন পৰেশ ভট্টৰ আগতেই সুচৰিতাক সুধিলে—"তুমি আজি-কালি গোসাঁইৰ প্ৰসাদ খাবলৈ লৈছা বুলি শুনিলোঁ দেখোন ?"

সুচৰিতাৰ মুখখন ৰঙা পৰি গ'ল। কিন্তু তাই কথাষাৰ নুশুনাৰ ভাও ধৰি মেজৰ ওপৰৰ দোৱাত-কলমবোৰ সজোৱাত লাগিল। ভট্ট ডাঙৰীয়াই এবাৰ করুণ চকুৰে সুচৰিতাৰ মুখলৈ চাই হাৰান মাষ্টৰক

ক'লে—"মাষ্টৰ, আমি যি খাওঁ এই সকলোবোৰেই দেখোন গোসাঁইৰেই প্ৰসাদ।"

হাৰানে ক'লে—কিন্তু সুচৰিতাই যে আমাৰ গোসাঁইক ত্যাগ কৰিবলৈ ওলাইছে।"

পৰেশ ভট্টই ক'লে—"যদি সেয়ে হয় তেনেহলে তাৰ কাৰণে চিঞৰবাখৰ কৰিলে জানো কিবা লাভ হব?"

হাৰানে উত্তৰ দিলে—সোঁতত উটি যাব খোজা মানুহক পাৰত তুলিবলৈ চেষ্টাও কৰিব নেলাগে নে কি?"

পৰেশ ভট্টই ক'লে—"আটাইখিনে নগনাগি তাৰ মূৰলৈ শিলগুটি দলিওৱাটোকে পাৰলৈ তুলিবলৈ চেষ্টা কৰা বুলি কব নোৱাৰি। মাষ্টৰ, আপুনি নিশ্চিন্ত হৈ থাকক। মই সুচৰিতাক কেঁচুৱাৰে পৰা দেখিছোঁ। তাই সঁচা-সঁচিকৈ পানীত পৰা হলে মই আপোনালোকৰ সকলোতকৈ আগতে জানিলোহেঁতেন আৰু তেতিয়া মই এইদৰে হাত সাৰটি বহি নেথাকিলোঁহেঁতেন।"

হাৰানে ক'লে—"এইয়া সুচৰিতা দেখোন ইয়াতে আছে। আপুনি তেওঁকেই সোধকচোন। শুনিছোঁ তেওঁ বোলে আজি-কালি সকলোৰে হাতে নেখায়। এইটো কিবা মিছা কথা জানো?"

সুচৰিতাই দোৱাত-কলমৰ প্ৰতি অনাৱশ্যক মনযোগ আঁতৰাই ক'লে—"মই সকলোৰে হাতে নেখাওঁ বুলি দেউতাই জানে। মোৰ এই ব্যৱহাৰ দেউতাই সহিব পাৰিলেই হ'ল। আপোনালোকৰ যদি বেয়া লাগিছে তেনেহলে আপোনালোকে যিমান পাৰে মোৰ বদ্নাম্ গাই ফুৰক গৈ যাওক। কিন্তু দেউতাক এনেকৈ আমনি কৰিছেহি কিয়? তেখেতে আপোনালোকক যে কিমান কথাত ক্ষমা কৰে সেইবোৰ আপোনালোকে জানে জানো? এইয়া তাৰেই প্ৰতিদান হবলা?"

হাৰানে আচৰিত হৈ ভাবিলে—সুচৰিতায়ো আজি-কালি কথা কবলৈ শিকিলে।

ভট্ট ডাঙৰীয়া শান্তিপ্ৰিয় মানুহ। তেখেতে নিজৰ বা আন কাৰো বিষয়েও বৰ বেচি আলোচনা ভাল নেপাইছিল। এতিয়ালৈকে তেখেতে ব্ৰাহ্ম-সমাজৰ কোনো কামতেই কেতিয়াও আগ ভাগো লোৱা নাই। নিজক কেতিয়াও মানুহৰ চকুত পেলাবৰ চেষ্টা নকৰি সদায় অকলশৰীয়াকৈয়ে জীৱন কটাই আহিছে। এই স্বভাৱৰ কাৰণেই হাৰানে ভট্টক এজন উৎসাহহীন আৰু উদাসীন মানুহ বুলি ভাবিছিল। আন কি ইয়াৰ কাৰণে

পৰেশ ভট্টক তেওঁ বহুদিন বহু কথা শুনাইছেও। ইয়াৰ উত্তৰত ভট্ট ডাঙৰীয়াই কৈছিল—"ঈশ্বৰে চলিব পৰা আৰু অচল এই দুয়োবিধ বস্তুকে সৃষ্টি কৰিছে। মই একেবাৰে অচল। মোৰ দৰে মানুহৰ হতুৱাই যি কণ কাম কৰাব পাৰি ঈশ্বৰে সেইখিনি কৰোৱাই লব। আৰু যিটো সম্ভৱ নহয় তাৰ বাবে ধৰফৰ কৰি একো লাভ নাই। বয়সো মোৰ যথেষ্ট হ'ল। মোৰনো কি কণ শক্তি আছে বা কি নাই তাৰ মীমাংসাও কেতিয়াবাই হৈ গৈছে। এতিয়া মোক আৰু হেঁচি ঠেলি একো লাভ নাই।"

সুপ্ত হৃদয়তো উৎসাহৰ সঞ্চাৰ তেৱেঁই কৰিব পাৰে বুলি হাৰানৰ নিজৰ ওপৰতে বৰ দৃঢ় বিশ্বাস আছিল। তেওঁ ভাবিছিল যে জড় চিত্তক কৰ্ত্তব্যৰ পথ দেখুৱাই নিয়া আৰু পিছলিপৰা জীৱনক অনুতাপেৰে জৰ্জ্জৰিত কৰিব পৰাটো তেওঁৰ এটা স্বাভাৱিক ক্ষমতা। তেওঁৰ এই অতি বলিষ্ঠ আৰু একাগ্ৰপতীয়া শুভ-ইচ্ছাক কোনেও বেচি দিন বাধা দি ৰাখিব নোৱাৰিব বুলি নিজৰে বিশ্বাস আছিল। সমাজত যিবোৰ মানুহৰ গাই-গুণীয়া স্বভাৱৰ যিখিনি শুধৰণি হৈছে, হাৰানে কিবা নহয় কিবা প্ৰকাৰে নিজকেই সেইবোৰৰ প্ৰধান কাৰণ বুলি খাটাংকৈ ভাবিছিল। তেখেতৰ নিজৰ প্ৰভাৱে যে গম নোপোৱাকৈ ভিতৰি ভিতৰি কাম কৰি যায় এই কথাত তেখেতৰ সন্দেহ নাছিল। এতিয়ালৈকে কোনোবাই সুচৰিতাক তেওঁৰ আগত প্ৰশংসা কৰিলেই তেওঁ এনেকুৱা কৰিছিল যেন সেই প্ৰশংসা সঁচাকৈয়ে তেওঁহে পাব লাগে। উপদেশ উদাহৰণ আৰু সংসৰ্গৰদ্বাৰা চৰিত্ৰ এনে ধৰণে গঢ়ি তুলিছিল যে এই সুচৰিতাৰ জীৱনদ্বাৰাই এদিন সমাজত তেওঁৰ আচৰিত প্ৰভাৱ প্ৰমাণ হোৱাৰ সম্পৰ্কে তেওঁৰ মনত অকণো সন্দেহ নাছিল। কিন্তু সেই সুচৰিতাৰ এনেকুৱা শোচনীয় পতন দেখিও নিজৰ ক্ষমতাৰ বিষয়ে তেওঁৰ গৰ্ব্ব লেশমানো নকমিল।

তেওঁ ভট্ট ডাঙৰীয়াৰ গাতে সকলো দোষ দিলে। সকলোৱেই পৰেশ ভট্টক সদায় প্ৰশংসা কৰে, কিন্তু হাৰানে তাত কেতিয়াও হয়ভৰ দিদিছিল। এই বিষয়তো তেওঁ যে কিমান জ্ঞানী আছিল সেইটোও এইবাৰ সকলোৱে বুজি পাব বুলি তেওঁ আশা কৰিলে।

হাৰানৰ দৰে মানুহে আন সকলো কথা সহিব পাৰে, কিন্তু অহো-পুৰুষাৰ্থ কৰি সুপথলৈ আনিবলৈ যত্ন কৰা মানুহে যেতিয়া নিজ ইচ্ছাৰে আন পথ বাছি লয় তেতিয়া সেই অপৰাধ তেওঁ কোনো ৰকমেই ক্ষমা কৰিব নোৱাৰে। সিহঁতক সহজে এৰি দিবলৈকো তেওঁ ঠাই পাইছিল।

ইপিনে আকৌ যিমানেই তেওঁক উপদেশে গুণ নিদিয়া হৈছিল, সিমানেই তেওঁৰ জেদ বাঢ়িহে গৈছিল। তেতিয়া তেওঁ বাৰে বাৰে সিহঁতক আক্ৰমণ কৰিবলৈ ধৰিছিল। চাবি শেষ নোহোৱালৈকে কল যিদৰে বৰ নোৱাৰে তেৰেঁ৷ সেইদৰে নিজকে কোনোধৰণেই দমাব নোৱাৰিছিল। 'অবুজনক বুজোৱা, চেকুৰাৰ ঠাবি সিজোৱা' বুলি জানিও তেওঁ হাৰ মানিব নুখুজিছিল।

এইবাৰ সুচৰিতাই বৰ আঘাত পালে-নিজৰ কাৰণে নহয় ভট্ট ডাঙৰীয়াৰ কাৰণে। ভট্ট ডাঙৰীয়া যে ব্ৰাহ্ম-সমাজৰ সকলোৰে মাজত সমালোচনাৰ বিষয় হৈ পৰিছে—এই অশান্তি নো কেনেকৈ অন্ত কৰিব পাৰি? আন পিনে সুচৰিতাৰ মাহীয়েকেও দিনক দিনে গম পাই আহিছিল যে তেখেতে যিমানেই নিজকে অকলে আঁতৰাই ৰাখিব খুজিছে, সিমানেই এই পৰিয়ালটোত তেখেত আৰু বেচি অশান্তিৰ কাৰণ হৈ পৰিছে। ইয়াৰ কাৰণে মাহীয়েকৰ লাজ আৰু সঙ্কোচে সুচৰিতাক সদায় জুয়ে পোৰাদি পুৰিবলৈ ধৰিলে। এই বিপদৰপৰা উদ্ধাৰ পোৱাৰ বাট নো কেনি, সুচৰিতাই কোনোমতে ভাবি উলিয়াব নোৱাৰিলে।

ইফালে সুচৰিতাক খুব সোনকালে বিয়া দি আঁতৰাবলৈ বৰদাসুন্দৰীয়ে পৰেশ ভট্টক দিনে ৰাতিয়ে কুতুৰিবলৈ ধৰিলে। তেখেতে ক'লে—"আমি আৰু আজি-কালি সুচৰিতাৰ ভাৰ লব নোৱাৰা হলোঁ। তাই আজি-কালি একেবাৰে নিজৰ মতেৰে চলিবলৈ আৰম্ভ কৰিছে। যদি তাইৰ বিয়ালৈ এতিয়াও বহুদিন আছে, তেন্তে ময়ে ছোৱালী কেইজনী লৈ আন ঠাইলৈ যাবগৈ লাগিব। সুচৰিতাৰ নোহোৱা নোপোজা আহিযে মোৰ ছোৱালী কেইজনীবো মূৰ খাব। চাব ইয়াৰ কাৰণে শেষত আপুনিয়ে তাপ পাব লাগিব। ললিতা তো আগতে এনেকুৱা নাছিল? এতিয়া তায়ো নিজৰ ইচ্ছামতে যিহকে পায় তাকে কৰিবলৈ লৈছে, কাকো নেমানে। ইয়াৰ গুৰিত নো কোন, নেজানে জানো? সিদিনা যি কাণ্ড কৰিলে মোৰ তো একেবাৰে লাজতে মৰি যাওঁ যেন লাগিছে। এইবোৰ কথাত সুচৰিতাৰ একো হাত নাই বুলি ভাবিছে নে কি? আপুনি নিজৰ জীয়েক কেইজনীতকৈ সুচৰিতাকে সদায় বেচিকৈ ভাল পায় আৰু মৰম কৰে। এই বিষয়ে মই আজিলৈকে আপোনাক কেতিয়াও একো কথাকে কোৱা নাই। কিন্তু এতিয়া আৰু নকলে নহৈছে দেখি হে কৈছোঁ।"

সুচৰিতাৰ কাৰণে নহয়, কিন্তু এই ধৰণৰ অশান্তিবোৰৰ কাৰণেহে পৰেশ ভট্ট সঁচাকৈয়ে অলপ চিন্তিত হৈ পৰিছিল। বৰদাসুন্দৰীয়ে যিটো

চেনু পাইছে তাকে লৈ যে শাস্তাতিক হুলস্থুল কৰিব আৰু অতিপাত হুলস্থুল কৰিও একো লাভ নোহোৱা দেখিলে যে আৰু বেছি অস্থিৰ হৈ পৰিব, ইয়াত পৰেশ ভট্টৰ কোনো সন্দেহেই নাছিল। সুচৰিতাৰ বিয়াখন সোনকালে পাতিব পৰা হ'লে বৰ্ত্তমান অৱস্থানৈ চাই সুচৰিতায়ো যে শান্তি পালেহেঁতেন সেইটো সঁচা'। তেখেতে বৰদাসুন্দৰীক ক'লে—"পানু মাষ্টৰে সুচৰিতাক ৰাজী কৰাব পাৰিলে মই একো আপত্তি নকৰোঁ।"

বৰদাসুন্দৰীয়ে উত্তৰ দিলে—"ৰাজী নো আকৌ কেইবাৰ কৰাব লাগে? আপুনিও আৰু ভাল নোহোৱা নোপোজা কথাবোৰ কয়। ইমান নো গোধা মেলা খন কৰিব লাগিছে কিয়? বোলো পানু মাষ্টৰৰ দৰে দৰা নো আৰু কেইজনীয়ে ক'ত পাব, তাকেই কওকচোন চাওঁ। আপুনি খঙেই কৰক বা বিয়েই কৰক, সঁচা কথা নো নকয় কিয়? সুচৰিতা আচলতে কেতিয়াও পানু মাষ্টৰৰ লায়কেই হব নোৱাৰে।"

পৰেশ ভট্টই ক'লে—"পানু মাষ্টৰৰ ওপৰত নো সুচৰিতাৰ মনোভাৱ কেনে তাকেই মই ভালকৈ বুজিব পৰা নাই। এতেকে সিহঁতে নিজৰ ভিতৰতে কথাটো খোলোচা কৰি নেপেলোৱালৈকে মই এই বিষয়ত কোনো মতেই হাত দিব নোৱাৰোঁ।"

বৰদাসুন্দৰীয়ে ক'লে—"বাৰু তেনেহলে ইমান দিনৰ মূৰত তেও স্বীকাৰ কৰিলে যে আপুনিও তাইক বুজিব পৰা নাই। এই ছোৱালী-জনীক বুজাটো একা বৰ সহজ কথা নহয়। তাই বাহিৰে একৰকম, ভিতৰে কিন্তু আন একৰকমৰ।"

ওপৰত হোৱা কথা-বতৰাৰ অলপ পিচতে বৰদাসুন্দৰীয়ে হাৰান মাষ্টৰক মতাই পঠিয়ালে।

সেইদিনাৰ বাতৰি-কাকতত ব্ৰাহ্ম-সমাজৰ বৰ্ত্তমান দুৰৱস্থাৰ বিষয়ে এটা প্ৰবন্ধ ওলাইছিল। তাত পৰেশ ভট্টৰ পৰিয়াললৈ এনে ধৰণে আঙু-লিয়াই দিয়া হৈছিল যে কোনো নাম উল্লেখ নথকা স্বত্বেও কাক যে আক্ৰমণ কৰা হৈছে সেইটো সকলোৱে ভালকৈয়ে বুজি পাইছিল। আৰু লিখাৰ ঠাঁচ্ দেখিয়েই প্ৰবন্ধটোনো কোনে লিখিছে সেইটো বুজিবলৈকো কাৰো বাকী নাছিল। কাগজখনত ওপৰে ওপৰে চকু ফুৰায়েই সুচৰিতাই সেইখন টুকুৰা-টুকুৰিকৈ ফালিবলৈ ধৰিলে। ফালি-ছিৰি কাগজৰ টুকুৰাবোৰ পৰমাণুত পৰিণত কৰিবলৈ তাইৰ যেন জেদ বাঢ়িছে গৈছিল।

এনেতে হাৰান মাষ্টৰ কোঠাটোলৈ সোমাই আহি চকী এখন টানি লৈ সুচৰিতাৰ কাষতে বহিল হি। সুচৰিতাই এবাৰো মুৰ দাঙিয়েই নেচালে।

তাই একমনে কাগজখনকে কালি ছিৰি থাকিল।

তেতিয়া হাৰানে ক'লে—"সুচৰিতা, আজি এটা মই বৰ ডাঙৰ কথা কবলৈ আহিছোঁ। মোৰ কথালৈ অলপ মন দিব লাগিব।"

মুখেৰে একো নেমাতি সুচৰিতাই কাগজ কালিয়েই থাকিল। যেতিয়া হাতেৰে ফলা অসম্ভৱ হ'ল তেতিয়া তাই সোনাৰপৰা কেঁচীখন উলিয়াই আনি কেঁচীৰে কাগজখন টুকুৰা টুকুৰিকৈ কাটিবলৈ ধৰিলে। ঠিক সেই সময়তে ললিতাও আহি কোঠাটোত সোমালহি।

হাৰানে ক'লে—"ললিতা, সুচৰিতাৰ লগত মোৰ অলপ কথা আছিল।"

ললিতা গুচি যাব খোজোতেই সুচৰিতাই তাইক আঁচলটোত টানি ধৰি ৰখালে। ললিতাই ক'লে—"তোমাৰ লগত মাষ্টৰৰ কিবা কথা আছে দেখোন।"

সুচৰিতাই একো উত্তৰ নিদিলে হয়, কিন্তু ললিতাৰ আঁচলটো এৰিও নিদিলে। তেতিয়া ললিতাও সুচৰিতাৰ কাষতে বহিল।

হাৰানো কিন্তু বাধা পালেই দমি যোৱা ভকত নহয়। তেওঁ আৰু আন একো পাতনি নেমেলি আচল কথাটোকে উলিয়াই ক'লে,—"আমাৰ বিয়াখন আৰু পলম কৰাটো উচিত নহব। ভট্ট ডাঙৰীয়াক কৈছিলোঁ, তুমি মত দিলেই আৰু আন কথা নাই বুলি তেখেতে ক'লে। মই ঠিক কৰিছোঁ—অহা দেওবাৰৰ পিচৰ দেওবাৰেই–।"

কথাষাৰ শেষ নৌ হওঁতেই সুচৰিতাই মাত দিলে,—"ওহোঁ, নহব।"

সুচৰিতাৰ মুখৰপৰা এই অতি সংক্ষিপ্ত, স্পষ্ট আৰু উদ্ধত 'নহয়'টো শুনি হাৰান চক্‌খাই উঠিল। সুচৰিতাক বৰ বাধ্য ছোৱালী বুলিয়েই তেওঁ ভাবিছিল। তাই যে একমাত্র "নহয়" বাণেৰে তেওঁৰ প্রস্তাৱটো মাজ বাটতে খণ্ড-বিখণ্ড কৰি পেলাব, এইটো তেওঁ সপোনতো ভবা নাছিল। তেওঁ বিৰক্ত হৈ সুধিলে,—"নহয়? মানে কি? তুমি আৰু পলম কৰিব খুজিছা নে কি?"

সুচৰিতাই উত্তৰ দিলে,—"ওঁহো।"

হাৰানে আচৰিত হৈ সুধিলে,—"তেনেহলে?"

সুচৰিতাই তলমুৰকৈ ক'লে,—"বিয়াত মোৰ মত নাই।"

হাৰানে হতবুদ্ধি হৈ সুধিলে,—"মত নাই? তাৰ মানে আকৌ কি?"

ললিতাই ঠাট্টা কৰি সুধিলে,—"মাষ্টৰ, আপুনি আজি-কালি আকৌ মাতৃ ভাষাও পাহৰি গ'ল নে কি?"

হাৰানে ললিতাৰ ফালে বক্ৰ চকুৰে ক'লে,—"মাতৃভাষা পাহৰি গৈছোঁ বুলিও স্বীকাৰ কৰা সহজ, কিন্তু সদায় যাৰ কথা শ্ৰদ্ধা কৰি আহিছোঁ আজি তেওঁক ইমান দিনে ভুল বুজিছিলোঁ বুলি স্বীকাৰ কৰা সহজ কথা নহয়।"

ললিতাই উত্তৰ দিলে,—"মানুহক বুজিবলৈ সময় লাগে। আপোনাৰ নিজৰ বিষয়েও নিশ্চয় এই কথা খাটে।"

হাৰানে ক'লে,—"প্ৰথমৰপৰা আজিলৈকে মোৰ কথাৰ বা মতৰ বা ব্যৱহাৰৰ একো সলনি হোৱা নাই। মোক ভুলকৈ বুজিবলৈ মই কাকো কোনো চল দিয়া নাই, এই কথা মই জোৰকৈ কব পাৰোঁ। সুচৰিতাৰে কওঁকচোন বাৰু মই সঁচা কথা কৈছোঁ নে নাই—।"

ললিতাই আকৌ কিবা এটা উত্তৰ দিব খুজিছিল, সুচৰিতাই তাইক বাধা দি ক'লে,—"আপুনি সঁচা কথাই কৈছে। আপোনাক মই একো দোষ দিব নোখোজোঁ।"

হাৰানে সুধিলে,—"দোষ যদি নিদিয়াই, তেন্তে মোৰ প্ৰতি অন্যায় কৰিবা কিয়?"

সুচৰিতাই টান মাতেৰে ক'লে,—"এইটোৱেই যদি অন্যায় হয়, তেন্তে মই অন্যায়েই কৰিম। কিন্তু"

এনেতে বাহিৰৰপৰা কোনোবাই মাতিলে,—"বাইদেউ, ঘৰত আছেনে?"

সুচৰিতাই হাঁহি হাঁহি লৰালৰিকৈ মাত দিলে,—"আহক, চেটাৰ্জী-দেউ, আহক।"

"ভুল কৰিছে বাইদেউ, চেটাৰ্জীদেউ অহা নাই। মই বিনয়হে মাথোন। মোক আক সন্মান দেখুৱাই লাজ নিদিব।" এই বুলি বিনয়ে কোঠাটোত সোমায়েই হাৰান মাষ্টৰক দেখা পালে। হাৰানৰ কলা মুখ দেখি বিনয়ে ক'লে,—"অ' মই বহুদিন অহা নাই কাৰণে আপুনি খং কৰিছে হব পায়।"

হাৰানে ধেমালিত যোগ দিবলৈ যত্ন কৰি ক'লে,—"খং উঠিবলগীয়া কথাই। কিন্তু আপুনি আজি অলপ অসময়ত আহিল। সুচৰিতাৰ লগত মই এটা বৰ দৰ্কাৰী কথা পাতি আছিলোঁ।"

বিনয় বৰ থতমত খাই পৰিল। সি ক'লে,—"সেয়া চাওক, মই কেতিয়া আহিলে নো অসময়ত অহা নহয় আজিলৈকে সেইটোৱে ভুজু ধৰিব নোৱাৰিলোঁ। সেই কাৰণেই আহিবলৈ সাহেই নহয়।"

এই বুলি বিনয় যাবলৈ থিয় দিলে।

সুচৰিতাই আগ্ৰহেৰে ক'লে,—"চেটাৰ্জীদেউ, নেথাব। আমাৰ বি কথা আছিল শেষ হ'ল। আপুনি বহক।"

তাৰ উপস্থিতিয়ে সুচৰিতাক আজি কিবা এটা সাঙ্ঘাতিক বিপদৰ পৰা উদ্ধাৰ কৰিছে—এই কথা বিনয়ে বুজি পালে। সি হাঁহি মাৰি চকী এখনত বহি ক'লে,—"মোক লাই দিলে পিচে মই বৰ চল পাওঁ। মোক বহিবলৈ কলে মই বহিমেই। মোৰ স্বভাবটোৱেই এনেকুৱা। এতেকে বাইদেউৰ প্ৰতি নিবেদন এয়ে যে আগলৈ এনেবোৰ কথা যেন আগ-পাচ চাইহে কয়, নহলে কিন্তু বিপদত পৰিব লাগিব।"

হাৰানে মুখেৰে একো নেমাতি ওন্দোলাই অহা ধুমুহা বতাহৰ দৰে গোঙোৰাটো হৈ বহি থাকিল। তেওঁ এনে এটা ভাব দেখুৱালে যেন তেওঁ কব খুজিছে,—"বাৰু হৈছে, মই বহিয়েই থাকিম, আৰু মোৰ কথা আজি মই শেষ কৰিহে উঠিম।"

দুৱাৰৰ বাহিৰত বিনয়ৰ মাত শুনিয়েই ললিতাৰ বুকুৰেদি ধান বনাদি বানিবলৈ ধৰিলে। তাই প্ৰথমে অতি কষ্টেৰে থিৰ হৈ থাকিবলৈ যত্ন কৰিছিল, কিন্তু কোনোৰকমেই নোৱাৰিলেগৈ। বিনয়ে আহি কোঠাটোত সোমোৱাৰ পাচত তাই আৰু চিনাকি বন্ধুৰ দৰে বিনয়ৰ লগত সহজ ভাৱেৰে কোনো কথাকে পাতিব নোৱাৰিলে। কোন ফালে নো চাব, নিজৰ হাত খনেৰে নো কি কৰিব, এইবোৰেই তাইৰ মহা চিন্তাৰ কথা হৈ পৰিল। এবাৰ উঠি যাবলৈকো চেষ্টা কৰিছিল, কিন্তু সুচৰিতাই কোনোৰকমেই তাইৰ আঁচলটো এৰি নিদিলে।

বিনয়েও অকল সুচৰিতাৰ লগতেই কথা-বতৰা পাতিবলৈ ধৰিলে। তাৰ দৰে হলহলীয়া মানুহবো আজি ললিতাৰ লগত কথা পতাটো টান হৈ পৰিল। সেই কাৰণেই সি দুগুণ উছাহেৰে সৈতে অকণোকে নোৰো-ৱাকৈ সুচৰিতাৰ লগত অনৰ্গল কথা পাতি যাবলৈ ধৰিলে।

ললিতা আৰু বিনয়ৰ এই নতুন সঙ্কোচ কিন্তু হাৰানৰ চকুত নপৰাকৈ নেথাকিল। যি জনী ললিতাই আজি-কালি তেওঁৰ আগত ইমান বেচিকৈ চোকা চোকা কথা কয়, সেইজনী ললিতায়ে এতিয়া বিনয়ৰ আগত এই-দৰে কোঁচ খোৱা দেখি হাৰান পেটে পেটে জ্বলি উঠিল। ব্ৰাহ্ম-সমাজৰ বাহিৰৰ মানুহবোৰৰ লগত নিজৰ জীয়েক কেইজনীক এইদৰে সনাপিঠা হবলৈ সুবিধা দি পৰেশ ভট্টই যে নিজৰ পৰিয়ালটোক কিমান কদাচাৰৰ মাজলৈ লৈ গৈছে ইয়াকে ভাবি হাৰানৰ পৰেশ ভট্টৰ ওপৰত খিণ আৰু বাঢ়ি হে গ'ল। পৰেশ ভট্টই যে এদিন নহয় এদিন ইয়াৰ বাবে অনুতাপ কৰি

মৰিব লাগিব—এনেকুৱা এটা কামনা তেওঁৰ মনত অভিশাপৰদৰে জাগি উঠিল।

বহুপৰ এইদৰে গোৰাৰ পিচত সকলোৱে গম পালে যে হাৰান আজি সহজে নুঠিব। তেতিয়া সুচৰিতাই বিনয়ক ক'লে,—"মাহীৰ লগত আপোনাৰ বহুদিন দেখা হোৱা নাই। মাহীয়ে আপোনাৰ কথা প্ৰায়ে সোধে। এবাৰ তেখেতৰ লগত দেখা নকৰে জানো?"

বিনয়ে থিয় হৈ উঠি ক'লে,—"মাহীৰ কথা মোৰ মনত নথকা বুলি মোৰ বদ্‌নাম নিদিব।"

সুচৰিতাই বিনয়ক মাহীয়েকৰ ঋষলৈ লৈ যোৱাৰ পিচত ললিতাই হাৰানক ক'লে,—"মাষ্টাৰ, মোৰ লগত আপোনাৰ বোধকৰোঁ তেনে বিশেষ একো দৰ্কাৰী কথা নাই।"

হাৰানে ক'লে,—"ওঁহো নাই। তোমাৰ বোধকৰোঁ আন ঠাইতহে বিশেষ দৰ্কাৰী কথা আছে। তুমি যাব পাৰা।"

ললিতাই কথাষাৰৰ ইঙ্গিত বুজি পালে। আৰু তাই ফোঁচ কৰে মূৰ দাঙি উঠি ইঙ্গিতটোক ফটফটীয়া কৰি দি ক'লে,—"চেটাৰ্জ্জীদেউ, আজি বহুদিনৰ মূৰত আহিছে। হয় তেখেতৰ লগতে কথা পাতিবলৈ যাওঁ। তিমান পৰে আপুনি নিজৰ লিখা যদি পঢ়িব খোজে তেনেহলে-গোৰা,—অ', সেই কাগজখন দেখোন বাইদেৱে টুকুৰা-টুকুৰিকৈ ফালিয়েই পেলালে। বাৰু, আনৰ লিখাকে যদি সহ্য কৰিব পাৰে, তেনেহলে এই-বোৰকে চাব পাৰে।"

এই বুলি তাই চুকৰ মেজখনত সযতনে সজাই থোৱা গোৰাই লিখা পুথিবোৰ আনি হাৰানৰ সমুখত থৈ হুৰমুৰকৈ কোঠাটোৰপৰা ওলাই গ'ল গৈ।"

হৰিমোহিনীয়ে বিনয়ক দেখা পাই বৰ ভাল পালে। এই দেখনিয়াৰ ডেকাটিক তেখেতে যে মাথোন মৰম হে কৰিছিল অকল সেয়ে নহয়, এইখন ঘৰলৈ বাহিৰা মানুহ যিয়েই আহিছে সকলোৱেই হৰিমোহিনীক বেলেগ এক শ্ৰেণীৰ জীৱৰ দৰে চাইছিল। সেইবোৰ কলিকতীয়া মানুহ, সিহঁত য় সকলোবোৰেই ইংৰাজী আৰু বঙালী লিখা-পঢ়া তেখেততকৈ বেচি জানে। সিহঁতৰ দূৰত্ব আৰু অৱজ্ঞা দেখি তেখেতৰ সদায় খুব সঙ্কোচ লাগি আছিল। এই কাৰণেই বিনয়ক পায়েই তেখেতে এটা আশ্ৰয় পোৱা যেন পাইছিল। বিনয়ো কলিকতীয়া মানুহ। লিখা-পঢ়াতো সি এক্কেবাৰে দলিয়াই পেলাবলগীয়া নহয় বুলি হৰিমোহিনীয়ে শুনিছিল। অথচ

ক'তো পি তো তেখেতক অকণো অশ্ৰদ্ধা নকৰে। তেখেতক পি নিচেই আপোন মানুহ বুলি ভাবে। এইবোৰ কাৰণেই তেখেতৰ আত্মসন্মান তাৰ ওপৰত নিৰ্ভৰ কৰিব পাৰিছিল। এই বাবেই এদিনৰ কন্তেক চিনাকিয়েই বিনয় তেখেতৰ তেনেই আপোন হৈ পৰিল। লোহাৰ বৰ্মৰ দৰে বিনয়ে তেখেতক আন মানুহৰ আক্ৰমণৰপৰা ৰক্ষা কৰিব বুলি তেখেতে ভাবিছিল। তেখেতে এইখন ঘৰৰ সকলোৰে ৰবকে চকুত পৰা হৈ উঠিছিল। বিনয়ে যেন এটা আৱৰণৰ দৰে হৈ সকলোৰে চকুৰপৰা তেখে-তক ঢাকি ৰাখিব পাৰিব।

বিনয় হৰিমোহিনীৰ কাষলৈ যোৱাৰ অলপ পৰ পিচতে ললিতা কেতিয়াও সহজে তালৈ নগলহেঁতেন। কিন্তু আজি হাৰানৰ বিদ্ৰূপৰ ইঙ্গিত সহিব নোৱাৰি তাই সকলো সঙ্কোচ বাদ দি একে কোবেই ওপৰৰ কোঠা পালে গৈ। মাথোন যোৱাই নহয়, গৈয়েই বিনয়ৰ লগত বাৰে কুৰি কথা পাতিবলৈ ধৰিলেগৈ। সিহঁতৰ মেলখন ভালকৈয়ে পকি উঠিল। আন কি মাজে মাজে সিহঁতৰ হাঁহি খিকিন্দালিয়ে তলৰ কোঠালিত অকলে বহি থকা হাৰানৰ কাণেদি সোমাই একেবাৰে অন্তৰ দহি নিবলৈ ধৰিলে। তেওঁ আৰু বেচি পৰ এইদৰে অকলে বহি থাকিব নোৱাৰিলে। বৰদাসুন্দৰীৰ লগত কথা-বতৰা পাতি মনৰ খং শাম কটাবলৈ চেষ্টা কৰি-লেগৈ। সুচৰিতাই হাৰানৰ লগত বিয়া হবলৈ আপত্তি কৰিছে বুলি বৰদাসুন্দৰীয়ে গম পালে, আৰু কথাটো শুনি তেখেতৰ পক্ষে চম্ভালি থকা একেবাৰে অসম্ভৱ হৈ পৰিল।

তেখেতে ক'লে,—'মাষ্টৰ, এতিয়া আৰু আপুনি ভাল মানুহ বোলাই থাকিলে নহব। তাই দেখোন আগতে কেইবাবাৰো মত দিছিল। গোটেই ব্ৰাহ্ম-সমাজৰ মানুহেই এইখন বিয়া খাবলৈ বৈ আছে। এতিয়া তাই ওহোঁ বুলি সুৰ জোকাৰিলেই সকলো ওলোটা হৈ যাবলৈ কেতিয়াও দিব নোৱাৰি। আপোনাৰ দাবী কিন্তু আপুনি কেতিয়াও এৰিব নোৱাৰে, এতিয়াই কৈ থলোঁ। চাওঁচোন, তাই নো কিভাল কৰিব পাৰে?'

এই বিষয়ে হাৰানক উৎসাহ দিয়াৰ বিশেষ দৰ্কাৰ নাই। তেওঁ তেতিয়া নিজেই কাঠ এডালৰ দৰে ঠৰঙা হৈ সুৰ পোনকৈ বহি মনে মনে ভাবিছিল—'অনু প্ৰিন্সিপল এই দাবীটো কেতিয়াও এৰি দিব নোৱাৰি। সুচৰিতাক ত্যাগ কৰাটো মোৰ বাবে বৰ ডাঙৰ কথা নহয়। কিন্তু ব্ৰাহ্ম-সমাজৰ উচ্চ শিৰ তললৈ নমাব নোৱাৰোঁ।'

বিনয়ে হৰিমোহিনীৰ লগত আত্মীয়তা পকা কৰি পেলাবৰ অভিপ্ৰায়েৰে

"মাহী ভোক লাগিছে, কিবা খাবলৈ দিয়ক" বুলি আবদাব কৰিবলৈ ধৰিলে। হৰিমোহিনীয়ে তৎক্ষণাত ব্যস্ত হৈ উঠি এখন সৰু কাঁহীত জলপমান তিয়াই খোৱা বুটমাহ, ছানা, মাখন, অলপ চেনি, এটা কল, আৰু এটা চিচাৰ বাটিত এবাটি গাখীৰ আনি সযতনে বিনয়ৰ সন্মুখত থলেহি। বিনয়ে হাঁহি হাঁহি কলে,—"অসময়ত ভোক লাগিছে বুলি কৈ মাহীক বিপদত পেলাম বুলি ভাবিছিলোঁ, পিচে মই হে ঠগ খালোঁ।" এই বুলি বিনয়ে খুব আড়ম্বৰেৰে সৈতে খাবলৈ আৰম্ভ কৰিছিল হে, ঠিক এনেতে বৰদাসুন্দৰী আহি ওলালহি। বিনয়ে কাঁহীৰ ওপৰতে যিমান পাৰে তলমূৰৈ নমস্কাৰ কৰিবলৈ চেষ্টা কৰি কলে,—"তলত মই বহুতো সময় আছিলোঁ, পিচে আপোনাক হে দেখা নেপালোঁ।" বৰদাসুন্দৰীয়ে বিনয়ৰ কথাত একো উত্তৰকে নিদি সুচৰিতালৈ চাই কলে,—"এয়া, এখেত ইয়াতে বহি আছে। মই যি ভাবিছিলোঁ ঠিক সেয়ে। মেল বহিছে, হাঁহিতামাচা চলিছে। আৰু ইফালে যে বেচেৰা হাৰান মাষ্টৰ বাতিপুৱাৰেপৰা তেওঁলৈ বৈ আছে, তাৰ খবৰেই নাই। হাৰান মাষ্টৰ যেন তাইৰ ফুল-বাগিচাৰ মালী হে। ইহঁতক সৰুৰেপৰা ইমান ডাঙৰ কৰিলোঁহি—কিন্তু ক'তা, ইমান দিনে তো ইহঁতৰ এনেকুৱা ব্যৱহাৰ দেখা নাছিলোঁ। কোনে জানে আজি-কালি এইবোৰ শিক্ষা ইহঁতে ক'ৰপৰা পাইছে? আমাৰ পৰিয়ালত আজি-কালি নোহোৱা নোপজা ঘটনাবোৰেই ঘটিবলৈ ধৰিছে। সমাজৰ মানুহৰ লগত আৰু আৰু মুখ দেখুৱাব নোৱাৰা হলোঁ। ইমান দিনে কতনো যত্ন কৰি কত কথা শিকালোঁ, এতিয়া এই দুদিনতে সিহঁতে সকলো নেওচা দিলে। কাণ্ডবোৰ দেখিলে গা জ্বলি আহে একেবাৰে।"

হৰিমোহিনীয়ে থতমত খাই লৰালৰিকৈ উঠি সুচৰিতাক কলে,—"তলত কোনোবা বহি আছে বুলি মই তো নেজানো। ইছ্ বাম, বৰ অন্যায় হ'ল। আই, যোৱাঁ, তুমি সোনকালে যোৱাঁ। ছেঃ মোৰ বৰ দোষ হ'ল।"

হৰিমোহিনীৰ দোষ যে খুদমানো হোৱা নাই তাকে ললিতাই কবলৈ মুখ মেলিব খোজোঁতেই সুচৰিতাই মনে মনে তাইৰ হাতখনত জোৰেৰে চেপা মাৰি ধৰি তাইক বাধা দিলে আৰু এষো প্ৰতিবাদ নকৰাকৈ তললৈ নামি গ'লগৈ।

আগতেই কৈছোঁ বিনয়ৰ ওপৰত লাহে লাহে বৰদাসুন্দৰীৰ মনৰ

উপজিছিল। তেখেতসকলৰ পৰিয়ালৰ প্ৰভাৱত পৰি লাহে লাহে বিনয় যে এদিন ব্ৰাহ্ম সমাজত সোমাই পৰিব, ইয়াত তেখেতৰ অকণো সন্দেহ নাছিল। বিনয়ক তেখেতে নিজ হাতেৰে গঢ়ি তোলা বুলি পেটে পেটে গৰ্ব্বও কৰিছিল। আৰু সেই গৰ্ব্ব তেখেতে তেখেতৰ কেবাগৰাকী বন্ধুৰ আগত প্ৰকাশো কৰিছিল। সেই বিনয়ক আজি শত্ৰু পক্ষৰ শিবিৰত খোপনি পতা দেখি তেখেতৰ বুকুত একেবাৰে জুই জ্বলি উঠিল। তাতে আকৌ জীয়েক ললিতায়ো বিনয়ৰ পুনঃপতনৰ গুৰি বুলি জনাৰ পাচত সেই জ্বলা জুইত কোনোবাই ঘিঁউ ঢলা যেন হে হ'ল। তেখেতে গেঙেৰা মাৰি ক'লে,—"ললিতা, তোমাৰ ইয়াত কিবা কাম আছে নে কি?"

ললিতাই উত্তৰ দিলে,—"ওঁ, চেটাৰ্জীদেউ আহিছে কাৰণে—"

বৰদাসুন্দৰীয়ে ক'লে,—"বিনয় যাৰ গুৰিলৈ আহিছে তেওঁ তেওঁৰ অতিথি সংকাৰ কৰি থাকক। তুমি তললৈ ব'লা, কাম আছে।"

ললিতাই ভাবিলে,—হাৰান মাষ্টৰে নিশ্চয় বিনয় আৰু তাইৰ বিষয়ে এনে কিছুমান কথা মাকৰ আগত লগাইছে যিবোৰ কথা ক'বৰ তেওঁৰ একো অধিকাৰ নাই। এই কথা ভাবি তাইৰ পেটে পেটে বৰ খং উঠিল। সেই কাৰণেই তাই অনাৱশ্যকভাৱে খুব হাঁহি-মাতি ক'লে,—"চেটাৰ্জীদেউ আজি বহুদিনৰ মূৰত আহিছে। তেখেতৰ লগত অলপ সময় কথা-বতৰা পাতি লওঁ ৰ'বা। তাৰ পিচত মই যাম।"

ললিতাৰ কথাৰ সুৰ শুনিয়েই জোৰ কৰি একো লাভ নহ'ব বুলি বৰদাসুন্দৰীয়ে বুজি পালে। হৰিমোহিনীৰ আগতে কেনেবাকৈ লাজ পাব বুলি ভয়ত তেখেতে আৰু আন একোকে নকৈ আৰু বিনয়কো একো মাত-বোল নকৰি ভোঁ ভোঁৱাই তললৈ নামি গ'লগৈ।

বিনয়ৰ লগত কথা পাতিবলৈ মাকৰ আগত ললিতাই আগ্ৰহ দেখুৱালে যদিও মাক গুচি যোৱাৰ লগে লগেই আগ্ৰহো নোহোৱা হ'ল। তিনিও কিবা বৰকৈ থতমত খোৱাদি খালে। অলপ পৰ পিচতে ললিতা উঠি গৈ নিজৰ কোঠাত সোমাই দুৱাৰখন লাহেকৈ জপাই দিলে।

এইখন ঘৰত হৰিমোহিনীৰ যে কি বিলৈ হৈছে, সেই কথা বিনয়ে তৎক্ষণাত বুজি পালে। তাৰ পিচত সি ইটো সিটো কথা উলিয়াই লাহে লাহে হৰিমোহিনীৰ অতীতৰ সকলো কথা জানি ললে। তেওঁৰ জীৱনৰ করুণ কাহিনী শেষ হোৱাত হৰিমোহিনীয়ে ক'লে,—"বোপা, মোৰ দৰে দুৰ্ভগীয়াৰ কাৰণে সংসাৰ উপযুক্ত ঠাই নহয়। কোনোবা তীৰ্থলৈ গৈ গোসাঁই সেৱাত মন দিব পৰা হ'লেই ভাল হ'লহেঁতেন। মোৰ যি সামান্য

পইচা-পাতি আছে তাৰেই কিছুদিন গ'লহেঁতেন। তাৰ পিচতো জীয়াই থাকিলে লোকৰ ঘৰত ভাত-বান্ধনী হৈয়ো কটাব পাৰিলোঁ হয়। কাশীত তো দেখিছিলোঁৱেই এনেকৈয়ে ক'ত মানুহে খাই-লৈ দিন নিয়াইছে। কিন্তু মই পাপিনীয়ে তাকো কৰিব নোৱাৰিলোঁ। অকলশৰে থাকিলে মোৰ সকলোবোৰ দুখ-বেজাৰে মোক যেন হেঁচা মাৰি ধৰে, দেৱ-দেৱীকো মোৰ কাষলৈ আহিব নিদিয়ে, বলিয়া হৈ যাওঁ বুলি ভয় লাগে। পানীত পৰি কক্‌বকাই থকা মানুহৰ কাৰণে কুটা এডাল যেনেকুৱা, বাধাৰাণী আৰু সতীশো মোৰ মানত তেনেকুৱাই। সিহঁতক এৰি থৈ যোৱাৰ কথা ভাবিলেই মোৰ বুকু চিৰিংকৈ উঠে আৰু সেই কাৰণেই সদায় দিনে-ৰাতিয়ে মোৰ ভয় লাগি থাকে। এদিন নহয়, এদিন তো ইহঁতক এৰি থৈ যাবই লাগিব। নহলে নো সকলো হেৰোৱাৰ পিচতেই দুদিনতে সিহঁত এনেকৈ মোৰ বুকুত সোমাল কিয়? বোপা, তোমাৰ আগত ক'বলৈ মোৰ লাজ নেলাগে। সঁচাকৈয়ে ইহঁত দুটাক পোৱাৰ পৰাহে গোসাঁই সেৱাও মই মন পুতি কৰিব পৰা হৈছোঁ। ইহঁত গুচি গ'লে মোৰ গোসাঁয়ো যে এটা শিলামূৰ্ত্তি হে হৈ পৰিব।"

এই বুলি কৈ হৰিমোহিনীয়ে আঁচলেৰে চকুযোৰ মচিলে।

৪০

তলৰ কোঠালৈ আহি হাৰানৰ সন্মুখত থিয় হৈ সুচৰিতাই ক'লে,— "আপোনাৰ কি কথা আছে কওক।"

হাৰানে ক'লে,—"বহাঁ।"

সুচৰিতা নবহি থিয় হৈয়ে থাকিল।

হাৰানে ক'লে,—"সুচৰিতা, মোৰ প্ৰতি তুমি অন্যায় কৰিছা।"

সুচৰিতাই উত্তৰ দিলে,—"আপুনিও মোৰ প্ৰতি অন্যায় কৰিছে।"

হাৰানে ক'লে,—"কিয়? মই তোমাক যি কথা দিছিলোঁ এতিয়া তো...."

সুচৰিতাই মাজতে বাধা দি ক'লে,—"ন্যায়-অন্যায় অকল মাথোন কথাত হে থাকে নে কি? এতিয়া সেই কথাৰ ওপৰতে জোৰ দি আপুনি কামত মোৰ ওপৰত অত্যাচাৰ কৰিব খুজিছে নে কি? এটা সঁচা কথা

জানো হেজাৰ মিছা কথাতকৈ ডাঙৰ নহয়? মই যদি এশ বাৰো ভুল কৰোঁ, সেই বুলিয়েই আপুনি জানো সেই ভুলকেই আগঠাই দিব? আজি মোৰ সেই ভুল ভাঙিছে যেতিয়া মই আৰু আগৰ কোনো কথাকেই স্বীকাৰ নকৰোঁ। কৰিলে অন্যায় হে কৰা হ'ব।"

সুচৰিতাৰ এনে এটা ভীষণ পৰিবৰ্ত্তন কেনেকৈ হ'ল হাৰানে কোনো ৰকমেই বুজিব নোৱাৰিলে। সেই নিমাত আৰু নম্ৰ সুচৰিতাভনীৰ আজি যে ইমান পৰিবৰ্ত্তন হৈছে—আৰু এই পৰিবৰ্ত্তনৰ গুৰিতেই যে তেওঁ নিজে—এই কথা বুজা বা অনুমান কৰাৰ শক্তিও হাৰানৰ নাছিল। সুচৰিতাৰ নতুন বন্ধুবোৰক পেটে পেটে দোষ দি তেওঁ সুধিলে,—"তুমি নো কি ভুল কৰিছিলা?"

সুচৰিতাই উত্তৰ দিলে,—"সেইটোও আকৌ সুধিব লাগিছেনে? আগতে মত আছিল, এতিয়া মোৰ মত নাই,—এযে যথেষ্ট নহয় জানো?"

হাৰানে উত্তৰ দিলে,—"ব্ৰাহ্ম-সমাজৰ আগত আমি ইয়াৰ উত্তৰ দিব লাগিব। তেতিয়া সমাজৰ মানুহবোৰৰ আগত তুমিয়েই নো কি বুলি ক'বা আৰু ময়েই বা কি কম কোৱাচোন?"

সুচৰিতাই ক'লে,—"মই একো নকওঁ। আপোনাৰ কবৰ মন থাকিলে ক'ব যে সুচৰিতাৰ বয়স কম, তাইৰ বুদ্ধি নাই, তাইৰ স্বভাৱ চঞ্চল ইত্যাদি আৰু আন যিহকে মন যায় তাকে ক'ব। কিন্তু আজিৰপৰা এই বিষয়ে সকলো কথা ইয়াতেই শেষ হ'ল।"

হাৰানে ক'লে,—"ওঁহো, শেষ হ'বই নোৱাৰে। ভট্ট ডাঙৰীয়াই যদি...."

কওঁতে নকওঁতেই পৰেশ ভট্ট আহি ওলালহি। সুধিলে—"কি হ'ল মাষ্টৰ? মোৰ কথা কি কৈছিলে?"

সুচৰিতা কোঠাটোৰপৰা ওলাই গুচি যাব খুজিছিল। হাৰানে মাতি ক'লে,—"সুচৰিতা, ৰবা, নেযাবা। ভট্ট ডাঙৰীয়াৰ আগতেই কথাটো একেবাৰে খোলোচা হৈ যাওক।"

সুচৰিতা উভতি আহিল। হাৰানে ক'লে,—"ভট্ট ডাঙৰীয়া, আজি অতদিনৰ মূৰত সুচৰিতাই বিয়াত মত নাই বুলি কৈছে। এনে এটা গুৰুতৰ কথা লৈ এইদৰে ধেমালি কৰাটো জানো তেওঁৰ উচিত হব? এই যে জঘন্য ঘটনাটো ঘটিল, ইয়াৰ বাবে আপুনিও জানো দায়ী হ'ব নেলাগিব?"

ভট্ট ডাঙৰীয়াই সুচৰিতাৰ মূৰত হাত ফুৰাই দি মৰমেৰে ক'লে,—

"আই, তুমি ইয়াত থাকিব নেলাগে। তুমি যোৱাগৈ আই!"

এই সামান্য কথাষাৰ শুনাৰ লগে লগে সুচৰিতাৰ চকুৰোৰ চকুলোৰে উপচি পৰিল। তাই লৰালৰিকৈ তাৰপৰা ওলাই গ'ল গৈ।

পৰেশ ভট্টই ক'লে,—"সুচৰিতাই নিজৰ মন ভালকৈ নুবুজাকৈয়ে বিয়াত সন্মতি দিছিল বুলি মই প্ৰথমৰেপৰাই সন্দেহ কৰিছিলোঁ। আৰু সেই কাৰণেই সমাজৰ আগত আপোনালোকৰ সম্বন্ধ পকা কৰাৰ কথাত মই আপোনাৰ অনুৰোধ ৰক্ষা কৰিব পৰা নাছিলোঁ।"

হাৰানে সুধিলে,—"সুচৰিতাই কিজানি তেতিয়া নিজৰ মন ভালকৈ বুজিযেই সন্মতি দিছিল, আৰু এতিয়াহে নুবুজি অসন্মত হৈছে—এনে সন্দেহ নো আপোনাৰ নহয় কিয়?"

পৰেশ ভট্টই উত্তৰ দিলে,—"হওঁতে দুয়োটাই হ'ব পাৰে। কিন্তু এনেবোৰ সন্দেহৰ মাজত তো আৰু বিয়া হ'ব নোৱাৰে।"

তেতিয়া হৰানে সুধিলে,—"বাৰু আপুনি তেনেহলে সুচৰিতাক সৎ উপদেশ নিদিব জানো?"

পৰেশ ভট্টই উত্তৰ দিলে,—"আপুনি ভালকৈ জানে যে সুচৰিতাক মই পৰাপক্ষত কেতিয়াও অসৎ পৰামৰ্শ দিব নোৱাৰোঁ।"

হাৰানে ক'লে,—"সেয়ে হোৱা হ'লে দেখোন সুচৰিতাৰ আজি এনে দশা কেতিয়াও নহ'লহেঁতেন। আপোনাৰ পৰিয়ালত আজি-কালি যিবোৰ ঘটনা ঘটিবলৈ ধৰিছে সেই সকলোবোৰ আপোনাৰ নিজৰ অবিবেচনাৰ ফল। এই কথা মই আপোনাৰ মুখৰ আগতেই কওঁ।"

পৰেশ ভট্টই এটা হাঁহি মাৰি ক'লে,—"এইয়া তো আপুনি সঁচা কথাই কৈছে। মোৰ পৰিয়ালৰ সকলো কথাৰ ফলাফলৰ সকলো দায়িত্ব মই নললে নো কোনে লব?"

হাৰানে ক'লে,—"ইয়াৰ বাবে আপুনি এদিন অনুতাপ কৰিব লাগিব। মই এতিয়াই কৈ থলোঁ।"

পৰেশ ভট্টই উত্তৰত ক'লে,—"অনুতাপ তো ঈশ্বৰৰ দয়া। অপৰাধলৈ হে ভয় কৰোঁ। মাষ্টৰ, অনুতাপলৈ মোৰ ভয় নাই।"

এনেতে সুচৰিতা কোঠাটোলৈ সোমাই আহি ভট্ট ডাঙৰীয়াৰ হাতত ধৰি ক'লেহি,—"দেউতা, তোমাৰ উপাসনাৰ সময় হ'ল। ব'লা।"

পৰেশ ভট্টই হাৰানক সুধিলে,—"মাষ্টৰ, আপুনি তেনেহলে অলপ পৰ বহিব নে কি?"

হাৰানে "উঁহো, নবহোঁ" বুলি বেগাবেগিকৈ গুচি গ'ল গৈ।

অন্তৰৰ ভিতৰৰ আৰু বাহিৰৰ সকলোবোৰ সমস্যাই একে সময়তে জুমুৰি দি ধৰাত সুচৰিতা বৰ আতঙ্কিত হৈ উঠিল। গোৰাৰ প্ৰতি তাইৰ যি মনোভাব সেই ভাব যে তাইৰ নিজৰ অজ্ঞাতসাৰে ইমান দিনে বাঢ়ি আহিছিল আৰু গোৰা জেললৈ যোৱাৰ পাছৰপৰাই সেই ভাবে তাইৰ নিজৰ আগত সম্পূৰ্ণ ফট্‌ফটীয়া আৰু বাধা দিব নোৱাৰা হিচাপে দেখা দিছে—এতিয়া তাই কি কৰিব, বা ইয়াৰ শেষফলেই বা কি—এইবোৰ ভাবি ভাবি তাই উৰাদিহ নোপোৱা হ'ল। এইবোৰ কথা আনক তো ক'ব নোৱাৰিবই, আন কি নিজৰে নিজৰ ওচৰত তাইৰ লাজ লগা হ'ল। এই অসহনীয় বেজাৰৰ কথা নিজৰ মনতে অকলশৰে ভাবি-গুণি বিবা এটা মীমাংসা কৰিবলৈকো তাইৰ অকণোকে আহৰিয়েই নোহোৱা হ'ল। হাৰানে গোটেই সমাজখনকে সিহঁতৰ দুৱাৰমুখত আনি থিয় কৰাবলৈ উঠি-পৰি লাগিছে। আন কি ছপা কাগজৰ চোলতো চাপৰ পৰিব যেন লাগিল। ইয়াৰ উপৰিও মাহীয়েকৰ সমস্যাটোও এনেদৰে মূৰ দাঙি উঠিছিল যে অতি সোনকালে কিবা এটা মীমাংসা নকৰিলেই নহৈছে। এইবাৰ তাইৰ জীৱনত এটা সন্ধিক্ষণ আহিছে বুলি সুচৰিতাই বুজি পাইছিল। অতদিনৰ চিনাকি বাটেদি নিশ্চিত মনে মুকলিমূৰীয়াকৈ গৈ থকাৰ আৰু দিন উকলিল।

এনেকুৱা এটা বিপদৰ সময়ত তাইৰ একমাত্ৰ লাখুটি আছিল ভট্ট ডাঙৰীয়া। তেখেতৰপৰা তাই পৰামৰ্শও বিচৰা নাছিল, উপদেশো বিচৰা নাছিল। আন কি এনে বহুত কথাও আছিল, যিবোৰ তাই ভট্ট ডাঙৰীয়াক ক'বও নোৱাৰে। তাৰ উপৰিও আৰু এনে কিছুমান কথা আছিল যিবোৰ অতি লাজ লগা বা নীচ কাৰণে ভট্ট ডাঙৰীয়াৰ আগত উলিয়াবকে নোৱাৰি। কেৱল মাত্ৰ ভট্ট ডাঙৰীয়াৰ জীৱন আৰু সঙ্গইহে বাপেকৰ বুকু, বা মাকৰ কোলাৰ দৰে তাইক টানি নিছিল।

এতিয়া জাৰকালি সন্ধিয়া পৰেশ ভট্ট জুলনিলৈ নগৈছিল। তেওঁলোকৰ ঘৰৰ পশ্চিম ফালৰ এটা সৰু কুঠৰীত মুকলি দুৱাৰৰ সমুখত এখন আসন পাতি লৈ তাতে তেখেতে উপাসনা কৰিবলৈ বহিছিল। তেখেতৰ বগা চুলিৰে আগুৰি থকা শান্ত মুখখনত সূৰ্য্যাস্তৰ ৰাঙলী আভা আহি পৰিছিলহি। সুচৰিতাই নিঃশব্দে আহি তেখেতৰ কাষত বহিলহি। নিজৰ অশান্ত ব্যথিত অন্তৰক তাই যেন ভট্ট ডাঙৰীয়াৰ উপাসনাৰ গভীৰতাৰ মাজত

বুৰাই দিছিল। আজি ভালেমান দিনৰপৰা তেখেতৰ উপাসনাৰ শেষত তেখেতৰ এই ছোৱালীজনী, এই ছাত্ৰীজনী, তেখেতৰ কাষত নিটাল মাৰি বহি থকা ভট্ট ডাঙৰীয়াই প্ৰায়ে দেখা পাইছিল। এটি অনিৰ্ব্বচনীয় আধ্যাত্মিক মাধুৰীয়ে আবৰি থকা এই ছোৱালীটিক দেখি তেখেতে গোটেই অন্তৰেৰে সতে নীৰৱে আশীৰ্ব্বাদ কৰিছিল।

ভূমাৰ লগত মিলনেই তেখেতৰ জীৱনৰ একমাত্ৰ লক্ষ্য আছিল কাৰণে যি শ্ৰেয়তম আৰু সত্যতম—এনে বস্তুৰ প্ৰতিয়েই পৰেশ ভট্টৰ সদায় ধাউতি আছিল। এই কাৰণেই সংসাৰখনে কেতিয়াও তেখেতৰ চকুত গুৰুতৰ ৰূপে দেখা নিদিছিল। এনেদৰে তেখেতে নিজৰ মাজতে এটি স্বাধীনতা পাইছিল বুলিয়েই মত বা আচৰণৰ বাবে কেতিয়াও কাৰো ওপৰত জোৰ-জুলুম কৰিব নোৱাৰিছিল। মঙ্গলৰ ওপৰত নিৰ্ভৰ কৰা আৰু সংসাৰৰ প্ৰতি ধৈৰ্য্য ধৰাই তেখেতৰ স্বভাৱ আছিল। এই স্বভাৱ তেখেতৰ ইমান প্ৰবল আছিল যে তেখেতে ইয়াৰ বাবে সমাজৰ মানুহৰপৰা নানা কটু কথা শুনিবলগীয়া হৈছিল। কিন্তু বদনামক তেখেতে এনেদৰে সামৰি ল'ব পাৰিছিল যে সেই বদনামে হানিলেও তেখেতক বিন্ধিব নোৱাৰিছিল। তেখেতে নিজে নিজেই এই কথাষাৰ পেটে পেটে বাৰে বাৰে আওৰাইছিল যে 'মই আন কাৰো হাতৰপৰাই একোকে গ্ৰহণ নকৰোঁ। মই একমাত্ৰ মোৰ ইষ্ট দেৱতাৰ হাতৰপৰাই সকলো গ্ৰহণ কৰিম।'

পৰেশ ভট্টৰ জীৱনৰ এই গভীৰ নিৰল শান্তিৰ পৰশ লভিবলৈকে আজি-কালি সুচৰিতাই নানা চেলু উলিয়াই তেখেতৰ কাষলৈ আহিছিল। এই অজলা কোমল বয়সতে তাইৰ বিদ্ৰোহী অন্তৰে আৰু এই বিদ্ৰোহী সংসাৰখনে তাইক যেতিয়া একেবাৰে থকাসৰকা কৰি পেলাইছিল, তেতিয়া তাই বাৰে বাৰে নিজে নিজেই ভাবিছিল—'দেউতাৰ ভৰি দুখনত মূৰ দি কিছু সময় মাটিত দীঘল দি পৰি থাকিব পৰা হ'লেই কিজানি মই শান্তি পালোঁহেঁতেন।'

সুচৰিতাই পেটে পেটে ভাবিছিল যে তাই তাইৰ মনৰ বলকে জগাই তুলি থৰকাছুটি নেহেৰুৱাই সকলো হান সহিব পাৰিলেই শেহত এদিন নহয় এদিন সকলো বাধাই আপোনা-আপুনি আঁতৰি যাব। কিন্তু এইবোৰ একোকে নঘটিল। তাই অচিনাকি বাটেদিয়েই আগুৱাই যাবলগীয়া হ'ল।

বৰদাসুন্দৰীয়ে দেখিলে যে খং কৰি বা গালি-শপনি পাৰি সুচৰিতাক তা অকণোকে লৰাব নোৱাৰিয়েই আন কি ভট্ট ডাঙৰীয়াৰপৰা সহায়

পোৱাবো কোনো আশা নাই। তেতিয়া হৰিমোহিনীৰ ওপৰতে তেখেতৰ খং আৰু দুগুণে বাঢ়ি উঠিল। তেখেতৰ ঘৰত হৰিমোহিনীৰ খিতিয়েই তেখেতক খাওঁতে-শোওঁতে, উঠোঁতে-বহোঁতে, কাঁইটে বিন্ধা দি বিন্ধিবলৈ ধৰিলে।

দেউতাকৰ মৃত্যু তিথিৰ বছৰেকীয়া উপাসনা উপলক্ষে সেইদিনা তেখেতে বিনয়ক নিমন্ত্রণ কৰিছিল। সন্ধিয়া পৰত উপাসনা হব। তাৰ আগতেই তেখেতে সভা-ঘৰ সজাই থৈছিল। সুচৰিতা আৰু ইকেজনী জীয়েকেও তেখেতক সহায় কৰিছিল হি।

এনেতে বিনয়ক সিৰাষৰ ছিৰীয়েদি ওপৰলৈ হৰিমোহিনীৰ গুৰিলৈ উঠি যোৱা তেখেতৰ চকুত পৰিল। মনত বেজাৰ থাকিলে সৰু কথাও ডাঙৰ হৈ পৰে। বিনয়ে এইদৰে ওপৰলৈ উঠি যোৱাটো তেখেতৰ ইমান অসহ্য হ'ল যে তেখেতে ঘঁৰে কাম ত'তে এৰি তেতিয়াই ওপৰলৈ গৈ হৰিমোহিনীৰ গুৰি পালে গৈ। গৈ দেখে যে বিনয়ে নিচেই আপোন মানুহৰ দৰে পাটীখনতে বহি হৰিমোহিনীৰ লগত এক মনে কথা পাতি আছে।

দেখিয়েই বৰদাসুন্দৰীয়ে হৰিমোহিনীক ক'লে,—"হেৰা, শুনা। তুমি ইয়াত তোমাৰ যিমান দিন মন যায় সিমান দিন থাকা। মই তোমাক সদায় আদৰ-সাদৰ কৰিয়েই ৰাখিম। কিন্তু তোমাৰ এই গোসাঁই-দেৱতা সোপা হ'লে ইয়াত ৰাখিব নোৱাৰা।"

হৰিমোহিনী ওপজাৰেপৰা গাঁৱত থাকি ডাঙৰ-দীঘল হোৱা। ব্রাহ্ম-বোৰ খৃষ্টানৰেই এটা ঠাল বুলি তেখেতৰ ধাৰণা আছিল। এতেকে ব্রাহ্ম-বোৰৰ লগত খোৱা-লোৱা বা চোৱা-মেলাত বাছ-বিচাৰ কৰাৰ যথেষ্ট হেতু আছে। কিন্তু সিহঁতেও যে তেখেতৰ বিষয়ে এইদৰে বাছ-বিচাৰ কৰিব পাৰে, এই কেইদিনতে তেখেতে সেইটো বুজি পাইছিল। এনে অৱস্থাত কি কৰা নো উচিত, এই কেইদিন অনবৰত তেখেতে তাকেই ভাবি আছিল। আজি ঠিক এনেতে বৰদাসুন্দৰীৰ মুখত এইবোৰ কথা শুনি তেখেতে বুজি পালে, আৰু ভাবিবৰ সময় নাই, 'যি হয় কিবা এটা' কৰিব লাগিব। প্রথমতে কলিকতাতে ক'ৰবাত এটা ঘৰ কেৰেয়াকৈ লৈ থাকোঁ বুলি ভাবিলে। তেতিয়া হ'লে সুচৰিতা আৰু সতীশকো মাজে মাজে দেখা পাই থাকিব। কিন্তু তেখেতৰ তাকৰীয়া সম্বলেৰে কলিকতা হেন ঠাইত যে খৰচ চলোৱাই টান হ'ব।

বৰদাসুন্দৰী ধুমুহাৰ দৰে আহিল আৰু গুচিও গ'ল। বিনয় তল-

মুকৈ বহি থাকিল। অলপ পৰ মনে মনে থাকি হৰিমোহিনীয়ে ক'লে, "মই তীৰ্থলৈকে যাম গৈ। তোমালোক কোনোবা এটাই মোক গৈ থৈ আহিব নোৱাৰিবানে বোপাই ?"

বিনয়ে উত্তৰ দিলে,—"নিশ্চয় পাৰিম। কিন্তু তাৰ যা-যোগাৰ কৰিবলৈকো তো কেইদিনমান লাগিব। ব'লা মাহী, সেই কেইদিন তুমি মোৰ আইৰ লগতে থাকিবা গৈ।"

হৰিমোহিনীয়ে ক'লে,—"বোপা, মোৰ ভাৰ বৰ ডাঙৰ ভাৰ। বিধতাই মোৰ কপালত কি বোজা যে জাপি দিছে ক'ব নোৱাৰোঁ। মোৰ ভাৰ দেখোন কোনোৱেই বব নোৱাৰে। শহুৰৰ ঘৰেও মোৰ ভাৰ বব নোৱাৰিলে যেতিয়া তেতিয়াই মই বুজা উচিত আছিল। কিন্তু মন বৰ অবুজ বোপাই। বুকুখন যে মোৰ শুদা হৈ গৈছে। এই বুকুখন পাঁত পেলাবলৈকে দিহিঙে-দিপাঙে ঘূৰি-পকি ফুৰিছোঁ। কিন্তু মোৰ ফুটা কপালে যে মোৰ লগে লগেই ঘূৰি ফুৰিছে। থাকক আৰু বোপাই, কাৰো ঘৰলৈ নেযাওঁ আৰু। যি জনে গোটেই সংসাৰখনৰ বোজা বৈ ফুৰিছে, মযো সেই জনাৰেই চৰণকমলত আশ্ৰয় লমগৈ। উঃ নোৱাৰোঁ আৰু প্ৰভু।"

এই বুলি বাৰে বাৰে তেখেতে আঁচলেৰে চকুপানী মুচিবলৈ ধৰিলে।

বিনয়ে ক'লে,—"উঁ, এতিয়া এইবোৰ বলকিলে নহব মাহী। মোৰ আইৰ লগত আন কাৰো তুলনা নহব। যি গৰাকীয়ে নিজৰ জীৱনৰ সকলো ভাৰ ভগৱানৰ চৰণত অৰ্পিব পাৰে, তেখেতে আনৰ ভাৰ ববলৈ টান নেপায়। যেনে মোৰ আই, ইয়াত ভট্ট ডাঙৰীয়াও তেনে। সেই বোৰ কথা মই নুশুনো। মোৰ তীৰ্থলৈ তুমি এবাৰ যাবই লাগিব। তাৰ পিচতহে তোমাৰ তীৰ্থ চাবলৈ মই যাম।"

হৰিমোহিনীয়ে তেতিয়া ক'লে,—"তেনেহলে তেখেতসকলক এবাৰ খবৰ——"

বিনয়ে বাধা দি ক'লে,—"আমি গলেই আয়ে খবৰ পাব। সেইটোৱেই হব পকা খবৰ।"

হৰিমোহিনীয়ে ক'লে,—"তেনেহলে কাইলৈ পুৱাকৈ——"

বিনয়ে ক'লে,—"কিনো দৰ্কাৰ ? আজি ৰাতিয়েই ব'লা।"

সন্ধিয়া পৰত সুচৰিতাই আহি ক'লেহি—"চেটাৰ্জ্জী দেউ, আয়ে আপোনাক মাতিবলৈ পঠিয়ালে। উপাসনাৰ সময় হৈছে।"

বিনয়ে ক'লে,—"মাহীৰ লগত মোৰ অলপ কথা আছে। আজি মই যাব নোৱাৰিম।"

আচল কথা, বিনয়ে আজি বৰদাসুন্দৰীৰ নিমন্ত্ৰণ কোনো মতেই গ্ৰহণ কৰিব নোৱাৰিলে। এই সকলোবোৰেই তাৰ আজি ভুৱা যেন লাগিল।

হৰিমোহিনীয়ে লৰালৰিকৈ ক'লে,—"বোপা বিনয়, তুমি যোৱাঁ। মোৰ লগত পিচতো কথা-বতৰা পাতিবাঁ। তোমালোকৰ কাম-কাজবোৰ আগতে হৈ যাওক, তাৰ পিচত তুমি মোৰ ওচৰলৈ আহিবাঁ।"

সুচৰিতাই ক'লে,—"আপুনি যোৱা হলে কিন্তু ভাল হ'লহেঁতেন।"

বিনয়ে বুজিলে যে সি উপাসনা কোঠালৈ নগ'লে এই পৰিয়ালত যি বিপ্লৱ আৰম্ভ হৈছে তাক হেঁচুকি আৰু আগুৱাই দিয়াহে হব। সেই কাৰণেই সি উপাসনা কোঠালৈ গ'ল হয়, কিন্তু তাৰপৰা হলে সম্পূৰ্ণ ফল লাভ নহ'ল।

উপাসনাৰ পিচত চাহ-জলপানৰ যোগাৰ কৰা হৈছিল। বিনয়ে ক'লে,—"আজি মোৰ অকণোকে ভোক নাই।"

বৰদাসুন্দৰীয়ে ক'লে,—"ভোকৰনো দোষ কি? আপুনি দেখোন ওপৰত খায়েই আহিছে।"

বিনয়ে হাঁহি হাঁহি ক'লে,—"ওঁ, লুভীয়া মানুহৰ এনেকুৱা দশাই হয়। বৰ্ত্তমানৰ লোভত ভৱিষ্যত হেৰুৱায়।"

এই বুলি বিনয় যাবলৈ ওলাল।

বৰদাসুন্দৰীয়ে সুধিলে,—"ওপৰলৈ যায় নে কি? বিনয়ে থোৰতে "ওঁ" বুলি কৈ ওলাই গ'ল। দুৱাৰমুখতে সুচৰিতা আছিল। তাইক সি লাহেকৈ কৈ গ'ল,—"বাইদেউ,—এবাৰ মাহীৰ তালৈ আহিবচোন। এটা দৰ্কাৰী কথা আছে।"

ললিতা আলহীসকলক সোধ-পোচ কৰাত ব্যস্ত আছিল। এবাৰ হাৰানৰ কাষলৈ আহোঁতে তেওঁ এনেয়ে অকাৰণতে ক'লে,—"ইয়াত তো বিনয় চেটাৰ্জ্জী নাই। তেখেত ওপৰলৈ গৈছে।"

শুনিয়েই ললিতাই তাতে থিয় হৈ হাৰানৰ মুখৰ ওপৰতে ক'লে,—"ওঁ জানো। তেখেতে মোক লগ নধৰাকৈ গুচি নেযায় গৈ। মোৰ ইয়াৰ কাম হৈ গলেই মই ওপৰলৈ যাম।"

ললিতাক অকণো লাজত পেলাব নোৱাৰি হাৰানৰ অন্তৰৰ জলা জুই কুৰা আৰু দপ্‌দপ্‌কৈ জ্বলিহে উঠিল। বিনয়ে সুচৰিতাক ঠাৰে-চিয়াঁৰে কিবা এটা কৈ থোৱা আৰু সুচৰিতায়ো অলপ পিচতে তাৰ পিচে পিচে গুচি যোৱাটো হাৰানৰ চকুত নপৰাকৈ নেথাকিল। তেওঁ আজি সুচৰিতাৰ লগত কথা পাতিবলৈ কেবাবাৰো সুযোগ বিচাৰি ফুৰিছে যদিও

সুযোগ পোৱা নাই। দুই এবাৰ সুচৰিতাক মতা স্বত্বেও তাই এনেদৰে আওকাণ কৰি আঁতৰি গৈছিল যে সকলো সমজুৱাৰ আগত হাবানে সঁচা-কৈয়ে লাজ পাইছিল। এইবোৰ কাৰণতে তেওঁ আগৰেপৰা খঙত জ্বলি আছিল।

সুচৰিতাই ওপৰলৈ গৈ দেখে যে হৰিমোহিনীয়ে তেখেতৰ বয়-বস্তু যি আছিল সকলো বান্ধি-ছাটি এনেদৰে বহি আছে যেন এতিয়াই কৰবালৈ যাবহে। সুচৰিতাই সুধিলে,—"মাহী এইবোৰ কি আকৌ?"

হৰিমোহিনীৰ মুখত উত্তৰ নোলাল। তেখেতে কান্দি পেলালে। তাৰ পিচত কোনো মতে ক'লে,—"সতীশ ক'ত আছে? তাক এবাৰ মাতি দিয়াচোন আই।"

সুচৰিতাই বিনয়ৰ মুখলৈ চাওঁতেই বিনয়ে ক'লে,—"এইখন ঘৰত মাহী থাকিলে সকলোৰে অসুবিধা হয়। সেই কাৰণে মই মাহীক মোৰ আইৰ তালৈ লৈ যাবলৈ ওলাইছোঁ।"

হৰিমোহিনীয়ে ক'লে,—"তাৰপৰা মই তীৰ্থ কৰিবলৈ যামগৈ বুলি ভাবিছোঁ। মোৰ নিচিনা এজনীয়ে কাৰো ঘৰত এইদৰে থকাটো ভাল নহয়। চিৰকাল আনে মোক এইদৰে ৰাখিবই বা কিয়?"

সুচৰিতাই নিজেই এই কথাটো আজি কিছুদিনপৰা ভাবি আছিল। এইখন ঘৰত থকাটো যে মাহীয়েকৰ বাবে বৰ অপমানৰ কথা হৈছেহি, সেইটোও তাই অনুভৱ কৰিছিল। সেই কাৰণে তাই একো উত্তৰ দিব নোৱাৰিলে। তাই মনে মনে তেখেতৰ কাষত বহি থাকিল। এন্ধাৰ হৈছিল যদিও কোঠাটোত চাকি অলোৱা হোৱা নাছিল। কলিকতাৰ হেমন্তৰ ধুৱঁলি-কুৱঁলী আকাশত তৰাবোৰ সেমেকি আছিল। তাৰে কোনবোৰৰ নো চকুলো বৰলৈ ধৰিলে সেইটো কোনেও দেখা নেপালে।

এনেতে ছিৰীত সতীশৰ 'মাহীদেউ' বুলি চিঞৰ শুনা গ'ল। "কি হ'ল বোপাই, আহঁা মোৰ সোণ" বুলি হৰিমোহিনী লৰালৰিকৈ উঠি গ'ল।

সুচৰিতাই ক'লে,—"মাহীদেউ, আজি ৰাতি তুমি কলৈকো যাব নোৱাৰা। কাইলৈ পুৱাকৈ ভাবি-চিন্তি কিবা এটা কৰা যাব। দেউতাক ভালকৈ নোকোৱাকৈয়ে তুমিনো কেনেকৈ যাবা কোৱাচোন? এইটো বৰ অন্যায় হ'ব।"

বৰদাসুন্দৰীয়ে হৰিমোহিনীক অপমান কৰা দেখি উত্তেজিত হৈ বিনয়ে এইবোৰ কথা ভাবিবই পৰা নাছিল। সি ভাবিছিল যে আৰু এটা ৰাতিও মাহীয়ে এইখন ঘৰত কটোৱাটো উচিত নহব। আশ্ৰয়ৰ অভাৱত পৰি-

সেই হৰিমোহিনী এইখন ঘৰত থকা বুলি বৰদাসুন্দৰীৰ যি ধাৰণা আছিল, তাক গুচুৱাবৰ বাবেই হৰিমোহিনীক ইয়াৰপৰা লৈ যাবলৈ বিনয়ে এক মুহূৰ্ত্তও পলম কৰিব নুখুজিছিল। সুচৰিতাৰ কথা শুনিহে বিনয়ৰ মনত পৰিল যে এইখন ঘৰত মাথো বৰদাসুন্দৰীৰ লগতেই হৰিমোহিনীৰ এক-মাত্ৰ আৰু প্ৰধান সম্বন্ধ নহয়। যি জনে অপমান কৰিছে তেওঁকেই গুৰুত্ব দি, যি জনে উদাৰ ভাৱে আপোন মানুহৰ দৰে আশ্ৰয় দিছিল তেওঁলৈ পাহৰি যোৱাটো উচিত হোৱা নাই।

বিনয়ে তেতিয়া ক'লে,—"ওঁ, সেইটো ঠিক কথা। ভট্ট ডাঙৰীয়াক নজনোৱাকৈ কেতিয়াও যাব নোৱাৰি।"

সতীশে আহিয়েই ক'লে,—"মাহীদেউ, জানা? ৰুছবোৰে ভাৰত-বৰ্ষ আক্ৰমণ কৰিবলৈ আহিছে। বৰ বঢ়িয়া কথা হ'ল।"

বিনয়ে সুধিলে,—"তুমি পিচে কোন দলৰ?"

সতীশে উত্তৰ দিলে,—"মই ৰুছ দলৰ।"

বিনয়ে ক'লে—"তেনেহলে আৰু ৰুছবোৰৰ চিন্তা নাই।"

এইদৰে সতীশে মাহীয়েকৰ মেলখন পাগ লগাই তোলাত সুচৰিতাই লাহেকৈ তাৰপৰা উঠি তললৈ গ'ল গৈ।

সদায় শোৱাৰ আগতে পৰেশ ভট্টই তেখেতৰ যি কোনো এখন ভাল পুথি অলপ সময়ৰ বাবে পঢ়ে বুলি সুচৰিতাই জানিছিল। বহুদিন সুচৰিতাই এনেকুৱা সময়ত তেখেতৰ গুৰিলৈ আহি বহিছিলহি আৰু তাইৰ অনুৰোধত পৰেশ ভট্টই তাইকো পঢ়ি শুনাইছিল।

আজিও তেখেতৰ নীৰল কোঠাটোত পৰেশ ভট্টই চাকি জ্বলাই এমা-ৰ্চনৰ পুথি এখন পঢ়ি আছিল। এনেতে সুচৰিতা লাহে লাহে আহি চকী এখন টানি লৈ তেখেতৰ কাষতে বহিলহি। পৰেশ ভট্টই পুথি-খন থৈ এবাৰ তাইৰ মুখলৈ চালে। সুচৰিতাৰ সকলো সঙ্কল্প মুহূৰ্ত্ততে ভাঙি গ'ল। কোনো ঘৰুৱা কথাকে তাই আৰু উলিয়াব নোৱাৰিলে। মাথোঁন ক'লে,—"দেউতা, মোকো অলপ পঢ়ি শুনোৱা।"

ভট্ট ডাঙৰীয়াই পুথিখন পঢ়ি পঢ়ি তাইক বুজাই যাবলৈ ধৰিলে। নিশা দহ বাজি যোৱাৰ পিচত পঢ়া শেষ হ'ল। শোৱাৰ আগতে দেউ-তাকক একো আমনি নিদিওঁ বুলি তেতিয়াও কোনো কথাকে নুলিয়াই সুচৰিতা লাহে লাহে গুচি যাবলৈ ওলাল।

এনেতে পৰেশ ভট্টই তাইক মৰমেৰে মাতিলে,—"ৰাধা!"

তাই উভতি আহিলত পৰেশ ভট্টই সুধিলে,—"তুমি তোমাৰ মাহী-

য়েৰাৰ কথা মোক সুধিবলৈ আহিছিলা নে কি ?"

ভট্ট ডাঙৰীয়াই তাইৰ মনৰ কথা গম পোৱা দেখি তাই আচৰিত হৈ ক'লে,—"হয় দেউতা, পিচে আজি আৰু সেইবোৰ থাওক, কাইলৈ ৰাতি-পুৱাকৈ হম।"

পৰেশ ভট্টই ক'লে,—"বাৰু, তুমি বহাচোন।"

সুচৰিতা বহিলত তেখেতে ক'লে,—"তোমাৰ মাহীয়েৰাই ইয়াত কষ্ট পাইছে। এই কথাময়ো ভাবিছোঁ। তেখেতৰ ধৰ্ম্ম-বিশ্বাস আৰু আচৰণে লাৱণ্যৰ মাকৰ সংস্কাৰত ইমান বেচিকৈ আঘাত কৰিব বুলি মই আগতে বুজিব পৰা নাছিলোঁ। তেখেতে দুখ পোৱা বুলি জানিও তেখে-তক ইয়াত ৰখাটো বৰ অন্যায় হব।"

সুচৰিতাই ক'লে,—"মাহীয়ে ইয়াৰপৰা যাবলৈকে ওলাইছে।"

পৰেশ ভট্টই ক'লে,—"তেখেত যাবগৈ বুলি মই জানিছিলোঁ। তেখেতৰ আপোন মানুহ বুলিবলৈ তোমালোক দুয়োহে মাথোন আছা। আৰু তোমালোকেও তেখেতক এইদৰে আলৈ-আথানিকৈ বিদায় দিব নোৱাৰা বুলিও মই জানো। সেই কাৰণে এই কেইদিন মই ইয়াকেই ভাবি আছোঁ।"

মাহীয়েকৰ বিপদৰ কথা ভট্ট ডাঙৰীয়াই যে গম পাইছে আৰু এই বিষয়ে তেখেতে যে ভাবনাও কৰিছে—সুচৰিতাই এইবোৰ কথা অনুমানকে কৰা নাছিল। এই কথা গম পালে তেখেতে বেজাৰ পাব পাৰে বুলি ভয়তে তাই ইমান দিনে অতি সাৱধানে আছিল। আজি ভট্ট ডাঙৰীয়াৰ কথা শুনি তাই আচৰিত হৈ গ'ল। তাইৰ চকুযোৰ চলচলীয়া হৈ পৰিল।

পৰেশ ভট্টই ক'লে,—"তোমাৰ মাহীৰ কাৰণে মই এটা ঘৰ ঠিককৈ থৈছোঁ।"

সুচৰিতাই ক'লে,—"কিন্তু তেখেতে তো—"

পৰেশ ভট্ট,—"কেৰেয়া দিব নোৱাৰিব। কিন্তু কেৰেয়া তেখেতে কিয় দিব ? কেৰেয়া তুমি দিবা।"

সুচৰিতাই অবাক হৈ ভট্ট ডাঙৰীয়াৰ মুখলৈ চাই থাকিল। পৰেশ ভট্টই হাঁহি হাঁহি ক'লে—"তোমাৰ নিজৰ ঘৰতেই থাকিবলৈ দিবা। কেৰেয়া দিব আৰু নেলাগে।"

সুচৰিতা আৰু আচৰিত হ'ল। পৰেশ ভট্টই ক'লে,—"কলিকতাত তোমালোকৰ যে দুটা ঘৰ আছে নাজানা নে কি ? এটা তোমাৰ, এটা সতীশৰ। মৃত্যুৰ সময়ত তোমাৰ দেউতাৰাই মোৰ হাতত কিছু টকা থৈ

গৈছিল। মই সেই টকাকে খটুৱাই কিছু উপাৰ্জ্জন কৰি তাৰে কলিকতাত দুটা ঘৰ কিনিলোঁ। ইমান দিনে তাৰ ভেৰেয়া পাইছিলোঁ আৰু সাঁচি গৈছিলোঁ। তোমাৰ ঘৰটোত থকা ভাৰাটীয়াই আজি কিছুদিন আগতে ঘৰটো এৰি দিছে। তাতেই তোমাৰ মাহীয়েৰাৰ থকা একো অসুবিধা নহব।"

সুচৰিতাই সুধিলে,—"তাত তেখেত অকলে থাকিব পাৰিব জানো?"

পৰেশ ভট্টই ক'লে,—"তোমালোক তেখেতৰ আপোন মানুহবোৰ থাকোঁতেও তেখেত অকলে থাকিব লাগিব কিয়?"

সুচৰিতাই ক'লে,—"আজি এই কথাকেই তোমাক ক'বলৈ আহিছিলোঁ। মাহী যাবলৈ ওলাইছেই। অকলেনো তেখেতক কেনেকৈ যাবলৈ দিওঁ, তাকেই ভাবিছিলোঁ। সেই কাৰণেই তোমাৰ উপদেশ লবলৈ আহিছিলোঁ। তুমি যিহকে কৰিবলৈ কোৱা তাকেই কৰিম।"

পৰেশ ভট্টই ক'লে,—আমাৰ ঘৰৰ গাদিয়েই এই যে আলিটো সোমাই গৈছে—এই আলিটোতে দুই, তিনিটামান ঘৰ এৰিয়েই তোমাৰ ঘৰ। সৌ বাৰাণ্ডাখনত থিয় হলেই ঘৰটো দেখি। তাত তোমালোক থাকিলেও একেবাৰে অসহায় হৈ থাকিব নেলাগে। মই তোমালোকক চোৱা-চিতা কৰি থাকিব পাৰিম।"

সুচৰিতাৰ বুকুৰপৰা এটা ডাঙৰ বোজা নামি গ'ল। 'দেউতাক এৰি থৈ নো কেনেকৈ যাম।' এই চিন্তাৰপৰা তাই কোনোমতেই হাত সাৰিব পৰা নাছিল। কিন্তু যাবই যে লাগিব, এইটোও তাই ভালকৈয়ে জানিছিল।

সুচৰিতা আৱেগপূৰ্ণ অন্তৰে নীৰৱে ত ডাঙৰীয়াৰ কাষত বহি থাকিল। পৰেশ ভট্টয়ো স্তব্ধ হৈ নিজকে গভীৰভাৱে নিজৰ অন্তঃকৰণৰ ভিতৰত সুমুৱাই বহি থাকিল। সুচৰিতা তেখেতৰ শিষ্যা, তেখেতৰ কন্যা, তেখেতৰ সুহৃদ। তাই তেখেতৰ জীৱনৰ লগত, আন কি তেখেতৰ ঈশ্বৰ উপাসনাৰ লগতো লীন হৈ গৈছিল। যিদিনাই তাই নীৰৱে আহি তেখেতৰ উপাসনাত যোগ দিছিলহি সেইদিনাই তেখেতৰ উপাসনায়ো যেন পূৰ্ণতা লাভ কৰিছিল। সুচৰিতাৰ জীৱনক নিজে মঙ্গলপূৰ্ণ চেনেহৰে গঢ় দিওঁতে দিওঁতে তেখেতে নিজৰ জীৱনলৈকো এটি বিশেষ পৰিণতি আনিছিল। সুচৰিতা যিমান ভক্তি আৰু নম্ৰভাৱে তেখেতৰ কাষত আহি থিয় হৈছিলহি, এইদৰে তেখেতৰ কাষলৈ আগেয়ে

আৰু আন কোনো অহা নাই। ফুলে যেনেকৈ আকাশলৈ চাই থাকে তায়ো ঠিক সেইদৰেই তাইৰ নিজৰ প্ৰকৃতিক একেবাৰে খুলি আৰু বাহিৰ কৰি দিছিল। ইমান আগ্ৰহেৰে কোনোবা কাষলৈ আহিলে মানুহৰ দান কৰিব পৰা শক্তিও আপোনা-আপুনি বাঢ়ি যায়—অন্তঃকৰণ জলীয় বাষ্পেৰে ভৰা মেঘৰ দৰে পৰিপূৰ্ণভাৱে নত হৈ পৰে। মানুহৰ নিজৰ যিকণ সত্য, যি কণ শ্ৰেষ্ঠ সেইখিনিকে কোনোবা সপক্ষ চিত্তক দান কৰিব পৰা ছেগৰ দৰে আৰু শুভ যোগ মানুহৰ নো কি হব পাৰে? সুচৰিতাই পৰেশ ভট্টক সেই দুৰ্লভ ছেগকে দিছিল আৰু সেই কাৰণেই সুচৰিতাৰ লগত তেখেতৰ সম্বন্ধ দ' আছি[illegible] আজি সেই সুচৰিতাৰ লগত তেখেতৰ বাহ্যিক সম্পৰ্ক ছিঙাৰ [illegible] আহিছে—ফলক নিজৰ জীৱনৰ ৰসেৰে তুলতুলীয়া কৰি নিজৰপৰা মুকলি কৰি দিব লাগিব। এইবাৰে তেখেতৰ মনত যি বেজাৰ লাগিছিল সেই গভীৰ বেদনাখিনি তেখেতে অন্তৰ্যামীৰ চৰণত উছৰ্গা কৰি দিছিল। সুচৰিতাৰ বাটৰ সম্বল গোট খাইছে। এতিয়া নিজ বাহু বলেৰে বহল বাটত সুখে-দুখে আঘাতে-প্ৰতিঘাতে নতুন অভিজ্ঞতা লাভ কৰিবলৈ তাইলৈ যি আহ্বান আহিছে তাৰ আয়োজন আজি কিছুদিন আগৰেপৰা পৰেশ ভট্টই লক্ষ্য কৰিছিল। তেখেতে মনে মনে কৈছিল,—'বাছা,' যাত্ৰা কৰাঁ। তোমাৰ চিৰ জীৱন যে মাথোন মোৰ বুদ্ধি আৰু মোৰ আশ্ৰয়ৰদ্বাৰাই আৱৰি ৰাখিম, সেইটো কেতিয়াও হব নোৱাৰে। ঈশ্বৰে মোৰ ওচৰৰপৰা তোমাক মুকলি কৰি বিচিত্ৰৰ মাজেদি তোমাক চৰম পৰিণামলৈ টানি লৈ যাওক। তেওঁৰ মাজতেই তোমাৰ জীৱন সাৰ্থক হওক।" এই বুলি কেঁচুৱাৰেপৰা চেনেহৰে তুলি-তালি ডাঙৰ কৰা সুচৰিতাক তেখেতে মনতে নিজৰ ওচৰৰপৰা ঈশ্বৰৰ চৰণত পবিত্ৰ উৎসৰ্গ উপচাৰৰ দৰে উছৰ্গা কৰি দিলে। বৰদাসুন্দৰীৰ ওপৰত পৰেশ ভট্টৰ খং উঠা নাছিল। তেখেতে কোনো ধৰুৱা কাৰণতেই মনলৈ অশান্তি নানিছিল। ঠেক উপকূলৰ মাজত হঠাতে নতুন বৰষুণৰ পানী পৰিলে বৰ খেলি-মেলি লাগে বুলি তেখেতে জানিছিল। তাৰ একমাত্ৰ প্ৰতিকাৰৰ উপায় হৈছিল সেই পানীবোৰক লোৰ কাটি মুকলি ঠাইলৈ ওলাই যাবলৈ সুবিধা কৰি দিয়া। সুচৰিতাক কেন্দ্ৰ কৰি আজি কিছুদিনৰপৰা এই সৰু পৰিয়ালটোত যিবোৰ অভাৱনীয় ঘটনা ঘটিছে, সেইবোৰে এই সংসাৰখনৰ ধৰা-বন্ধা সংস্কাৰত আঘাত কৰিছে বুলি তেখেতে গম পাইছিল। সেই কাৰণেই সুচৰিতাক এইখন ঘৰত ধৰি ৰাখিবলৈ চেষ্টা নকৰি তাইক মুক্তি দিলেহে স্বভাৱৰ লগত

সামঞ্জস্য ঘটি সকলো শান্ত হৈ পৰিব। এইবোৰ দেখি শুনিয়েই তেখেতে সেই শান্তি আৰু সামঞ্জস্য সহজে ঘটাবলৈ নীৰৱে আয়োজন কৰিছিল।

দুয়ো এইদৰে মনে মনে বহি থাকোঁতে নিশা এধাৰ বাজিল গৈ। তেতিয়া পৰেশ ভট্টই উঠি সুচৰিতাৰ হাতত ধৰি তাইক বাহিৰৰ বাৰাণ্ডাৰ ছাতলৈ লৈ গ'ল। তেতিয়া সন্ধিয়াৰ আকাশৰ কুঁৱলি আঁতৰি গৈ নির্ম্মল এন্ধাৰৰ মাজত তৰাবোৰ জিলমিলাই আছিল। সুচৰিতাক কাষত লৈ পৰেশ ভট্টই সেই নিজান নিশা ভগৱানৰ ওচৰত প্রার্থনা জনালে—'সংসাৰৰ সকলো অসত্য আঁতৰি গৈ পৰিপূর্ণ সত্য আমাৰ জীৱনত নির্ম্মল মূর্ত্তিৰে উদ্‌ভাসিত হৈ উঠক

৪২

পিচদিনা পুৱাতে হৰিমোহিনী আহি ভট্ট ডাঙৰীয়াৰ ভৰিত দীঘল দি পৰি সেৱা কৰিলেহি। পৰেশ ভট্টই লৰালৰিকৈ আঁতৰি গৈ ক'লে, "ইচ্‌ বাম, কি কৰিছে?"

হৰিমোহিনীয়ে চলচলীয়া চকুৰে ক'লে,—"আপোনাৰ ঋণ মই কোনো জীৱনতে শুজিব নোৱাৰিম। মোৰ দৰে অগতিৰ আপুনি গতি লগাই দিছে। এয়া আপো াৰ বাহিৰে আৰু কোনেও কৰিব নোৱাৰিলেহেঁতেন। ইচ্ছা থাকিলেও কোনেও মোৰ ভাল কৰিব নোৱাৰে বুলি মই বুজিছোঁ। ভগ-ৱানে আপোন ক অপাৰ অনুগ্ৰহ কৰিছে বুলিয়েই আপুনি মোৰ দৰে এজনীকো অনুগ্ৰহ কৰিব পাৰিছে।"

পৰেশ ভট্ট বৰ থতমত্ খালে। তেখেতে ক'লে,—"মই বিশেষ একো কৰা নাই। এইবোৰ ৰাধাৰাণীৰ······"

হৰিমোহিনীয়ে বাধা দি ক'লে,—"সেইবোৰ জানো, কিন্তু ৰাধা-ৰাণীয়েই দেখোন আপোনাৰ। তাই যি কৰে সেইবোৰ তো আপুনিয়েই কৰাৰ নিচিনা। তাইৰ যেতিয়া মাক ঢুকাল, ইফালে বাপেকো নাই, ভাবি-ছিলোঁ ছোৱালীজনী বৰ দুর্ভগীয়া। কিন্তু তাইৰ ফুটা কপাল ভগৱানে এইদৰে ধন্য কৰি তুলিব বুলিনো কেনেকৈ জানিম কওকচোন? অত দিন ঘূৰি-পকি আজি শেষত আপোনাক লগ পাইছোঁ যেতিয়া ভাগৱানে মোকো দয়া কৰিছে বুলি মই ভালকৈয়ে গম পাইছোঁ।"

এনেতে,—"মাহী, তোমাক নিবলৈ আই আহিছে" বুলি বিনয়ো আহি ওলালহি। সুচৰিতাই সবালবিকৈ থিয় হৈ ক'লে,—"তেখেত ক'ত আছে ?"

বিনয়ে ক'লে,—"তলত আপোনাৰ মাকৰ কাষত বহিছে।"

সুচৰিতা ধৰখেদাকৈ তললৈ নামি গ'ল গৈ।

পৰেশ ভট্টই হৰিমোহিনীক ক'লে,—"মই আপোনাৰ ঘৰত সকলোবোৰ বয়-বস্তু ঠিক-ঠাক কৰি থৈ আহোঁ গৈ।

পৰেশ ভট্ট গুচি গ'লত বিনয়ে আচৰিত হৈ হৰিমোহিনীক ক'লে,—"মাহী, তোমাৰ ঘৰৰ কথা দেখোন গমেই পোৱা নাছিলোঁ।"

হৰিমোহিনীয়ে উত্তৰ দিলে,—মৰ্য়ো যে গম পোৱা নাছিলোঁ বোপাই। অকল ভট্ট ডাঙৰীয়াই জানিছিল। আমাৰ ৰাধাৰাণীৰ ঘৰ !"

বিনয়ে সকলো কথা শুনি ক'লে,—"ভাবিছিলোঁ পৃথিৱীত এবাৰৰ কাৰণে হলেও বিনয় কাৰোবাৰ কামত আহিব। কিন্তু এতিয়া সিও নহ'ল। আজিলৈকে আইৰ তো কোনো কামেই কৰি দিব পৰা নাই, তেখেতেহে মোৰ সকলো কাম কৰি দিয়ে। মাহীৰো আৰু একো কাম কৰি দিব নোৱাৰিম। তেখেতৰপৰাও আদায়হে কৰিম। মোৰ কপালত আৰু আনৰপৰা লোৱাহে লিখা আছে, আনক দিয়াৰ কথা লিখা নাই।"

কিছু পৰৰ পিচত ললিতা আৰু সুচৰিতাৰ লগত আনন্দময়ী আহি ওলালহি। হৰিমোহিনীয়ে আগবাঢ়ি গৈ ক'লে,—"ভগৱানে এবাৰ দয়া কৰিবলৈ ধৰিলে আৰু কৃপণতা নকৰে। বাইদেউ, আজি তোমাকো পালোঁ।"

এই বুলি তেখেতক হাতত ধৰি আনি পাটী পাৰি বহুৱালেহি।

হৰিমোহিনীয়ে ক'লে,—"বাইদেউ, বিনয়ৰ মুখত তোমাৰ বাহিৰে আৰু আনৰ কথা নোলায়েই।"

আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে,—"সৰুৰেপৰাই তাৰ এই ৰোগটো আছে। যিটো এবাৰ ধৰিব তাক আৰু সোনকালে নেৰে। মাহীৰ কথাও সোনকালেই আৰম্ভ হ'ব ৰব।"

বিনয়ে ক'লে,—"সেইটো হব বুলি মই এতিয়াই কৈ থলোঁ হলে। এনেয়ে মোৰ বুঢ়া বয়সত পোৱা মাহী, তাতে আকৌ মই নিজে বিচাৰি উলিওৱা—ইমান দিনৰ অভাৱ যেনে তেনে পূৰাই দিমেই।"

আনন্দময়ীয়ে ললিতাৰ ফালে চাই হাঁহি হাঁহি ক'লে,—"আমাৰ বিনয়ে

সি অভাৱ বোধ কৰা বস্তবোৰ বিচাৰি লবও জানে, আৰু বিচাৰি লৈ হিয়া উবুৰিয়াই মৰম কৰিবও জানে। তোমালোকক যে সি কি চকুৰে চায়, তাক মইহে জানো। সপোনতো ভাবিব নোৱাৰা কিবা এটাহে যেন পাইছে। তোমালোকৰ লগত ইহঁতৰ চিনাকি হোৱাত মই কিমান যে আনন্দ পাইছোঁ তাক আৰু কি কম আই! তোমালোকৰ এইখন ঘৰত বিনয়ৰ এইদৰে মন বহাত তাৰ নিজৰে বৰ উপকাৰ হৈছে। এই কথা সি ভালকৈয়ে বুজি পাইছে আৰু স্বীকাৰ কৰিবলৈকো পাচ নোহোঁহকে।"

ললিতাই কিবা এটা উত্তৰ দিবলৈ চেষ্টা কৰিও শেষত নোৱাৰিলেগে। তাইৰ মুখখন ৰঙা পৰি উঠিল। সুচৰিতাই ললিতাৰ বিপদ দেখি ক'লে, "সকলো মানুহৰ ভিতৰৰ ভাল গুণ বিনিতহে চেটার্জী দেউৰ চকুত পৰে। সেই কাৰণেই মানুহৰ ভাল বিনিহে তেখেতে লয়। এইটোও এটা তেখেতৰ গুণ।"

বিনয়ে ক'লে,—"আই, তুমি তোমাৰ বিনয়ক যিমান ডাঙৰ এটা আলোচনাৰ বস্তু বুলি ভাবিছা, বাহিৰৰ সংসাৰত কিন্তু তাৰ তেনে একো নাম নাই। এই কথাটো তোমাক কেতিয়াবাতে কম বুলি ভাবিছিলোঁ, কিন্তু অহঙ্কাৰতে কোৱা নাছিলোঁ। পিচে এতিয়া দেখিছোঁ নকলে আৰু নোৱাৰি। আই, আৰু নহয়, বিনয়ৰ কথা আজি ইয়াতেই শেষ হওক।"

এনেতে সতীশে তাৰ নতুনকৈ ওপজা কুকুৰ পোৱালিটোক বুকুত সাবটি লৈ জপিয়াই জপিয়াই আহি ওলালহি। হৰিমোহিনীয়ে উচ্পিচাই উঠি ক'লে,—"অ সতীশ, সোণটো মোৰ, দেউতা বুলিছোঁ, এই কুকুৰটো ইয়াৰপৰা লৈ যা বোপাই।"

সতীশে ক'লে,—"এইটোৱে একো নকৰে মাহী। ই তোমাৰ কোঠালৈ নেযায়। তুমি ইয়াক এবাৰ মৰম কৰাচোন। ই একোকে নকৰে।"

হৰিমোহিনীয়ে আঁতৰি গৈ ক'লে,—"ওহোঁ বোপাই, নুছুবি নুছুবি। এইটোক লৈ যাগৈ।"

তেতিয়া আনন্দময়ীয়ে কুকুৰটোৰ সৈতে সতীশক নিজৰ কাষলৈ টানি আনিলে।

কুকুৰটোক কোলাত তুলি লৈ সতীশক সুধিলে,—"তুমিয়েই সতীশ? আমাৰ বিনয়ৰ বন্ধু নহয় জানো?"

নিজক বিনয়ৰ বন্ধু হিচাপে চিনাকি দিয়াটো কিবা বেয়া কথা বুলি সতীশে ভবা নাছিল। সেই কাৰণে সি সহজ ভাৱেই ক'লে,—"ওঁ হয়।"

কথাষাৰ কৈ উঠি গৈ আনন্দময়ীৰ মুখলৈ চালে।

আনন্দময়ীয়ে ক'লে,—"মই বিনয়ৰ মাক।"

কুকুৰ পোৱালিটোৱে আনন্দময়ীৰ হাতৰ খাৰুবোৰ চেলেকি চেলেকি পৰম সুখ লভিবলৈ ধৰিলে। সুচৰিতাই ক'লে,—"বক্তিয়াৰ, আইক সেৱা কৰা।"

সতীশে লাজ লাজ কৈ কোনোমতে সেৱা এটা কৰিলে।

এনেতে বৰদাসুন্দৰী ওপৰলৈ উঠি আহি হৰিমোহিনীলৈ কেৰাহি-কৈয়ো নেচাই আনন্দময়ীক সুধিলে,—"আপুনি জানো আমাৰ ইয়াত কিবা খাব?"

আনন্দময়ীয়ে ক'লে,—"খোৱা-বোৱাৰ বিষয়ে মোৰ একো বাছ-বিচাৰ নাই। কিন্তু আজি থাওক, গোৰা উভতি আহিলে তাৰ পিচত এদিন আহি খাই যামহি।"

আনন্দময়ীয়ে গোৰা নথকাত গোৰাই বেয়া পোৱা কোনো কাৰকে কৰিব নোৱাৰিলে।

বৰদাসুন্দৰীয়ে বিনয়লৈ চাই ক'লে,—এইয়া চেটাৰ্জ্জী বোপা, আপুনি দেখোন ইয়াতে আছে। মই আকৌ আপুনি অহা নাই বুলিহে ভাবি-ছিলোঁ।"

বিনয়ে টপৰাই ক'লে,—"মই যে আহিছোঁ সেই কথা আপোনাক নজনোৱাকৈয়ে যাব বুলি ভাবিছে নে কি?"

বৰদাসুন্দৰীয়ে ক'লে,—"কালি তো নিমন্ত্ৰণ নেখালেই, ফাঁকি দিলে। আজি এতিয়া নিমন্ত্ৰণ নহয়, এনেয়ে খাই যাব দেই।"

বিনয়ে উত্তৰ দিলে, "এইটোৰ ওপৰতহে মোৰ লোভ বেচি। দৰ্ম্মহাতকৈয়ো উপৰি পোৱা ধন খিনিলৈহে হেঁপাহ বেচি।"

হৰিমোহিনী পেটে পেটে আচৰিত হ'ল। বিনয়েও এইখন ঘৰত খোৱা-বোৱা কৰে, আনন্দময়ীয়েও একো বাছ-বিচাৰ নকৰে—এইবোৰ দেখি-শুনি তেখেতৰ বৰ ভাল নেলাগিল।

বৰদাসুন্দৰী গুচি যোৱাৰ পিচত হৰিমোহিনীয়ে অলপ সঙ্কোচৰে সৈতে সুধিলে,—"বাইদেউ, গোৰাৰ দেউতাকে জানো..."

আনন্দময়ীয়ে ক'লে,—"মোৰ স্বামী অতিপাত হিন্দু।"

হৰিমোহিনী অবাক হৈ গ'ল। আনন্দময়ীয়ে তেখেতৰ মনৰ ভাব বুজিব পাৰি ক'লে,—"বুজিছা, যিমান দিনলৈকে সমাজখনকে সকলো-তকৈ ডাঙৰ বুলি ভাবিছিলোঁ, সিমানদিন সমাজক মানি চলিছিলোঁ। কিন্তু

হঠাতে এদিন ভগৱানে মোৰ ঘৰত এনেদৰে দেখা দিলে যে মই আৰু সমাজ মানি চলিব নোৱাৰা হলোঁ। তেওঁ নিজে মোৰ জাত কাঢ়ি নিলে। এতিয়া আৰু মই কালৈ ভয় কৰিম ?”

হৰিমোহিনীয়ে এনেকুৱা কৈফিয়তৰ একো অৰ্থ বুজিব নোৱাৰি সুধিলে,—“গোৰাৰ দেউতাকে একো নকয় নে ?”

আনন্দময়ীয়ে উত্তৰ দিলে,—“মোৰ স্বামীয়ে খং কৰে।”

হৰিমোহিনী—আৰু ল'ৰাইঁতে ?

আনন্দময়ী—ল'ৰাইঁতেও ভাল নেপায়। কিন্তু সিহঁতৰ মন যোগায়েই জানো সদায় ৰক্ষা পৰিব পাৰিম ? বুজিছা ভনীটি, মোৰ এই কথা কাকো বুজাব নোৱাৰি। যি সৰ্ব্বজ্ঞনে সকলো বুজে তেওঁহে বুজিব।

এই বুলি আনন্দময়ীয়ে সেই জনৰ উদ্দেশ্যে হাত জোৰ কৰি সেৱা এটা জনালে।

কোনোবা মিছনাৰিৰ জীয়েক আহি আনন্দময়ীক এইবোৰ খৃষ্টানি কথা শিকাই থৈ গৈছে বুলি হৰিমোহিনীয়ে থিৰ কৰিলে। তেখেতৰ মনটো কেনেবা কেনেবা লাগিল।

৪৩

পৰেশ ভট্টৰ ঘৰৰ কাষতে সদায় তেখেতৰ তত্ত্বাৱধানত থাকিব পাৰিব বুলি ভাবি সুচৰিতাৰ প্ৰথমতে বৰ ভাল লাগিছিল। কিন্তু যেতিয়া তাইৰ নতুন ঘৰখন সজোৱা-পৰোৱা প্ৰায় শেষ হ'ল, আৰু তালৈ যোৱাৰ সময়ো ওচৰ চাপি আহিল, সুচৰিতাৰ বুকুখনে হেঁচা মাৰি ধৰিলে। ওচৰত থকা নথকা লৈ কথা নহয়, কিন্তু জীৱনৰ লগত জীৱনৰ যি সৰ্ব্বাঙ্গীন যোগ আছিল, আজি অত দিনৰ পিচত সেই যোগ ছিঙি পেলোৱাৰ সময় আহিছে। সুচৰিতাৰ আজি এনে লাগিল যেন তাইৰ শৰীৰৰ অংশ এটাহে মৰি গ'ল। এই পৰিয়ালত তাইৰ যিকণ ঠাই আছিল, তাইৰ যিবোৰ কাম আছিল, লগুৱা-চিকচৌবোৰৰ লগত তাইৰ যি সম্বন্ধ আছিল, এই সকলোবোৰ কথাই একেলগে জুমুৰি দি ধৰাত তাইৰ অন্তৰখন শোকত উচুপি উঠিল।

সুচৰিতাৰ যে নিজৰো অলপ সম্পত্তি আছে, আৰু সেই বলতে আজি যে তাই স্বাধীন ভাৱে থাকিবলৈ ওলাইছে,—এই কথা শুনি বৰদাসুন্দৰীয়ে

বাৰে বাৰে ক'বলৈ ধৰিলে—'হয় এইটোৱেই ভাল হৈছে।' আজি ইমানদিনে ইমান সাৱধানে যি দায়িত্ব লৈ আছিছে, তাৰপৰা মুক্তি পাই তেখেত নিশ্চিন্ত হ'ল। কিন্তু পেটে পেটে তেখেতৰ যেন সুচৰিতাৰ ওপৰত অলপ অভিমান হে উপজিল। সুচৰিতাই তেখেতসকলৰপৰা আঁতৰি গৈ নিজে নিজৰ ভৰিৰ ওপৰত থিয় দিব পৰা হোৱাটোৱেই যেন তাইৰ এটা ডাঙৰ অপৰাধ। তেখেতসকলৰ বাহিৰে সুচৰিতাৰ আন ক'তো গতি নাই আৰু বহুতো সময়ত তাই তেখেতসকলৰ পৰিয়ালৰ এটা আপদ—এনেবোৰ কথা ভাবি ভাবি বৰদাসুন্দৰীয়ে বহু সময়ত নিজেই নিজক করুণা কৰিছিল। কিন্তু ক'ত? এই আপদজনী এতিয়া গুচি যাবলৈ ওলোৱা দেখিওচোন তেখেতৰ মনটো মুকলি মুকলি লগা নাই। তেখেতসকলৰ আশ্ৰয় এতিয়া আৰু সুচৰিতাৰ দৰ্কাৰ নাই বুলি জানি কিজানিবা তাই পেটে পেটে গৰ্ব্বকে কৰে, কিজানিবা আগলৈ তেখেতসকলৰ কথা-বতৰা মানি নচলে, ইত্যাদি-বোৰ কথা ভাবি বৰদাসুন্দৰীয়ে আগৰেপৰা সুচৰিতাক দুষিবলৈ ধৰিলে। এই কেইদিন দেখা-দেখিকৈয়ে তাইৰপৰা আঁতৰি আঁতৰি ফুৰিবলৈ ধৰিলে। আগতে যৰৰ ইখন সিখন কাম কৰিবলৈ তাইক যিদৰে মাতিছিল এতিয়া তো সেইবোৰ এৰিলেই, বৰঞ্চ এতিয়া তাই নিজে আগবাঢ়ি আহিলেও তাইক কিবা এক ধৰণৰ অস্বাভাৱিক সম্ভ্ৰম হে দেখুৱাবলৈ ধৰিলে। গুচি যোৱাৰ আগতে মনৰ বেজাৰত সুচৰিতাই আৰু বেচিকৈহে বৰদাসুন্দৰীৰ ঘৰুৱা কাম-কাজ কৰি দিব খুজিছিল, নানা চল উলিয়াই বাৰে বাৰে তেখেতৰ কাষলৈ গৈছিল। কিন্তু বৰদাসুন্দৰীয়ে এনেকুৱাধৰন কৰি তাইক আঁতৰাই ৰাখিছিল যেন এইবোৰ কৰিলে তাইৰ কিবা মান হে যাব। ইমানদিনে যি গৰাকীক আই বুলি মাতি আহিছে, খুটি খাব নজনাৰেপৰা যাৰ গুৰিত থাকি আজি ইমানজনী হ'লহি, আজি বিদায় বেলিকা তেখেতেই এনেকুৱা কৰা দেখিহে সুচৰিতাই সকলোতকৈ বেচি আঘাত পালে।

লাৱণ্য ললিতা লীলাই সুচৰিতাৰ লগেই নেৰা হৈছিল। সিহঁতে বৰ উৎসাহেৰে সৈতে তাইৰ নতুন ঘৰ-দুৱাৰ সজোৱাত লাগিলগৈ, কিন্তু সেই উৎসাহো অপ্ৰকাশৰ বেদনাৰ চকুলোৰে সিক্ত হৈ উঠিল।

আজি ইমানদিনে সদায় নানা চেলু লৈ সুচৰিতাই পৰেশ ডাঙৰ ইটো-সিটো সৰু-সুৰা কামবোৰ কৰি দিছিল। হয়তো ফুলদানিতে ফুল সজাই থয়, নহলে মেজৰ ওপৰৰ পুথি-পাঁজিবোৰকে সজাই থয়। নাইবা নিজ-হাতে বিছনা-পত্ৰবোৰকে ৰ'দাই দিয়ে, গা ধুবৰ সময় হলে সদায় তেখেতক মনত পেলাই দিয়ে ইত্যাদি। এইবোৰ সদায় কৰি অহা ঘৰুৱা কামত

কোনো পক্ষই কোনো গুৰুত্ব দিয়া নাছিল। কিন্তু আজি এইবোৰ অনাৱশ্যক কামবোৰ কৰা বন্ধ কৰি শুচি যোৱাৰ সময় অহাত এইবোৰ চকুত নপৰা সৰু-সুৰা আল-পৈচান, যিবোৰ এজনে নকৰিলেও অনায়াসে আইন এজনে কৰিব পাৰে, নাইবা যিবোৰ নকৰিলেও কাৰো বিশেষ একো হানি নহয়, এইবোৰৰ কথা ভাবিয়েই দুয়োৰে অন্তৰত শোকে খুন্দা মাৰি ধৰিলে। সুচৰিতাই আজি-কালি ভট্ট ডাঙৰীয়াৰ কোঠালৈ কিবা সাধাৰণ কাম এটা কৰিবলৈ আহিলেও সেইটোৱেই ভট্ট ডাঙৰীয়াৰ চকুত বৰ ডাঙৰ হৈ দেখা দিয়ে, তেখেতৰ বুকু ভাঙি যাওঁ যাওঁ যেন লাগে। এইবোৰ কাম আৰু দুদিনমান পিচত আইন কোনোবাই কৰিব বুলি ভাবি সুচৰিতাৰো চকু চলচলীয়া হৈ পৰে।

যিদিনা দুপৰীয়া ভাত পানী খাই উঠি সুচৰিতাহঁত নতুন ঘৰলৈ যোৱাৰ কথা আছিল, সেইদিনা পুৱা পৰেশ ভট্টই নিজৰ অকলশৰীয়া নিজান কোঠাটোলৈ উপাসনা কৰিবলৈ আহি দেখা পালে যে তেখেতৰ আসনৰ সন্মুখ খণ্ড ফুলেৰে সজাই থৈ কোঠাটোৰ এচুকত সুচৰিতা অকলে বহি ৰৈ আছে। আজি লাৱণ্য লীলাৰো উপাসনা থললৈ অহাৰ কথা আছিল। কিন্তু ললিতাই সিহঁতক হাক দি আহিবলৈ নিদিলে। ভট্ট ডাঙৰীয়াৰ নিৰ্জ্জন উপাসনাত যোগ দি সুচৰিতাই বিশেষভাৱে তেখেতৰ আনন্দৰ ভাগ আৰু আশীৰ্ব্বাদ লাভ কৰিছিল বুলি ললিতাই জানিছিল। আজি ৰাতিপুৱা সেই আশীৰ্ব্বাদ সঞ্চয় কৰি লোৱাটো যে সুচৰিতাৰ বিশেষ প্ৰয়োজনীয়—এই কথা বুজিয়েই ললিতাই আজিৰ উপাসনাৰ নিৰ্জ্জনতা ভঙ্গ কৰিবলৈ নিদিলে।

উপাসনা শেষ হৈ গ'ল। সুচৰিতাৰ চকুলো ধাৰাসাৰে বৰলৈ ধৰিলে। পৰেশ ভট্টই ক'লে,—"আই, পিচলৈ উভতি নেচাবা। সমুখৰ বাটেদি আগুৱাই যোৱাঁ। মনত সঙ্কোচ নেৰাখিবাঁ। যিয়েই ঘটক, যিয়েই তোমাৰ সমুখত আহি উপস্থিত হওকহি, নিজৰ শক্তিৰে তাৰপৰা ভালখিনি গ্ৰহণ কৰিবা বুলি পণ কৰি আনন্দেৰে আগুৱাই যোৱাঁ। ঈশ্বৰৰ ওচৰত সম্পূৰ্ণৰূপে আত্ম সমৰ্পণ কৰি তেওঁকেই নিজৰ একমাত্ৰ সহায় কৰি লোৱাঁ। তেতিয়া হ'লে সকলো ভুল-ত্ৰুটি-ক্ষতিৰ মাজতো লাভৰ বাটেদিয়েই যাব পাৰিবা। আৰু তাকে নকৰি নিজক যদি আধা-আধিকৈ ভগাই পেলোৱা, এভাগ ঈশ্বৰক আৰু এভাগ আনক দিয়া—তেনেহলে সকলো কথাই জটিল হৈ পৰিব। ভগৱানে কৰক, আমাৰ এই ক্ষুদ্ৰ আশ্ৰয় তোমাৰ যেন আৰু প্ৰয়োজন নহয়।"

উপাসনাৰ অন্তত দুয়ো ওলাই আহি হাৰানক পৰ্চিকত বহি থকা দেখা পালেহি। সুচৰিতাই আজি কাৰো প্ৰতি একো বেয়া ভাব মনত নেৰাখে বুলি ভাবি হাৰানক নম্ৰভাৱে নমস্কাৰ কৰিলে। হাৰানেও তৎক্ষণাতে অলপ কঠোৰ হৈ গহীন মাতেৰে ক'লে,—"সুচৰিতা, আজি অতদিনে তুমি যি সত্যক আশ্ৰয় কৰি আছিলা, আজি অৱপৰা হইঁকি বাবলৈ ওলাইছা। আজি আমাৰ শোকৰ দিন।

সুচৰিতাই একো উত্তৰ নিদিলে। কিন্তু যি সুৰত তাইৰ মনৰ মাজত শান্তিৰ লগত কৰুণা মিহলি এক সঙ্গীত বাজি উঠিছিল তাৰ যেন হঠাতে তালভঙ্গ হ'ল।

ভট্ট ডাঙৰীয়াই ক'লে,—"অন্তৰ্য্যামীয়ে হে জানে কোন আগুৱাইছে কোন পিচুৱাইছে। আমি ওপৰে ওপৰে চাই মিছাকৈয়ে চিন্তা কৰোঁ।"

হাৰানে সুধিলে,—"তেনেহলে আপোনাৰ মনতো একো আশঙ্কা নাই বুলি আপুনি ক'ব খোজে নে কি? আৰু আপুনি অনুতাপ কৰিবলগীয়াও কোনো ঘটনা ঘটা নাই নে?"

পৰেশ ভট্টই উত্তৰ দিলে,—"মাষ্টৰ, কাল্পনিক আশঙ্কাৰ বাবে মোৰ মনত কোনো ঠাই নাই। আৰু মনত অনুতাপ উপজিলেহে অনুতাপ কৰিবলগীয়া কাৰণ ঘটিছেনে নাই কব পাৰিম।"

হাৰানে ক'লে,—"আপোনাৰ ছোৱালী ললিতা যে অকলে অকলে বিনয় চেটাৰ্জ্জীৰ লগত জাহাজত গুচি আহিল, এইটোও কাল্পনিক নে কি?"

কথাষাৰ শুনি সুচৰিতাৰ মুখখন ৰঙা পৰি উঠিল। পৰেশ ভট্টই ক'লে,—"মাষ্টৰ, আজি আপোনাৰ মনটো যি কাৰণতেই নহওক, অলপ উতলা হৈ আছে। সেই কাৰণে আপোনাৰ লগত আজি এইবোৰ কথা পাতিলে আপোনাৰ প্ৰতি অন্যায় হে কৰা হ'ব।"

হাৰানে মূৰ দাঙি ক'লে,—"মই উতলা হৈ একো কথাকে নকওঁ। মই যি কথা কওঁ সেইবোৰৰ বিষয়ে মোৰ যথেষ্ট দায়িত্ববোধ আছে। তাৰ বাবে আপুনি চিন্তা কৰিব নেলাগে। আপোনাক মই যিবোৰ কথা কৈছোঁ, সেইবোৰ মই ব্যক্তিগত ভাবে কোৱা নাই। মই ব্ৰাহ্ম সমাজৰ কালৰপৰা কৈছোঁ, আৰু নোকোৱাটো অন্যায় হব বুলিয়েই কৈছোঁ। আপুনি একেবাৰে চকু মুদি নথকা হ'লে বুজিলেহেঁতেন যে বিনয়ৰ লগত ললিতাই অকলে গুচি অহা ঘটনাটোৰপৰাই আপোনাৰ পৰিয়ালটোৱে ব্ৰাহ্ম সমাজৰ লগৰ ছিঙি ভাঁহি যাবলৈ ওলাইছে। ইয়াৰ বাবে অকল আপুনিয়েই যে অনুতাপ কৰিব লাগিব এনে নহয়, ইয়াৰ বাবে গোটেই ব্ৰাহ্ম সমাজেই লঘু হব।"

পৰেশ ভট্টই ক'লে,—"বনুনাৰ পাৰ খুজিলে ওপৰে ওপৰেই ক'ব পাৰি, কিন্তু বিচাৰ কৰিবলৈ হ'লে ভিতৰ সোমাব লাগিব। মাত্ৰ এটা ঘটনাৰ বাবেই মানুহক দোষী নকৰিব।"

হাৰানে উত্তৰ দিলে,—"ঘটনা তো এনেয়ে নঘটে। আপোনালোকেই ঘটনা ঘটোৱাইছে। আপুনি এনে কিছুমান মানুহক আপোনাৰ ঘৰ লোৱাইছে যে যিবোৰে আপোনাৰ পৰিয়ালটোক আপোনাৰ সঁচাসঁচি আপোন মানুহবোৰৰপৰা আঁতৰাই নিবলৈ বাব খোজে। আৰু আঁতৰাই যে নিলেই, সেই কথাও জানো আপুনি দেখা নাই?"

পৰেশ ভট্টই অলপ বিৰক্ত হৈ ক'লে, "আপোনাৰ আৰু মোৰ দৃষ্টিভঙ্গি বেলেগ।"

হাৰানে ক'লে,—"আপোনাৰ বেলেগ হ'ব পাৰে। বাৰু মই সুচৰিতাকেই সাক্ষী মানিছোঁ। তেৱেঁ বাৰু সঁচাকৈয়ে কওঁকচোন, ললিতাৰ লগত বিনয়ৰ সম্বন্ধ মাথোন বাহিৰৰে সম্বন্ধ নে কি? সিহঁতৰ অন্তৰত অকণোকে সঁচ বহা নাই নে?—উঁহো, সুচৰিতা, তুমি গুচি গ'লে নহ'ব। এই কথাৰ উত্তৰ দিব লাগিব। এইটো এটা বৰ ডাঙৰ কথা।"

সুচৰিতাই ছটা মাতেৰে ক'লে,—"যিমানেই ডাঙৰ কথা নহওক লাগে, এইবোৰ কথা সুধিবলৈ আপোনাৰ কোনো অধিকাৰ নাই।"

হাৰানে উত্তৰ দিলে,—"অধিকাৰ নথকা হ'লে মই যে অকল মনে মনেই থাকিলোঁহেঁতেন সেইটো নহয়, এইবোৰ কথা মই মনলৈকে নানিলোঁহেঁতেন। সমাজক তোমালোকে গ্ৰাহ্য নকৰিব পাৰা, কিন্তু যিমানদিনলৈকে সমাজত আছা, সিমান দিন সমাজে তোমালোকক বিচাৰ কৰিবলৈ বাধ্য।"

এনেতে ললিতাই ধুমুহাৰ দৰে কোঠাটোলৈ সোমাই আহি ক'লে,—"সমাজে যদি আপোনাকেই বিচাৰকৰ আসন দিছে, তেনেহলে সেই সমাজৰপৰা আমাৰ কাৰণে নিৰ্ব্বাসনেই ভাল হ'ব।"

হাৰানে চকীৰপৰা উঠি থিয় হৈ ক'লে,—"ললিতা, তুমি অহা কাৰণে মই ভাল পাইছোঁ। তোমাৰ বিৰুদ্ধে থকা গোচৰৰ বিচাৰ তোমাৰ আগতেই হোৱা উচিত।"

খণ্ডত সুচৰিতাৰ চকু-মুখ ৰঙা পৰি উঠিল। তাই ক'লে,—"মাষ্টৰ, আপোনাৰ নিজৰ ঘৰলৈ গৈ তাতে আপোনাৰ এই বিচাৰশালা পাতক গৈ। গৃহস্থৰ ঘৰলৈ আহি আপুনি গৃহস্থকে অপমান কৰিবহি—আপোনাৰ এই অধিকাৰ আমি কেতিয়াও মানিব নোৱাৰোঁ। আহ গুচি আহ ভনীটি ললিতা।"

ললিতাই এখোজো লৰচৰ নকৰিলে। তাই ক'লে,—"মাই বাইদেউ, মই নেযাওঁ। মাষ্টৰৰ কি কৰলগীয়া আছে আজি মই সকলো শুনিহে যাম। কওক, কি কৰলগীয়া আছে কওক।"

হাৰান চক্ খাই গ'ল। পৰেশ ভট্টই ক'লে,—"আই ললিতা, সুচৰিতা আজি আমাৰ ঘৰৰপৰা যাবগৈ। আজি বাস্তিপুৰা মই ঘৰখনত কোনোৰকমৰ অশান্তি হ'বলৈ দিব নোৱাৰোঁ। মাষ্টৰ, আমাৰ বিদায় লোৱেই লেখাকৰ, আজি দিনটোৰ কাৰণে আমাক ক্ষমা কৰিব লাগিব।"

হাৰান গহীন হৈ মনে মনে বহি থাকিল। সুচৰিতাই যিমানেই তেওঁক বৰ্জ্জন কৰিব খুজিছিল, সিমানেই তেওঁৰ সুচৰিতাক ধৰি ৰখাৰ জেদ বাঢ়ি হে গৈছিল। অসাধাৰণ নৈতিক শক্তিৰ বলত নিশ্চয় শেষত তেৱেঁই জিকিবগৈ বুলি তেওঁৰ ধ্ৰুৱ বিশ্বাস আছিল।

ইমান সোনকালেই আশা এৰি দিয়া ভকত তেওঁ নহয়; কিন্তু মাহীয়েকৰ লগত সুচৰিতা আন এখন ঘৰলৈ গ'লে তাত তেওঁৰ প্ৰতিপত্তি কমি যাব পাৰে বুলি তেওঁ ভয় খাই আছিল। সেই কাৰণেই আজি তেওঁ তেওঁৰ ব্ৰহ্মাস্ত্ৰবোৰত শান দি আনিছিল। আজি আগবেলাৰ ভিতৰতে যেনে তেনে কিবা এটা খাটাং কৰি পেলাবলৈ তেওঁ সাজু হৈ আহিছিল। আজি সকলো সঙ্কোচ আঁতৰাই থৈয়েই তেওঁ আহিছিল। কিন্তু সিপক্ষয়ো যে এইদৰে সঙ্কোচ আঁতৰাব পাৰে, ললিতা, সুচৰিতায়ো যে হঠাতে এইদৰে তূণৰপৰা অস্ত্ৰ উলিয়াব, এইটো তেওঁ সপোনতো ভবা নাছিল। তেওঁৰ নৈতিক অগ্নিবাণ মহা বিক্ৰমেৰে নিক্ষেপ কৰিবলৈ আৰম্ভ কৰিলেই সিটো পক্ষই থিতাতে সেও মানিব বুলিয়েই তেওঁৰ ধাৰণা আছিল। কিন্তু কথাটো আজি ঠিক তেনেকুৱা নহ'ল। সময় উকলি গ'ল, কিন্তু তথাপিও হাৰানে হাৰিব নুখুজিলে। তেওঁ পেটে পেটে ভাবিলে, সত্যৰ জয় হ'বই, অৰ্থাৎ তেওঁৰ নিজৰ জয় হ'বই। কিন্তু জয় তো এনেয়ে নহয়, যুঁজিব লাগিব, তেহে? হাৰানে এইবাৰ কঁকালত টঙালি বান্ধি যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰিলে।

সুচৰিতাই ক'লে,—"মাহী, আজি কিন্তু মই সকলোৰে লগত একেলগে ভাত খাম দেই। তুমি হ'লে একো বেয়া পাব নোৱাৰা।"

হৰিমোহিনীয়ে একো উত্তৰ নিদিলে। সুচৰিতা একেবাৰে তেখেতৰ হাতৰ মুঠিলৈ আহিছে বুলিয়েই তেখেতে ইমান দিনে ভাবিছিল। বিশেষকৈ নিজৰ সম্পত্তিৰ বলত স্বাধীন হৈ তাই আজি যেনেগ ঘৰ এখন পাতিবলৈ ওলাইছে, এতেকে হৰিমোহিনীয়ে এতিয়া আৰু একো সঙ্কোচ কৰাৰ আৱশ্যক নাই, যোল অনাই নিজৰ মতে চলিব পাৰিব। আজি আকৌ

সুচৰিতাই সকলো বাছ-বিচাৰ এৰি সকলোৰে লগত একেলগে বহি ভাত খাবলৈ ওলোৱাতহে তেখেতে মুঠেই ভাল নেপালে। তেখেতে একোকে নকৈ মনে মনে থাকিল।

সুচৰিতাই তেখেতৰ মনৰ ভাব বুজিব পাৰি ক'লে,—"মাহী, তোমাক মই সঁচাকৈয়ে কৈছোঁ,—চাবা, ইয়াৰ কাৰণে ভগৱানে ভালেই পাব। মোৰ অন্তৰৰ গোঁসায়ে মোক আজি সকলোৰে লগত একেলগে বহি ভাত খাবলৈ কৈছে। তেওঁৰ কথা নুশুনিলে তেওঁৰ খং উঠিব। তোমাৰ খঙতকৈয়ো তেওঁৰ খঙলৈ মই বেচি ভয় কৰোঁ।"

যিমান দিনলৈকে বৰদাসুন্দৰীয়ে হৰিমোহিনীক অপমান কৰিছিল সিমান দিনলৈকে সেই অপমানৰ ভাগ লবলৈ সুচৰিতায়ো হৰিমোহিনীৰ নীতি-নিয়মবোৰ মানি চলিছিল। কিন্তু আজি সেই অপমানৰপৰা নিষ্কৃতি পোৱাৰ দিন আহিল যেতিয়া সুচৰিতায়ো যে হৰিমোহিনীৰ সেই বাছ-বিচাৰবোৰ ভঙ্গ কৰাত অকণো সঙ্কোচ নকৰিব—এই কথাটোকে হৰিমোহিনীয়ে ঠিক বুজিব পৰা নাছিল। হৰিমোহিনীয়ে সুচৰিতাক সম্পূৰ্ণকৈ বুজি পোৱা নাছিল। বুজি পোৱাটো তেখেতৰ বাবে বৰ টানো আছিল।

হৰিমোহিনীয়ে সুচৰিতাক ফুটাই একো হাক নিদিলে। কিন্তু পেটে পেটে তেখেতৰ বৰ খং উঠিল। তেখেতে পেটে পেটে ভাবিলে,—'ছিঃ কটা, মানুহেনো এইবোৰ কি ভাল পায় ক'ব নোৱাৰোঁ দেও। বামুণৰ ঘৰতেই তো উপজিছিলি!'

অলপ পৰ মনে মনে থাকি তেখেতে ক'লে,—"এটা কথা কওঁ আই, যিহকে মন যায় তাকেই কৰা, কিন্তু সেই বুলি তোমালোকৰ সেই বেহেৰাটোৰ হাতে হ'লে পানী নেখাবা।"

সুচৰিতাই সুধিলে,—"কিয় মাহী? এই ৰামদীন বেহেৰাই দেখোন তাৰ নিজৰ গাৰু খীৰায়েই তোমাক গাখীৰ দি যায়।"

হৰিমোহিনীয়ে চকু দুটা বৰ বৰকৈ মেলি ক'লে,—"অবাক কৰিলি আই, গাখীৰ আৰু পানী এতিয়া একে হ'ল হ'বলা।"

সুচৰিতাই হাঁহি হাঁহি ক'লে,—"বাৰু মাহী, আজি মই ৰামদীনৰ হাতে পানী নেখাওঁ। কিন্তু সতীশক হাক দিলে চাবা সি আকৌ ঠিক ওভোতাটোহে কৰিব।"

হৰিমোহিনীয়ে উত্তৰ দিলে,—"সতীশৰ কথা সুকীয়া।"

ষতা মানুহৰ ক্ষেত্ৰত নিয়ম-কানুনৰ দোষ-ত্ৰুটিবোৰ ক্ষমা কৰিব লাগে বুলিয়েই হৰিমোহিনীয়ে জানিছিল।

হাবান মাষ্টৰ যুঁজত নামিল।

বিনয়ৰ লগত ললিতা জাহাজেৰে অহা আজি প্ৰায় পোন্ধৰ দিন হৈ গ'ল। কথাটো পোনতে দুই-এজনৰ কাণলৈহে গৈছিল যদিও ইকাণ-সিকাণকৈ কথাটো লাহে লাহে বিয়পি পৰাবো লক্ষণ দেখা নগ'ল। কিন্তু আজি দুদিনৰ ভিতৰতে এই কথাটো শুকান খেৰত জুই লগাদি হঠাতে চাৰিওফালে বিয়পি পৰিল।

ব্ৰাহ্ম-পৰিয়ালৰ ধৰ্মনৈতিক জীৱনৰ প্ৰতি লক্ষ্য ৰাখি এই ধৰণৰ কদাচাৰক যে শুৰিতে উঘালি পেলোৱা যুগুত, এই কথা হাবানে বহুতকে বুজাবলৈ ধৰিলে। এইবোৰ কথা বুজাবলৈকো বৰ বেচি অসুবিধা নাই। যেতিয়া আমি 'সত্যৰ অনুবোধ'ত বা কৰ্ত্তব্যৰ অনুবোধ'ত আনৰ ভবি পিছলা দেখি ঘিণ কৰোঁ আৰু শাস্তি দিবলৈ ওলাওঁ, তেতিয়া তেনে ধৰণৰ সত্য বা কৰ্ত্তব্যৰ অনুবোধ ৰাখিবলৈ আমাৰ বৰ বেচি কষ্ট কৰিবলগীয়া নহয়। সেই কাৰণেই ব্ৰাহ্ম-সমাজত হাবানে যেতিয়া 'অপ্ৰিয়' সত্য ঘোষণা আৰু 'কঠোৰ' কৰ্ত্তব্য সাধন কৰিবলৈ ওলাল, তেতিয়া ইমান ভাতৰ অপ্ৰিয়তা আৰু কঠোৰতাৰ ভয়তো তেওঁৰ লগত উৎসাহেৰে সৈতে যোগ দিয়াত বৰ বেচি মানুহ পিচ পৰি নেথাকিল। ব্ৰাহ্ম-সমাজৰ হিতৈষী মানুহবোৰে গাড়ী-পাল্‌কী কেৰেয়া কৰি ইজনে সিজনৰ ঘৰলৈ গৈ কোৱা-মেলা কৰিবলৈ ধৰিলে যে আজি-কালি এনেবোৰ ঘটনা ঘটিবলৈ ধৰিছে যেতিয়া ব্ৰাহ্মসেমাজৰ ভৱিষ্যত একেবাৰে এন্ধাৰ। ইয়াৰ লগতে সুচৰিতা যে হিন্দু হৈছে, আৰু তাই যে হিন্দু মাহীয়েকৰ লগত থাকি যাগ-যজ্ঞ, তপ-জপ, আৰু গোঁসাই সেৱা কৰিয়েই দিন কটাবলৈ ধৰিছে—এই কথা-ষাৰো ইকাণ-সিকাণকৈ বিয়পি পৰিল।

আজি বহুদিনৰেপৰা ললিতাৰ মনৰ ভিতৰত এখন যুঁজ বাগৰ চলি আছিল। তাই সদায় নিশা শোৱাৰ আগতে নিজকে নিজে কৈছিল,—ওঁহো কেতিয়াও বই হাৰ নেমানো। আৰু সদায় সাৰ পাই উঠিয়েই বিছনাতেই ভাবিছিল, 'ওঁহো, কেতিয়াও হাৰ মানিব নোৱাৰো।' এই যে বিনয়ৰ চিন্তাই তাইৰ গোটেই মন ছাটি ধৰিছে, কোঠাত বিনয়ৰ মাত শুনিলেই তাইৰ যে কলিজাৰ তেজবোৰ উতলি উঠে, বিনয় দুদিনমান সিহঁতৰ ঘৰলৈ নাহিলেই অভিমানত তাইৰ মনটো যে কিবা লাগি যায়,

মাজে মাজে নানা চল উলিয়াই বিনয়ৰ ঘৰলৈ বাবলৈ সতীশক যে তাই উচটাই আৰু সতীশ উভতি আহিলে বিনয়ে কি কৰিছিল, বিনয়ৰ লগত সি কি কথা পাতিলে, সেইবোৰ যে খাঁতি-গুৰি মাৰি জানিবলৈ ইচ্ছা হয়, এইবোৰ ললিতাৰ পক্ষে যিমানেই এবাব নোৱাৰা হৈ উঠিছিল সিমানেই তাই হাবি খোৱাৰ আশঙ্কাত অস্থিৰ হৈ পৰিছিল। বিনয় আৰু গোৰাৰ লগত চিনা-জনা হবলৈ বাপেকে কিয়নো বাধা নিদিছিল—এই বুলিয়েই একো একোবাৰ পৰেশ ভট্টৰ ওপৰতো তাইৰ খং উঠিছিল। কিন্তু শেষলৈকে তাই যুঁজিবই আৰু দৰকাৰ হলে মৰিব, তথাপিও নেহাৰে, এয়ে তাইৰ পণ। জীৱনটো নো কেনেকৈ কটাব সেই বিষয়ে নানা ধৰণৰ ভাব তাইৰ মনলৈ আহিছিল। ইউৰোপৰ লোক হিতৈষিণী মহিলা সকলৰ বিবোৰ কীৰ্ত্তি-কাহিনী তাই পঢ়িছিল সেইবোৰো তাইৰ পক্ষে সাধ্য আৰু সম্ভৱপৰ যেনেই লাগিল।

এদিন তাই ভট্ট ডাঙৰীয়াক গৈ ক'লেগৈ,—"দেউতা, কোনোবা ছোৱালী স্কুল এখনত মই পঢ়ুৱাব নোৱাৰিম নে?"

পৰেশ ভট্টই জীয়েকৰ মুখলৈ চাই বুজিলে—যেন আকলুৱা বুকুখনৰ বেদনাত কঙাল হৈ তাইৰ কৰুণ চকুহালিয়ে এই প্ৰশ্ন কৰিছে। তেখেতে কোমল মাতেৰে ক'লে,—"কিয় নোৱাৰিবা আই। কিন্তু তেনে-কুৱা ছোৱালী স্কুল নায়েই দেখোন।"

যি সময়ৰ কথা কৈছোঁ, সেই সময়ত ছোৱালী স্কুল বেচি নাছিল। সাধাৰণ পাঠশালা স্কুলহে দুখনমান আছিল। সেই সময়ত ভদ্ৰলোকৰ ছোৱালীৰ কাচিতহে দুই-এজনীয়ে শিক্ষয়িত্ৰী কাম কৰিছিল। ললিতাই ব্যাকুল হৈ সুধিলে—"স্কুল নাই নে কি দেউতা?"

পৰেশ ভট্টই ক'লে,—"ক'তা? জনাত নায়েই দেখোন।"

ললিতাই ক'লে,—"বাৰু দেউতা, এখন ছোৱালী স্কুল খুলিব নোৱাৰি নে?"

পৰেশ ভট্টই উত্তৰ দিলে—"বহুত টকাৰ কথা, তাৰোপৰি বহুতৰ সহায়ো লাগিব।"

মানুহৰ মনত সৎকৰ্ম্মৰ সঙ্কল্প জগাই তোলা টান বুলি ললিতাই জানি-ছিল। কিন্তু সেই সঙ্কল্প সাধন কৰাৰ বাটতে যে ইমান বাধা আছে সেইটো তাই আগতে ভবা নাছিল। অলপ পৰ মনে মনে থাকি তাই লাহেকৈ গ'ল গৈ। তেখেতৰ এই মৰমৰ জীয়েক জনীৰ অন্তৰৰ বেজাৰ নো কোন খিনিত, পৰেশ ভট্টই তাকেই বহি বহি ভাবিবলৈ ধৰিলে।

হাবানে বিনয়ৰ বিষয়ে সিদিনা দিয়া ইঙ্গিতৰ কথাও তেখেতৰ মনত পৰিল। হুমুনিয়াহ কাঢ়ি তেখেতে নিজক নিজে সুধিলে,—'মই বিবেচনা নকৰা-কৈয়ে কাম কৰিছো নে কি ? তেখেতৰ আন কোনোবা এজনী জীয়েক হোৱা হলে বিশেষ একো ভাবিবলগীয়া নাছিল। কিন্তু ললিতাৰ জীৱন যে ললিতাৰ কাৰণে এটা অতি সত্য পদাৰ্থ—তাই একো কথাই আধা-আধি নেজানে, তাইৰ কাৰণে সুখ-দুখ কিছু সঁচা কিছু মিছা নহয়।'

চিৰকাল ললিতাই তাইৰ জীৱনৰ মিছা ধিকাৰৰ বোজা লৈ জী থাকিব কেনেকৈ ? তাই যে সমুখত ক'তো এটি থান-থিত, এটি ভাল ফল দেখা পোৱা নাই। এনেকৈ নিৰুপায় হৈ উটি-ভাঁহি ঘোৱাটোতো তাইৰ স্বভাৱ নহয়।

সেইদিনাই দুপৰীয়া পৰত ললিতা সুচৰিতাৰ ঘৰ ওলাল গৈ। মজি-য়াৰ ওপৰত গোটেই কোঠাটো জুৰি এখন সতৰঞ্চি পৰা আছিল। তাৰে ওপৰত একাষে সুচৰিতাৰ বিছনা আৰু আন কাষে হৰিমোহিনীৰ বিছনা পতা আছিল। হৰিমোহিনী খাটত নুশুইছিল দেখি সুচৰিতায়ো সেই কোঠাতে তেখেতৰ লগত মজিয়াতে বিছনা পাৰি শুইছিল। বেৰত ভট্ট ডাঙৰীয়াৰ এখন ছবি ওলোমাই থোৱা আছিল। কাষৰ সৰু কোঠা এটাত সতীশৰ বিছনা আছিল। তাৰে এচুকত এখন মেজৰ ওপৰত দোৱাত, কলম, বহী, পুথি-কলি আদি থেলি-মেলি হৈ পৰি আছিল। সতীশ স্কুললৈ গৈছে। ঘৰখন সেই কাৰণে নিজান হৈ আছিল।

খাই বৈ উঠি হৰিমোহিনীয়ে পাটীত দীঘল দিবলৈ ওলাইছিল আৰু সুচৰিতাই পিঠিত চুলি কোঁচা মেলি দি সতৰঞ্চিৰ ওপৰত বহি কোলাত গাৰু এটা লৈ একমনে কিবা পঢ়ি আছিল। সমুখত আৰু কেইখনমান পুথি পৰি আছিল।

ললিতাক হঠাতে কোঠাত সোমোৱা দেখি সুচৰিতাই যেন লাজ পাই প্ৰথমতে পুথি জপাই থলে। তাৰ পিচত আকৌ লাজেৰেই লাজক ঢাকি পুথি যেনেকৈ আছিল ঠিক তেনেকৈয়ে থৈ দিলে। সেইবোৰ গোৰাই লিখা পুথি আছিল।

হৰিমোহিনীয়ে উঠি বহি ক'লে,—"আহাঁ, আহাঁ আই ললিতা, আহাঁ। তোমালোকৰ ঘৰখন এৰি থৈ আহি সুচৰিতাৰ মনটো যে কেনে-কুৱা লাগি আছে মই জানিছোঁ। তাইৰ মনটো বেয়া লাগিলেই এই পুথিবোৰ লৈ পঢ়িবলৈ ধৰে। তোমালোক কোনোবা এজনী আহিলেই তাইৰ বৰ ভাল লাগিব বুলি মই এই মাত্ৰ শুই শুই ভাবি আছিলোঁ।

ঠিক তেতিয়াই তুমি ওলালাহি। বহুদিন জী থাকিবা আই।"

সুচৰিতাই কাৰত বহিয়েই ললিতাই তাইৰ মনৰ কথাটো উলিয়ালে। তাই ক'লে,—"বাৰু সুচি বাইদেউ, আমাৰ চুবুৰিটোৰ ছোৱালীবোৰৰ কাৰণে এখন স্কুল খুলিলে বাৰু কেনে হয়?"

হৰিমোহিনীয়ে অবাক হৈ ক'লে,—"অ, এওঁৰ কথাখন শুনাচোন। তোমালোকে আকৌ কিনো স্কুল খুলিবা?"

সুচৰিতাই ক'লে,—"কেনেকৈ বাৰু খুলিব পাৰি ক'চোন, 'আমাক নো সহায় কৰিব কোনে? দেউতাক কৈছনে?"

ললিতাই ক'লে,—"আমি দুয়ো তো পঢ়ুৱাব পাৰিমেই। ডাঙৰ বাই-দেৱো মান্তি হব কিজানি।"

সুচৰিতাই ক'লে,—"মাথোন পঢ়ুৱাটোয়েই কথা নহয়। কেনেকৈ স্কুলৰ কাম-কাজবোৰ চলাব লাগিব—তাৰ সকলো নিয়ম বান্ধি দিব লাগিব, ঘৰ ঠিক কৰিব লাগিব, ছাত্ৰী গোটাব লাগিব, খৰচ যোগাব লাগিব। আমি দুজনী ছোৱালীয়ে এইবোৰ জানো কৰিব পাৰিম?"

ললিতাই ক'লে,—"বাইদেউ, এইবোৰ কথা ক'লে নহব। ছোৱালী হৈ উপজিছোঁ বুলিয়েই জানো গোটেই জীৱনটো ঘৰৰ ভিতৰত সোমাই থাকি জীয়াতু ভুগিব লাগিব। পৃথিৱীৰ কোনো কামতেই নেলাগিম নে আৰু?"

ললিতাৰ কথাত থকা বেজাৰ সুচৰিতাৰ বুকুত বাজি উঠিলগৈ। তাই একো উত্তৰ নিদি ভাবিবলৈ ধৰিলে।

ললিতাই ক'লে,—"আমাৰ চুবুৰিতে দেখোন ঢেৰ ছোৱালী আছে। আমি সিহঁতক এনেয়ে পঢ়ুৱাব খুজিলে মাক-বাপেকবোৰে চোন ভালেই পাব। তাৰে যি কেইজনীক পাবোঁ তোমাৰ এই ঘৰলৈকে আনি দেখোন পঢ়ুৱাব পাৰোঁ। ইয়াতনো কি খৰচ হ'ব?"

এইখন ঘৰলৈ দেশৰ অচিনাকি ছোৱালীবোৰ আনি পঢ়ুৱাৰ কথা উলিওৱাত হৰিমোহিনী মহা বিমোৰত পৰিল। তেখেত অকলশৰে পূজা পাতল লৈ শুচি হৈ থাকিব খোজে। তাত ব্যাঘাত হব পাৰে বুলি তেখেতে আপত্তি কৰিবলৈ ধৰিলে।

সুচৰিতাই ক'লে,—"মাহী, তুমি ভয় নকৰিবা। ছাত্ৰী পাওঁ যদি আমি তলৰ মহলাৰ কোঠাতেই কাম চলাব পাৰিম। তোমাৰ ওপৰৰ কোঠাত আমি উৎপাত কৰিবলৈ নাহোঁ। ভনীটি ললিতা, ছাত্ৰী পাওঁ যদি মই পঢ়ুৱাবলৈ ৰাজী আছোঁ হলে।"

ললিতাই ক'লে,—"বাৰু এবাৰ চোৱাই যাওক চোন।"

হৰিমোহিনীয়ে বাৰে বাৰে ক'বলৈ ধৰিলে, "আই, সকলো কথাতে তোমালোক খৃষ্টানবোৰৰ দৰে হলে হব কেনেকৈ? ভাল মানুহৰ ঘৰৰ ছোৱালীয়ে স্কুলত পঢ়ুৱাৰ কথা সেইতাইতৰ দিনত জো শুনাই নাছিলোঁ।"

পৰেশ ভট্টৰ ঘৰৰ ছাতৰ ওপৰৰপৰা ওচৰ-পাজৰৰ ঘৰবোৰৰ ছাতত প্ৰায় ঘৰৰ ছোৱালীবোৰৰ মাজতে চা-চিনাকি হৈছিল। এই চিনাকি হোৱাৰ বাটত এটা ডাঙৰ অন্তৰায় আছিল, এইটো হৈছে আন ঘৰৰ ছোৱালী বোৰে এইখন ঘৰৰ ছোৱালীবোৰক ইমান দিনলৈকে বিয়া নিদিয়া দেখি নানান ধৰণৰ প্ৰশ্ন সুধিছিল আৰু বৰ আচৰিত হৈছিল। এইবোৰ কাৰণতে ছাতৰ ওপৰৰ পৰা হোৱা কথা-বতৰাবোৰত ললিতাই পৰাপক্ষত যোগ নিদিছিল।

এই ছাতে ছাতে বন্ধু গোটোৱাত লাৱণ্যয়েই সকলোতকৈ আগবঢ়া আছিল। আনৰ ঘৰৰ ঘৰুৱা খবৰবোৰ গোটোৱাত তাইৰ কৌতূহলৰ সীমা নাছিল। সিহঁতৰ ওচৰ-চুবুৰীয়াবোৰৰ দৈনিক জীৱন যাত্ৰাৰ প্ৰত্যেকটো খুতি-নাটি কথাই বহুদূৰৰপৰা বতাহতে আহি তাইৰ কাণত পৰিছিলহি। হাতত ফণি লৈ মূৰ আঁচুৰি আঁচুৰি মুকলি আকাশৰ তলত প্ৰায়ে সিহঁতৰ বিয়লি-চ'ৰা বহিছিল।

ললিতাই তাই সঙ্কল্প কৰা ছোৱালী স্কুলৰ ছাত্ৰী গোটোৱাৰ ভাৰ লাৱণ্যক দিলে। লাৱণ্যই ছাতে ছাতে এই প্ৰস্তাৱ ঘোষণা কৰি দিয়াৰ লগে লগে বহুতো ছোৱালী উৎসাহিত হৈ উঠিল। বৰ বং মনেৰে ললিতাই সুচৰিতাৰ ঘৰৰ তলৰ মহলাৰ কোঠাবোৰ সাৰি, মুচি, ধুই, সজাই-পৰাই ঠিক কৰিবলৈ লাগি গ'ল।

কিন্তু তাইৰ স্কুলঘৰ উদং হৈয়েই থাকিল। ঘৰৰ গিৰীহঁতবোৰে সিহঁতৰ ছোৱালীবোৰক ফুচুলাই পঢ়ুৱাৰ ছল কৰি ব্ৰাহ্ম ঘৰলৈ নৈ যোৱাৰ প্ৰস্তাৱ দিয়া দেখি খঙত জ্বলি উঠিল। আন কি এই সূত্ৰেই তেওঁলোকে গম পালে যে তেওঁলোকৰ ঘৰৰ ছোৱালীবোৰে পৰেশ ভট্টৰ ঘৰৰ ছোৱালীবোৰৰ লগত কথা-বতৰাও পাতে; আৰু তত্ৰালিকে এই কথা-বতৰাত বাধা দিয়াটো তেওঁলোকৰ কৰ্ত্তব্য বুলি থিৰ কৰিলে। ফলত এইবোৰ ঘৰৰ ছোৱালীবোৰৰ ছাতত উঠা প্ৰায় বন্ধ হোৱাৰ দৰেই হ'ল, আৰু ব্ৰাহ্ম ওচৰ-চুবুৰীয়াৰ ছোৱালীবোৰৰ সাধু সঙ্কল্পৰ প্ৰতি তেওঁলোকে বৰ সাধু ভাষা প্ৰয়োগ নকৰিলে। বেচেৰি লাৱণ্যই যথাসময়ত কলিখন হাতত

লৈ ছাতলৈ উঠি আহি দেখে যে দাঁতি-কাষৰীয়া ছাতবোৰত দেখোন নবীনা-বোৰৰ পৰিবৰ্তে প্ৰবীণাবোৰৰ সমাগম হৈছে, অৱশ্যে তেওঁলোক এগ-ৰাকীৰপৰাও তাই কোনো ভাল মাত এষাৰ নেপালে।

ললিতা ইয়াতো ক্ষান্ত নহল। তাই ক'লে,—"বহুতো দুখীয়া ব্ৰাহ্ম ছোৱালীৰ কাৰণে বেথুন স্কুললৈ গৈ পঢ়াটো বৰ টান। সিহঁতকে পঢ়ুৱাৰ ভাৰ ললে উপকাৰ কৰা হব।"

এই ধৰণৰ ছাত্ৰী বিচাৰিবলৈ তাই নিজেও লাগি গ'ল আৰু সুধীৰকো লগাই দিলে।

তেতিয়াৰ দিনত পৰেশ ভট্টৰ জীয়েক কেইজনীৰ পঢ়া-শুনাৰ খ্যাতি বহুদূৰলৈকে বিয়পি পৰিছিল। আন কি, সেই খ্যাতি সঁচাতকৈয়ো বেচিকৈ আওৰাই গৈছিল। সেই কাৰণেই ইহঁতে ছোৱালীবোৰক বিনা পইচাই পঢ়ুৱাবলৈ ভাৰ লব বুলি শুনি বহুতো মাক-বাপেকে ভালেই পালে।

দুদিনমানৰ ভিতৰতে প্ৰথমতে পাঁচ-ছয়জনীমান ছোৱালীৰে সৈতে ললিতাৰ স্কুল বহি গ'ল। পৰেশ ভট্টৰ লগত এই স্কুলখনৰ কথা আলোচনা কৰি, স্কুলৰ সকলো নিয়ম-কানুন ঠিক-ঠাক কৰি আৰু সকলো যা-যোগাৰ কৰি তাই নিজকে এক নিমিষো আজৰি নিদিলে। আন কি, বছৰৰ শেষত পৰীক্ষা হৈ যোৱাৰ পিচত ছোৱালীবোৰক কেনে ধৰণৰ বঁটা দিব লাগিব তাকে লৈ লাৱণ্যৰ লগত তাইৰ ভালকৈয়ে তৰ্ক লাগি গ'ল। ললিতাই যিবোৰ পুথিৰ কথা কয়, লাৱণ্যৰ সেইবোৰ মনে নধৰে; আকৌ লাৱণ্যই কোৱাবোৰো ললিতাৰ মনে নেখায়। পৰীক্ষা কোনে কোনে লব তাকে লৈয়ো এখুন্দা লাগিল। লাৱণ্যই হাৰানক দেখিব নোৱাৰিলেও তেওঁৰ পাণ্ডিত্যৰ খ্যাতিক শ্ৰদ্ধা কৰিছিল। হাৰান মাষ্টৰ সিহঁতৰ স্কুলৰ পৰীক্ষা লোৱাত নাইবা পঢ়ুৱাত নাইবা যি কোনো এটা কামত নিযুক্ত থাকিলে সেইটো যে বৰ ডাঙৰ গৌৰৱৰ কথা হব, তাত তাইৰ লেশমানো সন্দেহ নাছিল। কিন্তু ললিতাই কথাটোক একেবাৰে লাইকে নিদিলে। তাইৰ মতে হাৰান মাষ্টৰৰ লগত সিহঁতৰ এই স্কুল-খনৰ কোনো প্ৰকাৰ সম্বন্ধই থাকিব নোৱাৰে।

তাৰ পিচত দুদিন-তিনিদিনমান ভিতৰতে স্কুলৰ ছাত্ৰীৰ সংখ্যা কমি কমি একেবাৰে শূন্য হৈ গ'ল। ললিতাই তাইৰ অকলশৰীয়া শ্ৰেণীটোত বহি থাকোঁতে কাৰোবাৰ ভৰিৰ শব্দ শুনিলেই কোনোবা ছাত্ৰী আহিছে বুলি ভাবি বৰ আগ্ৰহেৰে চাইছিল, কিন্তু এজনী ছাত্ৰীও আৰু নাহিল।

এইদৰে দুখন্টা মান পাৰ হৈ যোৱাৰ পিচত কৰবাত কিবা এটা কেণা লাগিছে যেন তাইৰ লাগিল।

স্কুলৰ ওচৰত থকা ছাত্ৰীজনীৰ ঘৰলৈকে প্ৰথমতে ললিতা গ'ল। ছোৱালীজনীয়ে কল্পনানুৰা হৈ ক'লে,—"আয়ে মোক যাবলৈ হাক দিছে।"

মাকে তাই গ'লে ঘৰত অসুবিধা হয় বুলি ক'লে। অসুবিধাটো যে কি সেইটো ভালকৈ বুজা নগল। ললিতা অভিমানিনী ছোৱালী। তাই আন পক্ষৰ অনিচ্ছাৰ অকণমানো লক্ষণ দেখিলে জেদ কৰিব বা কথাটো খুৰাই-পকাই কৰ নোৱাৰে। তাই ক'লে—"অসুবিধা হয় যদি নেলাগে।"

তাৰ পিচত ললিতা যিখন ঘৰলৈ গ'ল তাত খোলা-খুলি ভাৱেই শুনি-বলৈ পালে। সিইঁতে ক'লে,—"সুচৰিতা আজি-কালি হিন্দু হৈছে, তাই জাত মানে, তাইৰ ঘৰত গোসাঁই পূজা কৰা হয়," ইত্যাদি।

ললিতাই ক'লে,—"সেইবোৰৰ বাবে আপত্তি কৰিছে যদি স্কুল বাৰু আমাৰ ঘৰতেই বহিব।"

কিন্তু ইয়াতো আপত্তি নুগুচিল, কিবা যেন আসোঁৱাহ থাকি গ'ল। ললিতা আৰু আন ঘৰলৈ নগৈ সুধীৰক মতোৱাই পঠিয়ালে। সি আহি-লত তাই সুধিলে,—"সুধীৰ কি হৈছে সঁচাকৈয়ে কোৱাচোন বাৰু।"

সুধীৰে ক'লে,—"পানু মাষ্টৰে তোমালোকৰ এই স্কুলখনৰ বিৰুদ্ধে উঠি-পৰি লাগিছে।"

ললিতাই সুধিলে,—"কিয়? বাইদেউৰ ঘৰত গোসাঁই পূজা কৰা হয় বুলি নে কি?"

সুধীৰে উত্তৰ দিলে,—"অকল সেয়ে নহয়।"

ললিতাই ব্যগ্ৰ হৈ সুধিলে,—"আৰুনো কি কাৰণ আছে নোকোৱা কিয়?"

সুধীৰে ক'লে,—"সেইবোৰ বহুত কথা।"

ললিতাই সুধিলে,—"মোৰো অপৰাধ আছে নে কি?"

সুধীৰে একো উত্তৰ নিদিলে। ললিতাই মুখ ৰঙা কৈ ক'লে,—"এইয়া মোৰ সেই জাহাজ-যাত্ৰাৰ শাস্তি। অবিবেচনাৰ কাম কৰিলোৱেই জানিবা, এতিয়া পৰাচিত হৈ নিজকে শুধৰোৱাৰ বাটো আমাৰ সমাজত নাই নে কি? মোৰ কাৰণে সকলো শুভ কামেই এই সমাজত নিষিদ্ধ নে কি? মোৰ আৰু আমাৰ সমাজৰ আধ্যাত্মিক উন্নতিৰ এইটো উপায়হে তোমালোকে ঠিক কৰিছা নে কি?"

সুধীৰে কথাটো অলপ পাতলাবৰ কাৰণে ক'লে,—"ঠিক সেই কাৰণে নহয়। বিনয় চেটাৰ্জ্জীহঁতে কিজানি লাহে লাহে এই ফুলখনত সোমাই পৰে, এই বুলিহে সিহঁতে ভয় কৰিছে।"

ললিতাই খণ্ডত একেবাৰে জুই যেন হৈ ক'লে,—"সেইটো ভয় নে ভাগ্য। যোগ্যতাত বিনয় চেটাৰ্জ্জীৰ লগত ৰিজাব পৰা কেইজন মানুহ নো সিহঁতৰ মাজত আছে?"

ললিতাৰ খং দেখি সুধীৰে অলপ ভয় খাই ক'লে,—"সেইটো তো সঁচা কথা। কিন্তু বিনয় চেটাৰ্জ্জী দেখোন——"

ললিতা—ব্ৰাহ্ম-সমাজৰ মানুহ নহয়। সেই কাৰণে ব্ৰাহ্ম সমাজে তেওঁক শাস্তি দিব। এনেকুৱা সমাজৰ কাৰণে মই অকণো গৌৰৱ বোধ নকৰোঁ।।

ছাত্ৰীবোৰৰ ছাঁটোকে দেখিবলৈ নোহোৱা হোৱা দেখি ঘটনাটো নো কি আৰু কাৰপৰা যে ঘটিছে, সুচৰিতাই সেইটো গম পাইছিল। তাই এই বিষয়ে কোনো হাই-উৰুমি নকৰি ওপৰৰ কোঠাত সতীশক তাৰ অহা পৰীক্ষাৰ পঢ়া দেখুৱাই আছিল।

সুধীৰৰ লগত কথা কৈ উঠি ললিতাই সুচৰিতাৰ ওচৰলৈ গৈ ক'লে গৈ—"বাইদেউ শুনিছা?"

সুচৰিতাই অলপ হাঁহি ক'লে,—"শুনা নাই। কিন্তু সকলো বুজিছোঁ।"

ললিতাই সুধিলে,—"এইবোৰো সহি থাকিব লাগিব নে কি?"

সুচৰিতাই ললিতাৰ হাতত ধৰি ক'লে,—"সহি থকাত তো একো অপমান নাই। দেউতাই কেনেকৈ সহি থাকে দেখা নাই জানো?"

ললিতাই উত্তৰ দিলে,—"কিন্তু সুচি বাইদেউ, সহি থাকিলে অন্যায়ক মানি লোৱা হে হয় বুলি মই বহুতো সময়ত ভাবোঁ। অন্যায়ক সহ্য নকৰাই হৈছে অন্যায়ৰ প্ৰতি উচিত ব্যৱহাৰ।"

সুচৰিতাই সুধিলে,—"তইনো কি কৰিব খুজিছ ক'চোন ভনীটি?"

ললিতাই উত্তৰ দিলে,—"সেইবোৰ মই একো ভবাই নাই। মইনো কি কৰিব পাৰিম তাকো নেজানো। কিন্তু কিবা এটা কৰিবই লাগিব। আমাৰ দৰে মাইকী মানুহৰ লগত ইমান নীচভাৱে যিবোৰে লাগিছে, সিহঁতে নিজকে যিমানেই ডাঙৰ মানুহ বুলি নেভাবক, আচলতে সিহঁত কাপুৰুষ। কিন্তু সিহঁতৰ ওচৰত মই কেতিয়াও হাৰ নেমানো—কেতিয়াও নেমানো। এই বাবে সিহঁতে যি পাৰে তাকে কৰক।"

এই বুলি ললিতাই মাটিত জোৰেৰে গোৰ এটা মাৰিলে। সুচৰিতাই একো উত্তৰ নিদি লাহে লাহে ললিতাৰ হাতৰ ওপৰত হাত ফুৰাবলৈ ধৰিলে। অলপ পৰ পিচত ক'লে,—"ললিতা, ভনীটি, কথাটো এবাৰ দেউতাক সুধি লেনি চাচোন।"

ললিতাই থিয় হৈ ক'লে,—"মই এতিয়াই দেউতাৰ ওচৰলৈ যাম।"

ললিতাই সিহঁতৰ ঘৰৰ দুৱাৰ মুখ পাই দেখে যে তল-মূৰকৈ বিনয় ওলাই আহিছে। ললিতাক দেখি বিনয় এক মুহূৰ্ত্তৰ বাবে থমক খাই ৰৈ গ'ল। ললিতাৰ লগত এতিয়া কথা পতাটো উচিত হয় নে নহয় সি এটা দোধোৰ-মোধোৰত পৰিল; কিন্তু কোনো ৰকমে নিজকে চম্ভালি ললিতাৰ মুখলৈ নোচোৱাকৈয়ে এটা নমস্কাৰ কৰি তল মূৰকৈয়ে সি গুচি গ'ল।

ললিতাক যেন কিবা জুইত তপতোৱা শেলেহে বিন্ধিলে, তাই বেগা-বেগিকৈ ঘৰলৈ আহিয়েই পোনে পোনেই তাইৰ কোঠাত সোমালগৈ। তাইৰ মাকে তেতিয়া মেজৰ ওপৰত এখন সৰু বহী মেলি লৈ কিবা-কিৰি হিচাপ কৰিবলৈ চেষ্টা কৰি আছিল।

ললিতাৰ মুখ দেখিয়েই বৰদাসুন্দৰীয়ে প্ৰমাদ গণিলে। তেওঁৰ এনেহে লাগিল যেন হিচাপৰ বহীখনৰ মাজতে নিজকে নাইকিয়া কৰি পেলাব। এনেকুৱা কিবা এটা অঙ্ক আছে যিটো এতিয়াই মিলাব নোৱাৰিলে তেখেতৰ সংসাৰখন একেবাৰে ছাৰখাৰ হৈ যাব।

ললিতাই চকী এখন মেজৰ ওচৰলৈ টানি নি বহিল। তথাপিও বৰদাসুন্দৰীয়ে মূৰ নেদাঙিলে। তেতিয়া ললিতাই মাত দিলে,——"আই।"

বৰদাসুন্দৰীয়ে ক'লে,—"অলপ ৰবি আই, মই এই"——এই বুলি বহীখনত তেখেতে মূৰটো একেবাৰে গুজি দিলে।

ললিতাই ক'লে,—"মই বেচি পৰ তোমাক আমনি নিদিওঁ। এটা কথাহে জানিব খুজিছোঁ। বিনয় চেটাৰ্জ্জী আহিছিল নে কি ?"

বৰদাসুন্দৰীয়ে বহীৰপৰা মূৰ নদঙাকৈয়ে ক'লে,—"ওঁ।"

ললিতা—তেখেতৰ লগত তুমি কি কথা পাতিলা ?

"সেইবোৰ বহুত কথা।"

ললিতা,—মোৰ বিষয়ে কিবা ওলাইছিল নে কি ?

বৰদাসুন্দৰীয়ে আৰু সাৰিবৰ উপায় নেদেখি কলমটো থৈ বহীৰপৰা মূৰ দাঙি ক'লে,—"ওঁ আই, ওলাইছিল। দেখিলোঁ যে কথাবোৰ লাহে

লাহে বাঢ়িছে গৈছে। সমাজৰ মানুহবোৰে চাৰিওফালে নানা কথা কৈ ফুৰিছে। সেই কাৰণেই অলপ সাৱধান কৰি দিবলগীয়া হ'ল।"

লাজত ললিতাৰ মুখ বঙা পৰি উঠিল। তাইৰ মুখ জয়ন্তাবলৈ ধৰিলে। তাই সুধিলে,—"দেউতাই বিনয় চেটাৰ্জ্জীক ইয়ালৈ আহি-বলৈ হাক দিছে নে কি ?"

বৰদাসুন্দৰীয়ে উত্তৰ দিলে,—"তেখেতে হব পাই এইবোৰ কথা ভাবে ? ভবা হলে সেখোন শুৰিতেই এনে হবলৈ নেপায়।"

ললিতাই সুধিলে,—"পানু মাষ্টৰ আমাৰ ইয়ালৈ আহিব পাবিবনে নোৱাৰে ?"

বৰদাসুন্দৰীয়ে আচৰিত হৈ ক'লে,—"শুনাচোন কথাবোৰ। পানু মাষ্টৰ আকৌ নাহিব কিয় ?"

ললিতা—বিনয় চেটাৰ্জ্জীয়েই নো নাহিব কিয় ?

বৰদাসুন্দৰীয়ে পুনৰ বহীখন টানি লৈ ক'লে,—"ললিতা, তোৰ লগত মই আৰু নোৱাৰোঁ আই। যা, এতিয়া আৰু মোক নজ্বলাবি। মোৰ বহুতো কাম আছে।"

ললিতা দুপৰীয়া সুচৰিতাৰ ঘৰলৈ স্কুলত পঢ়ুৱাবলৈ যায়। সেই সুযোগতে বিনয়ক মতোৱাই আনি বৰদাসুন্দৰীয়েই তেখেতৰ যি ক'ব-লগীয়া আছিল কৈছিল। ললিতাই গমকে নেপাব বুলি ভাবিছিল। হঠাতে সেই চক্ৰান্ত এইদৰে ধৰা পৰি যোৱা দেখি তেখেতৰ বৰ বিপদত পৰা যেন লাগিল। ইয়াৰ পৰিণামত অকল অশান্তিহে হব আৰু কথাও যে সহজতে ওৰ নপৰিব—এই কথা তেখেতে বুজি পালে। তেখেতৰ সকলো খং গৈ নিজৰ কাণ্ডজ্ঞানহীন গিৰীয়েকৰ ওপৰতে পৰিল গৈ। এই অবোধ মানুহটোৰ লগত সংসাৰ কৰা যে মাইকী মানুহৰ পক্ষে কি কষ্টকৰ।

ললিতাৰ গোটেই অন্তৰত প্ৰলয়ৰ ধুমুহা বলৈ ধৰিলে। তাই গুচি গ'ল গৈ। তলৰ কোঠাত বহি পৰেশ ভট্টই চিঠি লিখি আছিল। ললি-তাই গৈ পোনে পোনেই তেখেতক সুধিলে গৈ, "দেউতা, বিনয় চেটাৰ্জ্জী আমাৰ লগত কথা-বতৰা পতাৰ যোগ্য নহয় নে কি ?"

প্ৰশ্ন শুনিয়েই পৰেশ ভট্টই গোটেই কথাটো গম পালে। তেখেতৰ পৰিয়ালটোক লৈ কিছুদিনৰপৰা সমাজত যি হুলস্থূল লাগিছিল—সেইটো তেখেতে নজনাকৈ থকা নাছিল। এই বিষয়ে তেখেতে যথেষ্ট চিন্তাও কৰিব লগীয়া হৈছে। বিনয়ৰ প্ৰতি ললিতাৰ মনোভাৱৰ সম্বন্ধে তেখেতৰ মনত

সন্দেহ নোপজা হলে এইবোৰ বাহিৰৰ কথালৈ তেখেতে কাণেই নিদিলে-হেঁতেন। কিন্তু যদি বিনয়ৰ প্ৰতি সঁচায়ে ললিতাৰ অনুৰাগ উপজিছে তেনেহলে সেই ক্ষেত্ৰত তেখেতৰ কৰ্ত্তব্যনো কি এই কথাটো তেখেতে নিজকে বাৰে বাৰে সুধিবলৈ ধৰিলে। প্ৰকাশ্যভাৱে ব্ৰাহ্ম-ধৰ্মত দীক্ষা লোৱাৰ পিচত এয়েই প্ৰথম তেখেতৰ পৰিয়ালত আকৌ এটা সঙ্কট উপ-স্থিত হলহি। সেই কাৰণেই একালে যেনেকৈ এটা ভয় আৰু বেজাৰে তেখেতক খুলি খুলি খাইছে, সেইদৰে আনফালে আকৌ তেখেতৰ অন্তৰৰ সকলো শক্তিয়েই যেন জাগ্ৰত হৈ কৈছে, ব্ৰাহ্ম-ধৰ্ম গ্ৰহণ কৰিবৰ সময়ত এদিন যেনেকৈ একমাত্ৰ ঈশ্বৰৰ ফালে দৃষ্টি ৰাখিয়েই কঠিন পৰীক্ষাত উত্তীৰ্ণ হৈছিলোঁ, সুখ, সম্পত্তি, সমাজ—সকলোবে ওপৰত সঁচাক ঠাই দি যিদৰে জীৱনটো চিৰদিনৰ কাৰণে ধন্য হৈছে, এতিয়াও যদি তেনে-কুৱা পৰীক্ষাৰ দিন আহে, তেনেহলে সেই ভগৱানৰ ফালে লক্ষ্য ৰাখিয়েই পাৰ হব পাৰিম।"

ললিতাৰ প্ৰশ্নৰ উত্তৰত পৰেশ ভট্টাই ক'লে,—"বিনয়ক তো মই খুব ভাল বুলিয়েই জানো। তাৰ বিদ্যা-বুদ্ধি যেনেকুৱা, চৰিত্ৰও তেনে-কুৱা।"

অলপ পৰ মনে মনে থাকি ললিতাই ক'লে,—"দেউতা, গৌৰমোহনৰ মাক ইয়াৰ ভিতৰতে আমাৰ ঘৰলৈ দুদিনো আহিল। সুচি বাইদেউৰ লগত আজি এবাৰ তেখেতৰ তালৈ যাম নে?"

ভট্ট ডাঙৰীয়াই কিছু সময় একো উত্তৰ দিব নোৱাৰিলে। তেখেতে ভালকৈয়ে জানিছিল যে এনেকুৱা আলোচনাৰ সময়ত এনেকৈ অহা-যোৱা কৰিলে সিহঁতৰ বদ্‌নাম আৰু বাঢ়িবহে। কিন্তু তেখেতৰ মনটোৱে কৈ উঠিল, "যেতিয়ালৈকে এইটো অন্যায় নহয় তেতিয়ালৈকে মই হাক দিব নোৱাৰোঁ।" তাৰ পিচত তেখেতে ক'লে,—"যোৱাঁ বাৰু, মোৰ কাম আছে, নহলে ময়ো তোমালোকৰ লগতে গলোহেঁতেন।"

বিনয়ে এই কেইদিন আনন্দময়ীৰ ঘৰে বা বন্ধুভাবে ইমান মুকলিমূৰীয়াকৈ অহা-যোৱা কৰা ঠাইৰ তলত যে এটা সামাজিক আগ্নেয়গিৰি এইদৰে হুমহুমাই জ্বলি আছিল, সেইটো সি সপোনতো ভবা নাছিল। পৰেশ ভট্টৰ পৰিয়ালৰ লগত প্ৰথম চা-চিনাকি হওঁতে তাৰ মনত যথেষ্ট সঙ্কোচ আছিল। তাৰ অধিকাৰৰ সীমা নো ক'ত, সেইটো সি ভালকৈ নেজানিছিল বুলিয়েই সদায় ভয়ে ভয়ে চলিছিল। লাহে লাহে যেতিয়া তাৰ ভয় ভাঙি গ'ল তেতিয়া ক'তো অকণমানো বিপদৰ আশঙ্কা আছে যেন তাৰ নেলাগিল। তাৰ চাল-চলনৰ ফল স্বৰূপে আজি হঠাতে বাইজৰ আগত ললিতা বদ্‌নামৰ ভাগী হ'বলগীয়া হৈছে বুলি শুনি তাৰ মূৰত যেন বজ্ৰপাত হে পৰিল। তাৰ আটাইতকৈ বেচি বেয়া লাগিছিল এই কাৰণেই যে ললিতাৰ প্ৰতি তাৰ হৃদয়ৰ উত্তাপৰ মাত্ৰা সাধাৰণ বন্ধুত্বৰ সীমা চেৰাই বহুতো ওপৰলৈ উঠিছে বুলি সি নিজেও গম পাইছিল। আৰু বৰ্ত্তমান ক্ষেত্ৰত—য'ত ইজনৰ সিজনৰ সমাজ দুখন ইমান বেলেগ—তাত এনেকুৱা উত্তাপৰ মাত্ৰা বেচি হোৱাক সি নিজেই অপৰাধ বুলি ভাবিছিল। এই কথাটোৱেই বহুবাৰ তাৰ মনত ভুমুকি মাৰিছে যে এইখন ঘৰলৈ বিশ্বাসী আলহীৰ দৰে আহি এতিয়া যেন নিজৰ আচল ঠাই সি ৰাখিব পৰা নাই। এঠাইত ক'ৰবাত সি যেন বিশ্বাসঘাতকতা কৰিছে। তাৰ মনৰ ভিতৰৰ ভাবটো এই পৰিয়ালৰ মানুহবোৰে কেনেবাকৈ গম পালে কি যে লাজৰ কথা হ'ব।

এনে সময়তে যেতিয়া এদিন দুপৰীয়া বৰদাসুন্দৰীয়ে চিঠি লিখি মানুহ পঠিয়াই বিনয়ক মতোৱাই আনি সুধিলে,—'চেটাৰ্জ্জী বোপা, আপুনি হিন্দু নহয় জানো?' আৰু সেই কথা বিনয়ে স্বীকাৰ কৰিলত আকৌ সুধিলে,—'হিন্দু সমাজ আপুনি তো ত্যাগ কৰিব নোৱাৰে।' আৰু বিনয়ে সেইটো তাৰ পক্ষে অসম্ভৱ, বুলি কোৱাত বৰদাসুন্দৰীয়ে যেতিয়া ক'লে,— 'তেনেহলে কিয় আপুনি—' তেতিয়া সেই 'তেনেহলে কিয়' ইত্যাদিৰ কোনো উত্তৰেই বিনয়ৰ মুখেদি নোলাল। সি একেবাৰে তলমূৰকৈ বহি থাকিল। তাৰ এনেহে লাগিল সি যেন তেখেতৰ আগত ধৰা পৰি গ'ল। তাৰ এনেকুৱা এটা বস্তু ইয়াত সকলোৰে আগত ওলাই পৰিল—যিটো সি চন্দ্ৰ, সূৰ্য্য, বায়ুবপৰাও যেন লুকুৱাই ৰাখিব খুজিছিল। বাৰে বাৰে

সি ভাবিবলৈ ধৰিলে,—ইচ্ছু বাব। ভট্ট ডাঙৰীয়াই বা কি বুলি ভাবিছে, ললিতাই চাগৈ কি ভাবিছে আৰু সুচৰিতাই বা তাক কি বুলি ভাবিছে। দেৱদূতৰ কিবা ভুলত হে তাৰ এই স্বৰ্গলোকত কিছুদিনৰ বাবে ঠাই হৈছিল। অনধিকাৰ প্ৰৱেশৰ সকলো লাজ-অপমান বুৰ পাতি লৈ ইয়াৰপৰা আজি সি এক্‌েবাৰে নিৰ্ব্বাসিত হব লাগিব।

তাৰ পিচত পৰেশ ভট্টৰ ঘৰৰপৰা ওলাই প্ৰথমে ললিতাক দেখিয়েই সি ভাবিছিল 'আজি এই শেষ বিদায়ৰ বেলাত ললিতাৰপৰা এটা ডাঙৰ অপমানৰ বোজা লৈ আগৰ সকলো চিনাকিৰ এটা সমাধান কৰি দি থৈ যাওঁ।' কিন্তু কি কৰিলেনো ইয়াকে হব সি তাকেই ভাবি উলিয়াব নোৱাৰিলে। সেই কাৰণে ললিতাৰ মুখলৈ নোচোৱাকৈয়ে নীৰৱে নমস্কাৰ এটা কৰি সি গুচি গৈছিল গৈ।

সৌৰা সিদিনালৈকে দেখোন বিনয় পৰেশ ভট্টৰ পৰিয়ালৰ বাহিৰতেই আছিল, আজিও সেই বাহিৰতেই আছি সি থিয় হ'লহি। কিন্তু ই কি প্ৰভেদ। সেই বাহিৰখনেই আজি এনেকুৱা শুদা শুদা লাগিছে কিয়? তাৰ আগৰ জীৱনৰ তো কতো একো ক্ষতি হোৱা নাই। তাৰ গোৰা, তাৰ আনন্দময়ী সকলোৱেই দেখোন আছে। কিন্তু তথাপিও মাছ পানীৰ-পৰা পাৰলৈ উঠিলে যেনে লাগে, তাৰো ঠিক তেনেকুৱাই লাগিল। চাৰিওফালে সি ঘূৰি চালে, কিন্তু তাৰ জীৱনৰ অবলম্বন যেন হেৰাই গৈছে। এই অট্টালিকাৰে ভৰা জনাকীৰ্ণ মহানগৰীৰ ৰাজপথত চাৰিওফালে বিনয়ে তাৰ নিজৰ জীৱনৰ এটা আন্ধাৰ শাওঁবৰণীয়া সৰ্ব্বনাশৰ ছাঁ দেখা পালে। এই শুকান পৃথিৱীখনক বিঙা বিঙা দেখি সি নিজেই আচৰিত হৈ গ'ল। কিয় এনেকুৱা হ'ল? এইবোৰ কথাকে সি এটা হৃদয়হীন নিৰুত্তৰ শূন্যক বাৰে বাৰে সুধিবলৈ ধৰিলে।

"বিনয় ককাইদেউ! বিনয় ককাইদেউ।"

বিনয়ে উভতি চাই দেখে যে সতীশ। বিনয়ে তাক সাৱটি ধৰিলে। ক'লে,—"কি ভাই, কি কথা কোৱা আৰু' বন্ধু।" বিনয়ৰ মাতটো যেন চকু-লোৰে সেমেকি পৰিল। ভট্ট ডাঙৰীয়া ঘৰৰ এই অকণমানি লৰাটিয়েও যে কিমানখিনি মাধুৰী বিলাইছিল—সেইটো আজি যেনেকৈ বিনয়ে অনুভৱ কৰিলে আগতে বোধকৰোঁ কেতিয়াও সিমান অনুভৱ কৰা নাছিল।

সতীশে সুধিলে—"আপুনি আমাৰ ঘৰলৈ কিয় যোৱা নাই ককাইদেউ? কাইলৈ আমাৰ তাত লাৱণ্য বাইদেউ আৰু ললিতা বাইদেউ ভাত খাবলৈ আহিব। মাহীয়ে আপোনাকো নিমন্ত্ৰণ কৰিবলৈ মোক পঠিয়াই দিছে।"

মাহীয়ে এইবোৰ কথাৰ একো ভু নেপাই বুলি বিনয়ে বুজিব পাৰিলে। সি ক'লে,—"সতীশ, মাহীক মোৰ সেৱা জনাবা দেই। মই কিন্তু যাব নোৱাৰিম।"

সতীশে বিনয়ৰ হাতত ধৰি অনুনয় কৰি ক'লে,—"কিয় নোৱাৰিব? ইঃ আপুনি যাবই লাগিব। মই হলে কেতিয়াও নেৰোঁ।"

সতীশৰ ইমান অনুৰোধৰ বিশেষ এটা কাৰণ আছিল। স্কুলত "পশুৰ প্ৰতি ব্যৱহাৰ"ৰ বিষয়ে তাক এখন ৰচনা লিখিবলৈ দিছিল। সেই ৰচনা-খনত সি পঞ্চাশৰ ভিতৰত বিয়াল্লিচ নম্বৰ পাইছিল। বিনয়ক সেই ৰচনাখন দেখুৱাবলৈ তাৰ মনটো উত্‌গিচাই আছিল। বিনয় এজন বৰ ডাঙৰ বিদ্বান আৰু জনা লোক বুলি সি ভাবিছিল। বিনয়ৰ দৰে জনা-বুজা মানুহ এজনে তাৰ ৰচনাখনৰ মূল্য ঠিক কৈ বুজিব পাৰিব বুলি সি ভাবিছিল। বিনয়ে তাৰ ৰচনাখন শ্ৰেষ্ঠতা মানি লোৱাৰ পাচত কঠুৱা লীলাই সতীশৰ প্ৰতিভা সম্বন্ধে কেৰাহি নকৰিলে তাই হে সকলোৰে হাঁহিয়াতৰ পাত্ৰ হ'ব। মাহীয়েকক কৈ নিমন্ত্ৰণটো সিয়েই কৰোৱাইছিল। বিনয়ে তাৰ ৰচনাৰ ওপৰত ৰায় দিওঁতে বায়েকহঁতো তাত উপস্থিত থকাটো সি বাঞ্ছা কৰিছিল।

বিনয় কোনোৰকমেই যাব নোৱাৰিব বুলি শুনি সতীশে বৰ বেজাৰ পালে।

বিনয়ে তাৰ ডিঙিত সাৰটি ধৰি ক'লে,—"সতীশ, তুমিয়েই আমাৰ তালৈ বলা।"

সতীশৰ জেপত সেই ৰচনাখন আছিল। সেই কাৰণে সি বিনয়ৰ আহ্বান অগ্ৰাহ্য কৰিব নোৱাৰিলে। কৱি হোৱাৰ লোভ থকা এই ল'ৰাটোৱে স্কুলৰ পৰীক্ষাৰ একেবাৰে মুখামুখি সময়তো সময় নষ্ট কৰাৰ অপৰাধ মানি লৈ বিনয়ৰ ঘৰলৈ গ'ল।

বিনয়ে যেন সতীশক কোনোমতেই এৰি দিব নোৱাৰা হ'ল। তাৰ ৰচনা তো শুনিলেই, তাৰোপৰি সি ইমান প্ৰশংসা কৰিলে যে তাত আৰু সমালোচনাৰ কোনো নিৰপেক্ষতা বুজা নগ'ল। ইয়াৰ উপৰিও দোকানৰপৰা মিঠৈ কিনি আনিও তাক খুৱালে।

তাৰ পিচত সতীশক সিহঁতৰ ঘৰৰ কাষলৈকে আগবঢ়াই দি অলপ অনাৱশ্যক ভাৱে চিন্তিত হৈ ক'লে,—"সতীশ, মই তেনেহলে এতিয়া যাওঁ দেই।"

সতীশে তাৰ হাতত ধৰি আজুৰি আজুৰি ক'লে,—"ওঁহো আপুনি আমাৰ ঘৰলৈ যাবই লাগিব।"

আজি কিন্তু তাৰ এই অনুৰোধৰ একো ফল নধৰিল।

সপোনত ভাঁহি যোৱাৰ দৰে গৈ গৈ বিনয় আনন্দময়ীৰ ঘৰ পালেগৈ। কিন্তু তেখেতৰ লগত দেখা কৰিব নোৱাৰিলে। ছাতৰ ওপৰত যিটো কোঠাত গোৰা শুইছিল, সি গৈ সেই কোঠাটোতে সোমালগৈ। এইটো কোঠাতে সিহঁতে ল'ৰাকালৰ বন্ধুৰ ক'ত সুখৰ দিন আৰু ক'ত সুখৰ ৰাতি কটাইছে। কত আনন্দৰ কথা, কত সঙ্কল্প, কত গভীৰ আলোচনা, কত প্রণয়কলহ আৰু কলহৰ কত মধুৰ অৱসান—সেই তাৰ এৰি অহা জীৱনৰ মাজত বিনয়ে ঠিক তেনেকৈয়ে আগৰদৰে আপোন-পাহৰি সোমাব খুজিলে। কিন্তু সমাজৰ এই কেইদিনৰ এই নতুন চিনাকিয়ে তাৰ যেন বাট আগচি ধৰিলেহি। তাক ঠিক আগৰ সেই ঠাইত আৰু সোমাবলৈ নিদিলে। জীৱনৰ কেন্দ্র যে কিমানখিনি আঁতৰি গৈছে আৰু কক্ষপথৰ যে কেতিয়া পৰিবর্ত্তন ঘটিছে সেইটো অতদিনে বিনয়ে ইমান কট্‌কটীয়াকৈ বুজিব পৰা নাছিল। সেই কথাটোৱেই আজি ইমান কটুকটীয়াকৈ ওলাই পৰাত সি ভয় খাই উঠিল।

আনন্দময়ীয়ে ছাতত কাপোৰ শুকাবলৈ মেলি দিছিল। আবেলি ৰ'দ পৰি অহাত কাপোৰবোৰ চপাবলৈ আহি গোৰাৰ কোঠাত বিনয়ক দেখি আচৰিত হৈ গ'ল। লৰালৰিকৈ তাৰ কাষলৈ আহি গাত হাত দি সুধিলে,—"বিনয়, কি হৈছে বোপাই? তোৰ মুখখন ইমান শেঁতা পৰিছে কিয়?"

বিনয়ে উঠি বহি ক'লে,—"আই, মই ভট্টইঁতৰ ঘৰলৈ যেতিয়া প্রথমতে যাবলৈ আৰম্ভ কৰিছিলোঁ গোৰাই খং কৰিছিল। তাৰ খং মই তেতিয়া অন্যায় বুলি ভাবিছিলোঁ। কিন্তু অন্যায় তাৰ নহয়, মোৰ হে মূৰ্খামি।"

আনন্দময়ীয়ে অলপ হাঁহি পেলাই কলে,—"তোক আমাৰ খুব সুবুদ্ধি থকা ল'ৰা বুলি মই নকওঁ, কিন্তু এই ঠাইত তোৰ মূৰ্খামি ক'ত দেখিলি?"

বিনয়ে কলে,—"আই, আমাৰ সমাজখন যে একেবাৰেই বেলেগ, সেই কথা মই সম্বুলি ভৰা নাছিলোঁ। তেওঁলোকৰ বন্ধুৰ, ব্যৱহাৰ আৰু দৃষ্টান্ত দেখি মই বৰ ভাল পাইছিলোঁ আৰু তাৰপৰা উপকাৰ পোৱা যেনো লাগিছিল। সিয়েই মোক টানি নিছিল। আৰু যে কিবা ভাবিবলগীয়া আছে, সেই কথা এক মুহূৰ্ত্তৰ বাবেও মোৰ মনত খেলোৱা নাছিল।"

আনন্দময়ীয়ে কলে,—"তোৰ কথা শুনিও এতিয়াও দেখোন সেইবোৰ কথা মোৰ মনলৈ অহা নাই।"

বিনয়ে কলে,—"আই, তুমি নাজানা, তেওঁলোকৰ ঘৰখনৰ বিষয়ে

সমাজত মই বৰ ডাঙৰ অশান্তি আনিছোঁ। মানুহে এনেকুৱা বদনাম গাবলৈ ধৰিছে যে মই আৰু তাও—"

আনন্দময়ীয়ে কলে,—"গোৰাই এটা কথা বাৰে বাৰে কৈছিল, সেইটো মই খুব খাঁটি কথা বুলি ভাবোঁ। সি কয়, য'ত ভিতৰত অন্যায় আছে, তাত বাহ্যিক শান্তি থকাটোৱেই সকলোতকৈ অমঙ্গলৰ কথা। সিহঁতৰ সমাজত অশান্তি হব পাৰে, কিন্তু তাৰ বাবে তই অনুতাপ কৰাৰ একো দৰ্কাৰ নেদেখোঁ। চাবি,, ইয়াৰপৰা ভালেই হব। তোৰ নিজৰ ব্যৱহাৰ খাঁটি হলেই হ'ল।"

এইখিনিতেই বিনয়ৰ কেণা লাগিছিল। তাৰ নিজৰ ব্যৱহাৰটো নিন্দা কৰিবলগীয়া হয় নে নহয়, সেইটো সি কোনোমতেই বুজিব পৰা নাছিল। ললিতা আন এখন সমাজৰ ছোৱালী, এতেকে তাইক বিয়া কৰোৱাটো সম্ভৱ নহয়। সেইবাবে তাইলৈ থকা বিনয়ৰ অনুৰাগেই এটা গোপন পাপৰ দৰে তাক খুলি খুলি খাইছিল আৰু সেই পাপৰ উচিত পৰাচিত্তৰ সময় আহিছে বুলি ভাবিয়েই সি আজি দুখ পাইছিল।

বিনয়ে হঠাতে কৈ পেলালে,—"আই, শশীমুখীৰ লগত মোৰ যে বিয়া-খন হোৱাৰ কথা আছিল, সেইখন হৈ যোৱা হলেই ভাল আছিল। মোৰ প্ৰকৃত ঠাই য'ত আতেই কোনোমতে মই বান্ধ খাই থকা উচিত। এনেকুৱা হোৱা উচিত যেন কোনোমতেই তাৰপৰা মই লৰচৰ কৰিব নোৱাৰোঁ।"

আনন্দময়ীয়ে হাঁহি হাঁহি কলে,—"অৰ্থাৎ, শশীমুখীক তোৰ ঘৰৰ ঘৈণী নকৰি তোৰ ঘৰৰ শিকলি কৰিব খুজিছ—শশীজনী ভাগ্যে ৰক্ষা পৰিল।"

এনেতে পৰেশ ভট্টৰ ঘৰৰপৰা দুজনী ছোৱালী আহিছে বুলি লগুৱা-টোৱে আহি খবৰ দিলেহি। শুনিয়েই বিনয়ৰ বুকু চপ্‌চপাই উঠিল। সি ভাবিলে, তাক সতৰ্ক কৰি দিবৰ কাৰণেই সিহঁতে আনন্দময়ীৰ কাষলৈ গোচৰ দিবলৈ আহিছে। সি ততালিকে থিয় হৈ কলে,—"মই যাওঁ আই।"

আনন্দময়ীয়ে থিয় হৈ তাৰ হাতত ধৰি কলে,—"একেবাৰে গুচি নেযাবিগৈ বিনয়। তলৰ কোঠালীত অলপ পৰ বহগৈ যা।"

তললৈ নামি যাওঁতে যাওঁতে সি নিজক নিজেই বাৰে বাৰে কবলৈ ধৰিলে,—'ইয়ালৈ অহাৰ তো একো প্ৰয়োজন নাছিল। যি হ'ল হ'ল আৰু। মই তো আৰু মৰিলেও তালৈ নেযাওঁ। অপৰাধৰ শাস্তি জুইৰ দৰে জলি উঠাৰ পাচত অপৰাধী পুৰি ছাই হৈ গ'লেও সেখোন সেই জুই নুমাৰই নোখোজে।'

তলৰ মহলাৰ আলি ফালৰ পিনৰ গোৰাৰ থিটো কোঠা আছিল বিনয়ে তাত সোমাব খোজোঁতেই মহিমে তেওঁৰ বৰ পেটটোক চাপ্‌কানৰ বুতাম-বন্ধনৰপৰা মুক্তি দি দি অকিচৰপৰা আহি বৰ সোমালহি। তেওঁ বিনয়ৰ হাতত ধৰি কলে,—"অ' বিনয়, তুমি ইয়াতেই আছা দেখোন। ভালেই হ'ল, মই তোমাকেই বিচাৰিছিলোঁ।"

এই বুলি বিনয়ক গোৰাৰ কোঠালৈ লৈ গৈ এখন চকীত বহুৱাই নিজেও আন এখন চকীত বহিল আৰু জোতাৰপৰা ঠেংটো উলিয়াই বিনয়ক এখন তামোল খাবলৈ দিলে।

"হেৰ', কোন আছ, এচিলিম ধঁপাত লৈ আহ অ" এই বুলি এটা চিঞৰ মাৰি তেওঁ একেবাৰেই আচল কামৰ কথাকে উলিয়ালে। বিনয়ক সুধিলে—"সেই বিষয়ে কি ঠিক কৰিলা? আৰু তো—"

বিনয়ৰ মনৰ ভাব আগতকৈ বহুতো কোমলা যেন তেওঁৰ লাগিল। বৰ যে উৎসাহ দেখুৱাইছে—সেইটো সমূলি নহয় যদিও—ফাঁকি-ফুকা কৰি কোনোমতে সাৰি যাবলৈকো দেখোন চেষ্টা কৰা নাই। মহিমে তেতিয়াই দিন-বাৰ ঠিক কৰি পেলাব খুজিলে। বিনয়ে কলে,—"গোৰা উভতি আহক দিয়ক।"

মহিমে নিশ্চিন্ত হৈ কলে,—"গোৰাৰ উভতি আহিবলৈ তো এতিয়াও দিন আছে। বিনয়, অলপ চাহ-জলপান আনিবলৈ কওঁ, কি কোৱা? তোমাৰ মুখখন আজি বৰ শুকান শুকান যেন লাগিছে। কিবা অসুখ-বিসুখ হ'ল নে কি আকৌ?"

বিনয়ে চাহ-জলপানৰপৰা কোনোমতে হাত সাৰিলত মহিমে নিজে চাহ-জলপান খাবলৈ ভিতৰ সোমালগৈ। বিনয়ে গোৰাৰ মেজৰ ওপৰৰ পৰা কিবা পুথি এখন টানি লৈ পাত লুটিয়াবলৈ ধৰিলে। অলপ পিচত পুথিখন থৈ কোঠাটোতে ইমুৰ-সিমুৰ কৰি থাকিবলৈ ধৰিলে।

এনেতে লগুৱাটো আহি ক'লেহি,—"আয়ে আপোনাক মাতিছে।"

বিনয়ে কলে,—"কাক মাতিছে?"

লগুৱাটোৱে ক'লে,—"আপোনাক।"

বিনয়—আন আলহীবোৰ আছে নে নাই?

লগুৱাটোৱে "আছে" বুলি কলে।

পৰীক্ষাগৃহলৈ ছাত্ৰ আগবাঢ়ি যোৱাদি বিনয় ওপৰলৈ উঠি গ'ল। কোঠাটোৰ দুৱাৰ মুখলৈ আহি সি অলপ হেহোঁ নেহোঁ কৰোঁতেই সুচৰিতাই আগৰ দৰেই তাইৰ সহজ বন্ধুত্বৰ সবল মাতেৰে মাত দিলে,—"আহক,

চেটাৰ্জ্জীদেউ আহক।" সেই মাত শুনিয়েই বিনয়ে খবগখন হাতৰ মুঠিতে গোৱা যেন পালে।

বিনয় কোঠাটোত সোমালত সুচবিতা আৰু ললিতা তাক দেখি আচৰিত হৈ গ'ল। হঠাতে সি যে কিমান ভাঙৰ আৰু নিদাৰুণ আঘাত পাইছে,—সেই আঘাতে এইকণ সময়ৰ ভিতৰতে তাৰ মুখত একেবাৰে সাঁচ বহুৱাই দিছে। নিজৰ সেউজী পথাৰৰ ওপৰেদি হঠাতে এপাল গৰু-মোৰাই চেকুৰি গ'লে যি অৱস্থা হয়, বিনয়ৰ সদায় হাঁহি থকা মুখখনো আজি ঠিক তেনেকুৱা পথাৰখনৰ দৰেই হৈছে। ললিতাৰ মনত বেজাৰ আৰু পুতৌ লগাৰ লগে লগে অলপ আনন্দও লাগিল।

আন দিনা হোৱা হলে ললিতাই তেতিয়াই বিনয়ৰ লগত কথা নেপাতিলে হেঁতেন। আজি কিন্তু বিনয় আহি কোঠাটোত সোমোৱাৰ লগে লগেই তাই কলে,—"চেটাৰ্জ্জীদেউ, আপোনাৰ লগত আমাৰ এটা কথা আলোচনা কৰিবলগীয়া আছে।"

বিনয়ৰ বুকুলৈ যেন হঠাতে কোনোবাই এডাল আনন্দৰ শব্দভেদী বাণ মাৰি পঠিয়ালে। সি আনন্দতে চক্ খাই উঠিল। তাৰ বিবৰ্ণ শেঁতা মুখখন এক নিমিষতে পোহৰেৰে উজ্জ্বল হৈ উঠিল।

ললিতাই কলে,—"আমি বাই-ভনী কেইজনীয়ে লগ লাগি এখন সৰু-সুৰা ছোৱালী-স্কুল খুলিব খুজিছোঁ।"

বিনয়ে আগ্ৰহেৰে কলে,—"ছোৱালী স্কুল এখন খোলা মোৰো বহু-দিনৰেপৰা এটা আকাঙ্ক্ষা আছিল।"

ললিতাই কলে,—"এই বিষয়ে আপুনি আমাক সহায় কৰিব লাগিব।"

বিনয়ে কলে,—মই কৰিব পৰাখিনিৰ একো ঘাটি নহব। মই কি কৰিব লাগিব কওক।"

ললিতাই কলে,—"আমি ব্ৰাহ্ম দেখি হিন্দু অভিভাৱকবোৰে আমাক বিশ্বাস নকৰে। এই বিষয়ে আপুনি চেষ্টা কৰিব লাগিব।"

বিনয়ে বৰ ৰং পাই কলে,—"আপুনি এই বিষয়ে একো চিন্তা নকৰিব। মই পাৰিম।"

আনন্দময়ীয়ে কলে,—"সেইবোৰ সি খুব পাৰিব। মানুহক কথাৰে বলাই বশ কৰাত তাৰ লগত কেৰ মাৰিব পৰা কিজানি কোনো নায়েই।"

ললিতাই কলে,—"স্কুলৰ কাম-কাজবোৰ যেনেকৈ বিদবে চলোৱা উচিত—সময় ভগোৱা, শ্ৰেণী ভগোৱা, পুথি-পাঁজি ঠিক-ঠাক কৰি দিয়া, এই সকলোবোৰ আপুনিয়েই কৰি দিব লাগিব।"

এই কামটোও বিনয়ৰ বাবে একো টান কাম নহয়। কিন্তু তাৰ এটা খোকোজা লাগিল। বৰদাসুন্দৰীয়ে তেখেতৰ জীয়েক কেইজনীৰ লগত কথা-বতৰা পাতিবলৈ তাক বাৰণ কৰি দিছে আৰু সমাজতো সিইতক লৈ ডাঙৰ গোলমাল লাগিছে। এইবোৰ কথা বাৰু ললিতাই একেবাৰেই গম নেপায় নে কি? আৰু এই ক্ষেত্ৰত বিনয়ে ললিতাৰ অনুৰোধ ৰাখিবলৈ কথা দিয়াটো অন্যায় হব নে কি বা ইয়াৰপৰা ললিতাৰ বেয়াহে হব নে কি, এই কথাটোৱেই তাৰ মনত খুলিয়াবলৈ ধৰিলে। আনকালে আকৌ ললিতাই কিবা শুভ কামত তাৰ সহায় বিচাৰিলে মনে-প্ৰাণে চেষ্টা কৰিও সেই অনুৰোধ পালন নকৰিব, তাৰ এনে শক্তি নো ক'ত?

ইফালে সুচৰিতাও আচৰিত হৈ গ'ল। ললিতাই এনেকৈ বিনয়ক ছোৱালী-স্কুলৰ কাৰণে অনুৰোধ কৰিব বুলি তাই সপোনতো ভবা নাছিল। এনেয়েই কথাবোৰ বাৰুকৈয়ে পাক খাইছেগৈ—তাৰ পিচত আকৌ এইবোৰ কি কথা? সকলো জানি-শুনিও ললিতাই নিজ ইচ্ছাৰে এনে ঘটনা ঘটোৱাবলৈ ওলোৱা দেখি তাই ভয় খালে। ললিতাৰ মনৰ ভিতৰত বিদ্ৰোহে মূৰ দাঙি উঠিছে বুলি তাই বুজিলে। কিন্তু বেচেৰা বিনয়ক এই বেমেজালিখনৰ মাজত সুমুৱাই লোৱাটো জানো তাইৰ উচিত হৈছে? সুচৰিতাই উদ্‌বিগ্ন হৈ কলে,—"এই বিষয়ে এবাৰ দেউতাৰ লগত পৰামৰ্শ কৰিব লাগিব। ছোৱালী স্কুলত ইন্সপেক্টৰৰ আসন পালে বুলিয়েই এতিয়াৰে পৰাই যেন চেটাৰ্জীদেৱে ধৰি নলয়।"

সুচৰিতাই কৌশলেৰে প্ৰস্তাৱটোত বাধা দিছে বুলি বিনয়ে গম পালে। আৰু ফলত তাৰ মনৰ সন্দেহ আৰু বাঢ়িল হে। কিবা বিপদ এটা আহিছে বুলি সুচৰিতায়ো যে জানে, এইটো ভালকৈয়ে বুজা গ'ল। এতেকে ললিতায়ো নিশ্চয় নজনাকৈ থকা নাই। তেনে ললিতাই কিয়··· একোকে বুজা নগ'ল।

ললিতাই কলে,—"দেউতাক তো সুধিবই লাগিব। চেটাৰ্জীদেউ ৰাজী আছে বুলি জানিলেই তেখেতক কম। তেখেতে কেতিয়াও আপত্তি নকৰে। তেখেতো আমাৰ স্কুলৰ লগত যোগ থাকিব লাগিব।"

আনন্দময়ীৰ ফালে চাই তাই কলে,—"আপোনাৰ কথাও আমি ভাবিছোঁ।"

আনন্দময়ীয়ে হাঁহি হাঁহি কলে,—"মই হলে তোমালোকৰ স্কুল ঘৰটো সাৰি-পুচি দিব পাৰিম। মোৰদ্বাৰা তাতকৈ বেছিনো আৰু কি হব?"

বিনয়ে কলে,—"সেয়ে হলেই যথেষ্ট হব আই। স্কুল ঘৰ একেবাৰে নিৰ্ম্মল হৈ পৰিব।"

সুচৰিতা আৰু ললিতা গুচি যোৱাৰ পিচত বিনয়ে খোজ কাঢ়ি কাঢ়ি 'ইডেন গাৰ্ডেনৰ' ফালে গ'ল গৈ। মহিমে আনন্দময়ীৰ ওচৰলৈ আহি কলেহি,—"বিনয়ে এতিয়া বহখিনি মান্তি হৈছে গৈ। এতিয়া বিমান সোনকালে পৰা যায় কামটো শেষ কৰি পেলোৱাই ভাল। কেতিয়া আকৌ মত সলনি হয়, কোনে জানে?"

আনন্দময়ী আচৰিত হৈ কলে,—"ই আকৌ কি কথা? বিনয় নো মান্তি হ'ল কেতিয়া? মোক তো একো কোৱা নাই!"

মহিমে কলে,—"আজিয়েই মোৰ লগত তাৰ কথা-বতৰা হৈছে। গোৰা আহিলেই দিন-বাৰ সকলো ঠিক কৰা হব বুলি সি কৈছে।"

আনন্দময়ীয়ে মূৰ জোকাৰি কলে,—"মহিম, মোৰ কথা শুনা, তুমি কথাবোৰ ঠিককৈ বুজা নাই হবলা?"

মহিমে উত্তৰ দিলে,—"মোৰ বুদ্ধি বিমানেই ভোতা নহওক লাগে এইটো তুমি নিঃসন্দেহে জানিবা যে পোনপটীয়া কথা বুজাৰ বয়স মোৰ হৈছে।"

আনন্দময়ীয়ে কলে,—"বোপাই, মোৰ ওপৰত তোমাৰ খং উঠিব বুলি মই জানো। কিন্তু দেখিছোঁ এতিয়া আকৌ এটা গোলমালহে লাগিব গৈ।"

মহিমে গহীনাই কলে,—"গোলমাল লগালেই গোলমাল লাগে।"

আনন্দময়ীয়ে কলে,—"মহিম, তোমালোকে মোক বিহকে কোৱা মই সকলো সহি থাকিম। কিন্তু য'ত অশান্তি ঘটিবৰ ভয় আছে, তেনে কথাত মই যোগ দিব নোৱাৰোঁ। এইটো তোমালোকৰ ভালৰ কাৰণেই মই কৈছোঁ।"

মহিমে খঙেৰে কলে,—"আমাৰ ভাল কথা চিন্তা কৰাৰ ভাৰ আমাৰ ওপৰতেই দিলে তুমিও আৰু একো কথা শুনিব নেলাগে। আৰু আমাৰো কিজানি তেতিয়াহে ভাল হব। বৰঞ্চ শশীমুখীৰ বিয়াখন হৈ যাওক, তাৰ পিচত তুমি আমাৰ ভালৰ কথা চিন্তা কৰিবা। কি কোৱা?"

ইয়াৰ পিচত আনন্দময়ীয়ে আৰু একোকে উত্তৰ নিদি এটা হুমুনিয়াহ কাঢ়িলে। মহিমে জেপৰ টেমাৰপৰা তাঁমোল এখন উলিয়াই চোবাই চোবাই গুচি গ'ল গৈ।

ললিতাই ভট্ট ডাঙৰীয়াক আহি ক'লেহি,—"দেউতা, আমি ব্ৰাহ্ম বুলি কোনো হিন্দু ছোৱালীয়েই আমাৰ কাষলৈ পঢ়িবলৈ আহিব নোখোজে। সেই কাৰণেই ভাবিছোঁ হিন্দু সমাজৰ কাৰোবাক ইয়াত সুমুৱাই ললে কামৰ সুবিধা হব। কি কয় ?"

পৰেশ ভট্টই সুধিলে,—"হিন্দু সমাজৰ কাৰোবাক নো ক'ত পাবা ?"

ললিতাই কঁকালত টঙালি বান্ধি আহিছিল হয়, কিন্তু তথাপিও বিনয়ৰ নামটো ক'বলৈ হঠাতে তাইৰ সঙ্কোচ লাগি গ'ল। বলেৰে সৈতে সঙ্কোচ আঁতৰাই তাই ক'লে,—"কিয় ? নেপাৰ কিয় ? চেটাৰ্জ্জী দেউ আছে, নাইবা——"

এই নাইবাটো একেবাৰে ব্যৰ্থ প্ৰয়োগ, অব্যয় পদৰ অপব্যয় মাথোন। সেইটো অসমাপ্ত হৈয়েই বৈ গ'ল।

পৰেশ ভট্টই সুধিলে,—"বিনয় চেটাৰ্জ্জী, বিনয় আকৌ ৰাজী হব কিয় ?"

ললিতাৰ অভিমানত আঘাত লাগিল। বিনয় চেটাৰ্জ্জী ৰাজী নহব ? ললিতাই এইটো ভালকৈয়ে বুজিছিল যে বিনয়ক ৰাজী কৰোৱাটো তাইৰ পক্ষে একো অসাধ্য নহয়।

ললিতাই ক'লে,—"তেখেত ৰাজী হব পাৰে।"

পৰেশ ভট্টই অলপ পৰ স্থিৰ হৈ বহি থাকি ক'লে,—"সকলো কথা বিবেচনা কৰি চালে তেখেত কেতিয়াও ৰাজী হ'ব নোৱাৰে।"

ললিতাৰ কাণ-মুখ ৰঙা পৰি উঠিল। তাই নিজৰ আঁচলত বান্ধি থোৱা চাবি কোছা লৈ জোকাবিবলৈ ধৰিলে।

তেখেতৰ এই নিপীড়িতা কন্যাজনীৰ মুখলৈ চাই ভট্ট ডাঙৰীয়াৰ অন্তৰখন বেজাৰেৰে ভৰি উঠিল। তেখেতে একো সান্ত্বনাৰ বাক্য বিচাৰি নেপালে। কিছু পৰৰ পিচত লাহে লাহে মুখখন দাঙি ললিতাই ক'লে,—"দেউতা, তেনেহলে আমাৰ এই স্কুলখন আৰু কোনোৰকমেই নহবগৈ নহয় ?"

পৰেশ ভট্টই ক'লে,—"এতিয়াই স্কুলখন হোৱাত বহুতো বাধা আছে দেখিছোঁ। চেষ্টা কৰিবলৈ গলেই নানান অপ্ৰিয় কথাহে মানুহৰ মুখে মুখে ওলাব।"

তেনেহলে শেষত গৈ পানু মাইবেই জিকিবগৈ আৰু অন্যায়ৰ আগত নীৰৱে হাৰ মানিব লাগিব—ললিতাৰ পক্ষে ইয়াতকৈ ডাঙৰ দুখ আৰু একো নাই। এই বিষয়ে সেউতাকৰ বাহিৰে আন কাৰো শাসন তাই এক মুহূৰ্ত্তৰ বাবেও মানিব নোৱাৰিছিল। তাই কোনো ধৰণৰ অপ্ৰিয়তাকে ভয় নকৰে, কিন্তু অন্যায় কেনেকৈ সহ্য কৰিব? তাই লাহে লাহে ভট্ট ডাঙৰীয়াৰ কাষৰপৰা উঠি গুচি গ'ল।

নিজৰ কোঠালৈ গৈ দেখে যে তাইৰ নামত ডাকত এখন চিঠি আহিছে। হাতৰ আখৰ দেখিয়েই বুজিলে তাইৰ সৰু কালৰ বান্ধৱী শৈলবালাৰ চিঠি। শৈলবালাৰ কেতিয়াবাই বিয়া হৈ গৈছে। তাই গিৰীয়েকৰ লগত বাঁকিপুৰত থাকে।

চিঠিখনৰ এঠাইত লিখা আছিল——

"তোমাৰ বিষয়ে নানা ধৰণৰ কথা শুনি মনটো বৰ বেয়া লাগি আছে। বহুদিনৰেপৰাই চিঠি লিখি খবৰ লম বুলি ভাবি আছোঁ। সময়েই নেপাওঁ। কিন্তু পৰহি এজনৰপৰা (তেওঁৰ নামটো নিলিখোঁ) যি খবৰ পালোঁ শুনি মূৰত বজ্ৰপাত পৰা যেন লাগিল। এইবোৰো যে সম্ভৱ হব পাৰে ভাবিবই নোৱাৰোঁ। কিন্তু যিজনে লিখিছে তেওঁক অবিশ্বাস কৰাও টান। কোনোবা হিন্দু ল'ৰাৰ লগত তোমাৰ বোলে বিয়াৰ কথা ওলাইছে। কথাটো যদি সঁচা হয়"

ইত্যাদি ইত্যাদি।

চিঠিখন পঢ়ি খণ্ডত ললিতাৰ গোটেই গাটো জ্বলিবলৈ ধৰিলে। তাই এক মুহূৰ্ত্তও বৰ নোৱাৰিলে। তেতিয়াই সেই চিঠিখনৰ উত্তৰ লিখিলে—

"কথাটো সঁচা নে মিছা জানিবলৈ তুমি যে মোক সুধি পঠিয়াইছা এইটোৱেই মোৰ বৰ আচৰিত যেন লাগিছে। ব্ৰাহ্ম-সমাজৰ মানুহে তোমালৈ যি খবৰ পঠিয়াইছে তাকো এতিয়া সঁচা নে মিছা বিচাৰ কৰিব লাগিব নে কি? ইমান অবিশ্বাস? তাৰ পিচত, কোনোবা হিন্দু ল'ৰাৰ লগত মোৰ বিয়া হব পাৰে বুলি কথা ওলোৱাৰ খবৰ পাই তোমাৰ মূৰত বজ্ৰপাত পৰা যেন হৈছে, কিন্তু মই তোমাক ভাঠি ক'ব পাৰোঁ যে ব্ৰাহ্ম সমাজতো এনেকুৱা কিছুমান সুবিখ্যাত সাধু ডেকা ল'ৰা আছে যাৰ লগত বিয়া হব বুলি কথা ওলোৱাটোও বজ্ৰঘাতৰ দৰেই নিদাৰুণ, আৰু মই এনেকুৱা দুই এজন হিন্দু ডেকাক চিনি পাওঁ যাৰ লগত বিয়া হোৱাটো যি কোনো ব্ৰাহ্ম ছোৱালীৰ পক্ষেই গৌৰৱৰ কথা হব। ইয়াতকৈ বেচি আৰু এটা কথাও মই তোমাক কব নোখোজোঁ।"

ইফালে সেইদিনা গোটেই দিনটো পৰেশ ভট্টৰ আন সকলো কাম বন্ধ হৈ গ'ল। তেখেতে মনে মনে বহি বহু পৰ চিন্তা কৰিলে। তাৰ পিচত ভাবি ভাবিয়েই, লাহে লাহে সুচৰিতাৰ ঘৰ ওলালগৈ। ভট্ট ডাঙৰীয়াৰ চিন্তাকুল মুখখন দেখি সুচৰিতাৰ বৰ দুখ লাগিল। কি কথা-লৈনো তেখেতে ইমানকৈ চিন্তা কৰিছে সেইটোও তাই জানে আৰু তাই নিজেও এই বিষয়ে চিন্তা কৰি আজি কেবাদিনেও একো উৰাদিহ পোৱা নাই।

পৰেশ ভট্টই সুচৰিতাৰ লগত নিজান কোঁঠাটোত বহিলগৈ আৰু ক'লে,—"আই, ললিতাৰ কাৰণে বৰ ভাবিব লগীয়া হৈছে।"

সুচৰিতাই ভট্ট ডাঙৰীয়াৰ মুখলৈ করুণভাবে চাই ক'লে,—"জানো, দেউতা।"

পৰেশ ভট্টই ক'লে,—"মই সামাজিক বদ্‌নামবোৰৰ কথা ভৰা নাই। মই ভাবিছোঁ—বাৰু ললিতাই জানো——"

ভট্ট ডাঙৰীয়াৰ সঙ্কোচ দেখি সুচৰিতাই নিজেই কথাটো উলিয়াবলৈ যত্ন কৰিলে। তাই ক'লে,—"ললিতাই সদায় তাইৰ মনৰ কথাবোৰ মোৰ আগত খুলি কয়। কিন্তু আজি কিছুদিনৰপৰা তাই দেখোন মোৰপৰা যেন আলেঙে আলেঙে ফুৰিছে। মই ভালকৈয়ে বুজিছোঁ—"

পৰেশ ভট্টই কথাৰ মাজতে ক'লে,—"ললিতাৰ মনত এনে কিছুমান নতুন ভাৱৰ উদয় হৈছে-যিবোৰ তাই আন কি নিজৰ আগতো মানিব খোজা নাই। মই ভাবিয়েই ওৰ পোৱা নাই, কি কৰিলে নো তাইক ঠিক—তুমি বাৰু কি কোৱা—বিনয়ক আমাৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ দি ললিতাৰ কিবা অনিষ্ট কৰা হৈছে নে কি?"

সুচৰিতাই ক'লে,—"দেউতা, তুমিতো জানা, চৌধুৰী দেউৰ গাত একো দোষেই নাই। তেখেতৰ স্বভাৱ বৰ নিৰ্ম্মল। কবলৈ গলে তেখেতৰ দৰে ভাল মানুহ এজন খুব কমেইহে আছে।"

পৰেশ ভট্টই যেন কিবা এটা নতুন তত্ত্বহে লাভ কৰিলে। তেখেতে ক'লে,—"ঠিক কথাই কৈছা বাধা, তুমি ঠিক কথাই কৈছা। তেওঁ ভাল মানুহ হয় নে নহয় সেইটোহে চাব লাগে। অন্তৰ্য্যামী ভগৱানেও সেইটোহে চায়। বিনয় যে ভাল মানুহ, ইয়াত যে মোৰ ভুল হোৱা নাই, ইয়াৰ কাৰণে মই বাৰে বাৰে ভগৱানৰ উদ্দেশ্যে সেৱা জনাইছোঁ।"

এটা বিপদ আঁতৰ হ'ল, পৰেশ ভট্ট যেন বৈ গ'ল। পৰেশ ভট্টই তেখেতৰ দেৱতাৰ ওচৰত অন্যায় কৰা নাই। ঈশ্বৰে যিখন তুলাচনীৰে

মানুহক ৰোখে সেই নিত্য ধৰ্মৰ তুলাচনীখনকেই তেখেতেও মানি চলিছে। সেই তুলাচনীত সমাজে তৈয়াৰী কৰা ওজনৰ হেৰ-ফেৰ থকা দগা নাই বুলি জানি তেখেতৰ মনটো বৰ পাতল লাগিল। এই ইমান সাধাৰণ কথা এটাকে ইমান পৰে নুবুজি থিছাতে ইমান কষ্ট খোৱা কাৰণে তেখেত নিজেই বৰ আচৰিত হ'ল। তেখেতে সুচৰিতাৰ মূৰত হাত এখন থৈ ক'লে,—"তোমাৰপৰা আজি মই এটা বৰ ডাঙৰ কথা শিকিলোঁ আই।"

সুচৰিতাই লৰালৰিকৈ তেখেতৰ ভৰিৰ ধূলা মূৰত লৈ ক'লে,—"ইচ্ দেউতা, আপুনি কি যে কয়।"

পৰেশ ভট্টই ক'লে,—"সম্প্ৰদায় বোলা কথাটো এনে এটা বস্তু, যি মানুহ যে মানুহ, এই সকলোতকৈ সহজ কথাটোকে একেবাৰে পাহৰাই পেলায়। মানুহ ব্ৰাহ্ম নে হিন্দু, এই সমাজে গঢ়া কথাটোকেই বিশ্ব সত্যতকৈয়ো ডাঙৰ কৰি তুলি গোটেইখন ঘোলা কৰি পেলায়। ময়ো ইমান পৰ মিছাতে তাতে ঘূৰি মৰিছিলোঁ।"

অলপ সময় মনে মনে থাকি পৰেশ ভট্টই আকৌ ক'লে,—"ললিতাই ছোৱালী স্কুল এখন খোলাৰ সঙ্কল্প কোনোমতেই এৰি দিব পৰা নাই। তাই এই বিষয়ে বিনয়ৰ সহায় লবলৈ মোৰপৰা অনুমতি বিচাৰিছে।"

সুচৰিতাই ক'লে,—"ওঁহো দেউতা, এতিয়া কিছুদিন এইবোৰ কৰিব নেলাগে।"

ললিতাক বাৰণ কৰা মাত্ৰকেই তাই যে তাইৰ কাতৰ অন্তৰৰ সকলো আবেগ দমন কৰি উঠি গুচি গৈছিল গৈ, সেই দৃশ্যটোৱেই ভট্ট ডাঙৰীয়াক কোমল অন্তৰখনক বৰ দুখ দি আছিল। তেখেতৰ এই সাহসী ছোৱালী-জনীৰ ওপৰত সমাজে যি অন্যায় অত্যাচাৰ কৰিছে, সেই অন্যায়-অত্যাচাৰত তাই সিমান কষ্ট পোৱা নাই বুলি তেখেতে জানিছিল। কিন্তু এই অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ গৈ বাধা পাই, বিশেষকৈ দেউতাকৰপৰা বাধা পাই—তাই বৰ দুখ পাইছিল। সেই কাৰণেই সেই বাধা তুলি লবলৈ তেখেত অস্থিৰ হৈ পৰিছিল। তেখেতে ক'লে,—কিয় বাধা? স্কুল এতিয়া পাতিব নেলাগে কিয়?"

সুচৰিতাই উত্তৰ দিলে,—"নহলে আইৰ বৰ খং উঠিব।"

পৰেশ ভট্টই ভাবি চাই দেখে যে কথাটো ঠিকেই।

এনেতে সতীশ কোঠাটোত সোমাই সুচৰিতাৰ কাণে কাণে কিবা এটা ক'লে। সুচৰিতাই ক'লে,—"ওঁহো ভাই বক্তিয়াৰ, এতিয়া নহব। কাইলৈ হব দিয়া।"

সতীশে মনটো মাৰি ক'লে,—"কাইলৈ যে মোৰ স্কুল আছে।"

পৰেশ ভট্টই মৰমেৰে হাঁহি হাঁহি সুধিলে,—"কি সতীশ, কি লাগে?"

সুচৰিতাই ক'লে,—"তাৰ এটা——"

সতীশে লৰালৰিকৈ আহি সুচৰিতাৰ মুখখন হাতেৰে হেঁপা মাৰি ধৰি ক'লে,—"ওঁহো , বাইদেউ, নকবা, নকবা আক'।"

পৰেশ ভট্টই ক'লে,—"গোপনীয় কথা হলে সুচৰিতাই নো কিয় কব?"

সুচৰিতাই ক'লে,—"নহয় দেউতা, তাৰ বৰ ইচ্ছা-যাতে এই গোপনীয় কথাটো তোমাৰ কাণত পৰে।"

সতীশে চিঞৰি ক'লে,—"ওঁহো, কেতিয়াও নহয়, নিশ্চয় নহয়।"

এই বুলি কৈয়েই সি লৰ মাৰিলে।

বিনয়ে তাৰ যিখন ৰচনাৰ ইমান প্ৰশংসা কৰিছিল, সেইখনকে সুচৰিতাক দেখুৱাৰ কথা আছিল। নকলেও হব যে পৰেশ ভট্টৰ সন্মুখতে সুচৰিতাৰ কাণে কাণে কথাটো মনত পেলাই দিয়াৰ উদ্দেশ্যটো সুচৰিতাই ঠিকেই অনুমান কৰিছিল। মনৰ এনে গভীৰ উদ্দেশ্যবোৰো যে সংসাৰত ইমান সহজে ধৰা পৰি যায়, বেচেৰা সতীশে এইটো নেজানিছিলেই।

৪৭

চাৰিদিনমানৰ মূৰত এদিন চিঠি এখন হাতত লৈ হাৰান মাষ্টৰ বৰদাসুন্দৰীৰ ওচৰলৈ আহিল। আজি-কালি পৰেশ ভট্টৰ ওপৰত নিৰ্ভৰ কৰিবলৈ তেওঁ একেবাৰেই এৰিছে।

হাৰানে বৰদাসুন্দৰীৰ হাতত চিঠিখন দি ক'লে,—"মই গুৰিৰেপৰা আপোনালোকক সাৱধান কৰি দিবলৈ বহুতো চেষ্টা কৰিছিলোঁ। সেই কাৰণে আপোনালোকে মোক বেয়াও পাইছে। এতিয়া এই চিঠিখনৰপৰাই বুজিব পাৰিব ভিতৰি ভিতৰি ঘটনা কিমানলৈকে বিপাইছে গৈ।"

শৈলবালাৰে ললিতাই যিখন চিঠি লিখিছিল সেই চিঠিখন বৰদাসুন্দৰীয়ে পঢ়িলে। তাৰ পিচত তেখেতে ক'লে,—"কেনেকৈনো জানিম কওকচোন? কেতিয়াও নভবা-নিচিন্তা কথাবোৰেই ঘটিছে!

এইবোৰৰ বাবে কিন্তু আকৌ মোৰ গাতে দোষ দিদিব—মই হলে এতিয়াই কৈ থলোঁ। সুচৰিতাক দেখোন আটাইখনেই লগলাগি বৰ ভাল ভাল বুলি একেবাৰে মূৰত তুলিছিল? ব্ৰাহ্ম-সমাজত আৰু তেনেকুৱা ছোৱালী নায়েই,—এতিয়া একা? এতিয়া আপোনালোকৰ সেই আদর্শ ব্রাহ্ম-ছোৱালীজনীক চন্তালক চোন চাওঁ। বিনয় আৰু গৌৰক তো তায়েই আনি এইখন ঘৰত সুমুৱাইছিলহি। মই তথাপিও বিনয়ক বহুখিনি আমাৰ বাটলৈ টানি প্রায় আনিছিলোঁৱেই। তাৰ পিচত ক'ৰপৰা ভাগো অয়েই দেখোন মাহীয়েকেই নে চাহীয়েক--কিবা এজনী আনি, আমাৰ ঘৰতেই গোসাঁই পূজা আৰম্ভ কৰি দিলেহি। বিনয়বো এনেকৈ মূৰটো খালে যে এতিয়া সি মোক দেখিলেই পলোৱা হ'ল। এতিয়া এইবোৰ যি ঘটিছে ইয়াৰ আচল মাই হ'ল আপোনালোকৰ এই সুচ-ৰিতাই। এই ছোৱালীজনী নো কি ধৰণৰ ছোৱালী মোৰ সদায় জনা আছিল। কিন্তু কেতিয়াও মই কোনো কথাতে মাত এটাকে দিয়া নাছিলোঁ। তাইক মই তুলি-তালি এনেকৈ ডাঙৰ কৰিছিলোঁ যে তাই মোৰ নিজৰ পেটৰ ছোৱালী নহয় বুলি কোনেও গমকে নেপাইছিল। আজি তাৰ ফল এয়া হাতে হাতেই পোৱা গ'ল। এতিয়া মোক এই চিঠিখন মিছাকৈয়ে দেখুৱাইছে। আপোনালোকে যি ভাল দেখে কৰক।"

হাৰান মাষ্টৰে এসময়ত ৰবদাসুন্দৰীক ভুলকৈ বুজিছিল সেই কথা আজি খোলা-খুলিকৈ স্বীকাৰ কৰি অতি উদাৰ ভাৱেৰ তেওঁ অনুতাপ প্ৰকাশ কৰিলে। তাৰ পিচত ভট্ট ডাঙৰীয়াক মতোৱাই অনা হ'ল।

"এয়া চাওক" বুলি ৰবদাসুন্দৰীয়ে চিঠিখন তেখেতৰ সমুখত মেজৰ ওপৰত পেলাই দিলে। পৰেশ ভট্টই দুবাৰ তিনিবাৰ মান চিঠিখন পঢ়ি ক'লে,—"কিয়? কিনো হৈছে?"

ৰবদাসুন্দৰীয়ে একেবাৰে দাং খাই উঠি ক'লে,—"কি হৈছে জানে? আৰুনো কি হব লাগে? আৰু হবলৈ বাকী থাকিল কি? গোসাঁই পূজা কৰা, জাত মানি চলা, সকলোৱেই দেখোন হ'ল। এতিয়া আৰু আপোনাৰ জীয়েককহে মাথোন হিন্দুৰ ঘৰত বিয়া দিবলৈ বাকী। তাৰ পিচত পৰাচিত হৈ আপুনি হিন্দু সমাজত সোমাওঁক গৈ—মই কিন্তু কৈ থলোঁ——"

ভট্ট ডাঙৰীয়াই লাহেকৈ হাঁহি এটা মাৰি ক'লে,—"তুমি একোকে ক'ব নেলাগে। অন্ততঃ এতিয়াও কোৱাৰ সময় হোৱা নাই। কথাটো হৈছে তোমালোকেনো হিন্দুৰ ঘৰতেই ললিতাৰ বিয়া হব বুলি

কিয় ভাবিছা ? এই চিঠিখনত তো মই তেনে একো দেখা নাই।"

বৰদাসুন্দৰীয়ে ক'লে,—"কি হ'লেনো আপুনি দেখে, সেইটো কথা আৰু আজিলৈকে বুজি নেপালোঁ। সময় মতে দেখা হলেতো আজি এই কাণ্ড ঘটিবলৈকে নেপায়। চিঠিত আৰু মানুহে ইয়াতকৈ কিমান বেচি খুলি লিখিব কওকচোন ?"

হাৰানে ক'লে,—"মোৰ মনেৰে ললিতাক এই চিঠিখন দেখুৱাই তেওঁৰ নো মনৰ ইচ্ছা কি সোধা উচিত। আপোনালোকে অনুমতি দিলে মরে তেওঁক সুধিব পাৰোঁ।

এনেতে ললিতা ধুমুহাৰ দৰে কোঠাটোলৈ সোমাই আহি ক'লেহি,—"দেউতা, এয়া চাওক, ব্ৰাহ্ম সমাজৰপৰাই আজি-কালি এনেকুৱা বেনামী চিঠিবোৰ আহে।"

পৰেশ ভট্টই চিঠিখন পঢ়ি চালে। বিনয়ৰ লগত ললিতাৰ বিয়া গোপনে স্থিৰ হৈ যোৱা বুলি সঠিককৈ ধৰি লৈ লেখকে নানা ধৰণৰ কটু-কথা আৰু উপদেশেৰে ভৰাই চিঠিখন লিখিছে। তাৰ লগতে বিনয়ৰ উদ্দেশ্যও যে ভাল নহয়, সি যে দুদিনমানৰ পিচতে তাৰ ব্ৰাহ্ম-বৈণীয়েকক এৰি দি আকৌ হিন্দুৰ ছোৱালী বিয়া কৰাব, এইবোৰ কথাও আছিল।

পৰেশ ভট্টৰ পাছত হাৰানে চিঠিখন লৈ পঢ়িলে আৰু ক'লে,—"ললিতা, এতিয়া এই চিঠিখন পঢ়ি তোমাৰ খং উঠিছে। কিন্তু এনেকুৱা চিঠি লিখাৰ কাৰণ তুমিয়েই ঘটোৱা নাইনে ? তুমি নিজ হাতেৰে এইখন চিঠি কেনেকৈ লিখিলা কোৱাচোন ?"

ললিতাই এক মুহূৰ্ত্তমান তভক্ মাৰি থাকি সুধিলে,—"অ' শৈলৰ লগত আপোনাৰ হৰপায় এই বিষয়ে চিঠি-পত্ৰ লিখা-লিখি চলিছে ?"

হাৰানে এই প্ৰশ্নটোৰ কোনো পোন উত্তৰ নিদি ক'লে,—"ব্ৰাহ্ম সমাজৰ প্ৰতি কৰ্ত্তব্যৰ কথা মনত ৰাখি শৈলই তোমাৰ এই চিঠিখন পঠিয়াই দিবলৈ বাধ্য হৈছে।"

ললিতা থিয় হৈ কঠোৰ ভাবে ক'লে,—"বাৰু, এতিয়া ব্ৰাহ্ম সমাজে কি কব খুজিছে কওক।"

হাৰানে ক'লে,—"বিনয় চেটাৰ্জ্জী আৰু তোমাৰ বিষয়ে সমাজত যে কথাবোৰ ওলাইছে, এইবোৰ মই একোকেই বিশ্বাস কৰিব নোৱাৰোঁ। কিন্তু তথাপিও তোমাৰ মুখৰপৰা এবাৰ মই ইয়াৰ উচিত প্ৰতিবাদ শুনিব খোজোঁ।"

ললিতাৰ চকুযোৰ জুইৰ দৰে জ্বলিবলৈ ধৰিলে। তাই কোনো

ৰকৰে কঁপা হাতেৰে চকী এখনৰ পিঠ কালে চেপা মাৰি ধৰি সুধিলে,—"একোকেই বিশ্বাস কৰিব নোৱাৰে কিয় ?"

পৰেশ ভট্টই ললিতাৰ পিঠিত হাত বুলাই দি ক'লে,—"আই ললিতা, এতিয়া তোমাৰ মনটো বৰ অস্থিৰ হৈছে। এই বিষয়ে পিচতো মোৰ লগত কথা পাতিবা। এতিয়া থাকক।"

হাৰানে ক'লে,—"ভট্ট ডাঙৰীয়া, আপুনি কথাটো ঢাকিবলৈ চেষ্টা নকৰিব।"

ললিতাই পুনৰ জ্বলি উঠি ক'লে,—"দেউতাই কথা ঢাকিবলৈ চেষ্টা কৰিব ? দেউতাই আপোনালোকৰ দৰে সঁচালৈ ভয় নকৰে। সঁচাক দেউতাই ব্ৰাহ্ম সমাজতকৈয়ো ডাঙৰ বুলি ভাবে। শুনক, মই আপোনাক কওঁ বিনয়ৰ লগত বিয়া হোৱাটো মই একো অসম্ভৱ বা অন্যায় বুলি নেভাবোঁ।"

হাৰানে ক'লে,—"কিন্তু তেওঁ ব্ৰাহ্ম-ধৰ্ম্মৰ দীক্ষা গ্ৰহণ কৰিবলৈ জানো স্থিৰ কৰিছে ?"

ললিতাই ক'লে,—"একোকেই স্থিৰ কৰা নাই—আৰু দীক্ষা যে গ্ৰহণ কৰিবই লাগিব এনে জানো কিবা কথা আছে ?"

বৰদাসুন্দৰীয়ে অতপৰে একোকে মতা নাছিল। আজি যেন হাৰান মাষ্টৰৰেই জয় হওক, ইয়াকেই তেখেতে পেটে পেটে আশা কৰিছিল, আৰু যেন নিজৰ দোষ স্বীকাৰ কৰি ভট্ট ডাঙৰীয়ায়ো অনুতাপ কৰিব লগীয়া হয়। তেখেতে আৰু ৰব নোৱাৰি ক'লে,—"ললিতা, তই বলিয়া হৈছ নেকি ? এইবোৰ তই কি বকিছ ?"

ললিতাই ক'লে,—"নহয় আই, বলিয়াৰ কথা নহয়। মই যি কৈছোঁ ভাবি-চিন্তিয়েই কৈছোঁ। মোক এনেকৈ কেউফালৰপৰা বান্ধিব খুজিলে মই সহ্য নকৰিম। মই হাৰান মাষ্টৰহঁতৰ এই সমাজৰপৰা মুকলি হম।"

হাৰানে ক'লে,—"উচ্ছৃঙ্খলতাক তুমি মুক্তি বোলা নহয় ?"

ললিতাই উত্তৰ দিলে,—"নহয়, নীচতাৰ আক্ৰমণৰপৰা, অসত্যৰ দাসত্বৰপৰা মুক্তিকেই মই মুক্তি বুলি কওঁ। য'ত মই একো অন্যায়, একো অধৰ্ম্ম দেখা নাই, তাত ব্ৰাহ্ম-সমাজে মোক ছুব কিয় ? বাধা দিব কিয় ?"

হাৰানে দাম্ভিকতাৰ সৈতে ক'লে,—"ভট্ট ডাঙৰীয়া, এয়া চাওক। শেষত এনেকুৱা এটা কাণ্ড ঘটিবগৈ বুলি মই আগেয়ে জানিছিলোঁ। মই যিমান পাৰোঁ আপোনালোকক সাৱধান কৰি দিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু একো লাভ নহল।"

ললিতাই ক'লে,—"চাওক মাষ্টৰ, আপোনাকো সাৱধান কৰি দিয়াৰ দৰ্কাৰ হৈছে। যিসকল আপোনাতকৈ সকলো বিষয়তেই শ্ৰেষ্ঠ, তেখেত সকলক সাৱধান কৰি দিব পৰা এই ভেমটো যেন আপুনি আজিৰপৰাই মনৰপৰা বাজ কৰে।"

কথাষাৰ কৈয়েই ললিতা ভোঁ ভোঁৱাই কোঠাটোৰপৰা ওলাই গুচি গ'ল।

বৰদাসুন্দৰীয়ে ক'লে,—"এইবোৰ যে কি কাণ্ড ঘটিব ধৰিছে। এতিয়া কি কৰিব লাগিব ভাবি চাওক।"

পৰেশ ভট্টই ক'লে,—"যি কৰ্ত্তব্য তাকেই পালন কৰিব লাগিব। কিন্তু এনেকৈ গোলমালৰ মাজত পৰামৰ্শ কৰি কৰ্ত্তব্য স্থিৰ কৰিব নোৱাৰি। মোক অলপ ক্ষমা কৰিব লাগিব। এই বিষয়ে মোক আৰু এতিয়া একো নকবাঁ। মোক অলপ সময় অকলে থাকিবলৈ দিয়াঁ।"

৪৮

সুচৰিতাই ভাবিবলৈ ধৰিলে, ললিতাই নো এইখন কি কাণ্ড কৰিলে। তাই কিছু পৰ মনে মনে থাকি তাৰ পিচত ললিতাৰ ডিঙিত সাৱটি ধৰি কলে,—"মোৰ হলে ভনীটি বৰ ভয় লাগিছে।"

ললিতাই সুধিলে,—"কিহলৈ ভয় লাগিছে?"

সুচৰিতাই ক'লে,—"ব্ৰাহ্ম সমাজত তো চাৰিওফালে হুলস্থূল লাগিয়েই গৈছে। এতিয়া শেষত গৈ যদি চেটাৰ্জ্জীদেউ ৰাজি নহয়?"

ললিতাই তলমুকৈ দৃঢ়ভাৱে কলে,—"তেখেত ৰাজী হবই।"

সুচৰিতাই ক'লে,—"তই তো জানই, চেটাৰ্জ্জীদেৱে নিজৰ সমাজ এৰি আহি এইখন বিয়া কৰাবলৈ কেতিয়াও ৰাজী নহব বুলি পানু মাষ্টৰে আইক কৈ গৈছে। ললিতা, তই নো কিয় আগগুৰি নভবাকৈয়ে ঘপহকৈ কথাটো সেইদৰে পানু মাষ্টৰৰ আগত কৈ দিলি?"

ললিতাই কলে,—"কোৱা কাৰণে এতিয়াও মোৰ অকণোকে খেদ লগা নাই। পানু মাষ্টৰে ভাবিছিল-তেওঁৰ সমাজে মোক চিকাৰৰ জন্তুৰ দৰে খেদি নি একেবাৰে অতল সাগৰৰ পাৰ পোৱাইছেগৈ। এতিয়া আৰু মই ধৰা দিবই লাগিব—তেওঁ মেজানে যে এই সাগৰত জপিয়াই পৰিবলৈকো

মই ভয় নকৰোঁ। তেওঁৰ চিকাৰী কুকুৰৰ খোদাত তেওঁৰ সভাৰ মাজত সোমাবলৈহে মই ভয় কৰোঁ।"

সুচৰিতাই কলে,—"বাৰু, এবাৰ দেউতাক কথাটো সুধি-পুচি চাওঁচোন।"

ললিতাই কলে,—"দেউতাই যে কেতিয়াও চিকাৰীৰ দলত যোগ নিদিয়ে—এই কথা মই তোমাক কৈ থলোঁ। তেখেতে জো কেতিয়াও আমাক শিকনিবে বাদ্ধিব নোখোজে। তেখেতৰ মতৰ লগত আমাৰ মত নিমিলিলেও জানো তেখেতে কোনোবাদিনা খং কৰিছে? ব্ৰাহ্ম সমাজৰ নাম লৈ আমাৰ মুখত সোপা দিবলৈ তেখেতে জানো কেতিয়াবা চেষ্টা কৰিছে? আয়ে কত দিন ইয়াকে লৈ ক'ত গালি-শপনি পাৰিছে, কিন্তু দেউতাই সদায় মাথোন এটা কথালৈহে ভয় কৰিছিল—কেনেবাকৈ কিজানি আমাৰ নিজৰ চিন্তা কৰাৰ সাহ হেৰাই যায়। চিৰকাল এনেকৈ তুলি-তালি এতিয়া শেষত নো তেখেতে পানু মাষ্টৰৰ নিচিনা সমাজৰ এজন জাল-দাৰোগাৰ হাতত হে আমাক গতাই দিব নে?"

সুচৰিতাই কলে,—"বাৰু, দেউতাই জেনিবা একো বাধা নিদিলেই, তাৰ পিচত তই কি কৰিবি কচোন?"

ললিতাই কলে,—"তোমালোকে যদি একোকে নকৰা তেনেহলে মই নিজেই—"

সুচৰিতাই লৰালৰিকৈ কলে,—"নাই, নাই ভনীটি, তই একো কৰিব নেলাগে। মই এটা উপায় ভাবি উলিয়াইছোঁ।"

সুচৰিতা ভট্ট ডাঙৰীয়াৰ ওচৰলৈ যাবলৈ ওলাইছিল, এনেতে সন্ধিয়া পৰত তেখেত নিজেই আহি তাইৰ ঘৰ ওলাল হি। আনদিনা এনেকুৱা পৰত পৰেশ ভট্টই সদায় তেখেতৰ ঘৰৰ ফুলনিত তলমূৰৈ একান্ত মনে নানা কথা ভাবি ভাবি ফুৰি ফুৰে। সেই সময়ত সন্ধিয়াৰ পবিত্ৰ এন্ধাৰকণ লাহে লাহে মনৰ ওপৰত বুলাই দি তেখেতে যেন কৰ্ম্মময় দিনটোৰ সকলো চেকাবোৰ মোহাৰি পেলায়, আৰু অন্তৰত নিৰ্ম্মল শান্তি সঞ্চয় কৰি ৰাতিৰ জিৰণিৰ কাৰণে প্ৰস্তুত হবলৈ ধৰে। আজি পৰেশ ভট্টই তেখেতৰ সেই সন্ধিয়াৰ নিভৃত ধ্যানৰ শান্তি-সম্ভোগ পৰিত্যাগ কৰি যেতিয়া চিন্তিত মুখে সুচৰিতাৰ ঘৰ ওলালহি তেতিয়া, নাচি-বাগি লৰি-চাপৰি ফুৰা লৰা-ছোৱালীয়ে বেমাৰ হৈ মনে মনে পৰি থাকিলে মাকৰ মনত যেনেকৈ বেজাৰ লাগে, সুচৰিতাৰ কোমল অন্তৰতো তেনেকৈয়ে দুখ লাগিল।

পৰেশ ভট্টই লাহেকৈ সুধিলে,—"বাধা, সকলো কথা শুনিছানে?"

সুচৰিতাই কলে,—"ওঁ দেউতা, সকলো শুনিছোঁ। কিন্তু তুমি ইমান ভাবিছা কিয়?"

পৰেশ ভট্টই কলে,—"মই আন কথা একোকে ভবা নাই। মোৰ চিন্তা মাথো এয়ে-ললিতাই নিজে যি ধুমুহা বলাই দিছে তাৰ সকলো আঘাত তাই জানো সহিব পাৰিব? উত্তেজনাৰ ফলত বহু সময়ত আমাৰ মনলৈ অন্ধ দুঃসাহস আহে। কিন্তু এটা এটাকৈ যেতিয়া তাৰ ফল ফলিবলৈ আৰম্ভ কৰে তেতিয়া তাৰ ভাৰবোৱা শক্তি আমাৰ মনত নোহোৱা হয়। ললিতাই জানো সকলো ফলাফলৰ কথা ভালকৈ ভাবি-চিন্তি যিটো কৰিলে তাইৰ ভাল হব, তাকে কৰিছে?"

সুচৰিতাই কলে,—"সমাজৰ কোনো অত্যাচাৰেই ললিতাক কেতিয়াও হৰুৱাব নোৱাৰে বুলি মই তোমাক ডাঠি কব পাৰোঁ।"

পৰেশ ভট্টই কলে,—"ললিতাই মাথোন খঙৰ ভমকতে বিদ্ৰোহ কৰি যে উদ্ধতালি কৰা নাই, এই কথাটোকে মই ভালকৈ জানিব খুজিছোঁ।"

সুচৰিতাই তলমূকৈ উত্তৰ দিলে,—"নহয় দেউতা, সেয়ে হোৱা হলে মই তাইৰ কথালৈ কাণেই নিদিলোঁহেঁতেন। তাইৰ মনৰ তলিত থকা কথাটো আঘাত পাই হঠাতে ওলাই পৰিছে। এতিয়া আৰু এই কথা কোনো ৰকমে থাপি-থুপি থবলৈ গলে ললিতাৰ নিচিনা ছোৱালীৰ কাৰণে ভাল নহব। দেউতা, বিনয় চেটাৰ্জ্জী দেখোন বৰ ভাল মানুহ।"

পৰেশ ভট্টই সুধিলে,—"বাৰু, বিনয় আমাৰ সমাজলৈ আহিবলৈ মান্তি হব নে?"

সুচৰিতাই উত্তৰ দিলে,—"সেইটো মই ঠিক কৈ কব নোৱাৰোঁ। বাৰু দেউতা, এবাৰ গৌৰমোহনৰ মাকৰ শুৰিলৈ যা া নে?"

পৰেশ ভট্টই কলে,—"ময়ো তাকে ভাবিছিলোঁ। তুমি এবাৰ গলে বৰ ভাল হয়।"

আনন্দময়ীৰ ঘৰৰপৰা নিতৌ পুৱা বিনয়ে একোবাৰ নিজৰ ঘৰলৈ গৈ পাক এটা মাৰি আহিছিল। আজি ৰাতিপুৱা আহি সি এখন চিঠি পালে। ললিতাক বিয়া কৰালে বিনয় কেতিয়াও সুখী হব নোৱাৰে আৰু ললিতাৰ পক্ষেও এই বিয়াখন অমঙ্গলৰ কাৰণ হব, এই কথাবোৰকে লৈ চিঠিখনত বহুতো দীঘলীয়া উপদেশ দিয়া আছিল। লগতে ইয়াকো লিখা আছিল যে তথাপিও যদি বিনয়ে ললিতাক বিয়া কৰাবলৈ পিচ নোহোঁহকে তেনেহলে সি যেন এটা কথা ভালকৈ ভাবি চায়। ললিতাৰ হাওঁ-ফাওঁ দুৰ্ব্বল আৰু ডাক্তৰে খেহৰোগ হব পাৰে বুলি সন্দেহ কৰে।

এনেকুৱা এখন চিঠি পাই সি বৰ বিমোৰত পৰিল। এনে ধৰণৰ কথাও যে মিছাকৈয়ে ওলাব পাৰে বিনয়ে ভাবিবই পৰা নাছিল। কিয়নো, সমাজৰ বাধা থকা বাবে ললিতাৰ লগত বিনয়ৰ বিয়া হোৱা যে সম্ভৱ নহয়, এই কথা দেখোন কোনেও নজনাকৈ থকা নাই। এই কাৰণেই তো ললিতাৰ প্ৰতি তাৰ হৃদয়ৰ অনুৰাগ অতদিনে সি অপৰাধ বুলিয়েই ভাবি আহিছিল। কিন্তু এনেকুৱা এখন চিঠি তাৰ হাতত পৰিছেহি যেতিয়া, সমাজতো নিশ্চয় এই বিষয়ে যথেষ্ট আলোচনা হৈছে। এইবাবে সমাজৰ মানুহবোৰৰ আগত ললিতা চাগৈ কিমান অপমানিত হৈছে তাকে ভাবি বিনয়ৰ মনটো বৰ বেয়া লাগিল। তাৰ নামৰ লগত জোৰা দি ললিতাৰ নাম বাটে-ঘাটে মানুহৰ মুখে-মুখে হৈছে—এই কথা ভাবিয়েই তাৰ বৰ লাজ আৰু সঙ্কোচ লাগিল। এইটো কথাই বাৰে বাৰে তাৰ মনত খুন্দিয়াবলৈ ধৰিলে যে ললিতাই নিশ্চয় তাৰ লগত চিনাকি হোৱাৰ বাবে তাক শাও দিছে আৰু গালি পাৰিছে। ললিতাই চাগৈ কেতিয়াও আৰু তাৰ ছাঁটোকে সহিব নোৱাৰিব।

হাঁ মোৰ মানৱহৃদয়! এই মৰি যোৱা যেন লাজৰ মাজতো এটি নিবিড়, গভীৰ সূক্ষ্ম আৰু তীব্ৰ আনন্দই বিনয়ৰ হিয়াত ইমুৰৰপৰা সিমৰলৈকে চৌ খেলি গৈছিল। সেই আনন্দক ধৰি ৰাখিব নোৱাৰিব; সকলো লাজ সকলো অপমানকে সেই আনন্দই তল পেলাইছিল। এই আনন্দক একোপধ্যে মুঠেই আসৈ নিদিবৰ কাৰণে বিনয়ে তাৰ ঘৰৰ বাৰাণ্ডাত বেগেৰে ঘুৰা-পকা কৰিবলৈ ধৰিলে। কিন্তু পুৱাৰ পোহৰৰ

মাজেদি অহা এটি বাগীয়ে তাৰ মন ভৰাই পেলালে। আলিবাটেদি ফেৰিৱালাবোৰে চিঞৰি চিঞৰি গৈ আছিল। আন কি সেই চিঞৰ-বাখৰেও তাৰ অন্তৰত এটি গভীৰ হেন্দোলনি তুলিলে। বাহিৰৰ লোক নিন্দাই যেন ললিতাক বানপানীয়ে উটুৱাই অনাৰ দৰে আনি বিনয়ৰ হৃদয়ৰ পাৰত তুলি থৈ গ'ল হি। সমাজৰপৰা উটি উটি অহা ললিতাৰ এই মূৰ্ত্তিটোক সি আৰু বাধা দি ৰাখিব নোৱাৰিলে। তাৰ মনটোৱে অনবৰত কবলৈ ধৰিলে—"ললিতা মোৰ, অকল মোৰ।" আন কোনো দিনাই তাৰ মনটোৱে এনেকৈ একাচেকা ভাৱে ইমান জোৰেৰে স'তে এই কথা কবলৈ সাহ কৰা নাছিল। আজি বাহিৰত এই সুৰটো হঠাতে এইদৰে বাজি উঠা দেখি, বিনয়ে কোনোমতেই নিজৰ মনটোক আৰু 'শাম কাটা' বুলি বান্ধি ৰাখিব নোৱাৰিলে।

বিনয়ে এইদৰে উত্ৰাৱল হৈ ঘূৰি-পকি থাকোঁতেই হাৰান মাষ্টৰক আলিয়েদি আহি থকা দেখা পালে। তেওঁ তাৰ তালৈকে আহিছে বুলি সি ততালিকে বুজি পালে আৰু বেনামী চিঠিখনৰ মূলতো কিবা এটা ডাঙৰ আউল আছে বুলি সি ভালকৈয়ে গম পালে।

আনদিনাৰ দৰে বিনয়ৰ মুখ খান দিলে আথৈ হোৱাদি নহল। হাৰানক চকী এখনত বহিবলৈ দি সি নিমাত হৈ তেওঁৰ কথালৈ বৈ থাকিল।

হাৰান মাষ্টৰে সুধিলে,—"চেটাৰ্জ্জীদেউ, আপুনি হিন্দু নহয় জানো?"

বিনয়ে কলে,—"ওঁ, মই নিশ্চয় হিন্দু।"

হাৰানে কলে,—"মই এইবোৰ প্ৰশ্ন সোধা দেখি আপুনি খং নকৰিব আকৌ। বহুত সময়ত আমি আমাৰ চাৰিওফালৰ অৱস্থা বিবেচনা নকৰা-কৈয়ে চকু মুদি চলোঁ। ফলত সংসাৰত দুখৰ সৃষ্টি হয়। এনেকুৱা ক্ষেত্ৰত আমি নো কোন, আমাৰ সীমা নো কোনখিনিলৈকে, আমাৰ কাৰ্য্যৰ ফল কিমান দূৰলৈকে বিয়পিব পাৰে, এইবোৰৰ উহ যদি কোনোবাই উলিয়ায় তেনেহলে সেইবোৰ অপ্ৰিয় হলেও তেওঁক বন্ধু বুলিয়েই ভাবিব।"

বিনয়ে হাঁহিবলৈ চেষ্টা কৰি কলে,—"মিছাতে আপুনি ইমানবোৰ পাতনি মেলিছে। অপ্ৰিয় কথা শুনি খং উঠি কোনো ৰকমৰ বেমেজালি লগোৱাটো মোৰ স্বভাৱ নহয়। আপুনি নিৰ্ভয়ে মোক সকলো ধৰণৰ কথা সুধিব পাৰে।"

হাৰানে কলে,—"মই আপোনাক আপুনি নিজ ইচ্ছাৰে কৰা কোনো অপৰাধৰ বাবে দোষ দিব খোজা নাই। কিন্তু ভুল বিবেচনাৰ ফলো যে বিষময় হৈ উঠিব পাৰে, এই কথা আপোনাক কোৱা দৰ্কাৰ নাই।"

বিনয়ে পেটে পেটে বিৰক্ত হৈ উঠি কলে,—"যিবোৰ কথাৰ দৰ্কাৰ নাই সেই কথা নকলেও হব। এতিয়া দৰ্কাৰী কথাটোকে কওক।"

হাৰান মাষ্টৰে কলে,—"আপুনি হিন্দু সমাজত আছে আৰু সমাজ এৰা আপোনাৰ পক্ষে অসম্ভৱ। এতেকে পৰেশ ভট্টৰ ঘৰলৈ আপোনাৰ অহা-যোৱা কৰাটো উচিত হৈছে? বিশেষকৈ যাৰ ফলত সমাজত তেখেতৰ ছোৱালী কেইজনীৰ বিষয়ে কথা ওলাব পাৰে?"

বিনয়ে গহীন হৈ অলপ সময় মনে মনে থাকি কলে,—"চাওক মাষ্টৰ ডাঙৰীয়া, সমাজৰ মানুহে কিহৰপৰা কি কথা উলিয়াব, সেইটো বহুখিনি সিহঁতৰ স্বভাৱৰ ওপৰত নিৰ্ভৰ কৰে। এতেকে সেইবোৰৰ সকলো দায়িত্ব মই যে লব নোৱাৰোঁ। ভট্ট ডাঙৰীয়াৰ ছোৱালী কেইজনীৰ বিষয়ে যদি আপোনালোকৰ সমাজত কিবা ওলায়, তেনেহলে তাৰ বাবে তেওঁলোকে লাজ পাবলগীয়া একো নাই। বৰঞ্চ তাৰ বাবে আপোনালোকৰ সমাজেহে লাজ পোৱা উচিত।"

হাৰানে কলে,—"যেই কোনো গাভৰু ছোৱালী মাকৰ লগ এৰি এজন বাহিৰা মতামানুহৰ লগত অকলে একেখন জাহাজতে আহিবলৈ যদি লাই দিয়া হয়, তেনেহলে সেই বিষয়ে আলোচনা কৰিবলৈ কোনখন সমাজৰ নো অধিকাৰ নাই সুধিব পাৰোঁনে?"

বিনয়ে উত্তৰ দিলে,—"বাহিৰৰ ঘটনাক ভিতৰৰ দোষৰ লগত আপোনালোকেও যদি একে ঠাইতে থয়, তেনেহলে হিন্দু সমাজ ত্যাগ কৰি আপোনালোক ব্ৰাহ্ম সমাজলৈ অহাৰ নো কি দৰ্কাৰ আছিল? যেই হওক মাষ্টৰ ডাঙৰীয়া, এইবোৰ কথা লৈ মই আৰু তৰ্ক কৰিব নোখোজোঁ। মোৰ কৰ্ত্তব্য নো কি সেই বিষয়ে মই নিজেই ভাবি-চিন্তি স্থিৰ কৰিম। আপুনি এই বিষয়ে মোক একো নকলেও হব।"

হাৰানে কলে,—"মই আপোনাক বেচি একো কব নোখোজোঁ, মাথোন এটা কথাই মই কৈ যাব খোজোঁ যে এতিয়াৰেপৰা আপুনি আঁতৰি থাকিব লাগিব—নহলে কিন্তু বৰ অন্যায় হব। আপোনালোকে পৰেশ ভট্টৰ ঘৰখনত সোমাই মাথোন অশান্তিৰ হে সৃষ্টি কৰিছে। তেওঁলোকৰ যে কিমান অনিষ্ট কৰিছে সেইটো আপোনালোকে নেজানে।"

হাৰান গুচি যোৱাৰ পিচত বিনয়ৰ মনত এটা দুখে শেলৰ দৰে হানিবলৈ ধৰিলে। সৰল হৃদয়ৰ উদাৰচিতীয়া ভট্ট ডাঙৰীয়াই কিমান আদৰ সাদৰকৈ সিহঁত দুটাক তেখেতৰ ঘৰলৈ মাতি লৈ গৈছিল, বিনয়ে কিজানি নজনাকৈয়ে এই ব্ৰাহ্ম পৰিয়ালটোৰ মাজত আপোন অধিকাৰৰ

সীমা খোজে খোজে ডেই গৈছিল; তথাপিও তো তেখেতৰ মৰম-চেনেহ আৰু শ্ৰদ্ধাৰপৰা এদিনলৈকো বঞ্চিত হোৱা নাছিল। এই পৰিয়ালটোৰ মাজত বিনয়ৰ স্বভাৱে এনে এটি গভীৰ আশ্ৰয় পাইছিল, যিটো সি আৰু আন ক'তো পোৱা নাছিল। তেওঁলোকৰ লগত চিনাকি হোৱাৰ পিচৰপৰাই বিনয়ে এটি বিশেষ সত্তা উপলব্ধি কৰিছিল। এই যে ইমান আদৰ, ইমান আনন্দ, ইমান আশ্ৰয় য'ত সি পাইছিল, সেই ঘৰখনত কিন্তু তাৰ সোঁৱৰণিয়ে চিৰদিন কাঁইটৰ দৰে বিন্ধি থাকিব। ভট্ট ডাঙৰীয়াৰ জীয়েক কেইজনীৰ ওপৰত সি এটা অপমানৰ ক'লা চেক লগালে। ললিতাৰ গোটেই ভৱিষ্যত জীৱনৰ ওপৰত সি ইমান ডাঙৰ এটা লাঞ্ছনা আঁকি দিলে। ইয়াৰ জানো কিবা প্ৰতিকাৰ আছে? হায়, হায়, সমাজ বুলি বস্তুটোৱে সত্যৰ মাজত কিমান ডাঙৰ এটা বিৰোধ সৃষ্টি কৰিছে! চাবলৈ গলে ললিতাৰ লগত বিনয়ৰ বিয়াৰ কোনো প্ৰকৃত বাধা নাই। ললিতাৰ সুখ আৰু মঙ্গলৰ কাৰণে বিনয়ে নিজৰ গোটেই জীৱন উচৰ্গা কৰি দিবলৈ যে কিমান প্ৰস্তুত আছে সেইটো মাথোন সেইজন গোসাঁয়েহে জানে-যিজন দুয়োৰে অন্তৰ্য্যামী। তেৱেঁই তো বিনয়ক ভালপোৱাৰ আকৰ্ষণেৰে ললিতাৰ ইমান কাষলৈ লৈ আহিছে, তেওঁৰ শাশ্বত ধৰ্ম্ম বিধিত তো ক'তো খোকোজা লগা নাছিল। তেনেহলে ব্ৰাহ্ম সমাজৰ যিজন গোসাঁইক পানু মাষ্টৰে পূজা কৰে, তেওঁ আন এজন বেলেগ গোঁসাই নে কি? তেওঁ মানৱ-হৃদয়ৰ অন্তৰৰ বিধতা নহয় নে কি? ললিতা আৰু তাৰ মিলনৰ মাজত যদি কিবা নিষেধে দাঁত-মুৰ নিকটাই থিয় হৈ আছে আৰু যদি সি মাথোন সমাজক হে মানে আৰু সৰ্ব্ব মানৱৰ দেৱতাৰ কথা নেমানে, তেনেহলে সেইটো জানো পাপ নিষেধ নহয়? কিন্তু হায়, এই নিষেধ ললিতাৰ কাৰণে কিজানি ভীষণ শক্তিমান। তাৰোপৰি, ললিতাই কিজানি বিনয়ক—আৰু যে কিমান সংশয় আছে। ক'ত বাৰু ইয়াৰ মীমাংসা হবগৈ?

বিনয়ৰ ঘৰলৈ যি সময়ত হাৰান মাষ্টৰ আহিছিল, ঠিক সেই একে সময়তে অবিনাশেও আনন্দময়ীক খবৰ দিছিল গৈ যে বিনয়ৰ লগত ললিতাৰ বিয়াৰ ঠিক হৈ গৈছে।

আনন্দময়ীয়ে ক'লে,—"এইবোৰ কেতিয়াও সঁচা কথা হব নোৱাৰে।"

অবিনাশে ক'লে,—"কিয় সঁচা নহয়? বিনয়ৰ কাৰণে এয়া কিবা অসম্ভৱ জানো?"

আনন্দময়ীয়ে ক'লে,—"সেইবোৰ মই নেজানো। কিন্তু ইমান ডাঙৰ কথা এটা বিনয়ে কেতিয়াও মোৰপৰা লুকুৱাই নেৰাখিলেহেঁতেন।"

অবিনাশে যে ব্ৰাহ্ম সমাজৰ মানুহৰ মুখৰপৰাই এই কথা শুনিছে আৰু কথাটো যে বিশ্বাসযোগ্য, তাকে সি বাৰে বাৰে কবলৈ ধৰিলে। বিনয় যে এনেকুৱা ফাকত পৰিবগৈ, সেইটো অবিনাশে বহুদিন আগতেই জানিছিল। আন কি গোৰাকো সি এই বিষয়ে সতৰ্ক কৰি দিছিল। এইবোৰ কথাকে সি আনন্দময়ীক জনাই মহা স্ফূৰ্ত্তিৰে তলৰ মহলাত থকা মহিমকো এই সংবাদ দি গুচি গ'ল।

আজি বিনয় যেতিয়া উভতি আহিল, তেতিয়া তাৰ মুখখন দেখিয়েই তাৰ মনটো উগুল-থুগুল লাগি থকা বুলি আনন্দময়ীয়ে বুজি পালে। প্ৰথমতে তাক খুৱাই-বুৱাই নিজৰ কোঠালৈ মাতি আনি সুধিলে—"বিনয়, তোৰ কি হৈছে কচোন বোপাই।"

বিনয়ে ক'লে,—"আই, এই চিঠিখন পঢ়ি চোৱা।"

আনন্দময়ীৰ চিঠিখন পঢ়া হলত বিনয়ে ক'লে,—"আজি ৰাতিপুৱা পানু মাষ্টৰ আমাৰ ঘৰলৈ আহিছিল। তেওঁ মোক খুব গালি-শপনি পাৰি গ'লহি।"

আনন্দময়ীয়ে সুধিলে,—"কিয়?"

বিনয়ে উত্তৰ দিলে,—"তেওঁ কৈছে—মোৰ ব্যৱহাৰৰ কাৰণে বোলে তেওঁলোকৰ সমাজত ভট্ট ডাঙৰীয়াৰ জীয়েক কেইজনীৰ বহুতো বদ্‌নাম ওলাইছে।"

আনন্দময়ীয়ে ক'লে,—"মানুহে দেখোন কৈছে ললিতাৰ লগত বোলে তোৰ বিয়াৰ ঠিক হৈ গৈছে। কিন্তু ক'তা, মইতো ইয়াত কোনো বদ্‌নামৰ কাৰণ দেখা নাই।"

বিনয়ে ক'লে,—"বিয়া হোৱাৰ উপায় থকা হলে দেখোন কলুনাৰ ওলোৱাৰ বাটেই দেখাকিলহেঁতেন। কিন্তু য'ত তাৰ একো সম্ভাৱনাই নাই, তাত এনেকুৱা বাবে বাংকৰা কথা উলিওৱাটো যে কিমান ডাঙৰ অন্যায়, বিশেষকৈ ললিতাক লৈ এনে কথা উলিওৱাটো অতি কাপুৰুষতা।"

আনন্দময়ীয়ে ক'লে,—"বিনু শুন, তই যদি আচলতে মতা মানুহ হব, তেনেহলে এই কাপুৰুষতাৰ হাতৰপৰা তই অতি সহজতে ললিতাক ৰক্ষা কৰিব পাৰ।"

বিনয়ে আচৰিত হৈ সুধিলে,—"কেনেকৈ আই?"

আনন্দময়ীয়ে ক'লে,—"কেনেকৈ মানে? ললিতাক বিয়া কৰাই।"

বিনয়ে ক'লে,—'ইচ্ বাম আই, তুমিনো এইবোৰ কি বলকিছা? তোমাৰ বিনয়ক তুমিনো কি বুলি ভাবা মই বুজিবই নোৱাৰোঁ। তুমি ভাবিছা যে বিনয় যদি এবাৰ মাথোন 'মই বিয়া কৰাম' বুলি কয় তেনে-হলে সংসাৰত আৰু আন কোনেও সেই কথাৰ ওপৰত মাত মাতিব নোৱা-ৰিব,—যেন সকলোৱে মোৰ মুখলৈকে চাই মোৰ এটা ইঙ্গিতৰ কাৰণেই ৰৈ আছে।"

আনন্দময়ীয়ে ক'লে,—"তই ইমানবোৰ কথা ভবাৰ প্ৰয়োজন নাই, যি পাৰ, তাকে কৰিলেই হব। তই কব পাৰ, 'মই বিয়া কৰাবলৈ সাজু আছোঁ।'

বিনয়ে ক'লে,—"মই ইমান অদ্ভুত কথা ক'লে জানো ললিতাক অপমান কৰা নহব?"

আনন্দময়ীয়ে ক'লে,—"অদ্ভুত বুলিনো কিয় কৈছ? তহঁতৰ বিয়াৰ কথা যেতিয়া ওলাইছেই, সেইটো নিশ্চয় সঙ্গত বুলিয়েই ওলাইছে। মোৰ কথা শুন বিনয়, তই একো সঙ্কোচ কৰিব নেলাগে।"

বিনয়ে ক'লে,—"কিন্তু আই, গোৰাৰ কথাও তো ভাবিব লাগিব।"

আনন্দময়ীয়ে টানকৈ ক'লে,—"নহয় বোপাই, এই বিষয়ে আৰু গোৰাৰ কথা ভবাৰ কোনো কথাই নুঠে। তাৰ খং উঠিব বুলি মই জানো। তোৰ ওপৰত তাৰ খং উঠাটোও মই নিবিচাৰোঁ। কিন্তু কিনো কৰিবি? ললিতাৰ ওপৰত যদি তোৰ শ্ৰদ্ধা আছে তেনেহলে চিৰকাললৈ তাইৰ গাত এটা চেকা থাকি যাবলৈ তো তই এৰি দিব নোৱাৰ।"

কিন্তু এইটো যে বৰ টান কথা। কাৰাদণ্ডেৰে দণ্ডিত গোৰাৰ প্ৰতি বিনয়ৰ ভালপোৱা যেন আৰু দুগুণে বাঢ়ি গৈছিল। এতিয়া সেই গোৰাৰ কাৰণে ইমান ডাঙৰ এটা আঘাত যুগুত কৰি থবলৈ সি জানো পাৰিব?

অৰ উপৰিও সংস্কাৰ ? সবাজক বুজিৰে লঙ্ঘন কৰা সহজ, কিন্তু কাৰেবে লঙ্ঘন কৰিবলৈ গলেই সক-ডাঙৰ কত কথাত যে আউল লাগি পৰে।"

বিনয়ে ক'লে,—"আই, তোমাক যিমানেই দেখিছোঁ সিমানেই আচৰিত হৈ গৈছোঁ। তোমাৰ মনটো যাক একেবাৰে ইমান নিৰ্ম্মল হ'ল কেনেকৈ ? তুমি ভৰিৰে খোজ কাঢ়ি যাব নেলাগে নে কি ? তোমাক গোসাঁয়ে দুখন পাখি দিছে নে কি ? ক'তো তুমি দেখোন উজুটিকে নোখোৱা !"

আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে,—"মই উজুটি খাবলৈ গোসাঁয়ে একোকে ৰখা নাই। সকলো একেবাৰে নিকা কৰি দিছে।"

বিনয়ে ক'লে,—"কিন্তু আই, মই হ'লে মুখেৰে যিয়েই নকওঁ লাগে, মনটোৱে দেখোন বাধা দিয়ে। ইমান ভালকৈ সকলো কথা বুজি পাওঁ, পঢ়া-শুনা কৰোঁ, তৰ্ক কৰোঁ, কিন্তু হঠাতে দেখিছোঁ যে মনটো একেবাৰে মূৰ্খই হৈ আছে।"

এনেতে মহিম সেই কোঠাটোলৈ সোমাই আহি বিনয়ক ললিতাৰ বিষয়ে এনে কিছুমান অশোভনীয় কথা সুধিলে যে বিনয়ে বৰ লাজ পালে। সি কোনো ৰকমে নিজক চম্ভালি একোকে উত্তৰ নিদি তলমুৰকৈ বহি থাকিল। তেতিয়া মহিমে সকলোকে বিন্ধি যোৱাকৈ কিছুমান নানা ধৰণৰ অপমানজনক কথা কৈ গুচি গ'ল। তেওঁ ঠাৰে-চিয়াঁৰে ইয়াকে বুজাই গ'ল যে, বিনয়ক এইদৰে ফান্দত পেলাই তাৰ সৰ্ব্বনাশ কৰিবৰ কাৰণেই পৰেশ ভট্টৰ ঘৰত এটা নিলাজ আয়োজন চলিছিল। বিনয় এটা গোমূৰ্খ কাৰণেই সি এনেকুৱা এখন ফান্দত পৰি গ'ল। সিহঁতে যাক গোৰাক ফুচুলাওঁকচোন চাওঁ, তেহে দেখিলোঁহেঁতেন। সেয়া হ'ল বৰ টান মাটি।

বিনয়ে চাৰিওফালে এনেকুৱা লাঞ্ছনাৰ ৰূপ দেখি মহা বিমোৰত পৰিল। আনন্দময়ীয়ে ক'লে,—"বিনয়, এতিয়া তোৰ কৰ্ত্তব্য কি জান নে ?"

বিনয়ে মূৰ দাঙি তেখেতৰ মুখলৈ চালে। আনন্দময়ীয়ে ক'লে,—"এতিয়া তই এবাৰ ভট্ট ডাঙৰীয়াৰ ওচৰলৈ যোৱা উচিত। তেখেতৰ লগত কথা পাতিলেই সকলো খোলোচা হৈ পৰিব।"

——:০:——

৫১

হঠাতে সুচৰিতাই আনন্দময়ীক দেখি আচৰিত হৈ ক'লে,—"মস্নো এতিয়াই আপোনাৰ তালৈকে যাবলৈ ওলাইছিলোঁ।"

আনন্দময়ীয়ে হাঁহি হাঁহি ক'লে,—"তুমি যাবলৈ ওলাইছিলা বুলি মই গম নেপাওঁ। কিন্তু যি কাৰণে যাবলৈ ওলাইছিলা সেই খবৰটো পাই মই আৰু থাকিব নোৱাৰিলোঁ। গুচি আহিলোঁ।"

আনন্দময়ীয়ে খবৰ পোৱা বুলি শুনি সুচৰিতা আচৰিত হৈ গ'ল। আনন্দময়ীয়ে ক'লে,—"আই, বিনয়ক মই মোৰ নিজৰ ল'ৰা বুলিয়েই ভাবোঁ। সেই বিনয়ৰ কাৰণেই, আন কি তোমালোকক চিনি নেপাওঁতেও, পেটে পেটে তোমালোকক কিমান যে আশীৰ্ব্বাদ দিছোঁ। তোমালোকৰ কিবা অন্যায় হোৱা বুলি শুনিলে মই জানো থিৰেৰে থাকিব পাৰোঁ? মই তোমালোকৰ কিবা উপকাৰ কৰিব পাৰিম নে নোৱাৰিম কব নোৱাৰোঁ কিন্তু কথাটো শুনি মনটো কেনেবা কেনেবা লাগিল, সেই কাৰণেই তোমা-লোকৰ কাষলৈ লৰি আহিছোঁ। আই, বিনয়ৰ ফালৰপৰা কিবা অন্যায় হৈছে নে কি?"

সুচৰিতাই উত্তৰ দিলে,—"অকণোকে হোৱা নাই। মানুহৰ মুখে মুখে ওলোৱা কথাবোৰৰ বাবে ললিতাহে দায়ী। ললিতাই যে কাকো একোকে নোকোৱাকৈ এইদৰে জাহাজাত উঠি গুচি আহিব, সেইটো চেটাৰ্জ্জীদেৱে সপোনতো ভবা নাছিল। মানুহে কথাবোৰ এনেকৈহে উলিয়াইছে—যেন সিহঁত দুয়োটাই আগতেই বন্দবস্ত কৰি জাহাজত উঠি গুচি আহিল। আৰু ললিতাও বৰ জেদী ছোৱালী। তাই যে কথা-বোৰৰ প্ৰতিবাদ কৰিব লাগে, নাইবা ঘটনাটো নো আচলতে কি ঘটি-ছিল সেইটো যে মানুহক বুজাই কব লাগে, এইবোৰ তাই একোকে নকৰে।"

আনন্দময়ীয়ে ক'লে,—"কিন্তু কিবা এটা তো উপায় উলিয়াব লাগিব? এইবোৰ কথা শুনাৰেপৰা তাৰ মনত যে বিন্দুমাত্ৰাও শান্তি নোহোৱা হৈছে। এইবোৰৰ বাবে সি নিজকেহে দোষী বুলি ভাবিছে।

সুচৰিতাই তাইৰ লাজত ৰঙা পৰা মুখখন অলপ তললৈ নমাই সুধিলে,— "বাৰু, আপুনি ভাবে নে কি যে চেটাৰ্জ্জীদেৱে——"

আনন্দময়ীয়ে লাজতে ৰঙা পৰা সুচৰিতাক তাইৰ কথাষাৰ শেষ কৰিবলৈ নিদিয়াকৈয়ে ক'লে,—"চোৱা আই, মোৰ কথা শুনা, ললিতাৰ কাৰণে বিনয়ক বিহুকে কৰিবলৈ কোৱা, তাকে কৰিব। বিনয়ক মই তেনেই ল'ৰা কালৰেপৰা দেখিছোঁ। কেনেবাকৈ এবাৰ ধৰা দিলে সি আৰু নিজৰ হাতত একোকে ৰাখিব নোৱাৰে। সেই কাৰণে সদায় মই বৰ ভয়ে ভয়ে থাকিব লাগে, কিজানিবা কেনেবাকৈ এনেকুৱা ঠাইত তাৰ মন বহি যায়—য'ৰপৰা একোৱেই পোৱাৰ আশা নাই।"

সুচৰিতাৰ মনৰপৰা এটা ডাঙৰ বোজা নামি গ'ল। তাই ক'লে,— "ললিতাৰ সন্মতিৰ বাবে আপুনি অকণো নেভাবিব। মই তাইৰ মনৰ কথা জানো। কিন্তু চেটাৰ্জ্জীদেৱে জানো তেখেতৰ সমাজ এৰি দিবলৈ ৰাজী হ'ব ?"

আনন্দময়ীয়ে ক'লে,—"সমাজে তাক এৰি দিব পাৰে, কিন্তু সিনো আকৌ আগে ভাগে গা-পাতি সমাজ এৰি দিবলৈ কিয় যাব আই ? আৰু সমাজ এৰি দিয়াৰো জানো তেনে কিবা দৰ্কাৰ আছে ?"

সুচৰিতাই ক'লে,—"আপুনিনো কি কৈছে আই ? চেটাৰ্জ্জীদেৱে হিন্দু সমাজত থাকি ব্ৰাহ্ম ঘৰত ছোৱালী বিয়া কৰাব কেনেকৈ ?"

আনন্দময়ীয়ে সুধিলে,—"সি কৰাবলৈ ৰাজী হলে তাত তোমা-লোকৰ আপত্তি কি ?"

কথাটো সুচৰিতাৰ কেনেবা কেনেবা লাগিল। তাই ক'লে,— "সেইটো নো কেনেকৈ সম্ভৱ হব, মই বুজি পোৱা নাই।"

আনন্দময়ীয়ে ক'লে,—"কিয় আই ? কথাটো দেখোন মোৰ নিচেই উজু যেন লাগিছে। চোৱাঁ, আমাৰ ঘৰত সকলোৱে যিবোৰ নিয়ম মানে, মই সেইবোৰ মানিব নোৱাৰোঁ। সেই কাৰণেই বহুতে মোক খৃষ্টান বুলি-য়েই কয়। ঘৰত কিবা কাজ-কাম হলে মই ইচ্ছা কৰিয়েই আঁতৰি আঁতৰি ফুৰোঁ। তুমি শুনিলে কিজানি হাঁহিবাই আই, গোৰায়ো মোৰ কোঠাত পানী এটোপাকে নেখায়। কিন্তু সেই বুলিয়েই মইনো কিয় কম যে, 'এইখন ঘৰ মোৰ ঘৰ নহয়, এইখন সমাজ মোৰ সমাজ নহয়।' এই বুলি তো মই নকওঁৱেই আন কি ইমান টান কথা শুনিও এইখন ঘৰত, এইখন সমাজতে মই আছোঁ, আৰু সেইবাবে মোৰ কোনো বেজাৰো নেলাগে। অৱশ্যে কেতিয়াবা যদি দেখো যে আৰু সহিব নোৱাৰোঁ, তেতিয়া গোসাঁয়ে

যি বাটকে দেখুৱায় সেই বাটেদিয়েই যায়। কিন্তু যিবোৰ মোৰ আপোন মানুহ সেইবোৰক মই শেষলৈকে আপোন বুলি কম—আৰু সিহঁতো যদি মোক নিজৰ বুলি নকয় সেইটো সিহঁতে জানে।"

সুচৰিতাই তেতিয়াও কথাটো ভালকৈ বুজি নেপালে। তাই ক'লে,—"কিন্তু চাওক, ব্ৰাহ্ম সমাজৰ মতবোৰ যদি চেটাৰ্জীদেৱে——"

আনন্দময়ীয়ে ক'লে,—"তাৰ মত তো তেনেকুৱাই। ব্ৰাহ্ম সমাজৰ মতবোৰ তো জগতত নোহোৱা-নোপোজা কিবা নহয়। কাগজত তোমা-লোকৰ যিবোৰ উপদেশ ওলায় সেইবোৰ তো প্ৰায়ে সি মোক পঢ়ি শুনায়। সেইবোৰ আমাৰ লগত কোনখিনিত নো বেলেগ, মই ধৰিবই নোৱাৰোঁচোন।"

এই সময়তে "সুচি বাইদেউ" বুলি কোঠাটোত সোমায়েই হঠাত আনন্দময়ীক দেখি ললিতা লাজতে বঙা-চঙা পৰি উঠিল। তাই সুচ-ৰিতাৰ মুখ দেখিয়েই গম পালে যে তেওঁলোকে অত্তপৰে তাইৰ কথাকে পাতি আছিল। তাৰপৰা কোনোমতে পলাব পাৰিলেই তাই যেন ৰক্ষা পালেহেঁতেন, কিন্তু তেতিয়া আৰু পলাবৰো উপায় নাছিল।

আনন্দময়ীয়ে ক'লে,—"আহাঁ, আই ললিতা, আহাঁ।" এই বুলি ললিতাক হাতত ধৰি তেখেতৰ নিচেই কাষতে বহুৱালে, যেন ললিতা তেখেতৰ অলপ বিশেষ আপোন হৈ পৰিছে।

তেখেতে আগৰ কথাৰ আঁতৃ নেৰাকৈয়ে সুচৰিতাক ক'লে,—"শুনা আই, ভালৰ লগত বেয়া মিলাটোৱেই সকলোতকৈ টান কথা। কিন্তু তথাপি পৃথিৱীত সিও ঘটিছে, আৰু সুখে-দুখে দিনো পাৰ হৈছে। সদায় যে ইয়াৰ ফল বেয়াই হয় এনে নহয়, কেতিয়াবা ভালো হয়। এয়া যদি সম্ভৱ হয় তেনেহলে সামান্য মতৰ অমিলৰ কাৰণেই দুজন মানুহনো কিয় মিলিব নোৱাৰিব—মই দেখোন বুজিব নোৱাৰোঁ। মত মিলিলেহে মানু-হৰ প্ৰকৃত মিল হয় নে কি?"

সুচৰিতাই তল মুৰৈ বহি থাকিল। আনন্দময়ীয়ে আকৌ ক'লে,—"তোমালোকৰ ব্ৰাহ্ম সমাজেও মানুহৰ লগত মানুহক মিলিব নিদিয়ে নে কি? ভগৱানে ভিতৰত যাক এক কৰি সৃজিছে তোমালোকৰ সমাজে বাহিৰৰ-পৰা সিহঁতক আঁতৰাই ৰাখিব নে কি? আই, যিখন সমাজে সৰু-সুৰা অমিলবোৰ নেমানি এটা ডাঙৰ মিলনত সকলোকে মিলাই দিয়ে—এনে সমাজ নাই নে কি আই? ভগৱানৰ লগত মানুহে সদায় এইদৰে মাখোন দন কৰিয়েই কটাব নে কি? সমাজ নামৰ বস্তুটো মাথোন এই কাৰণেই তৈয়াৰ হৈছে নে কি?"

আনন্দময়ীয়ে যে এইবোৰ কথা ইয়াম একান্ত উৎসাহেৰে আলোচনা কৰিছিল, এয়া জানো একমাত্ৰ ললিতাৰ লগত বিনয়ৰ বিয়াৰ হেঙ্গাৰ আঁতৰাবৰ কাৰণেই ? সুচৰিতাৰ মনত এই বিষয়ে অলপ সোধোৰ-মোধোৰৰ ভাব দেখি সেইয়া আঁতৰাই দিবলৈ তেখেতে যে মনে-প্ৰাণে লাগিছিল, তাৰ মাজত জানো আন এটা উদ্দেশ্যও নাছিল ? সুচৰিতাই এনেকুৱা সংস্কাৰ মানি চলিলে তো নহব। বিনয় ব্ৰাহ্ম নোহোৱাকৈ এই বিয়া হব নোৱাৰে, এয়ে যদি সিদ্ধান্ত হয়, তেনেহলে ইমান দুখৰ সময়তো আনন্দময়ীয়ে পেটে পেটে এই কেইদিন যি আশা পুহি ৰাখিছিল সেইয়া দেখোন সকলো ধূলিৰ লগত মিহলি হৈ যাবগৈ। আজিয়েই বিনয়ে এই কথাষাৰ তেখেতক সুধিছিল। সি সুধিছিল, "আই, মই ব্ৰাহ্ম সমাজত নাম লিখিব লাগিব নে কি ? ইয়াকো মানিব লাগিব নে ?"

আনন্দময়ীয়ে কৈছিল,—"নাই, নাই, নেলাগে। মই তাৰ একো দৰ্কাৰ দেখা নাই দেখোন।"

বিনয়ে ক'লে,—"যদি সিহঁতে জোৰ কৰে।"

আনন্দময়ীয়ে বহুপৰ মনে মনে থাকি কৈছিল,—"ওঁহো, ইয়াত জোৰ নেখাটিব।"

সুচৰিতাই আনন্দময়ীৰ কথাত যোগ নিদিলে। তাই নিমাত হৈ বহি থাকিল। সুচৰিতাৰ মনে কথাটো এতিয়াও যে মানি লব পৰা নাই, —আনন্দময়ীয়ে বুজি পালে।

আনন্দময়ীয়ে পেটে পেটে ভাবিবলৈ ধৰিলে,—'মোৰ মনে মাথোন গোৰালৈ থকা মৰমৰ বাবেই সমাজৰ সকলো সংস্কাৰ আঁতৰাব পাৰিছে। তেনেহলে গোৰাত সুচৰিতাৰ মন থোৱা নাই নে কি ? মন থোৱা হলে তো ইমান সৰু কথা ইমান ডাঙৰ হৈ নুঠিলেহেঁতেন।"

আনন্দময়ীয়ে মনত অলপ দুখ পালে। গোৰা ফাটেকৰপৰা ওলাই আহিবলৈ আৰু দুদিনমানহে আছে মাথোন। তেখেতে ভাবিছিল যে তাৰ কাৰণে এখন সুখৰ ঠাই তৈয়াৰি হৈ ৰৈ আছে। এইবাৰ যেনে-কৈয়ে হওক গোৰাক বান্ধত পেলাবই লাগিব, নহলে সি যে ক'ত কি বিপদত পৰিবগৈ তাৰ ঠিক নাই। কিন্তু গোৰাক বান্ধত পেলোৱাটোও তো যেই সেই ছোৱালীৰ কাম নহয়। ইফালে কোনোৱা হিন্দু সমাজৰ ছোৱালীকো গোৰালৈ বিয়া কৰাই অনাটো অন্যায় হয়—সেই কাৰণেই অতদিনে বহু কন্যাদায়গ্ৰস্তৰ দৰখাস্ত একেবাৰে নাম-ঞ্জুৰ কৰিছে। গোৰাই কয়,—'মই বিয়া নকৰাওঁ—তেখেতে মাক হৈয়ো

এদিনৰ বাবেও ইয়াৰ কোনো প্ৰতিবাদ নকৰাত মানুহ আচৰিত হৈ যায়। এইবাৰ গোৰাৰ দুই এটা লক্ষণ দেখি তেখেতে পেটে পেটে ভালেই পাইছিল। সেই কাৰণেই সুচৰিতাৰ এই নীৰৱ প্ৰতিবাদত তেখেতে বৰ আঘাত পালে। কিন্তু তেখেত সহজে এৰি দিয়া মানুহ নহয়। তেখেতে মনে মনে ভাবিলে,—'বাৰু, দেখা যাওকচোন।'

৫২

পৰেশ ভট্টই ক'লে,—"বিনয়, তুমি ললিতাক এটা বিপদৰপৰা উদ্ধাৰ কৰিবলৈ এনেকৈ মৰসাহ কৰিবলৈ ওলোৱাটো মই ইচ্ছা নকৰোঁ। সমাজৰ আলোচনাৰ বিশেষ একো মূল্য নাই। আজি যিবোৰ কথা লৈ তল-ওপৰ লাগিছে—দুদিন মানৰ পিচত সেইবোৰ কাৰো মনতে নেথাকিব।"

ললিতাৰ প্ৰতি কৰ্ত্তব্য কৰিবৰ কাৰণেই যে বিনয়ে কঁকালত টঙালি বান্ধি আহিছিল, সেই বিষয়ে বিনয়ৰ নিজৰ মনতো কোনো সন্দেহ নাছিল। এনেকৈ বিয়া কৰাব খুজিলে সমাজত নানান বেমেজালি ওলাব বুলি সি জানিছিল, আৰু তাতোকৈ ডাঙৰ কথা, গোৰাৰ খং উঠিব। কিন্তু কেৱল মাত্ৰ কৰ্ত্তব্য বুদ্ধিৰ চেলু লৈয়েই এইবোৰ অপ্ৰিয় কথা সি মনৰপৰা আঁতৰাই ৰাখিছিল। এনে সময়তে ভট্ট ডাঙৰীয়াই যেতিয়া সেই কৰ্ত্তব্য বুদ্ধিকে একেবাৰে বৰখাস্ত কৰিব খুজিলে, তেতিয়া বিনয়ে কিন্তু এৰিব নুখুজিলে।

সি ক'লে,—"আপোনালোকৰ মৰমৰ ঋণ মই কেতিয়াও শুজিব নোৱাৰিম। মোৰ কাৰণে আপোনালোকৰ পৰিয়ালত যদি দুদিনমানৰ কাৰণেও কিবা অশান্তি ঘটে, তেনেহলে—সিও মোৰ পক্ষে অসহ্য।"

পৰেশ ভট্টই ক'লে,—"বিনয়, তুমি মোৰ কথাটো ভালকৈ বুজিব পৰা নাই। আমাৰ প্ৰতি তোমাৰ শ্ৰদ্ধা থকা দেখি মই বৰ ভাল পাইছোঁ। কিন্তু সেই শ্ৰদ্ধাৰ কৰ্ত্তব্য সাধিবৰ বাবেই যে তুমি মোৰ ছোৱালীক বিয়া কৰাবলৈ ওলাইছা, সেইটো মোৰ ছোৱালীৰ বাবে বৰ শ্ৰদ্ধাৰ কথা নহয়। সেই কাৰণেই মই তোমাক কৈছোঁ যে বিপদটো এনে একো ডাঙৰ নহয় যে তাৰ কাৰণেই তোমাৰ কিবা ত্যাগ কৰাৰ প্ৰয়োজন।"

ভালেই হ'ল, বিনয়ে কৰ্ত্তব্যদায়বপৰা মুক্তি পালে। কিন্তু সভাৰ দুৱাৰ মুকলি পালে চৰায়ে যেনেকৈ ফুৰংকৈ উৰা মাৰে, ক'অ তাৰ মন-টোৱে তো মুক্তিৰ মুকলি পথেদি লৰ নেমাৰিলে ? এতিয়াও দেখোন সি লৰচৰকে কৰিব খোজা নাই। কৰ্ত্তব্যবুদ্ধিৰ চেলু লৈ বহুদিনৰ সংযমৰ বান্ধোনক সি যে অনাৱশ্যক বুলি ভাঙি পেলাই বহি আছে। আগেয়ে য'ত মনটোৱে ভয়ে ভয়ে খোজ আগবঢ়াইছিল আৰু অপৰাধীৰ দৰে সঙ্কোচেৰে উভতি আহিছিল, এতিয়া তাতেই মনটোৱে দেখোন খোপনি পুতিছে। এতিয়া আৰু তাক তাৰপৰা ওভতোৱা টান। যি কৰ্ত্তব্য-বুদ্ধিয়ে মনটোক হাতত ধৰি এই ঠাইলৈ লৈ আহিছিল, এতিয়া সেই কৰ্ত্তব্য বুদ্ধিয়েই কৈছে,—'আৰু দৰ্কাৰ নাই, বলা ভাই, উভতি যাওঁ।' কিন্তু মনটোৱে কৈছে 'তোমাৰ দৰ্কাৰ নেথাকিলে তুমি যাব পাৰা, মই হলে ইয়াতেই থাকিম।'

ভট্ট ডাঙৰীয়াই যেতিয়া কেনিও কতো অকণোকে আঁৰ-বেৰ ৰাখিবলৈ আৰু তাক সুবিধা নিদিলে, তেতিয়া বিনয়ে ক'লে,—"মই কৰ্ত্তব্যৰ কাৰণে এটা কিবা কষ্ট কৰিব খুজিছোঁ বুলি কেতিয়াও নেভাবিব। আপোনা-লোকে সন্মতি দিলে মোৰ বাবে এনে সৌভাগ্য আৰু আন একোৱেই নাই। মাথোন মোৰ ভয় লাগে কিজানি——"

সত্যপ্ৰিয় পৰেশ ভট্টই কোনো সঙ্কোচ নেৰাখি ক'লে,—"তুমি যি ভয় কৰিছা তাৰ একো হেতু নাই। ললিতাৰ মন তোমাৰ প্ৰতি বিমুখ নহয় বুলি মই সুচৰিতাৰ মুখে শুনিছোঁ।"

বিনয়ৰ মনত এটি আনন্দৰ বিজুলী খেলি গ'ল। ললিতাৰ মনৰ গোপন কথা এটি সুচৰিতাই জানিব পাৰিছে। কেতিয়া জানিলে বাৰু ? কেনেকৈ জানিলে বাৰু ? দুই সখীৰ মাজত এই আভাস অনুমানত যি জনা-জনি হৈছে, তাৰ এটা অতি ৰহস্যময় সুখে বিনয়ৰ মন ওপচাই পেলালে।

বিনয়ে ক'লে,—"মোক যদি আপোনালোকে যোগ্য বুলি ভাবে তেনে-হলে তাতকৈ আৰু সুখৰ কথা মোৰ পক্ষে আন একোৱেই হব নোৱাৰে।"

পৰেশ ভট্টই ক'লে,—"তুমি অলপ পৰ ৰ'বা। মই এবাৰ ওপৰৰ পৰা আহোঁগৈ।"

তেখেত বৰদাসুন্দৰীৰ মত লবলৈ গ'ল। বৰদাসুন্দৰীয়ে ক'লে,—"বিনয়ে কিন্তু দীক্ষা লব লাগিব।"

পৰেশ ভট্টই ক'লে,—"ওঁ, লব লাগিব তো।"

বৰদাসুন্দৰীয়ে ক'লে,—"সেইটো আগতে ঠিক কৰক। বিনয়ক ইয়ালৈকে মতাওকচোন।"

বিনয় ওপৰলৈ অহাত বৰদাসুন্দৰীয়ে ক'লে,—"তেনেহলে দীক্ষা লোৱাৰ দিন এটা চাওঁ আৰু।"

বিনয়ে ক'লে,—"দীক্ষা লোৱাৰ জানো কিবা দৰ্কাৰ আছে?"

বৰদাসুন্দৰীয়ে ক'লে,—"দৰ্কাৰ নাই? কিনো কোৱা! নহলে ব্ৰাহ্ম সমাজত তোমাৰ বিয়া হব কেনেকৈ?"

বিনয়ে নীৰৱে তলমূৰকৈ বহি থাকিল। বিনয়ে তেখেতৰ ছোৱালী বিয়া কৰাবলৈ ওলাইছে বুলি শুনিয়েই পৰেশ ভট্টই ধৰি লৈছিল যে সি দীক্ষা গ্ৰহণ কৰি ব্ৰাহ্ম সমাজত প্ৰৱেশ কৰিব।

বিনয়ে ক'লে,—"ব্ৰাহ্ম সমাজৰ ধৰ্ম্ম মতৰ প্ৰতি মোৰ তো শ্ৰদ্ধা আছেই আৰু আজিলৈকে মোৰ ব্যৱহাৰতো তাৰ বিপৰীত একো নেপাব। তথাপিও জানো আকৌ বিশেষ ভাৱে দীক্ষা লোৱাৰ কিবা দৰ্কাৰ আছে?"

বৰদাসুন্দৰীয়ে ক'লে,—"মতৰ মিল আছেই যদি দীক্ষা ললেনো কি ক্ষতি হব?"

বিনয়ে ক'লে,—"মই হিন্দু সমাজৰ একোৱেই নহয় বুলি কোৱাটো মোৰ পক্ষে অসম্ভৱ।"

বৰদাসুন্দৰীয়ে ক'লে,—"তেনেহলে এই বিষয়ে আলোচনা কৰাটোৱেই আপোনাৰ অন্যায় হৈছে। আপুনি আমাৰ উপকাৰ কৰিবৰ কাৰণেই অনুগ্ৰহ কৰি আমাৰ ছোৱালী বিয়া কৰাবলৈ ওলাইছে নে কি?"

বিনয়ে বৰ আঘাত পালে। দেখিলে তাৰ প্ৰস্তাৱটো এখেতসকলৰ পক্ষে সঁচাকৈয়ে অপমানজনক হৈ উঠিছে।

আজি কিছুদিন আগতে 'চিভিল বিবাহৰ' আইন পাছ হৈ গৈছে। সেই সময়ত গোৰা আৰু বিনয়ে বাতৰি-কাকতত এই আইনৰ বিৰুদ্ধে চোকা সমালোচনা কৰিছিল। আজি আকৌ সেই 'চিভিল-বিবাহক' মানি লৈ নিজকে 'হিন্দু নহয়' বুলি কোৱাটোও বৰ টান কথা।

বিনয়ে হিন্দু সমাজত থাকিয়েই ললিতাক বিয়া কৰোৱা কথাটো পৰেশ ভট্টই মানি নবলৈ টান পালে। হুমুনিয়াহ কাঢ়ি বিনয় থিয় হ'ল আৰু দুয়োজনকে নমস্কাৰ কৰি ক'লে,—"মোক ক্ষমা কৰিব, মই আৰু অপৰাধ নবঢ়াওঁ।"

এই বুলি সি কোঠাটোৰপৰা ওলাই আহিল। খট্‌খটিৰ কাষলৈ আহি দেখে যে সন্মুখৰ বাৰাণ্ডাৰ এচুকত ললিতাই মেজ এখন আগত লৈ

থকলে বহি চিঠি লিখি আছে। খোজৰ শব্দ শুনি ললিতাই মূৰ দাঙি বিনয়লৈ চালে। তাইৰ সেই এক পলকৰ চাৱনিয়েই বিনয়ৰ গোটেই অন্তৰখনত খৌকি-বাখৌ লগালে। বিনয়ৰ লগত তো ললিতাৰ নতুন চিনাকি নহয়—কতবাৰ সি তাইৰ মুখলৈ চাইছে, কিন্তু তাইৰ চাৱনিত কি ৰহস্য ফুটি ওলাইছে বাৰু? সুচৰিতাই লিলিতাৰ এটি মনৰ কথা জানিছে। সেই মনৰ কথাটো আজি ললিতাৰ ক'লা চকুযুৰিৰ পাহিৰ ছাঁত, করুণাৰে উপচি পৰি এচপৰা সজল স্নিগ্ধ মেঘৰ নিচিনা হৈ পৰা বিনয়ৰ চকুত পৰিল। বিনয়বো সেই এক মুহূৰ্তৰ চাৱনিতেই তাইৰ অন্তৰৰ বেজাৰবোৰ বিজুলীৰ দৰে চাঁত কৰে ধৰিতৰি গ'ল। সি ললিতাক নমস্কাৰ কৰি মুখেৰে একো নোমাতি খট্‌খটিয়েদি নামি গুচি গ'ল।

৫৩

গোৰাই কাটেকৰপৰা ওলাই আহিয়েই দুৱাৰমুখত পৰেশ ভট্ট আৰু বিনয়ক তাৰ বাবে ৰৈ থকা দেখা পালেহি।

এটা মাহ বৰ বেচি একো দীঘলীয়া সময় নহয়। ইয়াৰ আগতে এমাহতকৈয়ো সৰহ দিন গোৰাই মিতিৰ-কুটুম, বন্ধু-বান্ধৱৰ কাষৰপৰা আঁতৰি দেশ ভ্ৰমণ কৰি ফুৰিছে। কিন্তু কাটেকৰ এই এমাহ বিচ্ছেদৰপৰা ওলাই আহি পৰেশ ভট্ট আৰু বিনয়ক দেখি তাৰ এনেহে লাগিল যেন পুৰণি বন্ধু-বান্ধৱৰ মাজত চিনাকি সংসাৰখনত সি আকৌ নকৈ হে উপজিল। সেই বাজ-আলিত মুকলি আকাশৰ তলত পুৱাৰ পোহৰত পৰেশ ভট্টৰ শান্ত, প্ৰসন্ন, ধীৰ মুখখন দেখি সি যিমান ভক্তি আৰু আনন্দেৰে সৈতে পৰেশ ভট্টৰ ভৰিৰ ধূলা মূৰত ললে তেনেকৈ সি আৰু কেতিয়াও কাৰো লোৱা নাই। পৰেশ ভট্টই তাক সাৱটি ধৰিলে।

বিনয়ৰ হাতত ধৰি গোৰাই হাঁহি হাঁহি কলে,—"বিনয়, স্কুলত পঢ়াৰেপৰা সদায় তোমাৰ লগত একেলগে শিক্ষা লাভ কৰি আহিছোঁ। কিন্তু এই বিদ্যালয়ত তোমাক ফাঁকি দি আগবাঢ়ি গলোঁ।"

বিনয়ে হাঁহিবও নোৱাৰিলে, একো কথা কবও নোৱাৰিলে। কাটেকখনৰ দুখ-বহস্যৰ মাজৰপৰা তাৰ বন্ধুৱে তাৰ গুৰিলৈ বন্ধুতকৈয়ো আৰু

যেন মহান হৈ ওলাই আহিছে। গভীৰ সম্ভ্ৰমেৰে সি নিমাত হৈ ৰৈ থাকিল। গোৰাই সুধিলে,—“আই, কেনে আছে?”

বিনয়ে উত্তৰ দিলে,—“আই ভালেই আছে।”

পৰেশ ভট্টই ক'লে,—“আহা, গোপাই, তোমাৰ কাৰণে গাড়ী ৰৈ আছে।”

তিনিও গাড়ীত উঠিব খোজোঁতেই অবিনাশ ক'ৰবাৰপৰা খোঁপাই-জোপাই আহি ওলাল হি। তাৰ পিচে পিচে এদল ল'ৰা।

অবিনাশক দেখিয়েই গোৰাই লৰালৰিকৈ গাড়ীত উঠিব খুজিলে, কিন্তু তাৰ আগতেই অবিনাশে আহি বাট ভেটি ধৰি কলে,—“গৌৰমোহন ককাইদেউ। অকণমান ৰবচোন।”

কওঁতে নকওঁতেই লৰাবোৰে চিঞৰি চিঞৰি গাবলৈ ধৰিলে,—

“দুখৰ ৰাতি পুৱাল আজি।
ছিঙিল ছিঙিল অধীনতা জৰী॥”

গোৰাৰ মুখখন ৰঙা পৰি গ'ল। সি তাৰ বজ্ৰ নিনাদেৰে গৰজি উঠি কলে,—“মনে মনে থাকা।”

ল'ৰাবোৰ আচৰিত হৈ মনে মনে থাকিল। গোৰাই সুধিলে,—“অবিনাশ, এইবোৰ কি কৰিছা?”

অবিনাশে তাৰ গাত লোৱা বৰ কাপোৰখনৰ আঁৰৰপৰা কলপাতত মেৰিওৱা এধাৰ কুন্দ ফুলৰ ডাঙৰ মালা উলিয়াই আনিলে আৰু তাৰ পিচতে থিয় হৈ এটি সৰু লৰাই এখন সোণালী আখৰেৰে ছপোৱা কাগজৰপৰা মিহি মাতেৰে চাবি দিয়া গ্ৰামোফনৰ দৰে অতি খৰকৈ কাৰামুক্তিৰ অভিনন্দন এখন পঢ়ি যাবলৈ আৰম্ভ কৰিলে।

অবিনাশৰ মালাধাৰ জোৰেৰে ঠেলা মাৰি গোৰাই খঙেৰে সৈতে কলে,—“এতিয়া হব পাই তোমালোকৰ থিয়েটাৰ আৰম্ভ হ'ল? আজি আলিৰ দাঁতিত এইদৰে মোক তোমালোকৰ যাত্ৰাৰ দলৰ বহুৱা সজাবলৈকে হবলা এই এমাহে আখৰা দিছিলা?”

অবিনাশে আজি বহুদিনৰেপৰা এইবোৰ ঠিক্ ঠাক্ কৰি থৈছিল। সকলোকে চকু খুৱাই দিব বুলিয়েই সি ভাবিছিল। আমি যি সময়ৰ কথা কৈছোঁ সেই সময়ত এনে ধৰণৰ উপদ্ৰৱবোৰৰ প্ৰচলন নাছিল। অবিনাশে বিনয়ৰ দিহা-পৰামৰ্শও লোৱা নাছিল। এই নতুন ধৰণৰ ঘটনাৰ সকলো-খিনি বাহাদুৰি সি অকলেই লব বুলি ভাবিছিল। আন কি বাতৰি-কাকতলৈ পঠিয়াবৰ বাবে ইয়াৰ সকলো বিৱৰণ আগতেই সি নিজেই লিখি-মেলি

ঠিক কৰি থৈছিল। ইয়াৰপৰা উভতি গৈয়েই দুই এডোখৰ অপূৰ্ণ ফাক কৰি থোৱা ঠাই পুৰাই পঠিয়াই দিয়াৰ কথা আছিল।

গোৰাৰ গালি-শপনি শুনি অবিনাশৰো খং উঠিল। সি কলে,—"আপুনি অন্যায় কথা কৈছে। আপুনি কাটেকত যিমান দুখ ভুগিলে আমি তাতকৈ লেশমানো কম কষ্ট সহ্য কৰা নাই। এই এমাহৰ প্ৰতিটো মুহূৰ্ত্ততে আমাৰ বুকুৰ প্ৰতিডাল হাড় তুঁহ-জুইত পুৰি পুৰি ছাই হৈ গৈছে।"

গোৰাই কলে,—"ভুল হৈছে অবিনাশ, অলপ ভালকৈ চালেই দেখা পাবা তুঁহবোৰ এতিয়াও দম হৈয়ে আছে, বুকুৰ হাড়বোৰৰো সিমান বেচি একো ক্ষতি হোৱা নাই।"

তথাপি অবিনাশে সেও নেমানিলে। সি কলে,—"ৰজাই আপোনাৰ অপমান কৰিলে। কিন্তু আজি সমগ্ৰ ভাৰত ভুমিৰ মুখপাত্ৰ হৈ আমাৰ এই সম্মানৰ মালাধাৰি—"

গোৰাই কলে,—"উস্ বাৰ, আৰু তো সহিব নোৱাৰি—।"

অবিনাশ আৰু তাৰ দলক একাষে আঁতৰাই দি গোৰাই কলে,—"ভট্ট ডাঙৰীয়া, উঠক, গাড়ীত উঠক।"

পৰেশ ভট্টয়ো গাড়ীত উঠি কোনোমতে ৰক্ষা পৰিল। গোৰা আৰু বিনয় তেখেত উঠাৰ পিচতেই গাড়ীত উঠিল।

জাহাজেৰে আহি পিচদিনা পুৱা গোৰা ঘৰ পালেহি। সি আহিয়েই দেখে যে বাহিৰৰ কোঠাত তাৰ দলৰ এগাল মানুহ গোটখাই আছেহি। কোনোৰকমে সিহঁতৰ হাতৰপৰা এৰাই গোৰাই ভিতৰত আনন্দময়ীৰ ওচৰ পালেগৈ। তেখেতে আজি দোক-মোকালিতে গা-পা ধুই উঠি সাজু হৈ বৈ আছিল। গোৰাই আহি তেখেতৰ ভৰিত পৰি সেৱা কৰোঁতেই আনন্দময়ীৰ চকুৰ লো বাগৰি পৰিবলৈ ধৰিলে। ইমান দিনে সামৰি ৰখা চকুলোৱে আজি আৰু কোনো ৰকমেই বাধা নেমানিলে।

কৃষ্ণদয়ালে গঙ্গাস্নান কৰি উভতি আহোঁতেই গোৰা তেখেতৰ শুৱিলৈ গ'ল। আঁতৰৰপৰা ভৰি নোছোৱাকৈয়ে তেখেতক সেৱা এটি কৰিলে। কৃষ্ণদয়ালেও সঙ্কোচেৰে অলপ আঁতৰ হৈ এখন আসনত বহিল। গোৰাই কলে,—"দেউতা, মই এবাৰ পৰাচিত হব খুজিছোঁ।"

কৃষ্ণদয়ালে কলে,—"তাৰ একো দৰ্কাৰ দেখা নাই দেখোন।"

গোৰাই কলে,—"কাটেকত আন একো দুখকে মই দুখ বুলি ভবা নাই, মাথোন নিজকে বৰ অশুচি অশুচি যেন লাগিছিল। এতিয়াও সেই অশুচি ভাবটো মোৰ যোৱা নাই। এবাৰ পৰাচিত হবই লাগিব।"

কৃষ্ণদয়ালে লৰালৰিকৈ কলে,—"ওঁহোঁ, তুমি এতিয়া এইখন কৰিব নেলাগে। মই তো মত দিব নোৱাৰোঁ।"

গোৰাই কলে,—"মই বাৰু এই বিষয়ে পণ্ডিতসকলৰ মত লম।"

কৃষ্ণদয়ালে কলে,—"কোনো পণ্ডিতৰ মত লব নেলাগে। ময়ে তোমাক বিধান দিছোঁ শুনা, তোমাৰ পৰাচিত হোৱাৰ কোনো প্ৰয়োজন নাই।"

কৃষ্ণদয়ালৰ দৰে ইমান আচাৰ-বিচাৰ, নীতি-নিয়ম মানি চলা মানুহে কিয় যে গোৰাই কোনো ৰকমৰ নিয়ম-সংযম মনাটো মানি লব নোখোজে, অকল মানি নোলোৱাই নহয়, তাৰ বিৰুদ্ধে জেদো ধৰে, সেইটোৰ অৰ্থহে গোৰাই আজিলৈকে একো ধৰিব নোৱাৰিলে।

আনন্দময়ীয়ে আজি গোৰা আৰু বিনয় দুয়োকে ওচৰা-উচৰিকৈ দুখন আসন পাতি ভাত খাবলৈ ঠাই কৰি দিছিল।

গোৰাই কলে,—"আই, বিনয়ৰ আসনখন অলপ আঁতৰাই পাতি দিয়া।"

আনন্দময়ীয়ে আচৰিত হৈ সুধিলে,—"কিয়? বিনয়ে আকৌ কি দোষ কৰিলে?"

গোৰাই কলে,—"বিনয়ে একো দোষ কৰা নাই; মই হে কৰিছোঁ। মই অশুচি হৈ আছোঁ।"

আনন্দময়ীয়ে কলে,—"সেয়া হওক বাৰু, বিনয়ৰ ইমান বাছ-বিচাৰ নাই।"

গোৰাই কলে,—"বিনয়ে নেমানিব পাৰে, কিন্তু মই মানো।"

খাই-বৈ উঠি দুই বন্ধুৱে যেতিয়া ওপৰ মহলাৰ সিহঁতৰ অকলশৰীয়া কোঠাটোত সোমালগৈ তেতিয়া কাৰো মুখেদি আৰু একো কথাকে নোলাল। এই এমাহে বিনয়ৰ মনত যিটো কথা সকলোতকৈ ডাঙৰ হৈ উঠিছে আজি সি কেনেকৈ যে গোৰাৰ আগত উলিয়াব, সি ভাবিকে পোৱা নাছিল। পৰেশ ভট্টৰ ঘৰৰ মানুহবোৰ কেনে আছে সেই কথা জানিবলৈ গোৰাৰো আগ্ৰহ উপজিছিল। কিন্তু সি একোকে নকলে। বিনয়েই কথাটো উলিয়াব বুলি সি বৈ আছিল। অৱশ্যে ঘৰৰ ছোৱালীবোৰ কেনে আছে সেই কথা গোৰাই ভট্ট ডাঙৰীয়াক সুধিছিল। কিন্তু সেইটো হ'ল নিতান্ত ভদ্ৰতাৰ প্ৰশ্ন। সিহঁত ভালে আছে, এই অকণমান খবৰটোতকৈ বেছি দীঘলীয়া বিৱৰণ জানিবৰ বাবে গোৰাৰ বৰ ইচ্ছা হৈছিল।

এনেতে মহিম আহি কোঠাটোত সোমাই খটখটিয়েদি উঠি অহা ভাগৰত অলপ কোঁপাই-জোপাই ল'লে। তাৰ পিচত কলে,—"বিনয়, ইমান দিনে তো

গৌৰাৰ কাৰণেই বৈ আছিলোঁ। এতিয়া তো আৰু আন কথা নাই। এতিয়া দিন-বাৰ ঠিক কৰি পেলাওঁ—আৰু। কি কোৱা গোৰা? বুজিছাতো কিহৰ কথা কৈছোঁ?"

গোৰাই একোকে নেমাতি নাহেকৈ হাঁহিলে।

মহিমে কলে,—"হাঁহিছা কিয়? তুমি ভাবিছা যে আজিও ককাইদেৱে সেই কথাটো পাহৰা নাই। কিন্তু ছোৱালীজনী তো সপোন নহয়। জল্ জল্ পট্ পট্‌কৈ চকুৰ আগত দেখিয়েই আছোঁ—তাই এজনী সঁচা-সঁচি তেজ-মঙহৰে ছোৱালী। পাহৰিবৰ উপায় আছে নে? হাঁহিলে নহব গোৰা, এইবাৰ যি হয় কিবা এটা ঠিক কৰি পেলোৱা।"

গোৰাই ক'লে,—"ঠিক কৰাৰ গৰাকীজন দেখোন স্বয়ং উপস্থিত আছে।"

মহিমে ক'লে,—"সৰ্ব্বনাশ! তেওঁৰ নিজৰে ঠিক নাই। তেওঁ কি ঠিক কৰিব? তুমি আহিলা, এতিয়া সকলো ভাৰ তোমাৰ ওপৰতেই।"

আজি বিনয় গহীন হৈ মনে মনে থাকিল, তাৰ স্বাভাৱিক হাঁহি-ধেমালিৰ চলেৰেও সি কোনো কথাকে ক'বলৈ যত্ন নকৰিলে।

কৰবাত কিবা এটা কেণা লাগিছে বুলি গোৰাই গম পালে। সি ক'লে,—"নিমন্ত্ৰণ কৰাৰ ভাৰ ল'ব পাৰোঁ, গাখীৰ-মিঠৈ আদি বন্দ-বস্ত কৰাৰো ভাল লব পাৰোঁ, বিলনীয়া হবলৈকো ৰাজী আছোঁ, কিন্তু বিনয়ে যে তোমাৰ ছোৱালীকেই বিয়া কৰাব, সেইটো ভাৰ হলে মই লব নোৱাৰোঁ। যি জনৰ নিৰ্ব্বন্ধত সংসাৰৰ এইবোৰ কাম হয় সেইজনৰ লগত মোৰ বৰ বেচি চিনা-জনা নাই। সদায় মই তেওঁক আঁতৰৰপৰাই সেৱা জনাই আহিছোঁ।"

মহিমে ক'লে,—"তুমি আঁতৰি থাকিলেই যে সেইজনো আঁতৰি থাকিব, এনে কথা তুমি নেভাবিবাই। হঠাতে কেতিয়া চকুত চাঁত মাৰি ধৰি-বাহি টলকিবই নোৱাৰি। তোমাৰ বিষয়েও বা সেইজনে মনতে কি পাঙি থৈছে, কব নোৱাৰি। কিন্তু এওঁৰ বেলিকা হলে বৰ কেণা লাগিছে। এতিয়া অকল প্ৰজাপিতৰ ওপৰতেই ভৰসা নকৰি তুমিও যদি অলপ লাগি ভাগি নিদিয়া, তেনেহলে কিন্তু পিচত অনুতাপ কৰিব লাগিব বুলি মই ভাবো এতিয়াই কাণছোৱাই থলোঁ।"

গোৰাই ক'লে,—'যিটো ভাৰ মোৰ নহয় সেইটোৰ ভাৰ নলৈ অনু-তাপ কৰিবলৈ মই ৰাজী আছোঁ, কিন্তু লৈ অনুতাপ কৰাহে বৰ টান কথা। তাৰপৰাহে মই ৰক্ষা পাব খুজিছোঁ।"

মহিমে ক'লে,—"বাবুপথ ল'বা হৈ জাত-কুল মান সকলো হেৰুৱালা আৰু তুমি হাত মুৰ সাৱটি তাকে চাই থাকিবা নে কি ? দেশখনৰ মানুহৰ হিন্দুত্ব ৰাখিবৰ কাৰণে তুমি খোৱা-শোৱা এৰিছা, ইফালে নিজৰ নলে-গলে লগা বন্ধুৱে জাত এৰি ব্ৰাহ্মৰ ঘৰত বিয়া কৰালে তুমি মানুহৰ আগত মুখ উলিয়াব পাৰিবা জানো ? বিনয়, তোমাৰ বোধকৰোঁ খং উঠিছে ! কিন্তু তুমি নথকাত আন বহুতেই এইবোৰ কথা গোৰাৰ আগত ক'লে-হেঁতেন। সিহঁতে কৰলৈ ধৰকৰাই আছে। মই জানিবা তোমাৰ মুখৰ আগতেই ক'লোঁ। ইয়াৰ বাবে সকলোৰে ভালহে হব। এই উৰা বাতৰিটো মিছা যদি তাকে তুমি ক'লেই লেঠা ছিঙে, আৰু যদি সঁচা তেনেহলে কিবা এটা যোকামিলা কৰি পেলোৱা।"

মহিম গুচি গ'ল গৈ। বিনয়ে তেতিয়াও একোকে নক'লে। তেতিয়া গোৰাই সুধিলে,—"কি বিনয়, কথাটো নো কি ?"

বিনয়ে উত্তৰ দিলে,—"মাথোন দুটামান ঘটনা কৈ কথাটো তোমাক বুজোৱা টান। সেই কাৰণে ভাবিছিলোঁ লাহে লাহে তোমাক সকলো কথা বুজাই কম। কিন্তু জগতত আমাৰ সুবিধামতে লাহে ধীৰে একো-ৱেই ঘটিব নোখোজে। ঘটনাবোৰেও চিকাৰী বাঘৰ দৰে প্ৰথমতে বগুৱা বাই হাততসাৰে ভৰিতসাৰে আহে। তাৰ পিচত হঠাতে ঘপহ্ কৰে ডিঙিত জপিয়াই পৰেহি। আকৌ তাৰ খবৰটোও প্ৰথমতে জুইৰ দৰে উমাই উমাই জ্বলে, তাৰ পিচত হঠাতে এদিন দপদপাই জ্বলি উঠে। তেতিয়া আৰু সেই জুই নুমাব নোৱাৰি, সেই কাৰণেই মাজে-সময়ে ভাবোঁ যে সকলো কাম-কাজ কাত্তিকৈ থৈ স্থিৰ হৈ বহি থাকিলেহে মানুহে মুক্তি পাব।"

গোৰাই হাঁহি হাঁহি ক'লে,—"তুমি অকলে স্থিৰ হৈ বহি থাকিলেনো মুক্তি কেনেকৈ পাবা। তোমাৰ লগতে গোটেই জগৎখনেই স্থিৰ নহলে তোমাকনো স্থিৰ হৈ থাকিবলৈ দিব কিয় ? সিয়েই উলটি আকৌ বিপদ হে আনিবগৈ। গোটেই জগতখনে কাম কৰি আছে আৰু তুমি যদি কাম নকৰা তেনেহলে নিজেহে ঠগিবা। সেই কাৰণেই এটা কথালৈ চকু দিব লাগিব যাতে ঘটনাই তোমাৰ সতৰ্কতা ডেই নেযায়। এইটো নঘটে—যেন আন সকলোৱেই আগবাঢ়ি গৈছে, মাথোন তুমিহে সাজু হৈ থকা নাই।"

বিনয়ে ক'লে,—"এইটোৱেই ঠিক কথা। মইহে কেতিয়াও সাজু হৈ নেথাকোঁ। এইবাৰো মই সাজু হৈ নাছিলোঁ। কোন ফালৰফালৰ

কি যে ঘটিছিল ধৰিবই পৰা নাছিলোঁ। কিন্তু ঘটনা যেতিয়া ঘটিয়েই গ'ল, তেতিয়া তো আৰু দাৰিব নবই লাগিব। কিটো ঘটনা ভবিতেই নঘটা হলে ভাল আছিল, অপ্ৰিয় হলেও সেইটোক তো আজি আৰু অস্বীকাৰ কৰিব নোৱাৰি।"

গোৰাই ক'লে,—"ঘটনাটো নজনাকৈয়ে তাৰ বিষয়ে তত্ত্ব আলোচনাত যোগ দিয়াটো মোৰ পক্ষে টান কথা।"

বিনয়ে তেতিয়া পোন হৈ বহি ক'লে,—"এবাৰ নোৱাৰা ঘটনাক্ৰমে ললিতাৰ লগত মোৰ সম্বন্ধই আজি এনে ঠাইত আহি থিয় দিছেহি যে এতিয়া যদি মই তেওঁক বিয়া নকৰাওঁ তেনেহলে চিৰজীৱন সমাজত তেওঁ অন্যায় আৰু অমূলক অপমান সহ্য কৰিব লাগিব।"

গোৰাই ক'লে,—"কেনে ঠাইত নো থিয় দিছেহি শুনোছোন।"

বিনয়ে ক'লে,—"সেইবোৰ বহুত কথা। সেইবোৰ তোমাক পিচে পৰেও কব পাৰি। কিন্তু ঘটনাটো তুমি মানিয়েই লোৱা।"

গোৰাই ক'লে,—"বাৰু মানিয়েই লৈছোঁ। এই বিষয়ে মোৰ কব লগীয়া এয়ে যে ঘটনা যদি এবাৰ নোৱাৰা হয়, তেনেহলে তাৰ শাস্তিও এৰাব নোৱাৰা। সমাজত ললিতাই অপমান ভোগ কৰিবলগীয়া হলেও উপায় নাই।"

বিনয়ে ক'লে,—"কিন্তু তাকে নিবাৰণ কৰাৰ উপায় তো মোৰ হাততে আছে।"

গোৰাই ক'লে,—"আছে যদি তো ভালেই। কিন্তু গাৰ জোৰেৰে সেই কথা ক'লে তো নহব। অভাৱত পৰিলে চুৰ কৰা, মানুহ হত্যা কৰাৰ উপায়ো তো মানুহৰ হাতত আছে, কিন্তু সেইটো জানো এটা সঁচা উপায়। ললিতাক বিয়া কৰাই তুমি ললিতাৰ প্ৰতি তোমাৰ কৰ্ত্তব্য কৰিব খুজিছা, কিন্তু সেইটোৱেই জানো তোমাৰ চৰম কৰ্ত্তব্য। সমাজৰ প্ৰতি তোমাৰ একো কৰ্ত্তব্য নাই জানো?"

সমাজৰ প্ৰতি কৰ্ত্তব্যৰ কথা স্মৰিয়েই সি ব্ৰাহ্ম বিয়াত মত দিয়া নাছিল। কিন্তু সি সেই কথাটোকে নকৈ তৰ্ক কৰিবলৈহে আৰম্ভ কৰিলে। সি ক'লে,—"এই কথাত তোমাৰ লগত বোধকৰোঁ মোৰ মত নিমিলিব। মইতো কোনো বিশেষ মানুহৰ কাৰণে সমাজৰ বিৰুদ্ধে বায় দিয়া নাই। মই কৈছো, ব্যক্তি আৰু সমাজ, দুয়োৰো ওপৰত এটা ধৰ্ম্ম আছে। সেই ধৰ্ম্মৰ প্ৰতি দৃষ্টি ৰাখিহে চলিব লাগিব। যেনেকৈ মানুহক ৰক্ষা কৰাটোৱেই মোৰ চৰম কৰ্ত্তব্য নহয়, সেইদৰে সমাজক ৰক্ষা কৰাটোও মোৰ

কৰ্ত্তব্য নহয়। একমাত্ৰ ধৰ্ম্মক ৰক্ষা কৰাই মোৰ প্ৰকৃত কৰ্ত্তব্য।

গোৰাই ক'লে,—"ব্যক্তিও নাই, সমাজো নাই, অথচ ধৰ্ম্ম আছে, এনে ধৰ্ম্মক মই নেমানো।"

বিনয়ৰ জেদ বাঢ়ি গ'ল। সি ক'লে,—মই জানো যে ব্যক্তি আৰু সমাজৰ ভেটিৰ ওপৰত ধৰ্ম্ম নেথাকে, ধৰ্ম্মৰ ভেটিৰ ওপৰতহে ব্যক্তি আৰু সমাজ থাকে। সমাজে যিটো বিচাৰে সেইটোকে ধৰ্ম্ম বুলি মানিবলৈ হলে সমাজৰ হে মূৰ খোৱা হব। সমাজে যদি মোৰ কিবা অন্যায়সঙ্গত ধৰ্ম্মসঙ্গত স্বাধীনতাত বাধা দিয়ে তেনেহলে সেই অসঙ্গত বাধাক নেওচি গলেহে সমাজৰ প্ৰতি আচল কৰ্ত্তব্য কৰা হব। ললিতাক বিয়া কৰোঁ-ৱাটো যদি মোৰ অন্যায় নহয়, বৰঞ্চ উচিতহে, তেনেহলে সমাজৰ মত নাই বুলি পিচুৱাই গলে মোৰ অধৰ্ম্ম হব।"

গোৰাই ক'লে,—"ন্যায়-অন্যায় কেৱল তোমাৰ মাজতেই সীমাবদ্ধ হৈ আছে নে কি? এইখন বিয়া কৰাই তোমাৰ ভৱিষ্যত সন্তানবোৰক তুমি ক'ত থিয় কৰাব খুজিছা, সেই কথা নেভাবা কিয়?"

বিনয়ে ক'লে,—"সেইবোৰ ভাবিয়েই তো মানুহে সামাজিক অন্যায়-বোৰক চিৰস্থায়ী কৰি পেলাইছে। চাহাব ওপৰৱালাৰ গোৰ খাই যিটো কেৰাণীয়ে চিৰকাল অপমানকে মূৰ পাতি লয়, তেন্তে তাক তুমি দোষ দিয়া কিয়? সিয়ো তাৰ ল'ৰা-ছোৱালীৰ কথাই ভাবে।" গোৰাৰ লগত তৰ্কা-তৰ্কি কৰি বিনয়ে যি ঠাই আহি পালেহি আগতে সি সেই ঠাইত নাছিল। কিছু সময় আগতেই সমাজৰ লগত সম্পৰ্ক ছিঙাৰ কথা ভাবিয়েই তাৰ গোটেই অন্তৰ কোঁচ খাই উঠিছিল। এই বিষয়ে সি নিজৰ লগত কোনো প্ৰকাৰৰ তৰ্ককে কৰা নাছিল। আৰু গোৰাৰ লগত এই-দৰে তৰ্ক নলগা হলে বিনয়ৰ মন নিজৰ চিৰকলীয়া সংস্কাৰ অনুসাৰে উপস্থিত প্ৰবৃত্তিৰ ওভোতা কালেই গ'লহেঁতেন। কিন্তু তৰ্ক কৰোঁতে কৰোঁতে তাৰ প্ৰবৃত্তিয়ে কৰ্ত্তব্যবুদ্ধিৰ সহায় লৈ প্ৰবল হৈ উঠিবলৈ ধৰিলে।

গোৰাৰ লগত ভয়ানক তৰ্ক লাগি গ'ল। এনেকুৱা আলোচনাত গোৰাই সাধাৰণতে যুক্তি প্ৰয়োগলৈ চকু নিদিয়ে। সি গাৰ বলেৰে নিজৰ মতবোৰ প্ৰকাশ কৰে। নিচেই তাকৰ সংখ্যাক মানুহৰহে এনে বল আছে। এই বলেৰেই আজি সি বিনয়ৰ সকলো কথা ঠেলা মাৰি ধূলিৰ লগতে সমান কৰি পেলাবলৈ যত্ন কৰিলে। কিন্তু আজি সি খোজে খোজে বাধা পাবলৈ ধৰিলে। যিমান দিনলৈকে একালে গোৰা আৰু আনকালে বিনয়ৰ মতহে মাখোন আছিল সিমান দিন সদায় বিনয়

হাবিছে। কিন্তু আজি দুইকালে দুজন বাস্তৱ মানুহ। গোৰাই আজি বায়ু বাপেৰে বায়ু বাণক বাধা দিয়া নাছিল,—আজি বাণ আহি ক'ত বিদ্ধি-ছিলহি তাত আছে এজন মানুহৰ এখন বেদনাপূৰ্ণ হৃদয়।

অৱশেষত গোৰাই ক'লে,—"মই তোমাৰ লগত তৰ্ক কৰি থাকিব নোখোজোঁ। ইয়াত তৰ্ক কৰিবলগীয়া কথাও বিশেষ একো নাই। ইয়াত অন্তৰেৰে সৈতে বুজিবলগীয়া কথা এটাহে আছে। ব্ৰাহ্ম ছোৱা-লীক বিয়া কৰাই তুমি যে দেশৰ সৰ্ব্ব সাধাৰণৰপৰা নিজক আঁতৰাই পেলাব খুজিছা, সেইটোৱেইহে মোক সকলোতকৈ বেচি বেজাৰ দিছে। এনে কাম কৰিব তুমি পাৰা, মই কিন্তু কেতিয়াও নোৱাৰোঁ। এইখিনিতে তোমাৰ লগত মোৰ তফাৎ—জ্ঞানত বা বুদ্ধিত নহয়। মোৰ ভালপোৱা য'ত আছে তোমাৰ ভালপোৱা তাত নাই। তুমি যি ঠাইত ছুৰী কটাৰী বহুৱাই নিজক মুক্ত কৰিব খুজিছা, তাত তোমাৰ মৰম সোমাই থকা নাই। কিন্তু সেই ঠাইতেই মোৰ নাড়ীৰ টান আছে। মই মোৰ ভাৰতবৰ্ষক বিচাৰিছোঁ। সেই ভাৰতবৰ্ষক তুমি যিমানেই দোষ দিয়া বা গালি পাৰা, তথাপিও মোৰ সেই ভাৰতবৰ্ষকহে মোক লাগে। এই ভাৰতবৰ্ষতকৈ ডাঙৰ বুলি মই নিজক নাইবা আন কোনো মানুহকে নেমানো। এনে অতি সৰু কাম এটাও কেতিয়াও কৰিব নোখোজো যাৰ বাবে মোৰ ভাৰত-বৰ্ষৰ লগত মোৰ চুলিডাল মানো বিচ্ছেদ ঘটিব পাৰে।"

বিনয়ে কিবা এটা উত্তৰ দিব খোজোতেই গোৰাই ক'লে,—"নহয় বিনয়, তুমি মিছাতে মোৰ লগত তৰ্ক কৰিছা। গোটেই পৃথিৱীয়ে যিখন ভাৰতবৰ্ষক ত্যাগ কৰিছে, অপমান কৰিছে, মই সেইখন ভাৰতবৰ্ষৰ লগতে অপমানৰ একেখন আসনতে ঠাই লব খুজিছোঁ—মোৰ এই জাতিভেদৰ ভাৰতবৰ্ষ, মোৰ এই কুসংস্কাৰেৰে ভৰা ভাৰতবৰ্ষ, মোৰ এই পৌত্তলিক ভাৰতবৰ্ষ—তুমি এই ভাৰতবৰ্ষৰপৰা আঁতৰিব খুজিলে মোৰপৰাও আঁতৰিব লাগিব।"

এই বুলি গোৰাই কোঠাটোৰপৰা ওলাই গৈ বাহিৰৰ ছাতত ঘূৰা-পকা কৰিবলৈ ধৰিলে। বিনয় মনে মনে বহি থাকিল। এনেতে লগুৱাটোৱে আহি কেবাজনো মানুহে গোৰাৰ লগত দেখা কৰিবলৈ বাজত বৈ আছে বুলি খবৰ দিলেহি। পলাবলৈ এটা চল ওলোৱাত গোৰাই ভালেই পালে। সি তললৈ নামি গ'ল।

বাহিৰলৈ আহি গোৰাই আন আন মানুহৰ লগত অবিনাশকো দেখা পালে। অবিনাশৰ খং উঠিছে বুলিয়েই গোৰাই ভাবিছিল। কিন্তু খঙৰ

দেখোন একো চিন-চাবেই নাই। সি আৰু দুগুণ উছাহেৰে সৈতে তাৰ কালিয়ে উপেক্ষা কৰা ঘটনাটো সকলোৰে আগত বৰ্ণাণি আছিল। সি ক'লে,—"গৌৰমোহন ককাইদেউৰ প্ৰতি মোৰ ভক্তি আৰু বহুতো বাঢ়ি গ'ল। ইমান দিনে মই তেখেতক মাথোন অসামান্য মানুহ বুলিয়েই ভাবিছিলোঁ। কিন্তু কালি জানিব পাৰিলোঁ তেখেত এজন মহাপুৰুষ। আমি কালি তেখেতক সন্মান দেখুৱাবলৈ গৈছিলোঁ। তেখেতে যেনেকৈ দেখাদেখিকৈ সেই সন্মান উপেক্ষা কৰিলে, আজি-কালিৰ দিনত তেনেকৈ কেইজনে পাৰে? এইটো কিবা সাধাৰণ কথা নে?"

এনেয়ে গোৰাৰ মনটো গধুৰ হৈ আছিল, তাতে আকৌ অবিনাশৰ এনেবোৰ কথা শুনি তাৰ গা পুৰিবলৈ ধৰিলে। অসহ্য হৈ সি ক'লে, "শুনা অবিনাশ, তোমালোকে ভক্তি কৰি মানুহক অপমানহে কৰা। আলিৰ দাঁতিত তোমালোকে মোক বান্দৰ নাচত নচুৱাব খুজিছিলা। তাকে উলাই কৰিব পৰাৰ সমান এইকণো লাজ-কাজ তোমালোকে মোৰপৰা আশা নকৰা নে কি? ইয়াকে আকৌ তোমালোকে কোৱা মহাপুৰুষৰ লক্ষণ। আমাৰ এই দেশখনক তোমালোকে এটা যাত্ৰাৰ দল বুলিয়েই ভাবি থৈছা নে কি? সকলোৱেই ভাও লবলৈকে নাচি ফুৰিছে। কোনেও অকণমানো সঁচা-সঁচি কাম কৰা নাই। লগত যোগ দিব খুজিছা যদি তো ভালেই, কাজিয়া কৰিব খুজিছা যদিও ভাল কথা, কিন্তু ৰক্ষা কৰা, এনেকুৱা বাহ্বা দিবলৈ নেযাবা।"

অবিনাশৰ ভক্তি আৰু বাঢ়িবলৈহে ধৰিলে। সি হাঁহি মুখেৰে তাত থকা সকলোলৈকে চাই গোৰাৰ বাক্যবোৰ যে কিমান অসাধাৰণ—এই কথাৰ প্ৰতি সকলোৰে মন আকৰ্ষণ কৰাৰ ভাও ধৰিলে। সি ক'লে,— "আশীৰ্ব্বাদ কৰক—যেন আপোনাৰ নিচিনাকৈ এইদৰে নিষ্কামভাৱে ভাৰতবৰ্ষৰ সনাতন গৌৰৱ ৰক্ষা কৰিবৰ কাৰণে আমিও জীৱন উচৰ্গা কৰিব পাৰোঁ।" এই বুলি সি গোৰাৰ ভৰিৰ ধূলি লবলৈ হাত বঢ়াওঁতেই গোৰা আঁতৰি গ'ল।

তেতিয়া অবিনাশে ক'লে,—"গৌৰমোহন ককাদেউ, আপুনি তো আমাৰপৰা একো সন্মানকে নলয়। কিন্তু আমাক আনন্দ দিয়াত বিমুখ হ'লে নচলিব। আপোনাৰ লগত সকলোৱে আমি এদিন একেলগে ভাত খাম বুলি আলোচনা কৰিছোঁ। ইয়াত কিন্তু আপুনি সন্মতি দিবই লাগিব।"

গোৰাই ক'লে,—"মই পৰাচিত নোহোৱাকৈ তোমালোকৰ লগত একেলগে ভাত খাব নোৱাৰোঁ।"

পৰাচিত! অবিনাশৰ চকুজোৰ জিৰ্‌জিৰাই উঠিল। সি ক'লে,—"এনে কথা আমাৰ কাৰো মনলৈকে অহা নাই। কিন্তু হিন্দুধৰ্ম্মৰ কোনো বিধানেই গৌৰমোহন ককাইদেউৰ চকুত নপৰাকৈ নেথাকে।"

সি ক'লে,—"অ' ভাল কথা। পৰাচিত উপলক্ষ কৰিয়েই সেইদিনা সকলোৱে লগে ভাগে এসাজ খাব পৰা হব। সেইদিনা দেশৰ ডাঙৰ ডাঙৰ অধ্যাপক পণ্ডিতসকলক নিমন্ত্ৰণ কৰিব লাগিব। হিন্দুধৰ্ম্ম যে আজিও কিমান তেজী হৈ আছে, সেইটো গৌৰমোহন ককাইদেউৰ এই পৰাচিতৰ নিমন্ত্ৰণতে প্ৰচাৰ হব।"

পৰাচিত সভা ক'ত কেতিয়া পতা হব, সেই কথাও ওলাল। এইখন ঘৰত সুবিধা নহব বুলি গোৰাই মত দিলে। এজন ভকতই তেওঁৰ গঙ্গাৰ দাঁতিৰ বাগিচাত এই কাম সম্পন্ন কৰিবলৈ প্ৰস্তাৱ কৰিলে। ইয়াৰ খৰচ পাতি আটায়ে লগ-লাগি বহন কৰাও ঠিক হৈ গ'ল।

যাবৰ পৰত অবিনাশে থিয় হৈ বক্তৃতাৰ ভঙ্গিত হাত জোকাৰি জোকাৰি সকলোকে সম্বোধন কৰি ক'লে,—"গৌৰমোহন ককাইদেৱে ভাল নেপাব পাৰে, কিন্তু আজি মোৰ অন্তৰ পৰিপূৰ্ণ হৈ উঠিছে যেতিয়া এই কথা নোকোৱাকৈ মই থাকিব নোৱাৰোঁ। বেদ উদ্ধাৰৰ কাৰণে আমাৰ এই পুণ্য ভূমিতে এদিন অৱতাৰৰ সৃষ্টি হৈছিল। ঠিক তেনেকৈয়ে হিন্দু ধৰ্ম্মক উদ্ধাৰ কৰিবৰ কাৰণেই আজিও আমাৰ মাজত এই অৱতাৰক আমি পাইছোঁ। গোটেই পৃথিৱীৰ ভিতৰত একমাত্ৰ আমাৰ দেশতে ছটা ঋতু আছে, আমাৰ এই দেশতেই যুগে যুগে অৱতাৰ উপজিছে, আৰু উপজিবও। আজি আমি ধন্য যে সেই সত্য আমাৰ চকুৰ আগতে প্ৰমাণ হৈ গ'ল। কোৱাঁ ভাই, জয় গৌৰমোহনদেউৰ জয়।"

অবিনাশৰ বাগ্মিতাত উত্তেজিত হৈ সকলোৱে গৌৰমোহনৰ জয়-ধ্বনি কৰিবলৈ ধৰিলে। গোৰাই মৰ্ম্মান্তিক বেজাৰ পাই তাৰপৰা নৰি ওলাই গ'লগৈ।

আজি ফাটেকৰপৰা মুক্তি পোৱা দিনটোত প্ৰবল এটা অৱসাদে গোৰাৰ মনটো ছাটি পেলাইছেহি। এইবাৰ উভতি গৈ নতুন উদ্দীপনাৰে সৈতে দেশৰ কাম কৰিবগৈ বুলি গোৰাই ফাটেকত থাকোঁতেই বহুদিন কল্পনা কৰিছিল। সি আজি নিজকে নিজে সুধিবলৈ ধৰিলে, 'হায়, মোৰ দেশ ক'ত? দেশখন অকল আখোন মোৰহে নে কি? মোৰ জীৱনৰ সকলো

সঙ্কল্প যাৰ লগত আলোচনা কৰিছিলোঁ, মোৰ সেই লৰালিৰ বন্ধুৱে আজি অতদিনৰ পিচত এজনী মাথোন তিৰোতা মানুহক বিয়া কৰোৱাৰ চল লৈ সি তাৰ দেশৰ সকলো অতীত আৰু ভৱিষ্যতৰ লগত এক মুহূৰ্ত্ততে ইমান নিষ্ঠুৰ ভাৱে সকলো সম্বন্ধ ছিঙি পেলাবলৈ ওলাইছে। আৰু যি বোৰক সকলোৱে মোৰ দলৰ মানুহ বুলি কয়, অতদিনে সিহঁতক ইমানকৈ শিকোৱা-বুজোৱাৰ পিচতো আজি সিহঁতে স্থিৰ কৰিলে যে, মই মাথোন হিন্দুত্ব উদ্ধাৰ কৰিবৰ কাৰণেই অৱতাৰ হৈ উপজিছোঁ। মই মাথোন মূৰ্ত্তিমান শাস্ত্ৰৰ বচন। আৰু এই মহান ভাৰতবৰ্ষই ক'তো আসন নেপালে। ছয় ঋতু। ভাৰতবৰ্ষত ছটা ঋতু আছে। আৰু সেই ছয় ঋতুৰ ষড়যন্ত্ৰত যদি অবিনাশৰ নিচিনা এনে কিছুমান ফল ফলে তেনেহলে দুই চাৰিটা ঋতু কম হোৱা হলেও ক্ষতি নহলহেঁতেন।'

আয়ে গোৰাক মাতিছে বুলি লগুৱাটোৱে আহি খবৰ দিলেহি। গোৰাই যেন হঠাৎ চক্ খাই উঠিল। সি নিজেই নিজক কৈ উঠিছিল, 'আয়ে মাতিছে।' এই কথাষাৰ সি যেন এটা নতুন অৰ্থেৰে সৈতে শুনিলে। সি ক'লে,—'আন যিয়েই নহওক লাগে, মোৰ আই আছে। আৰু তেখেতেই মোক মাতিছে। আয়েই মোক সকলোৰে লগত মিলাই দিব। কাৰো লগত তেখেতে কোনো বিচ্ছেদ ঘটিবলৈ নিদিয়ে। যি বোৰ মোৰ আপোন, সিহঁতক তেখেতৰ কোঠাতে বহি থকা মই দেখা পাম। ফাটেকৰ ভিতৰতো আয়ে মোক মাতিছিল। তাতো তেখেতক দেখা পাইছিলোঁ। ফাটেকৰ বাহিৰতো আয়ে মোক মাতিছে, ইয়াতো মই তেখেতক চাবলৈকে যাওঁগৈ।' এই বুলি গোৰাই সেই কালিৰ দুপজাৰ-বীয়া বাহিৰৰ আকাশৰ পিনে এবাৰ চালে। এফালে বিনয় আৰু আন ফালে অবিনাশৰ ফালৰপৰা যি বিৰোধৰ সুৰ উঠিছিল সেয়া যেন অকণমান বাজিয়েই নোহোৱা হৈ গ'ল। এই দুপৰীয়াৰ বেলিৰ পোহৰত ভাৰতবৰ্ষই যেন তেওঁৰ দুই বাহু মেলি দিলে। এই ভাৰতবৰ্ষৰ সমুদ্ৰৰ পাৰলৈকে বিয়পি থকা নদী, পৰ্ব্বত, লোকালয়, গোৰাৰ চকুৰ সন্মুখত বহল হৈ উঠিল। অন্তৰৰপৰা এটি মুকলি নিৰ্ম্মল পোহৰ আহি এই ভাৰতবৰ্ষখনৰ চৌদিশ যেন জ্যোতিৰ্ম্ময় কৰি পেলালেহি। গোৰাৰ অন্তৰ উপচি পৰিল। তাৰ চকুযোৰ জলিবলৈ ধৰিলে। তাৰ মনত ক'তো লেশমানো আৰু নিৰাশাৰ ছাঁ নেথাকিল। ভাৰতবৰ্ষৰ যি কাম অন্তহীন, যি কামৰ ফল বহু দূৰত—সেই কাম কৰিবলৈকে তাৰ প্ৰকৃতি মহা আনন্দেৰে সাজু হল—

ভাৰতবৰ্ষৰ যি মহিমা সি মাথো ধ্যানত হে দেখিছিল, সেই মহিমা নিজ চকুৰে চাই যাবলৈ নেপাব বুলি তাৰ মনত অকণো দুখ নেথাকিল। সি মনে মনে বাৰে বাৰে কবলৈ ধৰিলে,—"আয়ে মোক মাতিছে। যাওঁ মই, য'ত অন্নপূর্ণা—য'ত জগদ্ধাত্ৰী বহি আছে,—সেই সুদূৰ কাললৈ—যি আছে এই নিমিষতে, সেই মৃত্যুৰ সিপাৰত অথচ জীৱনৰ মাজতে, সেই মহামহিমান্বিত ভৱিষ্যতে আজি মোৰ এই দীন-হীন বৰ্ত্তমানক সম্পূর্ণ সাৰ্থক কৰি উজ্জ্বল কৰি তুলিছে—মই যাওঁ তালৈকে সেই অতি দূৰত, তেনেই ওচৰতে আয়ে মোক মাতিছে।' এই আনন্দৰ মাজত গোৰাই যেন বিনয় আৰু অবিনাশৰো সঙ্গ ফিৰাই পালে। সিহঁতো আৰু তাৰ পৰ হৈ নেথাকিল—আজিৰ সৰু-সুৰা এই আটাইবোৰ বিৰোধ যেন এটা প্ৰকাণ্ড সাৰ্থকতাত ক'ৰবাত মিলি গ'ল গৈ।

গোৰা আহি আনন্দময়ীৰ কোঠাত সোমাওঁতে তাৰ মুখখন আনন্দৰ জেউতিৰে জিলিকি আছিল। তাৰ চকুযোৰে সন্মুখত থকা সকলো বস্তুৰ আঁতৰত আন কিবা এটি যেন অপৰূপ মূৰ্ত্তি দেখিছিল। পোনতে হঠাতে আহি তাৰ মাকৰ কাষত কোন নো বহি আছিল, সি চিনিবকে পৰা নাছিল।

সুচৰিতাই থিয় হৈ গোৰাক নমস্কাৰ কৰিলে। গোৰাই কলে—"অ' আপুনি আহিছে? বহক।"

গোৰাই 'আপুনি আহিছে' এই শব্দ দুটা এনেকৈ কলে যেন সুচৰিতা অহাটো এটা সাধাৰণ ঘটনা নহয়, ই যেন এটা বিশেষ আবিৰ্ভাৱ।

এদিন সুচৰিতাৰ কাষৰপৰা গোৰা পলাইছিল। যিমান দিনলৈকে সি অতি দুখৰ মাজেদি নানান কামত ভ্ৰমণ কৰি ফুৰিছিল, সিমান দিনলৈকে সুচৰিতাৰ কথা মনৰপৰা বহুখিনি আঁতৰাই ৰাখিব পাৰিছিল। কিন্তু ফাটেকৰ ভিতৰত সি সুচৰিতাৰ স্মৃতি মনৰপৰা কোনোমতেই আঁতৰ কৰিব নোৱাৰিছিল। এনে এদিনো আছিল—যিদিনা তিৰোতা মানুহো যে ভাৰতবৰ্ষত আছে এই কথা গোৰাৰ মনলৈকে নাহিছিল। এই সত্যটো আজি অতদিনৰ মূৰত সি সুচৰিতাৰ মাজতে নতুনকৈ আৱিষ্কাৰ কৰিলে। একেবাৰে এক মুহূৰ্ত্ততে ইমান ডাঙৰ এটা পুৰণি আৰু প্ৰকাণ্ড কথাক হঠাতে গ্ৰহণ কৰি লৈ তাৰ গোটেই বলিষ্ঠ প্ৰকৃতি ইয়াৰ আঘাতত কঁপি উঠিল। ফাটেকৰ ভিতৰত থাকোঁতে বাহিৰৰ বেলিৰ পোহৰ আৰু মুকলি বতাহৰ পৃথিৱীখনে যেতিয়া তাৰ মন শোকাকুল কৰি পেলাইছিল, তেতিয়া সেই পৃথিৱীখনক মাথোন সি নিজৰ কৰ্ম্মক্ষেত্ৰ আৰু অকল মতা-মানুহৰ সমাজ বুলিয়েই ভবা নাছিল; যেনেকৈয়ে সি ধ্যান নকৰক লাগে, বাহিৰৰ

এই সুন্দৰ সংসাৰখনত মাথোন সি দুজন অধিষ্ঠাত্ৰী দেৱতাৰ মুখ হে দেখা পাইছিল। বেলি-জোন-তৰাৰ পোহৰ বিশেষকৈ যেন এই দুজনাৰ মুখৰ ওপৰতেই পৰিছিল; স্নিগ্ধ নীলিম আকাশে এই দুজনাৰ মুখকেই যেন আৱৰি ৰাখিছিল। এখন মুখ তাৰ আজন্ম চিনাকি—মাতৃ দেৱীৰ, আৰু বুদ্ধিৰে উজলি থকা ইখন নম্ৰ ধুনীয়া মুখৰ লগত তাৰ নতুন চিনাকি।

ফাটেকঘৰৰ নিৰানন্দ সঙ্কীৰ্ণতাৰ মাজত গোৰাই এই মুখখনিৰ স্মৃতিৰ লগত কোনো বিৰোধ কৰিব পৰা নাছিল। এই ধ্যানৰ আনন্দ কণেই ফাটেকঘৰৰ ভিতৰত তাৰ মনলৈ এটি গভীৰ মূৰ্ত্তিৰ সোৱাদ আনি দিছিল। ফাটেকৰ কঠোৰ বন্ধন তাৰ ছাঁয়াময় মিছা সপোন যেন হে লাগিছিল। হেন্দোলনি উঠা অন্তৰৰ অতীন্দ্ৰিয় ঢৌবোৰে জেলখানাৰ সকলো দেৱাল অবাধে পাৰ হৈ আকাশৰ বুকুত মিলি গৈ তাত ফুলৰ নতুন পাহিত ঢৌ খেলি আৰু সংসাৰ কৰ্ম্মক্ষেত্ৰত লীলায়িত হৈ উঠিছিল।

গোৰাই ভাবিছিল যে কল্পনা-মূৰ্ত্তিলৈ ভয় কৰাৰ একো কাৰণ নাই। আৰু সেই কাৰণে এই কল্পনাক সি একেবাৰেই পথ এৰি দিছিল। গোৰাই জানিছিল যে কেৱল বাস্তৱ বস্তুবোৰকহে ভয় কৰিব লাগে।

জেলৰপৰা ওলায়েই ভট্ট ডাঙৰীয়াক দেখি গোৰাৰ মনটো আনন্দতে নাচি উঠিছিল। মাথোন ভট্ট ডাঙৰীয়াক দেখিয়েই যে সি ইমান আনন্দ পাইছিল সেইটো নহয়; তাৰ লগতে গোৰাৰ এই কেইদিনৰ লগৰীয়া কল্পনায়ো যে কিমানখিনি মায়া মিহলাই দিছিল, সেইটো পোনতে গোৰাই নিজেই বুজিব পৰা নাছিল। কিন্তু লাহে লাহে সি বুজি পালে—জাহাজত আহি থাকোঁতে ভট্ট ডাঙৰীয়াই তাক কেৱল মাথোন তেখেতৰ নিজ গুণৰ বলতেই যে আকৰ্ষণ কৰা নাই, এই কথা সি ভালকৈয়ে বুজি পালে।

ইমান দিনৰ মূৰত গোৰাই আকৌ কঁকালত টঙালি বান্ধিলে। কলে,—'কেতিয়াও নেহাৰো' আকৌ দূৰলৈ আঁতৰি যাবগৈ, কোনো প্ৰকাৰৰ সামান্য বান্ধোনেৰেও নিজৰ মনটোক বান্ধিবলৈ নিদিয়ে বুলি সি জাহাজত ৰহি বহি মনতে পুনৰ প্ৰতিজ্ঞা কৰিলে।

এনেতে বিনয়ৰ লগত তাৰ তৰ্ক লাগি গ'ল। ইমান দিনৰ বিচ্ছেদৰ পিচত বন্ধুৰ লগত এই প্ৰথম মিলনৰ দিনটোতেই ইমান তুমুল তৰ্ক নেলাগিলহেঁতেন। কিন্তু আজি এই তৰ্কৰ মাজেদি গোৰাই তাৰ নিজৰ লগতো তৰ্ক কৰিছিল। এই তৰ্কৰ আলম লৈয়েই গোৰাই নিজৰ প্ৰতিষ্ঠা ভূমিকো নিজৰ আগত ফট্‌ফটীয়া কৰি লৈছিল। সেই কাৰণেই গোৰাই আজি ইমান জোৰ দি কথা কৈছিল—এই জোৰখিনি তাৰ নিজৰ হে বৰ বেচি

প্ৰয়োজন আছিল। যেতিয়া তাৰ আজিৰ এই জোৰে বিনয়ৰ মনৰ বিৰোধিতা বঢ়াই হে দিছিল, যেতিয়া বিনয়ে মনে মনে গোৰাৰ কথাবোৰ একমাত্ৰ খণ্ডন কৰিয়েই গৈ আছিল আৰু গোৰাৰ কথাবোৰ অন্যায় ওঁকবাদি বুলি যেতিয়া বিনয়ৰ গোটেই অন্তৰ বিদ্ৰোহী কৰি পেলাইছিল, তেতিয়া বিনয়ে ভাবিবই পৰা নাছিল যে গোৰাই আজি নিজকে নিজে আঘাত নকৰা হ'লে তাৰ আঘাত ইমান ভীষণ হৈ নুঠিলহেঁতেন।

বিনয়ৰ লগত তৰ্কৰ শেষত গোৰাই ঠিক কৰিলে, যুদ্ধক্ষেত্ৰৰ বাহিৰলৈ পলাই গ'লে নহব। মই নিজৰ প্ৰাণৰ ভয়ত বিনয়ক এৰি থৈ গুচি আহিলে সি আৰু কেতিয়াও ৰক্ষা নেপাব।

৫৪

গোৰাৰ মনটো তেতিয়া ভাবত বিভোল হৈ আছিল—সুচৰিতাক তেতিয়া সি এজনী মানুহৰ ৰূপত দেখা নাছিল, তাইক এটি ভাবৰ ৰূপতেই দেখিছিল। ভাৰতৰ নাৰী-প্ৰকৃতি সুচৰিতা-মূৰ্ত্তিত তাৰ সমুখত ভাঁহি উঠিল। ভাৰতবৰ্ষৰ গৃহক পুণ্যেৰে, সৌন্দৰ্য্যেৰে আৰু ভালপোৱাৰে মধুৰ আৰু পৱিত্ৰ কৰি দিবৰ কাৰণেই যেন এই মূৰ্ত্তিৰ আবিৰ্ভাৱ হৈছিল। যি গৰাকী লখিমীয়ে ভাৰতৰ শিশুক মানুহ কৰে, ৰোগীক আল-পৈচান ধৰে, ত্যাগীক সান্ত্বনা দিয়ে, সকলোকে ভালপোৱাৰ গৌৰৱেৰে স্থান দিয়ে, যিজনাই দুখ-দুৰ্গতিতো সবাতোকৈ দুখীয়াজনকো এৰি দিয়া নাই, অৱহেলা কৰা নাই, আমাৰ পূজনীয়া হৈয়ো যিজনাই আমাৰ মাজৰ অতি অলায়কজনকো একান্তমনে পূজা কৰি আহিছে, যিজনাই নিজৰ পাকৈত সুন্দৰ হাত দুখনিকে আমাৰ আল-পৈচান ধৰিবলৈ উছৰ্গা কৰিছে, যাৰ সদায় সহিবপৰা ক্ষমাৰে ভৰপূৰ ভালপোৱাক, অক্ষয় দানৰূপে আমি ঈশ্বৰৰপৰা লাভ কৰিছোঁ, সেই লখিমীৰেই আৰু এটি প্ৰকাশক তাৰ মাকৰ কাষত দেখা-দেখিকৈ থিয় হৈ হৈ থকা দেখি গভীৰ আনন্দেৰে গোৰাৰ মন উপচি পৰিল। তাৰ মনলৈ আহিল, এই লখিমীৰ ফাললৈকে আমি নেচাওঁ, এওঁকেই আমি সকলোৰে পিচত ঠেলি থৈ দিছিলোঁ, আমাৰ দুৰ্গতিৰ এনেকুৱা লক্ষণ আৰু আন একো নাই। গোৰাৰ তেতিয়া এনেহে লাগিল যেন দেশ বুলিলে এওঁকেই বুজায়, গোটেই ভাৰতৰ মৰ্ম্মস্থলিত প্ৰাণৰ নিকেতনত

শতদল পদুমৰ ওপৰত এওঁৱেই যেন বহি আছে, আৰু আমি এওঁৰেই সেৱক। দেশৰ দুৰ্গতিত এওঁৰেই অৱমাননা কৰা হৈছে, আৰু আমি এই অৱমাননালৈ আওকাণ কৰিছোঁ দেখি আজি আমাৰ পুৰুষত্ব লাজত পৰিছে।

গোৰাই নিজে নিজেই আচৰিত হৈ গৈছিল। যিমান দিনলৈকে ভাৰতবৰ্ষৰ মাইকী মানুহৰ কথা সি নেজানিছিল, সিমান দিনলৈকে ভাৰতবৰ্ষ-খনক যে সি কিমান আধৰুৱা ৰূপে দেখিছিল এই কথা ইয়াৰ আগেয়ে সি গমেই পোৱা নাছিল। গোৰাৰ কাৰণে নাৰী যেতিয়া মাত্ৰ ছাঁৰ নিচিনা আছিল, তেতিয়া দেশৰ প্ৰতি তাৰ যি কৰ্ত্তব্যবোধ আছিল, তাত কিবা এটাৰ অভাৱ আছিল। যেন শক্তি আছিল কিন্তু তাত প্ৰাণ নাছিল, যেন মাংসপেশী আছিল কিন্তু স্নায়ু নাছিল। গোৰাই এক নিমিষতে বুজিব পাৰিলে যে নাৰীক আঁতৰাই থৈ আমি যিমানেই অৱহেলা কৰিছোঁ সিমানেই আমাৰ পুৰুষত্বও বল নোহোৱা হৈ পৰিছে।

সেই কাৰণেই গোৰাই যেতিয়া সুচৰিতাক 'অ' আপুনি আহিছে' বুলি ক'লে তেতিয়া সেইটো মাথোন এটা চলি অহা সাধাৰণ ব্যৱহাৰৰ দৰে তাৰ মুখৰপৰা ওলোৱা নাছিল। তাৰ জীৱনৰ এটি নকৈ পোৱা আনন্দ আৰু বিস্ময়ো এই মাতষাৰৰ মাজত সোমাই আছিল।

ফাটেক খটাৰ অলপ অচৰপ চিন গোৰাৰ গাত আছিল। সি আগতকৈ বহুতো খীণাইছিল। জেলৰ ভাতলৈ তাৰ অশ্ৰদ্ধা আৰু অৰুচি থকাৰ কাৰণে এই এমাহ সি প্ৰায় লঘোনেই কটাইছে। তাৰ উজ্জ্বল বগা গাৰ বৰণটোও আগতকৈ কিছু ক'লা পৰিছে। চুলিবোৰ নিচেই সৰু সৰুকৈ কটাৰ বাবে মুখখনৰ খীণোৱা ভাবটো আৰু বেচিকৈ ওলাই পৰিছে।

গোৰাই এইদৰে খীণাই যোৱা দেখি সুচৰিতাৰ মনত বেজাৰৰ লগতে এটা সম্ভ্ৰমো উপজিল। সেৱা এটা কৰি গোৰাৰ ভৰিৰ ধূলি মূৰত লবলৈ তাইৰ বৰ মন গ'ল। দপ্‌দপাই জলি থকা যিকুৰা জুইৰ ধোঁৱা আৰু খৰি-খেৰবোৰ দেখা নেযায়, গোৰা সেই পৱিত্ৰ জুইকুৰাৰ দৰেই আজি তাইৰ চকুত ধৰা দিয়ে। এটি কৰুণা মিহলি ভক্তিৰ আৱেগত সুচৰিতাৰ বুকুৰ ভিতৰখন কঁপিবলৈ ধৰিলে। তাইৰ মুখেৰে আৰু একো কথাকে নোলোৱা হ'ল।

আনন্দময়ীয়ে ক'লে,—"মোৰ ছোৱালী থকা হলে যে কিমান সুখ পালোঁহেঁতেন এইবাৰহে মই বুজি পাইছোঁ গোৰা। তই নথকা দিন কেইটাত সুচৰিতাই যে মোক কিমান সান্ত্বনা দিছে, সেইয়া নো মই আৰু কি কম। মোৰ লগত তো এওঁলোকৰ আগতে চিনাকিয়েই নাছিল।

কিন্তু দুখৰ দিনত হে সংসাৰৰ বহুতো ডাঙৰ বস্তু, বহুতো ভাল বস্তুৰ লগত চিনাকি হয়। দুখৰ এই এটা গৌৰৱ এইবাৰ বুজি পাইছোঁ, দুখৰ সান্ত্বনা যে গোসাঁয়ে ক'ত, কিমান ঠাইত কেনেকৈ থৈছে, সেইটো সকলো সময়তে বুজিব নোৱাৰোঁ বুলিয়েই আমি ইমান দুখ পাওঁ। আই, তুমি এতিয়া লাজ কৰিছা, কিন্তু মোৰ দুৰ্দ্দিনত তুমি যে কিমান সুখ দিছিলা, সেই কথা মই তোমাৰ সন্মুখতে নোকোৱাকৈনো কেনেকৈ থাকোঁ।"

গৌৰাই গভীৰ শলাগ-ভৰা চাৱনিৰে সুচৰিতাৰ লাজতে ৰঙা হৈ উঠা মুখখনলৈ এবাৰ চাই আনন্দময়ীক কলে,—"আই, তোমাৰ দুখৰ দিনত তেখেতে তোমাৰ দুখৰ ভাগ লবলৈ আহিছিল, আকৌ আজি সুখৰ দিনতো তোমাৰ সুখ বঢ়াবলৈ আহিছে। অন্তৰ যাৰ ডাঙৰ, তেওঁলোকেহে বিনা কাৰণতে ইমান আন্তৰিকতা দেখুৱাব পাৰে।"

বিনয়ে সুচৰিতাৰ সঙ্কোচ দেখি কলে, "বাইদেউ, চোৰ ধৰা পৰিলে চাৰিওফালৰপৰা শাস্তি পায়। আজি তুমি এখেতসকলৰ সকলোৰে আগত ধৰা পৰি গৈছা আৰু তাৰেই শাস্তি ভোগ কৰিছা। এতিয়া আৰু কলৈ পলাবা? মই তোমাক বহুদিনৰেপৰাই চিনি পাওঁ। কিন্তু কাৰো আগত একোকে কোৱা নাছিলোঁ, মনে মনে আছিলোঁ। বেচি দিন একো কথা লুকাই নেথাকে বুলি মই জানো, বুজিছা?"

আনন্দময়ীয়ে হাঁহি হাঁহি কলে,—"অ' তুমি হবপায় মনে মনে আছা? এওঁ জানিবা বৰ মনে মনে থকা লৰা হে। যিদিনাৰেপৰাই তোমালোকৰ লগত তাৰ চিনাকি হৈছে সেইদিনাৰেপৰাই তোমালোকৰ গুণ বখানি বখানি আৰু তাৰ হেঁপাহকে পলাব নোখোজে।"

বিনয়ে কলে,—বাইদেউ, কথাবোৰ মন দি শুনি যোৱা দেই। মই যে গুণীৰ গুণ বুজোঁ আৰু মই যে অশলাগী নহয়, তাৰ সাক্ষী প্ৰমাণ সকলো হাতে হাতে পালা।"

সুচৰিতাই কলে,—"ইয়াৰপৰা আপুনি মাথোন নিজৰ গুণৰহে চিনাকি দিছে।"

বিনয়ে কলে,—"মোৰ গুণৰ চিনাকি কিন্তু মোৰপৰা একো নেপায়। মোৰ গুণৰ চিনাকি পাবলৈ হলে আইৰ ওচৰলৈ আহিব, একেবাৰে আচৰিত হৈ যাব। মোৰ গুণৰাশি তেখেতৰ মুখত শুনিলে মই নিজেই আচৰিত হৈ যাওঁ। আয়ে মোৰ জীৱন-চৰিত লিখে যদি সোনকালে মৰিবলৈকে মই ৰাজী আছোঁ।"

আনন্দময়ীয়ে কলে,—"লৰাটোৰ কথাবোৰ শুনচোন।"

গোৰাই কলে,—"বিনয়, তোমাৰ দেউতাৰা-মাৰাই তোমাৰ ঠিক নামেই লাগিছিল।"

বিনয়ে কলে,—"মোৰপৰা তেখেতসকলে আন একো গুণৰ আশা কৰা নাছিল বুলিয়েই বোধকৰোঁ। বিনয় গুণটোৰ কাৰণেই কাকুতি-মিনতি কৰি গৈছিল, নহলে যে তেখেতসকল সংসাৰত হাঁহিয়াতৰ পাত্ৰ হবলগীয়া হ'লহেঁতেন।"

এইদৰেই কথা-বতৰা পতাৰ প্ৰথম সঙ্কোচ আঁতৰি গ'ল।

যাবৰ পৰত সুচৰিতাই বিনয়ক কলে,—"আপুনি এবাৰ আমাৰ ফালে নেযায় জানো ?"

সুচৰিতাই বিনয়ক সিহঁতৰ ঘৰলৈ মাতিলে, কিন্তু গোৰাক মাতিব নোৱাৰিলে। কথাটোৰ আচল অৰ্থটো গোৰাই বুজিব নোৱাৰিলে। তাৰ মনত এটা আঘাত লাগিল। বিনয়ে যে সহজেই সকলোৰে মাজত নিজৰ ঠাই উলিয়াই লব পাৰে আৰু গোৰাই নোৱাৰে, ইয়াৰ বাবে গোৰাই আগতে কেতিয়াও অকণোকে খেদ কৰা নাছিল। আজি কিন্তু নিজৰ প্ৰকৃতিৰ এই অভাৱ সি সঁচাকৈয়ে এটা আচল অভাৱ বুলি ভাবিলে।

৫৫

ললিতাৰ লগত তাৰ বিয়াৰ কথা আলোচনা কৰিবলৈকে যে সুচৰিতাই তাক মাতি গৈছিল, সেইটো বিনয়ে বুজি পাইছিল। এই প্ৰস্তাৱটোক সি শেষ কৰি দিছে হয়, কিন্তু সেই বুলিয়েই ঘটনাটো তো শেষ হৈ যোৱা নাই। ঘটনাটোৰ আয়ুস থকালৈকে কোনো পক্ষই সাৰিব নোৱাৰে।

ইমানদিনে বিনয়ৰ আটাইতকৈ ডাঙৰ চিন্তা আছিল,—"গোৰাক মনত বেজাৰ দিম কেনেকৈ ?" গোৰা বুলিলে যে অকল গোৰা মানুহটোকেহে বুজায়, সেইটো নহয়, গোৰাই যি ভাব, যি বিশ্বাস, যি জীৱনক আশ্ৰয় কৰি আছে, সেই আটাইবোৰকে বুজায়। আৰু ইয়াৰেই লগত সদায় নিজক খাপ্ খুৱাই চলাটোৱেই বিনয়ৰ অভ্যাস আৰু সুখৰ কথা আছিল। এইবোৰৰ লগত কিবা বিৰোধ হোৱাটো তাৰ লগত বিৰোধ হোৱাৰ নিচিনাই আছিল।

কিন্তু সেই আঘাতৰ প্ৰথম সঙ্কোচটো এতিয়া আঁতৰি গ'ল। ললিতাৰ বিষয়ে গোৰাৰ লগত মুখামুখিকৈ কথা পাতি বিনয়ে বল পালে। ঘা কটোৰাৰ আগতে ৰোগীৰ ভয় আৰু চিন্তাৰ সীমা নেথাকে। কিন্তু অস্ত্রোপচাৰ হোৱাৰ পাচত ৰোগীয়ে দেখিলে যে, বিষ আছে যদিও লগে লগে আৰামো আছে। বস্তুটোক মনৰ ভাবত যিমান সাংঘাতিক যেন লাগিছিল আচলতে সিমান নহয়।

ইমান পৰে বিনয়ে নিজৰ মনৰ সৈতেও তৰ্ক কৰিব পৰা নাছিল। এতিয়া তাৰ তৰ্কৰ দুৱাৰো মুকলি হৈ গ'ল। এতিয়া সি নিজে নিজেই মনৰ ভিতৰতে গোৰাৰ লগত উখনা-উৰ্খনি কৰিবলৈ ধৰিলে। গোৰাৰ ফালৰপৰা যিবোৰ যুক্তি দেখুউৱাৰ সম্ভাৱনা আছে সেইবোৰ সি নিজৰ মনতে খুচৰি উলিয়াই লৈ নানা ফালৰপৰা খণ্ডন কৰিবলৈ লাগি গ'ল। গোৰাৰ লগত মুখা-মুখিকৈ তৰ্ক কৰিব পৰা হলে অৱশ্যে দুয়োৰে উত্তেজিত হলহেঁতেন, কিন্তু সেই উত্তেজনা তেনেকৈ অন্তও পৰিলহেঁতেন। কিন্তু গোৰাই এই বিষয়ে আৰু কোনোদিনাই কেতিয়াও তৰ্ক নকৰে বুলি বিনয়ে বুজি পালে। এই কথা ভাবিও বিনয়ৰ অলপ খং উঠিল। সি ভাবিলে, গোৰাই নিজেও নুবুজে, আনকো নুবুজায়, মাথোন জোৰ কৰে। 'জোৰ? জোৰৰ আগত কেতিয়াও মূৰ দোঁৱাব নোৱাৰোঁ।' বিনয়ে নিজকে নিজে কলে,—'যিয়েই নঘটক লাগে, মই সদায় সত্যৰ পিনে থাকিম' এইবুলি 'সত্য' বোলা এটা শব্দক সি দুয়োহাতেৰে বুকুৰ মাজত আকোৱালি ধৰিলে। গোৰাৰ বিপৰীতে এটা বৰ শক্তিশালী পক্ষক থিয় কৰাব লাগিব, আৰু ইয়াৰ কাৰণে সত্যই যে বিনয়ৰ চৰম অৱলম্বন হব, ইয়াকে সি বাৰে বাৰে নিজৰ মনত বুজাবলৈ লাগিল। আন কি সত্যক সি তাৰ আশ্ৰয়ৰূপে পাইছে বুলি ভাবি নিজৰ ওপৰতে তাৰ বৰ শ্ৰদ্ধা উপজিল। সেই কাৰণেই আবেলি সি সুচৰিতাৰ ঘৰলৈ যাওঁতে অলপ বুকু ফিন্দায়েই আগবাঢ়িল। সত্যৰ ফালে মূৰ দোঁ খাইছিল বুলিয়েই তাৰ ইমান জোৰ বাঢ়িছিল নে সি আন কিহবাৰ ফালে হে ঢাপলি মেলিছিল, এই কথা বুজি পোৱাৰ অৱস্থা অৱশ্যে বিনয়ৰ নাছিল।

হৰিমোহিনীয়ে তেতিয়া বন্ধা-বঢ়া কৰিবলৈ যা-যোগাৰ কৰি আছিল। বিনয়ে বান্ধনি ঘৰৰ দুৱাৰমুখত বামুণৰ লৰাৰ দুপৰীয়াৰ ভোজনৰ দাবী মঞ্জুৰ কৰাই ওপৰ মহলালৈ উঠি গ'ল।

সুচৰিতাই এখন চিলাইৰ কাম হাতত লৈ সেইখনত চকু থৈ আঙুলি চলাই চলাই আলোচ্য কথাটো উলিয়ালে। তাই কলে,—"চাওক চেটাৰ্জী-

দেউ। যি স্থলত ভিতৰৰ কোনো বাধা নাই, তাত বাহিৰৰ বাধা মানি চলিব লাগিব নে কি?"

গোৰাৰ লগত তৰ্ক কৰোঁতে বিনয়ে বিৰুদ্ধযুক্তি দেখুৱাইছিল। এতিয়া আকৌ সুচৰিতাৰ লগত আলোচনা কৰোঁতে সি আন পক্ষৰ যুক্তি হে দৰ্শালে। তেনেহলে গোৰাৰ লগত তাৰ কিবা মত-বিৰোধ আছে বুলি নো কোনে কব?

বিনয়ে কলে,—"বাইদেউ, বাহিৰৰ বাধাবোৰক তোমালোকেও চোন উলাই কৰিব নোৱাৰা।"

সুচৰিতাই উত্তৰ দিলে,—"চেটাৰ্জ্জীদেউ! তাৰো কাৰণ আছে। আমাৰ বাধা ঠিক বাহিৰৰ বাধা নহয়। আমাৰ সমাজখন যে আমাৰ ধৰ্ম্ম বিশ্বাসৰ ওপৰতে প্ৰতিষ্ঠিত। কিন্তু আপুনি যিখন সমাজত আছে তাত আপোনাৰ বন্ধন মাথোন সামাজিক বন্ধন হে। সেই কাৰণেই ললিতাই সমাজখন ত্যাগ কৰি গ'লে তাইৰ যিমান ক্ষতি হব, আপুনি সমাজ ত্যাগ কৰি আহিলে আপোনাৰ সিমান ক্ষতি নহব।"

ধৰ্ম্ম মানুহৰ ব্যক্তিগত সাধনাৰ বস্তু। ধৰ্ম্মক কোনো সমাজৰ লগতে লেটি-পেটি কৰাটো উচিত নহয় বুলি বিনয়ে তৰ্ক কৰিবলৈ ধৰিলে।

এনেতে সতীশে এখন চিঠি আৰু এখন ইংৰাজী বাতৰি-কাকত লৈ কোঠাটোত সোমালহি। বিনয়ক দেখিয়েই সি স্ফুৰ্ত্তিতে জপিয়াই উঠিল। শুকুৰবাৰটোক কোনো উপায়ে দেওবাৰ কৰিবলৈ তাৰ মনটো উচ্পিচাবলৈ ধৰিলে। চাওঁতে চাওঁতে বিনয় আৰু সতীশ সভাত মজি গল। ইফালে সুচৰিতাই ললিতাৰ চিঠিখন আৰু তাৰ লগত পঠিয়াই দিয়া বাতৰি-কাকতখন পঢ়িবলৈ ধৰিলে।

এই ব্ৰাহ্ম সমাজৰ কাগজখনত এটা খবৰ ওলাইছিল। তাত লিখিছিল যে কোনোবা বিখ্যাত ব্ৰাহ্ম-সমাজৰ ছোৱালীৰ হিন্দু সমাজৰ লৰাৰ লগত বিয়া হব বুলি আশঙ্কা কৰা হৈছিল সেই আশঙ্কা হিন্দু ডেকাজনৰ অসন্মতিৰ কাৰণে এতিয়া আঁতৰি গ'ল। এই সূত্ৰে হিন্দু ডেকাজনৰ নিষ্ঠাৰ লগত তুলনা কৰি ব্ৰাহ্ম-পৰিয়ালৰ শোচনীয় দুৰ্ব্বলতাৰ সম্পৰ্কেও দুখ প্ৰকাশ কৰা হৈছিল।

যি কোনো উপায়েৰে বিনয়লৈকে ললিতাক দিবই লাগিব বুলি সুচৰিতাই পেটে পেটে খিৰাং কৰিলে। কিন্তু এই ডেকাজনৰ লগত তো তৰ্ক কৰি সেইবোৰ কৰিব নোৱাৰি। সুচৰিতাই ললিতালৈ এখন চিঠি লিখি তাইক সুচৰিতাৰ ঘৰলৈ মাতি পঠিয়ালে। বিনয়ো যে তাতে আছে এই কথা কিন্তু সুচৰিতাই নজনালে।

কোনো পঞ্জিকাতেই কোনো গ্ৰহ-নক্ষত্ৰৰ সমাবেশতো শুকুৰবাৰটো দেওবাৰ হোৱাৰ বিধান নথকাত সতীশ স্কুললৈ যাবলৈ ওলাবলগীয়া হ'ল। সুচৰিতাও গা ধুবলৈ যাওঁ বুলি অলপ সময়ৰ কাৰণে বিনয়ক বহিবলৈ অনুৰোধ কৰি ওলাই আহিল।

তৰ্কৰ উত্তেজনা আঁতৰি যোৱাৰ পিচত সুচৰিতাৰ সেই অকলশৰীয়া কোঠাটোত বহি থাকি বিনয়ৰ ভিতৰৰ ডেকা পুৰুষটো সাৰ পাই উঠিল। সময় তেতিয়াও ন, চাৰে ন মান হৈছিল। গলিৰ ভিতৰত মানুহৰ হুলস্থুল নাছিল। সুচৰিতাই লিখা-পঢ়া কৰা মেজখনৰ ওপৰত এটি অকণমানি ঘড়ী টিক্‌টিকাই বাজি আছিল। কোঠাটোৰ কিবা এটা আচৰিত প্ৰভাৱে বিনয়ক যেন মুগ্ধ কৰি পেলালে। কোঠাটোৰ চাৰিওফালে সজাই থোৱা সৰু-সুৰা বস্তুবোৰে যেন বিনয়ৰ লগত কথা পাতিবলৈ ধৰিলে। পৰিপাটিকৈ সজাই থোৱা মেজখন, চকীৰ ফুলতোলা ঢাকনিখনে চকীৰ তলত ভৰি থোৱা ঠাইকণত পাতি থোৱা পছুৰ ছালখনে, বেৰত আঁৰি থোৱা চকী দুখনমানে, পিচফালে ৰঙা কাপোৰেৰে ঢাকি থোৱা কিতাপ সজোৱা খলপা কটা সৰু মেজখনে,—এই আটাইবোৰে বিনয়ৰ অন্তৰত এটি গভীৰ সুৰ বজাবলৈ ধৰিলে। এই কোঠাটিৰ ভিতৰত এটি যে কি সুন্দৰ ৰহস্য থুপ খাই আছে। এই কোঠাটিতে এটি নিজান দুপৰীয়া সখীয়ে সখীয়ে যিবোৰ মনৰ কথা আলচিছিল সেইবোৰৰ লাজ মিহলি সুন্দৰ সত্তা এতিয়াও যেন অ'ত ত'ত সিচঁৰিত হৈ পৰি আছে। সেই কথাবোৰ পাতোঁতে কোনখিনিত কোনজনী কেনেকৈ বহিছিল, সেইবোৰ কল্পনাতে বিনয়ৰ চকুৰ আগত ভাঁহি উঠিল। সেই যে সিদিনাখন বিনয়ে ভট্ট ডাঙৰীয়াৰ মুখে শুনিছিল, 'ললিতাৰ মন তোমাৰ প্ৰতি বিমুখ নহয় বুলি মই সুচৰিতাৰ মুখে শুনিছোঁ।' এই কথাষাৰেই নানান ধৰণে নানান ৰূপে নানান প্ৰকাৰৰ ছবিৰ দৰে তাৰ চকুৰ আগত ভাঁহি উঠিল। বিনয়ৰ মনত এটি অনিৰ্ব্বচনীয় আবেগ অতি কৰুণ উদাস ৰাগিণীৰ দৰে বাজিবলৈ ধৰিলে। যিবোৰ বস্তুক এইদৰে নিবিড় গভীৰ ৰূপে মনৰ গোপনতাৰ মাজত ভাষাহীন আভাসৰ নিচিনাকৈ অনুভৱ কৰিব পাৰি সেইবোৰক কোনোৰকমে প্ৰত্যক্ষ কৰি তোলাৰ ক্ষমতা নাই বুলিয়েই—অৰ্থাৎ বিনয়—কবি বা চিত্ৰকৰ নহয় বুলিয়েই—তাৰ গোটেই অন্তৰ অস্থিৰ হৈ উঠিল। তাৰ এনে হে লাগিল যেন সি কিবা এটা কৰিব পাৰিলেই জীয়ে, অথচ সেইটো কৰিবলৈ একো উপায়েই নাই। যিখন আঁৰ-কাপোৰ তাৰ সমুখত ওলমি আছিল, যিখনে তাক অতি ওচৰতে বহু দূৰত আঁতৰাই ৰাখিছে, সেই আঁৰ-কাপোৰখন এক

নিমিষতে জোৰেৰে টানি কালি দলিয়াই পেলাবৰ শক্তি বিনয়ৰ নাই।

এনেতে হৰিমোহিনীয়ে কোঠাটোলৈ সোমাই আহি বিনয়ে কিবা চাহ-জলপান খাব নে কি সুধিলেহি। বিনয়ে উত্তৰ দিলে,—"উঁহো, নেখাওঁ।"

তেতিয়া হৰিমোহিনীয়ে চকী এখন টানি লৈ বহিলহি।

পৰেশ ভট্টৰ ঘৰত থকালৈকে হৰিমোহিনীয়ে বিনয়ক ভাল পাইছিল। কিন্তু সুচৰিতাক লৈ তেওঁ বেলেগ হৈ ওলাই অহাৰ পাচত বিনয়হঁত এইদৰে অহা-যোৱা কৰাত তেওঁৰ বৰ তিতা-কেঁহা লগা হ'ল। আজি-কালি আচাৰে-বিচাৰে সুচৰিতাই যে তেখেতক পূৰাকৈ মানি নচলে, এইবোৰ মানুহৰ সঙ্গদোষেই ইয়াৰ কাৰণ বুলি তেওঁ ধৰি লৈছিল। তথাপিও বিনয়ৰ মনটো যে হিন্দু ৰীতি-নীতিত টান-মুঠিৰ নহয়, সেইটো তেওঁ ভালকৈয়ে বুজি পাইছিল। সেই কাৰণেই আজি-কালি তেওঁ আগৰ দৰে উৎসাহেৰে সৈতে এই ব্ৰাহ্মণনন্দনক মাতি খুৱাই গোঁসাইৰ প্ৰসাদৰ অপচয় নকৰে।

আজি কথাই কথাই হৰিমোহিনীয়ে বিনয়ক সুধিলে,—"বাক বোপা, তুমি দেখোন বামুণৰ লৰা। পিচে পূজা-পাতল দেখোন একোকে নকৰা?"

বিনয়ে কলে,—"মাহী, দিনে-ৰাতিয়ে পঢ়া-পুথিবোৰ আওৰাই আওৰাই গায়ত্ৰী, সন্ধ্যা আটাইবোৰ পাহৰি গৈছোঁ।"

হৰিমোহিনীয়ে কলে,—"ভট্ট ডাঙৰীয়ায়ো তো লিখা-পঢ়া জানে। তেখেতে পিচে নিজৰ ধৰ্ম্ম মানি নিতৌ পুৱা-গধূলি কিবা এটা কৰে।"

বিনয়ে কলে,—"মাহী, তেখেতে যি কৰে, সেইয়া মাথোন মন্ত্ৰ মুখস্থ কৰি কৰিব নোৱাৰি। কেতিয়াবা তেখেতৰ লেখীয়া হব পাৰিলেই তেখেতৰ লেখীয়াকৈ চলিম।"

হৰিমোহিনীয়ে অলপ টানকৈ কলে,—"সিমান দিনে বোপা-ককাৰহঁতৰ দৰেই নো নচলা কিয়? ইফালো নহয়, সিফালো নহয়। এইবোৰ জানো ভাল কথা? মানুহৰ এটা তো ধৰ্ম্মৰ চিনাকি আছে। ৰামো নহয়, গঙ্গাও নহয়, হে হৰি, এইবোৰ নো কেনে কথা।"

এনেতে ললিতা আহি কোঠাটোত সোমায়েই বিনয়ক দেখি চক খাই উঠিল। তাই হৰিমোহিনীক সুধিলে,—"বাইদেউ ক'ত আছে?"

হৰিমোহিনীয়ে উত্তৰ দিলে,—"ৰাধাৰাণী গা ধুবলৈ গৈছে।"

ললিতাই অনাৱশ্যক ভাবে উত্তৰ দিয়াদি কলে,—"বাইদেৱে মোক মাতি পঠিয়াইছিল।"

হৰিমোহিনীয়ে ক'লে,—"অলপ পৰ বহাঁ। তাই এতিয়াই আহিব।"

হৰিমোহিনীয়ে ললিতাকো বৰ ভাল নেপাইছিল। হৰিমোহিনীয়ে এতিয়া সুচৰিতাক আগৰ সকলো পৰিবেশৰপৰা আঁতৰাই আনি পূৰাকৈ নিজৰ হাতৰ মুঠিত ৰাখিব খোজে। পৰেশ ভট্টৰ আনকেইজনী জীয়েক ইয়ালৈ তেনেকৈ ঘনাই নাহে। মাথোন ললিতাইহে যেতিয়াই তেতিয়াই আহি সুচৰিতাৰ লগত মেল মাৰি থাকেহি। এইবোৰ হৰিমোহিনীয়ে দুই চকু পাৰি দেখিব নোৱাৰে। প্ৰায়ে তেখেতে সিহঁত দুজনীৰ কথা-বতৰাত বাধা দিয়াৰ উদ্দেশ্যে সুচৰিতাক কিবা এটা কাম পাচিবলৈ চেষ্টা কৰে। নাইবা আজি-কালি সুচৰিতাই আগৰ দৰে পঢ়া-শুনা কৰিবলৈ আজৰিকে নেপায় বুলি দুখ কৰে। অথচ সুচৰিতাই পঢ়া-শুনাত মন দিলে আকৌ তেখেতে বেচিকৈ লিখা-পঢ়া কৰাটো জীয়ৰী ছোৱালীৰ বাবে অনাৱশ্যক আৰু বৰ আপদীয়া বুলি কবলৈকো নেৰে। আচল কথা হ'ল, তেখেতে যিদৰে সুচৰিতাক আগুৰি ৰাখিব খোজে, ঠিক সেইদৰে কোনো-মতেই নোৱাৰিছিল বুলিয়েই কেতিয়াবা তাইৰ লগৰীয়াবোৰৰ গাত নাইবা কেতিয়াবা তাইৰ লিখা-পঢ়াবোৰকে দুষিবলৈ ধৰে।

ললিতা আৰু বিনয়ৰ লগত বহি থাকি যে হৰিমোহিনীয়ে কিবা সুখ পাইছিল সেইটো নহয়, তথাপি সিহঁত দুয়োৰে ওপৰত খং থকাৰ কাৰণেই তেওঁ তাতে বহি থাকিল। বিনয় আৰু ললিতাৰ মাজত কিবা এটা ৰহস্যময় সম্বন্ধ আছে বুলি তেখেতে গম পাইছিল। সেই কাৰণে তেওঁ পেটে পেটে ভাবিলে,—"তোমালোকৰ সমাজত যি নিয়মেই নেথাকক লাগে, মোৰ এইখন ঘৰত কিন্তু এইবোৰ নিলাজ সনা-পোটকা খৃষ্টানি কাণ্ডবোৰ ঘটিবলৈ দিব নোৱাৰোঁ।"

ইফালে ললিতাৰ মনতো এটা বিৰোধৰ ভাবে ফণা তুলি উঠিছিল। কালি সুচৰিতাৰ লগত আনন্দময়ীৰ ঘৰলৈ যাবলৈ তায়ো পাঙি আছিল। কিন্তু অৱশেষত তাই কোনোৰকমেই যাব নোৱাৰিলে। গোৰাৰ ওপৰত ললিতাৰ যথেষ্ট শ্ৰদ্ধা আছিল সঁচা, কিন্তু সেই অনুপাতে বিৰোধিতাও বাৰুকৈয়ে চোকা আছিল। গোৰা যে সকলো ফালৰপৰাই তাইৰ বিপক্ষে আছে, এই কথাষাৰ তাই কোনোৰকমে মনৰপৰা আঁতৰাব পৰা নাছিল। আন কি গোৰা কাটেকৰপৰা ওলোৱাৰ দিনাখনৰেপৰা বিনয়ৰ প্ৰতিও তাইৰ মনৰ ভাবৰ এটা সলনি ঘটিছে। আজি কিছুদিন আগলৈকেও বিনয়ৰ ওপৰত তাইৰ বেচি হাত থকা বুলি তাই খুব গৰ্ব্ব কৰিয়েই ভাবিছিল। কিন্তু গোৰাৰ প্ৰভাৱৰপৰা বিনয় কোনোৰকমে মুকলি হব নোৱাৰে বুলি ভাবিয়েই তাই বিনয়ৰ বিৰুদ্ধেও কঁকালত টঙালি বান্ধি থিয় দিলে।

ললিতা আহি কোঠাটোত সোমোৱাৰ লগে লগে বিনয়ৰ মনত এটা ধুমুহা বৈ গ'ল। ললিতাৰ সমুখত বিনয়ে কোনোৰকমেই সহজ ভাৱে থাকিব নোৱাৰিছিল। যেতিয়াৰেপৰা সমাজত সিহঁত দুয়োৰে বিয়া হব বুলি নানান কথা ওলাইছিল তেতিয়াৰেপৰা ললিতাক দেখিলেই বিনয়ৰ মনটো বিজুলীয়ে হনা চুম্বকশলাৰ দৰে কঁপিবলৈ ধৰে।

ইফালে কোঠাটোত বিনয়ক বহি থকা দেখি ললিতাৰো সুচৰিতাৰ ওপৰত বৰ খং উঠিল। ইচ্ছা নথকা বিনয়ৰ মনৰ খোকোজা গুচুৱাবলৈ সুচৰিতা উঠি-পৰি লাগিছে বুলি তাই বুজি পালে, আৰু আজি এই বেঁকা পোন কৰিবলৈকে ললিতাক মতা হৈছে।

তাই হৰিমোহিনীলৈ চাই কলে,—"এতিয়া মই বৰ নোৱাৰোঁ বুলি বাইদেউক কব। মই আন এসময়ত আহিম।"

এইবুলি বিনয়লৈ তাই কেবাহিকৈয়ো নেচাই বেগাবেগিকৈ গুচি গ'ল গৈ। তাৰ পিচতো বিনয়ৰ গুৰিত বহি থকাৰ আৰু কোনো প্ৰয়োজন নেদেখি হৰিমোহিনীয়েও ঘৰৰ কাম-কাজ কৰিব লাগে বুলি লাহেকৈ উঠি গ'লগৈ।

ললিতাৰ এই চাকি খোৱা জুইৰ দৰে মুখৰ চেহেৰা বিনয়ৰ অচিনাকি নাছিল। কিন্তু আজি বহুদিন সি এই ৰূপ দেখা নাছিল। সেই যে এসময়ত ললিতাই তাইৰ অগ্নিবাণ সদায় বিনয়ৰ ফালে টোৱাই থৈছিল, সেই দুদ্দিন পাৰ হৈ গৈছে বুলি ভাবিয়েই বিনয় নিশ্চিন্ত হৈ আছিল। কিন্তু আজি সি দেখিলে যে অস্ত্ৰশালাৰপৰা পুৰণি বাণবোৰ আকৌ ওলাবলৈ ধৰিছে। খং সহিব পাৰি, কিন্তু ঘিণ সহ্য কৰাটো বিনয়ৰ নিচিনা মানুহৰ কাৰণে বৰ টান কথা। ললিতাই এদিন তাক গোৰা-গ্ৰহৰ মাথোন এটা উপগ্ৰহ বুলি ভাবি কেনেকৈ বৰ বেচি অৱহেলা কৰিছিল, সেই কথা আজি তাৰ মনত পৰিল। আজিও সি দোধোৰ-মোধোৰ কৰা দেখি ললিতাই তাক যে কাপুৰুষ বুলি ভাবিছে, এই কথা মনলৈ অহাত সি থৰ কৰাবলৈ ধৰিলে। তাৰ কৰ্ত্তব্যবুদ্ধিৰ সঙ্কোচকে ললিতাই ভীৰুতা বুলি ভাবিব, অথচ এই বিষয়ে তাৰ নিজৰ হৈ দু-আষাৰ কবলৈকো সুযোগ নেপাব, এইবোৰ কথা তাৰ কাৰণে অসহ্য হৈ উঠিল। বিনয়ক তৰ্ক কৰাৰ অধিকাৰৰপৰা বঞ্চিত কৰাটো তাৰ বাবে ভীষণ শাস্তি। কাৰণ বিনয়ে জানে যে সি তৰ্ক কৰিব পাৰে। কথা জুকিয়াই কোৱাত আৰু যেই কোনো এটা পক্ষ সমৰ্থন কৰিব পৰাত তাৰ অসাধাৰণ প্ৰতিভা আছে। কিন্তু

ললিতাই তাৰ লগত যুঁজিলে তাক যে যুক্তি দেখুৱাৰ সুযোগকে নিদিয়ে। আজিও সেই সুযোগ সি নেপালে।

সেই বাতৰি-কাকতখন তাতে পৰি আছিল। বিনয় অস্থিৰ হৈ হাতৰ কাষত সেইখনকে পাই টানি ললে আৰু হঠাতে এঠাইত পেঞ্চিলেৰে চিন দি থোৱা দেখা পালে। সি পঢ়ি চালে আৰু এই আলোচনা আৰু নীতি উপদেশ সিহঁত দুয়োকে লক্ষ্য কৰিয়েই কোৱা হৈছে বুলি সি তৎক্ষণাৎ ধৰিব পাৰিলে। সমাজৰ মানুহবোৰৰ আগত ললিতা যে নিতৌ কেনেকৈ অপমানিত হব লাগিছে সেই কথা বিনয়ে ফটফটীয়াকৈ বুজিব পাৰিলে। অথচ তাইক এই অপমানৰপৰা ৰক্ষা কৰিবলৈ সি একো যত্নকে কৰা নাই, মাথোন সমাজক লৈ সূক্ষ্ম তৰ্ক কৰাতহে সি পটু। এইবোৰ কাৰণতে ললিতাৰ নিচিনা সাহসী ছোৱালীৰ চকুত সি অৱজ্ঞাৰ পাত্ৰ হোৱাটো উচিত বুলিয়েই ভাবিলে। সমাজক সম্পূৰ্ণৰূপে দাঙি দিবলৈ ললিতাৰ যে কিমান সাহ আছে সেই কথা সুঁৱৰি আৰু এই সাহ থকা ছোৱালীজনীৰ লগত নিজকে মিলাই বিনয়ৰ বৰ লাজ লাগিবলৈ ধৰিলে।

গা-পা ধুই উঠি সতীশক ভাত-পানী খুৱাই স্কুললৈ পঠিয়াই সুচৰিতা যেতিয়া বিনয়ৰ ওচৰলৈ আহিল, তেতিয়া সি জঠৰ হৈ বহি আছিল। সুচৰিতাই আগৰ কথা একোকে নুলিয়ালে। তাৰ পিচত বিনয় ভাত খাবলৈ বহিলগৈ। কিন্তু খোৱাৰ আগতে সি হাত-মুখ একো নুধুলে।

তাকে দেখি হৰিমোহিনীয়ে কলে,—"বাৰু বোপা, তুমি দেখোন হিন্দু ধৰ্ম্মৰ নীতি-নিয়ম একোটোকে নেমানা। এতেকে তুমি ব্ৰাহ্ম হোৱা হলেনো কি দায় লাগিলহেঁতেন?"

বিনয়ে পেটে পেটে অলপ বেজাৰ পাই কলে,—"হিন্দু ধৰ্ম্মক যিদিনা মাথোন খোৱা-বোৱা, ছোৱা-মেলাৰেই একমাত্ৰ নিয়ম বুলি জানিম, সেইদিনা ব্ৰাহ্মই বোলক, খৃষ্টানেই বোলক বা মুছলমানেই বোলক, যি হয় কিবা এটা হম আৰু। কিন্তু এতিয়ালৈকে হিন্দু ধৰ্ম্মৰ ওপৰত মোৰ সিমানখিনি অশ্ৰদ্ধা হোৱাগৈ নাই।"

বিনয় সুচৰিতাৰ ঘৰৰপৰা ওলাই আহোঁতে তাৰ মনটো যেন একেবাৰে মৰি আহিছিল। চাৰিওফালৰপৰা খুন্দা খাই সি যেন এটা আশ্ৰয়হীন উদং ঠাইত আহি পৰিছেহি। গোৰাৰ কাষত নিজৰ পুৰণি ঠাইখিনি অধিকাৰ কৰি লব পৰা নাই, ললিতায়ো তাক দূৰত আঁতৰাই থৈছে, আন কি হৰিমোহিনীৰ লগতো তাৰ মৰমৰ জৰীডাল অতি কম সময়ৰ ভিতৰতে ছিঙি যাব যেন লাগিছে। এসময়ত বৰদাসুন্দৰীয়ে তাক অন্তৰৰ সৈতে

মৰম কৰিছিল, ভট্টাচাৰ্য্যৰ ডাঙৰীয়াৰো এতিয়াও তাক মৰম কৰে। কিন্তু সেই মৰমৰ পৰিবৰ্ত্তে সি সেইখন ঘৰলৈ এনেকুৱা অশান্তি আনিছে যে তাতো আজি আৰু তাৰ স্থান নাই। এবাৰ কাৰোবাক ভাল পালেই সিইতৰ্ব শ্ৰদ্ধা আৰু চেনেহৰ কাৰণে বিনয় চিৰকাল আকলুৱা হৈ থাকে। নানা প্ৰকাৰে সিইতৰপৰা মৰম আদায় কৰাৰ শক্তিও তাৰ যথেষ্ট আছে। সেই বিনয়েই আজি তাৰ মৰম-চেনেহৰ চিনাকি কক্ষপথৰপৰা হঠাতে এইদৰে ছিটিকি পৰিল কিয়, সেই কথাকে সি নিজে নিজেই ভাবিবলৈ ধৰিলে। এইযে এতিয়া সুচৰিতাৰ ঘৰৰপৰা ওলাই আহিছে, এতিয়ানো কলৈ যাব, সি দেখোন ভাবিয়েই নোপোৱা হ'ল। অথচ এনেকুৱা দিনো এদিন আছিল যেতিয়া সি একো নভবাকৈয়ে সহজেই গোৰাইতৰ ঘৰলৈ গুচি গৈছিল গৈ। কিন্তু আজি তাৰ কাৰণে তালৈ যোৱাটোও আগৰ নিচিনা সিমান স্বাভাৱিক নহয়। গলেও সি গোৰাৰ সন্মুখত মনে মনে থাকিব লাগিব। সেই নিমাওমাও অৱস্থা একেবাৰে অসহনীয়। ইফালে ভট্টাচাৰ্য্যৰ ডাঙৰীয়াৰ ঘৰলৈকো তাৰ আৰু যোৱাৰ উপায় নাই।

'কিয় যে এনে এডোখৰ আওহতীয়া ঠাই পালেহি'—এই কথাষাৰকে ভাবি ভাবি তন্ময়কৈ বিনয়ে লাহে লাহে আলি বাটেদি আগুৱাবলৈ ধৰিলে। তাৰ পিচত হেদুৱা পুখুৰীৰ পাৰ পাই তাতে গছ এজোপাৰ তলত সি বহি পৰিল। আজিলৈকে তাৰ জীৱনলৈ যিমানবোৰ সৰু-ডাঙৰ সমস্যা আহিছে, বন্ধুৰ লগত আলোচনা কৰি, তৰ্ক কৰি সদায় সেই সকলোবোৰৰে মীমাংসা কৰি পেলাইছে। কিন্তু আজি আৰু সেই বাট নাই। আজি সি অকলেই ভবা-চিন্তা কৰিব লাগিব।

বিনয়ৰ নিজক চালি জাৰি চোৱাৰ শক্তিৰ অভাৱ নাছিল। বাহিৰা ঘটনাৰ ওপৰত আটাইবোৰ দোষ জাপি দি নিজে সাৰি যোৱাটো তাৰ পক্ষে সহজ নহয়। সেই কাৰণে সি অকলে বহি বহি নিজকেই দোষী বুলি থিৰ কৰিলে। বিনয়ে নিজক নিজেই কলে,—"বস্তুটোও বাছিব, অথচ তাৰ দামো নিদিব, এনেকুৱা টেঙৰালি সংসাৰত নেখাটে। কিবা এটা বাছি লবলৈ গ'লেই আন এটা এৰি দিব লাগে। যি মানুহে কোনোটো-তেই মন স্থিৰ কৰিব নোৱাৰে, তাৰেই মোৰ দশা হয়, সকলোৱেই তাক খেদি দিয়ে। সংসাৰত যিসকলে নিজৰ জীৱনৰ পথ জোৰেৰে সৈতে বাছি লব পাৰিছে তেওঁলোকেই কৃতকাৰ্য্য হৈছে। যি দুৰ্ভগীয়াই ইটো বাটো ভাল পায়, সিটো বাটো ভাল পায় আৰু কোনোটোৰপৰাই নিজকে

বঞ্চিত কৰিব নোৱাৰে, সি কেতিয়াও তাৰ পাৰলগীয়া ঠাই নেপায় পৈ। সি মাথোন বাটৰ কুকুৰৰ দৰেই অনাই-বনাই ঘূৰি ফুৰে।

ৰোগ নিৰ্ণয় কৰা টান, কিন্তু নিৰ্ণয় কৰিব পাৰিলেই যে সহজে তাৰ প্ৰতিকাৰ কৰিব পাৰি সেইটোও নহয়। বিনয়ৰ বুজিব পৰা শক্তিটো বৰ চোকা। কিন্তু কৰিব পৰা শক্তিৰ হে তাৰ অভাৱ। সেই কাৰণেই আজিলৈকে সি নিজতকৈ প্ৰবল ইচ্ছা শক্তি থকা বন্ধুৰ ওপৰতে সদায় নিৰ্ভৰ কৰি আহিছে। 'অৱশেষত আজি অতি বিপদৰ সময়ত হঠাতে সি উলিয়াই পেলালে যে ইচ্ছা শক্তি নিজৰ নেথাকিলেও সৰু-সুৰা দৰ্কাৰত যেনে তেনে কাম চলাব পাৰি, কিন্তু আচল দৰ্কাৰত পৰৰ ধনৰ টোপোলা-টোৱে কোনোৰকমেই কাৰবাৰ নচলে।

লাহে লাহে বেলি হালি পৰাত, আগেয়ে ছাঁ পৰি থকা ঠাইডোখৰত এচেৰেঙা ৰ'দ পৰিলহি। তেতিয়া সি গছৰ তল এৰি আকৌ আলিবাটত উঠিলহি। কিছুদূৰ যোৱাৰ পিচত হঠাতে তাৰ কাণত পৰিল,—"বিনয় ককাইদেউ, বিনয় ককাইদেউ।" পিচ মুহূৰ্ত্ততে সতীশ আহি তাৰ হাতত ধৰিলেহি। স্কুল ছুটীৰ পিচত সতীশ ঘৰলৈ উভতিছিল।

সতীশে কলে,—"বলকচোন বিনয় ককাইদেউ, মোৰ লগত আমাৰ ঘৰলৈ ব'লক।"

বিনয়ে কলে,—"ওহোঁ, এতিয়া নেযাওঁ সতীশ।"

সতীশে সুধিলে,—"কিয় নেযায়?"

বিনয়ে কলে,—"ইমান ঘনাই ঘনাই গ'লে তোমালোকৰ ঘৰৰ আন মানুহবোৰে নো মোক কি বুলি ভাবিব?"

সতীশে বিনয়ৰ এই যুক্তিৰ প্ৰতিবাদ কৰাৰ একেবাৰে কোনো দৰ্কাৰ নাই বুলি ভাবি মাথোন কলে,—"ওঁহো, ব'লক।"

সিহঁতৰ পৰিয়ালৰ লগত বিনয়ৰ যি সম্বন্ধ আছিল, সেই সম্বন্ধত যে কিমান ডাঙৰ এটা বেৰোণ লাগিছে কণমান সতীশে তাৰ একো ভুকে নেপায়। সি মাথোন বিনয়ক ভাল পায়। এই কথাটো ভাবি বিনয়ৰ মনত বৰ দুখ লাগিল। ভট্ট ডাঙৰীয়াৰ পৰিয়ালটোৱে তাৰ সমুখত যি এখনি স্বৰ্গপুৰীৰ সৃষ্টি কৰিছিল এতিয়া মাথোন তাৰে ভিতৰত এই লৰাটিৰ গাতেই সেই আনন্দৰ সম্পূৰ্ণতা আগৰ দৰেই আছে। এই লৰাৰ দিনতো তাৰ মন কোনো প্ৰকাৰৰ সংশয়ৰ মেঘে ছাটি ধৰা নাই, কোনো সমাজৰ আঘাতে গৰা খহাবলৈ আৰম্ভ কৰা নাই। সতীশৰ ডিঙিত ধৰি বিনয়ে কলে,—"ব'লা ভাই, তোমাক তোমালোকৰ ঘৰৰ দুৱাৰমুখলৈকে আগবঢ়াই থৈ আহোঁগৈ ব'লা।"

শিশুকালৰেপৰা সতীশৰ জীৱনত সুচৰিতা আৰু ললিতাৰ যি চেনেহ আৰু আদৰ থুপ খাই আছে সতীশক দুই বাহুৰে আকোৱালি ধৰি বিনয়ে যেন সেই মাধুৰ্য্যৰ পৰশহে লভিলে।

গোটেই বাটটো সতীশে অনবৰত বিবোৰ আগ-গুৰি নোহোৱা কথা বকি গৈছিল সেইবোৰেই বিনয়ৰ কাণত সৌ-বৰষা যেন লাগিল। অকণ-মানি লৰাটিৰ সবল অন্তঃকৰণখনৰ গুৰিলৈ ওচৰ চাপি আহি সি তাৰ নিজৰ জীৱনৰ জটিল সমস্যাবোৰ অলপ সময়ৰ বাবে হলেও একেবাৰে পাহৰি গ'ল।

পৰেশ ভট্টৰ ঘৰৰ সমুখেদিয়েই সুচৰিতাৰ ঘৰলৈ বাব লাগে। সেই ঘৰখনৰ কাষলৈ আহি বিনয়ে এবাৰ সেইফালে নোচোৱাকৈ থাকিব নোৱাৰিলে। দেখিলে তেখেতৰ যেজৰ সমুখত ভট্ট ডাঙৰীয়া বহি আছে; কিবা কথা কৈ আছে নে কি তাৰপৰা একো ধৰিব নোৱাৰি। আৰু ললিতাই আলিবাটৰ ফালে পিঠি দি ভট্ট ডাঙৰীয়াৰ চকীৰ কাষতে এটি সৰু বেতৰ মুঢ়াত ছাত্ৰীৰ দৰে বহি আছে।

সুচৰিতাৰ ঘৰৰপৰা উভতি আহি বিটো বেজাৰে ললিতাৰ অন্তৰখন দহি পেলাইছিল, তাই সেই জুইকুৰা নুমুৱাবলৈ আৰু আন একো উপায়েই নেপাইছিল। সেই কাৰণেই তাই লাহে লাহে ভট্ট ডাঙৰীয়াৰ গুৰিত আহি বহিছিলহি। ভট্ট ডাঙৰীয়াৰ গাত এনে এটি শান্তিৰ আদৰ্শ আছিল যে খঙতে উফৰি ফুৰা ললিতাই নিজৰ খং দমাবলৈ মাজে মাজে তেখেতৰ গুৰিলৈ আহি নিৰবে বহিছিলহি। পৰেশ ভট্টই সুধিলে,—"কি হ'ল ললিতা ?" তাই কলে,—"উঁহো, একো হোৱা নাই দেউতা। তোমাৰ এই কোঠাটো বৰ জুৰ।"

আজি ললিতাই তাইৰ আহত অন্তৰখন লৈ তেখেতৰ গুৰিলৈ আহিছে বুলি পৰেশ ভট্টই ভালকৈয়ে বুজি পালে। তেখেতৰ নিজৰ মনটোও এটা বেজাৰে হেঁচা মাৰি ধৰিছিল। সেই কাৰণেই তেখেতে লাহে লাহে এনে এটি কথা উলিয়ালে—যি কথাই ব্যক্তিগত জীৱনৰ সাধাৰণ সুখ-দুখৰ বোজাক একেবাৰে পাতলাই দিব পাৰে।

বাপেক জীয়েকৰ আলোচনাৰ এই অতি সুন্দৰ দৃশ্যটো দেখি মুহূৰ্ত্তৰ বাবে বিনয়ৰ গতিৰোধ হৈ গ'ল। সতীশে তেতিয়া কি বকি আছিল সেইবোৰ কোনো কথাই তাৰ কাণত নোসোমাল। সতীশে তেতিয়া তাক যুদ্ধ-কৌশলৰ বিষয়ে বৰ টান প্ৰশ্ন এটা সুধিছিল। এদল বাঘক বহুদিন শিকাই-বুজাই নিজৰ পক্ষৰ সৈন্য দলৰ প্ৰথম শাৰীত থিয় কৰাই যুদ্ধ

কৰিলে জয়ৰ সম্ভাৱনা কেনেকুৱা হব—এইটোৱেই তাৰ প্ৰশ্ন আছিল। ইমান পৰে সিহঁতৰ প্ৰশ্নোত্তৰ সৰসৰীয়াকৈ গৈ আছিল। হঠাতে এইবাৰ বাধা পাই সি বিনয়ৰ মুখলৈ চালে। তাৰ পিচত বিনয়েনো কোন পিনে চাই আছে কথাটো বুজি সি পৰেশ ভট্টৰ ঘৰৰ ফালে মুখ কৰি চিঞৰিবলৈ ধৰিলে,—"ললিতা বাইদেউ, ললিতা বাইদেউ, এইয়া চোৱাঁ, মই বিনয় ককাইদেউক বাটৰপৰা ধৰি আনিছোঁ।"

বিনয়ে লাজতে' একেবাৰে ঘামি-জামি গ'ল। কোঠাৰ ভিতৰত ললিতাই সাউৎকৰে চকীৰপৰা উঠি থিয় হ'ল। পৰেশ ভট্টই আলিৰ ফালে মুখ ঘূৰাই চালে। মুঠৰ ওপৰত এটা ঘটনা ঘটি গ'ল।

তেতিয়া বিনয়ে সতীশক বিদায় দি পৰেশ ভট্টৰ ঘৰ সোমালহি। সি কোঠাটোলৈ সোমাই আহি দেখে যে ললিতা গুচি গৈছে গৈ। তাক সকলোৱে মানুহৰ শান্তি ভঙ্গকাৰী দস্যুৰ শাৰীত থৈছে বুলি ঠিক কৰি সি কোঁচ-মোচ খাই চকী এখনত বহি পৰিল।

গা-মূৰ কেনে আছে ইত্যাদি মামুলি সোধা-পোছা শেষ হওঁতেই বিনয়ে পোনে পোনেই কলে,—"মই হিন্দু সমাজৰ আচাৰ-বিচাৰবোৰ শ্ৰদ্ধাৰে সৈতে নেমানো আৰু প্ৰায় সদায়েই সেইবোৰ উলঙ্ঘা কৰোঁ। এতেকে ব্ৰাহ্ম সমাজতে আশ্ৰয় গ্ৰহণ কৰাটোৱেই মোৰ কৰ্ত্তব্য বুলি ভাবিছোঁ। আপোনাৰ-পৰাই দীক্ষা গ্ৰহণ কৰিবলৈ মোৰ ইচ্ছা।"

এই ইচ্ছা, এই সঙ্কল্প, পোন্ধৰ মিনিটমান আগতেও বিনয়ৰ মনত ফটফটীয়াভাৱে নাছিল। পৰেশ ভট্টই কিছুপৰ মনে মনে থাকি কলে,—"সকলোবোৰ কথা ভালকৈ ভাবি-চিন্তি চাইছা তো?"

বিনয়ে কলে,—"ইয়াত আৰু ভাবিবলগীয়া কথা আন একো নাই, মাথোন ন্যায়-অন্যায়টোহে ভাবিব লাগে। সেইটো তেনেই উজু। আমি যি শিক্ষা পাইছোঁ তাৰপৰা মাথোন আচাৰ-বিচাৰকেই অলঙ্ঘনীয় ধৰ্ম্ম বুলি আমি কোনোৰকমেই অকপটচিত্তে মানি লব নোৱাৰোঁ। সেই কাৰণেই আমাৰ চাল-চলনত খোজে খোজে আমি উজুটি খাওঁ। যিবোৰে শ্ৰদ্ধাৰে হিন্দু ধৰ্ম্মক আকোৱালি ধৰি আছে সিহঁতৰ লগত থাকিলে মই মাথোন সিহঁতক আঘাত হে দিওঁ। আৰু এনে কৰা যে মোৰ কাৰণে অন্যায় তাত মোৰ অকণো সন্দেহ নাই। এনে ক্ষেত্ৰত আন একো কথাকে নেভাবি এই অন্যায় এৰিবলৈকে মই সাজু হব লাগিব। নহলে নিজৰ সন্মান ৰাখিব নোৱাৰিম।"

ভট্ট ডাঙৰীয়াক বুজাবলৈ ইমান কথাৰ প্ৰয়োজন নাছিল। কিন্ত

এইবোৰ কথা নিজৰ মন বদ্ৰাবলৈহে সি কৈছিল। সি যে এখন ন্যায়-অন্যায়ৰ যুদ্ধৰ মাজত সোমাই পৰিছে আৰু এই যুদ্ধত সকলো ত্যাগ কৰি ন্যায়ৰ ফলীয়া হৈ সি যে জয়ী হবই লাগিব, এই কথা কৈ কৈ তাৰ বুকু ফুলি উঠিল। মনুষ্যত্বৰ মৰ্য্যাদা তো ৰাখিব লাগিব।

পৰেশ ভট্টই সুধিলে,—“ধৰ্ম্মবিশ্বাস সম্বন্ধে ব্ৰাহ্ম-সমাজৰ লগত তোমাৰ মতৰ মিল আছে জানো ?”

বিনয়ে অলপ পৰ মনে মনে থাকি কলে,—“আপোনাক সঁচা কথাই কওঁ। আগেয়ে মোৰ কিবা এটা ধৰ্ম্ম বিশ্বাস আছে বুলি মই ভাবিছিলোঁ। কিন্তু আজি ধৰ্ম্ম বিশ্বাসে মোৰ জীৱনত কোনো পৰিণতি লাভ কৰা নাই বুলি মই আজি ভালকৈয়ে গম পাইছোঁ। এইকণো বুজিছোঁ, যাথোন আপোনাক দেখিহে। মোৰ জীৱনত ধৰ্ম্মৰ একো সত্য প্ৰয়োজন এতিয়ালৈকে হোৱা নাই; আৰু ধৰ্ম্মৰ ওপৰত মোৰ আচল বিশ্বাস ওপজা নাই বুলিয়েই মই কল্পনা আৰু যুক্তি কৌশলেৰে সৈতে ইমানদিনে আমাৰ সমাজৰ প্ৰচলিত ধৰ্ম্মক নানা প্ৰকাৰৰ সূক্ষ্ম ব্যাখ্যাৰদ্বাৰা যাথোন কিছুমান তৰ্কাতৰ্কিত পৰিণত কৰিছোঁ। কোনটো ধৰ্ম্ম যে সত্য সেই কথা ভাবিবলৈ মোৰ দৰ্কাৰেই নহয়, যি ধৰ্ম্মক সত্য বুলিলে জিকিব পাৰোঁ মই সেই ধৰ্ম্মকেই সত্য বুলি প্ৰমাণ কৰি ফুৰিছোঁ। প্ৰমাণ কৰাটো যিমানেই বেচি টান হয় তাক প্ৰমাণ কৰি মই সিমানেই গপত ওফন্দি পৰোঁ। ভৱিষ্যতেও কেতিয়াবা মোৰ মনত ধৰ্ম্ম বিশ্বাস সম্পূৰ্ণ সত্য আৰু স্বাভাৱিক হৈ উঠিবনে নুঠে সেইটো আজিও মই কব নোৱাৰোঁ। কিন্তু একেপৰীয়া অৱস্থা আৰু দৃষ্টান্তৰ মাজত পৰিলে সেইফালে যে মোৰ আওৰাই যোৱাৰ সম্ভাৱনা আছে এই কথা সঁচা। অন্ততঃ যিটো বস্তুৱে ভিতৰি ভিতৰি মোৰ বুদ্ধিক আঘাত দিয়ে তাৰেই জয়-পতাকা ওৰে জীৱন উকৰাই ফুৰাৰ হীনতাৰপৰা ৰক্ষা পাম।”

পৰেশ ভট্টৰ লগত কথা কওঁতে কওঁতেই বিনয়ে নিজৰ বৰ্ত্তমান অৱস্থাৰ সপক্ষে যুক্তিবোৰক ফট্‌ফটীয়াকৈ প্ৰকাশ কৰিবলৈ ধৰিলে। আৰু তাকে ইমান উৎসাহেৰে ইমান নিয়াৰিকৈ কবলৈ ধৰিলে যে আজি যেন সি বহুদিন তৰ্কা-তৰ্কিৰ পাচত এই স্থিৰ সিদ্ধান্তত আহি খোপনি পাতি ৰহিছেহি।

তথাপিও ভট্ট ডাঙৰীয়াই তাক আৰু কিছুদিন ভাবিবৰ কাৰণে জোৰ কৰিবলৈ ধৰিলে। বিনয়ে তেতিয়া তাৰ দৃঢ়তাৰ ওপৰত ভট্ট ডাঙৰীয়াৰ সংশয় আছে বুলি বুজি পালে। এতেকে তাৰ জেদ আৰু বাঢ়ি গ'ল।

তাৰ মনটো যে এটা সন্দেহহীন শেষ সিদ্ধান্তত আহি উপনীত হৈছেহি, কোনোৰকমেই তাৰ আৰু অকণোকে নৰচৰ কৰাৰ সম্ভাৱনা নাই, এই কথাকে সি বাৰে বাৰে দোহাৰিবলৈ ধৰিলে। কোনো পক্ষয়েই ললিতাৰ লগত বিয়াৰ কথা একোকে নুলিয়ালে।

এনেতে কিবা এটা মকদ্দমা কামৰ চল লৈ বৰদাসুন্দৰী আহি সেই কোঠাটোত সোমালহি'। বিনয় জানিবা কোঠাটোত নায়েই এনে ভাব দেখুৱাই তেখেতে কামখিনি কৰি উঠি তাৰপৰা যাব ওলাল। পৰেশ ভট্টই বৰদাসুন্দৰীক তেতিয়াই বিনয়ৰ নতুন খবৰটো জনাব বুলি সি আশা কৰিছিল। কিন্তু ভট্ট ডাঙৰীয়াই একোকে নকলে। আচলতে তেতিয়াই কোৱাৰ সময় হৈছে বুলি তেখেতে ভবা নাছিল। এই কথাষাৰ কাকো নজনোৱাকৈ লুকুৱাই ৰাখিবলৈকে তেখেতে মন কৰিছিল। কিন্তু বৰদা-সুন্দৰীয়ে যেতিয়া বিনয়ৰ প্ৰতি দেখাদেখিকৈয়ে অৱজ্ঞা আৰু খং দেখুৱাই গুচি যাবলৈ ওলাল, তেতিয়া বিনয় আৰু খিৰেৰে থাকিব নোৱাৰিলে। বৰদাসুন্দৰীয়ে ঠিক ওলাই যাব খোজোতেই বিনয়ে তেখেতৰ ভৰিত দীঘল দি পৰি সেৱা কৰি কলে,—"মই ব্ৰাহ্ম সমাজৰ দীক্ষা লম বুলি প্ৰস্তাৱ লৈ আজি আপোনালোকৰ ওৰিলৈ আহিছোঁ। মই অযোগ্য, কিন্তু আপোনা-লোকে মোক যোগ্য কৰি লব লাগিব। এয়ে মোৰ আশা।"

কথাষাৰ শুনি বৰদাসুন্দৰীয়ে আচৰিত হৈ উভতি চালে আৰু লাহে লাহে আকৌ আহি কোঠাটোত সোমালহি। তেখেতে প্ৰশ্নবোধক দৃষ্টিৰে ভট্ট ডাঙৰীয়াৰ মুখলৈ চালে।

পৰেশ ভট্টই কলে,—"বিনয়ে দীক্ষা গ্ৰহণ কৰিবলৈ আগ্ৰহ কৰিছে।"

কথাটো শুনি বৰদাসুন্দৰীয়ে মনতে এটা জয়লাভৰ গৰ্ব্ব অনুভৱ কৰিলে হয়, কিন্তু তথাপিও যেন পুৰা-পুৰি আনন্দ নেপালে। তেখেতৰ পেটে পেটে বৰ হাবিয়াস হৈছিল যেন ভট্ট ডাঙৰীয়াই এবাৰ ভালকৈ এসেকা পায়। তেওঁৰ গিৰীয়েকে যে এদিন অনুতাপ কৰিব লাগিব এই ভৱিষ্যৎবাণী তেওঁ বৰ জোৰেৰে বাৰে বাৰে ঘোষণা কৰিছিল। সেই কাৰণেই সমাজৰ এই হুলস্থুলবোৰত ভট্ট ডাঙৰীয়া অকণো বিচলিত নোহোৱা দেখি বৰদাসুন্দৰীৰ পেটে পেটে বৰ অসহ্য লাগিছিল। আৰু এনেকুৱা এটা সময়তে সকলো বিপদৰ এনে এটা সুচাৰু মীমাংসা হৈ যোৱাটো বৰদাসুন্দৰীৰ বাবে বৰ সুখৰ কথা নহল। তেখেতে গহীনাই কলে,—"এই দীক্ষাৰ প্ৰস্তাৱটো আৰু কিছুদিন আগতে দিয়া হলেই আমি ইমান অপমান লাঞ্ছনা পাব নেলাগিলহেঁতেন।"

পৰেশ ভট্টই কলে,—"আমাৰ দুখ-কষ্ট অপমানবোধৰ তো একো কথা ওলোৱা নাই। বিনয়ে দীক্ষা হে লব খুজিছে।"

বৰদাসুন্দৰীয়ে কলে,—"মাথো দীক্ষা হে নে কি?"

বিনয়ে কলে,—"জানোতাজনেহে জানে যে আপোনালোকৰ সকলো দুখ-অপমান মোৰো দুখ-অপমান।"

পৰেশ ভট্টই কলে,—"শুনা বিনয়, তুমি ধৰ্ম্মত যে দীক্ষা লব খুজিছা, সেইটো এটা অবাস্তৱ কথা কৰি নেপেলাবা। মই তোমাক আগতেও এদিন কৈছিলোঁ যে আমি কিবা এটা সামাজিক বিপদত পৰিছোঁ বুলি ধৰি লৈ তুমি একো ডাঙৰ কাম কৰিবলৈ নোলাবা।"

বৰদাসুন্দৰীয়ে কলে,—"সেইটো অৱশ্যে সঁচা কথা। কিন্তু আমাক সকলোকে জালত পেলাই দি নিজে মনে মনে হাত সাৱটি বহি থকাটোও তেওঁৰ কৰ্ত্তব্য নহয়।"

পৰেশ ভট্টই কলে,—"মনে মনে নেথাকি জপিয়াবলৈ ধৰিলে আৰু বেচিকৈহে কাঁচ লাগে। যেই সেই কিবা এটা কৰাকেই যে কৰ্ত্তব্য বুলি কয়, সেইটো নহয়। বহুতো সময়ত একোকে নকৰাটোৱেই ডাঙৰ কৰ্ত্তব্য।"

বৰদাসুন্দৰীয়ে কলে,—"সেইটো হব পাৰে। মই মূৰ্খ মানুহ, সকলো কথা ভালকৈ বুজি নেপাওঁ। এতিয়া কিনো থিৰ কৰা হ'ল, সেইটোহে জানিব খুজিছোঁ। মোৰ বহুতো কাম আছে।"

বিনয়ে কলে,—"পৰহিলৈ দেওবাৰৰ দিনাই মই দীক্ষা গ্ৰহণ কৰিম। মোৰ ইচ্ছা যে ভট্ট ডাঙৰীয়াই যদি—"

পৰেশ ভট্টই কলে,—"যি দীক্ষাৰ কিবা ফল মোৰ পৰিয়ালে আশা কৰিব পাৰে, সেই দীক্ষা মোৰদ্বাৰা হব নোৱাৰে। ব্ৰাহ্ম-সমাজত তুমি আবেদন কৰিব লাগিব।"

বিনয়ৰ মনটো তৎক্ষণাতে কোঁচ খাই গ'ল। ব্ৰাহ্ম সমাজত সকলো নিয়মমতে দীক্ষাৰ কাৰণে আবেদন কৰিব লগা হোৱাৰ নিচিনা মনৰ অৱস্থা তো বিনয়ৰ নহয়—বিশেষকৈ যিখন ব্ৰাহ্ম সমাজতে তাক আৰু ললিতাক লৈ ইমান গোলমাল হৈ গৈছে। এতিয়া কি সতেনো, কি ভাষাৰে নো—সি চিঠি লিখিব? সেই চিঠিখন যেতিয়া ব্ৰাহ্ম বাতৰি-কাকতত ওলাব সিনো তেতিয়া কেনেকৈ মানুহৰ আগত মুখ উলিয়াব? সেই চিঠি গোৰাই পঢ়িব, আনন্দময়ীয়ে পঢ়িব। সেই চিঠিৰ লগত তো আৰু আন একো কথা নেথাকে, মাথোন আত্ত এই কথাখিনিয়েই প্ৰকাশ হব যে ব্ৰাহ্ম ধৰ্ম্ম গ্ৰহণ কৰিবলৈ বিনয়ৰ অন্তৰ হঠাতে আতুৰ হৈ পৰিছে।

কিন্তু আচলতে কথাটো তেনে ইমান সঁচা নহয়। সেই কথাষাৰৰ লগত আইন কিবা লগলগাই নিদিলে তাৰ দেখোন মান বক্ষাৰ কোনো উপায়েই নেথাকিব।

বিনয়ে মনে মনে থকা দেখি বৰদাসুন্দৰীয়ে ভয় খালে। তেওঁতে কলে,—"আমাৰ এখেতে তো ব্ৰাহ্ম সমাজৰ কাকো চিনি নেপায়। বাক আনিয়েই সকলো ঠিক্ ঠাক্ কৰি দিম। মই আজি এতিয়াই পানু মাষ্টৰক মতাই পঠিয়াওঁ। আকচোন সময় নায়েই। পৰহিলৈকে দেখোন দেওবাৰ।"

এনেতে সুধীৰ সেই কোঠাটোৰ সমুখেদিয়েই ওপৰলৈ উঠি গৈ আছিল। বৰদাসুন্দৰীয়ে তাক দেখি মাতি কলে,—"সুধীৰ, বিনয়ে পৰহি আমাৰ সমাজত দীক্ষা লব।"

শুনি সুধীৰৰ বৰ ভাল লাগিল। সুধীৰ পেটে পেটে বিনয়ৰ বৰ ভক্ত আছিল। বিনয়ক ব্ৰাহ্ম সমাজত পোৱা যাব বুলি শুনি তাৰ বৰ উৎসাহ হ'ল। বিনয়ে যেনেকুৱা ধুনীয়াকৈ ইংৰাজী লিখিব পাৰে, তাৰ বিদ্যা-বুদ্ধি আছে,—এই আটাইবোৰ থকা সত্বেও বিনয় ব্ৰাহ্ম সমাজত যোগ নিদিয়াটো সুধীৰৰ সদায় কেনেবা কেনেবা লাগিছিল। বিনয়ৰ দৰে মানুহে কেতিয়াও যে ব্ৰাহ্ম সমাজৰ বাহিৰত থাকিব নোৱাৰে, তাৰে প্ৰমাণ পাই তাৰ বুকু ওফন্দি উঠিল। সি কলে,—"কিন্তু পৰহিলৈ দেওবাৰৰ ভিতৰতে জানো সকলো হব? বহুতে দেখোন খবৰেই নেপাব।"

বিনয়ৰ এই দীক্ষা এটা উদাহৰণ স্বৰূপে সৰ্ব্বসাধাৰণক দেখুৱাটোৱেই সুধীৰৰ ইচ্ছা।

বৰদাসুন্দৰীয়ে কলে,—"নাই, নাই, এই দেওবাৰেই সকলো হব। সুধীৰ, তুমি লৰি যোৱা, পানু মাষ্টৰক বেগাই মাতি আনাগৈ।"

যি দুৰ্ভগীয়াৰ উদাহৰণেৰে সুধীৰে ব্ৰাহ্ম সমাজক অজেয় আৰু শক্তিশালী বুলি চাৰিওফালে প্ৰচাৰ কৰাৰ কল্পনাত নাচি উঠিছিল, সেই দুৰ্ভগীয়া তেতিয়া কোঁচ-মোচ খাই একেবাৰে বিন্দু এটাত পৰিণত হব খুজিছিল। যি বস্তুটোক পেটে পেটে মাখোন তৰ্ক আৰু যুক্তিৰে বিশেষ একো নহয় যেন ভাবিছিল তাৰেই বাহিৰৰ ফালটো দেখি বিনয় একেবাৰে উভ্ৰাৱল হৈ পৰিল।

হাৰান মাষ্টৰক মতোৱা শুনিয়েই বিনয় থিয় দিলে। বৰদাসুন্দৰীয়ে কলে,—"অলপ পৰ বহা। পানু মাষ্টৰ এতিয়াই আহিব। পলম নহয়।"

বিনয়ে কলে,—"নাই, মোক ক্ষমা কৰিব।"

সি এই ষেৰৰপৰা আঁতৰি গৈ মুকলি ঠাইত সকলো কথা ভালকৈ চিন্তা কৰিব পাৰিলেহে যেন ৰক্ষা পৰে।

বিনয় উঠোঁতেই পৰেশ ভট্টও উঠিল, আৰু তেওঁৰ কান্ধত হাত এখন থৈ কলে,—"বিনয়, লৰালৰি নকৰিবা। শান্ত হৈ থিৰ হৈ সকলো কথা ভাবি চোৱাঁ। নিজৰ মন ভালকৈ নুবুজাকৈয়ে জীৱনৰ এটা ইমান ডাঙৰ কাম কৰিবলৈ নোলাবাঁ।"

গিৰীয়েকৰ ওপৰত বৰদাসুন্দৰীৰ পেটে পেটে বৰ খং উঠি কলে,—"শুনিতে কোনেও ভাবি-চিন্তি কাম নকৰে, গোলমাল এটা লগায়, তাৰ পিচত আকৌ একেবাৰে উশাহ-নিশাহ বন্ধ হৈ আহিলে কয়, 'বহি বহি ভাবা'। আপোনালোকে এতিয়া থিৰ হৈ বহি ভাবিব পাৰে, কিন্তু ইফালে যে আমাৰ জীউ যাওঁ যাওঁ হৈছে।"

বিনয়ৰ লগে লগে সুধীৰো আলিবাটলৈ ওলাই আহিল। ভাত খাবলৈ বহাৰ আগতেই আপ্যায়ন জুটি লৰলৈ মন যোৱাদি সুধীৰৰো মনটো চঞ্চল হৈ পৰিছে। তেতিয়াই বিনয়ক তাৰ বন্ধুবোৰৰ মাজলৈ ধৰি লৈ গৈ সুসংবাদটো জনাই মহা স্ফূৰ্ত্তি কৰিবলৈ তাৰ বৰ মন গ'ল। কিন্তু সুধীৰৰ এই আনন্দ উচ্ছ্বাস দেখি বিনয়ৰ মনটো আৰু কোঁচ খাই হে উঠিল। সুধীৰে যেতিয়া কলে,—"চেটাৰ্জ্জীদেউ! বলকচোন, আজি দুয়ো একেলগে পানু মাষ্টৰৰ শুনিলৈ যাওঁ"—তেতিয়া সেই কথালৈ কাণ নিদি জোৰ কৰি তাৰ হাত এৰুৱাই বিনয় গুচি গ'ল গৈ।

অলপ দূৰ যাওঁতেই অবিনাশক তাৰ দলৰ দুজনমান মানুহৰ লগত ক'ৰবালৈ কোবাকুবিকৈ যোৱা দেখা পালে। বিনয়ক দেখিয়েই অবিনাশে কলে,—"অ' চেটাৰ্জ্জীদেউ দেখোন। ভালেই হ'ল, ব'লক আমাৰ লগত।"

বিনয়ে সুধিলে,—"কলৈ যোৱা?"

অবিনাশে কলে,—"কাশীপুৰৰ বাগিচা ঠিক কৰিবলৈ যাওঁ। তাতে গৌৰমোহন ককাইদেউৰ পৰাচিত-সভা বহিব।"

বিনয়ে কলে,—"কিন্তু মোৰ এতিয়া যাবৰ উপায় নাই।"

অবিনাশে কলে,—"ই আকৌ কেনে কথা? কিমান ডাঙৰ এটা কাম হৈছে, আপোনালোকে বুজা নাই জানো? নহলে জানো গৌৰমোহনে এনেকুৱা এটা অনাৱশ্যক প্ৰস্তাৱ কৰিলেহেঁতেন? আজি-কালি হিন্দু সমাজে নিজৰ শক্তি প্ৰকাশ কৰিব লাগে। গৌৰমোহনৰ এই পৰাচিত্ত দেখিলে দেশৰ মানুহবোৰৰ মনত কম এটা আলোড়ন হবনে? আমি দেশ-বিদেশৰ সকলো ডাঙৰ ডাঙৰ ব্ৰাহ্মণ পণ্ডিতক নিমন্ত্ৰণ কৰি আনিম।

ইয়াৰপৰা গোটেই হিন্দুসমাজৰ বৰ ডাঙৰ এটা উপকাৰ হব। এতিয়াও আমি জীয়াই আছোঁ—এই কথা মানুহে বুজিব পাৰিব। বুজিব,—হিন্দু সমাজ নমৰে।"

অবিনাশক তাতে এৰি বিনয় গুচি গ'ল।

৫৬

বৰদাসুন্দৰীয়ে হাৰান মাষ্টৰক মাতি আনি সকলো কথা কলত তেওঁ কিছু পৰ গহীন হৈ বহি থাকি কলে,—"এই বিষয়ে এবাৰ ললিতাৰ লগত আলোচনা কৰাটো ভাল।"

ললিতা আহিলত হাৰানে বৰ গহীন হৈ মুখ ওপোলাই কলে,-"চোৱা ললিতা, তোমাৰ জীৱনত এটা বৰ ডাঙৰ দায়িত্বৰ সময় আহি উপস্থিত হৈছে। একালে তোমাৰ ধৰ্ম্ম আৰু আনফালে তোমাৰ প্ৰবৃত্তি। ইয়াৰ ভিতৰৰপৰাই তুমি তোমাৰ পথ বাছি লব লাগিব।"

এইবুলি অলপ কৈ হাৰানে ললিতাৰ মুখলৈ চালে। হাৰানে জানিছিল যে ন্যায়ৰ জুই জলি থকা তেওঁৰ চকুৰ সমুখত ভয়াতুৰ কঁপি উঠে, কপট পুৰি ছাই হৈ যায়। তেওঁৰ এই তেজোময় আধ্যাত্মিক দৃষ্টি ব্ৰাহ্ম সমাজৰ এটি মূল্যবান সম্পত্তি বুলি হাৰান মাষ্টৰৰ ধাৰণা আছিল।

ললিতাই একোকে নকৈ মনে মনে থাকিল।

হাৰানে আকৌ কলে,—"তুমি বোধকৰোঁ শুনিছা যে তোমাৰ অৱস্থালৈ চাই নাইবা আন কি কাৰণতেই নহওক বিনয় চেটাৰ্জ্জীয়ে অৱশেষত আমাৰ সমাজত দীক্ষা লবলৈ ৰাজী হৈছে।"

ললিতাই এই বাতৰিটো আগতে পোৱা নাছিল আৰু কথাষাৰ শুনি তাইৰ মনটোলো কেনে লাগিল তাকো নেদেখুৱালে। তাইৰ চকুযোৰ উজ্জ্বল হৈ উঠিল। তাই শিলৰ মূৰ্ত্তিৰ দৰে অলৰ-অচৰ হৈ বহি থাকিল।

হাৰান মাষ্টৰে কলে,—"ভট্ট ডাঙৰীয়াই নিশ্চয় বিনয় ইমান বাধ্য হোৱা দেখি বৰ ভাল পাইছে। কিন্তু সঁচাকৈয়ে ইয়াত ভাল পাবলগীয়া কিবা কথা আছে নে নাই সেইটো তুমিয়েই স্থিৰ কৰিব লাগিব। সেই কাৰণে মই আজি তোমাক ব্ৰাহ্ম সমাজৰ নামত তোমাৰ নিজৰ উন্মত্ত প্ৰবৃত্তিক একাষৰীয়াকৈ আঁতৰাই থবলৈ অনুৰোধ কৰিছোঁ। একমাত্ৰ

ধৰ্ম্মৰ কাৰণে চকু বান্ধি, ইয়াত গাঁঠেকৈয়ে আনন্দ পাবলগীয়া কিবা যথাৰ্থ কাৰণ আছে নে নাই এবাৰ নিজৰ অন্তৰকে সোধাচোন?”

ললিতাই তেতিয়াও একোকে নকলে। তেতিয়া তেওঁৰ কথাৰ ফল ধৰিছে বুলি হাৰানে ভাবিলে। তেওঁ দুগুণ উৎসাহেৰে পুনৰ কলে,—“দীক্ষা, দীক্ষা যে মানুহৰ জীৱনৰ কি পৱিত্ৰ খেণ, সেইটোও নো আজি আৰু মই বুজাব লাগিব নে? আৰু তুমি, এই দীক্ষাকে কলুষিত কৰিবা নে? নিজৰ সুখ-সুবিধা বা আসক্তিৰ টানত আমি ব্ৰাহ্ম সমাজত অসত্যক বাট এৰি দিম—কপটতাক আদৰি আনিম! কোৱাঁ ললিতা,—তোমাৰ জীৱনৰ লগত চিৰকাললৈকে ব্ৰাহ্ম সমাজৰ এই দুৰ্গতিৰ ইতিহাস সাঙোৰ খাই থাকিব নে?”

কিন্তু তথাপিও ললিতাই একোকে নকৈ হাত দুখনেৰে চকীখনত মুঠি মাৰি ধৰি স্থিৰ হৈ বহি থাকিল। হাৰান মাষ্টৰে কলে,—“আসক্তিৰ সুৰুঙাইদি দুৰ্ব্বলতাই যে মানুহক কিমান ভীষণ ভাৱে আক্ৰমণ কৰে সেয়া মই বহুতো দেখিছোঁ। আৰু মানুহৰ দুৰ্ব্বলতাক নো কেনেকৈ ক্ষমা কৰিব লাগে তাকো মই জানো। কিন্তু যি দুৰ্ব্বলতাই মাথোন নিজৰ জীৱনকে নহয়, হেজাৰ হেজাৰ মানুহৰ জীৱনৰ আশ্ৰয়ৰ ভেটিত খুন্দা মাৰেগৈ তুমিয়েই কোৱাচোন বাৰু ললিতা, সেই দুৰ্ব্বলতাক জানো এক নিমিষৰ বাবেও ক্ষমা কৰিব পাৰি?”

ললিতাই এইবাৰ চকীৰপৰা উঠি থিয় হৈ কলে,—“নাই, নোৱাৰি মাষ্টৰ ডাঙৰীয়া, আপুনি কেতিয়াও ক্ষমা নকৰিব। আপোনাৰ দৰে আক্ৰমণ কৰাই সংসাৰৰ বোধহয় সকলো মানুহৰে স্বভাৱ হৈ গৈছে। আপুনি ক্ষমা কৰাটো সকলোৰে বাবে একেবাৰে অসহ্য হৈ উঠিব।”

এইবুলি ললিতা তাৰপৰা ওলাই গুচি গ'ল।

বৰদাসুন্দৰীয়ে হাৰান মাষ্টৰৰ কথাবোৰ শুনি উদ্বিগ্ন হৈ উঠিল। তেখেতে এতিয়া আৰু কোনোৰকমেই বিনয়ক এৰি দিব নোৱাৰে। তেখেতে হাৰান মাষ্টৰক মিছাতে বহুতো অনুনয়-বিনয় কৰিলে, অৱশেষত খং উঠি বিদায় দিলে। তেখেতৰ অসুবিধা হ'ল এয়ে যে তেখেতে নিজৰ কালৈ ভট্ট ডাঙৰীয়াকো নেপালে, হাৰান মাষ্টৰকো নেপালে। এনেকুৱা এটা অসহ্য অৱস্থাৰ কথা কোনোবাই নো কৰবাত ভাবিব পাৰে নে? হাৰান মাষ্টৰ সম্বন্ধে বৰদাসুন্দৰীৰ পুনৰ মত সলাবৰ সময় আহিল।

যেতিয়ালৈকে দীক্ষা গ্ৰহণ কৰাৰ ঘটনাটো বিনয়ে চকা-নকাকৈ দেখিছিল, তেতিয়ালৈকে খুব জোৰেৰে সৈতেই সি নিজৰ সঙ্কল্প প্ৰকাশ

কৰিছিল। কিন্তু যেতিয়া দেখিলে যে ইয়াৰ কাৰণে ব্ৰাহ্ম সমাজত সি আবেদন কৰিব লাগিব আৰু ইয়াৰ বাবে হাৰান মাষ্টৰৰ পৰামৰ্শও লব লাগিব, তেতিয়া এই গোটেই কথাটো এনেকৈ তাৰ চকুৰ আগত ওলাই পৰিল যে ইয়াৰ বিভীষিকা দেখি সি ভয় খাই গ'ল। কলৈ নো গৈ কাৰ লগতনো এই বিষয়ে পৰামৰ্শ কৰিবগৈ, এইবোৰ কথা ভাবি ভাবি সি 'কলৈ যাওঁ গোপাল, কলৈ যাওঁ কৃপাল' লগালে। আন কি আনন্দময়ীৰ শুৰিলৈ যোৱাটোও তাৰ কাৰণে অসম্ভৱ যেন লাগিল। আলিবাটত অনাই-বনাই ঘূৰি ফুৰিবলৈকো তাৰ আৰু অকণো শক্তি নাছিল। সেই কাৰণেই সি নিজৰ নিজান ঘৰটোলৈকে উভতি আহি ওপৰৰ কোঠাৰ শেতেলীত দীঘলদি পৰিল হি।

তেতিয়া সন্ধিয়া লাগিছিল। এজাৰ কোঠাটোত লণ্ঠনটোৰে চাকি লগাবলৈ অহা দেখি হাক দিব খোজোঁতেই তলৰপৰা—"বিনয় ককাইদেউ, বিনয় ককাইদেউ" বুলি মতা শুনিলে।

বিনয় যেন ৰক্ষা পৰিল। সি যেন মৰুভূমিৰ মাজত পিয়াহৰ পানী টোপাহে পালে। এই মুহূৰ্ত্তত একমাত্ৰ সতীশৰ বাহিৰে আন কোনেও তাৰ মন শাঁত পেলাব নোৱাৰিলেহেঁতেন। বিনয়ৰ ৰিঙা ৰিঙা ভাবটো একেবাৰেই আঁতৰি গ'ল। "কি ভাই সতীশ" বুলি সি বিছনাৰপৰা জাপ মাৰি উঠি জোতা নিপিন্ধাকৈ উদং ভৰিৰেই খপ্ খপ্কৈ ছিৰিয়েদি তললৈ নামি গ'ল।

নামি আহি সি দেখিলে যে তাৰ ঘৰৰ অকণমান চোতালখনৰ খট্-খটিৰ মূৰতে সতীশৰ লগত বৰদাসুন্দৰী থিয় হৈ আছে। আকৌ সেই সমস্যা! সেই যুঁজ-বাগৰ!! লৰালৰিকৈ বিনয়ে সতীশ আৰু বৰদাসুন্দৰীক ওপৰ মহলালৈ লৈ গ'ল।

বৰদাসুন্দৰীয়ে সতীশক কলে,—"সতীশ, যা তই সৌ বাৰাণ্ডাখনত গৈ অলপ পৰ বহ গৈ।"

সতীশৰ এই নিৰানন্দ নিৰ্ব্বাসন দণ্ডত বেজাৰ পাই বিনয়ে তাক কিছুমান ছবিৰ পুথি দি সি কাষৰ কোঠাটোত চাকি জ্বলাই বহুৱাই দিলে গৈ।

বৰদাসুন্দৰীয়ে তেতিয়া কলে,—"বিনয়, তুমি তো ব্ৰাহ্ম সমাজৰ কাকো চিনি নোপোৱা। মোৰ হাততে এখন চিঠি লিখি দিয়াঁ। মই কাইলৈ পুৱাতে নিজে গৈ সম্পাদক ডাঙৰীয়াৰ হতুৱাই সকলো ঠিক-ঠাক কৰাই দিম্, যাতে পৰহি দেওবাৰেই তোমাৰ দীক্ষা হৈ যায়। তুমি আৰু একো

ভাবিব নেলাগে।”—তেতিয়া বিনয়ে আৰু মাত এষাৰো মাতিব নোৱাৰিলে। তেখেতৰ আদেশ অনুসাৰে সি এখন চিঠি লিখি বৰদাসুন্দৰীৰ হাতত দিলে। যি কোনো এটা বাটেৰেই এইদৰে গুলাই অহাটো তাৰ বৰ বেচি দৰকাৰ হৈছিল—যাতে উভতিবৰ বা দ্বিধা কৰিবৰ আৰু কোনো উপায়কে নেথাকে।

ললিতাৰ লগত বিয়াৰ কথাটোও বৰদাসুন্দৰীয়ে উলিয়াই থলে।

বৰদাসুন্দৰী গুচি যোৱাৰ পিচত বিনয়ৰ মনটো বৰ উগুল-থুগুল লাগিবলৈ ধৰিলে। আন কি ললিতাৰ স্মৃতিও তাৰ মনত কিবা অলপ বেসুৰত বাজিবলৈ ধৰিলে। বৰদাসুন্দৰীৰ এই অশোভনীয় ব্যস্ততাৰ লগত ললিতাৰো কিবা অলপ যোগ থকা যেন তাৰ লাগিল। নিজৰ প্ৰতি শ্ৰদ্ধা কমাৰ লগে লগে আন সকলোৰে প্ৰতিও তাৰ শ্ৰদ্ধা যেন কমি আহিবলৈ ধৰিলে।

বৰদাসুন্দৰীয়ে ঘৰলৈ উভতি আহিয়েই ললিতাৰ মন আজি ভাল লগাই দিব বুলি ভাবিলে। ললিতাই বিনয়ক ভালপাই বুলি তেখেতে ভালকৈয়ে জানিছিল। আৰু সেইবাবেই সিহঁতৰ বিয়াৰ কাৰণে সমাজত হুলস্থুলখন লাগোতে তেখেতে নিজৰ বাহিৰে আন সকলোৰে গাত দোষ দিছিল। ভালেমান দিন ললিতাক তো মাতিবলৈকে এৰিছিল। সেই কাৰণেই আজি যেতিয়া কথাটো খাটাং হ'লগৈ, সেইটো যে বহুখিনি তেখেতৰপৰাই হৈছে, এই গৌৰৱকণকে ললিতাৰ আগত প্ৰকাশ কৰি তাইৰ লগত সন্ধি স্থাপন কৰিবলৈ তেখেত বৰ ব্যস্ত হৈ উঠিল। তাইৰ দেউতাকে তো সকলো মাটি কৰিছিলেই প্ৰায়। ললিতাই নিজেও দেখোন বিনয়ক পোনাব-পৰা নাছিল। পানু মাষ্টৰপৰাও তো একো সহায় পোৱা নগল। বৰদা-সুন্দৰীয়েহে অকলই সকলো গাঁঠি মোকোলালে। সঁচাকৈয়ে এজনী মাইকী মানুহে যিখিনি পাৰে, পাঁচজন মতা মানুহেও সেইখিনি নোৱাৰে!

বৰদাসুন্দৰী ঘৰলৈ উভতি আহিয়েই ললিতা আজি সোনকালে শুবলৈ গৈছে বুলি শুনিলে। তাইৰ গাটো বোলে বৰ ভাল নহয়। তেখেতে পেটে পেটে হাঁহি হাঁহি ভাবিলে—'গা এতিয়াই ভাল কৰি দিম ৰবি।'

চাকি এটা হাতত লৈ এন্ধাৰ শোৱনি কোঠাটোত সোমাই তেখেতে দেখে যে ললিতা তেতিয়াও পাটীত পৰাগৈ নাই। আৰামী চকীখনত আঁউজি বহি কিবা পঢ়ি আছে।

তেখেতক দেখিয়েই ললিতাই তড়ালিকে উঠি বহি সুধিলে,—“আই, তুমি ক'লৈ গৈছিলা?”

কথাষাৰ তাই বৰ টানকৈ কলে। সতীশক লগত লৈ যাক বিনয়ৰ ঘৰলৈ গৈছিল বুলি তাই খবৰ পাইছিল।

বৰদাসুন্দৰীয়ে কলে,—"মই বিনয়ৰ ভালৈ গৈছিলোঁ।"

"কিয়?"

কিয়? বৰদাসুন্দৰীৰ পেটে পেটে খং উঠিল। 'ললিতাই ভাবে মই মাথোন তাইৰ শত্রুতাই কৰোঁ। অপলাগী।'

বৰদাসুন্দৰীয়ে কলে,—"কিয় এইয়া চোৱাঁ।" এইবুলি বিনয়ৰ সেই চিঠিখন ললিতাৰ চকুৰ আগত মেলি ধৰিলে। চিঠিখন পঢ়ি ললিতাৰ মুখ বঙা পৰি গ'ল। বৰদাসুন্দৰীয়ে নিজক কাজী বুলি জহাবলৈ অলপ বঢ়াই কলে যে এই চিঠিখন আনো এনেয়ে সহজে বিনয়ৰ হাতৰপৰা উলিয়াব পৰা গ'লহেঁতেন? তেখেতে গৌৰৱ কৰি কব পাৰে যে এই কাম কৰিবলৈ আৰু আন কাৰো সাধ্যই নাই।

ললিতাই দুয়োহাতেৰে মুখখন ঢাকি আৰামী চকীখনত শুই পৰিল। তেখেতৰ আগত তাই অন্তৰৰ গুমৰি উঠা ভাব প্ৰকাশ কৰিবলৈ লাজ কৰিছে বুলি বৰদাসুন্দৰীয়ে ভাবিলে। তেখেতে লাহেকৈ তাৰপৰা গুচি গ'ল গৈ।

পিচদিনাখন পুৱা চিঠিখন লৈ ব্ৰাহ্ম সমাজলৈ যাবলৈ ওলাই দেখে যে সেই চিঠিখন কোনোবাই টুকুৰা টুকুৰিকৈ ফালি থৈ দিছে।

৫৭

সেইদিনা আবেলি সুচৰিতা ভট্ট ডাঙৰীয়াৰ ঘৰলৈ যাবলৈ বুলি ওলাইছিল, ঠিক এনেতে লগুৱাটোৱে আহি খবৰ দিলেহি যে এজন মানুহ আহিছে।

"কোন? বিনয় চেটাৰ্জী নে কি?"

লগুৱাটোৱে কলে,—ওহোঁ নহয়, বৰ বগাকৈ দীঘল মানুহ এজন।"

সুচৰিতা চক্‌খাই উঠি কলে,—"তেখেতক ওপৰৰ কোঠাত বহিবলৈ দে গৈ যা।"

আজি সুচৰিতাই কিনো পিন্ধিছিল, কেনেকৈনো পিন্ধিছিল, ইমান পৰে সেইবোৰ একো ভবাই নাছিল। এতিয়া আৰ্চীৰ সমুখত থিয় হৈ কাপোৰ সাজ তাইৰ বুঢ়েই ভাল নেলাগিল। তেতিয়া সলাবলৈকো সময় নাছিল।

আঁচল, চুলি কিছু পৰিপাটিকৈ লওঁতে তাইৰ হাত কঁপি গৈছিল। আৰু যেতিয়া সুচৰিতা গৈ সেই কোঠাটোত সোমালগৈ তেতিয়া তাইৰ বুকুখন চপ্‌চপাই উঠিল। তাইৰ মেজৰ ওপৰত যে গোৰাই লিখা পুথিবোৰ পৰি আছিল, সেই কথা তাইৰ মনতে নাছিল। ঠিক সেই মেজখনৰ সন্মুখতে গোৰা বহি আছে। পুথিবোৰ বৰ লাজ লগাকৈ ঠিক গোৰাৰ চকুৰ আগতে পৰি আছে। সেইবোৰ ঢাকি থবলৈ বা আঁতৰাই লৈ যাবলৈ তেতিয়া আৰু কোনো উপায়েই নাই।

"মাহীদেৱে আপোনাৰ লগত দেখা কৰিবলৈ আজি বহুদিনৰেপৰা বৈ আছে। তেখেতক খবৰ দিওঁগৈ।" এইবুলি কোঠাটোত সোমায়েই সুচৰিতা আকৌ ওলাই গুচি আহিল। অকলশৰে গোৰাৰ লগত কথা-বতৰা পাতিবলৈ তাইৰ কিবা লাজ লাগি গ'ল।

কিছুবেলিৰ পিচতে সুচৰিতাই হৰিমোহিনীক লগত লৈ আকৌ আহিল। আজি কিছুদিনৰপৰা হৰিমোহিনীয়ে বিনয়ৰ মুখে সদায় গোৰাৰ মত, বিশ্বাস, নিষ্ঠা আৰু তাৰ জীৱনৰ কথা শুনিছে। মাজে মাজে প্ৰায়েই তেওঁৰ ইচ্ছা অনুসৰি সুচৰিতাই তেওঁক গোৰাই লিখা পুথিবোৰ পঢ়ি শুনায়। সেই আটাইবোৰ যে তেওঁ ভালকৈ বুজি পাইছিল সেইটো নহয়, বৰঞ্চ সেইবোৰে তেওঁক সোনকালে টোপনি অহাত সহায়হে কৰিছিল। তথাপিও মুঠতে এইখিনি বুজিব পাৰিছিল যে শাস্ত্ৰ আৰু লোকাচাৰৰ পক্ষে থিয় দি গোৰাই দেশৰ বৰ্ত্তমান অনাচাৰৰ বিৰুদ্ধে যুঁজ কৰিছে। আধুনিক ইংৰাজী শিক্ষা পোৱা ডেকা এজনৰ পক্ষে ইয়াতকৈ আচৰিত আৰু ডাঙৰ গুণ নো কি হব পাৰে? ব্ৰাহ্ম পৰিয়ালৰ মাজত প্ৰথম বিনয়ক দেখোঁতে তেওঁ সঁচা-সঁচিকৈয়ে বৰ আনন্দ পাইছিল। কিন্তু লাহে লাহে অভ্যাস হৈ যোৱাৰ পিচত বিনয় এতিয়া তেওঁৰ নিজৰ ঘৰলৈ অহা-যোৱা কৰাত ক্ৰমে তাৰ আচাৰ-ব্যৱহাৰৰ দোষ-ত্ৰুটিবোৰহে তেওঁৰ চকুত ধৰকৈ পৰিবলৈ ধৰিলে। বিনয়ৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰিছিল বুলিয়েই দিনে দিনে তাৰ প্ৰতি তেওঁৰ বিৰক্তি বেচিকৈহে বাঢ়ি আহিল।

গোৰাক দেখিয়েই হৰিমোহিনী একেবাৰে আচৰিত হৈ গ'ল। এয়াহে বামুণ—যেন হোমৰ জুইকুৰাহে। যেন শুভ্ৰকায় মহাদেৱ। হৰিমোহিনীৰ মনলৈ এনে এটি ভক্তিৰ ভাব আহিল যে গোৰাই সেৱা কৰোঁতে সেই সেৱা গ্ৰহণ কৰিবলৈ হৰিমোহিনী কুণ্ঠিত হৈ উঠিল।

হৰিমোহিনীয়ে কলে,—"বোপা, তোমাৰ কথা বহুতো শুনিছোঁ। তুমিয়েই গৌৰ। সঁচাকৈয়ে গৌৰই। সেই যে কীৰ্ত্তনৰ গীত শুনিছোঁ—

জোনৰ জেউতি সতে চন্দন মিলাই
কোনেনো সানিলে দেহি গোৰাৰ দেহত।

আজি তাকে নিজ চকুৰে দেখিলোঁ। কোনটো সতেৰেনো তোমাক ফাটেকত দিছিলে, তাকেহে ভাবিছোঁ।

গোৰাই হাঁহি হাঁহি কলে,—"আপোনালোক হাকিম হোৱা হলে ফাটেক ঘৰখন এন্দুৰ-বাদুলীৰ বাহহে হলহেঁতেন।"

হৰিমোহিনীয়ে কলে,—"নহয় বোপাই, পৃথিৱীত নো কিবা চোৰ-ডকাইত নোহোৱা হৈছেনে? হাকিমৰ নো চকু নাছিল নে? তুমি যে সেইবোৰ একো নহয়, তুমি যে ভগৱন্তৰ মানুহ, সেইয়া দেখোন তোমাৰ মুখলৈ চালেই বুজিব পাৰি। ফাটেকঘৰ আছে বুলিয়েই মানুহক ফাটেকত দিব লাগে নে কি? হে: হৰি, এইবোৰ আকৌ কি বিচাৰ?"

গোৰাই কলে,—"মানুহৰ মুখলৈ চালে কেনেবাকৈ ভগৱন্তৰ ৰূপ চকুত পৰি যায় বুলিয়েই হাকিমে মাথোন আইনৰ পুথিৰ ফালে চায়েই কাম কৰে। নহলে মানুহক বেতৰ কোব, ফাটেক, দ্বীপান্তৰ, ফাঁচী দি নো সিহঁতৰ চকুত টোপনিয়েই আহিলহেঁতেন, নে সিহঁতৰ মুখত আগ্নানেই জুতি লাগিলহেঁতেন?"

হৰিমোহিনীয়ে কলে,—"সময় পালেই তুমি লিখা পুথিবোৰ ৰাধাৰাণীক পঢ়িবলৈ দি শুনো। কেতিয়ানো সেই কথাবোৰ তোমাৰ নিজ মুখত শুনিবলৈ পাম, তাৰ বাবে আশাপালি ইমানদিনে বৈ আছিলোঁ। বোপা, মই এজনী মূৰ্খ আৰু বৰ কপালফুটা মানুহ। আটাইবোৰ কথা বুজিও নেপাওঁ আৰু সকলো কথাতে মনো দিব নোৱাৰোঁ। কিন্তু বোপা, তোমাৰপৰা কিছু জ্ঞান লভিম বুলি মোৰ হলে খুব বিশ্বাস হৈছে।"

গোৰাই এইবোৰ কথাৰ একো প্ৰতিবাদ নকৰি সন্মান দেখুৱাই মনে মনে থাকিল।

হৰিমোহিনীয়ে কলে,—"বোপা, তুমি কিন্তু কিবা অকণ খাই যাব লাগিব। তোমাৰ নিচিনা বামুণৰ লৰাক মই বহুদিন একো খুৱাবলৈ পোৱা নাই। আজি যি আছে তাকে খোৱা। কিন্তু আৰু এদিন মোৰ ঘৰত তোমাৰ নিমন্ত্ৰণ থাকিল।"

এইবুলি হৰিমোহিনীয়ে চাহ-জলপানৰ দিহা কৰিবলৈ গুচি গ'লত সুচৰিতাৰ বুকুখনে ধান বনাদি বানিবলৈ ধৰিলে।

গোৰাই পোনে পোনেই আৰম্ভ কৰি দিলে,—"বিনয় আজি আপোনাৰ ইয়ালৈ আহিছিল নে কি?"

সুচৰিতাই উত্তৰ দিলে,—"হয় আহিছিল।"

গোৰাই কলে,—"তাৰ পিচত মই অৱশ্যে তাক লগ পোৱা নাই। কিন্তু সি কিয় ইয়ালৈ আহিছিল মই জানো।"

গোৰা অলপ পৰ ৰ'ল। সুচৰিতায়ো একো নেমাতিলে।

গোৰাই আকৌ কলে,—"আপোনালোকে ব্ৰাহ্মমতে বিনয়ৰ বিয়াখন পাতিবলৈ চেষ্টা কৰিছে। কিন্তু এইটো জানো ভাল কথা হৈছে?"

এই বিধৰ খোলা কথাবাৰ শুনি সুচৰিতাৰ মনৰপৰা সঙ্কোচ, লজ্জা একেবাৰে আঁতৰি গ'ল। তাই গোৰাৰ মুখলৈ চাই কলে,—"ব্ৰাহ্মমতে বিয়া পতাটো মই ভাল কাম বুলি নেভাবিম—এইটোৱেই আপুনি মোৰপৰা আশা কৰিছে নে কি?"

গোৰাই কলে,—"এইটো আপুনি সঠিককৈ জানিব যে আপোনাৰপৰা কেতিয়াও মই একো সৰু কথা আশা নকৰোঁ। কোনো অসম্প্ৰদায়ৰ মানুহৰপৰা মানুহে যিখিনি আশা কৰিব পাৰে মই আপোনাৰপৰা তাতকৈ বহুতো বেছি আশা কৰোঁ। এইটো মই ঠাটি কৰ পাৰোঁ যে কোনো এটা দলৰ সংখ্যা বঢ়োৱাটো যিবোৰ কুলী-চৰ্দাৰৰ কাম, আপুনি সেই শ্ৰেণীৰ নহয়। আপুনি নিজেই যাতে নিজকে ভাল মতে বুজে সেইটোকে মই বিচাৰোঁ। আন পাঁচজনৰ কথাত ভোল গৈ আপুনি নিজকে সৰু নকৰিব। আপুনি যে কোনোবা এটা বিশেষ দলৰ মানুহ নহয়, এই কথাটোকে আপুনি নিজৰ মনতে কটকটীয়াকৈ বুজিব লাগিব।"

সুচৰিতাই মনৰ সকলো শক্তিক জগাই লৈ সতৰ্ক হৈ পোন হৈ বহি লৈ সুধিলে—"আপুনিও জানো কোনোবা বিশেষ দলৰ মানুহ নহয়?"

গোৰাই উত্তৰ দিলে,—"মই হিন্দু। হিন্দু তো কোনো দল নহয়? এই জাতিটো ইমান ডাঙৰ যে কিহত নো এই জাতিৰ জাতিত্ব আছে সেইটো কোনো সংজ্ঞাৰদ্বাৰা সীমাবদ্ধকৈ কবই নোৱাৰি। সাগৰ যেনেকৈ ঢৌ নহয়, হিন্দুও তেনেকৈ দল নহয়।"

সুচৰিতাই সুধিলে,—"হিন্দু দল নহয় যদি দলাদলি কৰে কিয়?"

গোৰাই তেতিয়া কলে,—"বাৰু কোনো মানুহক মাৰিবলৈ গ'লে সি বাধা দিয়ে কিয়? তাৰ জীৱ আছে বুলি। অকল শিলেহে সকলো আঘাত সহ্য কৰিও মনে মনে থাকে।"

সুচৰিতাই কলে,—"মই যাক ধৰ্ম্ম বুলি ভাবিছোঁ, হিন্দুৱে যদি তাক আঘাত বুলি ভাবে তেনেহলে সেই ক্ষেত্ৰত আপুনি মোক কি কৰিবলৈ কয়?"

গোৰাই কলে,—"তেতিয়া মই আপোনাক কম যে-বিটোক আপুনি কৰ্ত্তব্য বুলি ভাবিছে সেইটো যেতিয়া হিন্দু জাতি নাবৰ ইমান ডাঙৰ এটি বিৰাট সত্তাৰ বাবে বৰ বেদনাকৰ আঘাত, তেতিয়া আপুনি ভালকৈ ভাবি-চিন্তি চাব লাগিব—যে আপোনাৰ মাজত কিবা ভ্ৰম বা অজ্ঞতা আছে নে কি? নাইবা আপুনি সকলো কথা কঁহিয়াই ভাবি চাইছেনে নাই? একমাত্ৰ অভ্যাস বা এলাহতে দলৰ মানুহৰ সংস্কাৰকে সত্য বুলি ধৰি লৈ ইমান ডাঙৰ এটা উৎপাত কৰিবলৈ ওলোৱাটো ঠিক নহয়। এন্দুৰে যেতিয়া জাহাজৰ খোল কুটিবলৈ ধৰে তেতিয়া সি নিজৰ সুবিধা আৰু প্ৰবৃত্তিৰপৰাই কাম কৰে। সি ভাবি নেচাই যে ইমান ডাঙৰ এটা আশ্ৰয় কুটা কৰিলে তাৰ যিমান সুবিধা হব তাতকৈ আনৰ কিমান বেচি ক্ষতি হব। আপুনিও তেনেকৈ ভাবি চাব লাগিব যে আপুনি মাথোন নিজৰ দলটোৰ কথাই ভাবিছে নে গোটেই মানুহ জাতিটোৰ কথা ভাবিছে? গোটেই মানুহ জাতিটো বুলিলেনো কি বুজায় জানে জানো? এই মানুহ জাতিটোৰ কত ধৰণৰ প্ৰকৃতি, কত ধৰণৰ প্ৰবৃত্তি, কত ধৰণৰ প্ৰয়োজন আছে সেইবোৰ জানে জানো? সকলো মানুহে একেটা পথত একেডৰা ঠাইতে থিয় হৈ থকা নাই। কাৰো সমুখত আছে পৰ্ব্বত, কাৰো সমুখত সমুদ্ৰ, আকৌ কাৰো বা সমুখত আছে মুকলি পথাৰ। অথচ কাৰো বহি থাকিবৰ উপায় নাই, সকলো যাবই লাগিব। আপুনি মাথোন আপোনাৰ দলৰ শাসনকে সকলোৰে ওপৰত খটুৱাব খুজিছে নহয়? চকু মুদি ভাবিছে নে কি যে মানুহৰ মাজত একো বৈশিষ্ট্যেই নাই, মাথোন ব্ৰাহ্ম সমাজৰ বহীত নাম লিখিবৰ কাৰণেই সকলোৱে পৃথিৱীত জন্ম গ্ৰহণ কৰিছে? যিবোৰ দস্যু জাতিয়ে পৃথিৱীৰ সকলো জাতিকে যুদ্ধত জয় কৰি নিজৰ একচেতীয়া শাসন বাহল কৰাটোকেই পৃথিৱীৰ একমাত্ৰ কল্যাণ বুলি ভাবে, নানা জাতিৰ বিশেষত্ব যে পৃথিৱীৰ হিতৰ কাৰণে বহুমূলীয়া বিধান—এইটো নিজৰ ভেৰত ওফন্দি মানি নলয় আৰু পৃথিৱীত মাথোন গোলামিহে বহলাই নিয়ে, সিহঁতৰ লগত নো আপোনাৰ প্ৰভেদ কোনখিনিত তেনে?"

সুচৰিতাই অলপ সময়ৰ কাৰণে যুক্তি-তৰ্ক সকলো পাহৰি গ'ল। গোৰাৰ বজ্ৰ গম্ভীৰ কণ্ঠস্বৰে এটি আচৰিত প্ৰবলতাৰে তাইৰ গোটেই হিয়াখন কঁপাই তুলিলে। গোৰাই যে কিবা এটা বিষয়ে তৰ্ক কৰিছে, সেই কথা তাই পাহৰিয়েই গ'ল, তাই মুঠেই ইয়াকেহে বুজিলে যে গোৰাই কিবা কৈছে।

গোৰাই কলে,—"একমাত্ৰ আপোনালোকৰ সমাজখনেই ভাৰতৰ এই

কুৰি কোটি মানুহক স্বষ্টি কৰা নাই। কোনটো আচৰণ এই কুৰি কোটি লোকৰ পক্ষে উপযোগী, কি বিশ্বাস, কি আচাৰ-ব্যৱহাৰে যে এই সকলোৰে মুখৰ ভাত গৰাহ দিব, শক্তি দিব, এইবোৰ সকলো ধৰি-বান্ধি ঠিক কৰি দিয়াৰ ভাৰ জোৰ কৰি নিজৰ ওপৰত জাপি লৈ ইমান ডাঙৰ ভাৰতবৰ্ষখনক একেবাৰে একাকাৰ সমতল কৰি দিব খোজে নো কি মতেৰে? এই অসাধ্য সাধনত বিমানেই বাধা পাইছে সিমানেই দেশৰ ওপৰত আপোনা-লোকৰ খং উঠিছে, অশ্ৰদ্ধা হৈছে। আৰু কলাগু বিবোধৰ হিত সাধিব খুজিছে সিহঁতকে ঘিণ কৰি পৰ কৰি পেলাইছে। অথচ যিজন ভগৱানেই মানুহক বিচিত্ৰকৈ স্বষ্টি কৰিছে আৰু বিচিত্ৰকৈয়ে ৰাখিব খোজে, সেইজনকে আপোনালোকে পূজা কৰে বুলি ভাবে। যদি সঁচাকৈয়ে আপোনালোকে সেইজনক মানে তেনেহলে সেইজনৰ বিধান আপোনালোকে কট্টকটীয়াকৈ দেখা নেপায় কিয়? নিজৰ বুদ্ধি আৰু দলীয় অহঙ্কাৰত মতলীয়া হৈ কিয় ইয়াৰ তাৎপৰ্য্যটো বুজিব নোখোজে?"

সুচৰিতাই একোকে উত্তৰ দিবলৈ চেষ্টা নকৰি গোৰাৰ কথাবোৰ মনে মনে শুনি যোৱা দেখি গোৰাৰ তাইৰ প্ৰতি কৰুণা উপজিল। কিছু সময় বৈ অলপ মাতটো সৰু কৰি সি কলে,—"আপোনাৰ কিজানি মোৰ কথাবোৰ খৰ হটা যেন লাগিছে। কিন্তু মোক বিপক্ষৰ দলৰ মানুহ বুলি ভাবি মনটো বেয়া নকৰিব। মই আপোনাক কিন্তু বিপক্ষ দলৰ মানুহ বুলি ভবা হলে একো কথাকে নকলোহেঁতেন। আপোনাৰ মনত যি এটি স্বাভাৱিক উদাৰ শক্তি আছে, সেইটো দলৰ মাজত থাকি কোঁচখাই গৈছে বুলিহে মোৰ দুখ লাগিছে।"

সুচৰিতাৰ মুখখন ৰঙা পৰি উঠিল। তাই কলে,—"নাই, নাই, আপুনি মোৰ কথা একোকে ভাবিব নেলাগে। আপুনি কৈ যাওক, মই বুজিবলৈ যত্ন কৰিছো।"

গোৰাই কলে,—"মোৰ আৰু একো কবলৈ নাই। ভাৰতবৰ্ষখনলৈ আপুনি আপোনাৰ সহজ বুদ্ধি আৰু সৰল হৃদয়েৰে সৈতে এবাৰ চাওক। ভাৰতবৰ্ষখনক আপুনি ভাল পাবলৈ শিকক। ভাৰতবৰ্ষৰ মানুহবোৰক যদি আপুনি মাথো অব্ৰাহ্ম বুলিহে চায়, তেনেহলে সিহঁতক বিকৃত ৰূপে দেখিব আৰু সিহঁতক অৱজ্ঞা কৰিব। তেতিয়া সিহঁতক যাথোন ভুলকৈহে বুজিব; য'ৰপৰা চালে সিহঁতক সম্পূৰ্ণকৈ দেখা পোৱা যায়, ত'ৰপৰা আৰু সিহঁতক চোৱা নহব। ঈশ্বৰে ইহঁতক মানুহকৈ সৃষ্টি কৰিছে। ইহঁতে নানা ধৰণে ভাবে, নানা ৰূপে চলে; ইহঁতৰ বিশ্বাস, ইহঁতৰ সংস্কাৰ নানা প্ৰকাৰ;

কিন্তু সকলোৰেই তলিত ইয়াতৰ এটি মনুষ্যত্ব আছে । সকলোৰেই ভিতৰত একে এটি বস্তু আছে যিটো মোৰ বস্তু, যিটো মোৰ এই ভাৰতবৰ্ষৰ বস্তু— যিটো আচল সত্য দৃষ্টিৰে চাব পাৰিলে তাৰ সকলো ক্ষুদ্ৰতা আৰু অসম্পূৰ্ণ-তাৰ আৱৰণৰ মাজেদিও এটি আচৰিত মহৎ সত্তা চকুত পৰে । তেতিয়া তাত বহুদিনৰ বহু সাধনা—ভাৰতকে দেখা যায় । আৰু দেখা যায় যে বহু কালৰ হোমৰ জুই ভস্মৰ মাজত এতিয়াও জ্বলি আছে । আৰু সেই অগ্নিয়ে নিজৰ এই ক্ষুদ্ৰ দেশ-কালক চেৰাই পৃথিৱীৰ মাজত যে তাৰ শিখা জ্বলাই তুলিব, তাত অকণো সন্দেহ নাই । এই ভাৰতবৰ্ষখনৰ মানুহবোৰে বহুত দিনৰপৰা বহুতো ডাঙৰ ডাঙৰ বাণী দিছে, বহুতো ডাঙৰ কাম কৰিছে । সেই সকলোবোৰেই যে একেবাৰে মিছা হৈ গৈছে, এই কথা ভাবিলেও সত্যৰ প্ৰতি অশ্ৰদ্ধা দেখুৱা হয়, ইটো নাস্তিকতাই ।”

সুচৰিতাই তন্ময়কৈ কথাবোৰ শুনি আছিল । তাই মূৰ দাঙি কলে,— “আপুনি নো মোক কি কৰিবলৈ কয় ?”

গোৰাই কলে,—“মই আৰু আন একোকে কব নোখোজোঁ । মাথোন ইয়াকে কওঁ যে আপুনি এই কথাষাৰ বুজি চাব লাগিব যে হিন্দু ধৰ্মই মাকৰ দৰে নানা ধৰ্মৰ নানা মতৰ মানুহক কোলাত ঠাই দিবলৈ চেষ্টা কৰিছে, অৰ্থাৎ একমাত্ৰ হিন্দু ধৰ্মইহে জগতত মানুহক মানুহ বুলি স্বীকাৰ কৰিছে, দলীয় লোক বুলি গণ্য কৰা নাই । হিন্দুধৰ্মই মূৰ্খকো মানে, জ্ঞানীকো মানে । আৰু জ্ঞানৰো মাথোন একেটা মূৰ্ত্তিকেই নেমানে, জ্ঞানৰ বহু প্ৰকাৰ বিকাশকো মানে । খৃষ্টানবোৰে বৈচিত্ৰ্যক স্বীকাৰ কৰিব নোখোজে, সিহঁতে কয় যে ইপাৰে খৃষ্টান ধৰ্ম আৰু সিপাৰে অনন্ত বিনাশ, ইয়াৰ মাজত একো বিচিত্ৰতা নাই । আমি সেই খৃষ্টানবিলাকৰপৰাই শিক্ষা লৈছোঁ, সেই কাৰণেই হিন্দু ধৰ্মৰ বৈচিত্ৰ্যৰ বাবে আমি লাজ পাওঁ । এই বৈচিত্ৰ্যৰ মাজেদিয়েই হিন্দু ধৰ্মই যে একক দেখা পাবলৈ সাধনা কৰিছে সেইটো আমি দেখা নেপাওঁ । এই খৃষ্টানি শিক্ষাৰ পাকবোৰ মনৰ চাৰিওফালৰপৰা খুলি পেলাই মুক্তি লাভ নকৰিলে আমি হিন্দু ধৰ্মৰ সত্য চিনাকি কেতিয়াও নেপাম আৰু গৌৰৱৰ অধিকাৰীও হব নোৱাৰিম ।”

সুচৰিতাই মাথোন গোৰাৰ কথা শুনিছিলহে সেইটো নহয়, তাই যেন গোৰাৰ কথাবোৰ চকুৰ আগতে দেখা পাইছিল । গোৰাৰ চকুত সুদূৰ ভবিষ্যতলৈ চাই থকা যি এটি ধ্যান দৃষ্টি আছিল, সেই দৃষ্টি আৰু বাক্যই এক হৈ সুচৰিতাৰ চকুত দেখা দিলে । লাজ-কাজ পাহৰি, নিজকে পাহৰি, ভাবৰ উদ্দীপনাত গোৰাৰ মুখৰফালে সুচৰিতাই চকু তুলি চালেই

থাকিল। এই সুখৰ্বলিত সুচৰিতাই এনে এটি শক্তি দেখিলে, যি শক্তিৰে পৃথিৱীত ডাঙৰ ডাঙৰ সঙ্কল্পকো যেন যোগবলত সত্য কৰি তোলে। সুচৰিতাই তাইৰ সমাজৰ বহুতো বিদ্বান আৰু বুদ্ধিমান মানুহৰ মুখে বহুতো তত্ত্বালোচনা শুনিছে, কিন্তু গোৰাৰ এইয়া তো আলোচনা নহয়, এইয়া যেন সৃষ্টি হে। এইয়া এনে এটি দেখ্ দেখ্ ঘটনা, যিটোৱে এক নিমিষতে গোটেই শৰীৰ মনক অধিকাৰ কৰি পেলায়। সুচৰিতাই আজি যেন বজ্রপাণি ইন্দ্ৰকহে দেখিছিল—বাক্য যেতিয়া প্ৰবলবেগে আহি সুচৰিতাৰ বুকুত ঢৌ তুলিছিলহি, ঠিক তেতিয়াই যেন বিজুলীৰ চকৃবকনিয়ে তাইৰ তেজ বাৰে বাৰে নচুৱাই গৈছিল। গোৰাৰ মতৰ লগত তাইৰ মতৰ ক'ত কিমানখিনি মিল আছে নে নাই সেইটো কটকটীয়াকৈ বুজিবৰ শক্তি আৰু সুচৰিতাৰ নেথাকিল।

এনেতে সতীশ আহি কোঠাটোত সোমালহি। গোৰাক সি ভয় কৰিছিল, সেই কাৰণে গোৰাৰপৰা আঁতৰ হৈ বায়েকৰ কাষত থিয় দি লাহেকৈ কলে,—"বাইদেউ, পানু মাষ্টৰ আহিছে।" সুচৰিতা চক্‌খাই উঠিল, তাইক যেন কোনোবাই মাৰিলেহে। তাইৰ অৱস্থাটো এনেকুৱা হ'ল যে হাৰান মাষ্টৰ অহাটোক কোনো ৰকমে ঠেলি-হেঁচুকি, আঁতৰাই চাকি একেবাৰে যেন নাইকিয়া কৰি দিব পাৰিলেহে তাই ৰক্ষা পৰে। সতীশে লাহেকৈ কোৱা কথাষাৰ গোৰাই শুনা নাই বুলি ভাবি সুচৰিতা লৰালৰিকৈ উঠি থিয় হ'ল। তাই একেকোবেই খটখটকৈ তললৈ নামি আহি হাৰানৰ সমুখত থিয় হৈ কলে,—"মোক ক্ষমা কৰিব, আজি আৰু আপোনাৰ লগত কথা-বতৰা পাতিবলৈ মোৰ সুবিধা নহব।"

হাৰানে সুধিলে,—"সুবিধা নহব কিয়?"

সুচৰিতাই এই প্ৰশ্নৰ উত্তৰ নিদি কলে,—"কাইলৈ পুৱা যদি আপুনি দেউতাৰ তালৈ আহে তেন্তেহলে তাতেই মোৰ লগত দেখা হব।"

হাৰানে সুধিলে,—"অ', আজি হবলাই তোমাৰ কোঠাত কোনোবা আন মানুহ আছে?"

সুচৰিতাই এই প্ৰশ্নটোৰ উত্তৰো পোন-পটীয়াকৈ নিদি কলে,—"আজি মোৰ সময় নহব। অনুগ্ৰহ কৰি আজি আপুনি মোক ক্ষমা কৰিব।"

হাৰানে কলে,—"কিন্তু বাহিৰপৰা গৌৰমোহনৰ মাত শুনা যেন লাগিছিল দেখোন। ভেখেত আছে হব পায়?"

এই প্ৰশ্নটো আৰু সুচৰিতাই চাকি আঁতৰাব নোৱাৰিলে। তাই ৰঙা-চকা পৰি গ'ল, কলে,—"ঔ আছে।"

হাৰানে কলে,—"ভালেই হ'ল। তেওঁৰ লগতো মোৰ কথা আছিল। তোমাৰ যদি বিশেষ কিবা দৰ্কাৰী কাম আছে তেনেহলে সিমানপৰ মই গৌৰমোহনৰ লগতেই কথা পাতোঁগে।"

এইবুলি সুচৰিতাৰ সন্মতিলৈ অপেক্ষা নকৰাকৈয়ে তেওঁ খট্‌খটিয়েদি ওপৰলৈ উঠিবলৈ ধৰিলে। সুচৰিতাই তাইৰ কাষে কাষে অহা হাৰা মাটৰলৈ নোচোৱাকৈয়ে কোঠাত সোমাই গোৰাক কলে,—"মাহীয়ে আপোনাৰ কাৰণে জলপান কৰিবলৈ গৈছে। মই এবাৰ তেখেতৰ তৰিৰপৰা আহোঁ গৈ দেই।" এইবুলি তাই বেগা-বেগিকৈ ওলাই গ'ল গৈ। হাৰান গহীন হৈ চকী এখন টানি লৈ বহিল।

তাৰ পিচত হাৰানে কলে,—"আপোনাক অলপ খীণোৱা যেন লাগিছে দেখোন।"

গোৰাই কলে,—"হয়, আজি কিছুদিন ধৰি খীণোৱাৰ চিকিৎসাই চলিছিল।"

হাৰানে মাতটো অলপ কোমলাই কলে,—"সঁচাকৈয়ে, আপুনি ব কষ্ট পাবলগীয়া হ'ল।"

গোৰাই কলে,—"যিমান আশা কৰা যায় তাতকৈ বেচি একো নহয়।"

হাৰানে কলে,—"বিনয় চেটাৰ্জীৰ বিষয়ে আপোনাৰ লগত অলপ আলোচনা কৰিবলগীয়া আছিল। অহা দেওবাৰে ব্ৰাহ্ম সমাজত তেওঁ দীক্ষা লবলৈ যো-জা কৰিছে বুলি বোধকৰোঁ আপুনি শুনিছে।"

গোৰাই কলে,—"ওহোঁ, মই নাই শুনা।"

হাৰানে সুধিলে,—"আপোনাৰ ইয়াত মত আছে জানো?"

গোৰাই কলে,—"বিনয়ে তো মোৰ মত বিচৰা নাই।"

হাৰানে আকৌ সুধিলে,—"বিনয় চেটাৰ্জী আচল বিশ্বাসেৰে সৈতে এই দীক্ষা গ্ৰহণ কৰিবলৈ ওলাইছে বুলি আপুনি ভাবে নে কি?"

গোৰাই উত্তৰ দিলে,—"তেওঁ দীক্ষা লবলৈ ৰাজী হৈছে যেতিয়া আপোনাৰ এই প্ৰশ্ন একেবাৰে অনাৱশ্যক।"

হাৰানে কলে,—"প্ৰবৃত্তি যেতিয়া প্ৰবল হৈ উঠে তেতিয়া আমি কি বিশ্বাস কৰোঁ নকৰোঁ সেইটোৰ ভাবি চাবলৈ সময়কে নেপাওঁ। আপুনি দেখোন মানৱ চৰিত্ৰ জানেই।"

গোৰাই কলে,—"ওহোঁ, মানৱ চৰিত্ৰৰ বিষয়ে মই অনাৱশ্যক আলোচনা নকৰোঁ।"

হাৰানে কলে,—"আপোনাৰ লগত মোৰ মতৰ আৰু সমাজৰ মিল নাই সঁচা, কিন্তু মই আপোনাক শ্ৰদ্ধা কৰোঁ। মই ভালকৈয়ে জানো যে আপুনি যিটো বিশ্বাস কৰে, সি সঁচাই হওক বা মিছাই হওক কোনো প্ৰলোভনেই আপোনাক তাৰপৰা লৰাব নোৱাৰে। কিন্তু—"

গোৰাই বাধা দি কলে,—"মোক আপুনি যিকণ শ্ৰদ্ধা দেখুৱাইছে সেইকণৰ নো এনে কি মূল্য আছে যে তাৰপৰা বঞ্চিত হলেই বিনয়ৰ বৰ ডাঙৰ কিবা ক্ষতি হব? সংসাৰত ভাল আৰু বেয়া নিশ্চয় দুয়োটাই আছে। আপোনাৰ শ্ৰদ্ধা আৰু অশ্ৰদ্ধাৰদ্বাৰাই তাৰ মূল্য নিৰূপণ কৰে যদি কৰক, কিন্তু সেইবুলি জগতৰ মানুহক তাকে গ্ৰহণ কৰিবলৈ নকব।"

হাৰানে কলে,—"বাৰু ভাল কথা, এই কথাৰ মীমাংসা নকৰিলেও হব। কিন্তু মই আপোনাক সুধিব খুজিছো বিনয়ে যে ভট্ট ডাঙৰীয়াৰ ঘৰত বিয়া কৰাবলৈ ওলাইছে, তাত আপুনি বাধা নিদিয়ে জানো?"

গোৰাই খঙতে ৰঙা পৰি কলে,—যাটৰ ডাঙৰীয়া, বিনয়ৰ বিষয়ে এইবোৰ আলোচনা মই জানো আপোনাৰ লগত কৰিব পাৰোঁ? আপুনি সদায় মানৱ চৰিত্ৰ লৈয়েই থাকে যেতিয়া আপোনাৰ এইটোও বুজা উচিত আছিল যে বিনয় মোৰ হে বন্ধু, আপোনাৰ বন্ধু নহয়।"

হাৰানে কলে,—"এই ঘটনাটোৰ লগত ব্ৰাহ্ম সমাজৰ সম্বন্ধ আছে বুলিহে মই এই কথা উলিয়াইছোঁ। নহলে—"

গোৰাই কলে,—"কিন্তু মইতো ব্ৰাহ্ম সমাজৰ একো নহয়। মোৰ কাৰণে আপোনাৰ এই দুশ্চিন্তাৰ মূল্য কি?"

এনেতে সুচৰিতা আহি কোঠাটোত সোমালহি। হাৰানে তাইক কলে,—"সুচৰিতা, তোমাৰ লগত মোৰ অলপ দৰ্কাৰী কথা আছে।"

এই কথাষাৰ কবৰ যে কিবা আৱশ্যক আছিল সেইটো নহয়। সুচৰিতাৰ লগত তেওঁৰ বিশেষ ঘনিষ্ঠতা থকা বুলি গোৰাক দেখুওৱাৰ বাবেই হাৰানে উপযাচি কথাষাৰ কলে। সুচৰিতাই কথাষাৰৰ একো উত্তৰেই নিদিলে। গোৰায়ো নিজৰ আসনৰপৰা লৰচৰেই নকৰিলে। হাৰানে সুচৰিতাৰ লগত প্ৰেমালাপ কৰিবলৈ সুবিধা কৰি দিবৰ কাৰণে সি উঠিবৰ একো লক্ষণ নেদেখুৱালে।

হাৰানে আকৌ কলে,—"সুচৰিতা, সৌটো কোঠালৈ ব'লাচোন। তোমাক এটা কথা কওঁ।"

সুচৰিতাই এইবাৰো একো উত্তৰ নিদি গোৰালৈ চাই সুধিলে,—"আপোনাৰ মাক ভালে আছেনে?"

গোৰাই কলে,—“আইৰ অসুখ-বিসুখ হোৱাৰ কথা দেখোন কবই নোৱাৰোঁ।”

সুচৰিতাই কলে,—“অসুখ-বিসুখ নোহোৱাকৈ থকাটো তেখেতৰ বাবে যে কিমান সহজ সেইটো মই জানো।”

গোৰা কাটেকত থাকোঁতে আনন্দময়ীক দেখাৰ কথা তাইৰ মনত পৰিল।

এনেতে হাৰানে হঠাতে মেজৰ ওপৰৰপৰা পুথি এখন লৈ সেইখন মেলি প্ৰথমেই লেখকৰ নামটো চালে। তাৰ পিচত পুথিখনৰ অ'ত ত'ত মেলি চকু ফুৰাবলৈ ধৰিলে।

সুচৰিতা ৰঙা পৰি গ'ল। সেইখন যে কোনখন পুথি গোৰাই জানিছিল। সেই কাৰণে সি পেটে পেটে অলপ হাঁহিলে।

হাৰানে সুধিলে,—“ডাঙৰীয়া, এয়া হব পাই আপুনি সৰুকালতে লিখা পুথি?”

গোৰাই হাঁহি হাঁহি কলে,—“সেই সৰুকাল এতিয়াও চলি আছে। কোনো কোনো জীৱৰ সৰুকালডোখৰ নিচেই কম সময়তে উকলি যায়, কাৰো কাৰো আকৌ বৰ দীঘলীয়া হয়।”

তেনেতে সুচৰিতা চকীৰপৰা উঠি কলে,—“ডাঙৰীয়া, আপোনাৰ চাহ-জলপান ইমান পৰে হ'ল কিজানি। আপুনি তেনেহলে সৌটো কোঠালৈকে বলক। মাহী আকৌ বাহিৰ ডাঙৰীয়াৰ আগত নোলায়। তেখেতে কিজানি আপোনাৰ কাৰণে বৈয়েই আছে।”

এই শেষৰ কথাষাৰ সুচৰিতাই হাৰানক বিশেষকৈ আঘাত দিবৰ কাৰণেই কৈছিল। তাই আজি বহুতো সহিছে, ওলোটাই এখুন্দা নিদিয়াকৈ আৰু থাকিব নোৱাৰিলে।

গোৰাই থিয় দিলে। হাৰিও হাৰ মানিব নোখোজা হাৰানে কলে,—“মই তেনেহলে অলপ পৰ বওঁয়েই।”

সুচৰিতাই কলে,—“কিয়নো মিছাকৈ বৰ লাগিছে? আজি আৰু মোৰ সময় নহব।”

কিন্তু হাৰান নুঠিল। সুচৰিতা আৰু গোৰা কোঠাটোৰপৰা ওলাই গ'লগৈ।

গোৰাক এইখন ঘৰত দেখি আৰু তাৰ প্ৰতি সুচৰিতাৰ ব্যৱহাৰ লক্ষ্য কৰি হাৰানৰ মনে যেন অস্ত্ৰ ধাৰণ কৰিলে। ব্ৰাহ্ম-সমাজৰপৰা সুচৰিতা এইদৰে পিছলি পৰি যাবনে? তাইক ৰক্ষা কৰিবলৈ কোনো নাই নে কি? যেনেকৈয়ে হওক ইয়াত বাধা দিবই লাগিব।

হাৰানে কাগজ এজোখৰ লৈ সুচৰিতালৈ এখন চিঠি লিখিবলৈ ধৰিলে। হাৰানৰ কিছুমান ধৰা-বন্ধা বিশ্বাস আছিল। তাৰ ভিতৰত এইটোও এটা যে সত্যৰ চেনু লৈ তেওঁ যেতিয়া বিকৰ্ষণা কৰিবলৈ ধৰে, তেতিয়া তেওঁৰ সেই তেজস্বী বাক্য কেতিয়াও অথলে যাব নোৱাৰে। অকল বাক্যই যে সকলো নহয়, মানুহৰ মন বুলিও যে এটা পদাৰ্থ আছে, সেইটো তেওঁ নেভাবেই।

চাহ-জলপান খাই উঠি হৰিমোহিনীৰ লগত বহু সময় কথা-বতৰা পাতি গোৰাই যেতিয়া তাৰ লাঠুচিডাল লবলৈ সুচৰিতাৰ কোঠালৈ আহিল, তেতিয়া সন্ধিয়া লাগি আহিছিল। সুচৰিতাৰ মেজৰ ওপৰত চাকি এটা জলাই থোৱা আছিল। হাৰান গুচি গৈছে গৈ। সুচৰিতাৰ নাম লিখা চিঠি এখন মেজৰ ওপৰতে পৰি আছিল। কোঠাটোত সোমালেই সেইখন চকুত পৰে।

সেই চিঠিখন দেখিয়েই গোৰাৰ অন্তৰ যেন হঠাৎ বৰ কঠিন হৈছিল। চিঠিখন যে হাৰানেই লিখিছে তাত একো সন্দেহ নাছিল। সুচৰিতাৰ ওপৰত হাৰানৰ এটা বিশেষ অধিকাৰ আছে বুলি গোৰাই জানিছিল। সেই অধিকাৰৰ কিবা ব্যতিক্ৰম ঘটিছে বুলি অৱশ্যে খবৰ গোৰা নাছিল। আজি যেতিয়া সতীশে সুচৰিতাৰ কাণে কাণে পানু বাবুৰ অহা বুলি কলেহি আৰু সুচৰিতাই তাকে শুনি চকু খাই উঠি খৰখৰকৈ তললৈ নামি গৈ অলপ পিচতেই নিজে তেওঁক লগত লৈ ওপৰলৈ উঠি আহিল, তেতিয়া গোৰাৰ মনটো বৰ কেনেবা কেনেবা লাগিছিল। তাৰ পিচতে হাৰানক যেতিয়া কোঠাটোত অকলে এৰি থৈ গোৰাক তাই চাহ খুৱাবলৈ ভিতৰলৈ নিলে, সেই ব্যৱহাৰখিনিও তেতিয়া তাৰ বৰ বেচি কঠুৱা যেন লাগিছিল। হয়, বৰ বেচি সনাপিঠা হলেই এনে ব্যৱহাৰ কৰা সম্ভৱ বুলি ভাবি গোৰাই গোটেই ঘটনাটোকে আত্মীয়তাৰ লক্ষণ বুলিয়েই ধৰি ললে। তাৰ পিচতে মেজৰ ওপৰত আকৌ এই চিঠিখন দেখি সি এটা ডাঙৰ খুন্দা খালে। চিঠি—এটা বৰ ৰহস্যময় বস্তু। বাহিৰত মাথোন নামটো দেখুৱাই ভিতৰত চিঠিখনে সকলো কথা লুকুৱাই থয় বুলিয়েই চিঠিয়ে মানুহক অনাহকতে হাৰাবান কৰিব পাৰে।

গোৰাই সুচৰিতাৰ মুখলৈ চাই কলে,—"মই কাইলৈ আহিম।"

সুচৰিতাই চকু তললৈ নমাই কলে,—"বাৰু।"

গোৰা যাবলৈ ওলাই হঠাতে থৈ কলে,—"ভাৰতবৰ্ষৰ সৌৰজগতৰ মাজত যে তোমাৰ ঠাই। তুমি মোৰ আপোন দেশৰ। কোনো ধুমকেতুৰ

আহি তোমাক যে তাৰ নেজেৰে লাগি লৈ যাব, সেইটো কোনোবকমে হব নোৱাৰে। য'ত তোমাৰ ঠাই, তাতে তোমাক মই স্থাপনা কৰিবলৈ এৰিম। তোমাৰ সত্যই, তোমাৰ ধৰ্মই সেই ঠাইত তোমাক লগ নিদিয় বুলি ইহঁতে তোমাক বুজাইছে। মই তোমাক এই কথা ভালকৈ বুজাই দিম যে তোমাৰ সত্য, তোমাৰ ধৰ্ম, মাখোন তোমাৰ বা আন দুই চাৰিজনৰ মত বা বাক্য নহয়। সি চাৰিওকালৰ লগত অসংখ্য প্ৰাণৰ সূত্ৰেৰে বান্ধ খাই আছে। মন গ'লেই তাক হাবিৰপৰা উভালি আনি টবত পুতি থ নোৱাৰি। যদি তাক উজ্জ্বল কৰি জীয়াই ৰাখিব খোজা, যদি তাক সৰ্ব্বাঙ্গীন ৰূপে সাৰ্থক কৰি তুলিব খোজা, তেনেহলে তুমি ওপজাৰ বহু আগতেই যিখন সমাজৰ মানুহৰ অন্তৰৰ মাজত তোমাৰ স্থান নিৰ্দ্দিষ্ট হৈ গৈছে তাতেই তুমি তোমাৰ আসন লব লাগিব। কোনো মতেই কব নোৱাৰিবা যে সেইজন মোৰ পৰ, তেওঁ মোৰ একো নহয়। এইবোৰ কথা যদি কোৱা তেনেহলে তোমাৰ সত্য, তোমাৰ ধৰ্ম, তোমাৰ শক্তি একেবাৰে ছাঁৰ দৰে নোহোৱা হৈ যাব। ভগৱন্তই তোমাক যি ঠাইতে পঠিয়াইছে সেই ঠাই যেনেকুৱাই হওক তোমাৰ মতে যদি তাৰপৰা তোমাৰ টানি আঁতৰাই লৈ যায় তেনেহলে কিন্তু তেতিয়াও তোমাৰ মতৰ জয় নহব— এই কথাষাৰ মই তোমাক ভালকৈ বুজাই দিম। মই কাইলৈ আহিম।"

এইবুলি গোৰা গুচি গ'ল। কোঠাটোৰ ভিতৰৰ বতাহ যেন বহু পৰ লৈকে কঁপি কঁপি থাকিল। সুচৰিতা মূৰ্ত্তিৰ দৰে নিথৰ হৈ বহি ৰ'ল।

৫৮

বিনয়ে আনন্দময়ীক কলে,—"শুনা আই, মই তোমাক সঁচা কথা কওঁ, মই যিমানবাৰেই গোঁসাইসেৱা কৰিছোঁ সিমানবাৰেই মই নিজে নিজের লাজ পাইছোঁ। সেই লাজ ঢাকি থৈ বুৰাই আকৌ গোঁসাইসেৱা কৰাৰ হকে মই ভাল ভাল প্ৰবন্ধও লিখিছোঁ। কিন্তু মই তোমাক সঁচাই কৈছোঁ আই, মই যেন অন্তৰৰপৰা গোঁসাইসেৱা কৰিব নোৱাৰোঁ।"

আনন্দময়ীয়ে কলে,—"তোৰ মনটোও জানো সহজ নহয়! তই তো কোনো কথাকে সহজ ভাৱে নলয়। প্ৰতিটো কথাৰেই খাঁজি-খুঁজি মাৰি ভাবিবলৈ চেষ্টা কৰ। আৰু সেই কাৰণেই তোৰ মনটোৰ কেতিয়াও খুঁচুৰনি নুগুচে।"

বিনয়ে কলে,—"এইটোৱেই ঠিক কথা। মোৰ বৰ বেছি সূক্ষ্ম বুদ্ধি থকা কাৰণেই নিজে বিশ্বাস নকৰা কথাবোৰো কঁহিয়াই কঁহিয়াই যুক্তিৰে সৈতে প্ৰমাণ কৰিব পাৰোঁ। সুবিধা বুজি নিজকো আৰু আনকো মনাওঁ। ইমানদিনে মই ধৰ্মৰ বিষয়ে যিবোৰ তৰ্ক কৰিছোঁ, সেইবোৰ ধৰ্মৰ কাৰণে কৰা নাই, দলৰ কাৰণেহে কৰিছোঁ।"

আনন্দময়ীয়ে কলে,—"ধৰ্মৰ প্ৰতি সঁচাসঁচি টান নথাকিলে এনেকুৱাই হয়। তেতিয়া ধৰ্মটোও বংশ, মান, ধন সম্পত্তিৰ দৰে এটা অহংকাৰ কৰিবলগীয়া বস্তু হৈ পৰে।"

বিনয়—"ওঁ, তেতিয়া আচল ধৰ্মনো কি তাৰ বিষয়ে আমি ভাবকে নকৰোঁ। এইটোৱেই আমাৰ ধৰ্ম বুলি থিবাং কৰি লৈ যুঁজ কৰি ফুৰোঁ মুঠেই। ময়ো ইমানদিনে তাকেই কৰিছোঁ। তথাপিও নিজক যে মই পূৰা-পূৰিকৈ মনাব পাৰিছোঁ সেইটো নহয়। মোৰ বিশ্বাসে চুকি নোপোৱা হলেই মই ভক্তিৰ ভাও জোৰো বুলি সদায়েই মই নিজকে নিজে লাজ পাওঁ।"

আনন্দময়ীয়ে কলে,—"সেইটোও নো আৰু মই নুবুজোনে? তহঁতে যে সাধাৰণ মানুহতকৈ বহুতো বেছি উৎপাত কৰ, তাৰপৰাই বঢ়িয়াকৈ বুজিব পাৰি যে তহঁতৰ নিজৰ মনৰ ভিতৰতে কেৰোণ আছে, আৰু তাঁকে গুচুৱাবলৈ তহঁতে বহুতো মাল-মচলা খৰচ কৰিব লাগে। ভক্তি সহজ হলে এইবোৰ কৰাৰ কোনো দৰ্কাৰ নহয়।"

বিনয়ে কলে,—"সেই কাৰণেই তো মই তোমাক সুধিবলৈ আহিছোঁ—যে মই যিটো কথা বিশ্বাস নকৰোঁ, সেইটো বিশ্বাস কৰাৰ ভাও জোৰাটো জানো ভাল কথা?"

আনন্দময়ীয়ে কলে,—"কথাটো শুনচোন! এইটো কথাও সুধিব লাগেনে?"

বিনয়ে কলে,—"আই, মই পৰহিলৈ ব্ৰাহ্ম-সমাজত দীক্ষা লম।"

আনন্দময়ীয়ে আচৰিত হৈ কলে,—"এইটো আকৌ কি কথা বিনয়? দীক্ষা লোৱাৰ এনে কি দৰ্কাৰ হৈছে?"

বিনয়ে কলে,—"কি দৰ্কাৰ লো হৈছে তাকেই তো দেখোন ইমান পৰে কৈ আছিলোঁ আই!"

আনন্দময়ীয়ে কলে,—"তই যিবোৰ কথা বিশ্বাস কৰ সেইবোৰবে সৈতে আমাৰ সমাজত জানো থাকিব নোৱাৰি?"

বিনয়ে কলে,—"থাকিলে কপটীয়া কৰা হব।"

আনন্দময়ীয়ে কলে,—"কলিকতা নগৰতে থাকিবৰ সাহ নাই নে কি? সমাজৰ মানুহে দুখ দিব হয়, কিন্তু সেই দুখ সহ্য কৰিও তই থাকিব নোৱাৰিবি নে?"

বিনয়ে কলে,—"মাই, মই যদি হিন্দু সমাজৰ মত মতে নচলোঁ, তেনে-হলে—"

আনন্দময়ীয়ে কলে,—"হিন্দু সমাজত যদি তিনিশ তেত্ৰিশ কোটি মত চলিব পাৰে, তেনেহলে তোৰ মতটোৱেই বা নচলিব কিয়?"

বিনয়ে কলে,—"কিন্তু মাই, আমাৰ সমাজৰ মানুহে যদি কয় 'তুমি হিন্দু নহয়' তেতিয়া মই গাৰ বলেৰে মই হিন্দু বুলি কলেই হব জানো?"

আনন্দময়ীয়ে কলে,—"মোকো সেখোন আমাৰ সমাজৰ মানুহবোৰে খৃষ্টান বুলি কয়। মই তো কাজে-কামে সিহঁতৰ লগত একলগে বহি নেখাওঁ। তথাপিও সিহঁতে মোক খৃষ্টান বুলিলেই যে মই সেই কথা মানি লব লাগিব, সেই বুলি তো মই নেভাবোঁ। যিটো উচিত বুলি ভাবোঁ তাৰ কাৰণে কৰবালৈ গৈ পলাই লুকাই থকাটো মই অন্যায় বুলি ভাবোঁ।"

বিনয়ে কিবা উত্তৰ দিব খুজিছিল। কিন্তু আনন্দময়ীয়ে তাক কবলৈ নিদি আকৌ কলে,—"বিনয়, তোক মই তৰ্ক কৰিবলৈ নিদিওঁ। এইয়া তৰ্ক কৰা কথা নহয়। তই মোৰপৰা কিবা জানো লুকুৱাব পাৰিবি? তই যে মোৰ লগত তৰ্ক কৰাৰ চেলু লৈ মোৰকৈ নিজকে ৰখিব খুজিছ সেইটো তো মই বুজি পাইছোঁ। কিন্তু ইমান ডাঙৰ এটা গুৰুতৰ কথাত এইদৰে ফাঁকি-ফুকা কৰিবলৈ চেষ্টা নকৰিবি।"

বিনয়ে মূৰ তললৈ কৰি কলে,—"কিন্তু মাই, কাইলৈ দীক্ষা লম বুলি মই যে চিঠি লিখি কথা দিলোঁৱেই।"

আনন্দময়ীয়ে কলে,—"সেইটো হব নোৱাৰে। ভট্ট ডাঙৰীয়াক মই বুজাই কলে তেখেতে কেতিয়াও জোৰ নকৰে।"

বিনয়ে কলে,—"এই দীক্ষাৰ কাৰণে ভট্ট ডাঙৰীয়াৰ অকণো আগ্ৰহ নাই। তেখেতে এই অনুষ্ঠানত যোগো নিদিয়ে।"

আনন্দময়ীয়ে কলে,—"তেনেহলে তই অকণো চিন্তা নকৰিবি।"

বিনয়ে কলে,—"নহয় মাই, সকলো ঠিক হৈ গৈছে। এতিয়া আৰু পিচ হঁহকিব নোৱাৰি। কোনোৰকমেই নোৱাৰি।"

আনন্দময়ীয়ে সুধিলে,—"গোৰাক কৈছ নে?"

বিনয়ে কলে,—"গোৰাৰ লগত মোৰ দেখাই হোৱা নাই।"

আনন্দময়ীয়ে কলে,—"কিয়, গোৰা এতিয়া ঘৰত নাই নে কি?"

বিনয়ে কলে,—"ভয়ো নাই। সুচৰিতাৰ ঘৰলৈ গৈছে বুলি শুনিলোঁ।"

আনন্দময়ীয়ে আচৰিত হৈ কলে,—"তাতে দেখোন সি কালিও গৈছিল।"

বিনয়ে কলে,—"আজিও গৈছে।"

এনেতে চোতালত দোলাৰ দোলাভাৰীৰ ভৰিৰ শব্দ শুনা গ'ল। আনন্দময়ীৰ কোনোবা লগা-ভগা তিৰোতা মানুহ আহিছে বুলি ভাবি বিনয় বাহিৰলৈ ওলাই গ'ল।

ললিতা আহি আনন্দময়ীক সেৱা কৰিলেহি। আনন্দময়ীয়ে আজি ললিতা আহিব বুলি সমূলি ভবা নাছিল। তেখেতে আচৰিত হৈ ললিতাৰ মুখলৈ চাওঁতেই বুজিলে যে বিনয়ৰ দীক্ষাৰ কথা লৈ ললিতা কিবা এটা বিপদত পৰিছে আৰু সেই কাৰণেই তাই তেখেতৰ ওচৰলৈ আহিছে।

তেখেতে কথা উলিয়াবলৈ সুবিধা কৰি দিবৰ কাৰণে কলে,—"আই, তুমি অহা দেখি বৰ ভাল পালোঁ। এইমাত্ৰ বিনয়ো ইয়াতে আছিল। কাইলৈ সি তোমালোকৰ সমাজত দীক্ষা লব, মোৰ লগত সেইবোৰ কথাকে পাতি আছিল।"

ললিতাই কলে,—"তেখেতে নো দীক্ষা লবলৈ ওলাইছে কিয়? দীক্ষা লোৱাৰ জানো কিবা দৰ্কাৰ আছে?"

আনন্দময়ীয়ে আচৰিত হৈ সুধিলে,—"দৰ্কাৰ নাই জানো আই?"

ললিতাই কলে,—"কোনো দৰ্কাৰ থকা যেন মোৰ দেখোন নেলাগে।"

আনন্দময়ীয়ে ললিতাৰ উদ্দেশ্য বুজিব নোৱাৰি তাইৰ মুখলৈ চাই থাকিল।

ললিতাই তলমূৰৈ কলে,—"হঠাৎ এইদৰে দীক্ষা লবলৈ ওলোৱাটো তেখেতৰ বাবে বৰ অপমানজনক। এই অপমান নো তেখেতে কিহৰ বাবে মূৰ পাতি লবলৈ ওলাইছে?"

'কিহৰ বাবে?' এই কথা জানো ললিতাই নেজানে? ইয়াত ললিতাই ভাল পাবলগীয়া কথা একোকে নাই নে?

আনন্দময়ীয়ে কলে,—"কাইলৈ দীক্ষাৰ দিন। সি খাটাং কথা দি আহিছে। এতিয়া আৰু কথা লৰচৰ কৰিবৰ উপায় নাই। বিনয়ে দেখোন এইদৰেই কৈছে।"

ললিতাই তাইৰ জলি থকা চকুযুৰিৰে আনন্দময়ীৰ মুখলৈ চাই কলে—"এইবোৰ বিষয়ত খাটাং কথা দিয়াৰ একো মানে নাই। লৰচৰ কৰিবৰ আৱশ্যক হলে কৰিবই লাগিব।"

আনন্দময়ীয়ে কলে,—"আই, তুমি মোৰ আগত লাজ নকৰিবা। [illegible]

কথা তোমাক খুলিয়েই কওঁ। ইয়াৰ পৰে মই বিনয়ক ইয়াকে বুজাইছিলোঁ যে যাৰ ধৰ্ম্ম বিশ্বাস বিয়েই নহওক লাগে, সমাজক ত্যাগ কৰাটো তাৰ উচিত নহয় আৰু দৰ্কাৰো নাই। মুখেৰে বিয়েই নকওক, সিও এইবোৰ কথা নুবুজে বুলি মই কব নোৱাৰোঁ। কিন্তু আই, তাৰ মনৰ ভাব তুমিতো নজনা নহয়। সমাজ নেৰিলে তোমালোকৰ লগত তাৰ যোগ হব নোৱাৰে বুলি সি ভালকৈয়ে জানে। লাজ নকৰিবা আই, কথাটো হয় নে নহয় সঁচাকৈয়ে কোৱাচোন ?"

ললিতাই আনন্দময়ীৰ মুখৰ পিনে চাই থাকিয়েই কলে,—"আই, তোমাৰ আগত মই অকণো লাজ নকৰোঁ। মই এইবোৰ একোকে নেমানো বুলি তোমাক কৈছোঁয়েই। মই খুব ভালকৈয়ে ভাবি চাইছোঁ যে মানুহৰ ধৰ্ম্ম বিশ্বাস, সমাজ বিয়েই নহওক লাগে, সেইবোৰ সকলো লোপ কৰি দিহে মানুহে মানুহৰ লগত যোগ হব পাৰিব, এনে কথা কেতিয়াও হব নোৱাৰে। তেনেহলে দেখোন হিন্দু আৰু খৃষ্টানৰ বন্ধুত্বও হব নোৱাৰে। তেতিয়া হলে ডাঙৰ ডাঙৰ দেৱাল গাঁথি দি একোটা সম্প্ৰদায়ক একো একোখন বেৰাৰ মাজত আগুৰি থোৱাহে উচিত।"

আনন্দময়ীৰ মুখখন প্ৰফুল্ল হৈ উঠিল। তেখেতে কলে,—"আই, তোমাৰ কথাবোৰ শুনি বৰ ভাল লাগিল।ময়ো তাকেই কওঁ। এজন মানুহৰ লগত আন এজনৰ ৰূপ, গুণ, স্বভাৱ একোকে নিমিলে। কিন্তু তথাপিও তো মানুহ দুজনৰ মিলনত বাধা নাই। তেনেহলে মত বা বিশ্বাসৰ কাৰণেই নো কিয় বাধা পাব লাগে ? আই, তুমি মোক ৰক্ষা কৰিলা। বিনয়ৰ কাৰণে মই বৰ বিপোৰত পৰিছিলোঁ। সি তাৰ গোটেই মন তোমালোকক উজাৰি দিছে বুলি মই জানো। তোমালোকৰে তাৰে সম্বন্ধত কৰবাত কেনেবাকৈ আঁচোৰ এটা লাগিলেও সি আৰু সহিব নোৱা-ৰিব। সেই কাৰণেই তাক বাধা দিবলৈ মোৰ যে মনটো কেনেখন লাগিছিল, একমাত্ৰ ভগৱন্তইহে জানে। কিন্তু সঁচাকৈয়ে তাৰ বৰ কপাল। ইমান ডাঙৰ বিপদ এটাৰপৰা তাক তুমি যে ইমান সহজে ৰক্ষা কৰিলা, এইটো জানো কম কথা। এটা কথা সোধোঁ সেই, তই ভাৱনীয়াৰ লগত তুমি এই বিষয়ে কিবা কথা পাতিছিলা নে কি ?"

ললিতাই খড়ি কটেৰে লাজ-কাজ কাতিকৈ থৈ কলে,—"ওহোঁ, নাই পতা। কিন্তু মই জানো যে তেখেতে সকলো কথা ঠিক মতেই বুজি পাব।"

আনন্দময়ীয়ে কলে,—"তাকেই তো। তেখেতে যদি বুজে তেতে

তুমি এনেকুৱা বুলি, ইমান ধনৰ ধনলো ক'ৰপৰা পালা? আহঁ, মই বিনয়ক মাতি আনোগৈ। তাৰ লগত তুমি নিজে বুজা-বুজিকৈ কথা পাতি কিবা এটা নিষ্পত্তি কৰি লোৱা উচিত। এইখিনিতে মই তোমাক এটা কথা কৈ থওঁ আহঁ। বিনয়ক মই নিচেই অকণমানটোৰপৰাই দেখিছোঁ। সি এনে এটা ল'ৰা—যাৰ কাৰণে তোমালোকে যিমান দুখেৰে বুকু পাতি লোৱা সি সেই সকলো দুখকে যে সাৰ্থক কৰি তুলিবই—এই কথা মই তোমাক থুকপকৈ কব পাৰোঁ। মই কিমান দিন ভাবিছোঁ যে বিনয়ক যিজনীয়ে পাব তাইৰ দৰে ভাগ্যৱতী নো কোন আছে। মাজে-সময়ে বহুতে ছোৱালী যাচেছি, কিন্তু কাকো দেখোন মোৰ মনেই নধৰে। আজি দেখিছোঁ যে তাৰ কপালখনো তেনেই সৰু নহয়।"

এইবুলি আনন্দময়ীয়ে ললিতাৰ ঠুটবিত ধৰি চুমা এটা খাই বিনয়ক মাতি আনিলেগৈ। তেখেতে বুদ্ধি কৰি লছমিয়াক কোঠাটোত বহুৱাই থৈ ললিতাৰ কাৰণে চাহ-জলপান কৰাৰ চেলু লৈ তাৰপৰা ওলাই গ'ল।

আজি ললিতা আৰু বিনয়ৰ লাজ বা সঙ্কোচ কৰাৰ সময় নাছিল। সিহঁত দুয়োৰে জীৱনত আজি যি এটা অগ্নি-পৰীক্ষা উপস্থিত হৈছেহি, তাৰ আহ্বানত সিহঁতে পৰস্পৰৰ সম্বন্ধ সহজ আৰু অসাধাৰণ ৰূপত দেখিলে। সিহঁতৰ মাজত আবেশৰ বাষ্পই কোনো ৰঙীন আঁৰ-কাপোৰ তৰি নিদিলে। সিহঁত দুয়োৰো অন্তৰ যে এক হৈ পৰিছে, সিহঁত দুয়োৰে জীৱনৰ সোঁতে যে গঙ্গা-যমুনাৰ দৰে এটি পুণ্য তীৰ্থত এক হবৰ কাৰণে আগবাঢ়ি আহিছে, এই কথাষাৰ অকণো আলোচনা নকৰাকৈয়ে সিহঁত দুয়োয়ে বিনীত, গম্ভীৰ ভাৱে, নীৰৱে, অকুণ্ঠিতচিত্তে মানি ললে। সমাজে সিহঁত দুয়োকে মতা নাই, কোনো মতবাদে সিহঁত দুয়োকে মিলোৱা নাই, সিহঁতৰ বন্ধন কোনো কৃত্ৰিম বন্ধন নহয়, এইবোৰ কথা সুঁৱৰি সিহঁতে সিহঁতৰ মিলনক এনে এটি ধৰ্মৰ মিলন বুলি অনুভৱ কৰিলে, যি ধৰ্ম অতি বৃহৎভাৱে সৰল, যি ধৰ্মই কোনো সৰু কথাৰ কাৰণে বাক্-বিতণ্ডা নকৰে, যি ধৰ্মক কোনো পঞ্চায়তৰ মেলেকীয়ে বাধা দিব নোৱাৰে। ললিতাৰ চকু-মুখ উজলি উঠিল। তাই কলে,—"আপুনি যে কুঁজা হৈ নিজকে সৰু কৰি মোক গ্ৰহণ কৰিব, এই অগৌৰৱ মই সহিব নোৱাৰোঁ। আপুনি য'ত আছে, তাতেই থিৰ হৈ থাকিব, তাকেহে মই জানোঁ।"

বিনয়ে কলে,—"আপুনিও য'ত আছে তাতেই থিৰ হৈ থাকিব লাগিব। অকণো লৰচৰ কৰিব নোৱাৰে। প্ৰীতিয়ে যদি বেলেগ বোলাটো মানি লব নোৱাৰে তেন্তেহলে জগতত নো প্ৰভেদ আছে কিয়?"

প্ৰায় কুৰি মিনিটমান দুয়ো যি কথা-বতৰা পাতিছিল তাৰ সাৰাংশখিনি হ'ল এয়ে,—সিহঁত হিন্দু নে ব্ৰাহ্ম এই কথা সিহঁতে পাহৰিলে। সিহঁত যে দুটা মাথো মানৱাত্মা এই কথাই সিহঁত দুয়োৰে মনত ধীৰভাৱে জ্বলি থকা দীপ-শিখাৰ দৰেই জ্বলিবলৈ ধৰিলে।

৫৯

ভট্ট ডাঙৰীয়াই গোঁসাই সেৱা কৰি উঠি সন্মুখৰ বাৰাণ্ডাত পিটাল মাৰি বহি আছিল। তেতিয়া চকা মাৰ গৈছে।

তেনেতে ললিতাক লগত লৈ বিনয় তালৈ আহিল আৰু দীঘল দি সেৱা কৰি ভট্ট ডাঙৰীয়াৰ ভৰিৰ ধূলা ললে।

পৰেশ ভট্টই দুয়োকো একেলগে এনেকৈ অহা দেখি অলপ আচৰিত হ'ল। ওচৰত বহিবলৈ দিবলৈ চকী নাছিল, সেই দেখি ক'লে,—"বলা ভিতৰলৈ বলা।" বিনয়ে ক'লে,—"নেলাগে, আপুনি উঠিব নেলাগে" এই বুলি কৈ সি মাটিতে বহিল। ললিতা অলপ আঁতৰ হৈ ভট্ট ডাঙৰীয়াৰ ভৰিৰ ওচৰতে বহিল।

বিনয়ে ক'লে,—"আমি দুয়ো একেলগে আপোনাৰ আশীৰ্ব্বাদ বিচাৰি আহিছোঁ। সেইয়াহে আমাৰ জীৱনৰ আচল দীক্ষা হব।"

পৰেশ ভট্ট আচৰিত হৈ তাৰ মুখলৈ চাই থাকিল।

বিনয়ে ক'লে,—"ধৰা-বন্ধা নিয়ম মতে সমাজত প্ৰতিজ্ঞা গ্ৰহণ নই নকৰোঁ। যি দীক্ষাই আমাৰ দুয়োৰো জীৱনৰ নত কৰি সত্যৰ বান্ধোনত বান্ধ খুৱাব, সেই দীক্ষা হৈছে আপোনাৰ আশীৰ্ব্বাদ। আমাৰ দুয়োৰো হৃদয় ভক্তিত আপোনাৰ ভৰিৰ ওচৰত দোঁ খাইছে—আমাৰ কিবা মঙ্গল হব লগা থাকিলে ঈশ্বৰে সেইয়া আপোনাৰ হাতেদিয়েই আমাক দিব।"

ভট্ট ডাঙৰীয়াই অলপ পৰ একো নকৈ মনে মনে বহি থাকিল। অলপ পাচত ক'লে,—"বিনয়, তেনেহলে তুমি ব্ৰাহ্ম নোহোৱা?"

বিনয়ে ক'লে,—"নহওঁ।"

পৰেশ ভট্টই ক'লে,—"তুমি হিন্দু সমাজতে থাকিব খোজা?"

বিনয়ে ক'লে,—"হয়।"

ভট্ট ডাঙৰীয়াই ললিতাৰ মুখলৈ চালে। ললিতাই তেওঁলোকৰ মনৰ ভাব বুজিব পাৰি ক'লে,—"দেউতা, মোৰ যি ধৰ্ম্ম সি মোৰ এতিয়াও আছে

আৰু সদায় মোৰ লগতে থাকিব। মোৰ হয়তো অসুবিধাও হব, কষ্টও হব ; কিন্তু যি সকলৰ মত, ধৰ্ম্ম আন কি আচাৰ ব্যৱহাৰবো মোৰ লগত একো মিল নাই, তেনে মানুহক পৰ বুলি ভাবি আঁতৰাই ৰাখিলে মোৰ ধৰ্ম্ম হানি হব, এই কথা মই কোনো ৰকমেই মানি লব পৰা নাই।"

ভট্ট ডাঙৰীয়া টলকা মাৰি থাকিল। ললিতাই কৈ গ'ল, "আগেয়ে, ব্ৰাহ্ম সমাজেই মোৰ একমাত্ৰ জগত বুলি মই ভাবিছিলোঁ আৰু বাকী সকলো যেন ছাঁয়াহে। ব্ৰাহ্ম সমাজৰপৰা আঁতৰ হোৱা মানে সকলো সত্যৰপৰাই যেন আঁতৰ হলোঁ, এনে যেন হে লাগিছিল। কিন্তু এইকেইদিনৰ ভিতৰতে মোৰ তেনে ভাব একেবাৰে নোহোৱা হ'ল।"

ভট্ট ডাঙৰীয়াই এটা দুখৰ হাঁহি মাৰিলে।

ললিতাই ক'লে,—"দেউতা, মই তোমাক কৈ বুজাব নোৱাৰোঁ যে মোৰ কিমান ডাঙৰ পৰিবৰ্ত্তন হ'ল। ব্ৰাহ্ম সমাজত মই যিবিলাক মানুহ পাইছোঁ তাবে বহুতৰ লগত মোৰ ধৰ্ম্মমত মিলিলেও মই কোনো ৰকমেই তেওঁলোকৰ লগত একে নহওঁ। এনে হোৱা সত্বেও ব্ৰাহ্ম সমাজ বোলা নাম এটাৰ আশ্ৰয় লৈয়েই তেওঁলোককেই মই মোৰ আপোন মানুহ বুলি কম আৰু পৃথিবীৰ অইন সকলোকে দূৰতে বিদূৰ কৰিম, এনে কথাৰ অৰ্থ মই নুবুজোঁ।"

পৰেশ ভট্টই বিদ্ৰোহী হৈ উঠা জীয়েকৰ পিঠিত লাহে লাহে হাত ফুৰাই ক'লে,—"নিজৰ কাৰণে মন যেতিয়া অস্থিৰ হৈ পৰে তেতিয়া জানো মানুহৰ বিচাৰ শক্তি থাকে? পূৰ্ব্বপুৰুষৰপৰা আৰম্ভ কৰি সন্তি-সন্ততিলৈকে মানুহৰ এটা পুৰণি নিয়ম আছে আৰু সেইটোৰ মঙ্গলৰ কাৰণেই সমাজ মানুহৰ প্ৰয়োজন। এই প্ৰয়োজন তো কৃত্ৰিম প্ৰয়োজন নহয়। তোমালোকৰ ভাবী বংশধৰসকলৰ বহুদূৰ ব্যাপি যিটো ভৱিষ্যত আছে আৰু যাৰ ওপৰত সেই ভৱিষ্যতৰ ভাৰ আছে, সেয়ে তোমালোকৰ সমাজ। এই সমাজৰ কথা জানো এবাৰো চিন্তা কৰি নেচাবা?"

বিনয়ে ক'লে,—"হিন্দু সমাজো তো আছে।"

পৰেশ ভট্টই ক'লে,—"হিন্দু সমাজে যদি তোমালোকৰ ভাৰ নলয়, তোমালোকক যদি স্বীকাৰ নকৰে?"

বিনয়ে আনন্দময়ীৰ কথা মনত পেলাই ক'লে, "হিন্দু সমাজক স্বীকাৰ কৰোৱাৰ ভাৰ আমিয়েই লব লাগিব। হিন্দু সমাজে সদায় নতুন নতুন

সম্প্ৰদায়ক আশ্ৰয় দি আছিছে। হিন্দু সমাজ সকলো সম্প্ৰদায়ৰে সমাজ হব পাৰে।"

পৰেশ ভট্টাই ক'লে,—"মুখেৰে তৰ্ক কৰি কোনো এটা বস্তু যেনেকৈ দেখুৱা হয়, কামত কিন্তু ঠিক তেনে নহয়। নহলে জানো কোনোবাই ইচ্ছা কৰি পুৰণি সমাজ এৰি দিব পাৰে? যি সমাজে বাহ্যিক আচাৰৰ শিকলিৰে মানুহৰ ধৰ্ম্মবোধক একে ঠাইতে বন্দী কৰি থব খোজে, সেই সমাজ মানিবলৈ হলে চিৰকাললৈ নিজকে কাঠৰ পুতলা কৰি পেলাব লাগিব।"

বিনয়ে ক'লে,—"হিন্দু সমাজৰ অৱস্থা যদি ইমানেই ঠেক, তেনেহলে সেই সমাজ বহল কৰাৰ ভাৰ আমিয়েই লব লাগিব; যিটো ঘৰৰ দুৱাৰ খিড়িকী কেৱলমান বঢ়াই দিলেই ভিতৰলৈ বতাহ পোহৰ আহিব পৰা হয়, তেনেকুৱা পকা ঘৰ কোনেও ভাঙি চুৰমাৰ কৰিব নোখোজে।"

ললিতাই মাত দিলে,—"দেউতা, এইবোৰ কথা মই নুবুজোঁ। কোনো সমাজৰ উন্নতি কৰাৰ ভাৰ লোৱাৰ মোৰ ইচ্ছা নাই। কিন্তু চাৰিওফালৰ-পৰা এনে কিছুমান অন্যায় অবিচাৰে মোক হেঁচা-ঠেলা কৰিব ধৰিছে যে মোৰ প্ৰায় উশাহ নিশাহ বন্ধ হৈ আছিছে। কোনো কাৰণতেই এইবোৰৰ ওচৰত মই মূৰ দোঁৱাই সহি থকা উচিত নহব। উচিত অনুচিতৰ কথাও মই ভালকৈ নুবুজোঁ। কিন্তু দেউতা, মই হলে আৰু নোৱাৰোঁ।"

ভট্ট ডাঙৰীয়াই মিঠা মাতেৰে ক'লে "আৰু কেইদিনমান যাওক দেচোন, এই কেইদিন বৰ উত্ৰাৱল হৈ আছ।"

ললিতাই ক'লে,—"আৰু কেদিনমান সময় লোৱাত মোৰ কোনো আপত্তি নাই। কিন্তু মই ভালকৈ জানো যে অসত্য, অন্যায়, অত্যাচাৰ বাঢ়িহে গৈ থাকিব। সেইদেখি মোৰ ভয় লাগে—কিজানি একেবাৰে সহিব নোৱাৰা হৈ মই এনে কিবা এটা কৰি পেলাম, পিচত যাৰ বাবে তুমি দুখ পাবা। তুমি নেভাবিবা দেউতা, যে মই একো ভাবি চিন্তি চোৱা নাই। মই ভালকৈ চিন্তা কৰি চাইছোঁ। মই যি শিক্ষা পাইছোঁ আৰু যি সংস্কাৰ লাভ কৰিলোঁ এইবোৰ লৈ ব্ৰাহ্ম সমাজৰ বাহিৰত হয়তো মই বৰ সঙ্কোচেৰে আৰু কষ্টত থাকিব লাগিব—কিন্তু তথাপিও মোৰ অকণো ভয় লগা নাই, বৰং মনত যেন কিবা এটা বলহে পাইছোঁ, কিবা এটা যেন আনন্দহে হৈছে। মোৰ একমাত্ৰ চিন্তা হ'ল—জানোচা মোৰ কামৰ বাবে তুমি কিবা দুখ পাবলগীয়া হয়।" ইয়াকে কৈ ললিতাই লাহে লাহে ভট্ট ডাঙৰীয়াৰ ভৰিত হাত বুলাবলৈ ধৰিলে।

ভট্ট চাওবীয়াই লাহেকৈ এটা হাঁহি মাৰি ক'লে, "একমাত্র নিজৰ বুদ্ধিৰ ওপৰতে মই নিৰ্ভৰ কৰা হলে, আই, মোৰ ইচ্ছা আৰু মতৰ বিৰুদ্ধে কিবা কাম কৰিলে মনত দুখ পালোহেঁতেন। তোমালোক বৰ ব্যাকুল হৈ পৰিছা যদিও এই ব্যাকুলতা বৰ বেচি কিবা অমঙ্গলীয়া বুলি মই হলে জোৰকৈ কব নোৱাৰোঁ। মযো এদিন বিদ্রোহ কৰি ঘৰ এৰি ওলাই আহিছিলোঁ, সুবিধা অসুবিধাৰ কোনো কথাই চিন্তা কৰা নাছিলোঁ। সমাজৰ ওপৰত আজি-কালি যে অনবৰত হনা-খোচা চলিব লাগিছে, এইবোৰ তেওঁৰেই কাম। তেওঁ এই সমাজক নানা কালবপৰা ভাঙি আকৌ নতুনকৈ গঢ়ি কোন বস্তুটো কেনেকৈ সৃষ্টি কৰিব, সেইবোৰনো মই কেনেকৈ বুজিম? ব্রাহ্ম সমাজ হিন্দু সমাজ এইবোৰৰ একো মূল্য নাই। তেওঁ মাত্র মানুহকহে চিনি পায়।" ইয়াকে কৈ পৰেশ ভট্টই খন্তেকৰ বাবে চকু দুটা মুদি নিজৰ অন্তঃকৰণৰ গোপন স্থলত নিজকে যেন থিৰ কৰি ল'লে।

কিছু পৰ মনে মনে থকাৰ পিচত পৰেশ ভট্টই ক'লে,—"চোৱা বিনয়, আমাৰ দেশত ধৰ্ম্ম মতৰ লগত গোটেই সমাজখনেই সাঙোৰ খাই আছে, সেইদেখি আমাৰ সকলো সামাজিক কাম কাজতেই ধৰ্ম্মৰ কথা যোগ হৈ পৰে। ধৰ্ম্ম মতৰ চাৰি চাপৰ বাহিৰৰ মানুহ সমাজৰ চাৰি চাপৰ ভিতৰত কেনেবাকৈ সোমাই পৰে বুলি সমাজৰ দুৱাৰ বন্ধ কৰি ৰখা হৈছে। আৰু এই সমস্যানো তোমালোকে কেনেকৈ সমাধান কৰিবা তাৰ বাবেহে মই বিমোৰত পৰিছোঁ।"

ললিতাই ভালকৈ কথাটো বুজিব নোৱাৰিলে; কাৰণ সিহঁতৰ সমাজৰ ৰীতি-নীতিৰ লগত অইন সমাজৰ নিয়ম কানুনৰ প্রভেদনো ক'ত, সেইটো তাই কোনো দিনাই ভাবি চোৱা নাই। তাইৰ ধাৰণা আছিল মুঠৰ ওপৰত আচাৰ ব্যৱহাৰত বিশেষ একো পাৰ্থক্য নাই। বিনয়ৰ লগত সিহঁতৰ অমিল যেনেকৈ গমেই পোৱা নেযায়, সমাজ দুখনৰ প্রভেদো বোধহয় তেনেকুৱাই। কিন্তু দৰাচলতে হিন্দুৰ বিয়া অনুষ্ঠানত তাইৰ নো কি বাধা ওলাব পাৰে, সেই কথা তাই নেজানিছিলেই।

বিনয়ে ক'লে,—"শালগ্ৰাম সন্মুখত লৈ যে আমাৰ বিয়া হয়, আপুনি সেই কথা কৈছে হবলা?"

পৰেশ ভট্টই ললিতাৰ ফালে চাই ক'লে,—"এৰা, ললিতাই শালগ্ৰাম মানি লব পাৰিব জানো?"

বিনয়ে ললিতাৰ মুখলৈ চালে। বিনয়ে বুজিলে যে ললিতাৰ গোটেই অন্তৰ একেবাৰে শুকাই গ'ল।

ললিতাই হিয়াৰ আবেগত একেবাৰেই অচিনাকি সঙ্কটপূৰ্ণ ঠাই এডোখৰত আহি ওলালহি। তাকে দেখি বিনয়ৰ মনত বৰ দুখ লাগিল। সকলো কোৰ নিজৰ গাতে পাতি লৈ তাইক ৰক্ষা কৰিবই লাগিব। এইহাতে ইমান সাহৰ পৰাজয় যেনেকৈ অসহ্য, আনহাতে আকৌ জয়লাভ কৰাৰ অদম্য উৎসাহত মৃত্যুবাণ নিজে বুকু পাতি লব, সিও সিমান নিদাৰুণ। তাইক জয়ী কৰিবই লাগিব, তাইক ৰক্ষাও কৰিব লাগিব।

ললিতাই তলমূ কৰি বহি থাকিল। তাৰ পিচত মুৰ দাঙি চল্‌চলীয়া চকুৰে বিনয়ৰ ফালে চাই ক'লে,—"আপুনি সঁচাই অন্তৰেৰে সৈতে শালগ্ৰাম মানেনে?"

বিনয়ে একে উশাহতে উত্তৰ দিলে,—"নাই নেমানো। শালগ্ৰাম মোৰ দেৱতা নহয়, মোৰ কাৰণে শালগ্ৰাম মাত্ৰ এটা সামাজিক চিন।"

ললিতাই ক'লে,—"মনতে যাক চিন বুলি ভাবে, বাহিৰত তাকেই আনো দেৱতা বুলি স্বীকাৰ কৰিব নেলাগে?"

বিনয়ে ভট্ট ডাঙৰীয়াৰ ফালে চাই ক'লে,—"বিয়াত মই শালগ্ৰাম সন্মুখত নথওঁ।"

ভট্ট ডাঙৰীয়াই চকীৰপৰা উঠি ক'লে,—"বিনয়, তোমালোকে আগ-পিচ ভাবি সকলো কথা চিন্তা কৰি চোৱা নাই। তোমাৰ অকল নিজৰ বা অইন কাৰোবাৰ মত লৈয়ে কথা হোৱা নাই। বিয়া একমাত্ৰ নিজৰ কথাই নহয়, বিয়া এটা সামাজিক অনুষ্ঠানো, সেইটো পাহৰিলে কেনেকৈ হব। তোমালোকে আৰু কিছুদিন সময় লৈ ভাবিচিন্তি চোৱাঁ। এতিয়াই স্থিৰ কৰি পেলাব নেলাগে।"

ইয়াকে কৈ ভট্ট ডাঙৰীয়া ঘৰৰপৰা ওলাই গৈ অকলে ইফাল সিফাল কৰিবলৈ ধৰিলেগৈ।

ললিতায়ো কোঠাটোৰপৰা ওলাই যাবলৈ থিয় দি অলপ ৰৈ বিনয়ৰ ফালে পিঠি দি ক'লে,—"আমাৰ দুয়োৰে ইচ্ছা যদি অসৎ নহয়, তেনেহলে সেই ইচ্ছা কোনো এখন সমাজৰ নিয়মৰ লগত আগৰপৰা গুৰিলৈকে মিলি নগ'ল বুলিয়েই আমি মুৰ দোঁৱাই উভতি আহিম, এই কথা মই কোনো মতেই বুজি নেপাওঁ। সমাজত মিছা আচৰণৰ ঠাই আছে, মাত্ৰ নাই ন্যায়সঙ্গত আচৰণৰ। নহয়?"

বিনয়ে লাহে লাহে আহি ললিতাৰ ওচৰত থিয় হ'লহি আৰু ক'লে,—"মই কোনো সমাজকে ভয় নকৰোঁ। আমি দুয়ো লগলাগি যদি সত্যৰ আশ্ৰয় লওঁ, তেনেহলে আমাৰ সমাজৰ সমান ডাঙৰ সমাজ এখন ক'ত পোৱা যাব?"

বৰদাসুন্দৰী ধুমুহাৰ দৰে সিইঁত দুটাৰ সন্মুখলৈ আহি ক'লে,—"শুনিলোঁ তুমি বোলে দীক্ষা নোলোৱা ?"

বিনয়ে ক'লে,—"মই উপযুক্ত গুৰুৰপৰা হে দীক্ষা লম, কোনো সমাজৰপৰা নহয়।"

বৰদাসুন্দৰীয়ে খঙত একোনাই হৈ ক'লে,—"তোমালোকৰ এইবোৰ ষড়যন্ত্ৰ, এনে ফাকি-ফুকাৰ অৰ্থ কি ? দীক্ষা লোৱাৰ ভাও ধৰি এই দুদিন মোকে নহয়, গোটেই ব্ৰাহ্ম সমাজকে লোভ দেখুৱাই কি কাণ্ডটো কৰিলা কোৱাচোন ? তুমি যে ললিতাৰ কি সৰ্ব্বনাশ কৰিবলৈ ওলাইছা, এবাৰো চিন্তা কৰি নেচালা কেনেই ?"

ললিতাই ক'লে,—"চেটাৰ্জ্জী দেউৰ দীক্ষা লোৱা কথাটোত তোমালোকৰ ব্ৰাহ্ম সমাজৰ সকলোৰে সন্মতি দিয়া নাই। বাতৰি-কাকত পঢ়িছাই দেখোন। এনেকুৱা দীক্ষা লোৱা দৰ্কাৰ কি ?"

বৰদাসুন্দৰীয়ে ক'লে,-"দীক্ষা নললে বিয়া হব কেনেকৈ ?"

ললিতাই ক'লে,—"কিয় নহব।"

বৰদাসুন্দৰীয়ে ক'লে,—"হিন্দুমতে হব নে কি ?"

বিনয়ে ক'লে,—"হয় হব, যিকণ বাধা আছে, সেইয়া মই আঁতৰাম।"

বৰদাসুন্দৰীৰ মুখৰপৰা অলপ সময় একো কথাই নোলাল। তাৰ পিচত ভেকাহি মাৰি ক'লে,—"বিনয় যোৱাঁ, তুমি যোৱাঁ। এই ঘৰলৈ তুমি আৰু দুনাই নাহিবাঁ।"

৬০

গোৰা যে আহিব, সুচৰিতাই সেইটো থিৰাংকৈ জানিছিল। ৰাতি-পুৱাৰেপৰা তাইৰ বুকুখন চিপিং চিপিং কৰি আছিল। গোৰা আহিব বুলি সুচৰিতাৰ ভাল লাগিছিল যদিও লগে লগে যেন কিবা এটা ভয়ো লাগিছিল। কিয়নো, গোৰাই যি ফালে তাইক টানিছিল আৰু সৰু কালৰেপৰা তাইৰ নিজৰ জীৱনৰ শিপা তাৰ সকলো ঠাল-ঠেঙুলিৰে সৈতে যি ফালে বাঢ়ি গৈছিল—এই দুয়োৰে ভিতৰত পদে পদে যি বেৰ লাগিছে সেই বেৰে তাইক অস্থিৰ কৰি তুলিছিল।

সেয়েহে কালি যেতিয়া মাহীয়েকৰ ঘৰত গোৰাই গোঁসাই সেৱা কৰিছিল তেতিয়া সুচৰিতাৰ মনটোক যেন ছুৰী কটাৰীয়েহে কাটিলে। গোৰাই জানিবা সেৱাই কৰিলে, গোৰাৰ জানিবা এনেকুৱাই বিশ্বাস, এনেবোৰ বুজনিৰে তাই কোনোমতেই নিজৰ মনক শাঁত পেলাব নোৱাৰিলে।

গোৰাৰ আচৰণত যেতিয়াই তাই এনে কিবা এটা দেখে—যিটোৰ লগত তাইৰ ধৰ্ম্ম বিশ্বাসৰ মূলগত বিৰোধ আছে, তেতিয়াই সুচৰিতাৰ মন ভয়ত কঁপি উঠে। ঈশ্বৰে নো তাইক এইখন কি যুঁজত পেলাইছে।

হৰিমোহিনীয়ে অভিমানী সুচৰিতাক সজ দৃষ্টান্ত দেখুৱাবলৈকে আজিও গোৰাক গোঁসাই ঘৰলৈ লৈ গ'ল আৰু আজিও গোৰাই গোঁসাই সেৱা কৰিলে।

সুচৰিতা বহা কোঠালৈ গোৰা সোমাই অহা মাত্ৰকে সুচৰিতাই সুধিলে —"আপুনি জানো গোঁসাইক ভক্তি কৰে?"

গোৰাই যেন অলপ অস্বাভাৱিক জোৰেৰে ক'লে,—"এৰা, ভক্তি তো কৰোঁৱেই।"

কথাষাৰ শুনি সুচৰিতাই মূৰ তললৈ মনে মনে বহি থাকিল। সুচ-ৰিতাই তেনেকৈ মন মাৰি বহি থকা দেখি গোৰাই মনত আঘাত পালে। সি লৰালৰিকৈ ক'লে,—"চোৱঁা, মই তোমাক সঁচা কথা কওঁ। মই গোঁসাইক ভক্তি কৰো নে নকৰোঁ সঠিককৈ কব নোৱাৰোঁ, কিন্তু মই হ'লে মোৰ দেশৰ 'ভক্তিক' ভক্তি কৰোঁ। ইমান দিন ধৰি সমস্ত দেশৰ পূজা য'ত দিয়া হৈছে, সেয়ে মোৰ পূজনীয়। মই কোনোমতেই খৃষ্টান মিছনেৰিৰ দৰে তাত বিহ-চকু পেলাব নোৱাৰোঁ।"

সুচৰিতাই মনে মনে কিবা এটা ভাবি গোৰাৰ মুখৰ ফালে চাই থাকিল। গোৰাই ক'লে,—"মোৰ কথা ঠিক মতে বুজা যে তোমাৰ পক্ষে বৰ টান, সেইটো মই জানো। কিয়নো এটা সম্প্ৰদায়ৰ ভিতৰত ডাঙৰ-দীঘল হৈ এইবিলাক কথা সহজ ভাৱে চাব পৰা শক্তি তোমালোকৰ নোহোৱা হৈ গৈছে। তুমি যেতিয়া তোমাৰ মাহীয়েৰাৰ ঘৰত গোঁসাই দেখা, তুমি মাথো সেই শিলৰ মূৰ্ত্তিটোহে দেখা, মই কিন্তু দেখোঁ তোমাৰ মাহীয়েৰাৰ ভক্তিপূৰ্ণ কৰুণ হৃদয়। সেইয়া দেখি মই জানো খং কৰিব পাৰোঁ, অৱজ্ঞা কৰিব পাৰোঁ? তুমি যাক সঁচাকৈয়ে ভাবা নে যে সেই অন্তৰৰ দেৱতা শিলৰ মূৰ্ত্তিৰ বাহিৰে আন একো নহয়।"

সুচৰিতাই ক'লে,—"ভক্তি কৰিলেই হ'ল জানো? কাক ভক্তি কৰিছোঁ একো ভাবি চাব নেলাগিব নে কি?"

গোৰাই ভিতৰি ভিতৰি অলপ উত্তপ্ত হৈ ক'লে,—"অৰ্থাৎ তুমি মনতে ভাবিছা এটা সীমাৰ ভিতৰত থকা বস্তুক ঈশ্বৰ বুলি পূজা কৰা ভ্ৰম। কিন্তু কেৱল দেশ কালৰ কালৰপৰাই জানো সীমা নিৰ্ণয় কৰিব লাগিব ? ধৰি লোৱাঁ, ঈশ্বৰ সম্বন্ধে কোনো এটি শাস্ত্ৰৰ বচন মনত পৰিলে তোমাৰ মন ভক্তি ওপজে; সেই বচনটি বিচো পাতত লিখা আছে সেই পাতটো জুখি তাৰ আখৰ কেইটা গণিহে জানো তুমি সেই বচনৰ মহত্ত্ব স্থিৰ কৰিবা। ভাবৰ অসীমতা, দূৰ দিগন্তৰ অসীমতাতকৈ যে বহুতো ডাঙৰ বস্তু। চন্দ্ৰ, সূৰ্য্য তৰাবে ভৰা এই অনন্ত আকাশতকৈ এই অকণমান গোঁসাই জনাই যে তোমাৰ মাহীয়েৰাৰ মনত সঁচাকৈয়ে অসীম। জোখ মাখ কৰিব পৰা অসীমকহে তুমি অসীম বুলি ভাবা, আৰু সেই কাৰণেই চকু মুদিহে তুমি অসীমৰ কথা ভাবিব লগা হয়; তাৰপৰা কিবা ফল পোৱানে নোপোৱা নেজানো, কিন্তু হৃদয়ৰ অসীমক চকু মেলিয়েই এই অকণমান বস্তুটোৰ মাজতো পোৱা যায়। আৰু তাকে যদি নেপালেহেঁতেন তেনেহলে তোমাৰ মাহীয়েৰাৰ সংসাৰৰ সকলো সুখ নষ্ট হৈ যাওঁতেও জানো সেই গোঁসাই জনাকে এনেকৈ সাৰটি ধৰি থাকিব পাৰিলেহেঁতেন ? হৃদয়ৰ ইমান ডাঙৰ শূন্যতা খেমালিৰ ছলেৰেও এডোখৰ শিলেৰে পূৰ কৰিব পাৰি জানো ? ভাবৰ অসীমতা নেথাকিলে মানুহৰ হৃদয়ৰ শূন্য অংশ দূৰ নহয়।"

এনেবিলাক সূক্ষ্ম কথাৰ উত্তৰ দিয়া সুচৰিতাৰ অসাধ্য, কিন্তু এই বিলাক সঁচা বুলি মানি লোৱাও তাইৰ পক্ষে একেবাৰেই অসম্ভৱ। এই কাৰণেই ভাষাৰে বুজাব নোৱাৰা আৰু যাৰ প্ৰতিকাৰো নাই—এনে এটা শোকে তাইক অনবৰত খুন্দা মাৰি ধৰি থাকে।

বিপৰীত দলৰ লগত তৰ্ক কৰাৰ সময়ত গোৰাৰ মনত কোনো দিনেই লেশ মানো দয়া নিবিবিডে। বৰঞ্চ এনে ক্ষেত্ৰত তাৰ মনত চিকাৰী জন্তুৰ নিচিনা এটা কঠোৰ হিংসা ভাব ওপজে। কিন্তু সুচৰিতাৰ মাত বোল নোহোৱা পৰাজয় দেখি তাৰ মনটো সকলো সময়তে গধুৰ গধুৰ লাগি থাকিবলৈ ধৰিলে। কোমল মাতেৰে সি ক'লে,—"তোমালোকৰ ধৰ্ম্ম মতৰ বিৰুদ্ধে মই কোনো কথা কব নোখোজোঁ। মোৰ মাথো কব-লগীয়া এয়ে যে—তুমি যাক গোঁসাই বোলাত নিন্দা কৰিছা, সেই গোঁসাই জনা নো কি, কেৱল চকুৰে চায়েই বুজিব নোৱাৰি। যাৰ মন গোঁসাইত লীন গৈছে, যাৰ হৃদয়ে তৃপ্তি পাইছে, যাৰ চৰিত্ৰই তেওঁতে আশ্ৰয় লৈছে, সেই জনেহে জানে গোঁসাই মাটিৰ নে চিন্তৰ, সসীম নে অসীম। মই

তোমাক কৈছোঁ নহয়, আমাৰ দেশৰ কোনো ভক্তয়েই সসীমৰ পূজা নকৰে; সীমাৰ ভিতৰত থাকি সীমাক হেৰুৱাই পেলোৱা—এয়েই তেওঁলোকৰ ভক্তিৰ আনন্দ।"

সুচৰিতাই ক'লে,—"কিন্তু সকলোৱেইতো আৰু ভক্ত নহয়।"

গোৰাই ক'লে, "যি জন ভক্ত নহয়, তেওঁ কিহৰ পূজা কৰে সেই কথাৰ বিচাৰ কৰি লাভ কি ?"

গোৰাই ক'লে, "যি জন ভক্ত নহয়, তেওঁ কিহৰ পূজা কৰে, সেই কথাৰ বিচাৰ কৰি লাভ কি ?" ভক্তিহীন জনে ব্ৰাহ্ম সমাজত কি কৰে ? তেওঁৰ সকলো পূজা চুকি নোপোৱা অতল শূন্যতাত পৰে গৈ। নাইবা শূন্যতাতকৈয়ো ভয়ানক—দলাদলিয়েই তেওঁৰ গোঁসাই, অহঙ্কাৰেই তেওঁৰ পুৰোহিত। এনে তেজপিয়া দেৱতাৰ পূজা তোমালোকৰ সমাজত কেতিয়াও দেখা নাই জানো ?"

এই কথাৰ কোনো উত্তৰ নিদি সুচৰিতাই গোৰাক সুধিলে,—"ধৰ্ম্ম সম্বন্ধে যিবিলাক কথা আপুনি কৈছে, এই বিলাক বাৰু আপুনি নিজে দেখি শুনি লাভ কৰা জ্ঞানৰপৰাই কৈছে নে ?"

গোৰাই মিচিকিয়াই হাঁহি উত্তৰ দিলে,—"অৰ্থাৎ তুমি জানিব খুজিছা মই কোনোবা দিনা ঈশ্বৰ বিচাৰিছোঁ নে নাই ? নে মোৰ মন সেই ফালে ঘোৰাই নাই।"

এইষাৰ কথা শুনি সুচৰিতাৰ ভাল পাবলগীয়া একো কাৰণেই নাই, কিন্তু তথাপি তাই যেন উশাহ লৈ ৰক্ষা পৰিল। এই সম্পৰ্কে জোৰ দি কিবা কোৱাৰ যে গোৰাৰ অধিকাৰ নাই, এই কথা জানি তাই এক প্ৰকাৰ নিশ্চন্ত হ'ল।

গোৰাই ক'লে,—"কাৰবাক ধৰ্ম্ম শিক্ষা দিব পাৰোঁ, এনে দাবী মই কৰিব খোজা নাই। কিন্তু আমাৰ দেশৰ ভক্তিক তোমালোকে ইতিকিং কৰিবা, সেইটো কোনো দিনেই মই সহ্য কৰিব নোৱাৰিম। তুমি তোমাৰ দেশৰ মানুহক মাতি কৈছা—তোমালোক মূৰ্খ, তোমালোক পৌত্তলিক। মই তেওঁলোকৰ সকলোকে মাতি আনি জনাব খুজিছোঁ—নহয়, তোমালোক মূৰ্খ নহয়, তোমালোক পৌত্তলিক নোহোৱা—তোমালোক জ্ঞানী, তোমালোক ভক্ত। আমাৰ ধৰ্ম্ম তত্ত্বত যি মহত্ত্ব আছে, ভক্তিতত্ত্বত যি গভীৰতা আছে, সেই বিলাকলৈ শ্ৰদ্ধা দেখুৱাইহে সেইবিলাকৰ প্ৰতি মোৰ দেশৰ হৃদয় জগাই তুলিব খোজো ; যতেই দেশৰ সম্পদ আছে তাতেই দেশৰ অভিমান ওখকৈ ৰাখিবলৈ বিচাৰোঁ। মই দেশৰ মূৰ তল হবলৈ দিব নোখোজোঁ ; নিজৰ

প্ৰতি দেশৰ খিতাৰ জন্মাই নিজৰ সত্যৰ প্ৰতি দেশক কণা হৈ থাকিবলৈ নিদিওঁ। এয়ে মোৰ প্ৰতিজ্ঞা। তোমাৰ কাষলৈয়ো মই সেই কাৰণেই আহিছোঁ। তোমাক দেখাবৰপৰাই এটা নতুন কথা দিনে ৰাতিয়ে মোৰ মনত ঘূৰি আছে। ইমান দিন সেই কথা মই ভবা নাছিলোঁ। কিন্তু ভাবিবৰেপৰা অনবৰত এই কথাই মোৰ মনত খেলাই আছে যে অকল পুৰুষৰ চাৱনিৰে চালেই তো ভাৰতবৰ্ষক সম্পূৰ্ণকৈ চোৱা নহয়। ভাৰত-বৰ্ষ আমাৰ দেশৰ মাইকী মানুহৰ চকুত বিদিনা দেখা দিব, সেই দিনাহে ভাৰতৰ প্ৰকাশ সম্পূৰ্ণ হব। তোমাৰ লগত লগ হৈ একেলগে একে চাৱনিৰে মই মোৰ দেশখন সমুখত ৰাখি চাম—এই আকাঙ্ক্ষাই মোক পুৰি মাৰিছে। মই পুৰুষ হৈ মোৰ ভাৰতবৰ্ষৰ কাৰণে কষ্ট কৰি কেৱল মৰিবহে পাৰোঁ, কিন্তু তুমি নেথাকিলে বন্তি জ্বলাই তেওঁক আদৰি আনিব কোনে? তুমি আঁতৰি থাকিলে ভাৰতক ভালকৈ সেৱা কৰাও সম্ভৱ নহয়।”

হায়, ক'ত আছিল ভাৰতবৰ্ষ। কোন সুদূৰত আছিল সুচৰিতা। আৰু ক'ৰপৰা আহিল ভাৰতবৰ্ষৰ এই ভোলানাথ তপস্বী সাধক। সকলোকে ঠেলি-হেঁচি কিয় তাইৰ কাষত থিয় দিলেহি। আন সকলোকে এৰি কিয় তাইক হে আহ্বান কৰিলেহি। অকণো ভয় নকৰিলে, কোনো বাধা নেমানিলে। কলেহি—'তোমাক নহলে যে নহব, তোমাক নিবৰ কাৰণেই আহিছোঁ, তুমি বনবাস খপি থাকিলে যজ্ঞ সম্পূৰ্ণ নহয়।' সুচৰিতাৰ দুই চকুৰেদি টপ্ টপ্‌কৈ চকুলো বৰলৈ ধৰিলে, কিন্তু এই চকু-পানী যে কিয় ওলাইছে তাই নিজেই বুজি নেপালে।

গোৰাই সুচৰিতাৰ মুখলৈ চালে। চকুলো বৈ থকা চকু যুৰি তাই তললৈ নমালে। তাইৰ চকু যুৰি নিয়ৰত তিতি থকা অলৰ-অচল ফুল পাহিৰ দৰেই আপোনভোলা ভাৱত গোৰাৰ মুখৰ পিনে মুখ কৰি ফুলি থাকিল।

চকুলোৰে ধুই নিয়া সুচৰিতাৰ সঙ্কোচ নোহোৱা নিৰ্ভয় চকু যুৰিৰ আগত ভুঁইকঁপত শিলৰ কাৰেং কঁপাদি গোৰাৰ সমস্ত প্ৰকৃতি কঁপিবলৈ ধৰিলে। গোৰাই প্ৰাণপণে নিজকে চম্ভালিবৰ কাৰণে মুখ ঘূৰাই খিড়িকী-য়েদি বাহিৰৰ পিনে চালে। তেতিয়া সন্ধিয়া হৈ গৈছিল। সৰু বাটটো গৈ য'ত ডাঙৰ আলিত লগ লাগিছে, তাতে মুকলি আকাশত কলা শিলৰ দৰে অন্ধকাৰৰ ওপৰত তৰা দেখা গৈছিল। সেইকণ আকাশ, সেই কেইটা তৰাই আজি সংসাৰৰ সকলো দাবীৰপৰা চিনাকি পৃথিৱীখনৰ ধৰা-বন্ধা দৈনন্দিন কৰ্ম্মপদ্ধতিৰপৰা গোৰাৰ মন ক'লৈ, কিমান দূৰলৈ যে টানি লৈ

গ'ল। ৰাজ্য-সাম্রাজ্যৰ কত উঠা-পৰা, যুগ-যুগান্তৰ ধৰি কিমান চেষ্টা, কিমান প্ৰাৰ্থনা—এই সকলোবিলাকক বহুত দূৰত পিচ পেলাই থৈ, সেই আকাশখন আৰু সেই কেইটা তৰা সম্পূৰ্ণ নিলিপ্ত হৈ ৰৈ আছে, অথচ পাৰ নোপোৱা গভীৰতাৰ মাজৰপৰা যেতিয়া এখন হৃদয়ে আৰু এখন হৃদয়ক মাতে, তেতিয়া সেই দুই হৃদয়ৰ অকুট ব্যাকুলতাই যেন সেই দূৰণিৰ আকাশকণ আৰু তৰা কেইটাকো বিয়াকুল কৰি পেলায়। কামত তৰণি নোহোৱা কলিকতাৰ আলিবাটৰ গাড়ী ঘোঁৰা আৰু বাটকৰাৰ আহ-যাহ সেই নিমিষতে যেন গোৰাৰ চকুত ছাঁয়া-ছবিৰ দৰে আকাৰ নোহোৱা হৈ পৰিল। নগৰৰ কোলাহলে তাক চুকি নেপালেহি। নিজৰ অন্তৰৰ ফালে চাই দেখিলে—সিও যেন আকাশৰ দৰে নিমাত, নিটাল এন্ধাৰ আৰু তাতেই চকুলো ভৰা সৰল করুণ চকু হালিয়ে টিপ্ মাৰিবলৈ পাহৰি যেন অনাদি কালৰপৰা অন্তকালৰ ফালে ৰ লাগি চাই আছে।

হৰিমোহিনীৰ মাতত উচপ্ খাই গোৰাই মুখ ঘূৰালে। "বোপা কিবা অলপ মুখত দিয়াহি আহাঁ।"

গোৰাই লৰালৰিকৈ উঠি ক'লে,—"আজি কিন্তু নেখাওঁ। আজি মোক ক্ষমা কৰিব লাগিব—মই এতিয়া যাওঁ।" কৈয়েই গোৰাই আন কথালৈ বাট নেচাই লৰালৰিকৈ গুচি গ'ল।

হৰিমোহিনী আচৰিত হৈ সুচৰিতাৰ মুখৰ ফালে চালে। সুচৰিতা কোঠাৰপৰা বাহিৰলৈ ওলাই গ'ল। হৰিমোহিনীয়ে মূৰ জোকাৰি জোকাৰি ভাবিলে—'ই আকৌ কি কথা ?'

অলপ পিচতে পৰেশ ভট্ট উপস্থিত হলহি। সুচৰিতাৰ কোঠাত সুচৰিতাক নেদেখি হৰিমোহিনীৰ ওচৰলৈ গৈ সুধিলে,—"ৰাধাৰাণী ক'ত আছে ?"

হৰিমোহিনীয়ে তিলা-লগা সুৰত ক'লে,—"কেনেকৈ কওঁ, ইমান পৰ চোন গৌৰমোহনৰ লগত মেল মাৰি আছিল, এতিয়া বোধকৰোঁ ছাতত অকলেই ঘূৰা-পকা কৰা হৈছে।"

পৰেশ ভট্টই আচৰিত হৈ সুধিলে,—"এই জাৰত ইমান ৰাতি ছাতত ?"

হৰিমোহিনীয়ে ক'লে,—"কিছু চেঁচা পৰিব দিয়ক, আজি-কালিৰ ছোৱালীক জাৰে অপকাৰ নকৰে।"

হৰিমোহিনীৰ মন আজি বেয়া লাগি থকাৰ কাৰণে খঙতে সুচৰিতাক খাবলৈ নেমাতিলে। সুচৰিতাৰো আজি সময়ৰ ভু নাছিল।

হঠাৎ পৰেশ ভট্ট নিজে ছাতলৈ উঠি অহা দেখি সুচৰিতাই বৰ লাজ

পাই ক'লে, "দেউতা, বলক, তলনৈ বলক, ইয়াত আপোনাৰ জাৰ লাগিব।"

ভিতৰলৈ আহি চাকিৰ পোহৰত ভট্ট ডাঙৰীয়াৰ উদ্বিগ্ন মুখখন দেখি সুচৰিতাই মনতে বৰ দুখ পালে। ইমান দিন বিজন মাউৰা ছোৱালী জনীৰ পিতা আৰু গুৰু হৈ আছিল, শিশুকালৰেপৰা আজিলৈকে থকা সকলো বান্ধোন ছিঙি কোনে আজি তাইক জোৰেৰে দূৰলৈ টানি নিছে? সুচৰিতাই কোনো ৰকমেই যেন নিজকে চম্ভালিব পৰা নাই। ভট্ট ডাঙৰীয়া ভাগৰ লগাৰ দৰে চকীত বহি পৰিলত, সুচৰিতাই তাইৰ হোহোৱাই ওলাই আহিব খোজা চকুলো লুকুৱাবৰ বাবে পৰেশ ভট্টৰ চকীৰ পিচৰ পিনে থিয় হৈ তেওঁৰ পকা চুলিৰ মাজত আঙুলি সুমুৱাই মূৰত হাত বুলাই দিবলৈ ধৰিলে।

পৰেশ ভট্টই ক'লে,—"বিনয়ে দীক্ষা লবলৈ অসন্মত হৈছে।"

সুচৰিতাই একো উত্তৰ নিদিলে। ভট্টই ক'লে,—"বিনয়ৰ দীক্ষা গ্ৰহণৰ প্ৰস্তাৱত মোৰ যথেষ্ট সন্দেহ আছিল, সেই দেখিয়েই মোৰ ইয়াত বিশেষ দুখ নাই—কিন্তু ললিতাৰ কথাৰ ভাৱৰপৰা বুজিব পাৰিছোঁ, দীক্ষা নোহোৱাকৈয়ে বিনয়ৰ লগত বিয়া হোৱাৰ কিবা বাধা হব পাৰে বুলি তাই অনুভৱেই কৰা নাই।"

সুচৰিতাই হঠাৎ ডাঙৰকৈ ক'লে,—"নহয় দেউতা, সেইটো কেতিয়াও হব নোৱাৰে। কোনোৰকমেই নহয়।"

সচৰাচৰ সুচৰিতাই অনাৱশ্যক ব্যগ্ৰতা দেখুৱাই কথা নকয়; সেইদেখি তাইৰ মাতত হঠাতে এনে প্ৰবল অস্থিৰতা দেখি মনে মনে অলপ আচৰিত হৈ পৰেশ ভট্টই সুধিলে,—"কি হব নোৱাৰে।"

সুচৰিতাই ক'লে,—"বিনয় ব্ৰাহ্ম নহলে কোন মতে বিয়া হব?"

পৰেশ ভট্টই ক'লে,—"হিন্দু মতে।"

সুচৰিতাই জোৰেৰে মূৰ জোকাৰি ক'লে,—"নহয়, নহয়, আজি-কালি এইবোৰ কি হব ধৰিছে? এনে কথা মনতো ভৰা অনুচিত। শেহত গোঁসাই পূজা কৰিহে ললিতাৰ বিয়া হব। এইটো কোনো পধ্যেই হবলৈ দিব নোৱাৰোঁ।"

সুচৰিতাৰ মন গোৰাৰ ফালে টান খোৱাৰ কাৰণেই নে কি, তাই আজি হিন্দু মতে বিয়া পতাৰ কথাত এনে এটা অস্বাভাৱিক দুখ দেখুৱাইছে। এই দুখৰ গুৰিৰ কথাটো হৈছে সুচৰিতাই ভট্ট ডাঙৰীয়াক মনতে আকোৱালি ধৰি কব খোজে—তোমাক নেৰো, মই এতিয়াও তোমাৰ

সমাজৰেই, তোমাৰ মতৰেই, তোমাৰ শিক্ষাৰ বাহিৰ কোনো মতেই ছিঙি-ৰলৈ দিব নোৱাৰোঁ।"

পৰেশ ভট্টই ক'লে,—"বিয়া হিন্দু মতে হলেও শালগ্ৰাম সম্পৰ্কীয় অনুষ্ঠান বাদ দিবলৈ বিনয় ৰাজী হৈছে।"

সুচৰিতা পৰেশ ভট্টৰ চকীখনৰ পিচফালৰপৰা উঠি আহি সমুখৰ পিনে চকী এখন টানি বহিলহি। ভট্টই তাইক সুধিলে,—"তুমি বাৰু কি কব খোজা ?"

সুচৰিতাই অলপ মনে মনে থাকি ক'লে,—"আমাৰ সমাজৰপৰা তেনেহলে ললিতা ওলাই যাব লাগিব।"

পৰেশ ভট্টই ক'লে,—"এই বিষয়ে মই দকৈ ভাবি চাইছোঁ। যেতিয়া সমাজৰ কোনো এজন মানুহৰ লগত বিৰোধ উপস্থিত হয়, তেতিয়া দুটা কথা ভাবি চাব লাগিব—দুয়ো পক্ষৰ ভিতৰত ন্যায় কাৰ ফালে আৰু বলী কোন। সমাজেই যে শক্তিশালী ইয়াত তো কোনো সন্দেহ নাই। সেইদেখি বিদ্ৰোহ কৰা জনে দুখ পাবই লাগিব। ললিতাই মোক বাৰে বাৰে কৈছে যে দুখ মূৰ পাতি লবলৈ তাই সাজু, আৰু তাত বৰং তাই আনন্দহে পাব। এইটো যদি সঁচা হয়, আৰু যি স্থলত মই অন্য একো অন্যায় দেখা নাই, তেন্তে মই কি বুলিনো হাক দিম ?"

সুচৰিতাই ক'লে,—"কিন্তু দেউতা, এইটো নো বাৰু কেনে কথা হব ?"

পৰেশ ভট্টই ক'লে,—"এটা সঙ্কট আহি পৰিব বুলি মই অৱশ্যে বুজিছোঁ। কিন্তু ললিতাৰ লগত বিনয়ৰ বিয়া হোৱাত আন একো বাধা নাই যেতিয়া সেইখন বিয়া বৰং হোৱাহে উচিত। তেনে স্থলত সমাজে বাধা দিলেও মোৰ মনে কয়, সমাজৰ সেই বাধা মানি লোৱা অনুচিত। মানুহ সমাজৰ ভয়ত চিৰকাল কোঁচখাই থাকিব লাগিব, এই কথা একেবাৰে অনুচিত। সমাজেহে মানুহৰ কাৰণে নিজকে নিজে উদাৰ কৰিব লাগিব, আৰু তাৰ বাবে যি বিলাকে দুখ মূৰ পাতি লবলৈ সাজু আছে, মইতো তেওঁলোকক নিন্দা কৰিব নোৱাৰোঁ।"

সুচৰিতাই ক'লে,—"দেউতা, এই বিষয়ত কিন্তু আপুনিয়েই সকলোতকৈ বেচি দুখ পাব লাগিব।"

পৰেশ ভট্টই ক'লে,—"সেইটো একো ভাবিবলগীয়া কথা নহয়।"

সুচৰিতাই সুধিলে,—"দেউতা, আপুনি মত দিলেই নে কি ?"

পৰেশ ভট্টই ক'লে,—"নাই এতিয়াও দিয়া নাই। কিন্তু দিবই লাগিব। ললিতাই যি বাটেদি আগবাঢ়িছে সেই বাটত মোৰ বাহিৰে তাইক আৰু কোনে আশীৰ্ব্বাদ কৰিব? ঈশ্বৰৰ বাহিৰে তাইৰ অন্য সহায় নাই।"

ভট্ট ডাঙৰীয়া উঠি গ'ল, কিন্তু সুচৰিতা থিৰ হৈ বহিয়েই থাকিল। পৰেশ ভট্টই ললিতাক যে মনে মনে কিমান ভাল পায়, সেই কথা সুচ-ৰিতাই জানে। আৰু সেই কাৰণেই চিনাকি বাট এৰি আজি ললিতাই অনিশ্চিত পথত ভৰি দিয়াত ভট্ট ডাঙৰীয়াৰ মনটো যে কিমান উথল-পুথল লাগিছে, সেইটো আৰু বুজিবলৈ সুচৰিতাৰ বাকী নেথাকিল। তেনে অৱস্থাতো তেওঁ এই বয়সত এটা বিপ্লৱৰ সহায় হবলৈ আগবাঢ়িছে, অথচ মনত কিমান সামান্য বিক্ষোভ! তেওঁ কাৰো ওপৰত কতো অকণো জোৰ-জুলুম দেখুৱা নাই। কিন্তু এই জোৰ-জুলুম প্ৰকাশ নকৰাটোৱেই যে কিমান ডাঙৰ এটা জোৰ অনায়াসে আত্ম-গোপন কৰি আছে।

পৰেশ ভট্টৰ প্ৰকৃতিৰ নতুন যি এটা পৰিচয় আজি সুচৰিতাই পালে, সেইটো আগেয়ে হলে একো আচৰিত বুলি নেভাবিলে হয়। কাৰণ কেঁচুৱাৰেপৰাই ভট্ট ডাঙৰীয়াক তাই দেখি আহিছে। কিন্তু আজিয়েই, মাত্ৰ অলপ আগতে সুচৰিতাই গোটেই অন্তঃকৰণেৰে গোৰাৰ খোঁচ সহ্য কৰিছে। আৰু সেই কাৰণেই এই দুই ধৰণৰ চৰিত্ৰৰ পাৰ্থক্য তাই নিজৰ মনতে নেভাবি নোৱাৰিলে। গোৰাৰ নিজৰ ইচ্ছা শক্তি বেচি বলী আৰু সেই ইচ্ছা শক্তিকে প্ৰতাপেৰে ব্যৱহাৰ কৰি সি আনক বিহ্বল কৰে। যেয়ে যি কোনো কথাতে গোৰাৰ লগত সম্বন্ধ পাতিলেই সি গোৰাৰ ইচ্ছাৰ ওচৰত মূৰ দোঁৱাবলগীয়া হয়। সুচৰিতাই আজি মূৰ দোঁৱাইছে আৰু দোঁৱাই আনন্দও পাইছে, নিজকে বিসৰ্জ্জন দি এটা ডাঙৰ বস্তু পাইছে বুলি তাই অনুভৱ কৰিছে। কিন্তু তথাপিও আজি যেতিয়া ভট্ট ডাঙৰীয়াই তাইৰ কোঠাৰ চাকিৰ পোহৰৰপৰা গহীন ভাৱে এখোজ-দোখোজকৈ তলমূৰকৈ আন্ধাৰলৈ ওলাই গ'ল গৈ, তেতিয়া সুচৰিতাই মনে মনে ভট্ট ডাঙৰীয়াক ডেকা তেজেৰে তেজিয়াল গোৰাৰ লগত ভালকৈ বিজাই চালে, আৰু অন্তৰৰ ভক্তি পুষ্পাঞ্জলি ভট্ট ডাঙৰীয়াৰ ভৰিতে অৰ্পণ কৰিলে আৰু কোলাৰ ওপৰত দুই হাত একেলগ কৰি বহুত পৰলৈকে এখনি আঁকি থোৱা ছবিৰ দৰে থৰ হৈ বহি থাকিল।

আজি ৰাতিপুৱাৰেপৰা গোৰাৰ ঘৰত এক হুলস্থূল আৰম্ভ হৈছে। প্ৰথমে মহিমে তাৰ হোঁকাত হোপা মাৰি মাৰি আহি গোৰাক সুধিলেহি,—"তেনেহলে বিনয়ে ইমান দিনৰ মূৰত শিকলি ছিঙিলে বোধকৰোঁ।।"

গোৰাই কথাটো ধৰিব নোৱাৰি মহিমৰ মুখলৈ চাই থাকিল। মহিমে কলে,—"আমাৰ ওচৰত কথা লুকুৱাই কি হব কোৱাঁ, তোমাৰ বন্ধুৰ খবৰটো আৰু লুকাই থকা নাই—ফাটি-ফুটি গৈছে। এইয়া চোৱাচোন।" এইবুলি মহিমে গোৰাৰ হাতত এখন বঙালী বাতৰি-কাকত দিলে। তাত আজি দেওবাৰে ব্ৰাহ্ম-সমাজত বিনয়ৰ দীক্ষা গ্ৰহণৰ সংবাদ উপলক্ষ কৰি এটা চোকা প্ৰবন্ধ ওলাইছে।

গোৰা জেলখানাত থকা সময়ত ব্ৰাহ্ম-সমাজৰ কন্যাদায়গ্ৰস্ত কোনোবা এজন নামজলা সভ্যই এই দুৰ্ব্বলচিতীয়া ডেকাক মনে মনে লোভেৰে বশ কৰি সনাতন হিন্দু-সমাজৰপৰা আঁতৰাই নিছে বুলি লিখকে তেওঁৰ প্ৰবন্ধত বহুত কটু কথা লিখিছে।

গোৰাই এই কথা নেজানো বুলি কোৱাত মহিমে বিশ্বাসেই কৰা নাছিল। পিচত বিনয়ৰ এনেকুৱা লুকাই-চুৰকৈ কৰা কামত গোৰা অতি আচৰিত হ'ল। সি কলে যে নিজ মুখে শশীমুখীক বিয়া কৰাম বুলি কথা দিও পিচত যেতিয়া সি নিজৰ সেই কথাৰে আকৌ হেৰ-ফেৰ কৰিবলৈ লাগিল, তেতিয়াই আমি বুজা উচিত আছিল যে তাৰ সৰ্ব্বনাশৰ সূত্ৰপাত হৈছে।

অবিনাশ কোপাই-জোপাই আহি কলে,—"গৌৰ ককাইদেউ। এইবোৰ কি কাণ্ড। ই যে আমি সপোনতো ভাবিব পৰা নাছিলোঁ—বিনয় চেটাৰ্জ্জীয়ে শেষত—"

অবিনাশে কথাষাৰ আৰু শেষেই কৰিব নোৱাৰিলে। বিনয়ৰ এই লাঞ্ছনাত সি ইমান স্ফূৰ্ত্তি পাইছিল যে বেজাৰৰ ভাও ধৰি থকাও আৰু তাৰ কাৰণে অসম্ভৱ হৈ পৰিল।

চাওঁতে চাওঁতে গোৰাৰ ঘাই নগৰীয়াবোৰ সকলোৱেই আহি ওলালহি। বিনয়ক লৈ সিহঁতৰ ভিতৰত ৰবকৈ উখনা-উখনি লাগি পৰিল। বেচি ভাগেই একমত হৈ কলে,—যে এই ঘটনাত আচৰিত হব লগা একো নাই; কাৰণ সিহঁতে বিনয়ৰ ব্যৱহাৰত আগৰেপৰা এটা লোধোৰ-মোধোৰ আৰু দুৰ্ব্বলতাৰ লক্ষণ দেখি আহিছে। দৰাচলতে বিনয়ে কোনো দিনাই

কায়মনোবাক্যে সিঁহতৰ দলত সম্পূৰ্ণকৈ সোমাই পৰা নাছিল। বৰদাসুন্দৰীয়ে কলে—বিনয়ে আৱৰণিবেপৰা নিজকে গৌৰমোহনৰ জোৰৰ-জোখৰ বুলি চলাই দিবলৈ যি চেষ্টা কৰিছিল—সেইটোহে তেওঁলোকৰ কাণে সহ্য কৰা বৰ টান হৈ পৰিছিল। অইন সকলোৱে এটা ভক্তি আৰু সঙ্কোচৰ ভাবেৰে গৌৰমোহনৰ লগত অলপ সৰঙা ৰাখি চলিছিল, কিন্তু সি যেদি আহি গোৰাৰ লগত এনে এটা সমা-পোতকাৰ ভাব দেখুৱাইছিল—যেন সি অইনতকৈ বেলেগ আৰু গোৰাৰ ঠিক সমান লেখৰ মানুহ। গোৰাই তাক মৰম কৰে বুলিহে সকলোৱে তাৰ এই সেনাগপ সহি আছিল। এই সকলৰ নমনা ভেমত ওফন্দি ফুৰাবোৰৰ শেষফল এনেকুৱা দুখ লগাই হয়।

তেওঁলোকে কলে,—“আমি বিনয় চেটাৰ্জ্জীৰ দৰে বিদ্বান নহওঁ, আমাৰ বেচি চোকা বুদ্ধিও নাই; কিন্তু আমি সদায় হওক নহওক এটা প্ৰিন্সিপ্‌ল’ মানি চলোঁ, আমি মুখত এক, পেটত এক নহয়, আজি এনে-কুৱাহে, কাইলৈ তেনেকুৱাহে—সেইবোৰ আমাৰদ্বাৰা অসম্ভৱ—সিকালে আমাক মূৰ্খ-গাধ যিহকে বোলা।”

এইবোৰ আলোচনা-বিলোচনাত গোৰাই একাষাৰ মাতো নেমাতিলে, থিৰ হৈ বহি থাকিল।

সময় যোৱাৰ লগে লগে এজন এজনকৈ আটাইকেজন গ’লগৈ। এনেতে গোৰাই বিনয়ক তেওঁৰ কোঠাৰ কাষৰ খট্‌-খটিয়েদি তেওঁক মাত নিদিয়াকৈয়ে ওপৰলৈ উঠি যোৱা দেখিলে। গোৰা লৰালৰিকৈ কোঠাৰপৰা ওলাই আহি মাতিলে,—“বিনয়” ।

বিনয় খট্‌খটিৰপৰা নামি আহি গোৰাৰ কোঠাত সোমাওঁতেই গোৰাই কলে,—“বিনয়, মই নিজে নজনাকৈয়ে তোমাৰ কিবা অন্যায় কৰিলোঁ হবলা; মোৰ মনে খেলাইছে—তুমি যেন মোক এৰিলা।”

আজি গোৰাৰ লগত এখন খৰিয়াল লাগিব, এইটো ঠিক কৰি বিনয়ে নিজৰ মনটো ডাঠ কৰি আহিছিল। কিন্তু আহি দেখিলে গোৰাৰ মুখখন বেজাৰত ক’লা পৰি আছে আৰু মাতটোও এটা মৰমসনা বেজাৰৰ মাত। বিনয়ে গাঁৰ বলেৰে মন ডাঠ কৰি আহিছিল যদিও সি খন্তেকতে ভাঙি-ছিঙি গল।

সি কৈ পেলালে, “ভাই গোৰা, তুমি মোক ভুল নুবুজিবা। জীৱনত বহুত সলনি ঘটে, বহু বস্তু এৰিবলগীয়া হয়, সেই বুলিয়েই বন্ধুত্ব কিয় এৰি দিম।”

গোৰাই অলপ মনে মনে থাকি কলে,—“বিনয়, তুমি ব্ৰাহ্ম-সমাজৰ দীক্ষা ললা নে কি?”

বিনয়ে কলে,—"নাই গোৰা, লোৱা নাই আৰু নলৱোঁ। কিন্তু লোৱা-নোলোৱাৰ ওপৰত মই গুৰুত্ব দিব খোজা নাই।"

গোৰাই সুধিলে, "তাৰ মানে কি?"

বিনয়ে কলে,—"তাৰ মানে এই যে মই ব্ৰাহ্ম-ধৰ্মত দীক্ষা ললোঁ বা নললোঁ তাকে বৰ ডাঙৰ কিবা কথা এটা কৰি তোলাৰ মোৰ ইচ্ছা নাই।"

গোৰাই সুধিলে,—"বাৰু, আগেয়ে মনৰ ভাব কেনে আছিল আৰু এতিয়ানো কেনে হৈছে কোৱাচোন।"

গোৰাৰ কথাৰ সুৰ শুনি বিনয়ৰ মনে পুনৰ 'যুদ্ধং দেহি' ভাব ধাৰণ কৰিলে। সি কলে,—"আগেয়ে যেতিয়া শুনো যে কোনোবাই ব্ৰাহ্ম হবলৈ ওলাইছে, তেতিয়া বৰ খং উঠিছিল—আৰু ইচ্ছা কৰিছিলোঁ সি যেন এটা ভাল শাস্তি পায়। কিন্তু আজি আৰু মোৰ তেনে ভাব নহয়। মোৰ মনে ধৰে মতক মতেৰে, যুক্তিক যুক্তিৰেহে খণ্ডাব লাগে, বুদ্ধিসংক্ৰান্ত বিষয়বোৰক ৰাগ-খং কৰি দণ্ড বিহিবলৈ বিচৰা বৰ্ব্বৰতা মাথোন।"

গোৰাই কলে,—"হিন্দু ব্ৰাহ্ম হোৱা দেখিলে আৰু খং নুঠে, কিন্তু ব্ৰাহ্মই প্ৰায়শ্চিত্ত হৈ হিন্দু হব খোজা দেখিলে তোমাৰ গা জ্বলিব—পূৰ্ব্বৰ লগত এতিয়া এয়ে তোমাৰ প্ৰভেদ হয়নে?"

বিনয়ে কলে,—"কথাষাৰ তুমি মোৰ ওপৰত খঙতহে কৈছা,—বিচাৰ কৰি কোৱা নাই।"

গোৰাই কলে,—"মই তোমাৰ ওপৰত যথেষ্ট শ্ৰদ্ধা ৰাখিহে কৈছোঁ যে এনেকুৱা হোৱাই উচিত আছিল; মই হলেও তেনেকুৱাই হলহেঁতেন। বহুৰূপীৰ বোলৰ দৰে ধৰ্ম্মমত গ্ৰহণ আৰু ত্যাগো যদি গাৰ ছালৰ ওপৰতে থকা বস্তু হলহেঁতেন, তেতিয়া তো কোনো কথাই নাছিল; কিন্তু ধৰ্ম্ম এটা অন্তৰৰ, মৰ্ম্মৰ কথা, সেই কাৰণেহে ইয়াক উলাই কৰিব নোৱাৰোঁ। যদি কোনো ৰকমৰ বাধা নেথাকিলহেঁতেন, যদি কোনো দণ্ড দিব লগাও নহলহেঁতেন তেনেহলে এটা গধুৰ বিষয়ত মত মানি লোৱা বা নলোৱাৰ সময়ত মানুহে কিয় তাৰ সমস্ত বুদ্ধি-বৃত্তি সজাগকৈ ৰাখিলেহেঁতেন। সত্যক যথাৰ্থ সত্য বুলি লোৱাৰ সময়ত মানুহে পৰীক্ষা দিব লাগিব, দণ্ড স্বীকাৰ কৰিব লাগিব। বেচ নিদিয়াকৈ বস্তু লাভ—সত্যৰ বেহা-বেপাৰ ইমান চৰ্খৰ বেপাৰ নহয়।"

এইদৰেই তৰ্কত লাগাম একেবাৰে নোহোৱা হ'ল। শৰৰ ওপৰত শৰৰ ঠেকা-ঠেকি লগাদি কথাৰ ওপৰত কথাৰ ঠেকা-ঠেকিত ফিৰিঙতি ছিটিকিবলৈ ধৰিলে।

বহুত পৰ তৰ্কযুদ্ধ হোৱাৰ পিচত বিনয়ে থিয় দি কলে,—“গোৰা, তোমাৰ আৰু মোৰ স্বভাৱৰ ভিতৰত এটা মূলগত প্ৰভেদ আছে। সেইটো ইমান দিন ঢাক খাই আছিল। ই যেতিয়াই মূৰ দাঙি উঠিব খুজিছিল তেতিয়াই মই তাক হেঁচা মাৰি ধৰিছিলোঁ। কাৰণ মই জানো, যে অমিল দেখিলে তুমি সন্ধি কৰিব নেজানা, একেকোবেই তৰোৱাল হাতত লৈ থিয় দিয়া। সেই দেখিয়েই তোমাৰ বন্ধুত্ব ৰক্ষা কৰিবলৈ মই সদায় মোৰ স্বভাৱক চেপা মাৰি ৰাখিছোঁ। আজি বুজিব পাৰিছোঁ, এনে কৰাৰপৰা মঙ্গল হোৱা নাই, আৰু মঙ্গল হব নোৱাৰেও।”

গোৰাই কলে,—“আৰু এতিয়া তোমাৰ উদ্দেশ্য কি মোক খুলি কোৱাচোন।”

বিনয়ে কলে,—“আজি মই অকলে থিয় দিছোঁ। সমাজ বোলা ৰাক্ষসটোক সদায় এটা মানুহ বলি দি কোনো ৰকমে শান্ত কৰি ৰাখিব লাগিব আৰু যেনেকৈয়ে হওক তাৰ শাসনৰ কাঁচডাল ডিঙিত মেৰিয়াই থব লাগিব, সিফালে প্ৰাণবায়ু যাওকেই বা থাওক—এই কথা মই কোনো ৰকমে মানি লব নোৱাৰোঁ।”

গোৰাই কলে,—“মহাভাৰতৰ সেই ব্ৰাহ্মণ শিশুটোৰ নিচিনাকৈ হাতত খড়্গ লৈ বকাসুৰ বধ কৰিবলৈ ওলাবা নে কি?”

বিনয়ে কলে,—“মোৰ খড়গত বকাসুৰ মৰিব নে নমৰে নেজানো, কিন্তু মোক চোবাই গিলিবৰ অধিকাৰ যে তাৰ আছে, সেইটোও মই কোনো ৰকমে নেমানো, যদিও সি চোবাই চোবাই নিতৌ গিলিব লাগিছে।”

গোৰাই কলে,—“তুমি এইবোৰ যি উপমা দি কথা কৈছা মই বুজিবলৈ টান পাইছোঁ।”

বিনয়ে কলে,—“বুজা তোমাৰ পক্ষে টান নহয়—টান পাইছা মানি লবলৈ। মানুহ য'ত স্বভাৱত স্বাধীন, ধৰ্ম্মত স্বাধীন, আমাৰ সমাজে সেইবিলাকতো তাৰ খোৱাত, লোৱাত, বহাত অনৰ্থক বান্ধোনেৰে বান্ধি থৈছে। এই কথা তুমি মোতকৈ কম জানা, এনে নহয়; কিন্তু সমাজৰ এই জোৰ-জুলুমক তুমি তোমাৰ জোৰ-জুলুমৰদ্বাৰাই মানিব খোজা। মই আজি কৈছোঁ এই বিষয়ত মই কাৰো জোৰ-জুলুম নেমানো। সমাজৰ দাবীও তেতিয়ালৈকেহে মানি লম, যেতিয়ালৈকে সমাজেও মোৰ উচিত দাবী মানিব। আৰু সমাজেও যদি মোক মানুহ বুলি গণ্য নকৰে, মোক কলৰ পুতলাহে কৰিব খোজে,ময়ো তাক ফুল-তুলসী দি পূজা নকৰোঁ, লোহাৰ কল বুলিয়েই গণ্য কৰিম।”

গোৰাই কলে,—"অৰ্থাৎ চমুকৈ কবলৈ হলে তুমি ব্ৰাহ্ম হবা।"

বিনয়ে কলে,—"নহওঁ।"

গোৰাই কলে,—"তুমি ললিতাক বিয়া কৰিবা?"

বিনয়ে কলে,—"এৰা।"

গোৰাই সুধিলে,—"হিন্দু বিয়া?"

বিনয়ে কলে,—"ওঁ।"

গোৰা,—ভট্ট ডাঙৰীয়া সন্মত নে?

বিনয়,—এইখন তেখেতৰ চিঠি।

গোৰাই পৰেশ ভটৰ চিঠি দুবাৰো পঢ়িলে। চিঠিৰ শেষ অংশ আছিল,—"মোৰ ভাল বা বেয়া লগাৰ কথা নকওঁ, তোমালোকৰ সুবিধা-অসুবিধাৰ কথাও নুলিয়াওঁ। মোৰ মত—বিশ্বাস কি, মোৰ সমাজ কি, সেয়া তোমালোকে জানা; ললিতাই সৰুকালৰেপৰা কি শিক্ষা পাইছে, কি সংস্কাৰৰ মাজত ডাঙৰ-দীঘল হৈছে, সিও তোমালোকৰ নজনা নহয়। এই সকলো কথা জানি-শুনি তোমালোকে তোমালোকৰ বাট বাছি লৈছা। মোৰ আৰু একো কবলৈ নাই। নেভাবিবা যে মই চিন্তা নকৰাকৈয়ে বা চিন্তা কৰি ওৰ নেপাই গুৰি এৰি দিছোঁ। মোৰ শক্তি অনুসৰি কথাটো ভাবি চাইছোঁ। এইটো বুজিব পাৰিছোঁ যে তোমালোকৰ মিলনত বাধা দিবলৈ ধৰ্ম্মসঙ্গত কোনো কাৰণ নাই, কিয়নো তোমাৰ ওপৰত মোৰ সম্পূৰ্ণ শ্ৰদ্ধা আছে। এনে স্থলত সমাজৰ ফালৰপৰা যদি কিবা বাধা থাকেও সেইটো তোমালোকে মানি লবলৈ বাধ্য নোহোৱা। মই মাথো ইয়াকে কব খোজোঁ যে তোমালোকে সমাজক যদি চেৰাই যাব খোজা, তেনেহলে তোমালোকৰ সম্মিলিত জীৱনে কেৱল প্ৰলয়-শক্তিৰ সূচনা কৰিলেই নহব, তাত সৃষ্টি আৰু স্থিতিৰ তত্ত্বও থাকিব লাগিব। কেৱল আজি এই এটা বিষয়তে মৰগাহ দেখুৱালে নহব, ইয়াৰ পিচতো তোমালোকৰ জীৱনৰ সকলো কামকে বীৰত্বৰ ডোলত গাঁঠি পেলাব লাগিব। আৰু সেয়ে নহলে তোমালোক একেবাৰে তললৈ নামি যাবা। কিয়নো সমাজে বাহিৰৰপৰা তোমালোকক আৰু সৰ্ব্বসাধাৰণৰ লগত একেটা চাপতে নেৰাখে—তোমালোকে নিজ শক্তিৰে সৰ্ব্বসাধাৰণতকৈ যদি ডাঙৰ হব নোৱাৰা, তেনেহলে সাধাৰণতকৈ তোমালোক তললৈ নামিব লাগিব। তোমালোকৰ ভৱিষ্যত ভাল-বেয়াৰ বিষয়ে মোৰ মনত ভালেখিনি শঙ্কা থাকিল। কিন্তু মোৰ আশঙ্কাৰ কাৰণেই তোমালোকক হকা-বধা কৰিবৰ মন মোৰ নাই; কাৰণ সংসাৰত কিসকলে সাহ কৰি নিজৰ জীৱনৰদ্বাৰাই নতুন নতুন সমস্যাৰ মীমাংসা কৰিবলৈ সাজু হয়

সেইসকলেহে সমাজক বলবান কৰি তোলে। যিসকলে কেৱল বিধি-নিয়ম মানি চলে, সেইসকলে সমাজৰ ভাৰখন কাহত নয় যদিও সমাজক আগুৱাই নৈ যাব নোৱাৰে। সেয়েহে মই মোৰ নিজৰ কাপুৰুষতা আৰু দুশ্চিন্তাৰ বাবে তোমালোকৰ বাটত হেঙাৰ নিদিওঁ। তোমালোকে যিটো ভাল বুলি ভাবিছা, সকলো বাধা-বিঘিনি থকা সত্ত্বেও সেইটো পালন কৰা, ঈশ্বৰ তোমালোকৰ সহায় হওক। ঈশ্বৰে তেওঁৰ সৃষ্টিক কোনো এটা অৱস্থাৰ ভিতৰতে শিকলিৰে বান্ধি নথয়, বৰঞ্চ তাক নতুন নতুন পৰিণতিৰ মাজত চিৰ নবীন কৰি জীয়াই ৰাখিছে। তোমালোকে তেওঁৰ সেই উদ্বোধনৰ দূত হৈ নিজৰ জীৱনক জোৰৰ নিচিনাকৈ জনাই নৈ দুৰ্গম বাটত খোজ বঢ়াইছা; যিজন বিশ্বৰ বাট দেখুৱাওঁতা, তেৱেঁই তোমালোকক বাট দেখুৱাওক—মোৰ বাটেদিয়েই যে তোমালোকে সদায় বাট বুলিবা এনে বিধি মই দিব নোৱাৰোঁ। তোমালোকৰ বয়সত আমিও এদিন ঘাটৰ নাৱৰ জৰী খুলি ধুমুহাৰ মুখত নাও মেলি দিছিলোঁ—কাৰো বাধা-নিষেধলৈ কাণ দিয়া নাছিলোঁ। আজি সেই কাৰণে অনুতাপ নকৰোঁ। অনুতাপ কৰিবলগীয়া কাৰণ হয়তো ঘটিবও পাৰিলেহেঁতেন। মানুহে ভুল কৰিব, নিষ্ফল হব, দুখ পাব, কিন্তু সি হাত সাৱটি বহি নেথাকে, যিটো উচিত বুলি বিবেচনা কৰিব তাৰ ওচৰতে আত্ম সমৰ্পণ কৰিব। এইদৰেই পবিত্ৰ সলিলা সংসাৰ নদীৰ সোঁত নিতৌ বৈ গৈ নিৰ্মল হৈ থাকিব। মাজে মাজে খন্তেকলৈ পাৰ ভাঙি হানি-বিঘিনি ঘটাব পাৰে বুলি আশঙ্কা কৰি আমি যদি চিৰকালৰ কাৰণে জীৱন সোঁতত ভেটা বান্ধি দিওঁ, তেতিয়া যে মৰণক হে মাতি অনা হব—এই কথা মই ভালকৈ জানো। এই কাৰণেই আজি যি শক্তিয়ে তোমালোকক সুখ স্বচ্ছন্দতা আৰু সমাজ বিধিৰ বাহিৰলৈ খৰতৰ বেগে টানি নিছে, সেই জনাকেই ভক্তিৰ সেৱা জনাই সেইজনাৰ হাততে তোমালোক দুয়োকো মই সপি দিছোঁ। সিজনেই তোমালোকৰ জীৱনৰ সকলো নিন্দা-গ্লানি আৰু আত্মীয়-বিচ্ছেদ যেন সফল কৰি তোলে। যিজনাই তোমালোকক দুৰ্গম বাটলৈ টানি আনিছে সেই পৰাকীয়েই তোমালোকক লক্ষ্য স্থানলৈ লৈ যাওক।"

চিঠিখন পঢ়ি উঠি গোৰা অলপ সময় মনে মনে থকাত বিনয়ে কলে,—"ভট্ট আচাৰ্যীয়াই তেওঁৰ কালৰপৰা যেনেকৈ সন্মতি দিছে, তেনেকৈয়ে গোৰা, তুমিও তোমাৰ ফালৰপৰা সন্মতি দিব লাগিব।"

গোৰাই কলে,—"ভট্ট আচাৰ্যীয়াই সন্মতি দিব পাৰে, কিয়নো তেওঁৰ যিটো সোঁতে পাৰ খহাইছে, সেই সোঁতটোৱেই হৈছে তেওঁলোকৰ। মই

সম্বন্ধি দিব নোৱাৰোঁ, কিয়নো আমাৰ গোঁড়ামিটোৱে পাৰ বান্ধিছে। আমাৰ এই পাৰত কত হেজাৰ হেজাৰ বছৰৰ অন্নভেদী কীৰ্ত্তি আছে, আমি কব নোৱাৰোঁ যে প্ৰকৃতিৰ যি নিয়ম সেই মতেই কাম হৈ থাওক। আমাৰ পাৰ শিলেৰে বন্ধাই থব—সেইবাবে আমাক শিলাই কৰা বা যি কৰা। এইখন আমাৰ পবিত্ৰ পুৰণি নগৰ; ইয়াৰ ওপৰত বছৰি ভৰপে ভৰপে পলস পৰক আৰু খেতিয়কে নাঙলেৰে হাল বাওক—তেনে ইচ্ছা আমাৰ নাই—ইয়াত যি লোকচান হয় হওক। এইয়া আমাৰ বাস কৰা ঠাই—ইয়াত হাল বাব নোৱাৰি। এতেকে তোমালোকৰ কৃষি বিভাগে আমাৰ শিলবোৰ টান বুলি যেতিয়া পেংলাই কৰা তেতিয়া আমি মৰ্ম্মান্তিক লাজ নেপাওঁ।"

বিনয়ে কলে,—"খোৰতে কবলৈ হলে ইয়াৰ অৰ্থ হল, তুমি আমাৰ বিয়া মানি নোলোৱা, নহয়?"

গোৰাই কলে,—"নিশ্চয় নলওঁ।"

বিনয়ে কলে,—"আৰু—"

গোৰাই কলে,—"আৰু তোমালোকক ত্যাগ কৰিম।"

বিনয়ে কলে,—"মই যদি তোমাৰ মুছলমান বন্ধু হলোহেঁতেন?"

গোৰাই কলে,—"তেতিয়া কথা সুকীয়া হ'ল হয়। গছৰ যেতিয়া নিজৰ কোনো এটা ডাল ভাঙি পৰি পৰ হৈ যায়, তেতিয়া গছে সেই ডালটোক কোনোমতেই আগৰ দৰে নিজৰ কৰি ওভোতাই লব নোৱাৰে—কিন্তু দূৰৰপৰা আওৰাই অহা লতাডালক হলে সাৱটি লব পাৰে, আন কি ধুমুহাত উফালি যোৱা লতা ডালকো পুনৰ তুলি ধৰাত কোনো বাধা নেথাকে। আপোন মানুহ এবাৰ কেনেবাকৈ পৰ হৈ গ'লে তাক আৰু একেবাৰেই এৰি দিয়াৰ বাহিৰে অন্য উপায় নাই। সেই দেখিয়েই ইমান বাধা নিষেধ, ইমান প্ৰাণ-পণ টনা-আজোৰা।"

বিনয়ে কলে,—"সেই কাৰণেই এৰা-এৰিৰ কাৰণবিলাক ইমান পাতল আৰু এৰা-এৰিৰ বিধিবিলাক ইমান সস্তা হোৱা উচিত নাছিল। হাত ভাঙিলে জোৰা নেলাগে ঠিক, কিন্তু সেই কাৰণেই, সহজে হাত নেভাগেও। হাতৰ হাড় বৰ মজবুত। যি সমাজত অতি সামান্য টোকৰ এটা লাগিলেই এৰা-এৰি আৰু সিয়েই চিৰকলীয়া হৈ পৰে, সেই সমাজত মানুহৰ পক্ষে স্বচ্ছন্দে ঘূৰা-পকা কৰাত বা কাম-কাজ কৰাত কিমান বিঘিনি, সেই কথা চিন্তা কৰি নেচোৱা জানো?"

গোৰাই উত্তৰ দিলে,—"সেই চিন্তাৰ ভাৰ মোৰ ওপৰত নাই। সমাজে সকলো দিশেদি ইমান বহলকৈ ভাবি চাইছে যে সমাজে ভাবি চোৱা বুলি

মই গৰেই লেপাওঁ। হেজাৰ হেজাৰ বছৰ ধৰি সি ভাবিও চাইছে আৰু নিজকে ৰক্ষাও কৰি আহিছে—সেইটোৱেই আমাৰ ভৰসা। পৃথিৱী সূৰ্য্যৰ চাৰিওকালে বেঁকা হৈ ঘূৰিছে নে গোল হৈ ঘূৰিছে—কিবা ভুল কৰিছে নে নাই—এইবিলাক মই নেভাবোঁ, আৰু নেভাবি আজিকোপতি ঠগ্ খোৱা নাই—আমাৰ সমাজ সম্বন্ধেও মোৰ সেই একে কথা।"

বিনয়ে হাঁহি হাঁহি কলে,—"ভাই গোৰা, ঠিক এইবোৰ কথাকে মই ইমান দিনে এনেকৈয়ে কৈ আহিছোঁ—আজি যে আকৌ ময়ে সেইবোৰ কথা শুনিব লাগিব, কোনে জানিছিল? কথা সাজি সাজি কোৱাৰ শাস্তি আজি যে মই ভোগ কৰিব লাগিব—সেইটো ভালকৈ বুজিছোঁ। কিন্তু তৰ্ক কৰি কোনো লাভ নাই। কাৰণ আগেয়ে চকুৰে মণিব নোৱাৰা বস্তু এটি আজি মই অতি ওচৰৰপৰা দেখা পাইছোঁ। আজি বুজিছোঁ মানুহৰ জীৱনৰ গতি এখন মহানদীৰ নিচিনা; সি নিজ বলেৰে হঠাতে আগেয়ে নথকা ন ন সুঁতি খান্দি উলিয়ায়—এয়ে তাৰ গতিৰ বিচিত্ৰতা—নভবা-নিচিন্তা পৰিণতিয়েই বিধতাৰ ইচ্ছা—নদী খান্দি থোৱা খাল নহয়, তাক বান্ধি থোৱা পাৰৰ ভিতৰেদি বোৱাই নিব নোৱাৰি। নিজৰ গাতে যেতিয়া এই কথা জল-জল পট্-পট্কৈ ওলাই পৰিছে, তেতিয়া সজোৱা-পৰোৱা কথাই আৰু মোক কোনো দিনেই ভুলাব নোৱাৰিব।"

গোৰাই কলে,—"চগা যেতিয়া জুইত পৰিবলৈ যায়, সিও ঠিক তোমাৰ দৰেই তৰ্ক কৰে—সেইদেখি মই আজি তোমাক বুজাবলৈ মিছাতে আৰু কোনো তৰ্ক নকৰোঁ।"

বিনয়ে চকীৰপৰা উঠি কলে,—"সেয়ে ভাল, তেনেহলে আহিলোঁহে—এবাৰ আইৰ লগত দেখা কৰি যাওঁ।"

বিনয় গুচি গ'ল, মহিম লাহে লাহে আহি কোঠাত সোমালহি। তামোল চোবাই চোবাই সুধিলে,—"সুবিধা নহল হবলা? নহবৰ কথাই। কিমান দিনৰেপৰা কৈ আছোঁ সাৱধান হবাহে, আওবাটে যোৱাৰ লক্ষণ দেখা পাইছোঁ—তেতিয়া তো মোৰ কথালৈ কাণকে নিদিলা। সেই সময়ত যদি কিবা বুধি-সুধা কৰি শশীমুখীৰ লগত বিয়াখন পাতি দিব পাৰিলা-হেঁতেন, তেতিয়া হলে কোনো কথাই নাছিল। কিন্তু কাকস্য পৰিবেদনা। কাকনো কম। তুমি নিজে যিটো নুবুজিবা সেইটো মৰ খুন্দিয়াই মৰিলেও তো আৰু তোমাক বুজাব নোৱাৰি। এতিয়া বিনয়ৰ নিচিনা লৰা এটা তোমাৰ দল এৰি গুচি গ'ল—ই জানো কম দুখৰ কথা।"

গোৰাই একো উত্তৰ নিদিলে। মহিমে কলে,—"তেনেহলে বিনয়ক

আৰু গুভোতাৰ নোৱাৰিলা। যাক যাওক, কিন্তু শশীমুখীৰ লগত তাৰ বিয়াৰ কথাটো ধৰকৈ শুনাল। এতিয়া শশীক বিয়া দিয়াত আৰু পলম কৰিলে নহব। জানাই তো আমাৰ সমাজৰ কথা—যদিহে কেনেবাকৈ কাৰোবাক শলঠেকত পায় তেনেহলে তাক নাকনি-কাণনি কৰিহে এৰিব। সেইদেখি এটা দৰা—নাই, বাক তুমি ভয় কৰিব নেলাগে—তুমি দৰা বিচৰাৰ দৰকাৰ নাই। দৰা মই নিজেই ঠিক কৰি থৈছোঁ।"

গোৰাই সুধিলে,—"দৰানো কোন?"

মহিমে কলে,—"তোমালোকৰ অবিনাশ।"

গোৰাই কলে,—"সি মান্তী হৈছে?"

মহিমে কলে,—"মান্তী নহব। তোমাৰ বিনয় পাইছা নে কি? নাই, বিহকে নোকোৱা লাগে, তোমাৰ দলৰ ভিতৰত অবিনাশ বোলা লৰাটিয়েই তোমাৰ আচল ভকত। তোমালোকৰ পৰিয়ালৰ লগত তাৰ সম্বন্ধ হব শুনিয়েই সি আনন্দতে নাচি উঠিল। কলে, 'ই মোৰ সৌভাগ্য, ই মোৰ সৌভাগ্য।' টকা-কড়িৰ কথা কওঁতেই কাণত আঙুলি দি কলে,—'মাফ্ কৰিব, সেইবিলাক মোক একো নকব।' মই কলো,—'বাৰু সেইবোৰ তোমাৰ দেউতাৰাৰ লগত হব।' তাৰ বাপেককো লগ ধৰিছিলোঁ। দেখা গ'ল পুতেকৰ লগত বাপেক বহুতো বেলেগ। টকাৰ কথাত বাপেকে কাণত তো আঙুলি নিদিলেই বৰং যেনেকৈহে আৰম্ভ কৰিলে, মই হে কাণত আঙুলি দিব লগীয়াৰ নিচিনা হল। লৰাও দেখিলোঁ এইবিলাক কথাত একেবাৰে পিতৃ-ভক্ত—একেবাৰেই পিতা হি পৰমং তপঃ—তাক মধ্যস্থতা কৰি কোনো ফল নহব। দেখিছোঁ কোম্পানীৰ কাগজ নভঙোৱাকৈ কাম সমাধা কৰিব নোৱাৰিম। যাক যি হওক, তুমিও অবিনাশক দুই-এটা কথা কবাঁ। তোমাৰ মুখৰপৰা উৎসাহ পালে—"

গোৰাই কলে,—"কলেও টকাৰ অঙ্কটো নকমিব।"

মহিমে কলে,—"সেইটো জানো—পিতৃভক্তি যেতিয়া কামত লগোৱা হয়, তেতিয়া ভাল কথা বুজোৱা টান।"

গোৰাই সুধিলে,—"কথা বন্ধা-ছুটা হৈ গৈছে নহয়।"

মহিমে কলে,—"নিশ্চয় হৈছে, মাঘৰ পূৰ্ণিমা তিথিত। বেচি দিন নাই আৰু। লৰাৰ বাপেকে কৈছে, হীৰা-মাণিক নেলাগে, কিন্তু সোণৰ গহনা গধুৰ হব লাগিব। কেনেকৈনো সোণৰ দাম নবঢ়োৱাকৈ সোণৰ ওজন বঢ়াব পাৰি, সোণাৰিৰ লগত এতিয়া সেই কথাহে হব লাগিব।"

গোৰাই কলে,—"কিন্তু ইমান বেচি লৰালৰি কৰিবৰ নো কি দৰকাৰ

পৰিছে। অবিনাশো যে কিছুদিনৰ ভিতৰতে ব্ৰাহ্ম-সমাজত সোমাব—এনে একো ভয় নাই।"

মহিমে ক'লে,—"নাই সঁচা, কিন্তু সেউতাৰ শৰীৰ আজি-কালি বৰ বেয়া হৈ পৰিছে সেইটো তোমালোকে লক্ষ্য কৰিছানে নাই জানো? ডাক্তৰে বিধানে হাক দিছে, তেখেতৰ নিয়ম মনাৰ মাত্ৰাও সিমানেই চৰিছে গৈছে। এতিয়া যি পৰাকী সন্ন্যাসী লগিছেহি তেওঁ তেখেতক তিনি বেলা গা ধুৱাই এনে কিছুমান যোগ আৰম্ভ কৰাইছে যে চকুৰ মণি, ভুৰু, নিশ্বাস-প্ৰশ্বাস নাড়ী-ভুৰি সকলোবিলাক ওলোটা-পোলোটা হৈ যাব যেন পাইছোঁ। সেউতা জীয়াই থাকোঁতে থাকোঁতেই শৰীৰ বিয়াখন হৈ গলে সুবিধা হয়; তেখেতৰ পেঞ্চনৰ জমা টকাটো ওস্তাবনন্দ স্বামীৰ হাতত পৰাৰ আগতে কামটো হৈ গলে মই বৰ নিশ্চিন্ত হব পাৰোঁ। সেউতাৰ ওচৰত কালি কথাটো উলিয়াইছিলোঁ, কিন্তু কথা সহজ নহয়। ভাবিছোঁ এই সন্ন্যাসী পাটক কিছুদিন ভালকৈ ভাং খুৱাই বশ কৰি তাৰ হতুৱায়েই কামটো উদ্ধাৰ কৰিব লাগিব। যিসকল গৃহস্থ, যাৰ টকাৰ দৰ্কাৰ আটাই-তকৈ বেছি, সেউতাৰ টকা সিবিলাকৰ ভোগত নাহে, সেইটো তুমি ঠিক জানিবা। মোৰ অসুবিধা হ'ল এই যে লৰাৰ বাপেকে টানি টানি টকা বিচাৰে আৰু মোৰ বোপায়ে টকাৰ কথা কলেই প্ৰাণায়াম কৰিবলৈ বহে। মই এতিয়া এখাৰ বছৰীয়া ছোৱালীজনী টেটুত বান্ধি লৈ পানীত বুৰি মৰিলেহে হব।"

৬২

হৰিমোহিনীয়ে সুধিলে,—"কালি ৰাতি কিয় তুমি একো নেখালা?"

সুচৰিতাই আচৰিত হৈ ক'লে,—"কিয়, খালোঁ নহয়।"

হৰিমোহিনীয়ে ঢাকি থোৱা কাঁহীখন আঙুলিয়াই দেখুৱাই ক'লে,—"কেতিয়া খালা, গোটা দেখোন আতে পৰি আছে।"

হৰিমোহিনীয়ে টানকৈ ক'লে,—"এইবোৰ বৰ ভাল কথা নহয়। মই ভট্ট ভাঙৰীয়াক ভালকৈ জানো; এই যে তুমি বৰ বাঢ়ি গৈছা, সেইবিলাক তেওঁ ভাল পায় বুলি মোৰ মনে নধৰে; তেওঁক দেখিলে মানুহৰ মন শাঁত পৰে। আজি-কালি তোমাৰ যেনে চাল-চলন, সেইবোৰ দেখিলে তেখেতে কি কব কোৱাচোন।"

হৰিমোহিনীয়ে দিয়া ইঙ্গিতটো সুচৰিতাৰ বুজিবলৈ বাকী নেথাকিল। মুহূর্ত্তৰ কাৰণে তাইৰ মনত অলপ সঙ্কোচৰ ভাৰ হৈছিল। গোৰাৰ লগত তাইৰ সম্বন্ধ আন সাধাৰণ মতা-তিৰোতাৰ সম্বন্ধৰ দৰেই বুলি যে এটা অপবাদৰ ইঙ্গিত সিহঁতৰ ওপৰত পৰিব পাৰে, সেইটো তাই ভবাই নাছিল। সেইদেখি হৰিমোহিনীৰ আওপকীয়া কথাত তাই লাজ পালে। কিন্তু পিচ মুহূর্ত্ততে হাতৰ কাম ঠেলি থৈ থোন হৈ বহিল আৰু হৰিমোহিনীৰ মুখলৈ চালে।

তাই সেই নিমিষতে মনতে ঠিক কৰি পেলালে যে গোৰাৰ লগত তাইৰ যি সম্পর্ক, তাত কাৰো ওচৰতে তাই লাজ পাবলগীয়া একো নাই। তাই ক'লে,—"মাহী, তুমি জানাই, কালি গৌৰমোহন আহিছিল। তেওঁৰ লগত যি বিষয়ে কথা-বার্ত্তা হৈছিলোঁ সেইবোৰ যথকৈ মোৰ মনত লাগিল। সেই দেখিয়েই খোৱাৰ কথা মনলৈয়ে নাহিল। তুমি থকা হলে, তুমিও বহু কথা শুনিব পাৰিলাহেঁতেন।"

হৰিমোহিনীয়ে যি কথা শুনিবলৈ ভাল পায়, গোৰাৰ কথা ঠিক তেনেকুৱা নহয়। ভক্তিৰ কথা শুনিবলৈ তেওঁৰ মন হেঁপাহ। গোৰাৰ মুখত ভক্তিৰ কথা সলসলীয়া আৰু ৰসাল হৈ নুঠে। গোৰাৰ আগত সকলো সময়তে যেন বিপক্ষ এজন থাকে—গোৰাই যেন তেওঁৰ লগত যুঁজিয়েই আছে। পতিয়ন নোযোৱাবোৰক জোৰ কৰি পতিয়ন যোৱাৰ খোজে। আৰু যি সকলে আগতে পতিয়ন গৈছে সিহঁতক কৰলৈ তেওঁৰ আৰু একো নেথাকে। গোৰাৰ মন বেচি আগ্ৰহ থকা কথাবোৰত আকৌ হৰিমোহিনী তেনেই উদাসীন। ব্ৰাহ্ম-সমাজৰ মানুহে যদি হিন্দু সমাজৰ লগত মিলি জুলি নেথাকি নিজৰ মতকে লৈ থাকে, তাৰ বাবে তেওঁ অকণো বেজাৰ নেপায়; বৰঞ্চ নিজৰ আপোন মানুহ কিনিৰ লগত এনা-এৰি হোৱাৰ কিবা কাৰণ নঘটিলেই হ'ল। সেইদেখি গোৰাৰ লগত কথা পাতি তেওঁ অকণো সুখ নেপায়।

ইয়াৰ পিচত হৰিমোহিনীয়ে যেতিয়াই বুজিলে যে গোৰাই সুচৰিতাৰ মন অধিকাৰ কৰিছে, তেতিয়াৰেপৰা গোৰাৰ কথা-মতবা তেওঁৰ আৰু কেনেবা কেনেবা লাগিবলৈ ধৰিলে। সুচৰিতা টকা-কড়িৰ কাৰণৰপৰা সম্পূৰ্ণ স্বাধীন আৰু মত বিশ্বাস আৰু আচাৰ ব্যৱহাৰতো একেবাৰেই স্বতন্ত্ৰীয়া। সেই কাৰণেই হৰিমোহিনীয়ে সুচৰিতাক সকলো ফালৰ পৰা সম্পূৰ্ণ ৰূপে আয়ত্ত কৰিব পৰা নাই—অথচ শেষবয়সত সুচৰিতায়েই হৰিমোহিনীৰ একমাত্ৰ লাখুটি—এনেবোৰ কাৰণতে সুচৰিতাৰ ওপৰত পৰেশ

ভিতৰ বাহিৰে আনৰ প্ৰভাৱ পৰিলেই হৰিমোহিনীৰ মনত বৰ বেজাৰ লাগে। এই একেটা কথাই হৰিমোহিনীৰ মনত লাগি থাকিল যে গোৰাৰ আগৰপৰা শুনিলৈকে সকলোবিলাকেই কৃত্ৰিম, গোৰাৰ আচল লক্ষ্য হ'ল সুচৰিতাৰ মন আকৰ্ষণ কৰা। অইন কি সুচৰিতাৰ ধন সম্পত্তিৰ ওপৰতহে গোৰাৰ আচল চকু, এনে কথাও হৰিমোহিনীয়ে মনতে পাতিবলৈ ধৰিলে। গোৰায়েই যে হৰিমোহিনীৰ প্ৰধান শত্ৰু ইয়াকেই তেওঁ থিৰ কৰিলে, আৰু তাইক সকলো কথাতে বাধা দিবৰ কাৰণে উঠি-পৰি লাগিল।

সুচৰিতাৰ ঘৰলৈ আজি গোৰা অহাৰ কোনো কথা নাছিল, কোনো কাৰণো নাছিল। কিন্তু গোৰাৰ স্বভাৱত সঙ্কোচ বস্তুটো অতি কম আছিল। কিবা এটাত লাগিলে সি আৰু একো ভবা-গুণা নকৰে। একবাৰে কাঁড়পাটৰ দৰে সোঁ সোঁৱাই যায়।

আজি ৰাতিপুৱাই গোৰা যেতিয়া সুচৰিতাহঁতৰ ঘৰ পালেহি, তেতিয়া হৰিমোহিনীয়ে পূজা কৰি আছিল। সুচৰিতাই তাই বহা কোঠাত মেজৰ ওপৰত পুথি, বহী, কাগজ আদি পৰিপাটিকৈ সজাই থাকোঁতেই সতীশে আহি খবৰ দিলেহি যে গৌৰমোহন ককাইদেউ আহিছে। সুচৰিতাই তেতিয়া বিশেষ আচৰিত বোধ কৰা নাছিল। তাইৰ মনতে লাগিছিল যেন গোৰা আজি আহিব।

গোৰাই চকী খনত বহী ক'লে, "শেষত বিনয়ে আমাক এৰিলে।"

সুচৰিতাই ক'লে,—"কিয়, এৰিব কিয়; তেওঁতো ব্ৰাহ্ম-সমাজত যোগ দিয়া নাই।"

গোৰাই ক'লে,—"ব্ৰাহ্ম-সমাজলৈ ওলাই যোৱা হলেই তেওঁ আমাৰ বেচি ওচৰতে থাকিল হয়। হিন্দু সমাজক খামুচি ধৰি আছে কাৰণেই কথাটো আৰু বেচি বেয়া হৈছে। ইয়াতকৈ আমাৰ সমাজক পুৰা-পুৰি এৰি দিয়া হলেই তেখেতে বেচি ভাল কৰিলেহেঁতেন।"

সুচৰিতাই মনতে বৰ দুখ পাই ক'লে,—"আপুনি সমাজখনক ইমান ডাঙৰ কৰি চাই কিয়? আপুনি সমাজৰ ওপৰত ইমান বিশ্বাস কৰাটো স্বাভাৱিক নে আপোনাৰ নিজৰ ওপৰতে একৰকম বল খটোৱা?"

গোৰাই ক'লে,—"বৰ্ত্তমান অৱস্থাত এই বল খটোৱাটোৱেই স্বাভাৱিক। ভৰিৰ তলৰ মাটিয়েই যেতিয়া চপ চপকৈ কঁপিবলৈ ধৰে, তেতিয়া প্ৰত্যেক খোজতে ভৰিৰ ওপৰতে বেচি বল দিব লগা হয়। এতিয়া চাৰিওফালে হকা-বধা চলিছে, সেই দেখি আমাৰ কথা আৰু কামবোৰত অলপ কিবা বেচি বেচি দেখা যেন লাগে। তাত আচৰিত হ'বলগীয়া একো নাই।"

সুচৰিতাই ক'লে,—"চাৰিওফালে বিৰোধ হকা-বধা দেখিছে সেই সকলোবোৰকে আপুনি আগৰেপৰা ভবিলৈকে অন্যায় অনাৱশ্যক বুলি কিয় ভাবিছে ? কালৰ গতিক সমাজে বাধা দিবলৈ গলে খুন্দা খাবই।"

গোৰাই ক'লে,—"কালৰ গতি পানীৰ ঢৌৰ দৰে, সি পাৰ ভাঙিবই, কিন্তু এই ভাঙোন মানি লোৱাটো পাৰৰ কৰ্ত্তব্য বুলি মোৰ মনে নধৰে। তুমি নেভাবিবা যে সমাজৰ ভাল-বেয়া মই একো বিচাৰ নকৰোঁ। তেনেকৈ বিচাৰ কৰা ইমান সহজ যে আজি ষোল বছৰীয়া সবায়ো বিচাৰক হৈ পৰিছে। কিন্তু টান হৈছে গোটেই বস্তুটোকে শ্ৰদ্ধাৰ চকুৰে কেউফালৰ পৰা চাব পৰাটোহে।"

সুচৰিতাই ক'লে,—"শ্ৰদ্ধাৰদ্বাৰা আমি কেৱল সত্যহে পাওঁ নে ? শ্ৰদ্ধাৰে সৈতে মিছাকো বিনা বিচাৰে গ্ৰহণ কৰোঁ। বাৰু মই আপোনাক এটা কথা সোধোঁ—আমি মূৰ্ত্তি পূজাকো জানো শ্ৰদ্ধা কৰিব পাৰোঁ ? আপুনি এই সকলোবোৰক সঁচা বুলি বিশ্বাস কৰে নে ?"

গোৰা কিছুপৰ মনে মনে থাকি ক'লে,—"মই তোমাক আচল সত্য-টোকে কবলৈ যত্ন কৰিম। মই প্ৰথমে এইবোৰক সত্য বুলি ধৰি লৈছোঁ। ইউৰুপীয় সংস্কাৰৰ লগত এই বিলাকৰ বিৰোধ আছে বুলিয়েই আৰু এই বিলাকৰ বিৰুদ্ধে কিছুমান সস্তীয়া যুক্তি দেখুৱাব পাৰি বুলিয়েই মই খৰধৰকৈ এইবোৰৰ জবাব দিয়া নাই। ধৰ্ম্ম সম্বন্ধে মোৰ নিজৰ কোনো সাধনা নাই; কিন্তু সাকাৰ পূজা আৰু পৌত্তলিকতা যে একেটাই, মূৰ্ত্তি পূজাতো যে ভক্তি তত্ত্বৰ চৰম পৰিণতি নাই, এনেবোৰ কথা অতি অভ্যাসত কোৱা বাক্যৰ দৰে চকু মুদি আওৰাই যাব হলে নোৱাৰোঁ। শিল্পত, সাহিত্যত এনে কি বিজ্ঞান আৰু বুৰঞ্জীতো মানুহৰ কল্পনা শক্তিৰ থল আছে; একমাত্ৰ ধৰ্ম্মইহে সেই শক্তিৰ থল নহয়, এই কথা মই স্বীকাৰ নকৰোঁ। ধৰ্ম্মতেই মানুহৰ সকলো বৃত্তিৰ চূড়ান্ত প্ৰকাশ। আমাৰ দেশত মূৰ্ত্তি পূজাত জ্ঞান আৰু ভক্তিৰ লগতে কল্পনাৰো মিলন ঘটাবলৈ যি চেষ্টা চলিছে, তাৰদ্বাৰাই আমাৰ দেশৰ ধৰ্ম্ম দেশৰ মানুহৰ মনত অন্য দেশৰ ধৰ্ম্মতকৈ বেচি সঁচা হৈ উঠা নাই নে ?"

সুচৰিতাই ক'লে,—"গ্ৰীচ আৰু ৰোমতো তো মূৰ্ত্তি পূজা আছিল।"

গোৰাই ক'লে,—"সেই বিলাক দেশৰ মূৰ্ত্তিত সৌন্দৰ্য্যবোধে যিমান আগশাৰী পাইছিল জ্ঞান-ভক্তিয়ে সিমান নেপাইছিল। আমাৰ দেশৰ কল্পনা জ্ঞান আৰু ভক্তিৰ লগত অতি ভালকৈ সাঙোৰ খাই আছে। আমাৰ ৰাধা-কৃষ্ণকে কোৱা, বা হৰ-পাৰ্ব্বতীকেই কোৱা, সেয়া কেৱল

ঐতিহাসিক পূজাৰ বিষয় নহয় ; তাৰ ভিতৰত মানুহৰ চিৰকলীয়া ভক্তি-জ্ঞানৰ ৰূপ আছে। সেই দেখিয়েই ৰামপ্ৰসাদ, চৈতন্যদেৱৰ ভক্তি এই সকলোবোৰেই মূৰ্ত্তিৰ অৱলম্বন কৰিয়েই প্ৰকাশ পাইছে। ভক্তিৰ এনেকুৱা পৰম প্ৰকাশ খ্ৰীচ-বোমৰ মুৰব্বীত নো কেতিয়া দেখা গৈছে ?"

সুচৰিতাই ক'লে,—"সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে ধৰ্ম্ম আৰু সমাজৰো পৰিবৰ্ত্তন আপুনি মানি নল লোখোজে নে কি ?"

গোৰাই ক'লে,—"কিয় নুখুজিম। কিন্তু পৰিবৰ্ত্তনটো বলিয়ালি হলে নহব। ন'বা ক্ৰমে বুঢ়া হৈ আহে। কিন্তু মানুহ তো হঠাতে কুকুৰ-মেকুৰী হৈ নেযায়। ভাৰতবৰ্ষৰ পৰিবৰ্ত্তন ভাৰতৰ পথতেই হব লাগিব, হঠাৎ ইংৰাজীৰ মুৰব্বীৰ বাট ললে, আগৰপৰা গুৰিলৈকে সকলো পণ্ড আৰু অৰ্থহীন হৈ যাব। দেশৰ শক্তি, দেশৰ ঐশ্বৰ্য্য দেশতেই খুপ খাই আছে, সেইটোকে তোমালোকক বুজাবৰ কাৰণে মই মোৰ জীৱন উচৰ্গা কৰিছোঁ। মোৰ কথা বুজিব পাৰিছা নহয় ?"

সুচৰিতাই ক'লে,—"এৰা বুজিছোঁ, কিন্তু এইবোৰ কথা আগেয়ে মই শুনাও নাই আৰু ভবাও নাই। এডোখৰ নতুন ঠাইত ওলালেগৈ যেনেকৈ জনা-শুনা বস্তুবোৰো চিনোতে পলম হয়, মোৰো তেনেই হৈছে। মই মাইকী মানুহ বুলিয়েই হবলা তেনেকৈ দকৈ ভাবি লব নোৱাৰোঁ।"

গোৰাই ক'লে,—"কেতিয়াও নহয়। মই বহুত মতা মানুহ জানো—তেওঁলোকৰ লগত এনে আলোচনা বহু দিন কৰি আহিছোঁ, তেওঁলোকে সংশয় নোহোৱাকৈ ঠিক কৰি থৈছে যে তেওঁলোকে সকলো কথাই ভালকৈ বুজিছে, কিন্তু মই তোমাক সকলো কথা ডাঠি কব পাৰোঁ যে তুমি তোমাৰ মনৰ আগত আজি যিটো দেখা পাইছা, তেওঁলোকৰ এটা মানুহেও তাৰ অকণো দেখা নাই। তোমাৰ ভিতৰত যে এটা গভীৰ দৃষ্টিশক্তি আছে তোমাক দেখিয়েই মই তাৰ উমান পাইছিলোঁ। সেই দেখিহে আজি অত দিনৰ পিচত মোৰ অন্তৰৰ সকলো কথা লৈ আহি তোমাৰ গুৰি পাইছোঁহি—মোৰ গোটেই জীৱন তোমাৰ আগত মেলি দিছোঁহি—অকণো সঙ্কোচ বোধ কৰা নাই।"

সুচৰিতাই ক'লে,—"আপুনি এনেকৈ ক'লে মোৰ মনটো বৰ উগুল-থুগুল লাগি পৰে। মোৰপৰা আপুনি কি আশা কৰিছে, মইনো তাৰ কি দিব পাৰিম, মই নো কি কাম কৰিব লাগিব, মোৰ অন্তৰত ভাৱৰ এটা অস্থিৰতা হৈছে, আৰু সি কি ৰূপত দেখা দিব মই একো বুজিব পৰা নাই। মোৰ কেৱল ভয় লাগি আছে যে আপুনি মোৰ ওপৰত যি

বিশ্বাস কৰিছে সেই বিশ্বাস কিজানি এদিন আপোনাৰ ওচৰতে মিছা বুলি ধৰা পৰে।"

গোৰাই মেঘৰ দৰে গহীন মাতেৰে ক'লে,—"তাত ভুল কৰা নাই। তোমাৰ অন্তৰত যে কিমান ডাঙৰ এটা শক্তি আছে, সেইটো তোমাক মই দেখুৱাই দিম। তুমি অকণো উত্তাৱল নহবা। তোমাৰ কি যোগ্যতা আছে সেইটো কুটাই তোলাৰ ভাৰ মোৰ ওপৰত থাকিল। মোৰ ওপৰত তুমি নিৰ্ভৰ কৰা।"

সুচৰিতাই একো নেমাতিলে, কিন্তু নিৰ্ভৰ কৰিবলৈ যে আৰু বাকী নাই, এই কথাটো নোকোৱাকৈয়ে ওলাই পৰিল। গোৰাও মনে মনে থাকিল। কোঠাটোৰ ভিতৰত বহু পৰলৈকে কোনেও মাতবোল কৰা নাছিল। বাহিৰত পুৰণা পিতলৰ সাজ-পাত্ৰৰ বেপাৰীয়ে পাত্ৰৰ ঝন্ ঝন্ শব্দ কৰি দুৱাৰৰ আগেদিয়েই চিঞৰি চিঞৰি গুচি গ'ল।

হৰিমোহিনীয়ে পূজা ভাগ শেষ কৰি ৰান্ধনি ঘৰৰ ফালে গৈছিল। সুচৰিতাৰ মাতবোল নোহোৱা কোঠাত কোনোবা থকাৰ কথা তেওঁ ভবাই নাছিল—কিন্তু হঠাতে কোঠাটোলৈ চকু পৰোঁতে হৰিমোহিনীয়ে যেতিয়া দেখিলে যে সুচৰিতা আৰু গোৰা দুয়ো মনে মনে বহি কিবা ভাবি আছে, দুয়ো কোনো প্ৰকাৰৰ মাতবোলো কৰা নাই, তেতিয়া টলকতে তেওঁৰ খঙে চুলিৰ আগ পালেগৈ। নিজকে সংযত কৰি লৈ তেওঁ দুৱাৰ-ডলিত থিয় দি মাতিলে, "ৰাধাৰাণী।"

সুচৰিতাই উঠি আহি তেওঁৰ ওচৰ চাপিলত বিহি মাতেৰে ক'লে,—"আজি একাদশী, মোৰাচোন. ৰান্ধনি ঘৰলৈ গৈ আখাটো জ্বলাই দিয়া গৈ—মই সেইকণ সময় গৌৰ বোপাৰ ওচৰত বহোঁ।"

সুচৰিতাই মাহীয়েকৰ ভাবভঙ্গি দেখি উদ্বিগ্ন হৈ ৰান্ধনি ঘৰলৈ গুচি গ'ল। হৰিমোহিনী কোঠাত ভৰি দিওঁতেই গোৰাই তেওঁক সেৱা কৰিলে। হৰিমোহিনীয়ে একো নোকোৱাকৈ চকীত বহিল। কিছু সময় ওঁঠত ওঁঠ লগাই মনে মনে বহি থকাৰ পিচত ক'লে,—"তুমি তো বোপা ব্ৰাহ্ম নোহোৱা।"

গোৰাই ক'লে,—"নহওঁ।"

হৰিমোহিনীয়ে ক'লে,—"আমাৰ হিন্দু সমাজ তুমি মানা নহয়।"

গোৰাই ক'লে,—"নিশ্চয় মানো।"

হৰিমোহিনীয়ে ক'লে,—"তেনেহলে নো এইটো তোমাৰ কেনেকুৱা কথা।"

গোৰাই হৰিমোহিনীৰ ওজৰ কি বুজিব নোৱাৰি নিমাতে তেওঁৰ মুখৰ ফালে চাই ৰ'ল।

হৰিমোহিনীয়ে ক'লে,—"ৰাধাৰাণীৰ এতিয়া বয়স হৈছে, তোমালোক তাইৰ লগা-ভগাও নোহোৱা, তাইৰ লগত তোমালোকৰ ইমান কিহৰ কথা। তাই ছোৱালী মানুহ, ঘৰৰ কাম-কাজ কৰিব, তাইবেই বা এইবোৰ কথাত থকাৰ দৰকাৰ কি। এইবোৰে তাইৰ মন আনপিনেহে লৈ যায়। তুমি তো জ্ঞানী মানুহ—দেশৰ সকলোৱেই তোমাক প্ৰশংসা কৰে—কিন্তু এইবোৰনো আমাৰ দেশত কেতিয়া আছিল আৰু কোন শাস্ত্ৰতেই বা লিখা আছে।"

গোৰাই হঠাৎ এটা ডাঙৰ খুন্দা খালে। সুচৰিতাৰ বিষয়ে কোনোবা পক্ষৰপৰাও যে এনেকুৱা কথা উঠিব পাৰে সি সেইটো ভৱাই নাছিল। সি অলপ পৰ নিমাত হৈ থাকি ক'লে,—"এওঁ ব্ৰাহ্ম-সমাজৰ সকলোৰে লগত নিতৌ এনেকৈয়ে উঠা বেলা কৰা দেখিছোঁ, সেইদেখি এই বিষয়ে মই একো ভৰা নাই।"

হৰিমোহিনীয়ে ক'লে,—"তাই নহয় ব্ৰাহ্ম-সমাজৰে, কিন্তু তুমি তো কেতিয়াও এইবোৰ ভাল নোবোলা। তোমাৰ কথা শুনি কত মানুহৰ চেতনা হৈছে, আকৌ তুমি নিজে এনে ব্যৱহাৰ কৰিলে মানুহে তোমাক কিয় মানিব। কালি নিশা এপৰলৈকে তাইৰ লগত কথা পাতি গ'লা, তেতিয়াও তোমালোকৰ কথা শেষ নহল, আজি আকৌ এই পুৱাতে ওলালাহি। পুৱাৰেপৰা তাই আজি নগল ভঁৰাললৈ, নগল ৰান্ধনি ঘৰলৈকো—আজি একাদশীৰ দিনা মোক যে অকণ সহায় কৰি দিব, সেইটোও তাই অকণো নেভাবিলেই। এইটোনো তাইৰ কেনে শিক্ষা হৈছে। তোমালোকৰ নিজৰ ঘৰতো ছোৱালী আছে—সকলো কাম-কাজ বন্ধ কৰি সিহঁতক এনে শিক্ষাই দিছানে, নে অইনে এনে কৰিলে তুমি ভাল পাবা, হয় ?"

গোৰাৰ ফালৰপৰা এই কথাৰ কোনো উত্তৰ নাছিল। সি কেৱল কলে,—"তেওঁ এনে শিক্ষা লৈয়েই ডাঙৰ-দীঘল হৈছে বুলিয়েই তেওঁৰ বিষয়ে মই একো ভাবি চোৱা নাছিলোঁ।"

হৰিমোহিনীয়ে কলে,—"তাই যি শিক্ষাই পাওক, যিমান দিন মোৰ লগত আৰু মই জীয়াই আছোঁ—এইবিলাক হলে নচলিব। তাইক মই ভালেখিনি ঘোলাই আনিছোঁ। তাই যেতিয়া ভট্ট ডাঙৰীয়াৰ ঘৰত আছিল তেতিয়াই মোৰ লগত বেচিকৈ মিলি-জুলি হিন্দু হৈ গৈছে বুলি এটা কথা ওলাইছিল। তাৰ পিচত এইখন ঘৰলৈ অহাৰ পিচতো তোমালোকৰ

বিনয়ক লৈ কিবা-কিবি কথা ওলাল। আকৌ সকলো ওলোটা হৈ গ'ল। তেওঁ তো এতিয়া ব্ৰাহ্মৰ ঘৰত বিয়াৰ ঠিকেই কৰিছে। সেইবোৰ বাওক বাক। অতি কষ্টেৰে মই বিনয়ক থাঁতৰ কৰিলোঁ। তাৰ পিচত হাৰান বাষ্টৰ বুলি এজন আহিবলৈ ললে। সি আহিলেই বাধাবাণীক লৈ মই নিজৰ ওপৰৰ কোঠাত বহোঁগৈ—সি আৰু সিমান নাই সেপালে। এনেকৈয়ে নানা দুখ-কষ্টৰ মাজেদি হলেও আজি-কালি তাইৰ মতি-গতি ভালনৈ আহিছে যেন লাগে। ইয়ালৈ আহিও আকৌ তাই সকলোৰে চোৱাযেলা বস্তু খাবলৈ আৰম্ভ কৰিছিল, কালি দেখিলোঁ সেইটোও এৰিছে। কালি বান্ধনি ঘৰৰপৰা নিজৰ ভাত নিজেই লৈছিল। বেহেৰাক পানী আনিবলৈ বাৰণ কৰিছিল। এতিয়া বোপা তোমাক মই জোৰ হাত কৰি কাবৌ কৰিছোঁ—তাইক তোমালোকে মাটি নকৰা যেন। সংসাৰত মোৰ যি আছিল সকলো মৰি-হাজি চুকাই এতিয়া এই এজনীত বৈছেহি। তাইবো আপোন বুলিবলৈ মোৰ বাহিৰে আন কোনো নাই। তাইক তোমালোকে এৰি দিয়া। সেই সিহঁতৰ ঘৰতে আৰু ডাঙৰ-দীঘল ছোৱালী দেখাৰ আছে—সেয়া লাৱণ্য, লীলা, সিহঁতো বুদ্ধিমতী, পঢ়া-শুনাও কৰিছে, তোমাৰ যদি কিবা কবলগীয়া আছে, যোৱা সিহঁতকে কোৱাগৈ বোপাই। বোপা। কোনেও তোমাক হকা-বধা নকৰে।"

গোৰা একেবাৰে থতমত খাই বহি থাকিল। হৰিমোহিনীয়ে কিছু পৰ মনে মনে থাকি আকৌ ক'লে,—"ভাবি চোৱাঁ, তাইৰো বিয়া বাক হব লাগিব—বয়স যথেষ্ট হৈছে। তুমি কি কোৱা, সদায় নো তাই এইদৰে আবিয়ৈ হৈয়েই থাকিবনে? গৃহস্থি-ধৰ্ম পালন কৰা মানুহৰ কৰ্ত্তব্য।"

সাধাৰণ ভাৱে এই বিষয়ে গোৰাৰ মনত কোনো সন্দেহ নাছিল তাবো তেনেকুৱাই; কিন্তু সুচৰিতাৰ সম্পৰ্কে তাৰ নিজৰ মতটো নো বি সি কেতিয়াও চালি-জাৰি চোৱা নাছিল। সুচৰিতা বৈণী হৈ কোনোৰ গৃহস্থৰ ঘৰ ঘৰত ঘৰুৱা কামত লাগি থকাটো গোৰাই কল্পনাও কৰি চোৱা নাই। সুচৰিতা আজি যেনেকৈ আছে সদায় যেন তেনেকৈয়ে থাকিব।

গোৰাই সুধিলে,—"আপোনাৰ ভতিজা ছোৱালীৰ বিয়াৰ কথা কিব ভাবিছে নে কি?"

হৰিমোহিনীয়ে ক'লে,—"ভাবিব লাগিব তো, মই নেভাবিলে আৰু কোনে ভাবিব।"

গোৰাই ক'লে,—"হিন্দু সমাজত তেওঁৰ বিয়া হব পাৰিব জানো।"

হৰিমোহিনীয়ে ক'লে,—"তেনে চেষ্টাই তো কৰিব লাগিব। তাই যদি আৰু গোলমাল নকৰে, ঠিকমতে চলে, তেনেহলে তাইক পাৰ কৰি দিব পাৰিম। সেইবিলাক মই মনতে ঠিক কৰি থৈছোঁ। ইমানদিন তাইৰ মতি-গতি বিহে আছিল, সাহ কৰি একো কৰিব পৰা নাছিলোঁ। আজি দুদিনমানৰপৰা পিচে তাইৰ মনটো অলপ কুমলিছে—সেহেয়ে কিছু ভৰসা হৈছে।"

এই সম্পৰ্কে আৰু বেচি সোধা-মেলা কৰা উচিত নহব বুলি গোৰাই ভাবিলে যদিও সি কিন্তু কোনোমতেই আৰু থব নোৱাৰিলে। সুধিলে,—"দৰানো কোন, মনে মনে কিবা ঠিক কৰিছে নে কি?"

হৰিমোহিনীয়ে ক'লে,—"কৰিছোঁ। দৰা ভালেই বুলিব লাগিব—কৈলাস, মোৰ সৰু দেওৰ। কিছুদিন হ'ল তাৰ ঘৈণীয়েক চুকাল। মনে মনে মিলা ভাওৰ ছোৱালী পোৱা নাই বুলিয়েই ইমান দিন বহি আছে, নহলে তাৰ দৰে দৰা পোৱা টান। বাধাবাণীৰ লগত ঠিক মিলিব।"

গোৰাৰ অন্তৰ যিমানেই বেজীয়ে বিন্ধাদি বিন্ধিবলৈ ধৰিলে, সিমানেই কৈলাসৰ সম্পৰ্কে নানান কথা সুধিবলৈ ধৰিলে।

হৰিমোহিনীৰ দেওৰেকহঁতৰ ভিতৰত কৈলাসেই বিশেষ যত্ন কৰি অলপ লিখা-পঢ়া শিকিছিল—কিমান হৰিমোহিনীয়ে কব নোৱাৰে। ঘৰখনৰ ভিতৰত সিয়েই বিদ্বান বুলি নাম আছে। গাঁৱৰ পোষ্ট-মাষ্টৰৰ ওপৰত সদৰত দৰ্খাস্ত দিবলগীয়া হোৱাত কৈলাসে এনে আচৰিত ধৰণে ইংৰাজী ভাষাত কথাখিনি লিখি দিছিল যে পোষ্ট অফিচৰ কোনোবা এজন ৰৰবাবু স্বয়ং আহি তদন্ত কৰি গৈছিলহি। ইয়াকে দেখি গাঁৱৰ সকলো মানুহ কৈলাসৰ ক্ষমতাত আচৰিত হৈছিল। ইমান বিদ্যা থকা সত্বেও আচাৰতেই হওক কিম্বা ধৰ্ম্মতে হওক কৈলাসৰ নিষ্ঠা অকণো কমা নাই।

কৈলাসৰ ইতিবৃত্ত সকলো কোৱা হলত গোৰা থিয় দিলে, হৰিমোহিনীক সেৱা কৰিলে আৰু কোনো কথা নোকোৱাকৈয়ে কোঠাৰপৰা ওলাই গ'লগৈ।

খটখটিয়েদি গোৰা বেতিয়া চোতাললৈ নামি আহিছিল তেতিয়া চোতালৰ সিকালে বাহুনি-ঘৰত সুচৰিতা কামত ব্যস্ত আছিল। গোৰাৰ খোজ শুনি দুৱাৰৰ কাষত থিয় দিলেহি। গোৰাই কোনো কালে নোচোৱাকৈয়ে বাহিৰ হৈ গ'ল। সুচৰিতাই দীঘল হুমুনিয়াহ এটা কাঢ়ি আকৌ বাহুনি-ঘৰৰ কামত লাগিলগৈ।

গলিটোৰ মূৰ পাওঁতেই হাৰাণৰ লগত গোৰাৰ দেখা হ'ল। হাৰাণে অলপ হাঁহি কলে, "আজি পুৱাই দেখোন।'

গোৰাই কোনো উত্তৰ নিদিলে। হাৰাণে আকৌ হাঁহি সুধিলে, "তালৈ গৈছিল বোধকৰোঁ? সুচৰিতা ঘৰতে আছে নহয়।"

গোৰাই আছে বুলি কৈয়েই গুপ্‌ গুপ্‌ কৰে গুচি গ'ল।

হাৰাণে পোনে পোনেই সুচৰিতাহঁতৰ ঘৰ সোমালগৈ আৰু বাহনি-ঘৰৰ মুকলি দুৱাৰেদি তাইক দেখিলে। সুচৰিতাই আঁতৰি যাবলৈ বাটকে নেপালে; মাহীয়েকো ওচৰত নাছিল।

হাৰাণে সুধিলে,—"গৌৰমোহনৰ লগত এতিয়াই দেখা হ'ল। তেখেত ইমান পৰ ইয়াতেই আছিল হব পায়।"

সুচৰিতাই কোনো উত্তৰ নিদি চক্-হাড়িবোৰ লৈ বৰ ব্যস্ত হৈ পৰিল; এনেকুৱাহে দেখুৱালে যেন তাইৰ উশাহ লবলৈকে অৱণি নাই। কিন্তু হাৰাণে নেৰিলে। তেওঁ কোঠাটোৰ বাহিৰত চোতালতে থিয় দি কথা পাতিবলৈ লাগি গ'ল। হৰিমোহিনীয়ে খট্‌খটিৰ ওচৰলৈ আহি দুবাৰমান কাহিলেও, কিন্তু একো ফল নহল।

হৰিমোহিনী হাৰাণৰ আগত ওলাব পাৰিলেহেঁতেন কিন্তু তেওঁ ভালকৈ বুজিছিল যে এবাৰ যদি তেওঁ কেনেবাকৈ হাৰাণৰ আগত ওলায়, তেনেহলে এই উদ্যোগী ডেকা জনৰ অদম্য উৎসাহৰপৰা তেওঁ আৰু সুচৰিতা, এজনীও আৰু সাৰিব নোৱাৰিব। সেই দেখি হাৰাণৰ ছাঁটো দেখিলেও তেখেতে বিমান দীঘল ওৰণি টানি লৈছিল যেনা তে:খতৰ বোৱাৰী কালতো তেখেতৰ কাৰণে বৰ বেচি বুলিয়েই কলেহেঁতেন।

হাৰাণে ক'লে,—"সুচৰিতা তোমালোকে কোন ফালে যাব খুজিছা কোৱাচোন। ক'ত গৈ ওলাবাগৈ। বোধহয় শুনিছা বিনয় চেটাৰ্জ্জীৰ লগত ললিতাৰ হিন্দুমতে বিয়া হব। তুমি জানা ইয়াৰ বাবে দায়ী কোন?"

সুচৰিতাৰপৰা কোনো উত্তৰ নেপাই মাতটো সৰু কৰি গম্ভীৰ ভাৱে কলে,—"দায়ী তুমি।"

হাৰাণে ভাবিছিল ইমান ডাঙৰ এটা অপবাদৰ কথা সুচৰিতাই নসহিব। কিন্তু তাই মাতবোল নকৰি নিজৰ কামতেই লাগি থাকিল। তাকে দেখি তেওঁ মাতটো আৰু গহীন কৰি সুচৰিতাৰ ফালে আঙুলি জোকাৰি কলে, —"সুচৰিতা, মই আকৌ কৈছোঁ, দায়ী তুমি। বুকুৰ ওপৰত সোঁ হাত থৈ তুমি কব পাৰিবানে ইয়াৰ বাবে ব্ৰাহ্ম সমাজৰ ওচৰত তুমি দায়ী হব নেলাগিব বুলি?"

সুচৰিতাই মুখেৰে একো নেমাতি তেলৰ কেৰাহীটো আখাত তুলি দিলে। তেলে চেং চেং কৰিবলৈ ধৰিলে।

হাৰানে কৈ গ'ল, "তুমিয়েই বিনয় চেটাৰ্জী আৰু গৌৰমোহনক তোমালোকৰ ঘৰলৈ আনিছা আৰু তেওঁলোকক ইমান দূৰ আগবাঢ়িবলৈ দিলা যে আজি ব্ৰাহ্ম সমাজৰ সকলো মাননীয় বন্ধুতকৈ এওঁলোক দুজনহে তোমালোকৰ ওচৰত বেছি আদৰ হৈ পৰিল। তাৰ ফল কি হ'ল দেখিলাই নহয়। মই আগৰেপৰা বাৰে বাৰে সাৱধান কৰি দিয়া নাছিলোঁ নে? আজি কি হ'ল। আজি ললিতাক কোনে ওভোতাব? তুমি ভাবিছা বিপদ ললিতাৰ ওপৰেদিয়েই গ'ল। সেইটো নহয়। মই আজি তোমাক সকিয়াই দিবলৈ আহিছোঁ—এইবাৰ তোমাৰ পাল। আজি ললিতাৰ যি দুৰ্ঘটনা হ'ল তাৰ বাবে তুমি নিশ্চয় মনতে অনুতাপ কৰিছা, কিন্তু এনে দিনো প্ৰায় পালেহি, যিদিনা তুমি তোমাৰ নিজৰ অধঃপতনৰ বাবে অনুতাপো নকৰিবা। সুচৰিতা, এতিয়াও উভতিবৰ সময় আছে। এবাৰ ভাবি চোৱাঁ, এদিন কি মহান আশা লৈ দুয়ো লগ লাগিছিলোঁ; আমাৰ জীৱনৰ সন্মুখত কৰ্তব্য কিদৰে জিলিকি আছিল, ব্ৰাহ্ম-সমাজৰ ভৱিষ্যত কেনে উদাৰ ভাৱে মেল খাই আছিল, নিতৌ বাটৰ কাৰণে কিমান সম্বল গোটাইছিলোঁ। সেই সকলোবোৰেই নষ্ট হৈ গ'ল বুলি তুমি ভাবা নে? কেতিয়াও নহয়। সেই আমাৰ আশাৰ স্থলি আজিও প্ৰস্তুত হৈ আছে। এবাৰ মাত্ৰ মুখ ঘূৰাই চোৱাঁ। এবাৰ উভতি আহাঁ।"

তেতিয়া তপত তেলত শাক-পাচলিয়ে চেং-চেঙাই আছিল আৰু সুচৰিতাই খন্তিৰে ভালকৈ লৰাই দিছিল। যেতিয়া হাৰানে তেওঁৰ বিনতিৰ কি ফল হ'ল জানিবলৈ বল, সুচৰিতাই তেতিয়া জুইৰপৰা কেৰাহীটো নমাই মুখ ঘূৰাই জোৰ দি গহীনাই ক'লে,—"মই হিন্দু।"

হাৰান একেবাৰে হতবুদ্ধি হৈ ক'লে,—"তুমি হিন্দু।"

সুচৰিতাই ক'লে,—"হয় মই হিন্দু"—এই বুলি কৈয়েই কেৰাহীটো আকৌ আখাত তুলি দি পুনৰ জোৰেৰে খন্তি লৰাবলৈ ধৰিলে।

হাৰানে কিছুপৰৰ পিচত নিজকে চম্ভালি লৈ চোকা মাতেৰে ক'লে,—"সেই দেখিছে গৌৰমোহনে পুৱা নাই, সন্ধিয়া নাই, তোমাক মন্ত্ৰ দিছিল হবলা?"

সুচৰিতাই মুখ ঘূৰুকমাকৈয়ে ক'লে,—"এৰা, মই তেখেতৰপৰা মন্ত্ৰ লৈছোঁ, তেখেত মোৰ গুৰু।"

একালত হাৰানে নিজে নিজকেই সুচৰিতাৰ গুৰু বুলি ভাবিছিল।

আজি যদি সুচৰিতাৰপৰা তেওঁ শুনিলেহেঁতেন যে তাই গোৰাক ভাল পায়, তেনেহলেও বোধকৰোঁ তেওঁ সিমান দুখ নেপালেহেঁতেন। কিন্তু তেওঁৰ গুৰুত্ব অধিকাৰ আজি গোৰাই কাঢ়ি ললে। সুচৰিতাৰ মুখৰপৰা এই কথাষাৰ শুনামাত্ৰকে তেওঁক শেলে বিন্ধাদি বিন্ধিবলৈ ধৰিলে।

তেওঁ ক'লে,—"তোমাৰ গুৰু যিমানেই ডাঙৰ মানুহ নহওক লাগে, ভাবিছা নে কি যে হিন্দু সমাজত তোমাৰ ঠাই হব?"

সুচৰিতাই ক'লে,—"সেইবোৰ মই নুবুজোঁ, সমাজো নেজানো, মই জানো—মই হিন্দু।"

হাৰানে ক'লে,—"তুমি জানা জানো, তুমি যে ইমান দিন আবিয়ৈ হৈ আছা, আৰু অকল সেই কাৰণেই তোমাৰ জাত গৈছে?"

সুচৰিতাই ক'লে,—"সেইবোৰ কথালৈ আপোনাৰ মূৰ ঘমাবৰ দৰকাৰ নাই, কিন্তু মই আপোনাক কৈছোঁ—মই হিন্দু।"

হাৰানে ক'লে,—"ভট্ট ডাঙৰীয়াৰপৰা যি ধৰ্ম্ম শিক্ষা পাইছিলা তাকো নতুন গুৰুৰ ভৰিৰ তলত বিসৰ্জ্জন দিলা।"

সুচৰিতাই ক'লে,—"মোৰ ধৰ্ম্মৰ কথা মোৰ অন্তৰ্য্যামীয়ে জানে, সেই কথা লৈ মই কাৰো লগত আলোচনা কৰিব নোখোজোঁ। কিন্তু আপুনি জানিব—মই হিন্দু।"

হাৰানে আৰু সহিব নোৱাৰি কৈ পেলালে, "তুমি যিমান ডাঙৰ হিন্দু নোবোলোৱা লাগে, ফল হলে একো নেপাবা—এইটোও মই তোমাক কৈ থলোঁ। তোমাৰ গৌৰমোহনক বিনয় চেটাৰ্জ্জী বুলি নেভাবিবা। তুমি হিন্দু হিন্দু বুলি টেঁটু ফালি চিঞৰি মৰিলেও গৌৰমোহনে যে তোমাক গ্ৰহণ কৰিব, এনে আশা নকৰিবা। শিষ্যক লৈ গুৰুগিৰি কৰা সহজ, কিন্তু সেই বুলি তোমাক নি সি ঘৰ-গৃহস্থালি পাতিব, এনে কথা সপোনতো মনত ঠাই নিদিবা।"

সুচৰিতাই বজ্ৰা-বঢ়া পাহৰি বিজুলীবেগেৰে থিয় হৈ খুবি ক'লে,—এইবোৰ আপুনি কি কৈছে?"

হাৰানে ক'লে,—"মই কৈছোঁ, গৌৰমোহনে কোনো কালেই তোমাক বিয়া নকৰায়।"

সুচৰিতাই চকুযোৰ জুই যেন কৰি ক'লে,—"কিয়? মই আপোনাক কোৱা নাই নে তেখেত মোৰ গুৰু?"

হাৰানে ক'লে,—"সেইটো কৈছা, কিন্তু কিটো কোৱা নাই সেইটোও আমি বুজিব পাৰোঁ, বুজিছা ?"

সুচৰিতাই ক'লে,—"আপুনি গুচি যাওক ইয়াৰপৰা। মোক অপমান নকৰিব। মই আজি আপোনাক কৈ দিলোঁ আজিৰপৰা মই আপোনাৰ আগত নোলাওঁ।"

হাৰানে ক'লে,—"ওলাবা কেনেকৈ কোৱাঁ ? এতিয়া যে তুমি 'জেনানা।' হিন্দু তিৰোতা —অসূৰ্য্যম্পশ্যৰূপা। পৰেশ ভট্টৰ পাপৰ ভাৰ এইবাৰ পূৰ হ'ল। এই বুঢ়া বয়সত তেওঁ কৰ্মফল ভোগ কৰি থাকক, আমি বিদায় লওঁ।"

সুচৰিতাই ধুমু কৰি বাহুনি-ঘৰৰ দুৱাৰখন জপাই দি মাটিতে বহি পৰিল আৰু মুখত আঁচলটো গুজি ওলাই অহা কান্দোনৰ হুক্ হুকনি কোনো ৰকমে বন্ধ কৰিলে। মুখ ক'লা কৰি হাৰানে ওলাই গ'ল।

হৰিমোহিনীয়ে উভয়ৰে সকলো কথা-বাৰ্ত্তা শুনি আছিল। আজি সুচৰিতাৰ মুখত যি শুনিলে সেইটো তেখেতৰ আশাৰ অতীত। তেখেতৰ বুকু ওফন্দি পৰিল, আৰু মনতে ক'লে, 'নহব নে ? মই যে একমনে মোৰ গোপীবল্লভৰ পূজা কৰি আহিছোঁ—সেইবিলাক হবলা সকলো অথলে যাব ?"

হৰিমোহিনীয়ে তেতিয়াই তেওঁৰ গোঁসাইৰ ঘৰলৈ গৈ মাটিত দীঘল দি পৰি গোঁসাইক সেৱা জনালে আৰু ভোগৰ পৰিমাণ বঢ়াই দিব বুলি মানস কৰিলে। ইমান দিন তেওঁ গোঁসাইৰ পূজা শোকৰ সান্ত্বনা হিচাপে শান্ত ধৰণৰ আছিল; আজি সেই পূজা স্বাৰ্থ সিদ্ধিৰ ৰূপ লোৱাত সি অতি উগ্ৰ, তপত আৰু ভোকাতুৰ হৈ পৰিল।

৬৩

গোৰাই সুচৰিতাৰ লগত বিদৰে কথা পাতিলে কেতিয়াও আইন কাৰো লগত সেইদৰে কথা পতা নাছিল। ইমানদিনে সি তাৰ শুনোতাসকলক নিজৰ বাণী, মত, উপদেশ দিয়েই আহিছে; আজি সুচৰিতাৰ আগত নিজৰ ভিতৰখনহে নিজকেই সি উলিয়ালে। এই আত্ম-প্ৰকাশৰ আনন্দত তাৰ সকলো মত আৰু সংকল্প অকল শক্তিৰেই নহয়, এটা ৰসেৰেও ভৰি

উঠিল। এটা সৌন্দৰ্য্যৰ শ্ৰী তাৰ জীৱনৰ চৌপাশে বিয়পি পৰিল। তাৰ তপস্যাৰ ওপৰত হঠাতে যেন দেৱতাসকলে অমৃত বৰষিলে।

এই আনন্দত উত্ৰাৱল হৈ ভাল-বেয়া একো নেভাবি গোৰাই এই কেইদিন নিতৌ সুচৰিতাৰ ওচৰলৈ আহিছে; কিন্তু আজি হৰিমোহিনীৰ কথা শুনি হঠাতে তাৰ মনত পৰিল যে এই একে ধৰণৰ মুগ্ধতাৰ কাৰণেই এদিন বিনয়ক সি যথেষ্ট তিৰস্কাৰ আৰু উপলুণ্ঠা কৰিছিল। নিজে কৰ নোৱাৰাকৈয়ে আজি সিও নিজে ঠিক তেনে এটা অৱস্থাত থিয় হোৱাহি দেখি চক্ খাই উঠিল। অচিনাকি ঠাইত শুই থকা মানুহে হঠাতে খুন্দা খালে যেনেকৈ ধড়্মড়্কৈ উঠি বহে, গোৰায়ো তেনেকৈয়ে নিজৰ সমস্ত শক্তিৰেই নিজক সজাগ কৰি ললে। গোৰাই সদায় এই কথা প্ৰচাৰ কৰি আহিছে যে পৃথিৱীৰ বহুতো শক্তিশালী জাতি একেবাৰেই ধ্বংস হৈ গল— ভাৰতে কেৱল সংযমৰদ্বাৰাই, কেৱল নিকপ্‌কপীয়াকৈ নিয়ম পালন কৰিয়েই শত শত শতাব্দীৰ ঘাত-প্ৰতিঘাত বুকু পাতি লৈয়ো নিজকে জীয়াই ৰাখিছে। সেই নিয়মৰ কতো অকণো ইফাল-সিফাল হোৱাটো গোৰাই সহ্য নকৰে। গোৰাই কয়, ভাৰতৰ বাকী সকলো বস্তুয়েই আজি লুট হব লাগিছে, কিন্তু ভাৰতৰ যি প্ৰাণ পুৰুষক এনে কটকটীয়া নিয়ম-সংযমৰ মাজত জীয়াই ৰখা হৈছে, তাৰ গাত কোনো অত্যাচাৰী ৰাজপুৰুষৰে হাত দিবৰ সাধ্য নাই। যিমান দিন আমি আন জাতিৰ তলতীয়া হৈ আছোঁ, সিমান দিন আমাৰ নিজৰ নিয়ম আৰু কঠোৰভাৱে পালিব লাগিব। এতিয়া ভাল-বেয়া বিচাৰৰ সময় নহয়। সোঁতৰ মুখত পৰি মৃত্যুৰ কালে উটি যোৱা মানুহে নিজৰ প্ৰাণ ৰাখিবলৈ যিহকে পায় তাতে খামুচি ধৰিব, সেই বস্তুটো শুৱনি নে কুৰূপ তাৰ বিচাৰ নকৰে। গোৰাই নিতৌ এই কথাকে কৈ আহিছে—আজিও এয়েই তাৰ কবলগীয়া। গজৰাজক অঙ্কুশেৰে খোঁচ মাৰিলে যি হয় আজি হৰিমোহিনীয়ে এইহেন গোৰাৰ চৰিত্ৰত ধৰাতে ঠিক সেয়ে হল।

গোৰা যেতিয়া ঘৰ পালেহি মহিমে তেতিয়া উদং গাঁৰে পদুলিমুখৰ আলিবাটত বেঞ্চি এখন পাৰি বঁপাত হুপি আছিল। আজি তেওঁৰ অফিচ বন্ধ। গোৰাক ভিতৰলৈ সোমোৱা দেখি তাৰ পিচে পিচে উঠি গৈ মাত দিলে, "গোৰা শুনাচোন, এটা কথা আছে।"

গোৰাক নিজৰ কোঠালৈ নি কলে,—"খং নকৰিবা আকৌ, আগেয়ে তোমাক এটা কথা সোধো—বিনয়ৰ ৰোগে তোমাকো পাজে নে কি? সেই ফালে বৰকৈ অহা-যোৱা চলিছে দেখোন!"

গোৰাৰ মুখ ৰঙা পৰি গ'ল। সি ক'লে,—"ভয় নাই।"

মহিমে ক'লে,—"বিয়ে দিন কাল পৰিছে—একো ঠিক নাই। তুমি ভাবিছা সেইটো এটা খোৱা বস্তু; নাহেকে গিলি থৈ ধৰলৈ গুচি আহিব। কিন্তু ৰৱণীটো তাৰ ভিতৰতে আছে—তোমাৰ বন্ধুৰ দশা দেখিয়েই বুজিব পাৰিবা। অহা-যোৱা কৰে? আচল কথাটো কোৱাই হোৱা নাই। শুনিছোঁ সিফালে বিনয়ৰ বিয়া ব্ৰাহ্ম-ছোৱালীৰ লগত একেবাৰে পকা হৈ যে গৈছে। ইয়াৰ পিচত কিন্তু বিনয়ৰ লগত আমাৰ কোনো ৰকমৰ উঠা-বহা নচলিব—সেইটো তোমাক আগে ভাগেই কৈ থলো একা।"

গোৰাই ক'লে,—"সেইটো জো নচলেই।"

মহিমে ক'লে,—"কিন্তু আয়ে যদি কিবা গোলমাল লগায়, তেনেহলে ভাল নহব কিন্তু। আমি গৃহস্থ মানুহ, এনেয়ে ছোৱালীৰ বিয়া দিওঁতে জিভা ওলাই যায়, তাতে যদি ঘৰত আমি ব্ৰাহ্ম সমাজ বহুউৱা, তেনেহলে কিন্তু মই এই ঘৰ এৰিব লাগিব।"

গোৰাই ক'লে,—"নাই, সেইটো কেতিয়াও হব নোৱাৰে।"

মহিমে ক'লে,—"শশীৰ বিয়াৰ কথা-বতৰা প্ৰায় শেষ হৈ আহিছে। আমাৰ বিয়েয়ে যিমান কণ ছোৱালী ঘৰলৈ নিব, সোণ হলে তাতকৈ বেচিকৈ নিনি নেৰে; কাৰণ তেখেতে জানে মানুহৰ শৰীৰ নশ্বৰ পদাৰ্থ, সোণহে শৰীৰতকৈ বেচি দিন টিকে। দেৱাইতকৈ অনুপানতহে তেখেতৰ চকু বেচি। বিয়ৈ বুলিলে তেখেতৰ আচল চিনাকি নোলায়—একেবাৰে নিলাজ। কিছু খৰচ হব সঁচা, কিন্তু মানুহজনৰপৰা মই যথেষ্ট শিকিলোঁ—মোৰ নবাৰ বিয়াত কামত আহিব। বৰ লোভ হৈছে আৰু এবাৰ জন্ম লৈ দেউতাক আগত থৈ একেবাৰেই বিধিমতে মোৰ বিয়াখন পাতো—যত্ত হৈ যে জন্ম লৈছোঁ তাৰ ষোল অনা সাৰ্থক কৰি লওঁ। পুৰুষালি ইয়াকেই কয়—ছোৱালীৰ বাপেকক একেবাৰে মাথমাৰ শোধোৱা। ই জানো সাধাৰণ কথা; তুমি যিহকে কোৱা নেলাগিলে, তোমাৰ লগত লগ লাগি জিলে নিশাই যে হিন্দু সমাজৰ জয়ধ্বনি কৰিব, এনে বল নেপাওঁ দেখোন। মাত ওলাবই নোখোজে, একেবাৰে কাহিল কৰি পেলালে। আমাৰ সোণ কণৰ বয়স মাত্ৰ ১৪ মাহ—প্ৰথমে কন্যা জন্ম দি শেষত সেই ভুল শুধৰাবলৈ ঘৈণীয়ে দীঘলীয়া সময় ললে। বাৰু সি যি হওক, গোৰা, লবাটোৰ বিয়াৰ বয়স নোহোৱালৈকে তোমালোক সকলোৱে মিলি হিন্দু সমাজখন আজিৰ দৰে তেজী কৰি ৰাখা যেন। তাৰ পিচত দেশৰ মানুহ মুছলমান হয় খৃষ্টান হয়—মই একো মাত নেমাতো।"

গোৰাই উঠি থিয় দিওঁতেই বহিৰে কলে,—"সেই দেখিয়েই কৈছিলোঁ— শশীৰ বিয়ালৈ বিনয়ক নিমন্ত্ৰণ কৰা নহব কিন্তু। তেতিয়া এই কথা লৈ এখন হুলস্থুল কৰিব নোৱাৰিবা। আইক এতিয়াৰেপৰা তুমি সাৱধান কৰি থবাঁ।"

বাকৰ কোঠাত সোমায়েই গোৰাই দেখিলে আনন্দময়ীয়ে মাটিত বহি চকুত চছমা লগাই এখন বহি মেলি লৈ কিবা লিষ্ট লিখি আছে। গোৰাক দেখি বহীখন জপাই চছমা খুলি গোৰাক কলে,—"বহ।"

গোৰা বহিলত আনন্দময়ীয়ে কলে,—"তোক এটা কথা সুধিবলগীয়া আছে। বিনয়ৰ বিয়াৰ খবৰ পাইছ নহয়।"

গোৰা মনে মনে থাকিল। আনন্দময়ীয়ে কলে,—"বিনয়ৰ খুৰাকে ওকোন্দ পাতিছে—তেওঁলোক কোনো বিয়ালৈ নাহে। আকৌ ভট্ট ডাঙৰীয়াৰ ঘৰতো এই বিয়া হবনে নহয় সন্দেহ। বিনয়ে নিজেই সকলো যা-যোগাৰ কৰিব লাগিব। সেইদেখি কৈছিলোঁ যে আমাৰ ঘৰৰ উত্তৰ ফালৰ তলৰ মহলাটো ভাৰা দিয়া হৈছে, তাৰে দুতলাৰ ভাৰাটীয়া গুচি গৈছে। সেই দোতালাতেই বিনয়ৰ বিয়াৰ বন্দবস্ত কৰিলে সুবিধা হয়।"

গোৰাই সুধিলে,—"কি সুবিধা হব?"

আনন্দময়ীয়ে কলে,—"মই নেথাকিলে তাৰ বিয়াত চোৰা-চিতা কোনে কৰিব। সি দেখোন বৰ বিপদত পৰিব। আমাৰ সেই দোতালাতে যদি বিয়া হয়, তেনেহলে সকলো যোগান মই ইযাৰপৰাই ধৰিব পাৰোঁ। একো খৰখেদা কৰিবলগীয়া নহয়।"

গোৰাই কলে,—"সেইটো হব নোৱাৰে আই।"

আনন্দময়ীয়ে কলে,—"কিয় হব নোৱাৰিব। দেউতাৰক মই ৰাজী কৰাইছোঁ।"

গোৰাই কলে,—"নহয় আই, এই বিয়া ইয়াত হব নোৱাৰিব—ম কৈছোঁ, মোৰ কথা শুনিবাঁ।"

আনন্দময়ীয়ে কলে,—"কিয়, বিনয়ে তো সিহঁতৰ মতে বিয়া নেপাতে।"

গোৰাই কলে,—"সেইবিলাক তৰ্কৰ কথা। সমাজৰ লগত ওকালি কথা নচলে। বিনয়ৰ যি মন যায় কৰক; এই বিয়া আমি মানি ল নোৱাৰোঁ। কলিকতা চহৰত ঘৰৰ অভাৱ নাই। তাৰ নিজৰ ঘৰে আছে দেখোন।"

ঘৰ যে বহুতো পোৱা যায়, সেইটো আনন্দময়ীয়ে জানে। কি বিনয়ে মিত্তিৰ-কুটুম সকলোৰেপৰা এৰা পৰি অকলে যেনে তেনে ঘৰে

বিয়াখন পাতি থব—এই কথাত তেওঁৰ মন বৰকৈ খহুৱাবলৈ ধৰিলে। সেই দেখিয়েই নিজ ঘৰৰ খালি থকা কালচোতে বিনয়ৰ বিয়া পতাৰ কথা মনে মনে ঠিক কৰি থৈছিল। ইয়াকে কৰিব পৰা হলে সমাজৰ কোনো দায় নলগোৱাকৈয়ে নিজৰ ঘৰতে শুভ-কাৰ্য্য সমাধান কৰি তৃপ্তি লাভ কৰিব পাৰিলেহেঁতেন।

গোৰাৰ ঘোৰ আপত্তি দেখি আনন্দময়ীয়ে দীঘল হুমুনিয়াহ এটা কাঢ়ি কলে,—"তোমালোকৰ ইমান আপত্তি যেতিয়া আন এটা ঘৰেই ভাৰা কৰিব লাগিব। কিন্তু তাকে কৰিলে মোৰ ওপৰত বৰ হেঁচা পৰিব। হওক বাৰু, ইয়াত হবই নোৱাৰে যেতিয়া ভাবি কি হব।"

গোৰাই কলে,—"এই বিয়াত তুমি হলে লাগি-ভাগি দিব নোৱাৰিবা।"

আনন্দময়ীয়ে কলে,—"সেইটো কেনে কথা গোৰা, তই কি কৈছ! আমাৰ বিনয়ৰ বিয়াত মঞে লাগি-ভাগি নিদিলে কোনে দিব?"

গোৰাই কলে,—"সেইটো কোনো মতেই হব নোৱাৰে আই।"

আনন্দময়ীয়ে কলে,—"গোৰা, বিনয়ৰ লগত তোৰ মতৰ মিল নহব পাৰে, কিন্তু সেই বুলিয়েই তাৰ লগত শত্ৰুতা কৰিব লাগেনে?"

গোৰা অলপ উত্তেজিত হৈ কলে,—"আই, তুমি এইটো অন্যায় কথা কৈছা। আজি বিনয়ৰ বিয়াত যে ৰং-ধেমালিত যোগ দিব নোৱাৰিম, সেইটো মোৰ পক্ষে আনন্দৰ কথা নহয়। মই বিনয়ক কিমান মৰম কৰোঁ সেইটো অইনে নেজানিলেও তুমি জানা। কিন্তু আই, এইটো মৰমৰ কথা নহয়, ইয়াত শত্রু-মিত্রৰো একো কথা নাই। বিনয়ে ইয়াৰ ভাল-বেয়া সকলো জানি-বুজিয়েই এই কামলৈ আগবাঢ়িছে। আমি তাক এৰা নাই, এৰিছে সি। গতিকে এই এৰা-এৰিৰ ফলত যি আঘাত আহিব পাৰে তাৰ বাবে সি সাজু।"

আনন্দময়ীয়ে কলে,—"গোৰা, বিনয়ে এই বিয়াৰ কোনো কথাতে তোৰ লগত যে সম্পৰ্ক নেৰাখিব সেই কথা ভালকৈ জানে। কিন্তু সি এইটোও ভালকৈ জানে যে এই শুভ কামত মই তাক কোনো পধ্যেই এৰিব নোৱাৰিম। মই বিনয়ৰ কইনাক আশীৰ্ব্বাদ কৰি গ্ৰহণ নকৰিম বুলি তাৰ মনত যদি এবাৰো খেলালে হয়, তেনেহলে মই তোক কওঁ, যে প্ৰাণ গলেও এই বিয়ালৈ সি আগ নেবাঢ়িলহেঁতেন। মই জানো বিনয়ৰ মনটো নেজানো?"

কথাষাৰ কৈয়ে আনন্দময়ীয়ে চকুৰ কোণৰ চকুপানী এটোপা মচিলে। গোৰাৰ মনত বিনয়ৰ কাৰণে যি গভীৰ বেজাৰ আছিল, সেই বেজাৰ যেন

যোৱাৰ খাই উঠিল। তথাপিও সি কলে,—"আই, তুমি সমাজত আছা আৰু সমাজৰ ওচৰত তুমি ধৰু 1, এই কথা তুমি মনত ৰাখিব লাগিব।"

আনন্দময়ীয়ে কলে,—"মই তোক বাৰে বাৰে কৈছোঁ সমাজৰ লগত মোৰ সম্পৰ্ক বহুত দিনৰ আগতে ছিঙি গৈছে। সেই কাৰণে সমাজে মোক ঘিণ কৰে, আৰু মযো সমাজৰপৰা আঁতৰত থাকোঁ।"

গোৰাই কলে,—"আই, তোমাৰ এইবোৰ কথাতে মই দুখ পাওঁ।"

আনন্দময়ীয়ে চলচলীয়া চকুৰ মধুৰ দৃষ্টিৰে যেন গোৰাৰ সকলো অঙ্গ স্পৰ্শ কৰি কলে,—"বোপাই, ঈশ্বৰে জানে তোক এই দুখৰপৰা সকৰাবৰ সাধ্য মোৰ নাই।"

গোৰাই থিয় হৈ কলে,—"মই কি কৰা উচিত তোমাক কওঁ। মই বিনয়ৰ তালৈ যাম, তাক কম, তোমাক তাৰ বিয়াৰ কথাত সাঙুৰি লৈ সমাজৰপৰা তোমাক যেন আৰু বেচি আঁতৰাই নিনিয়ে, কিয়নো এনে কৰাটো তাৰ পক্ষে অত্যন্ত অন্যায় আৰু স্বাৰ্থপৰ হব।"

আনন্দময়ীয়ে হাঁহি হাঁহি কলে,—"বাৰু, তই যি পাৰ কৰ গৈ, তাৰো যি হয় কগৈ। মই পিচত চাম বাৰু।"

গোৰা যোৱাৰ পিচত আনন্দময়ীয়ে বহুপৰ বহি থাকি গুণা-গঁথা কৰিলে। তাৰ পিচত লাহে লাহে গৈ গিৰীয়েকৰ কোঠাত সোমালগৈ।

আজি একাদশী, কাজেই কৃষ্ণদয়ালৰ ৰন্ধা-বঢ়া কৰাৰ দৰকাৰ নাছিল। তেখেতে কোনো সংহিতাৰ বঙালী অনুবাদ এখন পাইছিল, সেইখনকে হাতত লৈ পহুছালৰ ওপৰত বহি পঢ়ি আছিল।

আনন্দময়ীক দেখি হুৰমুৰ কৰে উঠিল। আনন্দময়ীয়ে তেওঁৰপৰা ভালেমান দূৰতে থাকি দুৱাৰডলিতে বহিল আৰু কলে,—"চাওক, বৰ অন্যায় হৈছে।"

কৃষ্ণদয়াল সাংসাৰিক ন্যায়-অন্যায়ৰপৰা আঁতৰ হৈ পৰিছিল, উদাসীন ভাৱে সুধিলে, "কি অন্যায়।"

আনন্দময়ীয়ে কলে,—"গোৰাৰপৰা আৰু এদিনো কথাবোৰ লুকুৱাই থোৱা উচিত হোৱা নাই, কথা ক্ৰমেই ডাঙৰ হৈ পৰিছে।" গোৰাই যিদিনাই প্ৰায়শ্চিত্তৰ কথা উলিয়াইছিল, সিদিনাই কৃষ্ণদয়ালৰ মনত এই কথাটো খেলাইছিল, কিন্তু যোগ সাধনাৰ নানা ৰকমৰ প্ৰক্ৰিয়াৰ মাজত থকাত কথাটো চিন্তা কৰি চাবলৈ আহৰিয়েই পোৱা নাছিল।

আনন্দময়ীয়ে কলে,—"শশীমুখীৰ বিয়াৰ ঠিক হৈছে, কিজানি এই ফাগুনতে হব। ইয়াৰ আগতে ঘৰত যিমানবাৰ সামাজিক কাম-কাজ হৈছে

তেতিয়াই এটা নহয় এটা বুদ্ধি কৰি গোৰাক লগত লৈ মই আইন ঠাইলৈ গুচি গৈছোঁ। তেনে কোনো ডাঙৰ কাজ-কাম ইয়াৰ ভিতৰত হোৱাও নাই, কিন্তু এইবাৰ শৰীৰ বিয়াত গোৰাক লৈ কি কৰিব খুজিছে কওক। অন্যায় নিতৌ বাঢ়ি গৈছে। দুইবেলা হাতযোৰ কৰি ভগৱন্তৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰিছোঁ—তেওঁ যি শাস্তি দিব খোজে সকলো যেন মোকে দিয়ে, কিন্তু মোৰ ভয় হৈছে আৰু মোৰ মনেও কৈছে, আৰু যেন পিচুৱাই থকা সম্ভৱ নহয়—যেন কিবা বিপদ হে হব। এইবাৰ মোক অনুমতি দিয়ক, মোৰ কপালত যি আছে হব; মই তাক সকলো ভাঙি কওঁ।"

কৃষ্ণদয়ালৰ তপস্যা ভাঙিবলৈ ইন্দ্ৰদেৱতাই এইটো আকৌ কি বিঘিনি পঠালে। সম্প্ৰতি তপস্যাও ভীষণ ঘোৰ হৈ উঠিছে, উশাহবষাবা অসাধ্য সাধন হৈছে, আহাৰৰ মাত্ৰাও ইমান কমিছে যে পেটে-পিঠিয়ে এক কৰাৰ পণ ৰক্ষা হবলৈ বৰ বেচিদিন নাই। এনে সময়তে এইটো আকৌ কি উৎপাত।

কৃষ্ণদয়ালে কলে,—"তুমি বলিয়া হলা নে কি? এই কথা ওলাব লাগিলে মই ডাঙৰ কৈফিয়ৎ দিব তো লাগিবই—পেঞ্চনো বন্ধ হব। হয়তো বা পুলিচ আহি টনা-আজোৰা কৰিবহি। যি হবৰ হ'ল, যিমান পাৰা চম্ভালিবা—আৰু নোৱাৰিলেও বিশেষ দোষ নহয়।"

কৃষ্ণদয়ালে ঠিক কৰি থৈছিল যে তেওঁ মৰাৰ পিচত যি হয় হব। এই কেইদিন তেওঁ আনৰপৰা আঁতৰে আঁতৰে ফুৰিব। তাৰ বাহিৰে তেওঁৰ অজ্ঞাতত আনৰ কি হৈছে নহৈছে সেইবোৰ বিষয়ে এতিয়া মূৰ নঘমালেও চলিব।

এতিয়া কি কৰা উচিত তাকে ঠিক কৰিব নোৱাৰি বেজাৰ মনেৰে আনন্দময়ীয়ে থিয় দিলে। অলপ থিয় হৈ থাকি কলে,—"আপোনাৰ শৰীৰ কেনে হৈ গৈছে মন নকৰে কিয়?"

আনন্দময়ীৰ মূৰ্খামি দেখি কৃষ্ণদয়ালে হো হো কৰে অলপ হাঁহিলে, আৰু কলে,—"শৰীৰ"।

এই আলোচনা কোনো এটা উচিত সিদ্ধান্তত শেষ নহলগৈ আৰু কৃষ্ণদয়ালেও পুনৰ বেৰণ্ডসংহিতাত মন দিলে। সিফালে তেখেতৰ সন্ন্যাসীৰ লগত আগ ফালৰ কোঠাত বহি মহিমে অতি উচ্চ ধৰণৰ পৰমাৰ্থ তত্ত্বৰ আলোচনাত ব্যস্ত হৈ থাকিল। গৃহীসকলৰ মুক্তি আছে নে নাই—অতি বিনীত আৰু বিয়াকুল ভাৱেৰে এই প্ৰশ্ন সুধি হাতযোৰ কৰি মহিমে একেথৰে, এনে একান্ত ভক্তি আৰু আগ্ৰহৰ ভাৱ লৈ তেখেতৰ উত্তৰ

শুনিবলৈ বহি আছিল যেন—মুক্তিৰ কাৰণে তেওঁৰ যি হ'ত আছে সকলো পণ কৰিছে। গৃহীসকলৰ মুক্তি নাই কিন্তু স্বৰ্গ আছে এই কথাকে সন্ন্যাসীয়ে কোনো প্ৰকাৰে বহিমক বুজাবলৈ যত্ন কৰিছিল, কিন্তু বহিমৰ মনে কোনো মতেই সান্ত্বনা পোৱা নাছিল। মুক্তি তেওঁক লাগেই, স্বৰ্গৰ প্ৰয়োজন নাই। কোনো প্ৰকাৰে ছোৱালীজনীৰ বিয়া দি লব পাৰিলেই তেওঁ সন্ন্যাসীৰ পদ সেৱা কৰি মুক্তিৰ সাধনাত উঠি-পৰি লাগিব। কাৰ সাধ্য এই কথাবপৰা তেওঁক আঁতৰ কৰিব। কিন্তু ছোৱালীৰ বিয়া, সি তো সহজ কথা নহয়—সন্ন্যাসী বাবাই দয়া কৰিলে অৱশ্যে কথা সুকীয়া।

৬৪

ৰাজতে নিজৰ যে অকণমান ভবি পিছলিছিল, এই কথা ভাবি গোৰা আগতকৈয়ো কঠোৰ হৈ উঠিল। সি যে সমাজ পাহৰি এটা ডাঙৰ মোহত পৰি নিজকে পাহৰি গৈছিল, নিয়ম-পালনত শিথিলতা কৰাৰ বাবেই এনে হৈছে বুলি সি থিৰ কৰিলে।

গোৰাই ৰাতিপুৱাৰ পূজাভাগ শেষ কৰি কোঠাৰ ভিতৰলৈ সোমায়েই দেখিলে ভট্ট ডাঙৰীয়া বহি আছে। তাৰ বুকুত যেন বিজুলীহে মাৰিলে, ভট্ট ডাঙৰীয়াৰ লগত কিবা এডাল ডোলেৰে তাৰ জীৱন আত্মীয়তাৰ বান্ধোনেৰে যে বান্ধ খাই আছে এই কথা গোৰাৰ শিৰা-উপশিৰাবোৰেও নেমানি নোৱাৰিছিল। ভট্ট ডাঙৰীয়াক নমস্কাৰ কৰি গোৰা বহিল।

পৰেশ ভট্টই কলে,—"বিনয়ৰ বিয়াৰ কথা তুমি শুনিছা হব পায়?"

গোৰাই কলে,—"হয়।"

ভট্টই কলে,—"সি ব্ৰাহ্মমতে বিয়া কৰিবলৈ ৰাজী নহয়।"

গোৰাই কলে,—"তেনেহলে সি এই বিয়া পতাই অনুচিত।"

পৰেশ ভট্টই অলপ হাঁহিলে, মুঠেই এই কথা লৈ কোনো তৰ্কত নোসোমাল। তেখেতে কলে,—"আমাৰ সমাজৰ কোনেও এই বিয়াত যোগ নিদিয়ে, বিনয়ৰ নিতিৰ-কুটুমো কোনো নাহে বুলি শুনিছোঁ। মোৰ ছোৱালীৰ ফালৰপৰাও বোধকৰোঁ তোমাৰ বাহিৰে আৰু কোনো নেথাকিব। সেই দেখি তোমাৰ লগতে কথাটো পাতো বুলি আহিলোঁ।"

গোৰাই মূৰ জোকাৰি কলে,—"এই বিষয়ে মোৰ লগত কথা পাতি কি হব। মই তো ইয়াৰ ভিতৰত নাই।"

পৰেশ ভট্ট আচৰিত হৈ কিছু সময় গোৰাৰ মুখৰ কালে চাই থাকি ক'লে,—"তুমি নাই ?"

পৰেশ ভট্ট আচৰিত হোৱাত গোৰাই মুহূৰ্ত্তৰ বাবে অলপ সঙ্কোচ বোধ কৰিলে হয়, কিন্তু পিচ মুহূৰ্ত্ততে দুগুণ বলেৰে ক'লে,—"ইয়াৰ ভিতৰত মই কেনেকৈ থাকিম।"

পৰেশ ভট্টই কলে,—"মই জানো তুমি তাৰ বন্ধু ; এনে সময়তেই বন্ধুৰ দৰ্কাৰ আটাইতকৈ বেচি, নহয় জানো ?"

গোৰাই কলে,—"মই তাৰ বন্ধু সঁচা, কিন্তু সেইটোৱেই সংসাৰত মোৰ একমাত্ৰ বন্ধন আৰু সকলোতকৈ ডাঙৰ বন্ধন নহয়।"

পৰেশ ভট্টই সুধিলে, "গৌৰ বোপা, বাৰু তুমি বিনয়ৰ আচাৰ-ব্যৱহাৰত কিবা অধৰ্ম্ম দেখা গৈছে বুলি ভাবা নে কি ?"

গোৰাই কলে,—"ধৰ্ম্মৰ যে দুটা দিশ আছে—এটা নিত্য আৰু সিটো লৌকিক। ধৰ্ম্মই সমাজৰ নিয়ম হৈ যেতিয়া দেখা দিয়ে তেতিয়াও তাক আওহেলা কৰিব নোৱাৰি, তেনে কৰিলে সংসাৰ ছাৰ্‌খাৰ্ হৈ যায়।"

পৰেশ ভট্টই কলে,—"নিয়ম ভালেমান আছে, কিন্তু সকলো নিয়মতেই আচল ধৰ্ম্ম সোমাই আছে বুলি ধৰি লব লাগিবনে ?"

পৰেশ ভট্টই গোৰাৰ মনৰ এনে এঠাইত কোব মাৰিলে যে যি ঠাইত গোৰাৰ মনত এটা আলোড়ন চলি আছিল আৰু সেই চিন্তাৰপৰা সি এটা সিদ্ধান্তও পাইছিল—সেই দেখিয়েই তাৰ অন্তৰৰ সাঁচতীয়া বাক্য-বাণ এনেকৈ বৰষিবলৈ ধৰিলে যে পৰেশ ভট্টৰ নিচিনা মানুহ এজনৰ ওচৰতো তাৰ কোনো সঙ্কোচৰ ভাব নোহোৱা হ'ল। খোৰতে কবলৈ গ'লে এই কথাকে ক'লে যে নিয়মৰদ্বাৰাই আমি নিজকে যদি সমাজৰ সম্পূৰ্ণ বাধ্য নকৰোঁ তেনেহলে সমাজৰ অন্তৰৰ আটাইতকৈ গভীৰ উদ্দেশ্যৰ বিৰোধিতা কৰা হয় ; কাৰণ সেই উদ্দেশ্য অতি গূঢ় ; সেই উদ্দেশ্য স্পষ্টকৈ বুজিব পৰা সাধ্য প্ৰত্যেক মানুহৰে নাই। এই কাৰণে বিচাৰ নকৰাকৈয়ে সমাজক মানি লব পৰা শক্তি আমাৰ থাকিব লাগিব।"

পৰেশ ভট্টই শান্তভাৱে গোৰাৰ সকলো কথা শেষলৈকে শুনিলে ; গোৰা যেতিয়া বল, তেতিয়া আগ-গুৰি নেচাই অনৰ্গল বকি যোৱাৰ বাবে মনতে সি নিজেই যেন অলপ লাজ পালে। তেতিয়া পৰেশ ভট্টই ক'লে, "তোমাৰ আচল কথাটো মই মানো। এইটো সঁচা যে প্ৰত্যেক সমাজতে ঈশ্বৰৰ এটা অভিপ্ৰায় আছে আৰু সেই অভিপ্ৰায় যে সকলোৰে চকুত স্পষ্টকৈ হৈ ধৰা পৰিব, সিও নহয়। কিন্তু তাকে স্পষ্টকৈ দেখা

পাৰলে চেষ্টা কৰাটোৱেই মানুহৰ কাম, গছ্‌-গছনিৰ দৰে চেতনা নোহোৱাকৈ নিয়ম পালন কৰাত তাৰ সাৰ্থকতা নেথাকে।"

গোৰাই ক'লে,—"মোৰ কথা হৈছে, আগেয়ে সমাজক চাবিও পিনৰে-পৰা পুৰা-পুৰি মানি চলিলেহে সমাজৰ আচল উদ্দেশ্যৰ বিষয়ে আমাৰ চেতনা শুদ্ধ হব পাৰে। সমাজৰ লগত বিৰোধ কৰিলে অকল বিৰোধ কৰাহিঁ নহয়, সমাজক ভুল বুজাও হয়।"

পৰেশ ভট্টই ক'লে,—"বিৰোধ, বাধা-বিঘিনি এৰি সত্যৰ পৰীক্ষা হবই নোৱাৰে। পুৰণি কালতে এচাম মনীষীয়ে চিৰকালৰ নিমিত্তে সত্যৰ পৰীক্ষা কৰি শেষ কৰি থৈ গ'ল, এনে হ'ব নোৱাৰে। প্ৰত্যেক যুগতে মানুহে নানা বাধা বিঘিনিৰ ভিতৰেদি খুন্দা-খুন্দুলি খাই সত্যক নতুনকৈ আৱিষ্কাৰ কৰিব লাগিব। যি হওক, এইবোৰ কথা লৈ মই আৰু তৰ্ক কৰিব নোখোজোঁ, মই মানুহৰ ব্যক্তি-স্বাধীনতা মানো। মানুহৰ সেই ব্যক্তি-স্বাধীনতাৰদ্বাৰা আঘাত কৰিহে আমি বুজিব পাৰোঁ কোনটো চিৰ সত্য আৰু কোনটো ক্ষন্তেকীয়া কল্পনা মাথোন। সেইটো জনা আৰু জানিবৰ চেষ্টাৰ ওপৰতেই সমাজৰ হিত নিৰ্ভৰ কৰিছে।"

এই বুলি কৈয়েই ভট্ট ডাঙৰীয়া উঠিল; গোৰাও চকী এৰি থিয় দিলে। পৰেশ ভট্টই ক'লে,—"মই ভাবিছিলোঁ ব্ৰাহ্ম-সমাজৰ কাৰণে মই কিজানি বিয়াৰপৰা অলপ আঁতৰি থাকিব লাগিব, আৰু তুমি বিনয়ৰ বন্ধু যেতিয়া সকলো কাম-কাজ ভালকৈ চলাই দিবা। এনেকুৱা অৱস্থাত আপোন মানুহতকৈ বন্ধুৰ সুবিধা বেচি, কাৰণ বন্ধুৱে সমাজৰ চাবুক সহিব লগা নহয়। কিন্তু তুমিও যেতিয়া বিনয়ৰ লগত এৰা-এৰি হোৱাই কৰ্ত্তব্য বুলি ভাবিছা, তেন্তে দেখিছো সকলো ভাৰ মোৰ ওপৰতেই পৰিল। মই অকলেই এই কাম সমাধা কৰিব লাগিব।"

অকলে বোলোতে ভট্ট ডাঙৰীয়া যে কিমান অকলশৰীয়া গোৰাই সেইটো বুজা নাছিল। বৰদাসুন্দৰী তেখেতৰ বিৰুদ্ধে থিয় দিছিল, ঘৰৰ ছোৱালীইঁতৰ মনো গোৰা হৰিমোহিনীয়ে আপত্তি কৰিব বুলি ভট্টই সুচৰিতাকেই এই বিয়াৰ সম্পৰ্কে পৰামৰ্শ কৰিবলৈ মতা নাই। সিফালে ব্ৰাহ্ম-সমাজৰ সকলোৱেই তেখেতৰ বিৰুদ্ধে গুজৰি-গুমৰি উঠিছিল আৰু বিনয়ৰ খুৰাকেও যি দুই এখন চিঠি দিছিল তাতো তেখেতক কপটীয়া, কুচক্ৰী, লৰা-কুচুলোৱা বুলি গালিহে পাৰিছিল।

ভট্ট ওলাই যোৱাৰ লগে লগেই অবিনাশ আৰু আন দুই এজন গোৰাৰ লগৰীয়া ভিতৰ সোমাই আহি ভট্ট ডাঙৰীয়াক লক্ষ্য কৰি ঠাট্টা বিদ্ৰূপ

আৰম্ভ কৰি দিলে। গোৰাই ক'লে,—"যি জন ভক্তিৰ পাত্ৰ, তেওঁক ভক্তি কৰিব পৰা ক্ষমতা নেথাকিলেও সেইজনক হঁহা আৰু ইতিকিং কৰাৰ দৰে ঠেক মনৰপৰা নিজক ৰক্ষা কৰাচোন।"

গোৰা আকৌ তাৰ দলৰ মানুহৰ মাজত পৰ্ব্বৰ অভ্যাস অনুযায়ী কামত লাগি যাবলগীয়া হ'ল। কিন্তু তিতা, সকলোবোৰেই যেন তিতা। এইবিলাক একো নহয়। এইবিলাকক একো কামেই বুজিব নোৱাৰি। ইয়াত কতো প্ৰাণৰ সঞ্চাৰ নাই। এনেকৈ কেৱল লিখি-পঢ়ি, দল গোটাই কোনো কামেই হোৱা নাই; বৰং বহুত "অকাম"হে সৃষ্টি কৰা হৈছে—এই কথাই আগেয়ে কোনো দিন আজিৰ দৰে গোৰাৰ মনত খুন্দিওৱা নাছিল। নতুনকৈ পোৱা শক্তিয়ে তাৰ জীৱনৰ ভাব-ধাৰা বহলাই দিছে; এনে জীৱনে নিজকে সম্পূৰ্ণকৈ উটুৱাই দিবলৈ নিশ্চিত এটা পথ বিচাৰিছে—সেই দেখিয়েই তাৰ এইবিলাক একো ভাল লগা নাছিল।

ইফালে পৰাচিত-সভাৰ আয়োজন চলিব লাগিছে। এই আয়োজনত গোৰাই বিশেষ উৎসাহ অনুভৱ কৰিছে। এই পৰাচিত কেৱল কাটেক ঘৰৰ অশুচিতাৰে পৰাচিত নহয়, এই পৰাচিতৰদ্বাৰা সকলো কালৰপৰা সম্পূৰ্ণ নিকা হৈ আকৌ এবাৰ নতুন দেহেৰে সি নিজৰ কৰ্ম্ম-ক্ষেত্ৰত নতুন জনম লাভ কৰিবলৈ থিৰ কৰিছে। পৰাচিতৰ বিধান লোৱা হ'ল, দিন বাৰো ঠিক হৈছে পৰ আৰু পশ্চিম বঙ্গৰ নামজ্বলা অধ্যাপক পণ্ডিত সকললৈ নিমন্ত্ৰণ-পত্ৰ পঠোৱাৰ যা-যোগাৰ কৰা হৈছে—গোৰাৰ দলৰ যি সকল ধনী তেওঁলোকে ধনো সংগ্ৰহ কৰিছে—দলৰ সকলোৱেই অনুভৱ কৰিছে যে এইবাৰ দেশত এটা আচল কাম হব। অবিনাশে অইনে নজনাকৈ নিজ সম্প্ৰদায়ৰ সকলোৰে লগত পৰামৰ্শ কৰি সেইদিনা সভাতে সকলো পণ্ডিতৰ হতুৱাই গোৰাক ধান, দুবৰি, ফুল, চন্দন প্ৰভৃতি নানা বিধ উপচাৰেৰে সৈতে "হিন্দু ধৰ্ম্ম প্ৰদীপ" উপাধি দিয়াৰ বন্দবস্ত কৰিছে। এই উপলক্ষে কেইটামান সংস্কৃত শ্লোক লিখি তলত সকলো পণ্ডিতৰে নাম চহী কৰাই সোণালী চিয়াঁহিৰে ছপাই চন্দন কাঠৰ বাকচ এটাত ভৰাই গোৰাক উপহাৰ দিব। লগতে মেক্সমূলাৰৰদ্বাৰা প্ৰকাশিত একখণ্ড ঋগ্বেদ গ্ৰন্থও বহুমূলীয়া মৰকো ছালেৰে বন্ধাই সবাতোকৈ বয়সীয়া আৰু মাননীয় অধ্যাপকৰ হাতেদি গোৰাক আশীৰ্ব্বাদ স্বৰূপে দান কৰা হব। গোৰা যে বেদে বিধান দিয়া সনাতন ধৰ্ম্মৰ ৰক্ষাকৰ্ত্তা, এই কথাটোৱেই আজিৰ এই ধৰ্ম্মভ্ৰষ্টতাৰ দিনত খুব ভালকৈ ফুটি ওলাব বুলি অবিনাশে ভাবিছে।

সেইদিনাৰ কাৰ্য্যক্ৰম অতি হৃদয়গ্ৰাহী আৰু ফলপ্ৰদ কৰিবলৈ গোৰাই নজনাকৈয়ে তাৰ দলৰ মানুহে নিতৌ এইদৰে পৰামৰ্শ কৰিবলৈ ধৰিলে।

হৰিমোহিনীয়ে তেখেতৰ দেওৰ কৈলাসৰপৰা এখন চিঠি পাইছে। তেওঁ লিখিছে,—"শ্ৰীচৰণৰ আশীৰ্ব্বাদত ইয়াত মঙ্গল, আপোনালোকৰ কুশল বাতৰি জনাই, আমাৰ চিন্তা দূৰ কৰিব।"

এই কথা নকলেও হব যে,—হৰিমোহিনীয়ে তেওঁলোকৰ ঘৰ এৰি অহাৰপৰা এই চিন্তা দূৰৰপৰা নহাব পৰা নাই, তথাপিও কিন্তু কুশল-বাতৰিৰ অভাৱ আঁতৰাবলৈ আজিলৈকে কোনো প্ৰকাৰ যত্ন কৰা নাই। খুদি, পটল, ভজহৰি ইত্যাদি সকলোৰে বাতৰি শেষ কৰি শেহান্তৰত কৈলাসে লিখিছে,—

'আপুনি যি ছোৱালীৰ কথা লিখিছে, তেওঁৰ বিষয়ে সকলো খবৰ ভালদৰে জনাব। আপুনি কৈছে,—তেওঁৰ বয়স বাৰ-তেৰ হব, কিন্তু, ডাঙৰ-দীঘল ছোৱালী, দেখাত বেচি বয়স যেন লাগে—সেইটো অৱশ্যে একো কথা নহয়। তেওঁৰ যি সম্পত্তিৰ কথা লিখিছে, সেয়া তেওঁৰ জীৱন স্বত্ব নে পূৰ্ণস্বত্ব—সেই বিষয়ে ভালকৈ খা-খবৰ লৈ লিখিলে বাইদেউহঁতক জনাই তেওঁলোকৰ মত লম। বোধকৰোঁ তেওঁলোক অমত হব নেলাগে। ছোৱালীৰ হিন্দু ধৰ্ম্মত নিষ্ঠা আছে বুলি শুনি নিশ্চিন্ত হলোঁ। কিন্তু ইমান দিন ব্ৰাহ্মৰ ঘৰত থাকি ডাঙৰ-দীঘল হোৱা কথাটো যাতে নোলায় তাৰ বাবে চেষ্টা কৰিব লাগিব—সেইদেখি এই কথা আৰু কাকো নজনাব। অহা পূৰ্ণিমাৰ চন্দ্ৰ গ্ৰহণত গঙ্গাস্নানৰ যোগ আছে; যদি সুবিধা হয়, সেই সময়তে গৈ ছোৱালী চাই আহিম গৈ।"

এতিয়ালৈকে কোনো প্ৰকাৰে কলিকতাতে দিন পাৰ হৈ গৈ আছিল, কিন্তু শহুৰৰ ঘৰলৈ উভতিবৰ আশাৰ গজালি ওলোৱাৰ লগে লগেই হৰিমোহিনীৰ মনে আৰু ধৈৰ্য্য ধৰিব নোৱাৰা হ'ল। নিৰ্ব্বাসনৰ প্ৰত্যেকটো দিনেই নেযায়-নুপুৰায় যেন লাগিল। তেওঁৰ এনে ইচ্ছা হৈছিল যেন এতিয়াই সুচৰিতাক কৈ দিন বাৰ ঠিক কৰি কাম সমাধা কৰি পেলাব। কিন্তু লৰালৰি কৰিবৰ সাহ নহল। সুচৰিতাক যিমানেই ওচৰৰপৰা দেখিলে সিমানেই তেখেতে বুজিব ধৰিলে যে তাইক এতিয়াও ভালকৈ বুজিব পৰা নাই।

হৰিমোহিনীয়ে সুযোগ বিচাৰিবলৈ লাগিল আৰু সুচৰিতাৰ বিষয়ে আগতকৈয়ো বেচিকৈ সতৰ্ক হবলৈ ধৰিলে। আগেয়ে পূজা-পাতলত

বিমান সময় লাগিছিল এতিয়া সেই সময় কবি আহিবৰ উপক্ৰম হ'ল— কাৰণ তেখেতে সুচৰিতাক চকুৰ আঁৰ হবলৈ দিবই নোখোজে।

সুচৰিতাই দেখিলে গোৰাৰ অহা-যোৱা হঠাতে বন্ধ হৈ গ'ল। তাই বুজিলে যে হৰিমোহিনীয়ে তেওঁক কিবা কৈছে। তাই নিজক নিজে ক'লে,—"ভাল বাক, তেখেত নাহিলেই জানিবা, তেখেত মোৰ গুৰু, মোৰেই গুৰু।"

সন্মুখত থকা গুৰুতকৈ নেদেখা গুৰুৰ বল বহুতো বেচি। কিয়নো নিজৰ মনে তেতিয়া নেদেখা গুৰুৰ অভাৱ নিজৰ অন্তৰৰপৰাই পূৰাই লয়। গোৰা বিদ্যমান থাকিলে সুচৰিতাই য'ত তৰ্ক কৰিলেহেঁতেন, সেই ক্ষেত্ৰত এতিয়া গোৰাৰ ৰচনা পঢ়ি তাৰ কথাবিলাক বিনা প্ৰতিবাদে গ্ৰহণ কৰা হ'ল। বুজিব নোৱাৰিলেই কয়, তেখেত থকা হ'লে নিশ্চয় বুজাই দিলেহেঁতেন।"

কিন্তু গোৰাৰ সেই তেজস্বী মূৰ্ত্তিটো দেখা আৰু তাৰ বজ্ৰপাতৰ মেঘ গৰ্জ্জনৰ দৰে মাত শুনাৰ লোভ জানো সহজে সামৰিব পাৰি। তাইৰ অন্তৰৰ এই নিস্পৃহ প্ৰবল ইচ্ছাই তাইক খুলি খুলি খাবলৈ ধৰিলে আৰু ফলত তাই লাহে লাহে শুকাই খীণাই আহিবলৈ ধৰিলে। প্ৰায়েই সুচৰিতাই বৰ বেজাৰেৰে ভাবে—কিমান মানুহে অনায়াসে ৰাতিয়ে-দিনে গোৰাৰ দৰ্শন পাইছে, কিন্তু এই দৰ্শনৰ কি যে মূল্য, সেইটো সিহঁতে বুজি নেপায়।

এদিন আবেলি ললিতা আহি সুচৰিতাৰ ডিঙিত সাৱটি ধৰি ক'লে,— 'সুচি বাইদেউ।"

সুচৰিতাই ক'লে,—"কি হ'ল ভনীটি।"

ললিতাই ক'লে,—"সকলো ঠিক হৈ গৈছে।"

সুচৰিতাই সুধিলে,—"দিন কেতিয়াকৈ ঠিক হ'ল।

ললিতাই ক'লে,—"সোমবাৰে।"

সুচৰিতাই সুধিলে,—"ক'ত হব?"

ললিতাই মূৰ জোকাৰি উত্তৰ দিলে; "সেইবোৰ মই নেজানো। দেউতাইহে জানে।"

সুচৰিতাই বাহুৰে ললিতাৰ ককালত সাৱটি ধৰি ক'লে,—"ভাল লাগিছে, নহয় ভনীটি?"

ললিতাই ক'লে,—"কিয় ভাল নেলাগিব।"

সুচৰিতাই ক'লে,—"যি বিচাৰিছিলি সকলো পালি, এতিয়া কাৰো

লগত মনু-খৰিয়াল কৰিবলৈ একো নাই ; সেই কাৰণে মনে মনে ভয় লাগে কিজানি আকৌ তোৰ আগ্ৰহ কৰি যায়।"

ললিতাই হাঁহি হাঁহি ক'লে,—"কিয়, মনু কৰিবলৈ মানুহৰ কি আকাল হব। এতিয়া বাহিৰত মানুহ বিচাৰিব নেলাগিব আৰু।"

সুচৰিতাই ললিতাৰ গালত আঙুলিৰে খুচি দি ক'লে, "অ' এইটোহে। এতিয়াৰেপৰা এইবোৰ মৎলব পকাইছ। ব মই বিনয়ক কম যে এতিয়াও সময় আছে, সি যেন সাৱধান হয়।"

ললিতাই ক'লে,—"তোমাৰ সেই বেচেৰাৰ আৰু সাৱধান হবৰ সময় উকলি গ'ল বুজিছা, আৰু উদ্ধাৰ পাবৰ উপায় নাই। কুষ্টিত যি দুৰ্ঘটনা লিখা আছিল, সি ফলিয়ালে, এতিয়া আৰু কপালেই ভুকুউৰা বা কান্দাই।"

সুচৰিতাই গহীন হৈ ক'লে,—"মই যে কিমান আনন্দ পাইছোঁ, ললিতা কি কম ? বিনয়ৰ নিচিনা স্বামীৰ যেন তই যোগ্য হয়, এইটোকে প্ৰাৰ্থনা কৰিছোঁ।"

ললিতাই ক'লে,—"ইহ্ কিয় বা হব। মোৰ যোগ্য জানো অইন হব নেলাগে। এই বিষয়ে তেওঁৰ লগত এবাৰ কথা হবাচোন। তেওঁৰ মতটো এবাৰ শুনি থবা, তেতিয়া হলে তোমাৰো মনত দুখ লাগিব যে এনে আচৰিত মানুহজনৰ আদৰ আমি ইমানদিনে একো কৰাই নাছিলোঁ— কিমান অজলা হৈ আছিলোঁ।"

সুচৰিতাই ক'লে,—"যি হওক ইমান দিনৰ মূৰত তেও আচল মোল বুজা এজনী ওলাল। যি মূল্য দিবা তাৰ বাবে দুখ কৰিবলৈ নাই, এতিয়া আৰু আমাৰ দৰে একাজীয়ে তোমাক মৰম কৰাৰ দৰকাৰ নহব।"

ললিতাই ক'লে,—"নহব কিয় বা, খুব হব।" বুলি কৈ সুচৰিতাৰ গালত জোৰেৰে টিপা মাৰি দিলে আৰু সুচৰিতাই "উঃ" বুলি উঠিল।" তোমাৰ মৰম মোক চিৰকাললৈকে লাগিব। সেইটো ফাঁকি দি অইন কাৰবাক দিলে নহব।"

সুচৰিতাই ললিতাৰ গালতে গালখন থৈ ক'লে,—"কাকো নিদিওঁ, কাকো নিদিওঁ।"

ললিতাই ক'লে,—"কাকো ? একেবাৰেই কাকো নিদিয়া ?"

সুচৰিতাই মাথো মূৰটো জোকাৰিলে। ললিতাই তেতিয়া অলপ আঁতৰ হৈ বহি ক'লে,—"চোৱা, সুচিবাইদেউ, তুমি তো বাইদেউ জানা, তুমি আন কাৰবাক মৰম কৰিলে মই কোনো দিনেই সহিব নোৱাৰিছিলোঁ। ইমান দিন মই তোমাক কোৱা নাই, আজি কওঁ ; যেতিয়া গৌৰমোহন

আমাৰ ঘৰলৈ আহিছিলে—নহয় বাইদেউ তুমি ভেনে কৰিলে নহব, আজি মোৰ কি কবলগীয়া আছে কবেই—তোমাৰপৰা কোনো দিনেই মই একো লুকোৱা নাই, কিন্তু কিয় জানো, এটা কথা তোমাক কোনো পধ্যেই কব পৰা নাই, সদায় সেই দেখি মই দুখ পাই আহিছোঁ। সেই কথাটো নোকোৱাকৈ আৰু তোমাৰপৰা বিদায় লৈ মই যাব নোৱাৰিম। যেতিয়া গৌৰমোহন আমাৰ ঘৰলৈ আহে, তেতিয়া মোৰ বৰ খং উঠিছিল। —কিয় খং উঠিছিল। তুমি ভাবিছিলা, মই একো বুজি পোৱা নাই, নহয়? মই দেখিছিলোঁ, তুমি তেওঁৰ ওচৰত মোৰ নামো নোলোৱা, সেই-টোতে মোৰ বৰ খং উঠিছিল। তুমি যে তেওঁক বেচিকৈ ভাল পোৱা সেইটো মোৰ অসহ্য হৈ উঠিছিল—নহয় বাইদেউ মোক কবলৈ দিবই লাগিব—সেইবাবে যে মই কিমান দুখ পাইছিলোঁ, সেইটো তোমাক কি কম। আজি তুমি সেই বিষয়ে একো নোকোৱা মই জানো, নকলাই বা—মোৰ আৰু খং নাই মই যে কিমান ভাল পাম বাইদেউ, যদি তোমাক—"

সুচৰিতাই নৰালৰিকৈ ললিতাৰ মুখত হাতেৰে সোপা দি ক'লে, "ললিতা, তোৰ ভৰিত ধৰিছোঁ ভনীটি, তই সেইবোৰ কথা মুখলৈকে নানিবি। সেইবোৰ শুনিলে মোৰ মৰি যোৱা যেন লাগে।"

ললিতাই ক'লে,—"কিয় বাইদেউ, তেওঁ কি—"

সুচৰিতাই অস্থিৰ হৈ ক'লে,—"নহয়, নহয়, নহয়। বলিয়াৰ দৰে কথা নবকিবি চোন। যি কথা মনতো ভবা নাই সেই কথা মুখলৈ আনিব নেপায়।"

সুচৰিতা এইদৰে কোঁচ-মোচ খাই পৰা দেখি ললিতাই বিৰক্ত হৈ ক'লে, "এইটো কিন্তু বাইদেউ তুমি বেচি বেচি কৰিছা। মই খুব লক্ষ্য কৰি কৰিছোঁ আৰু তোমাক মই ডাঠি কব পাৰোঁ।—"

সুচৰিতাই নিজৰ গাৰপৰা ললিতাৰ হাত এক্ষৰাই লৈ কোঠাৰপৰা দৌৰি ওলাই গ'ল। ললিতাই লৰি গৈ সুচৰিতাক ধৰি আনি ক'লে,—"বাৰু, বাৰু, মই নকওঁ বাৰু।"

সুচৰিতাই ক'লে,—"কোনো দিনেই নকবি।"

ললিতাই ক'লে,—"ইমান ডাঙৰ শপত মই খাব নোৱাৰোঁ, যদি কেতিয়াবা সময় আহে তেতিয়া, তেতিয়া হলে কম, নহলে নকওঁ—তোমাক কথা দিলোঁ বাৰু।"

এই কেইদিন হৰিমোহিনীয়ে সুচৰিতাক চকুৰে চকুৰে ৰাখিছিল।

হৰিমোহিনী তাইৰ ওচৰে ওচৰে থকা কথাটো সুচৰিতাই বুজিছিল, আৰু হৰিমোহিনীয়ে এইদৰে সন্দেহৰ চকুৰে চোৱাত তাইৰ মনটো অনবৰত গধুৰ হৈ আছিল। এই অশান্তিৰ ফলত তাই ভিতৰি ভিতৰি চট্‌ফটাই আছিল যদিও মুখেৰে কিন্তু একো কব নোৱাৰিছিল। আজি ললিতা যোৱাৰ পিচত দুখে-ভাগৰে সুচৰিতাই মেজৰ ওপৰত হাত দুখন থৈ হাতৰ মাজতে মুৰটো সুমুৱাই কান্দিবলৈ ধৰিলে। লগুৱা লৰাটোৱে কোঠাত চাকি দিবলৈ আহিছিল, তাক চাকি জনাবলৈ নিদিলে। তেতিয়া হৰিমোহিনীৰ গোঁসাই ঘৰত সোমোৱাৰ সময় হৈছিল। তেখেতে ওপৰ তলাৰ পৰা ললিতাক ওলাই যোৱা দেখি অসময়ত তললৈ আহি সুচৰিতাৰ কোঠাত সোমাই মাতিলে, "ৰাধাৰাণী।"

সুচৰিতাই চকু দুটা মচি লৰালৰিকৈ থিয় হ'ল। হৰিমোহিনীয়ে সুধিলে, "কি হৈছে?" সুচৰিতাই কোনো উত্তৰ নিদিলে। হৰিমোহিনীয়ে টান মাতেৰে ক'লে,—"এইবোৰ নো কি হৈছে মই একো বুজিবই পৰা নাই।"

সুচৰিতাই ক'লে,—"মাহী, তুমি দিনে ৰাতিয়ে মোৰ ওপৰত এনেকৈ চকু ৰাখিছা কিয়?"

হৰিমোহিনীয়ে ক'লে,—"কিয় ৰাখিছোঁ বুজিব নোৱাৰানে। খোৱা নাই, বোৱা নাই, এইবোৰ নো কিহৰ লক্ষণ। মই কেঁচুৱা নহওঁ নহয় যে একো নুবুজিম।"

সুচৰিতাই ক'লে,—"মাহী, মই তোমাক কওঁ,—তুমি একো বুজা নাই। তুমি এনে ভয়ঙ্কৰ ভুল বুজিছা যে পলকে পলকে মোৰ পক্ষে অসহনীয় হৈ উঠিছে।"

হৰিমোহিনীয়ে ক'লে,—"ভাল কথা, যদি ভুল বুজিছোঁ তেনেহলে ভালকৈ বুজায়েই কচোন।"

সুচৰিতাই মন-ডাঠ কৰি সকলো লাজ-কাজ কাতি কৈ থৈ ক'লে,—"বাৰু তেনেহলে কওঁ। মই গুৰুৰ পৰা এনে এটা বাক্য পাইছোঁ—যিটো মোৰ কাৰণে একেবাৰেই নতুন; সেইটো সম্পূর্ণ আয়ত্ত কৰিবলৈ বৰ শক্তিৰ দৰকাৰ। মই সেই শক্তিৰ অভাৱ অনুভৱ কৰিছোঁ—নিজৰ লগতে যুঁজি ভাগৰি পৰিছোঁ। কিন্তু মাহী, তুমি আমাৰ সম্পর্কটো ভুল চকুৰে চাইছা; তুমি তেওঁক অপমান কৰি খেদি দিলা—তুমি তেওঁক যি যি ক'লা সেইবোৰ সকলো ভুল, তুমি মোক যি দৰে ভাবিছা, সি সকলো মিছা, তুমি অন্যায় কৰিছা। তেওঁৰ নিচিনা মানুহক সৰু কৰিব পৰা

ক্ষমতা তোমাৰ নাই ; কিন্তু মোৰ ওপৰত মিছাকৈয়ে কিয় অত্যাচাৰ কৰিলা, মই তোমাৰ কি কৰিছোঁ।"

কওঁতে কওঁতে সুচৰিতাক শোকে খুন্দা মাৰি ধৰিলে, তাই আইন এটা কোঠালৈ উঠি গ'ল।

হৰিমোহিনীয়ে তবধ্ মানিলে। তেওঁ মনে মনে ক'লে,—"অ' আই, এনে কথা মই একা সাত জনমতো শুনা নাই।"

সুচৰিতাক অলপ শাঁত পৰা যেন দেখি অলপ পিচত তাইক ভাত খাবলৈ মাতি নিলে। তাই খাবলৈ বহিলত ক'লে,—"চা ৰাধাৰাণী, মোৰ বয়স বিশেষ কম নহয়। হিন্দু ধৰ্ম্মই যি কয় সেয়া সৰু কালৰে পৰা কৰি আহিছোঁ আৰু বহুতো শুনিছোঁও। তই এইবিলাকৰ বিষয়ে একো নেজান, সেই দেখিহে গৌৰমোহনে গুৰু হৈ তোক মাথোন ভুৰা দিছে। মই তাৰ ধৰ্ম্ম আলোচনা মাজে মাজে শুনিছোঁ—সেইবোৰত একো সাৰ কথা নাই, সেই শাস্ত্ৰ তাৰ নিজৰে তৈয়াৰি—সেইবোৰ মই ধৰিব পাৰোঁ। মই আচল গুৰুৰ মন্ত্ৰ লৈছোঁ। মই কওঁ শুন ৰাধাৰাণী, তই একো কৰিব নেলাগে। মোৰ যি জনা গুৰু তেখেতৰ কোনো ফাঁক-ফুক নাই, সি জনায়ে তোক মন্ত্ৰ দিব। তোৰ কোনো ভয় নাই, মই তোক হিন্দু সমাজত সুমুৱাই দিম। ব্ৰাহ্মৰ ঘৰত থাকিলি থাকিলি, কোনে সেইবোৰ খবৰ লবলৈ গৈছে। তোৰ বয়স অলপ বেচি সঁচা, কিন্তু এনেকুৱা ডাঙৰ ছোৱালী বহুতো আছে। তোৰ কুষ্টি চাবলৈ নো কোন আহিব। আৰু টকা যেতিয়া আছে, একো বাধা-বিঘিনি নহয়,—সকলো চলি যাব। কৈৱৰ্ত্তৰ লৰা কায়স্থ হৈ চলি গৈছে, মই নিজ চকুৰে দেখিছোঁ। মই তোক হিন্দু সমাজৰ এনে ভাল বামুণৰ ঘৰত চলাই দিম, কাৰ সাধ্য মাত মাতিব পাৰিব—সিহঁতেই সমাজৰ মালিক। সেয়েহে কৈছোঁ, তই গুৰুৰ নিমিত্তে কন্দা-কটা সাধ্য সাধনা কৰি মৰিব নেলাগে।"

হৰিমোহিনীয়ে এইবোৰ কথা এইদৰে বহুৎ লগাই লগাই কৈ থাওঁতে সুচৰিতাৰ ভোক লাহে লাহে মৰি আহিছিল, টেটুৰেদি ভাত নোসোমোৱাই হ'ল, বলেৰেহে গিলিছিল। কিন্তু তাই একো মাত-বোল নকৰি বৰ জোৰ কৰিয়েই ভাত খালে, কাৰণ তাই বুজিছিল যে খোৱা কম হলে আকৌ যি আলোচনা হব সেইয়া তাইৰ পক্ষে সহ্য কৰা টান হব।

হৰিমোহিনীয়ে সুচৰিতাৰপৰা কোনো সঁহাৰি নেপাই মনে মনে ক'লে, 'সেৱা, ইহঁতক সেৱাহে কৰোঁ। ইফালে হিন্দু হিন্দু কৰি কান্দি-কাতি অস্থিৰ। সিফালে ইমান ডাঙৰ এটা সুযোগ দেখুৱালো, তালৈ কাণেই

নিদিলে। পৰাচিত হব নেলাগে, কোনো কৈফিয়ৎ দিব নেলাগে, মুঠেই অলপ ধন ভাঙি অনায়াসে সমাজত পাৰ হৈ যাব লাগে—ইয়াতো যাৰ উছাহ নাই সিও আকৌ নিজকে হিন্দু বুলি ঘহাই।' গোৰা যে এটা কিমান ডাঙৰ ভুৱা, হৰিমোহিনীৰ সেইটো আৰু বুজিবলৈ বাকী নাছিল; কিন্তু এনে এটা ভুৱাৰ উদ্দেশ্য নো কি হব পাৰে—সেইটোহে তেখেতে দকৈ ভাবিবলৈ ধৰিলে। সকলো ভাবি-চিন্তি হৰিমোহিনীৰ এনে ধাৰণা হ'ল,—সুচৰিতাৰ ধন, লগতে তাইৰ ৰূপ যৌৱনেই সকলো অনৰ্থৰ মূল। কোম্পানীৰ কাগজ-পত্ৰেৰে সৈতে এই ছোৱালীজনীক উদ্ধাৰ কৰি যিমান সোনকালে শ্বাহু-ৰূপ দুৰ্গত বন্দী কৰিব পাৰি, সিমানেই মঙ্গল। কিন্তু তাইৰ মনটো আৰু অলপ কোমলাব নোৱাৰিলে নহব। মন কোমলাবৰ কাৰণেই তেওঁ দিনে-নিশাই সুচৰিতাক তেওঁৰ শহুৰৰ ঘৰৰ বিষয়ে বুজুৱাত লাগি গ'ল। তেওঁৰ শহুৰৰ ঘৰৰ ক্ষমতা যে কিমান প্ৰতাপী, সমাজত তেওঁলোকে কিনো নকৰিব পাৰে—ইত্যাদি নানা দৃষ্টান্ত দি তেখেতে বৰ্ণনা কৰিবলৈ লাগি গ'ল। তেওঁলোকৰ লগত ফেৰ পাতি কিমান মন-কোঁহ নোহোৱা মানুহেও নিকাৰ ভুগিছে আৰু তেওঁলোকৰ আশ্ৰয় লৈ কিমানে মুছলমানে ৰন্ধা কুকুৰা খায়ো হিন্দু সমাজৰ অতি কাঁইটীয়া বাটো হাঁহিমুখে পাৰ হৈছে—সেইবোৰ মানুহৰ নাম আদি কৈ সেই সকলোবোৰ ঘটনা বিশ্বাসযোগ্য কৰি তুলিবলৈ চেষ্টা কৰিলে।

সুচৰিতাই যাতে তেওঁলোকৰ ঘৰলৈ অহা-যোৱা নকৰে, বৰদাসুন্দৰীৰ এই ইচ্ছা গোপন নাছিল, কাৰণ কথাই-কামে একে বুলি তেওঁৰ এটা অভিমান আছিল। অন্যৰ লগত সঙ্কোচ নেৰাখি টানকৈ ব্যৱহাৰ কৰোঁতে তেওঁ তেওঁৰ এই গুণটিৰ কথা প্ৰায়েই শুনিছিল। সেইদেখি বৰদাসুন্দৰীৰ ঘৰত যে সুচৰিতাই কোনো প্ৰকাৰৰ আদৰ সম্ভাষণ আশা কৰিব নোৱাৰে, সেই কথা সহজে বুজিব পৰা ভাষাৰেই বৰদাসুন্দৰীৰ মুখৰপৰা ওলাই পৰিছিল। সুচৰিতাই এইটোও জানিছিল যে তাই তেওঁলোকৰ ঘৰলৈ অহা-যোৱা কৰিলে ভট্ট ডাঙৰীয়াই ঘৰত বৰকৈ অশান্তি ভোগ কৰিব লাগিব। সেই কাৰণে নিতান্ত দৰ্কাৰ নহলে তাই সেই ধন ঘৰলৈ নগৈছিল, আৰু এই কাৰণেই পৰেশ ভট্টই নিজে নিতৌ এবাৰ বা দুবাৰ আহি সুচৰিতাৰ লগত দেখা কৰি গৈছিলহি।

নানা চিন্তা আৰু কামৰ লেঠাত পৰেশ ভট্ট কেইবাদিনো সুচৰিতাৰ তালৈ আহিব পৰা নাছিল। সেই কেইদিন সুচৰিতাই সদায় বৰ আগ্ৰহেৰে ভট্ট ডাঙৰীয়া আহিব বুলি আশা কৰি আছিল, অথচ তাই মনে মনে এটা

সঙ্কোচ অনুভৱ কৰিছিল আৰু দুখো পাইছিল। ভট্ট ডাঙৰীয়াৰ তাইৰ গভীৰ মঙ্গলৰ সম্বন্ধ যে কোনো কালেই নিছিঙে, তাই সেইটো ভালকৈ বুজিছিল, কিন্তু বাহিৰা দুই এডাল ডাঙৰ যোগ-সূত্ৰত যে বৰ টান পৰিছে, সেই দুখেও তাইক বৰ অশান্তি দিছিল। ইফালে হৰিমোহিনীয়ে তাইৰ জীৱন দিনে-ৰাতিয়ে অসহনীয় কৰি তুলিছিল। সেই দেখিয়েই বৰদা-সুন্দৰীয়ে বেয়া পোৱা সত্বেও আজি তাই ভট্ট ডাঙৰীয়াৰ ঘৰ ওলালহি। আবেলিৰ শেষৰ বেলিয়ে তেতিয়া ওচৰৰ পশ্চিম ফালৰ তিনি মহলা ঘৰৰ আঁৰ লৈ নাৰি গৈ দীঘল ছাঁ পেলাইছিল আৰু সেই ছাঁতে ভট্ট ডাঙৰীয়াই তলমূৰকৈ অকলে ফুলনিত ইফাল সিফাল কৰি আছিল।

সুচৰিতাই তেখেতৰ লগত যোগ দিলেহি আৰু ক'লে,—"দেউতা, আপুনি কেনে আছে?" হঠাতে তেখেতৰ চিন্তাত বাধা পাই অলপ পৰ থিৰ হৈ থাকি পৰেশ ভট্টই ৰাধাৰাণীৰ মুখলৈ চালে, আৰু ক'লে,—"ভালেই আছোঁ ৰাধা।"

দুয়োজনে বাগিচাত ঘূৰা-পকা কৰিবলৈ ধৰিলে। পৰেশ ভট্টই কলে, "সোমবাৰে ললিতাৰ বিয়া।"

সুচৰিতাই ভাবিছিল কিয় তাইক বিয়াত বুদ্ধি পৰামৰ্শ লবলৈ বা লাগি-ভাগি দিবলৈ মতা নাই, তাকেই সুধিব। কিন্তু তাইৰ কিবা এটা দোধোৰ-মোধোৰত পৰিল; কাৰণ তাই নিজৰ ফালৰপৰাও কিবা এটা বাধা পোৱাদি পাইছিল। আগেয়ে হোৱা হ'লে তাই মতালৈ বাটেই নেচালে হয়।

সুচৰিতাই মনতে যি ভাবিছিল ভট্ট ডাঙৰীয়াই ঠিক সেই কথাকে উলিয়াই ক'লে,—"তোমাক এইবাৰ মাতিব পৰা নাই ৰাধা।"

সুচৰিতাই সুধিলে,—"কিয় দেউতা।"

সুচৰিতাৰ এই প্ৰশ্নৰ উত্তৰ নিদি ভট্ট ডাঙৰীয়াই সুচৰিতাৰ মুখলৈ একেথৰে চাই থাকিল। সুচৰিতাই মুখ তললৈ নমাই ক'লে,—"তুমি ভাবিছিলা, মোৰ মনত এটা পৰিবৰ্ত্তনে দেখা দিছে।"

পৰেশ ভট্টই ক'লে,—"এৰা তাকে ভাবিছিলোঁ, মই কোনো ধৰণৰ অনুৰোধ কৰি তোমাক কোনো অসুবিধাত পেলাব নোখোজোঁ।"

সুচৰিতাই ক'লে,—"দেউতা, মই তোমাক সকলো কম বুলি ভাবিছিলোঁ, কিন্তু তোমাক তো দেখা পাবলৈকে নোহোৱা হ'ল। সেই দেখি মই নিজেই আহিছোঁ। মোৰ মনৰ ভাব যে ঠিক ভালকৈ তোমাক বুজাব পাৰিম, তেনে আশা মোৰ নাই। মোৰ ভয় হয়—কিজানিবা আচল কথাটো তোমাক

বুজাবই নোৱাৰিব।"

পৰেশ ভট্টই ক'লে,—"মই জানো এইবিলাক কথা কটুকথীয়াকৈ বুজোৱা টান। তুমি হয়তো কিবা এটা বস্তু তোমাৰ মনৰ মাজত পাইছা, তাক অনুভৱো কৰিছা, কিন্তু তাৰ আকাৰ-প্ৰকাৰ তোমাৰ ওচৰত এতিয়াও অচিনাকি হৈয়ে আছে।"

সুচৰিতাৰ মনটো পাতল হ'ল,—তাই ক'লে,—"এৰা, ঠিক সেইটোৱেই। কিন্তু মোৰ অনুভৱ ইমান প্ৰবল যে মই তোমাক কি কম। মই যেন এক নতুন জীৱন, এটা নতুন চেতনা পাইছোঁ। মই এই ফালৰপৰা এনেকৈ নিজক কেতিয়াও চোৱা নাছিলোঁ। ইমান দিনে আমাৰ দেশৰ অতীত আৰু ভৱিষ্যতৰ লগত মোৰ কোনো সম্বন্ধই নাছিল—কিন্তু এই ইমান ডাঙৰ সম্বন্ধটো যে কিমান ডাঙৰ সত্য, সেইটো আজি মোৰ অন্তৰত এনে আচৰিত ভাৱে বুজি লৈছোঁ যে তাক আৰু কোনো ৰকমেই পাহৰিব পৰা নাই। চোৱা দেউতা, মই তোমাক সঁচাকৈ কওঁ, মই যে হিন্দু, এই কথাটো আগেয়ে কোনোমতে মোৰ মুখৰপৰা ওলাব নুখুজিছিল। কিন্তু আজি মোৰ মনে চিঞৰি সঙ্কোচ নোহোৱাকৈ কৈছে—'মই হিন্দু।' ইয়াত মই বৰ আনন্দ পাইছোঁ।"

পৰেশ ভট্টই ক'লে,—"কিন্তু কথাটোৰ সকলো আগ-গুৰি ভাবি-চিন্তি চাইছানে?"

সুচৰিতাই ক'লে,—"সকলো আতি-গুৰি মাৰি ভাবি চোৱা শক্তি মোৰ নিজৰ আছে জানো? কিন্তু এই বিষয়ে বহুতো পঢ়িছোঁ আৰু নানা আলোচনাও কৰিছোঁ। এই কথাটো যেতিয়া মই ইমান ডাঙৰ কৰি চাবলৈ শিকা নাছিলোঁ, তেতিয়া হিন্দু বুলিয়েই যি বুজায়, তাৰ সৰু-সুৰা খুতি-নাটি কথাবিলাকহে ডাঙৰ কৰি দেখিছিলোঁ—সেই কাৰণেই ইয়াৰ সকলো কথালৈকে এটা ঘিণ ভাব আহিছিল।"

পৰেশ ভট্ট তাইৰ কথা শুনি আচৰিত হৈছিল। তেখেতে ভালকৈয়ে বুজিব পাৰিলে সুচৰিতাৰ মনত এটা বোধ সঞ্চাৰ হৈছে, তাই কিবা এটা সত্য বস্তু পাইছে বুলি নিঃসন্দেহে অনুভৱ কৰিছে—তাই মাথোন আপোন পাহৰা কিবা এটা চকা-চমকা আৱেগত যে উটি গৈছে সেইটো নহয়।

সুচৰিতাই ক'লে,—"দেউতা মই যে আমাৰ দেশৰ আৰু জাতৰপৰা ছিঙি পৰা কোনোবা এজনী অতি সমান্য মানুহ, এনে কথা কিয় কম? মই কিয় কব নোৱাৰিম যে—'মই হিন্দু।'

পৰেশ ভট্টই হাঁহি ক'লে,—"অৰ্থাৎ আই তুমি মোক সুধিছা, মই

নিজকে কিয় হিন্দু বুলি নকওঁ। ভাবি চালে তাৰ যে কিবা ডাঙৰ কাৰণ আছে, এনে নহয়। এটা কাৰণ হ'ল হিন্দুসকলে মোক হিন্দু বুলি স্বীকাৰ নকৰে। আৰু এটা কাৰণ হ'ল—যি সকলৰ লগত মোৰ ধৰ্মমত মিলে, তেওঁলোকে নিজকে হিন্দু বুলি চিনাকি নিদিয়ে।"

সুচৰিতাই মনে মনে ভাবিবলৈ ধৰিলে। পৰেশ ভট্টই ক'লে,—"মই তো তোমাক কৈছোঁৱেই এইবিলাক কোনো গুৰুতৰ কাৰণ নহয়, এইবোৰ বাহ্যিক কাৰণ হে মাত্ৰ। এইবিলাক বাধা নেমানিলেও হয়। কিন্তু ভিতৰত এটা গভীৰ কাৰণ আছে। হিন্দু সমাজত সোমাবলৈ কোনো বাট নাই—অন্ততঃ পদূলি মুখ এটা নাই—দুৱাৰ খিড়িকী হয়তো থাকিবও পাৰে। এই সমাজ সকলোৰে কাৰণে নহয়। দৈৱক্ৰমে যি সকলে হিন্দু হৈ জন্ম লব—এই সমাজ একমাত্ৰ তেওঁলোকৰ কাৰণেহে।"

সুচৰিতাই ক'লে—"সকলো সমাজেই তেনেকুৱা।"

পৰেশ ভট্টই ক'লে,—"নহয়, কোনো ডাঙৰ সমাজেই তেনে নহয়। মুছলমান সমাজৰ সিংহদ্বাৰ সকলো মানুহৰ কাৰণে মুকলি; খৃষ্টান সমাজেও সকলোকে মাতিছে। যি বিলাক সমাজ খৃষ্টান সমাজৰ অঙ্গ সেইবিলাকৰো সেই একে বিধি। মই যদি ইংৰাজ হবলৈ বিচাৰোঁ, সি যে একেবাৰেই অসম্ভৱ এনে নহয়—ইংলণ্ডত বাস কৰি মই তেওঁলোকৰ নিয়ম পালন কৰি চলিয়েই ইংৰাজ সমাজ ভুক্ত হব পাৰোঁ, এনে কি তাৰ বাবে মই খৃষ্টান হবৰো প্ৰয়োজন নাই। অভিমন্যুই ব্যূহৰ ভিতৰত সোমাব জানিছিল, ওলাব নেজানিছিল—হিন্দু ঠিক তাৰ ওলোটা, তাৰ সমাজত সোমোৱা বাট একেবাৰে বন্ধ কিন্তু ওলোৱা বাট শত সহস্ৰ।"

সুচৰিতাই ক'লে,—"দেউতা, তথাপিও তো ইমান দিনে হিন্দু ধ্বংস হোৱা নাই—সি তো টিকি আছে।"

পৰেশ ভট্টই ক'লে,—"সমাজ ধ্বংস হোৱাটো বুজিবলৈ সময় লাগে। আগতে হিন্দু সমাজৰ দুৱাৰ খিড়িকী মুকলি আছিল। তেতিয়া অনাৰ্য্য জাতিবিলাকে হিন্দু সমাজত সোমাই গৌৰৱ বোধ কৰিছিল। ইফালে মুছলমানৰ আমোলতো হিন্দু ৰজা আৰু জমিদাৰৰ যথেষ্ট প্ৰতিপত্তি আছিল, সেই দেখি সমাজৰপৰা ওলাই যোৱাৰ বিৰুদ্ধে শাসন আৰু নানা ৰকমৰ বাধা-বিঘিনি আছিল। এতিয়া ইংৰাজৰ অধিকাৰত সকলো আইনৰদ্বাৰা ৰক্ষা কৰা হৈছে। আগৰ দৰে কৃত্ৰিম ভাৱে সমাজৰ দুৱাৰ আগুৰি ৰাখিবৰ উপায় এতিয়া সিমান নাই। সেই দেখিয়েই কিছুদিনৰপৰা দেখা গৈছে ভাৰতবৰ্ষত হিন্দু কমিছে, মুছলমান বাঢ়িছে, এনেকৈয়ে চলি থাকিলে

ক্ৰমে এই দেশ মুছলমানপ্ৰধান হব, তেতিয়া ইয়াক হিন্দুস্থান বোলাই অন্যায় হব।"

সুচৰিতাই বেজাৰ মনেৰে কলে,—"দেউতা, ইয়াক বাধা দিয়াই আমাৰ সকলোৰে উচিত নহয়নে? আমিও হিন্দুক পৰিত্যাগ কৰি তাৰ আৰু ক্ষয় বেচি নকৰিম নে? তাক প্ৰাণপণ শক্তিৰে আকোৱালি ধৰি থাকিবৰ এয়েইতো সময়।"

পৰেশ ভট্টই মৰমেৰে সুচৰিতাৰ পিঠিত হাত ফুৰাই কলে,—"আমি ইচ্ছা কৰিলেই কাৰোবাক আকোৱালি ধৰি জীয়াই ৰাখিব পাৰোনে? ৰক্ষা পাবৰ কাৰণে এটা প্ৰকৃতিৰ নিয়ম আছে। এই স্বাভাৱিক নিয়মক যি এৰি পেলায় সচৰাচৰ তাকো সকলোৱে এৰে। হিন্দু সমাজে মানুহক অপমান কৰে, বৰ্জ্জন কৰে; সেই কাৰণেই আজিকালিৰ দিনত তাৰ পক্ষে আত্মৰক্ষা কৰা দিনৌ কঠিন হৈ পৰিছে। কিয়নো এতিয়া সি আঁৰত মনে মনে বহি থাকিব নোৱাৰে—এতিয়া চাৰিওফালৰ বাট মুকলি হৈ পৰিছে, চাৰিও ফালৰপৰা মানুহ তাৰ ওপৰত উঠিছেহি—এতিয়া শাস্ত্ৰ-সংহিতাৰে বান্ধ বান্ধি ওখ গড় সাজি সকলোৰেপৰা আঁতৰ হৈ আৰু কোনোৰকমেই সি থাকিব নোৱাৰে। হিন্দু সমাজে যদি এতিয়াও নিজে নিজেই সংগ্ৰহ কৰিবৰ শক্তি জগাই নুতুলি খেহ-ৰোগকে পুহি ৰাখে, তেনেহলে বাহিৰৰ মানুহৰ এই অবাধ সংশ্ৰৱ হিন্দু সমাজৰ কাৰণে এটা সাংঘাতিক কোব হৈ উঠিব।"

সুচৰিতাই বেজাৰ মনেৰে কলে,—"মই এইবোৰ একো নুবুজোঁ কিন্তু এয়ে যদি সঁচা হয়, ইয়াক আজি সকলোৱে এৰিব খুজিছে, তেনেহলে এনে দিনত মইতো তাক এৰি দিব নোৱাৰোঁ। আমি তাৰ দুৰ্দ্দিনৰ সন্তান বুলিয়েই তাৰ মূৰশিতানত আজি থিয় হৈ থাকিব লাগিব।"

পৰেশ ভট্টই কলে,—"আই, তোমাৰ মনত ভাব উঠিছে মই তাৰ বিৰুদ্ধে কোনো কথা কব নোখোজোঁ। ঈশ্বৰ চিন্তা কৰি, মন থিৰ কৰি তোমাৰ অন্তৰত যি সত্য আছে, যি মহৎ আদৰ্শ আছে—তাৰ লগত মিলাই সকলো কথা বিচাৰ কৰি চাবাঁ। লাহে লাহে সকলো কথা তোমাৰ কাৰণে ফট্‌ফটীয়া হৈ পৰিব। যি সকলোতকৈ ডাঙৰ, তাক দহৰ ওচৰত, কোনো মানুহৰ ওচৰতেই সৰু নকৰিবাঁ—তেনে কৰিলে তোমাৰো মঙ্গল নহয় দেশৰো মঙ্গল নহয়। মই ইয়াকে ভাবিয়েই একান্তচিতে তেওঁৰ ওচৰতে আত্ম সমৰ্পণ কৰিবলৈ বিচাৰোঁ; ইয়াকে কৰিব পাৰিলেই দেশৰ আৰু সকলো মানুহৰ ওচৰতে সত্য বুলি সহজেই প্ৰমাণিত হম।"

এনে সময়তে এজন মানুহে পৰেশ ভট্টক এখন চিঠি দিলেহি। পৰেশ ভট্টই কলে,—"বিতচকুৰোৰ নাই, পোহৰো কমি গ'ল—চিঠিখন পঢ়াচোন বাৰু।"

সুচৰিতাই চিঠি পঢ়ি তেওঁক শুনালে। ব্ৰাহ্ম সমাজৰ এক কমিটীৰপৰা তেখেতলৈ চিঠিখন আহিছে, তলত বহুত ব্ৰাহ্মৰ নাম চহী কৰা আছে। চিঠিৰ মূঠ কথা হল যে পৰেশ ভট্টই অব্ৰাহ্মমতে তেওঁৰ জীয়েকৰ বিয়াত সন্মতি দিছে আৰু সেই বিয়াত নিজেও যোগ দিবলৈ আগবাঢ়িছে। এনে অৱস্থাত ব্ৰাহ্ম-সমাজে কোনো ৰকমেই তেওঁক সভ্যসকলৰ ভিতৰৰ এজন বুলি মানি লব নোৱাৰে। তেওঁৰ যদি নিজৰ হৈ কিবা কবলগীয়া আছে, তেনেহলে অহা দেওবাৰৰ আগতে সেই বিষয়ে কমিটীৰ হাতত তেওঁৰ চিঠি পৰিবহি লাগিব—আৰু সেইদিনাৰ আলোচনাৰ পিচত অধিকাংশৰ মতৰদ্বাৰাই চূড়ান্ত সিদ্ধান্ত লোৱা হব।

পৰেশ ভট্টই চিঠিখন লৈ জেপত থলে। সুচৰিতাই তাইৰ কোমল হাতখনেৰে তেখেতৰ সোঁহাতখনত ধৰি নিঃশব্দে তেখেতৰ লগত ফুৰিবলৈ ধৰিলে।

লাহে লাহে সন্ধিয়াৰ আন্ধাৰ ঘন হৈ আহিল। ফুলনিৰ দক্ষিণ ফালৰ গলিৰ কাষৰ চাকি জ্বলি উঠিল। সুচৰিতাই লাহেকৈ কলে,—"দেউতা, তোমাৰ নাম লবৰ সময় হৈছে, মই আজি তোমাৰ লগতে নাম ধৰিম।"

এইবুলি সুচৰিতাই তেখেতৰ হাতত ধৰি একলীয়া নাম-ঘৰটিৰ ভিতৰ সোমাল। তাত সদায় থকাদি আসন পতা আছিল আৰু এডাল মমবাতি জ্বলি আছিল। পৰেশ ভট্টই আজি বহুপৰ মনে মনে উপাসনা কৰিলে। অৱশেষত এটি সৰু প্ৰাৰ্থনা কৰি উঠি আহিল।

বাহিৰ ওলায়ে দেখিলে গোঁসাই ঘৰৰ দুৱাৰ-ডলিতে ললিতা আৰু বিনয় মনে মনে বহি আছে। তেখেতক দেখিয়েই দুয়ো সেৱা কৰি ভৰিৰ ধূলা মূৰত ললে। তেখেতে সিহঁতৰ মূৰত হাত থৈ মনে মনে আশীৰ্ব্বাদ কৰিলে। সুচৰিতাক কলে,—"আই, মই কাইলৈ তহঁতৰ ঘৰলৈ যাম। আজি মোৰ কামখিনি শেষ কৰোঁগৈ।" এই বুলি কৈ তেখেত নিজৰ কোঠাত সোমালগৈ।

তেতিয়া সুচৰিতাৰ চকুলো বই পৰিছিল। তাই নিমাত-নিস্তব্ধ হৈ প্ৰতিমাৰ দৰে পীৰালিতে থিয় হৈ থাকিল। ললিতা আৰু বিনয়েও বহুত পৰ একো কথা-বতৰা নকলে।

সুচৰিতাই যাবলৈ বুলি আগ বাঢ়োতেই বিনয়ে সন্মুখত থিয় দি

কোমল মাতেৰে কলে,—"মাইদেউ, তুমি আমাক আশীৰ্ব্বাদ নকৰা জানো ?"

এই বুলি ললিতাক লৈ সুচৰিতাৰ সেৱা কৰিলে—সুচৰিতাই উচুপি উচুপি কি কলে· একমাত্র অন্তৰ্য্যামীয়েহে শুনা পালে।

পৰেশ ভট্টাই তেখেতৰ কোঠালৈ আহি ব্ৰাহ্ম সমাজৰ কমিটীলৈ চিঠি লিখিলে—চিঠিত লিখা আছিল,—

"ললিতাৰ বিয়া ময়েই দিব লাগিব। তাৰ বাবে আপোনালোকে যদি মোক ত্যাগ কৰে তেনেহলে আপোনালোকৰ বিচাৰ অন্যায় নহব। এতিয়া ঈশ্বৰৰ ওচৰত মোৰ একেটি মাত্র প্ৰাৰ্থনা হল, তেওঁ যেন মোক সকলো সমাজৰ আশ্ৰয়ৰ বাহিৰলৈ লৈ গৈ তেওঁৰ দুখনি চৰণতে ঠাই দিয়ে।"

৬৬

সুচৰিতাই ভট্ট ডাঙৰীয়াৰপৰা যি কেইটা কথা শুনিলে তাকে গোৰাক কবলৈ উচ্ পিচাবলৈ ধৰিলে। যি ভাৰতবৰ্ষৰ ফালে গোৰাই বহু দূৰলৈকে চকু পেলাইছে, আৰু যি ভাৰতবৰ্ষই তাৰ চিত্ত প্ৰবল প্ৰেমেৰে টানিব লাগিছে, ইমান দিনৰ পিচত সেই ভাৰতবৰ্ষ আজি কলিৰ হাতত পৰিছে আৰু সেই ভাৰতবৰ্ষৰ যে ক্ষয় আৰম্ভ হৈছে. গোৰাই জানো সেইবোৰ কথা চিন্তা কৰা নাই। আজি অত দিনে ভাৰতবৰ্ষই নিজকে জীয়াই ৰাখিব পাৰিছে একমাত্র তাৰ আভ্যন্তৰিক ব্যৱস্থাৰ বলত—সেই দেখিয়েই ভাৰতবাসীয়ে আজিলৈকে সতৰ্ক হৈ চেষ্টা কৰিবলগীয়া হোৱা নাই। আৰু সিমান নিশ্চিন্ত হৈ জীয়াই থাকিবৰ সময় আছে জানো! আজি জানো আগৰ দৰে পুৰণা ব্যৱস্থাকে সাৱটি লৈ ঘৰৰ ভিতৰত সোমাই থাকিব পাৰি।

সুচৰিতাই ভাবিবলৈ ধৰিলে,—'আজি মোৰ এটা কাম আছে—সেইটো কি বাৰু।' গোৰাৰ উচিত আছিল এই সময়ত তাইৰ ওচৰলৈ আহি তাইক আদেশ কৰা, এটা বাট দেখুৱাই দিয়া। সুচৰিতাই নিজকে নিজে কলে,—'মোক তেখেতে সকলো বন্ধন আৰু অজ্ঞতাৰপৰা আঁতৰাই আনি উপযুক্ত ঠাইত থিয় কৰাব পৰা হলে তাৰ মূল্য জানো সকলো ক্ষুদ্র লাজ-নিন্দা অপবাদতকৈয়ো বেচি নহলহেঁতেন নে ?' সুচৰিতাৰ মন আত্ম-গৌৰৱেৰে ভৰি পৰিল। তাই কলে,—'গোৰাই কেলেই তাইক পৰীক্ষা কৰি নেচালে, কেলেই তাইক অসাধ্য সাধন কৰিবলৈ নকলে—গোৰাৰ

নগৰীয়াসকলৰ ভিতৰত এনে কোন পুৰুষ আছে যি সুচৰিতাৰ দৰে নিজৰ বুলিবলৈ যি আছে সকলোকে ইমান সহজে উচৰ্গা কৰি দিব পাৰিব? এনে এটা আত্ম-ত্যাগৰ ইচ্ছা আৰু শক্তিৰ কোনো প্ৰয়োজনেই গোৰাই নেদেখিলেনে? ইয়াৰ লোক-অপবাদৰ চাৰি বেৰেবে আবৰি থোৱা কৰ্ম-হীনতাৰ মাজত পেলাই থৈ গলে দেশৰ একো ক্ষতি নহয় নে? তথাপি সুচৰিতাই এই অবজ্ঞা একেবাৰে আওহেলা কৰি আঁতৰতে ৰাখিলে। তাই কলে,—'মোক এনেকৈ এৰি যাব, এইটো কেতিয়াও হব নোৱাৰে। মোৰ ওচৰলৈ তেওঁ আহিবই লাগিব, মোক তেওঁ বিচাৰিবই লাগিব, সকলো লাজ-কাজ তেওঁ এৰিবই লাগিব—তেওঁ যিমান শক্তিমন্ত পুৰুষেই নহওক, মোক তেওঁৰ প্ৰয়োজন আছে—এই কথা নিজ মুখে তেওঁ এদিন মোক কৈছে—আজি এই অকণমান গঞ্জনাতে সেই কথা তেওঁ কেনেকৈ পাহৰিলে।'

সতীশ লৰি আহি সুচৰিতাৰ কোলাৰ কাষত থিয় দি কলে, "বাইদেউ!"

সুচৰিতাই তাৰ ডিঙিতে সাৱটি ধৰি কলে,—"কি অ' বক্তিয়াৰ।"

সতীশে কলে,—"সোমবাৰে ললিতা বাইদেউৰ বিয়া—এই কেইদিন মই বিনয় ককাইদেউৰ ঘৰতে থাকিম গৈ। তেখেতে মোক মাতিছে।"

সুচৰিতাই কলে,—"মাহীক কৈছ?"

সতীশে কলে,—"মাহীক কৈছিলো. তেখেতে খং কৰি কলে,—'মই এইবোৰ একো নেজানো, বায়েৰক ক গৈ যা, তাই যি ভাল দেখে তাকে কৰক।' বাইদেউ, তুমি হাক নিদিবা দেই। তাত মোৰ পঢ়া-শুনাৰ অকণো খতি নহয়, মই সদায় পঢ়িম, বিনয় ককাইদেৱে মোক শিকাই দিব।"

সতীশে লৰালৰিকৈ কলে,—"নহয় বাইদেউ, মই কাকো আমনি নকৰোঁ।"

সুচৰিতাই কলে,—"তোৰ কুকুৰ 'খুদেকো' তালৈ লৈ যাবি নে কি?"

সতীশে কলে,—"এৰা তাক লৈ যাব লাগিব, বিনয় ককাইদেৱে বৰকৈ কৈ পঠাইছে। ৰঙা কাগজত ছপোৱা এখন বেলেগ নিমন্ত্ৰণী চিঠিও তাৰ নামত আহিছে—তাত লিখিছে সি 'সপৰিজনে' গৈ জলপান খাই আহিব লাগিব।"

সুচৰিতাই কলে,—"পৰিজন তো নো কোন?"

সতীশে লৰালৰিকৈ কলে,—"কিয় বিনয় ককাইদেৱে কৈছে মই। তেখেতে আমাৰ সেই অৰ্গেনটোও লৈ যাবলৈ কৈছে। বাইদেউ, সেইটো মোক দিবা, মই নেভাঙোঁ।"

সুচৰিতাই কলে,—"ভাঙিলেই মই ৰক্ষা পাওঁ। এতিয়াহে বুজিলো—

তেওঁৰ বিৰাত অৰ্গেন বজাৰলৈকে তোৰ বন্ধুৱে তোক শাতিছে হবলা। চুলীয়া-শূলীয়াক একেবাৰেই ফাকি দিয়াৰ মতলব?"

সতীশে বৰ উত্তেজিত হৈ কলে,—"নহয়, কেতিয়াও নহয়। বিনয় ককাইদেৱে কৈছে মই দৰাৰ সখি হব লাগিব। সখিয়েনো বাৰু কি কৰিব লাগে বাইদেউ?"

সুচৰিতাই কলে,—"গোটেই দিনটো লঘোণে থাকিব লাগে।"

সতীশে কথাটো অকণো বিশ্বাস নকৰিলে। সুচৰিতাই সতীশক কোলালৈ টানি আনি হেঁচা মাৰি ধৰি কলে,—"বাৰু ভাই বক্তিয়াৰ, তই ডাঙৰ হলে কি কৰিবি কচোন।"

ইয়াৰ উত্তৰ সতীশৰ মনত ঠিক হৈ আছিল। তাৰ ক্লাচৰ শিক্ষক তাৰ মনত অসীম ক্ষমতা থকা অসাধাৰণ পণ্ডিতালিৰ আদৰ্শ আছিল— সি আগৰেপৰা মনে মনে ঠিক কৰি থৈছিল যে সি ডাঙৰ হলে পণ্ডিত ডাঙৰীয়া হব।

সুচৰিতাই তাক কলে,—"বহুতো কাম কৰিবলগীয়া আছে ভাই। আমি দুই ভাই-ভনীয়ে মিলি কাম কৰিম দেই। কি কৱ সতীশ। আমাৰ দেশখনক যে প্ৰাণ দি হলেও ডাঙৰ কৰিব লাগিব। ডাঙৰনো কি কৰিম— আমাৰ দেশৰ নিচিনা ডাঙৰ কি আছে। আমাৰ প্ৰাণটোকে ডাঙৰ কৰি তুলিব লাগিব—জান? বুজিব পাৰিছনে?" বুজিব নোৱাৰিলেও সহজে স্বীকাৰ কৰাৰ পাত্ৰ সতীশ নহয়, সি জোৰেৰে কলে,—"এৰা।"

সুচৰিতাই কলে,—"আমাৰ যি দেশ, আমাৰ যি জাত সি কিমান ডাঙৰ জান? সেইটো মই তোক কেনেকৈ বুজাম। ই এক আচৰিত দেশ। এই দেশখনক পৃথিৱীৰ সকলোৰে মূৰৰ মুকুটৰ ওপৰত বহুৱাবৰ কাৰণে কত হেজাৰ হেজাৰ বছৰ ধৰি বিধতাই আয়োজন কৰিছে, দেশ-বিদেশৰ কত মানুহে এই আয়োজনত যোগ দিছে, এই দেশত কত মহা-পুৰুষৰ জন্ম হৈছে, কিমান মহাযুদ্ধ হৈছে, ধৰ্ম্মক কিমান দিশৰপৰা চোৱা হৈছে আৰু জীৱনৰ সমস্যা কত ধৰণে এই দেশত মীমাংসা হৈছে—সেই খনেই হৈছে আমাৰ ভাৰতবৰ্ষ। ইয়াক বৰ মহৎ বুলি মানিবি ভাই, ভুলতো কেতিয়াও আওহেলা নকৰিবি। তোক মই আজি যি কলো এদিন তই সেইটো বুজিবই লাগিব—আজি তই একো বুজা নাই। এই কথাটো তই মনত ৰাখিব লাগিব যে অতি ডাঙৰ দেশ এখনত তোৰ জন্ম হৈছে, সমস্ত অন্তৰেৰে এই ডাঙৰ দেশখনক তই ভক্তি কৰিবি আৰু জীৱনৰ সকলো দি এই দেশৰ সেৱা কৰিবি।"

সতীশে কিছুপৰ মনে মনে থাকি কলে,—"বাইদেউ, তুমি কৰিবা ?"

সুচৰিতাই কলে,—"মই সেই একে কামকে কৰিম। তই মোক সহায় কৰিবি তো !"

সতীশে লগে লগে বুকু কিলাই কলে,—"কৰিম তো।"

সুচৰিতাৰ বুকু ভৰি যিবিলাক কথা ওকদি পৰিছিল সেইবোৰ কবলৈ ঘৰত কোনো নাছিল। সেই দেখি নিজৰ এই সৰু ভায়েকটোক কামত পাই তাইৰ সকলো আৱেগ উথলি উঠিল। তাই যি ভাষাত বিবোৰ কথা কলে সেয়া সৰু লৰাৰ আগত কোৱা কথা নহয়। কিন্তু সুচৰিতাই সেইবুলি কোঁচ নেখালে। তাইৰ মনৰ এই উৎসাহপূৰ্ণ অৱস্থাত তাই এই জ্ঞান লাভ কৰিছিল যে যিটো নিজে বুজা যায় তাকে পূৰাপূৰিকৈ কলেহে লৰা-বুঢ়া সকলোৱে নিজ নিজ শক্তি অনুসৰি একৰকম বুজিব পাৰে। সেইটোক অন্যৰ বুদ্ধিৰ উপযোগী কৰি ছেগা-চোৰোকাকৈ বুজাবলৈ গলেই সত্য আপোনা-আপুনি বিকৃত হৈ যায়।

সতীশৰ কল্পনা শক্তি তেজী হৈ উঠিল, সি কলে,—"ডাঙৰ হলে, মোৰ যেতিয়া দেখাৰ টকা হব তেতিয়া—"

সুচৰিতাই কলে,—"নহয়, নহয় নহয়, টকা-সিকাৰ কথা মুখলৈকে নানিবি, আমাৰ দুটাৰ ধনৰ দৰকাৰ নাই, বক্তিয়াৰ—আমি যি কাম কৰিম, তাত লাগে ভক্তি, তাত লাগে প্ৰাণ।"

এনেতে আনন্দময়ী কোঠাৰ ভিতৰলৈ সোমাই আহিল। সুচৰিতাৰ বুকুৰ তেজ আনন্দত নাচি উঠিল—তাই আনন্দময়ীক সেৱা কৰিলে। সতীশে এতিয়াও ঠিক মতে সেৱা কৰিব নোৱাৰে। সি লাজ লাজ কৰি কোনো ৰকমে কামটো কৰিলে।

আনন্দময়ীয়ে সতীশক কোলালৈ টানি লৈ মূৰত চুমা খালে আৰু সুচৰিতাক কলে,—"তোমাৰ লগত কথা এটা পাতিবলৈ আহিলোঁ আই,—তোমাৰ বাহিৰে অইন কাকো যে চকুত পৰা নাই। বিনয়ে কৈছিল,—'বিয়া মোৰ ঘৰতে হব।' মই কলো,—'সেইটো কেতিয়াও হব নোৱাৰে, তই বৰ ডাঙৰ নবাবটো হলি নহয়, আমাৰ ছোৱালীয়ে যাচি গৈ তোৰ ঘৰত বিয়া সোমাবগৈ।' সেইটো নহব। মই এটা ঘৰ ঠিক কৰিছোঁ, সেইটো তোমালোকৰ ঘৰৰপৰা বেচি দূৰতো নহয়। মই এই মাত্ৰ তাৰপৰা আহিলোঁ। ভট্ট ডাঙৰীয়াক কৈ তুমি মান্তি কৰাবা।"

সুচৰিতাই কলে,—"দেউতা মান্তি হব।"

আনন্দময়ীয়ে কলে,—"তাৰ পিচত তুমি আই তালৈ যাব লাগিব।

অহা সোমবাৰেই বিয়া। এই কেইদিন আমি তাতে থাকি সকলো ঠিক্-ঠাক কৰি লব লাগিব। সময় আৰু বেচি নাই। মই অকলে সকলো ঠিক-ঠাক কৰি লব পাৰোঁ, কিন্তু তুমি অলপ লাগি নিদিলে বিনয়ে বৰ দুখ পাব। সি কুটাই তোমাক অনুৰোধ কৰিব পৰা নাই সঁচা, এনে কি মোৰ আগতো তোমাৰ নাম লোৱা নাই—তাৰপৰা বুজিছোঁ যে তাৰ মনত এটা দুখ আছে। তুমি কিন্তু আঁতৰি থাকিলে নচলিব আই,—ললিতায়ো বৰ বেজাৰ পাব।"

সুচৰিতাই আচৰিত হৈ কলে,—"আই, তুমি এই বিয়াত যোগ দিব পাৰিবা ?"

আনন্দময়ীয়ে কলে,—"কিনো কোৱা সুচৰিতা, কি যোগ দিয়াৰ কথা কৈছা। মই কিবা বাহিৰা মানুহ নে যে কেৱল যোগ হে দিম। এইখন যে বিনয়ৰ বিয়া। ইয়াত তো সকলো কাম ময়েই কৰিব লাগিব। মই কিন্তু বিনয়ক কৈ থৈছো,—'এই বিয়াত মই তোৰ একো নহওঁ মই কইনা ঘৰীয়াহে—মোৰ ঘৰলৈ সি ললিতাক বিয়া কৰিবলৈ আহিব।"

মাক থাকোঁতেও এই বিয়াত ললিতাক তাইৰ মাকে এৰিছে—এই কথাতেই আনন্দময়ীৰ হিয়া কৰুণাৰে ভৰি পৰিছে। সেই কাৰণেই এই বিয়াত যাতে কোনো অনাদৰ অশ্ৰদ্ধাৰ চিন-চাব নেথাকে, তাৰ বাবে তেখেতে উঠি-পৰি লাগিছে। তেখেতে ললিতাৰ মাকৰ ঠাই লৈ নিজহাতে ললিতাক সজাই-পৰাই দিব—দৰাক আদৰিবৰ ব্যৱস্থা কৰিব—যদি নিমন্ত্ৰিতৰ ভিতৰৰ দুই-চাৰিজন কোনোবা আহে তেনেহলে তেওঁলোকক সোধ-পাছ কৰাত যাতে অলপো ঘাটি নহয় সেইটো চাব, আৰু নতুন ঘৰটো এনেকৈ ঠিক-ঠাক কৰিব যাতে ললিতাই নিজৰ থকা ঘৰ বুলি অনুভৱ কৰিব পাৰে—এয়েই তেখেতৰ সঙ্কল্প।

সুচৰিতাই কলে,—"এইবিলাক কৰোঁতে তোমাক লৈ কোনো গণ্ডগোল নহয় তো ?"

ঘৰত মহিমে যে তোলপাৰ লগাইছে তাকে সুঁৱৰি আনন্দময়ীয়ে কলে,—"হব পাৰে, কিন্তু হলে কি হব। গণ্ডগোল অলপ হয়েই, মনে মনে থাকিলেও কিছুদিনৰ পিচত সকলো ঠিক হৈ যায়।"

সুচৰিতাই জানে এই বিয়াত গোৰাই যোগ দিয়া নাই। আনন্দময়ীক বাধা দিবলৈ কিবা চেষ্টা হৈছিল নে নাই সেইটো জানিবলৈ সুচৰিতাৰ মন উচ্‌পিচাই আছিল। কিন্তু কথাটো খোলা-খুলিভাৱে তায়ো নুসুধিলে, আৰু আনন্দময়ীয়েও গোৰাৰ নাম নকলে।

হৰিমোহিনীয়ে খবৰ পাইছিল। লাহে-ধীৰে হাতৰ কাম শেষ কৰি কোঠাৰ ভিতৰলৈ সোমাই আহি তেওঁ কলে,—"বাইদেউ, ভালে আছানে? দেখাই নেপাওঁ, খবৰো নোলোৱা।"

আনন্দময়ীয়ে এই অভিযোগৰ কোনো উত্তৰ নিদি—"তোমাৰ ভতিজা জীয়েৰাক নিবলৈ আহিছোঁ" বুলি কৈ অহাৰ উদ্দেশ্য বুজাই কলে। হৰিমোহিনীয়ে মুখ আন্ধোলাই অলপ পৰ মনে মনে থাকি কলে,—"এইখনৰ ভিতৰত মই সোমাব নোৱাৰোঁ।"

আনন্দময়ীয়ে কলে,—"নাই ভনী, তুমি যোৱাৰ কথা মই কোৱা নাই। সুচৰিতাৰ কাৰণে তুমি চিন্তা কৰিব নেলাগে—মই তাইৰ লগে লগে থাকিম।"

হৰিমোহিনীয়ে কলে, "তেনেহলে কওঁ শুনা। বাধাৰাণীয়ে মানুহৰ আগত কয় তাই হিন্দু। এতিয়া তাইৰ মতি-গতিও হিন্দু ধৰ্ম্মৰ ফালে চাল খাইছে। তাই যদি হিন্দু সমাজত সোমাব খোজে। তেনেহলে তাই সাৱধান হব লাগিব। এনেয়েই কত কথা উঠিব, সেইবোৰ হয়তো কোনো ৰকমে ঠিক কৰি দিব পাৰিম। কিন্তু তাই এতিয়াৰেপৰা চাই-চিন্তি চলা উচিত। মানুহে প্ৰথমেই সুধিব—ইমান বয়স হল তাইৰ বিয়া-বাৰু কিয় হোৱা নাই—সেইটো একৰকম চাক-চুক দিয়া যাব পাৰে—ভাল দৰাও চেষ্টা কৰিলে যে পোৱা নেযাব সেইটো নহয়—কিন্তু তাই যদি আকৌ তাইৰ সেই আগৰ চাল-চলনবোৰত ধৰে, তেনেহলে মই কেইফালৰপৰা সামৰিম কোৱাচোন? তুমি হিন্দুৰ ঘৰৰ ছোৱালী, তুমি সকলো কথা বুজা, তুমিয়েই বা কোন মুখেৰে এনে কথা কোৱা? তোমাৰ নিজৰ ছোৱালী থকা হলে এই বিয়ালৈ পঠাব পাৰিলাহেঁতেন জানো? তুমি ভাবিবলৈ বাধ্য হলা হয় 'ছোৱালী বিয়া কেনেকৈ দিম?"

আনন্দময়ীয়ে আচৰিত হৈ সুচৰিতাৰ মুখলৈ চালে—তাইৰ মুখখন ৰঙা পৰি তেজ ফাটো ফাটো হৈছিল। আনন্দময়ীয়ে কলে,—"মই একো জোৰ কৰিবলৈ অহা নাই। সুচৰিতাই যদি আপত্তি কৰে তেনেহলে মই....।"

হৰিমোহিনীয়ে কৈ পেলালে, "মই তোমালোকৰ কথা-বতৰাবোৰ হলে একো ধৰিবই নোৱাৰোঁ। তোমাৰ পুতেৰায়ে তো তাইক হিন্দু মতলৈ আনিছে—তুমি আকৌ একো নজনাটো বোলালে কেনেকৈ হব?"

যি হৰিমোহিনীয়ে পৰেশ ভট্টৰ ঘৰত সদায় ভয় ভয় কৰি অপৰাধীৰ দৰে দিন কটাইছিল, যি কাৰোবাক অকণমান তেওঁৰ ফলীয়া যেন দেখিলেই

অতি আগ্ৰহেৰে খাবুচি ধৰিছিল, সেই হৰিমোহিনী আজি ক'ত। নিজৰ অধিকাৰ ৰক্ষা কৰিবৰ কাৰণে তেওঁ আজি বাঘিনী মূৰ্ত্তিৰে থিয় দিছে, সুচৰিতাক তেওঁৰপৰা কুচুলাই নিবলৈ চাৰিওফালে বিৰুদ্ধ শক্তিয়ে চেষ্টা কৰিছে। এই সন্দেহে তেওঁক খুচি-কাটি মাৰিবলৈ ধৰিলে। কোন সপক্ষে, কোন বিপক্ষে—এইটো বুজিব নোৱাৰাতে তেওঁৰ মনত শান্তি নোহোৱা হ'ল। আগেয়ে গোটেই সংসাৰকে শূন্য দেখি বিজনে দেৱতাৰ চৰণত আকুল চিত্তেৰে আশ্ৰয় লৈছিল সেই দেৱতাৰ পূজাতো আৰু তেওঁৰ মন স্থিৰ নোহোৱাত পৰিল। এদিন তেওঁ ঘোৰ সংসাৰী আছিল, নিদাৰুণ শোকত যেতিয়া সংসাৰলৈ বৈৰাগ্য জন্মিছিল তেতিয়া তেওঁ ভাবিব পৰা নাছিল যে আকৌ কেতিয়াবা তেওঁৰ টকা-পইচা, ঘৰ-দুৱাৰ, আত্মীয়-স্বজনলৈ আসক্তি উভতি আহিব। কিন্তু আজি হিয়াৰ ঘাঁ অলপ শুকাওঁতেই সংসাৰে আকৌ সন্মুখত থিয় দি তেওঁৰ মন আজুৰিবলৈ আৰম্ভ কৰিছে—আকৌ তেওঁৰ সকলো আশা-আকাংক্ষাই বহুদিনৰ পুৰণি স্পৃহা লৈ সাৰ পাইছে, যাক ত্যাগ কৰি আহিছিল তালৈ পুনৰায় উলটি যোৱাৰ বেগ এনে তেজী হৈ উঠিছে যে সংসাৰত তেওঁ সংসাৰী হৈ থাকোঁতেও তেওঁৰ মন ইমান চঞ্চল হৈ উঠা নাছিল। আজি কেইদিনমানৰ ভিতৰতে হৰিমোহিনীৰ চকুৰে-মুখে, ভাৱে-ভঙ্গীয়ে, কথাই-বতৰাই, এনে এটা অদ্ভুত পৰিবৰ্ত্তনৰ চিন দেখি আনন্দময়ী একেবাৰেই আচৰিত হৈ গ'ল, আৰু সুচৰিতাৰ কাৰণে তেখেতৰ চেনেহ-কোমল মনটো বেজাৰেৰে ভৰি পৰিল। এনে এটা অদ্ভুত চাক খাই থকা বুলি জনা হলে তেখেতে কেতিয়াও সুচৰিতাক মাতিবলৈ নাহিলহেঁতেন। এতিয়া কি কৰিলে নো সুচৰিতাৰ মনৰ দুখ পাতলিব, সিয়েই তেখেতৰ এটা সমস্যা হ'ল।

হৰিমোহিনীয়ে গোৰাক লক্ষ্য কৰি কথা কবলৈ আৰম্ভ কৰোঁতেই সুচৰিতাই মূৰ তল কৰি লাহেকৈ কোঠাটোৰপৰা ওলাই গ'লগৈ।

আনন্দময়ীয়ে কলে,—"তুমি ভয় কৰিব নেলাগে ভনী। মই আগেযে নেজানিলো নহয়। বাৰু তাইক আৰু টনা-আজোৰা নকৰোঁ। তুমিও তাইক একো নকবা। তাই আগেয়ে এক ধৰণে ডাঙৰ দীঘল হৈছে, এতিয়া বেচি হেঁচা দিলে তাইৰ সহ্য নহব।"

হৰিমোহিনীয়ে কলে,—"মোৰ ইমান বয়স হ'ল—সেয়া মই নুবুজোঁ নে! চাওঁ তাই তোমাৰ মুখৰ আগতেই কওকচোন বাৰু, কেতিয়াবা তাইক মই কিবা দুখ দিছোঁ বুলি। তাইৰ যি মন যায় তাকে কৰিছে, মই কেতিয়াও মাত এষাৰো মতা নাই; ভগৱানে তাইক জীয়াই ৰাখক, সেয়ে মোৰ কাৰণে

যথেষ্ট—মোৰ যি কপাল, কেতিয়া কি হয় তাতে মোৰ টোপনি নাহে।”

আনন্দময়ী যাবলৈ উঠাত সুচৰিতাও ওলাই আহি সেৱা কৰিলে। আনন্দময়ীয়ে চেনেহেৰে তাইক চুই কলে,—“মই আহিম আই, তোক সকলো খবৰ দি যাম—কোনো বিঘিনি নহয়, ঈশ্বৰৰ আশীৰ্ব্বাদত শুভকাম ভালেৰেই হৈ যাব।”

সুচৰিতাই একো নেমাতিলে।

পিচদিনা পুৱাই আনন্দময়ীয়ে লছমিয়াক লগত লৈ সেই ভাৰাঘৰৰ বহুদিন গোটখোৱা ধূলি উচুৱাবলৈ একেবাৰে বানপানীৰ কাৰবাৰ কৰোতেই সুচৰিতা উপস্থিত হলহি। আনন্দময়ীয়ে লৰালৰিকৈ বাঢ়নীডাল পেলাই দি তাইক বুকুলৈ টানি নি সাবটি ধৰিলে।

তাৰ পিচত ধোৱা-মোচা, বস্তু-বাহানি ইকাল-সিকালে টনা-টনি কৰি ঘৰ সজোৱাৰ ধুম-ধাম লাগি গ'ল। পৰেশ ভট্টই খৰচৰ কাৰণে সুচৰিতাৰ হাতত লগা যোখাই টকা দি গৈছিল—সেই পুঁজিৰে দুয়ো মিলি বাৰে বাৰে লিষ্টি কৰা আৰু সংশোধন কৰাত লাগি গ'ল।

অলপ পিচতে পৰেশ ভট্টই নিজে ললিতাক লগত লৈ উপস্থিত হলহি। সিহঁতৰ ঘৰ ললিতাৰ নিমিত্তে দিনৌ অসহনীয় হৈ উঠিছিল। ঘৰৰ কেৱে তাইক একো কবলৈ সাহ নকৰিছিল, কিন্তু সিহঁতে তাইক মাত-বোল নকৰা কথাটোৱেই তাইৰ মনত বিষম আঘাত দিছিল। অৱশেষত বৰদাসুন্দৰীক সান্ত্বনা দিবলৈ যেতিয়া তেওঁৰ বন্ধু-বান্ধৱ জোৰাই জোৰাই আহিবলৈ ধৰিলে তেতিয়া পৰেশ ভট্টই ললিতাক ঘৰৰপৰা আঁতৰাই নিয়াটোকে উত্তম বুলি বিবেচনা কৰিলে। ললিতাই আহিবৰ সময়ত বৰদাসুন্দৰীক সেৱা কৰিবলৈ যোৱাত তেওঁ মুখ ঘূৰাই বহি থাকিল, আৰু ললিতা গুচি অহাৰ পাচত চকুপানী টুকিবলৈ ধৰিলে। ললিতাৰ বিয়াৰ কথা লৈ লাৱণ্য আৰু লীলাৰ মনত খু-দুৱনি লাগি আছিল—কিবা উপায়ে যদি পাৰিলেহেঁতেন তেনেহলে বিয়া ঘৰলৈ লৰি যাবলৈ সিহঁতে নিমিষো পলম নকৰিলেহেঁতেন। কিন্তু যাত্ৰা ঘৰৰ কঠিন কৰ্ত্তব্য মনত পেলাই সিহঁত অতিপাত গহীন হৈ বহি থাকিল। দুৱাৰমুখতে সুধীৰৰ লগত ললিতাৰ চকা-মকাকৈ দেখা হৈছিল, কিন্তু তাৰ ঠিক পিচ ফালেই সিহঁতৰ সমাজৰ কেইজনমান মুখিয়াল মানুহ থকাৰ কাৰণে তাৰ লগত একো কথা পাতিব পৰা নহল। গাড়ীত উঠি ললিতাই দেখিলে বহা ঠাইৰ একোণে কাগজেৰে মেৰিওৱা কিবা এটা আছে। মেলি চালে, জাৰ্ম্মান ৰূপৰ এটা ফুলদানি—গাত ইংৰাজী

তাৰাত লিখা আছিল 'সুখী দম্পতীক ঈশ্বৰে আশীৰ্ব্বাদ কৰক' আৰু এটা কাৰ্ডত ইংৰাজীতে সুধীৰৰ নামৰ প্ৰথম আখৰটো লিখা আছিল। ললিতাই আজি মন টান কৰি প্ৰতিজ্ঞা কৰিছিল তাই চকুৰ পানী নোটোকে। কিন্তু পিতৃ-গৃহৰপৰা বিদায় মুহূৰ্ত্তত তাইৰ সৰু কালৰ বন্ধুৰ একোটি মাত্ৰ চেনেহৰ উপহাৰ হাতত লওঁতে তাইৰ দুই চকুৰেদি হৰ্ হৰ্ কৈ পানী বৰ'লৈ ধৰিলে। ভট্ট ডাঙৰীয়াই চকু মুদি নবচৰ নকৰাকৈ বহি থাকিল।

আনন্দময়ীয়ে—"আইঁ, আই, আই" বুলি ললিতাৰ হাত দুখনত ধৰি ভিতৰলৈ লৈ গ'ল, যেন সেই সময়ত তাইৰ কাৰণে তেখেতে বাটলৈ চাই আছিল।

পৰেশ ভট্টই সুচৰিতাক মতাই অনাই কলে,—"ললিতাই আমাৰ ঘৰ-পৰা একেবাৰেই বিদায় লৈ আহিছে।"

ভট্ট ডাঙৰীয়াৰ হাত কঁপি গ'ল।

সুচৰিতাই ভট্ট ডাঙৰীয়াৰ হাতত ধৰি কলে,—"ইয়াত তাইলৈ মৰম-চেনেহৰ কোনো অভাৱ নহব দেউতা।"

ভট্ট ডাঙৰীয়া যাবলৈ ওলাওঁতে আনন্দময়ীয়ে মূৰৰ ওৰণিখন টানি তেখেতৰ আগলৈ আহি নমস্কাৰ কৰিলেহি। পৰেশ ভট্টই লৰালৰিকৈ প্ৰতি নমস্কাৰ জনালে। আনন্দময়ীয়ে কলে,—"ললিতাৰ কাৰণে সমূলি চিন্তা নকৰিব। আপুনি আজি যাৰ হাতত তাইক অৰ্পি দিলে তাৰপৰা কেতিয়াও কোনো দুখ তাই নেপায় আৰু ভগৱন্তয়ো ইমান দিনৰ মূৰত মোৰ এটা অভাৱ গুচুৱালে,—মোৰ ছোৱালী নাছিল, ছোৱালী পালোঁ। বিনয়ৰ কইনাই মোৰ ছোৱালীৰ অভাৱ গুচুৱাব—বহু দিনৰেপৰা আশা পালি আছিলোঁ। —হওক, ঈশ্বৰে মোৰ আশা পূৰালে, পলম কৰি পূৰালে যদিও এনে ছোৱালী দিলে, আৰু এনে আচৰিত ভাৱে দিলে যে মোৰ এনে ভাগ্য হব বুলি মই ভবাই নাছিলোঁ।"

ললিতাৰ বিয়াৰ কথা ওলোৱাৰপৰা পৰেশ ভট্টই মাজ সাগৰত—এইবাৰ পোন প্ৰথম পাৰ দেখা পালে, আৰু সঁচাকৈয়ে সান্ত্বনা লাভ কৰিলে।

কাটেকবপৰা ওলোৱা দিনাবেপৰা গোৰাৰ ওচৰলৈ ইমান মানুহ আহি বলৈ ধৰিলে যে সিহঁতৰ শলাগনি আৰু আলাপ-আলোচনাৰ উৎসাহ-নিশাহ বন্ধ হোৱা হেজাৰ-বিজাৰ কথাৰ মাজত মৰত থকাই তাৰ পক্ষে টান হৈ উঠিল।

গোৰাই সেইদেখি আকৌ আগৰ দৰে গাঁও ফুৰিবলৈ আৰম্ভ কৰিলে। ৰাতিপুৱাই অলপ খাই-বৈ ওলায় আৰু একেবাৰে ৰাতিহে উভতি আহে। ৰেলেৰে গৈ কলিকতাৰ ওচৰা-উচৰি যেই কোনো ষ্টেছনতে নামি গাঁৱত সোমায়। তাত তেলীয়া, কুমাৰ, কৈৱৰ্ত ইত্যাদিৰ চুবুৰিত আলহী হয়গৈ। এই বগা বৰণীয়া গায়ে-পাঁবিয়ে থূলতৰ বামুণজনে সিহঁতৰ ঘৰে ঘৰে এনেকৈ ঘূৰি ফুৰিছে, সিহঁতৰ সুখ-দুখৰ খবৰ লৈছে, এইবিলাক সিহঁতে একো বুজি নেপায়। আইন কি সিহঁতৰ মনত নানা ৰকমৰ সন্দেহো জন্মে। কিন্তু গোৰাই সিহঁতৰ মনৰ সকলো সঙ্কোচ সন্দেহ দূৰ কৰিলে আৰু সিহতৰ মাজতে ঘূৰা-পকা কৰিবলৈ লাগিল। মাজে-সময়ে বেয়া মাত যে নেপায় এনে নহয়, তথাপিও সি উভতি নাহিল।

যিমানেই ইহঁতৰ ভিতৰত সোমায়, সিমানেই একেটা কথাই তাৰ মনত খুলিয়াবলৈ ধৰে। সি দেখিলে এই গাঁওবিলাকৰ সামাজিক বান্ধোন শিক্ষিত ভদ্ৰ সমাজতকৈ বহুতো বেচি। প্ৰত্যেক মানুহৰ ঘৰতে খোৱা-বোৱা, উঠা-বহা, কাম-কাজ সকলো কথাতে দিনে-ৰাতিয়ে সমাজৰ চোকা দৃষ্টি আছে। প্ৰত্যেক মানুহৰ লোকাচাৰৰ প্ৰতি এটা অতি সহজ বিশ্বাস আছে, সেইটো কোনেও নুই কৰিব নোৱাৰে। কিন্তু সমাজৰ এই বান্ধোনে সিহঁতৰ কাৰ্য্যক্ষেত্ৰত বা আচাৰ-ব্যৱহাৰত অকণো শক্তি যোগাব পৰা নাই। ইহঁতৰ নিচিনা এনেকুৱা ভয়াতুৰ, অসহায়, নিজৰ ভাল-বেয়াৰ বিচাৰ কৰিব নজনা জীৱ জগতত আৰু কৰবাত আছে নে নাই সন্দেহ। একমাত্ৰ আচাৰ পালন কৰি চলাৰ বাহিৰে আৰু আন কোনো কথাই ইহঁতে অকণোকে চিনি নেপায় আৰু নুবুজেও। দণ্ডৰদ্বাৰা, দলাদলিৰদ্বাৰা নিষেধ কৰাটোকে সিহঁতে আটাইতকৈ ডাঙৰকৈ বুজিছে। কি কৰিব নেলাগে, এইটোৱেই যেন খোজে খোজে নানান শাসনৰদ্বাৰাই সিহঁতৰ প্ৰকৃতিক সুৰৰপৰা ভৰি-লৈকে জালেৰে বান্ধি থৈছে—কিন্তু এই জাল হ'ল ধাৰ-ধৰৰ জাল, এই বান্ধোন হল মহাজনৰ বান্ধোন, ৰজাৰ বান্ধোন নহয়। ইয়াৰ ভিতৰত এনে

একো তাত্তৰ একতা নাই যি সকলোকে বিপদে-সম্পদে ওচৰা-উচৰিকৈ থিয় কৰাব পাৰে। গোৰাই এই কথা বুবুজাকৈ দেখাকিল যে লোকাচাৰৰ দাবে বপিয়াই মানুহে মানুহৰ তেজ পি শুহি খাইছে। কতবাৰ সি দেখা পালে যে সমাজৰ কোনো কাম-কাজতেই কোনেও কাকো অকণো দয়া-মায়া নেদেখুৱায়। এজনৰ বাপেক বহুদিন বেমাৰত ভুগিছিল, বাপেকৰ চিকিৎসা-পথ্য ইত্যাদি যোগাৰ কৰোঁতে বেচেৰাৰ একেবাৰে লাওলোৱা অৱস্থা হল—কোনো কালৰপৰা কাৰো সাহায্য নাই—কিন্তু ইফালে গাঁৱৰ মানুহে কয় তাৰ বাপেক কিবা নজনা পাপৰ ফলত চিৰৰুগীয়া হোৱাত সিহে এতিয়া পৰাচিত হব লাগিব। সেই দুৰ্ভগীয়াৰ লাওলোৱা লাক অসাধন অৱস্থা কাৰো নজনা নহয়। কিন্তু ক্ষমা নাই। সকলো প্ৰকাৰৰ কাম-কাজতেই এনেকুৱা হয়। যেনেকৈ আচল ডকাইতিতকৈ পুলিচৰ অনুসন্ধানহে গাঁৱলীয়া বাইজৰ কাৰণে বেচি ভয়াবহ, তেনেকৈয়ে মাক-বাপেকৰ মৃত্যুতকৈয়ো মাক-বাপেকৰ শ্ৰদ্ধাহে সন্তানৰ কাৰণে বেচি দুৰ্ভাগ্যৰ কাৰণ হৈ পৰে। আয় কম, অৱস্থাই নুকুলায়—এইবোৰ কথা কোনেও নেমানে—যেনেকৈয়ে হওক সমাজৰ নিষ্ঠুৰ দাবী যোল অনা পূৰণ কৰিবই লাগিব। বিয়াৰ সময়ত কইনাৰ বাপেকৰ কান্ধৰ ওপৰত ব'ব নোৱাৰা বোজা জাপি দিবলৈ দৰা-ঘৰীয়াই নানা ধৰণৰ কূট বুদ্ধি উলিয়ায়; দুৰ্ভগীয়াৰ প্ৰতি লেশমাত্ৰ কৰুণা দেখুৱা নহয়। গোৰাই বুজিব পাৰিলে যে এই সমাজে দৰকাৰৰ বেলিকা সহায় নকৰে, বিপদত মুখৰ মাত এষাৰ নিদিয়ে কেৱল শাসনৰদ্বাৰাই মানুহক পৰাস্ত কৰি জীৱন পঙ্গু কৰি পেলায়।

শিক্ষিত সমাজৰ ভিতৰত গোৰাই এই কথাটো পাহৰি গৈছিল—কাৰণ সেই সমাজত সাধাৰণৰ মঙ্গলৰ কাৰণে এক হৈ থিয় হবলৈ বাহিৰৰপৰা এটা শক্তিয়ে কাম কৰি আছিল। এই সমাজত একগোট হোৱাৰ কাৰণে নানা প্ৰকাৰ উদ্যোগ দেখা গৈছে। এই সকলোবোৰৰ একযোগ চেষ্টায়েই আনৰ অনুকৰণ হৈ কিজানি আমাক নিস্ফলতাৰ ফালেহে লৈ যায়—এই শিক্ষিত সমাজত এইটোহে চিন্তাৰ কাৰণ।

কিন্তু গাঁৱলীয়া সমাজত, য'ত বাহিৰৰ শক্তিৰ আঘাতে তেনে একো কাম কৰা নাই, সেই সমাজৰ সোৰোপালিৰ ভিতৰত থকা দুৰ্ব্বলতাৰ নণ্ঠা মূৰ্ত্তিটো গোৰাই আজি দেখা পালে। যি ধৰ্ম্মই সেৱাৰ ৰূপ লৈ সকলোকে শক্তি যোগায়, জীৱন দিয়ে—গোৰাই কতো সেই ধৰ্ম্ম দেখা নেপালে। যি আচাৰে কেৱল তাক ধ্বংস কৰে, ভাগ কৰে, কষ্ট দিয়ে—যি বুদ্ধিকো ওচৰ চাপিব নিদিয়ে, যি আপোন ভাবটোকো দূৰতে বিদুৰ কৰে, যিটোৱে

সকলোৰে চলন-ফুৰণ, উঠা-বহা আদি সকলোতে কেৱল বাধা হে দিছে—গাঁৱৰ ভিতৰত এই নিৰ্বোধ বাধ্য-বাধকতাৰ অনিষ্টকৰ কুফল দেখ্‌ দেখ্‌কৈ গোৰাৰ চকুত ধৰা পৰিল। যি মানুহৰ স্বাস্থ্য, জ্ঞান, ধৰ্মবুদ্ধি কাম-কাজ সকলোকে নানা কালৰপৰা নানা প্ৰকাৰে আক্ৰমণ কৰে—গোৰাই সেই-টোকে দেখা পালে, আৰু তাৰ পাচত্ৰে নিজকে তাৰ বান্ধৰ ইন্দ্ৰজালত ভোল নিয়াই ৰখা গোৰাৰ কাৰণে অসহ্য হৈ উঠিল।

গোৰাই পোনেই দেখিলে যে গাঁৱৰ তল জাতৰ মানুহৰ ভিতৰত তিৰোতাৰ সংখ্যা কম বুলিয়েই হওক বা অন্য কোনো কাৰণতেই হওক ভালেখিনি গা-ধন দিলেহে বিয়া কৰাবলৈ ছোৱালী পোৱা যায়। ফলত বহুত পুৰুষেই আজীৱন আৰু বহুতে বয়স ভাটী দিয়াটোলৈকে আবিয়ৈ হৈয়ে থাকিব লগা হয়। ইফালে বিধবা-বিবাহো কট্‌কটীয়াকৈ নিষেধ। ইয়াৰপৰা ঘৰে ঘৰে সমাজৰ অৱস্থা দূষিত হৈ উঠিছে আৰু এই অনিষ্ট, অসুবিধা সমাজৰ প্ৰত্যেকেই অনুভৱ কৰিছে। এই অমংগলীয়া ভাৰখন সদায় কান্ধত লৈ ফুৰিবই লাগিব, অথচ ইয়াৰ প্ৰতিকাৰ কৰিবৰ কোনো উপায়ো নাই। যি গোৰাই শিক্ষিত সমাজত আচাৰৰ অকণো ইফাল-সিফাল হবলৈ দিব নোখোজে, সেই গোৰায়েই আজি গাঁৱৰ এই নিয়ম-কানুনত কোব বহুৱালে। সি গাঁৱৰ পুৰোহিতসকলক বহু কষ্ট কৰি বশ মনালে যদিও গাঁৱৰ সমজুৱাক হলে কোনো ৰকমেই মান্তি কৰাব নোৱাৰিলে। গোৰাৰ ওপৰত সিহঁতৰ খঙহে উঠিল। সিহঁতে কলে,—'বাৰু, বামুণে যেতিয়া বিধবাক বিয়া দিব, আমিও তেতিয়াহে দিম।'

সিহঁতৰ খং উঠাৰ প্ৰধান কাৰণ হ'ল এই যে, সিহঁতে মনে মনে ভাবিলে গোৰাই সিহঁতক নীচ কুলীয়া মানুহ বুলি ঘিণ কৰিছে, আৰু সিহঁতৰ নিচিনা মানুহবোৰ আৰু নীচ হৈ যোৱাটোৱেই যে উচিত, এই কথাকে গোৰাই সদৰী কৰিবলৈ আহিছে।

গাঁৱৰ ভিতৰত ঘূৰি-পকি এই কথা গোৰাৰ চকুত পৰিল যে মুছলমান-সকলৰ ভিতৰতে এনে এটা বস্তু আছে যাৰ সহায়ত সিহঁতক একগোট কৰি থিয় কৰাব পাৰি।

গোৰাই লক্ষ্য কৰি দেখিলে যে গাঁৱত আপদে-বিপদে মুছলমানসকল যেনেকৈ অতি আপোনভাৱে ইজনে-সিজনৰ ওচৰ চাপি এক হয়, হিন্দু বিলাকে তেনেকৈ নোৱাৰে। গোৰাই বাৰে বাৰে ভাবিবলৈ ধৰিলে,—কি কাৰণত নো এই দুখন ওচৰচুবুৰীয়া সমাজৰ ভিতৰত এনে ডাঙৰ প্ৰভেদ হবলৈ পালে। যি উত্তৰে তাৰ মনত ভুমুকি মাৰে, সেইটো কিন্তু মানি

লবলৈ তাৰ মত নেবায়। ধৰ্মবৰ্মা মুছলমান এক, আচাৰবৰ্মা নহয়—এই কথা মানি লবলৈ যেন তাৰ অন্তৰ ভাঙি যায়। একালে যেনেকৈ আচাৰৰ বান্ধোনে তেওঁলোকৰ সকলো কাম-কাজকে অনৰ্থক বান্ধি থোৱা নাই, সিকালে তেনেকৈ ধৰ্মৰ বান্ধোনে তেওঁলোকক সম্পূৰ্ণ ঘনিষ্ঠ কৰিছে। তেওঁলোক সকলোৱে মিলি এনে এটা বস্তু গ্ৰহণ কৰিছে, যিটো কেৱল 'নহয় নহয়' যিটো 'হয়', যিটো ঋণৰ ভিত্তিত গঢ়ি উঠা নাই, যিটো ধনৰ ভিত্তিত গঢ়ি উঠিছে; যাৰ কাৰণে মানুহে এখাৰ মাতভে, এক মুহূৰ্ত্তে একেলগে কান্ধত কান্ধ মিলাই থিয় দি অনায়াসে জীৱন বলি দিব পাৰে।

শিক্ষিত সমাজত গোৰাই যেতিয়া লিখে, তৰ্ক কৰে, বক্তৃতা দিয়ে, তেতিয়া সি আইনক বুজাবৰ কাৰণে, আইনক নিজৰ মতলৈ আনিব কাৰণে স্বভাৱতেই নিজৰ কথাবিলাক কল্পনাৰ সহায়েৰে মনোমোহা বোলেৰে বোলাই যিটো স্থূল তাক সূক্ষ্ম ব্যাখ্যাৰে ঢাকি, যিটো অনাৱশ্যক ভগ্নাৱশেষ মাথোন, তাকো ভাবৰ পোহৰেৰে মনমোহা ছবিৰ নিচিনা কৰি দেখুৱাইছে। দেশত এদল লোক দেশৰ প্ৰতি বিমুখ কাৰণেই আৰু দেশৰ সকলোতে তেওঁলোকে বেয়াটোহে দেখে বুলিয়েই গোৰাই স্বদেশৰ প্ৰতি প্ৰবল অনুৰাগেৰে অনুপ্ৰাণিত হৈ এই কাঠচিতীয়া মানুহবোৰৰ অপমানৰপৰা দেশখনক ৰক্ষা কৰিবলৈ স্বদেশৰ সকলোটি কথাকে অতি জকমকীয়া ভাৱৰ আৱৰণেৰে ঢাকি ৰাখিবলৈ দিনে ৰাতিয়ে যত্ন কৰিছে। গোৰাৰ এইটো এটা অভ্যাস হৈ পৰিছিল। সকলো ভাল, যিটো দোষ দেখিছা সিও এক প্ৰকাৰৰ গুণহে—এনেবোৰ কথা একমাত্ৰ উকিলৰ দৰে প্ৰমাণ কৰাই নহয়—এইবোৰ সি মনে প্ৰাণে বিশ্বাসো কৰে। অতি অসম্ভৱ ঠাইতো তাৰ এই বিশ্বাসক মৰসাহ কৰি জয়-পতাকাৰ নিচিনাকৈ টান মুঠিৰে শক্ৰৰ বাক্যবাণৰ সন্মুখতো অকলে দাঙি ধৰি থিয় দিছে। তাৰ কেৱল মাত্ৰ এটা কথা আছিল—নিজ দেশৰ প্ৰতি বাইজৰ শ্ৰদ্ধা পুনৰাই ঘূৰাই আনিবই—তাৰ পিচত হে আইন কাম।

কিন্তু গাঁৱত যেতিয়া সোমায়, তেতিয়া তাৰ আগত কোনো শুনোতা নেথাকে, প্ৰমাণ কৰিবলৈ একো কথাও নেথাকে, আৰু তেতিয়া অৱজ্ঞা-বিদ্বেষ খৰ্ব্ব কৰিবলৈকো তাৰ সকলো শক্তি জগাই তুলিবৰ কোনো আৱশ্যক নহয়। তেতিয়া আচল সত্যক কোনো আভৰণৰ মাজেদি চোৱাৰ দৰকাৰ নহয়। দেশৰ প্ৰতি প্ৰবল অনুৰাগেই তাৰ দৃষ্টি সত্যৰ প্ৰতি অতিমাত্ৰাই চোকা কৰি তোলে।

গাত এটা চীনা কোটচোলা পিন্ধি, কঁকালত চেলেং মেৰিয়াই কেম্বিচৰ বেগ হাতত লৈ স্বয়ং কৈলাস আহি হৰিমোহিনীক সেৱা কৰিলে। তেওঁৰ বয়স পঁয়ত্ৰিশৰ উচৰা-ওচৰি হ'ব; চুটি চাপৰ, খাঁটিল মানুহটো—ডাঢ়ি-গোঁফ খুৰুৱা। খুঠেই আজি কেইদিনমান মুখৰোৱাত ডাঢ়ি-গোঁফবোৰ উলুবনৰ গজালিৰ দৰে হৈছিল।

বহুত দিনৰ মূৰত শহৰেকৰ ঘৰৰ মানুহ দেখি হৰিমোহিনীয়ে বৰ আনন্দেৰে কৈ উঠিল,—"আয়ে দেহী। দেওৰ বোপা দেখোন, বহঁা, বহঁা।" লৰালৰিকৈ এখন কঠ পাৰি দিলে আৰু সুধিলে,—"মুখ হাত ধুবানে?"

কৈলাসে কলে,—"নাই, দৰকাৰ নাই। পাচে আপোনাৰ গা-মূৰ ভালেই দেখিছোঁ।"

শৰীৰ ভালে থকাটো এটা অপবাদৰ কথা বুলি ভাবি হৰিমোহিনীয়ে—"গা-মূৰ নো ক'ত ভালে আছে", বুলি কৈ নানা প্ৰকাৰ ৰোগৰ এখন তালিকা দিলে, আৰু কলে,—"আপদীয়া দেহাটো পাৰ হলেই ৰক্ষা পৰোঁ, মৰণো নাহে নহয়।"

জীৱনৰ প্ৰতি এনে বিতৃষ্ণা দেখুৱাত কৈলাসে আপত্তি কৰিলে, আৰু ককায়েক নাই যদিও হৰিমোহিনীয়েই যে তেওঁলোকৰ এটা ডাঙৰ ভৰসা, তাৰে প্ৰমাণ স্বৰূপে কলে,—"এইয়া নোচোৱা কেলেই, তুমি আছা বুলিহে কলিকতাখনলৈ অহা হ'ল—থিয় দিবলৈ ঠাই অকণ পালোঁ তেও।"

আত্মীয়-স্বজন, গাঁৱৰ মানুহ-দুনুহ সকলোৰে খবৰা-খবৰ আগৰপৰা গুৰিলৈকে বিবৰি কৈ কৈলাসে হঠাৎ চাৰিও পিনে চকু ফুৰাই চাই কলে,—"এই ঘৰটো বোধকৰোঁ তেওঁৰেই।"

হৰিমোহিনীয়ে কলে,—"এৰা।"

কৈলাসে কলে,—"একেবাৰেই দালান ঘৰ দেখিছোঁ।"

হৰিমোহিনীয়ে তেওঁৰ উৎসাহ বঢ়াই কলে,—"নহয় নো কি আকৌ। একেবাৰেই দালান।"

ঘৰটোৰ কাঠবোৰ খুব মজবুত শালৰ আৰু দুৱাৰ-খিড়িকীবোৰো যে আম কাঠৰ নহয় তাকো তেওঁ লক্ষ্য কৰিলে। ঘৰৰ বেৰবোৰ ডেৰখন ইটাৰ নে দুখন ইটাৰ গাঁঠনিৰ সিও তেওঁৰ চকুত নপৰাকৈ নেথাকিল। ওপৰ আৰু তল মহলা মিলি মুঠ কেইটা কোঠালী আছে তাকো সুধি-পুছি

মলে। মুঠৰ ওপৰত বস্তুটো তেওঁৰ মনত বেচ সন্তোষজনক যেনেই লাগিল। ঘৰ সাজোতে কিমান খৰচ পৰিল সেইটো অনুমান কৰা তেওঁৰ পক্ষে টান, কাৰণ এইবিলাক মাল-মছলাৰ ঠিক দাম দৰবোৰ তেওঁৰ জনা নাছিল—চিন্তা কৰি ভৰিৰ ওপৰত ভৰি থৈ জোকাৰি জোকাৰি মনে মনে ভাবিলে,"কম হলেও সহ পোন্ধৰ হেজাৰ টকা তো হবই।" মুখ কুটাই অলপ কমাই কলে,—"কি কোৱা নবৌ, সাত-আঠ হেজাৰ টকা হব পাৰে।"

হৰিমোহিনীয়ে কৈলাসৰ গাঁৱলীয়া মূঢ়তাত আচৰিত হৈ কলে,—"কি কোৱা বোপা, সাত-আঠ হেজাৰ টকাৰ কথা হে কৈছা, কুৰি হেজাৰ টকাৰ এক পইচাও কম নহব।"

কৈলাসে অতি মনোযোগেৰে চাৰিও ফালে য'ত যি বয়-বস্তু আছিল সেইবোৰ চাবলৈ ধৰিলে। এতিয়াই সম্মতি জনাই মূৰ লৰালেই যে শাল-কাঠৰ মাৰ'লি আৰু চেগুন কাঠৰ দুৱাৰ-খিড়িকীৰে সৈতে এই পকা অট্টালিকাৰ একেশ্বৰ প্ৰভু হব পাৰিব—এইটো ভাবি বৰ তৃপ্তি বোধ কৰিলে। সুধিলে,—"সকলো তো হ'ল, কিন্তু ছোৱালী?"

হৰিমোহিনীয়ে লৰালৰিকৈ কলে,—"হঠাতে পেহীয়েকৰ ঘৰৰপৰা নিমন্ত্ৰণ পাই তালৈকে গৈছে, দুই চাৰিদিন পলম হব পাৰে।"

কৈলাসে কলে,—"তেনেহলে চোৱাৰ কি হব। মোৰ যে সিফালে আকৌ মকৰ্দ্দমা এটা আছে, কাইলৈ যাবই লাগিব।"

হৰিমোহিনীয়ে কলে, "তোমাৰ মকৰ্দ্দমা এতিয়া থাওক। ইয়াৰ কাম শেষ নহলে যাব নোৱাৰা।"

কৈলাসে কিছুপৰ ভাবি, শেষত ঠিক কৰিলে, মকৰ্দ্দমা নহয় একতৰফা ডিগ্ৰী হৈ নষ্ট হৈ যাব। হওক, কিন্তু ইয়াত ক্ষতিপূৰণৰ যি আয়োজন হৈছে সেইটো আৰু এবাৰ চাৰিও ফালে ভালকৈ চকুফুৰাই চাই এটা ঠিক কৰি ললে। হঠাৎ চকুত পৰিল হৰিমোহিনীৰ গোঁসাইঘৰৰ চুকত বান্ধ খাই থকা পানী ডোঙালৈ। এই গোঁসাই ঘোৰা কোঠালীৰপৰা পানী ওলোৱাৰ কোনো বন্দবস্ত নাছিল—অথচ হৰিমোহিনীয়ে নিতৌ পানী ঢালি এই কোঠাটোতে ধোৱা-পখলা কৰে। সেই কাৰণেই চুকটোত অলপ পানী সদায় বন্ধ হৈ থাকেই। কৈলাসে লৰালৰিকৈ কলে,—"নবৌ, এইটো তো ভাল হোৱা নাই।"

হৰিমোহিনীয়ে কলে,—"কিয়, কি হৈছে।"

কৈলাসে কলে,—"সেইয়া যে পানী বন্ধ হৈ আছে, সেইটো তো কোনো বকমে নচলিব।"

হৰিমোহিনীয়ে কলে,—"কি কৰিম বোপা।"

কৈলাসে কলে,—"নহয়, নহয়, সেইটো নহব—ঘৰৰ ছাতখন যে তেনেই নষ্ট হৈ যাব। মই কৈ থলো হলে নবৌ, এই কোঠাত হলে পানী চলা-চলি কৰা নচলিব।"

হৰিমোহিনী মনে মনে থাকিবলগীয়া হল। কৈলাসে তাৰ পিচত ছোৱালীৰ ৰূপৰ বিষয়ে কৌতূহল দেখুৱালে।

হৰিমোহিনীয়ে কলে,—"সেইয়া দেখিলেই গম পাবা। আজিলৈকে তোমালোকৰ ঘৰলৈ এনে ছোৱালী অহা নাই।"

কৈলাসে কলে,—"কোৱা কি, আমাৰ মাজু বৌ—"

হৰিমোহিনীয়ে কলে,—"কিহৰ লগত কি বিজোৰা? তোমাৰ মাজু বৌয়েৰা তাইৰ ওচৰত থিয় দিব পাৰিব জানো?"

মাজু বৌয়েকক তেওঁলোকৰ ঘৰৰ ৰূপহীৰ আদৰ্শ বুলি কোৱা কথাষাৰত হৰিমোহিনীয়ে ভাল নেপালে, 'তোমালোকে যি কোৱা বোপা, মাজু বৌয়ে-ৰাতকৈ নতুন বোৱাৰীহে মোৰ বহু বেচি পছন্দ হয়।"

মাজু বৌয়েকৰ লগত নবোৱাৰীৰ তুলনা কৰাত কৈলাসে বৰ ভাল নেপালে। তেওঁ মনে মনে কোনোবা এক নোহোৱা-নোপোজা, মূৰ্ত্তিৰ হৰিণ চকুৱা চকুৰ লগত বাঁহীৰ নিচিনা নাক লগাই মাটি চুচৰি যোৱা চুলিৰে সৈতে নিজৰ কল্পনাক ৰঙিয়া কৰি তুলিছিল।

হৰিমোহিনীৰ ইফালে কথা সম্পূৰ্ণ আশাজনক যেনেই লাগিল। কন্যা পক্ষৰ বিবিলাক গুৰুতৰ সামাজিক খুঁত আছে সেইবোৰে কোনো পাৰ হব নোৱাৰা বিঘিনি যেন মনে নধৰিলে।

৬৯

গোৰা যে আজি-কালি সোনকালে ঘৰৰপৰা ওলাই যায়, বিনয়ে সেইটো জানিছিল। সেই কাৰণেই বিনয়ে সোমবাৰে পুৱা এম্কাৰে-পোহৰেই গোৰাৰ ঘৰ ওলালগৈ। পোনে পোনেই ওপৰলৈ উঠি গৈ শোৱনিকোঠা সোমালগৈ। তাত গোৰাক নেদেখি লগুৱা লৰাটোৰপৰা গম পালে যে গোঁসাই ঘৰত আছে। মনতে আচৰিত হৈ গোঁসাই ঘৰৰ দুৱাৰমুখত থিয় দি দেখিলে গোৰাই নাম লবলৈ বহাদি বহি আছে, গৰদৰ চুৰিয়া পিন্ধা; গাত এখন গৰদৰ চেলেং, কিন্তু প্ৰকাণ্ড বগা দেহাটোৰ বেচি ভাগেই উদং। বিনয়ে গোৰাক নাম লোৱা দেখি আৰু আচৰিত হ'ল।

খোজাৰ শব্দ শুনি গোৰাই পিচলৈ চাই বিনয়ক দেখি থিয় হল আৰু বৰাদাবিকৈ কলে,—"ভিতৰলৈ নাহিবা।"

বিনয়ে কলে,—"ভয় নাই, মই নেযাওঁ। তোমাৰ ওচৰলৈ আহিছিলোঁ।"

গোৰাই বাহিৰলৈ আহি কাপোৰ সলাই বিনয়ক লৈ তিনি মহলালৈ লৈ গৈ বহুৱালে।

বিনয়ে কলে,—"গোৰা ভাই, আজি সোমবাৰ।"

গোৰাই কলে,—"নিশ্চয় সোমবাৰ—পঞ্জিকাৰ ভুল হলেও আজিৰ বাৰটো সম্বন্ধে তোমাৰ ভুল হব নোৱাৰে। অন্ততঃ আজি মঙ্গলবাৰ যে নহয়, সেইটো ঠিক।"

বিনয়ে কলে,—"তুমি হয়তো নোযোৱা জানো, কিন্তু আজিৰ দিনটোত তোমাক এবাৰ নোকোৱাকৈ এই কামত আগ বাঢ়িব নোৱাৰিম। সেই দেখিয়েই দোকমোকালিতে উঠি তোমাৰ ওচৰলৈ আহিছোঁ।"

গোৰাই একো নেমাতি থিৰ হৈ বহি থাকিল।

বিনয়ে কলে,—"তেনেহলে মোৰ বিয়া ঘৰলৈ তুমি যে এবাৰ যাব নোৱাৰিবা, সেইটো থাটাং নহয়?"

গোৰাই কলে,—"নাই বিনয়, মই যাব নোৱাৰিম।"

বিনয় মনে মনে থাকিল। গোৰাই অন্তৰৰ শোক লুকুৱাই হাঁহি হাঁহি কলে,—"মই নগলোঁয়েই বা তাত কিনো হ'ল?"

তোমাৰ তো জিত হলেই। তুমি তো আইক টানি নিলাই। ইমান চেষ্টা কৰিও কোনো ৰকমেই তো আইক ধৰি ৰাখিব নোৱাৰিলোঁ। শেহান্তৰত মোৰ আইৰ কথালৈয়ো তোমাৰ ওচৰত হাৰ মানিবলগীয়া হল। বিনয় এটা এটাকৈ 'চব লাল হো যায়গা' নে কি! মোৰ মানচিত্ৰত কেৱল মই অকলে বয়গৈ নে কি!"

বিনয়ে কলে,—"ভাই মোক দোষ নিদিবা কিন্তু। মই তেখেতক খুব জোৰ কৈয়েই কৈছিলোঁ। —'আই, মোৰ বিয়ালৈ তুমি কোনো পধ্যেই যাব নোৱাৰা।' আয়ে কলে,—'চা বিনু, তোৰ বিয়ালৈ যিবিলাক নেযায়, তেওঁলোকক নিমন্ত্ৰণ কৰিলেও নেযায়, যি যাব বাধা কৰিলেও যাব—সেয়েহে তোক কৈছোঁ, তই কাকো নিমন্ত্ৰণো নকৰিবি, বাধাও নকৰিবি—মনে মনে থাক।' গোৰা, তুমি কিবা মোৰ ওচৰত হাৰ মানিছানে? —তোমাৰ মাৰাৰ ওচৰতহে হাৰিছা, হেজাৰ বাৰ হাৰিছা। তেনে এজনী আই আৰু আছে জানো।"

আনন্দময়ীক বাধা দিবলৈ গোৰাই যদিও পূৰা-পূৰি যত্ন কৰিছিলে,

তথাপি তেওঁৰ যে তাৰ কথা নুশুনি, তাৰ ৰং-ৰাগলৈ কাণ নকৰি, বিনয়ৰ বিয়ালৈ গুচি গ'ল, এই কথাত গোৰাই অন্তৰত দুখ পোৱা নাছিল; বৰং আনন্দহে পাইছিল। বিনয়ে গোৰাৰ মাকৰ বুকুৰে মৰমৰ যি ভাগটো পাইছিল, গোৰাৰ লগত বিনয়ৰ শত বিচ্ছেদ হলেও সেই মাতৃ-স্নেহৰ মৌ বসৰপৰা বিনয়ক কোনেও যে বঞ্চিত কৰিব নোৱাৰিব, এইটো কথা সঠিককৈ জানি গোৰাই মনত যেন তৃপ্তি আৰু আনন্দহে লাভ কৰিছিল। আন সকলো দিনৰেপৰাই বিনয় আৰু গোৰা বহু আঁতৰা-আঁতৰি হৈ গলেও এই অক্ষয় মাতৃ-স্নেহৰ এডাল সূতাই এই দুই চিৰবন্ধুক ইজন সিজনৰ লগত নিকপ্ কপীয়াকৈ বান্ধি ৰাখিব।

বিনয়ে কলে,—"ভাই, তেনেহলে মই উঠিলোঁ। একান্তই যদি যাব নোৱাৰা নেযাবা, কিন্তু গোৰা, মনত হলে কোনো অসন্তোষ নেৰাখিবা। এই মিলনে মোৰ জীৱনলৈ কিমান ডাঙৰ এটা সাৰ্থকতা আনিলে এইটো যদি তুমি মনত অনুভৱ কৰিব পাৰা, তেতিয়া হলে তুমি কেতিয়াও মোৰ এই বিয়াখনত তোমাৰ আন্তৰিক শুভ-ইচ্ছা নজনোৱাকৈ থাকিব নোৱাৰা। এই কথা মই তোমাক জোৰ দিয়েই কওঁ।"

ইয়াকে কৈ বিনয়ে বহা আসন এৰি থিয় দিলে। গোৰাই কলে,— "বিনয়, বহাঁ। তোমাৰ লগ্ন সেই ৰাতিহে, এতিয়াই কিহৰ লৰালৰি?"

গোৰাৰ এই আশা কৰিব নোৱৰা অনুৰোধত বিনয় লৰালৰিকৈ বহিল।

তাৰ পিচত বহু দিনৰ মূৰত আজি এই ৰাতিপুৱাতে পুৰণা দিনৰ দৰে দুয়ো অন্তৰঙ্গভাৱে মেল পাতিবলৈ লাগিল। বিনয়ৰ হৃদয় বীণত যিডাল তাঁৰ পঞ্চম সুৰত বন্ধা আছিলে গোৰাই সেইডাল তাঁৰতে আঙুলি বুলালে। বিনয়ৰ কথা আৰু শেষ হব নোখোজে। কিমান অতি সৰু সৰু ঘটনা যিবিলাক পোনপটীয়াকৈ কবলৈ হলে অতি সাধাৰণ, এনেকি হাঁহি উঠা কথা যেনহে লাগিব, তাৰেই বুৰঞ্জী বিনয়ৰ মুখৰপৰা গীতৰ সুৰৰ দৰে বাৰে বাৰে নতুন নতুন মাধুৰ্য্যেৰে উথলি উঠিবলৈ ধৰিলে। বিনয়ৰ হৃদয়ৰাজ্যত আজি-কালি যি এক আচৰিত লীলা-খেলা চলিছিল, তাৰেই সকলো অপৰূপ বিচিত্ৰ ৰস বিনয়ে নিজৰ অতি নিপুণ ভাষাত, অতি সূক্ষ্ম অথচ গভীৰ ভাৱে হৃদয়ঙ্গম কৰি স্পৰ্শ দিবলৈ ধৰিলে। জীৱনৰ এইটো কি অপূৰ্ব্ব অভিজ্ঞতা! বিনয়ে যি আপুৰুগীয়া বস্তু হিয়া ভৰাই পাইছে, তাক হৰলা সকলোৱে পায়? ইয়াক গ্ৰহণ কৰিব পৰা শক্তি সকলোৰে আছে জানো? সাধাৰণতে সংসাৰত স্ত্ৰী-পুৰুষৰ যি মিলন দেখা যায়, বিনয়ে কলে, তাত এই আটাইতকৈ উচ্চ সুৰটো তো বজা নুশুনি। বিনয়ে

গোৰাক বাৰে বাৰে কৈছিল যে আৰু সকলোৱে জগত সিহঁতৰ তুলনা নকৰে যেন। বিনয়ৰ মনে কৈছিল, ঠিক এনে এটা কথা আগেয়ে কেতিয়াও ঘটিছিল নে নাই সন্দেহ। সচৰাচৰ এনেকুৱাই হব লাগিলে বসন্তৰ এছাটি বতাহতে গোটেই বন নতুন নতুন ফুল-পাতেৰে উজলি উঠাদি গোটেই সমাজখনেই প্ৰাণৰ হেন্দোলনিত চাৰিও কালে চঞ্চল হৈ পৰিলেহেঁতেন। তেনেকুৱাই হোৱা হলে মানুহে এনেকৈ খাই-বই, শুই-বহি, তেল বঁহি চিক্‌চিকীয়া হৈ কাল নকটালেহেঁতেন। তেনে হোৱা হলে যাৰ অন্তৰত যিমান সৌন্দৰ্য্য, যিমান শক্তি আছে, স্বভাৱতে নানা বৰণ, নানা অ'কাৰ লৈ সেইবিলাক দিশে দিশে ফুটি উঠিলহেঁতেন। ইযে সোণৰ কঠি— ইয়াৰ পৰশ উলাই কৰি অসাৰ হৈ কোন পৰি থাকিব পাৰে। ই সামান্য মানুহকো অসামান্য কৰি তোলে। সেই প্ৰবল অসামান্যতাৰ সোৱাদ মানুহে জীৱনত কেনেবাকৈ এবাৰ পালেই জীৱনৰ সত্যৰ পৰিচয় পায়।

বিনয়ে কলে,—"গোৰা, মই তোমাক ডাঠি কওঁ যে মানুহৰ গোটেই প্ৰকৃতিকে নিমিষতে সজাগ কৰি তুলিবৰ উপায় হৈছে এই ভালপোৱা যি কাৰণতেই হওক আমাৰ মাজত এই ভালপোৱাৰ উৎপত্তি দুৰ্ব্বল; সেই কাৰণেই আমি প্ৰত্যেকেই ইয়াক সম্পূৰ্ণকৈ উপলব্ধি কৰাৰপৰা বঞ্চিত হৈছোঁ। আমাৰ কি আছে সেইটো আমি নেজানো; যিটো গোপন হৈ আছে সেইটো দেখুৱাবৰ পৰা নাই, যিটো সঞ্চিত হৈ আছে, সেইটো বায় কৰাও আমাৰ অসাধ্য; সেই কাৰণেই চাৰিওপিনে এই বিঙা বিঙা ভাব, এনে নিৰানন্দ। সেই দেখিয়েই আমাৰ ভিতৰত কিবা মাহাত্ম্য আছে যদি তাক কেৱল তোমাৰ দৰে দুই-এজনেহে বুজে, সাধাৰণৰ মনত তাৰ এবো চেতনাই নাই।"

মহিমে ডাঙৰকৈ হামি এটা মাৰি শোৱা পাটীৰপৰা উঠি যেতিয়া মুখ ধুবলৈ গ'ল, তেওঁৰ খোজৰ শব্দত বিনয়ৰ উৎসাহ হঠাৎ বন্ধ হ'ল, সি গোৰাৰপৰা বিদায় লৈ ওলাই গ'ল গৈ।

গোৰাই ছাতৰ ওপৰত থিয় দি পূব কালৰ ৰঙা আকাশলৈ চাই এটা দীঘল হুমুনিয়াহ পেলালে। বহুত পৰ ছাতত্তে ইফাল সিফাল কৰিলে; আজি তাৰ গাঁৱলৈ যোৱা নহল।

আজি-কালি কিছু দিনৰপৰা গোৰাই তাৰ অন্তৰত কিবা এটা আকাংক্ষা, কিবা এটা পূৰ্ণতাৰ অভাৱ অনুভৱ কৰিবলৈ ধৰিছে, কিন্তু সেই অভাৱ কোনোমতেই কামৰ মাজেদিয়েই হওক বা অন্য উপায়েৰেই হওক, পূৰণ কৰিবপৰা নাই। কেৱল সি অকলে, নহয় তাৰ সকলো কামেই যেন

ওপৰলৈ হাত-বাউল দি কৈছে,—"ৰূপ পোহৰ লাগে, উজ্জ্বল পোহৰ লাগে—সুন্দৰ পোহৰ।" যেন অন্যান্য সকলো উপকৰণ গোটোৱা হৈ আছে, যেন হীৰা-মাণিক, সোণ-ৰূপ দুৰ্মূল্য নহয়, যেন লোহাৰ বৰ্মও আপুৰুগীয়া নহয়, কিন্তু আশা আৰু সান্ত্বনাৰে জিলিকি উঠা স্নিগ্ধ-সুন্দৰ ৰঙাবেলিৰ বোলেৰে বোলোৱা পোহৰ ক'ত।

যি আছে তাক আৰু বঢ়োৱাৰ চেষ্টা কৰাৰ প্ৰয়োজন নাই হয়, কিন্তু তাক আৰু বেচি উজ্জ্বল কৰি লাৱণ্যময় কৰি কুটাই তুলিবলৈ তো এতিয়াও বাকী আছে।

বিনয়ে কৈছিল, 'কোনো এক মাহেন্দ্ৰক্ষণত নৰ-নাৰীৰ ভালপোৱাক আশ্ৰয় কৰি এটা বৰ্ণাবি নোৱাৰা অসামান্যতা ভমককৈ জ্বলি উঠে।' এইবাৰ কিন্তু গোৰাই এই কথাটো আগৰ দৰে হাঁহি উৰুৱাই দিব নোৱাৰিলে। গোৰাই পেটে পেটে ভাবিবলৈ বাধ্য হ'ল—ই তো সামান্য মিলন নহয়, ইয়াৰ পৰিপূৰ্ণতাত, ইয়াৰ সংশ্ৰৱত সকলো বস্তুৰে মূল্য বাঢ়ি যায়। ই কল্পনাক দেহ দান কৰে, দেহক প্ৰাণেৰে ওপোচাই দিয়ে। ই প্ৰাণৰ ভিতৰত প্ৰাণক আৰু মনৰ ভিতৰত মনক অকল মাথো দুগুণ হে কৰে, এনে নহয়, ই মানুহৰ মন-প্ৰাণক এটা নতুন ৰসেৰে তিয়াই পেলায়।

আজি বিনয়ৰ লগত সামাজিক বিচ্ছেদৰ দিনা বিনয়ৰ হিয়াই গোৰাৰ হিযাত এটা স্নানি নিছিগা ঐকতান সঙ্গীত বজাই দি গ'ল। বিনয় ওচি গ'ল, বেলা বাঢ়ি আহিল, কিন্তু সঙ্গীত সোনোৱকনেই আৰু বন্ধ হব নোখোজে। সাগৰৰ ফালে বৈ যোৱা দুখন নদী একে ঠাইতে মিলিলে যেনে হয় ঠিক তেনেকৈয়ে বিনয়ৰ ভালপোৱা গোৰাৰ ভালপোৱাৰ লগত মিলি ঢৌৰ ওপৰত ঢৌৱে খৌকি-খাৰ্শৌকি লগাবলৈ ধৰিলে। গোৰাই যিটোক কোনো প্ৰকাৰে বাধা দি, বেৰা দি, দুৰ্ব্বল কৰি, নিজৰ অগোচৰত ৰাখিবলৈ চেষ্টা কৰিছিল, সিয়েই দুই পাৰ বুৰাই নিজকে বেচি জাকতজিলিকা আৰু শক্তিশালী কৰি দেখা দিলে। তাক অবৈধ বুলি নিন্দা কৰে, তাক তুচ্ছ বুলি অৱজ্ঞা কৰে, এনে শক্তি আৰু গোৰাৰ আজি নাই।

গোটেই দিনটো এনেকৈয়ে গ'ল। অৱশেষত আবেলি যেতিয়া সন্ধিয়াত মিলি গ'ল, তেতিয়া গোৰাই কান্ধত চেলেং এখন পেলাই লৈ আলি-বাটলৈ ওলাল। গোৰাই মনতে কলে,—'যিটো মোৰ, তাক মই লমেই। নহলে পৃথিৱীত মই অসম্পূৰ্ণ হৈ থাকিম, মই ব্যৰ্থ হম।'

গোটেই পৃথিৱীৰ ভিতৰত সুচৰিতা যে আজি একমাত্ৰ তাৰ আহ্বানৰ কাৰণেই বাট চাই আছে—এই কথা গোৰাৰ মনত অকণো সন্দেহ নাছিল;

আজি এই গধূলি বেলাতেই সেই অপেক্ষাক সি পূৰ্ণ কৰিব।

নৌকাখনা কলিকতাৰ আনিবাটেদি গোৰাই যেগেৰে খোজ ললে, একোৱেই যেন কোনো ৰকমে তাক আকৰ্ষণ কৰিব নোৱাৰিলে। তাৰ মনে তাৰ শৰীৰক পিচ পেলাই সোঁ সোঁৱাই আগবাঢ়ি ৰখবালৈ গুচি গ'ল।

সুচৰিতাৰ ঘৰ পোৱাৰ লগে লগেই গোৰা যেন হঠাতে চেতনা পাই থমকি ৰ'ল। ইমান দিন্ আহিছে কেতিয়াও দুৱাৰ বন্ধ দেখা নাই, আজি দেখিলে দুৱাৰ খুকলি নহয়। ঠেঁচা মাৰি চালে, ভিতৰৰপৰা বন্ধ। থিয় দি অলপ চিন্তা কৰিলে; তাৰ পিচত দুৱাৰত দুবাৰমান টুকুৰিয়াই দিলে।

লগুৱা লৰাটো দুৱাৰ মেলি বাহিৰলৈ ওলাল। সি সন্ধিয়াৰ চকা-চমকা পোহৰত গোৰাক দেখিয়েই নোসোধাকৈয়ে কলে,—"বাইদেউ ঘৰত নাই।" "কলৈ গ'ল?" "তেখেতে ললিতা বাইদেউৰ বিয়াৰ যোগাৰ-যন্ত্ৰ কৰি অইন ঠাইত কামত লাগি আছেগৈ।"

মুহূৰ্ত্তৰ কাৰণে গোৰাই বিনয়ৰ বিয়া ঘৰলৈকে যাওঁ বুলি মনতে ঠিক কৰিলে। এনেতে ঘৰৰ ভিতৰৰপৰা এজন অচিনাকি মানুহ ওলাই আহি মাত দিলে, "কি ডাঙৰীয়া কি লাগে?"

গোৰাই তেওঁৰ মূৰৰপৰা ভৰিলৈকে চাই কলে —"নাই, একো নেলাগে।"

কৈলাসে কলে,—"আহকচোন, অলপ বহিব, ধঁপাত এহোপাকে মাৰকহি।"

লগৰীয়াৰ অভাৱত কৈলাসৰ একেবাৰে ধাতু যাওঁ যাওঁ অৱস্থা হৈছিল। যেই কোনো এজন মানুহকে ঘৰৰ ভিতৰলৈ টানি নি দুষাৰ কথা পাতিব পাৰিলে যেন ৰক্ষা পৰে। দিনৰ দিনটো হাতত হোঁকা লৈ পদূলি মৰত থিয় দি বাটৰ মানুহ চাই সময় কোনো ৰকমে পাৰ কৰে, কিন্তু সন্ধিয়া হলেই ঘৰৰ ভিতৰত অকলে অকলে প্ৰাণৰ ধৰফৰণি উঠে। হৰিমোহিনীৰ লগত যি কথা-বতৰা আছিল সেইবোৰ সকলো একেবাৰেই শেষ হল— হৰিমোহিনীৰ কথা চোবোৱা শক্তিও অতি কম। সেইদেখি কৈলাসে তলৰ মহলাৰ এটা সৰু কোঠালীত খাট এখনত হাতত হোঁকা লৈ বহি লগুৱাটোকে মাতি আনি তাৰ লগতে কথা পাতি সময় কটাইছিল।

গোৰাই কলে,—"নহয় দিয়ক, মই এতিয়া বহিব নোৱাৰিম।"

কৈলাসে পুনৰ অনুৰোধ কৰিবলৈ মুখ মেলোতেই চকুৰ পচাৰতে সৰু আলিটো পাৰ হৈ গোৰা গুচি গ'ল।

গোৰাৰ মনত এটা গভীৰ সংস্কাৰ আছিল যে তাৰ বেচি ভাগ ঘটনাই

হঠাতে হোৱা নাই, নাইবা তাৰ নিজৰ ইচ্ছাৰবাবাও হৈ উঠা নাই। সি যেন দেশৰ বিধতাৰ কিবা এটা অভিপ্ৰায় সিদ্ধি কৰিবলৈহে জন্ম লৈছে।

সেইদেখিয়েই গোৰাই জীৱনৰ অতি সৰু সৰু ঘটনাবিলাকৰো এটা বিশেষ অৰ্থ বিচাৰি উলিয়াবলৈ যত্ন কৰিছিল। আজি যেতিয়া মনৰ ইমান ডাঙৰ এটা আকাংক্ষাৰ সোঁতৰ মুখত আহি হঠাৎ সুচৰিতাৰ ঘৰৰ দুৱাৰ বন্ধ হৈ থকা পালে, আৰু দুৱাৰ মেলিলত শুনিলে সুচৰিতা নাই, তেতিয়া সি এইটো এটা কিবা অৰ্থপূৰ্ণ ঘটনা বুলিয়েই ধৰি ললে। যিজনে তাক চলাই নিছে তেখেতেই আজি তাক এনেকৈ নিষেধ কৰিছে। এই জীৱনত তাৰ কাৰণে সুচৰিতাৰ দুৱাৰ বন্ধ, সুচৰিতা তাৰ কাৰণে নহয়। গোৰাৰ নিচিনা মানুহে নিজৰ প্ৰবৃত্তিৰ অধীনে বান্ধ খালে তো নচলিব, তাৰ নিজৰ সুখ-দুখ নাই। সি হ'ল ভাৰতবৰ্ষৰ বামুণ, ভাৰতৰ হৈ সি দেৱতাৰ পূজা কৰিব লাগিব, ভাৰতৰ কাৰণে তপস্যা কৰাই তাৰ কাম। আসক্তি বা অনুৰাগ তাৰ নহয়। গোৰাই ভাবিলে,—'বিধতাই আসক্তিৰ আচল ৰূপটো মোক ফট্‌ফটীয়াকৈ দেখুৱাই দিলে, দেখুৱালে সেইটো শুভ্ৰ নহয়, শান্ত নহয়, তাৰ বৰণ ফটিকাৰ দৰে ৰঙা আৰু ফটিকাৰ দৰেই সি চোকা; সি বুদ্ধিক থিৰে থাকিবলৈ নিদিয়ে, সি প্ৰত্যেকটো বস্তুকেই আন এটা ৰূপত দেখুৱায়— মই সন্ন্যাসী, মোৰ সাধনাৰ ভিতৰত তাৰ ঠাই নাই।'

৭০

বহুত দিনৰ দুখৰ পিচত এই কেইদিন আনন্দময়ীৰ ওচৰত সুচৰিতাই যি শান্তি পালে, তেনে শান্তি তাই কেতিয়াও পোৱা নাছিল। আনন্দময়ীয়ে ইমান সহজে তাইক নিজৰ ওচৰলৈ টানি আনিছিল,—তেখেতে যে কেতিয়াবা তাইৰ অচিনাকি আছিল, নাইবা পৰ আছিল, এনে কথা সুচৰিতাই ভাবিবই নোৱাৰা হ'ল। তেখেতে যেন কিবা এক প্ৰকাৰে সুচৰিতাৰ গোটেই মনটো বুজি পাইছিল আৰু মুখেৰে একো নমতাকৈয়ে তেখেতে যেন সুচৰিতাক এটা গভীৰ সান্ত্বনা দিছিল। 'আই', শব্দটো সুচৰিতাই এইদৰে হিয়া উবুৰিয়াই আগেয়ে কেতিয়াও উচ্চাৰণ কৰা নাছিল। কোনো প্ৰয়োজন নেথাকিলেও তাই আনন্দময়ীক আই বুলি মাতিবৰ কাৰণেই নানা চেগু উলিয়াই লৈ মাতিছিল। ললিতাৰ বিয়াৰ সকলো কাম যেতিয়া শেষ হল,

তেতিয়া দুখে-ভাগৰে পাচাত পৰি পৰি তাইৰ মনলৈ মাত্র এই কথাটোৱেই বাৰে বাৰে ভুমুকিয়াইছিল যে এতিয়া আনন্দময়ীক এৰি তাইলো কেনেকৈ গুচি যাব। তাই অকলে অকলে মাতিবলৈ ধৰিলে,—'আই, আই, আই।' মাতোঁতে মাতোঁতে শোকত তাইৰ বুকু ওকন্দি উঠিল আৰু লোৰে চকু ভৰি পৰিল। এনে সময়তে হঠাৎ দেখিলে আনন্দময়ী তাইৰ খাঁঠুৱা দাঙি বিছনাত সোমাল। তাইৰ গাত হাত ফুৰাই কলে,—"মোক মাতিছিলি নে কি ?"

তেতিয়াহে সুচৰিতাৰ চেতনা হল যে তাই আই, আই, বুলি মাতিছিল। সুচৰিতাই একো উত্তৰ দিব নোৱাৰিলে, আনন্দময়ীৰ কোলাতে মুখ গুজি উচুপিবলৈ ধৰিলে। আনন্দময়ীয়ে একো নকৈ লাহে লাহে তাইৰ গাত হাত ফুৰাই দিবলৈ ধৰিলে। সেই ৰাতি তেখেত তাইৰ লগতে শুই থাকিল।

বিনয়ৰ বিয়া শেষ হোৱাৰ লগে লগেই আনন্দময়ীয়ে বিদায় লৈ যাব নোৱাৰিলে। তেখেতে কলে,—"ইহঁত দুয়োটাই একোকে নেজানে। ইহঁতৰ সংসাৰখন অলপ ঠিক্-ঠাক কৰি নিদিয়াকৈ মইনো যাওঁ কেনেকৈ?"

সুচৰিতাই কলে,—"আই, তেনেহলে এই কেইদিন ময়ো তোমাৰ লগতে থাকোঁ।"

ললিতাই আগ্রহেৰে কলে,--"হয় আই, সুচি বাইদেউ আমাৰ লগতে কেইদিনমান থাকক।"

কথাটো শুনিয়েই সতীশ লৰি আহি সুচৰিতাৰ ডিঙিত ধৰি জপিয়াই জপিয়াই কলে,—"অ বাইদেউ, ময়ো তোমাৰ লগতে থাকিম।"

সুচৰিতাই কলে,—"তোৰ যে পঢ়া শুনা আছে, বক্তিয়াৰ।"

সতীশে কলে,—"বিনয় ককাইদেৱে মোক পঢ়ুৱাব।'

সুচৰিতাই কলে,—"চেটাৰ্জীদেৱে এতিয়া আৰু তোৰ মাষ্টৰি কৰিব নোৱাৰে।"

বিনয়ে ওচৰৰ কোঠাটোৰপৰা কলে,—"খুব পাৰিম। এদিনতে নো কেনেকৈ অকামিলা হৈ পৰিলোঁ মই বুজিব পৰা নাই। কত ৰাতি চৌপনি খতি কৰি যিকণ লিখা-পঢ়া শিকিছিলোঁ সকলো একে ৰাতিতে পাহৰি শেষ কৰিলোঁ, এনে তো মনে নধৰে।"

আনন্দময়ীয়ে সুচৰিতাক সুধিলে,—"তোমাৰ মাহীয়েৰা ৰাজী হবনে?"

সুচৰিতাই কলে,—"মই তেওঁলৈ এখন চিঠি লিখোঁ।"

আনন্দময়ীয়ে কলে,—"তই নেলেখিবি ময়ে লিখিম।"

আনন্দময়ীয়ে জানে যে সুচৰিতাই নিজে আগবাঢ়ি থাকিব খুজিলে

হৰিমোহিনীয়ে বোহ পাতিব। কিন্তু তেওঁ যদি লিখি পঠায়, ... খং কৰিলেও তেওঁৰ ওপৰত যে কৰিব—তাক তাত একো ক্ষতি ...

আনন্দময়ীয়ে চিঠিত জনালে যে ললিতাৰ নতুন সংসাৰ... ধান-থিত লগাই দিবলৈ তেখেত কেইদিনমান বিনয়ৰ ঘৰতে থাকি... সুচৰিতাও যদি এই কেইদিন তেওঁৰ লগতে থাকিবলৈ ... তেনেহলে তেওঁৰ বৰ সহায় হব।

আনন্দময়ীৰ চিঠি পাই হৰিমোহিনীৰ খং উঠাৰ উপৰিও ... ডাঙৰ সন্দেহ উপজিল। তেওঁ ভাবিলে পুতেকৰ তেওঁ ঘৰলৈ ... হাক দিলে দেখিয়েই এইবাৰ সুচৰিতাক কান্দত পেলাবলৈ যাকে ... পাতিছে। তেওঁ ভালকৈ বুজি পালে যে এই কথাত মাক পুতেকৰ ... যোগ আছে। আনন্দময়ীৰ কথা-বতৰা তেওঁ যে পোন-প্ৰথমেই ভাল পো... নাছিল—এই কথাও তেওঁৰ মনত পৰিল।

আৰু অলপো পলম নকৰাকৈ যিমান সোনকালে সম্ভৱ সুচৰিতাক এবাৰ বিখ্যাত ৰায় বংশৰ ভিতৰলৈ আনি নিৰাপদ কৰিব পাৰিলেই তেওঁ ৰক্ষা পৰে। কৈলাসকে বা কিমান দিন এনেকৈ বহুৱাই ৰাখিব। সি ৰচেৰাই দিনে-ৰাতিয়ে খংপাত হুপি হুপি ঘৰৰ বেৰ-চাল ক'লা কৰিবলগীয়া কৰিলে।

চিঠিখন পোৱাৰ পিচদিনা পুৱাতেই হৰিমোহিনীয়ে পাল্কীত উঠি ৰহেৰা লগত লৈ একেবাৰে স্বয়ং বিনয়ৰ ঘৰ ওলালহি। তেতিয়া তলৰ মহলাত সুচৰিতা, ললিতা আৰু আনন্দময়ী ৰন্ধা-বঢ়াৰ যোগাৰত লাগি গৈছিল। ওপৰ মহালত বানান কৰি কৰি ইংৰাজী শব্দ আৰু তাৰ বঙালী প্ৰতি শব্দ মুখস্থ কৰাৰ চেলু লৈ সতীশে ডিঙিৰ শব্দত গোটেই চুবুৰিটোকেই জনু-জনাই দিছিল। ঘৰত তাৰ মাতৰ জোৰ বুজা নেযায়—কিন্তু ইয়াত ব তাৰ পঢ়া-শুনা অকণো আওহেলা কৰা নাই তাকে নিসন্দেহে প্ৰমাণ কৰিবলৈ সি আজি টেটু ফালি চিঞৰিছে।

হৰিমোহিনীক আনন্দময়ীয়ে বৰ আদৰ-সাদৰ কৰি বহুৱালে। তেওঁ সইবোৰ আদৰ-সাদৰলৈ মন কাণ নিদি একে কোবেই কলে,—"মই ৰাধা-ৰাণীক নিবলৈ আহিছোঁ।"

আনন্দময়ীয়ে কলে,—"বৰ ভাল কথা, লৈ যাবা, পিচে অলপ বহাঁ।"

হৰিমোহিনীয়ে কলে,—"নাই, মোৰ পূজা, নামলোৱা সকলো বাকী আছে, মোৰ সন্ধ্যা-পূজাভাগো হোৱা নাই, মই এতিয়া বহিব নোৱাৰোঁ।"

সুচৰিতাই একো নেমাতি আলুৰ বাকলি গুচুৱাতে লাগি আছিল। হৰিমোহিনীয়ে তাইকে মাত দি কলে,—"শুনিছা, বহুতো বেলি হ'ল।"

[illegible] আৰু আনন্দময়ী মনে মনে বহি থাকিল। সুচৰিতাই হাতৰ [illegible] থৈ থিয় দিলে, আৰু কলে,—"মাহী, আহাঁ।"

হৰিমোহিনী পালুকীৰ কাললৈ যাবলৈ ওলাওঁতেই সুচৰিতাই তেওঁৰ হাতত ধৰি কলে,—"আহাঁ, এবাৰ ভিতৰলৈ আহাচোন।"

কোঠাৰ ভিতৰলৈ নি সুচৰিতাই টান মাতেৰে কলে,—"তুমি যেতিয়া লোক [illegible] আহিছা, ইমান মানুহৰ আগত তোমাক এনেয়ে ওভোতাই পঠাওঁ, মই তোমাৰ লগতে যাম, কিন্তু আজি দুপৰীয়াই আকৌ ইয়ালৈ উভতি আহিম।"

হৰিমোহিনীয়ে বিৰক্ত হৈ কলে,—"ই আকৌ কেনে কথা। তাতকৈ নোকোৱা কেলেই যে সদায় ইয়াতে থাকিবা।"

সুচৰিতাই কলে,—"চিৰকাল তো থাকিবলৈ নেপাওঁ। সেইদেখি যি কেইদিন তেখেতৰ ওচৰত থাকিব পাৰোঁ, সেই কেইদিন তেখেতক নেৰোঁ।"

কথা শুনি হৰিমোহিনীৰ গা জ্বলি গ'ল, কিন্তু ইয়াতে কিবা কোৱা উচিত হব যেন নেপালে।

সুচৰিতাই হাঁহিমুখে আনন্দময়ীৰ ওচৰলৈ আহি কলে,—"আই, মই তেনেহলে এবাৰ ঘৰৰপৰা আহোঁগৈ।"

আনন্দময়ীয়ে একো নুসুধি কলে,—"যোৱা আই।"

সুচৰিতাই ললিতাক ফুচ্‌ফুচাই কলে,—"আজি দুপৰীয়াকৈ মই আহিম।"

পাল্‌কীৰ ওচৰত থিয় হৈ সুচৰিতাই কলে,—"সতীশ।"

হৰিমোহিনীয়ে কলে,—"সতীশ থাককচোন।"

সতীশ ঘৰলৈ গলে এটা বাধাহে হব পাৰে—এই বুলি ভাবি সতী' আঁতৰত থকাটোহে এটা সুযোগ বুলি তেওঁ বিবেচনা কৰিলে।

দুয়োজনী পাল্‌কীত উঠাৰ পিচত হৰিমোহিনীয়ে কথাটো উলিওৱা' এটা চেষ্টা কৰি কলে,—"ললিতাৰ বিয়া হৈ গ'ল। বৰ ভাল হল, অন্তত এজনী ছোৱালীৰ বিষয়ে ভট্ট ডাঙৰীয়া নিশ্চিন্ত হ'ল।"

ইয়াকে কৈ ঘৰত আবিয়ৈ ছোৱালী থকা যে কিমান ডাঙৰ বোজা অভিভাৱকসকলৰ নিমিত্তে যে কিমান দুশ্চিন্তাৰ কাৰণ, এইবোৰ সুচৰিতা' বুজালে। "কিনো কম তোক, মোৰ আৰু আইন চিন্তা নাই। ভগৱান' নাম লওঁতেও সেই একেটা চিন্তায়েই মোক জুমুৰি দি ধৰে। সদায়ে কৈছে

গোঁসাই সেৱাত মই আপোন মনে মন দিব লোৱাবা হৈছে। [illegible]
গোপীবল্লভ, সকলো কাটি কুটি নি শেষত এইটো আকৌ কি [illegible] লোক পেলালা।"

হৰিমোহিনীৰ এইটো যে অকল দুশ্চিন্তাৰ কাৰণহে হৈছে, [illegible] ই তেওঁৰ মুক্তিৰ বাটতো বিঘিনি হৈ থিয় দিছে। কিন্তু [illegible] বিপদৰ কথা শুনিও সুচৰিতা মেখোন মনে মনে থাকিল। [illegible] মনৰ ভাবটো লো কি হৰিমোহিনীয়ে একো ধৰিব নোৱাৰিলে। [illegible] যি এষাকি কথা আছে, নিজৰ সুবিধাৰ কাৰণে এই ক্ষেত্ৰতো [illegible] বুলি হৰিমোহিনীয়ে ধৰি ললে। সুচৰিতাৰ মন অলপ কুৰুলিছে বুলি তেওঁৰ অনুমান হ'ল।

সুচৰিতাৰ নিচিনা ছোৱালীৰ পক্ষে হিন্দু-সমাজত সোমাব পৰাৰ পক্ষে ইমান ডাঙৰ বাধা এটাও হৰিমোহিনীয়ে যে উলিয়াই কৰি আনিছে—তাৰো আভাস দিলে। এনে এটা সুযোগ আহি আজি দুৱাৰডলি পাইছেহি যে বৰ বৰ কুলীন ব্ৰাহ্মণৰ ঘৰৰ নিমন্ত্ৰণতো একে শাৰীতে বহিলে কাৰো এষাৰ মাত মাতিবৰ সাহ নহব।

পাতনি ইমান আগ বাঢ়োতেই পাল্কী আহি ঘৰৰ পদুলি পালেহি। দুয়ো দুৱাৰ মুখত নামি ওপৰ মহলালৈ যাওঁতেই দুৱাৰৰ কাষৰ কোঠাটোতে এজন অচিনাকি মানুহে বেহেৰাৰ হতুৱাই খুব জোৰে জোৰে হাতৰ তলুৱাৰ শব্দ কৰি তেল মালিচ কৰাই থকা দেখা পালে। তাইক দেখি কোনো সংকোচ নকৰি মানুহজনে কৌতূহলেৰে তাইৰ ফালে তালকৈ চালে।

ওপৰলৈ গৈ হৰিমোহিনীয়ে দেওৰেক অহাৰ খবৰ সুচৰিতাক জনালে। কথাৰ আগৰ পাতনিৰ লগত মিলাই লৈ সুচৰিতাই এই ঘটনাৰ অৰ্থ তৎক্ষণাৎ বুজিলে। হৰিমোহিনীয়ে তাইক বুজাবলৈ যত্ন কৰিলে,—'ঘৰলৈ আলহী আহিছে, আলহীক এনেকৈ এৰি থৈ আজি দুপৰীয়াতে গুচি যোৱা তাইৰ কাৰণে ভদ্ৰ ব্যৱহাৰ নহব।'

সুচৰিতাই জোৰেৰে ডিঙি জোকাৰি কলে,—"নহয় মাহী, মই যাবই লাগিব।"

হৰিমোহিনীয়ে কলে,—"বাৰু ভাল কথা, আজি থাকি কাইলৈ যাবা।"

সুচৰিতাই কলে,—"মই এতিয়াই গা ধুই উঠি পেউতাহঁতৰ ঘৰত ভাত খাবলৈ যাম আৰু তাৰপৰাই বাহিৰে বাহিৰে ললিতাৰ ঘৰলৈ যামগৈ।"

তেতিয়া হৰিমোহিনীয়ে খোলা-খুলিকৈয়ে কলে,—"তোমাক চাবলৈকে আহিছে যে।"

সুচৰিতাৰ মুখ ৰঙা পৰি গ'ল, কলে,—"মোক চাই কি লাভ।"

হৰিমোহিনীয়ে কলে,—"কথাটো শুনাচোন এবাৰ। আজি-কালি মো[illegible]চিতাকৈ এইবোৰ কাম হবৰ উপায় আছে জানো? সেইবোৰ [illegible]ভ নচলিছিল। তোমাৰ মহাদেৱেৰাই মোক শুভদৃষ্টিৰ আগতে লেখাই [illegible]হিলে।"

এই বুলি কৈ এই স্পষ্ট ইঙ্গিতৰ উপৰিও আৰু কিছুমান কথা যোগ দিলে। বিয়াৰ আগতে ছোৱালী চাবৰ সময়ত তেওঁৰ বাপেকৰ ঘৰলৈ কুলিধ্যাত ৰায় বংশৰ ঘৰৰপৰা অনাথবন্ধু নামৰ পুৰণা কৰ্মচাৰী এজন আৰু ঠাকুৰদাসী নামৰ বুঢ়ী পৰিচাৰিকা এজনী দুটা পাগুৰি মৰা লাঠিয়াল দাৰোৱান লগত লৈ কেনেকৈ ছোৱালী চাবলৈ আহিছিল আৰু সেইদিনা তেওঁৰ অভিভাৱকসকলৰ মন কিমান উদ্‌বিগ্ন হৈ পৰিছিল আৰু ৰায় বংশৰ পালি-পহৰীয়াবোৰক খুৱাই-বুৱাই আদৰ-সাদৰ কৰি সন্তোষ কৰিবলৈ সেইদিনা তেওঁলোকৰ ঘৰত কিমান উলহ-মালহ লাগিছিল, সেইবোৰ বৰ্ণাই দীঘল হুমুনিয়াহ কাঢ়ি কলে,—"এতিয়া দিন-কাল সকলো বদলি গ'ল।"

হৰিমোহিনীয়ে কলে,—"উৎপাত কৰাৰ কোনো কথা নাই, কেৱল পাঁচ মিনিটৰ কাৰণে চাই যাব।"

সুচৰিতাই কলে,—"নেলাগে।"

এই 'নেলাগে'টো ইমান দৃঢ় আৰু স্পষ্ট যে হৰিমোহিনী অলপ থমকিব লগীয়া হল। তেওঁ কলে,—"ভাল বাৰু, নেলাগে, চোৱাৰ বাৰু কোনো দৰকাৰ নাই। কিন্তু কৈলাস আজি কালিৰ লৰা, লিখা-পঢ়া শিকিছে তোমালোকৰ দৰেই এবোকে নেমানে। সি কৈছিল,—'ছোৱালী নিজ চকুৰে চাম।' আৰু তোমালোকেতো সকলোৰে আগত ওলোৱা-সোমোৱা কৰাই, সেইদেখি কৈছিলো, 'চাবা, সেইটোনো কি কথা, এদিন দেখুৱাই দিম। পিচে, তোমাৰ লাজ লাগে যদি নেচালেও হব।"

ইয়াকে কৈ কৈলাসৰ কিমান আচৰিত বিদ্যা-বুদ্ধি—সি তাৰ কলমৰ একে আঁচোৰতে সিহঁতৰ গাঁৱৰ পোষ্ট মাষ্টৰক কেনেকৈ জোলোকা জোলোকে পানী খুৱাইছিল, ওচৰৰ চাৰিও ফালৰ গাঁওবিলাকৰ মানুহে মামলা-মোকৰ্দ্দমা কৰিব লগা হলে কৈলাসৰ পৰামৰ্শ নোলোৱাকৈ কেনেকৈ সিহঁতৰ কাৰো এখোজো আগবাঢ়িবৰ উপায় নাই, এইবোৰ সকলো ভাঙি-পাতি কলে। তাৰ স্বভাব-চৰিত্ৰৰ কথা বেচিকৈ কোৱা বাহুল্যহে মাত্ৰ। বৈণীয়েক মৰাৰ পিচত সি তো কোনোমতেই বিয়া কৰাৰ নোখোজে; মিত্ৰিৰ-কুটুমবোৰে হেঁচা মাৰি ধৰাতহে গুৰুজনৰ আদেশ পালন কৰিবলৈ মন মেলিছে। আৰু

বৰ্ত্তমান প্ৰস্তাৱত সম্মতি কৰাবলৈকো হৰিমোহিনীয়ে জানো [illegible] কৰিবলগীয়া হৈছে। সি তো কাণসাৰ নকৰেই। সিহঁতৰ [illegible] ডাঙৰ। সমাজত সিহঁতৰ বিধান ডাঙৰ মান।

এই মান খৰ্ব্ব কৰিবলৈ সুচৰিতা কোনোপধ্যেই ৰাজি নহল [illegible] তেই নহল। নিজৰ গৌৰৱ আৰু স্বাৰ্থৰ প্ৰতিও চকু কুৰাই তা[illegible] এনে কি হিন্দু সমাজত তাই ঠাই নেপাই যদিও তাইৰ যে [illegible] দুখ নাই—এনেখনহে দেখুৱালে। বহু চেষ্টাৰ পিচত হে [illegible] পোৱা গৈছে আৰু এইটো যে সুচৰিতাৰ কাৰণে কম সন্মানৰ [illegible] এই কথাটোও গান্ধীজনীৰ মূৰত কোনোমতেই সুমুৱাবপৰা নগৰ্ [illegible] তাই যে এইটো এটা অপমানৰ কথা বুলি ধৰি ললে। আজি-কালিৰ ছোৱালীবোৰৰ এনেবোৰ কথাত হৰিমোহিনী একেবাৰেই হতবুদ্ধি হৈ পৰিল।

তেতিয়া তেওঁ খণ্ডতে বাৰে বাৰে গোৰাক ইঙ্গিত কৰি তাইক চৈঙা লগাবলৈ ধৰিলে। গোৰাই নিজক যিমানেই হিন্দু বুলি ওফাইদাং মাৰক নেমাৰক সমাজত তাৰ ঠাই কোনখিনিত। তাক কোনে মানে। সি যদি লোভত পৰি টকা থকা বামুণনী ছোৱালী বিয়া কৰায়, সি সমাজৰ শাসনৰ-পৰা কিহৰ বলত মুক্তি পাব। তেতিয়া তো দহৰ মুখ মাৰিবলৈ সেই আটাইসোপা টকাকে চালি দিব লাগিব। ইত্যাদি।

সুচৰিতাই কলে,—"মাহী, এইবিলাক কথা তুমি কিয় কৈছা। তুমি জানাই এইবিলাক কথাৰ গুৰিত একো নাই।"

হৰিমোহিনীয়ে তেতিয়া কলে তেওঁৰ যি বয়স হৈছে, সেই বয়সত কথাৰে তেওঁক ভুল বুজাব এনে সাধ্য কাৰো নাই। তেওঁ চকু-কাণ মেলি আছে। সকলো দেখে, শুনে, আৰু বুজেও, কেৱল নিবোকা চামোন হৈ বহিহে থাকে।

গোৰাই যে মাকৰ লগত লগ লাগি ফন্দি কৰি সুচৰিতাক বিয়া কৰিবলৈ চেষ্টা কৰিছে, সেই বিয়াৰ উদ্দেশ্যও যে বৰ ভাল নহয়, আৰু ৰায় বংশৰ সহায় লৈ তেওঁ যদি সুচৰিতাক ৰক্ষা কৰিব নোৱাৰে তেনেহলে সময়ত যে সেয়ে ঘটিবগৈ—সেই বিষয়ে যে কোনো সন্দেহৰ কাৰণ নাই—এই কথাও হৰিমোহিনীয়ে বহলাই ক'লে।

শান্ত স্বভাৱৰ মুখত মাত নোহোৱা সুচৰিতাৰ পক্ষেও এইবোৰ একেবাৰে অসহ্য হৈ উঠিল। কলে,—"তুমি যিসকলৰ কথা কৈছা মই সেইসকলক ভক্তি কৰোঁ। সেইসকলৰ লগত মোৰ যি সম্বন্ধ সেইটো তুমি কোনো

... সোনপটীয়াকে দুখুজা বেছিয়া মোৰ আৰু একো উপায় নাই—মই ... ভলাগো; তোমাৰ মন অলপ ঘুৰালেহে তোমাৰ লগত আছি ... ৰ আৰু তেজিয়াহে মই উভতিম।"

...হিনীয়ে কলে,—"গৌৰমোহনলৈ যদি তোমাৰ মন নাই, ... লগত তোমাৰ বিয়া নহয়েই, তেনেহলেনো এইটো লবাই কি দোষ ...। তুমি তো 'আৰু আবিয়ে হৈ নেথাকা।"

...বিতাই কলে,—"কিয় নেথাকিম। বিয়া মই নোসোমাও।"

হৰিমোহিনীয়ে চকু কেইটা ডাঙৰ কৈ মেলি কলে,—"বুঢ়া বয়সলৈকে একেবাৰে—"

সুচৰিতাই কলে,—"এৰা, মৰবালৈকে।"

৭১

গোৰাই বিটো আঘাত পালে তাতে তাৰ মনৰ এটা সলনি হল। সুচৰিতাই যে গোৰাৰ মন টানিছে—তাৰ কাৰণ সি ভাবি চালে—সিহঁতৰ লগত তাৰ মিলা-প্ৰীতি হৈছে, নিজে গম নোপোৱাকৈয়ে সি সিহঁতৰ লগত সাঙোৰ খাই পৰিছে। য'ত নিষেধৰ সীমাৰেখা টনা আছিল, সেই সীমা কুটনি মাৰি গোৰাই ডেই গৈছে। এইটো আমাৰ দেশৰ প্ৰথা নহয়। প্ৰত্যেকেই নিজৰ সীমা মানি নচলিলে, সি জানিয়েই হওক বা নজনাকৈয়ে হওক নিজৰেই যে কেৱল অনিষ্ট কৰে এনে নহয়, আনৰ উপকাৰ কৰাৰ আচল শক্তিও তাৰ নাইকিয়া হয়। অতি বেচি সনা-পোটোকাৰ ফলত হৃদয়ৰ নানা ৰকম বৃত্তিবিলাক বলী হৈ উঠি জ্ঞান, শক্তি, নিষ্ঠাক ঘোলা কৰি পেলায়।

কেৱল ব্ৰাহ্ম ঘৰৰ ছোৱালীৰ লগত মিলিবলৈ গৈয়েই যে গোৰাই এই তত্ত্ব বাহিৰ কৰিলে এনে নহয়। গোৰাই সাধাৰণ মানুহৰ লগত মিলিবলৈ বাওঁতেও চাকনৈয়াত পৰি নিজকে নিজে হেৰুৱাৰ উপক্ৰম কৰিছিল। কিয়নো খোজে খোজে তাৰ দয়া উপজিছিল, আৰু এই দয়াৰ হেতুকেই সি অনবৰত ভাবিছিল—এইটো বেয়া, এইটো অন্যায়, এইটো আঁতৰাই পেলাব লাগে। কিন্তু এই দয়ায়েই জানো ভাল-বেয়াৰ সুবিচাৰ কৰা ক্ষমতা কুৰূচ কৰি নিদিয়ে? দয়াত মন বিয়ানেই গলি যায় নিৰ্ব্বিকাৰ ভাৱে

সত্যক চাব পৰা শক্তিও আমাৰ সিমানেই টুটি যায়—কৰণাৰ কুইৰ [illegible] একেবাৰেই কেঁকেৰোজ ৰমণীয়া বস্তবো গোল গলনি কৰি পেলায়।

গোৰাই ভাবিলে সেই দেখিয়েই বাব ওপৰত বাইজৰ [illegible] ভাব তেওঁলোক লিপ্তি হৈ থকাৰ বিধি আমাৰ দেশত চলি [illegible] প্ৰজাৰ লগত অতি ঘনিষ্ঠভাৱে মিলিলেহে ৰজাৰ প্ৰজা-পালন [illegible] এই কথা সম্পূৰ্ণ অমূলক। প্ৰজাৰ বিষয়ে ৰজাক যি জ্ঞানৰ [illegible] মিলিজুলি থাকিলে সেই জ্ঞান কলুষিত হে হয়। এই কাৰণেই [illegible] নিজেই সিহঁতৰ ৰজাক দূৰেৰে বেবাৰে বেৰি থৈছে। ৰজা সিহঁত[illegible] হবলৈ গলেই ৰজাৰ প্ৰয়োজন নোহোৱা হয়। ব্ৰাহ্মণেই বাইজৰ [illegible] সাধিব লাগিব—সেই দেখিয়েই বাইজৰ সংসৰ্গৰপৰা বামুণ আঁতৰত থাকে।

গোৰাই নিজে নিজেই ভাবিলে, ‘মই ভাৰতবৰ্ষৰ সেই ব্ৰাহ্মণ। [illegible] লগত সাঙোৰ খাই ব্যৱসায়ৰ বোকাত লেটি লৈ, ধনৰ লোভত নুতীয়া হৈ, যি বামুণে শূদ্ৰৰ পৰাৰে নিজৰ ডিঙিত কাঁচ লগাই ৰখিছে, গোৰাই সিহঁতক স্বদেশৰ জীৱন্ত পদাৰ্থৰ ভিতৰৰ বুলি গণ্য নকৰিলে। সেইবোৰ বামুণক শূদ্ৰতকৈয়ো অধম বুলি বিবেচনা কৰিলে। কাৰণ শূদ্ৰই নিজৰ শূদ্ৰত্বৰ বলতেই জীয়াই আছে, কিন্তু ইহঁত ব্ৰাহ্মণত্বৰ অভাৱত মৃত আৰু সেইদেখি ইহঁত অপবিত্ৰ। ভাৰতবৰ্ষই আজি ইহঁতৰ কাৰণেই দীনভাৱে অশৌচ পালিছে।’

গোৰাই নিজৰ অন্তৰত সেই ব্ৰাহ্মণৰ সঞ্জীৱনী মন্ত্ৰ সাধন কৰিব বুলি মনতে ঠিক কৰি ললে। মনতে কলে ‘মই পূৰাপূৰি শুচি হব লাগিব। মই আন সকলোৰে লগত একে ঠাইতে থিয় হৈ থকা নাই। বন্ধুত্ব মোৰ কাৰণে প্ৰয়োজনীয় বস্তু নহয়, নাৰীৰ সঙ্গ যিবিলাকৰ কাৰণে অতি সোৱাদ, মই সেই সামান্য শ্ৰেণীৰ মানুহ নহওঁ; আৰু দেশৰ ইতৰ লোকৰ লগত সমানে উঠা-বহা মোৰ কাৰণে একেবাৰেই বৰ্জ্জনীয়। পৃথিবীয়ে সৌ দূৰ আকাশৰ কালে চাই বৰষুণৰ কাৰণে বৈ আছে; ব্ৰাহ্মণৰ ফালেও ইহঁতে তেনেকৈয়ে চাই আছে—মই ওচৰ চাপি গলে ইহঁতক কোনে জীয়াই ৰাখিব।’

ইয়াৰ আগেয়ে দেৱ পূজাত গোৰাই কোনো দিনেই মন দিয়া নাই। যেতিয়াৰপৰা তাৰ হিয়া উগুল থুগুল হৈ পৰিল, একোতেই নিজক বান্ধি ৰাখিব পৰা নাই, কাম-কাজ বিঙা বিঙা লাগিছে আৰু জীৱনটো যেন কাণি-কাচি আধাভোখৰ হৈ পৰিছে, তেতিয়াৰেপৰা গোৰাই পূজাত মন বহুৱাবলৈ যত্ন কৰিছে। গোঁসাইৰ সন্মুখত থিবেৰে বহি সেই মূৰ্ত্তিতে নিজৰ মন

[illegible]ৰেই নিৰ্দিষ্ট কৰি দিবলৈ চেষ্টা কৰে; কিন্তু কোনো ৰকমেই নিজৰ [illegible]ৰত কৰি তুলিব নোৱাৰে। দেৱতাক সি বুদ্ধিৰদ্বাৰা ব্যাখ্যা কৰ[illegible]াক ৰূপক কৰি নোলোৱাকৈ কোনোমতেই গ্ৰহণ কৰিব নোৱাৰে। কিন্তু [illegible]ক হিয়াৰ ভক্তি দিব নোৱাৰি। আধ্যাত্মিক ব্যাখ্যাক পূজা কৰিব নোৱাৰি। তাতকৈ বৰং গোঁসাই ঘৰত বহি পূজাৰ চেষ্টা নকৰি ঘৰত বহি নিজৰ মনতে নাইবা কাৰোবাৰ লগত তৰ্ক জুৰি দি যেতিয়া ভাবৰ [illegible] আৰু ভাষা উটুৱাই দিয়া হয় তেতিয়াহে তাৰ মনত এটা আনন্দ আৰু ভক্তি জ্ঞানৰ সঞ্চাৰ হয়। তথাপি গোৰাই নেৰিলে, নিতৌ নিয়মমতে সি পূজাত বহিবলৈ ধৰিলে—এইটো সি এটা নিয়ম বুলিয়েই ধৰি ললে। মনক সি এই বুলি বুজালে, ভাবৰ সূত্ৰদ্বাৰা মানুহৰ মানুহৰ লগত মিলিবৰ শক্তি নাইকিয়া হয়। তেতিয়া নিয়মৰ সূত্ৰয়েই এই মিলন ঘটায়। গাঁৱলৈ গলেই গাঁৱৰ মাজ ঘৰত গোৰাই মনে মনে গভীৰ ধ্যান কৰি কয়, 'এয়েই মোৰ আচল ঠাই; একালে দেৱতা, একালে ভক্ত, মাজতে ব্ৰাহ্মণে সাঁকোৰ দৰে দুয়োৰো মাজত যোগৰক্ষা কৰি আছে।' ক্ৰমে গোৰাৰ ধাৰণা হ'ল—ব্ৰাহ্মণৰ কাৰণে ভক্তিৰ প্ৰয়োজন নাই। ভক্তি সাধাৰণ মানুহৰহে বস্তু। এই ভক্ত আৰু ভক্তিৰ মাজত বিখন সাঁকো আছে সি জ্ঞানৰ সাঁকো। এই সাঁকোৱে যেনেকৈ দুয়োপক্ষৰ মাজত যোগৰক্ষা কৰে তেনেকৈ দুয়োপক্ষৰ সীমাও ৰক্ষা কৰে। ভক্ত আৰু দেৱতাৰ মাজত বিশুদ্ধ জ্ঞানৰ ব্যৱধান নেথাকিলে সকলো বিকৃত হৈ যায়। সেই দেখিয়েই ভক্তিত বিহ্বল হোৱা-টোও ব্ৰাহ্মণৰ উচিত নহয়, বামুণে জ্ঞানৰ মুখচত বহি এই ভক্তিৰ ৰস সৰ্ব্বসাধাৰণৰ ভোগৰ অৰ্থে বিশুদ্ধ কৰি ৰাখিবৰ কাৰণে তপস্যা কৰি থাকিব। সংসাৰত বামুণে যেনেকৈ আৰাম ভোগ কৰিব নোৱাৰে দেৱতাৰ পূজাতো বামুণে তেনেকৈ ভক্তি ভোগ কৰিব নোৱাৰে। এয়েই ব্ৰাহ্মণৰ গৌৰৱ। ব্ৰাহ্মণৰ কাৰণে এই সংসাৰত নিয়ম, সংযম আৰু ধৰ্ম্ম সাধনাই ব্ৰাহ্মণৰ জ্ঞান।

গোৰাৰ অন্তৰখনেই গোৰাক হাৰ মনাইছিল; আৰু সেই অপৰাধতে গোৰাই আজি তাৰ অন্তৰক নিৰ্ব্বাসন দণ্ডৰ বিধান দিলে। কিন্তু নিৰ্ব্বাসনলৈ তাক লৈ যায় কোনে?—সেই সেনা ক'ত আছে?

৭২

গঙ্গাৰ পাৰৰ বাগিচাত পৰাচিত্ত-সভাৰ আয়োজন হ'ল [illegible] অবিনাশৰ মনত দুখ যে কলিকতাৰ বাহিৰত হে এই সভা [illegible], ইয়াত মানুহৰ চকু সিমান নপৰিব। অবিনাশে জানে গোৰাৰ [illegible] পৰাচিত্তৰ কোনো দৰকাৰ নাই, দৰকাৰ হ'ল বাইৰৰ কাৰণে। 'মৰেল একেক্ট' আৰু সেই কাৰণেই মানুহৰ হেঁচা-ঠেলাৰ মাজত হে [illegible] দৰকাৰ।

কিন্তু গোৰা ৰাজী নহল। সি বিমান ডাঙৰ হোম পাতি [illegible] পঢ়ি ধুমধামেৰে এই সবাহ কৰিবলৈ বিচাৰে কলিকতা চহৰত তেনে [illegible] শোভা নেপায়। ইয়াৰ কাৰণে তপোবনৰ দৰকাৰ। স্বাধ্যায় মুখৰিত, হোমাগ্নিৰে উজ্জ্বল গঙ্গাৰ নিজান পাৰত, যি প্ৰাচীন ভাৰতবৰ্ষ জগতৰ গুৰু, তেওঁকেই গোৰাই আবাহন জনাব আৰু গা-পা ধুই নিকা হৈ তেওঁৰ পৰাই নতুন জীৱনৰ দীক্ষা গ্ৰহণ কৰিব। গোৰা 'মৰেল একেক্ট'ৰ কাৰণে ৰৰ ব্যস্ত নহয়।

অন্য উপায় নেপাই অবিনাশে তেতিয়া বাতৰি-কাকতৰ আশ্ৰয় ললে। গোৰাক নজনোৱাকৈয়ে এই পৰাচিত্তৰ সংবাদ সি বাতৰি-কাকতৰ যোগেদি প্ৰচাৰ কৰি দিলে। সেয়ে নহয়, সম্পাদকীয় স্তম্ভত ডাঙৰ প্ৰবন্ধ লিখিলে; তাত এই কথাকে বিশেষকৈ জনালে যে গোৰাৰ দৰে তেজস্বী পবিত্ৰ ব্ৰাহ্মণক কোনো দোষেই ছুব নোৱাৰে; তথাপিও তেখেতে আজি পতিত ভাৰতবৰ্ষৰ সকলো পাপ নিজৰ কান্ধত তুলি লৈ দেশৰ হৈ পৰাচিত্ত হবলৈ ওলাইছে। সি লিখিলে,—'আমাৰ দেশে আজি নিজৰ দোষণীয় কামৰ কাৰণেই বিদেশীৰ বন্দীশালত যেনেকৈ কষ্ট পাইছে, গোৰায়ো তেনেকৈয়ে নিজৰ জীৱনতে বন্দীশালৰ দুখ মানি লৈছে। যেনেকৈ দেশৰ দুখ তেখেতে নিজে ভাৰ লৈ ফুৰিছে, তেনেকৈয়ে দেশৰ অনাচাৰৰ পৰাচিত্তো তেখেতে নিজেই কৰিবলৈ তৈয়াৰ হৈছে, সেইদেখি দেশীয় ভাইসকল, ভাৰতৰ পঞ্চবিংশতি কোটি দুখীয়া সন্তান, তোমালোকে ইত্যাদি ইত্যাদি।'

গোৰাই এই সকলোবোৰ পঢ়ি বৰ বিৰক্ত আৰু অস্থিৰ হৈ পৰিল। কিন্তু অবিনাশক বলে পৰাৰ উপায় নাই। গোৰাই তাক গালি পাৰিলেও গাত নেলাগে, বৰং সন্তোষহে পায়। 'মোৰ গুৰুৱে অতি ওখ ভাব ৰাজ্যত হে বিহাৰ কৰে, সংসাৰৰ কথা একোকে নুবুজে। তেখেতে বৈকুণ্ঠবাসী

[illegible] সৰে বীণা বজাই বিজুক গলাই গজাৰ সৃষ্টি কৰিছে, কিন্তু সেই [illegible]লে যোৱাই আনি সগৰ সন্তানৰ ভস্মৰাশি জীয়াই তোলাৰ কাম পু[illegible]জীৱনৰ হে—সেইটো স্বৰ্গৰ মানুহৰ কাম নহয়। এই দুয়োটা কা[illegible] বেলেগ।' এতেকে অবিনাশৰ উৎপাতত গোৰা যেতিয়া তি[illegible] হৈ উঠে তেতিয়া অবিনাশে মনে মনে হাঁহে আৰু গোৰালৈ তাৰ [illegible]চিহে যায়। সি মনে মনে কয়—'আমাৰ গুৰুৰ চেহেৰাও সেৱে শিৱৰ দৰে তেনেকৈ মনটোও তেওঁৰ ভোলানাথৰ। একোকে নুবুজে কোনো সাংসাৰিক বুদ্ধিয়েই নাই, কথাই কথাই খং, আকৌ খং পৰিবলৈকো সময় নেলাগে।'

অবিনাশৰ চেষ্টাতে গোৰাৰ পৰাচিত্তৰ কথা লৈ চাৰিওফালে এটা ডাঙৰ হুলস্থূল লাগি গল। গোৰাৰ ঘৰলৈ আহি গোৰাক দেখা কৰিবলৈ তাৰ লগত কথা-বতৰা হবলৈ মানুহৰ হেঁচা-ঠেলা আৰু বাঢ়ি গ'ল। নিতৌ চাৰিওফালৰপৰা ইমান চিঠি আহিবলৈ ধৰিলে যে সি চিঠি পঢ়িবলৈকে একেবাৰে বাদ দিবলগীয়া হ'ল। গোৰাৰ মনত এনে ধাৰণা হ'ল যেন এই দেশজুৰি হোৱা আলোচনাৰ ফলত তাৰ পৰাচিত্তৰ সাত্ত্বিকতা কমি গ'ল; ই এটা ৰাজসিক কথাহে হৈ পৰিল। ই কালৰেই দোষ। কৃষ্ণ-দয়ালে আজি-কালি বাতৰি-কাকত নোছোৱে, কিন্তু ইমুখ-সিমুখ কৰি কথা গৈ তেওঁৰ সাধনশ্ৰামতো সোমালগৈ। তেওঁৰ উপযুক্ত পুতেক গোৰাই মহাসমাৰোহেৰে পৰাচিত হবলৈ ওলাইছে আৰু তেওঁ যে পিতাকৰ পৱিত্ৰ খোজকে অনুসৰণ কৰি একালত তেওঁৰ নিচিনাই এজন সিদ্ধ পুৰুষ হৈ উঠিব এই সংবাদ আৰু এই আশা কৃষ্ণদয়ালৰ প্ৰসাদ খাই জীয়াই থকাসকলে তেওঁৰ ওচৰত গৌৰৱেৰে ব্যক্ত কৰিলে।

গোৰাৰ কোঠালৈ কৃষ্ণদয়াল যে কিমান দিন সোমোৱা নাই, তাৰ হিচাপ নাই। পাটৰ কাপোৰ সলাই কপাহী কাপোৰ পিন্ধি আজি একে কোবেই গোৰাৰ কোঠাত সোমালগৈ। গোৰাক তাত নেপালে।

লগুৱাটোক সুধিলে,—লগুৱাই জনালে গোঁসাইঘৰত আছে।

"আও! গোঁসাই ঘৰত তাৰ কি দৰ্কাৰ।"

"তেখেতে পূজা কৰে।"

কৃষ্ণদয়ালে খৰখেদাকৈ গোঁসাই ঘৰলৈ গৈ দেখে গোৰা পূজাত বহিছে।

কৃষ্ণদয়ালে বাহিৰৰপৰা মাত দিলে,—"গোৰা!"

বাপেক অহা দেখি গোৰা আচৰিত হৈ থিয় দিলে। কৃষ্ণদয়ালে তেওঁৰ সাধনাশ্ৰমত বিশেষভাৱে তেওঁৰ ইষ্টদেৱতাৰ প্ৰতিষ্ঠা কৰিছে। তেওঁ-

লোকৰ পৰিয়াল বৈষ্ণৱ যদিও তেওঁ শক্তি-মন্ত্ৰ লৈছে, সেই দেখি পু[illegible] নগৰত সোনপটীয়া যোগাযোগ তেওঁৰ ভালেমান দিনৰেপৰা নাছি[illegible]

তেওঁ গোৰাক কলে,—“যাহ, যাহ বাহিৰলৈ যাহ।”

গোৰা বাহিৰলৈ আহিল। কৃষ্ণদয়ালে কলে,—“এইখো[illegible] ইয়াত তোৰ কি কাম।”

গোৰাই একো উত্তৰ নিদিলে। কৃষ্ণদয়ালে কলে,—[illegible], তেওঁ সদায় পূজা কৰে, সেয়েই সকলোৱে পূজা। তই [illegible] সোমাইছ কিয়?”

গোৰাই কলে,—“তাত একো দোষ নাই।”

কৃষ্ণদয়ালে কলে,—“দোষ নাই? কি কৰ—বাক্যকৈয়ে দোষ [illegible] যাৰ যিটোত অধিকাৰ নাই, তাৰ সেই কামলৈ যোৱাৰ দৰকাৰ কি। [illegible] এটা অপৰাধ হৈছে। কেৱল তোৰেই নহয়, গোটেই ঘৰখনৰে।”

গোৰাই কলে,—“যদি অন্তৰৰ ভক্তিৰ ফালৰপৰা চায়, দেখিব দেৱতাৰ সন্মুখত বহিবৰ অধিকাৰ অতি কম লোকৰহে আছে। কিন্তু আপুনি কব খোজে নে যে আমাৰ ইয়াৰ পূজা কৰিবলৈ বামহৰি দেউৰ যি অধিকাৰ আছে সেই অধিকাৰ মোৰ নাই?”

কৃষ্ণদয়ালে গোৰাক কি উত্তৰ দিব হঠাতে ভাবিয়েই নেপালে। অলপ পৰ মনে মনে থাকি কলে,—“চা, পূজা কৰাই বামহৰিৰ জাতৰ ব্যৱসায়। ব্যৱসায়ত যি অপৰাধ হয় দেৱতাই সেইটো নধৰে। তেনে ঠাইত ত্ৰুটি ধৰিবলৈ হলে ব্যৱসায়কে বন্ধ কৰিব লাগিব, তেতিয়া হলে সমাজৰ কাজ-কৰ্ম্ম নচলা হব। কিন্তু তোৰ তো তেনে অধিকাৰ নাই। তোৰ এই ঘৰত সোমোৱা কি দৰকাৰ?”

গোৰাৰ নিচিনা আচাৰ মানি চলা বামুণৰো গোঁসাই ঘৰত সোমালে অপৰাধ হয়, এই কথা কৃষ্ণদয়ালৰ দৰে মানুহৰ মুখত বিশেষ একো অসঙ্গত যেন নেলাগিল। এতেকে কথাটো গোৰাই সহ্য কৰি থাকিল, একো নেমাতিলে।

কৃষ্ণদয়ালে কৈ গ'ল,—“আৰু এটা কথা শুনিছোঁ গোৰা। তই হেনো পৰাচিত হবলৈ পণ্ডিতসকলক মাতিছ?”

গোৰাই কলে,—“হয়।”

কৃষ্ণদয়ালে খঙতে টিক্চি বিক্চি উঠি কলে,—“মই জীয়াই থাকোঁতে এইটো কেতিয়াও হবলৈ নিদিওঁ।”

গোৰাৰ মন বিদ্ৰোহী হৈ উঠিব খুজিলে, সি কলে,—“কিয়?”

[illegible]য়ালে কলে,—"কিহৰ কিয়? মই তোক আগেয়েও এদিন কৈ[illegible], পৰাচিত হব নেলাগে।"

[illegible] কলে,—"কৈছিল হয়, কিন্তু কাৰণটো কি নকলে।"

[illegible] কলে,—"কাৰণ দেখুৱাবৰ কোনো দৰকাৰ নেদেখোঁ। আমি [illegible]জন, মাননীয় মানুহ; এইবিলাক শাস্ত্ৰীয় কাম-কাজ আমাৰ অনুমতি [illegible]লোকে কৰাৰ বিধি নাই। এনে কৰিলে পিতৃ পুৰুষৰ শ্ৰাদ্ধ কৰিব [illegible]গে বুলি জাননে নেজান?"

গোৰাই আচৰিত হৈ কলে,—"ইয়াত বাধা কি?"

কৃষ্ণদয়ালে খঙেৰে কলে,—"সম্পূৰ্ণ বাধা আছে, মই এইটো হ'লৈ দিব নোৱাৰোঁ।"

গোৰাই বেজাৰ পাই কলে,—"চাওক, এইটো মোৰ নিজৰ কাম। মই নিজে নিকা হৈ লবলৈ এই আয়োজন কৰিছোঁ—এই কথালৈ মিছাতে আলোচনা কৰি আপুনি কিয় দুখ পাইছে।"

কৃষ্ণদয়ালে কলে,—"চা গোৰা, তই সকলো কথাতে তৰ্ক কৰিবলৈ নাহিবি। এইবোৰ তৰ্কৰ কথা নহয়। এনে বহুত কথা আছে যিবোৰ তোৰ বুজিবৰ সাধ্যই নাই। মই তোক আকৌ কৈ গলোঁ—তই ভাবিছ, তই হিন্দু ধৰ্ম্মত সোমাই পৰিছ, সেইটো তোৰ সম্পূৰ্ণ ভুল। সেইটো তোৰ সাধ্যই নাই। তোৰ প্ৰত্যেক টোপা তেজেই মূৰৰপৰা ভৰিলৈকে তাৰ প্ৰতিকূল। হিন্দু হঠাৎ হবৰ উপায় নাই, ইচ্ছা কৰিলেও উপায় নাই। জন্ম জন্মান্তৰৰ সুকৰ্ম্ম লাগে।"

গোৰাৰ মুখখন ৰঙা পৰি গ'ল। সি কলে, "জন্মান্তৰৰ কথা নেজানো, কিন্তু আপোনালোকৰ বংশৰ তেজত যি অধিকাৰ বৈ আহিছে মই জানো তাৰো দাবী কৰিব নোৱাৰোঁ?"

কৃষ্ণদয়ালে কলে,—"আকৌ তৰ্ক। মোৰ মুখে মুখে কথা কবলৈ তোৰ লাজ নেলাগেনে?—ইফালে যহাই ফুৰ হিন্দু হিন্দু—কিন্তু বিলাতী স্বভাৱ যাব কলৈ? মই যি কওঁ তাকে শুন। এইবিলাক বন্ধ কৰি দে।"

গোৰাই মূৰ তললৈ মনে মনে থাকিল। অলপ পিচত কলে,—"যদি পৰাচিত নহওঁ, তেনেহলে শশীমুখীৰ বিয়াত বাইজৰ লগত বহি খাব নোৱাৰিম।"

কৃষ্ণদয়ালে উৎসাহ দি কলে,—"ভালেই হব, তাত আপত্তি কি। তোৰ কাৰণে বেলেগ আসন ঠিক কৰি দিব।"

গোৱাই কলে,—"সমাজত তেনেহলে মই অকলশৰীয়া হৈ [illegible] লাগিব।"

কৃষ্ণদয়ালে কলে,—"সেইটো তো ভাল কথাই।"

তেওঁৰ কথাত গোৱাক আচৰিত হোৱা দেখি কলে,—"[illegible] কেলেই, মই কাবো লগতে নেখাওঁ, নিমন্ত্ৰণত গলেও নে[illegible] লগত সম্পৰ্কই বা মোৰ কি আছে? তই যেনে সাত্ত্বিক [illegible] খোজ তোৰ তো এই পন্থা লোৱাই সকলোতকৈ ভাল। মই [illegible] কৰাহে তোৰ মঙ্গল।"

দুপৰীয়া অবিনাশক মতাই আনি কৃষ্ণদয়ালে কলে,—"তহঁত সকলোৱে মিলি গোৱাক নচুৱাইছ হবলা?"

অবিনাশে কলে,—"কয় কি? আপোনাৰ গোৱাইহে আমাৰ সকলোকে নচুৱায়। সি নিজে নেনাচে।"

কৃষ্ণদয়ালে কলে—"কিন্তু বোপাই, মই তহঁতক কৈ থলোঁ তহঁতৰ এই পৰাচিত-তৰাচিতবোৰ হব নোৱাৰে। সেইটোত মোৰ একেবাৰে মত নাই। এতিয়াই সকলো বন্ধ কৰ।"

অবিনাশে ভাবিলে বুঢাৰ আকৌ ই কি জেদ। বুৰঞ্জীত মহৎ লোকৰ বাপেকবোৰে পুতেকৰ মহতালি বুজিবলৈ অপৰাগ হোৱাৰ দৃষ্টান্ত বহুতো আছে—কৃষ্ণদয়ালো সেই বিধৰে বাপেক। কিছুমান বজৰুৱা সন্ন্যাসীৰ লগত ৰাতিয়ে-দিনে নেথাকি নিজৰ পুতেকৰপৰাই কৃষ্ণদয়ালে দীক্ষা লোৱা হলে তেখেতৰ বেচি উপকাৰ হল হয়।

অবিনাশ টেঙৰ মানুহ; য'ত বাক-বিতণ্ডা কৰি লাভ নাই, 'মৰেল এফেক্ট'ৰো সম্ভাৱনা কম, তাত মিছাকৈ কথা খৰচ কৰা মানুহ সি নহয়। সি কলে,—"ভাল কথা, আপুনি যদি মত নিদিয়ে, নহব। কিন্তু উদ্যোগ আয়োজন সম্পূৰ্ণ হলেই, নিমন্ত্ৰণী পত্ৰও গ'ল, সময়ো কম, তেনেহলে এটা কাম কৰা যাওক—গোৱা থাওক, সেইদিনা আমিয়েই পৰাচিত হব—দেশৰ মানুহৰ পাপো তো কম নহয়।" অবিনাশৰ আশ্বাসত কৃষ্ণদয়াল নিশ্চিন্ত হ'ল।

কৃষ্ণদয়ালৰ কোনো কথাতেই কেতিয়াও গোৱাই বিশেষ শ্ৰদ্ধা নেদেখুৱাইছিল। আজিও সি বাপেকৰ আদেশ পালন কৰিম বুলি মনতে মানি লোৱা নাছিল। সাংসাৰিক জীৱনতকৈয়ো ডাঙৰ যিটো জীৱন তাত গোৱাই আই-বোপাইৰ কথা মানি চলিবলৈ বাধ্য বুলি বিবেচনা নকৰিছিল। কিন্তু তথাপিও আজি গোটেই দিনটো তাৰ মনত এটা অশান্তি থাকি গ'ল।

[illegible] কথাবিলাকৰ মাজত কিবা এটা যেন সত্য লুকাই আছিল— তাৰ [illegible]ত্ৰ তেনে কিবা এটা চকা-মকা ভাবে জুমুকিয়াইছিল। কিবা এটা [illegible]হীন বেয়া সপোনে যেন তাক পীড়িবলৈ ধৰিলে—কোনো প্ৰকাৰে [illegible] সেই দুশ্চিন্তা সি দূৰ কৰিব নোৱাৰিলে। তাৰ এনেহে লাগিছিল [illegible] সকলোৱে চাৰিও কালৰপৰা তাক ঠেলি-হেঁচি আঁতৰাই দিব খুজিছে। সি যে অকলশৰীয়া, এই কথাটোৱেই যেন এটা বৃহৎ কলেৱৰ লৈ তাক দেখা দিছেহি।

সন্মুখত তাৰ বহল কৰ্ম্মথলী, কৰ্ত্তব্যও বৰ ডাঙৰ—কিন্তু তাৰ কাষত থিয় দি কোনো নাই।

৭৩

কাইলৈ পৰাচিত্ত-সভা বহিব। আজি ৰাতিৰেপৰা বড়-তলীত গৈ গোৰা থাকিবগৈ—এয়ে ঠিক হৈ আছে। সি যাত্ৰা কৰিবলৈ সাজু হওঁতেই হৰিমোহিনী আহি ওলালহি। তেওঁক দেখি গোৰাৰ মনটো কেনেবা কেনেবা লাগিল। গোৰাই কলে,—"আপুনি আহিছে, পিচে মই এতিয়াই যাব লাগিব—আৰু এই কেইদিন ঘৰত নাই। যদি আইৰ লগত কিবা কথা থাকে—"

হৰিমোহিনীয়ে কলে,—"নাই বোপা, মই তোমাৰ ওচৰলৈহে আহিছোঁ। তুমি অকণ বহিবই লাগিব। বেচি সময় নকৰোঁ।"

গোৰা বহিল। হৰিমোহিনীয়ে সুচৰিতাৰ কথা উলিয়ালে। কলে, গোৰাৰ শিকনি-বুজনিত তাইৰ বৰ উপকাৰ হৈছে। এনে কি আজি-কালি যেয়ে সেয়ে ছোৱা পানীও নেখায়, আৰু সকলো কালৰেপৰা তাইৰ মতি-গতি ভাললৈ আহিছে। "বোপা, তাইৰ কাৰণে মোৰ বৰ চিন্তা হৈছিল। তাইক সজ বাটলৈ আনি তুমি মোৰ যি উপকাৰ কৰিছা—সেইবোৰ এখন মুখেৰে কৈ অন্ত কৰিব নোৱাৰোঁ। ভগৱানে তোমাক ৰাজৰাজেশ্বৰ কৰক। তোমাৰ নিজ জাত-কুলৰ যোগ্য এজনী ভাল ছোৱালী ভাল মানুহৰ ঘৰৰপৰা বিয়া কৰাই আনা, তোমাৰ ঘৰ উজ্জ্বল হওক, ধনে পুত্ৰই লক্ষ্মী লাভ কৰক।"

তাৰ পিচত কথা উলিয়ালে, সুচৰিতাৰ বয়স বাঢ়ি গৈছে, বিয়ালৈ আৰু এক মুহূৰ্ত্তও পলম কৰা উচিত নহয়। হিন্দুৰ ঘৰত থকা হলে

ইমান দিনে কবাই-ছোৱালীয়ে কোনো ভবি থাকিল হয়। [illegible] পলৰ যোৱাটো যে এটা অবিধিৰ কাম হৈছে সেই বিষয়ে [illegible] তেওঁৰ লগত একমত হব। হৰিমোহিনীয়ে আজি বহু কা[illegible] বিয়া সম্বন্ধে নানা দুশ্চিন্তা ভোগ কৰাৰ পাচত অৱশেষত বহু [illegible], অনুনয়-বিনয় কৰি কোনোমতে তেওঁৰ নিজৰ দেওৰেক [illegible] কৰাই কলিকতালৈ অনাইছে। বিবিলাক ডাঙৰ বাধা-বি[illegible] কৰিছিল, ঈশ্বৰৰ কৃপাত বি হওক সেইবোৰ এতিয়া আঁতৰ হৈছে। [illegible] বাবে সকলো ঠিক হৈ গৈছে, দৰা ঘৰৰপৰা এক পইচাও যৌতুক [illegible], সুচৰিতাৰ আগৰ কথালৈয়ো কোনো আপত্তি নেদেখুৱায়—হৰি[illegible] বৰ বুদ্ধি কৰি এই সকলোবোৰ সমাধান কৰিছে—এনে অৱস্থাত, মানুহে শুনিলেও বৰ আচৰিত হব যে এতিয়া সুচৰিতাইহে ঘোৰ আপত্তি তুলিছে। তাইৰ মনৰ ভাবনো কি তেওঁ নেজানে, কোনোবাই কিবা বুদ্ধিকে দিছে নে কৰবাত তাইৰ মনেই বহিছে, সেইবোৰ ভগৱানেহে জানে।—"কিন্তু বোপা, মই তোমাক খুলি কওঁ, সেই ছোৱালী তোমাৰ লায়েকৰ নহয়। গাঁৱে-ভুঞে তাইৰ বিয়া হৈ গলে, তাইৰ কথা কোনেও গম নেপাব, আৰু একৰকম চলি যাব। কিন্তু তোমালোক থাকা চহৰত, তাইক যদি বিয়া কৰোৱা তেনেহলে চহৰৰ মানুহৰ আগত মুখকে দেখুৱাব নোৱাৰিবা।"

গোৰাই খঙেৰে কলে,—"আপুনি এইবোৰ কি কথা কৈছে? কোনে আপোনাক কলে মই তেওঁক বিয়া কৰিবলৈ তেওঁৰ লগত এটা বন্দবস্ত কৰিবলৈ গৈছিলোঁ?"

হৰিমোহিনীয়ে কলে,—"মই কেনেকৈ জানিম, বোপা। বাতৰি কাকতত সকলো ওলাই গৈছে, তাকে শুনি মই লাজতে মৰিছোঁ।"

গোৰাই বুজিলে হাৰান নাইবা তেওঁৰ দলৰে আন কোনোবাই এই কথা লৈ কাকতত আলোচনা কৰিছে। গোৰাই মুঠি মাৰি জোৰেৰে কলে,—"মিছা কথা।"

হৰিমোহিনীয়ে তাৰ তৰ্জ্জন-গৰ্জ্জনত উচপ খাই উঠি কলে,—"ময়ো জে সেই বুলিয়েই জানো। এতিয়া তুমি মোৰ অনুৰোধ এটা ৰাখিবই লাগিব। এবাৰ তুমি ৰাধাৰাণীৰ ওচৰলৈ বলা।"

"গোৰাই কলে,—"কেলেই?"

হৰিমোহিনীয়ে কলে,—"তুমি এবাৰ তাইক বুজাই কবা।"

এই উপলক্ষ লৈয়েই সুচৰিতাৰ ওচৰলৈ যাবলৈ গোৰাৰ মন ধৰকৈ চট্‌ফটাবলৈ ধৰিলে। তাৰ হিয়াই কলে,—'আজি এবাৰ শেষ দেখা কৰি

[illegible] বব। কাইলৈ তোৰ পৰাচিত—তাৰ পিচত তই তপস্বী। আজি মু[illegible]ৰ সমৰকণ আছে—তাকো অতি অলপ সময়ৰ কাৰণে। ইয়াত কে[illegible]ৰে নোছোৱে। যদি লোবো হয় কাইলৈ সকলো ছাই হৈ যাব।

[illegible] অলপ পৰ মনে মনে থাকি সুধিলে,—“তেওঁক লো কি বুজাব লাগে?”

বিশেষ একো নহয়—হিন্দুৰ আদৰ্শ অনুসৰি সুচৰিতাৰ নিচিনা বয়স হোৱা ছোৱালীয়ে অতি সোনকালে বিয়া সোমোৱা কৰ্তব্য আৰু হিন্দু সমাজত কৈলাসৰ নিচিনা ভাল লৰা পোৱা সুচৰিতাৰ অৱস্থাৰ ছোৱালীৰ পক্ষে অতি ডাঙৰ সৌভাগ্য।

গোৰাৰ বুকুত শেলে হনাদি হানিবলৈ ধৰিলে। সুচৰিতাৰ ঘৰৰ দুৱাৰমুখত দেখা মানুহটোলৈ মনত পৰি তাৰ গা পুৰিবলৈ ধৰিলে। সুচ-বিতাক সি লাভ কৰিব, এনে কথা কল্পনা কৰাও গোৰাৰ কাৰণে অসহ্য। তাৰ মনে বজ্ৰনাদে কৈ উঠিল,—“নহয়, ই কেতিয়াও হব নোৱাৰে।”

আইন কাৰোবাৰ লগত সুচৰিতাৰ মিলন হোৱা অসম্ভৱ। বুদ্ধি আৰু অনুভূতিৰ গভীৰতাৰে পূৰ হৈ থকা সুচৰিতাৰ নিস্তব্ধ হিয়াখনি পৃথিবীত গোৰাৰ বাহিৰে অন্য কোনো মানুহৰ ওচৰত এনেকৈ প্ৰকাশ হোৱা নাই আৰু কেতিয়াও আইন কাৰো ওচৰত এনেকৈ প্ৰকাশ হবও নোৱাৰে। সি যে কি আচৰিত। সি কেনে অপৰূপ। ৰহস্য নিকেতনৰ অতি ভিতৰৰ কোঠালীত সেয়া যে কি অনিৰ্ব্বচনীয় সত্তাক দেখা গৈছে। মানুহক এনেকৈ কেইবাৰ দেখা পোৱা যায়। কপালৰ গুণত যিজন মানুহে এনে গভীৰ সত্যক দেখিছে নিজৰ গোটেই প্ৰকৃতিৰে তাক অনুভৱ কৰিছে সিয়েই হে সুচৰিতাক পাইছে। আইন কোনোৱেই আৰু কেতিয়াও তাইক পাব নোৱাৰে।

হৰিমোহিনীয়ে কলে,—“ৰাধাৰাণী বাৰু সদায় আবিয়ৈ হৈয়েই থাকিবনে? এনে জানো হোৱা উচিত।”

সিওটো হয়। কাইলৈ যে গোৰাই পৰাচিত হব খুজিছে। তাৰ পিচত তো সি সম্পূৰ্ণ শুচি হৈ ব্ৰাহ্মণ হব। তেনেহলে জানো সুচৰিতা চিৰদিন আবিয়ৈ হৈয়েই ৰব? তাইৰ ওপৰত চিৰ জীৱনৰ কাৰণে এই বোজা জাপি দিবলৈ কাৰ অধিকাৰ আছে। তিৰোতাৰ কাৰণে ইয়াতকৈ আৰু ডাঙৰ বোজা কি হব পাৰে।

হৰিমোহিনীয়ে কত কি বকি গ'ল—গোৰাৰ কাণত সেইবোৰ একো

নোসোৱাল। গোৰাই চিন্তা কৰিলে, 'সেইতাই যে মোক পৰাচিত হবলৈ ইয়ানকৈ বাধা কৰিছিল, তেখেতৰ সেই বাধাৰ জানো কোনো মূল্য নাই? মই মোৰ যি জীৱন কল্পনা কৰিছোঁ সেইটো কিজানি মোৰ কল্পনাহে, সেইটো কিজানি মোৰ কাৰণে স্বাভাৱিক নহয়েই। সেই কৃত্ৰিম ভাব দাঙি লবলৈ গৈ মই কিজানি কোঙা হৈ পৰিম। চিৰকাল এই ভাবৰ হেঁচাত মই জীৱনৰ একো কামকে সুকলমে সম্পন্ন কৰিব নোৱাৰিম। এইয়া দেখিছো—আকাংক্ষা মোৰ বুকু ভৰি আছে। এই শিল বহাই থম ক'ত। সেইতাই কেনেবাকৈ জানিছে যে মই অন্তৰত ব্ৰাহ্মণ নহওঁ, মই তপস্বী নহওঁ। সেই দেখিয়েই তেখেতে ইমান জোৰ দি মোক নিষেধ কৰিছিল।'

গোৰাই মনতে ঠিক কৰিলে,—'যাওঁ এবাৰ তেখেতৰ ওচৰলৈ। আজি এই সন্ধ্যা কালতে তেখেতক টানি ধৰিম, তেখেতেনো মোৰ অন্তৰত কি দেখা পাইছে। পৰাচিত্তৰ বাটো মোলৈ বন্ধ, এনে কথা তেখেতে কিয় কলে? যদি তেখেতে মোক বুজাই দিব পাৰে, তেনেহলে সেইফালৰপৰা তেও বেহাই পাম—বেহাই!'

হৰিমোহিনীক গোৰাই কলে—"আপুনি অলপ ৰবচোন, মই এতিয়াই আহিম।"

নবালবিকৈ গোৰাই বাপেকৰ কোঠাৰ ফালে গ'ল। তাৰ মনে ধৰিলে কৃষ্ণদয়ালে তাক এতিয়াই নিষ্কৃতি দিব পাৰে—এনে কিবা এটা কথা তেখেতে জানে।

সাধনাশ্ৰমৰ দুৱাৰ জপোৱা। দুৱাৰখন ঠেলি চালে, মেল নেখালে, কোনেও সহাৰিও নিদিলে। ভিতৰৰপৰা ধূপ-ধূনাৰ গোন্ধ আহিছিল। কৃষ্ণদয়ালে আজি গোটেই ঘৰ-দুৱাৰ মাৰি সন্ন্যাসীক লৈ অত্যন্ত গূঢ় আৰু অতি টান যোগ এটাৰ প্ৰণালী অভ্যাস কৰি আছিল, আজি গোটেই নিশা সেই ফালে কাৰো যোৱাৰ অধিকাৰ নাই।

৭৪

গোৱাই ভাবিলে, 'নহয়, পৰাচিত কাইলৈ নহয়। আজিয়েই মোৰ পৰাচিত্ত আৰম্ভ হৈছে।. কালিতকৈয়ো আজিয়েই বেচি ডাঙৰ জুই জ্বলিছে। মোৰ নতুন জীৱনৰ আৰম্ভণিতে খুব এটা ডাঙৰ আহুতি মই দিব লাগিব বুলিয়েই বিধতাই মোৰ মনত ইমান প্ৰবল বাসনা এটা জগাই তুলিছে। নহলে এনে অদ্ভুত ঘটনা ঘটিল কিয়? মই আছিলোঁ ক'ত। ইইঁতৰ লগত লগ লাগিবৰ কোনো লৌকিক সম্ভাৱনাই নাছিল। তাৰ উপৰি এনে বিৰুদ্ধ ভাবৰ মিলনো পৃথিৱীত সচৰাচৰ নঘটে। আকৌ সেই মিলনতে মোৰ নিচিনা উদাসীন মানুহৰ হিয়াতো ইমান ডাঙৰ দুৰ্জ্জয় বাসনা এটাই ঠাই পাব, সেই কথা কোনেও ভাবিবই নোৱাৰে। ঠিক আজিয়েই এই বাসনাৰ মোৰ প্ৰয়োজন হৈছিল। আজিলৈকে মই দেশক যি দি আহিছোঁ, সেইয়া সহজে দি আহিছোঁ, আজিলৈকে এনে কোনো দান কৰিবলগীয়া হোৱা নাই যাৰ বাবে মই দুখ পাবলগীয়া হৈছে। মই ভাবিয়েই পোৱা নাছিলোঁ মানুহে দেশৰ নিমিত্তে অকণমান ত্যাগ কৰিব লাগিলেই কৃপণতা দেখুৱায় কিয়? কিন্তু ডাঙৰ যজ্ঞই এনে সহজ দান নিবিচাৰে। কাইলৈ পুৱাতে মানুহৰ সমাজত মোৰ লৌকিক পৰাচিত হব। ঠিক তাৰ আগ ৰাতিতে বিধতাই আহি মোৰ দুৱাৰত খুন্দিয়াইছেহি। অন্তৰত মোৰ অতি অন্তৰতম পৰাচিত নহলে, কাইলৈ মই কেনেকৈ শুচি হব পাৰিম। যি দান মোৰ কাৰণে দিয়া সকলোতকৈ টান, সেই দান দেৱতাক আজি সম্পূৰ্ণ উচগা কৰি দিহে মই পুৰাপুৰিকৈ পৱিত্ৰভাৱে নিঃস্ব হব পাৰিম—আৰু তেতিয়াহে মই আচল ব্ৰাহ্মণ হম।'

গোৰা উভতি আহিলতে হৰিমোহিনীয়ে কলে,—"বোপা এবাৰ তুমি মোৰ লগত বলা। তুমি গলেই তোমাৰ মুখৰ এষাৰ কথাতে সকলো হব।"

গোৰাই কলে,—"মই কিয় যাম? তেওঁৰ লগত মোৰ কি সম্পৰ্ক আছে। একোৱেই নাই।"

হৰিমোহিনীয়ে কলে,—"তাই যে তোমাক দেৱতাৰ দৰে ভক্তি কৰে,—তোমাক গুৰু বুলি মানে।"

গোৰাৰ হিয়াত বিজুলী বেগেৰে যেন কোনোবাই খোচা মাৰি দিলে।

গোৰাই কলে, "মই মোৰাৰ কোনো প্ৰয়োজন দেখা নাই। তেওঁৰ লগত মোৰ দেখা হোৱাৰ আৰু কোনো সম্ভাৱনা নাই।"

হৰিমোহিনীয়ে বৰ ভাল পালে, কলে,—"সেইটো তো বৰ ভাল কথা। এই গাভৰু ছোৱালীবোৰৰ লগত বৰকৈ হলি-গলি কৰা ভালো নহয়। কিন্তু, বোপা, মোৰ আজিৰ এই কামটো কৰি নিদিলে তোমাক নেৰিছোঁ। ইয়াৰ পিচত আকৌ কেতিয়াবা যদি তোমাক মাতোঁ তুমি যি মন যায় কৰা।"

গোৰাই বাৰে বাৰে মূৰ জোকাৰিলে। আৰু নাই, একোৱেই নাই। সকলো শেষ হৈ গ'ল। দেৱতাক নিবেদন কৰা তাৰ হৈ গ'ল। সি এতিয়া শুচি হ'ল, তাক আৰু কোনোৱেই চেকা লগাব নোৱাৰে। সি দেখা কৰিবলৈ নেযায়।

হৰিমোহিনীয়ে গোৰাৰ মনৰ ভাব বুজিলে। তাক লৰচৰ কৰা যেতিয়া কোনোপধেও সম্ভৱ নহয় বুলি জানিলে, তেতিয়া কলে,—"যদি একান্তই যাব নোৱাৰা, তেনেহলে বোপা, এটা কাম কৰাঁ। তাইলৈ এখন চিঠিকে লিখি দিয়া।"

গোৰাই মূৰ জোকাৰিলে। সেইটো হব নোৱাৰে। চিঠি-পত্ৰও নহয়।

হৰিমোহিনীয়ে কলে,—"বাৰু, তুমি মোকেই দু-আষাৰ লিখি দিয়াঁ। তুমি সকলো শাস্ত্ৰই তো জানা, মই তোমাৰপৰা বিধান লবলৈ আহিছোঁ।"

গোৰাই সুধিলে,—"কিহৰ বিধান?"

হৰিমোহিনীয়ে কলে,—"হিন্দুৰ ছোৱালীয়ে উপযুক্ত বয়সত বিয়া কৰাই গৃহস্থ-ধৰ্ম্ম পালন কৰাটো সকলোতকৈ ডাঙৰ ধৰ্ম্ম হয়নে নহয়?"

গোৰাই কিছু সময় টলকা মাৰি থাকি কলে,—"চাওক, এইবোৰ কথাত মোক নেসাঙুৰিব। বিধান দিয়া পণ্ডিত মই নহয়।"

হৰিমোহিনীয়ে তেতিয়া খঙেৰে কলে,—"তোমাৰ অন্তৰৰ আচল ইচ্ছাটো কি সেইটোকে খুলি নোকোৱা কেলেই। গুৰিতে গাঁঠি লগালা তুমিয়েই, এতিয়া মোকলাবৰ সময়ত কোৱা—মোক নেসাঙুৰিব। ইয়াৰ অৰ্থটো কি? আচল কথা হল তোমাৰ ইচ্ছা নাই যে তাইৰ মন পৰিষ্কাৰ হৈ যাওক।"

আন সময় হোৱা হলে গোৰা জুইৰ দৰে জ্বলি উঠিলহেঁতেন। এনেকুৱা সঁচা অপবাদো সহিব নোৱাৰিলে হয়। কিন্তু আজি তাৰ পৰাচিত আৰম্ভ হৈছে; সি খং নকৰিলে। সি মনতে বিচাৰ কৰি চালে যে হৰিমোহিনীয়ে সঁচা কথাই কৈছে। সুচৰিতাৰ লগত তাৰ ডাঙৰ গাঁঠিটো নিষ্ঠুৰভাৱে

ছিঙি পেলাবলৈ ওলাইছে, কিন্তু সৰু সুতা এডাল নিজে নেদেখাৰ ভাও ধৰি ছলেৰে বান্ধিব বিচাৰিছে। সুচৰিতাৰ লগত সম্বন্ধ এতিয়াও সি পুৰা-পুৰিকৈ ছিঙি পেলাব পৰা নাই। কিন্তু কৃপণালি এৰিব লাগিব। এহাতে দান কৰি আন হাতেৰে কাঢ়ি নিলে নচলিব।

সি তেতিয়াই কাগজ উলিয়াই ডোবেৰে বৰ বৰ আখৰেৰে লিখিলে,—"বিয়াই তিৰোতাৰ জীৱনৰ সাধনাৰ বাট, গৃহস্থ ধৰ্মই তেওঁৰ প্ৰধান ধৰ্ম। এই বিয়া ইচ্ছা পূৰাবলৈ নহয়, মঙ্গল সাধিবৰ কাৰণেহে। সংসাৰ সুখৰেই হওক বা দুখৰেই হওক, একমনে সেই সংসাৰক বৰণ কৰি সতী সাধ্বী পবিত্ৰ হৈ ধৰ্মক মৰত মূৰ্তিমান কৰি ৰখাই তিৰোতাৰ ব্ৰত।"

হৰিমোহিনীয়ে কলে—"তাতে আমাৰ কৈলাসৰ কথাও অকণমান লিখি দিয়া হলে ভাল হলহেঁতেন বোপা।"

গোৰাই কলে,—"নাই, মই তেওঁক চিনি নেপাওঁ। তেওঁৰ কথা লিখিব নোৱাৰোঁ।"

হৰিমোহিনীয়ে কাগজখন যতনেৰে ভাঁজ কৰি কাপোৰৰ আগত বান্ধি ঘৰলৈ উভতি আহিল। সুচৰিতা তেতিয়াও আনন্দময়ীৰ লগত ললিতাৰ তাতে আছিল। তাত কথা-বতৰা পতাৰ সুবিধাও নহব, তাৰ উপৰি ললিতা আৰু আনন্দময়ীৰ ওলোটা কথাবোৰ শুনি তাইৰ মনত দোধোৰ-মোধোৰ লগাৰ আশঙ্কা আছে। সেই কাৰণে হৰিমোহিনীয়ে সুচৰিতালৈ কৈ পঠিয়ালে, পিচদিনা দুপৰীয়া তাই যেন আহি তেওঁৰ লগতে ভাত খাই যায়হি। বিশেষ দৰকাৰী কথা আছে, আবেলি আকৌ উভতি যাব পাৰিব।

পিচদিনা দুপৰীয়া সুচৰিতাই মন ডাঠ কৰি আহিল। তাই জানিছিল, মাহীয়েকে তাইক এই বিয়াৰ কথাকে আকৌ অইন ফালৰপৰা কব। তায়ো আজি টান উত্তৰ দি কথাটো ইমানতে অন্ত পেলাব, ইয়াকে মনতে ঠিক কৰি আহিল।

সুচৰিতাৰ খোৱা-বোৱা হ'লত হৰিমোহিনীয়ে কলে,—"কালি সন্ধিয়া মই তোৰ গুৰুৰ ওচৰলৈ গৈছিলোঁ।"

সুচৰিতাৰ অন্তৰখন জিকাৰ খাই উঠিল। মাহীয়ে তাইৰ কথা কৈ তেওঁক কিজানি আকৌ অপমান কৰি আহিল।

হৰিমোহিনীয়ে কলে,—"সেইবোৰ ভয় নকৰিবা। মই তেওঁৰ লগত কাজিয়া কৰিবলৈ যোৱা নাছিলোঁ। অকলে আছিলোঁ, ভাবিলো যাওঁ তেওঁৰ ওচৰলৈকে, দুটামান সজ কথা শিকি আহোঁগৈ। কথাই কথাই তোৰ কথা ওলাল। দেখিলো তেওঁৰো একে মত। ছোৱালী মানুহ

বেটিদিন আৰিয়ে থকাটো তেওঁ ভাল বুলি নকয়। তেওঁ কয় শাস্ত্ৰমতে সেইটো অধৰ্ম। চাহাব-চুহাবৰ ঘৰতহে সেইবোৰ চলে, হিন্দুৰ ঘৰত সেইবোৰ অচল। মই তেওঁক আমাৰ কৈলাসৰ কথাও খুলি কলোঁ। দেখিলো মানুহজন জ্ঞানী নেই।"

লাজ আৰু দুখত সুচৰিতাৰ অন্তৰ মৰি গ'ল। হৰিমোহিনীয়ে কলে,—"তুমি দেখোন তেওঁক গুৰু বুলি মানা। তেওঁৰ বাক্য তো তুমি পালন কৰিব লাগিব।"

সুচৰিতা মনে মনে থাকিল। হৰিমোহিনীয়ে কলে,—"মই তেওঁক কলো, 'বোপা, তুমি নিজে আহি এবাৰ তাইক বুজাই যোৱাহি, তাই আমাৰ কথা নুশুনে।' তেওঁ কলে,—'নাই, তেওঁৰ লগত মই দেখা কৰা উচিত নহব। সেইটো আমাৰ হিন্দু সমাজত কেনেবা কেনেবা দেখাব।' তেতিয়া মই কলোঁ,—'তেনেহলেনো কি উপায় হব?' তেতিয়া তেওঁ এইখন মোক নিজ হাতে লিখি দিলে। এইয়া চা।"

ইয়াকে কৈ হৰিমোহিনীয়ে লাহে লাহে আঁচলৰ আগৰপৰা কাগজখন উলিয়াই ভাঁজ খুলি সুচৰিতাৰ আগত মেলি ধৰিলে।

সুচৰিতাই পঢ়িলে। তাইৰ যেন উশাহ বন্ধ হৈ আহিল। তাই কাঠৰ পুতলাৰ দৰে জঠৰ হৈ বহি থাকিল।

লিখাখনত এনেকুৱা একো নাছিল যিটো নতুন বা অসঙ্গত। কথাখিনিৰ লগত সুচৰিতাৰ মতৰ অমিল এনেয়ো নাই। কিন্তু হৰিমোহিনীৰ হাতত এই লিখাখনি পঠিয়াই দিয়াৰ যি বিশেষ অৰ্থ সেইটোৱেইহে সুচৰিতাক মৰ্মান্তিক দুখ দিলে। গোৰাৰপৰা এই হুকুম আজি কিয় আহিল? অৱশ্যে সুচৰিতাৰ কাৰণেও সময় আহিব,—তায়ো এদিন বিয়া সোমাব লাগিব, সেই বুলিয়েই গোৰাৰ ইমান লৰালৰি কৰিবৰ নো কি কাৰণটো হল। তাইৰ সম্পৰ্কে গোৰাৰ কাম একেবাৰেই সকলো শেষ হ'ল নে কি? তাই গোৰাৰ কৰ্ত্তব্যত কিবা বিঘিনি ঘটাইছে নে কি? গোৰাই তাইক দান কৰিবলৈ আৰু তাইৰপৰা কিবা পাবলৈ আৰু একো নাই নে কি? তাই কিন্তু তেনেকৈ ভবা নাই, তাই হলে এতিয়াও বাটলৈ চাই বৈ আছে। সুচৰিতাই নিজৰ অন্তৰৰ এই অসহনীয় দুখৰ বিৰুদ্ধে যুঁজ দিবৰ কাৰণে প্ৰাণপণে চেষ্টা কৰিবলৈ ধৰিলে, কিন্তু তাই মনৰ ভিতৰত কতো অকণো শান্তি বিচাৰি নেপালে।

হৰিমোহিনীয়ে সুচৰিতাক ভাবিবলৈ বহুপৰ সময় দিলে। তেওঁ তেওঁৰ অভ্যাস অনুযায়ী অলপ শুলেও। শুই উঠি সুচৰিতাৰ খোটালিত

গোৰাই দেখিলে তাই যেনেকৈ বহি আছিল তেতিয়াও ঠিক তেনেকৈয়ে টলকা মাৰি বহি আছে।

তেওঁ কলে, "ৰাধু, ইমান ভাবিছা কেলেই কোৱাচোন। ইয়াত নো ভাবিবৰ ইমান কি আছে। কিয়, গৌৰমোহনে অন্যায় কিবা লিখিছে জানো?"

সুচৰিতাই গহীন ভাৱে কলে,—"নাই, তেখেতে ঠিকেই লিখিছে।"

হৰিমোহিনীয়ে বৰ আগ্ৰহেৰে কৈ উঠিল,—"তেনেহলে বাছা, পলম কৰি কি লাভ?"

সুচৰিতাই কলে,—"নাই, পলম কৰিব নোখোজোঁ। মই এবাৰ দেউতাৰ ওচৰৰ পৰা আহোঁগৈ।"

হৰিমোহিনীয়ে কলে,—"চোৱা, ৰাধু, তোমাৰ হিন্দু সমাজত বিয়া হওক এনে ইচ্ছা দেউতাৰাই নকৰিব। কিন্তু তোমাৰ বিজনা শুৰু তেওঁ—"

সুচৰিতাই অধৈৰ্য্য হৈ কলে,—"মাহী, কিয় তুমি বাৰে বাৰে একেটা কথাতে লাগি থাকা। বিয়াৰ সম্পৰ্কে মই দেউতাৰ লগত একো কথা নহওঁ। মই তেওঁৰ ওচৰলৈ এনেয়ে এবাৰ যাওঁ।'

পৰেশ ভট্টৰ ওচৰতে সুচৰিতাৰ একমাত্ৰ সান্ত্বনাৰ ঠাই আছিল। পৰেশ ভট্টৰ ঘৰলৈ আহি দেখিলে তেখেতে কাঠৰ পেৰাত কাপোৰ-কানি সুমুৱাত ব্যস্ত হৈ আছে। সুচৰিতাই সুধিলে,—"দেউতা, এইয়া কি কৰিছা?"

পৰেশ ভট্টই হাঁহি এটা মাৰি কলে,—"আই মই চিমলা পাহাৰত ফুৰিবলৈ ওলাইছোঁ, কাইলৈ পুৱাৰ ৰেলতে বাওণা হম।"

ভট্ট ডাঙৰীয়াৰ হাঁহিটোৰ ভিতৰত যে ডাঙৰ এটা বিপ্লৱৰ বুৰঞ্জী লুকাই আছিল, সেইটো সুচৰিতাই নুবুজাকৈ নেথাকিল। ঘৰত তেওঁৰ ঘৈণীয়েক, জীয়েক আৰু বাহিৰত তেওঁৰ বন্ধু-বান্ধৱ সকলোৱে মিলি তেওঁৰ জীৱন মহাভাৰ কৰি তুলিছিল। কিছুদিনৰ কাৰণে হলেও যদি অলপ আঁতৰি নেযায় তেনেহলে তেওঁক কেন্দ্ৰ কৰি সদায় কথা পাক খাই থাকিব। কাইলৈ তেওঁ ইমান দূৰলৈ যাবলৈ ওলাইছে, অথচ তেওঁৰ নিজৰ মানুহ কোনেও তেওঁৰ কাপোৰ-কানি ঠিক কৰি দিবলৈ নাহিল; তেওঁ নিজেই এই কাম কৰিবলগীয়া হৈছে, এই দৃশ্য দেখি সুচৰিতাৰ মনত বৰ আঘাত লাগিল। ভট্ট ডাঙৰীয়াক আঁতৰ হবলৈ কৈ তাই প্ৰথমতে পেৰাটো অজৰাই ললে। তাৰ পিচত আথেবেথে কাপোৰ-কানিবোৰ ভাঁজ কৰি নিপুণ হাতেৰে পেৰাত আকৌ ভৰাবলৈ ধৰিলে। আৰু তেওঁৰ সদায় পঢ়া পুথি-

বিলাক পেৰাৰ ভিতৰত এনেকৈ সজাই দিলে যাতে লৰচৰ কৰিলেও সেই-বিলাক একো নষ্ট নহয়। এইদৰে পেৰা সজাই থাকোঁতে সুচৰিতাই লাহেকৈ সুধিলে,—"দেউতা, তুমি অকলেই যাবা নে কি?"

তাই যে বৰ বেজাৰেৰে এই প্ৰশ্ন কৰিছে সেইটো পৰেশ ভট্টই গম পালে, আৰু কলে,—"মই একো কষ্ট নেপাওঁ, মাধে।"

সুচৰিতাই কলে,—"নহয় দেউতা, ময়ো তোমাৰ লগত যাম।"

পৰেশ ভট্টই সুচৰিতাৰ মুখৰ ফালে চাই ৰ'ল। সুচৰিতাই কলে,—"দেউতা, মই তোমাক অকণো আমনি নিদিওঁ।"

পৰেশ ভট্টই কলে,—"তেনে কথা কেনেই কৈছ আই। তই নো মোক কেতিয়া আমনি দিছ।"

সুচৰিতাই কলে,—"তোমাৰ ওচৰত থাকিব নোৱাৰিলে মোৰ ভাল নহব, দেউতা। মই বহু কথা বুজিব পৰা নাই। তুমি বুজাই নকলে মই পাৰেই নেপাম। দেউতা, তুমি যে মোক মোৰ বুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰিবলৈ কোৱা,—মোৰ তেনে বুদ্ধি নাই, মনতো বল পোৱা নাই। তুমি মোক তোমাৰ লগত লৈ বলা দেউতা।"

এই বুলি কৈ পৰেশ ভট্টৰ ফালে পিঠি দি মুখটো বেঁচিকৈ গুজি তাই পেৰাত কাপোৰ ভৰোৱাত ব্যস্ত হৈ পৰিল। তাইৰ চকুৰপৰা টোপা-টোপে চকুপানী পৰিবলৈ ধৰিলে।

৭৫

গোৰাই কাগজখন লিখি যেতিয়া হৰিমোহিনীৰ হাতত দিলে তেতিয়া গোৰাৰ এনেহে লাগিছিল যেন সি সুচৰিতাৰ সম্বন্ধে এখন ত্যাগপত্ৰহে লিখি দিলে। কিন্তু দলীল লিখি দিয়াৰ লগে লগেই কামৰ ওৰ নপৰে। তাৰ অন্তৰেও সেই দলীল একেবাৰেই অগ্ৰাহ্য কৰিলে। সেই দলীলত গোৰাৰ ইচ্ছা শক্তিয়ে বলেৰে নাম চহি দিছিল সঁচা, কিন্তু তাত তাৰ হিয়াৰ চহি নাছিল—সেইদেখি তাৰ হিয়া অবাধ্য হৈয়েই থাকিল। এই অবাধ্যতা ইমান প্ৰবল আছিল যে সি সেই ৰাতিয়েই গোৰাক সুচৰিতাৰ অভিমুখে প্ৰায় লৰ্‌বাইছিলেই। কিন্তু ঠিক সেই মুহূৰ্ত্তত গীৰ্জ্জাৰ ঘড়ীত দহোটা বাজিল আৰু তেতিয়াহে গোৰাৰ চেতনা হল যে এতিয়া মানুহৰ ঘৰলৈ গৈ

বেখা কৰা সময় নহয়। তাৰ পিচত সেই ৰাতি গীৰ্জ্জাৰ ঘড়ীৰ প্ৰত্যেকটো কোবেই গোৰাই শুনি আছিল। কাৰণ বাগি বোলা ঠাইখনৰ বাগিচালৈ সেইদিনা ৰাতি আৰু গোৰাৰ বোলা হৈ নুঠিল। পিচদিনা পুৱাতে যাব বুলি ৰাতিবিলৈ পঠালে।

দোকমোকালিতে বাগিচালৈ গ'ল। কিন্তু বিমান পৱিত্ৰ আৰু দৃঢ় মনেৰে পৰাচিত হব বুলি স্থিৰ কৰিছিল এতিয়া জানো তাৰ মনৰ অৱস্থা তেনেকুৱা।

অধ্যাপক পণ্ডিত বহুতো আহিছিল। আৰু বহুতৰ অহাৰ কথাও আছিল। গোৰাই খা-খবৰ কৰি মাত-বোল লগাই সকলোকে সম্ভাষণ জনালে। তেওঁলোকে গোৰাৰ সনাতন ধৰ্ম্মৰ প্ৰতি অচলা নিষ্ঠাৰ কথা উনুকিয়াই বাৰে বাৰে প্ৰশংসা কৰিলে।

লাহে লাহে বাগিচাত হাই-উৰুমি বাঢ়ি আহিল। গোৰাই চাৰিওফালে তত্ত্বাৱধান কৰি ঘূৰি ফুৰিবলৈ ধৰিলে। কিন্তু সকলো কোৰ্হাল আৰু কামৰ মাজতো গোৰাৰ হিয়াৰ একেবাৰেই তলিত এক্টো কথাই বাজি আছিল। কোনোবাই যেন তাক কৈ আছিল,—'অন্যায় কৰিছা, অন্যায় কৰিছা।' কিন্তু অন্যায়টো নো ক'ত সেইটো খবচি মাৰি চিন্তা কৰিবৰ সময় তেতিয়া নাছিল। তথাপি সি কোনো ৰকমেই তাৰ গভীৰ হৃদয়ৰ দুখ সোপা দি থব নোৱাৰিলে। পৰাচিত অনুষ্ঠানৰ ইমান ডাঙৰ আয়োজনৰ মাজতো তাৰ অন্তৰতে বাস কৰা কোনো ঘৰ-বিভীষণে তাৰ বিৰুদ্ধে আজি সাক্ষী দিছিল, কৈছিল, 'অন্যায় থাকি গ'ল।' এই অন্যায়, নিয়মৰ ক্ৰটিৰ নহয়, মন্ত্ৰৰ ভুলৰ নহয়, কোনো শাস্ত্ৰৰ বিৰোধিতাৰ নহয়, এই অন্যায় প্ৰকৃতিৰ ভিতৰত ঘটিছে, এই কাৰণেই গোৰাৰ সমস্ত অন্তঃকৰণেই এই অনুষ্ঠানৰ উদ্যোগৰপৰা মুখ ঘূৰাই বহি আছিল।

সময় ওচৰ চাপি আহিল, বাহিৰত বাঁহৰ বেৰা দি বডা তৰি সভাস্থলি সজা হৈছে। গোৰাই গঙ্গাত গা ধুই তিয়নি সলাইছে, এনেতে মানুহৰ মাজত এটা উচুপিচুনি দেখা পালে। এটা উদ্বেগ যেন চাৰিওফালে বিয়পি পৰিছে। অৱশেষত অবিনাশে মুখ ক'লা কৰি কলে,—"আপোনাৰ ঘৰৰ পৰা খবৰ আহিছে। কৃষ্ণদয়ালদেৱৰ মুখেৰে তেজ গৈছে। তেখেতে এতিয়াই আপোনাক নিবলৈ গাড়ীত মানুহ পঠিয়াইছে।"

গোৰা লৰালৰিকৈ গুচি গ'ল। অবিনাশো তাৰ লগত যাবলৈ ওলাল। কিন্তু গোৰাই কলে,—"নেলাগে, বাইজক অভ্যৰ্থনা কৰিবলৈ তুমি থাকা— তুমি গলে নচলিব।"

গোৰাই কৃষ্ণদয়ালৰ খোটালীত সোমাই দেখিলে, তেওঁ পাটীত শুই আছে; আনন্দময়ীয়ে ভৰি-পথানত বহি লাহে লাহে তেওঁৰ ভৰিত হাত ফুৰাই দি আছে। গোৰাই উদ্‌বিগ্ন হৈ দুয়োকো মুখলৈ চালে। কৃষ্ণদয়ালে ইঙ্গিত দি ওচৰৰ চকীত তাক বহিবলৈ কলে। গোৰা বহিল।

গোৰাই মাকক সুধিলে, "এতিয়া কেনে আছে?"

আনন্দময়ীয়ে কলে,—"এতিয়া অলপ বাৰু। চাহাব-ডাক্তৰ মাতিবলৈ গৈছে।"

কোঠাৰ ভিতৰত শশীমুখী আৰু এজন চাকৰ আছিল। কৃষ্ণদয়ালে হাত জোকাৰি সিহঁতক বাহিৰলৈ যাবলৈ কলে।

যেতিয়া দেখিলে সকলো বাঁতৰ হল; তেতিয়া মাত-বোল নকৰাকৈ কৃষ্ণদয়ালে আনন্দময়ীৰ মুখলৈ চালে আৰু গোৰাক লেহাই লেহাই কলে,— "মোৰ সময় ওচৰ চাপি আহিছে। ইমান দিন তোৰ পৰা যি কথা লুকুৱাই থোৱা হৈছিল তাকে তোক কৈ নগলে মোৰ মুক্তি নহব।"

গোৰাৰ মুখ ক'লা পৰি গ'ল। সি থিৰেৰে বহি থাকিল। আলেখান পৰ কোনেও একো নেমাতিলে।

কৃষ্ণদয়ালে কলে,—"তেতিয়া মই একো নেমানিছিলোঁ। সেই দেখিয়েই ইমান ডাঙৰ ভুল কৰিলোঁ, তাৰ পিচত আৰু শুধৰাবৰ কোনো উপায় নাছিল।"

ইয়াকে কৈ তেওঁ আকৌ টনকা মাৰিলে। গোৰায়ো একো প্ৰশ্ন নকৰি থিৰ হৈ বহি থাকিল।

কৃষ্ণদয়ালে কলে,—"ভাবিছিলোঁ,—কোনো দিনেই তোক কোৱাৰ আৱশ্যক নহব, যেনেকৈ চলিছে ঠিক তেনেকৈয়ে চলি যাব। কিন্তু এতিয়া দেখিছোঁ, তাৰ উপায় নাই। মোৰ মৃত্যুৰ পিচত তই মোৰ শ্ৰাদ্ধ কৰিবি কেনেকৈ?"

এনে বিপদৰ সম্ভাৱনাত কৃষ্ণদয়াল যেন শিয়ঁৰি উঠিল। আচল কথাটো জানিবলৈ গোৰা একেবাৰে উত্ৰাৱল হৈ পৰিল। সি আনন্দময়ীৰ কালে চাই কলে,—"তুমি কোৱাচোন কথাটো কি? শ্ৰাদ্ধ কৰিবৰ অধিকাৰ মোৰ নাই?"

আনন্দময়ীয়ে অতপৰে তললৈ মূৰ কৰি মাতবোল নকৰাকৈ বহি আছিল; গোৰাৰ প্ৰশ্ন শুনি তাৰ মুখলৈ চাই কলে,—"নাই বোপাই, নাই।"

গোৰাই উচপ্ খাই উঠি থিয় দি কলে,—"মই তেখেতৰ পুত্ৰ নহওঁ?"

আনন্দময়ীয়ে কলে,—"নহয়।"

আগ্নেয়গিৰিৰে জুই ওলোৱাদি গোৰাৰ মুখৰপৰা ওলাল,—"আই, তুমি মোৰ আই নোহোৱা ?"

আনন্দময়ীৰ বুকু ফাটি গ'ল। তেখেতে কান্দো কান্দোকৈ শুকান মাতেৰে কলে,—"বোপাই, গোৰা, তই যে মোৰ পুত্ৰহীনাৰ পুত্ৰ, তই যে মোৰ পেটৰ পোৱালিতকৈয়ো বহুতো ডাঙৰ, বোপাই।"

গোৰাই তেতিয়া কৃষ্ণদয়ালৰ মুখলৈ চাই কলে,—তেনেহলে তোমালোকে মোক ক'ত পালা ?"

কৃষ্ণদয়ালে কলে,—"তেতিয়া মিউটিনি। আমি এটোৱাত। তোৰ মাৰে চিপাহীৰ ভয়ত পলাই আহি আমাৰ ঘৰত আশ্ৰয় লৈছিল। তোৰ দেউতাৰ আগদিনাই যুদ্ধত মৰিল। তেওঁৰ নাম আছিল—"

গোৰাই গৰ্জ্জি উঠি কলে,—"দৰকাৰ নাই তেওঁৰ নামৰ। মই নাম জানিব খোজা নাই।"

কৃষ্ণদয়ালে গোৰাৰ এই উত্তেজনাত আচৰিত হৈ মনে মনে থাকিল। কিছুপৰৰ পিচত কলে,—"তেওঁ আইৰিচ্‌মেন আছিল। সেই ৰাতিয়েই তোক জন্ম দি তোৰ মাৰ মৰিল। তাৰ পিচত তই আমাৰ ঘৰতে ডাঙৰ-দীঘল হৈছ।"

এক মুহূৰ্ত্ততে গোৰাৰ মনত গোটেই জীৱনটো কিবা অতিশয় অদ্ভুত এটা সপোনৰ নিচিনা হৈ গ'ল। সৰুৰেপৰা এতিয়ালৈকে তাৰ জীৱনৰ যি ভেটি গঢ়ি উঠিছিল সি যেন মুহূৰ্ত্ততে খহি পৰি নাইকিয়া হ'ল। সি যে কি, সি ক'ত আছে, একেবাৰেই যেন বুজিব পৰা নাই। তাৰ অতীত বুলি যেন একো পদাৰ্থই নাই। আৰু তাৰ সমুখৰ ইমান দিনৰ মৌন একান্ত লক্ষ্যৰ সুনিৰ্দ্দিষ্ট ভৱিষ্যতো একেবাৰেই লোপ পাই গ'ল। সি যেন মাত্ৰ এক মুহূৰ্ত্তৰ কাৰণে পদুম পাতৰ ওপৰত নিয়ৰৰ টোপাল হৈ ওপঙি আছে। তাৰ আই নাই, বোপাই নাই, দেশ নাই, জাতি নাই, নাম নাই, গোত্ৰ নাই, দেৱতা নাই। তাৰ সকলো কথাই একমাত্ৰ 'নাই'। সি কি ধৰিব, কি কৰিব, আকৌ কৰপৰা আৰম্ভ কৰিব, কোনফালে লক্ষ্য থিৰ কৰিব, আকৌ দিনে দিনে ক্ৰমে ক্ৰমে কামৰ যোগানবোৰ কৰপৰা কেনেকৈ গোটাই লব। এই দিক্-বিদিক চিনি নোপোৱা অদ্ভুত শূন্যৰ মাজত গোৰা নিৰ্ব্বাক হৈ বহি ৰ'ল। তাৰ মুখ দেখি কোনেও আৰু দুনাই কথা কবলৈ সাহ নেপালে।

এনেতে পৰিয়ালৰ বঙালী চিকিৎসকৰ লগত চাহাব ডাক্তৰ আহি পালেহি। ডাক্তৰে যেনেকৈ ৰুগীৰ ফালে চালে তেনেকৈয়ে গোৰাৰ ফালেও নেচাই

নোৱাৰিলে। ভাবিলে, এই মানুহটো কোন? তেতিয়াও গোৰাৰ কপালত গঙ্গাৰ মাটিৰ ফোঁট আছিল। আৰু সেই গা ধুই উঠি পিন্ধা গৰদৰ চুৰিয়া-খনেই তেতিয়াও সি পিন্ধি আছিল। গাত চোলা নাই, লগুণৰ কাষেদি তাৰ প্ৰকাণ্ড দেহাটো দেখা গৈছিল।

আগেয়ে হোৱা হলে ইংৰাজ ডাক্তৰক দেখা মাত্ৰেই গোৰাৰ খং উঠিল হয়। কিন্তু আজি যেতিয়া ইংৰাজ ডাক্তৰে ৰুগীক পৰীক্ষা কৰি আছিল, তেতিয়া গোৰাই তেওঁলৈ আগ্ৰহৰ চকুৰে চাইছিল। নিজৰ মনতে সি বাৰে বাৰে প্ৰশ্ন কৰিছিল, 'এই মানুহজনেই এতিয়া তেন্তে সকলোতকৈ মোৰ বেচি আপোন!'

ডাক্তৰে পৰীক্ষা কৰি উঠাৰ পাচত সুধি-পুচি কলে,—"কত্ৰা, বিশেষ বেয়া লক্ষণ তো একো দেখা নাই। নাড়ীও ভয় লগা নহয় আৰু শৰীৰৰ যন্ত্ৰবিলাকৰো কোনো বিকৃতি ঘটা নাই। যিবোৰ উপসৰ্গ দেখা গৈছে সাৱধানে থাকিলেই সেইবোৰ নোহোৱা হব।"

ডাক্তৰ বিদায় লৈ যোৱাৰ পিচত গোৰা চকীৰপৰা উঠিব খুজিলে।

ডাক্তৰ আহোঁতে আনন্দময়ী কাষৰ কোঠাটোলৈ গুচি গৈছিল। তেখেতে বেগাই সোমাই আহি গোৰাৰ হাতত ধৰি কলে,—"বোপাই গোৰা, মোৰ ওপৰত খং নকৰিবি—কৰ যদি মই আৰু নাবাচোঁ।"

গোৰাই কলে,—"তুমি ইমান দিনে মোক নকৈছিলা কেলেই? কোৱা হলে তো তোমাৰ একো হানি নহলহেঁতেন।"

আনন্দময়ীয়ে নিজৰ মূৰতে সকলো দোষ জাপি লৈ কলে,— 'বোপাই, তোক জানোচা হেৰুৱাওঁ, এই ভয়তে ইমান পাপ কৰিছোঁ। শেষত যদি সেয়ে হয় আৰু তই যদি মোক এৰিয়েই যাব, তেনেহলেও মই কাকো দোষ দিব নোৱাৰো কিন্তু তাকে কৰিলে তই মোক মাৰিবি বোপাই।"

গোৰাই মাত্ৰ কলে,—"আই।"

গোৰাৰ মুখত সেই সম্বোধন শুনি ইমান পৰৰ মূৰত আনন্দময়ীৰ হেঁচা মাৰি থোৱা চকুলো হো-হোৱাই বাগৰি আহিল।

গোৰাই কলে,—"আই মই এবাৰ ভট্ট ডাঙৰীয়াৰ ঘৰলৈ যাওঁ।"

আনন্দময়ীৰ বুকুৰ ভাৰ পাতলিল। তেখেতে কলে—"যা বোপাই।"

তেওঁ এতিয়াই মৰাৰ আশঙ্কা নাই অথচ গোৰাই কথাটো জানিলেও—এনে হোৱাত কৃষ্ণদয়াল বৰ বিচলিত হৈ পৰিল। কলে,—"চা গোৰা, কথাটো কাৰো আগত উলিয়াবৰ প্ৰয়োজন নেদেখোঁ। তই মাত্ৰ বুজি-বাজি

গা বচাই চলিলেই যেনেকৈ চলি আছে সকলো ঠিক তেনেকৈয়ে চলি থাকিব কোনেও গম নেপাব।"

একো উত্তৰ নিদি গোৰা ওলাই গ'ল। কৃষ্ণদয়ালৰ লগত যে তাৰ কোনো সম্বন্ধ নাই—ইয়াকে ভাবি, তাৰ বেন ভাল লাগিল।

আগতে কোনো খবৰ নিদিয়াকৈ মহিমৰ অফিচলৈ গোবোৱাকৈ যোৱাৰ উপায় নাছিল। তেওঁ ডাক্তৰ আৰু অন্যান্য বন্দবস্ত কৰি দি এবাৰ দেখা দি চাহাবক কৈ ছুটী লবলৈ গৈছিল। গোৰা ঘৰৰপৰা ঠিক ওলাওঁতেই মহিম আহি পালেহি আৰু কলে—"গোৰা যাব কলৈ?"

গোৰাই কলে,—"খবৰ ভাল ডাক্তৰ আহিছিল। একো ভয় নাই বুলি ক'লে।"

মহিমৰ বৰ পাতল লাগি গ'ল; সি কলে,—"বচালি। পৰহিলৈ এটা দিন আছে—শশীমুখীৰ বিয়াখন সেই দিনাই পাতিম। গোৰা, তই কিন্তু অলপ লাগি-ভাগি দিব লাগিব। আৰু চা, বিনয়ক কিন্তু আগেয়ে সাৱধান কৰি দিবি—সি যেন সেইদিনা নোলায়হি। অবিনাশ অতিপাত হিন্দু—সি বিশেষকৈ কৈ দিছে তেনেকুৱা মানুহ যেন বিয়ালৈ নাহে। আৰু এটা কথা তোক কৈ থওঁ ভাই, সেইদিনা আমাৰ অফিচৰ বৰ চাহাব কেইজনক নিমন্ত্রণ কৰি আনিম, তই আকৌ সিহঁতক খেদামাৰি মাৰিবলৈ নেযাবি যেন। একো নেলাগে, মূঠেই ডিঙিটো বেকাকৈ 'গুড্ ইভিনিং চাৰ' বুলিলে হিন্দু শাস্ত্ৰখন অশুদ্ধ হৈ নপৰে—আৰু যদি পৰেই পণ্ডিত-সকলৰপৰা বিধান লবি। বুজিছ ভাই, সিহঁত হ'ল ৰজাৰ জাত, সিহঁতৰ ওচৰত তোৰ তেমটো অকমান কমালে একো অপমান নহয়।"

মহিমৰ কথাৰ কোনো উত্তৰ নিদি গোৰা ওলাই গ'ল।

৭৬

চকুলো চাকিবৰ কাৰণে পেৰাটোৰ ভিতৰলৈ মূৰটো গুজি দি সুচৰিতা কাপোৰ ভৰোৱাত ব্যস্ত থাকোঁতেই খবৰ আহিল গৌৰমোহন আহিছে।

সুচৰিতাই লৰালৰিকৈ চকু মচি হাতৰ কাম পেলাই থিয় দিলে। আৰু তেনেতে গোৰা ভিতৰলৈ সোমাই আহিল।

গোৰাৰ কপালত ফোট তেতিয়াও আছিলেই। সেইটো সি পাহৰিয়েই

গৈছিল। গাতো সেই গাচৰ কাপোৰেই আছিল। এনেকুৱা বেশেৰে সচৰাচৰ কোনেও কাকো ঘৰলৈ দেখা কৰিবলৈ নাহে। সেই যে প্ৰথম দিনা দেখা হৈছিল, সেই দিনাৰ কথা সুচৰিতাৰ মনত পৰিল। সুচৰিতাই জানিছিল, গোৰাই সেইদিনা বিশেষভাৱেই যুঁজৰ সাজ পিন্ধি আহিছিল— আজিও জানো এইয়া সেই যুঁজৰেই সাজ।

গোৰা আহিয়েই মাটিত মূৰ লগাই ভট্ট-ডাঙৰীয়াক সেৱা কৰিলে আৰু তেখেতৰ ভৰিৰ ধূলা ললে। পৰেশ ভট্টই লৰালৰিকৈ গোৰাক তুলি ধৰি কলে,—"আহা, আহা বোপা বহা।"

গোৰাই কলে,—"ডাঙৰীয়া, মোৰ একো বন্ধন নাই।"

পৰেশ ভট্টই আচৰিত হৈ ক'লে,—"কিহৰ বন্ধন?"

গোৰাই কলে,—"মই হিন্দু নহওঁ।"

পৰেশ ভট্টই কলে,—"হিন্দু নোহোৱা?"

গোৰাই কলে,—"নহয়, মই হিন্দু নহয়। মই আজি জানিব পাৰিছোঁ মই মিউটিনিৰ সময়ৰ বুটলি পোৱা লৰা, মোৰ বোপাই আইৰিচম্যেন। ভাৰতবৰ্ষৰ উত্তৰৰপৰা দক্ষিণলৈ সকলো গোঁসাই থানৰ দুৱাৰেই আজি মোৰ কাৰণে বন্ধ হৈ গ'ল, আজি গোটেই দেশতে কোনো শাৰীৰ কোনো ঠাইতেই মোৰ আহাৰৰ আসন নাই।"

পৰেশ ভট্ট আৰু সুচৰিতা তভক লাগি বহি থাকিল। পৰেশ ভট্টই তাকনো কি ক'ব ভাবিয়েই নেপালে।

গোৰাই ক'লে,—"আজি মই মুকলিমূৰীয়া ডাঙৰীয়া! মই যে পতিত হম, ভ্ৰষ্ট হম, সেই ভয় মোৰ আৰু নাই—মই আৰু পদে পদে তললৈ চাই অশুচি হোৱাৰ ভয়ত সাৱধানে খোজ দিব নেলাগে।"

শুচৰিতাই গোৰাৰ উজ্বল মুখৰ ফালে চকুৰ পতা নেপোলোৱাকৈ চাই ৰ'ল।

গোৰাই ক'লে, "ডাঙৰীয়া, ইমানদিন ভাৰতবৰ্ষক লাভ কৰিবৰ কাৰণে কিমান সাধনা কৰিছোঁ—এঠাইত নহয় এঠাইত বাধা পাইছোঁ— সেই বাধাবিলাকক শ্ৰদ্ধাৰে চকুৰে চাবলৈ মই গোটেই জীৱন দিনে-ৰাতিয়ে চেষ্টা কৰি আহিছোঁ—এই শ্ৰদ্ধাৰ ভেটিটোক নিষ্কপকপীয়া কৰাৰ চেষ্টাত থাকোঁতেই মই আইন একো কাম কৰিব পৰা নাই—সেইটোৱেই মোৰ একমাত্ৰ সাধনা আছিল। সেই দেখিয়েই বাস্তৱ ভাৰতবৰ্ষৰ পিনে সত্যৰ চকুৰে চাই তেওঁৰ সেৱা কৰিবলৈ গৈ মই বাৰে বাৰে ভয়তে উভতি

আহিছোঁ—মই এখন নিষ্কণ্টক নির্ব্বিকাৰ কল্পনাৰ ভাৰতবৰ্ষ গঢ়ি তুলি সেই অভেদ্য দুৰ্গৰ ভিতৰত মোৰ ভক্তিক নিৰাপদে ৰক্ষা কৰিবলৈকে' ইমান দিনে চাৰিও দিশৰ লগত কি যুঁজেইনো নকৰিলোঁ। আজি এক মুহূৰ্ত্ততে মোৰ সেই কল্পনাৰ দুৰ্গ সপোন হৈ উৰি গ'ল। মই আজি সম্পূৰ্ণ মুক্ত হৈ এটা বৃহৎ সত্যৰ মাজত থিয় দিছোঁহি। গোটেই ভাৰতবৰ্ষৰ ভাল-বেয়া, সুখ-দুখ, জ্ঞান-অজ্ঞান, একেবাৰেই মোৰ বুকুৰ কাষ আহি পাইছেহি—আজি মই সঁচাই সেৱাৰ অধিকাৰী হৈছো—আচল কৰ্ম্মক্ষেত্ৰ মোৰ সমুখত আহি পৰিছে—সেইয়া মোৰ মনৰ ভিতৰৰ ক্ষেত্ৰ নহয়--সি হৈছে বাহিৰৰ এই পচিশ কোটি মানুহৰ আচল কল্যাণ-ক্ষেত্ৰ।"

গোৰাৰ এই নতুনকৈ পোৱা অনুভূতিৰ কোবাল উৎসাহৰ বেগে ভট্ট ডাঙৰীয়াকো যেন জোকাৰিবলৈ ধৰিলে; তেখেত আৰু বহি থাকিব নোৱাৰিলে, চকী এৰি থিয় দি উঠিল।

গোৰাই ক'লে,—"মোৰ কথা আপুনি ভালকৈ বুজিব পাৰিছেনে? মই দিনে-ৰাতিয়ে যিটো হ'বলৈ বিচাৰিছিলোঁ, কিন্তু হ'ব নোৱাৰিছিলোঁ, আজি মই সেইটোৱেই হৈছোঁ। আজিহে মই আচল ভাৰতীয়। মোৰ ভিতৰত হিন্দু-মুছলমান-খৃষ্টান কোনো সমাজৰে কোনো বিৰোধ নাই। আজি ভাৰতবৰ্ষৰ সকলো মানুহৰ জাতেই মোৰ জাত, সকলোৰ অন্নই মোৰ অন্ন। চাওক, মই বঙ্গদেশৰ বহু ঠাই ভ্ৰমণ কৰিছোঁ, অতি নীচ কুলীয়া মানুহৰ গাঁৱতো আলহী হৈছো—মই কেৱল নগৰৰ সভাতহে বক্তৃতা দিছোঁ বুলি নেভাবিব—কিন্তু কোনো ৰকমেই সকলো মানুহৰ কাষত গৈ বহিব পৰা নাছিলোঁ—ইমান দিনে মই মোৰ নিজৰ লগতেই কিবা এটা অদৃশ্য ব্যৱধান লৈ ঘূৰি ফুৰিছিলোঁ—কোনোপধ্যেই সেই ব্যৱধান পাৰ হ'ব পৰা নাছিলো। সেই কাৰণেই মোৰ মনৰ ভিতৰত এটা ডাঙৰ শূন্যতা বৈ গৈছিল। এই শূন্যতাটোকেই মই নানা উপায়েৰে সদায় অস্বীকাৰ কৰিবলৈকে যত্ন কৰিছোঁ—এই শূন্যতাৰ ওপৰতে নানা প্ৰকাৰৰ কাৰুকাৰ্য্য খটাই তাক আটক-ধুনীয়া কৰিবলৈ চেষ্টা কৰিছোঁ। কিয়নো ভাৰতবৰ্ষক মই মোৰ প্ৰাণতকৈয়ো ভাল পাওঁ—মই তেওঁক তেওঁৰ যি অংশটোত দেখা পাইছিলোঁ, সেই অংশৰ ক'তো অকণো কিবা অভিযোগ কৰিবলগীয়া থাকিব পাৰে সেইটো মই একেবাৰে সহ্য কৰিব নোৱাৰিছিলোঁ। আজি সেই সকলো কাৰুকাৰ্য্য খটোৱাৰ মিছা চেষ্টাৰপৰা এৰা পৰি মই ৰক্ষা পাইছোঁ, ডাঙৰীয়া।"

পৰেশ ভট্টই ক'লে,—"সত্যক যেতিয়া আমি পাওঁহক তেতিয়া সি

তাৰ সকলো অভাৱ অপূৰ্ণতাৰে সৈতেই আমাৰ আত্মাক জুৰি দিছে—তাক মিছা উপকৰণেৰে সজাই-পৰাই তোলা ইচ্ছাই নহয়।"

গোৰাই ক'লে,—"চাওঁক ডাঙৰীয়া, কালি ৰাতি মই বিষণ্ণ মনেৰে প্ৰাৰ্থনা কৰিছিলোঁ যেন আজি ৰাতিপুৱাই নতুন জীৱন লাভ কৰোঁ। ল'ৰা-কালিৰেপৰা ইমানদিনে যিবিলাক মিছা, যিবিলাক অশুচিতাই মোক বেৰি ধৈছিল, সেইবোৰ সকলো ক্ষয় হৈ গৈ আজি যেন মই নব জন্ম লাভ কৰিছোঁ। মই কল্পনাৰ যিটো বস্তুৰ কাৰণে প্ৰাৰ্থনা কৰিছিলোঁ ঈশ্বৰে ঠিক সেই প্ৰাৰ্থনালৈ কাণ নিদিলে—তেওঁ তেওঁৰ নিজৰ সত্য হঠাৎ একে কোবেই মোৰ হাতত তুলি দি মোক চম্‌ক লগাই দিছে! তেওঁ যে এনেকৈ মোৰ অশুচিতা একেবাৰেই মুচি পেলাব, সেইটো মই সপোনতো ভবা নাছিলোঁ। আজি মই ইমান শুচি হৈ পৰিছোঁ যে চণ্ডালৰ ঘৰতো মোৰ চুৱা হোৱাৰ ভয় নেথাকিল। ডাঙৰীয়া মই যেন সম্পূৰ্ণ মুকলি মনেৰে একেবাৰে ভাৰতবৰ্ষৰ কোলাত এই পুৱাতে জন্ম লৈছোঁ—আইৰ কোলা কাক বোলে ইমান দিনৰ মূৰত আজিহে যেন মই পুৰা-পূৰিকৈ উপলব্ধি কৰিব পাৰিছোঁ।"

পৰেশ ভট্টই ক'লে,—"গৌৰ, তোমাৰ আইৰ কোলাৰ যি অধিকাৰ পাইছা সেই অধিকাৰৰ মাজলৈ আমাকো তুমি আগবঢ়াই লৈ বলা।"

গোৰাই ক'লে,—"আজি মুক্তি লাভ কৰি পোন প্ৰথমেই আপোনাৰ ওচৰলৈ কিয় আহিছোঁ জানেনে?"

পৰেশ ভট্টই ক'লে,—"কিয়?"

গৌৰই ক'লে,—"আপোনাৰ ওচৰতে এই মুক্তিৰ মন্ত্ৰ আছে—তাক সেই দেখিয়েই আজি আপুনি কোনো সমাজতেই ঠাই পোৱা নাই। মোক আপোনাৰ শিষ্য কৰক। আজি আপুনি মোক সেই গোঁসাইৰেই মন্ত্ৰ দিয়ক, যি গোঁসাই হিন্দু-মুছলমান-খৃষ্টান-ব্ৰাহ্ম সকলোৰেই—যি জনা গোঁসাইৰ দুৱাৰ কোনো জাতিৰ কাৰণেই, কোনো মানুহৰ কাৰণেই, কোনো দিনাই জপোৱা নেথাকে—যিজনা কেৱল হিন্দুৰ গোঁসাই নহয়—যিজনা সমস্ত ভাৰতবৰ্ষৰ গোঁসাই।"

পৰেশ ভট্টৰ মুখৰ ওপৰেদি এটা গভীৰ মাধুৰ্য্যৰ স্নিগ্ধ ছাঁয়াই যেন হাত বুলাই গ'ল। তেখেতে চকু তললৈ নমাই নিমাতে থিয় দি বল।

ইমান পৰৰ পিচত গোৰাই সুচৰিতাৰ ফালে মুখ ঘূৰালে। তাই চকীত নিটাল মাৰি বহি আছিল।

গোৰাই হাঁহি ক'লে,—"সুচৰিতা, মই তোমাৰ গুৰু নহওঁ। মই

তোমাক এই বুলি মিনতি কৰিছোঁ, মোক হাতত ধৰি তোমাৰ সেই গুৰুৰ ওচৰলৈ লৈ বলা।"

এইবুলি গোৰাই তাৰ সোঁহাতখন সুচৰিতাৰ ফালে আগবঢ়াই দি আগুৱাই গ'ল। সুচৰিতাই চকীখনৰ পৰা থিয় দি উঠি নিজৰ হাতখন গোৰাৰ হাতত থলে। তেতিয়া সুচৰিতাৰ লগত লৈ গোৰাই পৰেশ বাবুক সেৱা কৰিলে।

পৰিশিষ্ট

পৰেশৰ পিচত ঘৰলৈ উলটি আহি গোৰাই দেখিলে—আনন্দময়ীয়ে তেখেতৰ কোঠালীৰ দুৱাৰডলিত আমন-জিমনকৈ বহি আছে।

আহিয়েই গোৰাই তেখেতৰ ভৰি দুখন টানি লৈ ভৰিতে মূৰ থ'লে। আনন্দময়ীয়ে দুই হাতেৰে গোৰাৰ মূৰটো দাঙি ধৰি চুমা খালে।

গোৰাই ক'লে,—"আই, তুমিয়েই মোৰ আই। যি আইক বিচাৰি ফুৰিছিলোঁ তেওঁ আহি মোৰ ঘৰ ঘৰৰ মজিয়াতে বহি আছিল। তোমাৰ জাত নাই, বিচাৰ নাই, ঘিণ নাই—তুমি মাথোঁ কল্যাণৰ প্ৰতিমা। তুমিয়েই মোৰ ভাৰতবৰ্ষ।

আই, এইবাৰ তোমাৰ লছমিয়াক মাতা। মোক অলপ পানী আনি দিবলৈ তাইক কোৱা।"

তেতিয়া আনন্দময়ীয়ে গোৰাৰ কাণত মুখখন লগাই কান্দো কান্দো হৈ ক'লে,—"গোৰা, এইবাৰ এবাৰ বিনয়ক মাতি পঠাওঁ দেই।"